# অৰ্দ্ধ-আকাশ

## ৰচনাসমগ্ৰ

প্ৰথম খণ্ড



সম্পাদনা ঃ জয়শ্ৰী মেচ গগৈ

কৰবী চৌধুৰী প্ৰধান

**ARDHA-AKASH** :

*Collection of writings*

A popular Female Group of FACEBOOK

based on creative writing

**অৰ্দ্ধ-আকাশ ঃ**

ৰচনাসমগ্ৰ, প্ৰথম খণ্ড

মহিলাসকলৰ দ্বাৰা গঠিত সৃজনশীল লেখাৰ এক জনপ্ৰিয় ফেচবুক গোট

প্ৰকাশ ঃ

প্ৰথম সংস্কৰণ ঃ ডিচেম্বৰ, ২০১৮ বৰ্ষ।

দ্বিতীয় সংস্কৰণ ঃ ফেব্ৰুৱাৰী, ২০১৮ বৰ্ষ।

প্ৰকাশ আৰু গ্ৰন্থস্বত্ব ঃ

অৰ্দ্ধ-আকাশ

প্ৰচ্ছদ ঃ সাগৰিকা বৈশ্য (ৰিকু)

মূল্য ঃ ₹ ৪৫০.০০

অক্ষৰ বিন্যাস আৰু মুদ্ৰণ ঃ

সাঁচিপাত®

ৰাজগড় - ৭৮৬ ৬১১।। ডিব্ৰুগড়, অসম

ফোন নং ঃ ০৩৭৫৪-২৭৬৬১১

# অৰ্পণ

হাজাৰ ব্যস্ততাৰ মাজতো কণমান আজৰি ক্ষণ উলিয়াই
নিজৰ সৃজনশীলতাৰ বিকাশৰ অৰ্থে অহোপুৰুষাৰ্থ
কৰা লেখিকা-সখী তথা পঢ়ুৱৈ-সখীসকলৰ
সুকোমল হাতত
"অৰ্দ্ধ-আকাশ" ৰচনাসমগ্ৰৰ প্ৰথম খণ্ড
তুলি দিয়া হ'ল।

।

প্ৰশাসকমণ্ডলী
অৰ্দ্ধ-আকাশ

# সম্পাদকৰ মেজৰপৰা

সাহিত্য নহয়। সাহিত্যৰ বৰ পথাৰলৈ বুলি ছটিয়াই দিয়া সৃষ্টিৰ কঠীয়াতলিৰ সামান্য এমুঠি বীজ; "অৰ্দ্ধ আকাশ"।

ফেচবুকৰ এটি জনপ্ৰিয় মহিলাৰ গোট। এই "অৰ্দ্ধ আকাশে" আকাশ সপোন দিলে সৃষ্টিৰ। তিৰাশী হাজাৰ মহিলাৰ আখৰা চলে অহৰ্নিশে কিবা এটা সৃষ্টি কৰাৰ। বহুতৰে জীৱনৰ ভাটি বেলাতো হয়তো নিৰ্জীৱ হৈ যাব খোজা কলমটোৱে অৰ্দ্ধ আকাশৰ বুকুত প্ৰাণ পাই উঠিছে। ২০১৭ চনৰ ৪ মাৰ্চত আৰম্ভ কৰা ফেচবুকৰ সাধাৰণ গোটটিয়ে ইমান খিনিলৈকে সাহস দিছে আমি ভাবি আচৰিত হওঁ। সকলো সদস্যই বিচাৰে অৰ্দ্ধৰ নিজা এখনি সংকলন হওক । সম্পূৰ্ণ অনভিজ্ঞ মই সদস্য সকলৰ উৎসাহ আৰু সহযোগিতাত এই সংকলনখনি কৰিবলৈ মনস্থ কৰোঁ। লবী কেন্দ্ৰিক সাহিত্য সৃষ্টিৰ হেঁচা ঠেলাত ইচ্ছা কৰিলেও বহু লেখক-লেখিকাই ভাল লিখা স্বত্বেও নিজৰ নামটো ছপা মাধ্যমত দেখাৰ পৰা বঞ্চিত হয়। এই অভিযোগ প্ৰায়ে শুনা যায় আজিকালি। আমাৰ উদ্দেশ্য, লিখাৰ হাবিয়াস থকা অথচ প্ৰকাশ কৰিবলৈ কোনো মাধ্যম অথবা মঞ্চ বিচাৰি নোপোৱা লেখিকা সকলক এখন মঞ্চ প্ৰদান কৰা। লিখা মেলা কৰাৰ লগে লগে আমি কেইবাটাও সামাজিক কামত জড়িত হৈ পৰিছিলোঁ। বিগত বৰ্ষত ছোচিয়েল মিডিয়াত এনে সামাজিক কৰ্ম কৰি আনক অনুপ্ৰাণিত কৰাৰ বাবে স্বেচ্ছাসেৱী সংগঠন "নবাৰুণ"ৰ দ্বাৰা "অৰ্দ্ধ আকাশ"ক সম্বৰ্ধনাও জনায়। দুটা বৰ্ষতে সদস্যা সকলৰ পৰা পোৱা মৰম আৰু অনুপ্ৰেৰণা আমাৰ আটাইতকৈ শক্তিশালী দিশ। আমি আশাবাদী এই মঞ্চই এদিন সাহিত্যৰ পথাৰলৈ সৃষ্টিৰ শ্ৰেষ্ঠ বীজ কঢ়িয়াই নিব। কলমবোৰ ৰৈ নাযাওক। এয়া আৰম্ভণিহে মাথোঁ। যাত্ৰাপথ এতিয়াও বহু বাকী।

**<u>প্ৰত্যাহ্বানবোৰ</u> ঃ** সম্পাদনা কৰিবলৈ লৈ ভয় লাগি আছিল কেনেকৈ কৰোঁ কামবোৰ। এটা সৰু গছ পুলিয়ে বটবৃক্ষ ৰূপ লোৱাৰ লগে লগে ইয়াৰ পৰিচৰ্যাৰ কথাও আহি পৰে। উপযুক্ত সাৰ পানীৰ অভাৱত যিদৰে গছ পুলিটো ঠন ধৰি উঠিব নোৱাৰে ।তাৰবাবে লাগিব পৰ্যাপ্ত আহাৰ। ঠিক সেইদৰে গোটটো গঠন কৰোঁতে ইয়াক সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কৰবী বাক (কৰবী চৌধুৰী প্ৰধান, ছত্তিশগড়) লগত ল'লোঁ। তেওঁৰ অবিহনে এই যাত্ৰা অসম্ভৱ আছিল। তাৰ লগে লগে আমি মৰাণৰ শিখা দাস দত্ত, গীতাঞ্জলি বৰুৱা, শিৱসাগৰৰ আশাশ্ৰী গোস্বামী দাস, গুৱাহাটীৰ দীপিকা ডেকা, পূৰবী নাথ, নলবাৰীৰ ৰিকু (সাগৰিকা বৈশ্য) আৰু যোৰহাটৰ খুশবু হাজৰিকা। এখন ঘৰ যিদৰে বাই ভনী সকলে চোৱাচিতা কৰে আমিও সেইদৰে পাল পাতি গোট পৰিচালনা কৰিবলৈ যত্ন কৰোঁ। ঘৰ-সংসাৰ, চাকৰি আদি সকলো কাম কাজৰ আউল মাৰি আজৰি সময় খিনিক সদ্ ব্যৱহাৰ কৰিবলৈ লওঁ গোটটিৰ মাধ্যমেৰে। সময়ে সময়ে ভন্টি, সখীসকলে ব্যক্তিগতভাৱেও গ্ৰন্থখনি কৰিবলৈ লোৱাত ফোন যোগেৰে সাহস দি আহিছে। মাজতে বহু বিতৰ্ক যায়, বহুতৰ মত নিমিলে বহুতে গোটটি বন্ধ কৰি দিয়াৰ ষড়যন্ত্ৰও কৰে। সকলোবোৰ বাধা অতিক্ৰম কৰি "অৰ্দ্ধ আকাশ" এতিয়া অসমৰ সামাজিক মাধ্যমত এটা জনপ্ৰিয় গোট হিচাবে প্ৰতিস্থিত হৈছে। ইতিবাচক চিন্তাৰে সৃষ্টিৰ পথাৰখন জীপাল হৈ থাককচোন থাকে যদি অৰ্দ্ধৰ বুকুতে। তাৰ কামনাৰে সখীসকললৈ স্নেহেৰে —

জয়শ্ৰী মেচ গগৈ<br>
মুখ্য প্ৰশাসক<br>
অৰ্দ্ধ আকাশ<br>
টিংখং , ডিব্ৰুগড়

বিঃদ্ৰঃ- এই খিনিতে কৃতজ্ঞতাৰে কৈ থওঁ, সম্পাদনাৰ বাবে প্ৰয়োজন হোৱা এখনি গ্ৰন্থ ভন্টি নিৰ্মালিক কোৱাৰ

লগে লগে তেওঁ মোৰ বাবে আনি দিলে। দ্বিতীয়তে, মোৰ জীৱনসংগী কীৰ্তিকমল গগৈ। তেঁও মোৰ সৈতে ছাঁৰ দৰে থাকি যথেষ্ট সহায় কৰি দিছে যাতে গ্ৰন্থখন ৰাইজলৈ সুন্দৰকৈ আগবঢ়াই দিব পাৰোঁ।

(২)

"অৰ্দ্ধ আকাশ" ফেচবুক জগতৰ চিনাকি নাম এটি হৈ পৰাৰ আঁৰত হ'ল ইয়াৰ সদস্য সমূহৰ সক্ৰিয়তা আৰু সহযোগিতা।

আজি এই সদস্যসকলৰ উৎসাহ, আগ্ৰহ আৰু সহযোগিতাত ফেচবুকৰ বাকৰিৰ পৰা "অৰ্দ্ধ আকাশ" গ্ৰন্থখন পঢ়ুৱৈৰ হাতত তুলিব দিবলৈ আগবাঢ়ি আহিছোঁ। সদস্য সকলৰ সহায় অবিহনে এয়া সম্ভৱ নহ'লহেতেন।

ফেচবুক গ্ৰুপটিৰ জন্মদাত্ৰী জয়শ্ৰী মেচ গগৈৰ লগত ইয়াৰ মুখ্য প্ৰশাসকৰ ভাৰ লওঁতে ভবা নাছিলোঁ যে এটা সময়ত এক বিশাল গ্ৰুপ হৈ পৰিব য'ত সখীসকলে নিজৰ ব্যক্তিগত সমস্যাবোৰ, মনৰ কথাবোৰ ভগাই লোৱাৰ লগতে সৃজনশীল মনৰ পৰিচয়ও দিব। অৰ্দ্ধ আকাশ ৰ বুকুত আহি আমি আকৌ লিখিব আৰম্ভ কৰিছোঁ, হেৰাই যোৱা কলম আকৌ হাতত লৈছোঁ বুলি যেতিয়া কোনোবা সখীয়ে কয়, তেতিয়া কৰবাত গ্ৰুপতো কিঞ্চিত সফল হোৱা যেন মনে ধৰে।

এওঁলোকৰ আগ্ৰহতে ন-পুৰণি সদস্য লেখিকাৰ কিছু সৃষ্টিৰ সংকলন "অৰ্দ্ধ আকাশ" আজি আপোনালোকৰ হাতত। হয়তো সাহিত্য জগতত কেৱল নাৰী লেখিকাৰ লিখনিৰে সমৃদ্ধ এইখন অসমৰ প্ৰথম গ্ৰন্থ।

এয়া আমাৰ প্ৰথম প্ৰচেষ্টা, ভুল ত্ৰুটি মাৰ্জনীয়। আশীৰ্বাদ কৰিব যাতে অচিৰেই দ্বিতীয় খণ্ডটি আপোনাসবৰ হাতত এইদৰেই তুলি দিব পাৰোঁ।

স্নেহেৰে —
কৰবী চৌধুৰী প্ৰধান
মুখ্য প্ৰশাসক
অৰ্দ্ধ আকাশ
ৰায়পুৰ, ছত্তিশগড়

**কৃতজ্ঞতা ঃ**

কাক দিওঁ ? কেনেকৈ দিওঁ ? ইমান স্নেহ, বিশ্বাস, আন্তৰিকতাৰে আমাক আৱৰি থকা সখীসকলৰ বাবে হয়তো এই দুশাৰী বাক্য পৰ্যাপ্ত নহয়। তথাপিও আমি জনাওঁ; জীৱনৰ বহু কেইটা অপ্ৰাপ্তি যেন নোহোৱা হৈ পৰিছে আপোনালোকৰ ছাঁত। কাৰোবাৰ বাইদেউ হৈছোঁ, কাৰোবাৰ ভনী আৰু কাৰোবাৰ সখী। অৰ্দ্ধৰ উদ্দেশ্য সফল কৰি তোলা আপোনালোক সকলো সখী, বাই-ভনীলৈ আমি কৃতজ্ঞতা জনালোঁ। লগতে অনুৰোধ জনালোঁ, গ্ৰন্থখনিৰ সম্পাদনাত আমাৰ ভুল ত্ৰুটি নিঃসন্দেহে ৰৈ গৈছে। সেয়া মাৰ্জনা কৰে যেন। গঠনমূলক আলোচনাই সংশোধনৰ বাট দেখুৱাব বুলি আমি আশাবাদী।

জয়শ্ৰী মেচ গগৈ
কৰবী চৌধুৰী প্ৰধান
ardhoakash2018.gmail.com


**.(স্মৰ্তব্য ঃ**

**গ্ৰন্থখনিত প্ৰকাশিত লেখাৰ সকলো তথ্য, মত অথবা কাহিনীৰ প্ৰতি লেখক দায়বদ্ধ।**

**সম্পাদক দায়বদ্ধ নহয়।)**



# প্রথম অধ্যায়



# মাথোঁ প্ৰেমৰ বাবে

**ভৱানী পেগু**

বেলিটো দিগন্তৰেখাত বিলীন হৈ যোৱাৰ পিছত সান্ধ্য তৰাবোৰ ফুটছাই বৰণীয়া আকাশখনৰ অত তত এটা এটাকৈ চিকমিকাই উঠিছে । অসীমত আকাশৰ দূৰ সীমনা আৰু সাগৰৰ নীলাবোৰ যেন একাকাৰ হৈ গৈছেহি.... বতাহত ফৰফৰাই কঁপি উঠিছে সমুদ্ৰ তীৰৰ ছিৰিলি নাৰিকল গছৰ পাত।

সাগৰৰ ঢৌবোৰৰ গৰ্জন অমৃতাৰ কৰ্ণকোঁহৰত গভীৰৰপৰা গভীৰতলৈ গৈ যেন এটি সংগীতৰ লহৰ তুলিছেহি ।

“আস”

দুচকু জপাই , দুহাত মেলি তাই অনুভৱ কৰিছে সাগৰীয় হিমশীতল চেঁচা বতাহজাকক।

একেইটো !

সন্ধ্যা গাঁৱৰ নদীৰ পাৰত বহি অনুভৱ কৰা সেই নৈপৰীয়া চেঁচা বতাহজাকৰ দৰেই.... সেই একেই অনুভৱ.... !

অমৃতাই সুযোগ পালেই সন্ধিয়া ওলাই আহে সমুদ্ৰ তীৰলৈ। সমুদ্ৰৰ গৰ্জন আৰু ঢৌ বোৰৰ সৈতে আছে তাইৰ নিবিড় সম্পৰ্ক। সমুদ্ৰ তীৰৰ বালিচৰত বহি সাগৰীয় চেঁচা বতাহজাকক তাই তুলনা কৰে সেই শৈশৱৰ তাইৰ মৰমৰ নৈখনৰ পাৰৰ চেঁচা বতাহজাকৰ সৈতে।

অমৃতাৰ মনৰ আকাশত বিচৰণ কৰিছেহি এজনী সৰু ছোৱালীয়ে।

.... উদং ভৰিৰে মলিয়ন এটি চুটি ফ্ৰক পিন্ধি, ৰঙা ৰিবনেৰে দুফালে দুকোঁচা চুলি বান্ধি, নদীৰ পাৰে পাৰে উন্মনা হৈ দৌৰি ফুৰা .... বনৰীয়া চৰাইৰ দৰে উৰি ফুৰা শৈশৱৰ সেই অমৃতাজনী। সেউজীয়া পথাৰৰ মাজৰ সৰু সৰু আলিবোৰৰ ওপৰত দুহাত মেলি এবাৰো পৰি নোযোৱাকৈ কেনেকৈ যে অনায়াসে দৌৰিব পাৰিছিল তাই!

আৰু ... আৰু অনুৰাগ ??

সিওটো তাইৰ দৰে একেই বনৰীয়া আছিল। ক্ষীণ, লাহী শৰীৰ, এমুৰ কেঁকুৰা চুলিৰে, সেই গভীৰ চকুহালেৰে , তাইৰ শৈশৱৰ লগৰী... তাইৰ কৈশোৰৰ প্ৰথম সপোন ....অনুৰাগ !!

কি কি কৰা নাছিল সি তাইৰ বাবে??

তাইৰ লগত গাঁৱৰ অলিয়ে গলিয়ে ঘূৰি ফুৰা, নদীত শামুক বিচৰা, পাৰত বহি বালিঘৰ সজা, পেন্টৰ পকেট ভৰ্তি কৰি সৰু সৰু শিলগুটি বাচি বাচি বুটলি অনা, তাৰপিছত আকৌ দুয়ো গৰাত বহি সেই শিলগুটি নদীৰ বুকুত উৎপন্ন হোৱা সৰু সৰু বৃত্তাকাৰ ঢৌবোৰলৈ দলিয়াই দিয়া....আৰু যে কত কি !!

পথাৰৰ বুকুৰ সেউজীয়াত, নৈৰ পাৰত বনৰীয়াৰ দৰে নিৰ্ভীকভাৱে ঘূৰি ফুৰা ছোৱালীজনী ডাঙৰ হৈ আহিছিল।

শৈশৱ কৈশোৰৰ দুৱাৰদলিত ভৰি দিছিলহি। লাহে লাহে চুটি ফ্ৰকবোৰ আৰু চুটি হৈ আহিছিল। পেহীয়েকৰ খেছখেছনিত অতিষ্ঠ হৈ অমৃতাই চুটি ফ্ৰক এৰি কপাহী মেখেলা চাদৰ পিন্ধিবলৈ লৈছিল।

দুকোঁচা চুলিৰ ঠাইত হৈছিলগৈ দুডলীয়া বেণী। গাল দুখনত পৰা গোলাপী আভাই তাইৰ ৰূপত যেন অধিক ৰং চৰাইছিল। স্কুললৈ যাওঁতে লৰাবোৰে তাইক ঘূৰি ঘূৰি চোৱা হৈছিল।

আৰু ..... অনুৰাগ!

সিওটো আগতকৈ বেছি ওখ হৈছিল, বুকুখন বহল হৈছিল, নাকৰ তলতে দেখ দেখকৈ গোঁফৰ ৰেখা এডাল ওলাইছিল,....মাত ভাঙিছিল।

অনুৰাগৰ ভঙা মাত শুনি অমৃতাই তাৰ চৰ্দি, কাঁহ হব লোৱা বুলি অলপ দূৰৈত থকা পেহীয়েকৰ ঘৰলৈ গৈছিল দৰব বিচাৰি।

অতীতৰ স্মৃতি ৰোমন্থনত নিমজ্জিত হৈ পৰা অমৃতাৰ ওঁঠত এটি শুকান হাঁহি বিৰিঙি উঠিছে।

"কতে মৰো" বুলি কৈ মূৰে কপালে হাত দি বহিছিল পেহীয়েক ।

ঃ তোক কোনে কলে তাৰ চৰ্দি হোৱা বুলি ? তাৰ চৰ্দি হোৱা নাই নহয়। সি ডেকা হৈছে । সেইকাৰণেহে তাৰ মাত ফাটিছে। আঁকৰীজনী।

... আৰু শুন তয়ো এতিয়া গাভৰু হলি। গতিকে তাৰ লগত মিলা মিছা কমাই দিবি।

ঃ কিয় কিয়? তাৰ লগত মিলা মিছা কৰিলে কিনো হ'ব? সি টো মোৰ বন্ধু। মই কাৰ লগত কথা পাতিম নহ'লে !!

ঃ এহ এইজনী। কথাই নুশুন তই মোৰ। শুন। বেছি লৰাৰ লগত মিলা মিছা কৰিলে ....উমম.... সেই ৰতনৰ মানুহজনীৰ দৰে তোৰ পেটটোও ডাঙৰ হ'ব।

পেহীয়েকে তাইৰ কাণৰ ওচৰতে ফুচফুচাই কোৱাদি কৈ নিজৰ কথাত নিজেই ৰস পাই সশব্দে হাঁহি উঠিছিল সেইদিনা।

তাইৰ মুখখন আশ্চৰ্যত মেল খায় গৈছিল। তাই যে এই কথাটো ভবাই নাছিল!

পেহীয়েকৰ ঘৰৰ পৰা ঘূৰি আহোতে বাৰিষাৰ কলীয়া ডাৱৰৰ দৰে বিষণ্ণ হৈ পৰিছিল তাইৰ মনটো । ছেহ! অনুৰাগৰ লগত খেলা ধূলা , ঘূৰা ফুৰা সকলো যে বন্ধ কৰিব লাগিব তাই এতিয়া। নহলে যে ৰতন ককাইদেউৰ মানুহজনীৰ দৰেই তাইৰ পেটটো ডাঙৰ হৈ যাব ।

নিজৰ চিন্তা ভাৱনাত আত্মমগন হৈ খোজকাঢ়ি গৈ থকা অমৃতাৰ হঠাতে খোজত যতি পৰিছিল চাইকেলৰ টিলিঙাৰ চিনাকি শব্দত। হাঁহি এটি বাগৰি গৈছিল তাইৰ ওঁঠত।

ঃ ক'ত গৈছিলি ? ব'ল। উঠ চাইকেলত। থৈ আহোঁ।

উলাহত চাইকেলত উঠিব লৈও ৰতন ককাইদেউৰ মানুহজনীৰ পেটটোলৈ মনত পৰি ৰৈ গৈছিল তাই।

ঃ তই যা।মই খোজকাঢ়ি যাম।

ঃ কিয়?

আচৰিত হৈ অনুৰাগে কিছুপৰ থেৰোঁগেৰুকৈ থিয় হৈ থকা অমৃতালৈ তীক্ষ্ণ দৃষ্টিৰে চাই ৰৈছিল।

ঃ উঠ বুলি কৈছো নহয় চাইকেলত।

অনুশাসনৰ সুৰত কোৱা কথাষাৰ পেলাব নোৱাৰি কি কৰোঁ কি নকৰোঁকৈ অমৃতাই চাইকেলত উঠিছিল।

সেইৰাতি ঘৰতো একো কামত মন বহুৱাব পৰা নাছিল তাই। তাইৰ মন মগজুত বাৰে বাৰে অনুৰণিত হৈ ৰৈছিল পেহীয়েকৰ কোৱা কথাবোৰ।

" অনুৰাগ ডেকা হ'ল। তয়ো গাভৰু হ'লি।"

"অনুৰাগ ডেকা হ'ল।......

সাগৰীয় চেঁচা বতাহজাকে পুনৰ গালে ওঁঠে চুমি গল তাইক। আকাশখনলৈ মূৰ তুলি চালে তাই। আকাশত এতিয়াও জিলমিলাই আছে সান্ধ্য তৰাবোৰ, আৰু উজ্জ্বলি আছে স্নিগ্ধ জোনাক। এই মহানগৰীক জানো প্ৰয়োজন আকাশৰ তৰাৰ??....জোনবাইৰ প্ৰশান্তিময় আলোকময়তাৰ ?? সন্ধিয়া নামি অহাৰ লগে লগেই লাইটৰ সমাহাৰত উজ্জ্বলি উঠে এইখন মহানগৰী।

ক'ত গল সেই সেউজ পথাৰ, সেউজ গাঁও, সেই নদী .... বিস্তৃত সেউজীয়াৰ মাজে মাজে পুৱা সন্ধিয়া দৌৰি ফুৰা সেই নিৰ্ভীক, নিষ্পাপ লৰা ছোৱালী হাল!!....ক'ত গল সেই কৈশোৰৰ দুৱাৰদলিত থিয় হোৱা সেই নিষ্পাপ কিশোৰ কিশোৰী..?? ....আৰু তাহাঁতৰ অব্যক্ত হৃদয়ৰ ভাষা...?? অভিমানত উন্দুলি উঠিছে তাই।

ঃ কি হৈছে কচোন ? মোৰ পৰা আতৰি ফুৰা হৈছ যে ??

অলপ খং আৰু অভিমান একাকাৰ হৈ ধৰা দিছিল অনুৰাগৰ চকু মুখত সেইদিনা। কিছুদিনৰ পৰা সি লক্ষ্য কৰিছিল অমৃতাই যেন জানি বুজি তাৰপৰা আঁতৰি ফুৰা হৈছে। সি ধেমালি কৰি তাইক জোকালে তাৰ পিঠিত ঢকাটো দিবলৈও যেন সাহস নকৰা হ'ল তাই।

ঃ অনু....তই ডেকা হ'লি।

কওঁ নকওকৈ কথাষাৰ কৈয়েই পেলাইছিল তাই।

ঃ হয় নেকি ? তাতে ?

ঃ কি তাতে? মই .....ময়ো গাভৰু ...হৈছোহি এতিয়া।

কথাষাৰ কওঁতে অজানিতে গাল দুখন গৰম হৈ উঠিছিল তাইৰ।

অমৃতাৰ কথাৰ একো প্ৰত্যুত্তৰ নিদিয়াকৈ মাথো চাই ৰৈছিল সি বাৰে বাৰে ৰং সলোৱা তাইৰ গাল দুখনিলৈ। কিছুপৰ তাইলৈ তেনেদৰেই চাই ৰৈছিল সি।

ঃ কি চাই আছ তেনেকৈ?

ঃ চা অনু, তই মোক বেয়া নাপাবি। কিন্তু মোৰ ৰতন ককাইদেউৰ মানুহজনীৰ দৰে হব মন নাই।

ঃ কি হল ৰতন ককাইদেউৰ মানুহজনীৰ??

ঃ দেখা নাই পেটটো কিমান ডাঙৰ??

কিছুপৰ কথাষাৰ ঠিক বুজিব নোৱাৰি তাইৰ সৰল চিন্তিত চকুযুৰীলৈ চাই ৰৈছিল সি। ভঙা ভঙা মাতেৰে সশব্দে হাঁহি উঠিছিল অনুৰাগ। হাঁহি হাঁহি ৰৈ গৈছিল আৰু পিছমুহূৰ্ততে গম্ভীৰ হৈ পৰিছিল সি।

ঃ ঠিক আছে।তোৰ পেটটো মই কেতিয়াও ডাঙৰ হবলৈ নিদিও। হব? মোৰ ওপৰত বিশ্বাস কৰ।পলাই নুফুৰিবি মোৰ পৰা । এইকন বিশ্বাস ৰাখিব পাৰ তই।

ঃ কৈয়েই চাইকেল চলাই সুহুৰি বজাই বজাই আতৰি গৈছিল সি।

কৈশোৰ এৰি যৌৱনৰ দুৱাৰদলিত ভৰি দিছিলহি দুয়ো। সেই যে সি কথা দিছিল তাইক ৰতন ককাইদেউৰ মানুহজনীৰ দৰে পেটটো ডাঙৰ হব নিদিওঁ বুলি....সকাহ পাইছিল তাই।

ঃ পুনৰ আগৰ দৰেই দুয়ো কথা পাতিছিল, স্কুল গৈছিল।

ঃ সমনীয়াৰ সৈতে কাণে কাণে কথা পতাৰ বয়স আছিল সেয়া। লাহে লাহে তাই বুজি উঠিছিল,....জানিব পাৰিছিল... পুৰুষ আৰু প্ৰকৃতিৰ মাজত থকা পাৰস্পৰিক সেই জৈৱিক আকৰ্ষণৰ কথা...আৰু সেই আকৰ্ষণৰ ফলত সৃষ্টি হোৱা এই মানৱজাতি, সমস্ত জীৱজগত...উদ্‌ঘাটন কৰিব পাৰিছিল ৰতন ককাইদেউৰ মানুহজনীৰ পেট ডাঙৰ হোৱাৰ ৰহস্য। লাজত মুছকছ যাবৰ উপক্ৰম হৈছিল তাইৰ।

"উস্"

কি কি যে কৈ পেলাইছিল তাই অনুৰাগক একো নজনাকৈয়ে। সেই একেই মুহূৰ্ততে এক অনামী খং আৰু অভিমানো অনুভৱ কৰিছিল তাই। কিয় সি কলে তাইৰ পেট কেতিয়াও ডাঙৰ হব নিদিওঁ বুলি??তাইৰ প্ৰতি আকৰ্ষিত নহয় নেকি সি?? যেনেকৈ পুৰুষ নাৰীৰ মাজত থকা সেই চিৰন্তন জৈৱিক আকৰ্ষণ..!!

মোবাইলৰ ৰিং টনটো হঠাৎ বাজি উঠিল। প্ৰায় চক খাই উঠিল অমৃতা।

স্ক্ৰীনত জিলিকি উঠিছে...."ভাস্কৰ"।

বিৰক্তিত ৰঙা হৈ পৰিছে অমৃতাৰ মুখখন। তাই ফোনটো ৰিছিভ নকৰিলে।

এজাক গৰম বতাহে আৱৰি ধৰিছেহি তাইক।

তিক্ততা আৰু হতাশগ্ৰস্ততাৰ চক্ৰবেহুত সোমাই পৰিছে তাই, ... আৰু এই চক্ৰব্যহুৰ পৰা ওলাই অহাৰ পথ তাইৰ নাই। সমুদ্ৰৰ হিমশীতল চেঁচা উৰ্মিমালাই ধুৱাই নিয়া বালিচৰৰ পদচিহ্নৰ দৰেই সময়ৰ সোঁতে ধুৱাই নিছে তাইৰ অস্তিত্ব, তাইৰ আত্মা। সেইবাবেইতো .... তাই জী আছে এটি প্ৰাণবিহীন জীৱন । প্ৰেমবিহীন ...অনুৰাগ বিহীন, তাইৰ জীৱনটো যে এতিয়া মৰুভূমিৰ দৰেই নিস্তেজ, নিষ্প্ৰাণ .....আৰু অনুৰ্বৰ।।

(২)

কলিং বেলৰ দীঘলীয়া শব্দত প্ৰায় উচপ খাই উঠিল অমৃতা । দৌৰি যোৱাদিয়েই গৈ দুৱাৰখন খুলি দিলে তাই । বাহিৰত ক্লান্ত ৰঙা দুচকুৰে থিয় হৈ আছিল সি। এবাৰ তাইলৈ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি ধলং পলং খোজেৰে সোমাই আহিল ভাস্কৰ।

দুৱাৰখন বন্ধ কৰি দি তাইও সোমাই আহিল পিছে পিছে ।

ঃ ফ্ৰেছ হৈ লওক।

ঃ টাৱেল বাথৰুমতেই থৈ দিছোঁ।

তাইৰ কথাত অকণো ভ্ৰূক্ষেপ নকৰাকৈ চিধাই বেডৰুমত সোমাই বিছনাখনত দীঘল দি পৰিল সি।

অমৃতা কিছুপৰ দোধোৰ মোধোৰত হৈ ৰ'ল ঠাইতে। ভাস্কৰ চাগৈ বাহিৰতে খাই আহিছে। তাই লাহেকৈ গৈ তাৰ ভৰিৰ জোতা আৰু মোজাযোৰ খুলি দিলে।

বিছনাখনৰ শিতানৰ জ্বলি থকা লাইটটো অফ্ কৰিবলৈ গৈ হঠাতে চক খাই উঠিল তাই... ইতিমধ্যে তাইৰ হাতত থাপ মাৰি ধৰিছিল সি।

"উস্" দুচকু সজোৰে মুদি দিলে তাই ।

.....ঘৃণা কৰে ....অত্যন্ত ঘৃণা কৰে তাই এই কঠিন হাতখনৰ শীতলতাক । মৃত্যু সম্ভাৱনাতকৈও যেন বেছি ভয়ংকৰ এই হাতখনৰ শীতল অথচ কঠিন স্পৰ্শ।

ইতিমধ্যে সৰীসৃপৰ দৰে সেই শীতলতাই মেৰিয়াই ধৰিছিল তাইৰ শৰীৰটোক....মৃত্যু শীতল সেই অনুভৱ একাকাৰ হৈ পৰিল ভাস্কৰৰ মুখৰ তীব্ৰ মদৰ গোন্ধ আৰু তাৰ শৰীৰৰ ঘামৰ গোন্ধৰ সৈতে। সাপৰ ফুচফুচনিৰ দৰে তাৰ ঘন নিশ্বাসবোৰ আৰু ঘন হৈ আহিছিল.....

.....আৰু কিছুপৰ পিছত শান্ত হৈ শুই পৰিছিল সি।

মৃত মানুহৰ দৰেই পৰি ৰ'ল তাই । পিছমুহূৰ্ততে লাহেকৈ বিছনাখনৰ পৰা উঠি আহি বাথৰুমত গৈ শ্বাৱাৰৰ তলত দীঘল চুলিকোচা মেলি বহুপৰ থিয় দি ৰ'ল তাই। এটি চেপা কান্দোনৰ দৰে হাঁহি বিৰিঙি উঠিল তাইৰ ওঁঠত।

.... অমৃতা তই পাৰ কৰিলি আন এটি বিভীষিকাময় ৰাতি।

হয়....প্ৰতিটো ৰাতিয়েই তাইৰ বাবে বিভীষিকাময়।

ইতিমধ্যে সৰীসৃপটোৰ দাঁতৰ তীক্ষ্ণ কামোৰত সৃষ্টি হোৱা ক্ষত স্থানবোৰত বিৰিঙি উঠা কণ কণ তেজৰ কণিকা বোৰক ধুৱাই নিছিল জল কণিকা বোৰে।

মুম্বাই মহানগৰীৰ এটা বিয়াগোম অট্টালিকাৰ সোতৰ নম্বৰ ফ্লৰ।

ভাস্কৰ ইতিমধ্যে ওলাই গৈছে নিজৰ কৰ্মস্থানলৈ। খিৰিকীৰে বাহিৰৰ ব্যস্ত চহৰখনলৈ চাই ৰ'ল তাই। চৌপাশে ওখ ওখ অট্টালিকা..... ব্যস্ত ৰাজপথত পুৱাৰ পৰাই গাড়ী মটৰৰ লানি নিছিগা অহৰহ আহ যাহ আৰু তাৰ সংমিশ্ৰিত কোলাহল....। খিৰিকীখন খুলিলেই দেখা যায় চৰাইৰ দৰে, কিন্তু চৰাইতকৈ হাজাৰ গুণ বেগেৰে পথ অতিক্ৰম কৰি উৰি যোৱা উৰাজাহাজ।

মুম্বাই চহৰৰ এই কোলাহল, ভিৰৰ মাজত থাকিও তাই অকলশৰীয়া। নিঃসংগ।

এক ধৰণৰ ভয়ভাৱে আগুৰি ৰাখে তাইক অহৰহ। পদে পদে লাঞ্চিতা হোৱাৰ , বিপৰ্যস্ত হৈ খহি পৰাৰ সম্ভাৱনাই তাইক আৱৰি ৰাখে।

শৈশৱৰ সেই নিৰ্ভীক ছোৱালীজনীৰ যেন অপমৃত্যু ঘটিল। মানুহৰ স্বাৰ্থপৰতা...বৰ্বৰতা, অনৈতিকতাই যেন হত্যা কৰিলে....অপমৃত্যু ঘটালে সেই শৈশৱৰ অমৃতাজনীক। এতিয়া তাই এগৰাকী ভয়াতুৰ,... ভয়ঙ্কৰভাৱে পৰাধীন এগৰাকী মহিলা মাথো।।

তথাপিও তাই জীয়াই আছে।

তাইৰ একো নাই... আছে মাথো শৈশৱ কৈশোৰৰ এবুকু প্ৰেম ভৰা সেউজীয়া স্মৃতি।

সজীৱ হৈ উঠিছে কিছু সেউজীয়া ক্ষণ অতীতৰ ...

অমৃতাহঁতৰ গাঁৱখনৰ পশ্চিমৰ ফালে দীঘলীয়া উকি দি যোৱা ৰেলগাড়ীখনৰ পিছে পিছে এজুম লৰা ছোৱালী। ফোঁপাই ফোঁপাই দৌৰিছে আটাইকেইটা। সিহঁতে জানে ৰেলগাড়ীখনৰ সমান বেগত সিহঁতে দৌৰিব নোৱাৰে তথাপিও প্ৰতি পুৱা গধূলি সিহঁতে বিফল চেষ্টা চলায়।

লাহে লাহে ৰেলগাড়ীখনৰ গতি তীব্ৰৰ পৰা তীব্ৰতৰ হৈ চকুৰ আগত নোহোৱা হৈ যায়। ভাগৰি জুগৰি বৈ যায় ল'ৰা

ছোৱালীজাক।

হাতত বাঁহৰ এটি দীঘল লাঠী লৈ খেদি আহে অমৃতাৰ পেহীয়েক। ফৰিংচিটিকা দি পলাই সিহঁত। কিংকৰ্তব্যবিমুঢ় হৈ ৰৈ যোৱা অমৃতাক দেখি পলাবলৈ লৈও ৰৈ যায় অনুৰাগ। পেহীয়েকৰ ৰুদ্ৰমূৰ্তি ৰূপ দেখি ভয়ত তাই গৈ অনুৰাগৰ লাহী শৰীৰটোৰ পিছফালে থিয় দিয়েহি। নিৰ্বিকাৰ চিত্তে অনুৰাগ থিয় হৈ ৰয় তাইৰ সন্মুখত এখন ঢালৰ দৰে হৈ।

ঃ ৰেলগাড়ীৰ তলত পৰিলে দুছেও হ'বি জান নে নাই সেই কথা তহঁতে??

খঙত ৰঙা হৈ কোঁচ খাই বিকৃত হৈ উঠে পেহীয়েকৰ মুখখন। উধাই মুধাই কোবাব ধৰে সন্মুখত ঢাল হৈ থিয় দি থকা অনুৰাগক। আক্ষেপত অস্থিৰ হৈ উঠি অমৃতাই সোঁহাত মেলি আগবঢ়াই দিয়ে পেহীয়েকলৈ।

দুকোবমান দি হতাশ হৈ পুনৰ উভতি যায় পেহীয়েক।

অতীতৰ স্মৃতি ৰোমন্থন কৰি এটি ক্ষীণ হাঁহি বিয়পি পৰিল অমৃতাৰ ওঁঠত।

সেই প্ৰেমৰ স্মৃতিয়েইটো তাইক জীয়াই ৰাখিছে ইমানদিনে। অনুৰাগৰ সৈতে কটোৱা অতীতৰ সেই প্ৰেমময় ক্ষণবোৰে ক্ষণিকৰ বাবে হলেও যেন দূৰ কৰি দিব পাৰে তাইৰ অন্তৰৰ সকলো, ক্লেশ, যাতনা, বিষাদ,.....।

প্ৰথম প্ৰেমৰ সেই দুৰ্বাৰ তৃষ্ণা আজিও যে অক্ষুন্ন হৈ জীয়াই আছে তাইৰ অন্তৰত। সচাঁকৈ কোনোবা কবিয়ে ঠিকেই কৈছিল.....

" প্ৰেম জীৱনৰ লহৰী সুধা,... এটি অমৃতময় ঢৌ"

(৩)

অসংখ্য লাইটৰ পোহৰত জকমকাই উঠিছে মুম্বাই মহানগৰীৰ ৰাজপথ। ৰাজপথৰ অগণন গাড়ীৰ লানিৰ মাজেদি অতি নিপুণতাৰে লাহে লাহে গাড়ীখন চলাই লৈ গৈছে ড্ৰাইভাৰ বিনয়ে,...আগছিটত হেলান দি বহি গৈছে ভাস্কৰ। বিৰক্ত, খঙাল মুখেৰে চাই ৰৈছে সন্মুখৰ গাড়ীৰ লানিটোলৈ। মাজে মাজে খঙত কিবা ভোৰভোৰাই কৈছে।

গাড়ীখনৰ পিছৰ ছিটত নিৰ্বিকাৰচিত্তে আপোন চিন্তাত মগ্ন হৈ বহি আছে অমৃতা,....দুচকুত উদাসীন দৃষ্টি লৈ ।

নতুন মডেলৰ গাড়ীখনৰ মিউজিক প্লেয়াৰত বাজি উঠিছে কম ভলিউমত তাই বুজি নোপোৱা এটি ইংৰাজী গীত। লাহেকৈ মূৰটো সামান্য বেঁকা কৰি গাড়ীৰ কলা গ্লাছেদিয়েই তাই চাবলৈ চেষ্টা কৰিলে আকাশখনলৈ।

.... তৰা ভৰ্তি আকাশ...মুম্বাই মহানগৰীৰ ৰমক জমক লাইটৰ পোহৰত নিষ্প্ৰভ হৈ পৰিছে আকাশৰ তৰাও। জোনবাইৰ মুখখনিও যেন বিষাদত বিবৰ্ণ.... নিস্তেজ। অৱহেলিত অনুভৱ কৰি দুখত মগ্ন এগৰাকী অভিমানী গাভৰুহে যেন ...!

হাতৰ ঘড়ীটোলৈ এবাৰ চাই পঠিয়ালে তাই। সন্ধিয়া সাত বাজি পাৰ হৈ গৈছে ইতিমধ্যে।

দিনৰভাগতেই ভাস্কৰে তাইক লৈ গৈছিল ডাক্তৰ তৃশা কুপ্পীকাৰৰ চেম্বাৰলৈ । ভাস্কৰৰ পুৰণি বন্ধু, মেডিচিন স্পেচিয়েলিষ্ট ডাক্তৰ অবিনাশ গুপ্তাই ৰেফাৰ কৰিছিল তাইক মনোৰোগ বিশেষজ্ঞা তৃশা কুপ্পীকাৰৰ ওচৰলৈ । যোৱা দুমাহমানৰ পৰাই কিছুমান লক্ষণে নেৰানেপেৰাকৈ লগ দি আছে তাইক।

নিদ্ৰাহীনতা, ভোক নলগা, অস্থিৰতা, মূৰ ঘুৰণি ......।

অনিচ্ছাসত্তেও ভাস্কৰৰ লগত আহিছিল তাই ডঃ তৃশা কুপ্পীকাৰৰ চেম্বাৰলৈ।

অকলশৰীয়াকৈ চেম্বাৰত বহুৱাই বহু কথাই সুধিছিল তাইক মধ্যবয়সীয়া ডাক্তৰগৰাকীয়ে।

....তাইৰ বৰ্তমান, তাইৰ অতীত, ভৱিষ্যতৰ কথা...পাহৰিব নোৱাৰা অতীতৰ ভাল বেয়া স্মৃতি ইত্যাদি ....

...আৰু সুধিছিল তাইৰ শৰীৰত লগা কলা নীলা অসংখ্য দাগবোৰৰ কথাও...

আচৰিত হৈছিল অমৃতা। ইমান চোকা হব পাৰেনে কাৰোবাৰ দৃষ্টি !! ডাক্তৰ তৃশা কুপ্পীকাৰৰ কোমল, সহানুভূতিপূৰ্ণ অথচ তীক্ষ্ণ দৃষ্টিয়ে যেন পঢ়ি লৈছিল তাইৰ মনৰ অকথ্য বহু কথা।

বহু কথা ক'ব খুজিও একোৱেই কব নোৱাৰিলে তাই...কিহবাই যেন ডিঙিত সোপা মাৰি ধৰিছিল তাইক। শব্দবোৰ যেন মুখতে জঁট লাগি ৰৈ গৈছিল। হিয়া উজাৰি কান্দিব খুজিছিল অমৃতাই ...কিন্তু এটোপাল চকুলোও জিলিকি উঠা নাছিল তাইৰ দুচকুত...মাথো অসহায় শূন্য দৃষ্টিৰে চাই ৰৈছিল মধ্যবয়সীয়া মানুহজনীৰ দুচকুৰ কোমল চাৱনীলৈ। অস্পষ্টকৈ মাথো কিবাকিবি বিৰবিৰাইছিল তাই আপোনমনে।

চকুলো আৰু শব্দবোৰেও যেন প্ৰতাৰণা কৰিছিল তাইক।

সকলো যেন বুজি উঠিছিল ডাক্তৰ তৃশা কুপ্লীকাৰে।

কিছুপৰ পিছতেই ডাক্তৰগৰাকীয়ে ভাস্কৰক মাতি কিবা কিবি বুজাইছিল আৰু লগতে দিছিল এখন ঔষধৰ দীঘলীয়া লিষ্ট।

খঙত গুজৰী উঠিল ভাস্কৰ। গোল মুখখন খঙত তেজাল হৈ পৰিছে। মুখখনৰ ভংগী বিকৃত কৰি ভয়ানক ভাৱে অস্থিৰ হৈ পৰিছে সি।

ঃ ইমান সুখত ৰাখিছোঁ তোক। তাৰপিছটো তোৰ কিহৰ ডিপ্ৰেছন ?? যি লাগে নোখোজাৰ আগতেই আনি দিও। তথাপিও অসন্তুষ্টি তোৰ। মনত পৰিছে নেকি পুৰণি প্ৰেমিকলৈ??

ঃ ....

ঃ কি দিছিল সি তোক?? যি মই তোক দিব পৰা নাই।

ঃ ......

ঃ মই আনি দিয়া প্ৰতিটো ঔষধ নিয়মমতে খা। এনেকৈ শুই বহি থাকিলে নহ'ব। সোনকালে ভাল হ। মই বেলেগ এটা ব্যৱস্থা কৰিম বাৰু। অকণমান ঘৰৰ পৰা ওলোৱা সোমোৱা কৰিলে ভাল লাগিব পাৰে।

বিৰক্তিত দুৱাৰখন ধামকৈ জপাই দপদপাই ওলাই গ'ল ভাস্কৰ।

ঈষৎ হাঁহি বিৰিঙি উঠিল তাইৰ ওঁঠৰ একোণত। ভাস্কৰৰ দৰে শৰীৰসৰ্বস্ব, বিলাস সৰ্বস্ব মানুহলৈ পুতৌ জন্মে তাইৰ। তাৰ মতে টকা- পইচা, সা- সম্পত্তি, ক্ষন্তেকীয়া ভোগ বিলাসেই সকলো।

প্ৰেম শব্দটি বহু দূৰৈত ৰৈ যায়।

অৱশ্যে ভাস্কৰৰ কি দোষ??

প্ৰকৃত প্ৰেমৰ অনুভূতিয়ে কেতিয়াও জোকাৰি যোৱা নাই যাক, হৃদয়ত খলকনি তোলা নাই যাৰ .....তাৰ বাবে প্ৰেম মানেই যৌনতা.... আৰু যৌনতাই প্ৰেম।

অমৃতাই নজনাকৈয়ে বহু আগতেই তাইৰ জীৱনত প্ৰথম প্ৰেমৰ জোৱাৰ আহিছিল। সেই জোৱাৰে চুই গৈছিল অনুৰাগকো। দুয়ো আগতকৈ বেছি গহীন হৈছিল। অনুৰাগৰ লগত চাইকেলত উঠি গলে এক অচিন অনামী শিহৰণে চুই গৈছিল তাইক। মনৰ ভাব বোৰ অপ্ৰকাশ্য হৈ ৰলেও দুয়ো যেন পঢ়ি পেলাইছিল দুয়োৰে চকুত জিলিকি উঠা প্ৰেমৰ সেই মিঠা অনুভূতিক।।

সেইকাৰণেইটো....সেই সময়ৰ যৌৱন উদ্দীপ্ত কোনো অন্য ডেকা লৰাৰ প্ৰেমৰ প্ৰস্তাৱে,...মনৰ গোপন বাৰ্তা কঢ়িয়াই অনা কোনো আৱেগ পৰিপূৰ্ণ প্ৰেমপত্ৰই, অমৃতাৰ হৃদয়ত প্ৰেমৰ কোনো মিঠা তৰংগ সঞ্চাৰিত কৰিব নোৱাৰিছিল ...।

কাৰণ তাই যে ইতিমধ্যে মনে প্ৰাণে মাথো অনুৰাগৰ হৈ ৰৈছিল,...মাথো অনুৰাগৰ।

দুধাৰী তপত চকুলো বাগৰি আহি চুই গ'লহি অমৃতাৰ ডিঙি , বুকু....।

আজিও, আজিও অনুৰাগৰ সৈতে জড়িত স্মৃতিবোৰে তাইৰ হৃদয়ত সেই একেই আলোড়ন জগায়। শব্দবিহীন এক সংগীতৰ মূৰ্চ্ছনাই তৰংগায়িত কৰি তোলে তাইৰ সমস্ত হৃদয়...

শৰীৰ, আত্মা...। সেই প্ৰেমৰ স্মৃতিয়ে দিয়ে তাইক আজিও অনাবিল ঐশ্বৰিক সুখ, সৰগীয় অনুভূতি!!

পাহৰিব পাৰিবনে তাই অনুৰাগৰ দুচকুৰ অব্যক্ত প্ৰেমৰ কাতৰ আহ্বান .... নতুবা, ভাস্কৰৰ লগত গাড়ীত উঠি গাঁৱৰ ঘৰৰ পৰা ওলাই আহিবৰ পৰত অনুৰাগৰ দুচকুত জিলিকি উঠা সেই দুৰ্ঘোৰ ঔদাসীন্য....??

কি আছিল সেই ঔদাসীন্যতাৰ আঁৰত??

নিজৰ প্ৰতি খং, ক্ষোভ...অমৃতাৰ প্ৰতি অভিমান, নে বিদ্বেষ?? কি আছিল সেই দুচকুত?? লক্ষ্য কৰিছিলনে সি তাইৰ দুচকুত তাৰ প্ৰতি উঠলি অহা এবুকু অভিমান??

বিছনাখনতে মুখখন উবুৰি সজোৰে উচুপি উঠিল অমৃতা।

দুচকুৰ আগত ভাঁহি উঠিছে তাইৰ জীৱনলৈ অমানিশা নমাই অনা সেই কালৰাত্ৰিৰ স্মৃতি....বৰ্ষণমুখৰ সেই নিশাটো,

যাৰ পিছত আৰম্ভ হৈ গৈছিল তাইৰ জীৱনৰ কলা পৃষ্ঠাবোৰ .....।

(৪)

"অমৃতাক চাবলৈ চহৰৰ ল'ৰা আহিব হেনো!!"

"শুনিছো বয়সত তাইতকৈ বহুত বেছি ডাঙৰ"

"আহিবই দিয়াচোন। কম ধুনীয়া নে তাই !! তাইৰ দৰে ধুনীয়া ছোৱালী চহৰতো নোলাব কিজানি!"

"পিছে অনুৰাগৰ কি হ'ব??"

"অ বেচেৰাটো তাৰ কাৰণেহে বেয়া লাগিছে পাই"

"হওক দে। মাতৃহাৰা ছোৱালী জনীৰ ভাল গতি এটা লাগক।"

বনজুইৰ দৰে মানুহৰ মুখে মুখে বিয়পি পৰিছিল এনেবোৰ কথাই গোটেই গাঁওখনত। হকে বিহকে নানা ধৰণৰ আলোচনা বিলোচনা চলিছিল। আৰু তেনে কিছুমান আলোচনাৰ ভগ্ন টুকুৰা শ্ৰব্যগোচৰ হৈছিল অনুৰাগৰ।

আৰু....এক বুজাব নোৱাৰা বুকুৰ বিষত ছটফটাই উঠিছিল সি। অসম্ভৱ ধৰণে গহীন হৈ পৰিছিল অনুৰাগ।

ঃ কথা এটা শুনিছো সকলোৰে মুখত। তোৰ বিষয়ে।

সেমেকা কণ্ঠৰে অনুৰাগে কলে।

দৃষ্টি তাৰ নিৱদ্ধ দূৰৈৰ নদীখনৰ সিপাৰৰ অস্পষ্ট সেউজীয়া পাহাৰখনত।

ঃ কি?

অনুৰাগে আনি দিয়া সৰু সৰু শিলগুটি বোৰ এটা এটাকৈ দলিয়াই দিছিল তাই লাহে লাহে নদীৰ বুকুলৈ।

শীতকালীন নদীৰ বুকু ,গহীন আৰু উদাস।

নাই কোনো উচ্ছল জলতৰংগ। বেলিটিৰ পৰা উদ্‌গীৰিত কোমল পোহৰ কণাই চিকমিকাই তুলিছে নদীৰ বুকু।

ঃ ..... তোক হেনো চাবলৈ কোনোবা চহৰৰ ডাঙৰ অফিচাৰ আহিব ??

খুব সাৱধানে কওঁ নকওকৈ সেমেকা কণ্ঠৰে কথাষাৰ কলে অনুৰাগে।

খিলখিলাই হাঁহি উঠিল অমৃতা।

অনুৰাগে মুগ্ধতাৰে চাই ৰল তাইৰ নিষ্পাপ শিশুৰ দৰে প্ৰাণোদ্দীপ্ত উজ্জ্বল সোণবৰণীয়া মুখখনলৈ।

ঃ কি যে কওঁ নহয় অনু !! তইও বিশ্বাস কৰিছ??

ঃ ....

ঃ মোৰ দৰে পাগলী এজনীক কোন চহৰৰ ল'ৰাই চাব আহিব অ'??

ঃ আৰু সঁচাকৈ যদি কোনোবা চাব আহে?? .... গুচি যাবি??

অনুৰাগে স্থিৰ দৃষ্টিৰে চাই ৰল এই হাঁহো এই হাঁহো কৈ থকা তাইৰ ধুনীয়া চকুযুৰীলৈ।

ঃ কেতিয়াও নাযাও। মইতো তোৰ লগতেই থাকিম। আজীৱন।

ঃ .....

ঃ নাই নাই নাথাকোঁ তোৰ লগত।

ঃ কিয়??

ঃ কি কিয়?? কেতিয়াবা কৈ পাইছনে মই কিয় তোৰ লগত থাকিব লাগে?

ঃ ....অমৃতা.....

"অমৃতা বা" "অমৃতা বা"

কিবা এটা কবলৈ লৈও অনুৰাগ ৰৈ গৈছিল। ফোঁপাই ফোঁপাই সিহঁতৰ ফালে দৌৰি আহি আছিল অমৃতাৰ পেহীয়েকৰ ছোৱালী ৰিমঝিম।

ঃ অমৃতাবা তই ইয়াত বহি আছ??. . তোক কেতিয়াৰ পৰা বিচাৰি আছোঁ মই। ব'ল ব'ল জল্‌দি।

ঃ ক'লৈ?

ঃ বলচোন। ঘৰত আলহী আহিছে।

ঃ আলহী?

ঃ তই যাচোন। খুড়াদেউ এনেয়ে খং কৰিব নহ'লে।

অনুৰাগ বহাৰ পৰা উঠিছিল ইতিমধ্যে।

অলপ দেৰি কিবা চিন্তা কৰি অমৃতাও উঠি আহিল। অলপ চিন্তাত পৰিল অমৃতা।

আলহী?? ক'ৰ আলহী?? কিয় আহিছে??

গাঁৱৰ মানুহৰ মুখত চলি থকা কথাটোৱেই যদি সঁচা হয়?? মুখখন নিমিষতে বিৱৰ্ণ আৰু নিস্তেজ হৈ পৰিল তাইৰ। অনুৰাগে লক্ষ্য কৰিছিল তাইৰ চিন্তিত মুখখন।

ঃ একো নহয় যাচোন। পিছত কথা পাতিম। মই ইয়াতে বহিম কিছুদেৰী। পিছত লগ পাম।

যাওঁ নাযাওকৈ অনুৰাগক তাতে এৰি থৈ লাহে লাহে খোজ দিলে অমৃতাই ৰিমঝিমৰ সৈতে। বুকুখন দুৰু দুৰুকৈ কঁপি উঠিছিল তাইৰ সেইমুহূৰ্তত।

তেতিয়া তাই নিজেও ...আৰু অনুৰাগেওতো জনা নাছিল, বিধাতাই নিশ্চিত কৰি থৈ দিয়া এক অন্ধকাৰ, পুতিগন্ধময় জীৱনে যে হাতবাউল দি

মাতি আছিল তাইক!!

প্ৰস্তৰ মূৰ্তিৰ দৰে থিয় হৈ ৰৈছিল মাথো তাই। গাঁও খনৰ মানুহৰ মুখে মুখে বাগৰা টুকুৰা টুকুৰ কথাবোৰ যেন এটা এটাকৈ তাইৰ কাণত অনুৰণিত হৈ থাকিল।

দেউতাকৰ আদেশত পেহীয়েক আৰু ৰিমঝিমে প্ৰায় জোৰ কৰিয়েই পিন্ধাই দিছিল এযোৰ নতুন নীলা ৰঙৰ মেখেলা চাদৰ। চুলিখিনি দীঘলকৈ বেণী গুঠি দিছিল ৰিমঝিমে। মুখত সামান্য ক্ৰীম ,পাউদাৰ অলপ সানি কপালত পিন্ধাই দিলে এটি কলা ফোট।

চাহৰ ট্ৰেখন সজাই থাকোতে পেহীয়েকে তাইৰ কাণৰ কাষতে সৰু সৰুকৈ কৈছিল,

ঃ বহুত টকা পইচা আৰু সা সম্পত্তিৰ মালিক ভাস্কৰ দত্ত। কিন্তু তেওঁৰ এটাই অভাৱ। বিয়াৰ দুবছৰৰ ভিতৰতে তেওঁৰ প্ৰথম পত্নীৰ অকাল মৃত্যু ঘটিছে। ল'ৰা-ছোৱালীও নাই প্ৰথমা পত্নীৰ ভাগৰ।

ঃ ......

ঃ মুঠতে তই একো চিন্তা নকৰিবি। ৰাণীৰ দৰে থাকিব পাৰিবি তই।

হাতত পেহীয়েকে সজাই দিয়া  চাহৰ ট্ৰেখন লৈ তাই কোনোমতে থিয় হৈছিলহি বহাঘৰত।

চেষ্টা কৰিও সামান্য হাঁহি এটিও মুখত

বিৰিঙাই তুলিব পৰা নাছিল তাই।

দুগৰাকী মান মহিলাই উঠি আহি তাইৰ মুখত হাত বোলাইছিল।

ঃ শুনি আছিলোঁ ধুনীয়া বুলি। কিন্তু ইমান যে ধুনীয়া হবা ভৰা নাছিলোঁ!!

সকলোৱে মুগ্ধ দৃষ্টিৰে চাই ৰৈছিল তাইলৈ। চহৰীয়া আভিজাত্যৰে ভৰপুৰ মহিলাসকলে মুক্ত মনেৰে অমৃতাৰ ৰূপৰ প্ৰশংসা কৰা দেখি দেউতাকৰ গৰ্বত যেন বুকুখন ফুলি উঠিছিল।

ঃ তাই দেখাত সাইলাখ মাকৰ দৰে হল।

আত্মসন্তুষ্টিৰে হাঁহি উঠিছিল দেউতাক।

এগৰাকী মহিলাই নিজেই আগযাচি তাইক সকলোৰে লগত চিনাকি  কৰাই দিলে....আৰু চিনাকি কৰাই দিলে ভাস্কৰ নামৰ মানুহজনৰ সৈতে।

নামটো শুনি সচকিত হৈ মূৰ তুলি চাইছিল তাই।

প্ৰথম দৃষ্টিতেই বিতৃষ্ণাত, ... নহয় এক অজান ভয়ত সংকুচিত হৈ উঠিল তাইৰ মনটো। ভীষণ ভাৱে অপ্ৰস্তুত হৈ উঠিল তাই।

ভাস্কৰ দত্ত নামৰ সেই মানুহজনৰ দুচকুৰ তীক্ষ্ণ চাৱনীয়ে যেন চালিজাৰী চাই গৈছিল তাইৰ যৌৱনেৰে পুষ্ট শৰীৰটোৰ প্ৰতিটো অংগ।

বেলিটি পশ্চিমৰ পাহাৰখনত ডুব যোৱাৰ পিছতেই ঘন কুঁৱলীয়ে আৱৰি ধৰিছিল গাওঁখনক।

ঘৰে ঘৰে উজ্জ্বলি উঠিছিল চাকি, লেম্পৰ চিকিমিকি পোহৰ।

নিশা ঘন হৈ অহাৰ লগে লগে বাঢ়িছিল ঠাণ্ডাৰ প্ৰকোপ। বাহিৰত ইতিমধ্যে ডাঠ কুঁৱলী।।

অমৃতাৰ মনটো বুজাব নোৱাৰা ধৰণে অস্থিৰ হৈ উঠিছিল। কিবা এক অজান আশংকাত বাৰে বাৰে শংকিত হৈ উঠিছিল তাইৰ অন্তৰখন।

ষষ্ঠ ইন্দ্ৰিয়ই যেন চিঞৰি চিঞৰি জনাব খুজিছিল সম্ভাব্য বিপদৰ আগজাননী। আন্ধাৰ ননমাৰ আগতেই সকলোবোৰ আলহী ঘূৰি গৈছিলগৈ ডাঙৰ দীঘল গাড়ীবোৰত উঠি।

থাকি গৈছিল মাত্ৰ ভাস্কৰ দত্ত আৰু তেওঁৰ বন্ধু বিপ্লৱ।

তেওঁলোকে আনি দিয়া বিলাতী মদৰ ৰসত ইতিমধ্যে ডুবিবলৈ আৰম্ভ কৰিছিল তাইৰ দেউতাক। দোৰোল খোৱা জিভাৰে বলকিবলৈ আৰম্ভ কৰিছিল অনৰ্গল অলাগতিয়াল কথা।

ৰাতি পেহীয়েকে বনোৱা পাৰ মাংসৰ জালুকীয়া আঞ্জা তৃপ্তিৰে খাই ভাস্কৰ দত্ত আৰু তেওঁৰ বন্ধু বিপ্লৱ দুয়ো শুবলৈ গৈছিল। আলহীক শুবলৈ ব্যৱস্থা কৰি দিয়া হৈছিল বহা কোঠাটোৰ কাষতে থকা অন্য এটি সৰু কোঠাত।

সকলোকে শুবলৈ ব্যৱস্থা কৰি দিয়াৰ পিছত অমৃতাও নিজৰ কোঠাটোলৈ সোমাই আহিছিল।

দেউতাকৰ ওপৰত ভীষণভাৱে খং উঠিছিল তাইৰ। কাহানিবাও তাইৰ দেউতাকে তাইৰ মূৰত মৰমেৰে বা আদৰেৰে হাত বুলাই পাইছিলনে?? একেখন ঘৰত থাকিও কোনোদিনেইতো মৰমত মাত এষাৰ নিদিছিল তাইক। মাথো পুৱা গধূলি নিমজ্জিত হৈ ৰৈছিল আকণ্ঠ মদৰ নিচাত।। তথাপিও দেউতাকৰ পৰা অকণমান মৰম আদৰ পাবৰ কাৰণে সদা তৎপৰ হৈ ৰৈছিল তাই। অথচ আজি সেই একেজন দেউতাকৰেই এক অন্য ৰূপ দেখিবলৈ পাইছে তাই। চহৰৰ চহকী জোঁৱাই পোৱাৰ লালসাত উজ্জ্বলি উঠিছে চকু মুখ, ... কুঞ্চিত মুখৰ ৰেখাবোৰটো বিয়পি পৰিছে আনন্দৰ আভা।

কণমানি বয়সতেই মাতৃহীনা হোৱা অমৃতাৰ মনত নাই মাকৰ চেহেৰা...তাইৰ বনৰীয়া মনটোৰ কোনোদিনেই আহৰিও নাছিল মাকৰ অভাৱ অনুভৱ কৰিবলৈ....কিন্তু আজি যেন সকলো ব্যতিক্ৰম।

মাক থকা হলে জানো এনেকুৱা হবলৈ পালেহেঁতেন??

লেপৰ উমাল আৱেষ্টনীত গভীৰভাৱে নিদ্ৰাত মগ্ন অমৃতাৰ টোপনি ভাঙিছিল প্ৰায় মাজনিশা।

তাইৰ ডিঙিত, কাণত যেন তীক্ষ্ণ কিহবাই বিন্ধিছিল। শৰীৰৰ ওপৰত যেন সুৰসুৰাই গধুৰ কিবা এটা বগাই গৈছিল। উশাহ নিশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল তাইৰ।

সাৰ পাই উঠি বহিব খুজোতেই অনুভৱ কৰিলে তাইৰ শৰীৰৰ ওপৰত এটি গধুৰ পুৰুষ শৰীৰ। মুখেৰে ওলাই আহিব খোজা আৰ্ত চিৎকাৰ মুখতেই মাৰ গল কঠিন শীতল হাতখনৰ হেঁচাত। চটফটাব ধৰিছিল তাই। কোনোবাপাকত অমৃতাই সজোৰে কামুৰি দিছিল সেই কঠিন হাতখনত। মুহূৰ্তৰ বাবে অস্পষ্ট এক শব্দ উচ্চাৰণ কৰি আচাৰ মাৰি আতৰি গৈছিল সেই কঠিন পুৰুষ শৰীৰ আৰু হাত।

সেই সুযোগতেই জাপ মাৰি উঠি বহিছিল অমৃতা। অন্ধকাৰ কোঠাটোৰ পৰা বিভ্ৰান্তৰ দৰে বাহিৰলৈ দৌৰি ওলাই আহিছিল তাই।

পুহ মাহৰ মাজনিশাৰ প্ৰচণ্ড শীতকো নেওচি, চয়াময়া পোহৰত অত তত খুন্দা খাই ... মাথো দৌৰিছিল তাই। জোনাকীৰ পোহৰক বাট ভেটি ধৰিছিল ঘন কুঁৱলীয়ে। পিছলৈ ঘূৰি চাবলৈ আহৰি নাছিল তাইৰ। ঘূৰি চালেই যেন দেখি পাব...তাইৰ পিছে পিছে খঙত গুজৰি দৌৰি আহি থকা মানুহৰ মুখা পিন্ধা দস্যু টোক। চকামকা পোহৰত মানুহৰ ঘৰৰ বাৰীৰ মাজে মাজে, কেতিয়াবা আকৌ পথাৰৰ মাজে মাজে ভয়ত বিবৰ্ণ শেঁতা মুখেৰে দৌৰিছিল তাই। বিৰিণাই কাটি ছিৰিলা কৰিছিল তাইৰ দুভৰি। ঢিলা হৈ অহা খোপা খোল খাই সৰি পৰিছিল পিঠিত ..খহি পৰিছিল গাৰ পাতল চাদৰ..

কুঁৱলীত ভিজি লিপিত খাই যোৱা মেখেলা খন ফাটি চিৰিলি গৈছিল।

দৌৰি দৌৰি অসম্ভৱ ধৰণে বুকুখন ঢপঢপাইছিল তাইৰ...শীতৰ সেই হাড় কপোৱা জাৰটো বিন্দু বিন্দু ঘাম বিৰিঙি উঠিছিল তাইৰ মূৰে কপালে। ভৰি দুখন থৰথৰকৈ কঁপিব ধৰিছিল ...

কুঁৰলীৰ ডাঠ আৱৰণৰ মাজত সেই সময়তেই জোনাকীৰ অস্বচ্ছ পোহৰত আৱিৰ্ভাৱ হল এটি ওখ ছাঁয়ামূৰ্তি....।

কিছুদেৰী তধা লাগি তাই চাই ৰল সেই আগন্তক ছায়ামূৰ্তিৰ ওখ শৰীৰটোলৈ। দুচকুৰ আগত যেন ডাঠ কলা পৰ্দা এখন নামি আহিছিল.... পিছমুহূৰ্ততে গুৰি কটা গছৰ দৰে সংজ্ঞা হেৰুৱাই বাগৰি পৰিল তাই।

(৫)

ডাঠ কুঁৰলীৰ চাদৰ এখনে যেন মেৰিয়াই ধৰিছিল নিশাৰ পৃথিৱীক। সেই কুঁৰলীৰ আৱৰণ ভেদি জোনাকীয়ে অস্বচ্ছ পোহৰ বিলাইছিল ধৰাক ... মাজে মাজে হাড় কপোৱা চেঁচা বতাহ।

অমৃতাহঁতৰ ঘৰত চহৰৰ আলহী অহা কথাটো গাঁওখনত জনাজাত হৈ গৈছিল। খবৰটো পোৱাৰ পিছৰে পৰাই অসম্ভৱ ধৰণে অস্থিৰ অনুভৱ কৰিছিল অনুৰাগে। কতো যেন মন বহুৱাব পৰা নাছিল সি। সকলোৰে দুচকুত যেন এক অব্যক্ত পুতৌ নতুবা সমবেদনা জাগি উঠিছিল তাৰ প্ৰতি। নিজকে খুব হীন আৰু তুচ্ছ অনুভৱ হৈছিল তাৰ। মাকৰ চকুত চকু মিলাই কথা পাতিবলৈও যেন তাৰ সাহস হোৱা নাছিল। ঘৰত কাকো মাত নলগোৱাকৈ অকলশৰে তাঁহাতৰ পথাৰৰ মাজত থকা টঙি খনত ৰাতিটো কটাবলৈ ওলাই আহিছিল সি ...।

ঠিক তেতিয়াই দৌৰি দৌৰি আহি সংজ্ঞাহীন হৈ পথাৰৰ মাজতে ঢলি পৰিছিল ভীতিবিহ্বল হৈ পৰা ছোৱালীজনী। ঘটনাৰ আকস্মিকতাত কি কৰো কি নকৰোকৈ কিছুপৰ দ্বিধাগ্ৰস্ততাৰে ইফালে সিফালে চাই ঠাইতে থিয় হৈ ৰল অনুৰাগ।

... পিছমুহূৰ্ততে, ছোৱালীজনীক কোলাত দাঙি উঠাই প্ৰায় দৌৰি যোৱাদিয়েই গ'ল সি পথাৰৰ মাজত থকা সৰু টঙি ঘৰটোৰ ফালে। চাঙৰ টঙিঘৰটোৰ ভিতৰখন তেতিয়া পোহৰাই তুলিছিল টিমিক ধামাককৈ জ্বলি থকা সৰু লেম্পটোৱে।

ঠাণ্ডাত অসম্ভৱ ধৰণে চেঁচা পৰি অহা সংজ্ঞাহীন ছোৱালীজনীক তাৰ শোৱাপাটীখনতে উপৰমুৱাকৈ নমাই দিলে সি। উমাল লেপখন গাত লৰালৰিকৈ উৰি দিব লওঁতেই লেম্পৰ পোহৰত স্পষ্ট হৈ অহা চেতনাহীন ছোৱালীজনীৰ মুখখনলৈ চাই আশ্চৰ্য্যত যেন ফাটি পৰিল সি।

বাৰিষাৰ মেঘৰ দৰে ঘন, নদীৰ দৰে বৈ পৰা মুক্ত কৃশকেশ ..... বুকুত চিৰিলি যোৱা চাদৰ, চিৰিলি যোৱা মেখেলা, শেঁতা ওঁঠ মুখেৰে বিপৰ্যস্ত অমৃতাক দেখি হতবম্ভ হৈ পৰিল সি।

"অ.... অমৃতা"

বিহ্বল ,অস্ফুট কণ্ঠৰে প্ৰায় চিঞঁৰি উঠিল অনুৰাগ। এজাক প্ৰশ্নৰ জোঁৱাৰ যেন একেলগে উঠি আহিল অনুৰাগৰ মগজুত ,....কেনেকৈ? কিয়?

কিন্তু সেইবোৰ ভাৱিবৰ অৱকাশ নাছিল তাৰ সেইমুহূৰ্তত।

অমৃতাক তেনেকৈ বিপৰ্যস্ত ৰূপত দেখি হাঁহাকাৰ কৰি উঠিছিল তাৰ অন্তৰখন।

"অমৃতা"...." অমৃতা"

কম্পিত কণ্ঠৰে অলপ উচ্চ স্বৰেৰে কেইবাবাৰো তাইক গাত লৰাই মাত দিলে সি।

তাইৰ শৰীৰত কোনো সাৰ সুৰ নেদেখি লেপখনেৰে ভালকৈ ঢাকি দি অমৃতাৰ চেঁচা হৈ পৰা ভৰিৰ তলুৱা আৰু হাতৰ তলুৱাত খৰকৈ মালিচ কৰিব ধৰিলে অনুৰাগে।

সাংঘাতিক ধৰণে চেঁচা পৰি অহা শৰীৰটোত

তথাপিও চেতনা ঘূৰি অহাৰ একো লক্ষণ নেদেখি অস্থিৰ হৈ উঠিল সি, .... কপালত ঘাম বিৰিঙি উঠিছিল তাৰ পুহ মাহৰ হাড় কপোৱা সেই ঠাণ্ডাতো।

কিছুপৰলৈ চেষ্টা কৰি থকাৰ পিছতো অমৃতাৰ সংজ্ঞা ঘূৰি নহাত উন্মাদৰ দৰে হৈ উঠিল অনুৰাগ। বিবুদ্ধিত পৰিল সি। কি কৰিব? কাৰ পৰা সহায় লব??

ক্ষন্তেক কিবা ভাৱিলে সি....

পিছমুহূৰ্ততে লেপখনেৰে তাইৰ শৰীৰটো আধা

ঢাকি অৰ্ধনিমিলিত দুচকুৰে, কঁপা কঁপা অথচ দৃঢ় হাতেৰে খৰকৈ খুলি পেলালে কুঁৱলীত ভিজি লিপিট খাই যোৱা শৰীৰৰ সকলো বস্ত্ৰ....নিজৰ শৰীৰৰ উত্তাপ দি তাইৰ শৰীৰত উত্তাপ ঘূৰাই আনিবলৈ ততাতৈয়াকৈ সি নিজৰ জেকেটটো, আৰু ছাৰ্টৰ বুকুৰ বুটাম খুলি নিজেও লেপৰ তলত সোমাই সজোৰে চকু কান মুদি সাৱটি ধৰিলে তাইক।

বহুপৰ তেনেদৰেই সাৱটি ধৰি থাকিল অনুৰাগে তাইক।

সঘনাই কঁপিব ধৰিছিল তাইৰ ওঠযুৰী আৰু দুচকুৰ পতা। অনুৰাগৰ বুকুৰ উম আৰু লেপৰ উমাল আৱেষ্টনীত তাইৰ চেঁচা হৈ পৰা শৰীৰটোত ঘূৰি আহিছিল উত্তাপ।

লাহে লাহে দুচকু মেলিছিল অমৃতাই। এক তীব্ৰ চিঞৰ মাৰিব লৈও ৰৈ গৈছিল তাই হঠাতে।

..... অনুৰাগ !!

লাহে লাহে দুচকুৰ পৰ্দা আঁতৰি গৈছিল....মনত পৰি গৈছিল সকলো।

সকলো বুজি উঠিছিল অমৃতাই।

মুহূৰ্ততে যেন কোনোবাই এজুলুকা আবিৰ ঢালি ৰঞ্জিত কৰি তুলিলেহি তাইৰ মুখখনি.....

অনুৰাগৰ সৌষ্ঠৰ শৰীৰৰ সান্নিধ্যত এক অচিন, অজান, সুতীব্ৰ অনুভূতিয়ে তাইৰ শৰীৰত এক মিঠা তৰংগৰ আলোড়ন সৃষ্টি কৰিছিল। বাৰিষাৰ কলীয়া মেঘে নদীৰ বুকুত প্লাৱণ আনি দিয়াৰ দৰেই প্ৰেমৰ অনুভূতিয়ে প্লাৱিত কৰি তুলিছিল অনুৰাগ আৰু অমৃতাৰ শৰীৰ, মন, আৰু আত্মা....।।

দুচকু মেলিবলৈ ভয় হৈছিল দুয়োৰে। চকু মেলিলেই যেন ভাঙি যাব এই সুন্দৰ সপোন। জীয়া বাস্তৱে যেন মষিমূৰ কৰি দিব স্বপ্ন যেন লগা এই সুন্দৰ দিঠক।

নিশাটো যেন স্থবিৰ হৈ ৰৈছিল। প্ৰেমত আচ্ছন্ন দুটি শৰীৰ....দুটি প্ৰেমিক হৃদয় অবাধ্য হৈ চঞ্চল হৈ উঠিছিল। লেপৰ তলত ক্ৰমাৎ ঘন আৰু চুটি হৈ আহিছিল দুয়োৰে শ্বাস প্ৰশ্বাসবোৰ....আৰু বুকুৰ ধপধপনি।

......কোনো সংগীতেই চাগৈ প্ৰিয়তমৰ বুকুৰ ধপধপনিৰ সুৰতকৈ বেছি সুন্দৰ হব নোৱাৰে!!

প্ৰেমৰ ভাষাৰ সেই মধুৰাণনাত দুয়ো আকণ্ঠ ডুব গৈছিল ... অনুভৱ কৰিছিল ইটোৱে সিটোৰ বুকুৰ পৰা ভাঁহি অহা সেই শ্ৰুতিমধুৰ ৰাগিনী।

অমৃতাৰ প্ৰস্ফুটিত শৰীৰটোৰ উমাল সান্নিধ্যত উন্মত্ত হব খোজা মনটোক ধৈৰ্যৰে বান্ধি ৰাখিছিল সি। উন্মাদৰ দৰে মৰম কৰিবলৈ মন গৈছিল তাৰ, .... মন গৈছিল তাৰ, অমৃতাৰ ওঠযুৰীৰ লালিত্য পান কৰিবলৈ।

কিন্তু নিজকে সংযম কৰিছিল সি।

নিজৰ তুচ্ছতা, সীমাবদ্ধতা জানে সি।

অমৃতাক অন্তৰৰ পৰা প্ৰকৃত প্ৰেম কৰাৰ অধিকাৰ আছে তাৰ, কিন্তু তাইৰ শৰীৰ, মন আৰু জীৱনটোৰ ওপৰত অধিকাৰ কৰাৰ সামৰ্থ্য তাৰ নাই।

সংযত হৈ উঠি বহিব খুজোঁতেই অনুৰাগক সজোৰে ধৰি ৰখাৰ এক ব্যৰ্থ প্ৰয়াস কৰিলে অমৃতাই...

ঃ অনুৰাগ ....

কিছুপৰ অনুৰাগে দোষী দোষী ভাৱেৰে চাই ৰল তাইৰ কোমল মুখখনিলৈ..... সপোনৰ জালত আচ্ছন্ন চকুযুৰীলৈ।

ঃ ...

ঃ তোৰ ভৱিষ্যত উজ্জ্বল হওক। মই তাকে বিচাৰো।

মোৰ লগত কিনো পাবি?

ঃ অনু, মোক নালাগে উজ্জ্বল ভৱিষ্যত। মই যে মাথো তোকহে....

ঃ অন্তৰৰ প্ৰেমো দুৰ্মূল্য হৈ যাব পাৰে দৰিদ্ৰতাৰ আগত।

কঠিন স্বৰেৰে কৈ উঠিছিল সি। যেন শুনিব খোজা নাছিল ... নতুবা অনুভৱ কৰিব খোজা নাছিল তাইৰ হৃদয়ৰ নিভৃততম গোপন কথাবোৰ। শুনিলেই যে দুৰ্বল হৈ পৰিব সি।

সিক্ত চকুহালেৰে, কাতৰ দৃষ্টিৰে কিছুপৰ চাই ৰল অমৃতাই কঠিন হৈ অহা অনুৰাগৰ মুখখনলৈ। অনুৰাগৰ দুচকুৰ ভাষা

জীৱনত প্ৰথমবাৰৰ বাবে যেন দুৰ্বোধ্য হৈ পৰিছিল তাইৰ বাবে সেই নিশা।

কেনেকৈ কব পাৰে সি তেনেকৈ?? কেনেকৈ?? এবুকু দুখত, ... অভিমানত বুকুখন গধুৰ হৈ আহিছিল তাইৰ। তাইৰ শৈশৱৰ লগৰী, কৈশোৰৰ প্ৰথম সপোন...অনুৰাগে কেনেকৈ কব পাৰে তাইক তেনেকৈ?? কেনেকৈ ইমান নিষ্ঠুৰ হব পাৰিলে সি??

কঁপি উঠিছিল তাইৰ গোলাপী ওঠযুৰী আৰু দুগালেদি বৈ আহিব ধৰিছিল দুটোপাল অশ্ৰুকণা।

বাহিৰত এজাক আৱতৰিয়া বৰষুণ নামি আহিছিল হঠাতে। সেমেকা দুচকুৰে তলমূৰ কৰি ৰৈছিল দুয়ো বহুপৰ। বৰষুণৰ দৰেই যেন জৰজৰাই খহি আহিব ধৰিছিল সেউজীয়া সপোনবোৰ আৰু চপৰা চপৰকৈ খহি আহিব ধৰিছিল স্বপ্নিল নিশাটো।

হঠাৎ সৰু টঙি ঘৰটোৰ কাঠৰ দুৱাৰখনত কোনোবাই সজোৰে ধকধকাই দিয়াত উচপ খাই উঠিল দুয়ো। কিছুপৰ দুয়ো প্ৰশ্নবোধক দৃষ্টিৰে ইটোৱে সিটোৰ মুখলৈ চাই ৰল।

সেই পুহমহীয়া শীতৰ নিশাৰ কেইটিমান সেউজীয়া উষ্ম মুহূৰ্ত মাথো....তাৰপিছত এটি ধুনীয়া জীয়া সপোন যেন সমাধিস্থ হবলৈ লৈছিল।

সময় তেতিয়া প্ৰায় পুৱতি নিশা।

(৬)

বি'প বি'পকৈ মবাইলৰ মেছেজ টনটো বাজি উঠিল। ইনবক্সটো খুলি চালে অমৃতাই।

ভাস্কৰৰ মেছেজ।

"গধূলি সাত বজাত আহিম। পাৰ্টি এটা আছে বন্ধু এজনৰ ঘৰত, ৰেডি হৈ থাকিবি।"

মেছেজটো পঢ়ি অমৃতাৰ বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল। এনেধৰণৰ পাৰ্টিবোৰত ভীষণভাৱে অপ্ৰস্তুত, আৰু নিজকে অত্যন্ত অপ্ৰয়োজনীয় অনুভৱ কৰে অমৃতাই।

ভাস্কৰৰ লগত নাইট পাৰ্টিবোৰত  মদ আৰু চিগাৰেটৰ সংমিশ্ৰিত পৰিৱেশত,  .... আৰু তাৰ বন্ধুবোৰৰ অৰ্ধনগ্ন পত্নীবোৰৰ মাজত নিজকে বেলেগ গ্ৰহৰ জীৱ যেন অনুভৱ হয় তাইৰ,..... সিহঁতৰ হাই প্ৰফাইল পাৰ্টিবোৰৰ  আটাইতকৈ আচহুৱা প্ৰাণীটোৱেই যেন  অমৃতা । ভাস্কৰৰ বন্ধু আৰু  বন্ধুপত্নীবোৰৰ  উচ্ছল হাঁহি, অশ্লীল ধেমালি বোৰৰ মাজত মিলি যাব নোৱাৰে তাই।

"গাঁৱলীয়া যি গাঁৱলীয়াই হৈ থাকিলি।"

"মিছেছ শৰ্মা... বিপ্লৱৰ ৱাইফ অদিতিক দেখিছ? কেনেকুৱা এনাৰজেটিক...কেনেকুৱা ভাইব্ৰেণ্ট!!"

"ৱাই কান্ত ইউ বি লাইক দেম??"

প্ৰতিটো পাৰ্টিৰ পিছত মদৰ নিচাত মাতাল হৈ ভাস্কৰে তীক্ষ্ণ ঠাট্টা ভৰা মন্তব্যৰে থকা সৰকা কৰি তোলে তাইক।

কি ক'ব ভাস্কৰক? ক'ব নেকি যে পাৰ্টিত যাবলৈ তাইৰ সমূলি ইচ্ছা নাই। নাই। ভাস্কৰে নুশুনিব। আগতেও শুনা নাই কেতিয়াও। আজিনো তাৰ ব্যতিক্ৰম কেনেকৈ হ'ব?

ঘড়ীটোলৈ চালে তাই। সাত বাজিবলৈ আৰু মাজত এতিয়াও চাৰিঘণ্টামান বাকি আছে। অমৃতাই ৱাৰ্দ্ৰবখন  খুলি বহুদেৰী চিন্তা কৰি থাকিল। তেনেতে পুনৰ মবাইলটোত মেছেজ টনটো বাজি উঠিল।

"ফালতু কাপোৰ এসোপা নামঘৰত যোৱাৰ নিচিনাকৈ গাত মেৰিয়াই নাহিবি। সেই নতুনকৈ আনি দিয়া ব্লেক ট্ৰান্সপাৰেণ্ট শাৰীখন পিন্ধিবি"

বিৰক্তিত মুখখন কোচ খাই আহিল অমৃতাৰ। বুকু, পিঠি, পেটৰ সৰ্বস্ব দেখি পোৱা সেই কলা ৰঙৰ শাৰীখন ভাস্কৰেই আনি দিছিল তাইক।

ৱাৰ্দ্ৰবৰ পৰা কলা শাৰীখন উলিয়াই কিছুদেৰী লিৰিকি বিদাৰি চাই, পিছমুহূৰ্ততে মনটো স্থিৰ কৰি শাৰীখন পুনৰ ভৰাই থৈ অলিভ গ্ৰীণ কালাৰৰ শাৰী এখন উলিয়াই ললে অমৃতাই।

আইনাখনৰ নিচেই কাষত থিয় হৈ তাই সাৱধানে শিৰত সেন্দূৰ অকণমান লগাই ললে.... সেন্দূৰ ঠিক নহয়...ভাস্কৰে বলপূৰ্বক তাইৰ শিৰত নিৰ্বিঘ্নে পিন্ধাই দিয়া টিকটিকিয়া ৰঙা গোলামীৰ এটি মোহৰ মাথো। এই গোলামীৰ মোহৰে তাইক

প্ৰতিটো ক্ষণতে সোঁৱৰাই দিয়ে তাইৰ পৰাধীনতাৰ কথা। অমৃতাই জানে যেতিয়ালৈ তাইৰ শিৰত এই গোলামীৰ মোহৰ জিলিকি থাকিব, তেতিয়ালৈ তাই প্ৰতিদিনেই জীৱন্তে দগ্ধ হৈ থাকিব অপমান আৰু পৰাধীনতাৰ গ্লানিত।

কোনোৱেটো বাধা দিয়া নাছিল সিদিনা তাক। নহয় নহয়.... বাধা দিবলৈ কাৰো সাহসেই নাছিল প্ৰকৃততে। ভাস্কৰৰ আভিজাত্যৰ আগত স্বতঃস্ফূৰ্ত ভাৱে শিৰণত হৈ গৈছিল সকলোৱে...তাইৰ দেউতাক, পেহীয়েক, ভনীয়েক ৰিমঝিম ..সকলো। আৰু অনুৰাগ...?? সিটো ...সিটো তাইক এৰি দিছিল তাইৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি।

অভিমানত মুখখন ফুলি উঠিছে অমৃতাৰ... জিলিকি উঠিছে দুটোপাল অশ্ৰুকণা।

পথাৰৰ মাজৰ চাঙৰ টঙিঘৰখনৰ ভিতৰত লেম্পৰ ঢিমিক ধামাক পোহৰত স্বপ্নভংগ হোৱাৰ দুখত সেই নিশাও তাইৰ দুচকুত জিলিকি উঠিছিল অশ্ৰুকণা....মুখখন এক বুজাব নোৱাৰা অভিমানত ফুলি উঠিছিল। অনুৰাগৰ দুচকুৰ ঔদাসীন্যতাই চুৰমাৰ কৰি দিছিল তাইৰ মনত গঢ় লৈ উঠা প্ৰেমৰ সৌধ। সকলো অৰ্থহীন হৈ পৰিছিল। প্ৰচণ্ড অভিমানী হৈ উঠিছিল তাই। শৈশৱৰ পৰাই প্ৰতিটো ক্ষনতে অনুভৱ কৰি অহা প্ৰেমৰ অনুভূতি, সপোন .... সকলো যেন উদ্যত হৈছিল অতীতৰ অতল গহ্বৰত সমাধিস্থ হবলৈ।

শীতৰ সেই নিশাত, প্ৰথমতে কাঠৰ দুৱাৰত পৰা টোকৰ পিছমুহূৰ্ততে এটা প্ৰচণ্ড গোৰলৈ পৰিণত হৈছিল। দুৱাৰখন মেল খায় গৈছিল। বিমূঢ় হৈ ৰৈছিল অনুৰাগ। আৰু আনফালে, দুখত, অনুৰাগৰ প্ৰতি উথলি অহা এবুকু অভিমানত,....হেৰাই যাব ধৰা ক্ষণটো বুকুত সাৱটি প্ৰস্তৰ মূৰ্তিৰ দৰে বহি ৰৈছিল অমৃতা।

..... দুৱাৰমুখত দুচকুত অগ্নিজ্বালা লৈ থিয় হৈ ৰৈছিল তাইৰ দেউতাক আৰু বিপ্লৱ। ... তাৰ ঠিক পিছফালে ভ্ৰূ কুঞ্চিত কৰি থিয় হৈ ৰৈছিল ভাস্কৰ । ভাস্কৰৰ সোঁহাতত তেতিয়াও জিলিকি আছিল তাইৰ দাঁতৰ তীক্ষ্ণ কামোৰত সৃষ্টি হোৱা অৰ্ধগোলাকাৰ ক্ষত চিহ্নটো।

পৰিস্থিতিৰ আকস্মিকতাত ক্ষন্তেকৰ বাবে বিমূঢ় হৈ ৰোৱা অনুৰাগ উদ্বিগ্ন হৈ উঠিছিল। হয়তো অমৃতাৰ হবলগীয়া বিয়াখন ভাঙি যোৱাৰ আশংকাত!! অনুৰাগে তিনিওকে পাৰ্য্যমানে বুজাব চেষ্টা কৰিছিল নিজৰ ফালৰ পৰা... , মাজতে এপলক ৰৈ গৈছিল সি আৰু ঘূৰি চাইছিল তাইলৈ দুচকুত প্ৰশ্নবোধক দৃষ্টি লৈ।

হয়তো তেতিয়াহে তাৰ মনত পৰি গৈছিল ... তাৰ যে সোধাই নহল, কি পৰিস্থিতিত, কিহৰ ভয়ত শীতৰ ঠাণ্ডাকো নেওচি সেই মাজনিশা তাই পথাৰৰ মাজেদি দৌৰি আহি তাৰ সন্মুখতে অচেতন হৈ পৰি গৈছিল।

তাৰ দুচকুৰ প্ৰশ্নক উপেক্ষা কৰি অভিমান ভৰা সজল দৃষ্টিৰে অমৃতাই মাথো নীৰৱে চাই ৰৈছিল অনুৰাগৰ দুচকুলৈ।

দেউতাকে অধৈৰ্য্য হৈ অনুৰাগক ঠেলা মাৰি সোঁহাতখনেৰে প্ৰচণ্ড দুটি চৰ বহুৱাই দিছিল অমৃতাৰ দুয়োগালত। হতভম্ব হৈ পৰা অনুৰাগে তাইৰ দেউতাকৰ ভৰিত পৰিছিল,

খুড়াদেউ। তাইৰ গাত একো দোষ নাই। আপুনি লজ্জিত হব লগীয়া হোৱাকৈ আমি এনেকুৱা একো কাম কৰা নাই....

চুপ থাক। একদম চুপ। মোৰ আজলী ছোৱালীজনীক ফুচুলাই ইয়ালৈ মাতি আনিছ তই। বদনাম কৰিব চেষ্টা কৰিছ।

ঃ খুড়াদেউ.....

অনুৰাগক আৰু একো কবলৈ সুবিধা নিদি তাৰ চকুৰ সন্মুখতে দেউতাকে চোঁচৰাই লৈ গৈছিল তাইক। লাজ, অভিমান, দুখ ... বুকুত সামৰি অশ্ৰুভৰা দুচকুৰে তাই ঘূৰি চাইছিল অনুৰাগৰ চিন্তাত উদ্বিগ্ন চকুহাললৈ। খঙত অগ্নিশৰ্মা হৈ দেউতাকে চোঁচৰাই নি তাইক ঠেলা মাৰি সুমুৱাই দিছিল তাইৰ কোঠাত।

সম্পূৰ্ণ নিৰ্বাক, নিশ্চুপ হৈ ৰৈছিল অমৃতা। কিবা কলেও জানো লাভ হব? ভাস্কৰৰ আভিজাত্যৰ চমকনিত অন্ধ হৈ যোৱা দেউতাকৰ সন্মুখত তাইৰ কথাৰ মূল্য জানো আছিল?? উচুপনিবোৰ বুকুত সামৰি অন্ধকাৰ কোঠাটোত মাথো মনে মনে বহি ৰৈছিল তাই বিছনাখনত।

অমৃতাৰ মন, মগজুত তেতিয়া মাথো আলোড়িত হৈ ৰৈছিল অনুৰাগৰ কথাবোৰ.... ভাঁহি উঠিছিল অনুৰাগৰ দুচকুৰ সেই দুৰ্বোধ্য চাৱনি। কিয় সি তাইক নিজৰ কৰি লবলৈ টান পালে?? কেনেকৈ এৰি দিব পাৰে সি তাইক অনাগত সম্ভাব্য উজ্জ্বল ভৱিষ্যতৰ অন্ধকাৰ গহ্বৰলৈ?? অন্ধকাৰেইটো...! অনুৰাগবিহীন তাইৰ জীৱনত পোহৰ কণাৰ আশা কেনেকৈ কৰিব পাৰিলে সি??

নিশাটো প্ৰায় শেষ হওঁ হওঁ।

কৰবাত দূৰৈত কুকুৰাই ডাক দিছিল। বাহিৰত তেতিয়াও কুঁৱলীৰ ডাঠ আৱৰণ।

অমৃতাৰ কোঠাৰ দুৱাৰত এটি মৃদু শব্দ হৈছিল। সম্ভাব্য বিপদৰ অনুমানত সংকুচিত হৈ উঠিছিল অমৃতা। কম্পিত হাতেৰে নিজৰ গাৰ চাদৰখন তাই ভালকৈ টানি লৈছিল। কি কৰো, কি নকৰোঁকৈ থাকোতেই তাইৰ খোলা চুলিটাৰীত খামুচি ধৰিছিলহি কামুক দৈত্যটোৱে। সৰীসৃপৰ দৰে, তাইৰ শৰীৰটোক মেৰিয়াই ধৰি এখন হাতেৰেই আজুৰি টানি খুলি পেলাইছিল তাইৰ গাৰ চাদৰ, ব্লাউজ.... ।। সৰীসৃপটোৰ দাঁতৰ তীক্ষ্ণ কামোৰত ভয়ত, আতংকত সন্ত্ৰস্ত হৈ চিঞৰি উঠিছিল তাই।

....কিন্তু তাইৰ চিঞৰবোৰ...চটফটনি বোৰ আবদ্ধ হৈ পৰিছিল ভাস্কৰৰ লৌহ কঠিন শীতল বাহু বন্ধনত।

"তোক কিনি লৈছো মই তোৰ বাপেৰৰ পৰা। বেছি উৎপাত নকৰিবি।"

ভাস্কৰৰ মুখেদি নিৰ্গত বাক্যশাৰীয়ে যেন চোকা অস্ত্ৰ হৈ হানিছিল তাইৰ বুকুত। বিশ্বাস, অবিশ্বাসৰ দোমোজাত স্তম্ভিত হৈ, দুৰ্ভাগ্যৰ ওচৰত হাৰ মানি নীৰৱ হৈ ৰৈ গৈছিল অমৃতা।

ক্ৰমাৎ ঘন হৈ উঠা ভাস্কৰৰ বিষাক্ত নিশ্বাসবোৰ তাইৰ ডিঙিয়ে, বুকুৱে অনুভৱ কৰি চৰম ঘৃণাত নাক কোচ খাই আহিছিল তাইৰ....বমি বমি ভাৱ জাগি উঠিছিল। আৰু...ভাস্কৰ?

তৃপ্তিত শান্ত হৈ উঠিছিল ৰঙা চকুযুৰি।

তেজেৰে ৰাঙলী চাদৰখনেৰে নগ্ন শৰীৰটো ঢাকি দি এবাৰো তাইলৈ ঘূৰি নোচোৱাকৈ নিজকে সংযত কৰি দপদপাই ওলাই গৈছিল সি।

আৰু অমৃতা??

বিষ আৰু অপমানত... বিধ্বস্ত , জৰ্জৰিত শৰীৰটো লৈ মৃত মানুহৰ দৰে নিৰ্বাক, নিস্তব্ধ হৈ পৰি ৰৈছিল তাই বিছনাখনত বহুপৰলৈ।

এটুপাল চকুলোও ওলোৱা নাছিল তাইৰ সেই সময়ত। তাইৰ মন, মগজুত অনুৰণিত হৈ ৰৈছিল কথাবোৰ। তাইক কিনি লৈছে ভাস্কৰে !!

টকাৰ বিনিময়ত ভাস্কৰৰ দৰে কামুক পশুৰ হাতত গতাই দিছে তাইক নিজৰ দেউতাকেই....

.....আৰু অনুৰাগ!! তাইৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি গুচি গৈছিল সি বহু দূৰলৈ। তাইৰ পৰা, গাঁওখনৰ পৰা, সমাজখনৰ পৰা .... বহু আঁতৰৰ আন এটি প্ৰান্তলৈ।

দুচকুত নিৰ্লিপ্ত দৃষ্টি লৈ তাই নিজকে চাই ৰল ফুল লেংঠ ড্ৰেছিং মিৰৰখনত। অলিভ গ্ৰীণ শাৰীখনত তাইৰ মুখখন যেন আৰু বিৱৰ্ণ হৈ উঠিল তেনে অনুভৱ হল তাইৰ।

ডাক্তৰ তৃশা কুপ্পীকাৰে কৈছিল তাই হেনো ডিপ্ৰেছনত ভুগিছে, সেইকাৰণেই তাইৰ একো ভাল নালাগে, একোতে মন নবহে, টোপনি নাহে, জীৱনৰ প্ৰতি একো আগ্ৰহ নাই,ৰুচি নাই, লক্ষ্য নাই ......

এটি দীঘল হুমুনিয়াহ ওলাই আহিল তাইৰ হৃদয়ৰ গভীৰতাৰ পৰা। সচাঁকৈয়ে, জীৱনৰ একো ৰঙেই যে ৰঙীন কৰি নোতোলে তাইৰ হৃদয়, তাইৰ অন্তৰাত্মা.....। জীৱনৰ ৰং যে কাহানিবাই অতীতৰ গহ্বৰত সমাধিস্থ হৈ ৰৈ গৈছে ..।

ভাস্কৰৰ লগত যিদিনাখন তাই বিধস্ত শৰীৰ মনেৰে উলাই আহিছিল ঘৰখনৰ পৰা, সেইদিনাৰপৰাই যেন আৰম্ভ হৈ গৈছে তাইৰ শ্মশানযাত্ৰা। আৰু শ্মশানযাত্ৰাৰ বাবে ৰঙৰ একো প্ৰয়োজন নাই।

(৭)

অগণন গাড়ীৰ মাজত ঠাই এডোখৰ উলিয়াই ড্ৰাইভাৰ বিনয়ে গাড়ীখন সাৱধানে পাৰ্কিং কৰি থলে।

ঃ অকণমান স্মাৰ্ট হবি। যতে ততে অসমীয়া নকবি। ইয়াত অসমীয়া চবেই বুজি নাপায় নহয়। অলপ মানুহৰ লগত মিলা মিছা কৰ, কথা পাত.. ... তেতিয়া ভাল লাগিব।

বিৰক্তি ভৰা কণ্ঠৰে ভ্ৰূ কোঁচাই ভাস্কৰে কলে।

ভাস্কৰৰ খং উঠি আছিল অমৃতাৰ ওপৰত, সি কোৱা ঝিয়া পাখিৰ দৰে পাতল কলা শাৰীখন তাই নিপিন্ধা বাবে। অমৃতাও জিদ ধৰিছিল মুখেৰে একো নমতাকৈ।

অসংখ্য ৰঙা নীলা হালধীয়া লাইটৰ পোহৰত জিকমিকাই আছিল আটকধুনীয়াকৈ সজোৱা পাৰ্টি হলটো। পাৰ্টি হ'লটোৰ চৌপাশৰ লনখনটো মুক্ত আকাশৰ তলত বহি পাৰ্টি সম্ভোগ কৰাৰ বিৰাট আয়োজন। ল'নখনৰ সমতল বিদেশী সেউজীয়া ঘাঁহনিডৰাৰ ওপৰত ধুনীয়া ধুনীয়া ৰিবনেৰে বন্ধা চকী টেবুলবোৰ ঘুৰণীয়াকৈ সজাই থোৱা হৈছে। প্ৰতিটো টেবুলৰ ওপৰত ফুলদানীত সজাই থোৱা হৈছে চিনা অচিনা নানা ৰকমৰ ফুল....।

লনখনৰ সোঁমাজেদি পাৰি থোৱা ৰঙা দলিছাৰ ওপৰত অলপ কুণ্ঠা আৰু দ্বিধা লৈ ভাস্কৰৰ পাছে পাছে খোজ দিলে অমৃতাই। আগে আগে খোজ কাঢ়ি গৈছে ভাস্কৰ। ভাস্কৰৰ মুখাবয়বত স্পষ্ট বিৰিঙি উঠিছে উচ্চপদস্থ বিষয়াৰ অহংকাৰ সনা গাম্ভীৰ্য্যতা ...। অলপ আগতে খঙত তেজাল হৈ পৰা গোমোঠা মুখখন এতিয়া নাই ...।

ভাস্কৰ আৰু অমৃতাক অহা দেখি কেইজনমান ভাস্কৰৰ বন্ধু আগুৱাই আহিল মাত দিবলৈ। ভাস্কৰৰ চকুৰ ইংগিতত বাহ্যিক হাঁহি এটি ওঁঠত ওলোমাই অমৃতাই সৌজন্যমূলক কথা কেইষাৰমান পাতিলে।

ভাস্কৰ আৰু অমৃতাই বন্ধুসকলক এৰি অইন বন্ধু সকলক মাত দিবলৈ যাওঁতেই দীঘল কলা ৰঙৰ শ্লিভলেছ গাউন পৰিহিতা মধ্যবয়সীয়া দীৰ্ঘদেহী মহিলা এগৰাকী ভাস্কৰহঁতৰ ফালে আগুৱাই আহিল। মিছেছ শৰ্মা।

ঃ হেই অমৃতা...হাও আৰ ইউ দীয়েৰ? এণ্ড ভাস্কৰ ক্লুড ইউ প্লিজ কাম ৱিদ মি, আই হেভ এন আৰ্জেন্ট ৱৰ্ক ৱিড ইউ। অমৃতা প্লিজ দন্ত মাইণ্ড...জাষ্ট স্পেয়াৰ হিম ফৰ চাম মিনিট।

ঃ অকে।

তাইৰ উত্তৰলৈ বাট নাচাই ভাস্কৰক প্ৰায় টানি নিয়াদিয়েই নিলে মিছেছ শৰ্মাই।

কিছু সময় দোধোৰ মোধোৰ হৈ ঠাইতে থিয় হৈ ৰৈ পিছত ল'নখনৰ এটা চুকত পাতফুলৰ জোপোহাই সামান্য আঁৰ কৰি থোৱা টেবুল খনৰ কাষত চকী এখন চপাই লৈ বহি ললে তাই।

এনেবোৰ পাৰ্টিত নিজকে নিতান্তই অপ্ৰয়োজনীয় আৰু অবাঞ্চিত অনুভৱ কৰে অমৃতাই।

তাই জানে এই পাৰ্টিত অহা বেছিভাগ মানুহেই সমাজৰ গণ্য মান্য ব্যক্তি...বেছিভাগেই চৰকাৰী উচ্চপদস্থ বিষয়া, মিনিষ্টাৰ, এম এল এ, ধনী ব্যৱসায়ী নতুবা টপ নিউজ চেনেলৰ পপুলাৰ জাৰ্নেলিষ্ট।

পাৰ্টি হলটোৰ ভিতৰে বাহিৰে স্পষ্ট আভিজাত্যৰ চাপ। সকলোফালে উজ্জ্বল কাপোৰ কানি পৰিহিত নাৰী পুৰুষৰ সমাগম....হাতে হাতে মদৰ গ্লাছ, নতুবা চিগাৰেট। সকলোৰে ওঁঠে মুখে মাথো সুখ, সন্তুষ্টি, আৰু অহংকাৰ ভৰা হাঁহি...।

কোন বিবাহিত কোন অবিবাহিত, কাৰো মুখাবয়ব চাই ধৰিব নোৱাৰি। পাৰ্টি হলটোৰ ভিতৰৰ পৰা ভাঁহি আহিছে অনুচ্ছ সুৰত ৰোমান্টিক ইংৰাজী গীত... আৰু সেই গীতৰ তালে তালে বাহুত বাহু থৈ দুলিছে নাৰী পুৰুষ....চকু মুখৰ ভঙ্গীমা দেখিলে এনে লাগে যেন তেওঁলোক আজন্ম প্ৰেমিক।

প্ৰকৃত সত্যটো হল এইবোৰৰ বহুতেই নাজানে ইজনে আনজনৰ নাম। ব্যঙ্গাত্মক হাঁহি এটি কব নোৱাৰাকৈয়ে ফুটি উঠিল অমৃতাৰ ওঁঠৰ একোণত। কিহৰ বাবে এই পাৰ্টিৰ আয়োজন তাই সোধা নাই , আৰু ভাস্কৰেও তাইক কোৱাৰ প্ৰয়োজনবোধ অনুভৱ কৰা নাই হয়তো।

টেবুলত সজাই থোৱা ফুলদানীটোত থকা ফুলপাহৰ পৰা এটি অচিন সুবাস ভাঁহি আহিল। দীঘলকৈ উশাহ টানিলে তাই। পাব নেকি তাই ইয়াত সেই ইপ্সিত চিৰ আকাংক্ষিত গাঁৱলীয়া সুবাস...?? চম্পাফুল, চতিয়না, নতুবা শেৱালি....!!

"হেই অমৃতা"

চিনাকি নাৰীকণ্ঠত উচপ খাই উঠিল অমৃতা। বেপৰোৱা ভংগীত থিয় হৈ ৰলহি অদিতি...বিপ্লৱৰ পত্নী অদিতি। হাতত মদৰ গ্লাছ আৰু পিন্ধনত আঁঠুলৈ পোৱা ৰঙা ছিংগল ড্ৰেছ পিছ।

ঃ অ...অদিতি। কি খবৰ তোমাৰ?

ঃ আই এম ফাইন ডীয়েৰ। তুমি কোৱা? আৰু ভাস্কৰ দা কত?

ঃ মিছেছ শৰ্মা...

ঃ অহ বুজিলো। ছি ইজ ক্ৰেজি ইউ ন'। জাষ্ট লাইক হিম অনলী। আৰু তুমি এছ ইউজুৱেল ইয়াত...আন্ধাৰত...ৱাই??

ঃ .....

ঃ তুমি দুখ নকৰিবা অমৃতা। তুমিও মিলি যোৱা সকলোৰে লগত। মোৰ দৰেই। মোক দেখিছা নহয়?

অৰ্থ পূৰ্ণ হাঁহি এটি ওঁঠত ফুটি উঠিল অদিতিৰ।

ঃ মোৰ একো আক্ষেপ নাই অদিতি।

তাইৰ নিৰ্লিপ্ত উত্তৰত কিছুপৰ মনে মনে ৰল অদিতি।

ঃ এতিয়া বলা বলা, ইয়াত আন্ধাৰত অকলে বহি থকাৰ একো প্ৰয়োজন নাই। কাম অন। সকলোৰে লগত কথা পাতা। ইউ ৰিল ফিল গুড।

প্ৰায় জোৰ কৰিয়েই টানি নিলে অদিতিয়ে তাইক আটকধুনীয়া পাৰ্টি হ'লটোৰ ভিতৰৰ এটি চুকলৈ। মদ আৰু চিগাৰেটৰ সংমিশ্ৰিত উৎকট অসহ্য গোন্ধ এটা তাইৰ নাকে মুখে লাগিল।

অস্বচ্ছ পোহৰত পাৰ্টী হলটোৰ চুকত ডাঙৰ টেবুলখনত তেতিয়া ঘেৰি বহি আছে কেইবাগৰাকীও পুৰুষ আৰু মহিলা। ইতস্তত অনুভৱ কৰি অমৃতাই ইফালে সিফালে এবাৰ চালে ... নাই, কতো দেখা দেখি নাই ভাস্কৰৰ। তাইক পাৰ্টিবোৰত এজুম মানুহৰ মাজত অকলে এৰি থৈ সদায় এনেকৈয়ে হেৰাই যায় ভাস্কৰ। কাবৌ কৰা দৃষ্টিৰে তাই অদিতিলৈ চালে। তাইৰ যে অকমানো মন যোৱা নাই এই মানুহজাকৰ আনন্দত যোগ দিবলৈ। অদিতিয়ে নেদেখাৰ ভাও জুৰি তাইক জোৰকৈ খালি চকীখনত বহুৱাই সকলোৰে লগত চিনাকি কৰাই দিলে।

ঃ ইউ আৰ লুকিং এলিজেন্ট ইন দ অলিভ গ্ৰীণ চাৰি।

টেবুলখনৰ আনচুকৰ পৰা গলগলীয়া পুৰুষ কণ্ঠ এটা ভাঁহি আহিল। ভাস্কৰৰ কোনোবা বন্ধু বোধহয়।

"য়া ৰিয়েলি....এলিজেন্ট এণ্ড গ্ৰেছফুল"

সমস্বৰে হয়ভৰ দি উঠিল কেইবাটাও অত্যুৎসাহিত পুৰুষৰ কণ্ঠ। তাঁহাতৰ মুগ্ধ দৃষ্টি পৰিল তাইৰ ওপৰত। অপ্ৰস্তুত অনুভৱ কৰিলে তাই।

ঃ ৰিয়েলি ইউ আৰ লুকিং ছও বিউটিফুল এণ্ড য়াং.... ভাস্কৰ দাই ক'ত লুকুৱাই ৰাখিছিল তোমাক ইমানদিনে??

মদৰ নিচাত থৰক বৰক খোজেৰে তাইৰ নিচেই কাষত থিয় দিলেহি ভাস্কৰৰ এগৰাকী বন্ধু পত্নী।

ঃ ... মাইচেল্‌ফ প্ৰীছা... ।

ঃ হাই।

সৌজন্যমূলক হাঁহি এটি মাৰি বহি ৰল অমৃতা। বাকী কেইগৰাকীমান মহিলাই ঈৰ্ষাৰ দৃষ্টিৰে চাই ৰল অমৃতাৰ ফালে। প্ৰীছাই আহি তাইৰ কাষত বহি ললে। বহিয়েই ৱেইটাৰজনক মাতি কিবা অৰ্ডাৰ দিলে।

ঃ মই মদ নাখাওঁ।

অবাক দৃষ্টিৰে  প্ৰীছাই অমৃতালৈ চাই ৰল কিছুদেৰী যেন অদ্ভুত কথা এটাহে কলে তাই।

ঃ ইউ আৰ ফিলিং আনইজি ৰাইট?? ৰি কেন চিট আউত্‌চাইড। কাম ৱিদ মি।

তাইৰ কাষতে বহা ভাস্কৰৰ বন্ধু এজনে কৈ উঠিল।

ঃ ন ন আই এম অকে হিয়েৰ।

অমৃতাই মূৰটো জোকাৰি ঈষৎ হাঁহি এটি মাৰি ক'লে।

ঃ হেই অমৃতা.. অকমানটো ট্ৰাই কৰা। আই প্ৰমিজ তোমাৰ ভাল লাগিব।

তাইৰ কাণৰ কাষলৈ হালি আহি ফুচফুচাই কোৱাৰ দৰে কলে অদিতিয়ে ।

ঃ ..অদিতি প্লিজ ...

ঃ কাম অন, লিটল ড্ৰিংকচ ৰিল নট কজ্‌ এনি হাৰ্ম টো ইউ। জাষ্ট ট্ৰাই লিট্‌ল বিত।

তাইৰ কথাত একো গুৰুত্ব নিদি প্ৰায় জোৰ কৰিয়েই প্ৰীছাই অমৃতাৰ হাতত ৰঙীন পানীয়ৰ গ্লাছ টো তুলি দিলে।

ঃ কাম অন অমৃতা জাষ্ট ট্ৰাই ইট....চিয়েৰ্ছ।

উৎসাহেৰে পুৰুষ মহিলা আটায়ে জোৰ কৰিলে তাইক। কাঁচৰ গ্লাছৰ টিং টং শব্দ, আৰু চিগাৰেটৰ ধোঁৱাৰ ফাঁকে ফাঁকে উচ্ছল হাঁহি মৰা পুৰুষ মহিলাজাকৰ মাজত ভীষণভাৱে অপ্ৰস্তুত হৈ বহি ৰল তাই।

কি কৰোঁ কি নকৰোঁকৈ দ্বিধাগ্ৰস্ততাৰে ইফালে সিফালে চাই গ্লাছটো ওঁঠলৈ তুলি লৈ ভয়ে ভয়ে এঢোক গিলিলে তাই।

তিতা পানীয়খিনি পুৰি গল তাইৰ ওঁঠ, ডিঙি...বুকু, হৃদয়ৰ অভ্যন্তৰ। আটায়ে উৎসাহেৰে চাই ৰ'ল তাইলৈ।

লাহে লাহে কৰি দুই তিনি চিপমান খাই দিয়াৰ পিছতেই অমৃতাৰ মূৰটো যেন ৰিমঝিম কৰিব ধৰিছিল, গাটো পাতল পাতল লাগিছিল,..... গধুৰ হৈ আহিছিল দুচকুৰ পতা।

অকমান মুক্ত বতাহ বিচাৰি থৰক বৰক খোজেৰে হ'লটোৰ সোমাজৰ সুসজ্জিত চিৰিয়েদি লাহে লাহে উঠি গল তাই চাঁদ খনৰ ফালে।

চাঁদখনৰ ৰেলিঙত ভেঁজা দি তাই দুচকু মুদি অপেক্ষা কৰি ৰল চেঁচা বতাহ এজাকৰ বাবে।

তেনেতে কাৰোবাৰ অনুচ্চ হাঁহি তাইৰ কাণত পৰিল। পুৰুষ কণ্ঠটো তেনেই চিনাকি।

অকণো উৎকণ্ঠীত নহ'ল তাই। মাথো এটি ব্যঙ্গাত্মক হাঁহি ফুটি উঠিল তাইৰ মুখত। তাই জানে.... সকলো জানে।

দিনৰ ভাগত ভদ্ৰতাৰ মুখা পিন্ধা সমাজৰ গণ্য মান্য ব্যক্তিসকলৰ, আৰু তাঁহাতৰ অভিজাত্যত ডুব যোৱা পত্নীসকলৰ, কদৰ্য স্বৰূপ দেখিছে তাই আগতেও। নাইট পাৰ্টিবোৰত মদৰ নিচাত মাতাল হৈ উঠাৰ পিছত সিহঁতে বুজি নাপায় সমাজৰ নিয়ম, শৃংখলা,শালীনতাৰ ভাষা, বুজি নাপায় কোন কাৰ পতি বা পত্নী..... সেই সময়ত বুজি পায় মাথো শৰীৰৰ ভাষা...নগ্নতাৰ ভাষা। আৰু ভাস্কৰো তাৰ ব্যতিক্ৰম নহয়।

হবই বা কিয়?? সিটো তাইৰ দৰে গাঁৱলীয়া নহয়!!

ভাস্কৰহঁতৰ এই হাই প্ৰফাইল সমাজখনৰ বাবে নগ্নতাই আধুনিকতাৰ একমাত্ৰ ভাষা।

"উফ"

এই বিভৎস আধুনিকতাতকৈ ফ্লেটৰ বন্ধ কোঠাৰ নিঃসংগতাই তাইৰ বাবে বাঞ্চনীয়।

কিয় কৰে? কিয় কৰে এই ঘৃণনীয় শৰীৰৰ খেলা?? জীৱনত মনে বিচৰা সকলো ঐশ্বৰ্য্য , বিভূতি, সন্মান....এটি আৰামদায়ক জীৱন পোৱাৰ পিছতো তথাকথিত ভদ্ৰ সমাজৰ এই ভদ্ৰ পুৰুষ মহিলা সকলক অতিৰিক্ত উদ্দীপনাৰ প্ৰয়োজন হয় কিয়?? কিয় বিচাৰে সেই উদ্দীপনা অন্য নাৰী নতুবা অন্য পুৰুষৰ শৰীৰত??

....কাৰণটো চাগৈ অনাবৃষ্টি। প্ৰেমৰ এজাক বৰষুণৰ অভাৱ ?? প্ৰেম নাই .... সেয়ে পৰিপূৰ্ণতা কতো নাপায়।

আৰু তাই নিজে....??

একেঘোটে চকু মুদি হাতত লৈ থকা গ্লাছৰ সকলো পানীয় ঘোটঘোটকৈ গিলি থলে তাই।

ঃ "আস্" ... .অনুৰাগ এয়াই আছিল নেকি তোৰ মোৰ বাবে ইপ্সিত উজ্জ্বল ভৱিষ্যত? আজি মদৰ গ্লাছ ওঁঠত তুলি লৈছোঁ মই। ইয়াৰ বাবে মাথো তই দায়ী...। মোক এৰি দিছিলি নহয় এই কৃত্ৰিম সমাজৰ কলুষতাৰ মাজত...নগ্ন আধুনিকতাৰ মাজত মোৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি!! চা এতিয়া অনুৰাগ, নিঃশেষ হৈ গৈছোঁ মই.... জ্বলি পুৰি ৰৈছোঁ।

আপোনমনে বিৰবিৰাই উঠিল অমৃতাই।

মূৰটো আচন্দ্ৰাই কৰি উঠিল তাইৰ। বুকুখন জ্বলি পুৰি যেন ছাৰখাৰ হৈ গৈছে।

ঢলি পৰি যাব খোজা তাইৰ শৰীৰটোক যেন কোনোবাই সাৱটি ধৰিছেহি আলফুলে।

"অমৃতা"

এটি আৱেগিক পুৰুষ কণ্ঠ ভাঁহি আহিছে।

কোন? কোন? কোনে উচ্চাৰিছে তাইৰ নামটো ইমান মৰমত....ইমান আৱেগত!

গধুৰ হৈ অহা দুচকুৰ পতা কোনোমতে মেলি ডিম লাইটৰ অনুজ্জল অস্বচ্ছ পোহৰত তাই চাবলৈ চেষ্টা কৰিলে আগন্তুকৰ মুখ।

(৮)

খোলা খিৰিকীৰে সোমাই অহা এছাটি চেঁচা বতাহে অমৃতাৰ গালে মুখে চুই গল। মূৰটো খামুচি ধৰিলে তাই। মূৰটো অত্যন্ত গধুৰ আৰু বিষ বিষ ভাৱ এটি অনুভৱ হল তাইৰ। বিমূৰ্ত হৈ কিছুদেৰি বিছনাখনতে পৰি ৰল তাই। মনত পেলাবলৈ চেষ্টা কৰিলে ৰাতিৰ পাৰ্টিৰ কথাবোৰ। কোনে, কেতিয়া, কেনেকৈ তাইক ফ্লেটলৈ লৈ আনিলে .... একোৰেই মনত নাই তাইৰ।

পাৰ্টিত তাই গ্লাছত প্ৰীছাই বাকি দিয়া মদ খাই দিছিল ... চাঁদত পৰি যাব খোজা তাইক কোনোবাই ধৰি ৰাখিছিল, ....তাৰপিছত তাইৰ দেখোন একো মনত পৰা নাই। ভাস্কৰে গম পাইনে?

নিজৰ ওপৰত অত্যন্ত খং উঠিল তাইৰ, লগতে লজ্জিতও অনুভৱ কৰিলে।

ঃ উঠিলি?

ভাস্কৰৰ মাতৰ ৰুক্ষ শিতলতাত জিকাৰ খাই উঠিল অমৃতা। বিছনাখনৰ পৰা নামিব লৈও ৰৈ গল তাই।

বিছনাখনৰ পৰা সামান্য দূৰত হাতত একাপ কফি লৈ চোফাত বহি আছে ভাস্কৰ।

ঃ কি হ'ল? এনেয়েটো তেনেই গাঁৱলীয়া....মই ড্ৰিংকচ কৰি কাষত আহিলেও বমি কৰ', আনফালে আকৌ ....

অমৃতালৈ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি ঠাট্টা ভৰা কঠিন স্বৰেৰে কৈ উঠিল ভাস্কৰে।

নিৰুত্তৰ হৈ খিৰিকীৰে বাহিৰলৈ উদাসীন দৃষ্টিৰে চাই ৰল অমৃতাই।

ঃ .......

কফিকাপ টেবুলত থৈ ভাস্কৰ বিছনাখনৰ কাষলৈ আহি তাইৰ নিচেই কাষত থিয় হ'ল। খঙত বিকৃত হৈ পৰা তেজাল মুখখন তাইৰ মুখৰ আগলৈ হালি আহিল। সোঁহাতখনেৰে তাইৰ থুঁতৰিত জোৰকৈ ধৰি ললে সি। বিষত কেঁকাই উঠিল তাই।

ঃ মই নথকাৰ সুযোগত ড্ৰিংকচ কৰিলি! ... আৰু ড্ৰিংকচ কৰি চিধাই কেনেকৈ গৈ পালি অনিৰুদ্ধ বৰুৱাৰ দুবাহুত??

থতমত খাই উঠিল অমৃতা। বিষ পাহৰি ভাস্কৰলৈ পোন দৃষ্টিৰে চাই ৰল তাই কিছুদেৰী। ভাস্কৰৰ দুচকুৰে যেন অগ্নি বৰ্ষিছিল।

অ ...অনিৰুদ্ধ ... অনিৰুদ্ধ বৰুৱাৰ ..দুবাহুত!! কোন অনিৰুদ্ধ বৰুৱা?

মনত পেলাবলৈ চেষ্টা কৰিলে অমৃতাই।

ঃ অদিতিক মাতি দিছোঁ। তাই আহিম বুলি কৈছে।

কৈয়েই তাইক একো ভাবিবলৈ বা কবলৈ সুযোগ নিদিয়াকৈ গধুৰ খোজেৰে দপদপাই ওলাই গল ভাস্কৰ।

ভাস্কৰ গুচি যোৱাৰ পিছত অমৃতাই লাহেকৈ বিছনাখনৰ পৰা উঠি আহিল। ৱাশ্বৰোমত গৈ গোলাকাৰ আইনাখনৰ সন্মুখত কিছুদেৰী থিয় হৈ ৰল তাই।

...অবিন্যস্ত চুলি, মুখ, ফুলি থকা চকুযুৰি.... আৰু পিন্ধনত এতিয়াও পাৰ্টিত পিন্ধি যোৱা অলিভ গ্ৰীণ শাৰীখন।

নিজৰ ওপৰতে অত্যন্ত খং আৰু বিৰক্তি উপজিল তাইৰ। কিহে পাইছিল তাইক ড্ৰিংকচ কৰিবলৈ! কোনোবা অনিৰুদ্ধ বৰুৱাৰ দুবাহুত পৰি যোৱাকৈ ....

ছিহ ছিহ অমৃতা! কিহে পাইছিল তোক?

অকমান ঠাণ্ডা পানী লৈ গালে মুখে ছটিয়াই ললে তাই। শীতল জলকণিকা বোৰ ধুৱাই লৈ গল তাইৰ চকু মুখৰ পৰা ক্লান্তিৰ ভাৱ।

ৱাশ্বৰুমৰ পৰা ফ্ৰেছ হৈ ওলাই আহিল তাই।

কিচ্ছেনলৈ গৈ নিজৰ বাবে একাপ গৰম কফি বনাই ললে অমৃতাই।

আৰামি চকী এখনত হেলান দি বহি লৈ তাই লাহে লাহে কফি কাপত সোঁহা দিলে। তাইৰ কাণত বাৰে বাৰে অনুৰণিত হৈ থাকিল ভাস্কৰৰ কথাবোৰ।

"ড্ৰিংকচ কৰি চিধাই কেনেকৈ গৈ পালি অনিৰুদ্ধ বৰুৱাৰ দুবাহুত??"

.... অনিৰুদ্ধ... অনিৰুদ্ধ বৰুৱা ..কোন এই অনিৰুদ্ধ বৰুৱা?

দুচকু মুদি যথাসাধ্য তাই চেষ্টা কৰিলে ৰাতিৰ কথাবোৰ মনত পেলাবলৈ। অস্পষ্টকৈ তাইৰ মনত পৰিছে, .... কোনোবাই উচ্চাৰিছিল তাইৰ নামটো....যেন খুব মৰমেৰে, আৱেগেৰে .... আৰু অত্যন্ত আলফুলে বলিষ্ঠ দুবাহুৰে কোনোবাই সাৱটি ধৰিছিল তাইক। অনিৰুদ্ধ বৰুৱাই আছিল নেকি?

কোন এই অনিৰুদ্ধ বৰুৱা?

মনটো উগুল থুগুল লাগি থাকিল তাইৰ। কেনেকৈ গম পাম? কাক সুধিম? অদিতি ..অদিতিক সুধিব লাগিব। তাই

নিশ্চয় জানিব। কিন্তু কিয় সুধিব তাই? অনিৰুদ্ধ বৰুৱাৰ বিষয়ে তাই জানি কি কৰিব? অদিতিয়েই বা কি বুলি ভাবিব?

তাইৰ মনত অনিৰুদ্ধ বৰুৱাৰ বিষয়ে জানিবলৈ ইমান দুৰ্বাৰ ইচ্ছা কিয় জাগি উঠিছে?? অনুৰাগৰ পিছত কেতিয়াও, কাহানিও কোনো অইন পুৰুষৰ প্ৰতি তাইৰ মনত একো ধৰণৰ আসক্তি জন্মা নাই। তেনেস্থলত ....??

তেনেতে মোবাইলটো বাজি উঠিল। অদিতি। অদিতিৰ নামটো স্ক্ৰীনত দেখি মুখখন উজ্জ্বলি উঠিল তাইৰ।

ঃ অদিতি।

ঃ হেই অমৃতা... হাও আৰ ইউ নাও??

ঃ সামান্য মূৰৰ বিষ।

ঃ চৰি অমৃতা। প্লিজ বেয়া নাপাবা। মই তোমাক ড্ৰিংকচ কৰিবলৈ জোৰ কৰিবই নালাগিছিল।

ঃ একো নাই। ...আচ্ছা তুমি আহিবা নেকি?

ঃ মই গৈয়েই আছো। অলপ ট্ৰেফিক জাম। ধৰি লোৱা বিশ মিনিট মান পিছত গৈ পাম।

ঃ ঠিক আছে।

অদিতিক সুধিব নে নাই অনিৰুদ্ধ বৰুৱাৰ বিষয়ে। এজন অচিন অজান ব্যক্তিৰ সেই ক্ষণিকৰ স্পৰ্শত কেনেকৈ ইমান আত্মীয়তা অনুভৱ কৰিছে তাই? অনিৰুদ্ধ বৰুৱা নামৰ মানুহজনৰ নামটোত কিয় অনুভৱ কৰিছে আগতে কাহানিও অনুভৱ নকৰা এটি ৰোমাঞ্চময়তা!!

নিজৰ উগুল থুগুল চিন্তাত ডুব গৈ থাকোতেই কলিং বেলটো বাজি উঠিল। তাই উঠি গৈ দুৱাৰখন খুলি দিলে। বাহিৰত অদিতি।

ঃ অলপ দেৰি হ'ল।

ঃ একো নাই। আহা ভিতৰলৈ।

অদিতি হাঁহি মুখেৰে সোমাই আহিল। দুয়ো কিছু ইটো সিটো কথা পাতি থকাৰ মাজতেই অমৃতাই উঠি গৈ অদিতিলৈও একাপ কফি বনাই আনিলে।

ঃ ড্ৰিংকচ কৰাৰ পিছত চাঁদত অকলে তোমাক যাব দিয়াটোৱেই মোৰ ভুল হল। তাতে পৰি গৈছিলা তুমি। অনিৰুদ্ধ বৰুৱাই হে তোমাক লৈ আনি এটা ৰুমত শুৱাই দিছিল আৰু আমাক জনাইছিল কথাটো।

ঃ অ..অনিৰুদ্ধ...অনিৰুদ্ধ বৰুৱা..

ঃ অহ...অনিৰুদ্ধ বৰুৱা। অসমৰেই। হি ইজ এ বিজিনেছমেন। তোমাৰ লগত চিনাকি কৰাই দিবলৈ নহলেই যোৱা ৰাতি। তেখেত খুব ৰিজাৰ্ভ মানুহটো। ন' ড্ৰিংকচ, ন' গাৰ্ল টাইপৰ সাংঘাতিক এবিধ প্ৰাণী....তোমাৰ দৰেই। চব ফিডা হৈ গৈছে অকমান তাৰ সান্নিধ্য পাবৰ কাৰণে। সি পিছে কাকো পাত্তা নিদিয়ে।

ঃ সি বুলিহে তোমাক আলফুলে দাঙি আনি বিছনাত শুৱাই থৈ মোক জনাইছেহি, বেলেগ কোনোবা হোৱা হেতেন?? .... তুমিতো জানাই নহয় মানুহবোৰক।

অমৃতাই মন দি শুনি গল অদিতিয়ে অনৰ্গল কৈ যোৱা কথাবোৰ।

'আলফুলে' শব্দটোৱে যেন অন্তৰ চুই গল তাইৰ। .... তাইওটো অনুভৱ কৰিছিল সেই আলফুল আৱেগিক স্পৰ্শ...।

ঃ অনিৰুদ্ধ বৰুৱাই মোক চিনি পায় নেকি বাৰু অদিতি?

সোধো নোসোধোকৈ সুধিলে অমৃতাই।

ঃ আই দন্ত থিংক ছ'। কেনেকৈ পাব? তেওঁ ইয়াত নতুন। মই নিজেই তেওঁক লগ পোৱা মাত্ৰ দুবাৰ হৈছে।

আচৰিত হল অমৃতা। পুনৰ চিন্তাত ডুব গল তাই।

ঃ কি ভাবিছা?

অদিতিয়ে মন কৰিলে অমৃতাৰ চিন্তিত সেমেকা মুখখন।

ঃ অমৃতা....এটা কথা কওঁ?? পাহৰি যোৱা।

ঃ কি ?

ঃ অতীতটোক ....। পাহৰি যোৱা অনুৰাগক।

ঃ বৰ্তমানটোক আঁকোৱালি লোৱা। এয়াই তোমাৰ বাবে ভাল হব। দেখিছো মই, কেনেকৈ জ্বলি গৈছা তুমি। দিনে দিনে নিঃশেষ হৈ আহিছা তুমি। হাঁহি নাই স্ফূৰ্তি নাই...গোটেই ৰাতি মাথো বিৰবিৰাই আছা অনুৰাগৰ নাম। অনিৰুদ্ধ বৰুৱাও আচৰিত হৈ গৈছিল চাগৈ...

মুখখনত যেন কোনোবাই আন্ধাৰৰ ৰংহে সানি দিলে অমৃতাৰ।

কি কৈছে অদিতিয়ে এয়া?

তাইৰ জীয়াই থকাৰ শেষ সমল .... তাইৰ প্ৰথম প্ৰেমৰ স্মৃতিবোৰ ... কৈশোৰ যৌৱনৰ প্ৰথম সপোন অনুৰাগক পাহৰি তাইৰ জানো অস্তিত্ব আছে?

(৯)

সোঁ গালত পৰা ৰঙা দাগটোত আৰু ডিঙিত লগা ক্ষত চিহ্নটো চুই চালে তাই।

'আস'

তীব্ৰ বিষত কেকাই উঠিল তাই।

শ্বাৱাৰৰ তলত চুলিকোচা মেলি দি থিয় হৈ ৰল তাই বহুপৰ .... শীতল জলকণিকা বোৰে ধুই গল শৰীৰৰ ক্ষত স্থানবোৰত বিৰিঙি উঠা ৰক্ত কণিকা বোৰক....ধুৱাই লৈ গল তাইৰ অন্তৰৰ মৌন কান্দোন।

গধূলি অফিচৰ পৰাই বাহিৰে বাহিৰে মদ খাই ঘূৰি অহা ভাস্কৰে অনিৰুদ্ধ বৰুৱাৰ নাম লৈ শাৰীৰিক অত্যাচাৰ চলাইছিল তাইৰ ওপৰত।

ভাস্কৰৰ মতে তাই জানি বুজি ড্ৰিংকচ কৰি চাঁদলৈ গৈছিল অনিৰুদ্ধ বৰুৱাৰ দুবাহুত বন্দী হবৰ ইচ্ছাৰে।

অনিৰুদ্ধ বৰুৱা.... যাক তাই নাজানেও... নিচিনেও।

দীঘল নীলা নাইটি খনেৰে সৰ্বাংগ ঢাকি খুব লাহে লাহে খোজ দি ওলাই আহিল তাই বেলকণীটোলৈ। বেডৰোমৰ পৰা ভাঁহি আহিছে ভাস্কৰৰ নাকৰ কৰ্কশ ঘৰঘৰনি।

উফ। অসহ্য।

মৃত্যু আৰু কিমান দূৰ?

আৰু কিমান দূৰ শ্মশানৰ অন্ধকাৰলৈ?

আৰু কিমান দিনলৈ সহিব তাই এই অসহ্য শাৰীৰিক যাতনা? পাৰিবনে তাই?

নে তাইও অকাল মৃত্যুক আঁকোৱালি লোৱা উচিত ... ঠিক যেনেকৈ অকাল মৃত্যুক স্বইচ্ছাই আঁকোৱালি লৈছিল ভাস্কৰৰ প্ৰথমা পত্নী মৃণালিনীয়ে।

অদিতিৰ কথা মনত পৰিল তাইৰ।

ৰাতিপুৱা অদিতিয়ে কৈছিল তাইক, অতীতক পাহৰি..অনুৰাগক পাহৰি, বৰ্তমানক আঁকোৱালি লবলৈ! তাই জানো চেষ্টা নকৰাকৈ আছিল?

গাঁও এৰি ভাস্কৰৰ লগত বিয়া হৈ অহাৰ পিছৰপৰাই শোষণ, নিৰ্যাতন আৰু অন্যায়ৰ এক পৃষ্ঠা আৰম্ভ হৈ গৈছিল তাইৰ জীৱনত। হাঁহি ধেমালি সুখৰ পৃষ্ঠাবোৰ অতীত হৈ ৰৈছিল।

ভাস্কৰৰ প্ৰকাণ্ড ঘৰখনৰ প্ৰতিটো চুক কোনে যেন তাইক ঠাট্টা মস্কৰা কৰিছিল,.... গাঁৱলীয়া বুলি হাঁহিছিল। চহৰৰ নগ্ন আধুনিকতাৰ মাজত বিপৰ্যস্ত হৈ ৰৈছিল তাই।

প্ৰতিটো নিশাই ধৰ্ষিতা হৈছিল মদ খাই মাতাল হৈ অহা ভাস্কৰৰ দ্বাৰা। তাইৰ শৰীৰৰ কোমল অংগবোৰৰ পৰা তেজ বিৰিঙি নুঠালৈকে তীক্ষ্ণ দাঁতৰ কামোৰ দিছিল সি, .... কলা নীলা চিহ্ন বহুৱাই দিছিল সৰ্বশৰীৰত । বহু প্ৰয়াস কৰাৰ পিছতো ভাস্কৰৰ হৃদয় জিনি লব পৰা নাছিল তাই।

তাই কান্দিছিল প্ৰথমতে চিঞৰি চিঞৰি ...... ফেঁকুৰি ফেঁকুৰি.... লাহে লাহে অভ্যস্ত হৈ উঠিছিল শাৰীৰিক বিষৰ সৈতে।

প্ৰচণ্ড ভাবে ভিতীগ্ৰস্ত হৈ উঠা অমৃতাই লাহে লাহে চকুলো টুকিবও পাহৰি গৈছিল..... পাহৰি গৈছিল তাই নিজৰ অস্তিত্ব আৰু স্বাভিমান।

ভাস্কৰে দিয়া শাৰীৰিক, মানসিক অত্যাচাৰ, ঠাট্টা মস্কৰাই মাৰি পেলাইছিল তাইৰ ৰুচি, আৱেগ, অনুভূতি, আশা আকাংক্ষা....সকলো।

তাই বুজি উঠিছিল, ভাস্কৰৰ বাবে তাই পত্নী নহয়.... তাৰ শৰীৰৰ কামনা বাসনা পূৰ কৰিব পৰা এটি নাৰীদেহ মাথো।

তৰাভৰ্তি আকাশখনলৈ মূৰ তুলি চালে তাই। উৰা মাৰি যেন অনন্ত আকাশৰ অসীম শূন্যতাত ডুব যাব তাই।

এতিয়া কি কৰি আছে বাৰু অনুৰাগে?? কত আছে সি?? শান্তি পাইছেনে সি অৰণ্যত? কিয় অৰণ্যৰ জীৱন বাছি ললে সি। কিয়? যাৰ দুচকুত কেৱল মৰম আৰু মৰম বিচাৰি পাইছিল তাই .... কিয় সি বাছি ললে হত্যা, জিঘাংসা,আৰু বৰ্বৰতাৰ পথ। কিয়?

"অনুৰাগ স্বাৰ্থপৰ তই। বহুত স্বাৰ্থপৰ।"

মনৰ ভিতৰত গুজৰি গুমৰি অহা খং অভিমান বোৰ প্ৰকাশ পালে দুধাৰি অশ্ৰুধাৰা হৈ।

বুকুখনত যেন কিহবাই সোপা মাৰি ধৰিছেহি তাইৰ।

ঃ তোৰ পুৰণি প্ৰেমিকৰ খবৰ পাওনে ? ..... নে ময়েই জনাব লাগিব আকৌ?

ঃ .....

নিৰুত্তৰ.... কিন্তু উৎকৰ্ণ হৈ ৰৈছিল তাই।

ঃ উগ্ৰপন্থী হ'ল সি। মোক বেয়া বুলি কৰ নহয়? তোৰ আদৰ্শ পুৰুষজন সন্ত্ৰাসবাদী হ'ল।

বিস্ফোৰিত নেত্ৰেৰে ভাস্কৰৰ মুখলৈ চাই ৰৈছিল তাই।

ঃ পুলিচৰ হাতত পৰিলে পিঠি গুৰুলা গুৰুল হ'ব তোৰ পুৰণি প্ৰেমিকৰ। দেখিলেই গুলিয়াই দিব তাক।

ভাস্কৰৰ দুচকুৰ ঠাট্টা মিশ্ৰিত ৰুক্ষ চাৱনীলৈ পোন দৃষ্টিৰে চাই ৰৈছিল তাই। তাইৰ যে অকণো বিশ্বাস হোৱা নাছিল কথাষাৰ....

মিছা কথা... মিছা কথা।

আৰ্তচিৎকাৰ কৰি উঠিছিল তাইৰ হৃদয়খনে কিন্তু ওঁঠ, মুখ মৌন হৈ ৰৈছিল।

দুচকুৰ আগত ভাঁহি উঠিছিল সেই ক্ষীণ লাহী ওখ শৰীৰ, কেঁকোৰা চুলি আৰু মৰমিয়াল চকু , মুখ। নাই ... নাই অসম্ভৱ। অনুৰাগৰ দৰে কোমল হৃদয়ৰ মানুহে বন্দুক কেতিয়াও উঠাব নোৱাৰে।

লাহে লাহে কিন্তু বিশ্বাস কৰিবলৈ বাধ্য হৈছিল তাই। অদিতি, ...বিপ্লৱ, সকলোৱে কৈছিল অনুৰাগে হাতত বন্দুক তুলি লোৱাৰ কথা।

....সন্ত্ৰাসবাদী হৈছে সি। নিষিদ্ধ উগ্ৰপন্থী সংগঠনত যোগ দি পুলিচ, আইন, চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰিছে সি। অকল সিয়েই নহয় তাঁহাতৰ সেই ভিতৰুৱা গাঁওখনৰ আৰু অসমৰ অন্যান্য ভিতৰুৱা গাঁৱৰ প্ৰায়ভাগ লৰাই উগ্ৰপন্থী সংগঠনত যোগ দিছে। প্ৰায়েই হেনো পুলিচৰ তালাচী অভিযান চলে গাঁওবোৰত। সন্দেহী গতি বিধিৰ যুৱকৰ খবৰ পালে ধৰি আনি লক আপত ভৰাই থৈ দিয়ে।

ঃ আমাৰ দৰে ডাঙৰ অফিচাৰবোৰ হেনো সিহঁতৰ টাৰ্গেট। আমাক হেনো সিহঁতে গুলিয়াই মাৰিব! দুৰ্নীতি মুক্ত নোহোৱালৈকে হেনো সিহঁতে সংগ্ৰাম চলাব। হা হা হা। সংগ্ৰাম। মাই ফুট।

অট্টহাস্য কৰি উঠিছিল সি। যেন সাৰ পাই উঠিছে এটা ৰাক্ষস....দুৰ্নীতিত পোত যোৱা, প্ৰেমৰ প্ৰমূল্যবোধ নজনা, নাৰী শৰীৰ ভক্ষণ কৰি ভাল পোৱা মানুহৰূপী নিষ্ঠুৰ ৰাক্ষস।

.... অমৃতাৰ দুচকুৰে নীৰৱে সেইদিনা বৈ গৈছিল অশ্ৰুৰ প্লাৱণ...।

মেডিচিন কেবিনেটৰ পৰা শ্লিপিং টেবলেট এটা উলিয়াই লৈ অকণমান পানীৰে সৈতে গিলি দিলে তাই। শ্লিপিং টেবলেটতো খাই লৈ বিছনাখনত ক্লান্ত শৰীৰটো এৰি দিলে অমৃতাই।

ৰাতি দুই বাজি গৈছে।

অথচ অকণমানো টোপনিৰ ভাৰ নাই দুচকুত। ওৰে ৰাতি সাৰে থাকি অভ্যস্ত হৈ গৈছে তাই। ডাক্তৰ তৃশা কুপ্পীকাৰে দিয়া দৰৱবোৰ নুখুৱালৈকে ক্লান্তিত শৰীৰ বিধস্ত হৈ উঠিলেও টোপনি নাহে তাইৰ। অমৃতাৰ বাবে অমৃততকৈও বেছি অমূল্য হৈ উঠিছে যেন শ্লিপিং টেবলেটবোৰ।

টোপনি নহা দেখি মোবাইলতো উলিয়াই লৈ এবাৰ চালে তাই। ৱাটছ আপত অদিতিৰ মেছেজ।

গধূলি সাত বজাতেই দিয়া। তাই মনেই কৰা নাছিল।

"হেভ এ লুক এট দ পিকছাৰ্চ অফ লাষ্ট নাইট পাৰ্টি। ইউ আৰ লুকিং অ'চম ইন অল দ পিকচ। সেইকাৰণে গোটেই মানুহবোৰ তোমাৰ পিছত পাগল জানানে।"

অৰসভাৱে অদিতিয়ে পঠোৱা ফটোবোৰ ডাউনলোড কৰি এফালৰ পৰা নিৰ্লিপ্ত দৃষ্টিৰে চাই গল তাই।

হঠাতে এখন ফটোত ৰৈ গ'ল তাই।

কিছুসময় থৰ লাগি চাই ৰল ফটোখনলৈ।

বুকুখন জোৰেৰে ধপধপাই উঠিল তাইৰ।

কম্পিত আঙুলিৰে ফটোখন কেইবাবাৰো ঝুম কৰি চালে অমৃতাই।

ফটোখনত থকা এজাক ৰঙীন মানুহৰ জুমৰ মাজৰ এজন বিশেষ ব্যক্তিৰ ওপৰত তাইৰ কম্পিত দৃষ্টি নিৱদ্ধ হল।

....ব্লু চাৰ্ট, ব্লেক পেন্ট. কেঁকোৰা চুলি, ফ্রেন্স কাট দাড়ি, চকুত বগা গ্লাছ, সুঠাম ওখ আটিল শৰীৰ...।

কঁপি উঠিল তাইৰ হাতৰ আঙুলিবোৰ।

এইখন মুখ...নিৰ্মোহ গম্ভীৰ চকুহাল, তাইৰ তেনেই চিনাকি... বুকুৰ অতি আপোন। বুকুখন ধান বনাদি বানিব ধৰিলে তাইৰ।

কোন ? কোন এইজন? .....হুবহু অনুৰাগ। তাইৰ অনুৰাগ।

কম্পিত হাতখনৰ পৰা মোবাইলটো পৰি গল।

খপজপকৈ তাই উঠাই ললে মোবাইলটো। এক সুতীব্ৰ আলোড়ন জাগি উঠিল তাইৰ হৃদয়ত।

বাৰে বাৰে কম্পিত বুকুৰে, ধোঁৱাময় হৈ অহা দৃষ্টিৰে বিস্মিত হৈ চায়েই ৰল তাই ফটোখনলৈ ...

লাহে লাহে আন্ধাৰ নামি আহিল তাইৰ দুচকৰ আগত.... অস্পষ্ট হৈ আহিল তাইৰ কাণত ভাস্কৰৰ নাকৰ ঘৰঘৰনি আৰু কব নোৱাৰাকৈয়ে তাই ঢলি পৰিল নিদ্ৰাদেৱীৰ কোলাত।

(১০)

"ফটোখনত দীপ ব্লু চাৰ্ট, ব্লেক পেন্ট, বগা গ্লাছ, ফ্রেন্স কাট দাড়িৰ,.... সেইজন কোন?"

মেছেজটোৰ লগতে অমৃতাই সেই বিশেষ ফটোকপি অদিতিলৈ ৰিছেণ্ড কৰিলে ৱাটচ আপত। অদিতিয়ে উত্তৰ দিয়ালৈ মোবাইলতো হাতত লৈ উৎকণ্ঠাত আতুৰ হৈ ৰৈ থাকিল তাই।

ৰাতিপুৱা উঠাৰপৰাই ঘৰৰ যাৱতীয় কৰণীয় খিনি লৰালৰিকৈ কৰি লৈছিল অমৃতাই। দুৰু দুৰুকৈ বুকুখন কঁপিয়েই আছিল তাইৰ অহৰহ । বাৰে বাৰে ঘড়ীটোলৈ চাই অস্থিৰ হৈ উঠিছিল তাই। দহ নাবাজেহে নাবাজে। অৱশেষত খাই বৈ উঠি বিনাবাক্য দহ বজাত ভাস্কৰ ওলাই যোৱাৰ লগে লগে তাই ততাতৈয়াকৈ মোবাইলটো লৈ অদিতিলৈ মেছেজ পঠিয়ালে।

বিপ বিপকৈ ৱাটচ আপত মেছেজ অহাৰ সংকেত আহিল।

অদিতিৰ মেছেজ।

"অহ ডেটছ হিম, অনিৰুদ্ধ বৰুৱা। ইয়ৰ চেভিয়ৰ অফ দেট নাইট।"

"অনিৰুদ্ধ বৰুৱা"

অস্ফুট স্বৰেৰে বিস্মিত কণ্ঠে তাই উচ্চাৰণ কৰিলে নামটো। সেইজনেই অনিৰুদ্ধ বৰুৱা !! কেনেকৈ হব পাৰে??

.. এয়া কেনেকৈ সম্ভৱ? সেই একেই চকু, একেই নাক, কেঁকোৰা চুলি, .... সেই নিৰ্মোহ গম্ভীৰ চকুহাল.... অনিৰুদ্ধ বৰুৱা নে অনুৰাগ...??

অনুৰাগ নে অনিৰুদ্ধ বৰুৱা??

কেনেকৈ ইমান মিল থাকিব পাৰে অনিৰুদ্ধ বৰুৱাৰ অনুৰাগৰ লগত....? কেনেকৈ?

এক সুতীব্ৰ অনামী শিহৰণত থকথককৈ কপি উঠিল তাইৰ সৰ্বশৰীৰ।

আৱেগত উদ্বাউল হৈ উঠা মনটোক শান্ত কৰিব চেষ্টা কৰি জোৰেৰে চকুযুৰী মুদি দিলে তাই।

মনত পৰিল তাইৰ, চাঁদত ঢলি পৰাৰ আগতেই তাই অনুভৱ কৰিছিল সেই চিনাকি দুবাহুৰ স্পৰ্শ, ... সেই স্পৰ্শত তাই অনুভৱ কৰিছিল আৱেগ আৰু মৰম। অত্যন্ত মৰমেৰে সি তাইক মাতিছিল "অমৃতা" বুলি।

....নাই নাই। ধপকৈ উঠি থিয় হল তাই। অনুৰাগক চিনি পোৱাত তাইৰ কেতিয়াও ভুল হব নোৱাৰে।

তাইৰ অনুভৱবোৰ কেতিয়াও মিছা হব নোৱাৰে।

কিন্তু সি ইয়াত কেনেকৈ??

সি ইয়াত অহাটো জানো সম্ভৱ!

সিটো গুচি গৈছে অৰণ্যলৈ। চিৰাচৰিত সমাজখনৰ অন্য এটি প্ৰান্তলৈ। সমাজখনৰ সেই প্ৰান্তৰ পৰা উভতি অহাটো জানো ইমান সহজ?

তেনেস্থলত??

০০ ০০ ০০ ০০

নিউজ পেপাৰখন উদ্দেশ্যহীনভাৱে লুটিয়াই চাই গ'ল সি। দুচকৰ আগৰ আখৰবোৰ ধূসৰ হৈ ধৰা দিছে। বাৰে বাৰে দুচকুৰ আগত ভাঁহি উঠিছে সেই কোমল মুখমণ্ডল....সেই কোমল চাৱনি, অশ্ৰুসিক্ত চকুযুৰী, তাৰ দুবাহুত ভাঙি পৰি যাব খোজা লাহী শৰীৰটো....

....সেই কম্পিত ওঁঠ যুৰী অস্পষ্টকৈ যে বিৰবিৰাইছিল "অনুৰাগ" "অনুৰাগ" বুলি।

ঃ ছাৰ...

ঃ ছাৰ...

খকমকাই যেন টোপনিৰ পৰাহে সাৰ পালে তেওঁ। ৰুমটোত তেওঁৰ বাহিৰে অন্য কাৰোবাৰ উপস্থিতি তেওঁ অনুভৱেই কৰা নাছিল। সন্মুখত মুকেশ।

ঃ অ' মুকেশ কোৱা।

ঃ ছাৰ ফাইলখন চহী হৈ গৈছে।

ঃ আচ্ছা খুব ভাল কথা। আমি তেতিয়াহলে আজিৰপৰাই কাম আৰম্ভ কৰিব পাৰিম।

ঃ অকে ছাৰ।

মুকেশে থৈ যোৱা ফাইলখন এবাৰ চালে সি। নিৰ্দিষ্ট ঠাইবোৰত চহী হৈ গৈছে। কাম অতি সোনকালে আৰম্ভ কৰিব লাগিব। মনতে ভাবিলে সি।

ফাইলখন জপাই নিজকে স্থিৰ কৰিবলৈ ক্ষন্তেক চকীখনত মূৰটো পিছলৈ পেলাই দি দুচকু মুদি দিলে সি। দুচকু জপাই দিয়াৰ লগে লগেই পুনৰ ভাৱৰ সাগৰত ডুব গল সি কব নোৱাৰাকৈয়ে।

অমৃতা গুচি যোৱাৰ পিছত তাৰ জীৱনত যেন দুখৰ বাহিৰে একোৱেই বাকী থকা নাছিল। সম্পূৰ্ণ নিসংগ হৈ পৰিছিল সি।

কান্দিছিল সি নীৰৱে, অকলে।

ভাস্কৰৰ অভিজাত্যই তাক উপলুঙা কৰি, ঠাট্টা কৰি তাৰ দুচকুৰ আগতেই অমৃতাক লগত লৈ গুচি গৈছিল। যোৱাৰ সময়ত অমৃতাৰ মৌন দুচকুৰ ভাষা বুজিছিল সি। সেই ভাষা অভিমানৰ।

সি জানিছিল, যদি সি বিচৰাহলে অমৃতাই দেউতাক, পেহীয়েকৰ লগত যুদ্ধ কৰি হলেও তাৰ লগত থাকিলেহেঁতেন। কিন্তু সি নিজেই তাইক এৰি দিছিল তাইৰ সুখৰ ভৱিষ্যত কামনা কৰি।

অমৃতাৰ অনুপস্থিতিত ভাল লগা ঘৰখন, গাঁওখন, পথাৰ, গছ গছনি, নদী একোৱেই যে ভাল লগা নাছিল তাৰ। শৈশৱৰ সোণালী স্মৃতি বিজড়িত গাঁওখনৰ প্ৰতিটো চুকে কোনে, গছ গছনি, নদীখনে যেন তাক মাথো অমৃতাৰ কথাই সোঁৱৰাইছিল।

নিজৰ সামাজিক, অৰ্থনৈতিক স্থিতিক লৈ প্ৰচণ্ড হীনমন্যতাত ভুগিব ধৰিছিল অনুৰাগ ....

উদ্দেশ্য বিহীন হৈ পৰিছিল সি। নিষ্ঠুৰ হবলৈ মন গৈছিল তাৰ। পাহৰিব মন গৈছিল তাৰ সকলো যন্ত্ৰণা, ব্যথা।

সেইসময়ত গাঁৱৰ বহুতো লৰাই যোগদান দিয়াৰ দৰেই এদিন উগ্ৰপন্থী দলত যোগদান দিছিল সি। দলীয় নেতাই বুজাইছিল কেনেকৈ বন্দুক হাতত তুলি লৈ যুদ্ধ কৰিব লাগে অন্যায়, অনীতি, দুৰ্নীতিৰ বিৰুদ্ধে...

বুজাইছিল যে দুৰ্নীতিকামী প্ৰতিটো চৰকাৰী অফিচাৰ, ৰাজনীতিবিদ, চৰকাৰী টকা আত্মসাত কৰা বিষয়া, ইণ্ডাষ্ট্ৰিয়েলিষ্ট, বুদ্ধিজীৱী আমাৰ শত্ৰু.....সিহঁতৰ শোষণ নিষ্পেষণৰ বাবেই অসম স্বাধীন ভাৰতৰ অংশ হৈও আজিও স্বাধীন নহয়...সেয়েহে আজিও উন্নতি কৰিব পৰা নাই অসমীয়া সমাজখনে।

সি লক্ষ্য কৰিছিল দলীয় নেতাৰ ভাষণৰ পিছত অইন সতীৰ্থসকলৰ দুচকুত জুই বৰ্ষিছিল, দুৰ্নীতিত পোত যোৱা ব্যক্তিসকলৰ জীৱন কাঢ়ি লবৰ বাবে উত্ৰাৱল হৈ উঠিছিল।

অনুৰাগে কি বিচাৰিছিল সি নিজেও সঠিককৈ নাজানিছিল, মাথো আগবাঢ়ি গৈছিল সময়ৰ সোঁতত। বিৰামহীনভাবে চলিছিল অৰণ্যত ট্ৰেইনিং আৰু কঠোৰ পৰিশ্ৰম। চৰাই এটাও হাতেৰে মাৰি নোপোৱা লৰাটোৱে স্থিৰ হাতেৰে বন্দুক চলাব শিকিছিল। বন্দুকৰ শব্দই তাৰ মনত অকণো কম্পন তুলিব পৰা নাছিল।

কিন্তু কম্পন তুলিছিল এদিন .... মন অশান্ত,অস্থিৰ হৈ উঠিছিল ... পলাশ ৰঙী সেন্দূৰৰ ৰঙা ৰঙ দেখি...দুটি অবোধ শিশুৰ ভয়াৰ্ত চাৱনী দেখি।

দলীয় নেতাই অনুৰাগ আৰু সতীৰ্থ সকলৰ হাতত তুলি দিছিল এখন লিষ্ট.... লিষ্ট যত অন্তৰ্ভুক্ত আছিল বহুতো দুৰ্নীতিকামী বিষয়াৰ নাম।

তাত অন্তৰ্ভুক্ত আছিল ভাস্কৰ দত্তৰ নাম.... অমৃতাৰ স্বামী ভাস্কৰ দত্ত। ভাস্কৰ দত্তৰ নামটো লিষ্ট খনত দেখি সেইদিনা সি এক অজান পুলক লভিছিল। হয়তো প্ৰতিশোধ কামী মনটো কৰবাত লুকাই আছিল তাৰ অন্তৰত ইমানদিনে।

সিহঁতৰ প্ৰথম টাৰ্গেট আছিল এজন মন্ত্ৰী। আজিও তাৰ মনত আছে, দোভাগ নিশা যেতিয়া সি উদ্যত হৈছিল টোপনিৰ পৰা চক খাই সাৰ পোৱা মন্ত্ৰীৰ বুকুত গুলিয়াই দিবলৈ ঠিক তেতিয়াই মন্ত্ৰী পত্নী সন্মুখত থিয় দিছিল ঢাল হৈ। এপলক মাত্ৰ ... প্ৰস্তৰ মূৰ্তিৰ দৰে ৰৈ গৈছিল সি। তাৰ দুচকুত মন্ত্ৰীৰ বুকু নহয় জিলিকি উঠিছিল পলাশ ৰঙী এমুঠি সেন্দূৰ... জিলিকি উঠিছিল দুটি কণমানি শিশুৰ ভয়াৰ্ত চাৱনি।

পলাশ ৰঙী সেন্দূৰটোৱে তাক মনত পেলাই দিছিল সি পাহৰিব খোজা এটি স্মৃতি.... অমৃতাৰ শিৰৰ সেন্দূৰ। একেই পলাশ ৰঙী।

ঃ কি কৰিছ। গুলিয়াই দে। বন্দুক চলা। নহ'লে মই মাৰিম।

তাৰ সতীৰ্থ পল্লৱে তাৰ উত্তৰলৈ বাট নাচাই বন্দুক পোনাইছিল। কি জানো হৈছিল অনুৰাগৰ। তাৰ হাতৰ বন্দুকৰ নালেৰে এটা প্ৰচণ্ড কোব সোধাইছিল পল্লৱৰ মূৰত আৰু পিছমুহূৰ্ততে ধৰফৰাই ওলাই গৈছিল সি মন্ত্ৰীক জীৱন দান দি।

অস্থিৰ হৈ উঠিছিল অনুৰাগ। নিজৰ সতীৰ্থক, দলক বিশ্বাসঘাটকতা কৰিছিল সি! সেই ৰাতি অৰণ্যৰ অন্ধকাৰত সোমাই উচুপিছিল সি। বাৰে বাৰে দুচকুৰ আগত ভাঁহি উঠিছিল মন্ত্ৰী পত্নীৰ শিৰৰ ৰঙা সেন্দূৰকনলৈ।

অমৃতাক যেতিয়া শেষবাৰ সি দেখিছিল .... তাইৰ শিৰৰ সেউতা ভৰি জিলিকি আছিল একেই এমুঠি পলাশ ৰঙী সেন্দূৰ। কল্পনাত ভাঁহি উঠিছিল ... ভাস্কৰৰ জীৱন বচাবলৈ অমৃতাও চাগৈ ঢাল হৈ থিয় হৈ ৰব নিজৰ বুকু পাতি। পাৰিবনে সি তেতিয়া অমৃতাৰ শিৰৰ সেন্দূৰৰ ওপৰেদি ভাস্কৰৰ বুকুত বন্দুকৰ গুলি এৰি দিবলৈ....??

অমৃতাই তাক ঘিণ কৰিব, তাৰ নামত, তাৰ স্মৃতিত হয়তো থুৱাব। সহ্য কৰিব পাৰিবনে সি??

"নোৱাৰ নোৱাৰ, সপোনতো নোৱাৰ।"

সৈন্যৰ কঠিন পোচাকৰ তলৰ মৰমিয়াল প্ৰেমিক হৃদয়টোৱে আৰ্তনাদ কৰি উঠিছিল।

নোৱাৰে সি কদাপিও নোৱাৰে।

সৈন্যৰ পোছাকজুৰে.... হাতৰ বন্দুকটোৱে... অৰণ্যৰ সেই ঘোৰ অন্ধকাৰে তাচ্ছিল্য কৰিছিল তাক ...

....নোৱাৰিবি তই অনুৰাগ..যাৰ হৃদয়ত প্ৰেমৰ ৰাগ আছে তাৰ মনত বিৰাগ কেনেকৈ সৃষ্টি হব? তই হত্যাকাৰী হব

নোৱাৰ। তইতো এজন প্ৰেমিক...দুৰ্ভগীয়া প্ৰেমিক।

স্থিৰ হৈছিল সি।

অমৃতাক বৈধব্যৰ যন্ত্ৰণা দিব নোৱাৰে সি।

অমৃতাৰ চকুত চকুপানী চাব নোৱাৰে।

সিদ্ধান্ত তৎক্ষণাত লৈছিল অনুৰাগে সেইমুহূৰ্ততে।

আত্মসমৰ্পণ কৰাৰ পিছত জেলত কটাইছিল সি কেইবামাহো। তেতিয়াই জেলত আগমন ঘটিছিল এজন অপ্ৰত্যাশিত লোকৰ... সেই একেজন মন্ত্ৰী বিষয়া যাৰ বুকুত বন্দুক তুলিছিল সি ... আৰু লগত মন্ত্ৰী পত্নী।

সেইদিনা কিয়জানো তাৰ মনত এক অবুজ আনন্দৰ সঞ্চাৰ ঘটিছিল মন্ত্ৰীপত্নীৰ শিৰত নিৰ্বিঘ্নে জিলিকি থকা সেন্দূৰকণতো দেখি।

সেইদিনাই সি বুজি উঠিছিল জীৱন লোৱাতকৈ জীৱন দিয়াৰ অনুভূতি কিমান সুখকৰ!

মন্ত্ৰী আৰু মন্ত্ৰীপত্নী নিজৰ আত্মীয়তকৈও অধিক আত্মীয় হৈ উঠিছিল আৰু সলনি হৈ গৈছিল অনুৰাগৰ জীৱনৰ গতিপথ।

অনুৰাগ বৰুৱাৰ ঠাইত নকৈ সৃষ্টি হল অনিৰুদ্ধ বৰুৱাৰ। বিজিনেছমেন অনিৰুদ্ধ বৰুৱা। অনুৰাগ বৰুৱাৰ পৰা অনিৰুদ্ধ বৰুৱালৈ পৰিবৰ্তনৰ এই যাত্ৰা সহজ নাছিল। সহজ সৰল অনুৰাগ বৰুৱাক মাৰি এজন বুদ্ধিমান বিজিনেছমেন অনিৰুদ্ধ বৰুৱা হৈ উঠিছে সি। সেই পৰিবৰ্তনৰ পথত অহা বহু অন্যায়, অনীতি, দুৰ্নীতি, শোষণ, নিষ্পেষন কষ্টৰে মুখামুখি হৈ আজি এই পৰ্যায় পাইছেহি।

অনিৰুদ্ধ বৰুৱাৰ কঠিন খোলাটোৰ ভিতৰত থকা অনুৰাগজনৰ অস্তিত্ব কেতিয়াবাই শেষ কৰিছে সি। বিচাৰি পোৱা টান।

বৰ্তমানৰ এই অনিৰুদ্ধ বৰুৱা আভিজাত্যৰ ৰঙেৰে ৰঙীন, ...এটি আৰামদায়ক জীৱনৰ অধিকাৰী সি। বিলাসী স্বপ্ন দেখাৰ ধৃষ্টতা নাই বুলি ভবা অনুৰাগ বৰুৱাৰ হাতত এতিয়া সৰ্বদা ওলমি থাকে আভিজাত্যৰ চাবি কাঠি।

কিন্তু অনুৰাগ বৰুৱাৰ এই আভ্যন্তৰীণ আৰু বাহ্যিক পৰিৱৰ্তন সকলোৰে জ্ঞাত নহয়। এতিয়াও তাক বিচাৰি ফুৰে উগ্ৰপন্থী দলৰ সদস্যই। দলৰ নেতাৰ নিৰ্দেশ অনুসৰি তাক দেখিলেই গুলিয়াই দিব। সেয়াই অৰণ্যৰ নিয়ম।

সকলো সলনি হৈছিল।

সলনি নহল মাথো স্মৃতিবোৰ।আজিও সি মনৰ মনিকোঠত সযতনে বান্ধি ৰাখিছে অমৃতাৰ সৈতে কটোৱা শৈশৱ, কৈশোৰ, যৌৱনৰ সোণালী স্মৃতি।

অমৃতাৰ প্ৰতি থকা সেই প্ৰেমৰ সুমধুৰ ৰাগ আজিও অক্ষুন্ন তাৰ হৃদয়ত সেয়ে হয়তো কোনো সুন্দৰী ৰমণীৰ দুচকুৰ প্ৰেমৰ মুক্ত আৱেদন নতুবা শৰীৰৰ ঔজ্জলতাই তাক আকৰ্ষণ নকৰে।

মনৰ কাম বাসনাৰ ৰিপুৰ বহু উৰ্ধত তাৰ অতীতৰ প্ৰেমৰ প্ৰতি থকা এই ৰাগ।

সি সৰ্বদাই মনত ৰাখিছে যোৱাৰ পৰত তাইৰ শিৰত জিলিকি থকা পলাশ ৰঙী সেন্দূৰৰ ৰং.... সেই সেন্দূৰৰ ৰঙে তাক প্ৰতিজ্ঞাবদ্ধ কৰাইছে ...কেতিয়াও তাইৰ সন্মুখত নাহিবলৈ।

সকলো ঠিকেই চলি আছিল।

কিন্তু... এটি মাত্ৰ ক্ষনে যেন মন অস্থিৰ কৰি তুলিছে তাৰ। এটা প্ৰশ্নই তাক বাৰে বাৰে আমনি কৰিছে। অমৃতাই ঢলি পৰি বেহুচ হৈ যোৱাকৈ সদায় মদ খায়নে? নে সি ভবাতকৈ বহু বেছি আধুনিকতাৰ ৰং সানি লৈছে তাই!

তাৰ কাণত অনুৰণিত হৈ ৰৈছে তাই অস্পষ্ট কৈ মতা " অনুৰাগ" নামটোৰে। তাই দেখিছিল নেকি তাক? চিনি পাইছিল নেকি?

কিয় তাৰ এনেকুৱা লাগিছে যে সি তাইক লগ পোৱাটো অত্যন্ত জৰুৰী।

নাই নাই। সি লগ কৰিব নোৱাৰে তাইক। তাইৰ শিৰৰ সেন্দূৰৰ খাতিৰত। তাইক লগ কৰি উলট-পালট কৰিব নোৱাৰে তাইৰ ঘৰ গৃহস্থি। সংযম কৰিব লাগিব সি নিজৰ মনৰ বাসনাক।

নাই... নাই। অসম্ভৱ।

মূৰটো সজোৰে জোকাৰি বহাৰ পৰা উঠিল সি।

চকুত আয়তাকাৰ বগা গ্লাছজোৰ পিন্ধি লৈ মুখত কঠোৰ অভিব্যক্তি আঁৰি লৈ ওলাই আহিল সি ৰুমটোৰ পৰা।

(১১)

ঃ কি কথা ডাৰলিং? অনিৰুদ্ধ বৰুৱাই তোমাৰ ওপৰতো যাদু চলালে নেকি অ।

অদিতিয়ে অলপ আচৰিত হৈয়ে ধেমালিৰ সুৰত অমৃতাক কলে। আচৰিত হবলগীয়া কথাই। অদিতিয়ে মনতে ভাবিছে, কোনো পুৰুষৰ নামত আজিলৈকে অকণো আগ্রহ দেখুৱাই নোপোৱা অমৃতাৰ এইবাৰ কি হ'ল।

ঃ কি যে কথাবোৰ কৈ থাকা নহয় অদিতি। তেনেকুৱা একো নাই। মই মাত্র মানুহজনক এবাৰ কাষৰ পৰা চাব খুজিছো। কথা পাতিব খুজিছোঁ। ....কাৰণ এটা আছে।

শেষৰ কথাখিনি কওঁ নকওকৈ স্তিমিত কণ্ঠে কলে তাই।

ঃ কি কাৰণ আছে অ ?

ঃ .....পিছত ক'ম।

ঃ .....উম। ভাস্কৰ দাই নজনাকৈয়ে কৰিব লাগিব।

ঃ ....

ঃ ঠিক আছে। ৰ'বা চেষ্টা কৰো। জনাই দিম তোমাক। অকে।

ঃ ঠিক আছে।

ফোনটো থৈ কিছুপৰ খিৰিকীখনৰ কাষতেই থিয় হৈ বাহিৰলৈ চাই ৰল অমৃতাই । নানা ধৰণৰ চিন্তাই তাইৰ মনত আউল লগালেহি।

অদিতিয়ে একমাত্র বান্ধৱী যি তাইক সহায় কৰিব পাৰিব অনিৰুদ্ধ বৰুৱাক লগ কৰিবলৈ। কথাবোৰ কিয় জানো তাইৰ মনে মানি লব খোজা নাই। ইমান সাদৃশ্য কেনেকৈ থাকিব পাৰে দুজন ভিন্ন মানুহৰ মাজত? মনৰ এই সন্দেহ দূৰ কৰিবলৈ তাই অনিৰুদ্ধ বৰুৱা নামৰ মানুহজনক লগ ধৰাটো নিতান্তই প্রয়োজনীয়।

আৰু সঁচাকৈয়ে তাই ভবা ধৰণে যদি অনিৰুদ্ধই অনুৰাগ হয়.... তেতিয়া??

যদি হয়, তেতিয়াহলে সম্পূর্ণ পোন্ধৰ বছৰৰ মূৰত হব এই দেখা। অনুৰাগক লগ পোৱাৰ কথা ভবাৰ লগে লগেই এক আনন্দাভূতি, অনামী শিহৰণে চুই গল তাইক। কেনেকুৱা হব পাৰে অনুৰাগৰ প্রতিক্রিয়া? আনন্দিত হব নে সি তাইক দেখি?

নাই ... অনুৰাগ নহবও পাৰে।অনিৰুদ্ধ বৰুৱাইটো তাইক নাইট পাৰ্টিত দেখিছিল।

যদি সিয়েই অনুৰাগ হোৱা হলে কিবা উপায় উলিয়াই হলেও তাইৰ লগত সংযোগ কৰিবলৈ চেষ্টা কৰিলেহেতেন।

কতা... সিটো চেষ্টা কৰা নাই।

তেন্তে ... তাইৰ অনুভৱ বোৰ ? তাই যে অনুভৱ কৰিছিল সেই ....

অমৃতাৰ আউল লগা অজস্র চিন্তাবোৰৰ যতি পেলাই মোবাইলতো বাজি উঠিল।

স্ক্রীনত জিলিকি উঠিল নামটো। অদিতি।

ঃ অদিতি কোৱা।

ঃ খবৰ পাইছো। বিপ্লৱৰ এজন বন্ধুৰ পৰা সুধি উলিয়ালো অনিৰুদ্ধ বৰুৱাৰ ফোন নম্বৰ আৰু অফিচ এড্রেচটো।

ঃ ......

ঃ মই ফোন কৰিলোঁ তেওঁলৈ। দুটা বজাৰ পিছত তেওঁৰ অফিচতে সময় দিব পাৰিম বুলি ক'লে।

অমৃতাই ৱাল ক্লকটোলৈ চালে। চাৰে এঘাৰ বাজি গৈছে ইতিমধ্যে।

ঃ একো নামাতা কিয়? কমচেকম ঠেং' এটা টো ক'ব পাৰা!

ঃ ঠেংক ইউ অদিতি।

ঃ অকে অকে ৱেলকাম। নাও আই থিংক ৰি চুদ গেট ৰেদি।

ঃ ঠিক আছে।

তাইৰ উত্তৰলৈ বাট নাচাই আগতীয়াকৈ ফোনটো কাটিলে অদিতিয়ে।

ওঁঠত হাঁহি এটি বিৰিঙি উঠিল অমৃতাৰ। তাইৰ মনটোৱে যেন ডাঠি মাৰি কৈ উঠিছে... সিয়েই অনুৰাগ। অনিৰুদ্ধ বৰুৱাই তাইৰ অনুৰাগ।

অমৃতাৰ মনটো এক অবুজ আনন্দেৰে ভৰি পৰিল। বাৰে বাৰে অনুৰাগৰ মৰমিয়াল মুখখন তাইৰ দুচকুৰ আগত ভাঁহি উঠিছে।

যদি সঁচাই সি অনুৰাগ হয়!! কি কৰিব তাই?

তাই তাক সুধিব... সি তাইক প্ৰত্যাখান কৰি কিদৰে তাইৰ জীৱন উজ্জ্বলালে।

নাই নাই। এয়া উচিত নহ'ব। একো নকয় তাই তাক। একোয়েই নকয়। তাইৰ দুখৰ কথা কৈ তাক দুখ নিদিয়ে তাই। মাথো চাব। প্ৰাণ ভৰি চাব এবাৰ কাষৰ পৰা। আৰু গুচি আহিব।

অনুৰাগক এবাৰ কাষৰ পৰা লগ পোৱাৰ হেঁপাহত দুৰু দুৰুকৈ কঁপি উঠিছে তাইৰ শৰীৰ...মন। বাৰে বাৰে হাতৰ বস্তু সৰি পৰিছে। চঞ্চল.... অবাধ্য হৈ উঠিছে মন। ইচ্ছা কৰিও কেতিয়াও মুখত বিয়পাব নোৱাৰা উজ্জ্বল হাঁহিটো কব নোৱাৰাকৈয়ে যেন আজি নিজে নিজে চকুৱে মুখে ফুটি উঠিছে।

অনুৰাগক কি কি সুধিব...কি কি কথাত গালি পাৰিব , তাৰ এখন দীঘলীয়া লিষ্টে তাইৰ মনত অগাদেৰা কৰিছেহি। তাইৰ মনত অনুৰাগৰ ওপৰত অতদিনৰপৰা চলি থকা খং, অভিমানবোৰ যেন কৰ্পূৰৰ দৰে উৰি যাব ধৰিছে।

মনোজগতত মাথো উটি ভাঁহি আহিছে হাবিয়ে বননিয়ে, পথাৰে, নদীয়ে খালি ভৰিৰে নিৰ্ভীক হৈ দৌৰি ফুৰা এহাল ল'ৰা-ছোৱালী।

বাৰে বাৰে আইনাখনৰ কাষত থিয় হৈ নিজক তন্ন তন্নকৈ নিৰীক্ষণ কৰিছে তাই। লগাতকৈ বেছি অৱহেলিত হোৱাৰ বাবে সামান্য ৰুক্ষ হৈ পৰিছে ছাল, চুলি, নিদ্ৰাহীনতাৰ বাবে চকুৰ তলত পাতলকৈ কলা দাগ পৰিছে।

ইছ... এনেকৈ দেখিলে অনুৰাগে কি বুলি ভাবিব!

লৰালৰিকৈ চন্দনৰ ফেচ পেক অকণমান মুখত লগাই ল'লে তাই। কিছুসময়ৰ পিছত আকৌ ভালকৈ ধুই ললে মুখখন। ৱাশ্বৰুমত গৈ ভালকৈ চুলিখিনিও ধুই কণ্ডিচন কৰি ল'লে। লৰালৰিকৈ চুলি কোচা ড্ৰাই কৰি ৱাৰ্ডৰবৰ পৰা উলিয়াই ললে এখন পাতল সেউজীয়া ৰঙৰ শাৰী।

অনুৰাগৰ প্ৰিয় ৰং।

লগতে শাৰীখনৰ লগত মেটছিং ব'ট নেক সোণালী ৰঙৰ হাত দীঘল ব্লাউজ এখন উলিয়াই ললে তাই। তাই নিবিচাৰে, তাইৰ শৰীৰত ভাস্কৰে নিৰ্মমভাৱে বহুৱাই দিয়া কলা নীলা চিহ্নবোৰ দেখি অনুৰাগৰ মনত প্ৰশ্ন উদয় হোৱাটো। জানিলে সি নিশ্চয় বহুত আঘাত পাব মনত।

শাৰীখন গাত ধুনীয়াকৈ মেৰিয়াই লৈ আচলখন হাতত মেলি ধৰিলে অমৃতাই। শুকাই যোৱা চুলিখিনি ভালকৈ আঁচুৰি লৈ দীঘলকৈ সামান্য ঢিলা বেণী এটি গুঠি ললে তাই।

দুচকুত অলপ ডাঠকৈ কাজল বিয়পাই ললে ... ওঁঠত লগাই ললে পাতল গুলপীয়া ৰঙৰ লিপষ্টিক।

ৰুক্ষ, শুকাই পৰা ছালখনত যেন আজিহে বিয়পি উঠিছে কিছু সজীৱতা, কিছু উজ্জ্বলতা।

শিৰৰ সেঁউতাত অকণমান সেন্দূৰ লগাবলৈ গৈ প্ৰস্তৰ মূৰ্তিৰ দৰে ৰৈ গল তাই।

আইনাৰ সিপাৰে সেয়া কোন। কাৰ চেহেৰা প্ৰতিবিম্বিত হৈছে? এয়াটো অমৃতা নহয়। কোন? কোন?

"তই ব্যভিচাৰিণী। তই অসতী।"

আইনাত প্ৰতিবিম্বিত মুখখন যেন চিঞৰি উঠিল।

এই সাজোন কাচোন কাৰ বাবে?

কোন বিবাহিত স্ত্ৰীয়ে অন্য পুৰুষক দেখুৱাবলৈ এনেকৈ সাজোন কাচোন কৰে? কচোন?

কোনে কৰে?

ৰাহ অমৃতা। ইমান দিনে যিটো আধুনিকতা চাব নোৱাৰি মুখ কোঁচাই আহিছ আজি নিজেও সেই আধুনিকতাৰ প্ৰলেপ ভালকৈয়ে নিজৰ গাত সানি লৈছ।

তই পাহৰিলি অমৃতা। তই পাহৰিলি।

“ আহ”

দুচকু জোৰেৰে মুদি দুহাতেৰে নিজৰ কাণ ঢাকি পাগলৰ দৰে চিঞৰি উঠিল তাই।

এয়া কি কৰিবলৈ লৈছিল তাই?

কি আশা কৰিছে তাই অনুৰাগৰ পৰা?

বুকুখন কঁপি উঠিছে সঘনে।

তাই কেনেকৈ পাহৰি যাব পাৰে! তাইৰ শিৰত জিলিকে সেন্দূৰ। সেই সেন্দূৰেই এতিয়া তাইৰ প্ৰথম পৰিচয়। গোলামীৰ মোহৰেই নহওক লাগে, ভাস্কৰে তাইৰ দেউতাক, পেহীয়েক, বিপ্লৱক সাক্ষী কৰি তাইৰ শিৰত সেন্দূৰ পিন্ধাইছিল। সেই সেন্দূৰ পাহৰি চঞ্চল মন লৈ অন্য পুৰুষৰ বাবে সাজোন কাচোন কৰাটো অনুচিত। একেবাৰেই অনুচিত।

স্থিৰ দৃষ্টিৰে অমৃতাই নিজকে চাই ৰল আইনাখনত। প্ৰতিবিম্বিত হল তাইৰ দুচকুত জ্বলমলাই উঠা দুটোপাল অশ্ৰুকণা। গুলপীয়া মুখখনৰ ৰং যেন কোনোবাই আজুৰি নিছেহি হঠাতে। বুকুৰ ভিতৰৰ পৰা যেন অবাধ্য হৈ এক অবুজ কান্দোন উজাই আহিছেহি।

আৱেগবোৰ হেঁচা ঠেলা কৰিছেহি বুকুখনত।

আজুৰি পেলোৱাৰ দৰে তাই টান মাৰি খুলি পেলালে সেউজীয়া শাৰীখন।

মেৰিয়াই ললে অইন এখন শাৰী...

ভাস্কৰৰ প্ৰিয় ৰং... ৰক্ত জবাৰ ৰং।

প্ৰয়োজনাধিক দীঘলকৈ সেউতা ভৰাই পিন্ধিলে টিকটিকিয়া ৰঙা গোলামীৰ মোহৰটো... লাহে লাহে তাই মচি পেলালে ওঁঠৰ লিপষ্টিক, দুচকুৰ কাজল।

ওঁঠে মুখে ফুটি উঠিল এটি বিষণ্ণ হাঁহি।

আৱেগিক হব পাৰে অমৃতাই। কিন্তু অন্তৰৰ আৱেগবোৰৰ বহিৰ্প্ৰকাহ ঘটাব নোৱাৰে তাই ...ঘটোৱাৰ অধিকাৰ নাই। সেই অধিকাৰ সমাজে দিয়া নাই তাইক। তাইতো ন-যৌৱন প্ৰাপ্ত চঞ্চলা গাভৰু নহয় ... ত্ৰিশৰ উৰ্ধৰ এগৰাকী বিবাহিতা মহিলা। এই বয়সত ইমান চঞ্চল কেনেকৈ হব পাৰে তাই?

অনুৰাগ ইতিমধ্যে তাইৰ জীৱনৰ পৰা বিচ্ছিন্ন হোৱা এটি নাম। এই কথা বুজিব লাগিব তাই। বুজাটো অত্যন্ত দৰকাৰ।

আৰু .... অনুৰাগেও কিজানি তাইক পাহৰিয়েই গৈছে। তাইৰ দৰে পুৰণি অনুভৱবোৰকে সাৱটি ধৰি নাথাকিবও পাৰে সি।

মোবাইলটো বাজি উঠিল।

ঃ অদিতি।

শুষ্ক কণ্ঠৰে কলটো ৰিছিভ কৰিলে তাই।

ঃ অমৃতা। আই এম অন দ ৱে। ৰেডি আছানে?

অদিতিৰ উচ্চাহিত কণ্ঠস্বৰ ভাঁহি আহিল।

ঃ ওম। তুমি আহা।

ঃ অকে। ৱেইট ফৰ টেন মিনিট।

মনৰ উচ্চাহ উদ্যম সকলো ম্লান পৰিছিল অমৃতাৰ ইতিমধ্যে। মাথো মনত অকণমান উৎকণ্ঠা ৰৈ গৈছেহি ...

.....অনিৰুদ্ধ বৰুৱা নে অনুৰাগ??

(১২)

ঃ এইটো কি আকৌ?

ঃ এইটো কি মানে? কিবা হ’ল নেকি?

ঃ ইমান দীঘল ডাঠ সেন্দূৰ লগাইছা। পাৰিলে গোটেই সেন্দূৰৰ টেমাটো মূৰত ঢালি নললা কিয়?

বিৰক্তিৰে কলে অদিতিয়ে। অমৃতাই তাইৰ কথাটো মৃদু হাঁহি এটিৰে আওকাণ কৰি গাড়ীৰ সন্মুখৰ বাওঁফালৰ দুৱাৰখন খুলি বহি ললে। ড্ৰাইভিং ছিটত অদিতি।

ঃ ইমান কৈ আজি সেন্দূৰ লগাই আহিছা....অনিৰুদ্ধ স্পেচিয়েল নেকি?

অদিতিৰ কথাৰ সুৰত স্পষ্ট কটাক্ষ।

ঃ কি কি যে কৈ থাকা নহয়।

অমৃতাক মুখখন সামান্য বেঁকা কৰি দেখুৱাই গাড়ী ষ্টাৰ্ট কৰিলে তাই। ষ্টেৰীয়ত মৃদু সুৰত বাজি উঠিল লতা মংগেশকাৰৰ কণ্ঠৰ এটি দৰদী পুৰণি গীত।

মেৰিন ড্ৰাইভৰ ব্যস্ত ৰাজপথৰ মাজৰ ব্যস্ততা ফালি আগুৱাই গৈ থাকিল গাড়ীখন।

অমৃতাই এনেয়ে এবাৰ চালে অদিতিৰ ফালে। একান্তমনে সন্মুখৰ গাড়ীৰ লানিটোলৈ চাই গাড়ী চলাই গৈছে তাই। মাজে মাজে সংগীতৰ তালত আঙুলিৰে মৃদু টোকৰ দিছে গাড়ীৰ ষ্টিয়েৰিঙত।

তাইৰ পিন্ধনত দীঘল, পাতল হালধীয়া ৰঙৰ সন্মুখৰ পৰা ফলা কুৰ্তী লগতে নীলা ফিটিং জিনছ। ৰেভি দীঘল চুলিখিনি পৰিপাটিকৈ পিঠিত ছেট কৰি থৈছে। সেন্দূৰ নলগাই তাই। ভাল নাপায়।

অদিতিৰ মতে ভাস্কৰ, বিপ্লৱহঁতৰ দৰে প্ৰতাৰক স্বামীৰ দীৰ্ঘ আয়ুস কামনা কৰি সেন্দূৰ পিন্ধা মানে কটকটিয়াকৈ নিজৰ শৰীৰত সাপ মেৰিয়াই লোৱাৰ দৰে কথা।

অদিতিৰ ৰেহ ৰূপ, ছাল চলন, কথা ভঙ্গীমা, সাজ সজ্জা অতি আধুনিক হলেও তাই আমোদ পায় পুৰণি গীত শুনি, পুৰনি ফিল্ম চাই.... অমৃতাৰ দৰে কোনো এংগলত তাইৰ লগত নিমিলা অতীতৰ বুকুত স্মৃতি খুচৰি নিজৰ ভাৱনাত বিলীন হৈ থাকি ভাল পোৱা বৰিঙ মানুহ এজনীৰ সংগ ভাল পায়... আৰু ভাল পাই তাইৰ নিৰস কথাবোৰ শুনি ..।

নিৰ্দিষ্ট অফিচ বিল্ডিংটোৰ বেচমেণ্টত গাড়ীখন পাৰ্কিং কৰি দুয়ো তাৰপৰাই লিফ্‌টত উঠি আহিল ফাৰ্ষ্ট ফ্লৰলৈ। অদিতিৰ লগে লগে কিছু কুণ্ঠা, কিছু শংকা, মনত লৈ ধীৰ গতিৰে দুৰু দুৰু বুকুৰে গ্লাছৰ দুৱাৰ ঠেলি সোমাই আহিল অমৃতা।

কেনেকুৱা হব তাৰ প্ৰতিক্ৰিয়া ইমান বছৰৰ মূৰত তাইক দেখি? তধা লাগি চাই ৰব চাগে সি।

কথাষাৰ ভাবোতেই এক অনামী শিহৰণে চুই গল তাইক।

ঃ য়েছ মেম । হাও কেন আই হেল্প ইউ?

মুখত মিঠা হাঁহি এটিৰে অদিতি আৰু অমৃতালৈ চাই সহায় কৰাৰ সুৰত কলে ৰিছেপচনিষ্ট গৰাকীয়ে।

ঃ ৱি হেভ এ এপইণ্টমেণ্ট ৱিথ মিষ্টাৰ অনিৰুদ্ধ বৰুৱা। আই এম অদিতি।

ঃ অহ য়েছ। আই ৰিমেম্বাৰ।

ৰিছেপচনিষ্ট গৰাকীয়ে লগে লগে অফিচ বয়টোক মাতি ইনষ্ট্ৰাকচন দিয়াৰ সুৰত কিবা-কিবি কলে।

ঃ দিছ ৱে মেম।

অফিছবয়টোৰ পিছে পিছে খোজ দিলে অদিতি আৰু অমৃতাই। বুকুখন পুনৰ অবাধ্য হৈ আৱেগত নে এক অনামী উত্তেজনাত ধপ ধপাই উঠিল অমৃতাৰ। অফিচ ৰুমৰ ভিতৰত বা কোন আছে! কাক লগ পাবলৈ গৈ আছে তাই ?

অনিৰুদ্ধ বৰুৱা নে অনুৰাগ?

অফিচ ৰূমটোৰ মূল দুৱাৰখনৰ বাহিৰত ৰৈ গ’ল ল’ৰাজন।

ঃ ছাৰ ইছ দেয়াৰ ইনচাইড। ইউ কেন গ’।

অদিতিয়ে লাহেকৈ দৰ্জাখন আধা খুলি দুৱাৰখনত এটি মৃদু টোকৰ দিলে।

ঃ ইয়েছ, প্লিজ কাম ইন।

গম্ভীৰ পুৰুষ কণ্ঠস্বৰ এটা ভাঁহি আহিল। সেই কণ্ঠস্বৰে যেন বুকুৰ আভ্যন্তৰীণলৈ চুই গল অমৃতাৰ। কত বছৰ, .... নহয় কত যুগৰ পিছত যেন শুনিছে তাই এই গম্ভীৰ কণ্ঠ।

উৎকণ্ঠীত অন্তৰেৰে ,সংযমিত খোজেৰে দুৱাৰ ঠেলি সোমাই আহিল দুয়োগৰাকী।

দুৱাৰ খনৰ ফালে পিঠি দি আলমাৰীখনৰ ওচৰত থিয় হৈ কিবা এখন ফাইলত নিমগ্ন হৈ থকা ওখ মানুহজনে ঘূৰি চালে।

স্তম্ভিত হৈ ঠাইতে প্রস্তৰ মূৰ্তিৰ দৰে থিয় হৈ ৰল অমৃতা। তাইৰ তৃষ্ণাতুৰ নয়ন জুৰাই যে সন্মুখত থিয় হৈ আছে অনুৰাগ... তাইৰ অনুৰাগ।

কিমান বছৰ .. ? নহয় এটা যুগৰ পিছত যেন দেখিছে তাই এই মুখ, এই চকুহাল....।

বিশ্বাস কৰিবলৈ টান পাইছে অমৃতাই।

"অনুৰাগ"

অস্পষ্ট কৈ ফুটি উঠিল তাইৰ ওঁঠত।

অজানিতে ওঁঠত বাগৰি আহিল উচ্ছল জলধাৰাৰ দৰে এটি আনন্দৰ হাঁহি....

দুভৰি কঁপি উঠিল তাইৰ। প্রবল ইচ্ছা জাগি উঠিল, আৰু কেইখোজমান আগুৱাই গৈ অনুৰাগৰ বুকুত মুখ গুজি হেঁপাহ পলুৱাই কান্দিবলৈ।

কিন্তু শিকলিসদৃশ এক অজান বান্ধোনে বান্ধি ৰাখিছে তাইৰ দুভৰি, যাব খুজিও যাব পৰা নাই তাই, তাৰ ঠাইত মাথো কঁপি উঠিছে বন্ধনত আবদ্ধ হাত ভৰি।

অনিৰুদ্ধ বৰুৱাইও কিছুদেৰী চাই ৰ'ল তাইলৈ। দুচকুত জিলিকি উঠিল সেই একেই আৱেগ, সেই একেই উৎসাহ..... কিন্তু, ক্ষণিকৰ বাবে মাথো। পিছমুহূৰ্ততে সি দৃষ্টি ঘুৰালে অন্য দিশে। হাতৰ ফাইলখন টেবুলখনৰ ড্ৰয়াৰত ভৰাই থ'লে।

ঃ বহক মিছেছ শইকীয়া।

অদিতিয়ে নিৰ্বাক, নিস্তব্ধ হৈ থিয় হৈ থকা অমৃতাৰ গাত সামান্য হেঁচুকী দিলে। থত মত খাই উঠিল অমৃতা। টেবুলখনৰ সন্মুখৰ চকী দুখন অলপ পিছলৈ টানি নিজে বহি লৈ তাইকো বহিবলৈ দুচকুৰে ইংগিত দিলে অদিতিয়ে। দুচকুত অপাৰ বিস্ময় লৈ বহোঁ নবহোঁকৈ চকীখনত বহি ললে অমৃতাই।

ঃ মিষ্টাৰ বৰুৱা... এওঁ মোৰ বান্ধৱী মিছেছ অমৃতা দত্ত।

ঃ নমস্কাৰ।

অনিৰুদ্ধ বৰুৱাৰ নমস্কাৰৰ সঁহাৰিত প্রতি নমস্কাৰ জনাবলৈও পাহৰি অবাক হৈ চায়েই ৰল অমৃতাই।

সম্পূৰ্ণ অচিন, সম্পূৰ্ণ অজান ব্যক্তিৰ দৰে সাধাৰণ ভাৱে সৌজন্যমূলক গম্ভীৰ হাঁহি এটি মুখত বিয়পাই আহল-বহল টেবুলখনৰ সিপাৰে প্রশান্তচিত্তে বহি আছে অনুৰাগ ...অনিৰুদ্ধ বৰুৱাৰ ৰূপত।

ঃ কওকচোন বাৰু কি কামত বা আহিল আপোনালোক?

বিস্মিত দৃষ্টিৰে অমৃতাই চাই ৰল অনুৰাগলৈ।

অনুৰাগৰ এনে ধৰণৰ ব্যৱহাৰ ভাল পোৱা নাই তাই।

অনুৰাগৰ ভাল লগা নাই নেকি তাইক দেখি? অচিনাকি ব্যক্তিৰ দৰে ব্যৱহাৰ কৰিছে কিয় সি? কতা, তাৰ দুচকুত কিয় জিলিকি উঠা নাই তাইক দেখাৰ আনন্দ, নতুবা অকণমান উচ্চাহ?

দুচকুত নাই কোনো আৱেগ....কোনো অনুভূতি।

ঃ অনুৰাগ.... ইয়াত কেনেকৈ? কেতিয়া আহিলি?

কম্পিত কণ্ঠৰে সুধিলে তাই। তাইৰ প্ৰশ্নত যেন থত মত খাই উঠিল সি। মনৰ আৱেগবোৰ নিয়ন্ত্ৰণ কৰি সি স্থিৰ দৃষ্টিৰে তাইলৈ চালে।

ঃ কি কৈছে মিছেছ দত্ত? কোন অনুৰাগ? মই বুজি পোৱা নাই।

আহত দৃষ্টিৰে অমৃতাই দুচকুত বিস্ময় আৰু অলেখ অবুজ প্ৰশ্ন লৈ চাই ৰল অনুৰাগৰ ফালে।

দুখ পাইছোঁ অনুৰাগ। বহুত দুখ পাইছোঁ।

তাই জানে এয়া অনুৰাগ তাইৰ সন্মুখত। বাহ্যিক ৰূপ সামান্য সলনি কৰিলে বুলিয়েই জানো তাই তাইৰ শৈশৱৰ বন্ধু

অনুৰাগক চিনি নোপোৱাকৈ থাকিব?

ঃ কিয় অনুৰাগ?

ঃ এক্সকিউজ মি মিছেছ দত্ত।

ঃ মোক চিনি পোৱা নাই বুলি ন'কবি এতিয়া অনুৰাগ।

ঃ ... মই সঁচাকৈয়ে বুজিব পৰা নাই মিছেছ দত্ত।

এসোপা খং, দুখ, অভিমান, হতাশাই একেলগে ভিৰ কৰিলেহি তাইৰ দুচকুত।

ইমান অভিনয় কিয় মোৰ ওচৰত?

আৱেগ অনুভূতি বোৰ নোহোৱা হলেও ...শৈশৱৰ সেই নিষ্পাপ মৰম আৰু বন্ধুত্বকো পাহৰি গলি নেকি অনুৰাগ? চিনি নোপোৱাৰ ভাও জুৰি ইমান দুখ কেনেকৈ দিব পাৰিছ? ইমান নিষ্ঠুৰ কিয় হৈছ অনুৰাগ?

অদিতি অবাক হৈ চাই ৰৈছে অমৃতাৰ মুখখনলৈ। এয়া কি কৈছে অমৃতাই? তাই ঠিকেই আছেতো? অনুৰাগৰ কথাই সদায় ভাবি ভাবি এতিয়া যাকে তাকে অনুৰাগ হেন দেখিছে নেকি বাৰু! শংকিত হৈ উঠিল তাই মনে মনে। ঔষধ খাইছেনে তাই ভালকৈ। ডক্তৰ তৃশা কুপ্পীকাৰৰ ওচৰত ডিপ্রেছনৰ ট্রিটমেণ্ট লৈ আছে সেই কথা অদিতিয়ে ভালকৈয়ে জানে।

ঃ অমৃতা এইবোৰ কি কৈ আছা? আমি অনিৰুদ্ধ বৰুৱাৰ অফিচ ৰুমত বহি আছোঁ।

চেপা কণ্ঠৰে অদিতিয়ে টেবুলখনৰ তলেৰে অমৃতাৰ হাতত চিকুট এটা মাৰি কলে। অদিতিয়ে কাণে কাণে তাইক কিবা বুজাব চেষ্টা কৰিছে।

অনুৰাগে জানি বুজিয়ে তাইৰ দুচকুলৈ চোৱা নাই। তাইৰ দুচকুৰ অভিমান ভৰা চাৱনি অনুভৱ কৰিব পাৰিছে সি। তাই চাগে মনত খুব কষ্ট পাইছে। কিন্তু সি যে নিৰুপায়। একেবাৰেই নিৰুপায়। তাইৰ জীৱনত তাৰ আগমনে সকলো উলট পালত কৰি দিব পাৰে। ভাঙি দিব পাৰে তাইৰ সুখৰ সংসাৰ।

তথাপিও মাজে মাজে চাওঁ নাচাওকৈ চাইছে তাইলৈ। খং, অভিমানত আৰক্তিম মুখখনিলৈ .... ভৰি অহা চকুযুৰীলৈ ..। ইমান ধুনীয়া, ইমান মৰমলগা কিয় এই অমৃতাজনী!!

তাৰ দৃষ্টি বাগৰি যায় অমৃতাৰ শিৰত জিলিকা ৰঙা পলাশৰ ৰংটোলৈ।

মুহূৰ্ততে অমৃতাৰ প্ৰতি মৰমত পমি আহিব খোজা মনটোক সংযম কৰিলে সি.... মুখখনৰ মাংসপেশী কঠিন হৈ আহিল, এক ধৰণৰ কঠোৰভাবে আৱৰি ধৰিলে তাৰ মুখমণ্ডল।

ঃ মিছেছ দত্ত। মই অনুৰাগ নহওঁ। চৰি। আপোনাৰ হয়তো কিবা ভুল ধাৰণা হৈছে।

ঃ ভুল?

ঃ ....

ঃ অনুৰাগ বৰুৱাক চিনাত এই জনমত মোৰ কেতিয়াও ভুল হব নোৱাৰে।

তীব্ৰ খঙত ৰক্তিম হৈ অহা মুখখন আৰু বিশ্বাসত অটল চকুযুৰীলৈ চাই ৰল সি অলপ সময়। কব নোৱাৰাকৈয়ে এক আনন্দাভুতিয়ে আৱৰি ধৰিছে তাক। বুকুখনো বিষাই উঠিছে একে সময়তে তাৰ। ক'বলৈ মন গৈছে, " মইয়ো তোক এই জনমত কি, অহা সাত জনমটো পাহৰিব নোৱাৰিম অমৃতা। কেতিয়াও। কেতিয়াও নোৱাৰিম।"

মনৰ কথাবোৰ গুজৰি গুমৰি মনতে অব্যক্ত হৈ ৰ'ল।

ঃ অমৃতা প্লিজ বিহেভ। হি ইজ নত অনুৰাগ।

ঃ য়া। তুমি ঠিকেই কৈছা অদিতি। হি ইজ নট অনুৰাগ। মোৰ অনুৰাগ ইমান নিষ্ঠুৰ নহয়। হব নোৱাৰে। অনুৰাগৰ সত্বা, কেঁচা অনুভূতিবোৰক মাৰি পেলাই থিয় হোৱা অনিৰুদ্ধ বৰুৱা হয় এখেত। অনলি অনিৰুদ্ধ বৰুৱা।

অবাক হৈ শুনি ৰ'ল সি। আস অমৃতা। তুমি সঠিক বিশ্লেষণ কৰিছা। মই অনুৰাগ নহওঁ। তোমাৰ অৱৰ্তমানত অনুৰাগ নামৰ সহজ সৰল সত্বাক মাৰি কঠিন খোলাৰ মাজত আৱদ্ধ কৰি মই এতিয়া মাথো অনিৰুদ্ধ বৰুৱা।

গধুৰ হৈ আহিল অমৃতাৰ চকুযুৰী। এপলক মাৰোতেই সৰসৰাই বাগৰি আহিল অবাধ্য অশ্ৰু।

ঘপহকৈ উঠি থিয় হ'ল অমৃতা।

ঃ বলা অদিতি। মোৰ কথা অনুৰাগৰ লগত আছিল  অনিৰুদ্ধ বৰুৱাৰ লগত নহয়।

কি কৰোঁ, কি নকৰোঁকৈ অদিতিও থিয় হল।

ঃ চৰি মিষ্টাৰ বৰুৱা। চি ইজ লিটল ডিষ্টাৰ্বদ আই থিংক। এক্সকিউজ আছ প্লিজ।

অদিতি প্ৰায় দৌৰি অহাদিয়েই আহিল বিভ্ৰান্তৰ দৰে খৰ খোজেৰে চিৰিৰে নামি যোৱা অমৃতাৰ পিছে পিছে। বেচমেণ্টত পাৰ্কিং কৰি থোৱা অদিতিৰ গাড়ীখনৰ ওচৰত ৰৈ দীঘল দীঘল কৈ উশাহ কেইটামান বুকুত ভৰাই স্থিৰ হবলৈ চেষ্টা কৰিলে অমৃতাই।

ঃ মোক কিবা কবানে তুমি কি ভাৱি আছা?

সামান্য বিৰক্তি, কিছু খং, আৰু বহুতো উৎকণ্ঠা অদিতিৰ চকুৰে মুখে বিয়পি পৰিছে। অমৃতাৰ ব্যৱহাৰৰ বাবে তাই লজ্জিতও অনুভৱ কৰিছে অনিৰুদ্ধ বৰুৱাৰ আগত।

ঃ সিয়েই অনুৰাগ।

ঃ আৰ ইউ চিওৰ? কিন্ত তেখেতে মানি লোৱা নাই অমৃতা।

ঃ তাৰ মনা নমনা পিছৰ কথা। কিন্তু সিয়েই অনুৰাগ। আৰু সেয়াই সত্য।

বিশ্বাসত দৃঢ় চকুযুৰীলৈ চালে অদিতিয়ে।

নিচ্ছুপ হৈ গাড়ীত বহিল দুয়ো।

অনিৰুদ্ধ বৰুৱাই মানি নললেও কিয় জানো তাইৰ বিশ্বাস কৰিবলৈ মন গৈছে অমৃতাৰ কথা। যি অমৃতাই আজীৱন অনুৰাগক ভাল পাই আহিছে তাৰ অনুপস্থিতি, তাৰ অৱৰ্তমানটো ... সেই অনুৰাগক চিনি পোৱাত ভুল হবনে তাইৰ!

অনুৰাগৰ পৰা অনিৰুদ্ধ বৰুৱা!!

সন্ত্ৰাসবাদৰপৰা বিজিনেছমেনলৈ!

পৰিৱৰ্তনৰ এই যাত্ৰা নিশ্চয় এদিনত হোৱা নাই!

অদিতিয়ে এনেই এবাৰ আঁৰ চকুৰে চালে সম্পূৰ্ণ নিশ্চুপ হৈ বহি থকা অমৃতালৈ। অমৃতাৰ দুচকুত খং, দুখ, আৰু অভিমান তেতিয়াও বিদ্যমান।

০০ ০০ ০০

অশান্ত মনেৰে অস্থিৰ হৈ ফাইলবোৰ এনেই খুচৰি থাকিল সি। বুকুৰ একোণত বুজাব নোৱাৰা এক অসম্ভৱ ধৰণৰ বিষ অনুভৱ কৰিছে সি। দুখ লাগিছে তাৰ। বাৰে বাৰে চকুৰ আগত ভাহি উঠিছে তাইৰ অশ্ৰুসিক্ত মুখমণ্ডল।

“আস অমৃতা। চাব নোৱাৰোঁ। চাব নোৱাৰোঁ তোৰ চকুত পানী। কিন্তু মই নিৰুপায়। নিৰুপায়।”

বিৰবিৰাই উঠিল সি অকলে অকলে।

অমৃতাৰ ফালে এখোজ আগবঢ়াই দিয়া মানে তাইৰ ঘৰ গৃহস্থীত... সুখৰ সংসাৰ খনত জুই লগাই দিয়া। ভাস্কৰ দত্তৰ মনত সন্দেহ উপজিব পাৰে। কিমান নিষ্ঠাৰে ৰং বুলাইছে তাই সেউতাত !! তাৰ আগমনত, তাইৰ সুখৰ সংসাৰত অকণমানো কেৰোণ লগাতো নিবিচাৰে এই অনিৰুদ্ধ বৰুৱাই.... নিবিচাৰে অনুৰাগে। অনুৰাগৰ অবিহনেই সুখী থাকক তাই সদায়।

মোবাইলটো বাজি উঠিল। শ্যামলী।

ঃ অ শ্যামলী। কোৱা।

ঃ কত আছা অনিৰুদ্ধ দা?

উল্লাসিত কণ্ঠস্বৰ ভাঁহি আহিল।

ঃ অফিচত। তুমি?

ঃ মই হিন্দুস্তান টাইমছৰ অফিচৰ পৰা ওলাই গৈ অকণমান শ্বপিং কৰিলোঁ। তোমাক লগ পাবলৈ অলপ ইচ্ছা আছিল। একাপ কফি ছি ছি ডি ত। হ’বনে??

ঃ ঠিক আছে।

ঃ অকে। আই এম কামিং।

হাতৰ ঘড়ীটোলৈ চালে সি। ছয় বাজোঁ বাজোঁ।

খৰধৰকৈ ওলাই আহিল সি।

পশ্চিমৰ কমলা বুলিয়া আকাশত বেলিটো তেতিয়া ডুব যাবলৈ যো জা কৰিছে।

(১৩)

ঃ ইয়'ৰ কফি মেম।

দুকাপ কেপুচীন' ৰেইটাৰজনে ঘূৰণীয়া টেবুলখনত থৈ গ'ল।

ঃ কফি লওক অনিৰুদ্ধ দা।

ঃ হুম।

কফিকাপ হাতত তুলি ললে অনিৰুদ্ধই।

ছি ছি ডি ৰ ঘূৰণীয়া দুজনীয়া টেবুলখনত মুখামুখিকৈ বহিছে অনিৰুদ্ধ আৰু শ্যামলিমাই।

এবুকু সাহস, অদম্য উৎসাহ, দুচকুত দুৰন্ত সপোন, আৰু প্ৰচুৰ কৰ্মোদ্যমেৰে ভৰপূৰ এজনী হাঁহি মুখীয়া ছোৱালী শ্যামলিমা।

শ্যামলিমাৰ পিন্ধনত গ্ৰে ৰঙী ক্ৰ'প টপ, হাই ৰেষ্ট কাফ লেংথ জিনছ। কেঁকোৰা চুটি চুলিখিনি ওখ পনিতেইল কৰি নিয়াৰিকৈ বান্ধি লৈছে। মাজে মাজে অবাধ্য হৈ লতাৰ দৰে সন্মুখৰ চুটি চুলিখিনি চকুৰে মুখে পৰিছেহি।

মন্ত্ৰী দেউতাকৰ আলাসৰ জী.... শ্যামলীমা।

মাক দেউতাকৰ অতিপাত মৰম, অনুশাসনৰ বন্ধনৰ মাজত হেনো তাই শাসৰুদ্ধ অনুভৱ কৰে।

অনিৰুদ্ধৰ আগত প্ৰায়ে অভিযোগ তুলিছিল তাই। নিজকে হেনো বিচাৰি নাপায় তাই ঘৰখনৰ ভিতৰত।

"দেয়াৰ ইছ ন পেচ টু গ্ৰও হিয়েৰ।"

" মই নিজকে বিচাৰি পাব খোজো অনিৰুদ্ধ দা। মই মোৰ মাজত থকা পূৰ্ণাঙ্গ মইজনীক বিচাৰি চাব খোজো। অকণো ভয় শংকা নোহোৱাকৈ পাত পাতকৈ ঘূৰি চাব খোজো এই ধুনীয়া পৃথিৱী।

অবাক লাগি চাইছিল সি তাইৰ উদ্দীপ্ত মুখখনলৈ। তাইৰ মুখখনত জিলিকি উঠা দেখিছিল সি আকাশ স্পৰ্শ কৰাৰ উদ্দীপনা।

নিজৰ ঘৰখনৰ মৰম, আলাস, আৰামদায়ক পৰিৱেশৰ আৱেষ্টনীৰ পৰা ওলাই আহি জাৰ্নেলীজমৰ কণ্টকময় পথত বুকুত অদম্য সাহস, আৰু দুচকুত দৃঢ়তা লৈ নামি পৰিছে তাই মাক, দেউতাকৰ বাধা নমনাকৈ।

জাৰ্নেলীজম.... তাইৰ হবি। তাইৰ প্ৰথম প্ৰেম।

নিজৰ সপোনৰ পম খেদি মুম্বাইত আহি নিজৰ ভাল লগা পথ তাই নিজেই বাছি লৈছে।

অনুৰাগৰ বন্দুকৰ নলীৰ আগত দেউতাকৰ বুকু দেখি থৰথৰাই কঁপি ভয়াৰ্ত চাৱনিৰে চাই থকা সেই সৰু ছোৱালীজনী আজি ভৰ যৌৱনা আৰু অত্যন্ত সাহসী।

অন্যায়, অনীতি, দুৰ্নীতি, শোষণ তাই ঘৃণা কৰে। এইবোৰ যদি কেনেবাকৈ চক্ষুপাত হয়, নিজৰ দেউতাক, খুড়াকহঁতৰ বিপক্ষেও কলম টোৱাবলৈ সাহস কৰে শ্যামলিমাই।

ঃ তুমি কিবা কবা শ্যামলী?

ঃ কথা থাকিলেহে অকল তোমাক লগ কৰিব পাৰি নেকি অনিৰুদ্ধ দা?

ঃ তেনেকুৱা কথা নহয়। তুমিতো অবাবত সময় খৰচ কৰা ছোৱালী নহয়। নবী মুম্বাইৰ পৰা ইমান দূৰলৈ আহিছা মোক লগ পাবলৈ... কথা নিশ্চয় আছে। কাম কেনেকুৱা চলিছে তোমাৰ ?

ঃ কাম চলি আছে বাৰু...তুমি জানাই দেখোন। ....নতুন ইনভেষ্টিগেছন্ এটাও আৰম্ভ হব।

শেষৰ ফালে কথাখিনি সামান্য স্তিমিত কণ্ঠৰে কলে তাই।

ঃ কিবা প্ৰয়োজন হলে মোক নোকোৱাকৈ নাথাকিবা।

কথাষাৰ কৈ সামান্য অন্যমনস্কতাৰে অনিৰুদ্ধই কফি কাপত পুনৰ মনোযোগ দিলে।

"মোক তোমাৰ সদায়েই প্ৰয়োজন অনিৰুদ্ধ দা। আই নিদ ইউ অলৱেছ।"

কথাষাৰ মনতে ভাৰিলে তাই।

তাইৰ এটাই মাত্ৰ দুৰ্বলতা। আৰু সেয়া হল অনিৰুদ্ধ বৰুৱা। তাইতকৈ বাৰ বছৰ বয়সৰ ব্যৱধানৰ এই মানুহজনেই তাইৰ একমাত্ৰ দুৰ্বলতা। যাৰ দুচকুৰ দৃষ্টিলৈ চাই তাই মৃত্য ভয়ত কঁপিছিল সেই একেই দুচকুলৈ চাই তাই এতিয়া অনুভৱ কৰে প্ৰেম।

অনিৰুদ্ধই জানে।

কিন্তু জানিও উপেক্ষা কৰে।

শ্যামলিমাই কফিৰ ফাঁকে ফাঁকে লুকাই চুৰকৈ চাই ৰৈছে গভীৰ ভাৱে অন্যমনস্ক অনিৰুদ্ধৰ চকু মুখলৈ। কিবা যেন গভীৰ চিন্তাত ডুব গৈ আছে সি। এইবোৰ কাৰণতেই অনিৰুদ্ধক বহু কাষত পাইও হাজাৰ মাইল দূৰত থকা যেন লাগে তাইৰ কেতিয়াবা। তাইৰ লগতে সোঁশৰীৰে থাকিও যেন লগত নাথাকে। এটা অদৃশ্য খোলাত যেন সোমাই পৰে সি মাজে মাজে। অনিৰুদ্ধৰ মুখৰ ভাৱ ভঙ্গীৰ পৰাই তাই বুজি উঠে যে সেই অদৃশ্য খোলাত তাইৰ প্ৰৱেশ অনাধিকাৰ।

তাই বহুবাৰ অনিৰুদ্ধৰ মনৰ কথা বুজিবলৈ চেষ্টাও কৰিছে পাকে প্ৰকাৰে, কিন্তু বুজিব পৰা নাই ....

সেয়ে তাই নিজৰ মনৰ অনুভৱ অনিৰুদ্ধৰ আগত আজিলৈকে কেতিয়াও ব্যক্ত কৰা নাই। শ্যামলিমাই ভাৱে, মনৰ ভাৱ ব্যক্ত কৰি দুখ পোৱাতকৈ ব্যক্ত নকৰাই ভাল। থাকক.... অব্যক্ত হৈয়েই থাকক।

ঃ মোক চায়েই থাকিবা নে আৰু কিবা কবা তোমাৰ নতুন ইনভেষ্টিগেছ্নটোৰ বিষয়ে।

লাজত এটি গোলাপী আভা বিয়পি পৰিল গাল দুখনিত।

ঃ এতিয়াই কব নোৱাৰি। ... আচ্ছা, অনিৰুদ্ধ দা শনিবাৰে মিষ্টাৰ এণ্ড মিছেছ মেহতাৰ ঘৰৰ পাৰ্টিত যাবা নেকি? তোমাক ইনভাইট কৰিছেনে?

ঃ ইনভিতেছ্ন পাইছোঁ। কিন্তু যাম নে নাযাম থিৰাং কৰিব পৰা নাই। ইউ ন হাও মাচ্চ আই হেত দওজ ...

ঃ হুম আই ন। কিন্তু তুমি যাবই লাগিব। মোৰ বাবে।

প্লীজ।

শিশুসুলভ মুখভংগী বনাই, দুচকুত কাতৰ অনুৰোধ লৈ চাই ৰল তাই অনিৰুদ্ধৰ মুখলৈ।

সি কিছুদেৰী কিবা ভাৰিলে।

ঃ যাবলৈ চেষ্টা কৰিম বাৰু।

ঃ চেষ্টা নহয়। মোৰ লগত যাবই লাগিব।

এইবাৰ অনুৰোধৰ ঠাইত ধুনীয়া ভ্ৰূ যুৰী কুঞ্চিত কৰি কৃত্ৰিম আদেশৰ সুৰত কৈ উঠিল তাই।

ঃ তুমি যোৱা জৰুৰী নেকি শ্যামলী?

ঃ খুব জৰুৰী। নতুন ইনভেষ্টিগেছন এটাৰ কাম মোৰ হাতত পৰিছে। মিষ্টাৰ মেহতাৰ ঘৰৰ পাৰ্টীত কিছু খবৰ পোৱাৰ সম্ভাৱনা আছে। সেয়ে মই যোৱাটো অত্যন্ত জৰুৰী।

ঃ .....

ঃ তুমি নগ'লে মোৰ বেয়া লাগিব অনিৰুদ্ধ দা।

ঃ ঠিক আছে। কাইলৈ জনাম তোমাক। এতিয়া উঠো বলা তোমাৰ দেৰি হব নহলে। ৰাতি ন বাজিবৰ হ'ল।

ঃ অ কে।

ইটো সিটো প্ৰয়োজনীয় কিছু কথা পাতি ছি ছি ডি ৰ পৰা ওলাই আহিল দুয়ো।

০০ ০০ ০০

শ্লিপিং টেবলেট দুটা একেলগে মুখত লৈ অলপ পানীৰে সৈতে গিলি থলে অমৃতাই। আজিকালি অকল এটা শ্লিপিং পিলে কাম নকৰা হৈছে। ভাস্কৰক জনোৱা নাই তাই ....ডাক্তৰগৰাকীৰ পৰাও একো পৰামৰ্শ লোৱাৰ সম্ভাৱনা তাইৰ মনলৈ এবাৰলৈও অহা নাই।

জীৱনটোৰ প্ৰতি তাইৰ মায়া নোহোৱা হৈ আহিছে....মোহ নাই এই মৃত্যুমুখী শৰীৰটোলৈ।

তাইৰ জীৱনত নো কি আছে মোহ কৰিবলৈ?

অৰ্থহীন এই জীৱন।

যত সাৰ্থকতা নাই। আনন্দ নাই। সুখ নাই। প্ৰেম নাই। প্ৰাপ্তি নাই। আকাংক্ষা নাই। স্বাধীনতা নাই।

মাথো নাই আৰু নাই।

এটি বৃহৎ নাই'ৰ সমষ্টি তাইৰ জীৱনটো।

এই শূন্যতাৰে পূৰ্ণ জীৱনটোতকৈ মৃত্যুয়েই শ্ৰেয়....

শ্মশানেই পৰম আকাংক্ষিত।

সংঘাত, যন্ত্ৰণা আৰু সীমাৱদ্ধতাই জুৰুলা কৰি তোলা জীৱনটোত হেৰাই গৈছে অন্তৰৰ অৱশিষ্ট শেষ উদ্যম ...অৱশ হৈ পৰিছে প্ৰাণ।

তাইৰ এই মুহূৰ্তত মোহ আছে যদি কেৱল অকণমান নিদ্ৰালৈ। অকণমান নিদ্ৰাৰ প্ৰয়োজন মাথোঁ। অমৃতাই শুবলৈ চেষ্টা কৰি বিছনাত ইকাটি সিকাটি কৰি থাকিল।

বুকুত জমা হৈ আহিছে অপাৰ খং, দুখ, অভিমান ক্লেশ। গভীৰলৈ বুজিবলৈ চেষ্টা কৰিছে তাই ...আৰু বুজি উঠিছে কিছু কথা।

বুজি পাইছে যে, অদিতিয়ে ঠিকেই কৈছিল। তাইৰ দৰে কোনো অতীতত বিলীন হৈ থাকি বৰ্তমানক উপেক্ষা নকৰে.... অনুৰাগেও কৰা নাই। স্মৃতিবোৰ বুকুত সামৰি ৰখাৰ প্ৰয়োজনবোধ অনুভৱ কৰা নাই। হয়তো সি পাহৰি গৈছে তাইক... পাহৰি গৈছে সকলো স্মৃতি। পাহৰি গৈছে শৈশৱৰ সেই অকৃত্ৰিম বন্ধুত্ব, মৰম, কৈশোৰ যৌৱনৰ প্ৰেম... সেই অন্তৰৰ দুৰ্নিবাৰ আকৰ্ষণ।

বুকুৰ ভিতৰত এক অসহ্য কান্দোনৰ ঢৌৱে তোলপাৰ লগাইছে।

কিয় ইমান দুখ হৈছে তাইৰ? কিয়?

আছে নেকি তাইৰ মনত এতিয়াও সুপ্ত আকাংক্ষা অনুৰাগক পোৱাৰ?

নাই নাই আশা কৰা নাই তাই।

একো নিবিচাৰে তাই অনুৰাগৰ পৰা।

তাইতো অলাগতিয়াল ... ঠিক এপাহি সৰি পৰা মদাৰৰ ফুলৰ দৰে। যাৰ সৌন্দৰ্য্য আছে .... কিন্তু যাৰ সৌন্দৰ্য্যৰ প্ৰয়োগ নাই কোনো পূজাৰ উপাচাৰ বিধিত। তাইৰ অন্তৰত অনুৰাগৰ প্ৰতি প্ৰেম সদায় সজীৱ হৈ ৰব আজীৱন ... কিন্তু প্ৰেমৰ থাপনাত নিজকে তুলি দিব নোৱাৰে তাই অনুৰাগৰ সন্মুখত।

তাই নিজকে অনুৰাগৰ পৰা যিমান পাৰি দূৰত ৰখাই শ্ৰেয়।

সেয়াই মংগল।

(১৪)

শ্যামলিমা আৰু অনিৰুদ্ধ বৰুৱা যেতিয়া মিষ্টাৰ মেহতাৰ আলোকসজ্জিত ঘৰখনৰ সন্মুখত গাড়ীৰ পৰা নামি আহিল তেতিয়ালৈ প্ৰায়ভাগ আমন্ত্ৰিত সকলো বন্ধুবৰ্গ ইতিমধ্যেই উপস্থিত হৈছেহি। মিষ্টাৰ মেহতাৰ প্ৰকাণ্ড ঘৰখনৰ বাহিৰ ভিতৰ ৰজনজনাই উঠিছে আমন্ত্ৰিত অতিথিৰে। মিষ্টাৰ মেহতা আৰু মিছেছ মেহতাৰ পোন্ধৰ বছৰীয়া বিবাহ বাৰ্ষিকী হিচাপে ৰখা গৈছে এই পাৰ্টী।

সাংঘাতিক ভাবে অন্যমনস্ক হৈ খোজ আগবঢ়াইছে অনিৰুদ্ধই। অনিৰুদ্ধৰ লগত সমানে খোজ মিলাই গৈছে শ্যামলিমা।

শ্যামলিমাৰ কথাবোৰে তাক ভীষণ চিন্তাত পেলাইছে। তাইৰ কোৱামতে এটি বৃহৎ কেলেংকাৰীৰ সম্ভেদ পাইছে তাই। আৰু ইতিমধ্যে অতি গোপনীয়তাৰে পুলিচ বিভাগে ইয়াৰ তদন্তও আৰম্ভ কৰি দিছে । এই কেলেংকাৰীত বহুতো উচ্চপদস্থ অফিচাৰ আৰু পলিটিছিয়ান জড়িত হৈ থকাৰ সম্ভাৱনাও আছে। সকলো ঠিকেই আছিল, কিন্তু এই কেলেংকাৰীত ভাস্কৰ দত্তৰ নাম জড়িত থকাৰ সম্ভাৱনা আছে বুলি তাইৰ মুখত শুনিহে সচকিত হৈ উঠিছে সি।

ভাস্কৰ দত্তৰ সৈতে যে দুৰ্নীতিৰ গভীৰ সম্বন্ধ সেই কথা সি জানে বহু আগৰেপৰাই। জানে, যদিও ভাস্কৰ দত্তৰ নাম

শুনি চিন্তাৰ মেৰপাকত পৰিছে সি। কাৰণটো হৈছে ভাস্কৰ দত্তৰ নামৰ সৈতে জড়িত আন এটি নাম .. অমৃতা ।

অমৃতাৰ স্বামী ভাস্কৰ দত্ত। ভাস্কৰ দত্তই কষ্ট পালে অমৃতাই কষ্ট পোৱাটো স্বাভাৱিক , আৰু সেইটো নিবিচাৰে সি।

কিন্তু তাতোকৈ বেছি আচৰিত হৈছে সি শ্যামলিমাই পিছত কৈ যোৱা কথাবোৰ শুনি।

“তেওঁৰ প্ৰথম পত্নীৰ স্বাভাৱিক মৃত্যু হোৱা নাছিল। আত্মহত্যা কৰিছিল। তেখেত প্ৰাইম ছাছপেক্ট আছিল সেই ঘটনাৰ । কিন্তু প্ৰমাণৰ অভাৱত বাচি গৈছে। তেখেত মানুহজন সাংঘাতিক অত্যাচাৰী স্বভাৱৰ বুলিও শুনিছো । বহু নাৰীৰ লগত তেখেতৰ অবাধ সম্পৰ্ক। আৰু মই জনা মতে তেখেতৰ পত্নী এই ক্ষেত্ৰত সম্পূৰ্ণ নিমাত। ছি ইজ এ ভেৰি ভেৰি ছিমপুল লেদি।”

ঃ তুমি তেওঁৰ ৱাইফক চিনি পোৱা ?

ঃ হুম। লগ পাইছোঁ মই তেখেতক কেইবাবাৰো। খুব কম কথা কয়। মানুহজনী সাংঘাতিক অন্তৰ্মুখী স্বভাৱৰ। পাৰ্টিত আহে কিন্তু পাৰ্টিত অকণো ইনভলভ নহয়।

বহু কথাই ভাৱিবলৈ বাধ্য হৈছে সি।

ভাস্কৰ দত্তৰ এই ৰূপ নাজানে সি। কেনেকৈ জানিব ? সি জানো কেতিয়াবা জানিবলৈও চেষ্টা কৰিছে যোৱা পোন্ধৰ বছৰে।

অনিৰুদ্ধ আৰু শ্যামলিমাই চিনাকি সকলোকে সৌজন্যমূলক হাঁহি মাৰি মাত লগাই গৈছে। দুই এজনৰ বাদে প্ৰায়ভাগেই চিনাকি।

অনিৰুদ্ধ আৰু শ্যামলিমাক দেখি মিষ্টাৰ মেহতা আৰু মিছেছ মেহতা দুয়ো আগুৱাই আহি হাঁহিমুখেৰে সম্ভাষণ জনালে।

আৰু কেইজনমান বন্ধু আগুৱাই অহাত সকলো একেলগে বহি পৰিল এখন সুসজ্জিত ডাঙৰ আয়তাকাৰ টেবুল ঘেৰি।

অমৃতা আহিছে নেকি বাৰু এই পাৰ্টিত ?

ইফালে সিফালে অনিৰুদ্ধই এবাৰ এনেয়ে চাই পঠিয়ালে। তাৰ দৃষ্টি নিৰদ্ধ হল সামান্য দূৰত্বত এখন টেবুল ঘেৰি বহি থকা ভাস্কৰ, মিছেছ শৰ্মা, আৰু কেইগৰাকীমান বন্ধু আৰু বন্ধুপত্নীলৈ।

নাই অমৃতা নাই।

বিপ্লৱৰ ৱাইফ অদিতিৰো দেখা দেখি নাই।

ভাস্কৰ আৰু মিছেছ শৰ্মাৰ মাজত থকা ঘনিষ্ঠ সম্বন্ধৰ কথা কৈছে তাক শ্যামলিমাই। দুয়ো এতিয়াও একেলগে বহি ড্ৰিংকচ কৰি আছে। সি লক্ষ্য কৰিছে কথাই কথাই ভাস্কৰৰ গাত হালি পৰি কেনেকৈ চঞ্চলা কিশোৰীৰ দৰে হাঁহি উঠিছে মিছেছ শৰ্মা।

প্ৰথম বাৰৰ বাবে হাজাৰ প্ৰশ্নই একেলগে তাৰ বুকুত খুন্দিয়াইছেহি।

অমৃতা সুখীনে ভাস্কৰ দত্তৰ লগত ?

অমৃতাই জানেনে ভাস্কৰ দত্তৰ এই অবাধ নাৰী খেলা ?

মান, সন্মান, মৰ্য্যদা, মৰম, আদৰ পাইছেনে তাই ভাস্কৰ দত্তৰ পৰা ?

সুৰক্ষিত নে তাই এই মানুহজনৰ লগত ?

আন্ধাৰ পোহৰে আৱৰি ৰখা ঠাই এডোখৰত অকলে বহি ৰৈছে অমৃতাই .... নীৰৱে চাই ৰৈছে তাই ৰঙীন মানুহজাকলৈ। অলপ আগলৈকে অদিতি তাইৰ লগতেই আছিল।

ফলাক্ষী, প্ৰিছাহঁতৰ সৈতে বহি তাইও এতিয়া ড্ৰিংকচ কৰিছে। অদিতিয়ে জোৰ কৰা সত্ত্বেও তাইৰ লগত নগ'ল অমৃতা।

এই ৰঙীন আলোকসজ্জা, বিলাতী সুৰাৰ গোলাপী নিচাত ৰঙীণ হৈ উঠা মানুহজাক, বাৰ্ধক্যইও বান্ধি ৰাখিব নোৱাৰা অৰ্ধনগ্ন মহিলাজাক, সিহঁতৰ হাঁহি খিকিন্দালি....একোৱেই যে সহ্য হোৱা নাই তাইৰ। এই কৃত্ৰিম ৰঙীন পৰিৱেশত কৈ চুকৰ অন্ধকাৰেই তাইৰ কাম্য।

ভাস্কৰ আৰু মিছেছ শৰ্মা একেলগে বহি মদ গলাধকৰণ কৰিছে। অদিতি, প্ৰিছাহঁত একেলগে বহি কথাৰ মেল পাতিছে। উচ্ছল হাঁহিবোৰ গোটেই হলটোত ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছে ।

চুকৰ অন্ধকাৰ ঠাই এডোখৰ বাছি লৈ প্ৰতিবাৰৰ দৰেই সাংঘাতিকভাবে অপ্ৰস্তুত আৰু অস্বস্তিৰে মাথো অকলে বহি ৰৈছে অমৃতা।

চাওঁ নাচাওকৈ এবাৰ অমৃতাই চাই পঠিয়ালে হ'লটোৰ সোঁফালে থকা ডাঙৰ আয়তাকাৰ টেবুলখন ঘেৰি বহি থকা মানুহজাকলৈ.. . চাই পঠিয়ালে মানুহজাকৰ মাজত ওঁঠত গম্ভীৰ হাঁহি লৈ বহি থকা অনুৰাগলৈ... অনুৰাগৰ কাষতে বহি থকা প্ৰাণচঞ্চল ছোৱালীজনীলৈ।

আগতেও দুবাৰমান লগ পাইছে অমৃতাই শ্যামলিমাক। যদিও আজিহে যেন ভালকৈ লক্ষ্য কৰিছে তাই ছোৱালীজনীক। মিঠা বৰণীয়া, দীৰ্ঘাঙ্গী ছোৱালীজনী ... সচাই ধুনীয়া। নীলা ৰঙৰ দীঘল গাওনটোৱে তাইৰ মুখখন অধিক কমনীয় কৰি তুলিছে। শ্যামলিমাই নিচেই কাষলৈ আহি কাণে কাণে কিবা কৈছে অনুৰাগক। অনুৰাগৰ মুখত বিয়পি উঠিছে এটি গম্ভীৰ হাঁহি। শ্যামলিমাও হাঁহি পৰিছে।

অমৃতাই মন কৰিছে, জলপ্ৰপাতৰ উচ্ছল তৰংগৰ দৰেই প্ৰাণচঞ্চল তাইৰ ওঁঠৰ হাঁহিটো। ওঠৰ হাঁহি বিয়পি গৈছে ধুনীয়া চকুযুৰীলৈও।

এপাকত তাই অনিৰুদ্ধৰ বাওঁহাতখন তাইৰ সোঁহাতখনেৰে মেৰিয়াই ধৰি টানি নমাই লৈ গৈছে ডান্স ফ্লৰত। অমৃতাই মন কৰিছে অনুৰাগৰ দুচকুত নাই কোনো দ্বিধা, নতুবা অকণমানো অস্বস্তিৰ ভাৱ। অকণো মানা নকৰাকৈ অভ্যস্তৰ দৰে পাতলকৈ হাঁহি তাইৰ পিছে পিছে নামি গৈছে সি।

এটি গীত শেষ হৈ অন্য এটি ৰোমান্টিক ইংৰাজী গীত বাজি উঠিছে। সংগীতৰ সুমধুৰ সুৰ, অস্বচ্ছ পোহৰ, আৰু ৰঙীন পানীয়ৰ গোলাপী আভাত মায়াময় হৈ পৰিছে ডান্স ফ্লৰ। দুলি উঠিছে ৰঙীন শৰীৰবোৰ। মানুহজাকৰ মাজত লাহে লাহে গীতৰ তালত দুলি উঠিছে অনুৰাগ আৰু শ্যামলিমাও।

দুচকু জপাব খুজিও জপাব পৰা নাই অমৃতাই।

স্থিৰ নয়নে চাই ৰৈছে মাথো অনুৰাগ আৰু শ্যামলিমালৈ। বাৰে বাৰে তাইৰ দৃষ্টি, সমস্ত মনোযোগ কেন্দ্ৰীভূত হৈ ৰৈছে অনুৰাগ আৰু শ্যামলিমাৰ ওপৰত।

শ্যামলিমাই দুয়োখন হাত অনুৰাগৰ কান্ধত থৈ গভীৰ দৃষ্টিৰে চাই ৰৈছে অনুৰাগৰ দুচকুলৈ। শ্যামলিমাৰ দুচকুত স্পষ্টকৈ ধৰা দিছে অনুৰাগৰ প্ৰতি তাইৰ অন্তৰৰ দুৰ্বাৰ আকৰ্ষণ। অনুৰাগেও চাই ৰৈছে শ্যামলিমালৈ।

নকৰো বুলি ভাবিও বাৰে বাৰে অমৃতাই নিৰীক্ষণ কৰিছে, বুজিবলৈ চেষ্টা কৰিছে বগা গ্লাছৰ আঁৰৰ গম্ভীৰ চকুহালৰ ভাষা....।

কি আছে সেই চাৱনিত?

প্ৰকাশ পাইছে নেকি সেই চাৱনিত কিঞ্চিত মানো আকৰ্ষণ, প্ৰেম, নতুবা অন্য কিবা ?

নাই ... নাই । দুৰ্বোধ্য সেই চাৱনি।

অনুৰাগৰ দুচকুত প্ৰেম জিলিকি উঠা দেখা নাই তাই।

লুণীয়া সোৱাদ এটি অমৃতাৰ ওঁঠত লাগিল।

'আস'

আকৌ টপটপকৈ সৰিব ধৰিছে দুচকুৰে তপত চকুলো তাইৰ অজানিতে।

সলনি হৈ গৈছে সকলো ....সলনি হৈছে অনুৰাগো। স্থবিৰ হৈ ৰৈছে মাথো তাই... এবুকু দুখ, যন্ত্ৰণা আৰু অতীতৰ সুমধুৰ প্ৰেমৰ ছায়াছবি বুকুত সাৱটি।

দুখ লাগিছে তাইৰ .... ভীষণ দুখ লাগিছে।

অনুৰাগৰ শ্যামলিমাৰ সৈতে অন্তৰংগতা, ঘনিষ্ঠতা দেখি বুকুখনত অসম্ভৱ ধৰণৰ বিষ এটা অনুভৱ কৰিছে তাই। ঈৰ্যান্বিত হৈছে নেকি বাৰু তাই এই ধুনীয়া, সাহসী, ছোৱালীজনীৰ প্ৰতি?

নাই নাই। তাই ঈৰ্ষা কেনেকৈ কৰিব পাৰে! সেই অধিকাৰ তাইৰ নাই।

অনুৰাগৰ একো প্ৰয়োজন নাই, অতীতৰ প্ৰেমৰ পুৰণি স্মৃতি খেদি মৰিচিকাক দিঠক বুলি সাৱটি লোৱাৰ। তথাপিও যে অন্তৰখন কান্দি উঠিছে। কিয় তাই অতীতৰ স্মৃতিক অতীততে সামৰি থব পৰা নাই?

কিয়? কিয়?

প্ৰেমময় সেই অতীতৰ স্মৃতিবোৰ বৰ্তমানত আহি অমৃতাৰ অন্তৰত নতুনকৈ কেঁচা ঘাঁ এডোখৰৰ সৃষ্টি কৰিছে। সেইদিনাখনলৈকে যি অতীতৰ স্মৃতিয়ে তাইক জীয়াই থকাৰ সাহস প্ৰেৰণা যোগাই আহিছিল, আজি সেই অতীতৰ স্মৃতিয়ে তাইক বুকুত দিছে অসহ্য যন্ত্ৰণা।

আস' অসহ্য এই বিষ।

এজুলুকা অশ্ৰুৰ ভৰত পুনৰ গধুৰ হৈ আহিছে দুচকু... অবাধ্য হৈ বৈ আহিছে দুগালেদি অশ্ৰুধাৰা। অশ্ৰু নহয় যেন কলিজাৰ ৰঙা তেজহে।

নাই আৰু নোৱাৰি।

দুখবোৰ আৰু সহি থাকিব নোৱাৰি।

উচাত মাৰি উঠি অকণমান আগুৱাই গৈ তাই ৱেইটাৰ এজনক মাতিলে কাষলৈ। কম্পিত হাতেৰে তাই তুলি ললে ৰঙীন পানীয়ৰে ভৰি থকা এটি স্বচ্ছ গ্লাছ।

আগ পিছ নুগুনি এঢোক এঢোককৈ গিলি দিলে তাই সেই পানীয় ....।

বুকুখন জ্বলি গৈছে। হৃদয়খন যেন জ্বলি চাৰখাৰ হৈ গৈছে।

ক্ষন্তেক দুচকু মুদি থিয় হৈ ৰল তাই।

হঠাতে তাই অনুভৱ কৰিলে এখন কঠিন শীতল হাতে মেৰিয়াই ধৰিছে তাইৰ লাহী কঁকাল...পিঠি। কাণৰ নিচেই কাষত স্পষ্ট অনুভৱ কৰিলে কাৰোবাৰ ঘন নিশ্বাস।

ঃ মিষ্টাৰ মেহতা।

গধুৰ চকু দুটিৰে বিস্মিত দৃষ্টিৰে তাই চাই ৰল মিষ্টাৰ মেহতাৰ মুখলৈ। তীব্ৰ খঙত, ঘৃণাত সংকুচিত হৈ উঠিল তাই।

কিমান নিলাজ মানুহ!

অলপ আগলৈকে সকলোকে দেখুৱাই নিজৰ পত্নীক আঁকোৱালি ধৰি সকলো নিমন্ত্ৰিত অতিথিক হাঁহিমুখেৰে আদৰ সম্ভাষন জনোৱা মানুহজনৰ এয়াই প্ৰকৃত ৰূপ!! শৰীৰৰ সমস্ত শক্তি গোটাই তাই আচাৰ মাৰি পঠিয়ালে সেই কঠিন শীতল হাত।

ঃ কাম অন। মিছেছ দত্ত। লেটছ হেভ ফান। আই এম চিওৰ ইউ ৰিল লাভ মাই কম্পেনি।

তীব্ৰ কঁপনি উঠিছে তাইৰ শৰীৰত। কি কৈছে এইবোৰ মিষ্টাৰ মেহতাই।

ঃ আই প্ৰমিজ ইউ ৰিল এনজয়।

তাইৰ ক্ষন্তেকৰ মৌনতাক সন্মতি বুলি ভাবি পুনৰ দুখোজ আগুৱাই আহিল মিষ্টাৰ মেহতা সামান্য থৰক বৰক খোজেৰে। অমৃতাই তলকিব পৰাৰ আগতেই সজোৰে সাৱটি ধৰিলে সি তাইক।

ঃ আই এম দায়িং টু বি ৱিদ ইউ।

তীব্ৰ ঘৃণাত কঁপি উঠিল তাইৰ অন্তৰাত্মা। শৰীৰৰ সমস্ত শক্তি গোটাই তাক ঠেলা মাৰি দি থুৱাই দিলে মুখত। কিছুপৰ খঙত নিৰ্বাক হৈ শকত আৱত মানুহজন চাই ৰল অমৃতাৰ মুখলৈ।

ঃ ইউ বিটছ।

পিছমুহূৰ্ততে তীব্ৰ খঙত, অপমানত কপি উঠিল তেওঁ। শংকিত, ঘৃণা মিশ্ৰিত দৃষ্টিৰে অমৃতাই কি কৰো কি নকৰোকৈ চাই ৰল মানুহজনৰ খঙত বিকৃত হৈ উঠা মুখখনলৈ।

মিষ্টাৰ মেহতাই নিজৰ বাওঁহাতখনেৰে তাইৰ হাত খন সজোৰে ধৰি তাইৰ গালত চৰ এটা মাৰিবলৈ উদ্যত হ'ল। বিপদ অনুমান কৰি তীব্ৰ চিঞৰ এটা মাৰি মুখখন সিফাললৈ ঘূৰাই দিলে তাই।

ঃ হাও দেয়াৰ ইউ।

ঠিক তেতিয়াই, ভাঁহি আহিল সেই গুৰু গম্ভীৰ শীতল কণ্ঠস্বৰ। মূৰ তুলি চালে তাই।

অস্বচ্ছ পোহৰৰ মাজতো গধুৰ হৈ অহা দুচকুৰে তাই দেখা পালে ছ ফুট ওখ এটা ছায়ামূৰ্তি তাইৰ নিচেই কাষত ৰৈছেহি .... চকামকা পোহৰত জিলিকি উঠিছে দুচকুৰ বগা গ্লাছ। মিষ্টাৰ মেহতাৰ বাওঁহাতখন একে আজুৰে আচাৰ মাৰি পঠিয়াই নিজৰ বলিষ্ঠ সোঁহাতখনত আৱদ্ধ কৰিলে প্ৰহাৰৰ বাবে উদ্যত হোৱা মিষ্টাৰ মেহতাৰ সোঁহাতখন।

ঃ অনুৰাগ ...

মুখেৰে একো নামাতিলে সি। তাইৰ ফালে এবাৰো ঘূৰি নোচোৱাকৈয়ে তাৰ বাওঁহাতখনেৰে আঁকোৱালি ধৰিলে তাইৰ হাতখন।

অবাক হৈ চাই ৰল তাই অনুৰাগৰ খঙত ৰঙা হৈ উঠা মুখখনলৈ। মুখৰ মাংসপেশী কঠিন হৈ আহিছে, দুচকুত জিলিকি উঠিছে অগ্নিস্ফুলিংগ, বলিষ্ঠ হাতখনেৰে তেওঁ মুচুকাই ধৰিছে মিষ্টাৰ মেহতাৰ সোঁ হাতখন।

ঃ হাও দেয়াৰ ইউ তাচ্ছ হাৰ?

ঃ মিষ্টাৰ বৰুৱা... হেই...প্লীজ .. টেক ইট ইজি।

কোনো কথা বা প্ৰশ্নৰ অৱতাৰণা নকৰাকৈ এটা, দুটা, তিনিটা প্ৰচণ্ড চৰ সোধাই দিলে অনুৰাগে মিষ্টাৰ মেহতাৰ দুয়োখন গালত। কৰ্ফাল খাই পৰিল মানুহজন। উচ্চপদস্থ অফিচাৰৰ স্বভাৱ সুলভ খং এটা উঠি আহিছিল মিষ্টাৰ মেহতাৰ ... কিন্তু অনুৰাগৰ খঙত কম্পমান মুখ, জ্বলন্ত দুচকুৰ দৃষ্টি, কঠিন হাতৰ মাংসপেসী দেখি মনৰ খং মনতে সামৰিবলৈ বাধ্য হল তেওঁ।

অনুৰাগৰ সুগঠিত বলিষ্ঠ শৰীৰৰ সন্মুখত যে তেওঁৰ মেদবহুল শৰীৰ বেছি দেৰি টিকি থাকিব নোৱাৰিব সেয়া হয়তো তেওঁ নিজেই বুজি উঠিছিল।

ঘটনাৰ আকস্মিকতাত আৰু ৰক্ষাকৰ্তাৰ ৰূপত স্বয়ং অনুৰাগক দেখি নিৰ্বাক হৈ চায়েই ৰল অমৃতাই গধুৰ দুচকুৰে। আৱেগত ভৰি আহিছে তাইৰ চকুযুৰী তপত অশ্ৰুৰে। অনুৰাগৰ বাওঁহাতখনত মুষ্টিবদ্ধ নিজৰ হাতখনলৈ চালে তাই। কিমান দিনৰ মূৰত অনুভৱ কৰিছে তাই এই স্পৰ্শ। অনুৰাগৰ হাতৰ এই স্পৰ্শত সকলো বিচাৰি পায় তাই ... মৰম, বিশ্বাস, আশ্বাস, নিস্বাৰ্থ ভালপোৱা। শৰীৰত যেন অফুৰন্ত প্ৰাণ শক্তি ঘূৰি আহিছে তাইৰ। শেঁতা পৰি যোৱা মুখখনলৈ এসোঁতা গৰম তেজ যেন বৈ আহিছে। প্ৰাণভৰি দুনয়ন জুৰাই তাই চাই ৰৈছে অনুৰাগৰ হাতত মুষ্টিবদ্ধ তাইৰ হাতখনলৈ।

ঃ যোৱা পোন্ধৰটা বছৰত মৰি মৰি জীয়াই থকাৰ প্ৰতিটো ক্ষণ, প্ৰতিটো পলতেই নিঃস্বাৰ্থ আশ্বাসৰ এই হাতখনৰ উমাল স্পৰ্শৰ বাবে কিমানবাৰ কাতৰ হৈ উঠিছিল তাই!

অপমানত, লাজত, ভয়ত তলমূৰ কৰি কি কৰো কি নকৰো, কত যাওঁ কত নাযাওকৈ থিয় হৈ ৰ'ল মিষ্টাৰ মেহতা। নিজৰ হাতৰ বুঢ়া আঙুলিটোৰে বৈ অহা তেজখিনি মচি ললে সি।

ঃ হাও দেয়াৰ ইউ তাচ্ছ হাৰ।

অনুৰাগে তেওঁৰ ছাৰ্টৰ কলাৰত সোঁ হাতখনেৰে খামুচি ধৰিলে।

ঃ মিষ্টাৰ বৰুৱা আই এম ৰিয়েলি চৰি।

কম্পিত ভয়াৰ্ত কণ্ঠৰে কাবৌ কৰি হাতযোৰ কৰি উঠিল মিষ্টাৰ মেহতা। ভাৱনাৰ জগতৰ পৰা বাস্তৱলৈ ঘূৰি আহিল তাই

ইতিমধ্যে মিষ্টাৰ মেহতাৰ তলৰ ওঁঠ ফাটি তেজ ববলৈ আৰম্ভ কৰিছিল। থন থনকৈ পৰি ভাঙি যোৱা ৰঙীন পানীয়ৰ গ্লাছটোৰে কটা হাতৰ তলুৱাৰ পৰা তেজ বিৰিঙিব ধৰিছিল।

ঃ অনুৰাগ .... তেওঁক এৰি দে... প্লীজ।

অমৃতাই অনুৰাগৰ হাতৰ বন্ধনৰ পৰা নিজৰ হাতখন লাহেকৈ মুক্ত কৰি ল'লে। উচিত অনুচিতৰ যুদ্ধখন ইতিমধ্যেও আৰম্ভ হৈ গৈছে তাইৰ মনোজগতত।

তেতিয়াহে যেন অনুৰাগৰো হুঁচ ঘূৰি আহিল।

সি যে তাইৰ হাতখন ধৰিয়ে আছিল। অকলে থিয় হৈ থকা অমৃতাক মিষ্টাৰ মেহতাই অসৎ উদ্দেশ্য তাইৰ কাষত অহা দেখিয়েই খঙত সকলো পাহৰি পেলাইছিল সি ক্ষণিকৰ বাবে।

পাহৰি গৈছিল সি ... অনুৰাগ নহয় অনিৰুদ্ধ বৰুৱা হে সি। পাহৰি গৈছিল সি অমৃতা অন্য কাৰোবাৰ পত্নী ... তাইৰ হাতত তেনেকৈ ধৰাৰ অধিকাৰ তাৰ নাই।

কিছুপৰ সি চাই ৰল তাইৰ দুচকুলৈ...মুখৰ অভিব্যক্তি কিছু কোমল হৈ আহিল।

গ্লানিত সেমেকি উঠিছে তাৰ দুচকু। শিথিল হৈ আহিল মিষ্টাৰ মেহতাৰ ছাৰ্টৰ কলাৰত সজোৰে খামুচি ধৰা সোঁহাতখন।

মিষ্টাৰ মেহতা সেই সুযোগতে নিজকে বচাই ততাতৈয়াকৈ আঁতৰি গল।

অনুৰাগে এতিয়াও চাই ৰৈছে অমৃতাৰ ফালে। মৰম উথলি আহিছে তাৰ হৃদয়ত কিন্তু অপাৰ খঙো উঠিছে তাৰ একে সময়তে।

ঃ ইমান ড্ৰিংকচ কৰিছ কিয় ? মিষ্টাৰ মেহতাই তাৰেই সুযোগ লব খুজিছিল।

ঃ কোনে কৈছে কথাষাৰ? অনুৰাগে নে অনিৰুদ্ধ বৰুৱাই?

ঃ অমৃতা... সন্তুলন হেৰুৱাই যোৱাকৈ ড্ৰিংকচ কৰাটো জানো উচিত ?

“ আস” নিজৰ কানখনৰ ওপৰতেই যে বিশ্বাস হোৱা নাই তাইৰ। অভিমানত কণ্ঠৰুদ্ধ হবৰ উপক্ৰম হৈছে তাইৰ। কত বছৰৰ মূৰত শুনিবলৈ পাইছে তাই নিজৰ নামটো অনুৰাগৰ মুখত।

অমৃতাই বুজি পাইছে, তাৰ খং উঠিছে তাই ড্ৰিংকচ কৰাৰ কাৰণে। তাৰ তীক্ষ্ণ দুচকুৰ দৃষ্টিত দৃষ্টি মিলাব পৰা নাই তাই এতিয়া। অত্যন্ত লজ্জিত অনুভৱ কৰিছে। সঁচাকৈ খং আবেগৰ বশৱৰ্তী হয় তাই কিবোৰ যে কৰিব ধৰিছে।

ঃ ...অমৃতা। তোক প্ৰশ্ন সোধাৰ অধিকাৰ মোৰ নাই।

ঃ কিয় নাই অনুৰাগ? তইতো মোৰ বন্ধু ... মোৰ ..

ৰৈ গ'ল তাই হঠাতে।

ঃ বন্ধু আছিলোঁ। কিন্তু আমাৰ মাজত বহু দূৰত্ব আহি গৈছে এতিয়া।

পুনৰ এবুকু অভিমানত উন্দুলিত হৈ উঠিল তাইৰ মনটো। তাই বুজি পাইছে অনুৰাগে কি দূৰত্বৰ কথা কৈছে।

ঃ ঠেংকচ্'। মিষ্টাৰ মেহতাৰ হাতৰ পৰা মোক বচোৱাৰ বাবে।

তাৰ ফালে নোচোৱাকৈ তলমূৰ কৰিয়ে কলে তাই। পাৰ্য্যমানে নিজৰ থৰক বৰক খোজ সন্তুলন কৰিব চেষ্টা কৰি আঁতৰি আহিল তাই লাহে লাহে। ঠিক তেনেতে অন্যমনস্কতাৰে বাবে হঠাতে সন্মুখৰ চকীখনত উজুটি খালে অমৃতাই।

পৰিব ধৰা অমৃতাক তৎক্ষণাত অনুৰাগে নিজৰ দুবাহুৰে ধৰি ৰাখিলে।

অনুৰাগৰ দুবাহুৰ মাজত অতৰ্কিতে আৱদ্ধ হৈ পৰিল তাই।

অমৃতাই নিৰ্বাক হৈ চাই ৰল অনুৰাগৰ দুচকুলৈ। অনুৰাগেও চাই ৰল তাইলৈ।

.....সেই একেই লাৱণী ৰূপ, সেই একেই ভালপোৱা উজ্জ্বলি উঠিছে তাইৰ দুচকুত। কিন্তু নাই মাথো সেই চিনাকি চঞ্চলতা তাইৰ দুচকুত।

বিচাৰি পোৱা নাই সি কোনোধৰণৰ সুখ বা লেশমানো আনন্দৰ চিন এই ধুনীয়া চকুযুৰীত। বহুবছৰৰ পৰাই যেন হাঁহিৰ পৰা বিচ্ছিন্ন হৈছে এই ধুনীয়া মুখখনি।

কি আছে বাৰু এই চকুযুৰীত?

চলাথ কৰিছে সি।

সুখী নহয় নেকি বাৰু অমৃতা?

যন্ত্ৰনাত কাতৰ হৈ উঠিছে তাৰ হৃদয়খন।

মন্ত্ৰমুগ্ধৰ দৰে দুয়ো ইটোৱে সিটোৰ দুচকুলৈ চাই ৰল বহুপৰ চকুৰ পলক নেপেলোৱাকৈ। বহু যুগৰ অন্তত যেন লগ খাইছে এহাল আজন্ম প্ৰেমিক-প্ৰেমিকা।

অমৃতাই আকুলতাৰে চাই ৰৈছে অনুৰাগৰ মুখখনলৈ। অনুৰাগৰ বুকুৰ উমত মুখ গুজি হেঁপাহ পলুৱাই কান্দিবলৈ প্ৰবল

ইচ্ছা এটি হৈছে তাইৰ। অন্তৰৰ আকৰ্ষণ, আৱেগ, অনুভূতিবোৰ দুৰ্বাৰ, দুৰ্জেয় হৈ উঠিছে।

কেইটিমান আৱেগিক ক্ষণ মাথোঁ।

অমৃতাৰ মন আৰু মগজুৰ মাজত পুনৰ তুমুল আলোড়ণৰ সৃষ্টি হব ধৰিছে ... মনোযুদ্ধ ঘটিব ধৰিছে উচিত অনুচিতৰ মাজত, নৈতিকতা অনৈতিকতাৰ মাজত।

অনুৰাগৰ মৰমসনা দুচকুৰ চাৱনি তেতিয়াও নিবদ্ধ অমৃতাৰ আৰক্তিম মুখমণ্ডলত। তাৰ দুচকুৰ আগত লাহে লাহে জিলিকি উঠিছে তাইৰ শিৰৰ সেন্দূৰৰ ৰঙাখিনি। কিঞ্চিতমান গ্লানি বিয়পি পৰিছে তাৰ দুচকুত, .... মুখখনতো।

কিছুক্ষণ তলমূৰ কৰি ৰল তাই।

ছাঁ পোহৰে খেলা কৰি থকা অনুৰাগৰ গহীন মুখখনলৈ চাবলৈ তাইৰ যেন লাজ লাগিছে ... বিৰাট লাজ লাগিছে। সদ্যযৌৱনা গাভৰুৰ দৰেই চঞ্চল হৈ উঠিছে তাইৰ মনটো.... প্ৰখৰৰপৰা প্ৰখৰতৰ হৈ আহিছে হৃদয়ৰ আৱেগ, অনুভূতি।

অনুৰাগৰ মুখলৈ চালেই যেন তাই এতিয়াই ধৰা পৰিব....। অনুৰাগৰ বগা গ্লাছৰ আঁৰৰ গম্ভীৰ চকুহালৰ সন্মুখত যেন তাই এতিয়াই ভাঙি পৰিব।

ইমান আকৰ্ষণ কিয় অনুভৱ কৰে তাই আজিও? এই আকৰ্ষণ তাই কেতিয়াও কোনো অন্য পুৰুষৰ প্ৰতি অনুভৱ কৰা নাই কাহানিও।

কি আছে অনুৰাগৰ বুকুত, তাৰ মুখখনত, তাৰ চকুহালত? বাৰে বাৰে তাই কিয় চগাৰ দৰে জাহ যাব খোজে তাৰ দুচকুৰ দৃষ্টিত?

অত্যন্ত দুৰ্বল অনুভৱ কৰিছে তাই দুভৰিত। থিয় হোৱাৰ শক্তিকণ যেন নোহোৱা হৈ আহিছে।

অমৃতাই কোনোমতে নিজকে চম্ভালি যথাসম্ভৱ সন্তুলিত খোজেৰে গুচি আহিল অনুৰাগৰ কাষৰ পৰা তাক এবাৰো মাত নিদিয়াকৈ।

তাই অনুভৱ কৰিলে অনুৰাগৰ দৃষ্টিয়ে তাইক অনুসৰণ কৰা।

শ্যামলিৰ কথা হঠাতে মনলৈ আহিল তাৰ। তাক বিচাৰি ফুৰিছে চাগৈ। মুখখন ৰুমালেৰে মচি ঘূৰি দিয়েই ৰৈ গল অনুৰাগ।

সন্মুখত ভাস্কৰ দত্ত।

ভাস্কৰক তেনেকৈ সন্মুখত ৰৈ থকা দেখি সামান্য বিব্ৰত অনুভৱ কৰিলে সি।

দেখিলে নেকি ভাস্কৰে অমৃতা আৰু তাক একেলগে? ভুল বুজিব নেকি বাৰু ভাস্কৰে?

ভাস্কৰৰ  খঙত তেজাল গোমোঠা মুখখন অতিশয় বিকৃত দেখা গৈছে। নিচাত থৰক বৰক খোজ।

ঃ মিষ্টাৰ অনিৰুদ্ধ বৰুৱা।

চিগাৰেট আৰু মদৰ সংমিশ্ৰিত উৎকত গোন্ধ এটা তাৰ নাকত লাগিলহি।

ঃ .....

ঃ মোৰ পত্নীৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব আপোনাক কোনে দিলে?

দোৰোল খোৱা জিভাৰে প্ৰায় চিঞৰি উঠিল সি।

ঃ ...

ঃ মিষ্টাৰ মেহতাৰ ওপৰত ....

ঃ আপুনি ভুল বুজিছে মিষ্টাৰ দত্ত। মিষ্টাৰ মেহতাই আপোনাৰ পত্নীক বলপূৰ্বক....

অনুৰাগৰ মুখৰ বাক্য শেষ হোৱাৰ পূৰ্বেই ভাস্কৰে এটা তীব্ৰ ঘোচা মাৰিলে অনুৰাগৰ মুখত।

অত্যন্ত বিব্ৰত হৈ উঠিল অনুৰাগ। নিজকে যথাসম্ভৱ সংযম কৰিব চেষ্টা কৰিলে সি।

ঃ মিষ্টাৰ দত্ত চাওক। আপোনাৰ পত্নীৰ ইচ্ছাৰ বিপৰীতে ...

ঃ মোৰ পত্নীৰ ইচ্ছা অনিচ্ছাৰ খবৰ আপুনি কেনেকৈ পালে?  তাইৰ ইচ্ছা অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰি চলিম নেকি মই?

পুনৰ এটা ঘোচা মাৰিলে ভাস্কৰে অনুৰাগৰ মুখত। এক মুহুৰ্তৰ ভাৱে হঠাৎ কঠিন হৈ আহিল অনুৰাগৰ হাতৰ মুঠি .... কঠিন হৈ আহিল মুখমণ্ডল। কিন্তু পিছমুহূৰ্ততে সি নিজকে পুনৰ সংযম কৰিলে।

নিশ্চয় ভাস্কৰে ভুল বুজিছে।

লুণীয়া সোৱাদ এটা অনুৰাগৰ জিভাত লাগিল। তেজ বিৰিঙি উঠিছিল অনুৰাগৰ ওঠৰ পৰা।

ঃ আপুনি যদি মোৰ কথা বিশ্বাস নকৰে তেতিয়াহলে আপুনি নিজেই সুধি ল'ব ঘটনাৰ বিৱৰণি আপোনাৰ পত্নীৰ মুখৰ পৰা।

ঃ মই তাইক কিয় সুধিম? পত্নীৰ কথামতে নচা মানুহ নহয় এই ভাস্কৰ দত্ত। মিষ্টাৰ মেহতাৰ লগত মোৰ ইমান এটা ভাল সম্বন্ধ আছিল সকলো শেষ। কিমান লোকচান হ'ব মোৰ?

কিছুপৰ অনুৰাগ হতবম্ভ হৈ ৰ'ল। কেনেকুৱা ধৰণৰ মানুহ এই ভাস্কৰ দত্ত? সংযমৰ সীমা যেন পাৰ হৈ গল অনুৰাগৰ। পত্নীৰ সন্মান তল পেলাই নিজৰ লাভ লোকচানৰ হিচাপ কৰিছে! নিজৰতো অবাধ নাৰীৰ সৈতে সম্পৰ্ক। অমৃতাকো আন পুৰুষৰ হাতলৈ ঠেলি দিয়ে নেকি এই মানুহজনে?

খঙত কঁপি উঠিল অনুৰাগ।

ভাস্কৰ দত্তৰ চাৰ্টখন বাওঁহাতেৰে খামুচি ধৰিলে সি। ঘুছিয়াবলৈ উদ্যত হৈও পুনৰবাৰ মুষ্টিবদ্ধ কঠিন হাতখন ৰৈ গ'ল অনুৰাগৰ।

মানুহজন মদৰ নিচাত আছে ...সেয়ে হয়তো হুঁচত নাই। তাৰ উপৰি অমৃতাৰ স্বামীৰ ওপৰত সি হাত উঠোৱাটো উচিত নহয়। অমৃতাই দুখ পাব। তাই ভুল বুজিব।

কঠিন হাত, কঠিন মুখখন , উথলি অহা খং কোনোমতে সংযম কৰি, ভাস্কৰ দত্তৰ বিৰক্তিকৰ মুখৰ অভিব্যক্তি বা কথালৈ অকণো কৰ্ণপাত নকৰি দপদপাই আঁতৰি আহিল সি।

অসংলগ্ন মুখৰ ভাষাৰে পিছফালৰ পৰা চিঞৰি চিঞৰি কিবা কৈ আছিল ভাস্কৰ দত্ত তেতিয়াও।

বেচিনৰ টেপ খুলি অস্থিৰতাৰে মুখখন কেইবাবাৰো ঠাণ্ডা পানীৰে ধুই ল'লে তাই।

গোলাকাৰ আইনাখনলৈ চাই থাকিল তাই কিছুদেৰী স্থিৰ নয়নে। তাইৰ সুসজ্জিত ডাঙৰ, ধুনীয়া চকুযুৰী এতিয়া ৰঙা হৈ উঠিছে ....অশ্ৰুসিক্ত দুচকুৰ পতা।

হুকহুকাই কান্দি উঠিল শ্যামলিমাই। তাইৰ নিজৰ দুচকুৰ ওপৰতেই বিশ্বাস হোৱা নাই। আচৰিত হৈছে তাই।

আজি তাই অনিৰুদ্ধৰ আগেয়ে কেতিয়াও নেদেখা এটা ৰূপ দেখিবলৈ পাইছে । অনিৰুদ্ধ হঠাত নাইকিয়া হোৱাত তাই বিচাৰি ফুৰিছিল তাক।

তেতিয়াই তাই দেখা পাইছিল দুয়োকে।

অনিৰুদ্ধই ইমান অন্তৰংগতাৰে, ইমান আকুলতাৰে সাৱটি ধৰিছিল মিছেছ অমৃতা দত্তক। কিয়? কি সম্বন্ধ দুয়োৰে মাজত ?

ইমান অন্তৰংগতাৰে... নহয়, অধিকাৰেৰে সি ধৰি লৈছিল মিছেছ দত্তৰ হাতখন।

আৰু .... আৰু ইমান আকুল দৃষ্টিৰে অনিৰুদ্ধলৈ চাই ৰোৱা মিছেছ দত্তৰ মুখখন?? সেই দুচকুত স্পষ্টকৈ জিলিকি উঠিছিল অগাধ মৰম, প্ৰেম, ভালপোৱা, ... আৰু অসহায়তা।

যেন দুয়ো জনম জনমৰ চিনাকি।

আজন্ম প্ৰেমিক প্ৰেমিকা।

অনিৰুদ্ধৰ গম্ভীৰ চকুহালত ইমান প্ৰেম, ইমান অনুভূতি আগতে কেতিয়াও দেখা নাই তাই ...।

ঈৰ্ষাত অন্তৰ দগ্ধ হৈ উঠিছে তাইৰ।

তাইৰ অনিৰুদ্ধ, .... তাইৰ অনিৰুদ্ধৰ দুচকুত অন্য কাৰোবাৰে প্ৰতি প্ৰেম জিলিকি উঠা তাই সহ্য কৰিব নোৱাৰে ...।

কি নাই তাইৰ?

ৰূপ, গুণ, সৌন্দৰ্য্য ... বুদ্ধি .., তথা এটি সুন্দৰ শৰীৰৰ অধিকাৰিণী তাই ।

"বিউটি ৱিদ ব্ৰেইন" বুলি আখ্যা পোৱা তাইৰ ৰূপে কিয় কেতিয়াও আকৰ্ষিত কৰিব পৰা নাই অনিৰুদ্ধক?

কিয় বুজি নাপায় অনিৰুদ্ধই তাইৰ মুক্ত দুচকুৰ ভাষা?

অনিৰুদ্ধৰ দুবাহুত আৱদ্ধ মিছেছ দত্তৰ আকুল, কাতৰ মুখখন তাইৰ দুচকুৰ আগত ভাঁহি উঠিছে।

কি বিচাৰি পাইছে সি সেই মানুহজনীৰ মুখত, নতুবা শৰীৰত?

সন্দেহ কিলবিলাই উঠিছে তাইৰ মন, মগজুত।

কিমান গভীৰ হব পাৰে ... অনিৰুদ্ধ আৰু মিছেছ অমৃতা দত্তৰ এই সম্পৰ্ক ?

মনেৰে ভাল লগা মানুহজনীলৈ হঠাৎ অসীম ঘৃণা উপজি উঠিছে তাইৰ মনত ।

ইমান নিমাখিত , মৰম লগা, ধুনীয়া মানুহজনীৰ ইমান কুৎসিত স্বভাৱ!! মুখেৰে নামাতে কিন্তু শৰীৰৰ খেলা কৰে।

ছিহ। ছিহ।

তাইৰ অনিৰুদ্ধৰ সৈতে সম্পৰ্ক গঢ়াৰ ইমান দুসাহস তাইৰ। চিনি পোৱা নাই শ্যামলিমাক।

বৰ্বাদ কৰি দিম।

ধ্বংস কৰি দিম।

উন্মাদৰ দৰে সৰ্বশৰীৰত এক তীব্ৰ কঁপনি উঠিল তাইৰ সৰ্বশৰীৰত।

(১৭)

নিশা প্ৰায় এক বাজি গৈছে। কাষৰ কোঠাত শ্যামলী শুই পৰিছে নিৰ্বোধ শিশুৰ দৰে। মিষ্টাৰ মেহতাৰ ঘৰৰ পৰা ওলাই আহোতে গাড়ীতেই টোপনি যোৱা ছোৱালীজনীক নিউ মুম্বাইলৈ অকলে ড্ৰাইভাৰৰ লগত যাবলৈ দিবলৈ মন নগল তাৰ। সেয়ে আজি নিশাটোৰ বাবে শ্যামলী আহি ৰৈছেহি বান্দ্ৰা স্থিত তাৰ ফ্লেটত।

অনিৰুদ্ধ নিজৰ কোঠালৈ সোমাই আহি আৰামি চকীখনত হেলান দি বহিল।

মনৰ মাজত অশান্ত ধুমুহা এজাক বলিববলৈ ধৰিছে। বহু কথাই অগা দেৱা কৰিছেহি তাৰ মন মগজুত ।

বাৰে বাৰে দুচকুৰ আগত ভাহি উঠিছে অমৃতাৰ দুচকুৰ সেই কাতৰ, আকুল দৃষ্টি.... ।

তাৰ দুবাহুত, পিন্ধি থকা চাৰ্টখনত.... যেন এতিয়াও লাগি আছে অমৃতাৰ চুলিকোচাৰ সুবাস। বুকুৰ ফালে...ছাৰ্টৰ ওপৰৰ ভাগৰ বুটামৰ ওচৰত এতিয়াও লাগি আছে তাইৰ শিৰৰ সেন্দূৰৰ ৰঙা ৰং অকণমান। অনুভূতিবোৰ সুতীব্ৰ হৈ জাগি উঠিছে মনত....বিচলিত ...অস্থিৰ হৈ উঠিছে সি।

অন্তৰৰ কেঁচা অনুভূতি বোৰৰ আগত জহি খহি পৰিব ধৰিছে অনিৰুদ্ধ বৰুৱাৰ কঠিন খোলা.... ঠিক যেনেকৈ ৰদৰ তাপত গলিব ধৰে সুউচ্চ পৰ্বতৰ শিখৰৰ কঠিন বৰফ।

অনিৰুদ্ধ বৰুৱাৰ কঠিন খোলা ফালি ওলাই আহিব ধৰিছে অনুৰাগ বৰুৱা নামৰ সেই সহজ সৰল প্ৰেমিক সত্বা...।

...অমৃতাৰ অনুৰাগ।

প্ৰতিটো সৰু বৰ কথাই মগজুৰে ভাৱি উচিত সিদ্ধান্ত লোৱা অনিৰুদ্ধ বৰুৱাৰ মগজু যেন আজি মনটোৰ সন্মুখত ধৰাশায়ী হৈ পৰিছেহি।

বাৰে বাৰে একেটা কথাই মনলৈ আহিছে তাৰ।

অমৃতা সুখীনে?

কেনেকুৱা সম্পৰ্ক ভাস্কৰ আৰু অমৃতাৰ মাজত ?

সি কামনা কৰাৰ দৰেই অভিজাত্যৰ ৰঙেৰে উজ্জ্বলি উঠিছেনে তাইৰ জীৱন??

মন আৰু মগজুৰ মাজত যেন এটি শীতল যুদ্ধ চলিব ধৰিছে গুপুতে।

মগজুৱে কৈছে,

" ভাস্কৰ আৰু অমৃতা পতি পত্নী। পতি পত্নীৰ সম্পৰ্ক যিয়েই নহওক, যেনেকুৱাই নহওক... সেয়া তাঁহাতৰ একান্ত ব্যক্তিগত কথা।"

তাৰ ঠিক বিপৰীতে মনটোৱে যুক্তি দৰ্শাইছে,

"অমৃতা মোৰ জীৱনৰ মাথো প্ৰথম প্ৰেমেই নহয়...তাই মোৰ শৈশৱৰ লগৰী। তাইৰ ভাল কামনা কৰি খবৰ লোৱাটো কেনেকৈ অনুচিত হব পাৰে?"

বহুতো প্ৰশ্নই উকমুকাই উঠিছেহি তাৰ হৃদয়ত?

কেনেকুৱা এই ভাস্কৰ দত্ত নামৰ মানুহজন?

মিষ্টাৰ মেহতাই অমৃতাৰ সৈতে কৰা অশালীন ব্যৱহাৰ যেন তেওঁৰ বাবে একো আচৰিত কথা নহয়। সেয়া যেন এটি তেনেই সাধাৰণ কথা। অমৃতাক অপমান কৰা বুলি নহয়, বৰঞ্চ মিষ্টাৰ মেহতাক অপমান কৰা বুলিহে খঙত অনিৰুদ্ধৰ ওপৰত হাত উঠাইছিল সি।

অনিৰুদ্ধৰ মনলৈ আহিছে পাৰ্টীলৈ নোযোৱাৰ আগতেই শ্যামলীয়ে তাক কোৱা কথাবোৰ...

কথাবোৰ চক্ৰাকাৰে ঘূৰিব ধৰিছে তাৰ চৌপাশে। যিমানেই ভাৱিছে সিমানেই অমৃতাৰ নিৰাপত্তাৰ কথা ভাৱি শংকিত হৈ পৰিছে সি।

অমৃতাৰ দুচকুৰ সেই অস্বাভাৱিক শান্ত , শীতল , সমাহিত দৃষ্টিৰ আঁৰত যেন বহু কথা, যন্ত্ৰণা লুকাই আছে... তেনে অনুভৱ হৈছে তাৰ।

অমৃতা ভাস্কৰ দত্তৰ লগত সুখী বুলি মনটোৱে দেখোন অকনো মানি লব খোজা নাই।

নাই.... নাই...

অমৃতাক লগ ধৰি কথা পাতিব লাগিব।

সেয়া জৰুৰী.... অত্যন্ত জৰুৰী।

ছিলমিলকৈ টোপনি ভাবে আগুৰি ধৰিলেহি অনুৰাগক। প্ৰায় শেষ নিশা হাতত কাৰোবাৰ কোমল পৰশ অনুভৱ কৰিলে অনুৰাগে।

দুচকু মেলি হতবম্ভ হৈ ৰল সি।

অনুৰাগৰ বাওঁহাতখন নিজৰ দুয়ো খন হাতৰ মুঠিত আবদ্ধ কৰি আঁঠু কাঢ়ি বহি তালৈ চাই ৰৈছেহি শ্যামলীয়ে সুগভীৰ দৃষ্টিৰে।

কোঠাৰ ডিম লাইটৰ অস্বচ্ছ নিলাভ পোহৰত অত্যন্ত ৰহস্যময়ী হৈ উঠিছে তাইৰ দুচকুৰ চাৱনি।

তাইৰ মুখত অনবৰতে লাগি থকা শিশুসুলভ কোমলতাৰ বিপৰীতে জিলিকি উঠিছে অনিৰুদ্ধক নিজৰ কৰি পোৱাৰ সুতীব্ৰ বাসনা...।

... স্পষ্ট হৈ ধৰা দিছে কামনাসিক্ত অনুভূতি...।

ক্ষন্তেকৰ বাবে বিমূঢ় হৈ পৰা অনিৰুদ্ধৰ ষষ্ঠ ইন্দ্ৰিয় সজাগ হৈ উঠিল। তৎক্ষণাত নিজৰ হাতখন তাইৰ হাতৰ মুঠিৰ পৰা এৰুৱাই লৈ সি উঠি আহিল আৰামি চকীখনৰ পৰা। তাৰ লগে লগেই উঠি আহিল শ্যামলিও।

ৰহস্যময়ী দুচকুৰ চাৱনীৰে অনিৰুদ্ধৰ নিচেই কাষত থিয় হলহি তাই।

ঃ শ্যামলী....

শ্যামলীয়ে নিজৰ সোঁহাতৰ তৰ্জনী আঙুলিটো অনিৰুদ্ধৰ ওঁঠত থৈ তাক মনে মনে থাকিবলৈ ইংগিত দিলে। অনিৰুদ্ধৰ নিচেই কাষত আহি শ্যামলীয়ে তাইৰ মূৰটো , নিজৰ মুখখন অনিৰুদ্ধৰ বুকুত গুজি দিলে।

ঃ শ্যামলী....

শ্যামলীক লাহেকৈ নিজৰ বুকুৰ পৰা ঠেলি আঁতৰাই অলপ কঠিন সুৰত কৈ উঠিল সি। শ্যামলীয়ে অনুভৱ কৰিলে অনিৰুদ্ধৰ কণ্ঠত স্পষ্ট খং আৰু বিৰক্তি। সামান্য হতাশ হৈ উঠিল তাই।

ঃ অনিৰুদ্ধ দা, মই ...মই কিবা ভুল কৰিছো নেকি?

ঃ ভুল কৰিছা শ্যামলী। এনেকৈ...

ঃ অনিৰুদ্ধদা মই ..... মই তোমাক ভাল পাওঁ। বহুত ভাল পাওঁ।

কথাষাৰ কওঁতে সামান্য খোঁকোজা লাগিল তাইৰ।

ঃ শ্যামলী এইবোৰ তুমি কি কৈছা? মই তোমাক কেতিয়াও সেই দৃষ্টিৰে চোৱা নাই।

অনিৰুদ্ধই মৰমেৰে বুজাবলৈ চেষ্টা কৰিলে শ্যামলিক।

ঃ কিয় ? কিয় মোক ভাল নোপোৱা অনিৰুদ্ধ দা? মই তোমাৰ প্ৰেম পোৱাৰ যোগ্য নহওঁ নেকি?

ঃ তেনেকৈ নক'বা শ্যামলী। তুমি খুব ভাল ছোৱালী। মোতকৈ বহুত বেছি ভাল মানুহ ডিজাৰ্ভ কৰা তুমি।

আঁহত দৃষ্টিৰে চাই ৰৈছে তাই। দুচকুত জিলিকি উঠিছে দুটোপাল অশ্ৰুকণা।

ঃ অনিৰুদ্ধ দা, প্ৰেম কি বুজি পোৱাৰ বহু আগতেই তোমাৰ প্ৰেমত পৰিছোঁ।

নিৰ্বাক হৈ শ্যামলীলৈ কিছুদেৰি চাই ৰল সি একেথৰে।

ঃ আৰু মই যদি কওঁ যে মই অইন কাৰোবাক ভাল পাওঁ??

তীক্ষ্ণ ,কটাক্ষ ভৰা চাৱনীৰে এইবাৰ তাই চাই ৰল অনিৰুদ্ধৰ মুখলৈ।

ঃ কোন? কাক ভাল পোৱা তুমি? ডেট অন্ড ফেশ্যনড লেডী?? ভাস্কৰ দত্তৰ ৱাইফ??

ঃ .....

আচৰিত হৈ চাই ৰল সি তাইৰ মুখলৈ। কেনেকৈ শ্যামলীয়ে জানিব পাৰিলে এই কথা!

ঃ কিহৰ কাৰণে? কি পাইছা তুমি সেই অসুখী মানুহজনীৰ ওচৰত?

ঃ অসুখী?

ঃ অসুখী নহয় কি? মিছেছ দত্ত ডিপ্ৰেছনৰ ট্ৰিটমেণ্ট লৈ আছে।সকলোৱে জানে সেই কথা। হাঁহিব নাজানে, ফুৰ্তি কৰিব নাজানে....

অমৃতা অসুখী। ডিপ্ৰেছনত ভুগি আছে। কিয়? কিয়? বুকুখন বিষাই উঠিছে তাৰ। সি ঠিকেই ধৰিছে... অমৃতা সুখী নহয়...সুখী নহয় তাই ভাস্কৰ দত্তৰ লগত।

ঃ কি হৈছে তোমাৰ অনিৰুদ্ধ দা?

ঃ ....

অনিৰুদ্ধ ৰ নিচেই কাষত থিয় হৈ তাই তাক সাৱটি ধৰিছেহি।

ঃ মই জানো, মই বুজি পাইছো। মিছেছ দত্তই নিশ্চয় নিজকে সঁপি দিছে তোমাৰ ওপৰত। দেট ছিক বিটছ...

কপি উঠিল তাৰ সৰ্বশৰীৰ। খঙত, বিৰক্তিত কঠিন হৈ আহিছে তাৰ মুখমণ্ডল।

তাৰ দুচকুৰ কঠিন ভাষাক সম্পূৰ্ণ উপেক্ষা কৰি শ্যামলীৰ দুচকুত জিলিকি উঠিছে জেদ, খঙ আৰু অমৃতাৰ প্ৰতি প্ৰচণ্ড ঘৃণা।

নিজৰ বুকুৰ পৰা তাইক আজুৰি আঁতৰাই ঠাচ ঠাচকৈ দুটা প্ৰচণ্ড চৰ সোধালে সি তাইৰ দুয়ো গালত। খঙত ৰঙা হৈ পৰা মুখেৰে এবাৰো তাইলৈ ঘূৰি নোচোৱাকৈ দপদপাই ওলাই গ'ল সি কোঠাটোৰ পৰা।

হতভম্ব হৈ পৰিল শ্যামলী। দুচকুৰে তপত চকুলো দুধাৰী বৈ আহিল। তাইৰ প্ৰেমৰ একো মূল্য নাই অনিৰুদ্ধৰ ওচৰত। অনিৰুদ্ধৰ দুচকুত তুচ্ছ তাইৰ ৰূপ, গুণ...সকলো। ব্যৰ্থ .... ব্যৰ্থ তাইৰ জীৱনৰ প্ৰথম প্ৰেম।

০০ ০০ ০০

ভয়ত ভীষণভাৱে সংকুচিত হৈ উঠিছে অমৃতা।

ভীতি বিহ্বল হৰিণীৰ দৃষ্টিৰে তাই চাই ৰৈছে খঙত ৰঙা হৈ উঠা, গোমোঠা, তেজাল মুখখনলৈ...ভাস্কৰৰ দুচকুৰ জান্তৱ চাৱনিলৈ।

বিষত চেকচেকাই উঠিছে তাইৰ দুয়ো গাল। খঙতে ভাস্কৰে হাতত যিহকে পাই তাকেই দলিয়াইছে তাইৰ গালৈ। ভয়ত বিবৰ্ণ হৈ পৰিছে তাইৰ ওঁঠ, সমগ্ৰ মুখমণ্ডল।

ঃ চালা ভিকহুৰ জাত... মিষ্টাৰ মেহতাৰ দৰে মানুহক অপমান কৰিলি তই!

ঃ মোক বিশ্বাস কৰক। তেওঁ মোক বলপূৰ্বক....

ঃ বলপূৰ্বক??? তোৰ পিছত মৰি থকা নাই নহয় তেওঁ। আৰু বলপূৰ্বক কৰিলেই যেনিবা তাতে কি ডাঙৰ কথা? আৰু

সদায় অনিৰুদ্ধ বৰুৱাই হে তোক বচাবলৈ পায় যে? কাৰণটো কি ?

খঙত গুজৰি উঠিছে সি... দোৰোল খোৱা জিভাৰে ,অশ্লীল গালিৰে থকা সৰকা কৰি তুলিছে তাইক।

তাতো ক্ষান্ত নাথাকি নিচাত থৰক বৰক খোজেৰে তাইক চোঁচৰাই নিছে বিছ্নাখনলৈ।

তাৰ পিছৰখিনি নিত্য নৈমিত্তিক ঘটনা।

বিভীষিকাময় নিশাবোৰৰ পুনৰাবৃত্তি।

ধৰ্ষণকাৰী পতিৰ হাতৰ ধৰ্ষিতা পত্নী তাই।

ভাস্কৰ জঁপিয়াই পৰিছে তাইৰ ওপৰত। পশুবৃত্তি জাগি উঠিছে তাৰ মনত। পশু সদৃশ দাঁতৰ তীক্ষ্ণ কামোৰত তেজ বিৰিঙি বিৰিঙি উঠিছে তাইৰ সৰ্ব শৰীৰত। ভাস্কৰৰ শৰীৰৰ ধাতৱ ঘৰ্ষণত যেন মৰমৰাই ভাঙি পৰিব ধৰিছে তাইৰ মেৰুদণ্ড.. ..মজ্জা ।

ঠিক তেনেতে হঠাতে শিথিল হৈ পৰিল ভাস্কৰৰ শৰীৰ। পিছমুহূৰ্ততে এটি চেঁচা গৰম অদ্ভুত অনুভৱে কিলবিলাই চুই গল তাইৰ উন্মুক্ত বুকু, পেট, ডিঙি, মুখ।

ঘৃণাত মুখ কোচ খাই আহিল তাইৰ। শৰীৰৰ সমস্ত শক্তি গোটাই একে ঠেলাই ভাস্কৰৰ বন্ধনৰ পৰা নিজকে মুক্ত কৰি দৌৰি গল তাই ৱাশ্ব ৰূমলৈ।

স্বাৱাৰৰ তলত থিয় হৈ বলিয়াৰ দৰে তাই ধুই পেলালে তাইৰ বুকু, পেট, ডিঙিত লগা ভাস্কৰৰ মুখেদি নিৰ্গত বমি। হুক হুকাই কান্দি উঠিল তাই।

বিষত বিধস্ত, জৰ্জৰিত শৰীৰটো কোঙা হৈ পৰিছে শ্বাৱাৰৰ তলত।

ভগ্ন হৃদয়... ভগ্ন শৰীৰ। আৰু কিমান দিনলৈ তাই সহিব এই শাৰীৰিক যাতনা, অপমান, গ্লানি!!

মাথো শৰীৰ নহয়, তাইৰ মন.... তাইৰ আত্মা.. তাইৰ সমস্ত জীৱন অপমানিত হৈছে। মুক্তি লাগে। মুক্তি।

এই যন্ত্ৰণাদায়ক বাস্তৱৰ পৰা হেৰাই যাব খোজে তাই। যন্ত্ৰনাত থকথককৈ কপি উঠিছে তাইৰ দুভৰি। আৰু নোৱাৰি। নোৱাৰি।

নাইটিটো পিন্ধি খুব ধীৰ খোজেৰে ওলাই আহিল অমৃতা। এতিয়া আৱেগৰ ঠাইত জিলিকি উঠিছে এক অদ্ভুত নীৰৱতা।

ভাস্কৰ ইতিমধ্যে টোপনিত লালকাল। কাইলৈ আকৌ এই একেই ঘটনাৰ পুনৰাবৃত্তি ঘটিব।

তাই প্ৰতিদিনেই ধৰ্ষণকাৰী স্বামীৰ হাতৰ ধৰ্ষিতা পত্নী হৈ ৰ'ব। মেডিচিন কেবিনেটটো খুলি ওলাই ললে তাই এমুঠি শ্লিপিং টেবলেট। গভীৰ নিদ্ৰা লাগে। এনেকুৱা গভীৰ নিদ্ৰা যি তাইক এই নিষ্ঠুৰ বাস্তৱৰ পৰা বহু দূৰলৈ লৈ যাব।

অন্তৰ, আত্মা, জীৱনক মুক্তি দিব খোজে তাই। এই গনি, অপমান ভৰা পৃষ্ঠাবোৰ চিৰজীৱনলৈ জপাই দিব খোজে তাই।

"আস্" শ্লিপিং টেবলেটবোৰ দেখোন ডিঙিত লাগি ধৰিছে। যেন শেষ চেষ্টা চলাইছে অমৃতাক বুজাবলৈ।

টেবুলৰ ওপৰত থকা পানীখিনি লৈ গিলি দিলে তাই। ক্ষণিকৰ বাবে আৱেগবিহ্বল হৈ উঠিছে তাই। মনত পৰিছে অনুৰাগলৈ। মনত পৰিছে তাৰ দুচকুৰ মৰম সনা চাৱনিলৈ.... প্ৰেমভৰা স্পৰ্শলৈ।

মনটো অস্থিৰ হৈ উঠিছে ।

অত্যন্ত ঘৃণা উপজিছে তাইৰ কাষত শুই থকা মানুহজনলৈ ....তাইৰ কোমল আলসুৱা অন্তৰখন ছিঙি ভাঙি মোহাৰি পেলোৱা মানুহজনলৈ...তাইৰ আশা, আকাংক্ষা, সপোনবোৰ হত্যা কৰি কিদৰে নিজে ঢলি পৰিছে নিদ্ৰাৰ প্ৰশান্তিময় কোলাত। কিমান নিষ্ঠুৰ হব পাৰে এই মানুহজন!!

অমৃতাৰ মনত পৰিছে গাঁওৰ সেউজীয়া পথাৰখনলৈ, ...পথাৰৰ মাজৰ সৰু সৰু আলিত দুহাত মেলি দৌৰি যোৱা বনৰীয়া লৰা ছোৱালীহাললৈ... তাইৰ সন্মুখত ঢাল হৈ থিয় দি পেহীয়েকৰ হাতৰ বাঁহৰ লাঠীৰ কোব খোৱা ওখ ,ক্ষীণ লৰাটোলৈ.... ।।

বুকুৰ ধপধপনিবোৰ যেন ক্ৰমাত কমি আহিছে ,লাহে লাহে দুচকুলৈ অন্ধকাৰ নামি আহিছে, ঠিক যেনেকৈ নাটকৰ যৱনিকাত দুচকুৰ আগত পৰি আহে কলা পৰ্দা।

..........

উৎকণ্ঠা আৰু উদ্বিগ্নতাৰে অস্থিৰভাৱে পদচালনা কৰিছে ভাস্কৰে। ৰাতিপুৱা দেৰিকৈ সাৰ পাইছিল সি । প্ৰায় দহ বজাত। চকু মেলিয়েই ঘড়ীটোলৈ চাই চকু কপালত উঠিছিল তাৰ। কাষতে গভীৰ নিদ্ৰাত আচ্ছন্ন অমৃতাক দেখি প্ৰচণ্ড খং এটা উঠি আহিছিল তাৰ । প্ৰথমে চিঞৰিছিল ....পিছলৈ গাত জোৰ-জোৰকৈ লৰাই মাত দিছিল সি। কিন্তু কোনো সাৰ সুৰ নাছিল তাইৰ গাত... অমৃতাৰ সম্পূৰ্ণ শেঁতা পৰা চেঁচা শৰীৰ আৰু মুখমণ্ডল দেখি ঘৰ্মাক্ত হৈ উঠিছিল তাৰ সৰ্ব শৰীৰ। তাইৰ হাতৰ মুঠিত তেতিয়াও লাগি আছিল অৱশিষ্ট দুটা শ্লিপিং টেবলেট। ভাস্কৰে বিভ্ৰান্তৰ দৰে দৌৰি গৈ সশব্দে মেডিচিন কেবিনেটটো খুলিছিল.... হাতত আহিছিল খালি টেমাটো।

মুহূৰ্ততে হুৰাদুৰা লাগি গৈছিল।

অদিতি, বিপ্লৱহঁতলৈ সি ফোন কৰিছিল। লিফ্‌টমেন, চকীদাৰ, ড্ৰাইভাৰ, ফ্লেটৰ প্ৰতিবেশী দুৱাৰমুখত দুচকুত ভয় আৰু সন্দেহ লৈ গোট খাইছিল।

অকণো সময় খৰচ নকৰাকৈ তাইক লৈ অনা হল হস্পিটেলৰ ইমাৰজেঞ্চি ডিপাৰ্টমেণ্টলৈ। চিধাই হস্পিটেললৈ লৰৰি আহিছিল অদিতি আৰু বিপ্লৱ।

"পেছেন্ট ইছ ইন এ ভেৰি কৃতিকেল কণ্ডিচন"

বুলি কৈ আই চি ইউ ত এডমিট কৰা হল অমৃতাক।

"কেছ অফ শ্লিপিং টেবলেট অভাৰদ'জ"

শ্লিপিং টেবলেট অভাৰডজ হোৱাৰ বাবে শৰীৰটো শ্বকত গৈছে... নাৰ্ভাচ চিষ্টেম, ৰেচপিৰেটৰী চিষ্টেম সকলো ডিপ্ৰেছ হৈছে। সেয়ে হাত ভৰিৰ লৰচৰ নাই, অতিশয় ধিম গতিত চলিছে হাৰ্ট বিত।

বাৰে বাৰে হাতেৰে মুখখন মুচিছে ভাস্কৰে। অমৃতাৰ মৃত্যু ঘটিলে সন্দেহৰ ভিত্তিত তাক পুলিচে যে শান্তিত জীয়াই থাকিব নিদিয়ে সেয়া সি জানে ... এই বিষয়ত আছে তাৰ অতীতৰ তিক্ত ভয়ানক অভিজ্ঞতা।

তাৰ মনলৈ আহিছে সোতৰ বছৰ আগৰ এটি ঘটনা। ঠিক এনেকৈয়ে তাৰ প্ৰথম পত্নী মৃণালিনীয়ে মৃত্যুক আঁকোৱালি লৈছিল.... চেঁচা শৰীৰ , চেঁচা মুখমণ্ডল, কঠিন জঠৰ হৈ পৰা শৰীৰ....তাৰপিছত পুলিচৰ চকুত প্ৰাইম ছাছপেক্ট হৈ পৰিছিল সি। কোনোমতে পুলিচ আইনৰ চকুত প্ৰমাণৰ অভাৱত বাছি গৈছিল সি।

হঠাতে তাৰ মনলৈ এক ভয় ভাৱ আহিছে, মৃণালিনীয়ে লিখা নাছিল.... কিন্তু ছুইছাইড নোট লিখিছিলে নেকি বাৰু অমৃতাই ?

যদি লিখিছে .... ? ?

ঘৰ্মাক্ত হৈ পৰিছে তাৰ মুখমণ্ডল। প্ৰতি ক্ষণত দ্ৰুত গতিত সলনি হৈছে তাৰ মুখৰ অভিব্যক্তি।

পুলিচে ইতিমধ্যে তাক বহু কথাই সুধিছে...ঘটনাৰ বৃত্তান্ত এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰ ৰাতিপুৱাৰ পৰা সুধি সুধি তাক ব্যতিব্যস্ত কৰি তুলিছে । সি বুজিব পাৰিছে অমৃতাৰ যদি মৃত্যু হয় পুনৰ বাৰ সিয়েই হব পুলিচৰ দৃষ্টিত প্ৰাইম ছাছপেক্ট।

মনতে সি কাবৌ কৰিলে ভগৱানক, যাতে অমৃতা বাচি যায়।

ভাস্কৰে চোৰৰ দৃষ্টিৰে লুকাই লুকাই চাই ৰৈছে অত্যন্ত বিমৰ্ষ মনেৰে বহি থকা অদিতি, বিপ্লৱ, ফলাক্ষীহঁতলৈ.... অলপ আগতে তাক প্ৰশ্ন সুধি সুধি ব্যতিব্যস্ত কৰি তোলা থিয় হৈ থকা খাকী বৰ্ডিধাৰী পুলিচ বিষয়া দুজনলৈ.... লুকাই চুৰকৈ চাইছে অলপ আগতে পেছেন্টৰ হিষ্টৰী তাৰ মুখেৰে সংগ্ৰহ কৰা ব্যস্ত কৰ্মৰত নাৰ্ছ গৰাকীলৈ.... । কাৰোবাৰ দৃষ্টিত সন্দেহ আছে নেকি বাৰু তাৰপ্ৰতি ? কোনোবাই তাক হত্যাকাৰী বুলি ভাবিছে নেকি ?

সিটো হত্যা কৰা নাই তাইক।

যোৱাৰাতি মাথো সামান্য কাজিয়া ...

হঠাতে তাৰ কিবা এটা মনলৈ আহিল। নিজৰ পিন্ধি থকা কাপোৰযোৰলৈ চালে সি। পিন্ধনত তাৰ এতিয়াও ৰাতিৰ কাপোৰ। এটা উৎকত গোন্ধ তাৰ নাকত লাগিলহি... তাৰ পিন্ধি থকা টি চাৰ্ট টোত এতিয়াও লাগি আছে শুকান কৰলা কৰল বমিৰ হালধীয়া দাগ । তাৰ মনত পৰিছে সংগমৰ মুহূৰ্তত সি বমি কৰিছিল তাইৰ শৰীৰত ... কিন্তু সিটো বমি কৰিম বুলি কৰা

নাছিল মদৰ নিচাই মূৰত ধৰা বাবেহে।

সেইকাৰণে আত্মহত্যা কৰিব চেষ্টা কৰিছিল নেকি বাৰু অমৃতাই? সদায় বমি নকৰে নহয় সি। এদিন বমি কৰোঁতেই...

এই মাইকী মানুহবোৰ যে। যত চব। একদম বেকাৰ। মৰিবলৈ ইচ্ছা কৰিব সৰু সৰু কথাত আৰু এনেই এনেই মতা মানুহক শাস্তি দি মাৰে।

ভাস্কৰ পোন হৈ বহে ষ্টীলৰ চকীখনত।

মুখত এটা অভিব্যক্তি ফুটি উঠে ...মই হত্যাকাৰী নহওঁ। এই আত্মহত্যাৰ বাবে মই দায়ী নহওঁ। মৃণালিনীৰ আত্মহত্যা নতুবা অমৃতাৰ আত্মহত্যাৰ অপচেষ্টা, এই  দুয়োতে মোৰ হাত নাই।

অদিতি বহাৰ পৰা উঠি গৈ অলপ আঁতৰত গৈ নাৰ্ছগৰাকীৰ  লগত সৰু সৰুকৈ কিবা কথা পাতিছে ...কি কথা পাতিছে বা?

তাৰ মনত সন্দেহে উক দিছে। অদিতি অমৃতাৰ ভাল বান্ধৱী। ভাস্কৰৰ কথাই কিবা কিবি লগাই দিয়া যেন অনুভূত হৈছে তাৰ। প্ৰচণ্ড খং এটা উঠি আহিছে তাৰ মনত। ৰঙা হৈ উঠিছে চকুযুৰ।অদিতিৰ পিঠিলৈকে পৰা চুলিকোচাত ধৰি এতিয়াই যেন চোঁচৰাই পেলাব হস্পিটেলৰ পকা মজিয়াত। কথাষাৰ ভাবোতেই মুখৰ অভিব্যক্তি কঠোৰ হৈ আহিছে তাৰ...উপৰ দাঁত, তলৰ দাঁতৰ সৈতে লাগি সৃষ্টি হোৱা এটা কৰ্কশ কৰমৰণিৰ শব্দ তাৰ নিজৰ কাণত লাগিল। কোনোমতে নিজক সম্বৰন কৰিলে সি। অদিতিৰ ওপৰত হাত উঠাই নিজৰ বিপদ চপাই লোৱা নিচিনা কথা হব। তাতে বিপ্লৱৰ পত্নী তাই ।

আৰু বিপ্লৱ তাৰ অন্তৰংগ বন্ধু।

অদিতি অমৃতাৰ দৰে নহয়। একদম বাঘিনীৰ দৰে চৰিত্ৰ। মাইকী মানুহৰ অন্য কোনো চৰিত্ৰই নাই পুৰুষক নিজৰ শৰীৰ দি সন্তুষ্ট কৰাৰ বাদে .... তাতেই তুষ্ট হৈ আছে ইমান বছৰে বিপ্লৱে। বিপ্লৱৰ ঠাইত সি হোৱাহেঁতেন ....  ইমান মূৰলৈ কেতিয়াও উঠিব নিদিলেহেঁতেন এইজনীক।

প্ৰচণ্ড বিৰক্তিত ভ্ৰূ কোঁচ খাই আহিছে ভাস্কৰৰ।

ঃ মিষ্টাৰ দত্ত, প্লিজ কাম হিয়েৰ।

নাৰ্ছগৰাকীয়ে ভাস্কৰক উদ্দেশ্যি মাতিলে ।

আই চি ইউৰ মূল দুৱাৰখনৰ সামান্য উপৰভাগত থকা সৰু বৰ্গাকাৰ কাঁচৰ সিপাৰেদি দেখা গৈছে অজ্ঞান হৈ পৰি থকা অমৃতাক। বগা চাদৰখন বুকুলৈ ঢাকি থোৱা আছে। চেতনাহীন শৰীৰটোৰ

সোঁৰে বোৰে কেবাটাও পাইপ। চেলাইন,ঔষধ, অক্সিজেন, লাইফ চাপোৰ্ট ...তাইৰ নিস্তেজ , চেঁচা শৰীৰ ঘেৰি লৈ ব্যস্ত ডাক্তৰ, নাৰ্ছ। ডাক্তৰ চেতন মিশ্ৰ কাষতে থিয় হৈ কিবা পৰীক্ষা কৰিছে । মূৰৰ শিতানত লাগি থকা স্ক্ৰীনত ওলাই আছে অমৃতাৰ পালছ, ৰেচপিৰেচন।

মেঘৰ দৰে কলা  চুলিটাৰী দীঘলকৈ বেণী কৰি থোৱা।

শেঁতা ওঁঠ.... শেঁতা মুখমণ্ডল।

অলৰ অচৰ শৰীৰ...।

শৰীৰটো জীৱিত যদিও বাহ্যিক জগতৰ সৈতে যেন তাইৰ এতিয়া কোনো সম্পৰ্ক নাই।

চেতনাহীন ইন্দ্ৰীয়।  লাইফ চাপোৰ্ট মেচিনটোৰ সহায়ত বুকুখন ধিম গতিত উঠা নমা কৰিছে মাথো। চকুদুটি সেমেকি আহিছে অদিতিৰ।

অকণমান নিদ্ৰাৰ বাবে প্ৰতিৰাতি  ক্ষণ,পল ,ঘণ্টা হিচাপ কৰি পাৰ কৰা অমৃতাজনী যেন গভীৰ নিদ্ৰাত গুচি গৈছে ।

দুচকু লোতকেৰে তিতি গৈছে অদিতিৰ।

তাই নাজানে এয়া কেনেকৈ হ'ল, কি পৰিস্থিতিত হল ,কিন্তু এটা কথা জানে ইয়াৰ বাবে মাথো ভাস্কৰেই দায়ী।

নিজকে বিৰাত স্বাৰ্থপৰ যেন অনুভূত হৈছে তাইৰ। ফলাক্ষী, প্ৰিশাহঁতে মাতি লৈ যোৱাত অলপ বেছিকৈয়ে ড্ৰিংকচ কৰিছিল তাই যোৱা ৰাতি মিষ্টাৰ মেহতাৰ পাৰ্টিত। নিচা মূৰত ধৰিছিল। পাৰ্টিত অমৃতাৰ লগত কোন আছিল, কি হ'ল, কি নহ'ল তাই একো গমেই নাপালে।

তাই বুজিব লাগিছিল অমৃতাৰ যে তাইৰ বাহিৰে বন্ধুত্বৰ সম্পৰ্ক অইন  কাৰো সৈতেই নাই।

কেৰাহিকৈ জ্বলন্ত দুচকুৰে বহি উছপিচাই থকা ভাস্কৰলৈ চালে তাই এবাৰ।

তাই অনুমান কৰিব পাৰিছে কিছু, ভাস্কৰৰ লেতেৰা উৎকট গোন্ধযুক্ত কাপোৰ কানিলৈ

চাই... অমৃতাৰ তলৰ ওঁঠত কলা নীলা পৰা আঘাত চিহ্নটোলৈ চাই ... সম্ভৱত ভাস্কৰৰ দাঁতৰ কামোৰত। পুলিচেও ঘূৰি ঘূৰি ভাস্কৰক সুধিছিল অমৃতাৰ কপালত ,গালত লগা শেঁতা গুলপীয়া দাগবোৰৰ কাৰণ.... ভাস্কৰে কাৰণ দৰ্শাইছে অমৃতাৰ নিচা বেছিকৈ উঠিছিল সম্ভৱত কৰবাত দুখ পালে।

পুলিচেও চাগৈ কথাটো হজম কৰিব পৰা নাই.... হজম কৰিব পৰা নাই অদিতিয়েও । হয়তো পুলিচৰ সন্দেহৰ আওতাত আছে সি, কিন্তু ভাস্কৰক এৰেষ্ট কৰিবলৈ উপযুক্ত প্ৰমাণ এতিয়া নাই .... তাৰ বিপক্ষে অমৃতাই লিখি যোৰা নাই একোধৰণৰ চুইছাইড নোট। তাৰ উপৰিও অমৃতা ডিপ্ৰেছনৰ চিকাৰ  বহু বছৰ আগৰেপৰাই.... তাৰ সহজ প্ৰমাণ হল ডাক্তৰ তৃশা কুপ্পীকাৰৰ কেইবাখনো প্ৰেছক্ৰিপচন, অ পি দি পেপাৰ  ইত্যাদি। আৰু ডিপ্ৰেছনত ভোগা প্ৰায়ভাগ ৰোগীয়েই চুইছাইড কৰিব চেষ্টা কৰে ....সেয়া সকলোৱে জানে। গতিকে ভাস্কৰ দণ্ডক উপযুক্ত প্ৰমাণ নোহোৱাকৈ এৰেষ্ট কৰিবও নোৱাৰি...

মনে মনে খঙত জ্বলি পকি উঠিছে অদিতিয়ে। অসহায় অনুভৱ কৰিছে। মনে প্ৰাণে মাথো প্ৰাৰ্থনা কৰিছে ভগৱানক, "অমৃতাৰ জীৱন বচাই দিয়া প্ৰভু।"

আকৌ ভাবিছে ,  বাছি থাকিও কি কৰিব অমৃতাই ?

বাছি থাকিলেও তাই পুনৰ ঘূৰি যাব লাগিব ভাস্কৰৰ ওচৰলৈ, একেই কষ্ট ,একেই অপমান অত্যাচাৰৰ মাজেৰে জীৱন যাপন কৰিবলৈ। ইমান বছৰে অত্যাচাৰ সহি মানসিক ভাৱে পঙ্গু হৈ পৰা অমৃতাৰ ভাস্কৰক এৰি  অকলে জীৱন যাপন কৰিবলৈও সাহস নাই। কোনো আত্মীয় স্বজন নাই।

সেয়েটো এই অসহায়তা, জীৱনৰ  কষ্ট , অপমানৰ পৰা মুক্তি বিচাৰি নিজৰ মৃত্যু কামনা কৰিছে অমৃতাই হয়তো । কিন্তু ভগবানৰো যেন সহ্য হোৱা নাই তাইৰ ইমান সহজ মুক্তি ... সেয়েতো মৃত্যুপথলৈ যাত্ৰা কৰিও যাত্ৰা থমকি গৈছে ... জীৱন থমকি গৈছে , প্ৰাণ দুলি ৰৈছে জীৱন আৰু মৃত্যুৰ সন্ধিক্ষণত।

শৰীৰ মৃতপ্ৰায় কিন্তু আত্মা নাচোৰ বান্দা। ইমান সহজে শৰীৰ নেৰে।

ৰোমালখনেৰে ভিজি অহা দুচকুৰ পতা মুচিছে অদিতিয়ে, ম্লান হৈ পৰিছে ফলাক্ষীও।

কেনেকৈ সহায় কৰিব তাই অমৃতাক  ?

কেনেকৈ ন্যায় দিব তাই এই মানুহজনীক ?

অদিতিৰ হঠাতে মনলৈ আহিছে অনিৰুদ্ধ বৰুৱাৰ কথা ...  অমৃতাক বিপ্লৱৰ পৰা গম পোৱা কথাষাৰ কম কম বুলিও কোৱা নহল তাইৰ।  বিপ্লৱৰ পৰা গম পাইছে তাই অনুৰাগ বৰুৱাই বহুবছৰ আগতেই নিজৰ অস্ত্ৰ সমৰ্পন কৰিছে পুলিচ, চৰকাৰৰ আগত। অমৃতাৰ বিশ্বাসৰ ওপৰত বিশ্বাস আৰু দৃঢ় হৈ উঠিছে তাইৰ।

অনিৰুদ্ধ বৰুৱাই অনুৰাগ বৰুৱা ...।

সিয়েই অনুৰাগ। অমৃতাৰ শৈশৱৰ অনুৰাগ।

উফ।

নানা ধৰণৰ চিন্তাই ঘূৰিব ধৰিছেহি তাইৰ মনত। হঠাতে তাইৰ মনলৈ এটা ভাৱ আহে।

তাই কৰিদৰটোৰ একাষে গৈ মোবাইলটো উলিয়াই এটি বিশেষ নম্বৰলৈ ফোন লগালে। অনিৰুদ্ধ বৰুৱাৰ ফোন নম্বৰ।

নাম্বাৰ ডায়েল কৰি অদিতিয়ে ভাৱে, ....ভগৱানৰনো কি ক্ষতি হলহেঁতেন দুই প্ৰেমিক প্ৰেমিকাৰ মিলনত... ? ইহঁতৰ মাজত এই ভাস্কৰ নামৰ পশুটো কেনেকৈ আহিব পালে ?

.....

ৰৌদ্ৰোজ্জল আকাশ।

মেৰিন ড্ৰাইভৰ ব্যস্ত ৰাজপথৰ বুকুত কেইবাখনো সন্মুখৰ গাড়ীক অভাৰটেক কৰি একা বেকাকৈ গাড়ী চলাই নিছে ড্ৰাইভাৰ জনে।

শীত তাপ নিয়ন্ত্রিত মাৰ্চিডিজ খনৰ ভিতৰতো ড্ৰাইভাৰ জনৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙি উঠিছে। মালিকৰ মুখৰ অস্থিৰতা লক্ষ্য কৰি কপালৰ ঘাম মুচিবলৈও যেন ড্ৰাইভাৰ জনৰ সাহস হোৱা নাই। এই প্ৰথম বাৰ নিজৰ মালিকজনক ইমান বিচলিত .. ইমান অস্থিৰ হোৱা দেখিছে সি।

সন্মুখৰ ট্ৰেফিক দেখি বেছিকৈয়ে অধৈৰ্য্য হৈ উঠিছে অনিৰুদ্ধ। বাৰে বাৰে সোঁহাতৰ মুঠিৰে নিজৰ বাওঁহাতৰ তলুৱাত প্ৰচণ্ড ঘোঁচা মাৰিছে সি। মাজে মাজে আকৌ অত্যন্ত খং আৰু বিৰক্তিত ঘোচা মাৰিছে নতুন মডেলৰ মাৰ্চিডিজ খনৰ দাশ্ববোৰ্ডত।

সন্মুখত বহিছে অনিৰুদ্ধ।

সদায় গাড়ীৰ পিছৰ ছিটত বহে সি, কিন্তু আজি তাৰ ব্যতিক্ৰম।

পাছফালৰ ছিটত অকলে উদ্বিগ্ন হৈ বহি ৰৈছে শ্যামলী।

ঃ অভাৰটেক কৰা। অভাৰটেক কৰা।

খৰকৈ উচ্চ স্বৰেৰে আদেশ দিছে সি ড্ৰাইভাৰ জনক। ড্ৰাইভাৰজন বিমূঢ় হৈ পৰিছে... সন্মুখত গাড়ীৰ লানি। কোনফালে অভাৰতেক কৰিব সি ভাৰি পোৱা নাই ।

শ্যামলীও বিমূঢ় হৈ পৰিছে। বিৰক্তও হৈছে তাই অনিৰুদ্ধৰ এই অস্থিৰ, অবুজন ৰূপ দেখি ।

ঃ অনিৰুদ্ধদা ক'ৰপৰা কেনেকৈ অভাৰটেক কৰিব? উৰি গ'লেহে হ'ব এতিয়া ..।

ঃ ....

ঃ শান্ত হোৱা। তুমি আগতে ধৈৰ্য্য ধৰা নিজে। তুমি যদি এনেকৈ অস্থিৰ হোৱা ....

ঃ মই কেনেকৈ অস্থিৰ নহম শ্যামলী ?

ঃ .....

ঃ কোৱা কেনেকৈ ? .... মোৰ অমৃতাই কিয় এনেকুৱা কাম কৰিলে! কিয় ? মই বুজিব পৰা নাই।

দুহাতেৰে নিজৰ মূৰটো তলমুৱা কৰি খামুচি ধৰি চকুহাল জোৰেৰে জপাই দিছে সি।

অমৃতাই কিয় এনেকুৱা এটা কাম কৰিলে?

দুচকু ভৰি আহিছে তাৰ। নিজৰ ওপৰতো অত্যন্ত খং উঠিছে তাৰ। বুজিব পৰা নাই সি একো। অদিতিয়ে ফোনত মাথো জনাইছিল শ্লিপিং টেবলেট অভাৰদজ হৈ অমৃতা আই চি ইউ' ত এডমিত হৈ আছে।

অমৃতা এতিয়া চেতনাহীন... অজ্ঞান।

দুচকুত অপাৰ বিস্ময় লৈ অনিৰুদ্ধলৈ চাই ৰৈছে শ্যামলীয়ে । তাইৰ কৰ্ণ কোঁহৰত বাৰে বাৰে প্ৰতিধ্বনিত হৈ অন্তৰত, .... সমগ্ৰ শৰীৰত বিষক্ৰিয়া কৰি উঠিছে অনিৰুদ্ধৰ কথাষাৰে।

"মোৰ অমৃতা" "মোৰ অমৃতা"

তাই বুজিব পৰা নাই ... অনিৰুদ্ধ ইমান অস্থিৰ হৈছে কিয়?

কেতিয়াৰ পৰা ভাস্কৰ দত্তৰ পত্নী অমৃতা..... অনিৰুদ্ধৰ অমৃতা হল??

অইন কাৰোবাৰ পত্নীৰ প্ৰতি ইমান আসক্তি কেনেকৈ জন্মিল অনিৰুদ্ধৰ মনত?

ইমান গভীৰ সম্পৰ্ক অনিৰুদ্ধ আৰু অমৃতাৰ মাজত!!

কেতিয়াৰপৰা??

বহু প্ৰশ্ন একেলগে উভৰি উঠি আহিছে তাইৰ মনত, কিন্তু সুধিবলৈ সাহস হোৱা নাই তাইৰ। শ্যামলীৰ মনলৈ আহিছে যোৱা ৰাতি অনিৰুদ্ধই সজোৰে তাইৰ দুয়ো গালত বহুৱাই দিয়া প্ৰচণ্ড চৰটো।

অপমানিত অনুভৱ কৰিছে তাই। যদিও ৰাতিয়ে অনিৰুদ্ধ ফ্লেটৰ পৰা ওলাই যোৱাত বিভ্ৰান্তৰ দৰে হৈ পৰিছিল তাই। বহুবাৰ ফোন কৰি নিজেই ক্ষমা খুজিছিল তাই, তেতিয়াহে ক্ষান্ত হৈ ফ্লেটলৈ উভতি আহিছিল অনিৰুদ্ধ।

এটি স্বতঃস্ফূৰ্ত হুমুনিয়াহ ওলাই আহিল তাইৰ বুকুৰ গভীৰতাৰ পৰা।

অনিৰুদ্ধৰ প্ৰেম নহলেও হব , কিন্তু তেওঁৰ ঘৃণা লৈও যে জীয়াই থাকিব নোৱাৰে তাই।

ৰাতিপুৱা ব্ৰেকফাষ্ট টেবুলত দুয়ো যোৱাৰাতিৰ একো কথা আলোচনা নকৰাকৈয়ে নীৰৱ হৈ ৰৈছিল।অত্যন্ত লজ্জিত

অনুভৱ কৰি তলমূৰ কৰি খোৱাত মনোযোগ দিছিল তাই মাথোঁ।

ঠিক তেতিয়াই অদিতিৰ ফোন কলটো আহিছিল।

তাৰপিছৰ পৰাই অনিৰুদ্ধৰ এই অস্থিৰ ৰূপ।

০০ ০০ ০০

একেথৰে অমৃতাৰ নিস্তেজ, অজ্ঞান মুখখনিলৈ চাই ৰল সি।

অজ্ঞান নহয়, যেন অভিমানত মুখ ফুলাই টোপনি যোৱাৰ ভাও ধৰিছে তাই।

অনুৰাগৰ প্ৰতি এবুকু অভিমানত ।

এতিয়াই যেন উঠি আহিব তাই। মুখত লাগি থাকিব চিৰপৰিচিত সেই ধুনীয়া হাঁহি.. আৰু কৈ উঠিব,

“ অনুৰাগ বহুত বেয়া পাইছো তোক। হ’লেও ক্ষমা কৰিলো বাৰু।”

অমৃতাৰ মুখখনি এবাৰ চুই চাবলৈ সুতীব্ৰ অনুভূতি জাগি উঠিছে তাৰ মনত ... চুলিটাৰীত মৰমেৰে হাত বুলাই দিবলৈ এটা প্ৰচণ্ড ইচ্ছা জাগি উঠিছে। কান্দোন এটাই বুকু ভাঙি ডিঙিয়েদি উজাই আহিব খুজিছে তাৰ ...

ঃ অমৃতা, অমৃতা ... এয়া চোৱা মই আহিছো। মই। ...মই অনুৰাগ । তোৰ...তোৰ অনুৰাগ।

গভীৰ প্ৰত্যয়েৰে চাই ৰল সি তাইৰ মুখখনিলৈ, বন্ধ চকুযুৰীলৈ।

নাই ..., দিয়া নাই তাই অকণো সঁহাৰি, কঁপি উঠা নাই দুচকুৰ পতাও। গভীৰ নিদ্ৰাত আচ্ছন্ন সুকোমল মুখখনিলৈ চাই হুকহুকাই কান্দি উঠিল সি।

ঃ এবাৰ কথা পাত মোৰ লগত, মাত্ৰ এবাৰ। প্লিজ অমৃতা। প্লিজ। এবাৰ মাতচোন মোক অনু বুলি।

ভঙা, থুকাথুকি হৈ আহিছে তাৰ মাতযাৰ।

মোৰ অমৃতা। মোৰ প্ৰাণ। মোৰ কলিজা।

এটা মৃদু কঁপনি উঠিছে তাৰ শৰীৰত।

কেনেকৈ? কিয়? কিয় কৰিলি এই ভয়ানক কাম?

জীৱনক প্ৰচুৰভাৱে ভাল পোৱা তোৰ দৰে ছোৱালী এজনীয়ে নিজৰ জীৱন শেষ কৰিবলৈ উঠি পৰি কিয় লাগিলি? কিয়?

কৰ্মৰত নাৰ্ছগৰাকী উঠি আহিল। দুচকুত সহানুভূতিৰ দৃষ্টি।

অনুৰাগে ৰুমালখনেৰে নিজৰ চকুহাল মুচি ললে। নাৰ্ছগৰাকী অহাৰ কাৰণ বুজি পাইছে সি।

আই চি ইউ’ত পেছেন্টৰ ওচৰত বেছি সময় থকাৰ অনুমতি নাই।

বিষন্ন, হতাশ মনেৰে সি ওলাই আহিব লৈও কিবা এটা মনত পৰি পুনৰ দুখোজ দি উভতি গ’ল অমৃতাৰ কাষলৈ।

যন্ত্ৰনা কাতৰ দৃষ্টিৰে সি কিছুদেৰী চাই ৰল তাইৰ কপাল, ডিঙি, ওঁঠত লাগি থকা গভীৰ দাগবোৰলৈ। তাইৰ গাল, কপাল ,ওঁঠত লাগি থকা দাগবোৰে যেন কিবা কৈ উঠিছে অনুৰাগক অস্পষ্টকৈ।

কি? কি কৈছে?

আই চি ইউ’ ৰ মূল দুৱাৰখনৰ সোঁমাজৰ সৰু বৰ্গাকাৰ কাঁচৰ সিপাৰৰ পৰা অনিৰুদ্ধলৈ চাই ৰৈছে বিস্মিত দৃষ্টিৰে অদিতিয়ে .... দুচকুত আশ্চৰ্য লৈ চাই ৰৈছে শ্যামলীয়েও। অনিৰুদ্ধ বৰুৱা নামৰ মানুহজনৰ দুচকুত জিলিকি উঠা চকুপানী স্পষ্টকৈ প্ৰত্যক্ষ কৰিছে দুয়োজনীয়ে।

“বাহ্যিক ৰূপ সামান্য সলনি কৰিলেই মোৰ শৈশৱৰ বন্ধু অনুৰাগক চিনি নাপাম নেকি?”

“অনুৰাগক চিনাত এই জনমত মোৰ কেতিয়াও ভুল হব নোৱাৰে।”

অমৃতাই ডাঠি কোৱা কথাবোৰ অনুৰণিত হৈছে অদিতিৰ মনত। অমৃতাৰ দৃঢ় বিশ্বাসৰ ওপৰত বিশ্বাস আৰু গাঢ় হৈ উঠিছে অদিতিৰ...

.. হয়, অনিৰুদ্ধ বৰুৱাই অনুৰাগ বৰুৱা।

দুচকু সেমেকি উঠিছে তাইৰ। দুখৰ মাজতো এক সুখৰ অনুভূতিয়ে চুই গৈছে তাইক। কিমান গভীৰ আৰু সত্য হব

অনুৰাগ আৰু অমৃতাৰ মাজৰ পৰস্পৰৰ প্ৰতি প্ৰেমানুভূতি!!

অমৃতাই অকণমানো গম পাইছেনে বাৰু? অনুভৱ কৰিব পাৰিছেনে তাই, ..তাইৰ অনুৰাগৰ উপস্থিতি ?

অদিতিয়ে মনে প্ৰাণে কামনা কৰিছে, "অনুৰাগৰ চকুলোৰে তিয়াই তোলক অমৃতাৰ হৃদয় ... জগাই তোলক নিদ্ৰাৰত অমৃতাক।"

শ্যামলীৰ বাবে ৰহস্যবোৰ যেন আৰু অধিক ৰহস্যময় হৈ উঠিছে।

কিমান গভীৰলৈ অনিৰুদ্ধ আৰু অমৃতাৰ এই অবৈধ সম্বন্ধ? অদিতিয়ে চাগৈ জানে .. ভাস্কৰ দত্তই জানেনে এই সম্বন্ধৰ কথা?? আত্মহত্যাৰ অপচেষ্টা কিয় কৰিলে অমৃতাই? বিবাহিত হৈও অইন পুৰুষৰ সৈতে অবৈধ সম্বন্ধ ৰখা অমৃতাৰ দৰে স্বাৰ্থপৰ মহিলাই নিজক হত্যা কৰিব খুজিবই বা কিয়?

অদিতিক সুধিব নেকি? তাই নিশ্চয় জানে সকলো কথা। নাই , নাই । তাই অনিৰুদ্ধৰ মুখেৰে শুনিবলৈ খোজে কথাবোৰ।

অজ্ঞান, চেতনালুপ্ত মানুহজনীৰ মুখখনলৈ ঘৃণাৰ দৃষ্টিৰে চাব খুজিছে তাই। ...কিন্তু কিয় জানো ঘৃণাৰ সলনি এক অদ্ভুত অনুভূতিয়েহে আৱৰি ধৰিছে তাইক.... অদ্ভুত মায়াময় মানুহজনীৰ মুখখনি।

"সেইকাৰণেই চাগৈ এই মানুহজনীৰ জালত পৰিল মোৰ অনিৰুদ্ধ"

মনতে ভাৱিলে শ্যামলীয়ে।

লিফ্‌টৰ দুৱাৰ খুলি ওলাই আহিছে ভাস্কৰ। অদিতিক হস্পিটেলত কিছুসময় থাকিবলৈ অনুৰোধ কৰি ফ্লেটলৈ সি ঘূৰি গৈছিল। ফ্লেটত ঘূৰি গৈয়েই সি অকণো জিৰনি নোলোৱাকৈ, ৰাতিৰ কাপোৰ কানি নোখোলাকৈয়ে বিচাৰি ফুৰিছিল...প্ৰতিটো ৰুম, টেবুল, দ্ৰয়াৰ, ৱাৰড্ৰৱ সকলো তন্ন তন্নকৈ বিচাৰি চলাথ কৰিছিল ... এঘন্টা ধৰি বিচাৰ খোচাৰ কৰাৰ পিছত আশ্বস্ত হৈছিল সি।

তাক ফচাবলৈ চুইছাইড নোট লিখি থোৱা নাই অমৃতাই। অৱশ্যে তাৰ বিশ্বাস আছে অমৃতাৰ ওপৰত। তাইৰ তেনেকুৱা মানসিকতা নাই।

তাৰপিছতেই খৰধৰকৈ ৱাশ্বৰুমত সোমাই ফ্ৰেছ হৈ কাপোৰ কানি সলাই পুনৰ ঘূৰি আহিল হস্পিটেললৈ। ক'বতো নোৱাৰি। দেৰিকৈ আহিলেও অৱহেলা কৰা বুলি সন্দেহৰ দৃষ্টিৰে চাব সকলোৱে।

অনিচ্ছা সত্ত্বেও এবাৰ অমৃতাক চাওঁ বুলি সোমাবলৈ লওঁতেই আই চি ইউ' ৰ দুৱাৰমুখত তাৰ মুখামুখি হ'ল অনিৰুদ্ধ বৰুৱাৰ সৈতে।

প্ৰথমতে দুচকুত বিস্ময় ...পিছমুহূৰ্ততে সেই বিস্ময় খঙত পৰিৱৰ্তিত হৈ পৰিল। এক ধৰণৰ আক্ৰুশত হিংস্ৰ হৈ উঠিল ভাস্কৰৰ ডাঙৰ চকুহাল।

ঃ মিষ্টাৰ বৰুৱা, আপুনি ইয়াত অহাৰ কাৰণ মই জানিব পাৰিমনে?

ঃ নিশ্চয় পাৰিব ...আপোনাৰ পত্নী, মিছেছ অমৃতা দত্তক চাবলৈ আহিছোঁ। আৰু সদায় আহিম।

কম বুলিয়েই ক'লে সি কথাষাৰ। কিয় জানো ভাস্কৰ দত্ত নামৰ মানুহজনৰ প্ৰতি খং, বিতৃষ্ণা, সন্দেহ উথলি আহিছে অনিৰুদ্ধৰ মনত।

আত্মহত্যাৰ অপচেষ্টা অমৃতাই নিশ্চয় এনেই কৰা নাই। ভাস্কৰ দত্তৰ বাহিৰে আৰু কিবা কাৰণ হব পাৰে নেকি?

ঃ মিষ্টাৰ বৰুৱা....

অত্যন্ত খঙত গৰজি উঠিল ভাস্কৰ। খঙীয়াল মুখখন অতিশয় বিকৃত দেখা গৈছে।

ঃ এক্সকিউজ মি। প্লিজ মেইনটেইন চাইলেন্স।

ৰুক্ষ সুৰত কৈ আই চি ইউ' ৰ দুৱাৰমুখত থিয় হৈ থকা গাৰ্ডজন ওলাই আহিল।

ভাস্কৰে এপলক জুই বৰষা দৃষ্টি অনিৰুদ্ধ বৰুৱালৈ নিক্ষেপ কৰি 'তোক চাই লম' ভংগীত সোমাই গ'ল ভিতৰলৈ।

(১৮)

ঃ অমৃতাই চাগৈ ঠিকেই কৈছিল .... । আপুনিয়েই অনুৰাগ বৰুৱা... নহয়নে বাৰু ?

আই চি ইউ' ৰ কৰিডৰত অদিতিৰ নিম্ন স্বৰত পোনপটীয়াকৈ সোধা প্ৰশ্নত ক্ষন্তেকৰ বাবে নিশ্চুপ হৈ পৰিল অনিৰুদ্ধ বৰুৱা। নিজৰ দুই আঁঠুৰ ওপৰত হাতৰ কিলাকুটিৰে ভেঁজা দি মুখখন ঢাকি ধৰিলে সি দুয়োহাতেৰে। বহু পৰ তেনেদৰেই বহি ৰ'ল সি।

অদিতিয়ে লক্ষ্য কৰিলে, মানুহজনৰ নাক মুখ ৰঙা হৈ পৰিছে।

কিছুক্ষণৰ পিছত নিজেই প্ৰকৃতিষ্ঠ হল সি।

ঃ অমৃতাৰ ভুল হ'ব নোৱাৰে। ময়েই .... ময়েই অনুৰাগ বৰুৱা।

খুব লাহে লাহে স্বীকাৰোক্তি দিয়াৰ দৰে ভঙা ভঙা কণ্ঠৰে কৈ গল সি।

ঃ মই বিৰাট ডাঙৰ ভুল কৰিলো মিছেছ শইকীয়া।...বিৰাট ডাঙৰ ভুল।

কান্দোনৰ দৰে শুনা গৈছে তাৰ মাতষাৰ।

অনিৰুদ্ধ বৰুৱাৰ কঠিন খোলাটো ক্ৰমান্বয়ে গলি গলি নিঃশেষ হৈ পৰিছে... আৰু তাৰ ঠাইত অদিতিৰ সন্মুখত বহি ৰৈছে মাথো অনুৰাগ বৰুৱা।

ঃ বিৰাট অন্যায় সহ্য কৰি আহিছে তাই গোটেই জীৱন ।

অদিতিৰো চকুহাল সেমেকি আহিছে অজানিতে।

অদিতিৰ কথা শুনি দুচকুত প্ৰশ্নবোধক চাৱনি লৈ চাই ৰৈছে অনুৰাগে তাইৰ সিক্ত চকুযুৰীলৈ।

নিম্নস্বৰত অদিতিয়ে কৈ গৈছে ভাস্কৰৰ সৈতে অমৃতাৰ যন্ত্ৰণাক্লিষ্ট অধ্যায়বোৰ ...

অদিতিয়ে কৈ গৈছে শাৰীৰিক অত্যাচাৰত যন্ত্ৰণাত নীলা হৈ পৰা অমৃতাৰ কথা, ডিপ্ৰেছনত ভুগি নিদ্ৰাহীন নিশাবোৰত ক্ষণ, পল গণি থকা অসহায় অমৃতাৰ কথা...ভাস্কৰৰ অত্যন্ত খঙাল ,অত্যাচাৰী স্বভাৱটোৰ আগত মৰহি পৰা ফুল এপাহিৰ দৰে হৈ উঠা মানুহ জনীৰ কথা, ভাস্কৰৰ তলত কটাবলৈ বাধ্য হোৱা পৰাধীন জীৱনটোৰ কথা...।

অত্যন্ত অন্তৰ্মুখী স্বভাৱৰ অমৃতাই মাথো দুখ সহ্য কৰিব জানে। কিন্তু অন্তৰৰ দুখ, খং, বেদনাৰ বৰ্হিপ্ৰকাশ ঘটাব নাজানে।

কথাবোৰ কৈ যাওঁতে দুচকুৰ পতা সেমেকি উঠিছে অদিতিৰ ....।

আৰু ক্ষণে ক্ষণে তলমূৰ কৰি ৰুমালেৰে চকু মোহাৰিছে সি... হয়তো কান্দিছে।

ঃ ইমান কষ্ট সহ্য কৰি আছিল মোৰ অমৃতাই!!

ভাস্কৰ দত্তক মই ...

হঠাতে ডাঙৰ হৈ অহা তাৰ কম্পিত মাতষাৰ শুনি বাকী পেচেণ্ট'ৰ এটেনডেন্ট বোৰে কৌতুহলৰ দৃষ্টিৰে ঘূৰি ঘূৰি চাইছে। অদিতিয়ে নিজৰ তৰ্জনী আঙুলি ওঁঠত থৈ অনুৰাগক শান্ত হবলৈ ইংগিত দিছে ।

অদিতিৰ মুখত দুখৰ মাজতো বিয়পি উঠিছে সুখৰ ৰেখা।

'আস' তুমি শুনিছানে অমৃতা ... ?? তুমি এতিয়াও অনুৰাগৰ অমৃতা। সময়ৰ সোঁতত...অতীতৰ বুকুত বিলীন হৈ যোৱা নাই তোমাৰ আৰু অনুৰাগৰ প্ৰেম।কিমান সত্য, কিমান সুন্দৰ এই প্ৰেম!!

শ্ৰদ্ধাত মূৰ দোঁ খাই গৈছে অদিতিৰ।

বুকুৰ ভিতৰত দপদপকৈ জ্বলি উঠা জুইকুৰাৰ উত্তাপ দুচকুলৈ বিয়পি পৰিছে অনুৰাগৰ। খঙত, দুখত চটফটাই উঠিছে সি। কঠিন হৈ আহিছে হাতৰ মুঠি, ....মুখভঙ্গী।

কিয়? কিয়?

কেনেকৈ সি ভাৱিব পাৰিলে যে অমৃতাৰ দৰে কোমল অন্তৰৰ ছোৱালী এজনীয়ে ভাস্কৰ দত্তৰ দৰে এজন ভোগসৰ্বস্ব মানুহৰ লগত সুখী হব পাৰিব বুলি?

কিয় এবাৰো তাৰ মনলৈ নাহিল, যে অমৃতা ভীষণ অসুখী হব পাৰে নিজৰ জীৱনত... তাইৰ শৈশৱৰ বন্ধু অনুৰাগৰ অবিহনে!!

কিয়? কিয়?

হাজাৰ কিয়'ই জোৰাৰ তুলিছে অনুৰাগৰ অন্তৰত। উত্তৰবিহীন প্ৰশ্নবোৰৰ সন্মুখীন হৈ অনুতাপত দগ্ধ হৈ উঠিছে তাৰ সমগ্ৰ।

মনলৈ আহিছে শীতৰ সেই নিশাৰ স্মৃতি....তাৰ বুকুৰ উমত ৰক্তিম হৈ উঠা মুখখনি, তাইৰ দুচকুৰ নীৰৱ কাতৰ আহ্বান, সেই আকুল দৃষ্টি ....

ভাঁহি আহিছে তাই কোৱা কথাবোৰ

" মোক একো নালাগে অনুৰাগ। মোক মাথো তোক লাগে।"

আস্'

নিজৰ সোঁহাতখনেৰে বুকুখনত হেঁচা মাৰি ধৰিলে সি। কিয় সি উপেক্ষা কৰিলে অমৃতাৰ সেই আকুল আহ্বান ? কিয় সি অমৃতা আৰু তাৰ মাজত থকা নিষ্পাপ মৰম, ভালপোৱাক ভাস্কৰৰ আভিজাত্যৰ আগত হীন বুলি ভাবি ল'লে??

ঃ মিষ্টাৰ বৰুৱা। ধৈৰ্য্য ধৰক।

এগিলাচ ঠাণ্ডা পানী অনুৰাগলৈ আগবঢ়ালে অদিতিয়ে। ঠাণ্ডা পানীখিনি ঘুতঘুতকৈ গিলি থলে সি। কিজানিবা অনুতাপত বুকু দহি নিয়া সেই উত্তপ্ত অনুভূতিৰ পৰা অকণমান ৰক্ষা পায় সি!!

ঃ এতিয়া মোৰ মনলৈও যথেষ্ট সাহস আহিছে আপোনাক দেখি। এতিয়া আৰু অমৃতা অকলশৰীয়া নহয়।

ঃ ....

ঃ ভাস্কৰ দত্তক শাস্তি আপুনিয়েই দিয়াব লাগিব। মই সহায় কৰিম যিমান পাৰোঁ। এতিয়া অমৃতাৰ অনুৰাগ....

কিবা কবলৈ লৈও ৰৈ গ'ল তাই।

সন্মুখৰ দীঘল কৰিডৰটোৰ পৰা আগুৱাই আহি আছে শ্যামলী।

অদিতিয়ে বুজি পাইছে, কিবা নিশ্চয় গভীৰ কাৰণ আছে, যাৰবাবে অনুৰাগ বৰুৱাৰ পৰিৱৰ্তন হৈছে অনিৰুদ্ধ বৰুৱালৈ। এইখন সমাজত এতিয়া তেওঁৰ পৰিচয় মাথো অনিৰুদ্ধ বৰুৱা ৰূপেহে। গতিকে তাই সাৱধান হোৱা উচিত যাতে তাইৰ মুখেৰে এই কথা কেতিয়াও বাহিৰ নহয়।

ঃ অফিচৰ পৰা ফোন এটা আহিছিল ....

ঃ তুমি যোৱাগৈ শ্যামলী।

শ্যামলীলৈ মূৰ তুলি নোচোৱাকৈয়ে ক'লে সি।

ঃ আৰু তুমি??

ঃ মই .... মই ইয়াতেই থাকিম।

ঃ তুমি জানো ইয়াত থাকি কষ্ট নাপাবা অনিৰুদ্ধ দা?

ঃ কষ্ট.... ?? কষ্ট কিহৰ বাবে? তুমি যোৱাগৈ। মই ইয়াতে থাকিম।

গম্ভীৰ স্বৰত কোৱা কথাষাৰ শুনি আৰু কথা আগবঢ়াবলৈ সাহস নহল শ্যামলীৰ।

ভালকৈ বুজিব পৰা নাই শ্যামলীয়ে। গভীৰ ৰহস্যলৈ যেন সোমাই পৰিছে কথাবোৰ। অনিৰুদ্ধৰ অস্থিৰ, আকুল মনস্থিতি ধৰিব পাৰি তাই মনত জাগ্ৰত হোৱা প্ৰশ্নৰ বান এৰিবলৈ কুণ্ঠাবোধ কৰিছে।

অনিৰুদ্ধই মন কৰা নাই কিন্তু অদিতিয়ে মন কৰিছে .... শ্যামলীৰ ধুনীয়া কজলা চকুযুৰীত দুটোপাল চকুলো জ্বলমলাই উঠিছে ।

'অকে দেন' বুলি কৈ দীঘল দীঘল খোজ দি আঁতৰি গল দীৰ্ঘাঙ্গী ছোৱালীজনী। অদিতিয়ে চাই ৰল, শ্যামলী কৰিডৰটোৰ এটা চুকত নোহোৱা হৈ যোৱালৈকে।

ভাস্কৰ দত্তই শাস্তি পোৱা উচিত। তেওঁ দোষী। তেওঁ শাস্তি নোপোৱালৈকে মই শান্তিত থাকিব নোৱাৰিম।

হঠাতে কৈ উঠিল অনুৰাগে।

ঃ কিন্তু সেয়া সম্ভৱ হব যদিহে অমৃতা ঠিক হয়।

তাই নিজেই পুলিচৰ আগত ষ্টেটমেণ্ট দিব পাৰিব লাগিব । ভাস্কৰ দত্তক শাস্তি প্ৰদান কৰাবলৈ উপযুক্ত প্ৰমাণৰ

অভাৱ। তাতেই আৰু বেছিকৈ সহজ হৈ পৰিছে ভাস্কৰৰ বাবে। কাৰণ আগৰেপৰাই ডিপ্রেছনত ভুগি থকা বুলি ডাক্তৰ তৃশা কুপ্লীকাৰৰ ওচৰত চিকিৎসাৰত হৈ আছিল তাই।

অত্যন্ত মনোযোগেৰে কথাবোৰ শুনি কিছুদেৰী নিশ্চুপ হৈ ৰল  অনুৰাগ ।

অসহায় অনুভৱ কৰিছে সি।

ভাস্কৰ দত্তৰ  অধিকাৰ নাই  অমৃতাৰ জীৱন কাঢ়ি লোৱাৰ.... অমৃতাৰ আশে পাশেও এই দৈত্যৰ উপস্থিতি আৰু সহ্য কৰিব নোৱাৰে সি। কিবা কৰিব লাগিব সি ।

কিন্তু কি ? কেনেকৈ?

হঠাতে তাৰ কিবা এটা মনলৈ আহিল।

অমৃতাই ষ্টেটমেণ্ট দিব নোৱাৰিলেও একো নাই। তাইৰ শৰীৰত লগা দাগবোৰে ষ্টেটমেণ্ট দিব।

ঃ মিছেছ শইকীয়া আপুনি অকণমান আহিব নেকি মোৰ লগত ?

ঃ চিঅৰ।

বিনাপ্রশ্নই অদিতি বহাৰ পৰা উঠি আহিল।

অনুৰাগ আৰু অদিতি দুয়ো ডাক্তৰ চেতন মিশ্ৰৰ কেবিন অভিমুখে খোজ আগবঢ়ালে।

ভাস্কৰ দত্তই হুৰমুৰাই সোমাই আহোঁতেই হস্পিটেলৰ কৰিডৰত মুখামুখি হল অনিৰুদ্ধৰ সৈতে। কিছুপৰ দুয়ো দুয়োলৈ জ্বলন্ত দৃষ্টিৰে চাই ৰ'ল।

ঃ আপুনি ইয়াত পুনৰ আহিছে .... কিয়? মোৰটো আপোনাৰ সৈতে বিশেষ সম্বন্ধ নাই। মোৰ পত্নীৰ লগত আপোনাৰ ইমান গভীৰ সম্বন্ধ কেনেকৈ হ'ল ?

ভাস্কৰৰ ৰঙা চকুহালত  জিলিকি উঠিছে জান্তৱ হিংস্ৰতা.... ধাতৱ শিতলতা।

নিচাগ্রস্ত জিভা।

শীতল দৃষ্টিৰে কিছুদেৰী অনুৰাগে চাই ৰ'ল ভাস্কৰৰ মুখলৈ। আইন শৃংখলা নামৰ সকলো কথা পাহৰি ভাস্কৰক উধাই মুধাই ঘুছিয়াবলৈ প্রচণ্ড ইচ্ছা এটা জাগি উঠিছে তাৰ মনত ।

আভিজাত্যৰে ভৰপূৰ অনিৰুদ্ধ বৰুৱাৰ কৃত্রিম পোছাক খুলি দলিয়াই উন্মুক্ত হ'ব খুজিছে অৰণ্যৰ অনুৰাগ ... বহুবছৰ আগতেই উগ্ৰপন্থী সংগঠনত যোগ দিয়া অনুৰাগৰ সেই জঘন্য ৰূপ। স্থিৰ দৃষ্টিৰে অনুৰাগে চাই ৰল ভাস্কৰ দত্তৰ কপালৰ মধ্যবিন্দুলৈ .... এইমুহূর্তত তাৰ খুব মনত পৰিছে অৰণ্যৰ সংগী তাৰ হাতৰ বন্দুকটোলৈ।

ঃ আপোনাৰ পত্নী ইয়াত জীৱন মৃত্যুৰ সন্ধিক্ষণত ... আৰু আপুনি মদ খাই আহিছে মিষ্টাৰ দত্ত?

ঃ ... মদ খোৱা নোখোৱাতো মোৰ ইচ্ছাৰ কথা।

তাত আপোনাৰ মাত দিয়াৰ প্রয়োজন নাই। মোক মাত্র কওক আপুনি ইয়াত কি কৰিছে??

ঃ কি কৰিছে মানে? আপুনি দেখা নাই নেকি? অমৃতাৰ শুশ্ৰূষা কৰিবলৈ আহিছোঁ। মই ইয়াতেই থাকিম। অমৃতাৰ শুশ্ৰূষা কৰিম। তাই জী উঠিব লাগিব। আৰু এই কাম কৰাত কোনোবাই যদি মোক বাধা দিয়ে মই তাক দূৰ কৰি দিবলৈ অকণো কুণ্ঠাবোধ নকৰিম।

কিছুদেৰী নিচাগ্রস্ত চকুহালেৰে চাই ৰ'ল সি অনিৰুদ্ধ বৰুৱাৰ স্থিৰ, দৃঢ় মুখখনলৈ।

ঃ শুশ্ৰূষা মাই ফুট। শুশ্ৰূষা কৰিবলৈ ডক্তৰ আৰু নাৰ্ছৰহে প্রয়োজন..। আৰু কিবা লাগিলে মইতো আছুৱেই।

দোৱোল খোৱা জিভাৰে কৈ উঠিল সি।

ঃ দেখিছোঁ। বুজিছোঁ। কিমান কেয়াৰ লৈছে আপুনি নিজৰ পত্নীৰ।

কঠিন হৈ আহিছে অনুৰাগৰ মুখভঙ্গী। তাৰ মন গৈছে ভাস্কৰক চোঁচৰাই গতিয়াই উলিয়াই দিবলৈ।

ঠিক তেনেতে দুজন খাকী বৰ্ডিধাৰী পুলিচ  সোমাই আহিল।

ঃ মিষ্টাৰ ভাস্কৰ দত্ত। আপুনি আহক আমাৰ লগত।।

হিন্দীতে অত্যন্ত কঠিন ভংগীত কৈ উঠিল অলপ শকত আৱত পুলিচ জন।

পুলিচ দেখি ভয়ত ঘামি উঠিল ভাস্কৰ। আকৌ কিয় বা মাতিছে ? তাৰ বিৰুদ্ধে কিবা প্ৰমাণ পোৱা নাইতো?? চুইছাইড নোট লিখি থোৱা নাই অমৃতাই। কিন্তু প্ৰমাণ অইন কৰবাত এৰি গৈছে নেকি তাই?? এই.... এই অনিৰুদ্ধ বৰুৱাৰ হাতত।

ঃ ক'লৈ?

কম্পিত কণ্ঠৰে সেপ ঢুকি সুধিলে সি। তীক্ষ্ণ দৃষ্টিৰে চাই ৰল অনুৰাগে।

ঃ প্ৰশ্ন বেছি নুসুধিব। প্ৰশ্ন সোধা পুলিচৰ কাম। আপুনি যাওকচোন এওঁলোকৰ লগত ।

ভাস্কৰ দত্তই এবাৰ অনিৰুদ্ধ বৰুৱালৈ ,আনবাৰ পুলিচ দুজনৰ মুখলৈ সন্দেহৰ দৃষ্টিৰে চাইছে। অনিৰুদ্ধ বৰুৱাৰ গহীন মুখখনত যেন স্পষ্ট হৈ উঠিছে বিষাদ পূৰ্ণ ,কটাক্ষ ভৰা হাঁহি।

কিবা যেন গভীৰ ষড়যন্ত্ৰ কৰিছে অনিৰুদ্ধ বৰুৱাই।

পুলিচ দুজনে ভাস্কৰক একো কথা কোৱাৰ অৱকাশ নিদিয়াকৈ অইন এটা কোঠালৈ লৈ গল। সেই কোঠাত ইতিমধ্যে ডক্তৰ চেতন মিশ্ৰ, অদিতি শইকীয়া আৰু এগৰাকী নাৰ্ছ উপস্থিত আছিল।

অমৃতাৰ স্বামী ভাস্কৰ দত্তক পুলিচে এৰেষ্ট কৰি লৈ গৈছিল।

তেওঁৰ ওপৰত গুৰুতৰ আৰোপ দিয়া হৈছিল .... বহু বছৰ ধৰি নিজৰ পত্নীক শাৰীৰিক পীড়া আৰু মানসিক অত্যাচাৰ কৰি আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা , লগতে নিজৰ পত্নীক ধৰ্ষণ কৰা যাক কোৱা হয় “মেৰাইটেল ৰেপ”।

অমৃতাই পুলিচৰ আগত ষ্টেটমেণ্ট দিব নোৱাৰিলেও ভাস্কৰ দত্তৰ বিৰুদ্ধে সাক্ষ্য দিছিল অমৃতাৰ ঘনিষ্ঠ বান্ধৱী অদিতিয়ে।

ডক্তৰ চেতন মিশ্ৰ আৰু ৰেছিডেন্ট ফিজিছিয়ান ডক্তৰ অবন্তিকাই দিয়া ফিজিকেল একজামিনেছন ৰিপোৰ্ট টোও এই ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ল।

ফিজিকেল একজামিনেছনত ধৰা পৰা অমৃতাৰ শৰীৰৰ গোপন অংগবোৰত লগা অসংখ্য সৰু ,বৰ দাঁতৰ দাগবোৰ ভাস্কৰে দিয়া শাৰীৰিক অত্যাচাৰৰ স্বাক্ষৰ স্বৰূপ আছিল। খং, দুখ, যন্ত্ৰনাত অনুৰাগে সকলো পাহৰি ভাস্কৰ দত্তৰ ডিঙিত খামুচি , ৱালত ঠেকেচি ধৰি এখন হাতেৰে উপৰ্যপুৰি প্ৰচণ্ড ঘোচা মাৰিছিল নাকে মুখে । পুলিচ , সুৰক্ষা গাৰ্ড , সকলো মিলি কোনোমতে ভাস্কৰ দত্তক অনুৰাগৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল।

অনুৰাগৰ সেই জ্বলন্ত ৰূপ দেখি নিৰ্বাক হৈ পৰিছিল শ্যামলী আৰু অদিতি।

ভাস্কৰ দত্ত এৰেষ্ট হোৱাৰ পিছত অনুৰাগে দিনে নিশাই হস্পিটেলত থাকি অমৃতাৰ লগত লাগি থাকিছিল । অমৃতাৰ সকলো দায়িত্ব সি মূৰ পাতি লৈছিল। অমৃতা আৰু শ্যামলী ও অনুৰাগক পূৰ্ণ সহযোগ কৰিছিল।

চেতনাহীন অমৃতাৰ চেঁচা হাত দুখন নিজৰ হাতৰ মুঠিৰ উমত আৱদ্ধ কৰি বহু সময় ধৰি কথা পাতে সি... ক্ষমা খোজে , শৈশৱৰ স্মৃতি ৰোমন্থন কৰে।

অনুৰাগে অকলে অকলে আত্মবিভোৰ হৈ কৈ যায় ... আধুনিকতাৰ প্ৰভাৱ ভালকৈ নপৰা এৰি অহা গাঁৱখনৰ কথা ...গাঁৱখনৰ পৰা দেখা পোৱা দূৰৈৰ সেউজীয়া পাহাৰ, পাহাৰৰ বুকুত ডুব যোৱা পশ্চিমৰ সোণোৱালী বেলি , গাঁৱৰ সেউজীয়া পথাৰ, পথাৰৰ বোকা, বৰষুণ , শাওনত বাঢ়ি অহা মৰমৰ নদীখনৰ কথা, দীঘলীয়া উকি দি যোৱা ৰেলগাড়ীখনৰ পিছে পিছে দৌৰি যোৱা অতীতৰ সুমধুৰ স্মৃতি.... শৈশৱৰ সেই খেল ধেমালি....সকলো।

মোহাচ্ছন্ন হৈ অদিতি আৰু শ্যামলী দুয়ো শুনি ৰয়, অপলক নেত্ৰে চাই ৰয়....অনুৰাগৰ গহীন মুখখনলৈ , গম্ভীৰ চকুহাললৈ।

স্বপ্নাছন্ন হৈ নিজৰ নিজৰ কল্পনাৰ দৃষ্টিৰে দুয়োজনীয়ে বিচৰণ কৰে অনুৰাগ আৰু অমৃতাৰ সেউজীয়া গাঁওখনত, সেই গাঁৱৰ বোকা, পথাৰ, গছ বিৰিখৰ লগত .... কল্পনাৰ নদীখন যেন দুচকুৰ আগত বৈ যায় নিৰৱচ্ছিন্নভাৱে . .আৰু কল্পনাতে দেখা পায় সেই নদীৰ গৰাত বহি থকা অকৃত্ৰিম এহাল কিশোৰ কিশোৰী... অনুৰাগ আৰু অমৃতা।

জীৱনত যে পোৱাতকৈ নোপোৱাহে বেছি, অনুভৱ কৰে দুয়োজনীয়ে।

অনুভৱ কৰে অমৃতা আৰু অনুৰাগ যে সঁচাই ভাগ্যশালী ... কিমান জনৰ জীৱনত নো প্ৰকৃত প্ৰেম আহে!! অমৃতা আৰু অনুৰাগৰ দৰে প্ৰকৃত গভীৰ প্ৰেমৰ অমিয় মৌ ৰস পান কৰা সৌভাগ্য কিমান জনৰ কপালতনো থাকে??

নাই .. অন্তত অদিতিৰ নাই , শ্যামলিমাৰ নাই....।।

উৰন্ত সময় .... আৰু দুৰন্ত তাৰ গতি।

আৰু তেনেকৈয়ে সময়ৰ গতিত ..প্ৰতিটো ক্ষণ, প্ৰতিটো পল, মুহূৰ্ত, পলকতে অতীতৰ বুকুত লীন হয় যায়।

অমৃতা আই চি ইউ'ত এডমিট হোৱাৰ পিছৰপৰা এমাহ পূৰ হবলৈ মাজত আৰু দুটামান দিন বাকী মাত্ৰ ।

ঠিক সেই কেইটা দিনতে অনুৰাগ কাষত বহি থাকোতেই অমৃতাৰ দুচকুৰ পতা সঘনাই লৰি উঠিছিল, দুৰ্বল হাতৰ আঙুলিবোৰ লৰচৰ কৰিছিল, কঁপি উঠিছিল শেঁতা ওঁঠযুৰী ।

অনুৰাগৰ যেন নিজৰ দুচকুৰ ওপৰতেই বিশ্বাস হোৱা নাছিল। লৰৰি গৈ সি মাতি আনিছিল কৰ্মৰত নাৰ্ছ, ডক্তৰসকলক।

ডক্তৰে পৰীক্ষা কৰিছিল । ৰেছিডেন্ট লেডী ডঃ গৰাকীৰ মুখতো বিয়পি উঠিছিল এটি আনন্দৰ হাঁহি।

হয়... অমৃতা আৰু অজ্ঞান হৈ থকা নাই।

আনন্দত উত্ৰাৱল হৈ উঠিছিল অনুৰাগ সৰু লৰাৰ দৰে।

পেছেন্ট কেয়াৰ টিমটোৰ অহৰহ প্ৰচেষ্টাত অমৃতাই চেতনা ঘূৰাই পাইছিল যদিও শৰীৰ অত্যন্ত দুৰ্বল। মুখ ফুটাই একো কৈ উঠা নাই তাই ... কিন্তু দুচকুত বিষাদ স্পষ্ট।

অত্যন্ত দুৰ্বল দৃষ্টিৰে তাই মাথো আচৰিত হৈ চাই ৰৈছিল অনবৰতে তাইৰ আশে পাশে ঘূৰি তাইৰ লগত লাগি থকা অনুৰাগলৈ। সপোন সপোন যেন লাগিছিল তাইৰ সকলো।

সঁচাই অনুৰাগ নে?

নিজকে দোষী দোষী অনুভৱ কৰিছিল তাই। অনুৰাগৰ ওচৰত লাজো লাগিছিল। অনুৰাগে হয়তো তাইক এতিয়া পুতৌৰ দৃষ্টিৰে চাব।

ঃ মোক মৰিবলৈ এৰি নিদিলি কিয়?

অস্পষ্ট ক্ষীণ কণ্ঠৰে আক্ষেপ কৰিছিল অমৃতাই।

ঃ লগতে মোকো মাৰি নিব পাৰিবিনে? যদি পাৰ তেতিয়াহলে মৰিবলৈ দিম। আমি দুয়ো একেলগে মৰিম। একেলগে মৰিলেহে একেলগে আকৌ জনম লম।

ঃ ....

ঃ অহা জনমত আৰু এই বাৰৰ দৰে ভুল নকৰো মোৰ সোণ।"

গভীৰ দৃষ্টিৰে তাইৰ দুচকুত নিজৰ চকু থৈ কৈছিল সি অত্যন্ত আৱেগেৰে। সজল দৃষ্টিৰে চাই ৰৈছিল তাই অনুৰাগৰ চকুহাললৈ। সেই চকুহালৰ পৰা নিগৰি অহা মৰমৰ উত্তাপ অনুভৱ কৰিছে তাই। অনুৰাগৰ দুচকুৰ সেই সুগভীৰ দৃষ্টি, গুৰুগম্ভীৰ আৱেগিক কণ্ঠস্বৰ , তাৰ দুহাতৰ মুঠিত আৱদ্ধ তাইৰ নিজৰ হাতখন.. সেই হাতখনেদি তাইৰ শৰীৰলৈ প্ৰৱেশ কৰা তাৰ কলিজাৰ উত্তাপে.... চুই গৈছিল তাইক।

চুই গৈছিল তাইৰ অন্তৰাত্মা ।

আৰু দুনাই অনুৰাগৰ আগত নিজৰ মৃত্যুইচ্ছাৰ কথা কবলৈ আৰু তাইৰ সাহস হোৱা নাছিল।

অমৃতা ভালকৈ সুস্থ হৈ উঠাৰ পিছত তাইক ডীলাক্স কেবিন এটালৈ শ্বিফ্‌ট কৰা হল। কেবিনলৈ শ্বিফ্‌ট কৰাৰ দিনা অনুৰাগে হাঁহিমুখেৰে নিজহাতেৰে আই চি ইউ'ৰ সমূহ ষ্টাফক বিলালে কেইবাবিধো মিঠাই। চকুৰে মুখে জিলিকি উঠিছে আনন্দৰ ৰেখা।

অদিতি আৰু শ্যামলী, দুয়ো অপলক নেত্ৰে চাই ৰৈছে অনুৰাগলৈ। অনুৰাগৰ মনৰ স্ফূৰ্তি , উচ্চাহ বিয়পি পৰিছে সমগ্ৰ মুখমণ্ডলত , ম্লান পৰি যোৱা মুখখন সতেজ হৈ পৰিছে আনন্দত।

শ্যামলীয়ে মন কৰিছে এইকেইদিনত যথেষ্ট ক্ষিণাইছে অনুৰাগ। কিচকিচিয়া কলা কেঁকোৰা চুলিখিনিও বেছিকৈ অবিন্যস্ত হৈ পৰিছে ... অবিন্যস্ত দাড়ি।

নহ'বনো কিয়?

অদিতিয়ে দেখিছে, শ্যামলীয়ে দেখিছে, আই চি ইউ ৰ সমূহ নাৰ্ছ, ডক্তৰ, টেকনিছিয়ান, চিকিউৰীতি গাৰ্ড সকলোৰেই

দেখিছে কিদৰে অনুৰাগে দিনে নিশাই লাগি থাকি শুশ্রূষা কৰিছে অমৃতাৰ । এইকেইটা দিনত যেন অনুৰাগে নিজৰ বিষয়ে সম্পূৰ্ণ পাহৰিয়েই পেলাইছিল ।

অমৃতা সুস্থ হৈ উঠা দেখি শ্যামলীও সমানে আনন্দ অনুভৱ কৰিছে। অনুৰাগৰ ম্লান হৈ পৰা দুচকু তিৰবিৰাই উঠিছে। সেই দুচকুৰ অপূৰ্ব উজ্জ্বলতা দেখি শ্যামলীয়ে মনত অনুভৱ কৰিছে অপাৰ আনন্দ। তাই বুজি উঠিছে নিজৰ প্ৰেমাস্পদৰ সুখত সুখ অনুভৱ কৰা...সেয়াই হয়তো প্ৰেম।

নিজৰ মনৰ বাসনা পূৰ কৰিবলৈ তাই ইচ্ছা কৰিও যে স্বাৰ্থপৰ হ'ব নোৱাৰিলে।

কাৰণ তাই জানে, তাইৰ হৃদয়, অন্তৰাত্মাই জানে, তাইৰ প্ৰেম সত্য.. ঠিক যেনেকৈ সত্য এই পৃথিৱী, ইয়াৰ বায়ু, আকাশ, পানী, মাটি।

প্ৰথম এসপ্তাহ তাই কান্দিছিল, খোৱা বোৱা বন্ধ কৰি দিছিল কথাবোৰ জানিব পাৰি। আচৰিত হৈছিল তাই, বিশ্বাস হোৱা নাছিল,...প্ৰচণ্ড অভিমান জাগি উঠিছিল, ... মনত প্ৰশ্ন উদয় হৈছিল, কেনেকৈ অনিৰুদ্ধ বৰুৱা, অনুৰাগ বৰুৱা হব পাৰে! !

এসপ্তাহৰ মূৰত তাই নিজেই ৰব নোৱাৰি হস্পিটেলত পুনৰ উপস্থিত হৈছিল অনুৰাগৰ সন্মুখত। অনুৰাগৰ কষ্ট, দুখ, ম্লান অনুজ্জল মুখ দেখি হতভম্ব হৈ গৈছিল তাই।

অনুৰাগৰ কষ্ট দেখি বুকুখন মুচৰ খাই গৈছিল তাইৰ ... আৰু নিজে নিজেই বুজি উঠিছিল কিমান গভীৰ আৰু নিষ্পাপ অনুৰাগ আৰু অমৃতাৰ মাজৰ সম্বন্ধ।

হৃদয়ৰ একোণত মিহি বিষ এটা এতিয়াও অনুভৱ কৰে তাই প্ৰায়ে।

আৰু তেতিয়াই তাই নিজক বুজায়, তাই যাক ভাল পাইছিল সেয়া আছিল অনিৰুদ্ধ বৰুৱা, বিজিনেছমেন অনিৰুদ্ধ বৰুৱা।

আৰু তাইৰ সন্মুখত এয়া অনিৰুদ্ধ বৰুৱা নহয়... মাথো অনুৰাগ বৰুৱা। আৰু এই অনুৰাগৰ মন, মগজু, হৃদয়ৰ ওপৰত অধিকাৰ মাথো অমৃতাৰ ...।

অমৃতা আৰু অনুৰাগৰ হৃদয় আৰু আত্মাৰ সেই পৱিত্ৰ বন্ধনৰ মাজত কোনো অন্য নাৰীৰ বাবে অনুৰাগৰ অন্তৰলৈ প্ৰৱেশদ্বাৰ নাই।

সেয়ে অনুৰাগৰ অন্তৰত, তাৰ জীৱনত শ্যামলিমাৰ প্ৰৱেশ নিষিদ্ধ। সেয়া তাই বুজি উঠিছে.... আৰু মানি লৈছে হৃদয়ৰ গভীৰৰ পৰা সেই সত্যক।

" ইউ আৰ ভেৰি লাকি ইউ ন'। অনুৰাগে মাথো তোমাক ভাল পায়। মাথো তোমাক অমৃতা।

কিমান মানুহৰ কপালত নো সঁচা প্ৰেম আহে কোৱাচোন ? অনুৰাগ এণ্ড অমৃতা ..জাষ্ট মেদ ফৰ ইছ আদাৰ। এতিয়া তুমি জীৱন জিয়াবই লাগিব ... অনুৰাগৰ বাবে।"

অদিতিয়ে ভেজিটেবল চুপ যতনাই দি অমৃতাৰ কাণে কাণে কৈছিল স্পষ্টকৈ।

অদিতিৰ কথাত কোনো ন যৌৱনা গাভৰুৰ দৰেই লাজত ৰক্তিম হৈ আহিছে তাইৰ দুয়ো গাল।

তাই লুকাই লুকাই হেঁপাহ পলুৱাই চাব ধৰিছে ইটো সিটো কৰি ব্যস্ত হৈ থকা অনুৰাগলৈ।

অমৃতাৰ দুচকুত জ্বলমলাই উঠিছে দুটোপাল চকুলো। অনুৰাগ, অদিতি, শ্যামলীৰ আদৰ সাদৰত তাই অভিভূত হৈ পৰিছে। ধন্যবাদ দিবলৈও ধন্যবাদ যেন এটা তেনেই সৰু শব্দ।

প্ৰথমবাৰ তাই অনুভৱ কৰিছে ইমান কেইটা বছৰৰ পিছত ...

... হয় তাইক ভাল পোৱা মানুহ এতিয়াও আছে এই পৃথিৱীত, যাৰ বাবে তাইৰ জীৱনটো মূল্যবান।

নিজকে ভাস্কৰ দত্তৰ কবলৰ পৰা মুক্ত অনুভৱ কৰিছে তাই। তথাপিও মনত অহৰহ এটা ভয় লাগিয়েই আছে ..এই যেন ভাস্কৰ দত্ত এতিয়াই সোমাই আহিব আৰু .....অপদস্থ কৰিব তাইক..

কথাষাৰ ভাবিলেই সৰ্ব শৰীৰ জিকাৰ খাই ঘামি উঠে তাইৰ।

অনুৰাগৰ মৰম আৰু সাহসত, অদিতিৰ ধমকত লেডী পুলিচ গৰাকীৰ আগত ভয়ে ভয়ে অমৃতাই নিজৰ ষ্টেটমেণ্ট

দিছিল।

ষ্টেটমেণ্ট শুনি অবাক হৈ ৰৈছিল অনুৰাগ।

অমৃতাৰ বুকুৰেদি নিৰ্গত প্ৰতিটো শব্দত যেন মাথো বেদনা নিগৰিছিল। কান্দোনমিশ্ৰিত শব্দবোৰত শব্দ নহয় নিগৰিছিল চকুলো। এটা এটাকৈ কৈ গৈছিল তাই নিজৰ কলংকিত বৈবাহিক জীৱনৰ গোপনৰো গোপন নিভৃততম পৃষ্ঠাবোৰ।

ভীষণ যন্ত্ৰনাত ছাটিফুটি কৰি উঠিছে অনুৰাগৰ হৃদয়, মগজু....সমস্ত শৰীৰ। তেজৰ সোঁত দ্ৰুতৰ পৰা দ্ৰুততৰ হৈ উঠিছে যেন।

অনুভৱ কৰিছে সি... নিজৰ শৰীৰৰ প্ৰতিটো অংগ, অস্থি , মজ্জা শিহৰিত হৈ উঠিছে তাৰ তাই ইমান বছৰে অনুভৱ কৰি অহা যন্ত্ৰণা ৰ কথা শুনি... শৰীৰৰ প্ৰতিটো কোষে কোষে অনুভৱ কৰিছে সি সীমাহীন অসহ্য বিষ।

নিজৰ সোঁহাতখন মুঠি কৰি সজোৰে ঘুছিয়াইছে সি কেবিনৰ পকা ৱালত। অনুশোচনাত ভাঙি পৰিছে সি। তাৰ হাতৰ মুঠিৰ পৰা বৈ পৰা ৰঙা তেজ দেখি দৌৰি আহিছে শ্যামলী।

ঃ শান্ত হোৱা ....প্লিজ শান্ত হোৱা।

শ্যামলীয়ে কটন অকণমান লৈ অত্যন্ত আৱেগেৰে মচি দিছে তেজ বিৰিঙি উঠা ঠাইডোখৰ। কান্দি উঠিছে অনুৰাগ। কান্দি উঠিছে শ্যামলীও।

অবাক হৈ চাই ৰৈছে অমৃতাই অনুৰাগলৈ।

অনুৰাগে আজিও ইমান ভাল পায় তাইক !!!

অনুৰাগৰ ইমান মৰম ভালপোৱা বুকু পাতি, দুহাত মেলি আঁকোৱালি লোৱাৰ অধিকাৰ আছে জানো তাইৰ!! কি পাব অনুৰাগে বিনিময়ত?

মনত সুতীব্ৰ অনুশোচনাৰ ভাৰ জাগি উঠিছে তাইৰ।

তাইটো এপাহি সৰি পৰা মদাৰৰ ফুল...।

......সৌন্দৰ্য্য আছে, কিন্তু পবিত্ৰ কৰ্মৰ বাবে অলাগতিয়াল, অপ্ৰয়োজনীয়।

ষষ্ঠ ইন্দ্ৰিয় যেন সজাগ হৈ উঠিছে ... চিঞৰি চিঞৰি যেন কৈ উঠিছে ।

"এই প্ৰেমৰ ফল মাথো বিষাদ আৰু বিষাদ। সুখ বহু দূৰৈত"

অনুৰাগক অকণমান মৰম কৰিবলৈ মন গৈছে। আলফুলে যেন বেণ্ডেজ লগাই দিব তাৰ হাতত, কিন্তু তাইৰ সাহস হোৱা নাই। মাথো চাই ৰৈছে।

সন্ধিয়া নামি আহিছে।

কেবিনত নীৰৱে ৰৈছে অমৃতা, অনুৰাগ, আৰু শ্যামলী । অদিতি নিজৰ ঘৰলৈ গৈছে।

তিনিওৰে মনত সংমিশ্ৰিত অনুভূতি....এফালে বিষাদ , আনফালে আনন্দ...

..... মাথোঁ প্ৰেমৰ বাবে.... ।।

মাথোঁ প্ৰেমৰ বাবে....

(১৯)

অনুৰাগে মুগ্ধ দৃষ্টিৰে আঁৰ চকুৰে চাই ৰৈছে অমৃতালৈ।

অমৃতাই এখন বাৰ্গেন্দী ৰঙৰ একৰঙী প্লেইন শাৰী পিন্ধিছে, লগতে মেটছিং সোণালী ৰঙৰ ব্লাউজ। বাৰ্গেন্দী ৰঙৰ আৱৰণত আবৃত হৈ বেছিকৈ মোহনীয় হৈ পৰিছে তাইৰ সোণ বৰণীয়া মুখখনৰ ৰং। ককাললৈ বৈ পৰা কৃশকেশ ঢিলাকৈ গুঠা এটি দীঘলীয়া পৰিপাটি বেণীত আৱদ্ধ। সোঁমাজৰ সেউতাত অকণমান সেন্দূৰ জিলিকি ৰৈছে। প্ৰসাধনবিহীন চিন্তাক্লিষ্ট মুখখনৰ উজ্জ্বলতা সামান্য কমি আহিলেও সৌন্দৰ্য্য অটুট।

সেই মুখখনিত লাগি থকা সকলো চিন্তা বিষাদৰ ৰেশ আজুৰি নাইকিয়া কৰিব পৰা হ'লে...!!

পৃথিৱীৰ সমস্ত সুখ, আনন্দ ঢালি দিব পৰা হলে !!

অমৃতাৰ পৰা দৃষ্টি আঁতৰাই সি গাড়ীৰ খিৰিকীৰে বাহিৰৰ সাগৰখনলৈ চাই ৰল।

সাগৰৰ বুকুত প্ৰচণ্ড জোঁৱাৰ উঠিছে।

এই জোঁৱাৰ অনুৰাগৰ হৃদয়ত উঠা অনুভূতিৰ সুতীব্ৰ জোঁৱাৰ টোৰ দৰেই।

যিমানেই অমৃতাৰ দুচকুলৈ, তাইৰ মুখখনিলৈ চায় সিমানেই অনুভূতি বোৰ তোলপাৰ লগায়... ।

... বাধা দিয়া কঠিন। অনুৰাগৰ চকুত পৰিল, মেৰিন ড্ৰাইভৰ পাৰত এখন বেঞ্চৰ ওপৰত যৌৱন উদ্দীপ্ত এহাল উন্মত্ত প্ৰেমিক প্ৰেমিকা ....

ব্যস্ত চহৰখনৰ ব্যস্ত কোলাহলে চুই যাব পৰা নাই তাঁহাতক ... নিবিড় আলিংগনত আৱদ্ধ দুয়ো। মাজে মাজে সাগৰৰ জোঁৱাৰ ভাটাৰ পৰা উৎপন্ন উৰ্মিৰাশীয়ে তিয়াই গৈছে দুয়োৰে সৰ্বশৰীৰ....।

নাই, তাঁহাতে অকণো আমনি পোৱা নাই... কালৈকো কেৰেপ কৰা নাই।

দুয়ো দুয়োৰে মাজত আৱদ্ধ মাথো।

এটি দীঘল হুমুনিয়াহ স্বতঃস্ফূৰ্ত ভাৱে নিৰ্গত হল অনুৰাগৰ বুকুৰ গভীৰৰ পৰা।

সিহঁতহাল সঁচাই সুখী.... সঁচাই ভাগ্যৱান।

মাৰ্চিডিজখনৰ পিছৰ ছিটত অনুৰাগৰ লগত নীৰৱে বহি ৰৈছে অমৃতা... তাইৰ দৃষ্টি নিৱদ্ধ বাহিৰৰ ব্যস্ত ৰাজপথত। পৰুৱাৰ দৰে লানি নিছিগা গাড়ীৰ শাৰীৰ ওপৰত ।

উগুল থুগুল মন ।

হস্পিটেলৰ সমস্ত দায়িত্ব বহন কৰিছে অনুৰাগে.... এতিয়া আকৌ হস্পিটেলৰ পৰা ৰিলিজ হোৱাৰ পিছতো অনুৰাগৰ ঘৰত থাকিবলৈ যোৱা কথাটোহে চিন্তাত পেলাইছে তাইক।

তাই অনুৰাগৰ লগত যাব খোজা নাছিল। কিন্তু অনুৰাগ নাচোৰবান্দা। কোনোপধ্যেই সি মান্তি নহয় ভাস্কৰ দত্তৰ ঘৰত তাই ঘূৰি যোৱাটো ।

তাৰ মতে অমৃতা ভাস্কৰ দত্তৰ ঘৰত সুৰক্ষিত নহয়।

ভাস্কৰ মানসিক ভাৱে যে এজন বিকাৰগ্ৰস্ত মানুহ সেয়া সকলোৱে বুজি উঠিছে।

তেওঁ বেদনা দি সুখ পায়।

আনক বেদনা দি, যন্ত্ৰণা দি, মানসিক আৰু শাৰীৰিক পীড়া দি তেওঁ অপৰিসীম সুখ অনুভৱ কৰে। যৌন সংগমৰ মুহূৰ্তত যিমানেই শাৰীৰিক পীড়া যৌন সংগীয়ে অনুভৱ কৰে সিমানেই যৌন সুখ লাভ কৰে তেওঁ।

ই এক ধৰণৰ মনোৰোগ। যাক ইংৰাজীত “চেক্সুৱেল চেডিজম” বুলি কোৱা হয়।

ডঃ তৃশা কুপ্পীকাৰৰ কথাত তাই আচৰিত হৈ গৈছিল। বিস্ময়ত চকুযুৰী বহল হৈ গৈছিল।

সঁচাইতো।।

তেনে ক্ষেত্ৰত ভাস্কৰৰ ফ্লেটলৈ তাই যোৱাটো নিৰাপদ নহয়। মাথো সেয়াই নহয়, ভাস্কৰৰ বিপক্ষে ষ্টেটমেণ্ট দিয়াৰ পিছত সেইখন ঘৰলৈ তাইৰ নিজৰো ঘূৰি যোৱাৰ সাহস হোৱা নাই।

মুম্বাইত অমৃতাৰ অইন কোনো সম্বন্ধীয় মানুহ বা কোনো বন্ধু বান্ধৱো নাই। অদিতি আছে, কিন্তু তাইৰ লগত থকাটো সহজ নহয়.... কাৰণ হল অদিতিৰ স্বামী বিপ্লৱ আৰু ভাস্কৰ দত্তৰ মাজত থকা ঘনিষ্ঠ বন্ধুত্ব।

গতিকে অনুৰাগৰ বাহিৰে আৰু অইন গত্যন্তৰ নাই। অনুৰাগৰ লগত থাকিব যোৱাটোও তো সহজ কথা নহয়....ভাস্কৰে বা কথাটো কেনেধৰণে লয়? ভাস্কৰৰ বন্ধুবৰ্গই কথাটো বেলেগ ধৰণে লব নেকি?

দোধোৰ মোধোৰ হৈ থকা অমৃতাৰ একো হকা বাধালৈ গুৰুত্ব নিদি ৰিলিজৰ বাবে যাৱতীয় সকলো কৰণীয় কৰি উঠি চিধাই অনুৰাগে তাইক লৈ আনিছে বান্দ্ৰাস্থিত তাৰ ফ্লেটটোৰ দিশে।

সেমেকা বতৰ।

অমৃতাই খিৰিকীৰে অকাশখনলৈ মূৰ তুলি চালে।

কলীয়া ডাৱৰে আকাশ ছানি ধৰিছে।

মাজে মাজে মেঘৰ গাজনি।

হয়তো কিছু পৰৰ পিছত হুৰমুৰাই এজাক বৰষুণ নামি আহিব।

ঃ বৰষুণ অকলে চাবি নেকি?

অনুৰাগৰ মাত শুনি নিজৰ ভাৱত বিভোৰ হৈ থকা অমৃতা থতমত খাই উঠিল । তাইৰ পিছফালে দুৱাৰমুখত অনুৰাগ থিয় দি আছিল।

অনুৰাগৰ দুচকু তাইৰ ওপৰত নিবদ্ধ।

অমৃতাৰ দুচকুত ফুটি উঠিল সামান্য উচ্ছাসবিহীন হাঁহি। বিষাদবোৰ যেন তাইৰ চৌপাশে ওলমি ওলমি ৰৈছে।

এই বিষাদ অকণো সহ্য নহয় অনুৰাগৰ।

ঃ .... অমৃতা, মই বুজি পাইছো, তই মোৰ লগত এনেকৈ থাকিবলৈ বেয়া পাইছ।

ঃ .....

নিৰুত্তৰ হৈ অইনফালে চাই ৰল অমৃতাই। কি কোৱা উচিত তাই ভাৱি পোৱা নাই।

গোটেই জীৱন তাই অনুৰাগৰ লগতেই কটাম বুলি সপোন চাইছিল । কিন্তু অমৃতাৰ সেই সপোন আৰু নিষ্ঠুৰ দিঠকৰ মাজত এতিয়া হিমালয় পৰ্বতসম ওখ প্ৰাচীৰ.... সেই প্ৰাচীৰ সমাজে গঢ়ি দিয়া, সময়ে গঢ়ি দিয়া ।

নৈতিকতাৰ এই প্ৰাচীৰ বগাই পাৰ হোৱাৰ সাহস তাইৰ নাই।

ঃ তই চিন্তা নকৰিবি। তই ইয়াতে নিৰাপদে থাকিব পাৰিবি। অকণমানো সংকোচ নকৰিবি।

মই কেইদিনমানৰ কাৰণে এনেও মুম্বাইৰ পৰা বাহিৰত যাম।

ঃ মুম্বাইৰ পৰা বাহিৰত?? ক'লৈ??

ঃ গাঁৱলৈ যাম।

ঃ গাঁৱলৈ??

প্ৰশ্নবোধক দৃষ্টিৰে তাই চাই ৰল অনুৰাগৰ মুখলৈ। অনুৰাগেও কিছুদেৰী চাই ৰল তাইৰ দুচকুলৈ....।

ঃ উম বহু বছৰ হল গাঁৱত নোযোৱা।

কেতিয়াবা খুব মনত পৰে গাঁৱলৈ... গাঁৱৰ সেই সেউজীয়া পৰিৱেশ, নিৰ্মল আকাশ, বতাহ, আমাৰ মৰমৰ নদীখন.....আমাৰ শৈশৱ ...তোৰ বাৰু মনত পৰেনে?

এটি সেমেকা হাঁহি বাগৰি পৰিছে তাইৰ ওঁঠত।

অনুৰাগে মাথো মনত পৰাৰ কথা সুধিছে, তাইতো গাঁৱৰ শৈশৱৰ স্মৃতিতেই অতদিনে জী আছে। তাইৰ শৰীৰ যতেই নাথাকক .... তাইৰ প্ৰাণ, তাইৰ আত্মা, তাইৰ মন, কল্পনা সকলো সেই গাঁৱৰ স্মৃতিতেই নিহিত হৈ আছে প্ৰতিদিন, প্ৰতিপল।

ঃ .....

ঃ তই চিন্তা নকৰিবি। মাজে মাজে শ্যামলীও আহি থাকিব। আদিতিকো মাতি ল'ব পাৰিবি।

তলমূৰ কৰি ৰৈছে অমৃতা।

দুচকু ভৰি আহিছে তাইৰ... চকুপানীবোৰ এই সৰো এই সৰো কৈ ওলমি ৰৈছে তাইৰ দুচকুত।

দুখ লাগিছে তাইৰ ... নিজকে অপৰাধী যেন অনুভৱ হৈছে।

তাই জানে অনুৰাগৰ একো বিশেষ কাম নাই গাঁৱত, কিন্তু মাত্ৰ তাইৰ বাবে অনুৰাগে মুম্বাই এৰি যাব...কাৰণ তাই মুখ ফুটাই নকলেও সি বুজি পাইছে হয়তো যে তাইৰ আশে পাশে অনুৰাগ থকাটো নিবিচাৰে তাই।

তাইৰ চিন্তাত যতি পেলাই মোবাইলটো সজোৰে বাজি উঠিল। চকুলোৰে ভৰি অহা দুচকুৰ আগত অস্পষ্ট হৈ পৰিছে মোবাইলৰ নীলা স্ক্ৰীন। অদিতি।

ঃ তই কথা পাতি ল অদিতিৰ লগত।

বুলি কৈ অনুৰাগ ওলাই গ'ল ৰুমৰ পৰা।

তাই কিছুদেৰী মোবাইলটোলৈ চাই ৰ'ল কিন্তু ক'লটো ৰিছিভ নকৰিলে।

তাই জানে অদিতিয়ে আকৌ একেটা কথাকেই ক'ব। অদিতিয়ে যিমান সোনকালে পাৰে অমৃতাই ডিভৰ্চ ফাইল

কৰাটো বিচাৰিছে।

ডিভৰ্চ....

পিছদিনাই, বিয়লি চাৰি বজাত অনুৰাগৰ ফ্লাইট ... মুম্বাইৰ পৰা গুৱাহাটী অভিমুখী।

যোৱাৰ আগত দঢ়াই দঢ়াই তাইক আৰু ফোনতে শ্যামলীকো আমনি লাগি যোৱাকৈ সি বুজাইছে দৰৰ খোৱাৰ নিয়ম। বন কৰা লৰাজনকো ভালকৈ বুজাইছে তাইৰ বাবে কি বনাব লাগে, নালাগে ইত্যাদি ইত্যাদি।

"ফোন কিন্তু ৰিছিভ নকৰিলে মই একেদিনাই মুম্বাই পামহি। এই কথা মনত ৰাখিবি।"

তাইৰ সজল চকুযুৰীত চকু থৈ যোৱাৰ পৰত অনুৰাগে কথাষাৰ  কলে তাইক ।

অমৃতাই একো কব পৰা নাই মুখ ফুটাই। কণ্ঠৰুদ্ধ হৈ পৰিছে তাইৰ।

"ভালকৈ যাবি"

কব খুজিও কব পৰা নাই তাই।

আৱেগবোৰ অন্তৰত তোলপাৰ লগাইছেহি, যদিও তাৰ বহিঃ প্ৰকাশ ঘটা নাই শব্দ হৈ.... মাথো চকুলো হৈ সৰিব ধৰিছে ।

অনুৰাগে  বুজি পায় এই সজল দুচকুৰ.... মৌন ওঁঠ, আৰু চকুলোৰ ভাষা।

সি কাষলৈ আহি নিজৰ ৰুমালখনেৰে মচি দিলে তাইৰ সিক্ত চকুযুৰী.... সিক্ত দুগাল।

অনুৰাগৰ চকুহালো সেমেকি আহিছিল।

"কিবা কথাত অসুবিধা পালে মোক লগে লগে ফোন কৰিবি । অদিতিয়ে কোৱা কথাষাৰো ভালকৈ ভাৰি চাবি।"

ওলাই যাব লৈও পুনৰ ঘূৰি আহি কৈছিল সি।

তলমূৰ কৰি ঠাইতে থিয় হৈ ৰৈছিল অমৃতা। তাই বুজি পাইছে, অনুৰাগেও বিচাৰে তাই অতি সোনকালে ভাস্কৰৰ পৰা মুক্তি পোৱাটো।

তাই নিজেওতো তাকেই  বিচাৰে .... মুক্তি...।

কিন্তু তথাপিও যে তাইৰ সাহস হোৱা নাই।

"ভাৰিম"

অস্পষ্ট থুকা থুকি কণ্ঠৰে কোনোমতে কৈছিল তাই। অনুৰাগ  ঘৰৰ পৰা ওলাই যোৱাৰ পিছত দুৱাৰ বন্ধ কৰি বিছনাত মুখ উবুৰি কান্দিছিল তাই।

ইমান দুখ কিয় লাগিছে বাৰু?

অনুৰাগৰ পৰা নিজক আঁতৰাই ৰাখিব বিচৰাটো তাইৰেইটো নিজৰ সিদ্ধান্ত আছিল।

বুকুখনত .... অনুৰাগবিহীন ঘৰখনত , সৰ্বস্বতে যেন বিষাদ আৰু  শূন্যতা ওলমি ওলমি ৰৈছে।

সন্ধিয়া সাত বজাত শ্যামলী আহিল।

ঃ অনুৰাগ দাই ফোন কৰিছে নেকি??

ঃ নাই কৰা।

শ্যামলীয়ে কান্ধৰ বেগটো টেবুলখনত নমাই থৈ  ক্লান্ত শৰীৰটো ধুপুছ কৈ চোফাখনত এৰি দিলে।

মুখখন সেমেকি আহিছে তাইৰো।

অমৃতাই নিজেই কীটচেনত গৈ তাইৰ বাবে একাপ কফি বনালে। কফিকাপ তাই শ্যামলিমাৰ হাতত তুলি দিলে।

ঃ ঠেং'।

ঃ ... বেয়া খবৰ এটা আছে অমৃতা বা। ভাস্কৰ দত্তই আজি বেইল পাইছে।

কফিকাপত দীঘলীয়া সোঁহা কেইটামান দি হঠাতে কৈ উঠিল তাই।

শৰীৰটো জিকাৰ খাই উঠিল অমৃতাৰ।

ঃ একো নহয় অমৃতা বা। আপুনি ভয় কৰিব নালাগে। আমি আছোঁ। অনুৰাগ দা থাকোতে কিহৰ ভয় আপোনাৰ?

অমৃতাই জানে তাইৰ লগত অনুৰাগ আছে, অদিতি, শ্যামলী সকলো আছে।

তথাপিও আশংকাত ঘামি উঠিব ধৰিছে তাইৰ সৰ্ব শৰীৰ। ভাস্কৰ চাগৈ ফ্লেটলৈ গৈছে। তাইক নাপায় খঙত পাগল হৈ পৰিব সি। ঘৰৰ বস্তু ভাঙি ছিঙি চুৰমাৰ কৰি দিব সি।

আৰু যদি সি গম পায় তাই ইয়াত.... অনুৰাগৰ ফ্লেটত আছেহি.... তেতিয়া??

ভাস্কৰ অত্যন্ত প্ৰতিশোধ কামী মনৰ মানুহ।

সি জানো তাইক, নতুবা অনুৰাগক সহজে এৰিব??

তাইৰ বাবে ... মাথো তাইৰ বাবে যদি অনুৰাগৰ ওপৰত এটা আঁচোৰো পৰে, তাই জানো সহিব পাৰিব এই কথা?

আতংকিত তাইৰ মুখখন, চকুহাল হয়তো শ্যামলীৰ চকুত পৰিল।

ঃ বেছি চিন্তা নকৰিব অমৃতা বা। আমি আছোটো। মাথো আপুনি ডিভৰ্চ ফাইল কৰক।

ঃ .....

ঃ অনুৰাগ দাক ফোন লগাইছো, নত ৰিছেবল হৈ আছে। ভাস্কৰৰ বেইল পোৱাৰ কথা অনুৰাগ দাক জনোৱাটো উচিত। ৰব। মই অকণমান ফ্ৰেছ হৈ আহো।

কৈয়েই শ্যামলী সোমাই গল ভিতৰলৈ।

চিটিং ৰুমত ঠাইতে জঠৰ হৈ থিয় হৈ ৰল অমৃতা।

অনুৰাগক ফোন কৰিব লাগিব। তাক জনাব লাগিব কথাষাৰ।

অদিতিকো জনাব লাগিব।

খপজপকৈ তাই মোবাইলতো হাতত তুলি ল'লে। অনুৰাগৰ নাম্বাৰ ডায়েল কৰিব খোজোঁতেই হঠাৎ মোবাইল তো বাজি উঠিল।

এটা অচিনাকি নম্বৰ।

তাই ৰিছিভ কৰি কিবা কবলৈ নৌপাওঁতেই এটা কৰ্কশ কণ্ঠস্বৰে তাইৰ কৰ্ণকোঁহৰত চুৰীৰ দৰে আঘাত কৰিলেহি।

ঃ বেশ্যা। চুইছাইড কৰাৰ নাটক কৰি নিজৰ হাজবেণ্ডক জেইলত পঠিয়াই পুৰণি প্ৰেমিকৰ লগত কিহৰ খেল খেলিছ?

এনেয়েতো মহা সতী সাবিত্ৰী। তোক চাই লম। আৰু তোৰ সেই ভিকহু প্ৰেমিক?? ভাস্কৰ দত্তৰ লগত সমানে টক্কৰ মাৰিবলৈ কাক লুট পাট কৰি ইমান ওপৰলৈ উঠিল সি? চালা অনিৰুদ্ধ বৰুৱা হৈ সকলোকে ঠগি আছে ...মুখা খুলি দিম তাৰ। কৈ দে তাক ডেডবডী হবলৈ আৰু তাৰ বেছি সময় নাই।

মোক... ভাস্কৰ দত্তক সি চিনি পোৱা নাই।

হা হা হা। কত আছ ক ? এতিয়াই ক।

ভাস্কৰ দত্তৰ নিষ্ঠুৰ কৰ্কশ কণ্ঠ তাইৰ মূৰৰ চৌপাশে ঘূৰিব ধৰিছে।

"আস্"

(২০)

খঙত বলিয়াৰ দৰে হৈ পৰিছে ভাস্কৰ।

চেদেলি ভেদেলি হৈ পৰি থকা ৰুমটোৰ বস্তু বাহানিবোৰ দেখি তাৰ খং দুগুণে চৰিছে। বাৰে বাৰে সি ডায়েল কৰিছে অমৃতাৰ নাম্বাৰ।

..... নাই, তাই উঠোৱা নাই। জাউৰীয়ে জাউৰীয়ে অশ্লীল শব্দৰ বৰ্ষণ কৰি অমৃতালৈ মেছেজ পঠিয়াইছে সি। তাই মেছেজৰো ৰিপ্লাই দিয়া নাই।

খঙত, অপমানত দগ্ধ হৈ পৰিছে সি।

দাঁত কৰছি ধৰিছে সি নিজৰ....

অমৃতাই ফোন ৰিছিভ কৰিলেই অশ্লীল গালিৰে তাইক থকাসৰকা কৰিবলৈ লকলকাই উঠিছে তাৰ নিচাগ্ৰস্ত জিভা । এমাহতে ইমান সাংঘাতিক পৰিবৰ্তন অমৃতাৰ!!

ভাস্কৰ দত্তক উপেক্ষা কৰিছে

তাৰ বিপৰীতে পুলিচৰ আগত ষ্টেটমেণ্ট দিব পাৰিছে! যোৱা পোন্ধৰটা বছৰত সি কেতিয়াও অমৃতাৰ দুচকুত কোনো অন্য পুৰুষৰ প্ৰতি সামান্যতমো আকৰ্ষণ, নতুবা আগ্ৰহ দেখি পোৱা নাছিল।

এই অনিৰুদ্ধ বৰুৱা অহাৰ পিছৰ পৰাহে.....

অনিৰুদ্ধ বৰুৱাৰ গম্ভীৰ সুন্দৰ মুখাবয়ব মনলৈ অহাৰ লগে লগে ৰঙা হৈ উঠিছে ভাস্কৰৰ চকু, মুখ...ঈৰ্ষাত দপদপকৈ জ্বলি উঠা জুইৰ লেলিহান শিখাত জ্বলিব ধৰিছে সি নিজেই....।

এই অনিৰুদ্ধ বৰুৱাই ভাস্কৰ দত্তক জেইলৰ মুখ দেখুৱালে .... ছাচপেঞ্চন হল, সকলোৰে সন্মুখত তাক মাৰ পিত কৰিলে, তাৰ পত্নীক তাৰেই বিপৰীতে পুলিচৰ আগত ষ্টেটমেণ্ট দিয়ালে....আৰু, আৰু এতিয়া তাৰ মৰমৰ পত্নী অমৃতাক লৈ সি উধাও হল।

বিপ্লৱে নোকোৱা হলে সি কেতিয়াও সত্য ধৰিবই নোৱাৰিলেহেঁতেন।

বিপ্লৱেই কৈছিল তাক, অনিৰুদ্ধ বৰুৱা আৰু এসময়ত সন্ত্ৰাসবাদত যোগ দিয়া অনুৰাগ বৰুৱা একেজন ব্যক্তি.... বিপ্লৱে অদিতিৰ অমৃতাৰ সৈতে ফোনত হোৱা কথাবতৰা নিজ কাণেৰে শুনিছে।

ভীষণ আচৰিত হৈছিল সি।

অনুৰাগ..... অনিৰুদ্ধ বৰুৱা!!

ইমান সহজে কেনেকৈ ওলাই আহিল অনুৰাগ? অৰণ্যৰ পথত খোজ দিয়া মানুহ সাধাৰণতে সমাজৰ মূল সুঁতিলৈ ঘূৰি অহা খুব কম। নিজৰ সতীৰ্থ নতুবা কেম্পৰ লিডাৰৰ বন্দুকৰ গুলিৰ আগতেই মৃত্যুদণ্ড দিয়া হয় বিশ্বাসঘাটকক।

তাকো জীৱন্তে পালে কুকুৰৰ দৰে মৃত্যুদণ্ড।

তেনেস্থলত??

অনুৰাগ বৰুৱা অকল ঘূৰি অহাই নহয়, ইমান এজন সফল বিজিনেছমেন কেনেকৈ হৈ উঠিল সি?

...অনিৰুদ্ধ বৰুৱা.... ইয়েছ, ইয়েছ, অনিৰুদ্ধ বৰুৱা হৈ নিজৰ গেট আপ সলনি কৰি সকলোৰে চকুত ধূলি দিছে সি।

ভাস্কৰৰ নিচাসক্ত মগজুলৈ ভাঁহি আহিছে পোন্ধৰ বছৰৰ আগৰ শীতৰ এটি চেঁচা নিশাৰ দৃশ্যপট....চাঙৰ টঙিঘৰত জাৰত শেঁতা পৰি যোৱা অমৃতা আৰু তাইৰ লগত থকা সেই ক্ষীণ, ওখ লৰাটো, তাৰ মূৰৰ কেঁকোৰা চুলি, সেই লৰাটোৰ উজ্জ্বল দুচকুত স্পষ্ট হৈ ধৰা দিয়া বিষাদ ....

বাৰে বাৰে পোন্ধৰ বছৰ আগত মাত্ৰ এবাৰ দেখা সেই লৰাটোৰ চেহেৰা হুবহু মিলি গৈছে অনিৰুদ্ধ বৰুৱাৰ লগত।

পুনৰ কাঁচৰ গছ ভৰি অহাকৈ ৰঙীন পানীয় ঢালি পৰম আক্ৰুশত আটাইখিনি ঘোটঘোটকৈ গিলি থলে সি। ডায়েল কৰিলে সি অমৃতাৰ নাম্বাৰ।

ঃ দেম ইট। দেম ইট।

একো প্ৰত্যুত্তৰ নাপাই মোবাইলতো ৱাললৈ সজোৰে দলি মাৰি পঠিয়ালে সি।

কিবা এটা কৰিবই লাগিব।

এনেকৈ হাৰ মানিব নোৱাৰে সি।

“আস্”

এতিয়া অমৃতা থকা হলে। কোনো প্ৰতিবাদ নকৰাকৈ তাৰ জোতাযোৰ খুলি দিলেহেঁতেন, সন্মুখত যাচি দিলেহেঁতেন তাৰ বাবে সুস্বাদু নৈশ আহাৰ, মদ... তাৰপিছত, মখমলৰ কোমল বিছনাত সি তাইক সজোৰে সাৱটি ধৰিলেহেঁতেন, তাইৰ কোমল ৰক্তিম ওঠযুৰী.... তাইৰ শৰীৰটো তেজ বিৰিঙি উঠি যোৱাকৈ সি কামুৰিলেহেঁতেন....

পানী নাপালে চটফটাই উঠা মাছৰ দৰে বিষত, যন্ত্ৰনাত তাই ছাটিফুটি কৰিলেহেঁতেন...এটা চেপা ক্ৰন্দন বিয়পি পৰিলেহেঁতেন গোটেই ঘৰটোত...

আৰু... আৰু সি পৰম ইন্দ্ৰীয় সুখত তাইৰ শৰীৰৰ মৌ পান কৰিলেহেঁতেন।

“আস” ক’ত আছা তুমি অমৃতা? ক’ত?

ৰক্তিম হৈ আহিছে ভাস্কৰৰ মুখমণ্ডল.....

ইন্দ্ৰীয় সুখ পাবৰ বাবে চটফটাই উঠিছে তাৰ ভিতৰৰ কামুক পুৰুষজন....।

পৰি যোৱা মোবাইলটো উঠাই লৈ ঠিক কৰি সি মিছেছ শৰ্মাৰ নাম্বাৰ ডায়েল কৰিলে।

বহুবাৰ ৰিং হোৱাৰ পিছত কল ৰিছিভ নোহোৱাত বিৰক্ত হৈ পুনৰ মোবাইলটো দলিয়াই পঠিয়ালে সি।

"ব্লাদী বিটছ্, স্বাৰ্থপৰ সকলো।"

নিজৰ মুখৰ ভিতৰতে ভোৰভোৰাই উঠিল সি।

"অনুৰাগ বৰুৱা"

গৰ্জন কৰি উঠিল ভাস্কৰে। উত্তেজিত হৈ উঠিছে সি... হাতৰ খামুছত থকা কাঁচৰ গ্লাছটো মৰমৰাই ভাঙি পৰিব ধৰিছে।

এই ভাস্কৰ দত্তক অপমান কৰি, ভাস্কৰ দত্তৰ সম্পত্তি, মোৰ মৰমৰ পত্নী অমৃতাক মোৰ পৰা আঁতৰাই তই সুখত থাকিব নোৱাৰ অনুৰাগ বৰুৱা.... তই মৰিব লাগিব। তই মৰিবই লাগিব।

দৈত্যৰ দৰে অট্টহাস্য কৰি উঠিল সি কোঠাটোৰ নিৰ্জনতা ভাঙি।

........

ড্ৰাইভাৰজনে অমৃতাৰ লাগেজবোৰ গাড়ীৰ পৰা নমাই লাগেজ ট্ৰলি এখনত উঠাই দিলে।

অদিতি আৰু শ্যামলী দুয়োজনীয়ে সাৱটি ধৰিলে অমৃতাক। অদিতিৰ দুচকু উপচি পৰিছে অশ্ৰুৰে ..... শ্যামলীৰ চকুৱে মুখে চিন্তা, উদ্বেগ।

ঃ আপুনি সচাঁকৈ অকলে যাব পাৰিব নে অমৃতা বা??

সোধো নোসোধোকৈ পুনৰ বাৰ সুধিলে শ্যামলীয়ে।

ঃ পাৰিম শ্যামলী। তুমি অকণো চিন্তা নকৰিবা। মাথো অনুৰাগৰ ফোন আহিলে তাক কৈ দিবা সকলো কথা।

শ্যামলীৰ মনত চিন্তা তথাপিও কমা নাই।

অনুৰাগে খং কৰিব নেকি?

অসন্তুষ্ট হব নেকি তাইৰ ওপৰত অমৃতাক এনেকৈ অকলে যাবলৈ দিয়া বুলি....?

তাইৰ ওপৰতে ভৰসা কৰি অনুৰাগে অমৃতাক নিজৰ ফ্লেটত এৰি গুচি গৈছিল।

ঃ অমৃতা, গুৱাহাটী গৈ পায়েই ফোন কৰিবা। আৰু মই ফোন কৰিলেও ৰিছিভ নকৰাকৈ নাথাকিবা।

চিন্তিত কণ্ঠৰে অদিতিয়ে কলে।

ঃ তুমি অকণো চিন্তা নকৰিবা অদিতি। মই গৈ পায়েই ফোন কৰিম।

ঃ আৰু মই কোৱা কথাবোৰ মনত ৰাখিবা।

প্ৰত্যুত্তৰত অমৃতাই সজল নয়নে অদিতিৰ দুচকুত চকু থৈ মাথো মূৰটো সামান্য দুপিয়ালে।

অদিতি আৰু শ্যামলীক তাতেই এৰি লাগেজ ট্ৰলিটো লৈ আগবাঢ়িল তাই।

ঘূৰি চাব খুজিও এবাৰো ঘূৰি নাচালে অমৃতাই.... ঘূৰি চালেই যে দেখা পাব দুচকুত অলেখ চিন্তা, শংকা আৰু উদ্বেগ লৈ তাই যোৱাৰ ফালে চাই থকা অদিতি আৰু শ্যামলীক।

তাঁহাতৰ চিন্তাৰ কাৰণ বুজি পায় তাই।

মাত্ৰ এৰাতিৰ ভিতৰত গুৱাহাটিলৈ যোৱাৰ সিদ্ধান্ত লৈছিল অমৃতাই। অদিতি আৰু শ্যামলী দুয়োজনীকে কোনোমতে বুজাই বঢ়াই হে তাই মান্তি কৰাব পাৰিলে। তাইক অকলে পঠিয়াবলৈ মুঠেও মান্তি হোৱা নাছিল দুয়োজনী। অৱশেষত তাইৰ জিদৰ আগত হাৰ মানি মুম্বাইৰ পৰা গুৱাহাটীলৈ এয়াৰ এছিয়া ফ্লাইটত টিকেট কৰি দিছিল অদিতিয়ে নিজেই।

আচলতে ভাস্কৰে অনুৰাগক চিনি পোৱা বুলি জনাৰ পিছৰপৰাই ভীষণভাৱে চিন্তিত হৈ পৰিছিল তাই। নানা ধৰণৰ দুশ্চিন্তাই ভাৰাক্ৰান্ত কৰি তুলিছিল তাইৰ হৃদয়।

বৰ্ডিং পাছখন লৈ লাগেজ চেক ইন কৰি, সুকলমে চিকিউৰীতি চেক গেট পাৰ হৈ ৱেইটিং লবীৰ চিট এখনত বহি ল'লে অমৃতাই।

ঘনে ঘনে  বিপ বিপকৈ মেছেজ ট'নটো বাজি উঠিছে।  বিৰক্তিত ভ্ৰূ কুঞ্চিত হৈ আহিছে অমৃতাৰ।

চাইলেণ্ট মডত থব ইচ্ছা গলেও তাই থোৱা নাই.... কিজানিবা অনুৰাগৰ ফোন আহে!

বিমান পৰিচাৰিকা দুগৰাকীৰ হাঁহিমুখীয়া সম্ভাষণত প্ৰতিসম্ভাষণ জনাই খিৰিকী কাষৰ নিজৰ নিৰ্দিষ্ট স্থানত বহি ল'লে অমৃতাই।

এই প্ৰথম বাৰ অকলে ফ্লাইট যাত্ৰা কৰিব তাই। ইয়াৰ আগতে তাই কেতিয়াও কলৈকো অকলে যাত্ৰা কৰা নাই.... কৰিবলগীয়া হোৱা নাই।

তথাপিও তাই অকণো ভয়, শংকা, কুণ্ঠাবোধ বা দ্বিধা অনুভৱ কৰা নাই মনত ....।

চিন্তাক্লিষ্ট মুখখনিত সৰ্বস্বতে বিয়পি পৰিছে মাথো উদ্বিগ্নতা আৰু উদ্বিগ্নতা। অনুৰাগে এবাৰো ফোন কৰা নাই যোৱাৰেপৰা।

কত আছে সি এতিয়া? কি কৰি আছে?

কিয় এবাৰো ফোন কৰা নাই সি যোৱাৰ পিছৰ পৰাই?

নিজৰ ওপৰতে ভীষণ খং উপজিছে তাইৰ। গ্লানিৰে উপচি পৰিছে অন্তৰখন। অনিৰুদ্ধই যে অনুৰাগ, সেই কথা ভাস্কৰে গম পোৱাৰ পিছত সি যিকোনো প্ৰকাৰে অনুৰাগৰ ক্ষতি সাধন কৰিবলৈ চেষ্টা কৰিব পাৰে।

ভাস্কৰৰ দৰে প্ৰতিশোধকামী মনৰ মানুহে জিকিবৰ বাবে কিমান তললৈ নামিব পাৰে সেই কথা তাই জানিব লাগিছিল ... সৰ্পতকৈও বেছি বিষাক্ত যি।

কিয় যাব দিলে তাই অনুৰাগক? কিয়?

তাইৰ বাবেইটো অনুৰাগে মুম্বাই এৰি গুচি গৈছে। কাৰণ তাই ব্যক্ত নকৰিলেও  সি বুজি পায় তাইৰ মনৰ ভাষা।

দুশ্চিন্তাত নীলা হৈ পৰিছে তাই।

অশান্ত মনটোক শান্ত কৰিবলৈ চেষ্টা কৰি চকুযুৰী জোৰেৰে জপাই দিলে তাই।

বন্ধ দুচকুৰ আগত আকৌ ভাঁহি আহিছে অনুৰাগ... সেমেকা হাঁহি অথচ দুচকুত মৰম ভৰা সেই চিৰচিনাকি চাৱনি। অনুৰণিত হৈ ৰৈছে অনুৰাগে যোৱাৰ পৰত কোৱা কথাবোৰ।

"ফোন ৰিছিভ নকৰিলে কিন্তু মই লগে লগেই মুম্বাই আহি পামহি"

অনুৰাগ ক'ত আছা তুমি?

এবাৰ কল কৰাচোন। প্লিজ অনুৰাগ, প্লিজ।

এয়াৰ এছিয়া বিমানখন ইতিমধ্যে লেণ্ডিং হৈছে।

মোবাইলটো  অন কৰাৰ লগে লগেই উপৰা উপৰিকৈ কেবাটাও মেছেজেৰে তৎক্ষণাত ভৰি পৰিল ৱাটচ আপ আৰু ইনবক্স।

তাই এনেয়ে এবাৰ মেছেজবোৰ চালে।

নাই, অনুৰাগৰ এটাও মেছেজ নাই।

গোটেইবোৰ ভাস্কৰৰ মেছেজ।

চিট বেল্ট খোলাৰ সংকেত দিয়াৰ পিছতেই যাত্ৰীসকলৰ মাজত মৃদু গুণগুণনি উঠিছে। নামিবলৈ যো-জা কৰিছে আটায়ে।

বিমৰ্ষ মনেৰে হেণ্ড বেগটো হাতত লৈ ওলাই আহিল তাই যাত্ৰীজাকৰ লগত।

বিমানখনৰ পৰা ওলাই  অহাৰ লগে লগেই এজাক চেঁচা বতাহে ধৰফৰাই চুই গল তাইক।

কিছুক্ষণ ঠাইতে থিয় হৈ ৰৈ তাই অনুভৱ কৰিলে সমীৰণজাকৰ সেই শান্ত, চেঁচা স্পৰ্শ।

আকাশখনলৈ মূৰ তুলি চালে তাই।

মেঘাচ্ছন্ন কলীয়া বিষণ্ন আকাশ...বিষণ্ন বতাহ।

আকাশৰ বুকুত ইফালৰ পৰা সিফাললৈ ওপঙি ফুৰিছে চপৰা চপৰ গধুৰ কলীয়া মেঘ... ঠিক যেনেকৈ বিষাদৰ ছাঁ ওপঙি ৰৈছে তাইৰ চকু, ওঁঠ, মুখত .... হৃদয়ৰ গভীৰত।

এজাক বৰষুণ জৰজৰাই খহি আহিব হয়তো কিছু পৰ পিছতেই!!

বৰষুণ অহাৰ আগতেই হোটেল এখনত উঠিব লাগিব। মনতে ভাবিলে তাই। বৰষুণৰ কথা মনলৈ অহাৰ লগে লগেই অলপ খৰ গতিৰে খোজ আগবঢ়ালে অমৃতাই। তেনেতে মোবাইলটো বাজি উঠিল। অদিতি। কলটো তৎক্ষণাত ৰিছিভ কৰিলে তাই।

ঃ অদিতি, এই জাষ্ট লেণ্ডিং হল। ওলাই আহিছো মাত্ৰ।

ঃ অকে ডেটছ গুড দেট ইউ ৰিচ্ছ চেইফলি। আচ্ছা শুনা। আই হেভ বুকড এ হটেল ফৰ ইউ। বুকিং দিতেইলছখিনি তোমাৰ ই-মেইলত পঠিয়াই দিছো। এতিয়াই চোৱাচোন। তোমাৰ নাইট চুপাৰ কেইটা বজাৰ?

ঃ ৰাতি ন বজাত দিপাৰ্চাৰ । কিন্তু সেই কাম মই নিজেও কৰিব পাৰিলোহেঁতেন অদিতি।

ঃ একো নহয় অ। মোৰ মনতেই অহা নাছিল। শ্যামলীয়ে কোৱাতহে লগে লগেই বুকিং কৰি দিলো।

ঃ ঠেংক ইউ ছ' মাচ্ছ অদিতি। তোমাৰ আৰু শ্যামলীৰ ইমান মৰমৰ ধাৰবোৰ কেনেকৈ যে শুজিম নহয়!!

ঃ সেইবোৰ তুমি এতিয়া নকবা। মুঠতে ছয় ঘণ্টা মান ভালকৈ জিৰণি লবা হোটেলত। বহুত বেছি চিন্তা নকৰিবা।

ঃ অনুৰাগে ফোন কৰিছে নেকি অদিতি?

ঃ নাই কৰা। তথাপিও তুমি চিন্তা নকৰিবা। সি গাঁৱলৈ যাম বুলি কৈ যোৱা নাই জানো??

মোৰ বিশ্বাস অনুৰাগক তুমি গাঁৱতেই লগ পাবা।

কিছুপৰ মৌনতাৰ পিছত কলে অদিতিয়ে।

ঃ হুম।

অদিতিৰ বিশ্বাসেই সত্য হওক।

মনতে প্ৰাৰ্থনা কৰিলে তাই।

ঃ অকে দেন, বাই, টেক কেয়াৰ। বি ব্ৰেভ। এণ্ড আই ন' ইউ আৰ ব্ৰেভ। পিছত কল কৰিম আকৌ।

ঃ বাই।

মোবাইলটো হাতত লৈ অলপ খৰ গতিৰে ওলাই আহিল তাই। অদিতিৰ প্ৰতি এবুকু কৃতজ্ঞতা উথলি উঠিছে অমৃতাৰ মনত।

মুম্বাই মহানগৰীৰ কংক্ৰীটৰ সেই কৃত্ৰিম শ্বাসৰুদ্ধময় সময়বোৰৰ, তাইৰ একমাত্ৰ অকৃত্ৰিম বান্ধৱী ... অদিতি। কিমান নিঃস্বাৰ্থ ভাবে যে তাইক ভাল পায়, তাইৰ বাবে চিন্তা কৰে, প্ৰতিটো খোজত সহায় কৰে ..আৰু শ্যামলীজনীও....!!

মৰমলগা, প্ৰাণশক্তিৰে ভৰপূৰ, মিঠা বৰণীয়া ছোৱালীজনী ... দুদিনতে নিজৰ ভনীয়েক যেন হৈ পৰিল।

সিহঁতৰ মৰম ভালপোৱাৰ প্ৰতিদান যে তাই একোৱেই দিব পৰা নাই.... দিবলৈ পাৰিবও নে তাই এই জনমত? শুজিব পাৰিবনে এই মৰমৰ ঋণবোৰ??

কথাবোৰ মনতে ভাৰি ভাৰি আগুৱাই গৈ থাকিল তাই।

নিজৰ লাগেজ কালেক্ট কৰি, লাগেজ ট্ৰলি ঠেলি ওলাই আহিল তাই একজিত ৰে'ৰ পৰা।

হাতৰ ঘড়ীটোলৈ চাই পঠিয়ালে অমৃতাই। দুই বাজি গৈছে ইতিমধ্যে।

উবেৰৰ গাড়ী এখন বুক কৰি তাই হোটেলৰ দিশে ৰাওনা হল। হোটেলৰ এড্ৰেচতো গুগল মেপত ট্ৰেক কৰি তাই যেতিয়া হোটেলত উঠিছিলগৈ সময় ইতিমধ্যে তিনি বাজি গৈছে ।

অদিতিয়ে শিকাই দিয়াৰ দৰেই প্ৰতিটো খোজত এটা সাৱধানতা অৱলম্বন কৰিছে তাই।

দুৰ্বল হলে নহ'ব।

নিজৰ মনটোক ডাঠ কৰি লৈছে অমৃতাই।

তাই সবল হব লাগিব, সাহসী হব লাগিব।

নিৰ্দিষ্ট চিটি হোটেলখনত চেক ইন কৰি হোটেলৰ কোঠাত বহি তাই অদিতিলৈ ফোন কৰিলে।

ঃ অদিতি, মই সঁচাকৈ অকলে আহিলোঁনে মুম্বাইৰ পৰা গুৱাহাটী? নিজৰেই বিশ্বাস হোৱা নাই জানানে!!

অমৃতাৰ কথাত কিছুপৰ নিশ্চুপ হৈ ৰল অদিতি।

ঃ তুমি এনেইহে নিজকে দুৰ্বল বুলি ভাবি আছিলা ইমানদিনে। দেখিছা, আজি নিজৰ মনৰ প্ৰয়োজনত তুমি কেনেকৈ সাহসী হৈ পৰিছা? কোনো নাৰী দুৰ্বল নহয় অমৃতা। নাৰীক দুৰ্বল সজাই আমাৰ সমাজে...বেলেগ বেলেগ ৰূপত...কেতিয়াবা দেউতা, কেতিয়াবা ভাতৃ, কেতিয়াবা স্বামী হৈ আমাক বান্ধি পেলায় মৰম, শাসন, দায়িত্বৰ বেহুত। এই পৰাধীনতাকেই আকৌ আমি নিয়ম বুলি মানি লৈ আমাৰ স্বাধীনতা আমি সঁপি দিওঁ তেওঁলোকৰ হাতত। আৰু ক্ৰমাৎ লুপ্ত হৈ যায় আমাৰ সাহস, আত্মবিশ্বাস ইত্যাদি।

সমাজ নতুবা পৰিয়ালে গঢ়ি দিয়া এই বেহু ভাঙি ওলাই পৰিলেই দেখিবা তুমি সাহসী হৈ পৰিছা। আকৌ এই বেহু ভাঙি ওলাই অহা দেখিলে তোমাক নানাজনে নানা কথা কব .... কিন্তু আনৰ কথালৈ তুমি কান নিদিবা অমৃতা।

ঃ যেনেকৈ সকলোৱে এতিয়াও মোকেই দোষিছে। মই কিয় আত্মহত্যাৰ প্ৰচেষ্টা চলাইছিলোঁ, সেয়া কাৰো মূৰৰ বিষ নহয়। সকলোৰে এটাই প্ৰশ্ন, মই মোৰ স্বামীৰ বিপক্ষে অন্য পুৰুষৰ প্ৰৰোচনাত পৰি কিয় ষ্টেটমেণ্ট দিলোঁ!

এটি দীঘল হুমুনিয়াহ স্বতঃস্ফূৰ্ত ভাবে নিৰ্গত হল অমৃতাৰ হৃদয়ৰ গভীৰতাৰ পৰা।

ঃ তথাপিও তুমি সেইবোৰ কথাত কাণ নিদিবা।

নিজৰ মনৰ কথা, মনৰ আহ্বানক গুৰুত্ব দিবা। ইমান বছৰে আনৰ বাবে জীয়াই থাকি কি পালা?

যিমানেই নিজৰ মনৰ ইচ্ছা ভাৱনাক ত্যাগ কৰি নিজক মাৰি মাৰি আনৰ কথা ভাবিবা, সিমানেই তোমাক গছকি অইনে নিজৰ ইচ্ছা পূৰণৰ বাবে অহৰহ প্ৰচেষ্টা চলাব।

ঃ ......

ঃ এইবাৰ মাত্ৰ নিজৰ মনৰ কথা, নিজৰ মনৰ আহ্বান শুনা। ... বিশ্বাস কৰা, ইমান বছৰৰ মূৰত যে তুমি পুনৰ অনুৰাগক লগ পাইছা, তাৰ প্ৰেম ভালপোৱা পাইছা, এয়া এনেই সংযোগ হব নোৱাৰে। এয়াও ভগৱানৰেই ইচ্ছা। অনুৰাগক আৰু দুখ নিদিবা.... লগতে নিজকো।

অনুৰাগ আৰু অমৃতাৰ মাজত আৰু কোনো তৃতীয় ব্যক্তি থাকিব নালাগে। মই ইতিমধ্যে উকিলৰ লগত কথা পাতিছোঁ। তুমি সোনকালে ঘূৰি আহিবা মাথো।”

প্ৰায় আধা ঘণ্টামান অদিতিৰ সৈতে ইটো সিটো কথা পাতি ফোন থলে অমৃতাই।

বহু দেৰিলৈকে অদিতিয়ে ফোনতে কোৱা কথাবোৰ তাইৰ মনলৈ আহি থাকিল।

ভাস্কৰৰ পাশৱিক গ্ৰাসৰ পৰা যেন লাহে লাহে ওলাই আহিব ধৰিছে তাইৰ মন ... মগজু।

তাইৰ দৰে ভয়াতুৰ , পৰনিৰ্ভৰশীল, জীৱনৰ প্ৰতি বিমুখ, হতাশাগ্ৰস্ততাত ডুব যোৱা মানুহ এগৰাকীৰ বাবে ভাস্কৰৰ দৰে অত্যাচাৰী স্বামীৰ ঘৰৰ পৰা ওলাই আহি, মুম্বাইৰ পৰা সুদূৰ অসমলৈ অকলে বিমান যাত্ৰা কৰি অহাতো জানো সহজ কথা।

কিবা এটা ভাল লাগিছে আজি তাইৰ।

নিজকে মুক্ত আৰু অকণমান হলেও স্বাধীন যেন অনুভৱ কৰিছে তাই।

যদিও তাই জানে, মুক্তিৰ এই অনুভৱ চিৰস্থায়ী নহয়। কাৰণ এতিয়ালৈকে তাই ডিভৰ্চ এপিল কৰা নাই। আৰু ডিভৰ্চ এপিল কৰিলেই যে ভাস্কৰে তাইক সহজে ডিভৰ্চ দিব তাত তাইৰ অকণো বিশ্বাস নাই।

হোটেলতে ফ্ৰেছ হৈ লৈ তাই খাবলৈ মন নগলেও

লাঞ্চ অৰ্ডাৰ কৰিলে।

লাঞ্চ কৰিবই লাগিব।

লাঞ্চ কৰি উঠি নিজেই ঔষধ খাব লাগিব।

নিজকে সবল কৰি ৰাখিবলৈ হলে প্ৰথমে তাইৰ শৰীৰ মন সুচল হৈ থকাটো অতি প্ৰয়োজনীয়, .... নিজৰ বাবে নহলেও ... অনু.. অনুৰাগৰ বাবে ....। অনুৰাগে নহলে দুখ পাব।

ভীষণ দুখ পাব।

কিন্তু, .....কিন্তু অনুৰাগ ক'ত এতিয়া?

ক'ত আছে সি?

এবাৰলৈও ভাবিছেনে সি তাইৰ কথা?

তাইলৈ এবাৰ ফোন কৰাৰ প্ৰয়োজন বোধ অনুভৱ কৰা নাইনে সি?

অনুৰাগৰ নাম্বাৰটো তাই আকৌ এবাৰ ডায়েল কৰিলে। সেই একেই উত্তৰ। নত ৰিচ্ছেবল।

বিষাদে নিজৰ ৰং সানিছে তাইৰ সমগ্ৰ মুখমণ্ডলত ...সোণ বৰণীয়া মুখখনি শেঁতা, বিবৰ্ণ হৈ পৰিছে। কি কাৰণ থাকিব পাৰে অনুৰাগৰ ফোনটো নত ৰিচ্ছেবল হৈ থকাৰ?

নে ইমান বছৰৰ মূৰত গাঁৱত গৈ ব্যস্ততাৰ পৰা আঁতৰত একান্ত ব্যক্তিগত সময় কটাবলৈ স্বইচ্ছাই ফোন অফ কৰি ৰাখিছে সি??

হে প্ৰভু, সেয়াই হওক। সেয়াই হওক।

দুৰু দুৰু বুকুৰে দুচকু জপাই ভগৱানক মিনতি কৰিলে অমৃতাই।

সৰু পকী ৰাস্তাত ৰিক্সাখন গৈ থাকিল।

ৰিক্সাখনৰ গতিয়ে এটি মৃদু হেন্দোলনী তুলিছে অমৃতাৰ শৰীৰত। ৰিব ৰিব বতাহ এছাটিয়ে চুই গৈছেহি তাইক... কঁপাই তুলিছে তাইৰ নীলা শাৰীৰ আঁচল।

সৰু তিনিআলিৰ কেঁকুৰীটোৰ পৰা ৰাস্তাটো বেয়া। ৰাতি বৰষুণ দিছিল হয়তো ...।

পকী ৰাস্তা যদিও মাজে মাজে পানীভৰ্তি সৰু সৰু গাত। ইয়াৰ পৰা এক কিলোমিটাৰমান দূৰৈত অনুৰাগহঁতৰ ঘৰ।

গাঁওখন আপোন হলেও ইমান বছৰৰ মূৰত হয়তো তাইৰ কোনো আপোন মানুহ নোলাব ইয়াত। সেয়ে তাই চিধাই অনুৰাগহঁতৰ ঘৰত উঠিবগৈ।

আগতে এইবোৰ কেঁচা ধূলিময় ৰাস্তা আছিল। কেঁচা ৰাস্তাটোৰ দুয়োকাষে আছিল ওখ ওখ শাৰী শাৰী সেউজীয়া গছ গছনি। এই ৰাস্তাটোতেই সৰুতে ধূলিত উমলিছিল অমৃতা অনুৰাগহঁতে সমনীয়াৰ সৈতে... কঁকাল, পিঠিত পাতল কাপোৰ বান্ধি চৰাই হৈ উৰিছিল ...

আনৰ বাৰীৰপৰা বগৰী, জামু, শিলিখা, আমলখি বুটলি খাইছিল, হাবিয়ে বননিয়ে বনৰীয়া হৈ ঘূৰিছিল.... আৰু যে কত কি!!

অমৃতাই মন কৰিলে ৰাস্তাৰ কাষৰ গছ গছনি বোৰ আগতকৈ কমি আহিছে, আৰু তাৰ ঠাইত আছে শাৰী শাৰী ওখ বিদ্যুতৰ পকী খুটা।

বাঁহৰ বেৰৰ জলঙাৰে বাহিৰৰ ফৰিং ফুটা জোনাক দেখা পোৱা ঘৰ বোৰ এতিয়া নাই। কেইঘৰ মানৰ বাহিৰে বেছিভাগ ঘৰেই পকী হৈছে ...।

সম্মোহিত দৃষ্টিৰে অমৃতাই চাই ৰৈছে তাইৰ একালৰ মৰমৰ গাঁওখন।

এইখিনিতে কমল খুড়াৰ ঘৰ আছিল। আকৌ অলপ আগলৈ গলেই ৰমলা পেহীৰ ঘৰ..তাৰপিছত আকৌ অকন ককাইদেউৰ ঘৰ।

অমৃতাই আপোনপাহৰা হৈ ৰাস্তাৰ ইপাৰে সিপাৰে চকু জুৰুৱা বিস্তীৰ্ণ পথাৰবোৰলৈ চাই পঠিয়ালে.. পলসুৱা পথাৰৰ নকৈ চহোৱা বোকা মাটিত লহপহকৈ বাঢ়ি আহিছে খেতিয়কৰ সেউজীয়া সপোনবোৰ... বতাহত ভাঁহি আহিছে সেই পুৰণি চিনাকি সুঘ্ৰাণ.... পলসুৱা বোকামাটিৰ আৰু শাওনৰ সেউজীয়াৰ।

"অনু চাচোন ছা, মই পাৰিছো মই পাৰিছো"

দুয়োহাত বতাহত দুফালে মেলি মেকুৰী খোজ দি আগবাঢ়িছে তাই পথাৰৰ মাজৰ সৰু সৰু আলিৰ ওপৰেদি।

হঠাতে 'জপং' কৈ পথাৰৰ চহাই থোৱা কোমল বোকা মাটিৰ ওপৰত পৰি গৈছে তাই।

সশব্দে হাঁহি উঠিছে অনুৰাগ।

দৌৰি আহিছে সি। দুয়োহাত আগবঢ়াই উঠাই আনিছে বোকাত লুতুৰী পুতুৰী অমৃতাক।

দুচকুৰ আগত ভাঁহি উঠিছে অন্য এটি দৃশ্যপট।

... কাণত ফুল, চুলিত ফুল , ডিঙিত আকাশীলতাৰে মেৰিয়াই বনাই লোৱা হালধীয়া মালা আৰু মূৰত গছৰ পাত আৰু নানাৰঙী বনৰীয়া ফুলেৰে বনাই লোৱা মুকুট পিন্ধি শৈশৱৰ বনকুঁৱৰী অমৃতাজনী .... আৰু,

সেই একেই গছৰ পাত, ফুলেৰে বনাই লোৱা মুকুট পিন্ধা তাইৰ বনকোঁৱৰ, অনুৰাগ !!

ক'ব নোৱাৰাকৈয়ে এটি হাঁহি বাগৰি গ'ল তাইৰ ওঁঠত ....

মনৰ মণিকোঠত সযতনে সাঁচি ৰখা অতীতৰ পৃষ্ঠাবোৰ ফৰফৰাই খোল খাইছে, শৈশৱৰ মধুৰ স্মৃতি সজীৱ হৈ উঠিছে। ভাঁহি উঠিছে তাইৰ দুচকুৰ আগত সময়ৰ বুকুত লীন হৈ যোৱা ক্ষণবোৰ, ...কিছু সুখৰ, কিছু দুখৰ, কিছু আৱেগৰ।

অমৃতাৰ দুচকুৰ আগত লৰি ঢাপৰি ফুৰিছে এহাল নিষ্পাপ লৰা ছোৱালী... তাৰপিছত কৈশোৰ অতিক্ৰমি ন যৌৱনৰ দুৱাৰদলিত মধুৰ স্বপ্নৰ আৱেষ্টনী বুকুত বান্ধি প্ৰাণখুলি হাঁহি উঠা এহাল প্ৰাণোদ্দীপ্ত ডেকা গাভৰু।

ৰাস্তাৰ কাষত থিয় হৈ দাঁত মাজি থকা লৰা বুঢ়া কিছুমানে তাইলৈ ঘূৰি ঘূৰি চাইছে.... অমৃতাই

জানি বুজি মুখখন ঘূৰাই দিছে অন্যফালে। তাইৰ কাৰো লগত কথা পাতিবলৈ ইচ্ছা নাই সদ্যহতে।

কাৰণ কথা পাতিলেই তাই সন্মুখীন হব বহু প্ৰশ্নৰ ...

ভাস্কৰ কত? সি কিয় নাহিল?

পোন্ধৰ বছৰত এবাৰো কিয় অহা নাছিল তাই গাঁৱলৈ??

দেউতাৰৰ শ্ৰাদ্ধটো নাহিলি কিয়?

বিয়া হোৱাৰ পিছতো অনুৰাগক বিচাৰি অহাৰ কাৰণ কি?

আকৌ কাৰণটো কলেও নানা ধৰণৰ অন্য প্ৰশ্নই মূৰ দাঙি উঠিব। আৰু তাই এতিয়াও সেই প্ৰশ্নবোৰৰ উত্তৰ দিবৰ জোখাৰে পৰ্য্যাপ্ত সাহসী হৈ উঠা নাই।

চাওঁ নাচাওকৈ তাই জংঘলে আৱৰি ৰখা পৰিত্যক্ত ঠাই ডোখৰলৈ চাই পঠিয়ালে। এইখিনিতেই আছিল অমৃতাহঁতৰ ঘৰটো।

এতিয়া ইয়াত ঘৰখনৰ ভগ্নাৱশেষও নাই ...

পোন্ধৰ বছৰ জানো কম সময়!!

মদ খাই লিভাৰ ফেইল হৈ মৃত্যু হোৱা দেউতাকৰ খবৰ পাইছিল তাই। ভাস্কৰেই খবৰটো দিছিল তাইক। কিন্তু সেই খবৰে অকণো বিচলিত কৰি তোলা নাছিল তাইক, কোনো ধৰণৰ দুখবোধ জাগি উঠা নাছিল তাইৰ অন্তৰত ... এক অনামী জিদত বৰফৰ দৰে কঠিন হৈ উঠিছিল তাই। বিভীষিকাময় নিশাবোৰৰ যন্ত্ৰণাত মৰি আহিছিল তাইৰ অন্তৰৰ সকলো আৱেগ, অনুভূতি... মনত কঠিন বৰফৰ দৰে এটৰপ দুটৰপকৈ মাথো গোট খাব ধৰিছিল ঘৃণা, খং, হতাশা আৰু জীৱনৰ প্ৰতি প্ৰচণ্ড অভিমান।

সেয়ে তাই খবৰ পাইও অহা নাছিল দেউতাকৰ অন্তিম সংস্কাৰত।

সেমেকি উঠিছে অমৃতাৰ চকুযুৰী। শাওনৰ মেঘাচ্ছন্ন আকাশখনৰ দৰেই কলীয়া ডাৱৰে আৱৰি ধৰিছে তাইৰ মনটোক .... দুচকুৰে বৈ আহিব খুজিছে অবাধ্য চকুলো।

নাই। ক্ষমা কৰিব নোৱাৰে। নোৱাৰে তাই।

ক্ষন্তেকৰ বাবে আৱেগিক হৈ উঠা মনটো পুনৰ কঠোৰ হব ধৰিছে। ভাস্কৰৰ দৰে পশুৰ হাতত টকা আৰু বিলাতী মদৰ বিনিময়ত তাইৰ কৌমাৰ্য্য তুলি দিয়াৰ অক্ষমনীয় ভুল কৰিছিল তাইৰ দেউতাকে।

প্ৰকৃততে অপৰাধ।

পুনৰ দপকৈ জ্বলি উঠিছে তাইৰ দুচকুত ঘৃণাৰ জুইকুৰা।

মনৰ বিষাদ দূৰ কৰিবলৈ, চকু পানীক ৰোধ কৰিবলৈ চেষ্টা কৰি তাই বিশাল আকাশখনলৈ মূৰ তুলি চালে।

শাওনৰ আকাশখন উন্দুলি উঠিছে.... বিষাদগ্ৰস্ত এজনী অভিমানী গাভৰুহে যেন!! সৰসৰকৈ সৰি আহিব যেন অলপতে, আকাশৰ বুকুত ৰোধ কৰি থোৱা চকুলোবোৰ বৃষ্টি বন্যা হৈ।

অনুৰাগহঁতৰ ঘৰৰ গেটৰ সন্মুখত ৰিক্সাখন ৰখাই বিশ টকামান তাই ৰিক্সাৱালাৰ হাতত গুজি দিলে।

দুৰু দুৰু বুকুৰে অমৃতাই চাই পঠিয়ালে ঘৰখনলৈ.... নাই, পুৰণি ঘৰখনৰ অকণো চিন চাব নাই। পুৰণি ঘৰখনৰ ঠাইত আছে এটা সুন্দৰ সৰু পকী ঘৰ....বাঁহৰ জেউৰাৰ ঠাইত পকী ৱাল ... বাঁহৰ পুৰণি জপনাখনৰ ঠাইত লোহাৰ গেট।

মোবাইলটো বেগৰ পৰা উলিয়াই ললে অমৃতাই। অদিতিহঁতে হয়তো চিন্তা কৰি আছে। অদিতিলৈ এবাৰ ফোন এটা কৰি জনাওঁ বুলি নাম্বাৰ ডায়েল কৰোতেই দেখিলে নেটৱৰ্ক নাই।

কল ৰেকৰ্ড আৰু ইনবক্স খুলি চালে তাই। বত্রিশটামান ভাস্কৰৰ মিছড কল, যি তাই ইচ্ছাকৃতভাৱে উঠোৱা নাছিল। ভাস্কৰে পঠোৱা শেষৰ মেছেজ তো পঢ়ি চালে তাই।

“ফোন নুঠোৱা কিয়?? আৰু কৰি থাক নাটক... প্ৰেম কৰি ঘূৰি ফুৰ। খবৰটো খুব সোনকালেই পাবি। মোক খং উঠাই লৈছতো !! হি হেজ টু ডাই। এণ্ড আই ৱিল মেক চিওৰ ...গুড লাক অমৃতা”

যাত্ৰাৰ ক্লান্তি , অৱসাদ নিমিষতে উৰি গল তাইৰ ....,

ভয়, দুশ্চিন্তা, শংকাই আৱৰি ধৰিছে অন্তৰাত্মা...

মেঘৰ গাজনি অনন্তত নহয় ... যেন তাইৰ বুকুতহে উৎপন্ন হৈছে, আৰু সেই গাজনিত থৰথৰকৈ কঁপি উঠিছে তাইৰ সৰ্বশৰীৰ । ভৰিৰ চেণ্ডেলযোৰ যেন মাটিত খোপনি পুতি ৰব খোজা নাই।

শংকিত খোজেৰে তাই নিজকে কোনোমতে চম্ভালি আগবাঢ়ি গল ঘৰখনৰ ফালে।

অনুৰাগ আছে নে নাই বা ঘৰত...?

ইমান দূৰলৈ আহিও যদি অনুৰাগক লগ নাপাই কলৈ যাব তাই তাক বিচাৰি?

ভয় আৰু দুশ্চিন্তাত, শৰীৰ আৰু মনৰ অৱসাদত বিহ্বল দৃষ্টি, শেঁতা আৰু বিৱৰ্ণ ওঁঠ মুখেৰে যেতিয়া তাই ঘৰখনৰ সন্মুখৰ মূল দুৱাৰত দুৰ্বল হাতৰ আঙুলিৰে টোকৰ মাৰিলেগৈ তেতিয়ালৈ চিপচিপকৈ বৰষুণ জাক সৰি আহিব ধৰিছিল ইতিমধ্যে।

অমৃতাৰ গালে, মুখে, চুলিয়ে হাত ফুৰাই হুকহুকাই কান্দি উঠিছে হুইলচেয়াৰত বহি থকা মানুহগৰাকী। বয়সস্থ মানুহজনীৰ চকুহাল ৰঙা পৰিছে ... আৱেগত নাকৰ পাহি ফুলি উঠিছে।

পকা ফ্লৰত আঁঠু কাঢ়ি বহি লৈ মানুহজনীৰ কোলাত মুখ গুজি হেঁপাহ পলুৱাই উচুপি উচুপি কান্দি উঠিছে অমৃতাই।

ঃ তই কিয় গুচি গৈছিলি অ’ মোৰ লখিমীজনী?? কিয় গৈছিলি ? তোক মই কিমান মৰম কৰিছিলোঁ.. চব পাহৰিলি ! ! তই গুচি যোৱা কাৰণে মোৰ লৰাটোৰ জীৱনত সুখ কেতিয়াও নাহিল অ লখিমী। এতিয়া বিচাৰি আহিছ তই তাক!! ক’ত পাবি তাক? কতো শান্তিত থাকিব নোৱাৰে সি ...জংঘলৰ মানুহবোৰে তাক বিচাৰি ফুৰে। মাজৰাতি ঘৰত ডকাইতৰ দৰে আহি উৎপাত কৰে। তই বিয়া হৈ গুচি নোযোৱা হলে সেইবোৰ নহলহেঁতেন। ঘৰৰ লৰা ঘৰতে সুখেৰে থাকিলেহেঁতেন। মই তাক নাহিব কৈছিলো তথাপিও সি আহিল। তাৰ বুকুত গুলি লগা মই চাব নোৱাৰিম অ’ লখিমী। তাক ইয়াৰ পৰা লৈ যা। লৈ যা।

বিদ্যুৎস্পৃহ মানুহৰ দৰে নিথৰ হৈ শুনি ৰল অমৃতাই কথাবোৰ।

(২১)

সময়ৰ নিষ্ঠুৰতাৰ গাঁথা শুনি নিৰ্বাক হৈ পৰিছে অমৃতা। পোন্ধৰ বছৰৰ ভিতৰত ইমান সলনি হব পাৰেনে? সময়ৰ সোঁতত সোঁত মিলাই যোৱা মানুহৰ মন ইমান নিষ্ঠুৰ হব পাৰেনে?

ইমান হিংসা, ইমান বিদ্বেষ, ইমান প্ৰতিশোধপৰায়ণ!! দুখত, ক্ষোভত অমৃতাই মাথো অনুৰাগৰ মাকৰ কোলাত মুখখন গুজি কান্দিছে।

ইমান বছৰৰ মূৰত অমৃতাক দেখি, আৱেগিক হৈ উঠা মানুহগৰাকীও অন্তৰ উজাৰি কান্দিব ধৰিছে।

বাহিৰত জৰ জৰাই খহি আহিব ধৰিছে আকাশৰ চকুলো। বহুবছৰৰ পিছত লগ হৈ আৱেগিক হৈ উঠা মানুহ দুগৰাকীলৈ অবাক হৈ চাই ৰৈছে অনুৰাগৰ দূৰ সম্বন্ধীয় মাহীয়েকৰ লৰা সীমান্ত আৰু হীৰা নামৰ বন কৰা ছোৱালীজনী।

সীমান্ত নামৰ কম বয়সীয়া লৰাজনেই এতিয়া অনুৰাগৰ অনুপস্থিতিত ঘৰখনৰ লগতে মাকক চোৱাচিতা কৰে।

ঃ কি কৰিবি। সকলো ভাগ্যৰ খেল। শান্ত, ভদ্ৰ মোৰ লৰাটো তই গুচি যোৱাৰ পিছত অনবৰতে মন মাৰি থকা হৈছিল, ওলোৱা সোমোৱা নকৰিছিল.... মই কিবা সুধিলেও, বুজাব গলেও মোকেই খং কৰিছিল । এদিন ৰাতি হঠাৎ সি গুচি গৈছিল ।

কথাৰ মাজতে বগা কপাহী চাদৰৰ আঁচলেৰে অশ্ৰুসিক্ত চকু , দুয়োগাল মচি লৈছে মানুহগৰাকীয়ে।

ঃ পিছদিনা ৰাতিপুৱা তাৰ পঢ়া টেবুলত মোলৈ লিখি থোৱা চিঠিখন দেখি মই হতভম্ব হৈছিলো... আকাশখন মূৰৰ ওপৰত ভাগি পৰা যেন লাগিছিল...মই কান্দোনত গছ পাত সৰালো...কিন্তু সি ঘূৰি নাহিল। সেইদিনা মোৰ তোলৈ বৰ মনত পৰিছিল অ আই... তই থকা হলে ...সি নগলহেঁতেন।

উচুপি উঠিছে মানুহগৰাকী।

ক্ৰন্দনমিশ্ৰিত কণ্ঠ আবেগত থুকাথুকি হৈ পৰিছে।

ঃ এদিন হঠাৎ শুনিলো সি আত্মসমৰ্পণ কৰিছে। সেইদিনা খুব ভাল লাগিছিল মোৰ। কেইমাহমান জেইলত থাকি সঁচাকৈ ঘূৰি আহিছিল সি। মোৰ হাতে ৰন্ধা খাইছিল, কোলাত শুইছিল... জীৱটো ঘূৰি অহা যেন পাইছিলোঁ মই ... পিছে কপালত শান্তি লিখা থাকিলেহে!! অৰণ্যৰ সতীৰ্থই তাক বিচাৰি চলাথ কৰিছিল... সি অহা গম পাই ঘৰ ঘেৰি ধৰিছিল এদিন ৰাতি। কোনোমতে বাছিল সি সেইনিশা। তাক নাপায় সিহঁতে যতে ততে গুলিয়াইছিল...মোৰ ভৰিৰ কলাফুলৰ মাজেদি পাৰ হৈ যোৱা এটা গুলিত মই বাগৰি পৰিছিলোঁ... বিষত অজ্ঞান হৈ পৰিছিলোঁ।

কথাবোৰ কৈ থাকোতে মানুহগৰাকীৰ দুচকুত বিষাদ আৰু যন্ত্ৰণা স্পষ্টকৈ ধৰা দিছে।

শিয়ঁৰি উঠিছে অমৃতা। শৰীৰৰ অস্থিমজ্জালৈকে তাই অনুভৱ কৰিছে এটি অদ্ভুত কঁপনি।

দুচকুৰ আগত যেন ভাঁহি আহিছে সেই ভয়ানক নিশাৰ দৃশ্য ...তাই স্বচক্ষুৰে যেন দেখা পাইছে অগ্নি স্ফুলিংগ এটাই ভৰিৰ মঙহ বিদিৰ্ণ কৰি যোৱা সেই দৃশ্য...গুৰি কটা গছৰ দৰে যেন বাগৰি পৰিছে মানুহজনী তাইৰ দুচকুৰ আগত।

অন্তৰখন হমহমাই উঠিছে তাইৰ।

একেই এটুকুৰা অগ্নি স্ফুলিংগই যেন জ্বলাই নিছে ... বুকু বিদিৰ্ণ কৰি গৈছে তাইৰ।

শংকা জাগিছে মনত ... ভীষণ শংকা।

অনুৰাগক অৰণ্যৰ পুৰণি সতীৰ্থই এতিয়াও বিচাৰি ফুৰে বিশ্বাসঘাটকতাৰ পোতক তুলিবলৈ। অৰণ্যৰ জীৱন কটাবলৈ আহি পুলিচৰ আগত আত্মসমৰ্পণ কৰাটো সিহঁতৰ বাবে বিশ্বাসঘাটকতা!!

সেয়ে অনুৰাগৰ এই জীৱন সিহঁতৰ কাম্য নহয়।

তাইৰ প্ৰেম.... তাইৰ সপোন, অনুৰাগৰ মৃত্যু ইহঁতৰ বাবে কাম্য।

বুকুখনত এক তীব্ৰ বিষ, এক তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিছে অমৃতাই।

ঃ কৰবাৰ পৰা মোৰ ভৰিত গুলি লগাৰ খবৰ শুনি সি আহিছিল পুনৰ। মই অকণমান সুস্থ হৈছিলোঁ তেতিয়ালৈ। সেইবাৰ মই তাক পুনৰ জোৰ কৰি পঠিয়াই দিলোঁ।

সি ইচ্ছা কৰিলেও ইয়ালৈ আহিব নোৱাৰে. .. মোলৈ ঘনাই ঘনাই ফোন কৰিলেও মোৰ ভয় লাগে। সিয়েই সীমান্ত আৰু হীৰাক ইয়াত মোৰ লগত থকাৰ দায়িত্ব দিলে।

টকা পইচাই জানো সকলো সুখ দিব পাৰে?? সিয়েই ঘৰখন পকী কৰালে, মোৰ সুবিধাৰ কাৰণে টিভি, ফ্ৰীজ, ৱাছিং মেচিন লগালে... তথাপিও শান্তি নাই মোৰ। অনবৰতে ভয় লাগি থাকে তাৰ কথা ভাৱি।

ঃ ......

নিৰ্বাক মূৰ্তিৰ দৰে স্থবিৰ হৈ শুনি ৰৈছে তাই মাথো।

ঃ এতিয়ানো সি কিয় আহিল?

মই লাগিলে তাক নোচোৱাকৈয়ে মৰিম কিন্তু তাৰ বুকুত গুলি লগা মই চাব নোৱাৰিম। সেই ৰাতিপুৱাই ওলাই যোৱা এতিয়ালৈ ঘূৰি অহা নাই।

কথা কৈ কৈ ভাগৰি গৈছে মানুহজনী। ফোঁপাব ধৰিছে, নাকৰ পাহি বাৰে বাৰে ফুলি উঠিছে ...

অমৃতা বাকৰুদ্ধ হৈ পৰিছে।

মানুহজনীক কি বুলি সান্তনা দিব তাই ভাবি পোৱা নাই।

সঁচাকৈ।

মাক দেউতাকৰ মৃত্যু সন্তানতকৈ আগতে হোৱাটো হল প্ৰকৃতিৰ নিয়ম ...সেয়া সময়ৰ নিৰ্ধাৰণ।

কিন্তু মাক দেউতাকৰ দুচকুৰ আগত অসময়তে সন্তানৰ মৃত্যু বা মৃত্যুৰ সম্ভাৱনা, সেই অনুভূতি কিমান যন্ত্ৰণাদায়ক হ'ব পাৰে!!

ভাগৰি যোৱা মানুহজনীক হীৰা আৰু অমৃতাই মিলি বিছনাত উঠাই দিলে।

ঃ অনুৰাগ আহিব, আপুনি চিন্তা নকৰিবচোন। এতিয়া অকণমান জিৰণি লওক। এতিয়া আৰু কথা নক'ব।

মানুহজনীয়ে হীৰাক হাতৰ ইঙ্গিতেৰে কাষলৈ মাতি আনি অমৃতাক আলহী কোঠাত থকাৰ ব্যৱস্থা কৰি দি খোৱা বোৱাৰ যোগাৰ কৰিবলৈ ক'লে।

আলহী কোঠাতে অমৃতাক থকাৰ ব্যৱস্থা কৰি দিয়া হ'ল।

বাথৰুমত গৈ অমৃতাই ফ্ৰেছ হৈ আহি হীৰাই যতনাই দিয়া জলপানখিনি আগ্ৰহেৰে খালে। ঔষধখিনিও খাই ললে অনুৰাগে বুজাই থৈ যোৱাৰ মতেই।

তাই যদি ঔষধ নাখায় অনুৰাগে খুব বেয়া পাব তাইক। সেয়ে খাব মন নগলেও তাই খাবই লাগিব।

নিজৰ বাবে নহ'লেও... অনুৰাগৰ বাবে।

পিছে ক'ত আছে অনুৰাগ?

ক'লৈ গৈছে সি?

ব্ৰহ্ম পুৱাতেই ওলাই যোৱা অনুৰাগ ইমান দেৰীলৈ কত থাকিব পাৰে?

দুপৰীয়াৰ আহাৰ অনুৰাগৰ মাকৰ লগত একেলগে খাই উঠাৰ বহু পিছলৈকো অনুৰাগ নহাত বেছিকৈ চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিছে তাই...। হুইলচেয়াৰত খিৰিকীৰ কাষত বহি ৰুদ্ৰাক্ষৰ মালা হাতত লৈ জপ কৰিব ধৰিছে অনুৰাগৰ মাক ... চকু মুখত স্পষ্ট চিন্তাৰ চাপ।

গধূলি হৈ আহিছে।

বৰ্ষাসিক্ত দিনটোক সোনকালে বিদায় দিবলৈ আন্ধাৰে প্ৰয়োজনতকৈ আগতেই যো-জা চলাইছে।

জৰজৰাই খহি অহা বৰষুণ জাক এতিয়া নাই। বাহিৰত এতিয়া শান্ত সৌম্য পৃথিৱী।

অশান্ত মাথো অমৃতা।

অস্থিৰ হৈ ঘনে ঘনে ইফালে সিফালে পদচালনা কৰিছে তাই। একে ঠাইতে বহি বা থিয় হৈ থকাৰ ধৈৰ্যকণ নোহোৱা হৈ আহিছে তাইৰ।

এবাৰ মূল দুৱাৰখন খুলিছে আকৌ এবাৰ বন্ধ কৰিছে।

বাৰে বাৰে দুচকু ৰৈছেহি লোহাৰ গেটখনত। কিজানিবা অনুৰাগ অহা দেখা পায়েইবা।

নাই। অহা নাই সি।

ক'লৈ যাব পাৰে সি বাৰু?

এই ঠাই এতিয়া অনুৰাগৰ বাবে সুৰক্ষিত নহয়। ইয়াৰ ঘনঘোৰ অন্ধকাৰ অৰণ্যৰ ভিতৰত মাথো শত্ৰুয়ে পিয়াপি দি আছে চৌদিশে। সুবিধা পালেই জপিয়াই পৰিব অনুৰাগৰ ওপৰত ... দেখিলেই গুলিয়াব।

ভাবিয়েই আতংকিত হৈ উঠিছে অমৃতাৰ চকু মুখ।

আত্মগ্লানিত দগ্ধ হৈছে তাই। নিজকে চিঞৰি চিঞৰি গালি পাৰিবলৈ মন গৈছে তাইৰ।

মাথো তাইৰ বাবে .... অনুৰাগ তাৰ বাবে অসুৰক্ষিত, বিপদ সংকুল গাওঁখনলৈ উভতি আহিছে... মাথো তাইৰ বাবে।

তাই বেয়া পাই এই গাঁওখনক ... যিখন গাঁও অনুৰাগৰ বাবে ইমান বিপদ সংকুল, এইখন গাঁও তাইৰ মৰমৰ হব নোৱাৰে। মুম্বায়েই ভাল। মুম্বাইৰ কংক্ৰীটৰ জীৱন, ব্যস্ত ৰাজপথ, শীত তাপ নিয়ন্ত্ৰিত বিলাসী জীৱনেই ভাল।

ইয়াত মানুহবোৰ বেছিকৈ নিষ্ঠুৰ হৈ পৰিছে... কাৰোবাৰ ভাগ্যনিয়ন্তা হৈ যাব খুজিছে....গাঁওখন বৰ বেয়া হৈ পৰিছে।

সকলোফালে অৰাজকতা।

কাৰ ওপৰত ভৰসা কৰিব।

পুলিচ, প্ৰশাসন সকলো উগ্ৰপন্থীৰ ভয়ত নিজৰ জীৱনৰ মোহত তলে তলে মিলি থাকে , সিহঁতক পইচা দিয়ে ।

গতিকে সিহঁতক জানো বিশ্বাস কৰিব পাৰি!!

আন্ধাৰ নামি আহিছে ধৰাৰ বক্ষলৈ ....

ৰঙীন সেউজীয়া পৃথিৱীক এতিয়া কলা বগা ছবি এখনৰ দৰে দেখা গৈছে ..।

"পাৰে পৰি হৰি কৰহো কাতৰি....."

ভিতৰৰ পূজা ঘৰৰ পৰা ভাহি আহিছে অনুৰাগৰ মাকৰ দৰদী কণ্ঠ।

সেই কণ্ঠৰ পৰা যেন নিগৰিত হৈছে অজস্ৰ দুখ, আৱেগ, শংকা ...

ঘৰৰ ভিতৰত ধুপৰ গোন্ধ মলমলাই উঠিছে, বিয়পি পৰিছে ঘিঁউ চাকিৰ গোন্ধ। টিলিঙাৰ পৱিত্ৰ সুমধুৰ শব্দ ভাঁহি আহিছে...

পৱিত্ৰ ভাৱত চকুযুৰী মুদি দিলে তাই , অস্ফুট স্বৰত বিৰবিৰাই উঠিল ..

"হে প্ৰভু....অনুৰাগ ভালে কুশলে থাকক....বিপদ অনুৰাগৰ বুকুলৈ অহাৰ আগত, মোৰ বুকুলৈ আহক"

দুধাৰী গৰম লোতকে তিয়াই গৈছে তাইৰ দুয়ো গাল।

তেনেতে হীৰা সোমাই আহিল।

হীৰাই আহি মম এটা জ্বলাই টেবুলত থৈ গল। মমৰ পোহৰত উজ্জ্বল হৈ উঠিল আন্ধাৰে গ্ৰাস কৰিব ধৰা কোঠাটো ।

"আমাৰ ইয়াত বিদ্যুতৰ একো ভৰসা নাই অমৃতা বাইদেউ" বুলি কৈ ওলাই গল কোঠাটোৰ পৰা তাই।

হঠাতে অমৃতা বহাৰ পৰা উঠিল।

আৰু নোৱাৰে তাই এনেকৈ অনিশ্চয়তাত থাকিব।

পাতল স্বল এখন গাত মেৰিয়াই খৰধৰকৈ ওলাই আহিল অমৃতা।

দুৱাৰখন লাহেকৈ পিছফালে জপাই দি তাই খৰ খোজেৰে ওলাই আহিল ঘৰৰ পৰা।

এই কানিমুনি আন্ধাৰত কোন দিশে যাব তাই ঠিক ধৰিব পৰা নাই।

কিছুদূৰলৈ ইতিমধ্যে আহিছেই তাই।

আগতে এই গাঁওখনৰ প্ৰতিটো অলি গলি, প্ৰতিটো চুক কোন ঘোৰ অমাৱশ্যাটো চিনি পাইছিল, এতিয়া সেই একেই গাঁওখন ভীষণ অপৰিচিত, আৰু ভয়ংকৰ যেন লাগিছে তাইৰ... চৌদিশে যেন মাথো বিপদেই বিপদ।

তাইৰ বাবে।

অনুৰাগৰ বাবে।

অকণমান ঠাইতে থিয় হৈ ৰৈ একো উৰাদিশ নাপায় তাই আন্ধাৰতে নিৰ্জনোক্তি কৰি উঠিল।

"ক'ত আছ অনুৰাগ? ক'ত?"

দূৰৈৰ হাবিতলীয়া ঠাইডোখৰৰ পৰা শিয়ালৰ মাত আন্ধাৰতে ভাঁহি আহিছে।

ভেকুলীৰ টোৰটোৰণী, জিলিৰ মাত সকলো মিলি যেন ৰহস্যময় পৰিৱেশৰ সৃষ্টি হৈছে।

ওখ ওখ গছবোৰক একো একোটা বিৰাট আকাৰৰ দৈত্য যেন লাগিছে।

হুৰহুৰাই মাজে মাজে বলি অহা চেঁচা বতাহত ভৰিৰ পৰা মুৰলৈ কঁপি উঠিছে অমৃতা ।

তথাপিও আগবাঢ়ি গৈছে তাই।

হঠাতে কিহবাত উজুটি খাই শৰীৰৰ ভাৰসাম্য হেৰুৱাই পৰিব লওঁতেই এটা উষ্ম, বলিষ্ঠ বাহুবন্ধনৰ মাজত সোমাই পৰিল তাই তৰ্কিব পৰাৰ আগতেই।

ভৰিৰ অসহ্য বিষো অনুভৱ কৰা নাই তাই....

অনুভৱ কৰিছে মাথো সেই উষ্ম, সৰগীয় সান্নিধ্য।

বুকুখন কোনো ন-যৌৱনা গাভৰুৰ দৰেই ধপধপাই উঠিছে, এক গভীৰ প্ৰশান্তিত চকুযুৰী জাপ খাই আহিছে... আৱেগত .. অভিমানত উদ্বেলিত হৈ দুচকুৰে সৰসৰাই চকুলো বাগৰি আহিছে।

"অনুৰাগ"

তাইৰ অস্ফুট কণ্ঠই চুই গৈছে তাক...

আৰু ভীষণ উষ্মতাৰে অত্যন্ত আৱেগেৰে সাৱটি ধৰিছে সি তাইৰ লাহী দেহা।

চেঁচা বতাহৰ এতিয়া তাইক চুই যোৱাৰ সাধ্য নাই।

অন্ধকাৰৰ সাধ্য নাই  তাইৰ শৰীৰ কঁপাই তুলিবলৈ।

এই সান্নিধ্য চিনি পাবলৈ তাইক অকণমানো পোহৰৰ প্ৰয়োজন নাই।

অনুভৱেই যথেষ্ট ...

বুকুৰ ধপধপনি,  শৰীৰৰ উষ্মতাই যথেষ্ট।

স্থবিৰ হৈ পৰিছে যেন ক্ষণটো।

স্থবিৰ  হৈ পৰিছে  প্ৰকৃতিৰ  গতি।

বতাহৰ সো-সোৱনী, ভেকুলীৰ টোৰটোৰণী, জিলি, নৈশ চৰাইৰ কোৰ্হালক চেৰ পেলাই বাঢ়ি আহিছে দুটি কলিজাৰ স্পন্দন।

উষ্মতাই আৱৰি ধৰিছে দুয়োকে .... চঞ্চল হৈ উঠিছে দুটি শৰীৰ, দুটি প্ৰাণ।

ক'ব নোৱাৰাকৈয়ে দুচকু জাপ খাই আহিছে তাইৰ ... কঁপি উঠিছে পুৰঠ ওঁঠ যুৰী...

অনুৰাগৰ বুকুৰ ধপধপনিৰ সুৰ তাই অনুভৱ কৰিছে নিজৰ বুকুত... অমৃতাৰ হৃদয়ৰ আভ্যন্তৰলৈকে এটি মৃদু খলকনি তুলিছে  সেই সুৰে ...প্ৰিয়তমৰ বুকুৰ পৰা ভাঁহি অহা সেই সুৰৰ মধুৰ ৰাগত ডুব গৈছে তাই কব নোৱাৰাকৈয়ে।

কিমান দেৰি ক'ব নোৱাৰে...

মূৰৰ ঠিক ওপৰেৰে  পাখি ধপধপাই উৰি যোৱা এহাল নৈশ পক্ষীৰ কোৰ্হালত আন্ধাৰতে তন্ময়তা ভাঙি গল দুয়োৰে।

ঃ ভৰিত দুখ পালি নেকি? এনেকৈ আন্ধাৰত ক'ত ঘূৰি ফুৰিছ?

অনুৰাগৰ মৰমসনা কণ্ঠস্বৰ ভাঁহি আহিল অন্ধকাৰতে। লৰালৰিকৈ নিজকে চম্ভালি থিয় হব খুজোঁতেই আৰু জোৰেৰে ধৰি ল'লে সি তাইক এখন হাতেৰে।

ঃ অনু ...এৰি দেনা। কি কৰিছ..?

ঃ মই কি কৰিছো? ধৰিছোঁহে।

ঃ এনেকৈ ধৰে নেকি?

ঃ কিয়? এনেকেতো মই তোক সৰুতে কিমানবাৰ ধৰিছিলোঁ... তেতিয়াটো বেয়া পোৱা নাছিলি? এতিয়া কিয় বেয়া পাইছ?

ঃ মই তোক কেতিয়া ক'লো বেয়া পাইছো বুলি?

ঃ তেতিয়াহলে ভাল পাইছ?? অকে।

অমৃতাই কিবা কবলৈ নৌপাওঁতেই সাউতকৈ আন্ধাৰতে তাইক কোলাত আলাসতে দাঙি ল'লে সি।

ঃ কি কৰিছ তই? নমাই দে বুলি কৈছো নহয় এতিয়াই।

অলপ টানকৈ কম বুলি ভাবিও কথাষাৰ টান হৈ নোলাল তাইৰ।

ঃ ভৰিত দুখ পাইছ চাগৈ?? মই থাকোতে খোজ কাঢ়ি মৰিব নালাগে এই আন্ধাৰত।

"তই এৰি দিয়াৰ পিছত ভাস্কৰৰ পৃথিৱীৰ লেতেৰা অন্ধকাৰৰ মাজত এনেকৈ কিমান অকলে খোজ দিলোঁ, তেতিয়া ক'ত আছিলি অনুৰাগ??"

মনতে ভাবিলে অমৃতাই।

তাইক কোলাত লৈ ধীৰ গতিৰে ঘৰলৈ খোজ দিয়ে সি।

ঃ অনু ...নমাই দেচোন। প্লিজ। মা আছে ভিতৰত। দেখি পাব।

ঃ দেখি পালে পাওক ...মায়ে কি বিচাৰে মই জানো নহয়।

ঃ অনু...

কৃত্রিম খং এটা উঠি আহে তাইৰ। এসোঁতা গৰম তেজে ধুৰাই গৈছেহি তাইৰ দুয়ো গাল... ভাগ্য ভাল অন্ধকাৰ! নহ'লে সি নিশ্চয় জোকালেহেঁতেন তাইক!!

তাইৰ কথা, তাইৰ খঙলৈ গুৰুত্ব নিদিয়ে সি।

ঃ হীৰা... হীৰা।

অমৃতাক কোলাত লৈয়েই, বাৰাণ্ডাত উঠি মাত দিলে সি। অনুৰাগৰ মাত শুনি উধাতু খাই দৌৰি ওলাই আহিল সীমান্ত আৰু হীৰা।

অমৃতা উছপিচাই উঠিল।

ঃ প্লিজ নমাই দে।

নামিবলৈ বৃথা চেষ্টা কৰি চেপা কণ্ঠৰে কৈ উঠিল তাই।

অমৃতাক অনুৰাগৰ কোলাত দেখি আচৰিত হৈ অনুৰাগৰ মাকো ওলাই আহিল হুইল চেয়াৰত।

অমৃতাই লাজত মুখখন লুকুৱাবলৈ ঠাই বিচাৰি ফুৰিছে। অনুৰাগে তাইক চোফাখনতে আলফুলে নমাই ল'লে।

ঃ চাওঁ ভৰিখন দিয়া । ক'ত দুখ পালি চাওঁ?

ঃ কৈছোঁতো দুখ পোৱা নাই। এনেই মিছাতে তই উৎপাত কৰিছ??

ঃ কি উৎপাত কৰিলোঁ?? মোক চাবলৈ দে। পাগলীজনী।

অনুৰাগে তাইৰ বাধালৈ গুৰুত্ব নিদি তাইৰ কোঁচাই লোৱা ভৰিখন নিজৰ হাতত লৈ ভালকৈ নিৰীক্ষণ কৰাত লাগিল।

ঃ মাইক্ৰস্কোপ লগাই চালেও একো দেখা নাপাবি। দুখ পোৱা নাই বুলি কৈয়েই আছোঁ দেখোন।

ঃ কিয় দুখ পোৱা নাই? এয়া কি?

ঃ ক'ত?

অনুৰাগে দেখুৱাই দিয়া ঠাইডোখৰলৈ চাই সশব্দে হাঁহি উঠিল অমৃতা। সীমান্ত আৰু হীৰাও মুখ টিপি হাঁহি পৰিছে। অনুৰাগৰ মাকৰ মুখতো উজ্জ্বল হাঁহি এটি বিয়পি পৰিছে ... সিহঁতহালক তাতেই এৰি ভিতৰলৈ সোমাই গৈছে তেওঁ।

সামান্য ছাল অকণ এৰিছে মাথো।

ঃ হীৰা হাঁহি আছ যে? দেখা নাই, বাইদেউৰে দুখ পাইছে ভৰিত? ...ডেটল আৰু কটন লৈ আনচোন।

অনুৰাগৰ আদেশ পাই হাঁহি বন্ধ কৰি ভিতৰলৈ লৰ মাৰি গৈ হীৰাই লৈ আনিলে ডেটল আৰু কটন।

অত্যন্ত মনোযোগেৰে কটনত ডেটল লগাই ছাল এৰা ঠাইডোখৰত লগাই দিলে সি।

মোহাচ্ছন্ন দৃষ্টিৰে অমৃতাই চাই ৰল অনুৰাগৰ মুখখনলৈ। এইটোনো দুখ পোৱাই নে? ইয়াতকৈ কিমান দুখ, যন্ত্ৰণা, শাৰীৰিক পীড়া সহ্য কৰি আহিছে তাই ....!!

ভৰিখন কোঁচাই ললে তাই হঠাতে।

অনুৰাগে স্থিৰ দৃষ্টিৰে তাইৰ দুচকুলৈ চাই ৰল কিছু দেৰী। অমৃতাই কি ভাবিছে, কি কব খুজিছে বুজি পাইছে সি। কটন আৰু ডেটলটো হীৰাৰ হাতত দি থিয় হল সি।

ঃ তই ফ্ৰেছ হৈ ল অনু ... পিছত কথা পাতিম।

ধীৰ গতিৰে ভিতৰলৈ সোমাই যোৱা অমৃতালৈ কিছু দেৰি চাই ৰল সি।

ঃ হীৰা গৰম পানী দিবিচোন। গাটো ধুই লওঁ।

“থৈ দিছো দাদা”

পাকঘৰৰ পৰাই অলপ উচ্চ স্বৰত চিঞৰি উত্তৰ দিলে হীৰাই।

গা ধুবলৈ যোৱাৰ আগত মাকৰ লগত কথা কিছুমান পাতি লওঁ বুলি সি মাকৰ কোঠালৈ সোমাই গ'ল।

চিকিমিকিকৈ জ্বলি থকা মমটোৱে কোঠাৰ অন্ধকাৰ আঁতৰাবলৈ প্ৰানেপণে চেষ্টা কৰিছে।

বাহিৰত কিনকিনিয়া বৰষুণ এজাক আহিব ধৰিছে।

পাকঘৰৰ পৰা ভাঁহি আহিছে কাঁহী বাটিৰ টুং টাং শব্দ।

কোঠাটোত বহি ৰৈছে অমৃতা আৰু অনুৰাগ।

অনুৰাগৰ মুখেৰে সকলোবোৰ কথা শুনিবলৈ পাই তন্ময় হৈ চাই ৰৈছে তাই তাৰ দুচকুলৈ।

বিস্ময়াবিভূত হৈ তাই শুনি ৰৈছে অনুৰাগৰ সন্ত্ৰাসবাদৰ যাত্ৰা.... অৰণ্যৰ জীৱন ... আকৌ ,মাথো এমুঠি সেন্দূৰৰ ওচৰত হাৰ মানি যোৱা নিশাটো ... জেইলত অনুশোচনাত কটোৱা সময়বোৰ, তাৰ পিছত আকৌ তাৰ অনিৰুদ্ধ বৰুৱালৈ কষ্টকৰ পৰিৱৰ্তনৰ যাত্ৰা।

প্ৰজ্বলিত মমৰ শিখাৰ সোণোৱালী পোহৰত উজ্জ্বলি উঠিছে অমৃতাৰ মুখৰ কেঁচা সোণ বৰণীয়া মুখ আৰু অনুৰাগৰ গভীৰ চকুযুৰ।

দুয়ো দুয়োলৈ একেথৰে চাই ৰৈছে বহু সময়। এসোপা মৰম জাগি উঠিছে দুয়োৰে অন্তৰত।

অব্যক্ত প্ৰেমে প্ৰকাশ পাইছে সৰ্বস্বতে... মৌন ওঁঠ , মৌন মুখ... দুচকুৰ চাৱনিত।

আৱেগবোৰ পাৰ ভাঙি আহিব খুজিছে... কিন্তু বাস্তৱৰ কঠিন বুকুত খুন্দা খাই মুখ ঠেকেচা খাই পৰি ৰৈছে । অনুভূতিবোৰ নিয়ন্ত্ৰণৰ হেঁচাত উন্মাদ হৈ পৰিছে।

এজুলুকা অশ্ৰুকণা চকুৰ কোণত জমা হৈছে... মমৰ পোহৰত প্ৰতিফলিত হৈ তিৰবিৰাই উঠিছে সেই অশ্ৰুকণা ... বুকুখন বিষাই উঠিছে তাৰ।

সহ্য হোৱা নাই তাৰ।

সহ্য হোৱা নাই এই ধুনীয়া চকুযুৰীত এই অশ্ৰুকণা।

সোঁহাতখনেৰে তাইৰ ঠুঁতৰিত ধৰি মুখখন তুলি ধৰিলে সি ....

ঃ অনু...

অনুৰাগে প্ৰত্যুত্তৰত একো নকলে। তাইক চুপ থাকিবলৈ ইংগিত দি সি ৰুমাল এখনেৰে মচি দিলে চকুহাল।

ঃ তোৰ চকুত চকুপানী মোৰ সহ্য নহয় অ। কিয় দুখ দিয় মোক?

অমৃতাই কিছুপৰ স্থিৰ দৃষ্টিৰে, বহল দুচকুৰে চাই ৰ'ল অনুৰাগৰ মুখলৈ। অনুৰাগৰ চকুহালত পৃথিৱীৰ সমস্ত মৰম আৰু আৱেগবোৰ আহি গোট খাইছেহি যেন ...।

ঃ দুখ কোনে কাক দিছে অনু? জাননে তোৰ কাৰণে চবেই কিমান চিন্তা কৰি আছে?

ঃ চবেই মানে?

ঃ অদিতি, শ্যামলী,... এবাৰটো ফোন কৰি জনাই দিব পাৰ??

ঃ অদিতি আৰু শ্যামলীয়েই হবলা তোক জোৰ কৰি পঠাই দিছে মোৰ ওচৰলৈ। হয়নে?

কৌতুক জিলিকি উঠিছে অনুৰাগৰ গম্ভীৰ চকুহালত।

গাঁওখনত নেটৱৰ্ক ভালকৈ নাপায়...ইণ্টাৰনেট দূৰৰ কথা। ইফালে ভয়তে মাকে তাক ক'লৈকো যাব নিদিয়ে। আজি কোনোমতে সি মাকক বুজাই ওলাই গৈছিল টাউনলৈ....টাউনৰ এজন উকিল বন্ধুৰ ঘৰলৈ। তাৰপৰাই সি ফোন কৰিছিল অমৃতালৈ। নত ৰিচ্ছেবল পোৱাত শ্যামলীলৈ ফোন কৰিছিল। শ্যামলীয়ে তাক জনাইছিল কেনেকৈ তাৰ বাবে উদ্বিগ্ন হৈ কাৰো বাধা নমনাকৈ অমৃতা অকলেই গুচি গৈছিল।

অনুৰাগৰ কৌতুক ভৰা দৃষ্টিলৈ চাই ৰৈছে তাই। ক'ব নোৱাৰাকৈয়ে ৰক্তিম আভা বিয়পি পৰিছে তাইৰ দুয়ো গালত।

ঃ অনু এইবোৰ উলতা পুলতা কথা নকবি মোৰ আগত। মোৰ তোৰ ওপৰত এনেও বহুত খং উঠি আছে।

ঃ কিয়?

ঃ এবাৰো ফোন কৰা নাছিলি কিয়?

ঃ মই ফোন কৰা হলে আহিলিহেঁতেন নে এনেকৈ মোক বিচাৰি গাঁৱলৈ??

ঃ অনু..

ঃ মিছা কথা ক'বলৈ শিকি গ'লি। সঁচা কবলৈ সাহস নোহোৱা হ'ল তোৰ ..

অনুৰাগৰ দুচকুত সেই একেই কৌতুক ভৰা চাৱনি।

ঃ কি মিছা ক'লো? আৰু সঁচা কবলৈ ভয় কৰিম কিয়?

ঃ ঠিক আছে ... ডু ইউ লাভ মি?? সঁচা ক'বি।

নিৰ্বাক হৈ পৰিল অমৃতা।

বিস্মিত চকুযুৰীৰে, ৰক্তিম দুগালেৰে তাই অবাক হৈ চাই ৰল অনুৰাগৰ গম্ভীৰ হৈ উঠা চকুৰ চাৱনীলৈ।

এটি ধুনীয়া সপোনৰ দৰে পাৰ হৈছে দিনবোৰ আৰু ৰাতিবোৰ। অপাৰ সুখ অনুভৱ কৰিছে তাই .. দুখৰ অনুভৱ বোৰ বহু দূৰৈত ৰৈ গৈছেহি.... ব্যথা, যন্ত্ৰণাবোৰে ভুমুকি মাৰিবলৈ সুযোগ পোৱা নাই।

আচৰিত হৈছে অমৃতাই নিজেও।

মুম্বাইৰ শ্বাসৰুদ্ধকৰ সময়বোৰৰ আগত নিজৰ হাৰ স্বীকাৰ কৰি এমুঠি শ্লিপিং টেবলেটক নিজৰ সাৰথি কৰি লোৱা অমৃতাজনী আৰু এইজনী অমৃতাৰ মাজত যেন আকাশ পাতাল পাৰ্থক্য।

অনুৰাগ আৰু অমৃতাই এই কেইদিনত মনভৰাই কথা পাতিছে... শৈশৱৰ স্মৃতি ৰোমন্থন কৰিছে, কথাই কথাই হাঁহিছে, আকৌ মাজে মাজে অভিমান ভৰা কাজিয়াও কৰিছে।

ডিপ্ৰেছনত ভুগি খাবলৈ, শুবলৈ পাহৰি যোৱা অমৃতাই সুস্বাদু আহাৰ পেট পুৰাই খাই শ্লিপিং টেবলেট নোলোৱাকৈয়ে গভীৰ নিদ্ৰাত ডুব গৈছে... আকৌ অমৃতাৰ গভীৰ নিদ্ৰাচ্ছন্ন মুখখনি চাই প্ৰশান্তিত উজ্জ্বলি উঠিছে অনুৰাগৰ চকুহাল।

অনুৰাগে কেইবাবাৰো তাইক লগ ধৰিছে বাহিৰলৈ .....গাঁওখনত ফুৰিবলৈ, গৰাত বহি শাওনৰ ভৰ নদীখন চাবলৈ, সেউজীয়া পথাৰ চাবলৈ। পিছে নানা অজুহাত দেখুৱাই তাই নাযায় নিজেও, আৰু তাকো যাব নিদিয়ে।

অমৃতাই মনত ৰাখিছে অনুৰাগৰ মাকে কোৱা কথাবোৰ।

... তাই পাহৰি যোৱা নাই, কিমান বিপদসংকুল এই ঠাইখন অনুৰাগৰ বাবে।

অমৃতাই লক্ষ কৰে অনুৰাগক, তাৰ দেখোন অকণো ভয় নাই একোলৈ .... ভয় নাই বন্দুকৰ গুলিলৈও।

অনুৰাগৰ জীৱন সংকটত আছে নেকি বাৰু সচাকৈ!!

কথাষাৰ ভাবিলেই বুকু কঁপি উঠে তাইৰ ... ভয়, শংকাত নীলা পৰিব খোজে তাই।

কিন্তু ইমান চিন্তা কৰিবলৈ অনুৰাগে তাইক অৱকাশ কত দিয়ে?

গাঁওখন চাবলৈ বাহিৰলৈ ওলাই নগলেও, খিৰিকীৰ কাষত নতুবা বাৰাণ্ডাত বহি দুয়ো উপভোগ কৰিছে গাঁওখনৰ চেঁচা বতাহ, জৰজৰাই খহি অহা বৰষুণ...আকৌ মাজে মাজে উপভোগ কৰিছে ৰৌদ্ৰোজ্জল নিলীম আকাশ.. জোনাক ভৰা নিশা.. মলয়ৰ পৰশত লয়লাস ভংগীত নৃত্যৰত গছ বিৰিখৰ পাত।

তাৰ মাজতেও আকৌ কেতিয়াবা সি অমৃতাক নিৰ্বাক কৰি দিয়ে, অস্বস্তিত পেলায় সেই একেই অদ্ভুত প্ৰশ্ন বাৰে বাৰে সুধি।

"ডু ইউ লাভ মি?"

ভ্ৰূ কুঞ্চিত কৰি, কৃত্ৰিম খং দেখুৱাই ঘোপাকৈ চাই ৰয় তাই অনুৰাগৰ দুচকুলৈ।

এনেকুৱা অদ্ভুত প্ৰশ্নও কৰিব লাগেনে সি ..!

ঃ এই প্ৰশ্নৰ উত্তৰ নাই মোৰ লগত।

তাই গহীনাই উত্তৰ দিয়ে প্ৰতিবাৰেই।

ঃ কিয় নাই? মোক সুধি চা নহলে একেটা প্ৰশ্ন!!

মই ধুনীয়াকৈ উত্তৰ দিম।

দুষ্টামি ভৰা হাঁহি জিলিকি উঠে তাৰ চকুৰে, মুখে।

ঃ উফ... অনু ... মোৰ অধিকাৰ নাই তোক তেনেকুৱা প্ৰশ্ন কৰিবলৈ।

ঃ অধিকাৰ মই তোক দিছো। তোৰ সম্পূৰ্ণ অধিকাৰ আছে মোৰ ওপৰত।

অত্যন্ত গম্ভীৰ হৈ পৰে অনুৰাগৰ কণ্ঠ।

সেই যে তাই প্ৰতিবাৰেই কয় অধিকাৰ নাই বুলি, তাৰ পিছতেই সৰু খণ্ডযুদ্ধ এখন লাগি যায় দুয়োৰে মাজত।

কেতিয়াবা আকৌ দুয়োৰে কাজিয়া হয় উচিত অনুচিতক লৈ...বিশেষকৈ, যেতিয়া অনুৰাগে সম্পূৰ্ণ অধিকাৰেৰে ধৰি লয় তাইৰ হাতখন নিজৰ হাতৰ মুঠিত। সংকোচেৰে নিজৰ হাতখন আঁতৰাই আনিবলৈ চেষ্টা কৰে তাই।

ঃ হাতখনে কি জগৰ লগালে?

ঃ এয়া অনুচিত।

ঃ কিয় অনুচিত বাৰু? এনেকৈটো মই কিমান বাৰ সৰুতে ধৰিছো তোক। মোৰ হাতত নধৰাকে একো কামেই কৰিব নোৱাৰিছিলি তই। তেতিয়াটো একো কোৱা নাছিলি? এতিয়া প্ৰব্লেম কিয় হৈছে?

ঃ অনু তেতিয়াৰ কথা বেলেগ ... এতিয়া মই বিবাহিতা নাৰী। কাৰোবাৰ পত্নী।

অনুৰাগ পুনৰ গম্ভীৰ হৈ যায় তাইৰ উত্তৰত।

আঁহত দৃষ্টিৰে চাই ৰয় সি তাইৰ দুচকুলৈ... শিৰৰ সেউতাৰ অকণমান ৰংটোলৈ। সেই দৃষ্টিত দৃষ্টি মিলাব নোৱাৰি তলমূৰ কৰি ৰয় তাই।

অনুৰাগক মনত আঘাত দি তাতকৈও বেছি আঘাত পায় তাই নিজেই।

তথাপিও তাই নিৰূপায় ... কাৰণ সেয়াই সত্য। আৰু সত্য সদায় কঠোৰ।

তাই বুজাই অনুৰাগক।

কিন্তু সি বুজিও যেন বুজিব নোখোজে।

শিৰৰ সেন্দূৰৰ ৰংটো দেখিলেই অনুৰাগ উছপিচাই উঠে। মুখখন কঠিন হৈ আহে। হাতৰ মুঠি টান হৈ পৰে। ভাস্কৰ দত্তৰ আসুৰিক মুখাবয়ব দুচকুৰ আগত ভাঁহি উঠে।

অমৃতাৰ হাতখন এৰি দিয়ে সি নিজৰ অজানিতেই।

"সেন্দূৰটো মুচি পেলা"

ক'ব খোজে সি।

কিন্তু মুখ খুলি কব নোৱাৰে সি, ভিতৰি ছাটিফুটি মৰে। এক ধৰণৰ অনামী খঙে আৱৰি ধৰে তাক ... অভিমান এটা জাগি উঠে বুকুৰ একোণত ...তাই আজিও ভাস্কৰ দত্তৰ নামৰ সেন্দূৰ সৰুকৈ হলেও শিৰত সজাইছে।

কিয়? ইমান নিষ্ঠুৰ, অসুৰিক প্ৰকৃতিৰ মানুহজনৰ নামত এতিয়াও সেন্দূৰ কিয় লগাইছে অমৃতাই??

যিজন মানুহে তিলতিলকৈ তাইক শোষণ কৰি আহিছিল অতবছৰে....।

শ্যামলীয়ে জনাইছিল তাক , ভাস্কৰ দত্তৰ বেইল হোৱাৰ কথা আৰু অমৃতাই অদিতিয়ে বহুবাৰ কোৱাৰ পিছতো এবাৰো নিজে উকিলক লগ ধৰিব নোযোৱাৰ কথা।

কিয় এনেকুৱা কৰিছে অমৃতাই?

ডিভোৰ্চ নিবিচাৰে নেকি তাই ভাস্কৰ দত্তৰ পৰা??

মুক্তি নিবিচাৰে নেকি অমৃতাই সেই সম্বন্ধটোৰ পৰা??

তথাপিও একো নকয় সি তাইক।

কিছুমান সিদ্ধান্ত তাইৰ একান্ত নিজৰ, যত সি যুক্তি দিয়াটো অনুচিত।

অভিমানত ৰঙা হৈ উঠে সি।

০০ ০০ ০০

চিন্তা, ভয়, শংকাৰ মাজতো অনুৰাগৰ মাকৰ মুখত অকণমান সুখৰ ৰেশ বিয়পি পৰিছে.... অমৃতাৰ আগমনে পোহৰাই তুলিছে মানুহজনীৰ বয়সে শুষ্ক কৰি তোলা মুখ।

অমৃতাৰ জীৱনত ঘটি যোৱা ঘটনাবোৰ শুনি দুখত ম্ৰিয়মান হৈ পৰিছিল মানুহজনী, যদিও এতিয়া তেওঁ মনেপ্ৰাণে বিচাৰে অনুৰাগৰ জীৱনত অমৃতা ঘূৰি অহাটো...।

এই কেইদিনত তেওঁ লক্ষ্য কৰিছে সুখে বুৰাই পেলোৱা লৰা-ছোৱালীহালক।

কেতিয়াবা যদি কথা পাতিছে, কেতিয়াবা আকৌ অভিমানত উন্দুলি উঠে, কেতিয়াবা আকৌ কাজিয়া... আকৌ সেই কাজিয়াবোৰৰ মাজে মাজে তন্ময় হৈ ইটোৱে সিটোক চাই থকা ...

তেওঁ দেখিছে, সেই চাৰিচকুৰ মিলনত সৰি অহা মুঠি মুঠি প্ৰেম, ভালপোৱা... অপাৰ মুগ্ধতা।

... অনুৰাগ আৰু অমৃতাৰ মিলন হওক।

হুইল চেয়াৰত বহি ৰুদ্ৰাক্ষৰ মালা লৈ একান্তমনে জপ কৰে মানুহজনীয়ে।

নৈশ আহাৰ খাই উঠি দুয়ো আগচোতালত দুখন চকীত বহি লৈছে।

ফৰকাল আকাশ।

জোনৰ স্নিগ্ধ পোহৰ পৰিছে আগচোতালত...বাৰাণ্ডাত। চোতালৰ বটলব্ৰাছ জোপাৰ পাতৰ আঁৰে আঁৰে সৰকি অহা জোনাকৰ স্নিগ্ধ পোহৰ দুয়োৰে গালে মুখে পৰিছেহি।

তন্ময় হৈ চাই ৰৈছে অনুৰাগে অমৃতাৰ ধুনীয়া মুখখনিলৈ। কিবা চিন্তাত যেন বিভোৰ হৈ পৰিছে তাই।

ঃ কি ভাবি আছ ইমানকৈ?

ঃ ... চাইছো। ইমান ধুনীয়া ন জোনটো!!

ঃ ওম ম ...

কিছুদেৰী কিবা ভবাৰ দৰে কৰিলে সি।

ঃ উহু ... এই জোনটোতকৈ বেছি ধুনীয়া জোন মোৰ কাষতেই বহি আছে।

তাৰ গভীৰ চকুহাললৈ স্থিৰ নেত্ৰে চাই ৰল তাই।

ঃ সচা কথা কৈছো।

সুগভীৰ দৃষ্টিৰে চাই ৰৈছে সি তাইৰ দুচকুলৈ।

সেই দৃষ্টিত মুঠিয়ে মুঠিয়ে সৰিব ধৰিছে অপাৰ প্ৰেম... মৌন হৈ চাই ৰৈছে অমৃতাই... এজুলুকা অশ্ৰু ভৰি আহিছেহি তাইৰ দুচকুত।

দুচকু জপাওঁতেই সৰ সৰাই বাগৰি আহিছেহি দুয়োগালেদি তপত চকুলো।

কান্দোন এটা উজাই আহিছে বুকু ভাঙি...

ঃ কিয় কৈ থাক এইবোৰ মোক?? কিয়?

থুকা থুকি হৈ পৰিছে তাইৰ কণ্ঠ।

আৱেগিক হৈ উঠিছে অনুৰাগ।

ঃ কিয় নক'ম? মই কমেই ... আই লাভ ইউ অমৃতা। আৰু সেয়াই সত্য। মই তোক ভাল পাওঁ। বহুত ... বহুত ভাল পাওঁ।

আৱেগত কম্পিত সুগভীৰ কণ্ঠ অনুৰাগৰ... সামান্য চঞ্চল হৈ উঠিছে অনুৰাগৰ গহীন গম্ভীৰ অবয়ব..এজন কিশোৰে নিজৰ প্ৰথম প্ৰেম নিবেদন কৰাৰ সময়ত অনুভৱ কৰা চঞ্চলতাৰ দৰে।

এৰা, প্ৰথম প্ৰেমৰ প্ৰথম নিৱেদনেইতো এয়া!

জীৱনত প্ৰথমবাৰৰ বাবে প্ৰথম প্ৰেমে শব্দৰ ৰূপ লৈছে অনুৰাগৰ ওঁঠত... নিজৰ মনৰ ভাব মুখেৰে বিনাদ্বিধাই ব্যক্ত কৰিছে অনুৰাগে এই প্ৰথমবাৰ।

অনুৰাগৰ হাতৰ উত্তাপে চুই গৈছে তাইৰ দুয়োগাল। মনৰ আৱেগ, অনুভূতিবোৰ লিপিত খাই ধৰিছেহি তাৰ দুচকুৰ চাৱনিত।

হুকহুকাই কান্দি উঠিছে তাই।

ঃ মই ইয়াৰ যোগ্য নহওঁ। নহওঁ মই যোগ্য তোৰ প্ৰেম পোৱাৰ... এইবোৰ নক'বি মোক। মইতো ... মইতো এজন নিষ্ঠুৰ দানৱৰ হাতত কলুষিত হৈ পৰিছো অনুৰাগ ..প্লিজ এইবোৰ নক'বি।

ঃ কলুষিত ... ?? মোৰ প্ৰেম ভালপোৱাক শৰীৰ সৰ্বস্ব বুলি কিয় ভাবি লৈছ? সি তোৰ শৰীৰ চুইছে, মই তোৰ প্ৰাণ,

তোৰ আত্মাক চুব খোজো।

অমৃতাৰ মুখখন নিজৰ দুয়োহাতেৰে তুলি ধৰি লৈ ক'লে সি ...।

বাকৰুদ্ধ হৈ চাই ৰল তাই অশ্রুসিক্ত দুচকুৰে অনুৰাগৰ গভীৰ দুচকুলৈ।

চাৰি চকুৰ সেই মিলনৰ উষ্মতাত ...

হিমালয় সম ওখ প্রাচীৰ নিঃশেষ হৈ আহিব ধৰিছে ....যেনেকৈ ৰ'দৰ উত্তাপত আত্মসমৰ্পণ কৰে বৰফৰ কঠিন পৃষ্ঠই।

কিমান সময়.. দুয়ো কব নোৱাৰে।

নিশা ক্রমাৎ গভীৰ হৈ আহিছে। দূৰৈৰ পৰা ভাঁহি অহা মটৰ চাইকেলৰ শব্দত সচকিত হৈ উঠিল দুয়ো।

অন্ধকাৰ কোঠাৰ ৱালতে আউজি নিস্তব্ধ হৈ ৰৈছে অমৃতা আৰু অনুৰাগ। উৎকৰ্ণ হৈ ৰৈছে সি।

সম্ভাব্য বিপদৰ আশংকাত ভয়ত বিৱৰ্ণ হৈ পৰিছে অমৃতা। ষষ্ঠ ইন্দ্রিয়ই যেন চিঞৰি চিঞৰি সজাগ কৰিছে ,

“বিপদ সমাগত” “ বিপদ সমাগত”

বুকুৰ ধপধপনীবোৰ দ্রুতৰ পৰা দ্রুততৰ হৈছে।

নিৰ্জন নিশাৰ নৈস্তব্ধতা ফালি মটৰ চাইকেলৰ কৰ্কশ শব্দ ভাঁহি আহি আছে ....

মটৰ চাইকেলৰ শব্দও ইমান বিকট....ইমান

ভয়ংকৰ হব পাৰেনে!!

অজান ভয়ত কঁপি উঠিছে অমৃতা।

কিছুপৰ পিছতে মটৰ চাইকেলৰ শব্দ নোহোৱা হৈছে।

“উফফ প্রভু”

মূৰটো ৱালতে আউজি স্বস্তিৰ নিশ্বাস এৰিলে অমৃতাই।

অনুৰাগে উঠি গৈ অন্ধকাৰতে আলমাৰীখন খুলি কিবা বস্তু উলিয়াই বেগত ভৰাব ধৰিছে ।

সি জানে, সি নিজেই নিজক ৰক্ষা কৰিব লাগিব।

ইয়াত ফোন কৰিবলৈও নেটৱৰ্ক নাই।

আৰু নেটৱৰ্ক থাকিলেও যে কাৰোবাৰ পৰা সহায় পোৱা যাব, তাত সন্দেহ আছে।

সকলোৱে ভয়ত সন্ত্রাসবাদীৰ সৈতে তলে তলে মিলি থকাটোহে উচিত বুলি ভাবে।

অনুৰাগে জানে, গাঁৱৰ মানুহবোৰো পৰিচিত এই মাজনিশাৰ মটৰ চাইকেলৰ শব্দৰ সৈতে।

মাজনিশাৰ এই দৈত্যকায় গৰ্জন কৰ্ণপাত হলেই ভীতিগ্রস্ত গাঁৱলীয়া মানুহবোৰৰ ঘৰে ঘৰে অন্ধকাৰে বিৰাজ কৰে। নুমোৱাই দিয়া হয় সকলোৰে ঘৰৰ বিজুলী বাতি, চাকি, লেম্প।

ঃ অনু..

ঃ হুচচচ

অমৃতাৰ ওঁঠত নিজৰ তৰ্জনী আঙুলিটো থৈ সি তাইক মনে মনে থাকিবলৈ ইংগিত দিলে।

কিবা এটা সুধিব খুজিও ৰৈ গল তাই।

কি কৰিছে অনুৰাগে?

তাই ঠিক ধৰিব পৰা নাই। বুজিব পৰা নাই তাই অনুৰাগৰ গতি বিধি।

নিস্তব্ধতাৰ মাজত “কেৰেক” কৈ মূল দুৱাৰখনত এটি সৰু শব্দ হ'ল।

সতৰ্ক হৈ ৰৈছে অনুৰাগ।

অলপ পিছত ঘন হৈ আহিল সেই শব্দ।

কিবা তলকিব পৰাৰ আগতেই অনুৰাগে অমৃতাক অন্ধকাৰত টানি আনিলে নিজৰ ওচৰলৈ, দুৱাৰৰ চুকতে চেপি থিয় হৈ ৰল দুয়ো।

ভয়ত শৰীৰৰ ৰক্ত প্ৰৱাহ বন্ধ হৈ গোট মাৰি বৰফ হোৱাৰ উপক্ৰম হৈছে অমৃতাৰ।

দুৱাৰখন “ধাম”কৈ খোল খালে।

জোনাকে পোহৰ সিঁচি দিয়া কোঠাটোত হঠাৎ সোমাই আহিছে দুজন কলা পোছাক পিন্ধা ছায়ামূৰ্তি। হাতত বন্দুক।

দুৱাৰখনৰ চুকত ভয়ত জঠৰ হব ধৰিছে অমৃতা।

বন্দুক পোনাই সতৰ্ক দৃষ্টিৰে আগুৱাই গ'ল দুয়োজন। দুয়োজনে এবাৰ ইটোৱে সিটোৰ মুখলৈ চাই কিবা ইংগিত দিলে।

এপলক মাত্ৰ।

সেই এপলকত হঠাৎ তড়িৎ গতিৰে অনুৰাগ জপিয়াই পৰিছে দুয়োজনৰ ওপৰত পিছফালৰ পৰা... জপতিয়াই ধৰিছে দুয়োজনৰ কান্ধ, শৰীৰ, হাতৰ বন্দুক ...

অনুৰাগ হিংস্ৰ হৈ পৰিছে। হাত, বুকুৰ মাংসপেশী কঠিন হৈ আহিছে।

শান্ত গম্ভীৰ ৰূপ নাই...

চকুৰে মুখে মাথো ফুটি উঠিছে অমৃতাই আগতে কাহানিও নেদেখা কঠিনতা, নিষ্ঠুৰতা আৰু বলিষ্ঠতা।

উপৰ্যপুৰি মূৰে, বুকুৰে , নাকে , মুখে ঘোচা মাৰি হাতৰ বন্দুক আজুৰি টানি পেলাইছে সি।

আকৌ বন্দুকেৰে উপৰ্যপুৰি মাৰ সোধাইছে।

ঃ তহঁতে জীয়াই থাকিব নিদিয় কিয় মোক? কিয়?

কোঠাটোত বিয়পি পৰিছে সিহঁতৰ কৰ্কশ আৰ্তনাদ। এটা সময়ত নিস্তব্ধতাৰ কোলাত ঢলি পৰিছে নিজেই দুই মৃত্যুদূত।

খঙত, উত্তেজনাত ফোঁপাই উঠিছে সি...

ভয়ত জঠৰ হৈ পৰা অমৃতাই দুৱাৰৰ চুকতে থিয় হৈ অবাক লাগি চাই ৰৈছে অনুৰাগৰ হিংস্ৰ মুখখনলৈ...আগতে কাহানিও নেদেখা ৰূপটোলৈ।

অনুৰাগ আহি তাইৰ কাষত থিয় হৈছেহি।

ঃ ঠিকেই আছনে?

বাকৰুদ্ধ হৈ পৰা অমৃতাই উত্তৰ দিব খুজিও দিব নোৱাৰিলে ... শুষ্ক হৈ পৰিছে কণ্ঠনলী।

জোনাক উপচি পৰা কোঠাত তাই মাথো অবাক লাগি চাই ৰৈছে অনুৰাগৰ ঘনে ঘনে বৰণ সলোৱা মুখখনলৈ। অনুৰাগৰ মুখখনত এতিয়া দেখা গৈছে মাথো উদ্বিগ্নতা আৰু বিষন্নতা।

ঠিক তেনেতে সীমান্ত ওলাই আহিল হাতত দা খন লৈ। অনুৰাগৰ মাকেও অস্থিৰতাৰে হুইল চেয়াৰ ঠেলি ওলাই আহিছে।

পকা মজিয়াত পৰি থকা শৰীৰ দুটা দেখি আৰ্ত চিৎকাৰ কৰি উঠিছে মানুহজনী... ভয়াৰ্ত চকুহালত জিলিকি উঠিছে ভয়, বিহ্বলতা আৰু অস্থিৰতা।

বহি থকাৰ পৰাই হাত মেলি অনুৰাগক হাতত ধৰি গালে, মুখে, চুলিয়ে হাত ফুৰাইছে মাকজনীয়ে।

ঃ তই ঠিকেই আছনে বাবা ? তই ঠিকেই আছনে? কৰবাত দুখ পালি নেকি?

ঃ নাই মা ..চা, কতো অকণো দুখ পোৱা নাই।

হাত দুখন মেলি পোনকৈ থিয় হৈ দেখুৱাইছে সি।

ঃ মই জানিছিলো সিহঁত আহিব...মই জানিছিলোঁ...কিমান ক'লো তোক, তই জানো শুন মোৰ কথা বাবা।

চাদৰৰ আঁচলেৰে মুখ ঢাকি উচুপি উঠিছে মানুহগৰাকী।

ঃ তই গুচি যা অ' বাবা। গুচি যা। বহুত দূৰলৈ যাগৈ। ইয়াত নাথাকিবি অ। ইয়াত নাহিবি আৰু দুনাই।

ঃ তই ইমান বেছি চিন্তা কিয় কৰিছ মা? মোৰ জানো কিবা হৈছে?

ঃ চিন্তা নকৰিম?? কেনেকৈ??

তই অকলে যুঁজিবি সিহঁতৰ লগত ...কেনেকৈ যুঁজিবি ? কোনো সহায় কৰোঁতাও নোলাব।

মৰমৰ মাকজনীৰ চকুলোৰ আগত বিচলিত হৈ পৰিছে অনুৰাগ।

সেমেকি উঠিছে গভীৰ চকুহাল।

অনিশ্চয়তা আৰু অসহায়তা জিলিকি উঠিছে অনুৰাগৰ দুচকুত।

মাকজনীলৈ মৰম লাগিছে ... অনুতপ্ত হৈছে সি। মাত্ৰ এটা নিশাৰ ভুল সিদ্ধান্তৰ পৰিনাম সকলোৱে ভোগ কৰিবলগীয়া হৈছে।

সম্ভাব্য বিচ্ছেদৰ আশংকাই আৱৰি ধৰিছে তাক... পুনঃ বিচ্ছেদ মৰমৰ মাকৰ পৰা, এই ঘৰখনৰ পৰা, আৰু, আৰু অমৃতাৰ পৰা।

হঠাতে পুনৰ নিশাৰ নিস্তব্ধতা ফালি আগুৱাই আহিছে কেইবাখনো মটৰ চাইকেলৰ কৰ্কশ শব্দ।

ভয়ত বিতত হৈ অনুৰাগৰ মাকজনী অস্থিৰ হৈ উঠিছে।

বিৱৰ্ণ অমৃতাৰ মুখৰ ৰং।

মৃত্যুদূতৰ ৰূপ লৈ ৰক্ত পিপাসু দস্যু আহিছে...

তাইৰ প্ৰেম অনুৰাগৰ মৃত্যু ইহঁতৰ কামনা।

অনুৰাগ সিহঁতৰ বাবে বিশ্বাসঘাটক।

শত্ৰুক জীৱন দান দিয়াৰ অপৰাধত দণ্ডিত কৰিব খোজে অনুৰাগক সিহঁতে।

আস"

মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হব পাৰে!!

ইমান বিদ্বেষ, ইমান হিংসাপ্ৰীতি কেনেকৈ থাকিব পাৰে মানুহৰ মনত!!

ঃ লখিমী অ' তাক যাবলৈ কচোন। যাবলৈ ক। লুকাবলৈ ক' তাক। সি নুশুনে অ মোৰ কথা। সি অকলে কেনেকৈ লৰিব ইমানজাকৰ লগত? মই মৰি যাম অ আই।

ভয়ত শেঁতা পৰি যোৱা মানুহজনীৰ কণ্ঠত কাতৰ অনুনয়ৰ সুৰ।

পৰিস্থিতিৰ আকস্মিকতাত কণ্ঠৰুদ্ধ হৈ পৰা অমৃতাৰ মাকক বুজাবলৈ ভাষা নাই।

শক্তি নাই।

অনুৰাগৰ চকুৰ ইংগিত বুজি পাই সীমান্তই মাকক অইন এটা কোঠালৈ লৈ গৈছে। উচুপি উচুপি আঁতৰি গৈছে মাক ... আকুল চকুহালেৰে এবাৰ ঘূৰি চাইছে অনুৰাগলৈ... অমৃতালৈ।

এক অদ্ভুত কঠোৰতাই পুনঃ গ্ৰাস কৰিছে তাৰ সমগ্ৰ মুখমণ্ডল। অনুৰাগ আগুৱাই আহিছে তাইৰ কাষলৈ।

অমৃতাৰ বিৱৰ্ণ মুখখনি নিজৰ দুয়োহাতৰ মাজত তুলি ধৰিছে।

তাৰ হাতৰ উম অনুভৱ কৰিছে তাই নিজৰ দুয়োগালত। ক্ষন্তেক চাই ৰল দুয়ো দুয়োৰে মুখলৈ।

দুয়োৰে দুচকুত জিলিকি উঠিছে সীমাহীন ভালপোৱা। অনুভৱবোৰে তিয়াই গৈছেহি দুয়োৰে চকুৰ পতা।

ইমান বছৰৰ মুৰত লগ খাইছিল দুয়ো! এতিয়া আকৌ বিচ্ছেদৰ সময় আহিছে।

আস, ভগৱান, অকণমান সুখ লিখিছানে কপালত?

এমুঠি হাঁহি, এবুকু প্ৰেমেৰে, সুখ দুখবোৰ ভগাই জীৱন জীপাল কৰি তুলিবলৈ, দিবনে ভগৱানে অকণমান সময় সিহঁতহালক!

পাহৰি গৈছে দুয়ো ক্ষন্তেকৰ বাবে বৰ্তমানৰ বিপদসংকুল স্থিতি। মোহাচ্ছন্ন হৈ দুয়ো আৱদ্ধ হৈ ৰৈছে দুয়োৰে প্ৰেমভৰা দৃষ্টিত।

"আস"

অনুৰাগৰ প্ৰচণ্ড ঠেলাত বিছনাখনৰ ওপৰতে উবুৰি খাই পৰিছেহি তাই।

ধাই' ধাই' ধাই'

এজাক গুলিৰ গৰ্জন কোঠাটোত।

লগে লগেই কেইবাটাও পুৰুষ কণ্ঠৰ আৰ্তনাদ ভৰি পৰিছে।

ঘটনাৰ আকস্মিকতাত শ্বাসৰুদ্ধ হবৰ উপক্ৰম হৈছে অমৃতাৰ। ধান বনাদি বানিব ধৰিছে তাইৰ বুকুখন।

ঃ অনুৰাগ।

চিঞৰি উঠিল অমৃতা।

হাতত ৰিভলভাৰ লৈ হিংস্ৰ ৰূপত তাইৰ সন্মুখত থিয় হৈ ৰৈছে অনুৰাগ।

ৰক্তাক্ত দেহাৰে পকা মজিয়াত কেকাই কেকাই পৰি ৰৈছে মৃত্যুৰ কোলাত স্বয়ং মৃত্যুদূত।

থৰথৰকৈ কঁপিবলৈ ধৰিছে অমৃতাই।

ঃ কৰবাত দুখ পালি নেকি? মই ঠেলি দিব লগীয়া হ'ল, নহ'লে ....

ৰৈ গ'ল সি।

দুখ পালেও "নাই পোৱা" বুলি তাই মূৰটো জোকাৰি দিলে।

তাইৰ হাত ভৰিৰ সামান্য আঘাত তেনেই সৰু আৰু তুচ্ছ, অনুৰাগৰ জীৱনটোৰ সন্মুখত।

ঃ সিহঁত আকৌ আহিব।

চিন্তান্বিত গম্ভীৰ কণ্ঠ অনুৰাগৰ।

বিপদসংকুল পৰিস্থিতিৰ মাজতো অনুৰাগৰ গম্ভীৰ ৰূপ!

ঃ তাৰ আগতেই মই ইয়াৰ পৰা ওলাই যাব লাগিব মোৰ সোণ।

উচুপনিবোৰ বাধা দিব চেষ্টা কৰিছে অমৃতাই পাৰ্য্যমানে। মৌন হৃদয়ৰ অব্যক্ত দুখ, ভালপোৱাবোৰ সৰ সৰাই চকুলো হৈ নিগৰিব ধৰিছে অমৃতাৰ।

এই মৌন ওঁঠ, মুখৰ ভাষা বুজি পায় অনুৰাগে...

বুজি পায় এই নীৰৱ চকুলোৰ ভাষা।

ঃ মোৰ কাৰণে চিন্তা নকৰিবি । মই আকৌ আহিম।এতিয়া মই যাব লাগিব।

গম্ভীৰ কণ্ঠ অনুৰাগৰ। দুচকুত স্পষ্ট বিষাদ।

ঃ মই তোক অকলে যাব নিদিওঁ অনুৰাগ।

অশ্ৰুসিক্ত দুচকুৰে স্থিৰ দৃষ্টিৰে চাই ৰৈছে তাই অনুৰাগৰ দুচকুলৈ। অনুৰাগেও চাই ৰৈছে তাইৰ দুচকুলৈ।

অস্থিৰ অনুভৱ কৰিছে সি।

ঃ এতিয়া মোৰ চাৰিওপিনে মাথো শত্ৰু। বুজিবলৈ চেষ্টা কৰ।

খুব মৰমেৰে বুজাবলৈ চেষ্টা কৰিছে সি।

সময় নিচেই কম তাৰ হাতত। যিকোনো মুহূৰ্তত সশস্ত্ৰ সেনা তাৰ ওপৰত জপিয়াই পৰিব পাৰে।

ঃ মোৰ লগত বিপদত পৰিবি তই।

ঃ মই ভয় নকৰোঁ।

ঃ অমৃতা ...মোৰ সোণ ..

ঃ তই কি কৈছিলি অনুৰাগ ... পাহৰি গৈছ তই ?

মৰিলেও একেলগেই মৰিম ...তেতিয়াহে অহা জনমত একেলগে পুনৰ জনম ল'ম আমি।

পিছৰ খিনি কওঁতে অলপ খোকোজা লাগিছে তাইৰ। মুখত বিয়পি পৰিছে এটি ৰক্তিম আভা।

তলমূৰ কৰি ৰৈছে তাই।

ঃ তাৰমানে..?

ঃ .....

ঃ ডু ইউ লাভ মি?? সঁচা কবি। ভাল পাওঁনে মোক এতিয়াও সেই সৰুতে ভাল পোৱাৰ দৰেই??

"সেই সৰুতে ভাল পোৱাৰ দৰেই"

অনুৰাগৰ শেষৰ বাক্যশাৰীয়ে চুই গৈছে তাইৰ অন্তৰ।

বহল দুচকুৰে মূৰ তুলি চাইছে তাই অনুৰাগলৈ, সেই মায়াসনা দৃষ্টিলৈ। আকুল হৈ চাই ৰৈছে সি তাইৰ দুচকুলৈ উত্তৰৰ আশাত....

ঃ অ ... ভাল পাওঁ তোক। বহুত ভাল পাওঁ।

কঁপি উঠিছে তাইৰ কণ্ঠ।

ঃ ....

ঃ প্ৰেম কি সেয়া নজনাকৈয়ে, নুবুজাকৈয়ে তোৰ প্ৰেমত পৰিছো বহুবছৰ আগতেই .. সেই শৈশৱতেই। আৰু সেই প্ৰেম আজিও নিখুঁত হৈ জীয়াই আছে মোৰ অন্তৰত অনুৰাগ।

তলমূৰ কৰিয়ে কলে তাই শব্দবোৰ এটা এটাকৈ।

কিছুপৰ নিস্তব্ধতাই বিৰাজ কৰিছে জোনাক উপচি পৰা কোঠাত।

অনুৰাগে একো উত্তৰ দিয়া নাই ..সঁহাৰি দিয়া নাই।

কিবা ভুল ক'লে নেকি তাই বাৰু?

দিলে নেকি তাই অবাঞ্চিত উত্তৰ।

অনুৰাগৰ ওখ শৰীৰটো তাইৰ কাষ চাপি আহিছে ক্ৰমাৎ....নিচেই কাষ।

অন্তৰৰ সমস্ত আৱেগ, আকুলতাৰে সাৱটি ধৰিছে সি তাইক।

ঃ যথেষ্ট। আৰু একো নক'বি। এই শব্দকেইটাই শুনিবলৈ আতুৰ হৈ পৰিছিলোঁ মই জাননে!!

বহুত ভাল পাওঁ তোক। তই নহ'লে এতিয়া জীয়াই থকা অসম্ভৱ। অসম্ভৱ মোৰ সোণ।

অস্ফুট স্বৰেৰে সি কৈ উঠিল তাইৰ কাণে কাণে অন্তৰৰ সমস্ত আৱেগ ঢালি।

ঃ মই সোনকালেই ঘূৰি আহিম মোৰ সোণ।

ঃ মই যাম তোৰ লগত অনু। তোক অকলে যাব নিদিওঁ মই।

ঃ প্লিজ অমৃতা, বুজিবলৈ চেষ্টা কৰ। কেনেকুৱা বিপদ আহিব পাৰে তই অনুমান কৰিব পৰা নাই হয়তো।

ঃ ... তই লগত থাকিলে মই একো বিপদলৈ ভয় নকৰোঁ।

তাই সজোৰে খামুচি ধৰিছে অনুৰাগৰ হাতখন....জানোচা সি গুচি যায়, সেই ভয়ত।

অনুৰাগক অকলে যাবলৈ দিব নোৱাৰে তাই। এতিয়া অমৃতাৰ জীৱন-মৰণ, সুখ-দুখ সকলো মাথো অনুৰাগৰ লগতহে। অশ্ৰুসিক্ত বহল দুচকুৰে চাই ৰৈছে তাই অনুৰাগৰ দুচকুলৈ। সেই দুচকুৰ কাতৰ চাৱনিত জিলিকি উঠিছে এক অদ্ভুত জিদ, এক অদ্ভুত দৃঢ়তা।

অনুৰাগ ভীষণ চিন্তাত পৰিছে।

অমৃতাক এনেকৈ এই ৰাতিখনত লৈ যোৱাটো একেবাৰেই উচিত নহব। কেনেকুৱা ধৰণৰ বিপদৰ মুখামুখি হব পাৰে তাই হয়তো অনুমানেই কৰিব পৰা নাই!

কল্পনা কৰিয়েই গা শিয়ঁৰি উঠিছে অনুৰাগৰ.... নাই, নাই ... অমৃতাক লগত সি নিব নোৱাৰে।

সেয়া অসম্ভৱ।

ঃ মই যাব লাগিব। মই গুচি গলে কাৰো প্ৰব্লেম নহ'ব।

অনুৰাগে তাইৰ হাতখন নিজৰ হাতখনৰ পৰা আঁতৰাই দিলে।

অনুৰাগৰ মুখখনত শীতলতা আৰু কঠিনতা। সেমেকা মুখখনৰ অভিব্যক্তি ৰূঢ় হৈ পৰিছে।

বেগখন কান্ধত লৈ যাবলৈ উদ্যত হৈছে অনুৰাগ।

দুচকুৰে সৰসৰাই চকুলো বাগৰিব ধৰিছে অমৃতাৰ। উচুপনিবোৰ অবাধ্য হৈ ওলাই আহিব ধৰিছে। যাবলৈ লোৱা অনুৰাগক পিছফালৰ পৰা জোৰকৈ সাৱটি ধৰিছে তাই...

আস'

বুকুত এক সুতীব্ৰ যন্ত্ৰণা অনুভৱ কৰিছে তাই।

বিচ্ছেদৰ আশংকাত কপি উঠিছে হৃদয়। সেই একেই আশংকাত কঁপি উঠিছে অনুৰাগৰ হৃদয়....তাৰ সমগ্ৰ। কঠোৰ হ'ব খুজিও কঠোৰ হব পৰা নাই সি।

অমৃতাৰ চকুলোৱে তিয়াই গৈছে অনুৰাগৰ টি চাৰ্ট, পিঠি।

হাতখনেৰে প্ৰচণ্ড ঘোচা এটা মাৰিছে সি ৱালত। যাৰ দুচকুত চকুলো সহ্য নহয়, সেই একেই চকুলো, দুখ, যন্ত্ৰণাৰ কাৰণ প্ৰত্যক্ষ বা পৰোক্ষভাৱে সদায় সিয়েই হবলগীয়া হয়!!

কিয়? কিয়?

সেই তপত অশ্ৰুধলত গলিব ধৰিছে অনুৰাগৰ মুখৰ কঠিনতা, কঠোৰতা।

হাতৰ বেগখন নমাই থৈছে সি, আৱেগ উপচি পৰিছে...ঘূৰি লৈ সাৱটি ধৰিছে সি তাইক, ....অমৃতাৰ থুঁতৰিত আলফুলে ধৰি মুখখনি তুলি লৈ অশ্ৰুসিক্ত চকুযুৰীত আঁকি দিছে দুটা চুমা। অনুৰাগৰ বহল বুকুত মূখখন গুজি দি আৰু জোৰেৰে সাৱটি ধৰিছে অমৃতাই অনুৰাগক...।

হঠাৎ সিদ্ধান্ত লৈ পেলাইছে অনুৰাগে।

অমৃতাক লগত লৈ যাব সি।

পিছ দুৱাৰেদি ওলাই আহিছে অনুৰাগ।

অনুৰাগৰ সোঁ হাতত উদ্যত ৰিভলভাৰ আৰু বাওঁ হাতৰ মুঠিত আৱদ্ধ অমৃতাৰ হাতখন।

অমৃতাৰ হাতত এখন গাঢ় নীলা ৰঙৰ বেগ।

বেগৰ ভিতৰত কিছু নিতান্তই প্ৰয়োজনীয় সামগ্ৰী... অনুৰাগ আৰু অমৃতাৰ।

দুৰু দুৰুকৈ কঁপিছে অমৃতাৰ বুকুখন।

ভয়ত নহয়... এক অনন্য আৱেগ, এক অনন্য অনুভূতিয়ে আৱৰি ধৰিছে তাইক।

একোলৈ ভয় লগা নাই তাইৰ আজি ... নাই একো শংকা। মাথো আৱেগত ঘন হৈ আহিছে শ্বাস-প্ৰশ্বাস। ৰোমাঞ্চিত হৈ উঠিছে সৰ্ব শৰীৰ।

অনুৰাগৰ হাতৰ মুঠিত আৱদ্ধ নিজৰ সোঁহাতখনলৈ বাৰে বাৰে চাইছে তাই হেঁপাহ পলুৱাই ...

স্বয়ং মৃত্যুকো যে প্ৰত্যাহ্বান দিব পাৰিব তাই আজি!! অনুৰাগৰ অবিহনে অপ্ৰাপ্তিত মৰি মৰি জী থকাতকৈ অনুৰাগৰ লগত মৃত্যুয়েই প্ৰাপ্তি হব তাইৰ বাবে।

আকাশত তেতিয়া পূৰ্ণ জোনাক।

চৌহদৰ ওখ ওখ গছবোৰৰ পাতৰ আঁৰে আঁৰে জোনাক সৰি পৰিছেহি ধৰাৰ বুকুত...।

ওখ ৱালখনৰ তলৰ অন্ধকাৰৰ লগত মিলি খুপি খুপি আগবাঢ়িছে দুয়ো... মাজে মাজে ৱালত লিপিত খাই ধৰি থিয় হৈ ৰৈছে। সতৰ্ক হৈ ৰৈছে অনুৰাগ...।

গেটৰ বাহিৰত শত্ৰুৰ চঞ্চল গতি বিধি অনুমান কৰিব পাৰিছে সি।

হঠাতে এখন মটৰ চাইকেল আহি বিকত শব্দ কৰি ৰৈ গৈছেহি গেটৰ পৰা সামান্য দূৰত্বত।

মটৰ চাইকেলৰ চালকজন বহি ৰৈছে ...

আনজন আৰোহী হাতত বন্দুক লৈ নামি সোমাই আহিছে চৌহদৰ ভিতৰলৈ। বন্দুক লৈ নামি অহাজনে অলপ দূৰলৈ আগুৱাই গৈ এবাৰ ঘূৰি চাই মটৰ চাইকেল চালক জনক কিবা আকাৰে ইংগিতে কৈছে । অলপ পিছত মটৰ চাইকেল চালক জনো নামি আহিছে। আগুৱাই গৈছে দুয়োজন ঘৰখনৰ মূল দুৱাৰ অভিমুখে। সেই সুযোগতে অনুৰাগ আৰু অমৃতা দুয়ো ৱালখনৰ তলে তলে গৈ মটৰ চাইকেলখনৰ ওচৰত ৰল। চাবিতো লাগিয়েই আছিল।

অমৃতাই ভয়ে ভয়ে এবাৰ ইফালে সিফালে চালে।

নাই। কোনো নাই ওচৰে পাজৰে।

ঃ ভালকৈ ধৰি লবি মোক।

অনুৰাগে অনুচ্ছ কণ্ঠৰে কলে তাইক।

মটৰ চাইকেলখন গৰজি উঠিল এবাৰ নিশাৰ নিস্তব্ধতা আৰু গম্ভীৰতা ফালি। সেই গৰ্জনত সচকিত হৈ ঘূৰি চাইছে কেইবাজনো কলা পোচাকধাৰী সেনা। অন্ধকাৰ চুকবোৰৰ পৰা, জোপোহাৰ আঁৰৰ পৰা হাতে হাতে বন্দুক লৈ দৌৰি ওলাই আহিছে কলা ছায়ামূৰ্তিবোৰ।

সেয়াই বিচাৰিছে অনুৰাগে।

এটা তীক্ষ্ণ হাঁহি বিৰিঙি উঠিছে তাৰ ওঁঠত।

সি নথকাত তাক বিচাৰি মাক, সীমান্ত হঁতক সোধা-পোছা কৰি হাৰাশাস্তি দিয়াটো নিবিচাৰে সি।

আহক সিহঁত।

তাৰ পিছে পিছেই আহক।

বতাহৰ লগত ফেৰ মাৰি মটৰ চাইকেলখন দুৰন্ত গতিত চলাই নিছে অনুৰাগে।

চকু, কাণ বন্ধ কৰি শাৰীৰ আঁচল সামৰি অনুৰাগক জোৰকৈ সাৱটি ধৰি পিছফালে বহিছে অমৃতা।

মুখখন তাই গুজি দিছে অনুৰাগৰ পিঠিৰ উষ্মতাত, কৰ্ণগোচৰ হৈছে মাথো মটৰ চাইকেলৰ কৰ্কশ শব্দ আৰু বতাহৰ সোঁ- সোঁৱনী ... মাজে মাজে  কলিজা কপোৱা গুলিৰ গৰ্জন।

পিছে পিছে অহা মটৰ চাইকেলজাক আৰু গুলিৰ বৰ্ষণত  সি  যাব খোজা পথত নগৈ অইন এটা দিশলৈ যাবলগীয়া হৈছে।

মূল পথ এৰি একা বেঁকা সৰু পথত উঠিছেহি অনুৰাগ আৰু অমৃতা। মসৃণ পকী পথ অতিক্ৰমি উখোৱা মুখোৱা কেঁচা পথৰ দিশে পোনাইছে মটৰ চাইকেল।

কোনো লক্ষ্য নাই।

সোঁফালে, বাওঁফালে ... যিফালেই পথ পাইছে সেইফালেই মটৰ চাইকেল পোনাইছে সি।

বহু দূৰ অতিক্ৰম কৰি অহা হৈছে ইতিমধ্যে।

পিছত অহা মটৰ চাইকেলজাকৰ গতি ক্ৰমাৎ কমি আহিছে। দূৰৈত ৰৈ গৈছেহি।

গুলি বৰ্ষণ বন্ধ হৈছে।

স্বস্তিৰ নিশ্বাস এৰিলে অনুৰাগ আৰু অমৃতা দুয়ো।

কিন্তু এতিয়া ক'লৈ যাব সেয়াহে ধৰিব পৰা নাই অনুৰাগে। চিন্তিত হৈ পৰিছে সি। ইতিমধ্যে মূল পথৰ পৰা বহু দূৰলৈ সোমাই আহিছে তাঁহাত।

মটৰ চাইকেলত পেট্ৰল শেষ হৈ অহাৰ সংকেত অহাত মটৰ চাইকেলখন পথৰ দাঁতিতেই এৰি দিলে সি।

উখোৱা মুখোৱা হাবিয়লি পথটোৰ দুয়োকাষে ডাঠ ওখ ওখ গছ। জোনাকৰ অস্বচ্ছ পোহৰত চৌদিশ নিৰীক্ষণ কৰি সতৰ্কতাৰে আগবাঢ়িছে দুয়ো.... ক'লৈ গৈছে, ক'ত গৈছে, কি ঠাই  একো ধৰিব পৰা নাই তাই। তথাপিও একো সোধা নাই অমৃতাই অনুৰাগক.... মাথো  জোপোহা, ওখ গছবোৰৰ মাজে মাজে দুয়ো খোজ কাঢ়িছে আৰু মাজে মাজে দৌৰিছে... অনুৰাগ যিফালেই যায় সেইফালেই।

উখোৱা মুখোৱা পথটোত কেইবাবাৰো হামখুৰী খাই পৰিছে তাই... অনুৰাগৰ হাতত ধৰি পুনৰ উঠি খোজ দিছে।

সমতল পথ এৰি হেলনীয়াকৈ ওপৰলৈ উঠি অহা পথত কিছুদূৰ আগবাঢ়ি ৰৈ  গৈছে অনুৰাগ ... আৰু অমৃতা। একা-বেঁকা পথটোৰ এফালে ডাঠ অৰণ্য, নিশাৰ ঘনঘোৰ কলা ৰহস্যময় পাহাৰ....আৰু আনফালে, কিছু তলত কল্লোলিত সুৰেৰে বৈ যোৱা এখনি ভৰ নদী.... জোনাক নিশাৰ পাহাৰীয়া, নৈপৰীয়া চেঁচা মলয়জাকে চুমি গৈছে দুয়োৰে গাল, মুখ।

চুটি আৰু ঘন ঘন উশাহ লৈছে দুয়ো। ঘামত সিক্ত হৈছে দুয়োৰে শৰীৰ...

ঃ আমি পাহাৰত উঠিছোঁহি নেকি অনু?

চেঁপা কণ্ঠৰে সুধিলে অমৃতাই।

সেই নিৰ্জন ঠাইত নিজৰ মাতটোৱেই অদ্ভুত আৰু অচিনাকি যেন লাগিছে তাইৰ।

ঃ ওমম। ভয় কৰিছ নেকি?.... মই আছোঁ নহয়।

জোৰেৰে চেপি ধৰিছে সি তাইৰ হাতখন।

অনুৰাগে চাৰিওদিশে সতৰ্ক দৃষ্টি নিক্ষেপ কৰিছে। চৌদিশে জিলিৰ মাত... মাজে মাজে ধৰফৰাই বিকত শব্দ কৰি উৰি গৈছে নৈশ পক্ষী।

চিন্তিত হৈ পৰিছে অনুৰাগ। নিশাটো কেনেকৈ কটোৱা যায়? এনেকৈ এই হাবিতলীয়া অচিন পথটোত ঘূৰি থকাটো অকণো সুৰক্ষিত নহয়।

অনুৰাগ চিন্তিত হৈ পৰিছে।

নিজৰ বাবে নহয়, অমৃতাৰ বাবেহে।

যিকোনো মুহূৰ্ততে জপিয়াই ওলাই আহিব পাৰে মৃত্যুদূত.... জীৱ জন্তুৰ ৰূপত, সৰীসৃপৰ ৰূপত নতুবা সন্ত্ৰাসবাদীৰ ৰূপত।

অনুৰাগে বেগখন নমাই খুলি লৈ কিবা খুচৰাত লাগিল।

ঃ ৰিভলভাৰতকৈ বেছি এইখনৰেই প্ৰয়োজন হব এতিয়া।

খুকুৰীখন আৰু এডাল মিহি শিকলি বেগৰ পৰা উলিয়াই হাতত লৈছে সি। অবিন্যস্ত কেঁকোৰা চুটি চুলি কেইডালমান তাৰ কপালত পৰিছেহি। মন্ত্ৰমুগ্ধৰ দৰে অমৃতা আগুৱাই আহিল অনুৰাগৰ নিচেই কাষলৈ.... অনুৰাগৰ সুঠাম, ওখ শৰীৰটোৰ সন্মুখত নিজৰ ভৰিৰ আঙুলিৰ ওপৰত গোটেই শৰীৰৰ ভৰ দি থিয় হৈছে তাই । তেনেকৈ থিয় হলে কোনোমতে তাইৰ কপালে অনুৰাগৰ থুতৰি চুৱে।

অমৃতাই শাৰীৰ আঁচলেৰে আলফুলে মুচি দিলে অনুৰাগৰ কাণৰ কাষেৰে কপালৰ পৰা তললৈ বৈ অহা ঘামৰ কণিকাবোৰ।

চকুৰ পলক পেলোৱা নাই অনুৰাগে... সুগভীৰ দৃষ্টিৰে চাই ৰৈছে অমৃতাৰ মুখলৈ। তাইৰ কপালৰ আগত অবাধ্য চুলি দুডালমান আহি আমনি কৰিছেহি.... মুখমণ্ডলত ছা- পোহৰৰ যুগলবন্দী।

বিৰাট মৰম লাগিছে অমৃতালৈ।

ইমান আকৰ্ষিত কিয় হয় সি?

কি আছে এই মুখখনিত?

...যি সি আজিলৈ কোনো অন্য সুন্দৰী নাৰীৰ মুখত বিচাৰি নাপালে...নেদেখিলে!!

ভৰ নদীখনৰ কল্লোল তৰংগৰ দৰেই প্ৰেমৰ এক অনন্য তৰংগই আলোড়িত কৰিছে দুয়োৰে শৰীৰ, মন। অনন্য এই অনুভূতি ... অনন্য প্ৰেমৰ এই আলোড়ন !! যাক উপেক্ষা কৰাটো মাত্ৰ কষ্টকৰেই নহয়, অসম্ভৱো। ওখ ওখ গছবোৰৰ পাতৰ আঁৰে আঁৰে সৰি অহা জোনাকে লুকাভাকু খেলিছেহি অমৃতা আৰু অনুৰাগৰ মুখত।

তৰাভৰ্তি ফুটচাই বৰণীয়া আকাশখনৰ বুকুত তেতিয়া ভৰ জোনাক.... ডাৱৰৰ বুকুত পাতল সোণোৱালী আচল মেলিছে জোনটোৱে ...

শ্ৰুতিগোচৰ হৈছে বোৱতী নদীৰ কল্লোলিত সুৰ ... আৰু সোঁ-সোঁৱাই বলা চেঁচা মলয়া।

০০ ০০ ০০

ঃ ডেম ইট। ডেম ইট।

মোবাইলটো থেকেচি দিছে খঙতে শ্যামলীয়ে।

কিমান বাৰ যে তাই অনুৰাগ আৰু অমৃতালৈ ফোন লগাইছে তাৰ হিচাপ নাই। প্ৰতিবাৰেই সেই একেই উত্তৰ “নট ৰিচ্ছেবল”।

কি হব পাৰে?

অনুৰাগে তাইলৈ এবাৰো ফোন কৰাটো জৰুৰী বুলি ভবা নাইনে সচাকৈ!

আৰু অমৃতা?

অদিতিৰো চিন্তান্বিত মুখ।

এসপ্তাহ পাৰ হৈ গৈছে, অনুৰাগ আৰু অমৃতাৰ একো খবৰ নাই।

ইচ্ছাকৃতভাৱেই, অকলশৰীয়াকৈ দুয়ো দুয়োৰে লগত অকণমান সময় কটাওক বুলি ভাবি প্ৰথমতে তাঁহাতেও আমনি কৰা নাছিল।

কিন্তু, এতিয়া অনুৰাগ নতুবা অমৃতাৰ লগত ফোনৰ যোগাযোগ পোৱাটো অত্যন্ত জৰুৰী হৈ পৰিছে ..... বিশেষকৈ ভাস্কৰ দত্ত মুম্বাই এৰি গুচি যোৱাৰ খবৰটো অনুৰাগক দিয়াটো অত্যন্ত জৰুৰী হৈ পৰিছে।

ভাস্কৰ দত্ত আৰু কেইজনমান উচ্চপদস্থ অফিচাৰৰ বিপৰীতে বৃহৎ পৰিমাণৰ চৰকাৰী টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগৰ গোপনীয় তদন্ত আৰম্ভ হোৱাৰ সময়তে ভাস্কৰ দত্ত মুম্বাই এৰি গুচি গৈছে।

তদন্তৰ পৰা হাত সাৰিবলৈ ভাস্কৰ দত্ত এনেকৈ মুম্বাই এৰি গুচি গৈছে নে ভাস্কৰ দত্তৰ মগজুত কিবা প্লানিং চলি আছে অনুৰাগ আৰু অমৃতাক লৈ ... সেয়াই মূৰৰ কামোৰণী হৈ পৰিছে অদিতি আৰু শ্যামলীৰ বাবে।

অমৃতা আৰু অনুৰাগৰ বিষয়ে প্ৰশ্ন সুধি সুধি অদিতি আৰু শ্যামলীকো ব্যতিব্যস্ত কৰি তুলিছিল সি মুম্বাই এৰি গুচি যোৱাৰ আগতে।

বিমৰ্ষ হৈ পৰিছে দুয়োজনী।

ঃ মোৰ কিন্তু বিৰাট চিন্তা লাগিছে শ্যামলী। ভাস্কৰ দত্ত মানুহজন অলপ বেলেগ ধৰণৰ।

ঃ কিবা কৰিব লাগিব বা।

ঃ .....হুমম।

ঃ তোমাৰ প্ৰব্লেম হব চাগৈ। বিপ্লৱ দাই তোমাক যাব নিদিব। ময়েই গুচি যাওঁ।

অলপদেৰী চিন্তা কৰি কলে শ্যামলীয়ে।

ঃ ....

শ্যামলীয়ে ঠিকেই কৈছে কিবা এটা কৰিবই লাগিব। নিশ্চয় কিবা অসুবিধাত পৰিছে অনুৰাগ আৰু অমৃতা। নহলেনো অমৃতাই তাইলৈ এবাৰো ফোন নকৰাকৈ থাকিবনে!!

যাবলৈ তাইৰো মন গৈছে, কিন্তু বিপ্লৱে হয়তো মানি ন'লব।

বিতৃষ্ণাত মুখখন কোচ খাই আহিছে তাইৰ।

কিনো বাকি আছেগৈ বিপ্লৱ আৰু তাইৰ সম্বন্ধত?

দুয়োৰে মাজত দূৰত্ব দিনক দিনে বাঢ়িহে আহিছে।

অদিতিয়ে সহ্য কৰিব নোৱাৰা হৈ আহিছে বিপ্লৱৰ বিশৃংখলতা... দমনকামী স্বভাৱ।কম্প্ৰমাইজ আৰু কিমান কৰিব তাই এটা মিছা সম্বন্ধক আগুৱাই নিবলৈ!!

ঃ বা... কি ভাবিছা? কোৱা কিবা এটা।

থতমত খাই উঠিল অদিতি। শ্যামলী যে তাইৰ পৰা নিশ্চিত কিবা উত্তৰৰ অপেক্ষাত আছে সেই কথা পাহৰিয়েই পেলাইছিল তাই।

ঃ আমি দুয়োজনী যাম। তুমি টিকেট কৰিবা নে, মই কৰিম?

ঃ ময়েই কৰিম বাৰু। বিপ্লৱ দা ...??

ঃ বাদ দিয়াহে বিপ্লৱৰ কথা। তেওঁ কৰবালৈ যোৱাৰ আগতে মোক সুধি যায় নেকি ?

ঃ তথাপিও এবাৰ...

ঃ নোৱাৰোঁ বুজিছা শ্যামলী। আৰু পাৰিলেও নকৰোঁ। কম্প্ৰমাইজ কৰি কৰিয়েই জীৱন শেষ হব এতিয়া। তেওঁ মোৰ কাৰণে কি কম্প্ৰমাইজ কৰে হে?? মইহে সকলোফালৰ পৰা তাৰ লগত মিলিবলৈ চেষ্টা কৰোতে কৰোতে নিজৰ অস্তিত্ব হেৰুৱাই পেলাব ধৰিছো। আৰু নোৱাৰি বুজিছানে, বিৰক্ত হৈ গৈছোঁ।

হঠাতে খঙত ৰঙা পৰি অহা অদিতিৰ উত্তেজিত মুখখনলৈ তধা লাগি চাই ৰৈছে শ্যামলীয়ে।

ঃ মই আহোঁ এতিয়া। তুমি টিকেট কৰিবা পাৰিলে। দুয়োজনী যাম।

ঃ কোনদিনা যাম?

ঃ তুমি যেতিয়াই কোৱা। এতিয়া কলে এতিয়াই যাম।

অবাক হৈ চাই ৰল শ্যামলীয়ে সেমেকা হাঁহি এটি মাৰি বেগটো হাতত লৈ ওলাই যোৱা অদিতিলৈ।

০০ ০০ ০০

টৰ্চ মাৰি ভালকৈ ভিতৰখন চাই ললে সি। পাহাৰীয়া টঙি ঘৰ। বাঁহৰ কামি ... ওপৰত টকৌ পাতৰ চালি। বাঁহৰ পাতল উৰলি যাব ধৰা বেৰ।

ভালকৈ ওপৰে তলে তন্নতন্নকৈ চাইছে অনুৰাগে।

পুৰণি যদিও ৰাতিটোৰ কাৰণে থকাৰ  ব্যৱস্থা কৰিব পৰা যাব।

ঃ সাপ থাকিবও পাৰে।

অনুৰাগৰ মুখত সাপৰ নাম শুনিয়েই গা জিকাৰ খাই উঠিল অমৃতাৰ। একে জাপে অনুৰাগৰ ওচৰ পালেহি তাই।

ঃ আছে নেকি সাপ সঁচাকৈ?

সন্দেহী দৃষ্টিৰে ভয়ে ভয়ে ওপৰে তলে চাইছে তাই।

ঃ পালে দেখুৱাই দিম নহয়। চিন্তা নকৰিবি। পাগলীজনী।

অমৃতাৰ সৰল প্ৰশ্নটো শুনি দুশ্চিন্তাৰ মাজতো হাঁহি বিৰিঙি উঠিছে অনুৰাগৰ মুখত। কৃত্ৰিম খং দেখুৱাই ভ্ৰূ কোঁচাই অনুৰাগলৈ ঘোপাকৈ চাইছে তাই। হাঁহি হাঁহি অনুৰাগে তক্তা তিনি ছটা পাৰিব ধৰিছে।

ঃ ৰাতিটো ইয়াতেই থাকিব লাগিব...পাৰিবিনে?

ঃ কিয় নোৱাৰিম?

অনুৰাগে মৰমৰ চাৱনীৰে চাই ৰৈছে অমৃতালৈ।

অবিন্যস্ত শাৰী, অবিন্যস্ত মেঘৰ দৰে  চুলিটাৰী। অৱসাদ ভৰা চকুযুৰী।

ঃ বহুত কষ্ট দিছো ন?

ঃ একো কষ্ট দিয়া নাই অনু। একেটা কথা কৈ কৈ মোৰ মূৰ গৰম কিয় কৰ? মই স্ব- ইচ্ছাই আহিছোঁ তোৰ লগত ..মই এয়াই বিচাৰোঁ...

হঠাৎ ৰৈ গ'ল তাই।

কথাষাৰ আধা কৈ ৰৈ যোৱাত বিৰক্তিত অনুৰাগে ভ্ৰূ কোচাইছে। একেথৰে চাই ৰৈছে তাইৰ মুখলৈ ... সম্পূৰ্ণ বাক্য শুনাৰ  আশাত।

ঃ পিছৰখিনি নকৰ কিয়?

ঃ কি ক'ব লাগে?

ঃ এই যে কলি... মই এয়াই বিচাৰোঁ ...

ঃ অ' ...মই এয়াই বিচাৰোঁ। আৰু কি কম? ক'লোৱেই দেখোন। কিমান বাৰ কম?

ঃ কেলেই? কোৱাত অসুবিধা কি? মই এতিয়াও ক'ব পাৰোঁ। হাজাৰবাৰ ক'ব পাৰোঁ।

ঃ .....

ঃ এতিয়া কওঁ নে??

ঃ উফফ অনুৰাগ।

লজ্জাত আৰক্তিম হৈ উঠিছে তাইৰ দুয়োগাল।

অনুৰাগলৈ নোচোৱাকৈ বেগখন খুচৰি ব্যস্ততাৰ ভাও ধৰিছে তাই। তথাপিও উৎকৰ্ণ হৈ ৰৈছে অমৃতা। ক'ব নেকি অনুৰাগে কিবা!!

তাইৰো দেখোন শুনিবলৈ মন গৈছে অনুৰাগৰ মুখৰ পৰা নিৰ্গত সেই চিৰ আকাংক্ষিত বাক্য... এবাৰ নহয়, দুবাৰ নহয়, .... হাজাৰবাৰ।

ঃ বেগত কি বিচাৰিছ? তাত একো নাই নহয়। তই বিচৰা সকলো বস্তু ইয়াতহে আছে ...

ঃ ক'ত?

চাওঁ নাচাওকৈ চাইছে তাই অনুৰাগৰ মুখলৈ...

তাৰ দুচকুত সেই একেই গম্ভীৰ, তৃষ্ণাতুৰ চাৱনি ... দুচকুত মৃদু কৌতুক ভৰা হাঁহি।

সঁচাইটো!!

তাই যি বিচাৰে জীৱনত সেই সকলোবোৰ দেখোন এই চকুহালতেই সমাহিত হৈ আছে!!

সুখ, প্ৰাপ্তি, হাঁহি, সপোন ..... সকলো।

অনুৰাগ কাষলৈ আহিছে। কিছুপৰ একেথৰে সি চাই ৰৈছে তাইৰ মুখখনলৈ। হঠাৎ তাৰ হাতখনে অবাধ্য হৈ তাইৰ কপাল চুইছেহি ... তাৰ হাতৰ বুঢ়া আঙুলিটোৰে সি মুচিব ধৰিছে তাইৰ শিৰৰ সেঁউতাৰ অস্পষ্ট ৰঙা ৰেখাডাল।

আক্ষেপ কৰা নাই তাই। এই ৰঙা ৰেখাডাল লগাবলৈ অকণো ইচ্ছা নাই তাইৰো, কিন্তু নিজেই মুচিবলৈ যেন তাইৰ অন্তৰত সাহসৰ অভাৱ।

ঃ তোৰ জীৱনৰ যন্ত্ৰণাবোৰ আগতে জনা হলে, বহু আগতেই মুচিলোহেঁতেন।

অমৃতাৰ দুচকুত অজানিতে বিৰিঙি উঠিছে দুটুপাল চকুলো।

ঃ তই নিজেই পঠিয়ালি আৰু পিছত জানিবও চেষ্টা নকৰিলি।

অমৃতাৰ কণ্ঠত অভিমান। স্পষ্ট অভিযোগৰ সুৰ।

ঃ মোক মাফ কৰি দে সোণ। সেই ভুলটো কৰি লৈ মই নিজেওতো শান্তিত থাকিব নোৱাৰিলোঁ।

ঃ ......

ঃ এই নিশা যে এনেকৈ এই হাবিৰ মাজত পৰি আছোঁ... এয়াও সেই ভুলৰেই পৰিনাম। মোক মাফ কৰি দে সোণ।

কম্পিত হাতেৰে তাই অনুৰাগৰ হাতত ধৰিছে। শিৰৰ বোজা কমি অহা যেন অনুভৱ হৈছে।

গোলামীৰ ৰংবিহীন উকা শিৰৰ অমৃতাৰ মুখলৈ অনুৰাগে হেঁপাহ পলুৱাই চাই ৰৈছে।

পৃথিৱীৰ সমস্ত সৌন্দৰ্য সমন্বিত হৈ যেন থুপ খাইছেহি তাইৰ মুখখনিত.... চকুযুৰীত।

টঙিৰ ভিতৰৰ জোনাকৰ অস্পষ্ট পোহৰেও যেন লগ দিছে তাইৰ সৌন্দৰ্য্য বঢ়াই তুলিবলৈ।

অনুৰাগে মন্ত্ৰমুগ্ধৰ দৰে সাৱটি ধৰিছে তাইক।

উষ্ম নিশ্বাস বোৰে চুই গৈছে ইটোৰে সিটোক। লাহে লাহে মন্ত্ৰমুগ্ধৰ দৰে নামি আহিছে অনুৰাগৰ ওঁঠযোৰ... স্পৰ্শ কৰি গৈছে তাইৰ কপাল, দুগাল, ওঁঠ। দুচকু জপাই দিছে অমৃতাই।

অনুভৱ কৰিছে সেই স্পৰ্শ প্ৰাণভৰি।

মনৰ ইপ্সিত দুৰ্বাৰ আকাংক্ষা, আৱেগবোৰৰ আগত হাৰ মানিব ধৰিছে দুয়ো। প্ৰাপ্তিৰ প্ৰত্যাশাত ৰক্তিম হৈ উঠিছে ..... গোলাপী আভাই তেজাল কৰি তুলিছে দুয়োৰে ওঁঠ, মুখ।

অনুভৱ কৰিছে উপেক্ষা কৰিব নোৱাৰা এটি সুতীব্ৰ আকৰ্ষণ। আঁটি আঁটি বান্ধি লৈছে ইটোৰে সিটোক।

নুই কৰি পেলাব নোৱাৰা সেই সুতীব্ৰ আকৰ্ষণৰ বন্যাত সমাজৰ ৰীতি নীতি ,বন্ধন শৃংখলা, পাপ, নৈতিকতা, অনৈতিকতা সকলো অপপ্ৰলাপ হৈ পৰিছেহি দুই প্ৰেমিক হৃদয়ৰ বাবে। লাহে লাহে প্ৰেমে বিস্তাৰ লাভ কৰিছে মনৰ পৰা শৰীৰলৈ। দুটি মন, দুটি আত্মা, দুটি শৰীৰ অভিন্ন হৈ পৰিছে প্ৰেমৰ আলিংগনত। আকাশে, বতাহে, গছে বনে, নদীৰ কল্লোলিত সুৰত ঝংকাৰ হৈছে মাথো এটি শব্দ ...প্ৰেম.... মাথো প্ৰেম আৰু প্ৰেম।

পুৱতি নিশালৈ ঠাণ্ডা নামি আহিব ধৰিছে।

ফৰকাল আকাশখন সেমেকিব ধৰিছেহি। আকাশত পাতল কলীয়া মেঘৰ উৰ্মিলহৰে এপাকত ঢাকি ধৰিছেহি যৌৱনা জোনটোক।

নিমজ্জিত হৈ ৰৈছে দুটি শৰীৰ।

অনুৰাগৰ বুকুৰ ধপধপনিৰ মাজত লীন হৈ ৰৈছে অমৃতা। কজলা চকুযুৰীত জিলিকি উঠিছে কিছু ভয়, কিছু শংকা।

ঃ আমি ভুল কৰিলোঁ নেকি অনু??

ঃ ইমান পাপবোধ কিয় মনত?? মই তোক ভালপাওঁ। এয়া জানো সত্য নহয়??

অনুৰাগে ওলোটাই সুধিছে তাইক। জানে অমৃতাই, .. এই ভালপোৱা সত্য। একো সন্দেহ নাই তাইৰ। সন্দেহ নাই অমৃতাৰ অনুৰাগৰ প্ৰেমৰ ওপৰত, নতুবা নিজৰ মনৰ অনুভূতিবোৰৰ ওপৰত। কিন্তু সমাজ??

ঃ সমাজে জানো আমাৰ সম্পৰ্কক মানি ল'ব ইমান সহজে?.... মোৰ ডিভৰ্চওতো হোৱা নাই অনু।

শেষৰ বাক্যশাৰী কওঁ নকওকৈ কলে তাই।

ঃ এইবোৰ ভাবি লাভ নাই সোণ। সময়ত সকলো ঠিক হব। এই হাবিখনৰ মাজত, এতিয়া আমি কোনো নীতি আৰু শৃংখলাৰ দাস নহওঁ। সকলো চিন্তাৰ পৰা নিজক মুক্ত কৰ। এই যে আমি দুয়ো দুয়োৰে মাজত লীন হৈছো, ইয়াত শৰীৰৰ তাড়না কম, মনৰ তাড়না হে অত্যধিক। এই তাড়না ভালপোৱাৰ। এতিয়া এই সময় আমাৰ ... এই ক্ষণ মাথো আমাৰ।

আৰু অলপ জোৰেৰে সাৱটি ধৰিছে সি তাইক... সামৰি লৈছে তাইক নিজৰ বুকুৰ উমত।

অনুৰাগেও জানে, সমাজে তাঁহাতৰ প্ৰেমৰ উচিত বিশ্লেষণ নকৰিবও পাৰে। নৈতিকতা, অনৈতিকতা, নিয়ম , অনিয়মৰ সাঁজুলিৰে অমৃতা আৰু অনুৰাগৰ চৰিত্ৰৰ অস্ত্ৰোপচাৰ কৰি তাঁহাতক থকা সৰকা কৰাৰ সম্ভাৱনাই অধিক ।

কিন্তু প্ৰেমে জানো সেইবোৰ বাধা মানে ?

সকলো বাধা অতিক্ৰমিও জিলিকি ৰয় যি...সেয়াইতো প্ৰেম!!

ঃ মই যে তোক একো দিব নোৱাৰো অনু।

ঃ ....

ঃ একোৱেই নাই মোৰ। মই ৰিক্ত, এটি শূন্য।

সচাই কি আছে তাইৰ অনুৰাগক দিবলৈ?

কি দিব তাই অনুৰাগক?

স্বপ্নবিহীন এটি উকা জীৱন.... শূন্য অনুৰ্বৰ শৰীৰ...আৰু কি আছে তাইৰ?

এৰা অনুৰ্বৰেইতো!! সপোনৰ পুলি নগজে তাইৰ শৰীৰত। কোনো আলসুৱা কোমল প্ৰাণে পোখা নেমেলে তাইৰ গৰ্ভত। কাৰণ, বহুবাৰ গৰ্ভতেই শ্মশান প্ৰাপ্তি হৈছে তাইৰ অবিকশিত ভ্ৰূণবোৰৰ ...নতুবা গলি গলি বৈ গৈছে অস্ত্ৰোপচাৰ কক্ষৰ ড্ৰেইনত।

এবাৰ, দুবাৰ, তিনিবাৰ, চাৰিবাৰ।

এতিয়া তাইৰ জৰায়ু অনুৰ্বৰ মৰুভূমিৰ দৰেই।

প্ৰাণৰ সঞ্চাৰ নঘটে তাত। বসন্ত নাহে।

অবাক হৈ ৰৈছে অনুৰাগ।

ঃ কিয়?

ঃ কাৰণটো তেনেই সাধাৰণ। ভাস্কৰে নিবিচাৰে। আৰু সেয়াই শেষ সিদ্ধান্ত।

অমৃতাৰ কণ্ঠত এক অদ্ভুত জড়তা। দুচকুত আত্মগ্লানি।

" উফ" ইমান নিষ্ঠুৰ হব পাৰেনে মানুহ?

এক অদ্ভুত যন্ত্ৰনাত দগ্ধ হৈছে সি। প্ৰত্যক্ষ বা পৰোক্ষভাৱে সিয়েই দায়ী....সিয়েই দোষী।জীৱনটো যদি কম্পিউটাৰৰ দৰে হোৱাহেঁতেন!!

এতিয়াই আনদু কৰিলেহেঁতেন ভুলবোৰ ... ডিলিত কৰিলেহেঁতেন যন্ত্ৰণাবোৰ, ৰি টাইপ কৰিলেহেঁতেন জীৱনৰ সুখ ভৰা পৃষ্ঠাবোৰ।।

তাইৰ তপত চকুলোৰে তিয়াই গৈছে অনুৰাগৰ বুকু। মৃদু উচুপনিবোৰ অনুৰাগৰ চকুলোৰে সিক্ত বুকুখনত ঠেকা খাইছে। বুজিব পাৰিছে অনুৰাগে তাইৰ মনৰ বেদনা। তাইৰ দীঘল চুলিটাৰীত, উকা পিঠিত হাত বুলাই সান্তনা দিছে সি।

ঃ পাহৰি যা সোণ। পাহৰিব লাগিব তই এইবোৰ। ওলাই আহ সেই কষ্টকৰ স্মৃতিবোৰৰ পৰা। এতিয়া তই মাথো মোৰ। মোক আৰু একো নালাগে। তোক জীৱনত ঘূৰাই পাম সেয়া কেতিয়াও ভবা নাছিলোঁ। কিন্তু এতিয়া তোক, তোৰ ভালপোৱা

পুনৰ নিজৰ জীৱনত ঘূৰাই পাইছোঁ। আৰু একোৱেই নালাগে মোক। একোৱেই নালাগে।

অত্যন্ত আৱেগপ্ৰৱন হৈ উঠিছে অনুৰাগ।

অমৃতাৰ সিক্ত চকুযুৰী মুচি দিছে সি। মুখখন তুলি ধৰি তাইৰ কম্পিত ওঁঠ যুৰীত অত্যন্ত আৱেগেৰে চুমা যাচিছে সি। এক অনামী আৱেশত চকুযুৰী জাপ খাই গৈছে অমৃতাৰ।

সঁচাই!!

এই মিলন অপ্ৰত্যাশিত, কিন্তু দুয়োৰে হৃদয়ত সেয়াই আছিল পৰম আকাংক্ষিত। মোহাচ্ছন্ন হৈ চাই ৰৈছে তাই অনুৰাগৰ গভীৰ চকুহাললৈ। সেই চকুহালত জিলিকি উঠিছে সত্য, ভালপোৱা, আৰু প্ৰশ্ৰয়।

চাৰিচকুৰ অন্তৰংগতা .... তাৰপিছতেই পুনৰ গভীৰ আলিংগনত আবদ্ধ হৈছে দুয়ো।

দুয়োৰে দুচকুত উন্মুক্ত হৈ ধৰা দিছে প্ৰেম ... অনুৰাগৰ বুকুৰ গভীৰতাত কুৰুকি কুৰুকি সোমাই পৰিছে অমৃতা।

ইমান নিৰাপত্তা যে অকল এই বুকুখনেহে দিব পাৰে তাইক..!!

ইমান মৰম আৰু প্ৰশ্ৰয় কেৱল এই চকুহালতহে বিচাৰি পায় তাই।

দুয়োৰে বুকুত প্ৰেমৰ মাদল বাজিছে। দুয়ো অনুভৱ কৰিছে সেই একেই সুৰ, সেই একেই ৰাগ।

বুকুৰ ধপ ধপনিবোৰ দ্ৰুতৰ পৰা দ্ৰুততৰ হৈ এটি উদ্দাত্ত ৰাগিনীত পৰিণত হৈছে....

সেই সুৰ, সেই ৰাগ মাথো প্ৰেমৰ। প্ৰেমৰ সুৰৰ শ্ৰুতিমাধুৰ্য্যতাত উন্মনা হৈ পৰিছে অনুৰাগ আৰু অমৃতা।

এটা সময়ত গভীৰ নিদ্ৰাৰ কোলাত ঢলি পৰিছে দুয়ো। ক্লান্ত শৰীৰ। তৃপ্ত মন।

পৰিপুষ্ট মন, উদ্দীপ্ত আত্মা।

চাঙৰ টঙিখনৰ ভিতৰত তেতিয়া ছা পোহৰৰ যুগলবন্দী... জংঘলৰ পৰা ভাঁহি আহিছে কেঁচা সেউজীয়া ঘ্ৰাণ, আৰু দূৰৈত অচিন পক্ষীৰ কূজন।

অভিভূত হৈ চাই ৰল দুয়ো।

পাহাৰৰ বুকুত সেউজীয়াৰ আভৰণ।

প্ৰকৃতিয়ে যেন প্ৰাণঢালি সৌন্দৰ্য্য সানিছে পাহাৰৰ বুকুত। ওখ ওখ সেউজ গছ গছনিৰ শিখৰ চুম্বী বতাহত ইফালৰ পৰা সিফাললৈ ওপঙি ফুৰিছে চঞ্চলা কলীয়া মেঘ। খলা বমা সাপৰ দৰে একা বেঁকা সৰু ঠেক পথ। তলত পাহাৰৰ বুকুৰ ভাঁজৰ পৰা নিগৰি ভৈয়ামত বৈ যোৱা নীলা নদীখন ... শাওনৰ পৰশত ভৰ যৌৱনা চঞ্চলা নদীখনৰ উত্ৰাৱল, উচ্ছল তৰংগ।

দুয়োৰে নাকত লাগিছেহি এটি চিৰচিনাকি সুবাস .... চিৰইপ্সিত সুবাস, কেঁচা সেউজীয়াৰ। দীঘলকৈ উশাহ টানি বুকুৰ আভ্যন্তৰীণলৈকে দুয়ো অনুভৱ কৰিলে সেই সেউজীয়া কেঁচা ঘ্ৰাণ।

পাহাৰীয়া কঠিন শিলাখণ্ড ভেদী কুলুকুলু সুৰেৰে বৈ আহিছে কেইবাটাও প্ৰাণোচ্ছল জুৰি।

দুয়ো মুখ হাত ধুই ললে জুৰীৰ পানীত।

আকাশখন ইতিমধ্যে উন্দুলি উঠিছে। ঘনঘোৰ মেঘে ঢকা আকাশত বিজুলীৰ চমকনি বাঢ়ি আহিছে। মেঘে ঘনে ঘনে গাজিব ধৰিছে।

হঠাৎ জৰজৰকৈ খহি আহিছে বৰষা। প্ৰাণদায়িনী বৰষা। মুকুতামনি বোৰ সৰসৰাই বাগৰি আহিছে অমৃতা আৰু অনুৰাগৰ সৰ্বস্ব তিয়াই।

দুহাত মেলি , দুচকু মুদি, মুখখন ওপৰ কৰি ৰৈছে তাই। উপভোগ কৰিছে তাই সেই প্ৰতিটো শীতল বৃষ্টিকণা।

"আস"

ভাল পাওঁ মই এই সেউজীয়া, এই নদী, এই পাহাৰ ... ভাল পাওঁ মই এই সময়, যি সময়ে মোক পুনৰ অনুৰাগৰ ওচৰলৈ লৈ আনিছে। জীৱনৰ সকলো সৌন্দৰ্য্য মই ইয়াতেই বিচাৰি পাইছো।

কয় যদি কওক সমাজে, তাইক নৈতিক বিচ্যুতি ঘটা এগৰাকী চৰিত্ৰহীন নাৰী বুলি!

তাই জানে তাই একো ভুল কৰা নাই।

"মোৰ সমস্ত হৃদয় জুৰি মাথো এটিয়েই নাম। সেই নাম অনুৰাগ।ভাল পাওঁ মই তোক অনুৰাগ... বহুত ভাল পাওঁ।"

অস্পষ্ট কৈ বিৰবিৰাই উঠিল তাই।

"আৰু মোৰ সমস্ত হৃদয় জুৰি মাথো এটিয়েই নাম। এটিয়েই ছবি। সেই নাম.. সেই ছবি ...অমৃতাৰ"

গুৰুগম্ভীৰ কণ্ঠ অনুৰাগৰ।

কাণ দুখন গৰম হৈ উঠিছে তাইৰ।

চেহ , তাইও যে আৰু!!

মনতে ভাবি থকা কথাবোৰ কৈয়েই পেলাব লাগে নে তাই!! তাইৰ সন্মুখত থিয় হৈ ৰৈছেহি সি। মুখত মিচিকিয়া হাঁহি। বৃষ্টিকণাই তিয়াই গৈছে অনুৰাগৰ কেঁকোৰা অবিন্যস্ত চুলি, মুখমণ্ডল, শৰীৰ।

দুচকুৰ আগত ভাঁহি উঠিছে পথাৰৰ মাজত এহাল লৰা ছোৱালী... অমৃতাৰ হাতত এটি ভঙা ছাতি। বতাহে কোবাই লৈ যোৱা ছাতিখন লৈ কান্দো কান্দোকৈ চাই ৰৈছে তাই। এখন দীঘল কলপাত লৈ কাষত থিয় দিছেহি অনুৰাগ। কলপাতৰ ছাতি লৈ খিলখিলাই হাঁহি উঠিছে দুয়ো..... ফ্ৰক কোঁচাই, উদং ভৰিৰে জপং জপং শব্দ কৰি পানীত জঁপিয়াইছে দুয়ো।

ক'ব নোৱাৰাকৈ অনুৰাগ আৰু অমৃতা দুয়োৰে ওঁঠত বিয়পি পৰিছে এটি মিচিকিয়া হাঁহি....।

ফৰফৰাই বলা বতাহজাকত হেলনীয়া বৰষুণে ধুৱাই গৈছে দুয়োকে। টোপাল টোপাল মাধুৰীকণাৰ সংস্পৰ্শত গলি যাব ধৰিছে অন্তৰৰ দুখ, মলিনতা, ... সূৰ্যকণাৰ দৰে জ্বলমলাই উঠিছে মাথো প্ৰেম।

(২৩)

প্ৰস্তৰ মূৰ্তিৰ দৰে দুৱাৰমুখতে ৰৈ গল শ্যামলী আৰু অদিতি। সশব্দে উচুপি উঠিছে অনুৰাগৰ মাক।

ঃ ক'ত গ'ল, ক'লৈ গ'ল একো খবৰ পোৱা নাই। আজি তিনিদিন হল অনুৰাগ দাদা আৰু অমৃতা বাইদেউ গুচি যোৱা।

সীমান্তই বিমৰ্ষ মনেৰে কলে। হীৰাই হুইল চেয়াৰৰ সন্মুখত আঁঠু কাঢ়ি বহি লৈ উচুপি উচুপি ভাগৰি যোৱা মানুহজনীক বুকুৰে পিঠিয়ে মালিচ কৰি সান্ত্বনা দিছে।

ঃ পুলিচত খবৰ দিয়া নাই নেকি?

ঃ পুলিচ প্ৰশাসন বুলি একো নাই অ এইখন গাঁৱত। সকলো মিলিজুলি চলি থাকে সন্ত্ৰাসবাদীৰ লগত। কোনো আমাক সহায় কৰিব নোৱাৰে। কোনো নোৱাৰে ইয়াত। আপোনালোক মুম্বাইৰ পৰা আহিছে । আপোনালোক ডাঙৰ মানুহ। আপোনালোকেই কিজানি কিবা এটা কৰিব পাৰিব।

অনুৰাগক ইমান দূৰৰ পৰা বিচাৰি আহিছে যেতিয়া নিশ্চয় সহায় কৰিব সেই আশাতেই কলে সীমান্তই। শ্যামলীয়ে উদ্বিগ্নতাৰে মোবাইলটোলৈ চালে। নেটৱৰ্কৰ মাত্ৰ এডাল চিহ্ন জিলিকি আছে। মোবাইলটোৰপৰা যে একো সহায় নহব বুজি তাই মোবাইলটো বেগত ভৰাই থ'লে।

ঃ বাইক গাড়ী কিবা আছে যদি দিয়াচোন। ইয়াত নেটৱৰ্ক একেবাৰে নাই। টাউনৰ ফালে ওলাই গলেহে কিজানি নেটৱৰ্ক পাম।

ঃ মোৰ বাইকখনহে আছে ...

ঃ তাকেই দিয়া।

সীমান্তই প্ৰায় দৌৰ মাৰিয়ে গল ভিতৰলৈ চাবিপাত আনিবলৈ ।

হীৰাই জোৰ কৰাৰ পিছতো একো নোখোৱা নোবোৱাকৈ অদিতি আৰু শ্যামলী দুয়ো সীমান্তৰ বাইকখনকে লৈ ওলাই আহিল টাউন অভিমুখে।

ঃ কি কৰিলে ভাল হ'ব শ্যামলী?

শুষ্ক কণ্ঠৰে সুধিলে অদিতিয়ে।

ঃ এনেই হাত সাৱটি বহি থাকিব নোৱাৰি বা। কিবা কৰিব লাগিব। তলৰ লেভেলত নহব। পাপাক ফোন কৰি জনাব লাগিব কথাযাৰ। পুলিচত খবৰ দিব লাগিব।

ঃ কিন্তু ইয়াত পুলিছেও সহায় নকৰে বুলি ক'লে দেখোন।

ঃ নকৰিবও পাৰে। কিন্তু পুলিচক কৰাব লাগিব।

শ্যামলীৰ কণ্ঠত দৃঢ়তা শুনি আশ্বস্ত হল অদিতি। শ্যামলীয়ে নিশ্চয় কিবা কৰিব পাৰিব। মেডিয়াৰ পাৱাৰ কিমান জানে তাই। তাতেই শ্যামলীৰ দেউতাক নিজেই এজন মন্ত্ৰী... শক্তিশালী ৰাজনৈতিক বিষয়া।

ঃ ভাস্কৰ দত্তৰ কিবা হাত থাকিব পাৰে বুলি ভাবা নেকি শ্যামলী ?

ঃ হাত থাকিবও পাৰে। হঠাৎ হেৰাই গৈছে ভাস্কৰ দত্ত। মুম্বাই পুলিচে ইতিমধ্যে বিচাৰি ফুৰিছে ভাস্কৰ দত্তক। কিবা সম্ভেদ পাব নিশ্চয়।

ঠেক উখোৰা মোখোৰা পকী পথটোত স্থিৰ দৃষ্টি ৰাখি বাইকখন চলাই নিছে শ্যামলীয়ে। টাউন পাওঁ পাওঁ হওতেই হঠাৎ অদিতিৰ ফোনটো বাজি উঠিল। বিপ্লৱ। মুখখন বিৰক্তিৰে উপচি পৰিল অদিতিৰ। শ্যামলীয়ে বাইকখন ৰাস্তাৰ কাষতে ৰৈ দিলে।

অনিচ্ছাসত্বেও ফোনটো উঠাই ললে অদিতিয়ে।

ঃ ....

ঃ হেল্ল মাত নিদিয়া কিয় ? মোক নোকোৱাকৈ মনে মনে গুচি গলা কিয়?

ঃ মাত দিয়াৰ প্ৰয়োজন আছে বুলি নাভাবিলোঁ।

ঃ তুমি বুজি পোৱা নাই অদিতি। ভাস্কৰ আৰু অমৃতাৰ মাজত সোমাই তুমি ভুল কৰিছা। ভাস্কৰক তুমি চিনি নোপোৱা অদিতি। হি কেন গ' আপ টু এনি একষ্টেণ্ট। পাগল হৈ গৈছে সি।

ঃ ....

ঃ হেল্ল, তুমি শুনিছানে অদিতি। ঘূৰি আহা তুমি।

মোৰ কথা বুজিবলৈ চেষ্টা কৰা। ভাস্কৰে তাৰ প্ৰতিশোধ ল'বই। তুমি এতিয়া কত আছা?

ঃ মই অনুৰাগদা, অমৃতাহঁতৰ গাঁৱত আছোঁ।

ঃ ৱাত? ৱাত আৰ ইউ চেয়িং অদিতি?

ঃ কি হল?

ঃ প্লিজ অদিতি ঘূৰি আহা। ভাস্কৰ... ভাস্কৰ তাতেইতো আছে।

কিছুপৰ নিস্তব্ধ হৈ শুনি ফোনৰ সংযোগ বিছিন্ন কৰি দিলে তাই। শ্যামলীয়ে প্ৰশ্নবোধক দৃষ্টিৰে চাই ৰৈছে তাইলৈ।

ঃ বিপ্লৱে ফোন কৰিছিল। ভাস্কৰ দত্ত ইয়াতেই আছে বুলিহে কলে দেখোন।

অদিতিৰ চকুৰে মুখে দুশ্চিন্তা।

ভ্ৰূ কুঞ্চিত কৰি কিছুদেৰী কিবা ভাবিলে শ্যামলীয়ে। বেগৰ পৰা নিজৰ মোবাইলটো উলিয়াই চালে তাই। নেটৱৰ্ক আছে।

ঃ জাষ্ট ৱেইট।

শ্যামলীয়ে লৰালৰিকৈ দুটা মেছেজ পঠিয়ালে।

ঃ কাক মেছেজ কৰিলা?

ঃ দুই ঠাইলৈ। এটা মুম্বাই পুলিচ আৰু আনটো হিন্দুস্তান টাইমছ।

০০ ০০ ০০

পাহাৰীয়া ঠেক কেঁচা পথটোৰ কাষৰ জোপোহাই আৱৰি ৰখা ঢাপটোত সোমাই পৰিল দুয়ো। তীব্ৰ গৰ্জন কৰি পাৰ হৈ গ'ল তিনিখন মটৰ চাইকেল। মটৰ চাইকেলৰ ওপৰত সশস্ত্ৰ আৰোহী। মটৰ চাইকেল জাক চকুৰ আঁতৰ হোৱাৰ পিছতো তেনেকৈয়ে বহি ৰল দুয়ো কিছুপৰ।

ঃ ব'ল।

অনুচ্চ কণ্ঠৰে কলে অনুৰাগে।

অমৃতালৈ চাই বুকুখন মুচৰ খাই আহিল তাৰ। ঢাপটোৰ ভিতৰত মাটিতে মূৰটো আৰু শৰীৰটো ভেঁজা দি কুচিমুচি বহি ৰৈছে তাই। অবিন্যস্ত চুলি, মুখমণ্ডলত, পিন্ধি থকা শাৰীখনত অত তত লাগি ৰৈছে পাহাৰীয়া ৰঙা মাটি। সেই একেই অৱস্থা

অনুৰাগৰো।

হাবিৰ মাজত পাত, জোপোহাৰ আঁৰে আঁৰে সতৰ্কতাৰে দুয়ো আগবাঢ়িছে। চাৰিওফালে সশস্ত্ৰ উগ্ৰপন্থীয়ে পিয়াপি দি ফুৰাৰ বাবে পাহাৰৰ পৰা ওলাই যাবলৈ তিনিদিন ধৰি চেষ্টা কৰিও অসফল হৈ ভাগৰি গৈছে দুয়ো। মনৰ জোৰ থাকিলেও ভোক, পিয়াঁহত শৰীৰৰ জোৰ কমি আহিছে..খোজৰ গতি ধিম হৈ আহিছে, ঘনে ঘনে ফোঁপাব ধৰিছে অমৃতাই। তথাপিও দুচকুত ভয়, শংকা, ভাগৰ দেখুৱাব খোজা নাই তাই অনুৰাগক।

প্ৰকাণ্ড শিলবোৰৰ ফাঁকে ফাঁকে জৰজৰাই বৈ যোৱা উচ্ছল এটি জুৰিৰ সন্মুখত ৰৈ গল দুয়ো। তাতে বৈ দুয়ো ঘোটঘোটাই জুৰীৰ পানী পি খালে। পেটৰ ভোক যে ইমান তীব্ৰ হব পাৰে এই প্ৰথম অনুভৱ কৰিছে অমৃতাই। খাদ্যৰ নামত দুয়ো খাইছে মাথো পাহাৰীয়া ফল।

মুম্বাইত থাকোতে এগৰাহ খাবলৈও তাইৰ মন নগৈছিল। অথচ, এই হাবিখনত দেখোন তাইৰ ইমান ভোক লাগিছে!

ক্ষন্তেক জিৰণি লবৰ বাবে শিল এচটাৰ ওপৰত বহি পৰিল দুয়ো। পুৱাৰ কোমল ৰদে ধুই গৈছে দুয়োৰে ভাগৰুৱা শৰীৰ। অনুৰাগৰ কান্ধত মূৰটো পেলাই আকাশখনলৈ চাই বহি ৰল তাই। নীলাভ আকাশখনত ফুটচাই বৰণীয়া পাতল মেঘ। মেঘৰ আঁৰে আঁৰে লুকাভাকু খেলিছে পুৱাৰ বেলিটিয়ে।

ঃ এই হাবিখনৰ পৰা ওলাই যাব পাৰিম নে আমি অনু?

কোমলকৈ আঁকোৱালি লৈছে সি তাইক দুবাহুৰ মাজত।

ঃ চিন্তা লাগিছে? ওলাই যাম ইয়াৰ পৰা আমি।ওলাই গৈ আমি দুয়ো মুম্বাই যামগৈ। হ'বনে?

মুম্বাইত গৈ পাই আকৌ মোৰ পৰা দূৰ হোৱাৰ কথা কিন্তু নকবি। কাৰণ এইবাৰ ক'লেও মই নুশুনো।

অমৃতাৰ সিক্ত দুচকুত বিৰিঙি উঠিছে গ্লানি।

ঃ মই যদি তোৰ লগত ফ্লেটত থাকিব মান্তি হোৱাহেঁতেন, তই নিশ্চয় মোক এৰি থৈ নাহিলিহেঁতেন এই গাঁৱলৈ। চব মোৰ ভুলৰ বাবেই এইবোৰ হল অনু।

ঃ তেনেকৈ কিয় কৈছ ? মই গুচি নহা হলে, তই জানো মোক বিচাৰি আহিলিহেঁতেন ?? আৰু আহি ভালহে হল...দুয়ো ইমান বছৰৰ মূৰত আমাৰ মৰমৰ গাঁওখনত...

ঃ মই বেয়া পাওঁ অনু। বেয়া পাওঁ মই আমাৰ গাওঁখনক। বেয়া পাওঁ মই ইয়াৰ ঘন হাবি বননি। যি ঠাইত তোৰ ইমান অমংগল হব পাৰে সেই ঠাই মোৰ প্ৰিয় হব নোৱাৰে।

উষ্ম কণ্ঠ অমৃতাৰ। অনুৰাগে কোমলকৈ এটা চুমা আঁকি দিলে তাইৰ কপালত।

ঃ গাঁওখনৰ কি দোষ? এই নদী, এই পাহাৰখনৰ কি দোষ? দোষ মানুহৰপৰাহে হয়...মোৰ ভুল হৈছিল। আৰু সেই ভুলৰেই পৰিনাম এয়া। মোৰ ভুলৰ বাবে আমাৰ গাওঁখনক ঘিণ নকৰিবি সোণ।

অমৃতাই প্ৰত্যুত্তৰত কিবা কোৱাৰ আগতেই হঠাৎ তড়িৎ গতিৰে অনুৰাগে ঘূৰি দিলে। বতাহতে অৰ্দ্ধ গোলাকাৰ হোৱা হাতৰ শিকলি পাতে কাৰোবাৰ মূৰত এটা প্ৰচণ্ড আঘাত কৰিলে। সেই অনাকাংক্ষিত আক্ৰমণত বাগৰি পৰিল কোনোবা। অমৃতাই পিচহোহোকি অনুৰাগৰ পিছফালে থিয় দিলেহি। মূৰ ফাটি সোঁ সোঁৱাই তেজ বব ধৰিছে কলা কাপোৰেৰে মুখ ঢকা যুৱকজনৰ। উঠি বহিব লওঁতেই অনুৰাগে উপৰ্যপুৰি কেবাটাও ঘোচা মাৰিলে নাকে মুখে। যুৱকজনৰ হাতৰ বন্দুক কাঢ়ি লৈ মৃত্যুদূত হৈ সন্মুখত থিয় হ'লহি অনুৰাগ।

এটি গুলি মাথো.. ৰক্তাক্ত দেহাটো নিথৰ হৈ পৰি ৰল শুকান গছ পাতৰ ওপৰত।

পাহাৰৰ বুকুত সন্ধিয়া নামিব ধৰিছিল ইতিমধ্যে। ৰঙা বেলিটো ডুব যাব ধৰিছিল পশ্চিমৰ কমলা বুলিয়া আকাশত।

আৰু এদিন পাৰ হল। আৰু এনিশা এই পাহাৰত কটোৱাৰ কথা ভাবি বিমৰ্ষ হৈ পৰিছে অনুৰাগ আৰু অমৃতা। এজোপা বট বৃক্ষৰ তলতে ক্লান্ত শৰীৰটো এৰি দিছে দুয়ো।

হঠাৎ চিকিমিকি অন্ধকাৰতে এচমকা পোহৰ পৰিল ডাঠ সেউজীয়া পাতবোৰৰ ওপৰত। সচকিত হৈ উঠিল অনুৰাগ আৰু অমৃতা দুয়ো। নিশব্দে দুয়ো পিছুৱাই গৈ থাকিল। বিজুলীৰ দৰে অন্ধকাৰতে চমকি উঠিল এযোৰ চকু... দুযোৰ চকু। এটা বিকট চিঞৰ স্বতঃস্ফূৰ্ত ওলাই আহিল অমৃতাৰ। জপিয়াই পৰিল দুই ৰক্তপিপাসু অনুৰাগৰ ওপৰত। অনুৰাগেও তীব্ৰ গতিৰে

শিকলিৰে আঘাত কৰিলে দুয়োজনক মূৰে কপালে। তাৰ লগে লগেই লাত আৰু ঘোচা। পৰি যোৱা বন্দুক উঠাই লৈ, বন্দুকৰ নল সিহঁতলৈ টোঁৱাইও ৰৈ গল অনুৰাগ। গুলিচালনাৰ শব্দ অন্ধকাৰত বহু দূৰলৈ শুনা যাব। গতিকে বন্দুকৰ নালেৰেই প্ৰচণ্ড মাৰ সোধালে সি দুয়োৰে মূৰত। কপি কপি চাই থাকিল অমৃতাই অনুৰাগৰ সেই হিংস্ৰ জান্তৱ ৰূপ।

কঁপা কঁপা হাতেৰে আলফুলে অনুৰাগৰ কপাল ফাটি বৈ যোৱা তেজৰ ধাৰা খিনি মুচি দিলে অমৃতাই।

হঠাৎ পাতৰ আঁৰত পুনৰ চমকি উঠিছে কেইবাজুৰো হিংস্ৰ চকু। জপিয়াই পৰিছে অনুৰাগৰ ওপৰত এজাক ৰক্তপিপাসুৰ দল।

বৰফে যেন পুতি পেলাইছে অমৃতাৰ শৰীৰ, বন্ধ হৈ গৈছে ৰক্তসঞ্চালন। কঁপিবলৈও পৰা নাই, শৰীৰ জঠৰ হৈ পৰিছে তাইৰ।

অনুৰাগ বাগৰি পৰিছে মাটিত, তাৰ ওপৰত বাগৰি পৰিছে বাকীবোৰ ৰক্ত পিপাশু। প্ৰচণ্ড ঘোচা, লাত, মাৰা মাৰি... অনুৰাগে শৰীৰৰ সমস্ত শক্তিৰে অকলেই যুঁজিছে...

আস' কষ্ট পাইছে সি। ভীষণ কষ্ট।

হঠাৎ যেন অমৃতাৰ শৰীৰলৈ ৰক্তসঞ্চালন দ্ৰুত হৈ আহিছে। মুখলৈ তেজৰ উষ্ম জোঁৱাৰ আহিছে। খঙত কপি উঠিছে তাই।

স্থিৰ হাতেৰে অনুৰাগৰ ৰিভলভাৰ হাতত তুলি লৈছে তাই। দুচকুত অগ্নিজ্বালা।

ধাই ধাই ধাই।

গুৰি কটা গছৰ দৰে বাগৰি পৰিল তিনিওজন যুৱক। কিছুসময়ৰ নিস্তব্ধতা। অনুৰাগে এপলক বিস্মিত হৈ চাই ৰৈছে অমৃতাৰ নতুন ৰূপটোলৈ। হঠাৎ পুনৰ আক্ৰমণ কৰিব উদ্যত হোৱা দুই যুৱকক ভৰিত ক্ষিপ্ৰতাৰে খুকুৰীৰে উপৰ্যপুৰি আঘাত কৰিলে সি। কৰ্কশ কেকনিৰে বাগৰি পৰিল দুয়োজন।

অনুৰাগৰ ওঁঠ ফাটি তেজ বব ধৰিছিল। ভৰি আৰু বাহুত যথেষ্ট আঘাত পাইছিল সি। সামান্য লেঙেৰীয়াই খোজ দি অমৃতাৰ কাষলৈ আহিল সি।

যন্ত্ৰণাৰ মাজতো অনুৰাগৰ ওঁঠত স্মিত হাঁহি।

উজাই আহিব খোজা কান্দোনটোক কোনোমতে হেঁচি ধৰি সাৱটি ধৰিলে দুয়ো ইটোৱে সিটোক।

হাবিত অ'ত ত'ত টৰ্চৰ পোহৰ পৰিছে।

বিপৰীত দিশত দৌৰিছে দুয়ো হাবি, বন, জোপোহা, লতিকা ছিঙি। শৰীৰত জোৰ নাথাকিলেও মনৰ জোৰেৰে দৌৰিছে দুয়ো। কাঁইট, গছৰ শুকান ডালৰ খোচত শৰীৰৰ অ'ৰ ত'ৰ পৰা বিৰিঙি উঠিছে ৰক্তকণিকা।

এই নিশা যেন শেষ নহ'ব। এই হাবি যেন অন্তহীন। দৌৰি দৌৰি দুয়ো বহু তললৈ নামি আহিছে ইতিমধ্যে। হঠাৎ কিবা মনত পৰাৰ দৰে ৰৈ গৈছে অনুৰাগ।

নদীখনৰ পাৰৰ মুকলি ওখ গৰা... গৰাত তেতিয়া ৰূপোৱালী জোনাকৰ প্লাৱন আৰু তলত ৰূপোৱালী ঢৌ তুলি বৈ যোৱা নৃত্যৰত নদীখন।

ঃ ৰৈ...ৰৈ গলি কিয় ?

অনুৰাগে মুখেৰে একো মতা নাই। দীঘলকৈ উশাহ কেইটামান লবলৈ চেষ্টা কৰিছে সি। অনুৰাগৰ মুখলৈ চাই ৰৈছে তাই উত্তৰৰ আশাত।

বেগৰ পৰা সৰু ৰঙা কাপোৰেৰে বন্ধা কলহ এখন দাঙি ধৰিছে সি। একো বুজিব নোৱাৰি তাই প্ৰশ্নবোধক দৃষ্টিৰে চাই ৰৈছে তালৈ।

ঃ তোৰ অনুপস্থিতিত মই মাথো ইয়াকেই ৰাখিব পাৰিলোঁ তোৰ বাবে।

ঃ ...

ঃ চিতাভস্ম। না নকৰিবি। খুড়াদেউৰ আত্মাই শান্তি পাব অমৃতা।

ধুমুহাৰ মাজতো অস্বাভাৱিক ধৰণে শান্ত, সৌম্য গম্ভীৰ মুখখনলৈ অবাক লাগি চাই ৰৈছে অমৃতাই। দুচকু ভৰি আহিছে

চকুলোৰে।

ঃ অনুৰাগ..

থুকাথুকি হৈ পৰিছে তাইৰ কণ্ঠস্বৰ।

ঃ পাহৰি যা। পুৰণি কথাবোৰ ধৰি থাকি জানো কিবা লাভ হব ? যাৰ অন্তৰত প্ৰেম থাকে তাৰ মনত ইমান ঘৃণা নাথাকে অমৃতা।

দুচকু ভৰি আহিল তাইৰ অশ্ৰুৰে। ক'বলৈ আৰু একোৱেই বাকী ৰোৱা নাছিল। সিক্ত চকুৰে, মিশ্ৰিত অনুভূতিৰে দুয়ো অস্থি বিসৰ্জন দিলে নদীৰ উচ্ছল জলধাৰাত। এবুকু বিষাদেৰে মন ভৰি উঠিছে অমৃতাৰ। অনুৰাগে আলফুলে তাইক সাৱটি ধৰিছে।

হঠাৎ নিৰ্জনতা ফালি বুকু কঁপাই যোৱা দুটা গুলীৰ গৰ্জন আৰু তাৰ লগে লগেই অনুৰাগৰ আৰ্ত চিৎকাৰ শুনি স্তম্ভিত হৈ ৰল অমৃতা।

ঃ অনুৰাগ।

আৰ্তনাদ কৰি উঠিল তাই।

কিবা বুজিব পৰাৰ আগতেই অনুৰাগ কুজা হৈ আঠুত হেঁচি ধৰি মাটিত বহি পৰিছে। আঁঠুৰ ঠিক তলত গুলি লগা ঠাইডোখৰৰ পৰা সোঁ সোঁৱাই তেজ বব ধৰিছে। প্ৰচণ্ড জোৰে হেঁচি ধৰিছে সি। নিমিষতে অস্থিৰ হৈ উঠিল তাই। কেঁচা ঘাম বিৰিঙি উঠিল তাইৰ সৰ্বশৰীৰত।

ঃ অনু অনু।

অনুৰাগক সাৱটি ধৰি চিৎকাৰ কৰি উঠিল তাই। কি কৰোঁ কি নকৰোঁকৈ অমৃতাই নিজৰ শাৰীৰ আচল ফালি বান্ধি দিলে ঠাইটুকুৰা।

হঠাৎ পিছফালৰ পৰা কেইবাটাও জোতাৰ গধুৰ খোজ আৰু হাত চাপৰি মৰাৰ শব্দ শুনা গ'ল। সেই একে সময়তে অনুৰাগে তাৰ মূৰত সোঁ কাণৰ ঠিক পিছফালে অনুভৱ কৰিলে বন্দুকৰ নলীৰ ধাতৱ স্পৰ্শ। তাৰ লগে লগেই পৈশাচিক, কটাক্ষ ভৰা হাঁহি এটাই বিষাক্ত কৰি তুলিলে জোনাক প্লাৱিত গৰাটো। ঠিক দৈত্যৰ দৰে। ভৰিৰ তলৰ মাটি যেন খহি পৰিল অমৃতাৰ। মূৰটো আচন্দ্ৰাই কৰাৰ দৰে লাগিল।

সেই কৰ্কশ হাঁহি তাইৰ পৰিচিত। সেই হাঁহি তাইৰ বিভীষিকাময় দিন আৰু নিশাবোৰৰ অহৰহ সংগী ... পিছফালে থিয় হৈ আছিল দৈত্যজন.. ভাস্কৰ দত্ত। কেনেকৈ? সি ইয়াত কেনেকৈ আহিল?

বতাহত গছৰ পাত কঁপাৰ দৰে থৰথৰকৈ কঁপিব ধৰিছে তাই।

হঠাৎ দৈত্যজনে আহি তাইৰ দীঘল চুলিকোছা নিজৰ হাতৰ মুঠিত লৈ সজোৰে টানি ধৰিছে। ভাস্কৰ দত্তৰ ভৰিত উবুৰি খাই পৰিছে অমৃতা।

খঙত, বিষত জৰ্জৰিত অনুৰাগৰ বুকুত ভমককৈ জ্বলি উঠিছে একুৰা জুই। তাৰ দুচকুৰ আগত অমৃতাক অসন্মান কৰিছে, অপব্যৱহাৰ কৰিছে ভাস্কৰে। তথাপিও একো কৰিব পৰা নাই সি। খং, যন্ত্ৰণা, অপমানত দগ্ধ হৈ উঠিছে অনুৰাগ।

ঃ চালা বেশ্যা। পুৰণি প্ৰেমিকৰ লগত হাবিয়ে বননিয়ে প্ৰেম পিৰিতি কৰি ঘূৰিছ। তই কি ভাবিছিলি? মোক, ... ভাস্কৰ দত্তক হৰুৱাই দিব? তাকো তোৰ এই পেন্দুকনা প্ৰেমিকটোৰে? ...এই ..এই কি নাম তোৰ? অনুৰাগ। হা হা হা। ইমান ৰাগ তোৰ মোৰ মানুহজনীৰ ওপৰত!!... নিজৰ অজস্ৰ সা সম্পত্তি, বিজিনেজৰ ওপৰত একেচাতেই বিৰাগ জন্মিল তোৰ!! সকলো এৰি ইয়াত হাবি বননিত ঘূৰি ফুৰিছহি। ঐ... এই বিশ্বাসঘাটকজন তহঁতৰ। এইজনী মোৰ।

অনুৰাগৰ মূৰত বন্দুক টোঁৱাই ধৰা উগ্ৰপন্থী সৈন্যক উদ্দেশ্যি সি কলে। উগ্ৰপন্থী সৈন্যজনে ওচৰতে ঠিয় হৈ থকা সতীৰ্থক দুচকুৰে কিবা ইংগিত দিলে। সিজনেও সন্মতিত মূৰ দুপিয়াই নিজৰ দুই আঙুলি মুখত ভৰাই বিশেষ ধৰণে সুহুৰি বজালে।

অনুৰাগে বুজি পায় এই বিশেষ সুহুৰিৰ ভাষা। কিছুপৰৰ পিছতেই উগ্ৰপন্থী সৈন্যই হয়তো ঘেৰি ধৰিব এই ঠাই।

ঃ প্লিজ, অনুৰাগক এৰি দিয়ক। তাৰ একো দোষ নাই। প্লিজ।

ঃ চুপ।

গৰজি উঠিল ভাস্কৰ। গোমোঠা তেজাল মুখখন জোনাকৰ পোহৰত অতিশয় ভয়ংকৰ দেখা গৈছে।

কঁপি কঁপি উচুপি উঠিছে তাই।

ঃ ইমান আৰামত ৰাখিছিলোঁ। কি দিয়া নাছিলোঁ তোক? এতিয়া কি কৰি ললি নিজৰ অৱস্থা?

খং আৰু ঘৃণাৰে এপলক চাই ৰৈছে ভাস্কৰে অমৃতাৰ মুখলৈ, অবিন্যস্ত চুলিকোচালৈ, কাপোৰলৈ..

হঠাৎ তাৰ দৃষ্টি সলনি হৈছে, ঘৃণাৰ সলনি সহজাত জান্তৱ প্ৰবৃত্তি এটা জাগি উঠিছে।

কিমান দিনৰ মূৰত যে অমৃতাক দেখিছে সি!!

জোপোহাৰ আঁৰত অমৃতাক বগৰাই পেলাই লৈছে সি। ভয়ত বিৱৰ্ণ, শেঁতা ওঁঠ, মুখেৰে কুচিমুচি কঁপি কঁপি চাই ৰৈছে তাই। মৃত্যু শীতল সেই স্পৰ্শত বৰফ হব ধৰিছে তাইৰ শৰীৰৰ অঙ্গ- প্ৰত্যঙ্গ। জপিয়াই পৰিছে সি তাইৰ ওপৰত পৈশাচিক ক্ষুধা পূৰণৰ বাবে। সৰীসৃপৰ দৰে মেৰিয়াই ধৰি ফালিব ধৰিছে তাইৰ শৰীৰৰ বস্ত্ৰ। ভোক, পিয়াহ, ভয়, বিষত বিধ্বস্ত শৰীৰটোৰে আপ্ৰাণ চেষ্টা চলালে নিজকে সেই সৰীসৃপৰ কবলৰ পৰা মুক্ত কৰিবলৈ।

আগ্নেয়গিৰী উদ্‌গীৰিত হৈছে অনুৰাগৰ মগজুত। ক্ষণিকৰ বাবে সি পাহৰি পেলাইছে ভৰিৰ তীব্ৰ বিষ, অসহায়তা। উন্মাদপ্ৰায় হৈ উঠিছে সি। দাঁত কৰছি ধৰিছে, চলচলীয়া চকুহাল খঙত উত্তপ্ত হৈ পৰিছে।

তাৰ দুচকুৰ আগত যদি অমৃতাৰ সন্মান নষ্ট হয়, তেন্তে এই জীৱনতকৈ মৃত্যুৱেই শ্ৰেয়।

একেথাপে বন্দুকৰ নলীত সজোৰে ধৰিছে সি। ঘটনাৰ আকস্মিকতাত উধাই মুধাই গুলি এৰিলে উগ্ৰপন্থী সেনাজনে। সেই গুলিয়ে বিদিৰ্ণ কৰি গল সন্মুখত থিয় হৈ থকা নিজৰে সতীৰ্থৰ বুকু, পেট। হতভম্ব হৈ পৰা সেনাজনৰ বুকুত এটা প্ৰচণ্ড ঘোচা পৰিল। কৰ্ফাল খাই পৰা সেনাজনৰ বুকুলৈ লক্ষ কৰি সি দুটা গুলি এৰিলে। নিমিষতে নিষ্প্ৰাণ হৈ ঢলি পৰিল শৰীৰটো।

ঃ প্লিজ, মোক এৰি দিয়ক। মই অনুৰাগক ভাল পাওঁ। মই তাৰ অবিহনে জীয়াই থাকিব নোৱাৰিম।

ঃ চুপ। চুপ থাক। তাৰ নাম নলবি। মই যে তোক ভাল পাওঁ!! মোৰ কি হ'ব? মোৰ কথা ভাবিছনে?

শিথিল হৈ আহিব ধৰা অমৃতাৰ লাহী শৰীৰটো ভাস্কৰৰ লৌহকঠিন আৱদ্ধত মৰমৰাই ভাঙি পৰাৰ উপক্ৰম হৈছে। হঠাৎ মূৰৰ পিছফালে এপাত শিকলিৰ প্ৰচণ্ড কোব পৰাত সাপৰ দৰে ধৰফৰাই উঠিল সি। কৰ্কশ আৰ্তনাদ এটা স্বতঃস্ফূৰ্ত নিৰ্গত হল তাৰ মুখেদি। কোনোমতে মূৰটো হেঁচি ধৰি নিজকে নিয়ন্ত্ৰণ কৰি থিয় হল সি। অন্ধকাৰ দেখিলে সি চৌদিশে। লাহে লাহে তাৰ দুচকুৰ আগত স্পষ্ট হৈ আহিল অনুৰাগৰ ওখ অবয়ব।

ঃ অনু ...

অমৃতাই দৌৰি গৈ অনুৰাগক সাৱটি ধৰিছেহি।

থৰ হৈ ৰল ভাস্কৰ ক্ষণিকৰ বাবে। অনুৰাগৰ উত্তপ্ত দৃষ্টিলৈ চাই ভয়ত কোঁচ খাই আহিল তাৰ অৰ্ধনগ্ন শৰীৰ। সহায়ৰ বাবে ইফালে সিফালে চাইও কাকো নেদেখিলে সি।

ঃ চা অনুৰাগ। অমৃতা ... তাই মোৰ পত্নী।

পৰিস্থিতি বিষম দেখি অনুৰাগক বুজাব চেষ্টা কৰিছে ভাস্কৰে। ভাস্কৰৰ কথাবোৰ অনুৰাগৰ কাণত সোমোৱা নাই। মাথো কঠোৰৰপৰা কঠোৰতৰ হৈ আহিছে অনুৰাগৰ মুখভংগী। স্থিৰ দৃষ্টিৰে টোঁৱাই ধৰিছে সি ৰিভলভাৰৰ নলী ভাস্কৰৰ দিশে।

ভাস্কৰৰ অৰ্ধনগ্ন শৰীৰটোৰ পৰা এটা গুলিত বিছিন্ন হৈ পৰিছে তাৰ পুৰুষাংগ। মুহূৰ্ততে ৰক্তাক্ত হৈ পৰিছে পেট, কলাফুল, দুভৰি। এটা ভীষণ দৈত্যকায় আৰ্তনাদ, গেঙনি বতাহত ভাঁহি পৰিছে। বাগৰি পৰিছে সি ঘাঁহনিত।

দুয়োখন কাণ ঢাকি ধৰি অনুৰাগৰ বুকুত মুখ গুজি কান্দি উঠিছে অমৃতাই। খালি হৈ পৰা ৰিভলভাৰটো অনুৰাগৰ হাতৰ পৰা সৰি পৰিছে। সাৱটি ধৰিছে সি তাইক ... আলফুলে উকা পিঠিত হাত বুলাই সি সান্তনা দিছে। অনুৰাগৰ দুচকুৰেও চকুলো বাগৰি আহিছে প্ৰথমবাৰৰ বাবে।

চৌপাশে জোতাৰ গধুৰ খোজৰ শব্দ শুনা গৈছে।

বাগৰি আহিছে কেওদিশৰ পৰা টৰ্চৰ তীব্ৰ পোহৰ।

অনুৰাগৰ আঁঠুৰ পৰা অবিৰাম তেজ বৈছে। মুখত যন্ত্ৰণা। অসহায় হৈ পৰিছে অমৃতা। বিভ্ৰান্ত হৈ ইফালে সিফালে

চাইছে দুয়ো। নাই। মুকলি গৰাটোত লুকাবলৈও ঠাই নাই। কিবা এটা ভাবিছে দুয়ো।

অশান্ত মন, অশান্ত দৃষ্টি শান্ত হৈছে।

গৰাটোৰ তলৰ পৰা শুনা গৈছে প্ৰৱাহিত নদীৰ অবিৰাম কুলু কুলু। মুগ্ধ দৃষ্টিৰে দুয়ো চাই ৰৈছে কোমল জোনাকে ধুৱাই নিয়া নদীখনৰ বুকুলৈ ...তাৰ অবিৰাম তৰংগলৈ। উদ্দাউল ভৰ যৌৱনা নদীখনেও যেন হাতবাউল দি মাতিছে দুয়োকে। দুয়োৰে দুচকুত জিলিকি উঠিছে একেই ভাষা, একেই সুৰ।

প্ৰেমৰ সুতীব্ৰ তৰংগ জীৱনৰ মোহতকৈও অধিক প্ৰবল হৈছে। দুয়োৰে মুখত উজ্জ্বলি উঠিছে অশ্ৰুসিক্ত মিচিকিয়া হাঁহি।

অনুৰাগ তাইৰ নিচেই কাষলৈ আহিছে। চাৰিচকুৰ মিলন হৈছে... ক্ষণিকৰ বাবে যন্ত্ৰণাবোৰ দূৰ হৈছে। কঁপা ওঁঠযোৰেৰে সি তাইৰ অধৰত উষ্ম চুম্বন যাচিছে।

নোৱাৰে। নোৱাৰে দুয়ো এই জীৱন কঢ়িয়াব ইটোৱে সিটোৰ অবিহনে। গছৰ শিপাই খামুচিবলৈ মাটি বিচাৰি ফুৰাৰ দৰেই জীয়াই থাকিবলৈ অমৃতাক অনুৰাগৰ প্ৰয়োজন, আৰু অনুৰাগক অমৃতাৰ।

ঃ ভয় কৰিছ নেকি?

ঃ ওহোঁ। তই থাকিলে মই একো ভয় নকৰোঁ।

ঃ জীৱনৰ সীমাবদ্ধতা বোৰ আমি পাৰ কৰি যাম।

সজোৰে মুঠি মাৰি ধৰিছে দুয়ো দুয়োৰে হাত।

চৌদিশৰ পৰা অহা টৰ্চৰ পোহৰেৰে আলোকময় হৈ উঠিছে ঠাইটুকুৰা। গৰজি উঠিছে কেইবাটাও বন্দুক। গুলিৰ স্পৰ্শই শৰীৰ বিদিৰ্ণ কৰাৰ আগতেই বতাহত ওপঙি উঠিছে দুটি শৰীৰ।

'জপং' কৈ এটি শব্দ হল মাথো।

চৌদিশে গধুৰ জোতাৰ দপদপনি।

তেতিয়ালৈ নৈৰ জলপ্ৰৱাহে আঁকোৱালি লৈছে দুই প্ৰেমিক শৰীৰক।

০০ ০০ ০০

নৈৰ পাৰত এপথাৰ মানুহৰ কোলাহল সমাগম। কান্দোনৰ ৰোল উঠিছে।

মুকলি ওখ গৰাত কাপোৰেৰে ঢাকি থোৱা কেইবাটাও ছিন্ন বিছিন্ন উগ্ৰপন্থীৰ মৃত শৰীৰ। চাৰিওফালে পুলিচে পিয়াপি দি ফুৰিছে। উপস্থিত কেইবাটাও আগশাৰীৰ নিউজ চেনেলৰ সাংবাদিক।

উদভ্ৰান্তৰ দৰে নৈৰ পাৰে পাৰে বহুদুৰলৈ আগুৱাই গৈছে শ্যামলী। অবিন্যস্ত মুখ, চুলি, কান্দোনত ৰঙা হৈ ফুলি উঠিছে চকুযুৰী। পিছে পিছে তাইক বুজাবলৈ চেষ্টা কৰি দৌৰি গৈছে তাইৰ দেউতাক আৰু মাক।

কান্দিছে সীমান্তও।

অদিতিৰ দুচকুৰেও ধাৰাসাৰ চকুলো বৈ গৈছে। বুজিব পৰা নাই ... মানুহে কিয় আনৰ ভাগ্য নিয়ন্তা হব খোজে!! কি পায় বিনিময়ত? এটা আচৰিত বেদনা সুখ মাথো!!

ওপৰ মহলৰ নিৰ্দেশত, মাজনিশাৰ পৰা পুৱতি নিশাৰ ভাগলৈ সশস্ত্ৰ ভাৰতীয় সৈনিকৰ দলে অকস্মাতে অতি গোপনীয়তাৰে অপাৰেচন চলাইছিল হাবিখনত। সেনা আৰু উগ্ৰপন্থীৰ মাজত তুমুল গুলিয়াগুলি চলিছিল শেষ নিশালৈ। নিহত হল কেইবাজনো উগ্ৰপন্থী সেনা। তেজেৰে লুতুৰী পুতুৰী সম্পূৰ্ণ অচেতন অৱস্থাত উদ্ধাৰ কৰা হল অংগচ্ছেদ হৈ যোৱা ভাস্কৰ দত্তক। ভাস্কৰ দত্তৰ অৱস্থা দেখিয়েই অদিতিয়ে অনুমান কৰিব পাৰিলে ঘটনাৰ বৃত্তান্ত।

সকলো ঠিকেই আছিল, কিন্তু অমৃতা আৰু অনুৰাগৰ সন্ধান নাপাইহে দুখত ম্ৰিয়মান হৈ পৰিছে সকলো। খঙ, দুখ হতাশাত শ্যামলীয়ে প্ৰশাসনক দোষী উচ্চস্বৰত গালি পাৰিছে। তাইক শান্ত কৰাবলৈ বৃথা চেষ্টা চলাইছে মাক-দেউতাকে, অদিতিয়ে।

গৰাৰ পাৰৰ পৰা উদ্ধাৰ হোৱা অনুৰাগৰ গাঢ় নীলা ৰঙৰ বেগটো আৰু অমৃতাৰ ফালি বিৱৰ্ণ হৈ পৰা শাৰীৰ টুকুৰা পুলিচে উদ্ধাৰ কৰিছিল।

পানীৰ কোবাল সোঁতত কোনোমতে মুখখন ওপৰ কৰি সাঁতুৰি গৈছে অমৃতাই। যিফালেই পানীৰ সোঁতে ঠেলি নিয়ে সেইফালেই গৈছে তাই, আৰু লগত মূৰ্ছাপ্ৰায় অনুৰাগ। ডুবিব ধৰা নিজৰ আৰু অনুৰাগৰ মুমূৰ্ষ শৰীৰটোক উপঙাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাইছে অমৃতাই। মৃত্যুৰ সৈতে আলিংগনাৱদ্ধ হবলৈ গৈও, মৃত্যুক ৰোধিবলৈ পুনৰ আপ্ৰাণ চেষ্টা চলাইছে তাই।

জীৱনৰ ৰঙীন মোহে হাতবাউল দি মাতিছে। ফলত প্ৰস্তুত হৈছে সংগ্ৰামমুখী শৰীৰ।

আচৰিত এই জীৱনৰ ৰঙীন মায়া..ইয়াৰ মোহ!!

জীৱন মৃত্যুৰ সন্ধিক্ষণটো দুচকুৰ আগত ভাঁহি আহিছে বনৰীয়া শৈশৱ।

নৈৰ পাৰে পাৰে দৌৰিছে এহাল নিষ্পাপ লৰা-ছোৱালী। আগে আগে ওখ লৰাজন, পিছে পিছে দুকুচা চুলি বন্ধা, চুটি ফ্ৰক পিন্ধা মাখনৰঙী ছোৱালীজনী। নদীত জাঁপ দিছে অনুৰাগে...চিধাকৈ, একাবেকাকৈ, ওলোটাকৈ সাঁতুৰিছে সি তাইক দেখুৱাই। উচ্চাহত তাইও জঁপিয়াই পৰিছে নদীৰ বুকুত, কিন্তু নদীৰ বুকুত ডুবিব ধৰিছে দেখোন তাই। হঠাৎ অনুৰাগ আহিছেহি। তাইক কঁকালত এহাতেৰে সাৱটি ধৰি সাঁতুৰী সাঁতুৰী উঠি আহিছে সি পাৰলৈ।

"ভয় খালি নেকি? মই থাকোতে তোক ডুবিব নিদিওঁ নহয়।"

আস্ অনুৰাগ।

"মই থাকোতে তোক ডুবিব নিদিওঁ অনুৰাগ। কেতিয়াও নিদিওঁ।"

প্ৰানেপণে সাঁতুৰিছে অমৃতাই।

বিৰবিৰাই উঠিছে শেঁতা ওঠযুৰী।

জীয়াই থাকিব লাগিব। মুম্বাইলৈ ঘূৰি যাব লাগিব। অনুৰাগ আৰু তাই আইনগত ভাৱে পতি পত্নী হব। দুয়ো সুখেৰে সংসাৰ কৰিব।

এক অদ্ভুত চালিকা শক্তি অনুভৱ কৰিছে তাই প্ৰেমৰ।

০০ ০০ ০০ তিনিবছৰৰ পিছত ০০ ০০ ০০

বগা ছেদানখন গাঁৱৰ মসৃণ সৰু পকী পথটো এৰি এখন প্ৰকাণ্ড গেটৰ সন্মুখত ৰলহি। গেটখন খোলাৰ লগে লগেই গাড়ীখন সেউজীয়া চৌহদটোত সোমাই বৈ গ'ল। পিছৰ ছিটৰ পৰা ওলাই আহিল অদিতি আৰু শ্যামলী।

ঃ ৱাওও।

দুচকুৰ কলা গ্লাছ আঁতৰাই শ্যামলীয়ে মুগ্ধ দৃষ্টিৰে চাই ৰল সেউজীয়া চৌহদটোলৈ। প্ৰকাণ্ড চৌহদটোত কোমল মসৃণ সেউজীয়া ঘাঁহনি, নানাৰঙৰ ফুল, আৰু সমান্তৰালকৈ কলম কাটি থোৱা শাৰী শাৰী পাতফুলৰ জোপোহা। চৌহদত হাঁহিছে শাৰী শাৰী কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, চম্পা, বকুলৰ সেউজীয়াৰাশি.....।

ৰূপত ৰং চৰাইছে চৌহদৰ সোঁমাজত আটোমটোকাৰীকৈ সজোৱা ধুনীয়া বগা ৰঙৰ "সপোন" নামৰ দুপ্লে' ঘৰটোৱে।

" মিষ্টাৰ অনুৰাগ বৰুৱা মিছেছ অমৃতা বৰুৱা"

কলা নেইমপ্লেটত জিলিকি আছে সোণালী আখৰবোৰ।

কলিং বেলটো টিপিলে অদিতিয়ে। কিছু সময়ৰ পিছত সীমান্তই দুৱাৰখন খুলি দিলে। দুৱাৰমুখত অদিতি আৰু শ্যামলীক দেখি তৎপৰ হৈ উঠিল সীমান্ত।

ঃ বাইদেউ আহক আহক।

সীমান্তৰ পিছে পিছে দুয়োজনী সোমাই আহিল আটোমটোকাৰীকৈ সজাই থোৱা আহল বহল চিটিং ৰুমটোলৈ।

ঃ তোমাৰ ভালনে সীমান্ত?

ঃ মোৰ ভাল শ্যামলী বাইদেউ। আপোনাৰ খবৰ কেনে?

ঃ মোৰো ভালেই বাৰু। আছেনে ঘৰত অনুৰাগদা আৰু অমৃতা বা?

ঃ আছে আছে। দুয়ো পূজা ঘৰত আছে। আপোনালোক আহিব বুলি নাজানে নিশ্চয়। মই মাতি দিওঁগৈ। আপোনালোক বহকচোন।

ঃ ৰ'বা ৰ'বা। তুমি কৈ নিদিবা আকৌ আমি আহিছোঁ বুলি ... নহ'লে চাৰপ্ৰাইজ নহ'বগৈ।

“হব হব বাইদেউ বুজি পাইছোঁ” বুলি কৈ সীমান্ত হাঁহি হাঁহি সোমাই গ’ল ভিতৰলৈ।

চোফাখনত বহি লৈ শ্যামলীয়ে সুসজ্জিত ৰূমটোৰ চাৰিওফালে চকু ফুৰাই চালে।

সোঁফালৰ ৱালত একেবাৰে সোঁমাজত থকা ৰঙীন কেনভাছখনত তাইৰ দৃষ্টি ৰৈ গ’ল। সম্মোহিতৰ দৰে কেনভাছখনৰ ওচৰলৈ গল তাই।

দৰাৰ সাজত অনুৰাগৰ মুখত আৰু দুচকুৰ গভীৰতাত এক অদ্ভুত প্ৰশান্তি, মুখত এটি সুখৰ হাঁহি। গৰ্বিত হাতখনে সমস্ত অধিকাৰেৰে আঁকোৱালি ধৰিছে অমৃতাক। অমৃতাৰ কপালেও তাৰ থুঁতৰি স্পৰ্শ কৰিছে। তাইৰ শিৰৰ সেউতাত আশীৰ্বাদ হৈ জিলিকি ৰৈছে এমুঠি ৰক্ত পলাশ। গুলপীয়া ওঁঠ যুৰীত, এসাগৰ নীলা চকুযুৰীত শ্যামলীয়ে আগতে কাহানিও নেদেখা এটি মধুৰ হাঁহি।

সম্মোহিতৰ দৰে লিহিৰি আঙুলিৰে তাই হাত বুলাই চালে জীৱন্ত যেন লগা কেনভাছখনত । কব নোৱাৰাকৈয়ে তাইৰ চকুৰ একোণত জিলিকি উঠিল দুটুপাল অশ্ৰুকণা।

ঃ বিয়াৰ।

অদিতিৰ মাতত শ্যামলীৰ তন্ময়তা ভাঙিল। চুলিখিনি ঠিক কৰাৰ দৰে কৰি ৰুমালখনেৰে সিক্ত চকুহাল মুচি ললে তাই।

অনুৰাগ আৰু অমৃতাৰ বিয়াত তাই নাহিল। অনুৰাগে খং কৰিছিল, অভিমান কৰিছিল ...অমৃতাও বাৰে বাৰে ফোন কৰিছিল, তথাপিও ভাৰতৰ বাহিৰত সাংঘাতিক আৰ্জেন্ট কাম থকাৰ অজুহাত দেখুৱাই তাই বিয়াত নাহিল। আচলতে বিয়াখন চাবলৈ তেতিয়া তাইৰ মনত যথেষ্ট  সাহস নাছিল। এতিয়াও নাই।

কিন্তু এইবাৰ অদিতিৰ মুখেৰে সুখবৰটো পোৱাৰ পিছত আহিবলৈ বাধ্য হ’ল। তাইৰ মনে, তাইৰ অন্তৰাত্মাই তাইক বাধ্য কৰালে।

এতিয়াও তাই অনুৰাগক ভাল পায়। অনুৰাগক পাহৰি যাবলৈ তাই নিজেও কেতিয়াও চেষ্টাও কৰা নাই। হৃদয়ৰ অভ্যন্তৰত আলফুলে সাঁচি ৰাখিছে নিজৰ প্ৰেমৰ অনুভূতি। আৰু সেই প্ৰেমৰ বাবেই ইচ্ছাকৃতভাৱে তাই নিজকে দূৰত ৰাখে অনুৰাগ আৰু অমৃতাৰ পৰা। নিজৰ প্ৰেমাস্পদৰ সুখতেই সুখ বুটলিবলৈ সক্ষম হৈছে তাই। সেয়েহে তাইৰ নাই অমৃতাৰ প্ৰতি কিঞ্চিতমানো হিংসা, নতুবা অৱজ্ঞা। বৰঞ্চ ভালপায় তাই অমৃতাক, অন্তৰৰ পৰা সন্মান কৰে তাইক।

অপ্ৰাপ্তিৰ মাজতো প্ৰাপ্তিৰ কিঞ্চিতমান অনুভূতিয়ে চুই যায় তাইক। বুজি উঠিছে... প্ৰেমত প্ৰাপ্তি বা অপ্ৰাপ্তি বুলি কোনো কথা নাই।

প্ৰেম স্বয়ংসম্পূৰ্ণ।

অদিতিয়ে শ্যামলীৰ কান্ধত হাতখন থৈছেহি নীৰৱে। অদিতিয়ে বুজে। শ্যামলীৰ বিয়াত আহিব নোৱাৰাৰ কাৰণটোও জানে তাই।

শ্যামলী।

সজল চকুৰে ঘূৰি চালে শ্যামলীয়ে। মুখত এটি মধুৰ হাঁহি।

ঃ এনেইহে  ...

ঃ একো নক’বা। সকলো বুজোঁ মই। তোমাক সন্মান কৰোঁ মই শ্যামলী। তোমাৰ চিন্তাধাৰাক বহুত সন্মান কৰোঁ।

ঃ হুম। আৰু নিজৰ বিষয়ে অদিতি বা?

ঃ মোৰ আৰু কি?

ঃ দুবছৰ হৈ গল ডিভোৰ্চ হোৱা আপোনাৰ। এনেকৈ অকলেই থাকিবনে আৰু?

ঃ অকলে থাকি দেখোন মোৰ বিৰাট ভাল লাগিছে শ্যামলী। আৰু মই অকলে ক’ত? এইখন গাঁৱত কোনেও মোক অকলে থকিবলৈকে নিদিয়ে।

খোজৰ শব্দ শুনি দুয়োজনী ৰৈ গল। দুৱাৰমুখত অবাক লাগি ৰৈ গৈছে অমৃতা, আৰু অনুৰাগ।

ঃ শ্যামলী।

অনুৰাগ আৰু অমৃতাই প্ৰায় সমস্বৰে চিঞৰি উঠিল।

মুহূৰ্ততে আনন্দৰ পৰিৱেশ এটা বিয়পি পৰিল গোটেই ঘৰখনত। শ্যামলী অহাৰ খবৰ পাই অনুৰাগৰ মাক, সীমান্ত আৰু হীৰাও ওলাই আহিল। উৎসাহিত হৈ উঠিল সকলো।

সকলোৰে বাধা দিয়া সত্বেও অনুৰাগ আৰু অমৃতা নিজেই ব্যস্ত হৈ পৰিল কিচ্ছেনত হীৰাৰ লগত। ঘৰৰ মানুহৰ দৰে হৈ পৰা অদিতিয়েও কিচ্ছেনত গৈ লাগি দিছেহি।

কামৰ মাজে মাজে অদিতিয়ে উৎসাহেৰে কৈ গৈছে তাইৰ নিজৰ কথাবোৰ। বিপ্লৱৰ পৰা আইনগতভাৱে বিবাহ বিচ্ছেদ পোৱাৰ পিছত অদিতিয়ে এতিয়া অনুৰাগ আৰু অমৃতাৰ ইচ্ছা আৰু অনুৰোধ ৰক্ষা কৰি গাঁৱলৈ আহি অনুৰাগে খোলা নতুন স্কুলখনৰ পৰিচালনাৰ দায়িত্ব লৈছে।

চহৰতে শৈশৱ ,কৈশোৰ কটোৱা অদিতিয়ে গাঁৱৰ সেউজীয়া, পথাৰৰ মাটিৰ গোন্ধ, বোৰঁতী নদীৰ মধুৰ কল্লোলিত সুৰৰ সৈতে নকৈ প্ৰেমত পৰিছে। স্কুলৰ কণ কণ লৰা ছোৱালীজাকৰ হাঁহি, স্ফূৰ্তিবোৰৰ মাজতেই সুখ বুটলিবলৈ শিকিছে তাই।

মনোযোগেৰে শুনিছে শ্যামলীয়ে। মুগ্ধ দৃষ্টিৰে চাই ৰৈছে তাই সকলোলৈ।

অমৃতাৰ স্পৰ্শত যেন ঘৰখনৰ প্ৰতিটো চুকে কোনে মাথো সুখ আৰু আনন্দ ভৰি পৰিছে । বিষাদৰ কোনো চিন চাবেই যেন নাই ঘৰখনত।

ৰঙীন ফুল বচা মুগাৰঙী মেখেলা চাদৰ আৰু ৰঙীন ব্লাউজ পিন্ধা অমৃতাৰ শিৰত আশীষ হৈ জিলিকি ৰোৱা পলাশৰ ৰংটোৰ ৰঙীন আভা বিয়পি পৰিছে সমগ্ৰ মুখমণ্ডলত। মুখখনি কোনো কিশোৰীৰ দৰেই সতেজ আৰু হাঁহিভৰা। চকুৰে মুখে সুখ জিলিকি উঠিছে।

সোঁ ভৰিত পোৱা আঘাতৰ ফলস্বৰূপে অনুৰাগ সামান্য বেকাকৈ খোজ কাঢ়িছে। তথাপিও সদা সুন্দৰ অনুৰাগৰ মুখমণ্ডলতো স্পষ্ট সুখ আৰু প্ৰশান্তিৰ ছায়া।

"লাহে লাহে সোণ। লাহে লাহে।"

উদ্বিগ্নতাৰে মাজে মাজে অমৃতাৰ হাতত ধৰি লয় অনুৰাগে। নিজৰ উফন্দি উঠা গৰ্ভত কোমলকৈ হাত দি মিচিকিয়া হাঁহি এটি মাৰি ৰৈ যায় অমৃতাও।

চকু টিপিয়াই হাঁহিছে অদিতিয়ে ।

আপোনপাহৰা হৈ চাই ৰৈছে শ্যামলীয়ে সকলোৰে উজ্জ্বল মুখবোৰলৈ। অনুৰাগ আৰু অমৃতাৰ প্ৰকৃত প্ৰেম আৰু তপস্যাৰ বাস্তৱ প্ৰতিফলন এয়া।

এয়াই হয়তো সুখৰ সংজ্ঞা ।।

অজানিতে এটি সুখৰ হাঁহি বিয়পি পৰিছে শ্যামলীৰ ওঁঠটো ।

সুখী নহবনো কিয় ?

মৃত্যুৰ সম্ভাৱনাৰ মাজতো যে জীৱন ৰৈ গৈছিল আশীৰ্বাদ হৈ। অনাকাংক্ষিতভাৱে জীৱনে পুৰস্কৃত কৰিছিল অনুৰাগ আৰু অমৃতাক।

অপ্ৰাপ্তিৰ অনুভূতিৰ মাজত অপ্ৰত্যাশিত প্ৰাপ্তিৰ সুখানুভূতি কেনেধৰণৰ হব পাৰে??

জীৱনত দুখৰ অনুভূতি নথকা হলে সুখৰ অনুভূতিৰ কিবা মূল্য থাকিলহেঁতেননে! আন্ধাৰ নোহোৱা হলে পোহৰৰ মূল্য ক'ত থাকিলেহেঁতেন?

অপ্ৰাপ্তিৰ অনুভূতিৰ পিছত প্ৰাপ্তিৰ সুখো তেনেদৰেই ..আন্ধাৰৰ ঘনঘোৰ কলাৰ পিছত দিনৰ এচমকা ৰশ্মিৰ দৰে, অমাৰশ্যাৰ পিছত জোনাকৰ দৰে ... এজাক বৰষুণে আকাশৰ কলীয়া মেঘ ধুই নিয়াৰ পিছত জিলমিলাই উঠা সুৰুযৰ দৰে।

প্ৰেমত প্ৰাপ্তি এটি চিৰন্তন হাবিয়াস।

আৰু সেই হাবিয়াস পূৰণ হৈছিল দুয়োৰে। জুয়ে পুৰা সোণৰ জিলিকনি যেনেকৈ বেছি, ঠিক তেনেকৈ দুখ, যন্ত্ৰণা, অগ্নিপৰীক্ষা অতিক্ৰমি প্ৰেম বেছিকৈহে জিলিকি উঠিছিল সগৌৰৱে। এবোজা দুখ ,যন্ত্ৰণাৰ পিছত দুগুণ সুখে আঁকোৱালি

লৈছিল সিহঁত হালক।

দুয়ো আজলি পাতি লৈছে জীৱনে দিয়া সুখৰ বৃষ্টিকণা। প্ৰেমৰ ওচৰত মৃত্যু আৰু সকলো অপশক্তিয়ে হাৰ মানিছিল। অংগচ্ছেদ হৈ পৰা ভাস্কৰক আইনে উপযুক্ত শাস্তি বিহিছিল। নিজ পত্নীৰ ওপৰত যৌন নিৰ্যাতন, ঘৰুৱা হিংসা, আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা, চৰকাৰী টকা আত্মসাৎ কৰা, উগ্ৰপন্থীৰে গোপনে মিলিত হৈ অনুৰাগ বৰুৰাৰ হত্যাৰ বাবে ষড়যন্ত্ৰ ৰচাৰ দৰে, নিকৃষ্ট গুৰুতৰ অভিযোগত অভিযুক্ত হৈছিল ভাস্কৰ দত্ত।

প্ৰকৃত প্ৰেমৰ আগত হিমালয় সম ওখ প্ৰাচীৰ গলি গলি নিঃশেষ হৈছিল। অনুৰাগ আৰু অমৃতা নিৰ্দোষী প্ৰমাণ হোৱাৰ পিছত দুয়ো আইনগতভাৱে পতি পত্নী হৈছে। বিয়াৰ পিছত দুয়ো মুম্বাই এৰি গাঁৱলৈ ঘূৰি আহিছে। গাঁৱতে নতুন ঘৰ সাজিছে, শিল ইটাৰ ঘৰখনত অমৃতাই প্ৰাণ ঢালিছে ।

তাইৰ অনুৰ্বৰ ভূমি অনুৰাগৰ স্পৰ্শত উৰ্বৰ হৈ উঠিছে। অনুৰাগৰ প্ৰেমে সেই উৰ্বৰ ভূমিত আলফুলে বীজ সিঁচিছে....প্ৰেমৰ সেই বীজ সপোন হৈ গজিছে, সেউজীয়া কঠিয়া হৈ লহপহকৈ বাঢ়িব ধৰিছে, উমলিছে।

সপোনটোৰ কি নাম থব, কি নথব তাকে লৈ দুয়োৰে মাজত এটা সৰু মৰম ভৰা খণ্ড যুদ্ধও হৈ গৈছে ইতিমধ্যে। সেই যুদ্ধৰ অন্ত পেলাইছে অনুৰাগৰ মাকজনীয়ে , সপোনটোৰ নাম থোৱাৰ অধিকাৰ হেনো মাথো আইতাকৰহে।

চৌহদৰ সেউজীয়াৰাশিৰ মাজত শ্যামলী আৰু অদিতিয়েও ইণ্টাৰনেটত খুঁচৰি খুঁচৰি নাম বিচাৰিছে। কোনো এটা সন্তোষজনক নামেই বিচাৰি পোৱা নাই দুয়ো।

"ইমান যুদ্ধৰ অন্তত সুখ হৈ অহা ফুলপাহৰ নাম এনেই যি তি থ'লে নহ'ব নহয়।"

নাম বিচাৰি পোৱা নাই বুলি অনুৰাগে মৰম ভৰা কটাক্ষ কৰাত দুয়োজনীয়ে একমুখে উত্তৰ দিছে।

ঘৰখনত হাঁহিৰ ৰোল উঠিছে।

এজাক বৰষুণে ধুৱাই নিছে শাওনৰ কলীয়া আকাশ। ফৰকাল আকাশত সাতোৰঙী ৰামধেনু ওলাইছে। চৌহদৰ সদ্যস্নাত সেউজীয়া পাত, ফুলৰ পাপৰিত পৰি থকা জলকণা কোমল ৰ'দালিত তিৰবিৰাই উঠিছে মুকুতামণিৰ দৰে।

অৰ্দ্ধ আকাশ নহয় পূৰ্ণ আকাশ মোৰ বাবে ই। এখন হেপাহ ৰ নীলা আকাশ যত উৰি ফুৰি আমি ভাগৰুৱা নহও ,এখনি সপোন ৰ আকাশ যাৰ পৰিধি বৰ বিশাল।

।।

—সংগীতা দেৱী—

# আৰ্লেং

## (এক)

### নিৰ্মালি সন্দিকৈ

বতৰে জাগল পাতিছিল। সাতোদিনে নেৰানেপেৰা বৰষুণৰ কোবত কোনো ক'লৈকো ওলাই যাব নোৱাৰা হৈছে। গাহৰি সোপাৰ মাজলৈ কচুপাতৰ বোজাটো দলিয়াই কাদম তিমুংপী পিৰালিত উঠিল। গাহৰি সোপাৰ নোকনোকনি তল পেলাই তাই ডাঙৰকৈ চিঞৰিলে,"কাৰে"।

কাৰে ক'ৰবাৰ পৰা দৌৰি আহি কাদমৰ গাতে গা লগাই বহিল। কাদমে বৰষুণৰ পানীত ভিজা পেককখন চেপি চেপি ক'লে,বুইছ! বেয়া দিন পৰিল। ক'তো একো পাবলৈ নাই। চাৰছ'হঁতৰ বুঢ়ীজনীয়ে পেলাই দিয়া কলবাকলি সোপাকে লৈ আহিলো। তাকে খাই পেটটো ভৰা। কাদমে কাৰেৰ মুখৰ আগতে মোনাৰ পৰা কল বাকলি এগাল উলিয়াই দিলে। তাই সেই গালকে পৰম তৃপ্তিৰে চোবাবলৈ ধৰিলে। কাদমে কাৰেৰ উফন্দি অহা পেটটো মোহাৰি মোহাৰি আকাশলৈ চাই থাকিল। একেই!! একেই! চাৰলংকি উপজা বছৰটোত এনেকৈয়ে বৰষুণ দিছিল। এনেকৈয়ে আন্ধাৰ হৈ পৰা পৃথিৱীৰ বুকুলৈ পোহৰৰ দিপ্তী অহা বন্ধ হৈ গৈছিল আৰু বৰষুণ নহা দিনবোৰত?? সেই দিনবোৰত গাঁৱে গাঁৱে জুই জলিছিল। মাজৰাতিৰ নিৰ্জন প্ৰহৰ ভেদি উফৰি আহিছিল কাৰোবাৰ মৰণকাতৰ আৰ্তনাদ।

দুপৰীয়ালৈ ৰ'দ এজাক ওলাল। কাদমে বোৱাৰীয়েকৰ লগত লাগি ভাগি ভিতৰতে ৰছীত মেলি থোৱা কাপোৰ সোপা জেউৰাই জপনাই মেলি দিলে। কাপোৰৰ বিৰক্তিকৰ গোন্ধটোৱে তাইৰ পেটটো পকাই আনিলে। কোনোমতে সেপ গিলি উভতিব লওঁতেই বোৱাৰীয়েকে আব্দাৰেৰে ক'লে,পাই (আই) লংকিৰ মাছ পুঠি কিবা খাবলৈ মন গৈছে হবপায়! বিললৈ যাবলৈ জেওৰ ধৰিছে। আপুনিয়ে লৈ যাওক নহ'লে। গাটোও ধুৱাই আনিব তাক।

ডেও দি যোৱা হৰিণাৰ খোজেৰে লুটি বাগৰ মাৰি লংকি আইতাকৰ আগে আগে বিল পালেগৈ। তেজীমলা গছবোৰৰ মাজেৰে বিললৈ নামি যোৱা বাটটোৰে সি নামি গ'ল। আইতাকৰ হকা বধা চিঞৰ বাখৰ তাৰ কাণত নোসোমাল। কাদমে শকত আৱত দেহাটোৰে পানীত নামেগৈ মানে লংকিয়ে শিল এছটাত বহি আইতাকলৈ পানী ছটিয়াবলৈ ধৰিলে। হাঁহোতে মুদ খাই যোৱা সৰু সৰু চকুহাল টিপিয়াই আইতাকক সি জোকালে "ঐ গামবুৰী, আমাৰ ফালে আহিবিনা! ভাল ভাল মাছ আনিছে।"

কাদমৰ খং উঠিলেও হাঁহি হে ওলাল। দেওবৰীয়া বজাৰত চালানী মাছৰ বেপাৰীবোৰে লংকিৰ দৰেই গ্ৰাহকক মাতি আকৰ্ষণ কৰিব খোজে। কাদমে আকৌ সেইবোৰ মাছৰ কাষেই নেচাপে। কাদমে নোৱাখালি মাছ বেপাৰীৰ ভাও ধৰা লংকিৰ কাষলৈ গৈ তাক ভাকুটকুটাই দিলে। "আমাৰ ফালে তো ইনেকা মাছ নেখাই হ' বেপাৰী। ইনেকা হে খায়" "এই বুলি কাদমে কেঁকোৰা এটা হাতেৰে ওপৰলৈ তুলি ধৰিলে। লংকি আৰু কাদমৰ খিলখিলনিত চক্ খাই বিলৰ পাৰত পৰ দি থকা বগলী এজাক দূৰলৈ উৰি গ'ল।

০০ ০০ ০০

ভাদমাহ সোমোৱাৰ দিন ধৰি বৰষুণৰ কোব কমি আহিল। দুদিনমান আগতে বনলতাই ঘৰৰ বন্ধা এটা পঠিয়াই কাদমক মাতি পঠিয়াইছে বোলে গুৰুজনাৰ তিথিতে ভাওনাখন পৰিছে, দুদিন আগতেই যেন ঘৰে ঘৰুৱাহে এটাইখন উঠি যায়। বন্ধাটোৰ কথা শুনি কাদমৰ খং উঠি গ'ল। গৰুৱে গাহৰিয়ে হাঁহে কুকুৰাই অতখন গৃহস্থী এৰি থৈ তাই এতিয়া ভাওনা চাবলৈ নগৈহে পাৰিছে! ইফালে কাৰেজনীও আজি জগোঁ, কালি জগোঁ অৱস্থা। কাদমে বকি বকি বন্ধাটোক নাৰিকল গছত তুলি পূৰঠ নাৰিকল বোৰ পাৰি পেলাবলৈ দিলে আৰু বাৰান্দাৰ খুঁটাটোত আঁউজি আকাশ পাতাল ভাবি থাকিল। বনলতাৰ লগত তাই অকল মনৰ মিল নহয় ,দুইজনীৰ বন্ধুত্ব যেনিবা লাওটোকোৰাত সোমাই থকা কোনোবা ৰজাৰ সাঁচতীয়া জীৱহে! ভিন্ন শৰীৰ,

অভিন্ন আত্মা।

শাহুৰেকে দৰক লাগি থকা দেখি হুনমিলিয়ে ক'লে, "আমৈদেউ কেনেকুৰা জানেই চোন পাই। আপুনি যাম বুলি কৈ পঠিয়াওক। মই ক্লাৰীকে মাতি ল'ম। ৰূকাচেনহঁতৰ ঘৰত আপুনি এবাৰ কৈ দিলে সিহঁতৰো কোনোবা নহয় কোনোবা আহি ওলাব।"

এৰা দে" কাদমৰ মুখেৰে হুমুনিয়াহ এটি সৰি পৰিল। উভতি যোৱা হুনমিলিৰ ভৰুণ শৰীৰটো দেখি তাই ধৰফৰাই উঠিল। লংকামৰ আধাপোৰা শৰীৰটো গাঁৱৰ ডেকাহঁতে আনি চোতালত থোৱাৰ দিনা তাই মাকৰ ঘৰৰ চ'মাংকান খাই উভতি আহিছিল। তাইৰ গৰ্ভত তেতিয়া তিনিমহীয়া ভ্ৰূণ। কাদমে চিঞৰি চিঞৰি গছৰ পাত সৰোৱাৰ সময়ত তাই নিশ্চুপ হৈ লংকামৰ মুখলৈ চাই আছিল। কিবা যেন অভিমানী অনুভৱে তাইক কান্দিবলৈ দিয়া নাছিল। লংকামে কৈছিল, মোৰ ল'ৰাৰ নামো লং হব লাগিব। হুনমিলিয়ে হাঁহিছিল, ছোৱালী হ'লে একা?

ঃ ডালচেনি! লংকামে হাঁহিত বাগৰি পৰিছিল। কাষৰীয়া ডিমাচা গাওঁখনত এদিন মানুহৰ ভৰপূৰ ভঁৰালবোৰ আৰু আটোমটোকাৰি ঘৰবোৰ দাউদাউকৈ জলি থকাৰ সময়তে হুনমিলিৰ কোলালৈ অকণমান মানুহৰ পোৱালিটো আহিছিল। লংকামে ভবা মতেই তাৰ ল'ৰাৰ নাম হৈছিল লং! চাৰলংকি।

কাদমে মৰাপাটৰ বস্তা এটাত এগালমান নাৰিকল ভৰাই দি বন্ধাটোক ক'লে, আয়েৰক ক'বিগৈ মই ভাওনাৰ দিনাহে যাম। দিবলৈ আৰু একো নাই। শুকান গাহৰি মঙহ অলপ আছে। সেইবোৰ তাই নেখায়। নিদিও। দুৱাৰচুকত লুকাই আলেখলেখ চাই থকা চাৰলংকিক তাই যেন মনেই কৰা নাই,তেনেভাৱত কাদমে উদাসীন হৈ ক'লে" আৰু ক'বি,মই অকলে নেযাওঁ। নাতিপোৱালিটোও লৈ যাম।"

বন্ধাটো গ'লগৈ। চাৰলংকি ওলাই আহি কাদমৰ বুকুত মূৰ গুঁজি দিলে। কাদমৰ চকু জলক তবক লাগিল । সৌ সিদিনাৰ নাঙঠ পোৱালিকণ! আজি তাইৰ বুকুৰ সমান ওখ হৈ গ'ল। সাধু ক আইতা! চাৰলংকিৰ আব্দাৰ শুনি কাদমৰ ভেকাহি মাৰিবলৈ মন গ'ল। কিন্তু নাতিয়েকৰ চকু দুটা দেখি দমি গৈ ক'লে গৰৈ মাছটো পুৰি ভাত কিটা খাই লও ব'ল, আবেলি মাৰৰ লগত বজাৰলৈ গৈ নতুন চোলা পেন এযোৰ কিনি আনিবি। নহ'লে ভাওনাৰ দিনা পিন্ধিবলৈ তোৰ কাপোৰ আছে জানো?

চাংখনৰ এমূৰে বহি লৈ ভৰি দুটা নচুৱাই সি কাদমৰ লগত যুঁজি থাকিল। ঐ গামবুৰী! ক'বিনে??

ঃ কাৰ্বি ৰজাৰ আছিল অদ্ভুত চখ। পোহ মনাবলৈ আনিছিল বনৰ বাঘপোৱালি । পালি পহৰীয়া পঠিয়াই বিচৰাই ফুৰিছিল কেঁচুৱা থকা মাক।

ঃ কিয়? কিয় লাগে কেঁচুৱাৰ মাক?

ঃ হেৰৌ, বাঘ পোৱালিক ৰজাই খুৱাইছিল মানুহৰ গাখীৰ। কোনোবা কেঁচুৱাৰ মুখৰ পৰা কাঢ়ি নিয়া গাখীৰেৰে পূৰ্ণ হৈছিল ৰজাৰ অদ্ভুত চখ।

ঃ এদিন ৰজাৰ টেকেলাই আহি ৰংফাৰপীৰ ঘৰ পালেহি। ৰজাৰ টেকেলাই চুব খুজিলে তাইৰ অমৃতময় বুকু। জীৱনৰ ঘানিত পিহ গৈ কাকো ভয় কৰিবলৈ নিশিকা ৰংফাৰপীয়ে কুঠাৰেৰে ফালি পেলালে সিহঁতৰ পৰাধীন শৰীৰ। ৰজাৰ বাঘপোৱালিৰ বাবে নহয়, মোৰ সন্তানৰ বাবেহে মোৰ বুকুৰ অমৃত। যা কৈ দে গৈ তঁহতৰ বলিয়া ৰজাক। যা যা যা"

ঃ তইও ৰংফাৰপী দেখোন আইতা। তোৰো যে ভয় নাই?

০০ ০০ ০০

টেম্পুৰ পৰা নামি চুচুক-চামাক কৈ বনলতা আইতাৰ পদূলিৰে ভিতৰলৈ সোমাই যাওঁতে ভৰ দুপৰীয়াই হৈ আছিল। আইতাৰ ঘৰত বহুত মানুহৰ মাজতে আছিল বাপু। তাৰ সমনীয়া বনলতা আইতাৰ নাতিটো। অলপ পৰ দুইটাই সেমেনা সেমেনি কৰি থকাৰ পাছত যেতিয়া আইতাই ক'লে, যা বাপু লংকিক পুখুৰী পাৰলৈ লৈ যা!

দুইটাই হাতত ধৰা ধৰিকৈ পাছ চোতাল পালেগৈ আৰু বাপুৱে বনকৰা মানুহ এটাক অৰ্দাৰ দিলে "ঐ ৰে দুৰাচাৰ! হামাক সত্বৰে পুখুৰীত নিয়া যাৰ।"

অকণমান অঁকৰা ধৰণৰ মানুহটোৱে দুইটাকে দুফালে পাচিত বহুৱাই গজং গজংকৈ খোজ দিলে।

চাৰলংকিয়ে বুজিলে ,বনলতা আইতাৰ ঘৰৰ আচল ৰজা আচলতে বাপু!!

ভাওনা চাই টোপনি খতি হোৱা মানুহবোৰ বিছনাৰ পৰা নুঠোতেই কাদমৰ উচপিচ লাগিল। নাতিটোৰ লালকাল মুখখন চাই তাক জগাই দিবলৈও মন নগ'ল। অথচ তাইৰ চেৰেং চেৰেঙকৈ ঘৰলৈ মনত পৰি থাকিল। হুনমিলিয়ে আটাইবোৰ জাঁজ মাৰিব পাৰিলেও অকলে অকলে ছাগলীকে চাবনে গাহৰিকে চাব। এসময়ত বিছনাত ছটফটাই থাকি আমনি লগাত তাই চোতালখনকে সাৰি থৈ আহিল। গাটোও ধুই ল'লে আৰু বাহিৰৰ জুহালত অনবৰতে অঙঠা থকা চৌকাটোত লাগনি খৰি কেইডাল ভৰাই দিলে ।বনলতা উঠি আহিল। দুইজনীয়ে চোতালত কিচিৰমিচিৰ কৰি থকা চৰাইকিজনীলৈ এনেয়ে চাই থাকিল। কাদমৰ আগত কথা উলিয়াবলৈ বনলতাৰ আজিকালি ভয় লাগে। পাঁচটা বছৰে কাদমে কেৱল বনলতাৰ আগতে কান্দিছে। বাকী মানুহৰ চকুত কাদম এজনী দুখে বলাব নোৱাৰা মানুহ। অকলে অকলেই সকলো চম্ভালিছে তাই।

ঃ গাহৰি সোপা নথকা হ'লে আজি থাকোঁৱেই বুইছ! এইজাক বেচিহে তত্ পাম। হুনমিলিও হাজিৰালৈ যায় নহয়!

কাদমৰ কথাত বনলতাই বুজিলে, কাদম আজি যাবগৈ। নাথাকে।

সঁচাকৈয়ে দুপৰীয়াৰ ভাতসাঁজ খায়েই তাই নৰ'ল। বনলতাই চাৰলংকিক কাষ চপাই লেফাফা এটা দিলে।

ঃ একো দিবলৈ নহ'ল পিতাই অ'! ইছকুলত নাম লগাই ল'বি। তেতিয়া কিবাকিবি কিনিবি। তই ডাঙৰ মানুহ হ'বি নহয়? হ'ব লাগিব।

কাদমে জানিলে, বনলতাই অলপ ভালকৈয়ে দুটকামান দিছে। সখীয়েকৰ হাতত দিলে নোলোৱাৰ ভয়ত নাতিয়েককে পালে। নাৰিকলৰ লাড়ু, শাক পাত আৰু জাহাজী কলৰ টোপোলা লৈ কাদমে পদূলিত নামিয়েই দেখিলে, কাৰেৰ বুকুতে উম লৈ আছে তিনিটা মৃগা ক'লা পোৱালি। তাইৰ কলিজাটো আকৌ এবাৰ ধৰফৰাই উঠিল।

নাই বুলিয়েই ল'ৰাটো নোহোৱা হ'ল। লংকামৰ আধাপোৰা মৃতদেহটোৰ কাষত বহি চকুপানী টুকিব নোৱাৰা হুনমিলিৰ আৰ্তনাদত সকলো উধাতু খাই আহিল। সকলোৱে বিচাৰ খোচাৰ চলালে। নাই! চাৰলংকি নাই। কাদমে পথাৰৰ পৰা আহি পাইছিল। মানুহৰ চেপা মাতবোৰে তাইৰ অণ্ঠ কণ্ঠ শুকুৱাই আনিলে। তাই দৰক লাগি হুণমিলিলৈ চাই থাকিল আৰু অপদেৰতাই লম্ভা মানুহৰ দৰে বাৰীৰ পাছফালে দৌৰিব ধৰিলে। পাছচোতালৰ গমাৰি জোপাৰ আঁৰেৰে তাই দেখিলে সেইটো লংকিয়েই হয় !চাৰলংকি! তাইৰ বুকুৰ মাণিক। তাই আগুৱাই গ'ল। সিও ঘৰমুৱা হৈ আহি আছিল। কাদমলৈ চাই সি হাঁহিলে। কাদমে তাক সাৱটি ধৰিলে।

ঃ মোৰ কিয় প' (দেউতা) নাই গামবুৰী? হেম্ফু আৰ্ণামক (ভগৱান) সুধি আছিলো ইয়াতে বহি বহি। ধ্ৰুৱৰ নিচিনাকৈ মোকো প'য়ে বেয়া পাই নেকি?

কাদমৰ গাটো তিৰতিৰকৈ কঁপি উঠিল। এই এটাই প্ৰশ্ন। যাৰ কোনো উত্তৰ নাই।

হোৱাটোত ভৰাই অনা বনৰীয়া কলদিল, ঢেঁকীয়া আৰু খেৰত গজা কাঠফুলাৰ বোজাটো পাকঘৰৰ মজিয়াত থৈ কাদমে ঘোঁটঘোটকৈ পানী এঘটি খাই ল'লে। হুনমিলিয়ে তিলেৰে সিজোৱা গাহৰিৰ মঙহেৰে চাৰলংকিক ভাত খুৱাইছিল। সি খাবলৈ মন কৰা নাই। কিমাননো জুহালৰ ধোঁৱা চাঙত সাঁচি থোৱা শুকান গাহৰিৰ মঙহ খাই পেট ভৰাব! উঠি অহা পোৱালিকণ দেহি !কিমান ওৱাদানিকৈ খাবলৈ পাব লাগিছিল। নাই যে নাই, গাখীৰ অকণো তাক খুৱাবলৈ সামৰ্থ নাই। কাদমৰ কলিজাটো মোচৰ খাই উঠিল । ইফালে চেৰ্লি, টক,বিপিহঁতে হাবিৰ ঢেঁকীয়া ডৰাটো ইউৰিয়া ছটিয়াই থৈ আহে। সাৰ পাই ঢেঁকীয়াবোৰ খৰকৈ বাঢ়ে। তাকে সিহঁতে নি চহৰৰ বজাৰত বাবু মানুহক সতেজ শাক বুলি বেছে। সেইবোৰ চিঙি আনিলে এবেলাতে শুকাই যায়। আজিকালি  সকলোতে ভেজাল হ'ল। আনকি মানুহৰ মনবোৰো। তাই এসাজৰ ঢেঁকীয়া বুটলিবলৈ  আজি বহুত সময় লাগিল। তাই আদৰেৰে নাতিয়েকৰ মূৰত হাত বুলাই দিলে। "দে কাংবুৰা দে! তোক মই আজি দুপৰীয়া ঢেঁকীয়াৰ জোল ৰান্ধি খুৱাম। তাতে ঔটেঙা দিম। সৰু মাছ দুজনীও দিম। আমি বিললৈ যাম। মই কাপোৰ ধুই ধুই তোক ধ্ৰুৱৰ কাহিনীটো ক'ম। এতিয়া ভাতকেইটা খা। তই ডাঙৰ হব লাগিব। ইছকুল যাব লাগিব।"

কাদমৰ কথা শেষ হয় মানে তাৰ ভাতো শেষ হ'ল। মাত্ৰ হুনমিলিয়ে কাঁহীৰ কাষৰ ভাতকেইটা চিকুটি চিকুটি উচপিচাই থাকিল। কাদমে তাইক সহজ কৰি দিলে। ক!

হুনমিলিয়ে কওঁ নকওঁকৈ মুখ মেলিলে "পাই মই ভাবিছিলো ময়ো বজাৰত বহিম। সদায় নহয় মাত্ৰ এদিন। বজাৰ বাৰৰ দিনা হে!"

কাদমে মনে মনে থকা দেখি তাই আকৌ ক'লে,পাই,মই ঘৰতে হৰলাং বনাই মানুহ এটাৰ হতুৱাই মনে মনে বজাৰত বেচাম আৰু নিজে এখন চানা মিক্সাৰৰ দোকান দিম। কাদমৰ তেজ উতলি আহিল। তাই মোনাৰ পৰা কটাৰিখন উলিয়াই তামোল এটা কাটিবলৈ আৰম্ভ কৰিছিল। খঙৰ ভমকত সেইখনকে তাই হুনমিলিৰ গা লৈ মাৰি পঠিয়ালে।

চাংকুৰ বজাৰত লাহে লাহে গ্ৰাহকৰ ভিৰ বাঢ়িছিল। ঔটেঙাৰ পৰা কাঠফুলালৈ, ৰঙালাওৰ পৰা বনৰীয়া কলদিললৈ, সৰু চেনিপুঠিৰ পৰা ডেকেৰুৱা হাঁহলৈ সকলো লোভনীয় বস্তুৰ সম্ভাৰ লৈ পাহাৰীয়া কষ্ট সহিষ্ণু মাইকী মানুহখিনিয়ে বাঁহ বেতৰ হোৰাটো কঢ়িয়াই বজাৰ মেলেহি । সেই সময়ত চহৰৰ প্ৰায় সকলো মানুহেই অফিচ,স্কুলৰ পৰা আহি বজাৰত এপাক হ'লেও সোমায়। উভতি যোৱাৰ বাটত মানুহবোৰ কোনেও খালি হাতে নেযায়। জালি কোমোৰাৰ পৰা মানধনিয়ালৈকে সকলো মনে বিচৰা শাক পাতেই মানুহে চাংকুৰত পায়। চাৰ্থেৰ বৌৱেকৰ লগত হুণমিলি প্ৰথম বাৰৰ বাবে বজাৰত বহিলগৈ। তাইৰ বেতৰ হোৰাটোত আছিল শুকান গাহৰিৰ মঙহ,বেতগাঁজ,খৰিছা,কাঠফুলা আৰু তৰা গজালি। অচিনাকি আচহুৱা পৰিৱেশটোত তাই ঘামি উঠিল। চাৰ্থেৰ বৌৱেকে তাইক নিজৰ কাষতে বহুৱাই ল'লে। এইখন বজাৰত সকলো বিক্ৰেতাই মহিলা। কোনেও গ্ৰাহকক লৈ টনা আঁজোৰা নকৰে। সেয়ে গ্ৰাহকেও ইয়াত আহি বজাৰ কৰিবলৈ ভাল পায়। বঙালী বেপাৰীৰ দৰে হৈ হাল্লা অথবা ভৰি দিব নোৱাৰা লেতেৰা পৰিৱেশ ইয়াত নাই । কাৰণ কোনো বিক্ৰেতাই ইয়াত পলিথিন ব্যৱহাৰ নকৰে। সঁজাত বন্দী ভীত চৰাই এজনীৰ দৰে হুণমিলিয়ে গ্ৰাহকলৈ বাট চাই ৰ'ল। তাই আহিবৰ পৰত পদূলিলৈকে আগবঢ়াই দিয়া শাহুৱেক কাদমৰ কৰুণ চকুহাল তাইৰ চেৰেং চেৰেঙকৈ মনত পৰি থাকিল। শাহুৱেকে তাইক বজাৰত বহাটো কেতিয়াও পছন্দ নকৰে। কিন্তু তাইৰ মনৰ ইচ্ছা পূৰণ হওক বুলিয়েই তেওঁ নিজেই বস্তুবোৰ বান্ধি কুন্ধি পঠিয়াই দিছে। মানুহবোৰে চাকিবোৰ জলাই লবৰ সময়তে হুনমিলি হঁত যাবলৈ ওলাল। চাৰ্থেৰ বৌৱেকৰ কুকুৰা কণী দুটামান ৰৈ গৈছিল। তাই ভালেই পাইছিল। ল'ৰা-ছোৱালীহঁতক তাই আজি কণী কেইটা খুৱাবগৈ পাৰিব। হুণমিলিৰ উপাৰ্জন ভাল। তাই নিয়া শুকান গাহৰি মঙহ আৰু বেতগাঁজখিনি বিক্ৰী হৈছিল। বাকী থকাখিনি হোৰাটোত ভৰাই তাই পিনিখনেৰে মুখ মোহাৰিলে আৰু চাৰ্থেৰ বৌৱেকক ক'লে,"নি, মোক তোমাৰ চিনাকি কিতাপৰ দোকানখনলৈ লৈ ব'লা। কাইলৈৰ পৰা আমাৰ চাৰলংকি স্কুললৈ যাব নহয়। এস্ তাৰ কাৰণে কুকুৰা মঙহ অকণো ল'বলৈ আছিল!!" তাইৰ অন্তৰৰ আকুলতাখিনি কথাষাৰত ফুটি উঠিল।

দুইজনীয়ে বাট বুলিলে। হাফপেন্ট পিন্ধি স্কুললৈ ওলোৱা চাৰলংকিৰ কাল্পনিক অৱয়ৱটোৱে হুণমিলিৰ খোজৰ গতি বঢ়াই দিলে। তাইৰ মনটো উদগ্ৰীৱ হৈ পৰিল। ল'ৰাটোৱে চাগৈ ঘনে ঘনে বাটলৈ চাইছে।

০০ ০০ ০০

এপযেক বৰষুণৰ পাছত সেইদিনা আছিল এটা ৰ'দঘাই দিন। লংকামে দোকমোকালিতে আৱা পাইছিলগৈ। বহুদিনৰ অযত্নত আৱা খেতি কৰা ঠাই ডোখৰ হাবি হৈ পৰিছিল। সি নগা দাখনেৰে বনৰীয়া গছ লতা বোৰ চিকুণাই যাব ধৰিলে। ফেঁহুজালি দিয়া আকাশখনত ফুলশয্যাৰ পাছদিনাৰ কইনা এজনীৰ কপালৰ ফোঁটটোৰ দৰে বেলিটো বিয়পি পৰিছিল। গোমধান খাবলৈ অহা ভাটৌ এজাক ডেউকা কোবাই উৰি গ'ল। লংকামৰ মনটো এনেই ভাল লাগিল। এইবাৰ খেতি ভাল হৈছে। খুলশালীটোৱে লগ লাগি সি এইবাৰ আদা, কচু, জলকীয়া, কোমোৰা, ৰঙালাও আৰু গোমধান লগাইছে। হেম্ফু আৰ্ণামে কৰিলে এইবাৰ খেতিৰ টকাৰে সি পুৰণি হ'লেও চাইকেল এখন ল'ব পাৰিব। সেইখন ল'লে যে কিমান সুবিধা হ'ব! আনকি কেতিয়াবা সি হুনমিলিক টাউনৰ হলত চিনেমাও দেখুৱাই আনিব পাৰিব। ৰিত্নংচিংদিত গোৱা গীত এটি ভুল ভুলকৈ গাই সি পকা জলকিয়াবোৰ চিঙি থাকিল।

ঃ হেৰৌ মানুহটো, ইমান আওকণীয়া নে?

হুণমিলি আহি কেতিয়া তাৰ পাছফালে থিয় দিছিল সি গমেই পোৱা নাছিল। সি উভতি চালে। পুৱাৰ কোমল ৰ'দজাকত সি তাৰ ধুনীয়া মানুহজনী আৰু ধুনীয়া দেখিছিল। ক'লা পিনিখনৰ আঁৰ ভেদি পূৰ্ঠ বাঁহ গাজৰ দৰে ওলাই থকা তাইৰ কলাফুল দুটাত বৰষুণত তিতি অহা বনপাত দুখিলামান লাগি আহিছিল। সি আলফুলে আঁতৰাই দিলে। তাইৰ লাজ লাগি গ'ল। কি কৰিছা? তাই ব্যতিব্যস্ত হৈ উঠিছিল। সি হাঁহি হাঁহি ক'লে, এই পাহাৰটো, এই আকাশখন আৰু এই চৰাইবোৰৰ বাদে এতিয়া আমাক কোনেও নেদেখে।

হালধি পাতেৰে নুৰিয়াই ধানখেৰত সেঁকা মাছৰ পিটিকা আৰু হাতী ভেঁকুৰিৰ খাৰেৰে লংকামে ভাত খাই থাকোঁতে

হুণমিলিয়ে কৈ থাকিল, তোমাক আজি পাইয়ে সোনকালে ঘৰলৈ মাতিছে। কিয় মই নেজানো। তুমি মোৰ লগতে যাব লাগিব। সি তাইলৈ প্ৰশ্নবোধক চাৱনিৰে চালে। তাই নিৰ্বিকাৰ হৈ বন উভালি থাকিল।

আৰাৰ পৰা উভতি অহাৰ বাটত সিহঁতে আনদিনাৰ দৰেই লাগবান্ধ নোহোৱা কথা পাতি আহিল। লংকামে এইবাৰ জাৰৰ দিন নাহোঁতেই লেপ এখন বনোৱাৰ কথা ভাবিছে । পাৰিলে পাইৰ কোঠাটোৰ টিন কেইখনো সলনি কৰিব লাগিব । তাৰ সপোন বহুত। তুমি আৰু কি কি সপোন দেখা লং? হুণমিলিয়ে তাৰ কাণে কাণে সুধিলে। "মই! মই!! মই মোৰ প'ৰ (দেউতা) দৰে নোহোৱাৰ সপোন দেখো হুণ" লংকামে ভাগৰুৱা মাতেৰে উত্তৰ দিলে। হুণমিলি মনে মনে থাকিল। দেউতাকৰ কথা ভুলতে ওলালেও সি বিব্ৰত হৈ পৰে। তাই আৰু একো নুসুধিলে। পাহাৰৰ নামনিত চেমনীয়া এজাক বৈ আছিল। সিহঁতৰ উচ্ছ্বসিত মাতবোৰত আনন্দ ফুটি উঠিছিল। অতদিনৰ গৃহবন্দিত্বৰ পাছত মুকলিলৈ ওলাই আহি সিহঁত উচ্ছাসত ফাটি পৰিছিল। সিহঁতজাকৰ ৰঙা গাল মুখবোৰৰ পৰা উৰি যোৱা ৰংবোৰে যেন বেলিটো আৰু ৰঙা কৰি তুলিছিল।

ইহঁতে ইমান ধুনীয়াকৈ হাঁহিব জানে!

ইহঁতে ইমান নিখুঁটকৈ সুখী হ'ব জানে!!

লংকামে মুখৰ ভিতৰতে বিৰবিৰালে। হুণমিলিৰ পেটৰ ভিতৰৰ কথাটোৱে উগুল থুগুল কৰি থাকিল । অৱশেষত ৰ'ব নোৱাৰি তাই কৈয়ে পেলালে।

ঃ আমাৰ ঘৰলৈ জানা আলহী আহিব।

ঃ হুঁ??

ঃ উম্, আৰু কি জানা? আলহীয়ে তোমাক হেনো প' বুলি মাতিব।

লংকামে ঘপ্ কৈ ৰৈ দিলে। হুণমিলিৰ হাজাৰ আপত্তি আওকাণ কৰি সি তাইক দাংকোলাকৈ তুলি ল'লৈ আৰু গজং গজঙকৈ ঘৰলৈ খোজ দিলে।

দোকানীজনে হুণমিলিলৈ আচৰিত হৈ চালে। "আপোনাক ক'ৰবাত দেখা যেন লাগিছে। "মাটি পেন্সিল আৰু চিলেটখন পলিথিনত ভৰাই দি দোকানী জনে ক'লে। হুণমিলিৰ অস্বস্তি লাগিছিল। তাই একো উত্তৰ নিদিলে। দোকানৰ পৰা উভতিব লওঁতেই তেওঁ আকৌ মাত লগালে, "অলপ ৰ'ব চোন নি! আপুনি বাৰু লংকামৰ মানুহ গৰাকী নেকি? মই আপোনাক বহুত বছৰৰ আগতে দেখা মনত পৰিছে। মই তাৰ বন্ধু। কি কি লাগে আহিব দেই নি!"

হুণমিলি কুবাকুবিকৈ দোকানৰ পৰা ওলাই আহিল। লংকামৰ ওপৰত তাইৰ তীব্ৰ অভিমান হ'ল। কেনেকৈ সকলো এৰি থৈ গুচি যাব পাৰে সি? সেইদিনা আৰাৰ পৰা ঘৰমুৱা হোৱাৰ বাটত দাংকোলাকৈ কঢ়িয়াই অনা হুণমিলিক সি কৈছিল, "মই কিমান ভাল প' হ'ম চাবিচোন! মই মোৰ প'ৰ দৰে বেয়া মানুহ নহওঁ। মই মোৰ পোৱালিক আকাশৰ সমান মৰম কৰিম।"

চাৰলংকিক আকাশৰ সমান মৰম দিবলৈ লংকাম নাথাকিল। দুদল হিংস্ৰ মানুহৰ যুঁজত বজাৰলৈ ওলাই যোৱা লংকাম এটা আধা পোৰা শৱ হৈ ঘৰলৈ উভতিছিল। গাঁৱৰ ডেকা বোৰে হুংকাৰ দিছিল, "সিহঁতেই মাৰিছে তাক! আমি সিহঁতক নেৰো সুদাই!

কথাবোৰ এনেকৈ বাঢ়িছিল যে আজি লংকামৰ চুবুৰীটো জলিছিল, কালি সিহঁতৰ ভঁৰাল জলিছিল। অথচ কাৰোবাৰ শহুৰেকৰ ঘৰ অথবা বিয়া দিয়া পেহীয়েকৰ ঘৰ আছিল সিখন গাঁৱত আৰু পাই বুলি মাতিব পৰা বন্ধুৰ মাকবোৰ আছিল এইখন গাঁৱত। কেৱল সন্দেহ আৰু জিঘাংসাই সাতামপুৰুষীয়া মৈত্ৰীৰ বান্ধোন খুলি পেলাইছিল। তেনেকুৱা জুয়ে পোৰা দিনবোৰৰ ভয়াৱহ স্মৃতি লৈয়ে হুণমিলি এদিন মাক হৈছিল।

মহৰ কামোৰ খাই খাই চাৰলংকিয়ে কাদমৰ কোলাত মূৰ থৈ পিৰালিতে শুই আছিল। নঙলা ডাল খুলিবলৈ লৈয়ে হুণমিলিয়ে চাকিৰ পোহৰত লৰচৰ কৰি থকা পুতেকৰ উদং গাটো দেখিলে। তাইৰ বুকুখন ধৰফৰাই উঠিল। মূৰত তুলি অনা হোৰাটো তাই খামুচি ধৰিলে।

জালুক আৰু খৰিছাৰে সিজোৱা কুকুৰাৰ মঙহ অকণ চাৰলংকিৰ পাতত দি হুণমিলিয়ে ক'লে, "আজি সোনকালে শুই থাকিবি দেই লং! কাইলৈ আমি স্কুল যাব লাগিব নহয়!! ৰাতিপুৱাই উঠিব লাগিব।"

চাৰলংকিয়ে মূৰ তুলি তাইলৈ চালে। নতুনকৈ কিবা এটা পোৱাৰ আনন্দ অথবা উত্তেজনা একোৱেই তাৰ চকুত

নাছিল। হুণমিলিৰ ভয় লাগি গ'ল। স্কুলৰ সময়কন সি বাৰু বন্দীত্ব বুলি ভাবি লৈছে নেকি?

বিছনাত পৰি তাই লঙৰ মূৰটো মোহাৰি মোহাৰি হিচাপ কৰিলে। আজি লঙৰ বয়স পাঁচ বছৰ দুমাহ,ছয়দিন হ'ল।

কুকুৰাৰ প্ৰথমটো ডাকতে তাইৰ টোপনি ভাঙি গ'ল। পোহৰ হ'বলৈ তেতিয়াও ভালেমান পৰ বাকী। যোৱা কেইদিনমানৰ পৰা পুহমহীয়া জাৰে মানুহবোৰক লেপৰ তলৰ পৰা ওলাই আহিবলৈকে নিদিয়া হৈছে। তাইৰ বুকুৰ মাজত কুচিমুচি সোমাই থকা এধানমান কেঁচুৱাটোৰ দৰে চাৰলংকিৰ নিস্পাপ মুখখন চাই তাইৰ দুচকুৰে চকুলো বাগৰি পৰিল। পৃথিৱীৰ সকলো সৰলতাৰে কোমল হৈ থকা তাৰ মৰমলগা মুখখন লেমৰ পোহৰত যেন করুণ ছবি এখন হৈ পৰিছিল। চাৰলংকিৰ মুখখনলৈ তাই এপলক নেত্ৰ চাই থাকিল। সৌ সিদিনাৰ হে কথা যেনিবা! কাদমে পুতেকৰ অকাল মৃত্যুত দুখ কৰিবলৈও সময় পোৱা নাছিল। গা ভাৰী বোৱাৰীয়েকৰ আদৰ যত্নৰ পৰা খেতি কৰা আধিয়াৰ বিচৰালৈকে ঘৰৰ প্ৰতিটো লেথা মাৰিও হাঁহ গাহৰি কুকুৰা ছাগলী কুকুৰ আৰু মেকুৰীৰে সৰু সুৰা চিৰিয়াখানা এখনেই চম্ভালি আছিল। তেনেকৈয়ে চাৰলংকি আহিল। সি অহাৰ পাছত যেনিবা হুণমিলিৰ ভায়েক ককায়েকহঁতে আহি ঘৰ দুৱাৰবোৰ থানথিত লগাই বাৰীখনো গত লগাই দিলে। কাদমে প্ৰায়েই আৰা নহ'লেবা অন্য কামত ওলাই যায়। ভাত পানী ৰান্ধি ঘৰ চোতালো সাৰি থৈ যায়। তাৰ পাছতো ঘৰখনত এশ এবুৰি কাম ওলায়। কেঁচুৱা শুৱাই হুণমিলিয়ে কোনোমতে ধোৱা পখলা কৰি ভাত পানী খায়। প্ৰায়েই বিললৈকো যায়। কেঁচুৱা বোকোচাত লৈ তাই কাপোৰ ধোৱে। কেতিয়াবা জাকৈ এচাব মাৰি মাছ পুঠি দুটামানো লৈ আহে। পানী কেঁচুৱাৰ পৰা গৈ গৈ এতিয়া ডাঙৰ হোৱাৰ পাছতো সেয়ে বিল বুলিলে পাগল। চাৰলংকিৰ সিটো পাৰে তাৰ মাহীয়েক লিলি শুইছে। দুইটাৰে গাত কাপোৰ খন ভালকৈ দি তাই লাহেকৈ নামি আহিল। সময়মতে স্কুল পোৱাকৈ যাবলৈ হ'লে তাই বহুত কাম বন কৰি থৈ যাব লাগিব। ভাগ্যে যেনিবা কাদমে গাহৰি সোপা গাঁৱৰে এঘৰত আধি পুহিবলৈ দি আঁতৰাই পঠিয়ালে। নহ'লে সেইমখাৰ আল মাৰি থকাও ধেমালি নহয়। আগফালৰ বাৰাণ্ডাৰ যোৱা দুৱাৰখন খোলাৰ শব্দ শুনি কাদমে আনটো কোঠাৰ পৰা মাত লগালে, "ইমান সোনকালে কিয় উঠিলি?"

কাদমে নিজেও জানে প্ৰশ্নটো অনৰ্থক। কাৰণ হুণমিলিৰ দৰেই তাইৰো কেতিয়াবাই টোপনি ভাঙিল । তাইৰ কাপোৰৰ জাপত সোমাই থকা নিমাখিত কাংবুৰাটো আজি যে স্কুললৈ যাব! ইয়াতকৈ ভাল লগা কথা যেন তাইৰ জীৱনত আৰু কেতিয়াও ঘটাই নাছিল!!

হুণমিলিয়ে গৰম পানীৰে গা ধুৱাই অনা পুতেকৰ চুলিত তেল ঘঁহি মূৰটো ফণিয়াই দি গাৰ কাষলৈ চপাই ল'লে। তাৰ কপালত চুমা এটা খাই তাই ক'লে, "আজিৰ পৰা তই ডাঙৰ মানুহ হ'বি। স্কুলত তোৰ সমনীয়া আৰু বহুত লগ পাবি। সিহঁতৰ লগত কাজিয়া নকৰিবি আৰু চাৰ বাইদেউৰ কথা শুনিবি দেই সোনটো।"

তাই আৰু কিবা ক'ব খুজিছিল। কিন্তু শেষৰ ফাললৈ তাইৰ মাতটো থোকাথুকি হৈ পৰিল। বহুপৰ তাই তাক সাৱটি থাকিল । লিলিয়ে তেনেতে চিঞৰিলে ,"ভাত বাঢ়িছো। সোনকালে খা হি। দেৰিয়েই হৈছে"

বাহিৰত তেতিয়াও ৰ'দ ওলোৱা নাছিল। চাৰকিৰিৰ ছোৱালীজনী আৰু তাইৰ লগৰ দুজনী মান আহি ওলালহি । হুণমিলিয়ে কাহানিবাই সিহঁতক মাতি থৈ আহিছে। তাই সিঁহতৰ লগতে চাৰলংকিক লৈ স্কুললৈ ওলাল। কাদমে গালে মুখে নাতিয়েকক হাত ফুৰাই দিলে। "দে কাংবুৰা দে! ভালকৈ পঢ়িবি। বহুত ভাল ভাল কথা শিকিবি। ঘৰলৈ আহি মোক চৰে অ চৰে আ শিকাই দিবিহি দেই!" নাৰিকল তেল ঘঁহি ফনিয়াই দিয়া চাৰলংকিৰ ৰঙচুৱা চুলি কোচাত তাই আদৰেৰে হাত বুলাই দিলে। মাক পুতেক হাল ওলাই যোৱাৰ পাছত কাদম বিছনাত পৰিলহি। তাইৰ গা টো ভাল লগা নাই। লিলিয়ে আহি জালুক দিয়া চাহ এবাটি দি গ'ল। কাদমে বিছনাত বহি আঁঠু দুটাত মূৰ গুঁজি দিলে। তাই কান্দিবলৈও যত্ন কৰিলে। পিছে নাই। চকুপানী নোলাল।

স্কুলৰ বাৰাণ্ডাত বহি চাৰ বাইদেউ সকলে ল'ৰা-ছোৱালীবোৰ আৰু মাক দেউতাকৰ লগত কথা পাতিছে। হুণমিলি আগুৱাই গ'ল। পকা থেকেৰাৰ দৰে তেজগোৰা মুখৰ প্ৰধান শিক্ষকজনে তাইলৈ চাই হাঁহিলে।

ঃ আহা। তুমি আমাৰ সেই লংছিঙৰ ছোৱালী নহয় নে? দেউতাৰাক মোৰ কথা ক'বা। আমি একেলগে পঢ়া।

ঃ কাৰ্দম চাৰ। ল'ৰাটো আনিছিলো!

ঃ কাৰ্দম কাৰ্দম। চাওঁ চাওঁ আহা চোন মোৰ ওচৰলৈ।

চাৰলংকি আগুৱাই গ'ল। তাৰ অকণমান ভয়ো লাগিল। কিন্তু চাৰে যেতিয়া মৰমেৰে তাৰ পিঠিত হাত বুলাই সুধিলে,

"তুমি পঢ়িবানে?"

তেতিয়া সি টপৰাই উত্তৰ দিলে, "পঢ়িম চাৰ।"

তাৰ অজলা চকুজোৰ আৰু কথাৰ দৃঢ়তাখিনি চাৰে বৰ ভাল পালে। ওখকৈ চচমা পিন্ধা ইংতি চাৰে তাক ফুলৰ নাম, পাচলিৰ নাম সুধিলে আৰু অলপ আঁতৰত খেলি থকা চাৰকিৰিৰ জীয়েক তৰাক দেখুৱাই সুধিলে, সৌজনী যে! বগী ছোৱালীজনী! তাই তোমাৰ কি লাগে?

চাৰলংকিয়ে সেইফালে চাই টপৰাই ক'লে,"ভাল লাগে"

ইংতি চাৰে খুব হাঁহিলে আৰু ক'লে, নহয় অ' ল'ৰা। তাই তোমাৰ বাইদেউ লাগে। আজিৰ পৰা তুমি ডাঙৰ ল'ৰা ছোৱালী বোৰক দাদা বা বুলি মাতিব লাগিব। সি মূৰ দুপিয়ালে।

চকীদাৰে তাক কিতাপ বহী আৰু ইউনিফৰ্ম এযোৰ উলিয়াই দি প্ৰথম শ্ৰেণীত বহুৱাই থৈ আহিলগৈ। টিৰ্পাল এখনত তাৰ সমনীয়া আৰু দহটামান ল'ৰা-ছোৱালী বহি আছিল। হুণমিলিয়ে আটাইবোৰক চিনি নেপালে। চাৰলংকিক তাতেই এৰি তাই বাহিৰলৈ ওলাই আহিল। স্কুলৰ গেইটৰ পৰা তাই এনেয়ে এবাৰ পাছলৈ উভতি চালে। স্কুলৰ বাৰান্দাৰ খুঁটা এটাত ধৰি চাৰলংকিয়ে তাইলৈকে চাই আছিল। তাইৰ দৌৰি গৈ তাক সাবটি ল'বলৈ মন গ'ল। কিন্তু তাই অলপ বৈ হাঁহি এটা মাৰি হাত খন ওপৰলৈ তুলি ধৰি তাক বিদায় জনালে। তাইৰ বুকুত কিহবাই সোপা মাৰি ধৰিছিল। তাই আকৌ এবাৰ অনুভৱ কৰিলে, অভিনয় কৰাও বৰ কষ্টকৰ। ডিঙিয়েদি তাইৰ যেন এটোপাল বিহ পাৰ হৈ গ'ল।

কাৰ্দম-নমস্কাৰ

ঃ নমস্কাৰ বাইদেউ!!

ল'ছালিহঁতে সমস্বৰে চিঞৰিলে।

ঃ নমস্কাৰ। গুদমৰ্ণিং। বহা বহা। মই মিৰদান দেই।

মিৰদানে হাঁহিলে। তাইৰ অসমান দাঁত কেইটাই তাইৰ হাঁহিটো আৰু বেছি ধুনীয়া কৰি তুলিলে।

চাৰলংকিয়ে বগী, লণী আৰু দেখিলেই মৰমিয়াল যেন লগা বাইদেউ জনীলৈ চাই থাকিল।

ঃ আজি আমি আটাইবোৰে চিনাকি হ'ম দেই!

ল'ৰা ছোৱালীবোৰে ভেবা লাগি তাইলৈ চালে। মিৰদানে বুজিলে, তাই এই জনজাতীয় এলেকাৰ স্কুলখনত কথিত অসমীয়াৰ সলনি হেনা হুচাকৈ সিহঁতে বুজি পোৱা ভাষাটোৰেহে কথা আৰম্ভ কৰিব লাগিব।

ঃ আমাৰ ফালে মিৰদান আছে। ইতিয়া তোমালোকে নিয়ৰ নিয়ৰ (নিজৰ নিজৰ) নাম কবি হাঁ!

ল'ৰা ছোৱালীবোৰে এতিয়াহে যেন সম্বিত ঘূৰাই পালে। প্ৰথম প্ৰথম লাজ লাজকৈ আৰু পাছত মুকলি মনেৰে সিহঁতে নামবোৰ ক'বলৈ ধৰিলে। বাছাপী, চেৰদিহুন, ৰুকাচেন, বিদ্যাসিং, লংবিৰাম, হেমাৰী আৰু আৰু ....মিৰদানে নামবোৰ আঁওৰাই গ'ল।

সকলোতকৈ শেষত মৰম লগা ল'ৰাটো আগবাঢ়ি আহিল। তাৰ চোলাৰ বুটাম দুটা খোল খাই আছিল। এইকেইদিন ভালকৈয়ে জাৰ পৰিছে। মিৰদানে চুৰেটাৰ পিন্ধিও জাৰ সহিব পৰা নাই। তেনেস্থলত পাতল চোলা একোটা নহ'লেবা পুৰণি ফটা চুৰেটাৰ একোটা পিন্ধি অহা ল'ৰা ছোৱালীবোৰৰ সন্মুখত তাইৰ নিজকে দোষী যেন লাগিল। ল'ৰাটোৰ চোলাৰ বুটাম দুটা তাই মাৰি দি সুধিলে, তোমাৰ নাম?

ল'ৰাটোৱে হাত যোৰ কৰি ক'লে,নমস্কাৰ বাইদেউ। মোৰ নাম চাৰলংকি ৰংপি।

মিৰদান অভিভূত হৈ গ'ল। ল'ৰাটোলৈ তাইৰ মৰম উপজিল।

মিৰদানে সেইদিনা সকলোৰে লগত গান গালে।

নীল নীল পাহাৰেৰে
সেউজীয়া সুযমাৰে
য'ত নাছে ৰামধেনুৰ সাতোৰং
সেয়া কাৰ্বি আংলং

মৰমী কাৰ্বি আংলং ।

ল'ৰা-ছোৱালীহঁত তাইৰ লগত সহজ হৈ পৰিল। সিহঁতে বাইদেউ জনীক খুব পছন্দ কৰিলে। সিহঁতৰ কোঠাটোৰ মজিয়াখন আছিল কেঁচা। তাতে জাৰত কঁপি থকা ল'ৰা-ছোৱালীবোৰৰ ভৰিত মোজাও নাছিল। মিৰদানে হেডছাৰক কৈ কোঠাটোৰ সোঁমাজত জুই একুৰা ধৰিলে আৰু আটাইবোৰে জুইৰ সেঁক লৈ কথা পাতিবলৈ ধৰিলে। তাই বিচাৰিছিল, সিঁহতবোৰ যাতে তাইৰ লগত সহজ আৰু নিসংকোচ হওক।

কথাই কথাই কোনে কোনে ডাঙৰ হ'লে কি কি হ'ব ক'লে । বিদ্যা সিঙে ক'লে, মই ডাঙৰ হ'লে বিয়া পাতিম। এক্টাহে পোৱালি থ'ম আৰু তাকে ইচকুল আইভ কাৰণে এক্টা চাইকেল ভি কিনি দিম। মিৰদানৰ লগতে আটায়ে হাঁহি দিলে। কিন্তু সি গহীন হৈয়েই ৰ'ল।

বাছাপীয়ে ডাঙৰ হৈ মা হ'ম বুলি ক'লে। শুনাত সাধাৰণ অথচ গভীৰ জীৱন বোধ থকা উত্তৰ বোৰে তাইক চমকৃত কৰিলে। তাই বুজিলে, এই ল'ৰা-ছোৱালীহঁতৰ পৰা তাইও বহুত শিকিব পাৰিব।

এসময়ত আটাইবোৰে শাৰী পাতি ৰান্ধনিঘৰলৈ গ'ল। চাৰলংকিৰ কাষতে সৰু সৰু চকুৰে জাপানী পুতলাৰ দৰে হেমাৰী বহিল। ষ্টিলৰ থালত গৰমে গৰমে বাঢ়ি দিয়া মূলা বন্ধাকবি আৰু আলুৰে ৰন্ধা খিছিৰীখিনিত এচেলেক মাৰিয়েই সি চাৰলংকিক ক'লে,"মই বাইদেউক বিয়া পাতিম।"

০০ ০০ ০০

সেইদিনা আছিল দেওবাৰ। এটা ধুনীয়া ৰ'দঘাই পুৱা। আৰাত পকা জলকীয়াবোৰ খাবলৈ এজাক ভাটৌ চৰাই চাৰলংকিৰ মূৰৰ ওপৰেদি উৰি গ'ল। মাকে তাক বন্ধাকবিৰ জোল আৰু পানীপিঠা খাবলৈ বাৰে বাৰে মাতি থকাৰ পাছতো সি চোতালতে ৰ লাগি উৰি যোৱা ভাটৌ জাকলৈ চাই ৰ'ল।

মাকে কেইবাবাৰো মাতিও তাৰ মাতবোল নুশুনি বাহিৰলৈ ওলাই আহিল আৰু তন্ময় হৈ থকা ল'ৰাটোৰ মূৰত হাত ফুৰাই ক'লে,"সোণ টো অ'! আজি মই সোনকালে বজাৰলৈ যাব লাগিব নহয়। এতিয়া আৰাৰ পৰা শাক পাছলিবোৰ আনিব পাৰিলেহে বজাৰলৈ সোনকালে যাব পাৰিম। ব'ল খাই বৈ আজৰি কৰি দে গৈ"

খাই থাকোতে চাৰলংকিয়ে ক'লে, পাই! আজি ময়ো তোৰ লগত আৰালৈ যাম। আমাৰ মিৰদান বাইদেৱে কৈছে নহয় ,আমি বোলে সৰু সৰু কামবোৰত ডাঙৰক সহায় কৰি দিব লাগে । হুণমিলিয়ে হাঁহি দিলে । আজিকালি ল'ৰাকণে শয়নে সপোনে কেৱল মিৰদান বাইদেউৰ কথাকেই কৈ থাকে । বাইদেউৰ কথা শুনি শুনি আজিকালি হুণমিলিৰ এনেকুৱা লগা হ'ল যেন মিৰদান নামৰ মৰমলগা গাভৰু এজনী তাইৰ ওচৰে পাজৰে ঘূৰি ফুৰিছে !!

আৰালৈ যাবৰ পৰত কাদমে নাতিয়েকক ক'লে,পিঠাগুড়ি দি কুকুৰা মঙহ সিজাইছো দেই কাংবুৰা! সোনকালে আহিবি। মাৰক আমনি নকৰিবি। চাৰলংকিয়ে একো নেমাতিলে। এই গামবুৰী জনীয়ে হয়তো গমেই পোৱা নাই যে আজিকালি সি আগতকৈও বেছি ভাল ল'ৰা হৈ গ'ল। মিৰদান বাইদেৱে সিহঁত চবকে বৰ ভাল ল'ৰা-ছোৱালী বুলি কৈছে আৰু সিহঁতেও আগতকৈ বেছি ভাল হ'বলৈ বাইদেউৰ সকলো কথা মানি চলিছে। দুপাত বেলেগ বেলেগ হাৰাই চেণ্ডেল পিন্ধি উঁৰলি যোৱা চুৰেটাৰটোৰে মাকৰ লগত ওলাই যোৱা পোৱালিটোলৈ চাই কাদমে হুমুনিয়াহ চাৰিলে।

আৰাত ঢেৰ জলকীয়া পকিছিল। হাত পুৰিব বুলি চাৰলংকিক মাকে সেইবোৰ চিঙিব নিদিলে। একো কৰিবলৈ নেপাই সি যেনি তেনি পৰি থকা খৰিবোৰকে গোটাই পেলালে। হুণমিলিয়ে মূলা শাক,কুমলীয়া ৰঙালাও,ধনিয়া আৰু পকা জলকীয়া বোৰ চিঙি হোৰাটোত ভৰাই ল'লে। চাৰলংকিয়ে গোটাই লোৱা খৰিৰ বোজাটো দেখি তাইৰ অবুজ শোকে বুকুখন খুন্দা মাৰি ধৰিলে। এইকণ ল'ৰাই দুদিন স্কুল গৈয়েই যেন বহুত ডাঙৰ বহুত বুজন হৈ পৰিছে। সি হাঁহি হাঁহি ক'লে,মোকো খৰি এবোজা বান্ধি দে পাই !তই অকলে ইমান খৰি নিব পাৰিবি জানো?"

মেটমৰা বোজাটো আৰু কাষতে চাৰলংকিক লৈ হুণমিলি ঘৰমুৱা হ'ল। অকণমান খৰিৰ বোজাটো লৈ তাইৰ কাষে কাষে খোজ দিয়া পুতেকটোৰে দেখিব বুলি তাই লৰালৰিকৈ চকুপানী খিনি মচি পেলালে। তাই মনে মনে অংক এটা কৰি পেলালে, জাৰৰ দিন নেযাওঁতেই মাকৰ ঘৰত আধি পুহিবলৈ দিয়া গাহৰিটো বেছি হ'লেও চাৰলংকিক এযোৰ জোতা মোজা আৰু এটা চুৰেটাৰ কিনি দিবই লাগিব।

দহবিঘা মাটিৰ আধি কৰি পোৱা ধান,নিজে আৰু আনক পুহিবলৈ দিয়া গাহৰি কুকুৰা আৰু হুণমিলিৰ বেপাৰেৰে কাদমৰ ঘৰলৈ নিমখ, তেল, কাচিৎ দাইল এপোৱা আৰু কেতিয়াবা দুই এটা বিলাসী বস্তুও আহে। বিলাস বুলিবলৈ হুণমিলিৰ কাৰণে পাউদাৰ এটেমা আৰু কাদমৰ বাবে গোন্ধ তেলৰ বটল এটা। চাৰলংকিক স্কুলত পঢ়ুৱাবলৈ সিহঁতৰ বৰ বেছি কষ্ট হোৱা নাই। কিন্তু দায়িত্ব বাঢ়িছে। সি পঢ়াত ভাল বুলি মিৰদানে এদিন বজাৰতে হুণমিলিক কৈছে। এনেকৈ গৈ থাকিলে সি ভাল হ'ব। পিছে তাক ভালকৈ এসাজ খুৱাবলৈকে চোন সময় নোলায়গৈ! হুণমিলিৰ মনটো বৰ বেজাৰমুৱা হৈ পৰে। মানুহটো থকা হ'লে আজি তাইৰ এনে দশা নহয়। কাদমে পানী উতলাই নাতিয়েকলৈ ৰৈ আছিল । নঙলা খুলি পিঠিত খৰিৰ বোজা কঢ়িয়াই সোমাই অহা পোৱালি কণ দেখি তাইৰ হাঁহি উঠিল। গৰম পানীৰে তাক গা পা ধুৱাই বুঢ়ীয়ে বৰ হেঁপাহেৰে তাৰ মুখলৈ চাই থাকিল। ল'ৰাকন যেন জাৰত অকণমান কঁপিছে। জুহালতে বহি থকাৰ পাছতো যেন তাৰ ওঁঠ দুটা ক'লা পৰি গৈছে। কোচমোচ খাই বহি থকা নাতিয়েকটোলৈ চাই তাই চিঞৰিলে, ঐ শুনিছ!আজি বজাৰলৈ আমিও যাম।

বজাৰলৈ আহি আহি প্ৰায়বোৰ দোকান পোহাৰ হুণমিলিয়ে চিনি পোৱা হৈছিল। কাদমক লংচিঙৰ ঘৈণীয়েকৰ কাষতে বহুৱাই থৈ তাই চাৰলংকিক লগত লৈ চুৱেটাৰ কিনিবলৈ ওলাল। কাদমে তাইক ৰখালে আৰু কান্ধৰ মোনাখনৰ পৰা টকা কেইটামান উলিয়াই ক'লে,হোঁ ল! তই নিজলৈও গৰম কাপোৰ এখন কিনি ল'বি। হুণমিলিয়ে হাত পাতি ল'লে। অনেক দৰদাম অনেক কেৰজেৰৰ পাছত ভূটিয়া বেপাৰীৰ দোকানৰ পৰা চাৰলংকিৰ গালৈ চুৱেটাৰ এটা আহিল। আন এখন দোকানত সি নিজেই পছন্দ কৰি জোতা মোজা এযোৰ কিনিলে। আনন্দত দেও দি দি সিহঁতে যেতিয়া কাদমৰ কাষ পালেগৈ ,তেতিয়াও তাহানিতে মুখৰ আগত লৈ বহি থকা কলদিলকেইটা আৰু কাঠআলু ডোখৰ একেদৰেই ৰৈ আছিল। চাৰলংকিয়ে বুজিলে, মাকে তাক আজি কিনি দিয়া চুৱেটাৰ আৰু জোতা মোজা আচলতে কেইবাদিনৰো পৰিশ্ৰমৰ ফল। মিৰদান বাইদেৱে যে কয়, আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন! এয়াই তেনে আইৰ মৰম! পুৰণি এড়ী চাদৰ এখনেৰে কোনোমতে জাৰ গুচাবলৈ চেষ্টা কৰা মাকজনীক চাৰলংকিয়ে কঁকালত সাৱটি ধৰিলে। আইতাকে দিয়া টকা খিনিৰেও আনকি তাৰ মাকে গৰম কাপোৰ নল'লে। বৰঞ্চ আইতাকলৈ এখন গৰম চাদৰ লৈ আহিছে। ইমান যে ভাল তাৰ মাকজনী! চাৰলংকিৰ চকুহাল সেমেকি উঠিল।

আন্ধাৰ হোৱাৰ আগতেই ঘৰ পাবগৈ লাগিব। হুণমিলিয়ে বজাৰ সামৰিলে। কাদমক ক'লে,যাওঁগৈ পাই! উঠকচোন আপুনি।

কাদম বহাৰ পৰা উঠিল। হুণমিলিয়ে মোনাৰ পৰা গৰম কাপোৰখন উলিয়াই কাদমৰ গাত মেৰিয়াই দিলে।

কাদমে বোৱাৰীয়েকলৈ চাই থাকিল। তাই চকুৰে জলক তবক দেখিলে। আজিকালি তাইৰ দৃষ্টি বৰ সহজতে ধূসৰ হৈ পৰে। তাই চকুহাল মোহাৰিলে। তাইৰ আঙুলিত দুটোপাল লুণীয়া লাগি আহিল।

০০ ০০ ০০

জপনাকাষৰ নাহৰজোপাৰ তলতে ৰৈ মানসিং টেৰণে ছাটিটো জপাই ল'লে। বাঁহৰ জেউৰাখনত নীলা অপৰাজিতা ফুলবোৰে হাঁহি হাঁহি অ'ত ত'ত বগাই ফুৰিছিল। অলপ পাছতেই ল'ৰা ছোৱালীহঁতৰ কোঢ়ালে এই মৌন সময় খিনি মুখৰিত কৰি তুলিব। আনদিনাৰ দৰেই তেওঁ আজিও সোনকালে স্কুললৈ আহিছে,সকলোতকৈ আগতে। চকীদাৰটোৱে দুৱাৰ খিৰিকীবোৰ খুলিবলৈ আৰম্ভ কৰিছিল। তেওঁ আগুৱাই গৈ তাক গছপুলি ৰুবলগীয়া ঠাইবোৰ দেখুৱাই দিলে। নিজৰ কোঠাটোৰ নিজৰ চকীখনত বহি তেওঁ দ্ৰয়াৰৰ চিঠি এখন উলিয়াই ল'লে। প্ৰখ্যাত অসমীয়া আলোচনী এখনৰ সম্পাদকে তেওঁলৈ লিখিছে, "প্ৰিয় মানসিং, তই স্কুল আৰু কাৰ্বি অসমীয়া অভিধানখনৰ কাম কৰি থকাৰ মাজে মাজে হ'লেও মোৰ বাবে মোৰ আলোচনী খনৰ বাবে এইবাৰ পূজা সংখ্যাত প্ৰকাশ কৰিব পৰাকৈ উপন্যাস এখন লিখিবি। ধৰি ল,মই তোক আদেশ দিছো। তই সোনকালে পঠিয়াবি বুলি মই ধৰি লৈছো।"

মানসিং টেৰণে চকীখনত মূৰটো থৈ খিৰিকীৰে বাহিৰলৈ চালে। তেওঁৰ ওঁঠেৰে হাঁহি এটি সৰকি পৰিল। বিশ্ববিদ্যালয় এৰাৰ আজি এটা যুগৰ সমান দিন ৰাতি পাৰ হৈ যোৱাৰ পাছতো তেওঁলোকৰ বন্ধুত্ব একেই, আগৰ দৰেই আছে। এজনে আনজনক মৰমৰ দাবী কৰিব পৰাকৈ নিৰ্মল। ডাৱৰে ওন্দোলাই অনা বতৰটোৰ বাবেই নে আজিৰ পৰা এমাহলৈ স্কুল বন্ধ হ'ব বাবেই নে কি তেওঁৰ মনটো ভাল নালাগিল। ল'ৰা ছোৱালীহঁতৰ অম্লান মুখবোৰৰ বাদে তেওঁৰ জীৱনত ৰং বুলিবলৈ আৰু

একোৱেই নাই। পত্নী আৰু একমাত্ৰ ল'ৰাটোৰ অবৰ্তমানত তেওঁ এতিয়া এজন তেনেই নিসংগ মানুহ।

ল'ৰা-ছোৱালীবোৰ এটা এটাকৈ আহি ওলালহি। সিহঁতে গছপুলি ৰুলে। দুটা পিৰিয়দৰ পাছত বকুলজোপাৰ কাষতে ঘূৰণীয়াকৈ থিয় হৈ গছে গছে পাতি দিলে গালে আৰু সিজোৰা কণীৰে খিছিৰী খাই ঘৰা ঘৰি গুচি গ'ল। মানসিং টেৰণে এজাক পখিলাৰ দৰে ঢপলিয়াই ঘৰমুৱা হোৱা ল'ৰা-ছোৱালীহঁতলৈ চাই থাকিল। তেওঁৰ দৃষ্টিত অকণমান ল'ৰা এটা ভাঁহি উঠিল। কঠিয়ানি এডৰাৰ মাজত নিজতকৈও এধানমান ভনীয়েকক গছৰ তলত উমলাই থকা ল'ৰাটোক তেওঁ যেন হাত মেলি চুই চাব! আদৰেৰে সুধিব তাক, "ভাত খাই আহিছনে মানসিং? স্কুললৈ নগ'লি কিয়?"

নাই তেওঁ সুধিব নোৱাৰিলে। ভোকাতুৰ মানসিং নামৰ অকণমান ল'ৰাটো তেওঁৰ দৃষ্টিৰ পৰা নোহোৱা হৈ পৰিল। চকীদাৰটোৱে,মাত লগালে, "ঘৰলৈ নেযায় নেকি চাৰ?"

০০ ০০ ০০

গৰমৰ বন্ধ আৰম্ভ হোৱাৰ লগে লগে চাৰলংকিৰ বেয়া লাগিবলৈ ধৰিলে। গাঁৱৰ সমনীয়াবোৰৰ লগত তাৰ কথাবোৰ নিমিলে, মনবোৰ নিমিলে। সিহঁতৰ লগতনো আৰু কিমান উমলিব! পিছে তাৰ বাদে বাকী আটাইবোৰে গৰমৰ বন্ধ পাই খুব স্ফুৰ্তি পাইছিল। সিহঁতে মাকহঁতৰ লগত হয় পথাৰলৈ গৈছিল নহয় মানুহৰ বাৰীয়ে বাৰীয়ে আম কঁঠাল লুৰুকি ফুৰিছিল। বন্ধৰ দহদিনমান যাওঁতেই এদিন সি কি কৰো কি নকৰোঁকৈ থাকি আইতাকৰ লগত পথাৰলৈ যোৱাটোৱেই ভাল হ'ব বুলি ভাবিলে। পথাৰৰ হাফলুত বহি বহি সি নেওতা পঢ়ি থাকিব নহ'লেবা মন গ'লে বোকাত নামিবও পাৰিব। আচলতে তাৰ মিৰদান বাইদেউলৈ বৰ মনত পৰিছিল। বাইদেউজনী নেদেখিলে ইমান বেয়া লাগিব বুলি সি কেতিয়াও ভবা নাছিল। বাইদেৱে যে কেতিয়াবা প্ৰথম শ্ৰেণীৰ আটাইবোৰ ল'ৰা ছোৱালীক বননিত বহুৱাই লৈ নেওতা পঢ়ুৱায়, সাধু কয় আৰু তাৰ মাজে মাজে কাৰোবাক কাৰোবাক মেছিন এটাৰে কিটিক্ কিটিক্ কৈ নখো কাটি দিয়ে। বাইদেউজনী কেনেকৈ ইমান ভাল, সেইটো সিহঁতে সকলোৱে আলোচনা কৰে। আইতাকৰ কথামতে পথাৰত চৰ্বত খাবলৈ সি মোনাত নেমুটেঙা কেইটামান আৰু কটাৰিখন ভৰাই লৈ বাহিৰলৈ ওলাই আহিল। আইতাকক আকৌ এবাৰ মাত লগাবলৈ লওঁতেই সি দেখিলে নঙলা খুলি তাৰ বান্ধৱী বাছাপী আৰু তাইৰ দেউতাক সোমাই আহিছে। বাছাপীয়ে প্ৰায় দৌৰি অহাৰ দৰে আহি চাৰলংকিৰ হাতত ধৰিলেহি। কাদমো বাহিৰলৈ ওলাই আহিছিল। বাছাপীৰ দেউতাক কিবা কামত লংনিটলৈ যায়। তেওঁ কাদমক ক'লে, "এই ঘৰতে থাকি বৰ আমনি পাইছে মাহী। চাৰলংকিৰ নাম লৈ আছিল, সেয়ে ইয়ালৈ লৈ আহিলো। মই উভতি আহি এইক লৈ যাম।"

বাছাপীয়ে তাৰ হাতখন তেতিয়াও এৰি দিয়া নাছিল। তাই তালৈ চাই হাঁহিলে, "আমি আজি দিনটো উমলি থাকিম ন?"

অৱশেষত সেইটোৱেই ঠিক হ'ল। হুণমিলিয়ে মৰম লগা ছোৱালীজনীক আদৰ কৰিলে। এপলকৰ বাবে তাইৰ এনেকুৱা লাগিল যেন, বাছাপীৰ দৰে ছোৱালী এজনীৰ মাক হোৱাৰ মন এটা তাইৰ বুকুৰ কোনোবা এঠাইত মনে মনে অতদিনে শুই আছে !পিছ মুহূৰ্ততে তাই চিন্তাটো জোকাৰি পেলালে। বাছাপীয়ে আচল কথাটো কোৱাই নাছিল। কিন্তু তাই যেতিয়া ফুচফুচাই তাৰ কাণে কাণে কথাটো ক'লে, তাৰ আনন্দতে জঁপিয়াবলৈ মন গ'ল। পিছে তাৰ মনটো সেমেকি গ'ল। "পাইয়ে জানো আমাক যাবলৈ দিব? মনে মন গ'লে পাইয়ে মনত বেজাৰ পাব আৰু পাইয়ে দুখ পোৱা কাম মই নকৰো।"

হুণমিলিয়ে বাছাপীৰ কথাটো শুনি অৱশ্যে ভালেই পালে। পিছে তাই মিৰদান বাইদেউক কি দিবলৈ আহিছে বুজি নেপাই সুধিলে, "মই মোনাতে মধুৰিআম ভৰাই দিছো আইজনী। বাইদেউক দিবাগৈ। কিন্তু তুমি কি দিমগৈ বুলি কৈছিলা?"

বাছাপীয়ে বেৰিয়া দাঁতৰ মৰম লগা হাঁহিটোৰে ক'লে, "চাৰপ্ৰাইজ!"

হুণমিলিয়ে এছোৱা বাট সিহঁতক আগবঢ়াই দি আৱালৈ বাট ল'লে। বাছাপীয়ে পিছে ভাবিলে, হয়তো আক' চাৰলংকিৰ দৰে তাইও বাইদেউলৈ কিবা এটা আনিব লাগিছিল! অকল চাৰপ্ৰাইজ দিবলৈ তাইৰ ভাল নেলাগিব দেখোন! বাটতে তাইৰ মনলৈ আহিল, মিৰদান বাইদেউক তাই এথোপা বনৰীয়া ফুলকে দিব। চাৰলংকিক তাই ক'লে,আঁহাচোন ইয়াতে বহোঁ। কথা এটা হ'ল নহয়!"

চুচুক চামাক্ কৈ বাছাপী আৰু চাৰলংকি জপনাৰ বাহিৰত ৰৈ থাকিল। সিহঁতৰ বুকু ঢপঢপাব ধৰিলে। আঁহো বুলিয়েই যে সিহঁতে গুচি আহিল , এতিয়া বাইদেৱে কি বুলি ভাবিব বাৰু! অতদূৰ বাট আহি ঘূৰি যাবওতো নোৱাৰি! আটোমটোকাৰি

ঘৰটোৰ ভিতৰৰ পৰা কিবা এটা গানৰ সুৰ ভাঁহি আহিছে । বাৰান্দাৰ টাবত সেউজীয়া হৈ থকা ফাৰ্ণ আৰু বনৰীয়া ফুলবোৰ চাই চাই সিহঁত দুইটা শিল এছটাতে বহি পৰিল । এনেতে খৰি এবোজা লৈ মানুহ এজন ওলাই আহি সিহঁতৰ ফালে প্ৰশ্নবোধক চাৱনিৰে চালে। কিন্তু সি কিবা এটা সুধিবলৈ নেপাওঁতেই বাছাপীয়ে সাহ কৰি ক'লে,"মিৰদান বাইদেউ আছে নেকি? আমি বাইদেউৰ ওচৰলৈ আহিছিলো। "মানুহটো এখন্তেক ৰ'ল। তাৰ পাছত খৰিৰ বোজাটো নমাই ইংগিতেৰে সিহঁতক মাতিলে আৰু বাইদেউ হঁতৰ বাৰান্দাত ওলমি থকা ঘন্টাটো বজাই হনহনাই ওলাই গ'ল । সিহঁতে ভয়ে ভয়ে ইটোৱে সিটোৰ মুখলৈ চাই থাকিল। অকণমান পাছতে দুৱাৰখন খোল খালে আৰু দুৱাৰৰ ফাঁকেৰে ভুমুকিয়াই চোৱা মিৰদানৰ মুখখন আনন্দত উজলি উঠিল, "আৰ্ ৰে! তোমালোক দেখোন! চাৰপ্ৰাইজ। আঁহা আঁহা বাছাপী। চাৰলংকি আঁহা। ভিতৰলৈ আঁহা। "সিহঁতৰ ভয় সংকোচ নিমিষতে উৰি গ'ল। বাইদেউহঁতৰ বহা কোঠাটোত বাঁহ বেতৰ আচবাব আৰু হাৰমণিয়াম এখন ধুনীয়াকৈ সজাই থোৱা আছিল। তাৰ মানে গান বাইদেৱেই গাই আছিল! বাইদেৱে দুয়োকে বহিবলৈ দিওঁতে সিহঁতে মজিয়াত পৰা শীতল পাটিখনতে বহিলে। বাছাপীয়ে বাইদেউক ফুলৰ থোপাটো আৰু চাৰলংকিয়ে মধুৰিৰ টোপোলাটো লাজ লাজকৈ আগবঢ়াই দিলে। বাইদেৱে আনন্দত চিঞৰি দিলে, ইমান ধুনীয়া ফুল! মই ইয়াতে সজাই থওঁ দেই!"

বাইদেৱে বাঁহৰ চুঙাৰ দৰে ফুলদানি এটাত ফুলখিনি সজাই থ'লে। চাৰলংকিৰ চুলিত হাত বুলাই বাইদেৱে ক'লে, "তোমালোকে যে মোক লগ পাবলৈ আহিছা, মোৰ ইমান ভাল লাগিছে জানানে? কিন্তু তোমালোকে বাৰু মোলৈ কিয় টোপোলা বান্ধি আনিছা? তোমালোক যে আহিছা, সেয়াই বহুত!"

তাৰ পাছত বাইদেৱে মাকক চিঞৰি মাতিলে। ক'লাকৈ শকত আৱত মানুহ এগৰাকী ওলাই আহিল। মানুহগৰাকীয়ে মৰমেৰে ক'লে, "তোমালোকে কিন্তু ভাত খাই যাব লাগিব দেই।"

চাৰলংকিয়ে লাজ লাজকৈ হাঁহিলে আৰু বাছাপীয়ে বাৰে বাৰে বাইদেউৰ মুখলৈ চাই থাকিল। মিৰদানৰ বগা, ধুনীয়া মুখখন আৰু মাকৰ অৱয়বটো তাইৰ কিবা সাঁথৰ যেন লাগিল।

বাইদেৱে সিহঁতৰ পঢ়া শুনাৰ কথা উলিওৱা দেখি বাছাপীৰ ভয়েই লাগিছিল। পিছে বাইদেৱে মাত্ৰ 'পঢ়িছানে' বুলি সুধিলে আৰু তেতিয়াই বাইদেউৰ মাকে আটাইকে ভিতৰলৈ মাতি নিলে। বাইদেউহঁতৰ ধুনীয়া কাঠৰ মেজখনৰ সোঁ মাজত পৰিষ্কাৰ বগা ফুল এথোপা আমোলমোলাই আছিল। বাইদেৱে দুয়োটাকে চকীত বহুৱাই দিলে। চীনামাটিৰ প্লেটত মাটি কঁঠাল, আম, জামুক, কঁঠাল আৰু চাৰলংকিয়ে অনা মধুৰি ধুনীয়াকৈ কাটি সজাই দিয়া হৈছিল। বাইদেউৰ মাকে তাতে নিমখ আৰু গুড়ি এবিধ ছটিয়াই দিয়াত ফলখিনি খাবলৈ বৰ সোৱাদ লগা হৈ পৰিল। বাইদেউৰ মাকে সিহঁতক খুব মৰম কৰিলে। কথাৰ মাজে মাজে তেওঁ সিহঁতে ভাত খালে নে নাই জানি ল'লে আৰু বাটাৰ সনা ৰুটি এখন এখন জোৰকৈ খুৱাই 'বাইদেউৰ কিতাপবোৰ চোৱাগৈ চোন বুলি পঠিয়াই দিলে।

বাইদেউৰ পঢ়া কোঠাটোৰ আলমিৰাত থাক থাক্ কৈ সজাই থোৱা কিতাপবোৰ দেখি চাৰলংকি আচৰিত হ'ল। বাইদেৱে ইমান কিতাপ পঢ়ে! সেইকাৰণেই বাইদেৱে ইমান কথা জানে। সিহঁতে ছবি থকা কিতাপবোৰ চাই থাকক বুলি ভাবি মিৰদানে এজাপ মান টিংকল আৰু চান্দমামা উলিয়াই দি ক'লে, এইবোৰ চাই থাকা দেই। মই মাক পাকঘৰত সহায় কৰি দিওঁগৈ।

চাৰলংকিয়ে খৰধৰকৈ কিতাপৰ পাতবোৰ লুটিয়াই যাব ধৰিলে আৰু বাছাপীয়ে কোলাত কিতাপ এখন লৈ অন্যমনস্ক হৈ বেৰত ওলোমাই থোৱা ছবি খন চাই থাকিল। কিয় জানো বাছাপীৰ এনে লাগিল, বোকোচাত উঠি থকা অকণমান কেঁচুৱাজনী যেন মিৰদান বাইদেউ!

মিৰদান বাইদেউৰ বহুত কিতাপৰ মাজৰে এখন কিতাপ চাৰলংকিয়ে লিৰিকি বিদাৰি চাই থকা দেখি বাছাপীয়ে ক'লে তুমি নামটো বানান কৰি পঢ়াচোন!

চাৰলংকিয়ে পঢ়িলে, "ৰংমিলিৰ হাঁহি" লেখক ৰংবং তেৰাং। নামটো যেন তেনেই চিনাকি, তেনেই আপোন। মিৰদান বাইদেউ সোমাই আহিল। সিহঁতে কি নো কৰিছে বুলি এবাৰ চাই যাবলৈ। চাৰলংকিৰ হাতত কিতাপখন দেখি বাইদেৱে ক'লে, তোমালোকে জানানে এই কিতাপখনৰ লেখক ৰংবং তেৰাং দেৱ আমাৰ কাৰ্বি আংলঙৰ গৌৰৱ । তেখেত এজন মহান অসমীয়া সাহিত্যিক। অসমীয়া ভাষাৰ এজন সাধক । বাইদেউৰ কথাবোৰ সিহঁতে বৰ ভালকৈ নুবুজিলেও এটা কথা কিন্তু

ঠিকেই বুজিলে যে তেৰাংদেৰ এজন ডাঙৰ মানুহ। "তোমালোকেও অসমীয়া ভাষাটো ভালকৈ শিকিব লাগিব দেই । কেংচাম কেংলাং, লুম্মেৰ দাই, য়েছে দৰ্জে ঠংচি, লংকাম টেৰণ আদি সাহিত্যিক সকলে নিজৰ মাতৃভাষা অসমীয়া নোহোৱা সত্বেও অসমীয়া ভাষাৰ ভঁৰাললৈ বৰঙনি আগবঢ়াইছে। অসমীয়া ভাষাৰ দৰে সুৱদি ভাষা বৰ কম। তোমালোকে ডাঙৰ হ'লে কথাবোৰ আৰু ভালকৈ বুজিব পাৰিবা। এতিয়া পিছে আমি ভাত খাবলৈ হ'ল। আমি খোৱা টেবুলত বহোঁগৈ আঁহা। বাইদেউৰ পিছে পিছে সিহঁতে পাকঘৰৰ সংলগ্ন কোঠাটোত বহিলগৈ। টেবুললৈ আহিল ধোঁৱাই থকা সুৱাগমণি চাউলৰ ভাত,খৰিছাৰে সিজোৱা কুকুৰাৰ মঙহ,বিলম্বি টেঙাৰ অম্বল, বনৰীয়া শাকৰ খাৰ আৰু খৰিকাত দিয়া একোজনী বুজন কাৰৈ মাছ। চাৰলংকি আৰু বাছাপীৰ গালে মুখে হাতফুৰাই মিৰদান বাইদেউৰ মাকে ক'লে,খোৱা দেই! মই ইয়াতে বহি আছো। কি লাগে ক'বা। লাজ নকৰিবা। মানুহগৰাকীৰ সাদৰী মুখখন চাই চাৰলংকিয়ে ভাবিলে, মিৰদান বাইদেউৰ মাক গৰাকী পৃথিৱীৰ সকলো ধুনীয়া মানুহ বোৰৰ মাজৰে এগৰাকী।

খাই উঠাৰ পাছত বাইদেৱে ক'লে,তোমালোকৰ মন গ'লেই মোৰ ওচৰলৈ গুচি আহিবা দেই। কিন্তু অকলে নাহিবা। ঘৰৰ কোনোবা ডাঙৰ মানুহ লৈ আহিবা। বাছাপীয়ে বহু দেৰিৰ পৰা ভাবি থকা কথা এটা কওঁ নকওঁকৈ বাইদেউক ক'লে, "আমি আপোনাৰ ওচৰত গান শিকিবলৈ আহিম দেই বাইদেউ"। বাইদেৱে হাঁহি দিলে।

সিহঁত যাবলৈ ওলাল। বাইদেৱে দুয়োটাকে পুৰণি মৌচাক, মুকুতা আৰু সঁফুৰা দুখনমান পঢ়িবলৈ দিলে। কাঁচৰ বটলত দুয়োটালৈ বুলি ভৰাই দিলে কঁঠালৰ আছাৰ। সিহঁতে সোমাই আহোঁতেই দেখা মানুহটোৱে দুয়োটাকে অলপ দূৰ আগবঢ়াই দিলে। বাছাপী মনে মনে আছিল। তাই কি ভাবিছিল চাৰলংকিয়ে নেজানিলে। কিন্তু সি ভাবিলে, সি ভালকৈ পঢ়িব আৰু এদিন তাৰ নামটোও ছপা আখৰত ওলাব। কিতাপৰ বেটুপাতত ডাঙৰ আখৰেৰে লিখা থাকিব 'চাৰলংকি ৰংহাং'।

কল্পনাটোৱে তাৰ শিশু মনটো যেন উৰুৱাই নিব খুজিলে। তাৰ খোজৰ গতি খৰ হ'ল। বাইদেউৰ পৰা অনা আলোচনী কেইখন সি বানান কৰি হ'লেও পঢ়িব। নোৱাৰিলে ছবিবোৰকে চাব। মাকজনী চাগৈ পিৰালিত বহি থাকিলেও চকুহাল পদূলিতে থৈ দিছে। বাছাপীক পিছ পেলাই সি দৌৰিবলৈ ধৰিলে। পাই, পাই! তোক ক'বলৈ যে মোৰ কিমান কথা আছে!

চাৰলংকিয়ে যিমানেই বেগাই যাব ধৰিলে, বাছাপীয়ে সিমানেই জোৰেৰে চিঞৰিব ধৰিলে। সহজে খং নুঠা চাৰলংকিৰো তাইৰ চিঞৰ শুনি খং উঠি গ'ল। বৰষুণ দিয়েহে লাগে। আকাশ ওন্দোলাই আহিছে। তাতে আকৌ তাৰ মাকজনীলৈ আজি যেন ঘনাই মনত পৰিব ধৰিছে । অগত্যা বাছাপীৰ লগত খোজ মিলাই যাওঁতে সি অকণমান লেহেমীয়া হ'ব লগা হ'ল। পথাৰৰ কাষৰ বাটটো এৰি সিহঁতে গাঁৱলৈ সোমাই যোৱা বাটটোত উঠিল। দূৰৰ পাহাৰৰ বুকুৰ পৰা নামি অহা জুৰি এটাই বাটৰ কাযেৰে ভৈয়ামলৈ বৈ গৈছে। জুৰিটোত নামি হেমাৰীৰ মাকে বজাৰত বিকিবলৈ নিব লগা পাচলিবোৰ ধুই আছিল। মানুহ জনীৰ জৰাজীৰ্ণ কাপোৰ সাজ আৰু বিমৰ্ষ মুখখনে যেন হেমাৰীয়ে স্কুলত কেনেকৈ সকলোতকৈ সৰহ খিছিৰী খাব পাৰে, তাৰ সাঁথৰটো ভাঙি দিছিল। চাৰলংকিয়ে মানুহজনীক মাত লগালে, "পেহীদেউ, আজি বজাৰলৈ যাব হ'বলা?"

'এৰা অ' বোপাই,যাবতো লাগিছিল। পিছে বতৰটোহে বাৰু নেদেখিছো"

মানুহজনীক পিছ পেলাই সিহঁত আগবাঢ়ি গৈ থাকিল।

বাটতে সিহঁতে হেমাৰীকো লগ পালে । সি বৰ আম জোপাৰ তলতে চাম কঁঠাল এটা বখলিয়াই খাই আছিল। চাৰলংকিয়ে বুজিলে হেমাৰীয়ে আজি ৰাতিপুৱাও ঘৰত একো খাবলৈ পোৱা নাই। সি পৈণত মানুহ এটাৰ দৰেই হেমাৰীৰ আত্মসন্মানত আঘাত নলগাকৈ ক'লে, "আমি মিৰদান বাইদেউৰ ঘৰলৈ গৈছিলো জান! তোক ঢেৰ কথা ক'বলৈ আছে। আমাৰ ঘৰলৈ যাওঁ ব'ল। পেহীক আমি বাটত পায়েই আহিছো। তই আমাৰ লগতে আছ বুলি জানিবই।"

হেমাৰীয়ে ভালেই পালে। তিনিও গৈ যেতিয়া চাৰলংকিৰ ঘৰ পালেগৈ, তেতিয়া হানমীৰ আইতাকক দুপৰীয়াৰ সাজ খুৱাই বুৱাই কাদমে কাষতে বহি তামোল কাটিছে। চাৰলংকিক দেখিয়েই হানমীৰ আইতাৰ চকুহাল তিৰবিৰাই উঠিল। আয়ৈ পোণাটো মোৰ, তেনেই ডেকা পোৱালি হ'লি বুলি হানমীৰ আইতাই তাক সাৱটি ধৰিলে। বাছাপী আৰু হেমাৰীৰ আগত তাৰ লাজ লাগি গ'ল।

এইজনী আইতা তাৰ ককাকৰ আপোন ভনীয়েক, তাৰ পেহী আইতাক। তেওঁ তাক নিজৰ আইতাকতকৈও বেছি মৰম কৰে। ঘৰলৈ আহিলেই সাধু কয়। সৰু মাছৰ টেঙা জোল ৰান্ধি খুৱায় আৰু বজাৰত পোৱা বিস্কুটৰ টোপোলা বান্ধি আনে।

আইতাকে তাক গালে মুখে চুমা খালে। যা যা বোপাই,মুখ হাত ধুই কিবা এটা খাই ল।

চাৰলংকিয়ে ভিতৰলৈ চাই মাকক চিঞৰিলে, পাই ভাত বাঢ়। হেমাৰীও আহিছে।

বাছাপীৰ চকু বহল হৈ গ'ল। বাইদেউৰ ঘৰত এপেট খাই অহাৰ কিমান সময়নো হৈছে! ই চাৰলংকি দেখোন মহা খকুৱা!!

তাই নেজানিলে যে, লঘোণীয়া পেটে থকা বন্ধুক লগ দিবলৈকে চাৰলংকিয়ে মাকক ভাত বাঢ়িবলৈ কৈছে।

হানমীৰ আইতাকে ভাত খাবলৈ বহা হেমাৰী আৰু চাৰলংকিক বাঁহৰ বিচনীখনেৰে বা দি ক'লে, পোণাহঁত ভালকৈ খা। তেহে পঢ়িবলৈ বল পাবি। নহ'লে আমাৰ নিচিনা অঁকৰা হৈ থাকিবি।

হানমীৰ আইতাৰ 'দুকজিৰ' অঁকা মুখখনলৈ বাছাপীয়ে অবাক হৈ চাই আছিল। আইতাৰ কপালৰ পৰা ডিঙিলৈকে দীঘলে দীঘলে অঁকা নীলা ক'লা বৰণীয়া ৰেখা ডাল কোনে আঁকি দিলে তাই তাকেই ভাবি আছিল। পকাতেল সনা শুকান মাছৰ চাটনি আৰু পোৰা আলুৰ পিতিকাৰে পৃথিৱীৰ সকলো ক্ষুধাৰে ভাত খাই থকা হেমাৰীৰো আচৰিত লাগিছিল। কিন্তু সেই সময়ত পেটৰ ভোকতকৈ তাৰ কাৰণে কৌতুহল নিবাৰণ ডাঙৰ কথা নাছিল। হানমীৰ আইতাই নিজেই কৈ গ'ল, "আমাৰ দিনত ছোৱালীয়ে পাট গাভৰুতে দুক্ লোৱাৰ নিয়ম। কাঁইটেৰে খুচি খুচি কপালৰ পৰা থুঁতৰিলৈকে ঘাঁ কৰি ছিবু পাতৰ ৰস সানি মুখখন চিৰদিনলৈ বিকৃত কৰি দিয়া হয়। দুক্ নথকা কাৰ্বি নাৰীৰ হাতেৰে খোৱাও মানা। দুক্ নথকা মাইকী মানুহ মৰিলে মৰিশালিত জুই দিবলৈও কোনো নগৈছিল। আজিকালিহে মানুহে এইবোৰ এৰি পেলাইছে বুইছ আইটি।"

বাছাপীৰ কথাবোৰ শুনি ভয় লাগিল। কিন্তু পিছ মুহূৰ্ততে তাইৰ ভালো লাগিল। অন্ততঃ তাই দুক্ লোৱাৰ যন্ত্ৰণা ভূগিব নালাগিব।

বাছাপীৰ দেউতাক গধূলিৰ আগে আগে আহি তাইক ঘৰলৈ লৈ গ'ল। হুণমিলিয়ে আবেলিতে বজাৰলৈ ওলাই গৈছিল। তাই হেমাৰীৰ মাকক বজাৰত লগ পাই 'ল'ৰাটো আমাৰ ঘৰতে আছে। চিন্তা নকৰিবি' বুলি নিশ্চিন্ত কৰি দিলে। ইফালে চোতালতে পাটি পাৰি কাদম আৰু হানমীৰে জুমুঠি এটা জলাই লৈছিল। সিহঁত দুইজনীয়েই সৰু কালৰ সখী আছিল, এতিয়া বৌ ননদ। কাদমে ক'ব লাগে বাবেই যেন ক'লে', "হুনমিলি আহি নোলালহি দেখোন। বেছেৰীৰ বৰ কষ্ট হৈছে। বহুত দিন হ'ল, তাইক নতুন কাপোৰ এসাজ দিবই পৰা নাই। ইফালে কাচ্ছেহঁতৰ আদম আছাৰ (বিয়া) পালেহিয়েই।"

হানমীৰে লা ৰে ক'লা কৰা দাঁত কেইটা উলিয়াই ক'লে,"এৰা, এসময়ত তাই কম কাজী শিপিনী আছিল নে? জানা বৌ, মোৰ এনে লাগিছিল, সৰগৰ তৰাফুল কাপোৰত বাছি কাৰ্বি সমাজত বয়ন শিল্পৰ প্ৰচলন কৰা চেৰদিহুনহে আছিল যেনিবা তাই!

চাৰলংকি আহি কাদমৰ কোলাতে মূৰ থৈ শুলেহি। তাই নাতিয়েকটোৰ চুলিত হাত বোলাই ক'লে,কাইলৈ হানমীৰ আইতাৰ আৰু মই কাচ্ছে পেহীয়েৰৰ ঘৰলৈ হৰলাং (লাওপানী) বনাবলৈ যাম। বিয়া পালেহিয়েই নহয়। তই হেমাৰীকে মাতি ল'বি নহ'লে। মাৰে পুৱাই আৱালৈ যাব।"

চাৰলংকিয়ে মূৰ লৰালে।

০০ ০০ ০০

নমতাকৈয়ে ৰাতিপুৱাই হেমাৰী আহি ওলাল। মোনা ভৰাই সি এগালমান কঁঠাল গুটি লৈ আহিছে। হুণমিলিয়ে পুতেকৰ সমনীয়া ল'ৰাটোৰ কৃতজ্ঞতা বোধত মৌন হৈ গ'ল। কালি আবেলিৰ ভাতসাজ খাই যোৱাৰ বাবদ যে সি কঁঠাল গুটিবোৰ আনিছে তাই বুজি পালে।

চাৰলংকিয়ে সাৰ পায়েই মুখ হাত ধুলে। পঢ়িবলৈ অলপো মন নকৰা হেমাৰীক কাষতে বহুৱাই নেওতা পঢ়ুৱালে। নিজেও পঢ়িলে আৰু মাকক সোনকালে আজৰি কৰি দিবলৈ বুলি খৰি খেৰবোৰ গোটাই দিলে। আইতাক দুজনী কাহিলিপুৱাতেই কাচ্ছে পেহীৰ ঘৰ পালেগৈ। সিহঁতক খুৱাই বুৱাই মাকেও ঝুমতলিলৈ যাব লাগে। সোনকালে খাই বৈ আজৰি নহ'লে মাকৰ বৰ আমনি হ'ব।

খাই থাকোঁতে হেমাৰীয়ে ক'লে, "মামীদেউ আজি গাঁৱত অ'ক কেপ্রু (মাছ ধৰা উৎসৱ) আছে। লংকিক মোৰ লগত লৈ যাম নে?"

হুণমিলিয়ে তৎক্ষণাৎ উত্তৰ দিব নোৱাৰিলে। কাৰণ, দিনটো লোকে মাছ মৰা চাই বিলৰ পাৰত বোন্দা পৰ দি থকাটো অন্ততঃ হেমাৰীৰ বাবে অসম্ভৱ। সি পানীত নামিবই। তাৰ লগতে যদি চাৰলংকিয়েও দ পানীলৈ নামি যায়! আৰু যদি মাছ ধৰাৰ উল্লাসত মগ্ন মানুহবোৰে ককবকাই থকা চাৰলংকিক নেদেখে! তেতিয়া? তথাপিও এখন্তেক ৰৈ তাই ক'লে, "যাবি বাৰু, কিন্তু পানীত নানামিবি। সাপ, জোক থাকিব। অসুখ বিসুখ হ'ব। মিছাতে স্কুল যাব নোৱাৰিবি। মিৰদান বাইদেৱে বেয়া পাব।" হেমাৰীয়ে পানীত নামিমেই বুলি ভাবি আছিল যদিও মিৰদান বাইদেৱে বেয়া পোৱা কাম সি কৰিব নোৱাৰে। কাৰণ ডাঙৰ হ'লেই সি বাইদেউক বিয়া পতাৰ কথা ।

অৱশেষত আগবেলা মাছলৈ গৈ দুপৰীয়াৰ সাজ কাচ্ছে পেহীৰ ঘৰত খাই আইতাকহঁতৰ লগত আবেলি ঘৰলৈ উভতি অহাৰ চুক্তি কৰি দুয়োটা জঁপিয়াই জঁপিয়াই ওলাই গ'ল ।

বিলৰ পাৰত বহুত মানুহ গোট খাইছিল। হাতে হাতে জাকৈ-খালৈ, জাল, প'ল' আৰু পঁচা লৈ ডেকা বুঢ়া, মতা মাইকী, আনকি ৰং চাবলৈ অহা পেন্দুকণাও বাদ পৰা নাছিল। গাঁৱৰ মুখিয়াল ডেকা সকলে পাহাৰৰ হীৰু বীজ সংগ্ৰহ কৰি ঘৰত গুৰি কৰি আনি বিলৰ পানীত ইতিমধ্যে মিলাই দিছিল। এনে কৰিলে মাছবোৰ নিচাযুক্ত হৈ পানীত উপঙি উঠিব আৰু তেতিয়াই ৰাইজে পানীত নামি মাছ ধৰিব। বিলখন এনেও ভোগালী। তাতে বাৰিষাৰ বাবে মাছৰ উজান উঠিল। মানুহবোৰে মাছ ধৰাৰ নামত আনন্দত মতলীয়া হৈ পৰিল। আনকি চাৰলংকিহঁতৰ সমনীয়াবোৰেও পানী যুঁৰলিত নামি জঁপিয়াব ধৰিলে। ডেকা সকলৰ বনৰীয়া উকিত বিলৰ পাৰটো যেন উৎসৱৰ থলিত পৰিণত হ'ল। বাঁহৰ পাছিবোৰ মাছেৰে উপচি পৰিল। বেছি পৰ ৰ'দত থাকিলে সেইবোৰ গেলি যোৱাৰ ভয়ত দুজনে আহি ডাঙৰ পাত্ৰ এটাত মাছবোৰ ৰাকি দিলেহি। সেই মাছবোৰ গাঁৱৰ মানুহক ঘৰেপতি বিলাই দিয়া হ'ব। তাৰ পাছতো যদি মাছ ৰৈ যায়,তেতিয়া গামবুৰা ককাৰ ঘৰত ৰাতি সমূহীয়া ভোজ হ'ব। থং খুৰাই হেমাৰী আৰু চাৰলংকিক মাছ একোটা দি ক'লে,"তঁহত যা গৈ বোপাইহঁত,ৰাতি ভোজলৈ আহিবি দেই।"

হেমাৰীৰ লৰচৰ কৰিবলৈ মুঠেই মন নাছিল। তথাপিও চাৰলংকিৰ মাকে কোৱা কথাবোৰ মনত পেলাই সি বহি থকা গছৰ মূঢ়াটোৰ পৰা থিয় হ'ল। আকাশখনো যেন ক'লা হৈ আহিছে। বৰষুণৰ আগতেই কাচ্ছে পেহীৰ ঘৰ পাবগৈ লাগিব।

ল'ৰা দুটাৰ লগত ধেমালি কৰো বুলিয়েই যেন চিপচিপ্ কৈ বৰষুণ পৰিবলৈ ধৰিলে। ইপিনে কাচ্ছে পেহীৰ ঘৰ পাবলৈ ভালেমান দূৰ বাকী। জানটোৰ কাষ পাওঁতেই হেমাৰীয়ে ক'লে,"মই এতিয়া ইয়াতে বহিম। বৰষুণত তিতিম।"

কৈয়ে সি নৰ'ল। জানৰ ওপৰত ফলা তামোল গছ পাৰি সজা সাঁকো ডালত বহি সি চিঞৰি চিঞৰি গাবলৈ ধৰিলে

"পিৰবি আংবং

মনিত আকাংহন

আৰ্ণাম কপুচন

থাংথা পিৰবি পিনি নেফান..

চাৰলংকিৰ হেমাৰীলৈ মৰম লাগি গ'ল। ইমান সুখী হ'ব জানে সি! চাৰলংকিয়ে মন্ত্ৰমুগ্ধৰ দৰে হেমাৰীৰ কাষত বহি দিলেগৈ।

০০ ০০ ০০

মানুহবোৰে গুণগুণাই কথা পাতিছে,এই গোটেই ভূখণ্ডতে ইমান ধুনীয়া মানুহ নাই!কোনোবা এগৰাকীয়ে অসহিষ্ণু মাতেৰে কৈ পেলাইছে,'নহ'বনো কিয়? তাই আৰ্লেং (মানুহ, স্বজাতি, আত্মীয়) নহয় যে? থং টেৰণৰ তাই তোলনীয়া জী হে তেও!হুণমিলিৰ অসহ্য লাগিল। ডাঙৰ মাতেৰে তাই কৈ পেলালে,"এৰা তহঁতে ঠিকেই কৈছ,তাই আৰ্লেং নহয়। তাই দেৱী ৰাছিঞ্জা (আদিশক্তি দেৱী)। আৰ্লেং নহয় কাৰণেই তাই আজি তোৰ মোৰ দৰে পৰচৰ্চাৰ মেলত বহি থকাহি নাই। আমাৰ পোৱালিহঁতে যে তোৰ মোৰ কথাতকৈ তাইৰ কথা শুনিবলৈ লৈছে কিয় জাননে? তহঁতৰ এই বন্ধ পুখুৰীৰ দৰে মগজবোৰৰ কাৰণে। ৰাংচিনা চাৰপ'ৰ পৰা ৰজা ৰেংবংহমৰ আখ্যানলৈকে আমাৰ কাৰ্বি জাতিৰ সকলো কথা ক'ব জনা ছোৱালীজনী যদি আৰ্লেং নহয়, নেলাগে হ'ব। তঁহতেই হৈ থাক!" উষ্মা আৰু ক্ৰোধত হুণমিলিৰ নাকৰ পাহি ফুলি উঠিছিল। ভালেই হ'ল,চাৰলংকিয়ে খাই বৈ আইতাকহঁতৰ লগত ঘৰলৈ গ'ল। নহ'লে কাচ্ছেৰ বিয়া খাবলৈ আহি মিৰদান বাইদেউৰ বিষয়ে এনেকুৱা কটুকথা শুনি সি ভাগি পৰিল হেঁতেন। তাই ঘৰলৈ যাবলৈ থিয় হ'ল আৰু মজিয়াত পাটি পাৰি বহি থকা মাইকী মানুহখিনিৰ ফালে ঘৃণাৰ

চাৰনিৰে চাই হনহনাই পদূলিৰ ফালে খোজ দিলে। যিমান বেগাই গ'লেও তাইৰ চকুত পৰিল ,বান্ধৰী কইনা কাছেৰ কাষত জোনৰ সাৰথি তৰা হৈ মিৰদান বহি আছে। নামটোৰ দৰেই শুভ্ৰ পিনিখনেৰে তাই খঁৰিকাজাই এপাহ হৈ আমোলমোলাই আছে। হুণমিলিয়ে নঙলা খুলিলে। মানুহটোৱে এদিন তাইক ধেমালিতে কৈছিল, ছোৱালী হ'লে আমাৰ কেঁচুৱাটোৰ নাম মিৰদান হ'ব!

তাই কৌতুকেৰে সুধিছিল, কিয়?

তামোলৰ পাতে কটা জোনটোলৈ চাই কৈছিল সি,নিজান হাবিৰ খোৰোঙত অকলশৰে ফুলা এপাহ মিৰদান (কপৌফুল) হৈ আমাৰ কেঁচুৱাকনেও আমাৰ বুকু জুৰাই থাকিব! সেইটো মানুহ যাওঁ বুলি নোকোৱাকৈয়ে গুচি গ'ল! হুণমিলিয়ে বুকুখন হেঁচা মাৰি ধৰিলে। ঘৰলৈ বাটটো পোনাবলৈ ৰৈও তাই শিমলু জোপাৰ তলতে ঢপ্ কৈ বহি দিলে।

হুণমিলি ঘৰ পাওঁতে আবেলি হৈছিল। জিকাফুলৰ দৰে আবেলিটো যেন কৰুণ গীত এটি হৈ উপঙি আছিল। হানমীৰ আইতাকে কোলাত শুৱাই চাৰলংকিক সাধু ক'বলৈ আৰম্ভ কৰিছিল । হুণমিলিয়ে পিৰালিত উঠিয়েই পুতেকৰ আব্দাৰ শুনিলে,"আইতা কাৰ্বি মানে কি? আমি ক'ৰ পৰা আহিলো?"

তাই বুজিলে ,হানমীৰ বুঢ়ীৰ আজি নিস্তাৰ নাই। চাৰলংকিৰ এইবোৰ জানিবলৈ বৰ হেঁপাহ । হানমীৰ আইতাকেও তাক বৰ প্ৰশ্ৰয় দিয়ে ।গতিকে আজি বিয়লিটো দুয়োটাই কথা পাতিয়েই পাৰ কৰিব আৰু কাদমে মাজে মাজে শলাগি তামোল খুন্দি থাকিব ।

কাৰ্বি মানুহক ব্ৰহ্মাই নিজৰ তেজ মঙহৰ পৰাই সৰজিলে বুইছ!আকৌ থেকাৰ কিবি আছ' অৰ্থাৎ থেকাৰ ৰখা জাতি মানেও কাৰ্বি। থেকাৰৰ থ আৰু কিবিৰ কি আঁতৰাই দিলেই কাৰ্বি হয়। নহয় নে?তই ইছকুল যোৱা মানুহ। জানিবি। হানমীৰে লা সানি ক'লা কৰা দাঁত কেইটা উলিয়াই হাঁহিলে।

চাৰলংকিয়ে চকুহাল টিপিয়াই ক'লে, ৰাতিলৈ মোক থিৰেংৱাৰেঙৰ সাধু ক'বি দেই আইতা।

আন্ধাৰ নৌহওঁতেই হুণমিলিয়ে ৰাতিৰ সাজলৈ শাক পাতবোৰ বাচি ল'বলৈ পিৰালিতে বহি ল'লে। হানমীৰ বুঢ়ী কাইলৈ পুৱাই যাবগৈ। আজি এসাজ ভালকৈ খুৱাব লাগিব। এনেতে চাৰলংকিৰ স্কুলৰ চকীদাৰটো আহি ওলাল। পদূলিত ৰৈ সি ৰিঙিয়াই ক'লে,"কাইলৈ দহ বজাত তোমাৰ ল'ৰাটো ইছকুল পঠাই দিবা নী! হেডচাৰে মাতি পঠাইছে দেই।"

হুণমিলিৰ উত্তৰলৈ সি নৰ'লেই। ভিতৰৰ পৰা কাদমে খঙতে ভোৰভোৰালে,বন্ধ এমাহ দিছিল দেখোন! এতিয়া পোন্ধৰ দিনতে স্কুল খুলিবলৈ হ'লেইনে? ল'ছালি মখাই খেলা ধূলা নকৰিব নেকি?

ৰূপতালিন নামৰ বাঁৰী তিৰোতা এজনী আৰু জিনঙৰ বোৱাৰীয়েক বজাৰৰ পৰা উভতিছিল । সিহঁতে বাটৰ পৰাই চিঞৰিলে,"বজাৰলৈ এইকেইদিন যোৱা নাই কিয় ঐ! "লোচকান হ'ব কিন্তু তোৰ"

সিহঁতৰ প্ৰায় খালী হোৱাবোৰ দেখি হুণমিলিৰ বেয়াও লাগিল। সাঁচতীয়া পইচাৰে পুতেকক কাপোৰ এসাজ দিব নে হৰলি' এটা কিনিব ,তাই ভাবিয়ে নেপালে। তাতে এই দুদিনমান বজাৰলৈ নগৈ তাই তেল নিমখ কণো হাত ধৰি চলাব লগা হৈছে।

এনেকৈ নহ'ব। তাই আকৌ বজাৰলৈ যাব লাগিব। চাৰলংকি এদিন ডাঙৰ মানুহ হ'ব লাগিব। হ'বও সি!আৰু তাই ৰূপৰ থুৰীয়া পিন্ধি গৌৰৱেৰে সমাজৰ আগশাৰীত বহি থাকিব । দুলি থকা সপোনটো উমলাই তাই আন্ধাৰতে বহি থাকিল। আন্ধাৰ খিনি তাইৰ ভালো লাগিল।

চাৰলংকিৰ বাবে ৰাতিটো বৰ দীঘলীয়া আছিল। বেলি ওলাই মানে সি কেইবাবাৰো পদূলিলৈ তাঁত বাতি কাঢ়িলে। তাৰ সমনীয়াবোৰে বাৰু খবৰটো পালেনে? বাছাপী আৰু হেমাৰীয়ে? সিহঁতে এই পদূলি পাৰ হৈয়েই যাব লাগিব । তাক লগ ধৰিবনে সিহঁতে! নে অকলেই যাবগৈ বাৰু!

হুণমিলিয়ে তাক চিঞৰি মাতিলে । অৱশ্যে আনদিনাৰ দৰে তাই গা ধুবলৈ তাক হেঁচুকিবলগা নহ'ল। সি গা ধুই উঠি তেল টেঙা ঘঁহি ভাতৰ পাতত বহিলহি ।গৰম ভাতকাঁহীৰ কাষতে জুইত পোৰা কচুৰ পিটিকাকণ দেখি সি ভাবিলে, লৰালৰিতে মাকে কচুটো তাক পুৰি পিটিকা কৰি দিছে। সি ফুঁৱাই ফুঁৱাই খাবলৈ আৰম্ভ কৰিলে আৰু অক্ষম বেজাৰত হুণমিলিয়ে আঁৰ হৈ চকুলো মচিলে। ভাতগাল খাবলৈ এসময়ত নিমখ এজেবাৰ বাদে একোৰেই যেতিয়া নাথাকিল,যেতিয়া হুণমিলিয়ে ধোঁৱা চাঙৰ

চুঙা বোৰৰ পৰা শুকান গাহৰিৰ মঙহ দুটুকুৰামানকে আনি পুতেকৰ পাতত দি দিয়াৰ কথা ভাবিলে তেতিয়াই পদূলিত হেমাৰীৰ মাত শুনা গ'ল। হুণমিলিয়ে স্বস্তি আৰু দুখ একেলগে অনুভৱ কৰিলে। চাৰলংকি ওলাই যোৱাৰ পাছত তাইৰ মনলৈ বজাৰত হৰলাং বেচাৰ চিন্তাটোৱে দুবাৰ মান ভুমুকি মাৰিলেহি। কিন্তু পিছমুহূৰ্ততে কাদম আৰু পুতেকৰ মুখ দুখন যেন দৃষ্টিত এঠা লাগি ধৰিল আৰু দুয়োটাই বোবা অভিমান এটা লৈ তাইৰ ফালে চাই থাকিল। এসময়ত তাইৰ আউল লগা চিন্তাবোৰে নিজেই জঁট ভাঙি লৈ তাইক বজাৰলৈ সাজু হ'বলৈ সঁকিয়াই থাকিল।

চাৰলংকিহঁতৰ সমনীয়া প্ৰায় আটাইবোৰ আৰু ওপৰ শ্ৰেণীৰ সকলো ল'ৰা ছোৱালীয়েই গোট খাইছিল। মিৰদান বাইদেৱে খৰ খোজেৰে কোবাকুবিকৈ আহি স্কুল পায় মানে হেড ছাৰে সকলোকে গোট খুৱাই কথা পাতিবলৈ আৰম্ভ কৰিছিল। দহদিনৰ পাছত চাৰৰ কাৰ্বি অসমীয়া অভিধানখনৰ উন্মোচনী অনুষ্ঠান হ'ব। তালৈ চহৰৰ মানুহ আহিব। চাৰলংকিহঁত থাকিবই। কিন্তু অকল থাকিলেই নহ'ব, সিহঁতে গান গাব, আবৃত্তি কৰিব আনকি সৰু সুৰা নাটক এখনো কৰিব লাগিব। অহা দহদিন সিহঁতৰ চামাৰ কেম্প হব বুলি ধৰিলেই হ'ল। মিৰদান বাইদেউৰ লগতে চাৰো থাকিব শিকাবলৈ। পুৱাই আহি ল'ছালিহঁত আবেলিহে ঘৰলৈ যাব। সেয়ে দুপৰীয়াৰ খোৱাটো আৰু মাজে মাজে লঘু আহাৰ স্কুলতে দি থকা হ'ব।

মিৰদান বাইদেৱে প্ৰথম শ্ৰেণীৰ কোঠাত সকলোকে গোটাই ল'লে। কোনে কোনে পাৰে গান এটাও গাবলৈ ক'লে। চাৰলংকিয়ে গান এটা জানিছিল। বনলতা আইতাৰ ঘৰত বাপুৰে পুখুৰীৰ পাৰত বহি এই গানটো গাইছিল। গৌৰৱত তাৰ বুকু ফুলি উঠিল। আজি গোটেই মখাকে সি আচৰিত কৰি দিব । সি থিয় হৈ গাবলৈ ধৰিলে,'গছে গছে পাতি দিলে

ফুলৰে সৰাপাত...

মিৰদান বাইদেৱে 'শৰাই কোৰা' বোলা কথাটো তাৰ কাণত নুসোমাল। সি চকু মুদি একেখিনিকে গাবলৈ ধৰিলে।

হেডছাৰৰ অভিধানখনৰ উন্মোচনী সভাখন সুকলমে পাৰ হৈ গ'ল। ছাৰৰ বন্ধু আৰু প্ৰান্তৰ আলোচনীৰ সম্পাদক অমিতাভ ফুকনে কিতাপখন উন্মোচন কৰিলে,বাছাপীহঁতে গোৱা "চিৰ চেনেহী মোৰ ভাষা জননী" শুনিলে আৰু চাৰলংকিহঁতে ৰিত্নংচিংদিত গোৱা গীত শুনি অভিভূত হৈ উভতি গ'ল। সভালৈ বহুত মানুহ আহিছিল। স্কুলৰ বননিত বহি মুকলি আকাশৰ তলতে সকলোৱে অমিতাভ ফুকনৰ কথা শুনিছিল। মিৰদান বাইদেউক আৰ্লেং নহয় বুলি কোৱা মাইকী মানুহকেইজনীয়ে ঈৰ্ষা আৰু আশ্চৰ্যৰে বাইদেউক চাই থাকিল। বাইদেৱে কৈছিল কাৰ্বি সকলৰ বীৰ থংনকবেৰ কথা আত্ম সন্মানী নাৰী হাঈৰ কথা। ৰামায়ণৰ দৰেই প্ৰাচীন কাহিনী চাবিন আলুন আৰু অনেক কৃষ্টিৰে কাৰ্বি সংস্কৃতি সমৃদ্ধ বুলি কোৱা শুনি সিহঁতৰ বুকু গৰ্বত ফুলি উঠিছিল। অথচ দুদিনমান আগলৈকে সিহঁতে মিৰদানক আৰ্লেং বুলি মানিবলৈকে টান পাইছিল। বাইদেৱে কৈছিল,"আমাৰ কাৰ্বি জাতিটো অসমৰ সকলোতকৈ প্ৰাচীন অধিবাসী। যাৰ বাবে আমাক অসমৰ কলম্বাচ বোলা হয়।"

চাৰলংকিহঁতে আন নহ'লেও এইটো বুজিছিল যে সিহঁতে নিজকে লৈ গৌৰৱ কৰিব পৰাকৈ বহুত কিবাকিবি আছে। কিন্তু মিৰদান বাইদেৱে কথাবোৰ নোকোৱা হ'লে সিহঁতে নিজকে কেৱল দুখীয়া মানুহ বুলিয়েই ভাবি থাকিলহেঁতেন।

০০ ০০ ০০

গৰমৰ বন্ধ খুলিবলৈ মুঠেই দুদিনমানহে থাকিল। হেমাৰীৰ আয়োজন মতে চাৰলংকিয়ে সেইকেইটা দিন হেঁপাহ পলুৱাই খেলি লোৱাৰ কথা ভাবিলে। চিম্ হা চন পাহাৰৰ বুকুৰেদি বাগৰি গাঁৱলৈ বৈ অহা টিকক জুৰিৰ পাৰে পাৰে ওৰেটো আবেলি ঘূৰি ফুৰাৰ আঁচনি হ'ল। স্কুল যাবলৈ উত্ৰাৱল হৈ থকা ল'ৰাটোৰ হঠাৎ অনুভৱ হ'ল,আৰু অলপ দিন স্কুল বন্ধ হোৱা হ'লেও বেয়া নাছিল!

আনদিনাতকৈ মিৰদান সোনকালে স্কুললৈ ওলাল। গৰমৰ কোবটো কমক চাৰি বাঢ়িছেহে। তাতে প্ৰায় গোটেই জুলাই মাহটোৱেই বৰষুণ দিলে। সিহঁতৰ বাৰীখনো হাবিয়ে ছানি পেলাইছে। ইমান দিনে কামকৰা মানুহটোৱেও বৰষুণৰ বাবেই বাৰীখন চাফা কৰিব পৰা নাছিল। পাছফালৰ বাৰাণ্ডালৈ গ'লেই মহবোৰে জাকে জাকে খেদা মাৰি আহে। অৱশেষত মিৰদানৰ মাকে অতিষ্ঠ হৈ ৰ'দৰ মুখ দেখা মাত্ৰকে লগুৱাটোকবাৰী চাফা কৰিবলৈ লগাই দিলে। অভিজ্ঞতাই তেওঁক শিকাই থৈছে। এই পাহাৰীয়া ঠাইখনত মেলেৰীয়াই প্ৰায় প্ৰতিবছৰে বহুত মানুহৰ প্ৰাণ লয়। এতিয়া মহবোৰে বন্ধ পানীত কণী পাৰিবলৈ আৰম্ভ কৰিছে। এদিন সেইবোৰৰ পৰাই মাইকী এন'ফিলিছ মহে মানুহৰ গালে মেলেৰীয়া বিয়পাই দিব! তেওঁ লগুৱাটোক গাত সানিবলৈ নাৰিকল তেলৰ বটলটো আগবঢ়াই দি মিৰদানক ক'লে,"মাজনী তুমি ল'ৰা ছোৱালীহঁতক গধূলিতে গাত নাৰিকল

তেল সানি ল'বলৈ ক'বা। তেতিয়া সিহঁতে অন্ততঃ মহৰ কামোৰ নেখাব!"

মিৰদানে মূৰ দুপিয়ালে। বহুত কাম বাকী আছে তাইৰ। সিদিনা হেডছাৰে তেখেতৰ অভিধান উন্মোচন কৰিবলৈ অহা প্ৰান্তৰৰ সম্পাদকৰ লগত তাইক চিনাকি কৰি দিওঁতে কৈছিল, বুইছ, এই মোৰ জী। তাই আছে যেতিয়া মোৰ চিন্তা নাই। আমাৰ ল'ৰাহঁতক তাই কিমান ধুনীয়া অসমীয়া শিকাইছে আজি দেখিবি তই! "তাই জানে ল'ৰা ছোৱালী বোৰে তাইক ভাল পায়। তাইক মানে। কিন্তু সিহঁতৰ ঘৰৰ মানুহৰ সাতামপুৰুষীয়া কিছুমান ধ্যান ধাৰণা, দৰিদ্ৰতা অনীহা আৰু শিক্ষাৰ প্ৰতি থকা অৱহেলাৰ বাবে খুব কম ল'ৰা ছোৱালীয়েহে সিখন গাঁৱত থকা হাইস্কুলখনলৈ যাব পাৰিছে। চাৰলংকি, হেমাৰী আৰু বাছাপীহঁতৰ সৰল চকু মুখবোৰ আৰু সিহঁতৰ আগ্ৰহ দেখি তাই সদায় সিহঁতৰ ধুনীয়া ভৱিষ্যত এটাৰ সপোন দেখে। তাইৰ ওচৰত গান শিকিব খোজা বাছাপী,বজাৰ বুলি নকৈ বয়াৰ বুলি কোৱা ৰুকাছেন আৰু তাইৰ প্ৰতিটো কথাই আখৰে আখৰে মনা চাৰলংকিহঁতৰ কাষ পাবলৈ যেন তাই আনদিনাতকৈ অকণমান বেছি উদগ্ৰীৱ হৈ পৰিল।

তাই যেতিয়া স্কুল পালেগৈ ,তেতিয়া চতুৰ্থ শ্ৰেণীৰ কোঠাত ভিৰ এটা জমিছে । তাই ততাতৈয়াকৈ ভিৰ থেলি গৈ দেখিলে ,মালিনী নামৰ আটাইতকৈ দুখীয়া ছোৱালীজনী মজিয়াত পৰি আছে। তাইৰ কোৰাৰিয়েদি ফেন বাহিৰ হৈছে। তাইৰ দুৰ্বল নিশকতীয়া হাত ভৰিবোৰ যেন কোচ খাই আহিছে। মিৰদানে তাইৰ মূৰটো কোলাত তুলি ল'লে।

টাউনৰ হস্পিটেলত চিকিৎসা কৰোৱাব লগাকৈ মিৰদান অসুস্থ হৈ পৰিল। কঁপি কঁপি উঠা তমোময় জ্বৰে তাইক কাহিল কৰি পেলালে। কিছুমান মানুহে ক'লে, ভালেই হৈছে! আমাক বেমাৰ হলে বেজ মংগলতীৰ ওচৰত যাব নিদিয়াৰ ফল পাইছে এইয়া।

হেডচাৰে গাঁৱৰ মানুহবোৰক ঘৰে ঘৰে গৈ বুজালে। মেলেৰিয়াই একোখন গাওঁ কেতিয়াবা মহামাৰীৰ দৰে উচন কৰি পেলায়। ন জন মান মানুহ ইতিমধ্যে মৰিলেই। কিন্তু কোনেও চাৰৰ কথা গম্ভীৰভাৱে নললে। সকলো মানুহেই হয় দুখ নহয় আশংকাত দিন কটাইছিল। অগত্যা চাৰে এদিন পুৰণি ছাত্ৰবোৰকে মতাই আনিলে। সিহঁতে চাৰৰ কথাবোৰ বুজিছিল। কিন্তু ঘৰৰ মানুহৰ সহযোগ অবিহনে একো কৰিব পৰা নাছিল। ন-পুৰণি সকলো ছাত্ৰই মিলি এদিন নিজৰ স্কুল খন পৰিষ্কাৰ কৰিলে। হাবি বনবোৰ পৰিষ্কাৰ কৰি ৰ'দত শুকুৱাই জলাই পেলালে। মহে কণী পাৰিব পৰা সম্ভাব্য ঠাইবোৰ মাটিৰে পুতি দিলে। নাৰিকলৰ কোৰোকাৰ দৰে পানী জমা হব পৰা বস্তুবোৰ আঁতৰাই পঠিয়ালে। ফুলনিৰ ডাঙৰ গছবোৰৰ ডাল পাত কটাই দিলে।

চাৰে ইতিমধ্যে জিলা উপায়ুক্তলৈ চিঠিও পঠিয়াইছিল।সেইমতেই এদিন ডি ডিটি চটিওৱা মানুহ আৰু ঔষধ যুক্ত আঁঠুৱা লৈ টাউনৰ পৰা এদল মানুহ আহিল। তাত আছিল ডাক্তৰ ,নাৰ্চ আৰু দুজনমান স্বাস্থ্যকৰ্মী।

নিজৰ নিজৰ ল'ৰা ছোৱালীবোৰৰ উৎপাতত ডি ডি টি চটিয়াবলৈ নিদিও বুলি ভাবি থকাবোৰেও দিবলৈ বাধ্য হ'ল। ঘৰেপতি একোখনকৈ আঁঠুৱাও দিয়া হ'ল। দুই এঘৰে নিজৰ ঘৰৰ চৌহদবোৰ পৰিষ্কাৰ কৰিলে। চাৰলংকি বাছাপী আৰু হেমাৰীহঁতে মিৰদানক ভালপোৱাৰ চিনস্বৰূপে নিজেই হাতে কামে লাগিল। দেখাক দেখি ইঘৰে সিঘৰে ঘৰ দুৱাৰবোৰ চাফা কৰিলে। গধূলি সদায় নিমপাত আৰু খেৰেৰে জাগ দিয়া কৰিলে আৰু এদিন সঁচাকৈয়ে মানুহবোৰে মেলেৰিয়াৰ পৰা কোনোমতে তত্ পাই পুনৰ আগৰ দৰে কামকাজ কৰিবলৈ ল'লে।

ঘৰতে মদ বনাই বিক্ৰী কৰাৰ সলনি হুনমিলিয়ে কাদমৰ অনুমতি লৈ দুই এটা বনৰীয়া শাক পাচলিৰ লগতে সিজোৱা মটৰ,বুটমাহ আৰু পোৱা গোমধান বিক্ৰী কৰিবলৈ ধৰিলে। টিউচনৰ পৰা উভটা ল'ৰা-ছোৱালীবোৰ,বজাৰলৈ অহা মানুহবোৰ তাইৰ গ্ৰাহক হ'ল।

কেতিয়াবা তাই বস্তুৰ যোগানহে দিব নোৱাৰা হ'ল।

পইচা দুটামান সাঁচি তাই চাৰলংকিলৈ টেবুল চকী এযোৰ কিনাৰ কথা ভাবিলে।

বজাৰখন ক্ৰমান্বয়ে ডাঙৰ হৈ আহিছিল। সাপ্তাহিক বজাৰৰ দিনা বহুত মানুহ হয়। বিছ কিলমিটাৰ আঁতৰৰ মানুহবোৰ আহিও ভীৰ কৰেহি। কোনোবা দুখনমান গাঁৱৰ তিৰোতাবোৰে পলিথিনৰ পেকেটত ঘৰতে বনোৱা লাওপানী আনি বেপাৰীহঁতক যোগান ধৰেহি। তিৰোতাবোৰৰ উপাৰ্জন ভাল। সিহঁতে আনকি  আজিকালি সস্তীয়া চুৰিদাৰো পিন্ধিবলৈ লৈছে। কান্ধত কাপোৰৰ বেগ ওলোমাই , ৰবৰৰ চেণ্ডেল পিন্ধি অস্থায়ী দোকানবোৰত গ্ৰাহকৰ ভাও ধৰি সিহঁত সোমায় আৰু টিপতে লাওপানীৰ পেকেটবোৰ বেপাৰীক দি আহে।

বজাৰ বাৰৰ দিনা হুনমিলিৰ মটৰ মাহৰ বিক্ৰীও ভাল হয়।

ৰূপতালিনে সেয়ে এদিন কৈছিল, তই চাগে মাংচ বেচিব পাৰিলে বজাৰবাৰৰ দিনা এমোনা টকা একেলগে পাবি। দোকানীমখাৰ লাওপানীলৈ যিহে লোভ!

০০ ০০ ০০

বহুপৰ গুণাগঁঠা কৰিবলৈ সময় নাছিল। মালিনীৰ তেনেকুৱা হেনো প্ৰায়েই হয়। তাইৰ সমনীয়াবোৰে মিৰদানক ক'লে, “মালিনীৰ মূৰ্গী বেমাৰ আছে।” হেডছাৰে ঠেলা এখন অনোৱাই মালিনীক শুৱাই ঘৰত থোৱাৰ ব্যৱস্থা কৰিলে। মিৰদান আৰু আন ল'ৰা ছোৱালী দুটামানো লগতে ওলাল। ঠেক বোকাময় বাট এটাৰে সিহঁতে খোজ দিলে। মালিনীৰ দুই কোৱাৰিয়েদি ওলাই অহা ফেনবোৰ তেতিয়া শুকাবলৈ ধৰিছিল। তাই স্থিৰ দৃষ্টিৰে আকাশলৈ চাই আহিছিল। ঠেলাৱালা ল'ৰাটোৱে অকণমান ভয় খাইছিল। সি ক'লে, ইহঁতৰ বাপেকে মৰি পৰি থকা ছাগলী এটা কাটি বাছি ঘৰৰ চবকে খুৱাইছিল। সেই কাৰণে কিবা দায় দোষ লাগিল হ'বলা। ঘৰৰ চবৰে জাত জাত বেমাৰ লাগিল। ভনীয়েকজনী খোজ কাঢ়িব নোৱাৰা হৈ গ'ল।

অপৰিছন্ন পদূলি এটাৰ সন্মুখত ঠেলাখন ৰ'লগৈ। ঠেলা চলোৱা ল'ৰাটো চোতালৰ ভিতৰলৈ সোমাই যাবলৈ মান্তি নহ'ল। অগত্যা মিৰদানহঁতেই মালিনীক কোনোমতে নমাই ভিতৰলৈ লৈ গ'ল। ভেকেটা ভেকেট গোন্ধ এটা যেন বতাহত উপঙি ফুৰিছিল। ঘৰৰ চৌহদটো অতি লেতেৰা। ডেৰবছৰীয় ল'ৰা এটাই নাঙঠ হৈ চোতালৰ ধূলিত উমলি আছিল। গাভৰু মানুহ এজনীয়ে বাৰাণ্ডাত বহি কেঁচুৱাক পিয়াহ খুৱাই আছিল। মিৰদানে লগত যোৱা ছোৱালী এজনীক পঠিয়াই মালিনীৰ মাকক বাৰাণ্ডালৈ মতাই আনি সকলো বিৱৰি ক'লে। মালিনীৰ মাকৰ জীৰ্ণ শীৰ্ণ দেহটো যেন হঠাৎ আন্ধাৰ হৈ পৰিল। মাকে কোনোমতে জীয়েকক নি বিছনাত শুৱাই লগে লগে বাহিৰলৈ ওলাই আহিল আৰু দুঃখমনেৰে ক'লে, কি কৰিম বাইদেউ টকা পইচা নাই!

মিৰদানৰ বৰ বেয়া লাগিল। তাই লৰালৰিকৈ কৈ উঠিল, দুখ নকৰিব। তাইৰ আগতে অনা দৰব আছে যদি খুৱাই দিয়ক। ভাল হ'ব। চিন্তা নাই।

মালিনীৰ মাকে দুখ আৰু তাচ্ছিল্যৰে ক'লে, “দৰৱ নাই বাইদেউ। এইবাৰ টকা পালে মন্দিৰত দেখাম। তাইৰ কিবা দায় দোষ লাগি আছে। বাপেকে মৰা ছাগলী খুৱাইছিল আনি। তেতিয়াই কিবা ঘাটি লাগিল।”

মিৰদান হতভম্ব হৈ গ'ল। তাইৰ পুতৌ জন্মিল। অলপ বিৰক্তও হ'ল। তথাপিও তাই বুজনিৰ সুৰত ক'লে,“আপোনালোকে মনৰ সন্তুষ্টিৰ বাবে মন্দিৰতো দেখুৱাব বাৰু। কিন্তু তাইক এবাৰ ডাক্তৰৰ ওচৰলৈ লৈ যাব চোন। তেতিয়াহে তাইৰ ভাল হ'ব।”

মালিনীৰ মাকৰ মুখত বিদ্ৰূপ আৰু অবিশ্বাসৰ ৰেখা ফুটি উঠিল। মিৰদানে বুজিলে,তাই এইমুহূৰ্তত আৰু একো কৰিব নোৱাৰে । লগত অহা ল'ৰা ছোৱালী কেইটাক লৈ তাই স্কুললৈ উভতি গ'ল। ওৰে দিন তাইৰ মনটো বেজাৰমুৱা হৈ থাকিল।

দিনটোৰ ভাগৰে ডাক্তৰক অৱশ কৰি পেলাইছিল। কোনোমতে ভাতকেইটা সিজাই খাই তেওঁ বিছনাত বাগৰ দিছিল। আন দিনাৰ দৰেই তেওঁৰ মনটো অস্থিৰ অশান্ত কিবা অনুভূতিৰে ভাৰাক্ৰান্ত হোৱাৰ উপক্ৰম কৰোঁতেই তেওঁৰ কোঠালিৰ দুৱাৰত টোকৰ পৰিল। সঘনাই মৰা টোকৰ আৰু কাৰোবাৰ উত্তেজিত মাত শুনি তেওঁ লৰালৰিকৈ দুৱাৰ খুলিলে। জীৰ্ণ শীৰ্ণ চেহেৰাৰ এজন মানুহ বাহিৰত ৰৈ আছিল। কান্ধত শতছিন্ন কম্বলেৰে মেৰিয়াই অনা এটা মৃতপ্ৰায় সৰু ল'ৰা। আগন্তুকৰ কথা শুনালৈ বাট নেচাই ডাক্তৰে কোবাকুবিকৈ দুয়োকে হস্পিটেল পোৱালেগৈ। ল'ৰাটো তেনেই দুৰ্বল। বেমাৰৰ লক্ষণবোৰ চাই মেলেৰিয়া বুলি ডাক্তৰ নিঃসন্দেহ হ'ল। জেনেৰেল ৱাৰ্ডৰ বিছনাত দেউতাকৰ কাষতে ল'ৰাটো এৰি তেওঁ বাহিৰলৈ ওলাই আহিল। চেলাইন দি শুৱাই থোৱা ল'ৰাটোৱে যেন তেওঁৰ বন্ধ স্মৃতিৰ কোঠাটোৰ দুৱাৰ খিৰিকীবোৰ এখন এখনকৈ খুলি দিব ধৰিলে।

সেই বছৰ গৰমৰ বন্ধ খোলাৰ পাছতো আগৰ দৰে ল'ৰা ছোৱালীবোৰ নহা দেখি হেড ছাৰ চিন্তিত হৈ পৰিছিল। বেমাৰ আজাৰ নে আন কিহবাই ল'ৰা-ছোৱালীবোৰৰ স্কুল অহা বন্ধ কৰিছিল তেওঁ ভাবি নেপালে। এসপ্তাহ পাছত চকীদাৰে খবৰ আনিলে যে তেওঁৰ সন্দেহ সঁচা! গাঁৱে গাঁৱে মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে। মানুহবোৰে ডাক্তৰৰ সলনি বেজৰ কাষ চাপিছে আৰু ফলত জীৱনটোকে হেৰুৱাই পেলাইছে। মেলেৰিয়া হোৱা মাত্ৰেই কঁপি কঁপি জ্বৰ উঠা দেখি মানুহবোৰে গাত অপদেৱতা লম্ভা বুলি ভাবি পূজা পাতল কৰিবলৈ আৰম্ভ কৰি দিছে। কিন্তু বেমাৰ ভাল হওক চাৰি ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ

বেমাৰটোৱে ঢপলিয়াই ফুৰিব ধৰিলে।

মিৰদান বাইদেৱে স্কুলত মেলেৰিয়া হ'লে কি কৰা উচিত আৰু নহ'বলৈ কি দৰে সাৱধান হোৱা উচিত সকলোকে বুজালে। আনকি স্কুল ছুটিৰ পাছত ঘৰে ঘৰে গৈও মানুহক বুজালে। ৰোগীৰ শুশ্ৰূষা কৰিলে। কোনোবাই কোনোবাই বাইদেউক সন্দেহ আৰু অবিশ্বাসো কৰিলে। বেজে ভাল কৰিব নোৱাৰা ৰোগ ভাল কৰিবলৈ আপুনি কোন বুলি তিৰস্কাৰো কৰিলে। কিন্তু মিৰদানে কাৰো কথাত কাণ নিদি নিৰন্তৰ মানুহক বুজাই থাকিল। মানুহৰ ককৰ্থনাইও তাইক হৰুৱাব পৰা নাছিল। কিন্তু! কিন্তু মৃগী ৰোগত ভুগি থকা  মালিনীও এদিন মেলেৰীয়াৰ লগত যেন হাৰি গ'ল। মানুহবোৰৰ চকু মুকলাবৰ বাবে তাইৰ সেই পৰাজয়ৰ প্ৰয়োজন আছিল কিজানি!

চাৰলংকিহঁতৰ কাণত খবৰটো কোনে পেলাইছিল মনত নাই। কিন্তু সিহঁত আটাইবোৰে বলিয়াৰ দৰে স্কুলৰ পৰা ওলাই দৌৰিছিল। সিহঁতৰ বুকুৰ ভিতৰৰ কলিজাটো যেন বাহিৰলৈ ওলাই আহিছিল। আস্ মালিনীৰ জাপ খাই থকা চকুহাল! ! কেতিয়াও সাৰ নেপাব যেন লগা অবশ শুই থকা দুৰ্বল মুখখন!

ডাক্তৰে বাৰান্দাতে বহি চিগাৰেট এটা জ্বলাই ল'লে। তেওঁৰ এই এটাই মাথোঁ বদ্ অভ্যাস !

আনবোৰ ল'ৰা ছোৱালীৰ লগতে চাৰলংকিয়েও বুজিছিল, সিহঁতৰ সমাজখন সহজ সৰল সঁচা। কিন্তু অন্ধবিশ্বাস আৰু কুপ্ৰথাৰে ভৰপূৰ। মেলেৰিয়া, মৃগীৰ দৰে ৰোগকো এই সমাজে ভূত প্ৰেত আৰু অপদেৱতাৰ কাৰচাজি বুলিয়েই বিশ্বাস কৰে। এনে উশাহবন্ধ পৰিবেশত এজনী মিৰদান বাইদেউ নাইবা এজন হেডচাৰে যে একোৱেই কৰিব নোৱাৰে, তাকো সিহঁতে বুজে। তাতে আকৌ মিৰদান বাইদেউ আৰ্লেং নহয় বুলি এচামে যে প্ৰকাশ্যে ঘৃণা কৰে, অবজ্ঞা কৰে। চাৰলংকি, বাছাপীহঁতৰ শিশুমনবোৰে হাঁহাকাৰ কৰি উঠে। কিন্তু সিহঁতে জানে, ডাঙৰবোৰৰ এলাণ্ডুকলীয়া মনবোৰ সলনি কৰিবলৈ সিহঁতৰ একো উপায় নাই।

মিৰদান বাইদেউ একেজনীয়েই হৈ আছিল। মানুহবোৰৰ তুচ্ছ তাচ্ছিল্ল্য আৰু ঈৰ্ষা মিহলি ব্যবহাৰৰ পাছতো চাৰলংকিহঁতক তেওঁ জ্যোতিসংগীত, আবৃত্তি আৰু নবকান্ত বৰুৱাৰ সৰু সৰু নাটিকাবোৰত অভিনয় কৰিবলৈ শিকাইছিল। অসমীয়া ভাষাটো সিহঁতে ভাল পাবলৈ লৈছিল।

চতুৰ্থ শ্ৰেণী পায় মানে আনকি হেমাৰীয়েও সৰু সুৰা অসমীয়া পদ্য লিখিব পৰা হৈছিলগৈ।

চাৰলংকিহঁতৰ মানুহবোৰৰ বেছিভাগেই লাহে লাহে অসমীয়া ভাষাটোক বেয়া পাবলৈ লৈছিল।সিহঁতৰ গাঁৱৰ নাতিদূৰৈৰ আন এখন গাঁৱত ইংৰাজী মাধ্যমৰ স্কুল খোলা হৈছিল। এইখন গাঁৱৰ ল'ৰা-ছোৱালী দুটামানেও গৈ সেইখন স্কুলত নাম লগাইছিল।

চতুৰ্থ শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা শেষ হ'বৰ দিনা আটাইবোৰ ল'ৰা-ছোৱালীক গোট খুৱাই মিৰদান বাইদেৱে সেই মৰ্মান্তিক খবৰটো দিলে। তেওঁ কথাবোৰ কব পৰা নাছিল। কিবা কবলৈ লৈও যেন বাৰে বাৰে সেপ ঢুকিছিল। কোনোমতে মাত উলিয়াই তেওঁ ঘোষণা নে স্বগঃতোক্তি কৰিছিল,“ল'ৰা-ছোৱালীহঁত মই এই গাওঁ, এই স্কুল আৰু তোমালোক আটাইকে চিৰদিনৰ বাবে এৰি যাবলৈ ওলাইছো। তোমালোক আটায়ে ভাল মানুহ হ'বা। হ'ব লাগিব। পৰীক্ষাত পাছ কৰাৰ পাছত তোমালোক হাইস্কুললৈ যাব লাগিব। তোমালোক মোৰ দৰে বাইদেউ হ'বা,ডাক্তৰ হবা, দোকানী হ'বা আৰু বৰ ভাল ভাল মানুহ হ'বা নহয়নে? মিৰদান বাইদেউৰ মাতটো শেষলৈ ভাগি গৈছিল।

চাৰলংকিহঁতে প্ৰথমে যেন একো বুজা নাছিল। বাইদেউজনীয়ে কিবা দুৰ্বোধ্য ভাষাত কথা কৈ থকা যেন লাগিছিল। কিন্তু হঠাতে সিহঁতে  সম্বিৎ ঘূৰাই পাইছিল আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। মিৰদানে আঁঠুকাঢ়ি বহি পৰিল। তাইক আগুৰি লৈ ল'ৰা-ছোৱালীবোৰে বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। বাটৰ মানুহো দুই এক চাপি আহিল। মানুহবোৰে ল'ৰা-ছোৱালীবোৰক যিমানে নিচুকাব খুজিলে সিহঁতে সিমানে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। হঠাতে কথা বতৰা কমকৈ কোৱা ধনসিং নামৰ দুৰ্বল ল'ৰাটোৱে নিচুকাবলৈ অহা মানুহ এটাৰ গালৈ থু পেলাই দিলে। খং আৰু দুখত পগলাৰ দৰে সি চিঞৰিব ধৰিলে,“তোমালোকৰ কাৰণেই বাইদেউ যাবগৈ। তোমালোকে বাইদেউক আৰ্লেং নহয় বুলি ঘিন কৰা। বাইদেৱে শিকোৱা ভাল কথাবোৰ আমাক মানিব নিদিয়া। আমি জানো, বাইদেউৰ আমাক এৰি যাবলৈ অলপো মন নাই। বাইদেউ গুছি গলে মই জংঘলী হৈ যাম। তোমালোকেই বাইদেউক খেদিছা। চব জানো। চব জানো আমি। চাবা, হেম্ফূ আৰ্ণামে তোমালোকক এদিন শাস্তি দিবই দিব।”

"ধনসিং, মনে মনে থাকা" মিৰদান বাইদেউ গৰজি উঠিল। ইমান কঠোৰ মাত সিহঁতে কেতিয়াও শুনা নাছিল। সিহঁত চুপ হৈ গ'ল। বাটৰ পৰা ওৰ লবলৈ অহা মানুহ কেইজনেও তলমূকৈ ওলাই গ'ল।

মিৰদান বাইদেৱে বহি থকাৰ পৰাই সুধিলে,তোমালোক বৰ ভাল মানুহ হবা নহয়নে?সিহঁতে মূৰ দুপিয়ালে আৰু বাইদেউক সাবটি আকৌ চিঞৰি চিঞৰি কান্দিব ধৰিলে।মিৰদানে আটাইকে গালে মুখে হাত ফুৰাই  দিলে।

চাৰলংকিয়ে পিছে এইবাৰ কান্দিব নোৱাৰিলে।

গধূৰ শিল এটাই যেন তাৰ বুকুখন হেঁচা মাৰি ধৰিলে।

উশাহ লবলৈকো তাৰ বৰ কষ্ট হ'ল।

একো আওভাও নোপোৱা, মুখৰ মাত নোলোৱা দুটামানৰ বাদে গোটেই জাক ল'ৰা-ছোৱালী মিৰদানৰ পাছে পাছে খোজ দিব ধৰিলে। তাই বহুবাৰ সিহঁতক ঘৰলৈ যাবলৈ কোৱাৰ পাছতো সিহঁতৰ সমদলটো গৈয়ে থাকিল।

এসময়ত মিৰদান যেতিয়া নিজৰ ঘৰৰ বাৰান্দাত উঠিলগৈ তেতিয়া আঘোণমহীয়া আবেলিৰ ৰ'দে সন্মুখৰ পাহাৰটো সোণবৰণীয়া কৰি তুলিছে।ৰাস্তাৰ সিটো পাৰৰ ৰহদৈ জোপাত ভাটৌ কেইটামানে এনেয়ে হুলস্থুল কৰি আছে। ল'ৰা-ছোৱালীজাক গেটৰ বাহিৰতে ৰৈ দিলে। মিৰদানে মাকক মাতিলে। মাক ইচ্ইচাই উঠিল। তেওঁৰ চকুৰে ধাৰাসাৰ পানী ব'ব ধৰিলে। এই শিশুবোৰ সঁচাই ঈশ্বৰৰ সন্তান।

ইহঁতেতো নাজানে মিৰদান বাইদেউ কিয় যাবলৈ ওলাইছে। ইহঁতেতো নেজানে প্ৰাণে মৰাৰ ভাবুকি আৰু ধন দাবী কৰি লিখা বেনামী চিঠিবোৰে মিৰদানক ভিতৰি ভিতৰি কেনেকৈ চেপি খুন্দি আনিছে। যিবোৰ মানুহক বুকুৰ আপোন বুলি ভাবি সিহঁতৰ ভালৰ বাবে নিজকে বিলাই দিব খুজিছিল, সেইবোৰ মানুহেই মিৰদানক 'ডাইনী' বুলি অভিহিত কৰিবলৈ অকণো কুণ্ঠিত নহ'ল। এই গাওঁ, এই সোণবৰণীয়া ৰ'দ, এই সেউজীয়া পাহাৰ মিৰদানৰ বাবে নহয়। মিৰদানৰ মাকে তেওঁৰ আলফুল কপৌপাহিক এইবোৰ মানুহৰ হাতত এৰি দিব নোৱাৰে। সেয়ে গোটেই ঘৰখনেই নিৰাপদ বুলি ভবা ঠাইলৈ যাবগৈ। কাহানিও উভতিব নলগাকৈ। তেওঁ মনোহৰ কল আৰু টিনৰ বিস্কুট  খুৱাই ল'ৰা-ছোৱালীবোৰক উভতাই পঠালে। সিহঁতে যাওঁতে চিঞৰি গ'ল,"বাইদেউ নেযাবি,বাইদেউ নেযাবি। আমি তোকে খুব মৰম কৰিব। আমাৰ ফালে মৰম কৰিবি না!"

মিৰদানে পাহাৰৰ চূড়াটোলৈ চাই থাকিল।

তাই ডাইনী?

এই সেউজ পাহাৰৰ, সহজ সৰল যেন লগা মানুহবোৰৰ চকুত তাই ডাইনী?

অভাবনীয়ভাবে ৰাতিলৈ চাৰলংকি আৰু হুণমিলি আহি ওলাল। লগত হেমাৰীও। সিহঁতে মিৰদান বাইদেউ, বাইদেউৰ মাক দেউতাক আৰু ভনীয়েকৰ লগত বহুত কথা পাতিলে।

মাজনিশালৈ হুণমিলিৰ মুখখন কঠোৰ অথচ শেঁতা পৰি গ'ল। মিৰদানহঁত কোনো কাৰণতেই ইয়াত নেথাকে। থাকিব নোৱাৰেও। সিহঁত যাবই লাগিব। কিন্তু তাইৰ এই বাইদেউ পাগল ল'ৰাটো! ডাঙৰ হ'লেই মিৰদানক বিয়া পাতিম বোলা হেমাৰী??

হুণমিলি ভগা ছিগা মাতেৰে মিৰদানৰ দেউতাকৰ ভৰিত দীঘল দি পৰিল, ককাইদেউ ইহঁত দুটাকো তহঁতৰ লগত লৈ যা।বাইদেউ নহ'লে এই দুটা মৰিব।আমি খবৰ লৈ থাকিম। ইহঁত দুটাৰ মানুহ হবলৈ বৰ মন  ।বাইদেউ,তই নিবিনে ইহঁতক?

মিৰদানে হেমাৰী আৰু চাৰলংকিলৈ চাব নোৱাৰিলে।

মিৰদানৰ দেউতাকে জুহালত খৰি এডাল জাপি দি ক'লে, পৰহিলৈ পুৱাই আমি যামগৈ। কোনেও নজনাকৈ।

জুইৰ ৰঙা পোহৰত নে আশাত বন্দী হৈ....চাৰলংকি আৰু হেমাৰীৰ মুখ ৰঙা পৰি উঠিছিল।

০০ ০০ ০০

খোৱামেজতে চিঠিখন পাই ডাক্তৰ অন্যমনস্ক হৈ পৰিল। এটাৰ পাছত এটাকৈ চিগাৰেট জলাই তেওঁ মনৰ অস্থিৰতাখিনি ধোঁৱাৰ কুণ্ডলীৰ সৈতে উৰাই পঠিয়াব খুজিলে। চিঠিখনে তেওঁৰ বুকুৰ একোণত এতিয়াও কেঁচা হৈ থকা ঘাঁডোখৰলৈ যেন নগা যাঠি এপাত মাৰি পঠিয়াইছে আৰু তাৰেই আঘাতত ৰক্তাক্ত হৈ তেওঁ যেন এই ঢলি পৰিব। ৰাতিৰ ভাতসাজ বাঢ়ি দিবলৈ আহি তেওঁৰ পত্নীয়ে ডাক্তৰৰ বিমৰ্ষ, অন্যমনস্ক মুখ দেখিলেহি। কোনো প্ৰশ্ন নকৰাকৈ তেওঁ ডাক্তৰৰ থুঁতৰিত ধৰি মুখখন তুলি

ধৰিলে। ডাক্তৰৰ চকুহাল পানীৰে ভৰি আহিছিল। তেওঁ পত্নীৰ কঁকালত সাবটি ধৰিলে। সেইখন ঠাইলৈ তেওঁ কাহানিও যাব নোখোজে। মনৰ পৰা কেতিয়াবাই মচি পেলাইছে তেওঁ সেই ঠিকনা। আজি পঁয়ত্ৰিশটা বছৰে তেওঁ এবাৰো সচেতনভাবে সেই ঠাইৰ নাম লোৱা নাই। ল'ব খোজাও নাই। অথচ ইমান যুগৰ সঞ্চিত স্মৃতি খুচৰিবলৈ আজি তেওঁলৈ এখন চিঠি আহি ওলাইছে। চিঠিখনত কেবল শব্দই নাই।আছে সন্মোহন। এই সন্মোহন নেওচিব পৰা নাযায়। এই সন্মোহন যেন সৌ তাহানিৰ চিনাকি গাওঁখনৰ দৰে। বঁহতেৰে চিলেট মচা দিনবোৰৰ দৰে, ম'হৰ পিঠিত উঠি নৈৰ পাৰত ফুৰিবলৈ যোৱা ল'ৰালিৰ দৰে।

"মই যাম বাছাপী"

ডাক্তৰৰ পত্নীয়ে হাঁহি দিলে। ৰ'দ জিলমিল এই হাঁহি।

কুমলীয়া ঔ বাকলি এচটাৰ দৰে ডাক্তৰৰ পত্নীৰ নিমজ গাল দুখন পোহৰ হৈ উঠিল।

লেফাফাৰ পৰা চিঠিখন উলিয়াই তেওঁ পঢ়িবলৈ ধৰিলে।

পূজনীয় তাৰৈদেউ,

সেৱা ল'ব। আশাকৰো ভালে আছে। আপোনাৰ বাবে মই তেনেই অচিনাকি। কিন্তু মোৰ কাৰণে আপোনাৰ নামটো, আপুনি মানুহজন আৰু আপোনাৰ কথা বতৰাবোৰ একেবাৰে চিনাকি। দেউতাৰ মুখত সৰুৰে পৰাই আপোনাৰ নাম শুনি শুনি মোৰ এনে লগা হৈছে যেন আপুনি আমাৰ চুবুৰীটোৰে এজন। আপোনাৰ সৈতে যেন দেউতাই নহয় বৰঞ্চ মইহে বৰশীৰে মাছ ধৰিছোঁ, স্কুললৈ গৈছো,আবেলি আবেলি টেঙাবল খেলিছোঁ।

অলপ আগতেও দেউতাই আপোনাৰ কথা কৈ আছিল। তেতিয়াই মই সিদ্ধান্ত লৈ পেলালো,এইবাৰ আমাৰ "নন্দন কানন"ৰ প্ৰতিষ্ঠা দিবসলৈ মই আপোনাক মাতিম। মই জানো, আপুনি এযুগ ধৰি এই গাওঁ, এই ঠাইৰ মানুহবোৰ আনকি দেউতাৰ লগতো কোনো সম্পৰ্ক ৰখা নাই। আমাৰ গাঁৱৰে এজন মানুহে তেওঁৰ ল'ৰাটো মেলেৰিয়া হোৱাৰ বাবে আপোনাক দেখুৱাবলৈ নিছিল। সেই মানুহজনৰ মুখেৰেই শুনিছিলোঁ, আপুনি দিনে ৰাতিয়ে ৰোগীয়া ল'ৰাটোৰ কাষত পৰ দি থকাৰ কথা। দেউতা নিশ্চিত হৈছিল যে সেইজন ডাক্তৰ আপোনাৰ বাদে আন কোনো নহয়।

দেউতাৰ আপোনাৰ ওপৰত আছিল অটল বিশ্বাস। এতিয়াও সেই বিশ্বাস কোনোগুণেই কমা নাই। আৰু মোৰ আছে দেউতাৰ বিশ্বাসৰ ওপৰত বিশ্বাস। মোৰ মনে কৈছে, মই মাতিলে নন্দন বনলৈ আপুনি আহিব। আন নহ'লেও মিৰদান বাইদেউৰ বাবেই আপুনি আহিব। দেউতাই বাইদেউক কেনেকৈ ৰাখিছে এবাৰ চাবলৈকে আপুনি আহিব।

বিঃদ্ৰঃ- মই তাৰৈদেউ বুলি ভবা মানুহজন যদি আপুনি নহয়ো, তেতিয়াও আপুনি আমাৰ নন্দন বনলৈ আহিব। মই সকাতৰে অনুৰোধ জনাইছো। চিঠিৰ লগত মই নন্দন বনৰ পৰিচয় পুস্তিকাখন দিছো।

ইতি

অনিন্দ্য সুন্দৰ

একাদশ শ্ৰেণী

চিঠিখন পত্নীৰ মুখেৰে শুনি ডাক্তৰে কথাবোৰ দ্বিতীয়বাৰৰ কাৰণে জানিলে। প্ৰথমবাৰ তেওঁ নিজেই পঢ়িছিল।

০০ ০০ ০০

পোহৰ নহওঁতেই গায়ে মূৰে এড়ী চাদৰ লৈ কোবাকুবিকৈ মিৰদান বাইদেউৰ ঘৰলৈ খোজ দিয়া ল'ৰা দুটালৈ তেওঁৰ মনত পৰিছিল। চোতালত ৰখাই থোৱা ট্ৰাকখনত বাইদেউহঁতৰ কামকৰা মানুহ দুটাই বস্তুবোৰ তুলি থকাৰ সময়তে সিহঁত গৈ পাইছিল। মিৰদান বাইদেউৰ দেউতাকে ব্যস্ততাৰ মাজতে সুধিছিল, মাৰাহঁত অহা নাই নেকি?

চাৰলংকিয়ে উত্তৰ দিছিল, আহিছে। কিন্তু মানুহে দেখিব বুলি আদবাটতে লুকাই আছে।

এসময়ত বয় বস্তু তুলি হ'লত সকলোবোৰ গাড়ীত বহিল।ট্ৰাকখন ষ্টাৰ্ট দিয়া হ'ল। মিৰদান বাইদেউৰ দেউতাকে ট্ৰাক ড্ৰাইভাৰজনৰ লগতে সিহঁত দুটাক বহিবলৈ দিলে। কাপোৰৰ মোনাখন লৈ হেমাৰী ট্ৰাকখনত বহিলগৈ। চাৰলংকি ৰৈ থাকিল। কোনোবাই শুনিব বুলি হেমাৰীয়ে চেপা মাতেৰে যিমান পাৰে ডাঙৰকৈ সুধিলে,"নুঠ কিয়?পোহৰ হবই এতিয়া!"

"তই যা,মই ইয়াতে থাকিম"

হেমাৰীৰ চকু বহল হৈ গ'ল। কি কয় চাৰলংকিয়ে! একেলগে বাইদেউৰ লগত যাব,বাইদেউৰ তত্বাবধানত দুয়ো পঢ়া

শুনা কৰিব...এই সিদ্ধান্তটো হৈ গৈছে!!

চাৰলংকি মূৰ্তিৰ দৰে ৰৈ থাকিল। তাক বুজাই বঢ়াই সৈমান কৰিবলৈ তেতিয়া কাৰো সময় নাছিল। হেমাৰী খং, অভিমান আৰু ঘৃণাত মৌন হৈ পৰিল। এইবোৰ মানুহ চাৰলংকিয়ে এৰিব নোখোজে তেনে! এয়াই তাৰ বাইদেউৰ প্ৰতি থকা অগাধ ভালপোৱা! তাৰ চকুফাটি পানী ওলাল। বুকুৰ আপোন বন্ধুটো তাৰ পৰা যেন বহুদূৰ আঁতৰি গ'ল।

মিৰদান বাইদেৱে কিন্তু কিবা এটা বুজিছিল। তেওঁ গাড়ীৰ পৰা নামি আহি চাৰলংকিৰ মূৰত হাত ফুৰাইছিল। বনকৰা মানুহটোক কৈ গাড়ীৰ পৰা কিতাপ ভৰ্তি কাগজৰ কাৰ্টন দুটা নমাই চাৰলংকিক গটাই দিছিল আৰু এবাৰো পিছলৈ উভতি নোচোৱাকৈ গাড়ীত বহিছিলগৈ।

ঘন কুঁৱলীৰ মাজত, পোহৰ নৌহওঁতেই শূন্য ঘৰ এখনৰ মাজ চোতালত চাৰলংকিক এৰি হেমাৰী, মিৰদান বাইদেউহঁত গুছি গৈছিল।

০০ ০০ ০০

তাৰ দুবছৰৰ পাছত হেমাৰীৰ মাক ঢুকাইছিল। গাওঁখনৰ প্ৰতি থকা শেষ আকৰ্ষণকণো সি সেইদিনাই হেৰুৱাইছিল।

ইচ্ছা কৰিয়েই চাৰলংকিক কোনোদিন মনত নেপেলাবলৈ প্ৰতিজ্ঞা কৰি সি সেই গাঁৱৰ স্মৃতিকোঠা তলাবন্ধ কৰি পেলাইছিল।পিছে বাছাপীক সি অভাবনীয় ভাবে লগ পাইছিল।তাইকে সি বিয়াও কৰাইছিল।পিছে আজি পোন্ধৰ বছৰে সিহঁতৰ সংসাৰলৈ কোনো সৰগীয় উপহাৰ নাহিল।

চাৰলংকি তেনে কলেজীয়া ল'ৰাৰ দেউতাক হ'ল!

ডাক্তৰে নিজেই নিজকে ক'লে।

একালত মৰাপাটৰ ৰচী বান্ধি হাফপেন্টটো কঁকালত ধৰি ৰখা হেমাৰী আজি কোট পেন্ট পৰিহিত ডাক্তৰ হেমাৰী হৈ নিজৰ ওপজা গাওঁখনলৈ আহিছে। বাছাপী উত্তেজনাত বিহ্বল হৈ পৰিছে। কিন্তু তাই মনৰ ভাব ভগাই লব পৰাকৈ ডাক্তৰ হেমাৰীৰ মুখৰ ৰেখাবোৰ সুবিধাজনক নহয়। হেমাৰী নিৰ্বিকাৰ, গহীন। আৰামদায়ক জীৱন এটাৰ চিন হৈ তাৰ থুঁতৰিটো, গলধনটো আনকি গোটেই মানুহটোৱেই মঙহাল থেঁকেৰা এটা যেন হৈ পৰিছে। বাছাপীয়ে বহুবছৰৰ পাছত পিনি পেকক্ পিন্ধিছে। তাই যেন সৌ তাহানিৰ সৰু ছোৱালীজনী হৈ এইমাত্ৰ উচ্ছাসত ফাটি পৰিব!

"নন্দন বন"ত তেতিয়া প্ৰাৰ্থনা সভাৰ আয়োজন। দীঘল পদূলিটোৰ নঙলা মুখত অকলেই সি ৰৈ আছিল। হেমাৰীহঁত গাড়ীৰ পৰা নমাৰ লগে লগেই অনিন্দ্যৰ মুখখন পোহৰ হৈ উঠিল। হেমাৰীৰ ভৰি চুবলৈ হাউলিব খোজা কিশোৰটোক সি থাপ মাৰি ধৰিলে। বুকুত সাবটি লৈ ক'লে, সৰু চাৰলংকিটো মোৰ। বাছাপীয়ে কান্দিছিল, নে হাঁহিছিল হেমাৰীয়ে ধৰিব পৰা নাছিল। বহুপৰ তাই মৰমলগা কেঁকুৰা চুলিৰ ল'ৰাটোক বুকুত সাবটি লৈছিল। নাকেৰে উজাই লৈছিল যেন সন্তানৰ গোন্ধ।

চাৰলংকিয়ে নন্দন বন নহয় যেন অম্ৰাৱতীহে সাজিছিল। পাতবাহাৰ আৰু চেৰা তামোলৰ গছবোৰে দীঘল পদূলিটোৰ দুয়োকাষে শাৰী শাৰীকৈ ৰৈ হেমাৰীক আদৰিছিল। তুলসী, তমাল, খঁৰিকাজাঁই, লতাগোলাপ, অপৰাজিতা, নয়নতৰা, পাৰিজাত, ভিন্নৰঙী জবা আৰু সোণবৰণীয়া নাৰ্জী ফুলেৰে চৌহদটো জোনাক হৈ আছিল। আম,বকুল আৰু আমলখি গছবোৰ পাটগাভৰু হবলৈ আৰম্ভ কৰিছিল। দোঁ খাই থকা শেৱালিজোপাৰ তলত তেতিয়াও অৱশিষ্ট কেইপাহ মান ফুল সৰি আছিল। হেমাৰী আৰু বাছাপীক অনিন্দ্যই নি সভাঘৰত বহুৱালেগৈ। মাটিৰ মজিয়াত দলিছা পাৰি মানুহ বহাৰ ব্যৱস্থা কৰা হৈছিল। ফুল, ধূপ আৰু ধূণাৰ সুগন্ধিৰে কোঠাটো মন্দিৰ হৈ পৰিছিল। হেমাৰীয়ে চকু ফুৰাই দেখিলে, কোঠাটোৰ একোণত মিৰদান বাইদেউৰ ফটোৰ সন্মুখত ধূপ আৰু এগচি বন্তি জলিছে। থলপদ্ম ফুলেৰে সজাই দিয়া হৈছে সেই দেৱীৰ বেদী।

প্ৰাৰ্থনা সভা শেষ কৰি চাৰলংকি সভাঘৰটোলৈ সোমাই আহিল। ল'ৰা-ছোৱালীহঁত নিজ নিজ কোঠালৈ গ'ল। কোনোবাই কোনোবাই নাচ গানৰ কাৰণে সাজু হ'ল।

হেমাৰী বহাৰ পৰা থিয় হ'ল। অনিন্দ্যই দেউতাকক হাতত ধৰি হেমাৰীৰ ওচৰলৈ লৈ গ'ল আৰু কঁপিব খোজা মাতটো কোনোমতে সুস্থিৰ কৰি ক'লে,"দেউতা,এয়া আমাৰ আজিৰ মুখ্য অতিথি। মই যে কৈছিলো। তোমাৰ বাবে এটা চাৰপ্ৰাইজ আছে। এখেত হেমাৰী তাৰৈদেউ দেউতা।"

চাৰলংকিয়ে নমস্কাৰৰ ভংগিমাত যোৰ কৰি থকা হাত দুখন হেমাৰীয়ে খামুচি ধৰিলে। হেমাৰী সৰু ল'ৰাৰ দৰে ফেঁকুৰি

উঠিল। চাৰলংকিয়ে তাৰ তাহানিৰ বন্ধুটোক সাবটি ধৰি সৰু ল'ৰাক বুজোৱাৰ দৰে বুজাব ধৰিলে,"জান হেমাৰী,মই ইয়াতে ৰৈ যোৱাটো বেছি দৰকাৰী আছিল। আমাৰ দুইটাকে যদি বাইদেউহঁতে লৈ গ'ল হেঁতেন, তেতিয়া আমাৰ গাওঁখনত আমাৰ ল'ছালীহঁতক মিৰদান বাইদেৱে আমাক শিকোৱা ভাল কথাবোৰ কোনে শিকালেহেঁতেন ক চোন?"

হেমাৰীয়ে চচমাযোৰ খুলি চাৰলংকিলৈ চালে। হয় হয়,গাঁৱত থাকি সি ভাল কৰিলে। অকল ভাল কৰাই নহয়, হেমাৰীতকৈ চাৰলংকি যেন বহুত ওখ হৈ গ'ল। ঘৰৰ মূধচ ভেদি তাৰ চুলিবোৰে যেন আকাশ চুলেগৈ।

বাছাপীয়ে চাৰলংকিৰ বাহুত চিকুট মাৰি দিলে। এইবাৰ সি বাছাপীক সাবটি ধৰিলে, তাইৰ চুলিত হাত বোলাই দিলে। তাই হেঁপাহ পলুৱাই কান্দি ললে।

অনিন্দ্যই দেখিলে, মাজ বয়সীয়া তিনিটা বন্ধু সৌ তাহানিৰ শিশু হৈ পৰিছে।

যথা সময়ত সভা আৰম্ভ হ'ল। নন্দন বনৰ আজি পঞ্চম প্ৰতিষ্ঠা দিবস। জোনালী মিলিকপীৰ বৰগীত, প্ৰভাকৰ মুণ্ডাৰ দলৰ ওজাপালি। চতুৰ্থ শ্ৰেণীৰ ল'ৰাহঁতে কৰা শোণিত কুঁৱৰী নাটৰ এছোৱা, মানসিং চাৰৰ স্মৃতিত পঞ্চম শ্ৰেণীৰ ছোৱালীহঁতে গোৱা সমবেত সংগীত শুনি, দেখি হেমাৰীয়ে আকৌ এবাৰ চকু মোহাৰিলে। মনতে ক'লে,ভাল কৰিলি, চাৰলংকি এই গাঁৱত ৰৈ গৈ তই বৰ ভাল কৰিলি। মিৰদান বাইদেউৰ ফটো তাৰ ঘৰৰ দেৱালতো ওলমি আছে। কিন্তু চাৰলংকিৰ দৰে বাইদেউক সি এনেকৈ ৰাখিব পাৰিলেহেঁতেন নে? নাই নাই। কেতিয়াও নোৱাৰিলেহেঁতেন।

দখনা, পেকক্,শাড়ী আৰু চাদৰ মেখেলা পিন্ধা মাকবোৰ,চুৰিয়া লংপেন্ট পিন্ধা দেউতাকবোৰ আহি ল'ৰা ছোৱালীবোৰক উৎসাহিত কৰিলে। অনুষ্ঠানৰ মাজতে প্ৰাচীৰ পত্ৰিকা উন্মোচন হ'ল।হেমাৰীয়ে উদ্বোধন কৰিলে সৰু সৰু ল'ৰা ছোৱলীহঁতে নিজ হাতে সজা ডলা চালনী, খালৈ-জাকৈ, অকণ অকণ ফ্ৰক, চাৰ্ট, পুতলা, অপৈণত হাতেৰে আঁকা মিৰদান বাইদেউৰ ছবিৰে এখন সৰু প্ৰদৰ্শনী। সি অভিভূত হ'ল। বিস্মিত হ'ল। চাৰলংকিয়ে তেনে এনেকৈ জীৱনৰ সাধনা কৰিছে! কি শিকোৱা নাই সি ইয়াত। প্ৰতিটো কণমানিৰে মুখবোৰ সৰল অথচ আত্মবিশ্বাসেৰে উজ্জ্বল।

চাৰলংকিয়ে মিৰদান বাইদেউৰ সপোনবোৰ এনেকৈয়ে আগুৱাই নিচে তেনে!

উভতিবৰ পৰত হেমাৰীয়ে শিক্ষকৰ জিৰণি কোঠাত বহি থকা হুণমিলিক চাবলৈ গ'ল। হুণমিলিৰ দৃষ্টি ধূসৰ। কিন্তু মুখখন পোহৰ।কাণত ৰূপৰ থুৰীয়া। পুতেকৰ গৌৰবত গৰ্বিনী মাক এজনী। তাই হেমাৰীক একেবাৰতে চিনি পালে। আঁঠুকাঢ়ি বহি লৈ সি হুণমিলিৰ হাতত চুমা খালে। পৃথিবীৰ সকলো মাকৰে গোন্ধ কিজানি একেই। মৃতা মাকৰ হেৰাই যোৱা গোন্ধটো যেন হুণমিলিৰ গাত লিপিট খাই আছিল। এই গোন্ধ হেমাৰীয়ে হেৰুৱাব নোখোজে।

কাষতে ৰৈ থকা চাৰলংকিলৈ চাই হেমাৰীয়ে তাহানিৰ অঁকৰা ল'ৰাটোৰ দৰে ক'লে,"মই আকৌ আহিম ইয়ালৈ। একেবাৰে টালি টোপোলা বান্ধি। তোৰ গোটেই ল'ৰা ছোৱালীবোৰ আমি দুইটাই সমানে ভগাই লম। দিবিনে?"

সি যেন সৰু ল'ৰা দুটাই মাৰ্বলবোৰ সমানে ভগাই লোৱাৰ কথাহে ক'লে!

চাৰলংকিয়ে হেমাৰীৰ বাহুত লাহেকৈ ঘুঁচিয়াই দিলে।

অনিন্দ্য কোঠাটোৰ পৰা বাহিৰলৈ ওলাই আহিল। সি এতিয়া ডেকা হৈছে। য'তে ত'তে চকুপানী ওলালে তাৰ আজিকালি বৰ লাজ লাগে।

# অস্তিত্ব জীৱনৰ

**ৰীতা বৰা**

"মন কঁপে দুৰু দুৰু বেলি সৌ
ডুবু ডুবু আকাশত...চাই ৰলা নিলগলে
আহিবা কেতিয়া তুমি আবেগত
কপে মন দুৰু দুৰু....."

বাহিৰত কাম কৰি থকা লৰাটোৰ মবাইলত বাজি থকা তাইৰ প্ৰিয় গায়ক পুলক বেনাৰ্জীৰ এই গানটোত তাই মানে গায়ত্ৰী বাস্তবলৈ ঘূৰি আহিল। কিমান সময় যে তাই ডুবিবলৈ ধৰা বেলিটো চাই আপান পাহৰা হৈ আছিল! ঘৰখন নিজান হৈ আছে। ল'ৰা-ছোৱালী পঢ়িবলৈ বাহিৰলৈ ওলাই যোৱাৰ পাছৰে পৰা কাম বহু কমিল। সদায় আবেলী পশ্চিম আকাশৰ হেঙুলীবৰণহোৱা মনাৰমখিনি উপভোগ কৰিবলৈ বেলকনীৰ এই ঠাইকণ নিগাজি হৈ পৰিছে। আজি এই পৰিবেশৰ লগত মিলি যোৱা গানটোত তাই উচাপ্ খাই উঠিল..। কিমানবাৰ এই গানটো শুনি শুনি বিভোৰ হৈ আছিল সেই সময়খিনিত! কিমান বছৰৰ পাছত বাৰু আজি তাই শুনিলে সেই গান....একেই পৰিবেশ...একেই আকাশৰ ৰং....আছেনে বাৰু সেই আবেগ! হিচাপ কৰি চালে হয় পুৰা ২৩ বছৰৰ পাছত আজি গানটো শুনিছে....পৰিবেশ মিলি গৈছে বেলিৰ ৰং একেই আছে...আকাশৰ ৰঙো একেই আছে...মাথো সলনি হল সময়ৰ...আবেগৰ....জীৱনৰ...

মনত ভাহি আহিল সেই সময়বোৰ....এটা নাম প্ৰিয়ানুজ.....প্ৰিয়ম....তাইৰ পৰিপক্ক সময়ৰ সফল প্ৰেমিক আৰু আজিৰ স্বামী প্ৰিয়ানুজ কাশ্যপৰ মুখ..। হৃদয়ৰ সমস্ত আকুলতাৰে সুদুৰ শিৱসাগৰৰ এক অখ্যাত গাঁৱত তাই বাট চাই থাকে প্ৰিয়মলৈ....প্ৰিয়মৰ চিঠি লৈ...কাষৰ টেবুল থকা টেপৰেকৰ্ডাৰত বাজি থাকে সেই গান।

কেনেকৈ লগ পাইছিল তাই প্ৰিয়মক?

বি.এ. পৰীক্ষাৰ পাছত তেজপুৰত থকা ককায়েকৰ ঘৰত থাকিবলৈ আহিছিল তাই। সেই ককায়েকৰ ঘৰত থাকোতেই ওচৰৰ এঘৰ মানুহৰ ঘৰত বিয়া এখন খাবলৈ ককায়েক-বৌয়েকৰ লগত যাব লগা হৈছিল। নিজৰ ইচ্ছাৰ অবিহনেই বিয়ালৈ গৈছিল। কোনো চিনাকি মানুহ নথকা বিয়াখনত বৌয়েকৰ লগত বহি আছিল এঠাইত। সেই দিনা জনাই নাছিল যে অজ্ঞাতে এযোৰ চকুৱে লক্ষ্য কৰি আছিল। আনকি বৌয়েকেও জনা নাছিল।

সেই সময়ত পাতল, লাহি উজ্জ্বল বগা ৰঙেৰে ককাললৈকে বৈ পৰা একোছা ঘন কলা চুলিৰে

সেইজনী গায়ত্ৰী। সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ আছিল সেই বিয়াঘৰখনত।

হয়তো ফাগুন, এসোপা ৰঙ লৈ সেই দিনা চৌদিশে সিচিবলৈ সাজু হৈছিল, অজ্ঞাতে।

নিৰ্দিষ্টসময়ত সিহঁত বিয়া ঘৰৰ পৰা উভতি আহিছিল। এৰি থৈ আহিছিল অজানিতে এক সম্ভাবনাৰ জোৱাৰ।

বিয়ালৈ যোৱাৰ কথা পাহৰিয়ে পেলাইছিল। তাৰ দুদিনমান পাছত ককায়েক বজাৰলৈ যাওঁতে যিঘৰ মানুহৰ ঘৰত বিয়া খাবলৈ গৈছিল, সেই মানুহ ঘৰৰ এজন সদস্য লগ পালে। তাতে ককায়েকক লগ কৰি তেওঁ ক'লে, "কথা এটা আছিল।"

কি কথা বুলি ককায়েকে সোধাত, মানুহজনে সকলো কৈছিল। কেনেকৈ সেইদিনা এজন লৰাই তাই মানে গুণক চাই আছিল, আৰু সেই লৰাজনে বিয়া কৰাব বিচাৰে। তেওঁ লোকৰ কিবা আপত্তি আছে নেকি। ল'ৰাৰ সকলো ভাল গুণ, গৰিমা মানুহজনে ককায়েকৰ আগত বিশ্লেষণ কৰি গ'ল।

একেষাৰেই ককায়েক মান্তি হৈ গৈছিল। আৰু ল'ৰাজনক ককায়েকে ঘৰলৈ নিমন্ত্ৰণ দিছিল।

ঘৰত আহি ককায়েকে বৌয়েকৰ আগত সকলো কৈছিল। বৌয়েকে তাইক সুধিছিল সেইদিনা বিয়াঘৰত কোনো ল'ৰা তাইৰ চকুত পৰিছিল নেকি?..তাই ৰ মনত নাই ...কোন লৰা হব পাৰে বাৰু!! যি মনে মনে পচন্দ কৰিছিল তাইক!!

ৰাতি লৈ যিজন মানুহৰ আগত প্ৰিয়ানুজে তাইক ভাল লাগিছে বুলি কৈছিল তেওঁ আহিল। দাদাক বৌয়েকৰ লগত কি কথা পাতিছে শুনিবলৈ তাই কাষৰ ৰুমটোত কাণ পাতি থাকিল। তেওঁ প্ৰিয়ানুজৰ বিষয়ে বহু কথা ক'লে, বহুত ভাল লৰা, একো বেয়া বস্তু নাখায়, স্বভাৱ চৰিত্ৰ ভাল, গতিকে তেওঁলোকে মানে দাদাকক ভাবিবলৈ ক'লে। কথাবোৰ শুনি তাই ৰ ভাল লাগিল, মদ খোৱা মানুহ ভাল নাপায়। সেই কাৰণে তাইৰ বিয়া বুলিলেই ভয় লাগে, লৰাই মদ-ভাঙ খাই যদি পাছত তাই কি কৰিব। তাৰ বিষয়ে কোৱা কথাবোৰ শুনি তাইৰ অজানিতে যেন বুকুত এক শিহৰণ বৈ গল। তাই মনটোয়ে তাইক যেন কৈছে। তোৰ সপোনৰ সদাগৰ তোৰ নিচেই কাষত।

তাই মনত পেলাবলৈ যত্ন কৰিলে, কোনটো ল'ৰা হব পাৰে। নাই তাইৰ মনত নাই, অথচ মানুহজনে কৈছে লৰাই তাইক একেবাৰেই ওচৰৰ পৰা দেখিছ। তাই হে নাচালে নে। জীৱনত দ্বিতীয়বাৰ তাই বুকুত আবেগৰ নদীৰ ঢল নামিছিল, আৰম্ভণীতেই শেষ হৈ গ'ল। ইতিমধ্যে তাইৰ ঘৰলৈ যোৱাৰ সময় ওচৰ চাপি আহিল। আবেলি কলিঙবেলৰ শব্দত বৌয়েকে দুৱাৰ খোলা তাই শুনিবলৈ পালে। বৌয়েক কিবা কথাত বৰ খুচ যেন লাগিল তাইৰ। বাহিৰলৈ আহি পৰ্দাৰ ফাকেৰে তাই দেখা পালে সেই মানুহজন, যাৰ ঘৰত তাই বিয়া খাবলৈ গৈছিল। আৰু শুনা পালে প্ৰিয়ম আৰু তাইৰ অতি সুন্দৰ যোৱা আহিছে। গতিকে এতিয়া সি আগবাঢ়িব আৰু। বৌয়েকে লৰাক এদিন আহিবলৈ ক'লে। তাই বহু দেৰিলৈকে কবনোৱাৰা হৈ আছিল কাণেৰে কি শুনিবলৈ পালে তাই। নিজৰ ওপৰতে খঙো উঠিল, নেদেখা নজনা ল'ৰা এটাৰ বাবে কি ইমান আকুলতা!! হয়তো প্ৰেম এনেকুৱাই।।

"এখোজ দুখোজ তুমি
নিচেই কাষত।
উলাহে নধৰে মোৰ বুকুৰ মাজত"

"প্ৰেমৰ উপহাৰ লৈ আগবাঢ়ি অহা পুৰুষক কোনো নাৰীয়ে উপেক্ষা কৰিব পাৰেনে হৃদয়েৰে!!" নোৱাৰে। সেয়ে তাইও নোৱাৰিলে। এদিন ল'ৰাটো মানে প্ৰিয়ম তাইৰ দাদাকৰ ঘৰলৈ আহিল। পুৰুষ সুলভ চেহেৰাৰ অধিকাৰী প্ৰিয়মক তাই ভাল লাগিল। ভাল লাগিল তাৰ কথা, তাৰ তাইৰ প্ৰতি গঢ়ি উঠা বিশ্বাস, ভালপোৱাত। তাইও কথা দিলে, প্ৰতিশ্ৰুতি দিলে তাৰ আকুলতাত। দাদাক বৌয়েকৰও আপত্তি কৰিব লগা একো নাথাকিল। তাই তাত থকা দিনকেইটাত সি কেইবাদিনো তাইৰ ওচৰলৈ গ'ল। লাহে লাহে তাই সহজ হৈ পৰিল তাৰ লগত কথা পাতি। স্বভাবতে চঞ্চল তাই, কথাই প্ৰতি খিল-খিলাই হাঁহি থকা তাই ক দাদাক বৌয়েকে বাৰে বাৰে সকিয়াই থাকিল বেছি কথা নহ'বলৈ। কাৰণ তেতিয়ালৈকে তাৰ ঘৰৰ মানুহ অহাই নাছিল। কেৱল ল'ৰাৰ কথাতে তেওঁলোক পতিয়ন যাব পৰা নাছিল তেতিয়ালৈকে।

তাইক ঘৰলৈ নিবলে দেউতাক আহিল, দেউতাকৰ লগতো সি কথা পাতিলে। দেউতাইও বেয়া নাপালে। মাত্ৰ ক'লে তাৰ ঘৰৰ মানুহৰ লগত কথা পতিব। যিহেতু তাৰ মাক দেউতাক আছে, তেওঁলোকৰ সন্মতি থাকিব লাগিব। সি তাৰ ঘৰৰ মানুহ শিৱসাগৰলৈ যাব বুলি কথা দিলে। তাই ঘৰলৈ যোৱাৰ আগদিনা সি আহিল তাইক লগ পাবলৈ। বাহিৰৰ ৰুমত বহি সি তাইক কৈছিল, তাৰ কেইটামান কথা আছে তাইক কবলৈ। তাই ক'বলৈ কৈছিল। সি পুনৰ কলে "তুমি কথাবোৰ সহজে লব পাৰিবানে ।" পুনৰ তাই বুকুত খুন্দা খালে। এনে কি কথা হব যাৰ বাবে সি এনেদৰে কব লগা হ'ল। তাক ইতিমধ্যে তাইৰ বুকুত নিগাজি কৰিছে। এনে কি কথা হ'ব যি তাই হজম কৰিব নোৱাৰিব। তাৰ যি কোনো কথা সামৰিব পৰাকৈ তাই যে এতিয়া সাহসী হৈ উঠিছে সি চাগৈ বুজিয়েই পোৱা নাই। তাই তাক ক'লে তাৰ যিমান কথা আছে তাইৰ আগত সি ক'ব পাৰে। ইমান জটিল মনৰ ছোৱালী নহয় তাই। সি ক'লে, " তুমি যেতিয়া মোৰ জীৱনলৈ আহিবাই, মোৰ কোনো গোপন অধ্যায় তোমাৰ ওচৰত নাৰাখো। তুমি শুনা ইয়াৰ আগতে এজনী ছোৱালীৰ লগত মোৰ এক গভীৰ সম্পৰ্ক আছিল। হ'ব লগ বিয়া নহ'ল।" তাই চক খাই গল। তাই ভাবিছিল তাৰ জীৱনত তাইয়েই প্ৰথম নাৰী। তাৰ গভীৰ ব্যক্তিত্ব গহীন স্বভাৱ দেখি তাই ভাবিবই পৰা নাছিল যে সি তাইক পোৱাৰ আগতেই হৃদয় ভাঙি থৈছে। তাই নিজক বুজালে, তাই পাৰিবৈ লাগিব, উদাৰ হ'ব। হৃদয় পুনৰ গঢ়িবলৈ সি তাইৰ হাত বিছাৰি আহিছে। তাক তাই নিৰাশ নকৰে। কৈছিল, কলেজীয়া জীৱনত সকলোৰে জীৱনত কম বেছি পৰিমানে থাকেই এইবোৰ। গতিকে এইবোৰত তাই ইমান গুৰুত্ব দিব লাগিবই বুলি তাই নাভাবে। আৰু ক'লে তাইৰও আছিল। আজি সেই লৰাটোৰ চেহেৰাই পাহৰিলে।

কলেজৰ দিনৰ সেই বাটৰ প্ৰেম বাটতে শেষ। ঘৰৰ মানুহৰ ভয়ত, দাদাকৰ ভয়ত তাই সেইবোৰ বাদ দিছিল। তাই প্ৰিয়মক জনাই দিলে, যে সেইবোৰ কথা তাই নুশুনে, অতীত অতীতেই। অতীতক লৈ তাই জীয়াই নাথাকে। অনাগত দিনৰ সপোন ৰচিহে তাই ভাল পায়। তথাপিও সি কৈছিল তাৰ কথাবোৰ শুনিবলৈ। নহ'লে হেনো তাই পাছত কষ্ট পাব আনৰ পৰা যদি শুনিবলৈ পায়। তথাপিও তাই এই কথাবোৰ বেছি আগ নবঢ়ালে। মাত্ৰ তাই প্ৰিয়মক ভাল পায় আগত কি আছিল নিবিচাৰে তাই। তাইৰ হাতখন তাৰ দুই হাতৰ মাজত লৈ যাবৰ সময়ত সি কৈ গ'ল, তোমাৰ দৰেই জীৱন সংগী বিচাৰিছিলোঁ মই, তুমি মোক সংগ দিলে মই জীৱনত বহু কিবা কৰিব পাৰিম। সীমাহীন প্ৰতিশ্ৰুতিৰে বুকু গধুৰ কৰি তাই ঘৰলৈ উভতিছিল। কাণত বাজিছিল সেই গীত। গানৰ কথাবোৰে যেন তাইক কৈ দিছে তাৰ মনৰ কথা।

"হয়তো তুমিয়েই মোৰ জীৱনৰ প্ৰথম পুৰতি নিশা
হয়তো বা তুমি, তুমিয়েই মোৰ সূৰ্য হেৰাই যোৱা,
তোমাৰ বলেৰে হৱওতু পাৰে এইবাৰ ঘৰ সজা।"
"তুমি কৈছিলা আমাৰ সপোন এদিন সফল হ'ব
বন্দী সজাৰ দুৱাৰ ভাঙি দুটি পখী উৰি যাব।"

তাৰ পিছত দিনবোৰ বৰ বিষাক্ত হৈ পৰিল তাইৰ বাবে। সি তেজপুৰত তাই শিৱসাগৰত, তাক লগ পাবলৈ মনটোয়ে হাহাকাৰ কৰি থাকিবলৈ ল'লে। আহিম বুলি কৈওঁ অহা নাছিল। ইতিমধ্যে তাইৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল। অৰ্থনীতিত মেজৰ ৰাখি তাই ডিগ্ৰী লাভ কৰিলে। তাইৰ এম.এ. পঢ়াৰ ইচ্ছা আছিল যদিও ঘৰত তাইৰ বিয়াৰ কথাহে বেছিকৈ আগবাঢ়িবলৈ ধৰিলে। বিবাহযোগ্য ল'ৰাৰ সঘনে প্ৰস্তাৱ আহিবলৈ ধৰিলে। এনেসময়তে এদিন প্ৰিয়ম গৈ তাইৰ ঘৰ ওলাল।

উলাহে নধৰা হল তাইৰ। মাকৰো তাক ভাল লাগিল। কিন্তু তাইকহে বেছি কথা পাতিবলৈ দিয়া নাছিল। সৰুৰে পৰা সিহঁত বৰ কাঢ়া শাসনত ডাঙৰ হৈছে। তাইৰ মাত্ৰ খোৱা বোৱা দিয়েই থাকিল। কথা হল অতি সোনকালেই সি ঘৰৰ মানুহ আনিব, বিয়াৰ কথা ঠিক কৰিবলৈ।

সেইবাৰ আহি যোৱাৰ পাছত বহুদিন তাৰ খবৰ নোহোৱা হ'ল। তাইৰ দাদকো আন ঠাইলৈ চাকৰি সূত্ৰে বেলেগ ঠাইলৈ গুচি গ'ল। খবৰ পোৱাৰ কোনো উপায় নাথাকিল তাইৰ। এদিন তাইৰ নামত এখন চিঠি আহিল প্ৰিয়মৰ। বুকুৰ সমস্ত আৱেগেৰে তাই প্ৰিয়মৰ চিঠি পঢ়ে। ঘৰৰ আনে নেদেখাকৈ বহু সময় চিঠিখন তাই বুকুত সাৱটি লৈ থাকে, চুমা খায়, বাৰে বাৰে পঢ়ে।

আছেনে বাৰু তাৰো তাইৰ প্ৰতি এনে আবেগ। যদি আছে সি কেনেকৈ থাকিব পাৰে এবাৰো তাইৰ ওচৰলৈ নহাকৈ। দিনেদিনে ঘৰত তাইৰ বিয়াৰ কথা বাঢ়ি যাবলৈ ধৰিলে। তাৰ চিঠিৰ পৰা জানিব পাৰিলে সি ঘৰত এতিয়াও কথাবোৰ ক'ব পৰা নাই। কাৰণ তাৰ আৰ্থিক অৱস্থা তেতিয়ালৈকে বৰ ভাল হোৱা নাই। লাহে লাহে সি ঘৰত জনাম বুলি ক'লে। তাইৰ মূৰত যেন সৰগ ভাগি পৰিল। দেউতাকে মানিব জানো তাইৰ কথা। কিয় সি ঘৰত কথাবোৰ কোৱা নাই। নে তাক লৈ তাইহে বেছিকৈ সপোন দেখিলে। তাই কৰবাত পাইছিল "বিয়া সেই জনক কৰোৱা যি তোমাক ভালপায়, তুমি যাক ভালপোৱা তেওঁক নহয়।"

ডুলিয়াজানৰ এঘৰ মানুহৰ লগত তাইৰ বিয়াৰ কথা চলিছে। তাইৰ মূৰে কম নকৰা হ'ল। তাই মাকক ক'লে যদি বেছি জোৰ কৰা আনৰ লগত বিয়া হ'বলে, মনে মনে তাই প্ৰিয়মলৈ গুচি যাব, নহ'লে বিহ খাই মৰি যাব। কেতিয়াও তাৰ বাদে আন লৰা বিয়া নকৰায়। মাকে কৈছিল, "আমিতো নিদিওঁ বুলি কোৱা নাই, সি কিয় ঘৰৰ মানুহ আজিলৈকে আনিব পৰা নাই।" আৰু কৈছিল, "তাৰ মাকে তোক কলৰ তলৰ পৰা আদৰি নিলেহে সেইখন ঘৰতেই সুখী হ'ব পাৰিবি।" মাকৰ কথা শুনি তাই থৰে থৰ ৰ'ল।

ভয় তাইৰো লাগিছিল। কি হ'ল তাৰ ....। সি এদিন আহিল। লৈ আহিছে বহু আশাৰ বতৰা। ঘৰৰ মানুহ আহিব, আঙঠি পিন্ধাবলৈ। তেতিয়ালৈকে তাই তাৰ ঘৰৰ মানুহ লগ পোৱা নাছিল, আৰু তাইকো তাৰ ঘৰৰ মানুহে দেখা নাছিল। সি তাইক কৈছিল সপোন সফল হ'বলৈ আগবাঢ়িছে। তাক বহুত সুখী যেন লাগিছে তাইৰ। মুৰত আকাশ ভাগি পৰা লৰাটোক তাই দুহাতেৰে তুলি ধৰিবলৈ তাই নিজক সাজু কৰিলে। তেতিয়ালৈ ঘৰৰ মানুহে তাৰ লগত কথা পাতিবলৈ দিছিল। তাইৰ হাত দুখন স্পৰ্শ কৰাৰ বাদে সি তাই ৰ বেছি ওচৰ চপা নাছিল। তাইও বহু সংস্কাৰৰ মাজত ডাঙৰ হোৱা। বিয়াৰ আগৰ সেই

দিনবোৰত প্ৰেমৰ গভীৰতা হৃদয়তহে আছিল, দেহত নহয়। দৈহিক প্ৰেমক প্ৰশ্ৰয় নিদিয়াকৈ থকাটোয়ে তাইৰ বাবে প্ৰেমৰ সফলতা। ব'হাগৰ কোনোবা এটা গুৰু বাৰত তাই ৰ আঙঠী পিন্ধোৱাৰ দিন ল'লে।

"হাঁহিবোৰ চিলা হৈ উৰিছে
আকাশ ৰঙীন হৈ নাচিছে
সুখৰ ভৰত ভৰি আহিছে দুচকু"
" ধুমুহাত থান-বান মোৰ প্ৰেমৰ চহৰ
ঘৰ গুচি বাগিচা উচুপি উচুপি
কাইটে তিয়ালে মোৰ বুকুৰ ভিতৰ"

কেতিয়া থান-বান হৈছিল তাইৰ প্ৰেমৰ ঘৰ !!! ভাবিছিল নে তাই বিয়াৰ আগতে। গোটেই জীৱন জুৰি কঢ়িয়াই লৈ ফুৰিব লাগিব আধাপুৰা কলিজাৰ বোজা।

প্ৰথম এই খনঘৰত ভৰি থৈ তাই অনুভৱ কৰিছিল যিমান সহজ বুলি ভাবিছিল প্ৰিয়মৰ ঘৰৰ মানুহ, তাতকৈ বহু বেছি জটিল আছিল।

তথাপি তাই তাৰ ঘৰখনৰ লগত মিলি যাবলৈ চেষ্টা কৰিলে। কাৰণ তাই নিজৰ ইচ্ছাৰে প্ৰিয়মৰ লগত বিয়া হৈছে। তাই নিজেই পথ সহজ কৰি লব লাগিব। তাইৰ ঘৰৰ মানুহৰ আগত তাই প্ৰিয়ম ঘৰখন ভাল বুলি শলাগ ল'লে। নিজেও তাৰ ঘৰৰ প্ৰতিজন সদস্যৰ মনত সোমাবলৈ চেষ্টা কৰি গ'ল।

প্ৰিয়মকো তাই বেছিকৈ বুজিবলৈ চেষ্টা কৰি গ'ল। কাৰণ বিয়াৰ আগতে তাৰ লগত বেছিকৈ কথা পাতিবলৈ সুবিধা নাপালে। সি তাইৰ প্ৰতিটো সুবিধা অসুবিধাৰ প্ৰতি সচেতন যেনেই লাগিল তাইৰ। অন্ততঃ তাক লৈ তাইৰ বৰ চিন্তিত নহ'ল। বিয়াৰ এমাহ মান পাছতেই এদিন প্ৰিয়মৰ কঁকালৰ বিষ হ'ল। সি তাইকে দেখাই বেছিকৈ উস, আস কৰি থাকিল। ৰাতি খোৱা-বোৱাৰ পাছত ৰুমলৈ আহি তাই হাতত ভলিনী মলমটো লৈ আলফুলে তাৰ কঁকালত মালিচ কৰি গ'ল।

সি আৰামতে দুচকু মুদি বিছনাত পৰি ৰ'ল। মুখেৰে তাইক জোকাই থাকিল," বুঢ়াই হ'লো ককাল পৰিল আৰু"

তাই হাঁহি হাঁহি তাৰ গাত হাত বুলাই গ'ল। সি কৈ গ'ল

"এইবাৰ তুমি ঘৰলৈ গ'লে তোমাৰ ঘৰত মানুহে কব আৰু ৰিয়াৰ গিৰিয়েকৰ কঁকাল পৰিল।".......মুহূৰ্তত যেন আকাশ খহি পৰিল মূৰত তাইৰ। সিও তলকা মাৰিলে। কোন ৰিয়া?? তাই ভাবিলে সি নিজকে ৰিয়াৰ গিৰিয়েক বুলি ক'লে যে!!!....তাই গায়ত্ৰী, গূণ। তাইৰ উপস্থিত সি নিজক ৰিয়াৰ গিৰিয়েক বুলি কিয় ভাবিলে।

মুখৰ হাঁহি নিমিষতে মাৰ গ'ল তাইৰ, তাৰ পিঠিত পৰি থকা হাতখন আঁতৰাই আনিবলৈ তাই বহুত যেন অনুভৱ কৰিলে। আচৰিত নীৰবতা নামি আহিল দুয়োটাৰে মাজত।......সি বুজিব পাৰিলে তাৰ ভুল।

থাপ মাৰি তাইৰ হাতত ধৰি ৰাখিলে উঠি আহিব খোজাত। তাই একো নকলে মাত্ৰ সুধিলে, " কাৰ গিৰিয়েক আকৌ এবাৰ কোৱা চোন।" ৰিয়া কোন সুধিলে তাই। সি তাইক বুকুত জোৰকৈ সাৱটি লৈ, ...মাফ খুজিলে ..কান্দি দিলে, নতুনকৈ গঢ়িবলৈ লোৱা সংসাৰখন ভাঙি নেপেলাবলৈ তাইৰ ওচৰত অনুনয় বিনয় কৰিবলৈ ধৰিলে।

তাই। মৌন হৈ ৰ'ল। ভাষা বিছাৰি পোৱা নাই, কি কব। লাহে লাহে তাৰ বুকুৰ পৰা ওলাই তাই বাথৰুমলৈ দৌৰিছিল।

বাথৰুমত সোমাই তাই চাৱাৰটো খুলি দিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে তাৰ পূৰ্বৰ প্ৰেমিকাই হয় ৰিয়া। যি তাৰ বুকু থান-বান কৰি জীৱনটো আওল লগাই আঁতৰি গৈছিল অন্য এজনৰ পত্নী হৈ। কিন্তু তাই ভবাই নাছিল যে ইমান প্ৰতাৰণাৰ পাছতো, তাৰ মৰম ভৰিৰে মোহাৰি থৈ যোৱা তাৰ বিশ্বাসঘাতক প্ৰেয়সীৰ নাম তাৰ মনত ৰৈ গ'ল। তাইৰ লগত তিনি বছৰ প্ৰেম কৰি বিয়া হোৱাৰ পাছতো হেৰাই যোৱা নাই তাইৰ নাম তাৰ কলিজাৰ পৰা।

ভুল তাইৰে। সি বিয়াৰ আগতে তাইৰ আগত ক'ব বিচাৰিছিল তাৰ অতীতৰ বিষয়ে। কিন্তু তাই শুনিব নিবিচাৰিলে। ভাবিছিল এইবোৰ প্ৰায় মানুহৰ জীৱনলৈ আহে, তাইৰও আছিল। অথচ আজি সেই লৰাটোৰ চেহেৰাই তাইৰ মনত নাই। প্ৰিয়মক পোৱাৰ পাছত তাৰ বাদে অন্য কোনোবা তাইৰ মনৰ মাজত থকাৰ কথা তাই ভাবিবই নোৱাৰে। তাইৰ মনটো দুখত ভাগি পৰিল। তাৰ জীৱনত তাই ৰিয়াৰ খালি ঠাই পূৰাবলৈ আহিল নেকি?

কিমান দেৰি তাই শ্বাৱাৰ খুলি বহি আছিল মনত নাই। সি তাইৰ জীৱনলৈ অহাৰ পাছত তাই সুখৰ আবেশত নিজকে বিলিন কৰি দিছিল, দুচকুত সপোন সানিছিল, গোটেই পৃথিৱীখন ৰঙীন হৈ পৰিছিল।....আৰু সি এতিয়াও ৰিয়াৰ মোহত আৱদ্ধ হৈ আছে। তাইৰ অস্তিত্ব তাৰ জীৱনত কি ....?

বাথৰুমৰ দুৱাৰ খুলি লাহে লাহে তাই ওলাই আহিল। দেখিলে সি তেতিয়াও শোৱা নাই। তাই লৈ চাই সি ৰৈ আছে ...দুচকুত সমস্ত আকুলতা লৈ। আছে জানো সেই চাৱনি তাইৰ প্ৰতি অৱহেলা!!! তাৰ এনে আহ্বান দুচকুৰ পাৰিবনে তাই উপেক্ষা কৰিব!!!!!

তাই গৈ বিছনাত বহিল .....বহু সময় নীৰবতাই গ্ৰাস কৰি থাকিল। সি আৰম্ভ কৰিলে

"....তোমাক কথাবোৰ মই আগতেই ক'ব বিচাৰিছিলোঁ। তুমি শুনিব নিবিচাৰিলা। আজি তুমি শুনিব লাগিব।...

একো নকৈ তাই মৌন হৈ ৰ'ল।

.....সি কৈ গ'ল....কলেজত পঢ়ি থাকোতে এজনী ছোৱালীৰ লগত তাৰ প্ৰেম হৈছিল। অন্য কেইটামান লৰাই ৰেগিং কৰি থাকোঁতে বচাবলৈ গৈ তাইৰ লগত চিনাকি তাৰ।

সেই চিনাকি পাছলৈ প্ৰেমৰ ৰূপ লৈছিল। সেই সময়ৰ কলেজত সকলোৱে চিনি পাইছিল সেই প্ৰেমিকযুগলক।

ছয় বছৰীয়া প্ৰেমৰ শেষত তাই তাৰ মৰম ভালপোৱা ভৰিৰে গছকি আঁতৰি গৈছিল। দুয়োখন ঘৰে জানিছিল সিহঁতৰ ভালপোৱা। তাইৰ ঘৰত তাৰ অবাধ অহা যোৱা আছিল। সি কৈছিল তাইৰ ঘৰত তাক সম্পূৰ্ণ বিশ্বাস কৰিছিল, ৰিয়াক তাৰ ওচৰত প্ৰায় এৰি দিছিল। তাকো জোঁৱাই দৰেই ভাবিছিল। ......সকলো সম্পৰ্ক শেষ হৈ গৈছিল এদিন।

তাই সুধিছিল যিজনী ছোৱালীয়ে তোমাৰ মৰম ভালপোৱা বুজিব নোৱাৰিলে, তোমাৰ প্ৰেম গচকি বেলেগৰ লগত সংসাৰ কৰিলে সেইজনী ৰিয়াৰ নাম আজিও তোমাৰ মুখত লাগি আছে কিয়??? নে তুমি আজিও তাইক পাহৰিব নোৱাৰিলা .......যদি নোৱাৰিলা পাহৰিব মোৰ কি প্ৰয়োজন আছিল তোমাৰ জীৱনত!!!!!!

...সি কথা দিছিল নাই আৰু কেতিয়াও তাৰ মুখত নুশুনে তাই সেই বিশ্বাসঘাটৰ কথা .....

লাহে লাহে সিহঁত পুনৰ এক হৈ গৈছিল। তাই প্ৰিয়ম ৰ সকলো কথা সামৰি তাৰ মৰমত যেন বিলীন হৈ গ'ল। সিও তাৰ ঘৰৰ মানুহৰ হাতত তাইক গটাই বন্ধু বান্ধৱৰ লগত মিলি গ'ল। নিজৰ ব্যৱসায়ৰ বাবেও সি সেই সময়খিনিত চিন্তিত হৈ পৰিছিল। কাৰণ তেতিয়ালৈকে সি ভালদৰে সফল হ'ব পৰা নাছিল।

তাৰ মাজতে এদিন তাই গম পালে, তাইৰ মাহেকীয়া আচৰিত ধৰণে বাঢ়ি গৈছে। এনেও তাইৰ নিয়মীয়া নহয়। কিন্তু এইবাৰ যেন বেছি। তাই প্ৰিয়মক ক'লে। সিহত দুয়োটায়ে সোনকালে সংসাৰ বঢ়াব বিছৰা নাছিল। তাই কি কৰিব ভাবি পাৰ পোৱা নাই। কথাটো ঘৰৰ মানুহে গম পোৱাৰ পাছত যেন সকলো জাঙুৰ খাই উঠিল। বিশেষকৈ তাইৰ শাহুয়েক। তাই আচৰিত হল তেওঁলোকৰ আচৰণ দেখি। হয় সোনকাল হ'ল বহুত। সেই বুলি তাই প্ৰথম সন্তান নষ্ট কৰিবনে? পাছত যদি একেবাৰে নহয় তেওঁয়েই তাইক ককৰ্থনা নকৰিবনে? তাই প্ৰিয়মক কথাবোৰ ক'লে। সিও মাকৰ কথা মানি নল'লে। তাই ঘৰত দেখিছিল ওচৰৰ বোৱাৰীবোৰ প্ৰথম মা হ'বলৈ ওলোৱা সময়খিনিত ঘৰৰ মানুহবোৰৰ আনন্দ স্ফূৰ্তিবোৰ। আৰু তাই মা হব বুলি জানিব পাৰি প্ৰিয়মৰ ঘৰৰ মানুহৰ তাইৰ ওপৰত কৰা ককৰ্থনা, অৱহেলাবোৰ দেখি মনটো তাইৰ দুখত ভাগি পৰিল। প্ৰিয়মক কৈও একো লাভ নাই। কাৰণ সি ঘৰত মাতেই মাতিব নোৱাৰে। সেইবাবেই তাই মন মনে ৰ'ল।

তাৰ কেইদিনমান পিছত প্ৰিয়মৰ মাকে তাক মাহীয়েকৰ ঘৰলৈ তাইক লৈ যাবলৈ ক'লে। লগতে বাটতে পাই যোৱা তাৰ আন চিনাকি বন্ধুৰ ঘৰতো ফুৰাই আনিবলৈ ক'লে। তাইৰ অলপো যাবৰ মন নাছিল। গাটো বৰ দুৰ্বল যেন লাগি আছে তাইৰ। লগতে বমি বমি। তল পেটত কিবা এটাই খামুচি যেন ধৰি আছে এনে লাগিছিল। কিন্তু তাৰ মাকে যি কথা কলে শুনি তাই তবধ লাগিল।

......"যোৱা যোৱা বাটত জোকাৰ তোকাৰ খাই ওলাই আহেই কিজানি।" হে ভগৱান! এনে মানুহ থাকে নে? নিজৰ পুত্ৰৰ সন্তানৰ কথা এনেকৈ ভাবিব পাৰেনে?

ভগৱানক চিন্তা কৰি তাই প্ৰিয়মৰ লগত ওলাল। বাহত।

তাৰ বন্ধুৰ ঘৰত প্ৰথমে সোমাল। মানুহ ঘৰত বহিয়েই তাইৰ এইবাৰ অবাক হোৱাৰ পাল। তাইৰ লগত কোনো কথাৰ

অবতাৰণা নকৰাকৈয়ে সকলো ব্যস্ত হল প্ৰিয়ম আৰু ৰিয়াৰ প্ৰেম কাহিনী লৈহে। তাই বৰ নিজকে অসহায় বোধ কৰিলে। নিজৰ আগতেই লাজ লাগিল তাইৰ।

.....তাই আচৰিত হ'ল। এইটো বন্ধু নে? যি বন্ধু পত্নীক ন্যূনতম সন্মানখিনিও দিব নেজানে। ভাল বেয়া দুই এটা কথা পাতিবলৈও তাইৰ লগত কথা নাছিল নে? নে ৰিয়া-প্ৰিয়মৰ প্ৰেম কাহিনী শুনিবলৈ তাইক আনিছিল প্ৰিয়মে তালৈ।.....তাতকৈ আচৰিত হ'ল প্ৰিয়মক দেখি। সিও যেন অলপো লাজ পোৱা নাই তাইৰ আগত। বন্ধুয়ে কৈ গৈছে ....কেনেকৈ প্ৰিয়ম আগতে বন্ধুৰ ঘৰলৈ যাওঁ বুলি ঘৰৰ মানুহৰ আগত ফাকি দি ৰিয়াৰ ঘৰত থাকে গৈ ...ইত্যাদি নানা কথা। আৰু নিলাজৰ দৰে হাঁহি হাঁহি প্ৰিয়মে শুনি গৈছে।.....উস!! নোৱাৰি আৰু .....তাইৰ মনৰ মাজত কি জোৱাৰ উঠিছে সি এবাৰো বুজিব পৰা নাইনে। মুখৰ আগতে স্বামীৰ অন্য নাৰীৰ স'তে অভিসাৰ সহিব পাৰিনে।.....পেটৰ গোট মাৰিব ধৰা তেজৰ টুকুৰাটোয়ে যেন তাইক আৰু বেছিকৈ খামুচি ধৰিছিল।.....ওলাই আহিব খোজা চকুপানী জোৰকৈ সামৰি ৰাখিছিল তাই। কি লাভ আছে চকুলো দেখাই। প্ৰিয়মৰ ওচৰত এই চকুলোৰ মূল্য আছেনে। .....সি যেন ভালেই পাইছে ....বন্ধুৰ কথাবোৰত। এনে লাগিল তাইৰ। প্ৰথম দিনাই তাইৰ বুকুত চোকা কটাৰীৰে ৰেপ দিয়া সেই বন্ধু পাছত তাৰ ঘৰলৈ আহিলে প্ৰিয়ম অতি সচেতন আছিল। কিজানি তাইৰ ব্যৱহাৰত বন্ধুয়ে বেয়া পায়।...অথত জীৱনৰ আৰম্ভণিতেই তাইৰ কলিজা জ্বলাই থৈ গল তাৰ মৰমৰ বন্ধুয়েই। তাই বাৰে বাৰে অস্তিত্ব হেৰুৱাই গৈ আছে ...। সেই নিশা প্ৰিয়মৰ মাহীয়েকৰ ঘৰত থাকিবলৈ গ'ল তাই আৰু প্ৰিয়ম।

সন্ধ্যা হোৱাৰ আগে আগে সিহঁত প্ৰিয়মৰ মাহীৰ ঘৰ পালেগৈ। বাটত গোটেই সময়খিনি তাই মৌন হৈয়ে গ'ল। তাই অনুমান কৰিবও নোৱাৰিলে তাৰ মনত সেই কথবোৰ শুনাৰ পাছত কেনে লাগিছে। তাইকো একো সুধা নাই। যেন একো হোৱা নাই এনে ভাব লৈ সি আহি আছে। আৰু বুজিবলৈও যত্ন নকৰিলে তাইৰ মনত কি ধুমুহাৰ সৃষ্টি হৈছে। ......

মাহীৰ ঘৰ পাই তাই যিমান পাৰে সহজ হবলৈ চেষ্টা কৰিলে। নতুন ছোৱালীজনীক দেখি মাহীয়েকে আদৰ সাদৰকৈ লৈ গ'ল ভিতৰলৈ। ওচৰৰ দুই এঘৰ মানুহো আহিল তাইক চাবলৈ।

তাই সহজ হৈ পৰিল। ভাল লাগিছে তাইৰ। মনে মনে প্ৰিয়ম লৈ তাই চাই দেখিছে, তাইৰ মুখত হাঁহি দেখিবলৈ পায় সিও যেন সকাহ পাইছে। নানা কথা বতৰাৰে বন্ধুৰ ঘৰত পোৱা পৰিবেশটো তাইৰ মনৰ পৰা আঁতৰি গ'ল।

ৰাতিলৈ মাহীয়েকে বিধে বিধে খাদ্য বস্তু বনাই, এইটো খোৱা, সেইটো খোৱা কৰি থাকিল। তাইৰ একো খাবলৈ মন যোৱা নাই। পেটটো যেন উফন্দি আহিব এনে লাগিছে।

প্ৰিয়মে গম পাইছিল কিয় তাই তেনে কৰিছে। কিন্তু একো নক'লে। তাইৰো লাজ লাগিল ক'বলৈ, তাইৰ যে দুমাহ মাহেকীয়া হোৱা নাই।

শুবৰ সময়ত কাষৰ ৰুমত প্ৰিয়মক শুবলৈ দি মাহীয়েকৰ ছোৱালীজনী তাইৰ লগত শুলে। ৰাতি দুই জনীয়ে নানা কথা পাতিবলৈ ধৰিলে। তাইৰ মনটো বহু ভাল লাগিল, পাতল পাতল লাগিল। কথাৰ মাজতে জীনাই কলে, প্ৰিয়ম দায়ে ৰিয়া নামৰ ছোৱালী এজনী ভালপোৱাৰ কথা তুমি জানানেবৌ ...............

পুনৰ তাই উচপ খাই উঠিল সেই নামটো শুনি। ....চৌদিশে কেৱল এটাই নাম ...ৰিয়া ...। তাই জানো বুলি কলে । পুনৰ তাই ক'বলৈ আৰম্ভ কৰিলে।

"...আমি যে ভবাই নাছিলোঁ সিহঁতৰ যে বিয়া নহ'ব।"

...."আমি একেখন কলেজতে পঢ়িছিলোঁ ...দাদা সদায় তাইৰ পিছে পিছে ঘূৰি থাকে। কলেজৰ একেবাৰে নাম্বাৰ ওৱান যুটী আছিল ..."

কিয়নো নহ'ল বিয়া?.....সুধিলে তাই। তেতিয়া জীনাই কলে প্ৰিয়ম দাৰ বায়েকৰ বিয়া হোৱা নাছিল বাবে সি আগবাঢ়িব পৰা নাছিল.....। জীনাই ক'লে। সেইবাবে ৰিয়াতকৈ বহু ডাঙৰ মানুহ এজনৰ লগত ৰিয়াৰ বিয়া হৈ গ'ল। কথাবোৰ সকলো মানুহে জানিছিল। আৰু ক'লে সেই সময়খিনিত দাদা প্ৰায়ে ৰিয়াৰ ঘৰতে আছিল।

"জানা বৌ ৰিয়া দেখিবলৈ বৰ ধুনীয়া আছিল"

তাই মৰা শলৈ পৰিণত হৈছিল। জীৱনত প্ৰথম বাৰ প্ৰিয়মৰ লগত ফুৰিবলৈ আহিছে। আৰু তাই শুনিব লগা হ'ল তাৰ প্ৰথম বিফল কাহিনী। আৰু বেলেগ কথা নাথাকে নে মানুহৰ। কিমান সামৰিব তাই ....

কিমান ধুনীয়া আছিল ৰিয়া ......। তাই কি দেখিবলৈ একেবাৰে বেয়া!!.....উস!!! পেটৰ খলমা বন্ধা তেজৰ চেঁকুৰাটা যেন উজাই আহিছে ওপৰলৈ। সমবয়সীয়া এজনী ছোৱালীয়ে জানি শুনি এনে কথা কৈছে নে ।....

অলপো তাই বুজিব পৰা নাই নে নিজ পতিৰ পূৰ্বৰ ঘনিষ্ঠ প্ৰেমৰ কাহিনী হজম কৰিব পৰাটো কিমান কঠিন।

বুকু ভাগি গল তাইৰ। ধাৰাসাৰ চকুপানী বাগৰি গাৰু তিতি গৈছে।

কাৰোবাৰ লগত বিয়াৰ আগতে কিবা এটা সম্পৰ্ক থকা টো তাই ইমান গভীৰ ভাবে নলয়। তাইৰো আছিল এটা ল'ৰাৰ লগত প্ৰেম। কিন্তু লগৰ দুই এজনীৰ বাদে আনে গম পোৱাৰ আগতেই শেষ হৈছিল। প্ৰিয়মৰ এনে সম্পৰ্ক আছিল নে ৰিয়াৰ লগত। কিমান গভীৰ আছিল এই সম্পৰ্ক!!....কিমান দূৰ আগবাঢ়িছিল সিহঁত????

উচুপি উচুপি কান্দিছে তাই, জীয়াই নজনাকৈ। যিমানেই উচুপিছে সিমানেই পেটৰ তেজৰ চেকুৰাটোয়ে তাইৰ তলপেটত খামুচি ধৰিছে .....তাই পৰা নাই নিজক বুজাব

তাৰ লগত বিয়া হোৱাৰ সিদ্ধান্ত তাইৰ ভুল আছিল নেকি। আৰু ৰিয়া ধুনীয়া, কিমান.... তাই কি কম নেকি ....তাইৰ ৰিয়াতকৈ কিহত কম??? তাই দেখা নাই ৰিয়াক

কলেজত যে তাইৰ সৌন্দৰ্যৰ কথা কোৱা লগৰবোৰ, কলেজৰ কিতাপৰ দোকানৰ পুতুল দা, দ'লমুখৰ পাণ ভাণ্ডাৰৰ কৃষ্ণ দা,সিহঁতে তাইক লৈ কোৱা কথাবোৰ কি মিছা আছিল ......

সেই ৰাতি তাই শুব নোৱাৰিলে......

" কলিজাৰ তেজ দুচকুৰে মোৰ বাগৰিছে ধাৰাসাৰ

মাজ সাগৰত সুৰ হেৰুৱাই উচুপিছো বাৰে বাৰে"

বুকুত এটুকুৰা শিল বান্ধি তাই প্ৰিয়মৰ লগত ঘৰলৈ উভতিছিল। গোটেই বাটটো তাইৰ মনত একেটা কথাই জোকাৰি থাকিল। মাহীয়েকৰ ছোৱালী জীনাই কোৱা কথাবোৰ। ..."জানা বৌ ৰিয়া দেখিবলৈ ব হু ত ধুনীয়া ...।"

স্বাভাৱিকতে তাই ৰিয়াৰ প্ৰতি ঈৰ্ষা হ'ল।। কিমান ধুনীয়া!!

কিমান ...!!

শিৱসাগৰ ছোৱালী কলেজৰ দিনবোৰ মনত পৰিল। কঁকাললৈকে পৰা চুলিখিনি সদায় দুদালকৈ বেণী গুথিছিল তাই। ওখ, খীণ একেবাৰে লাহিকৈ গায়ত্ৰী কলেজলৈ অহা যোৱা কৰে। নিজৰ সৌন্দৰ্যৰ বিষয়ে ইমান সচেতনও নহয়। তাইৰ লগৰ জুনু, মামুয়ে কয়.."তোক চালে চাই থাকিবৰ মন যায়।" তাই সিহঁতক ঢক দুটামান দিয়ে। কিনো কথাবোৰ কৈ থাক বুলি। এদিন আৰাধনা ই কলে ..." অই গায়ত্ৰী টি.ভি.ত ৱাচিংপাউদাৰ নিৰমাৰ এডভেট্ৰাইজ টো যে দিয়ে সংগীতা বিজলানিক দেখিছ, তই একেবাৰে তাইৰ দৰে।" ঘৰত আহি টি.ভি. ৰ মুখত বহি আছিল নিৰ্মাৰ এডভেট্ৰাইজ চাবলৈ ।

কলেজৰ ওচৰতে কিতাপৰ দোকান দিয়া পুতুল দায়ে কৈছিল "গায়ত্ৰী ছন্দ্ৰকান্তা ধাৰাবাহিকখন চাই ছানে ৰবিবাৰে যে টি.ভি.ত দিয়ে, চাবা চোন। ছন্দ্ৰকান্তা ৰূপী শিখাস্বৰূপ তোমাৰ দৰে একেই দেখিবলৈ।" ধেৎ ..কিনো কথাবোৰ কয়, তাইৰ লাজ লাগে। পাছত সেই ধাৰাবাহিকখন চোৱাটো তাই নিয়মীয়া হৈছিল।

সেইজনী ছোৱালী আজি অন্য এজনী ছোৱালীৰ ওচৰত বিশেষকৈ স্বামীৰ প্ৰাক্তন-প্ৰেমিকাৰ ৰূপৰ ওচৰত হাৰি গ'ল। বুকুখন ৰিক্ততাই আগুৰি পেলালে তাই। বাটত আঁহোতে এবাৰো যদি সি ক'লেহেঁতেন..."এইবোৰ মানুহে তোমাৰ মন বেয়া কৰিবলৈ কৈছে,......মিছা কথা এইবোৰৰ ...।" তেতিয়াও তাই বহু শান্তি পালেহেঁতেন। কিন্তু সি একো নক'লে। যেন সি ভালেই পাইছে ,তাৰ প্ৰেমৰ কাহিনী তাইক শুনোৱাৰ বাবে, যেন শুনাটো তাইৰ জৰুৰী আছিল। তাইও একো নক'লে। যদিও তাইৰ তিনি বছৰ তাৰ লগত প্ৰেম হৈ বিয়া হৈছে। ভয় কৰে তালৈ তাই। বিয়াৰ পাছৰে পৰা তাই দেখিছে অলপ কথাতে সি ডাং খাই উঠে। সেয়ে তাই একো নকয় বুলি সিদ্ধান্ত ল'লে। তেতিয়ালৈকে তাৰ ব্যৱসায় ভালদৰে আগবঢ়াব পৰা নাই বাবেই সি অলপ হতাশ বুলি ভাবি তাইও অশান্তি ন'কৰোঁ বুলি মনে মনে ৰ'ল।

ঘৰ আহি পোৱাৰ পাছত তাই কেইদিনমানৰ বাবে মাকৰ ঘৰলৈ থকাকৈ গুচি গ'ল। মাকৰ ঘৰত থকা দিনকেইটা তাই শুইয়েই থাকিল। ইমান হাঁহি থকা ছোৱালীজনীৰ মুখত বিষাদৰ ছা দেখি ঘৰৰ মানুহ আচৰিত হ'ল। তাইৰ মা হবলৈ আগবাঢ়ি যোৱাৰ কথা জানি সেই কাৰণেই তেনেকৈ আছে বুলি ভাবি ল'লে।

এনেদৰে মন মাৰি থাকে বাবে এদিন ঘৰৰ সকলো মানুহে গাড়ী এখন লৈ জয়সাগৰলৈ ফুৰাবলৈ তাই ক'লৈ গ'ল।

ওলাই আহি তাইৰ অলপ ভাল লাগিল। জয়সাগৰ কাৰেংঘৰৰ চোতালত বহি থাকোঁতে একেলগে পঢ়া ৰূপাক লগ পালে। তাই কৈ গল, "অই গুণ তোৰ মিষ্টাৰক মই জানোঁ।" তাই আচৰিত হ'ল। সুধিলে কেনেকৈ??? ৰূপাই কৈ যাবলৈ ধৰিলে। ৰূপাৰ ঘৰৰ ওচৰৰে অৰ্চনা নামৰ এজনী ছোৱালীৰ ঘৰলৈ প্ৰিয়মৰ অহা যোৱা আছিল। চেন্নাইলৈ যাওঁতে ৰেলত লগ পাইছিল। প্ৰিয়মৰ অৰ্চনাক বিয়া কৰাবৰ মন আছিল, কিন্তু তাইৰ ঘৰৰ মানুহে অৰ্চনাৰ বায়েকক দিব বিচাৰিছিল। সি বায়েকক পছন্দ কৰা নাছিল।

এইবোৰ কথা তাই কেনেকৈ জানিল সোধাত ক'লে অৰ্চনাই কৈছে। তোৰ ওচৰলৈ যিমান বাৰ সি আহিছে অৰ্চনাৰ ঘৰতো সোমাই গৈছিল। তাৰ বিয়ালৈও মাতিছিল। তাইৰ দেউতাক গৈছিল বিয়া লৈ।........

তেতিয়া তাইৰ মনত পৰিল। বিয়াৰ দিনা সি জয়সাগৰৰ এজন মানুহৰ লগত তাইক চিনাকি কৰাই দিছিল।

তাই কি কবনো ৰূপাক। ....পুনৰ আৰু এট আঘাত ..দুদিন পাছত তাইক নিবলৈ অহা প্ৰিয়মক অৰ্চনাৰ কথা সোধাত কৈছিল ....তাইৰ দেউতাকৰ লগত তাৰ বৰ ভাল সম্পৰ্ক। সেই বাবে সি যায়। তাই ক'লে ভাল কথা...কিন্তু তোমাৰ ইমান ভাল সম্পৰ্কৰ মানুহ ঘৰলে। মোক কিয় এবাৰো লৈ নগ'লা।.....তেতিয়া ই সি ডাং খাই উঠিল।....ক'লে "....এনেই নিনিলোঁ কিমান ফুৰা আৰু।"

পাছলৈ তাই ৰূপাৰ পৰাই জানিছিল....কি দৰে তাইক দুমহীয়া কেচুৱাৰ সৈতে অকলে এৰি প্ৰিয়মে তাৰ মাক-দেউতাকৰ লগত। শিৱসাগৰত থকা মাহীৰ ছোৱালীৰ বিয়া খাবলৈ আহি পুনৰ অৰ্চনাৰ ওচৰলৈ গৈছিল।

টুকুৰা টুকুৰ হৈছিল তাইৰ কলিজা। তাই অকলেই এই আঘাতৰ বোজা কঢ়িয়াই নিয়া নাছিল, এই আঘাত পেটত বাঢ়ি অহা মঙহৰ টুকুৰাটোয়েও পাইছিল। তাই কেতিয়াও চকুপানী ওলাবলৈ নিদিয়ে বুলি শপত ল'লে।

বৰ কষ্ট পায় মঙহ টুকুৰাই। তাই ভৱিষ্যতৰ চিন্তাক গুৰুত্ব দিলে। তাইৰ কলিজা জ্বলা ধোঁৱাই যাতে গাৰ সেই মঙহৰ টুকুৰাটোৰ একো যাতে। অনিষ্ট নহয়। তাই সজাগ হ'ল ....

"তুমি যদি কোৱা মই মোৰ কলিজাতো জ্বলাই দিব পাৰোঁ
পুৰা কলিজাৰ গোন্ধ যদি তুমি ভালপোৱা
" পৃথিৱীখন এক মৰহা প্ৰান্তৰ,
তাই আশ্ৰয় বিচাৰি ঘূৰি-ফুৰিব লগা হৈছে।"

প্ৰাণ ভৰি ভালপায় তাই প্ৰিয়মক। যি য়েই নহওক তাই পাহৰি যায়। পাগল তাই তাৰ কাৰণে। তাৰ হাতত ধৰি তাই মাকৰ ঘৰৰ পৰা প্ৰিয়মৰ ঘৰ পালেহি।

ঘৰত আহি তাই পুনৰ কামত লাগিল। সকলোবোৰ কাম, বিশেষকৈ ৰন্ধা বঢ়া কামবোৰ লাহে লাহে তাইৰ ওপৰত এৰি দি শাহুয়েক, ননদ আজৰি হ'ল। ইফালে তাইৰ গা দিনে দিনে বেয়া হৈ আহিল। কিন্তু কোনেও তাইৰ দুখ ভাগৰ বুজিবলৈ চেষ্টা নকৰিলে। প্ৰিয়মও বন্ধু বান্ধৱ, নাটক আদি লৈ ব্যস্ত হৈ পৰিল। এনে সময়ত তাই প্ৰিয়মক বহু ওচৰত বিচাৰিছিল, কিন্তু সি সেই কথা বুজিবলৈ যত্ন নকৰিছিল।....

সময়মতে চিজাৰীয়ান অপাৰেচন হৈ তাই ৰ এজনী মৰম লগা ছোৱালী জন্ম হ'ল। মাতৃ হোৱাৰ আনন্দত তাই কব নোৱাৰা হৈ গৈছিল। তাই যে মা হ'ব এদিনো আগতে ভবাই নাছিল। একো নজনাকৈয়ে তাই মা হৈ গ'ল।

কিন্তু শাহুয়েক যেন বৰ সুখী নহ'ল। এনেই ইমান সোনকালে কেঁচুৱা হৈছে, তাতে আক ছোৱালী। তাই আচৰিত হ'ল। ছোৱালী হ'লে যে বেয়া কথা তাই তেতিয়ালৈকে জ্ঞানৰ বাহিৰত আছিল। মানুহে ছোৱালী হ'লে কিয় বেয়া পায় তাই নিজৰ মাকক বাৰে বাৰে সুধিছিল। সেই ৰাতি প্ৰিয়মক তাই ওচৰত বিচাৰিছিল। তাৰ মুখখন দেখি থাকিলে তাইৰ বিষটো বহুত কমি যায়। কিন্তু প্ৰিয়মৰ মাকে তাইৰ মাক আৰু প্ৰিয়মৰ ভায়েকক হস্পিটেলত থৈ তাক ঘৰত শুবলৈ লৈ গ'ল...........

লাহে লাহে ছোৱালীজনীৰ লগত তাই ব্যস্ত হৈপৰিল। তাৰ মাজতে তাৰ ভনীয়েকৰ বিয়া হৈ গৈছিল। ননদৰ বিয়াৰ বজাৰ কৰাৰ সময়ত শাহুয়েক দেওৰেকহঁতে তাইক দেখাই দেখাই ভাল ভাল দামী দামী কাপোৰ কানি কিনিছে আৰু তাই যে লগত ভাল বস্ত নানিলে সেই কথা শুনাবলৈ নাপাহৰিলে। তাই লগত অনা সকলোবোৰ আউটদেটেদ। কথা শুনি তাই মুখৰ

মাত হ'ৰিল। বিয়াৰ সময়ত দেখুন প্ৰিয়ম এই কৈছিল একো লগত আনিব নালাগে বুলি। তাৰ কথামতে একো ননা হ'লে আজি বাৰু তাইৰ কি অৱস্থা হলহেতেন! ছোৱালীজনীক বুকুতে লৈ তাই ৰুমত সোমাই থাকিল।

ভনীয়েকৰ বিয়াৰ বাবে প্ৰিয়মেই বজাৰ কৰি আনিলে ভাগে ভাগে সকলোলৈকে। কিন্তু কাৰো মনত এবাৰো নপৰিল যে কাপোৰৰ নামত ফটাকানী এটুকুৰা তাইলৈও আনিব লাগে। তাই এইয়াই তাইৰ প্ৰাপ্য বুলি মনে মনে থাকিল। কাপোৰৰ প্ৰতি ইমান মোহ নাই তাইৰ। তাতে সিহঁত বহু ধনী মানুহ। তাই সাধাৰণমানুহৰ ঘৰৰ ছোৱালী। সিহঁতৰ ভাষাত।

এদিন কথাৰ মাজত শাহুয়েকে তাইক ৰিয়াৰ কথা ক'লে ..... পুনৰ তাই উচপ খাই উঠিল। ৰিয়া ..কোন ৰিয়া

তাই সুধিলে ....শাহুয়েকে কলে কিয় আমাৰ বাবায়ে অনা কথা আছিল আক। বৰ ধনী মানুহৰ ঘৰৰ ছোৱালী। বহুত টকা আছিল সিহঁতৰ।...তুমি নাজানা নেকি?"......অবাক হৈ গ'ল তাই।। আছে নে এনে মাতৃ যি নিজ পুত্ৰৰ ধোকা খোৱা প্ৰেমৰ কথা বোৱাৰীৰ আগত ক'ব পাৰে!!!

পুত্ৰৰ সংসাৰখন আউল লাগিব বুলিও তেওঁ এবাৰ ভাবি চোৱা নাই নে?...নে আউল লগাটো বিচাৰিছে তেওঁ ......

....শাহুয়েকৰ মুখত ৰিয়াৰ নাম শুনি তাইৰ ধৈৰ্য্যৰ বান্ধ খুলি গৈছিল। কিন্তু মুখেৰে একো নক'লে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে ধনী ঘৰৰ ছোৱালী ৰিয়াক যৌতুকৰ আশাত ঘৰৰ সকলোৱে মনে প্ৰাণে বিচাৰিছিল বোৱাৰীৰূপে। কিন্তু নিজৰ পুতেকৰ বুকুত প্ৰচণ্ড আঘাত দি আনৰ পত্নী হোৱা ছোৱালীজনী যে এতিয়াও তেওঁলোকৰ মনত ৰৈ আছে সেই কথা ভাবিহে তাই আচৰিত হ'ল। লাজ লাগিল তাইৰ মানুহ ঘৰৰ মানসিকতা দেখি।

এই কথা তাই প্ৰিয়মক কৈছিল। ইমান ধনী ঘৰৰ ছোৱালী পাই কিয়নো সি বিয়া নকৰালে। অন্তত তাইকে বিয়া কৰোৱা হ'লে নিজে এইবোৰ কথা শুনি থাকিব লগা নহ'লহেঁতেন।

ৰান্ধনী ঘৰত তাই ভাত বনাই থাকোতে শহুৰেকে শাহুয়েকক কোৱা তাই শুনি থাকে। ৰিয়াৰ লগত হেনু গাড়ীও দিছিল।....তেতিয়া শাহুয়েকে কৈছিল ইচৰাম! আমিয়েই পালোহেঁতেন নহয় গাড়ীখন।....সেই কথা শুনি তাই গোটেই মানুহজনী জথৰ হৈ গৈছিল। ইমান নিৰ্দয় মানুহ নে এওঁলোক? এজনী মানুহৰ আগত পুতেকৰ প্ৰেমিকাৰ ঘৰৰ কথা আলোচনা কৰি থাকিব পাৰে ....। এইবোৰ কথাই যে পো-বোৱাৰীৰ সংসাৰ জ্বলাই দিব পাৰে সেই কথাটো ইমান ডাঙৰ মানুহহৈ তেওঁলোকে বুজি পোৱা নাই নে......।

সুধি সুধি কথাবোৰ তাই প্ৰিয়মৰ পৰা জানিছিল। অৱশ্যে সিও নিজেই ক'বলৈ ভাল পাইছিল। ৰিয়াৰ দেউতাক এটা বিভাগৰ চাকৰিয়াল আছিল। বহুতো বাহিৰা টকা উপাৰ্জন কৰিছিল। এবাৰ হেনু এটা ৫০,০০০ লাখ টকাৰ ট্ৰাংক এটা সি নিজেই পুলিচৰ চকুত ধূলি দি ঘৰলৈ আনি দিছিল। আৰু ৰিয়াৰ লগত বিয়া হ'লে সেই টকাৰ ভাগ সিও পাব বুলি হেনু মাকে ভাবি আছিল।.....কথা শনি তাই অবাক। থুৱাই দিবৰ মন গৈছিল তাইৰ ঘৰখনৰ মানুহবোৰক ....

.....আৰু প্ৰিয়ম ...সি কেনে ল'ৰা ...? তাইৰ আগত দেখু বৰ আদৰ্শৰ কথা কয়। আৰু লোকৰ চোৰ কৰা টকাৰ ভাৰ লৈ নিজকে কিমান নাঙঠ কৰি দিলে। ছিঃ ছিঃ টকাৰ বাবে মানুহ ইমান তললৈ নামিব পাৰেনে।....কিয় নাজানিলে তাই এইবোৰ কথা বিয়াৰ আগতে....!

তাই নিজৰ দেউতাকৰ কথা মনলৈ আহিল। তেওঁও এটা ভাল পদবীতে আছিল। কোনো দিন টকাৰ বাবে অসৎ উপায় অবলম্বন কৰা নেদেখিলে। কিমান দুখীয়া মানুহৰ ঘৰৰলৰাক চাকৰি দিলে, বিনিময়ত একো নোলোৱাকৈ। নিজে দেখা তাই। হাত যোৰ কৰি দেউতাকৰ ওচৰত বহি থকা সেই বৃদ্ধাগৰাকী, হাতত দৈ গাখীৰ ৰঙাবৰা চাওলৰ ভাৰ লৈ চাকৰিৰ বাবে ঘৰত দিবলৈ অহা। সকলো দেউতাকে ঘূৰাই পঠিয়াইছিল।.......আৰু এইবোৰ মানুহৰ মানসিকতা চোৱা, লোকৰ অসৎ উপাৰ্জনৰ টকাকেইটা ৰিয়াই ঠগি থৈ যোৱাৰ পাছতো পাহৰিব পৰা নাই। তাইৰ ঘৰৰ তুলনাত এই ঘৰখন বৰ দুখীয়া যেন লাগিল তাইৰ।

...কথাই কথাই প্ৰিয়মৰ মাকে ৰিয়া ৰ কথা তাই ক শুনাই থকাটো নিয়মৰ দৰে হৈ পৰিল। কাৰণ তাই ভাল যৌতুক লগত আনিব নোৱাৰিলে। .....এদিন কৰবাৰ পৰা পুৰণি এলবাম এটা আনি ৰিয়াৰ ফটো তাইক দেখুৱাইছিল। চাইছিল তাই। কাৰণ তাই আবেগ বিহীন এক প্ৰাণীলৈ পৰিণত হৈছিল। ....এইখন ঘৰত তাইৰ হৃদয় এখন যে আছে, এইবোৰ কথাৰ বাবে তাই যে কষ্ট পাব পাৰে সেই কথা ভাবিবলৈ তাত কাৰো প্ৰয়োজন নাছিল। মাকেই কৈছিল সি হেনো তাইক আঙঠিও দিছিল.......। তাই তেতিয়া শাহুয়েক কলৈ পুতৌ ওপজিছিল.....নিজৰ লৰা ক'লৈ গৈছিল, কাৰ ঘৰত নিশা আছিল,... মনে মনে

কাক আঙঠি পিন্ধাইছিল মাক হৈ নিজে খবৰ নাৰাখি এতিয়া বোৱাৰীৰ আগত সেই কথা কৈ কি বিচাৰিছিল তেওঁ .....?

পুত্ৰৰ সংসাৰ ভগাটোনে কাজিয়া হোৱাটো.... ঘৰৰ মানুহে যে তাইৰ মুখৰ হাঁহি হজম কৰিব নোৱাৰিছিল প্ৰতিটো কথাতে তাই উপলব্ধ হৈছিল।....

....এবাৰ তাই মাকৰ ঘৰৰ পৰা আহি শহুৰৰ ঘৰত ভিতৰ সোমাবকে পোৱা নাই.... মাকে আহি প্ৰিয়মক কৈছে তাইৰ সমুখতে ...বাবা সিহঁতৰ ঘৰৰ বোৱাৰীজনী মৰিল ...

তাই সুধিলে ..ক'ৰ বোৱাৰী... তেতিয়া সি কলে ৰিয়াৰ বৌয়েক। তাই খং উঠি গ'ল ....কি সমন্ধ আছে এতিয়াও তোমাৰ সেই ঘৰখনত ...। বৌয়েক মৰাৰ কথাটো কবলৈ কি আন সময় নাছিল.... ইমান দুৰ বাট আহি ঘৰ পাইছেহি অকণমান ছোৱালীজনীয়ে অসুবিধা কৰিছিল নেকি সেই কথা সুধিবলৈ সময় নাই কৈছেহি পুতেকক গতিয়াই বাহিৰ কৰা দি বাহিৰ কৰা ঘৰখনৰ কথাকৈ.....

অপমানিত হৈ তাই ৰুমলৈ গৈছিল। তাৰ পাছত ৰিয়াৰ বৌয়েকৰ সকামৰ চিঠিখন তাই দেখা পাইছিল। প্ৰিয়মক নিমন্ত্ৰণ দিছে। ....তাই সুধিছিল যিজনী ছোৱালীৰ বাবে সেইখন ঘৰত তোমাৰ সমন্ধ হৈছিল সেইজনী ছোৱালীয়ে তোমাক প্ৰতাৰণা কৰিছে, তাৰ পাছতো তোমাৰ সেই ঘৰখনৰ লগত কি এনে থাকিল.....। সেই কথাৰ উত্তৰ দিব কি ...? বাৰে বাৰে সি একে ভুলকে কৰে ....জানে তাই আজি কালি সেই ঘৰখনত তাইৰ অস্তিত্ব শূন্য ...। চাৰিওফালে তাৰ কাষত ৰিয়াৰ অস্তিত্ব বিৰাজমান ....

এবাৰ প্ৰিয়ম যোৰহাটৰ পৰা আহোতে কাজিৰঙাৰ ওচৰত বেছি স্পিডত অহা কাৰণে পুলিচে গাড়ী ৰখাই ফাইন কৰিছিল ৫০০টকা। সেই পুলিচটোক নিজৰ চিনাকি দিছিল সি। কাৰণ পুলিচজন ৰিয়াৰ ভিনিহীয়েকৰ ভায়েক আছিল। তাই আচৰিত হৈ যায় ....আৰে ৫০০ টকা হ'ল দি দিয়া ..আগৰ কথাকৈ যে চিনাকি দিলা...লাজ নালাগে নে ..নে নিজকে এতিয়াও ৰিয়াৰ গিৰিয়েক বুলিয়েই ভাবি থাকা.......

প্ৰতি দিনে অস্তিত্ব হেৰুৱাই তাই গৈ থাকিল।....

".....মই ভাগৰা নাই জীৱন হেৰুৱা নাই..."

হয় ইমানবোৰ কথা শুনাৰ পাছতো তাই ভাগৰি পৰা নাছিল। কত পাইছিল তাই ইমান দৃঢ়তা তাই নিজেই বুজি পোৱা নাছিল। তেতিয়াও প্ৰিয়ম ৰ প্ৰতি থকা বুকুৰ আচৰিত মৰমবোৰ হেৰাই নগ'ল। তাৰ গভীৰ দুচকুত সদায় মৰমৰ বোৱতী নৈ এখনহে তাই দেখা পায়। তাইৰ ভ্ৰম যদিও তাই বুজি নাপায়। তাই মনটোক বাৰে বাৰে বুজনি দিয়ে হয়তু এইয়াই হৃদয়ৰ প্ৰকৃত ভালপোৱা। যি ভালপোৱা ই প্ৰিয়জনৰ হাজাৰ দোষো মাফ কৰি দিব পাৰে। আছেনে বাৰু প্ৰিয়মৰো এনে প্ৰেম, ভালপোৱা তাইৰ প্ৰতি। এনেও সি বৰ গহীন। তাৰ মৰমৰ প্ৰকাশো গহীন। তাৰ পূৰ্বৰ প্ৰেমিকাৰ কথা ওলালেই সি মাত্ৰ আচৰিত নিৰবতা অৱলম্বন কৰে। সেই বাবে সদায় তাই অশান্তিত জীৱন কটাইছিল। তাই এই ভাঙো এই ভাঙো হব খোজা সংসাৰ খন তাই যিকোনো প্ৰকাৰে ধৰি ৰাখিবলৈ বদ্ধ পৰিকৰ হ'ল। কাৰণ তাইৰ ঘৰত এইবোৰ কথা জানিলে বিশেষকৈ দেউতাকে বৰ দুখ পাব মনত।

কিন্তু শহুৰ শাহুৰক এইবোৰৰ পাছত আৰু তাই আগৰ দৰে শ্ৰদ্ধা কৰিবলৈ মন নোযোৱা হ'ল। বিশেষ কৈ শাহুয়েকক। যি তাইৰ এটাও ভাল গুণ নেদেখি কেবল দোষকে খুচৰি থাকে। তথাপিও তাই নিজৰ কৰিব লগাখিনি নিয়াৰিকৈ কৰি গৈছিল। কোনেও নেদেখাকৈ হুক হুকাই কান্দিছিল। কেতিয়াবা কথাবোৰ ভাবি গোটেই ৰাতি উজাগৰে থাকিছিল। তাই মনৰ মাজত জ্বলি থকা জুইৰ কথা কিন্তু প্ৰিয়মে ঠিক ধৰিব পাৰিছিল। ৰাতি কেচুৰা শুৱাই উচুপি থকা দেখি সি আচৰিত হৈ চাই তাৰ বুকুত লৈ শুই পৰিছিল।

কিন্তু তেতিয়াও তাইৰ টোপনি অহা নাছিল। বাৰে বাৰে মনত এটা প্ৰশ্ন ৰ উত্তৰ বিচাৰি হাহাকাৰ হৈছিল ....সি কোন বুলি ভাবি তাইক বুকুৰ মাজত লৈছে......!!

ৰিয়াৰ অস্তিত্বৰে বুকু আবৰি ৰখা প্ৰিয়মৰ তাইৰ বাবে আছেনে ঠাই বুকুত .....??

নে ৰিয়াৰ অভাৱ পূৰাবলৈ তাক তাইৰ প্ৰয়োজন .....?

কিমান গভীৰ আছিল ৰিয়া আৰু তাৰ প্ৰেম ....এই কথা তাইৰ জানিবৰ মন যায়। তাইৰ মনৰ মাজত চলি থকা এই

ধুমুহাৰ কথা কাৰোবাৰ আগত কৈ মনতো পাতল কৰিবলৈও কোনো নাই। ...নিজেই মনক সান্তনা দিয়ে। তাই ভাবিলে এদিন মনত সাহস লৈ তাই তাক সুধিব .......। কিমান দূৰ আগবাঢ়ি গৈছিল সিহঁত ।....নহ'লে এইদৰে ঘৰৰ মানুহৰ মুখত তাইৰ কথা শুনি শুনি তাই পাগল হৈ যাব।.....

শাহুয়েকে কোৱা কথাবোৰ তাই যিমান পাৰে পাহৰি যাবলৈ যত্ন কৰিলে।

..ছোৱালীজনীক লৈ তাই সচেতন হল, যাতে এইবোৰ কথাত লাগি অকণমানজনী আলৈ আথানি নহয়।

....এদিন তাই প্ৰিয়মক সুধিছিল ....কোৱা তুমি কবই লাগিব সেই নাৰীৰ কথা .....যাৰ বাবে বাৰে বাৰে তুমি মোৰ অস্তিত্ব মোহাৰি যোৱা .....তোমাৰ ঘৰৰ মানুহে তোমাৰ সমুখতে মোক কব পাৰে প্ৰতিদিন সেই নাৰীৰ কথা .....

অথচ মই কি কৰা নাই.....

...তোমাক সুখী কৰিবলৈ মই কি কৰা নাই.. কৈছিল সি ...

তাইৰ ঘৰত তাৰ অবাধ অহা যোৱাৰ কথা।.....তাই ৰ ঘৰতো সিহঁতক অবাধ স্বাধীনতা দিছিল। কোনো বাধা নাছিল। ... তাইৰ শুৱনি কোঠালৈকে তাৰ অহা যোৱাত কোনো বাধা নাছিল ....

এবাৰ হেনু নিজৰ মিতিৰ এঘৰ মানুহৰ ঘৰত দুয়োটা ৰাতি একেলগে শুইছিল ..

..... বৰ চেনী ছোৱালী আছিল তাই....

...মই কিন্তু একো পাপ কৰা নাছিলোঁ..

তাই চকু কপালত উঠিল।....হে ভগৱান এনে ছোৱালীও থাকেনে???...যি নিজে আগবাঢ়ি যাব পাৰে লৰাৰ লগত শুবলৈ .....আৰু সি কৈছে ছোৱালীজনী চেনি আছিল, কেনেকৈ জানিলে সি....যদি একো পাপেই হোৱা নাছিল দুয়োটাৰ মাজত....তাই বহা ঠাইতেই জথৰ হৈ থাকিল।

..বিষাদৰ হুমুনিয়াহ এটা তাইৰ ওলাই আহিল

"...গলি গলি প্ৰতি দিনে
পলে পলে জীৱন গলে.....।"

.....বহু সময়লৈকে তাই বহি ৰৈছিল।...ভাঙি গৈছিল তাইৰ কলিজা টুকুৰা টুকুৰাকৈ। ...আছেনে আন কোনো নাৰী, পাৰিব নে সহ্য কৰিব নিজ পতি আন এজনী নাৰীৰ লগত এটা ৰাতি একেখন বিছনাতে শোৱাৰ কথা.....।

সচাকৈ সিহঁতৰ মাজত একো হোৱা নাছিল নে....। সি কৈছে ৰিয়া তাৰ লগত মাজৰাতি কোনেও গম নোপোৱাকৈ তাৰ লগত শুবলৈ আহোতে সি খং কৰি তাইক নিজৰ বিছনাত শুবলৈ পঠিয়াই দিছিল। ...বাহ প্ৰিয়ম। নিজকে তুমি কিমান মহাপুৰুষ সজাবা ...!! কোনোবাই বাৰু অকপতে মানি লব পাৰিবনে, মাজৰাতি এহাল ভালপোৱা ল'ৰা-ছোৱালীৰ মাজত একো পাপ হোৱা নাই বুলি ....।

তাই ইমান মুৰ্খ নহয় ....। যদি একো হোৱাই নাছিল এজনী ছোৱালীৰ ৰাতি বিয়া নোহোৱাকৈ প্ৰেমিকৰ ওচৰত কি বিচাৰি গৈছিল ... ।আৰু সি ইমানেই সংযম হৈ থাকিব পাৰিলেনে.....। যদি ইমান সি আদৰ্শ প্ৰেমিক আছিল তেতিয়া হ'লে তাই থকা মানুহ ঘৰলৈ সি কি বিচাৰি গৈছিল .....। তাইৰ আগত যে প্ৰিয়মে কৈছিল ৰিয়া বৰ চেনি ছোৱালী আছিল... সেই ৰাতিয়েই সি গম পাইছিল নেকি?....তাই বিচৰা দৰে যৌনতৃপ্তি সি দিব নোৱাৰিলে বাবে পাছত তাক গোৰ মাৰি আনৰ লগত বিয়া হৈ গুচি গ'ল....

তাই চিঞৰি চিঞঁৰি কান্দিবলৈ মন গৈছিল.... তাক জোকাৰি জোকাৰি তাইৰ সুধিবৰ মন গৈছিল ....। সি পাৰিব নে কব....তাই বেছি প্ৰশ্ন কৰিলেই সি গৰম হৈ যায়। কিন্তু তাই কৰিব কি......। উভতি যাব কলৈ। যদি উভতি যায় ছোৱালীজনীৰ কি হব। তাই ঘৰখনো ইমান ধনী নহয় যে তাই পুনৰ ঘৰৰ বোজা হৈ জীৱন পাৰ কৰিব পাৰিব।....

এটা ই মাথো পথ, বুকুত শিল বান্ধি তাই তাৰ লগত সংসাৰ আগবঢ়াই নিব লাগিব। কিয় সি অলপো সচেতন নহ'ল। সিহঁতৰ সংসাৰখন আউল লাগিব বুলি।...তাৰ এই কথাবোৰ এখন ঘৰ ভাঙিব পৰাকৈ শক্তিশালী আছিল...তাৰ এই চিন্তা অলপো নাছিল নে....? নে সি তাইৰ পৰা অন্তৰ বিচৰা ই নাছিল... কেৱল দেহৰ তাগিদাতহে তাৰ প্ৰয়োজন নেকি তাইক। সেয়ে সি গুৰুত্ব নিদিলে....তাইৰ মনৰ বতৰা লোৱাৰ প্ৰয়োজনবোধ নকৰিলে...সেই কথাবিলাক শুনাই থকা মানুহৰ ওচৰতো

প্রতিবাদ নকৰিলে....। মোৰ প্ৰেমকেই শুনি থাক এনে ভাবত সি থাকিবলৈ ল'লে।

তাইৰ ওচৰত যে সি অলপো সচেতন নাছিল সংসাৰখন শান্তিপূৰ্ণ হৈ থকাটোৰ বিষয়েও যে অলপো সচেতন নাছিল তাই জানিছিল সেই দিনা ভালকৈ....সকলো কথাৰ উত্তৰ যেন তাই পাইছিল...

.....ৰিয়াৰ লগত প্ৰিয়মৰ প্ৰেম কিমান দূৰলৈ গৈছিল তাই গম পালে। এদিন প্ৰিয়মৰ আগৰ বস্তুবোৰ ঠিক কৰি আছিল তাই। ইমান খেলিমেলি কৈ ৰাখে সকলোবোৰ। তাই সামৰি তত নাপায়। সেয়ে দুপৰীয়া ছোৱালীজনীক শুৱাই তাই বস্তুবোৰ চিজিল কৰাত লাগিল।

কিতাপৰ ট্ৰাংকটো খুলি তাই দেখিলে এসোপা চিঠিৰে ভৰি আছে। কাৰ নো চিঠি বুলি তাই চাবলৈ এখন হাতত ল'লে। তাই নিজৰেই চিঠিবুলি ভাবি লাজো লাগিল, নিজৰ আগতেই। কিন্তু তাইৰ চিঠিবোৰ সি বাহিৰৰ আলমাৰিতে সকলোৰে পোৱাকৈ থৈ দিছিল। তাইহে আহি সামৰি থৈছিল।

কৌতুহল হৈ তাই চিঠিখন চাই দেখিলে সেইখন ৰিয়াৰ চিঠি। এখন এখনকৈ চাই গল তাই। ইমান সযতনে সি সাঁচি ৰাখিছেনে তাইৰ চিঠি.....। অথচ তাই তাক এৰি যোৱা কিমান দিন হ'ল..!! তাই আহি কেনেবাকৈ পাব পাৰে বুলিও সি অলপো চিন্তিত নহল নে? চিঠিবোৰ পঢ়ি তাই আচৰিত হ'ল। ইমান নিৰ্লজভাবে কোনোবা ছোৱালীয়ে চিঠি লিখিব পাৰেনে। প্ৰতিখন চিঠিতে সিহঁতৰ প্ৰেমৰ অভিসাৰৰ কথা উল্লেখ আছে। সি তাইক কি কৰিছিল, বুকুৰ মাজত লৈ কত চুমা দিছিল ....সকলো কথা মুকলিকৈ লিখা আছে।

তাই নিজৰ আগতে লাজ লাগিল। তাইও দিছিল প্ৰিয়ম লৈ চিঠি। কিন্তু এনে কথা লিখিব পাৰিছিল নে। কোনো দিন বিয়াৰ আগতেই সন্তান হোৱাৰ কথা পাতিছিল নে....আৰু ৰিয়া। সিহঁতে ৰাতি একেলগে কটোৱা সেই নিশাটোৰ কথা মুকলিকৈ চিঠিত লিখিবলৈ অলপো লাজ নালাগিল। তাইৰ ঘৰতো প্ৰিয়ম ৰাতি আছিল বিয়াৰ আগত। মাকে যাবলৈ দিছিল নে তাইক। চিঠি পঢ়িয়েই তাই ৰিয়া কেনে মানসিকতাৰ ছোৱালী বুজি পালে।

আৰু প্ৰিয়মৰ কথা জানি তাই আচৰিত হ'ল, তাৰ পুৰণি ফাইলত ৰিয়াৰ দৰৱৰ প্ৰেচক্ৰিপচন কেইখন দেখি। তাইৰ অলপ গা বেয়া হলেই খেংখেঙাই উঠা প্ৰিয়মে বিয়াৰ আগতেই ৰিয়াৰ প্ৰতি কৰা পালন কৰা দায়িত্ববোধ দেখি।

তাই দুখ লাগিছে নে খং উঠিছে তাই বুজি পোৱা নাই। এইবোৰ দেখি কি কৰিব তাই। মানি লৈ হজম কৰাৰ বাদে কিবা পাৰিব তাই কৰিব....।

তাতকৈ তাই আচৰিত হ'ল চিঠিৰ লগতে খোলা কণ্ডমৰ পেকেটটো দেখি। ...লগে লগে তাই সকলো কথাৰ উত্তৰ পাইছিল।

ৰাতি তাইক বিমৰ্ষ ৰূপত দেখি প্ৰিয়মে তাৰ কাৰণ সুধিছিল। তাই একো নকৈ কণ্ডমৰ পেকেটটোৰে সৈতে তীব্ৰ যৌনগন্ধী চিঠিকেইখন তাৰ হাতত তুলি দিছিল। হয়তো সিও সাজু নাছিল এই পৰিস্থিতিলৈ। বহু সময় তল মূৰ হৈ বহি থাকিল। আৰু তাই আলমাৰিতে থৈ দিয়া তাইৰ চিঠিখিনি ওলিয়াই আনিলে, যিবোৰ তাই প্ৰিয়ম লৈ দিছিল। তাৰ সমুখতে জুইশলা মাৰি চিঠিবোৰ জ্বলাই দিলে।....

সি সেইখিনি পানী দি নুমাবৰ চেষ্টা কৰিলে.......

তাই চিঞৰি ক'লে জ্বলিব দিয়া, তোমাৰ জীৱনত ৰিয়াৰ স্মৃতি সজীৱ কৰি ৰাখা,......মোৰ কলিজা আগতেই জ্বলালা, এতিয়া স্মৃতিবোৰো জ্বলি শেষ হৈ যাওক। তাইৰ হাতৰ পৰা জুইশলাটো লৈ সি ৰিয়াৰ চিঠিবোৰো জ্বলাই দিলে।...

তাই মাথো তাক কলে.....বহু দেৰি কৰিলা প্ৰিয়ম। এতিয়া জ্বলাই একো লাভ নাই। তোমাৰ সকলো কথা জনাৰ পাছত ৰিয়াও তোমাৰ মাজত কেনে সম্পৰ্ক আছিল সকলো জনাৰ পাছত চিঠিখিনি তাইৰ ফটোবোৰ তুমি আজীৱন বুকুত লৈ থাকিব পাৰিলাহেতেন। মই বেয়া নাপাও। কাৰণ মোৰ মনত কিবা কষ্ট হব পাৰে বুলি তুমি কোনোদিনে এবাৰো ভাবি চোৱা নাই। সেই অনুভৱ তোমাৰ নহ'ল নে?

পুনৰ যেন পাহৰিব খোজা এটা নাম তাই শুনিবলৈ পালে। কি কথা আছিল সেই অচিনাকি মানুহজনৰ প্ৰিয়মৰ লগত? তাৰ ব্যৱসায় সমন্ধীয় কথা বুলি তাই প্ৰথমে মনোযোগ দিয়া নাছিল। কিন্তু দুটা আখৰৰ এটা নাম ৰিয়া..... এই শব্দটো শুনি তাই উচপ খাই উঠিছিল। কিমান দিন হ'ল আজি তাইৰ বিয়া হোৱাৰ.....

হিচাপ কৰি চালে তাই ...ছয় বছৰেই হব আৰু। এতিয়াও কি ৰিয়াৰ অস্তিত্ব প্ৰিয়মৰ আশে পাশে বিৰাজমান নে???

..... ফোনটো শেষ হোৱাৰ পাছত তাই প্ৰিয়মৰ চকুলৈ চালে। তাইৰ চকুলৈ চাবলৈ তাৰ সাহ আছিল নে তাই বুজিব নোৱাৰিলে। সি গম পাইছিল যে তাই কথাবোৰ শুনি আছিল।

সেই মানুহজনে প্ৰিয়মক আপত্তি দিছিল, যে ৰিয়াৰ ঘৰৰ কিবা এটা ঘটনাৰ বিষয়ে প্ৰিয়মে সেই মানুহজনক সহায় কৰিব লাগে। মানুহজনে আৰু কোৱা তাই স্পষ্ট শুনিছিল যে ......প্ৰিয়মৰ সেই ঘৰখনৰ লগত যে সম্পৰ্ক আছে তেওঁ জানে। সেই ঘৰখনে মানুহজনক কিবা এটা কথাত ঠগাইছে। গতিকে প্ৰিয়মে সহায় কৰি দিব লাগে।

কথা শুনি তাইৰ মুৰে কাম নকৰা হৈ গ'ল..... তাই তাক সুধিলে গুৱাহাটীৰ মানুহেও জানে নে তোমাৰ আৰু ৰিয়াৰ প্ৰেম কাহিনী.... আজি বিয়া হোৱাৰ ইমান দিন পাছতো মানুহে তোমাক কিয় তাইৰ কথা শুনাই থাকে.....

....নে তুমি ৰিয়াকেই বিয়া কৰালা বুলি জানে....মানুহবোৰে..???? সি নিমাত হৈ আছিল। পুনৰ তাই সুধিছিল তাক....কিয় সি এই ধ্বংসকাৰী কথাবোৰৰ প্ৰতিবাদ নকৰে....কিয় সি এনে কথা শুনাই থাকিবলৈ মানা কৰিব নোৱাৰে.....কিয়....কিয় .....কিয়....ক'ত তাৰ দূৰ্বলতা। যে নিজৰ বিবাহিতা পত্নীৰ আগতেই যাৰ মন যায় আহি তাৰ অসফল কলংকিত প্ৰেমৰ অধ্যায় শুনাবলৈ সাহস কৰিব পাৰে।

ঘৰে বাহিৰে সকলোতে তাই মাত্ৰ শুনি শুনি জীৱন কটাব লগা হৈছে, কিয়.....??? কাৰ ভুল তাইৰ নে? কলেজীয়া প্ৰেমে গোটেই অসম ৰজনজনাই গৈছিল নে....কিমানে জানে তোমাৰ পত্নীৰ নাম। গায়ত্ৰী বুলি.....সুধিছিল তাই প্ৰিয়মক.....তোমাৰ জীৱনৰ সকলো ভুল ভ্ৰান্তি নোহোৱা কৰি, সুখে দুখে নিজৰ জীৱন উচৰ্গা কৰি দিয়া তোমাৰ পত্নীৰ নাম কিমানে জানে???? কোলাৰ কেচুৱা পেলাই থৈ দিনে ৰাতিয়ে তোমাৰ ঘৰৰ মানুহৰ ভাললগা বেয়ালগাবোৰ নতশিৰে মানি লৈ শুশ্ৰূষা কৰা তোমাৰ পত্নীৰ অস্তিত্ব কি দিলে কেতিয়াবা সি এবাৰলৈও ভাবি চাইছেনে....

বুকুত ঢকিয়াই তাই কান্দে.....কিয় বাৰে বাৰে তাৰ ওচৰত তাই অস্তিত্ব বিচাৰি হাহাকাৰ কৰিব লগা হৈছে। এইখন ঘৰত তাই অস্তিত্বৰ সংকটত পৰিছে, য'ত কাষত তাইৰে প্ৰেমিক স্বামীৰ উপস্থিতিত। কিয় এনে হ'ল......

হয়তু কিছুমান মানুহ ভাগ্যত নাথাকিলেও হৃদয়ত আজীৱন থাকি যায়..... হয়তু ৰিয়াও প্ৰিয়মৰ বাবে তেনে এক সম্পৰ্ক, যি হৃদয়ত থাকি গ'ল আজীৱন, তাইৰ বৰ্তমানেও

আজিও একাকাৰ হৈ থাকি ৰ'ল প্ৰিয়মৰ হৃদয়ত।

ক'তো তাইৰ মন ন'বহা হল। অনুশোচনাৰ গ্লানিত তাই জ্বলি পুৰি শেষ হৈ গৈছে। তাইৰ সিদ্ধান্ত বাৰু ভুল আছিল নেকি?? বাৰে জীৱনত হাবাথুৰি খাইছে নিজৰ অস্তিত্ব বিছাৰি...। কেনে জীৱন এইটো... যত প্ৰতিদিনেই আন এক নাৰীৰ অস্তিত্ব ই তাইৰ সত্বা উপলুঙা কৰি গৈছে।

সেইজনী তাইয়েই নে যাৰ পাছত এদিন তাইৰ গুণমুগ্ধৰ অভাৱ নাছিল....! তাইৰ সৌন্দৰ্যৰ পূজাৰীয়ে ভীৰ কৰিছিল তাইৰ চৌদিশে...! কিমান ল'ৰাৰ হৃদয়ৰ আহ্বান নেউচি তাই প্ৰিয়মৰ প্ৰেমত পাগল হৈছিল। আৰু আজি প্ৰতি দিনে তাইৰ মৃত্যু হৈছে প্ৰিয়মৰ অতীতৰ প্ৰেমৰ সমুখত।

....সেইদিনা তাই বৰ অকলশৰীয়া যেন লাগিল। ছোৱালীজনীৰ মুখলৈ চাই তাই একো বেলেগ সিদ্ধান্ত ল'ব নোৱাৰে। কিন্তু কিমান শুনিব এই কথাবোৰ ....? কিমান ভাঙিব তাইৰ সপোন....! বিমৰ্ষ ৰূপত তাইক দেখি সেই দিনা প্ৰিয়মৰ হয়তোবা কৰবাত আঘাত লাগিছিল। তাই সেই নিশা ভাত খোৱা নাছিল। সকলোকে খুৱাই তাই পাকঘৰ সামৰি নিজৰ ৰুমত আইনাখনৰ কাষত বহি থাকিল।....এতিয়াও তাইৰ সৌন্দৰ্য অলপো কমা নাই। মাতৃ হোৱাৰ পাছত আৰু যেন দুগুণ চৰিছে তাইৰ ৰূপ। কিন্তু ইমান উদাস তাই আগতে আছিল নে.....? হাঁহি য়ে উপচি থকা মুখখনত সদাই বিষাদৰ ছাঁ.....

প্ৰিয়ম আহি তাইৰ কাষত বহিল। এখন হাতেৰে তাৰ বুকুলৈ আনি সি কৈ গ'ল....এই প্ৰথম সি এই বিষয়ে মুখ খুলিলে...

সি কৈছিল..." মই জানো এইবোৰ কথাই তোমাক বহুত কষ্ট দিছে...বহুত আঘাত দিছে। এইবোৰ কথা মই অলপো গুৰুত্ব নিদিওঁ।...আৰু তুমিও নিদিবা।

সি পুনৰ কৈছিল "এবিধ মানুহ আছে, যি আনৰ সুখ দেখিব নোৱাৰে। সেইবোৰ মানুহে দিনে ৰাতি চিন্তা কৰি আছে,

কেনেকৈ তোমাৰ আৰু মোৰ সংসাৰত জুই লগাব পাৰে। মই তোমাৰ দৰে জীৱন সংগী বহুজনমৰ সাধনাৰ বলত পাইছোঁ। তুমি ইমানবোৰ কথা শুনিও প্ৰতিটো কথাতে মোক সমৰ্থন কৰি গৈছা,...মোৰ কাষত আছা...মৰম ভালপোৱাৰে মোৰ জীৱন ভৰাই দিছা....। আন কোনো নাৰীৰ লগত তোমাৰ তুলনা মই কৰিব নোৱাৰোঁ।"

তাই সুধিছিল ....কিয় সি তেনে কথাকোৱা মানুহৰ ওচৰত একো প্ৰতিবাদ নকৰে, কিয় সেইবোৰ মানুহক ৰিয়াৰ কথা কবলৈ সুবিধা দিয়ে....সিঘৰৰ মানুহে ৰিয়াৰ কথা কলেও কিয় একো নকয়। সেইবোৰ কথায়ে তাইক যে প্ৰতি দিনে বুকুত চুৰি মাৰি যায়, সি অনুভৱ নকৰেনে.....

সি কৈছিল " কৰোঁ। তোমাক তেনে কথা শুনোৱাৰ বাবে মই কি শান্তিত আছোঁ বুলি তুমি ভাৱিলা কেনেকৈ...। মই ঘৰৰ মানুহক কিবা ক'বলৈ গ'লেই সিহঁতে তোমাৰ ওপৰত অত্যাচাৰ বেছি কৰিব। তোমাক মই নিজৰ পছন্দত বিয়া কৰাইছোঁ। আজি তুমি মোৰ কাষত, মই কিমান শান্তিত আছোঁ সেইটো মই জানো। তুমি ৰিয়াৰ লগত কোনোফালেই তুলনা নহয়। তাই মোৰ বিশ্বাস ভাঙিছিল ....আৰু তুমি মোৰ জীৱনটো নতুনকৈ সজাই তুলিলা....তোমাৰ ভালপোৱাই মোক গোটেই পৃথিৱীখনকে ভাল পাবলৈ শিকালে.....ভগৱানে পৃথিৱীলৈ তোমাক মোৰ বাবেই পঠিয়াই দিছে....।"

ধাৰাসাৰে চকুপানী বৈছিল তাইৰ। তাৰ বুকুৰ মাজত তাই উচুপি উচুপি শেষ হৈ গৈছিল। অতদিনৰ বুকুভঙা কান্দোনে তাইৰ দুখবোৰ উটুৱাই নিয়াটো তাই বিছাৰিছিল.....

কিমান সহিব তাই ....। গোটেই ৰাতি প্ৰিয়মে তাইক বুকুত লৈয়ে থাকিল। তাইও জানে সিও তাইক কিমান ভালপায়। অলপ দেৰি নেদেখিলেই থাকিব নোৱাৰে। অকলে মাকৰ ঘৰত যাবলৈ নিদিয়ে ...যলৈকে গৈছে কিমান বস্তু তাইলৈ আনিছে তাৰ হিচাপ নাই।....

তথাপিও তাই আশ্বস্ত হব নোৱাৰে...... কিয় .....কিয়....কিয়....

.....তাই ৰ চৌদিশে সোণাৰু ফুৰিছিল,... আকাশ নীলা হৈ পৰিছিল, ৰামধেনুৰ সাতো ৰঙে তাইৰ জীৱন ৰাঙলী কৰিছিল,

প্ৰিয়মৰ এবুকু মৰমত সাগৰৰ ঢৌৰ দৰে বাঢ়িব লাগিছে বুকুৰ উলাহ....মাছৰ দৰে জাক পাতি উজাইছে ওঠৰ গান

....চৌদিশে নাচিছে গৰখীয়া বাহীৰ সুৰ...

প্ৰিয়ম আৰু তাইৰ সংসাৰ আগুৱাইছিল । সুখৰ আমেজেৰে জীৱন ভৰপূৰ হৈ পৰিছিল। তাৰ ব্যৱসায় বহুত আগবাঢ়ি গৈছিল। প্ৰাচুৰ্যৰে সংসাৰ ভৰি পৰিল। তাই কিন্তু আগৰ গৃণজনীয়ে হৈ থাকিল। ছোৱালীজনী ডাঙৰ হৈছিল। তাই ছোৱালীৰ পঢ়া-শুনা আদিত ব্যস্ত হৈ পৰিল। বিয়াৰ আগতে তাই গান গাইছিল, এটি সুমধুৰ কণ্ঠৰ অধিকাৰী তাই। ছোৱালীজনীকো গানৰ স্কুলত নাম লগাই দিলে। তাইৰ আধৰুৱা সপোন ছোৱালীজনীৰ মাজেদি পূৰণ কৰিবলৈ বিচাৰিছিল।

যোৰহাটত তাই classical music শিকিছিল পণ্ডিত প্ৰদীপ ব্ৰহ্ম ছাৰৰ ওচৰত। বহুতো নাম থকা শিল্পী সেই সময়ত তাই লগ পাইছিল। অন্য লিখা-মেলাতো তাই পাৰদৰ্শী আছিল। কিন্তু বিয়াৰ হোমৰ জুইত সকলো তাই জাহ দি থৈ আহিছিল। তাৰ বাবে তাইৰ কোনো খেদ নাই। নিজৰ প্ৰিয়তম স্বামীৰ সুখেই তাইৰ চিৰকাম্য।

ছোৱালীজনীৰ গানৰ স্কুল লৈ আনা নিয়া কৰোতে তাই সুপ্ত প্ৰতিভা পুনৰ সাৰ পাই উঠিছিল। সেই বোৰৰ মাজত থাকি তাই বহু কথা পাহৰি গল। প্ৰিয়মও সামাজিক কাম কাজত ব্যস্ত হৈ পৰিল। তাৰ মাজতো কিন্তু ঘৰৰ মানুহবোৰে খোচটো মাৰি তাইক কথা শুনাবলৈ নেৰিলে।

বিয়াই সবাহে প্ৰিয়মৰ লগত ক'ৰবালৈ গলে তেতিয়াও ৰিয়াৰ কথা তাক সোধা তাই শুনিয়েই থাকিল। আজি কালি তাইৰ খং নুঠে। তাইও তাৰ লগত ৰিয়াৰ কথা খোলাখুলিকৈয়ে পাতে। কিন্তু আনৰ মুখত শুনিবলৈ পালে বুকুৰ মাজত কৰবাত অলপ আঘাত আজিও তাই অনুভৱ কৰে। আচলতে কথাবোৰ তাই পাহৰিব নোৱাৰিলে, হজম কৰিহে গ'ল।

লাহে লাহে তাই প্ৰিয়মৰ লগত বিয়া আদি লৈ যোৱা কমাই দিলে। নগ'লে নোহোৱা বিষয় হ'লেহে যায়। তাতে সি সমাজৰ কামত থকা মানুহ। অৱশ্যে চৰিত্ৰৰ দিশৰ পৰা সি একেবাৰে নিৰ্মল আছিল। তাইৰ সেইটো বিশ্বাস গভীৰ আছিল, তাইক সি কেতিয়াও বিশ্বাসঘাতকতা নকৰে কেতিয়াও।

ঘৰৰ মানুহে তাইৰ এই সুখৰ সংসাৰ দেখি বৰ সুখী নহয় বুলি তাই জানে। তাৰ পাছতো তাই নিজৰ কৰিবলগাখিনি

নিয়াৰিকৈ কৰি যায়, প্ৰিয়মৰ মুখলৈ চায়।

এনেকৈ দিনবোৰ গৈ থাকিল। প্ৰিয়মৰ বায়েকে এদিন তাইৰ জীৱনৰ অস্তিত্বত পুনৰবাৰ আঘাত কৰিছিল। বায়েক কৰবাত ফুৰিবলৈ গৈছিল। আহি তাৰ ঘৰত সোমাই গৈছিল। সেই দিনা ঘৰৰ সকলো মানুহে আদ্দা মাৰি বহি আছিল। তেনেতে বায়েকে কলে ...

"অই গুণ জানানে কালি ববীক লগ পালো"। তাই সুধিছিল কোন ববী?....বায়েকে উত্তৰ দিলে

"কিয় ৰিয়া যে আমাৰ প্ৰিয়মে ভালপাইছিল । তাইৰ বান্ধৱী " সকলোয়ে হাঁহিছিল। মুহূৰ্ততে তাইৰ মুখৰ হাঁহি হেৰাই গৈছিল। ছোৱালীজনীয়ে সেই বাৰ HSLC পৰীক্ষা দিছিল। ছোৱালীজনীয়ে তাইক সুধি সুধি পগলা কৰি দিছিল.... ৰিয়া কোন মা ?....পাপাই তোমাক ভালপোৱা নাছিল নেকি....???

তাইৰ ছোৱালীজনীয়ে তাই আৰু প্ৰিয়ম মানে মাক দেউতাকৰ প্ৰেমবিবাহ হৈছিল বুলি জানিছিল।....কিন্তু বায়েকৰ মুখত ৰিয়াৰ নাম শুনি তাইও ভাবুক হৈ পৰিল

আজিও কোনো কথাৰ মীমাংসা নহ'ল
কাৰ ভুল, কোন নিৰ্ভুল
তাৰো হিচাপ নোলাল
কেৱল অসমাপ্ত দুখৰ পাণ্ডুলিপি।

......লাহে লাহে তাই উত্তাপ হেৰুৱাইছিল জীৱনৰ। হাঁহি হাঁহি ভাগৰি নপৰা মানুহজনী ভাগৰুৱা যেন হৈছিল। ...নানা সুস্বাদু ব্যঞ্জণেৰে ৰান্ধি বাঢ়ি ভালপোৱা মানুহজনীৰ হাতৰ জুতি হেৰাই গৈছিল। নানা তৰহৰ ফুলেৰে ভৰাই তোলা ঘৰখনত ফুলৰ যত্ন লবলৈও এলাহ লগা হৈছিল। মুঠতে ক'তো তাই মন বহুৱাব নোৱাৰা হ'ল।

এবছৰ দুবছৰ নহয়, এই ঘৰত ভৰি থোৱাৰ দিনৰে পৰাই এটা নামে তাইক তিল তিল কৈ শেষ কৰি দিলে। ইমান দিনৰ পাছতো যেতিয়া এই ঘৰৰ মানুহে, প্ৰিয়মে ৰিয়া নামটো পাহৰিব নোৱাৰিলে তাই গম পাই গল, তাইৰ সংগোপনে নিৰলে ঘৰৰ মানুহৰ মনত, প্ৰিয়মৰ বুকুৰ মাজত আজীৱন ৰৈ গ'ল ৰিয়া। তাই মাথো ৰিয়াৰ শূন্য স্থান পূৰ কৰাৰ বাদে প্ৰিয়মৰ বাবে আন একো নহয়।

কেতিয়াবা সেই ৰিয়া নামৰ মানুহজনীক এবাৰ ওচৰৰ পৰা লগ পাবলৈ। কি এনে তাইৰ আছে যাৰ বাবে ইমান সহজে প্ৰিয়মৰ সপোন ভাঙি থানবান কৰাৰ পাছতো সি তাইক মনৰ পৰা মচিব নোৱাৰিলে, আৰু তাইৰ শহুৰ-শাহুৰ প্ৰতি কি এনে দায়িত্ব পালন কৰি গ'ল যে যাৰ বাবে তেওঁলোকৰ মনতো ৰিয়া থাকি গল। দুখ লাগিলেও তাই নাকান্দে আজি কালি। প্ৰিয়মকো তাই মন গলেই ৰিয়াৰ কথা কয়। তাই মনতে ঠিক কৰিলে যিজনী ছোৱালীৰ কথা সিহঁতে আজি বিশ বছৰে তাইৰ আগত কৈ আহিছিল, এতিয়াৰে পৰা তাই সিহঁতৰ আগত ক'ব। তাই জেদি হৈ উঠিল।

তাৰ মাজতে আমানিশা আতৰি পূৰ্ণিমাৰ জোনৰ দৰে এটা খবৰে তাইৰ জীৱন লৈ গভীৰ প্ৰশান্তি আনি দিলে। তাইৰ ছোৱালীজনীয়ে ড্ৰিচটিংচন লৈ HSLC পাছ কৰিলে। ঘৰখনত আনন্দৰ বন্যা নামি আহিল। উচ্চ শিক্ষাৰ বাবে তাইক এখন নামী ৰেচিডেন্সিয়েল স্কুলত নাম লিখাই থৈ আহিল। তাইক থ'বলৈ প্ৰিয়মৰ লগতে তাইও গৈছিল। আহোতে গোটেই বাট তাই চকুৰ পানীৰে নেদেখা হৈ আহিছিল। কিন্তু তাইৰ ভৱিষ্যতৰ কথা ভাবি অলপ সকাহ পাইছিল। তাই প্ৰিয়মৰ যিবোৰ কথা বাহিৰৰ মানুহৰ মুখত শুনিবলৈ পাইছিল সেইবোৰ যাতে ছোৱালীজনীয়ে শুনিবলৈ নাপায়। সেই বাবেই তাই বাহিৰত পঢ়িবলৈ যোৱাৰ বাবে মনত শান্তি পাইছিল।

ঘৰত অকলে থাকি তাই ৰ আমনি লাগিছিল। জীয়েকে সেই বিবে যোৱাৰ আগতে তাইক ফেচবুকটো খুলি থৈ গৈছিল। আজি কালি তাই তাতে অলপ ব্যস্ত থাকে। আন কথাত প্ৰিয়মৰ লগত অলপ সংঘাত থাকিলেও কিন্তু দুয়োটা ভাল বন্ধুও আছিল। তাৰ মোবাইলটো তাই কিবা কিবি চাই থাকে। তাৰ মাজতে এদিন সি তাইক এজনী মানুহৰ ফটো দেখাই কলে চোৱা এইজনীয়ে ৰিয়া। people you may knowত তাৰ মোবাইলত সোমাই আছে।

তাই কলে... Friendship request এটা দি দিয়া। এনেও পাহৰিব নোৱাৰিলাই....সি ক'লে হ'ব দিয়া গৰুও মৰিল আৰু পোকো সৰিল....

আন এজনী ছোৱালী নমিতাৰ ফটো দেখাই সি কৈছিল সেইজনী তাৰ কলেজৰ চিনাকি ছোৱালী। ষ্টাইল চোৱা। এনেকৈ দিনবোৰ গৈ আছিল। এদিন সি বাথৰুমত থাকোঁতে প্ৰিয়মৰ ফোনটো লৈ এনেয়ে চাই আছিল। সদায় চাই থাকে তাৰ ফোন তাই। তেনেকুৱাতে নমিতাৰ কিবা মেচেজ এটা চকুত পৰাত তাই ভালকৈ চায় দেখে নমিতাৰ লগত প্ৰিয়মৰ কথা। ৰিয়া কথাৰে নমিতা আৰু প্ৰিয়মৰ মেচেঞ্জাৰ ভৰি আছে.....পুনৰ মেচেজ কেইটা পঢ়িল....পুনৰ....সি বাথৰুমৰ পৰা ওলাই অহালৈ তাই ৰৈ থাকিল..

.....বাৰে বাৰে তাই প্ৰিয়মৰ বান্ধৱী নমিতায়ে দিয়া মেচেজকেইটা পঢ়িলে ।....আগৰ লগৰ কিছুমান লৰা-ছোৱালীৰ কথা সুধিছিল। ফোন নং বিচৰিছিল । তাৰ পাছত সুধিছিল ৰিয়াৰ কথা। ৰিয়াৰ ফোন নম্বৰ লাগে তাইক।... তাইৰ এনে কথাত আচৰিত হোৱাতকৈ প্ৰিয়মৰ উত্তৰ দেখি বেছি আচৰিত হ'ল।...

......সি কৈছে ফোন নম্বৰ পালে মই দিম।....

কি আচৰিত মানুহ। ইমান দিনৰ পাছত লগ পাইছে অন্য ভাল বেয়া সোধা নাই, সংসাৰৰ কথা জানিব বিচৰা নাই তাইক লাগে প্ৰিয়মৰ অতীতৰ প্ৰেমিকাৰ খবৰ। ....তাইও জানে যে ৰিয়াৰ লগত তাৰ বিয়া নহ'ল বুলি। সেই কথা জানিও তাই কিয় এনেদৰে কলে। তাই বুজি নাপালে।...

তাতকৈ আচলতে আচৰিত হল প্ৰিয়মৰ কথা দেখিহে। সি কিয় কব নোৱাৰিলে নমিতাক সেইবোৰ কথাৰ লগত এতিয়া তাৰ জীৱনৰ কোনো সম্পৰ্ক নাই বুলি । কিন্তু সি কলে ফোন নম্বৰ পালে দিব। ক'ত পাব সি ৰিয়াৰ ফোন নম্বৰ? নে তাৰ ওচৰত ৰিয়াৰ ফোন নম্বৰ আছেই।

তাই জানে, ৰিয়াৰ বিয়া প্ৰিয়মৰ একেখন চহৰতে হৈছে। মাজতে দুবাৰমান তাইক লগ পোৱাৰ কথা তাই জানে। ৰিয়াক লগ পাই এদিন ঘৰলৈ আহোঁতে তাৰ মুখত সন্তুষ্টিৰ হাঁহিত তাই ধৰা পেলাইছিল। পোহৰ মুখখন দেখিয়েই তাই তাক সুধিছিল.... কি হল আজি ইমান উৎসাহ দেখিছোঁ, কৰবাত ৰিয়াক লগ পালা নেকি....? তেতিয়া সি কৈছিল.... অ পালোঁ জানা....বহুত মানুহ থকাৰ বাবে মাতিব লগা হ'ল।....কি কি কথা হৈছিল সি তাইৰ আগত কৈছিল। .....তাই একো নক'লে। ভাল কৰিলা বুলি কৈ সেইবোৰ আৰু নুসুধিলে। তাইৰ কাষত শুই থকাৰ পিচতো তাই অনুভৱ কৰিছিল সি যেন আজি বৰ সুখী....

বাথৰুমৰ পৰা ওলোৱাৰ পাচত তাই প্ৰিয়মক প্ৰশ্ন কৰিছিল..... নমিতাৰ লগত তাৰমানে এতিয়াও ৰিয়াৰ কথাই পাতা নহয়নে.....এইয়াই তোমাক বান্ধৱী ...

সি ভবাই নাছিল যে তাই মেচেজবোৰ দেখিব.....

সি কৈছিল অ, এইবোৰ ফাল্টু ছোৱালীৰ কাম নাই.... আৰু কি বেলেগ কথা পাতিব।....কলেজত থাকোঁতে কলেজ গৰম কৰি যোৱা ছোৱালী। এতিয়া চিটিত থাকে, গাঁৱৰ পৰা ওলাই যোৱা ছোৱালি, নিজকে বহু স্মাৰ্ট বুলি ভাবে। কেনেকুৱা ছোৱালী আছিল মইহে জানো।

তাই ক'লে....যদি ফটোৱা ছোৱালী বুলিয়েই জানা কিয় fb. Friend হৈ লৈছিলা। তোমাৰ ৰিয়াৰ লগত বিয়া হোৱা বুলি তাই জানে নেকি?...সি মুৰ জোকাৰিছিল,....নাই তাই আমাৰ বিয়া নহ'ল বুলি জানে।

তাই সুধিলে ....তেতিয়া হলে ৰিয়াৰ ফোন নম্বৰ কিয় তোমাক বিচাৰিলে...তাইৰ তোমাক সুধিবলৈ আন কথা নাছিল নে......

তোমাৰ সংসাৰৰ কথা, তোমাৰ লৰা ছোৱালীৰ কথা। সকলো জানিও তোমাক কিয় সুধিলে ৰিয়াৰ কথা।...উত্তৰ দিয়া মোক....নে তাই জানে আজিও তোমাৰ ৰিয়াৰ লগত সম্পৰ্ক আছে বুলি.....

"....বাদ দিয়ানা...কিনো একেবোৰ কথাতে লাগি থাকা"...সি কৈছিল।....

বাদ দিলোঁহেঁতেন প্ৰিয়ম.... তুমি যদি ক'লাহেঁতেন ....তাই বিয়া নহ'ল বুলি জানিও কিয় ৰিয়াৰ কথা সুধিলে... যদি ক'লাহেঁতেন এতিয়া ৰিয়াক লৈ তোমাৰ জীৱন নহয় ....তাই নোহোৱাকৈ এতিয়া তোমাৰ এক সুখৰ সংসাৰ।....

কিন্তু তুমি সেইবোৰ একো নক'লা....ক'লা ফোন নম্বৰ পালে দিম...ক'ত পাবা তুমি.... ইমানেই যদি ৰিয়া ৰ কথা পাতি ভালপোৱা, মেচেজবোৰ দিলিত কৰি কিয় নিদিয়া...? মই দেখাকৈ ৰাখি কিয় মোক বাৰে বাৰে হত্যা কৰি গ'লা। বিয়াৰ ইমান

বছৰৰ পাছতো ৰিয়াৰ প্ৰয়োজনীয়তা থাকি গলনে তোমাৰ জীৱনত.... ?

সঁচাকৈ ছাই হৈ গৈছিল তাই ৰিয়া নামৰ এই জুইত। আজি যদি ৰিয়া বিয়া নোহোৱাকৈ থাকিলহেঁতেন, নিশ্চিতভাবে তাই প্ৰিয়মৰ লগত বিয়া পাতি দি আতৰি গুচি গ'লহেঁতেন...

যাৰ জীৱনত তাইৰ অস্তিত্ব ই নাই কি প্ৰয়োজনত তাই থাকি গ'ল ...তাই যিকোনো প্ৰকাৰে ৰিয়াৰ ফোন নম্বৰটো বিচাৰিবলৈ ঠিক কৰিলে

.....বিচাৰি আনিছিল তাই বহু কষ্ট কৰি ৰিয়াৰ ফোন নম্বৰ। তাইৰ সম্বন্ধীয় দেওৰ এজনে আনি দিছিল সেই নম্বৰটো। .....তাই প্ৰিয়মক ৰিয়াৰ নম্বৰটো দি কৈছিল...

..লোৱা এইটো নম্বৰ তোমাৰ ৰিয়াৰ। তোমাৰ বান্ধৱী নমিতাক দি দিবা। যি জানি বুলিও তোমাৰ জীৱন জ্বলাব বিচাৰে সেইবোৰৰ লগত ইচ্ছা মতে এতিয়াৰ পৰা তোমাৰ ভাগি যোৱা প্ৰেমৰ বিষয়ে পাতি থাকিবা। মাত্ৰ মোক আৰু শেষ নকৰিবা।...

সি একো নকলে মুখেৰে। তাই পুনৰ ক্ষোভ উজাৰিলে ...

ইমান বছৰে মই পাহৰিয়েই গৈছিলোঁ তোমাৰ এই কথাবোৰ। কিন্তু কি আচৰিত.... তোমাৰ ফালৰ পৰাই বাৰে বাৰে কথাবোৰ সজীৱ হৈ থাকিল আজিও....

...সি এই বাৰ মাত দিলে... তুমি এই মানুহ বোৰৰ কথাত ইমান কিয় গুৰুত্ব দিলা মই বুজি নাপালো গুণ...

..তাই কৈছিল... গুৰুত্ব এই বাবেই দিলো প্ৰিয়ম.. তোমাৰ চাৰিওফালৰ মানুহবোৰে ৰিয়া আৰু তোমাৰ সমন্ধ লৈয়েই গোটেই জীৱন থাকি গ'ল। মোক তোমাৰ লগত এক হ'বলৈ সুবিধা নিদিলে।

...সি কৈছিল... তোমাক মই কিমান ভালপাওঁ, তুমি বুজিয়েই নাপালা।...তোমাৰ অবিহনে এইখন ঘৰত এদিনো মই থাকিব নোৱাৰা হ'লো,...কামৰ বাবে বাহিৰলৈ গ'লে তুমি কাষত নহলে মই শুব নোৱাৰা হ'লো....তুমি বুজিয়েই নাপালা....

তাৰ কথা শুনি তাইৰ ধাৰাসাৰে চকুৰে পানী নিগৰিছিল..

..তাই কৈ গল..তোমাৰ ভালপোৱা বুজি কি মই পোৱা নাই... যেতিয়াই তোমাৰ গভীৰতা লৈ গতি কৰিব বিচাৰোঁ, তেতিয়াই ৰিয়াৰ অস্তিত্বই তোমাক গ্ৰাস কৰি থাকে, আৰু তুমি প্ৰয়োজনবোধ নকৰিলা সেই বৃত্তৰ পৰা ওলাই আহিবলৈ।....আৰু আজি তোমাৰ বান্ধৱীৰ লগত ৰিয়াৰ কথা পাতি থাকিবলৈও তোমাৰ কলিজাত কপনি নুঠিল।..

...এটা বাৰো তুমি ভাবিব নোৱাৰিলা সেইবোৰ কেনেবাকৈ মোৰ চকুত পৰিলে মই দুখ পামনে নাপাম.....

..তোমাৰ ভালপোৱা বুজিবলৈ তুমিয়েই মোক সুযোগ নিদিলা।...তুমি চিৰদিন ৰিয়াৰে হৈ থাকি গ'লা..........

..ৰিয়াক লগ পাই অহাৰ পাছত তোমাৰ মুখৰ উজ্জ্বলতাই মোক কৈ দিয়ে সেই কথা....

আচৰিত ধৰণেৰে এবাৰ তাই ৰিয়াক লগ পাইছিল। ছোৱালীজনী বন্ধত ঘৰলৈ আহোতে সিহঁতে শ্বিলং আৰু চেৰাপুঞ্জী ফুৰিবলৈ গৈছিল। শ্বিলঙৰ পাইন উদ হোটেলত সিহঁত আছিল।...আবেলি শ্বিলং পিকত বহি থাকোতে তাই দেখিছিল, এগৰাকী মহিলাই আগবাঢ়ি আহি হাঁহি হাঁহি প্ৰিয়মৰ লগত কথা পাতিছে। তাই ভাবিলে হয়তো তাৰ কোনো বান্ধৱী..। সি কিন্তু অলপ অস্বস্তিবোধত আছে। মানুহগৰাকীৰ আগ্ৰহত সি তাইৰ লগত চিনাকি কৰাবলৈ লৈ আহিল।....তাৰ কথাত তাই চমক খাই উঠিল.... সি কৈছিল..... গুণ এইয়াই ৰিয়া....... পাহাৰৰ ভাজে ভাজে যেন প্ৰিয়মৰ শব্দই ঠেকা খাই শেষ হৈছিল....

...তাইটো অভদ্ৰ হব নোৱাৰে কেতিয়াও..... তাই হাইকৈ হাতখন আগবঢ়াই দিছিল। প্ৰিয়ম তাইৰ ব্যৱহাৰত সুখী হোৱা যেন লাগিল। ভাল বেয়া দুই চাৰিটা কথা পাতিলে।...তাইৰ ল'ৰা এটা আৰু ছোৱালী এজনী.... ওচৰলৈ মাতি আনি চিনাকি কৰাই দিলে। তেতিয়াহে তাই জানিলে ৰিয়াৰ স্বামীকো প্ৰিয়মে আগৰ পৰাই চিনি পায়। মানুহজন কিন্তু বৰ প্ৰকৃতিস্থ হৈ থকা যেন নালাগিল তাইৰ। কিবা ভাবত বিভোৰ । বিপৰীতে ৰিয়া কিন্তু চঞ্চল। তাই ল'ৰা-ছোৱালী দুটাৰ নাম সুধিলে, কিহত পঢ়ে সুধিলে....নাম শুনি তাইৰ চকু কপালত উঠিল।

ৰিয়া ই প্ৰিয়মলৈ দিয়া চিঠিত সেই নাম দুটা তাই বাৰে বাৰে পঢ়িছিল। দুয়ো মিলি সিহঁতৰ সন্তান হ'লে সেই নাম দিয়াৰ সপোন দেখিছিল। আৰু আজি আন এজনৰ লগত দেখা সপোনৰ ৰূপায়ণ বেলেগ এজনৰ লগত কৰিলে.....

কিয় এই নাম ৰাখিলে ৰিয়াই.....তাই বাৰে বাৰে নিজকে সুধিলে...

....নে যি ৰাতি ৰিয়া ই প্ৰিয়মৰ লগত কটাইছিল সেই ৰাতি সিহঁতৰ সপোন ৰৈ গৈছিল... যাৰ বাবে অতি সোনকালে

ৰিয়া বিয়া হবলগা হৈছিল। কাৰণ সেই সময়ত প্ৰিয়মে তাইক বিয়া কৰাবপৰাকৈ উপযুক্ত নাছিল.....

...দেশে-বিদেশে, আকাশে বতাহে কেৱল ৰিয়াৰ উপস্থিতি য়ে তাইক ধূসৰ কৰি দিছিল....

সন্ধ্যা হোৱাত সিহঁত হোটেললৈ আহিছিল....

হোটেল লৈ অহাৰ বাটত তাই বাৰে বাৰে মনত ৰৈ ৰৈ ভাহি থাকিল ৰিয়াৰ সন্তান দুটাৰ নাম। কিয় ৰাখিলে প্ৰিয়মৰ লগত দেখা সপোনৰ নাম। এতিয়াৰ স্বামীক বাৰু তাই প্ৰতাৰণা কৰা নাই নে। সেই নামৰ মাজত তাই আজিও প্ৰিয়মৰ প্ৰেমৰ সন্ধান কৰি ফুৰে নেকি বাৰু। আৰু তাই দেখিলে তাইৰ স্বামী সকলো সয়যতে কিবা বিষাদৰ মাজত ডুবি থকা। তাতকৈ আচৰিত হল সেই লৈ তাইৰ অলপো চিন্তিত নহয়। যিদৰে তাই যিমানেই প্ৰিয়ম ৰ প্ৰতি ক্ষোভত নাথাকক কিন্তু সকলো সময়তে তাৰ ভাল লগা বেয়া লগাবোৰৰ প্ৰতি অত্যন্ত সচেতন। যিটো ৰিয়াৰ মাজত দেখা নাপালে।

মানুহজন ৰিয়াতকৈ বহুত বেছি বয়সীয়া যেন লাগিল তাইৰ। বাৰে বাৰে ৰিয়াৰ মুখখন মনলৈ আহি থাকিল,.... যিখন মুখ এদিন প্ৰিয়মৰ নিচেই আপোন আছিল..... তাই বিশেষ একো আকৰ্ষণ একো দেখা নাপালে। চাপৰ শৰীৰটোত মঙহৰ ভেৰ। সেই সময়ত অৱশ্যে কেনেকুৱা আছিল চেহেৰা দেখি তাই বুজিব নোৱাৰিলে। ওখ পাখ পুৰুষ সুলভ প্ৰিয়মৰ লগত যে একেবাৰে নিমিলে তাহক দেখি ধৰিব পাৰিলে।

হোটেল পাইন উদ পাই সিহঁত নিজৰ ৰুমলৈ গ'ল। দুটা ৰুম লৈছিল সিহঁতে কাৰণ তাইৰ ছোৱালীৰ লগৰ বান্ধৱী এজনীও লগত আহিছিল। তাহাত দুজনীক এটা ৰুম দি আনটো ৰুমত প্ৰিয়ম আৰু তাই। নৰেস্বৰ মাহৰ শ্বিলংৰ বতৰ তাইৰ ভাল লাগিল। সেমেকা সেমেকা ভাব এটা আছে। ভাল লাগে এনে পৰিবেশ। ৰাতি ভাত খাবলৈ পুলিচ বজাৰত থকা সুৰুচি হোটেলত তাইৰ প্ৰিয় ইলিচ মাছ খাবলৈ যোৱাৰ কথা প্ৰিয়মে কোৱাত তাই তাতে খাব বুলি ক'লে। ওলাই যাবলৈ মন নগ'ল।

ৰাতি খাই বৈ তাই বাহিৰলৈ ওলাই আহি বাৰাণ্ডাত সজাই থোৱা ছোফা এখনত বহি পৰিল। ছোৱালী দুজনী টি.ভি.ত ব্যস্ত। চাৰিওফালে নানা তৰহৰ ফুলেৰে ভৰি আছে হোটেলখন। তাই ড্ৰাইভাৰ প্ৰবিনক ৫০০ টকা এখন দি মালিজনৰ পৰা ফুল অলপ ল'বলৈ কলে। আগতেও তাই নিছে এনেকৈ।

অলপ পাছত প্ৰিয়মো আহি তাইৰ কাষত বহিলহি।

....ভাল লাগিছে ন....সি ক'লে.... তাই কিবা কোৱাৰ আগতেই পুনৰ সি কবলৈ ধৰিলে...

...তোমাৰ মনৰ কথা মই বুজি পাইছো গুণ....আজি তুমি ৰিয়াক ওচৰৰ পৰা দেখিলা....তোমাতকৈ কিবা গুণত তাইক বেছি ভাল দেখিলানে.... হয় এটা সময়ত মই তাইক ভাল পাইছিলোঁ... কিমান শুদ্ধ আছিল সেই সময়ৰ মোৰ চিন্তা মই নাজানো। কিন্তু তুমি মোৰ জীৱনত প্ৰৱেশ কৰাৰ পাছত মই প্ৰতি পলে পলে অনুভৱ কৰি গ'লো ৰিয়া কেতিয়াও তুমি হব নোৱাৰে। তাই মোৰ সামান্য ভুলৰ বাবে মোৰ পৰা আতৰি গুচি গ'ল আৰু তুমি মোৰ হাজাৰটা ভুল মাফ কৰি চিৰদিন মোৰ কাষত থাকি গ'লা.... এনে লাগে মোৰ তাই যেন মোৰ জীৱন লৈ অহাই নাছিল।

তাই কিবা এটি ক'বলৈ মুখ মেলোতেই সি মুখত হাত দি ক'লে....আজি মই কম...তুমি শুনিবা...

তাৰ পাছত আমাৰ সুখ দেখিব নোৱাৰা চকু চৰহাবোৰে সদায় চেষ্টা কৰি গ'ল...কিদৰে তোমাৰ মোৰ সংসাৰত জুই লগাব পাৰে...সি কৈ গ'ল। হয় বিয়াৰ পাছতে এদিন মই তোমাক ৰিয়া নাম ধৰি মাতিছিলোঁ....যাৰ বাবে নিজৰ ওপৰতে আজিও মই খঙত জ্বলি থাকোঁ। তাৰ পাছত তেনে জানো হৈছিল কেতিয়াবা।....কেতিয়াবা লগৰ বন্ধুবোৰেও তোমাক ৰিয়াৰ কথা কয়। সিহঁতকো মই একো ক'ব নোৱাৰিলোঁ। আচলতে তুমিও জানা মানুহৰ লগত মই অলাগতিয়াল কথা পাতিব নোৱাৰোঁ। সিহঁতৰ মানসিকতা তেনেকুৱাই। মই কিয় নিজকে তললৈ নামিবলৈ দিম। ঘৰৰ মানুহবোৰো ঠিক একেই। মই মাত্ৰ মই কি সেইটো জানো বাবে মনে মনে থাকি গলো। .... আৰু সদায় তুমি নিজৰ অস্তিত্ব ৰ সংকটত পৰি নিজকে কষ্ট দিলা। ৰিয়াৰ প্ৰতি আজি মোৰ কোনো আকৰ্ষণ নাই।

যিদিনা তাই মোক নোকোৱাকৈ আন এজনৰ লগত বিয়াৰ সিদ্ধান্ত ল'লে সেই দিনাৰ পৰা তাই মোৰ অচিনাকি হৈ পৰিল। তাই মোক কাম বন নোহোৱা বেকাৰ বুলি হাঁহি আতৰি গৈছিল। আৰু আজি দেখিলা তাইৰ গিৰিয়েকৰ অৱস্থা, মদ খাই। তাই আচৰিত হৈ সুধিলে ...তুমি কেনেকৈ জানিলা তেওঁ যে মদ খাইছে...?...সি ক'লে অ মই দেখিয়েই গম পাইছোঁ। তেওঁ যে মদ খাই আছে...

তাই সুধিলে.... তোমাৰো ৰিয়াৰ কথাবোৰ তেওঁ জানে নেকি?....সি ক'লে ...জানে...কাৰণ ৰিয়াৰ বিয়াৰ সময়ত সি তাইৰ স্বামীক লগ কৰি তাৰ আৰু ৰিয়াৰ কথাবোৰ কৈছিল। ৰিয়াৰ লগত থকা তাৰ ফটো দেখাইছিল...ৰিয়াই দিয়া চিঠিবোৰ দেখাইছিল...। তাৰ পাছতো মানুহজনে জেদত তাইক বিয়া কৰাইছিল। তাই আচৰিত হৈ তাক সুধিছিল... তুমি ইমানেই নিকৃষ্ট কাম কেনেকৈ কৰিছিলা...

সি কৈছিল... তাকেই মই আজিও ভাৱো... কিয় মই সেই কাম কৰিছিলোঁ....

তাই সুধিলে... ৰিয়াই কিয় তোমাৰ লগত সপোন ৰচা সন্তানৰ নাম এতিয়াৰ সন্তানক দিলে...আৰু তোমালোকে ইমানলৈকে কথা পাতিছিলা নে..তুমি ময়ো দেখোন প্ৰেম কৰিয়েই বিয়া হৈছোঁ...বিয়াৰ আগত এইবোৰ কথা পাতিবলৈ লাজেই লাগিছিল....

সেই বাবেইটো তুমি তাইতকৈ বেলেগ...

এনেতে কাষৰ ৰুমটোৰ পৰা কোনোবা এগৰাকী মানুহ আহিছে সিহঁতৰ কাষৰ ছোফাখনত বহিলহি....তাই তেওঁলৈ চাই দেখিলে সেইজনী ৰিয়া। তাৰমানে সিহঁতও এই হোটেলত আছে। প্ৰিয়মৰো চকুপৰিল। তাই উঠি যাবলৈ লোৱাত সি তাইৰ হাতত ধৰি থাকিল.....

..... পৰিবেশটো আচৰিত নীৰৱতাই গ্ৰাস কৰি পেলালে। তাই প্ৰিয়মলৈ চালে, সি মোবাইল লৈ ব্যস্ত। ৰিয়াৰ উপস্থিতি যেন সি গমেই পোৱা নাই.... আৰু ৰিয়াই হাঁহি হাঁহি তাইৰ মুখলৈ চাই আছে। কি কৰিব তাই বিমোৰত পৰিল। যিহেতু তাই অন্য মানুহৰ আগত সদায় মাৰ্জিত ব্যৱহাৰেই কৰে। নিজৰ মনৰ ভিতৰত যিয়েই দাবানলৰ সৃষ্টি নহওক কিয় আনক তাই জানিবলৈ কেতিয়াও নিদিয়ে। পৰিবেশটো সহজ কৰিবলৈ তাই প্ৰথমে মাত লগালে

..ল'ৰা-ছোৱালী শুলেনে?.....

তাই যেন তালৈ কে বাট চাই আছিল। তাই কলে..নাই, সিহঁত হোষ্টেলত থাকে। লৰা NEHU ত আৰু ছোৱালী শ্বিলং NIIT ত পঢ়ি আছে। দুয়োটাকে তাত থৈ আহিলো।..এওঁ অলপ ওলাই গৈছে। সেয়ে মই তোমালোকৰ ওচৰতে বহিম বুলি আহিলো।..

আৰুনো কি কথা পাতিব তাই বিচাৰিয়ে পোৱা নাই। তাই প্ৰিয়মৰ ঘৰৰ কথা সুধিছে.... সি মূৰ তুলি নোচোৱাত তাইয়ে উত্তৰ দি আছে। তাৰ লগৰবোৰৰ খবৰ সুধিছে... সকলো উত্তৰ তাই দি গৈছে। প্ৰিয়মলৈ তাইৰ খঙো উঠিল। আগতে ৰিয়াক লগ পোৱাৰ কথা সি নিজেই তাইৰ আগত কৈছে,... কথা পতাৰ কথাও কৈছে। এতিয়া নো কি ইমান গহীন দেখুৱাইছে। সৌজন্যৰ বাবে কিবা এটা কলে কিনো হয়!!...

এইবাৰ ৰিয়াই সুধিলে তোমালোক বহুত সুখী ন...দেখিলেই ধৰিব পাৰি....তাই মাত্ৰ হাঁহিলে। একো নক'লে... তোমাৰ নামটোৱেই গোটেই জীৱন জ্বলাই শেষ কৰিলে, এতিয়া সুখ দুখৰ বাতৰি বিচাৰি আহিছা। এনে প্ৰেম কৰিলা যি কেতিয়াও শেষ নহ'ল, বিয়া হৈ যোৱাৰ পিচতো তাৰ ছায়া প্ৰিয়মৰ জীৱনত থাকি গ'ল। এতিয়া কি সাহসেৰে তাৰ সমুখত বহি আছা....নে তাক আজি সফল ৰূপত দেখি নিজক ধৰি ৰাখিব পৰা নাই। ....ভাবিলে গায়ত্ৰীয়ে।

আজি তাইৰ সমুখত সেই কলেজৰ প্ৰেমিক আহি ওলোৱা হ'লে তাই পাৰিলেহেঁতেন নে ইমান সহজ হ'ব....!! নাই নোৱাৰে, যাক এবাৰ পাহৰি গৈছে সেই অতীতক তাই কোনোদিনে পুনৰ মুখামুখি হবলৈ নাযায়। কিন্তু ৰিয়া....

এতিয়াও দুচকুত যেন প্ৰিয়মৰ প্ৰতি আহ্বান..... প্ৰিয়মৰ সেই সময়ত কি ভাৱ হৈছে তাই ধৰিব পৰা নাই। দুয়োজনীৰ কথাৰ মাজত সি দুটা এটা কৈ আছে।

গুণৰো আচৰিত লাগিছে সেইজনী মানুহ তাইৰ সমুখত, বিয়াৰ পাছতে প্ৰিয়মে এদিন তাইক ৰিয়া বুলি ভুল কৰিছিল। সকলো পাহৰিব পাৰিলেও সেই কথা তাই পাহৰিব নোৱাৰে। আনহে নালাগে তাইৰ লগত প্ৰিয়মৰ মৰমৰ সেই চূড়ান্ত সময়খিনি তো তাইৰ এনে লাগে যেন প্ৰিয়ম তাইৰ মাজত নহয়, ৰিয়াৰ মাজত এক হৈ যায়, সদায়।..

আৰু এতিয়া এইজনী ৰিয়া তাইৰ সমুখত। কাক বিচাৰি আহিছে তাই?? তাইক নে প্ৰিয়মক....

এনেতে তাই কিবা কথা কটাকটি হোৱা শুনি সেইফালে চাই দেখিলে দুজন চিকিউৰিটি গাৰ্ডে এজন মানুহক ধৰি ধৰি লৈ আহিছে। মানুহজন সম্পূৰ্ণ মদৰ ৰাগীত আছে। মুখেৰে কিবাকিবি অসংলগ্ন কথা কৈ আহিছে। ....তাকে দেখি ৰিয়া অলপ

বিব্ৰত হোৱা যেন লাগিল। তেতিয়া তাই ধৰিব পাৰিলে সেইজন ৰিয়াৰ স্বামী। ধলংপলংকৈ আহি বাৰান্দাৰ খোটাতে খোন্দা খাই মানুহজন পৰি গ'ল। লগে লগে কলকলাই তেজ ওলাবলৈ ললে। তাই আৰু প্ৰিয়ম হতভম্ব হৈ ৰল। ৰিয়াই তেনে পৰিবেশৰ প্ৰতি সাজু নাছিল।

প্ৰিয়ম আগবাঢ়ি গৈ মানুহজনক ডাঙিবলৈ যত্ন কৰিলে....

মুখেৰে মানুহজনে কথা কৈয়ে থাকিল......

..মোৰ লাইফ বৰবাদ....ইউ আৰ চ লাকি....এনে ধৰণৰ কথা। তেওঁৰ জখম ভালকৈয়ে হৈছিল। এটা সময়ত জ্ঞান হেৰাই যোৱাৰ দৰে হল। প্ৰিয়মে হোটেলৰ কৰ্তৃপক্ষক খবৰ দিলে। এখন এম্বুলেন্স যোগাৰ কৰি হস্পিতেল নিবলৈ। সকলো যোগাৰ হোৱাত মানুহজনৰ লগত যাবলৈ হোটেল কৰ্তৃপক্ষই প্ৰিয়মক অনুৰোধ কৰিলে। সি তাইলৈ চোৱাত তাইও যাবলৈ ক'লে। ৰিয়াও লগত যাবলৈ ওলোৱাত সি অকলেই পাৰিব বুলি কৈ লৈ গ'ল।

বাহিৰতে দুয়োজনী বহি থাকিল।....

....বহু সময়ৰ পাছত ৰিয়াই কৈ গ'ল। তাইৰ মদাহী স্বামীৰ কথা। কিদৰে ঘৰৰ হেঁচাত পৰি তাইতকৈ প্ৰায় দুগুণ ডাঙৰ মানুহজনৰ লগত বিয়া হৈছিল। বিয়াৰ আগৰ প্ৰিয়মৰ লগত থকা সকলো কথা তেওঁ জানি গৈছিল। আৰু বিয়াৰ পাছৰে পৰা প্ৰতিদিনে মদৰ নিচাত ডুবি ৰৈছিল।

আৰু কৈছিল.... সি বহুত ভাল ল'ৰা আছিল। তাৰ মনত দুখ দি মই আজি অনুতপ্ত।

এক ঘন্টা মানৰ পাছত প্ৰিয়মে মানুহজনকলৈ আহিছিল। বিশেষ একো নাই। অত্যধিক মদ্যপান কৰাৰ বাবে তেনে হৈছিল। মানুহ জনক সি ধৰি ধৰি লৈ আহোতে অমিতাভ বচ্চন অভিনিত চিলচিলা চিনেমাখনৰ শেষৰ দৃশ্যটো মনলৈ আহিল তাইৰ। কিদৰে নায়ক ৰূপী অমিতাভে নায়িকা ৰেখাৰ স্বামী সঞ্জীৱ কুমাৰক হেলিকপ্তাৰ দুৰ্ঘটনাৰ পৰা ডাঙি লৈ আহিছিল....

তেওঁক ৰিয়াৰ ৰুমত থৈ সি তাইক ৰুমলৈ লৈ গৈছিল। গভীৰ প্ৰত্যয়েৰে তাইক বুকুত লৈ শুই থাকিবলৈ ক'লে।

সি ক'লে.....মই সদায় তোমাৰ মৰমৰ ছায়াত জীয়াই আছো আৰু বাকী থকা দিনকেইটাও থাকিম।

ৰিয়া মোৰ অতীতৰ বিফল এক অধ্যায়। যাক লৈ সপোন দেখিব নোৱাৰি। যি অতীতত মোৰ লগতো সফল নহ'ল আৰু ঘৰৰ অহংকাৰ ফলস্বৰূপে যিজনৰ লগত সংসাৰ কৰিলে তেওঁৰ লগতো সফল নহ'ল। অস্তিত্ব তোমাৰ নহয়, তাইৰহে অস্তিত্ব নাই জীৱনত। তোমাৰ অস্তিত্ব মই জীয়াই থাকোঁতেও থাকিব মৰাৰ পাছতো জনম জনমলৈ থাকিব।

.....তোমাক বাদ দি মই শূন্য। তোমাৰ অবিহনে মই সন্যাসী হৈ যাম।......

একো ক'বলৈ ভাষা নাই তাইৰ।....পাৰ হৈ যোৱা সেই দিনবোৰত ইমান সহনশীল হৈ কটাই তাই কি পালে নাজানিলে..... কিন্তু সংসাৰত আঁচোৰ পৰিবলৈ নিদিলে। হয়তো তাইও বেছি সংবেদনশীল হৈ পৰিছিল ৰিয়াৰ লগত প্ৰিয়মৰ সম্পৰ্কত। হয়তু প্ৰিয়মৰো দোষ আছিল। সিও ভবা নাছিল তাৰ পুৰণি প্ৰেম পত্ৰ, পুৰণি সম্পৰ্কয়ে তাইক ইমান দুখ দিব বুলি......

ৰিয়াৰ জীৱনৰ অস্তিত্ব দেখিও তাই আচৰিত হ'ল। যিয়ে নহওক প্ৰিয়ম মদাহী নহয়। এজন সুপুৰুষ। ৰিয়াৰ স্বামীও সুখী নহয় ৰিয়াক লৈ....কিন্তু তাই বুকুত হাত দি কব পাৰে তাই কলৈ প্ৰিয়ম এশ শতাংশ ই সুখী..... এই অস্তিত্ব জীৱন থাকে মানে থাকিব..... তাই যিমান ঘাত প্ৰতিঘাত অতিক্ৰম কৰি বান্ধি ৰাখিলে সংসাৰখন....তাইৰ মাকৰ আগতো এইবোৰ কথাৰ গম নিদিলে। মাত্ৰ নিজে সহ্য কৰি গ'ল, নিজে নিজকে বুজাই গ'ল.......অস্তিত্ব জীৱনৰ....

আজি জীৱনৰ বিয়লি বেলাৰ আগমনৰ প্ৰাক মুহূৰ্তত তাই বাৰে বাৰে হাহাকাৰ কৰিছে, এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি। সঁচাকৈ প্ৰেম আছিলনে প্ৰিয়মৰ তাইৰ প্ৰতি?? যদি আছিল তেনেহলে কিয় সি তাইৰ অস্তিত্বৰ সম্পৰ্কে সচেতন নাছিল। এই উত্তৰৰ আশাত তাই সদায় দূৰ দিগন্তত বিলিন হৈ যোৱা বেলিটোৰ ফালে চাই থাকে। যিদৰে বেলিটোৱে নিজৰ অস্তিত্ব জাহিৰ কৰি পুনৰ উদয় হোৱাৰ প্ৰতিশ্ৰুতিৰে লুকাই যায় সীমাৰ সীপাৰে।

# যাত্ৰিক

## খুশবু হাজৰিকা

ঃ কথাবোৰ পৰিষ্কাৰ হ'লে বিভ্ৰান্ত হোৱাৰ দিশে গতি কৰা নাযায়। নহয়নে বাৰু? আঁৰ বেৰৰ খেল কিয়নো? কোৱাচোন।- প্ৰাঞ্জলৰ অসহায় চাৱনি। টুকুৰা টুকুৰে গলি আহিছে দুখৰ বৰফ তাৰ কণ্ঠত।

ঃ ভুল বুজিছে আপুনি প্ৰাঞ্জল। ভুল ধাৰণা কিছুমানেৰে জীৱনটো দুৰ্বিসহ কৰি নুতুলিব। স্পষ্টবাদিতা প্ৰিয় মোৰ। জানে নহয়! স্পষ্টবাদিতাৰে আপোনাৰ কাষ চাপিম আঁৰ বেৰৰ খেল খেলাতকৈ।- পাৰিজাতৰ মাতটো শেষৰফালে কঁপি উঠিল। ইচ্ছাকৃতভাৱেই মিছা মাতিছে তাই। ইচ্ছা আৰু বাধ্য বাধকতাৰ মাজত তাই মিছা মাতিবলৈ বাধ্য।

তাইৰ মোবাইলটো টেবুলত থৈ কোঠাটোৰ পৰা ওলাই গ'ল প্ৰাঞ্জল। পাৰিজাতৰ স্বামী। আচৰিত হ'ল তাই প্ৰাঞ্জলৰ এনে শান্ত সমাহিত ৰূপ দেখি। তাই আশংকা কৰাৰ দৰে উচ্চ বাচ্য কৰি হিংস্ৰ ৰূপ ধাৰণ নকৰিলে সি আন দিনাৰ দৰে। অতি বিস্ময়কৰ। এনেকুৱাতো নাছিল সি!

এই একেটা ল'ৰায়েই বিয়াৰ পাছত তাইৰ ফোন-ছিম সলাই পেলাইছিল। কলেজীয়া দিনৰ ফটো এলবাম, অট'গ্ৰাফ, ই মেইল আদি জুপি জুপি চাইছিল। দিনটোত তিনি চাৰিবাৰকৈ অফিচৰ পৰা ফোন কৰিছিল। কিজানিবা তাইৰ কাষ চাপি আহিছে কোনোবা তৃতীয় ব্যক্তি! অতিষ্ঠ হোৱা নাছিল পাৰিজাত। তাই পৰিচিত আছিল প্ৰাঞ্জলৰ আচৰণৰ লগত। অত্যধিক পজেচিভনেচেৰে আক্ৰান্ত একপ্ৰকাৰৰ মানসিক ৰোগীয়েই যেন সি! প্ৰাঞ্জলৰ অদ্ভুত আচৰণবোৰ প্ৰত্যক্ষ কৰি তেনেকৈয়েই ভাবিবলৈ বাধ্য হৈছিল পাৰিজাত শেষত। বিয়াৰ আগতে লগ পোৱা প্ৰাঞ্জলৰ কথা মনত পৰিলে এতিয়াও ঘৃণা, ক্ষোভ, খং, দুখ ইত্যাদিয়ে তাইৰ বুকুত খুন্দা মাৰি ধৰে। অৱশ্যে কিছুপৰলৈহে। পিছমুহূৰ্ততেই ঋণ, অনুগ্ৰহ, দয়া, মৰম নামৰ শব্দপুঞ্জই পাৰিজাত নামৰ স্বকীয় সত্তা এটা উটুৱাই লৈ যায়। শ্ৰদ্ধা, প্ৰতিদানেৰে গদগদ কলিজা এটুকুৰা লৈ জোৰকৈ নিজকে সামৰি ৰখাৰ চেষ্টা কৰে তাই।

বৰ দুৰ্ভগীয়া তাই।- নিজৰ কথা ভাবিলে কেৱল এইষাৰ বাক্যই মনলৈ আহে পাৰিজাতৰ। দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোঁতেই হোৱা এটি বাছ এক্সিডেন্টত মাক-দেউতাককে আদি কৰি পিতৃ আৰু মাতৃ পৰিয়ালৰ সকলো লোককে হেৰুৱালে তাই। তাইহে জানো কি কুক্ষণত বাচি গ'ল! হস্পিটেলত এসপ্তাহ থাকি ঘৰলৈ ওভটে মানে সেইখন ঘৰ হৈ থকা নাছিল। এখন যেন মৰিশালি। চৌপাশে কেৱল নিঃস্তব্ধতা। ধুঁৱলি-কুঁৱলিকৈ এতিয়াও মনত আছে পাৰিজাতৰ, ঘৰৰ দেৱালত শাৰী শাৰীকৈ পৰিয়ালৰ মানুহবোৰৰ ফটোত মালা আঁৰি থোৱা দেখা প্ৰথম সেই মুহূৰ্তটো। শূন্য ঘৰখনত চিঞৰি চিঞৰি কান্দিলেও শুনোতা কোনো নাছিল। অসুস্থ-আঘাতপ্ৰাপ্ত কেও-কিছু নোহোৱা ছোৱালীজনীক লৈ আনিছিল মৃত মাক দেউতাকৰ বন্ধু অৰুণ শইকীয়া আৰু জীনা শইকীয়াই। বন্ধুতকৈ তেওঁলোক মাক দেউতাকৰ বাবে ভাতৃ ভগ্নীৰ দৰেহে আছিল। পাৰিজাত আশ্বস্ত হৈছিল। শইকীয়া খুৰা খুৰীয়ে তাইক নিজ সন্তানৰ দৰেই মৰম কৰিছিল। পাছলৈ আইনী প্ৰক্ৰিয়াৰ দ্বাৰা পাৰিজাতক তেওঁলোকে এডপ্ট কৰি লৈছিল। তেওঁলোকৰ জীয়ৰী নেহাৰ লগত একেলগে ডাঙৰ হৈছিল পাৰিজাত। নেহাৰ ককায়েক এজনো আছিল। আন কোনো নহয়; প্ৰাঞ্জল! যি এতিয়া পাৰিজাতৰ স্বামী।

খুৰাক খুৰীয়েকৰ ঘৰত প্ৰাঞ্জলক তাই এবাৰো লগ পোৱা নাছিল আগেয়ে। তেওঁলোক পাৰিজাতহঁতৰ চহৰলৈ নতুনকৈ আহিছিল। প্ৰাঞ্জল তাৰ আগৰেপৰাই বৰ্ডিং স্কুল এখনত পঢ়ি আছিল। তাইতকৈ তিনি চাৰিবছৰমান ডাঙৰ ল'ৰাটোক তাই পাছতো খুব কমেইহে লগ পাইছিল। স্কুল বন্ধৰ সময়ত সি ঘৰলৈ আহিলেও বিশেষ বাক্য বিনিময় নহৈছিল সিহঁতৰ। বেছিভাগ সময়েই সি নিজৰ কোঠাত নিজকে লৈ ব্যস্ত হৈ ৰৈছিল। প্ৰাঞ্জলক খুউব খঙাল আৰু অসন্তোষীয়া যেন লাগিছিল তাইৰ। পাৰিজাতক তাৰ মাক দেউতাকে মৰম কৰাটোত যেন তাৰ দুৰ্ঘোৰ আপত্তি আছিল! অৱশ্যেই সেয়া আছিল শিশুসুলভ ঈৰ্ষাপৰায়ণতা। তাক বুজিব পৰা বয়স হোৱা নাছিল পাৰিজাতৰ। কিবা এক আখেজ আৰু খঙতে তাইক সি সহ্য নকৰে বুলি

ভাবিছিল পাৰিজাতে। অৱশ্যে উদাৰ শইকীয়া দম্পত্তীয়ে প্ৰাণ খুলি স্নেহ উজাৰি দিছিল তাইক। মৃত্যুক ওচৰৰপৰা দেখা, মৃত্যু কি অনুভৱ কৰিব পৰা হোৱা বাবেই নেকি পাৰিজাত গোমা-গোমোথা হৈ ৰৈছিল প্ৰত্যেক মুহূৰ্ততেই। ভাবুক, বিষাদগ্ৰস্ত ছোৱালীজনীক শইকীয়া দম্পত্তীয়ে কৰুণা মমতাৰে আৱৰি স্বাভাৱিক কৰি তুলাৰ প্ৰয়াস কৰিছিল। কিন্তু একো ফল ধৰা নাছিল। দিনকদিনে বেছিহে ভাবুক হৈ আহিছিল পাৰিজাত।

ঃ যদি তোমাৰ আপত্তি নাই তেন্তে তাইকো কোনোবা এখন ব'ৰ্ডিং স্কুলতে নাম লগাই দিওঁ নেকি? সৰু ছোৱালী। লগ সমনীয়া পালে কিজানি অলপ ৰঙীয়াল হয়েই। আমিচোন সকলো চেষ্টা কৰি চালোঁৱেই।- মিঃ শইকীয়াই চিন্তিত সুৰেৰে কৈছিল।

ঃ কি কোৱা! ইমান সৰুতেই হোষ্টেলত থবা! তাত গৈ যদি বেছিকৈয়েই কষ্ট পায়? কন্দা কটা কৰে? মাক দেউতাকৰ মৰমৰ প্ৰয়োজন এতিয়া তাইক।- চালাড কুটি থকা বন্ধ কৰি মিছেছ শইকীয়াই চিঞৰি উঠিছিল।

ঃ এদিন দুদিনকৈ দুবছৰেই পাৰ হৈ গ'ল। তাইৰ মনটো অকণো ৰঙীয়াল কৰি তুলিব নোৱাৰিলোঁ দেখোন আমি। সেয়ে হোষ্টেলতে দি চাওঁ। অসুবিধা হলে আকৌ লৈ আনিম। য'ত ত'ত নপঠুৱাওঁ নহয়। ডৰথী আৰু ৰবীনক মনত আছেনে আমাৰ লগৰ? সিহঁত দুয়ো শ্বিলঙৰ স্কুল এখনত চাকৰি কৰে আজিকালি। ভাল স্কুল। অনুশাসন ভাল। তাত পঢ়িলে তাই ডৰথীকহঁতৰ মৰমৰ মাজত থাকিব। তাই কেঁচুৱা হৈ থাকোঁতেতো এবাৰ সিহঁতি আহি চাইও গৈছিল। খবৰ বাতৰিও লৈয়েই থাকে। এবাৰ দি চাওঁ। নে কি?

ঃ জানো! যি ভাল দেখা কৰা।-জীনাই কৈছিল।

ভবাৰ দৰেই এদিন তাই ঘৰৰ পৰা ওলাই আহি ছিলঙৰ কনভেন্টৰ ছাত্ৰী তথা আৱাসী হ'ল। শাৰী শাৰী পাইন, মুঠি মুঠি জাৰ আৰু পৱিত্ৰ গীৰ্জাৰ সুমধুৰ ঘন্টাধ্বনিৰ গুঞ্জনেৰে ভৰা পৰিৱেশ এটাত তাই খোজ পেলালে। ডাঠ সেউজীয়া স্কাৰ্ট পেন্ট, ৰঙা চুৱেটাৰ পিন্ধি স্প্ৰীং দিয়া পুতলাৰ দৰে জঁপিয়াই থকা, পকা আপেলহেন মুখৰ কণ কণ ল'ৰা ছোৱালী এজুমৰ মাজত তাইও মিলি গ'ল। ডৰথী আন্টি, ৰবীন ছাৰ, এনিশা, মাৰ্থা, মেৰী, ৰেহান, উওমহঁতৰ মাজত তাইও পাহৰি পেলালে সকলোবোৰ। খুৰাকে সিদ্ধান্ত সলনি কৰিবলগা নহ'ল। এসপ্তাহতে তাইৰ পৰিৱৰ্তন দেখি খুৰাক খুৰীয়েক অবাক হোৱাই নহয়, আনন্দিতো হৈছিল।

সেয়াই আৰম্ভণি। টুৱেলভলৈকে ছিলঙত, গ্ৰেজুৱেচন দিল্লী, এম টেক্ কানপুৰত সমাপ্ত কৰি অৱশেষত অসমলৈ ঘূৰি আহিছিল পাৰিজাত। গুৱাহাটীত চাকৰিত জইন কৰাৰ পাছত তাই সিদ্ধান্ত লৈছিল মাক দেউতাকৰ স্মৃতিজড়িত মৰমৰ ঘৰটোলৈ ওভতি গৈ সকলোবোৰ থান থিত লগোৱাৰ। স্মৃতিবোৰ সামৰি সুতৰি ৰাখিবলৈ তাইৰ বাদে যে পৃথিৱীত কোনোৱেই নাই! এতিয়া আৰু তাই সেই সৰু ছোৱালীজনী নহয়, এজনী পূৰ্ণবয়স্ক পৰিপক্ক ছোৱালী যি নিৰ্ভয়ে অতীতক আঁকোৱালি ভৱিষ্যতৰ বাটত খোজ দিব পাৰে। খুৰাক খুৰীয়েকৰ ঘৰত নথকাৰ সিদ্ধান্ত লৈ পেলাইছিল তাই। আপত্তি আহিছিল খুৰীয়েক আৰু নেহাৰপৰা-

ঃ তুমি তাত গৈ কি কৰিবাগৈ অকলে অকলে? নালাগে নালাগে। ইয়াতে থাকা। ইয়াৰপৰানো কিমান দূৰ তোমাৰ ঘৰলৈ। অফিচলৈও ইয়াৰ পৰা ওচৰ হয় তোমাৰ। - খুৰাকে অৱশ্যে বুজিছিল তাইৰ আৱেগ। কৈছিল-

ঃ তুমি এতিয়া ডাঙৰ হ'লা। সিদ্ধান্ত ল'ব পৰা হ'লা। তোমাৰ ইচ্ছাক সন্মান কৰোঁ আমি। দৰাচলতে ওপজা ঘৰখনৰ মোহ খুবেই শক্তিশালী। শিপাৰ দৰে ইয়াৰ জোৰ। ময়েইচোন আজিলৈকে মোৰ ওপজা গাওঁখন পাহৰিব পৰা নাই! এই বান্ধোনবোৰৰ প্ৰতি আমি দায়িত্বশীল হোৱা উচিত। গতিকে যোৱা। ভালকৈ থাকিবা। ঘৰটোৰ তদাৰক কৰা মানুহ দুজন আছেই। কিবা অসুবিধা পালে ক'বা। ইয়ালৈ আহি থাকিবা। বিশেষকৈ দেওবাৰে দেওবাৰে। নহ'লে খুৰীৰ হাতৰ মাংসৰ আঞ্জা মিছ্ কৰিবা।- শেষৰ বাক্যশাৰী কৈ হাঁহিছিল তেওঁ।

ঃ ইছ্ খুৰা! কিয় মিছ্ কৰিম! প্ৰত্যেক দেওবাৰে আহিম মই।- পাতলভাৱে হাঁহিছিল আটায়ে।

ঘৰলৈ উভতিবৰ পাছৰে পৰা কিছুদিন ব্যস্ততাৰ বাবে খুৰাকহঁতৰ ওচৰলৈ যাবলৈ সময় পোৱা নাছিল পাৰিজাতে। দেওবাৰ আছিল সিদিনা। পুৱা গা ধুই আহিছিলহে তাই; তেনেতে কলিংবেলৰ মৃদু গুঞ্জনে কোনোবা অহাৰ কথা সোঁৱৰাই

দিলে। তিতা চুলিটাৰি মোহৰা টাৱেলখন বাওঁহাতত লৈ তাই দুৱাৰখন খুলি দিলে। দুৱাৰমুখত এজন অচিনাকি, দীৰ্ঘদেহী, সুন্দৰ যুৱক ৰৈ আছিল।

ঃ আপুনি.. ?

ঃ তুমি পাৰিজাত? - যুৱকজনে প্ৰশ্ন কৰিছিল।

ঃ হয়। কিন্তু আপোনাক চিনি পোৱা নাই।

ঃ মই প্ৰাঞ্জল। মা দেউতাই তোমালৈ ফোন কৰিছিল। ফোনটো নুতুলিলা। সেয়ে মোকেই পঠাই দিছে তোমাক লৈ যাবলৈ। ভাত খাবলৈ মাতিছে তোমাক।

প্ৰাঞ্জল! নামটো শুনি খঙাল, অসন্তোষীয়া সৰু ল'ৰা এটাৰ ছবি এখনে আহি তাইৰ চকুৰ আগত অগা দেৱা কৰিছিল। প্ৰাঞ্জলক শেষবাৰৰ বাবে তাই নৱম শ্ৰেণীত থাকোঁতেই লগ পাইছিল। মাঘবিহুৰ উৰুকা আছিল সিদিনা। আনদিনাৰ দৰেই একো বাক্য বিনিময় হোৱা নাছিল দুয়োৰে। তাৰ পিছতেই এম বি বি এছ পাঠ্যক্ৰমত নামভৰ্তি কৰি বিদেশলৈ উৰা মাৰিছিল সি। তাৰ পাছৰেপৰাই এক বৃহৎ দূৰত্ব। প্ৰাঞ্জলৰ খবৰ ৰখাৰ কোনো প্ৰয়োজনবোধ কৰা নাছিল পাৰিজাতে। প্ৰাঞ্জলেও। শৈশৱৰ সেই অসহজ সম্পৰ্কৰ বাবেই নেকি চাগৈ একেখন ঘৰতে ডাঙৰ হৈও দুয়োৰে মাজত বৃহৎ প্ৰাচীৰ এখন থাকি গৈছিল।

ঃ হয় চিনি পাইছোঁ। আহক বহকহি।- প্ৰাঞ্জল বহিছিল। পাৰিজাতে চাহ যাচিছিলহি।

ঃ চাহ আনিলা যে। মই ব্ৰেকফাষ্ট কৰিয়েই আহিছোঁ।

ঃ চাহ একাপহে। একো নহয়।

ঃ বাৰু। তোমাৰ কথা কোৱাচোন। পঢ়া শুনা, চাকৰি এইবোৰ।- তেন্তে সিও তাইৰ একো খবৰ ৰখা নাছিল মাক দেউতাকৰ পৰা। কিছুপৰ তভকমাৰি পাৰিজাতে ভাবিছিল। চমুকৈ নিজৰ বিষয়ে কৈ প্ৰাঞ্জলৰ বিষয়ে সুধিছিল তাই। ব'ষ্টনত কৰি থকা লোভনীয় চাকৰি শেহতীয়াকৈ ৰিজাইন কৰি আহিছিল সি। নতুন চাকৰি গুৱাহাটীতেই।

ঃ কেনে লাগিছে ইমান বছৰৰ পাছত অসমলৈ আহি?

ঃ ভাল লাগিছে। আগৰ দৰে খং উঠা নাই।

ঃ খং?

ঃ ওঁ। আগতে যে ঘৰলৈ আহিলেই খং উঠিছিল। তোমাৰ মনত নাই চাগৈ। মা দেউতা অনবৰতে তোমাক আৰু নেহাক লৈয়েই ব্যস্ত। মোকতো সৰুতেই ব'ৰ্ডিঙত দি দিলে। মোক আঁতৰাই লৈ তোমালোককে মৰম কৰে। বি..ৰাট খং উঠিছিল দুয়োজনীলৈ। এতিয়া ভাবোঁ- কি যে ষ্টুপিড আছিলো মই!- কৈ কৈ হাঁহিছিল সি। পাৰিজাতৰ অসহজবোধ আঁতৰ হৈছিল। সিদিনা লগ পোৱা প্ৰাঞ্জলক দেখিহে তাই অনুভৱ কৰিছিল, সময় হ'ল পৰিবৰ্তনৰ আন এক নাম। ভাল লাগিছিল সৰবৰহী আৰু হাঁহিমুখীয়া প্ৰাঞ্জলক। নেহাৰ দৰে তায়ো তাক প্ৰাঞ্জল দা বুলি মাতিবলৈ লৈছিল। কেনেকৈনো জানিব যে এসময়ত তাৰ সতে সম্পৰ্কই কেনেদৰে দিশ সলাব!

অথচ তেনে হৈছিল। পাৰিজাতৰ সন্মুখত বাৰে বাৰে প্ৰেমভিক্ষা লৈ থিয় দিছিলগৈ সি। প্ৰত্যাখ্যান, অনুনয় বিনয়, গালি শপনি একোৱেই ক্ৰিয়া কৰা নাছিল প্ৰাঞ্জলক। তাৰ প্ৰেমৰ তৰংগবোৰে সীমা অতিক্ৰমী গৈছিল।

ঃ তুমি কি বিচাৰা কোৱা? মই তুমি বিচৰাৰ দৰেই কৰিম। এতিয়াই মোক ভাল নোপোৱা, নালাগে পাব। মোক সজাই লোৱা তোমাৰ মতে। তোমাৰ অবিহনে মই জীয়াই থাকিব নোৱাৰিম পাৰিজাত!- পাৰিজাত শংকিত হৈ উঠিছিল। কথাবোৰ ৰাষ্ট্ৰ হৈ গ'লে কি হ'ব তাক অনুমান কৰি ভীতিগ্ৰস্ত হৈ পৰিছিল। প্ৰাঞ্জলে সিমানখিনি সীমা মানি সাৱধানতা অৱলম্বন কৰি চলিছিল যদিও দুশ্চিন্তাত টোপনি নহা হৈছিল পাৰিজাতৰ।

ঃ কিহত অসমৰ্থ মই? কিয়?- প্ৰাঞ্জলৰ অবুজ, তৰল, অপৰিপক্ক প্ৰশ্নৰ দমবোৰত পাৰিজাতৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। প্ৰেমৰ গভীৰতা অনুধাৱন কৰিব নোৱাৰা প্ৰাঞ্জলৰ দৰে ব্যক্তিৰ বাবে প্ৰেমৰ সংজ্ঞাই হ'ল কায়িকভাৱে হাচিল কৰা। তাইৰ বাবে সেই সংজ্ঞা অৰ্থহীন। তাইৰ বাবে প্ৰেম হ'ল বন্ধুত্ব, বিশ্বাস আৰু ব্যক্তিসুলভ স্বাধীনতাৰ প্ৰতি সন্মান।

হয়। চোওঁ-নোচোওঁকৈ অৰ্ধপ্ৰস্ফুটিত সৰগী প্ৰেমৰ খৰিকাজাঁই এজুপিৰ সুবাসে পাৰিজাতকো চুই গৈছিল। অত্যন্ত

গোপনে সেই সুগন্ধিক বুকুৰ বৰপেৰাত সাঁচিব খুজিছিল তাই। কাৰোবাৰ ওঁঠত হাঁহি হৈ বিৰিঙিবলৈ, বুকুত স্পন্দন হৈ বাজিবলৈ, চকুত স্নেহ হৈ জিলিকিবলৈ ধৰিছিলহে তাই! বৰুণ নাম আছিল তেওঁৰ। কৰ্মসূত্ৰে এটি এন জি অ' চলাই থকা বৰুণক লগ পাই প্ৰথম দৃষ্টিতেই আপোনত্ব গঢ় লৈ উঠিছিল। এই বৰুণৰ লগতেই পাৰিজাতে জীৱন যুদ্ধত একেলগে বাট বুলিবলৈ পোৱা হলে সুখী হ'লহেঁতেন। সম্পূৰ্ণ হ'লহেঁতেন তাইৰ সত্তা। কিন্তু নহ'ল। প্ৰাঞ্জলে নিদিলে এনে হ'বলৈ। কি যে নিৰ্দয়তাৰে তাইৰ আগত মাক দেউতাকৰ ঋণ শুজাৰ প্ৰস্তাৱ লৈ থিয় দিছিল সি! প্ৰস্তাৱ নহৈ যেন দাবী!

ঃ আজি তুমি য'ত আছা, যেনেদৰে আছা, সেয়া মা-দেউতাৰ আশীৰ্বাদ আৰু মৰম। স্বীকাৰ নকৰানে সেয়া তুমি? মা দেউতাৰ ঋণ শুজিবলৈও তুমি এইকণ কৰিব নোৱাৰা? তেওঁলোকৰ মৰমৰ প্ৰতিদান দিবলৈও অপাৰগ নে তুমি?- খঙত কঁপিছিল তাই।

ঃ কি? কি কথা কয় আপুনি? খুৰা খুৰীক মাজলৈ নাটানিব। তেওঁলোক আপুনিৰ দৰে স্বাৰ্থপৰ নহয়। মৰমৰ প্ৰতিদান তেওঁলোকে নিবিচাৰে। স্বাৰ্থপৰ আপুনিহে। কেনেকৈ ইমান নীচ হ'ব পাৰিলে প্ৰাঞ্জল দা?

ঃ ডেম্! ষ্টপ্ কলিং মি দাদা দাদা। আই এম নট য়'ৰ "দাদা"। আৰু কি কৈছা? হয় মই স্বাৰ্থপৰ। তোমাক পাবৰ কাৰণে ইয়াতকৈও নীচ হম মই। মই ভগৱান নহয়।

ঃ আপুনি মোৰ দাদাৰ দৰে।

ঃ দৰে বুলি তুমি ভাবা। নহওঁতো।-

সুস্থিৰ অৱস্থাত কথাবোৰ ভাবি চাইছিল তাই। ঠিকেইতো। তাই দাদা বুলি মাতিলে কি হ'ব, কোনো তেজ মঙহৰ সম্পৰ্কতো সিহঁতৰ মাজত নাই! খুৰাক খুৰীয়েকৰ মমতাৰ ধাৰ তাই কেতিয়াও শুজিব নোৱাৰে। এইটো সঁচা যে তেওঁলোকে তাইৰপৰা একো প্ৰতিদান নিবিচাৰে; কিন্তু যিদিনা তেওঁলোকে গম পাব যে প্ৰাঞ্জলৰ এনে অস্থিৰ, উন্মাদ প্ৰায় অৱস্থাৰ বাবে, দুখ-ইচ্ছা-অপূৰ্ণ হেঁপাহৰ বাবে দায়ী একমাত্ৰ তাই, তেতিয়া তেওঁলোকে তাইক এতিয়াৰ দৰেই মৰম কৰিবনে? হাজাৰ হলেও প্ৰাঞ্জল তেওঁলোকৰ নিজ সন্তান। প্ৰাঞ্জলে ভবাৰ দৰে যদি তেওঁলোকেও ভাবিছে; তেতিয়া? তেতিয়া কি হ'ব? ঋণ শুজিবৰ কাৰণে বৰুণক প্ৰতাৰণা কৰিব পাৰিবনে তাই?

ভবাতকৈও জটিল পৰিস্থিতিয়ে তাইৰ বাবে অপেক্ষা কৰি আছিল। বৰুণৰ কথা গম পোৱাৰ দিনাই প্ৰাঞ্জলে ঘৰত ঘোষণা কৰিছিল- সি বিয়া কৰালে পাৰিজাতকে কৰাব। প্ৰথমে আচৰিত হৈছিল সকলো। আপত্তি অথবা সমৰ্থন, একোৰেই কৰা নাছিল তেওঁলোকে। খুৰাকে পাৰিজাতক ফোন কৰিছিল-

ঃ কথাবোৰ সঁচা নে কি অ' মাজনী? মই তোমাৰ দেউতাৰ দৰে। মোক সকলো খুলি ক'ব পাৰা তুমি। তোমাৰ সিদ্ধান্ত যিয়েই হওক, মই সমৰ্থন কৰিম। - ফোনৰ আনটো মূৰত নিশ্চুপ হৈ ৰৈছিল পাৰিজাত।

তেন্তে প্ৰাঞ্জলৰ লগত তেনে এক সম্পৰ্ক ঘটিলেও তেখেতৰ আপত্তি নাই! তেখেতল কথাত প্ৰাঞ্জলৰ প্ৰস্তাৱক প্ৰশ্ৰয় দিয়াৰ সুৰ এটা শুনা পাইছিল তাই। হয়তো সেয়া পাৰিজাতৰ ভুল আছিল। হয়তো তেওঁ পাৰিজাতৰো প্ৰাঞ্জলৰ প্ৰস্তাৱত সমৰ্থন থাকিব পৰাৰ সম্ভাৱনীয়তাত দৃষ্টি ৰাখি নিৰপেক্ষভাৱে কথাষাৰ সুধিছিল। তথাপিও কিয় জানো, পাৰিজাতৰ অকণো ভাল লগা নাছিল। নিজৰেই অজানিতেই তাই বিচাৰিছিল, খুৰাকে বিৰোধ কৰক প্ৰাঞ্জলৰ। গালি পাৰক! সেয়া নহ'ল। তাৰ পাছতেই আৰু যেন বিভ্ৰান্তিৰ চাকনৈয়াৰ ভিতৰলৈ সোমাই গ'ল তাই। খুৰাকৰ আপত্তি নাই।- এই ভাৱটো মনলৈ সোমাই যোৱাত আৰু সংকুচিত হৈ পৰিল তাই। শইকীয়া দম্পতীৰ মৰম, স্নেহ, আশ্ৰয়ৰ তলত ঋণগ্ৰস্তা পাৰিজাত। ইয়াৰ পাছত যদি প্ৰাঞ্জলৰ অপূৰ্ণ ইচ্ছা, দুখৰ কাৰণ তাই হয় বুলি তেওঁলোকে জানে, লজ্জিত নহবনে তাই? ক'ত থাকিব সেই মৰমৰ মূল্য? ওৰে জীৱন বিবেক দংশনত ভুগি থাকিব তেতিয়া তাই।

নাই নাই! তাইক ভালপোৱা নালাগে। বৰুণৰ সতে প্ৰেম সফল নহ'লৈও, প্ৰতাৰিকা নাম পালেও তাই সহি থাকিব পাৰিব; কিন্তু অকৃতজ্ঞৰ নাম লৈ জীয়াই থাকিব নোৱাৰিব।

লাইন কাট্ খাইছিল। ফোনটো আকৌ বাজিছিল। ৰিচিভ কৰি লৈ কোনোমতে জড়তাৰে আওঁৰাইছিল তাই, বুকুত খুন্দা মাৰি ডিঙিত লাগি ধৰা শব্দকেইটা-

ঃ তেওঁ সঁচা কৈছে খুৰা। সকলোবোৰ মোৰ ইচ্ছানুযায়ীয়েই হৈছে।

বচ্! সেয়াই আৰম্ভণি তাইৰ জীৱনৰ চাকনৈয়াবোৰৰ। বৰুণে খুব গালি দিছিল তাইক।

ঃ কি পাগলামী কৰিছা তুমি এয়া? খুড়াই তোমাক সোধোঁতে সঁচা কথা কিয় নক'লা? তেওঁতো তোমাক জোৰ কৰা নাছিল। নিজে ভুল ধাৰণা এটা মনত পুহি লৈ যে তুমি খেলিমেলি কৰিবলৈ ওলাইছা তাক বুজিছানে? ব'লা এতিয়াই মোৰ লগত খুড়াৰ ওচৰলৈ। মই কথা হ'ম তেখেতৰ লগত।- উষ্মাৰে উঠি আহিছিল সি চকীখনৰ পৰা। পাৰিজাতে তাক এসোপামান যুক্তি দেখুৱাইছিল। শুনা নাছিল সি।

ঃ ভুল কৰিবলৈ ওলাইছা তুমি। তিনিটা জীৱন ধ্বংস কৰি কি তুমি ঋণ শুজিবা? বাঃ! যিদিনা সত্য সকলোৰে সন্মুখলৈ আহিব, কেৱল তিনিটা জীৱনেই নহয়, সকলোৰে জীৱনত আউল লাগিব। আৰু তাৰ দায়ী একমাত্ৰ তুমি হ'বা। এটা সৰু সামান্য ভুল বুজা-বুজিৰ কাৰণে গোটেই জীৱন কান্দিবা তুমি।

কিমান যে শুদ্ধ আছিল সি! প্ৰাঞ্জল আৰু তাইৰ বিয়াৰ পাছত কেনেকৈ জানো বৰুণৰ কথাবোৰ গম পাইছিল খুড়াকে। দুখ, খং, অভিমান, অপৰাধবোধত মানুহজনে মৰাৰ আগমুহূৰ্তলৈকে তাইক নমতাকৈ থাকিল। কথাষাৰ মনত পৰিলে অনুশোচনাত দুচকু সজল হৈ আহে পাৰিজাতৰ। ষ্ট্ৰোক হৈ অকাল মৃত্যুবৰণ কৰা খুড়াকক এনে অৱস্থালৈ থেলি পঠিওৱাৰ দায়ীতো তাই নিজেই। মানুহজনে সঁচাকৈয়েই তাইক নিজৰ ছোৱালী বুলি ভাবিছিল।

বিয়া হৈ গৈছিল। বিবাহৰ পাছতো সিহঁত দুয়োৰে মাজত একো সৌহাদ্য গঢ়ি নুঠিল। দুটা বিপৰীত কেন্দ্ৰত দুয়োৰে উপস্থিতি। সম্পৰ্কটোক সহজ কৰিবলৈ প্ৰাঞ্জলে আগবঢ়োৱা এটা খোজৰ প্ৰত্যুত্তৰত খং, ঘৃণা, বিতৃষ্ণাৰে দহখোজ পিছুৱাই যায় তাই। প্ৰথমাৱস্থাত অত্যধিক অধিকাৰবোধেৰে তাইক নিজৰ নিৰ্দেশনাত ৰাখিব খোজা প্ৰাঞ্জল তাইৰ নিৰ্বিকাৰ, নিৰুদ্বেগ আচৰণত অতিষ্ঠ হৈ ক্ৰমশঃ নিস্তেজ হ'বলৈ ধৰিছে। কমি আহিছে তাৰ কন্ঠৰ উষ্ণতা। ঔদ্ধত্য। নিজৰ মাজতে ব্যস্ত হৈ ৰয় সি আজিকালি। হয়তো সিও বুজিব পৰা হৈছে- শিকলিৰে বান্ধি আনিব নোৱাৰি কাৰোৰে পৰা অধিকাৰহীন ভালপোৱা।

ঃ অতিষ্ঠ হৈ পৰিছো মই নিজকে লৈ। পিঞ্জৰাত আৱদ্ধ যেন মই। উশাহ নাপাওঁ মই বৰুণ। কি ভুল কৰিলোঁ এয়া! শুদ্ধ আছিলা তুমি। একেবাৰেই শুদ্ধ।- সুদীৰ্ঘ পাঁচবছৰৰ পাছত বৰুণৰ আগত স্বীকাৰোক্তি কৰিছিল পাৰিজাতে। সন্মুখত থকা পানী ওপচা গিলাচটোৰ দৰে তাইৰ চকুযুৰিতো ভীৰ কৰিছিল লুণীয়া পানীয়ে। বৰুণে তাইৰ ফালে চাই নীৰৱে টিচ্যু এখন আগবঢ়াই দিছিল।

আকস্মিক আছিল সেই সাক্ষাৎ। ছমাহ আগেয়ে গোৱালিয়ৰৰ পঞ্চতাৰকা হোটেল এখনত ভেটা ভেটি হৈছিল সিহঁতৰ পুনৰ। প্ৰাঞ্জলৰ কনফাৰেঞ্চ আছিল। তাইও গৈছিল লগত। সি ওলাই যোৱাৰ পাছত কিবা কাৰণত হোটেলৰ ৰিচেপচন কাউন্টাৰলৈ যাওঁতেই তাত ভেটাভেটি হৈছিল বৰুণৰ সতে। প্ৰথমে দুয়ো কিছুপৰ শিলৰ টুকুৰাৰ দৰে জঠৰ হৈ ৰৈছিল। তাৰপাছত খবৰ লৈছিল ইজনে আনজনৰ। পাঁচটা বছৰ বিভিন্ন ঠাইত ঘূৰি ঘূৰি অৱশেষত বৰুণৰ কৰ্মস্থান পুনৰ গুৱাহাটী। প্ৰথমে গম্ভীৰ হোৱাৰ অভিনয় কৰিলেও শেষলৈ তাই ভাগি পৰিছিল। কৈ পেলাইছিল অসম্পূৰ্ণ সংসাৰখনৰ কথা। বৰুণে তাইক সান্ত্বনা দিছিল। আশ্বাস দিছিল। সেই আশ্বাস আজি ছমাহৰ পাছত প্ৰতিশ্ৰুতিলৈ ৰূপান্তৰ ঘটিছে। হয়তো এতিয়া প্ৰাঞ্জলেও গম পাইছে সেই কথা!

বিগত ছমাহ প্ৰাঞ্জলে নজনাকৈ বৰুণৰ লগত তাই সময় কটাইছে। কথা পাতিছে, কেতিয়াবা কান্দিছে। বৰুণে বাৰে বাৰে তাইক সোঁৰৱাই দিছে- একেলগে থাকিও এক হ'ব নোৱাৰাতকৈ একক জীৱন শ্ৰেষ্ঠ।

ঃ আঁতৰি আঁহা পাৰিজাত। মই আছোঁ তোমাৰ লগত। আমি নতুনকৈ সপোন দেখিম। কি ভাবি ৰৈ যোৱা তুমি প্ৰতিবাৰ?

এৰা! কি ভাবি ৰৈ যায় তাই প্ৰতিবাৰ? প্ৰাঞ্জলৰ বাবে কোনো তাগিদা তাইৰ মনত কাহানিও জন্ম নহ'ল। প্ৰাঞ্জলৰ লগত ফ্লাৰ্ট কৰিবলৈ সুযোগ বিচাৰি ফুৰা সহকৰ্মী মায়াৰ মেছেজবোৰ দেখিলেও প্ৰতিক্ৰিয়াহীন পাৰিজাত। অপুষ্টিত জৰ্জৰ শৰীৰৰ দৰে প্ৰেমহীনতাত জৰ্জৰ হৈ পৰিছে এই সম্পৰ্ক। তেনেস্থলত বিবাহ বিচ্ছেদৰ কথা কলেই তাই কিয় থমকি ৰৈ যায়! কিয় বৰুণৰ বাবে বিবাহপ্ৰাৰ্থীৰ কথা তাৰ ঘৰত আলোচনা হোৱাৰ কথা জনাৰ পাছতো তাই আগবাঢ়িব পৰা নাই বিবাহ বিচ্ছেদৰ প্ৰক্ৰিয়ালৈ? ওঁঠ কামুৰি কিয় থমকি ৰৈ যায় প্ৰাঞ্জলৰ ওচৰত প্ৰতিবাৰে? এটা মৰমৰ চুমা, উষ্ণ আলিংগনৰ পৰা বঞ্চিত এটা সম্পৰ্কত কিয় দুজন লোক বান্ধখাই থাকে?

ঃ ক'বখোজা কথাবোৰ স্পষ্ট হ'লে ভাল।- হয়তো বুজি উঠে প্ৰাঞ্জলে তাইৰ মৌন ওঁঠৰ সিপাৰৰ কথকতা। ব্ৰেকফাষ্টৰ টেবুলত তাইলৈ নোচোৱাকৈয়েই পুনৰ আওঁৰাই উঠে প্ৰাঞ্জলে। বহুত চেষ্টা কৰিও 'ডিভোৰ্চ' শব্দটো উচ্চাৰণ কৰিব নোৱাৰি ধৰফৰাই উঠে তাই। কিয় এনে হয়! কিয় হয়!

ঃ বৰুৱাৰ লগত কথা পাতিবা? মোৰ ম'বাইলতে আছে নম্বৰটো। পাতি ল'বা যি পাতা।- খোৱা আধৰুৱাকৈ এৰি উঠি গুচি যায় প্ৰাঞ্জল। আচৰিত হ'ল পাৰিজাত। কেনেকৈ! কেনেকৈ জানে সি তাইক উকীলৰ প্ৰয়োজন হোৱাৰ কথা তাই কাহানিও নোকোৱাকৈ! ডিভোৰ্চৰ কথা তাই ভাবিছে বুলি কেনেকৈ জানিলে? কথাটো সি ইমান সাধাৰণভাৱে লোৱাটো সহজে ল'ব নোৱাৰিলে পাৰিজাতে। টেবুলৰ ওপৰত থোৱা ফোনটোলৈ হাতখন মেলিও কোঁচাই আনিলে তাই কিবা এক তাড়নাত। এই.. এই কিবা এটা তাড়না কি? কিয়!

বিবাহৰ পশ্চাৎ এগৰাকী নাৰীৰ খোজবোৰ কিয় সংকুচিত হৈ পৰে? এইটো জানিও যে সেই খোজত যুক্তি আছে, আছে বাস্তৱিকতা। সুখপ্ৰাপ্তিৰ অধিকাৰ নাৰী-পুৰুষ উভয়ৰে আছে। পাৰিজাতৰ সেই অধিকাৰ প্ৰাঞ্জলে এসময়ত খৰ্ব কৰিছিল। তাৰ পাছতো এক অদৃশ্য শক্তিয়ে শিকলিৰ ৰূপ লৈ পিছফালৰ পৰা সৰ্বশক্তিৰে তাইক খামুচি ৰাখে। নাই! প্ৰাঞ্জলৰ হাত নাই তাত। তাই তাক যোগ্য বুলি বিচাৰেই নকৰে তাৰবাবে। সেই শক্তিৰ উৎস বেলেগ।

ঃ এয়া এটাচ্চমেন্ট কেৱল তোমাৰ। আন একো নহয়। স্বাভাৱিক ভাৰতীয় নাৰীৰ ঘৰ, এক মন্দিৰ টাইপ মানসিকতা। বিচলিত নহ'বা। সময়ৰ লগে লগে নোহোৱা হৈ যাব সেয়াও।- বৰুণৰ কথাত হতভম্ব হৈছিল তাই।

এটাচ্ছমেন্ট? কিহৰ এটাচ্ছমেন্ট? কেনেধৰণৰ এটাচ্ছমেন্ট? তাইতো এয়াও আছে বুলি জনা নাছিল! যাৰ প্ৰতি অহৰহ ঘৃণা, বিতৃষ্ণা কঢ়িওৱা যায়, তাৰবাবে জানো কাহানিবা আপোনত্ব জাগি উঠে?

উত্তৰ বিচাৰি হাঁহাকাৰ কৰি উঠে পাৰিজাতে। কাৰ ওচৰত বিচাৰি যাব উত্তৰ? খুৰাকৰ পৰা সত্য জানি লোৱাৰ পাছত খুৰীয়েক তাইৰ আৰু প্ৰাঞ্জলৰ ওপৰত বিতুষ্ট। এতিয়াও। সেই বিতুষ্টতা দেখিয়েই প্ৰাঞ্জলে এতিয়াৰ ভাড়াঘৰটোলৈ আঁতৰি অহাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। মাহজুৰি সংযোগ নথকা দূৰত্ব সামৰি নেহা বিবাহসূত্ৰে দেশৰ বাহিৰত। আৰু কাৰ ওচৰত তাই নিজৰ প্ৰশ্নৰ উত্তৰ বিচাৰি যায়?

প্ৰাঞ্জলে লক্ষ্য কৰিছিল পাৰিজাতক। তাইৰ উদ্বিগ্নতাক। এডভোকেট বৰুৱাক সুধি গম পাইছিল যে পাৰিজাতে ফোন কৰা নাই তেখেতক।

ঃ ফোন নকৰিলা যে? বেলেগ এডভোকেট পাইছা নেকি?- প্ৰাঞ্জলৰ প্ৰশ্নৰ খণ্ডেৰে উত্তৰ দিবলৈ লৈও পাৰিজাত থমকি ৰৈছিল।

তাইৰচোন খং উঠাই নাই! বৰঞ্চ এক অচিন বিষাদে বেৰি ধৰে তাইক।

ঃ কিয় লাগে আপোনাক মই কাক বিচাৰিছোঁ।

ঃ নালাগে বাৰু। হৈছে কি তোমাৰ? কোৱাচোন।

ঃ কিয়? আজি মনত পৰিল সুধিবলৈ?

ঃ তোমাক আগেয়ে ইমান উদ্বিগ্ন দেখা নাছিলোঁ।

ঃ সদায়েই আছিলোঁ। উদ্বিগ্ন নহয়। আতংকিত। আপোনাৰ বাবে। পাহৰি গ'ল?

ঃ ...।

ঃ সেইসময়তেই নুবুজিছিল। এতিয়া কিয় লাগে মই কি বিচাৰোঁ।

ঃ ... ।এটাও শব্দ নোকোৱাকৈ প্ৰাঞ্জল আঁতৰি গৈছিল। বুজি পাইছিল পাৰিজাতে, প্ৰাঞ্জল নিজৰ কৰ্মক লৈ অনুশোচনাত দগ্ধ। পিছে জনা নাছিল, যে সিদিনাৰ পৰাই এই অনুশোচনাৰ আৰম্ভ হৈছিল, যিদিনা নকইনাৰ লাজৰ ওৰণি গুচাই তাই স্পষ্টকৈ কৈছিল—

"বিয়া কৰাব বিচাৰিছিল মোক, বিয়া হৈ গ'ল। তাতোতকৈ একো নিবিচাৰিব। নাভাবিব যে কোনোবাদিনা আপোনাক আঁকোৱালি লম। ঘৃণাৰ বাহিৰে মোৰ ওচৰত একোৱেই নাই আপোনাৰ বাবে।"- সিদিনা প্ৰাঞ্জল হতভম্ব হৈছিল। বিবাহ মানেই পূৰ্বৰ সকলো কথা পাহৰি সমৰ্পণ- এয়া আছিল তাৰ ধাৰণা। ভুল আছিল সি। প্ৰেমহীনতাৰে ভৰা এটা শৰীৰ চুবলৈ যোৱাটো

তাৰ অপমান। কাপুৰুষালি। ঘৃণাভৰা দৃষ্টি নিজৰ ওপৰত লৈ প্ৰেম যাঁচিব নোৱাৰি; সময়ৰ লগে লগে সি ঠিকেই বুজি উঠিছিল। এদিন শুনিছিল বৰুণৰ সতে কথোপকথনো! তাৰ আগত কঠোৰ হৈ থকা পাৰিজাত বৰুণৰ সন্মুখত লেহুকা লতা এডালৰ দৰে লেতুসেতু হৈ পৰা দেখি নিজকে ধিক্কাৰ দিছিল সি। সিয়ে নোৱাৰিলে পাৰিজাতৰ আৱেগবোৰ প্ৰকাশৰ বাবে যোগ্য ব্যক্তি এজন হ'ব। কি হৈ ৰ'ল সি? এক নামহীন লোক? অস্তিত্বহীন উপস্থিতি।

সিদিনাৰ কথোপকথনতেই বিবাহ বিচ্ছেদৰ বিষয়ে শুনা পাইছিল সি। ফোনৰ সিমূৰত বৰুণে কি কৈছিল সি নাজানে। পাৰিজাতক মুক্ত কৰিবলৈ অংগীকাৰবদ্ধ হৈছিল সি। গুচি যাওক তাই ইমান কষ্টত থকাতকৈ। এশ শতাংশই দোষী সি তাইৰ। তাই আঁতৰি গৈ বৰুণৰ লগত সুখী হৈ ৰোৱাটো তাৰ বাবে নগণ্য শাস্তি। বিয়াৰ আগতেই যদি সি বুজি পালেহেঁতেন কথাবোৰ! কাহানিও নাৰীৰ সংস্পৰ্শলৈ আহি নোপোৱা, সম্পৰ্কবোৰক অনুভৱ কৰিব নোৱাৰাৰ বাবে সি স্বাৰ্থপৰ হৈ পৰিছিল। এতিয়া আৰু নহয়!

ডিভোৰ্চ পেপাৰখন হাতত লৈ হতভম্ব হৈ ৰ'ল পাৰিজাত। প্ৰাঞ্জলে গুঁজি থৈ গৈছে এইমাত্ৰ তাইৰ হাতত। এইমাত্ৰই বৰুণে ফোন কৰিছে। মিছড্ কল হৈ ওলমি ৰৈছে তাৰ নাম মোবাইলৰ স্ক্ৰীণত। আহি ঠাহ খাইছেহি কেবাটাও মেছেজ-

"ৰুণিহঁতৰ ঘৰলৈ যাব কাইলৈ মাহঁত।"

"তোমাৰ কথা কোৱাৰ পাছতো তেওঁলোক আঁকোৰগোজ। ময়ো আঁকোৰগোজ মোৰ সিদ্ধান্তত।"

"মই তোমাৰ লগত আছোঁ।"

"একো নোকোৱা কিয় তুমি?"

এহাতে বৰুণৰ দাবী আনহাতে প্ৰাঞ্জলৰ নীৰৱ আত্মসমৰ্পণ। এহাতে বৰুণ, এহাতে প্ৰাঞ্জল।

পুনৰ বৃত্তৰ বুকুত ঘূৰি ঘূৰি পাঁচবছৰৰ আগলৈহে ঘূৰি গ'ল যেন তাই! একেই পৰিস্থিতি। পাৰ্থক্য মাথোঁ ইমানেই যে তেতিয়া বৰুণে তাইৰ আৱেগ গধুৰ কথাবোৰৰ সন্মুখত আত্মসমৰ্পণ কৰিছিল, আজি প্ৰাঞ্জলে।

পাত্ৰ দুজন বেলেগ হ'ল। বুকুত বিষটো কিয় একেবাৰেই একে!!

ঃ নীৰৱতাৰ সময় শেষ হ'ল পাৰিজাত। তোমাৰ আধৰুৱা কামখিনি ময়েই কৰি পেলালোঁ। - কৈ কৈ খামৰ পৰা কাগজবোৰ ওলিয়াইছিল সি।

ঃ ডিভোৰ্চ পেপাৰ্চ। চহী কৰা আছে মোৰ। আশা কৰোঁ আজি প্ৰথমবাৰৰ বাবে তুমি মনেবিচৰা কিবা এটা দিব পাৰিছোঁ। সুখী হ'বা তুমি নিশ্চয়েই।

কাগজখন হাতলৈ আনি প্ৰাঞ্জলৰ চহীটোলৈ চালে তাই। হাতফুৰাই দিলে তাৰ ওপৰেৰে আলফুলেৰে।

নাই। নাই। তাই সুখী নহয়। নহয় তাই সুখী। তাইৰ হাতত আজি সৰগৰ মাণিক আহি সৰাদি চাৰে পাঁচবছৰীয়া বান্ধোনৰ পৰা মুক্তিৰ চুক্তিপত্ৰ আহি পৰিছেহি। এই মাণিক খামুচি লৈও তাই সুখী নহয়। কিয়! কিয়? স্বইচ্ছাৰে তাইৰ ডেউকাখন ওভোটাই দিয়াৰ পাছতো কিয় উৰিব খোজা নাই তাই??

উচপ খাই উঠিল পাৰিজাত তাইৰ মোবাইলৰ শব্দত। বৰুণৰ উপৰ্যুপৰি ফোন। ৰিচিভ কৰিবলৈ পোৱাৰ লগে লগেই গালি কিছুমান ছিটিকি আহিল বিপৰীত কোণৰ পৰা। সৰহভাগেই তাইৰ নিৰ্বিকাৰ মনোভাৱ লৈ আপত্তি, অনিশ্চয়তাত ৰখাৰ বাবে খং... শেষত তাইলৈ বৈ নাথাকি বেলেগৰ লগত বিয়া হৈ যোৱাৰ অভিমানী ভাবুকি।- প্ৰতিক্ৰিয়াহীন ভাৱে ফোনটো থলে তাই সকলো শুনি লৈও। তাৰপাছত বুৰ গ'ল অটল ভাৱনাত।

সময়ৰ লগে লগে মানুহৰ পছন্দ অপছন্দ, অগ্ৰাধিকাৰ এইবোৰো সলনি হৈ পৰে নেকি? হয়তো হ'ব পাৰে। সম্পৰ্কৰ পৰিৱৰ্তিত ৰূপে দায়বদ্ধ কৰি তোলে মানুহক। এটি বান্ধোনৰ মাজত কেৱল আনুষ্ঠানিকতাইতো নাথাকে। থাকে দায়িত্ব। থাকে আশীৰ্বাদ। সমজুৱা আশীৰ্বাদ শিৰত লৈ আৰম্ভ কৰা এই বান্ধোন কেনেকৈ টিলিকতে ওফৰাই দিয়ে পাৰিজাতে!

বহি পৰিল তাই মজিয়াতে। তাইকতো কোনেও বাধ্য কৰা নাছিল এই সম্পৰ্কত বান্ধ খাবলৈ। নিজ কণ্ঠ নিজেই ৰোধ কৰি বিয়াত বহিছিল তাই। তাই দৃঢ় হৈ ৰোৱাহ'লে জানো কাৰোবাৰ শক্তি হ'লহেঁতেন তাইক এটা প্ৰেমহীন সম্পৰ্কত বান্ধিবলৈ! প্ৰাঞ্জলৰ যদি দোষ আছিল, তেন্তে তাইৰ দোযোতো কম নহয়। হৃদয়ৰ সিদ্ধান্তবোৰ সঠিক সময়ত গ্ৰহণ নকৰিলে সময়ৰ ম্যাদ পাৰ হৈ যোৱাৰ পাছত সেয়া কেৱল ভুল সিদ্ধান্তৰূপে পৰিগণিত হয়। জীৱন যাত্ৰাৰ যাত্ৰীক তাই। যাত্ৰাপথত এৰি আহিছে সেই

সময়। সেই সময়ৰ ম্যাদ উকলি গ'ল। সেয়েহে হয়তো তাইৰ প্ৰতি প্ৰাঞ্জলৰ নৰম ব্যৱহাৰ, যত্নবোৰ দেখিলে কিছু কিছু সময়ত দুৰ্বল হৈ পৰিছে তাই। দোষী দোষী ভাৱেৰে তাইৰ কাষত ৰোৱা প্ৰাঞ্জলক কথাৰে আঘাত দি ঠিকেই আসুৰিক তৃপ্তি পায়, কিন্তু তাৰ অনুপস্থিতিত কিঞ্চিত হ'লেও শূন্যতা অনুভূত হয় তাইৰ। প্ৰাঞ্জলৰ সতে বিচ্ছেদৰ ভাৱনাই তাইকো জৰ্জৰিত কৰি পেলাইছে। এটা সামাজিক বান্ধোনৰ শক্তি ইমানেই বেছি নে?

নাই! তাইৰ শক্তি নাই এই বান্ধোন ছিঙিবলৈ। যদি এই সংকোচ, এই অসামৰ্থতা এক নতুন আৰম্ভণিৰ সংকেত হয়, তাই আপত্তি নকৰে। জনাব তাই বৰুণক। ক্ষমা খুজিব দৰকাৰ হলে তাই তাক। নকৈ সপোন দেখক বৰুণে। তাক আৰু নাটানে তাইৰ জীৱনৰ জটিল সূত্ৰবোৰলৈ। মূল্যহীন নকৰে তাই বিবাহ নামৰ পৱিত্ৰ সম্পৰ্কটোক। দায়বদ্ধ তাই সন্মান কৰিবলৈ। হোৱা উচিত। হৃদয়ৰে সন্মতও পাৰিজাত। এই বান্ধোন ভাঙিব নোৱাৰাৰ কাৰণ এয়া নহয় যে তাই দুৰ্বল। এই বান্ধোন ভাঙিব নোখোজাৰ কাৰণ এয়াই যে তাই সাহসী নিজ সিদ্ধান্তক গ্ৰহণ কৰি সম্পৰ্কটোৰ প্ৰতি দায়বদ্ধ হ'বলৈ। প্ৰাঞ্জলৰ এটা দোষ আৰু তাইৰ ভুলৰ পৰিণাম এই সম্পৰ্কটোক ভুগিবলৈ নিদিয়ে তাই। শেষ হৈ যাওক সকলো ক্লেশ-কানিমা অনুশোচনাৰ জুইত। শেষ হৈ যাওক সকলো খং-বিৰাগ। আৰম্ভণি হওক এই সম্পৰ্কৰ নকৈ। দায়িত্ববোধেৰে, শ্ৰদ্ধাৰে, স্নেহেৰে। যি নীড় স্নেহ, আদৰেৰে সজা হয়, তাত জানো ভালপোৱাৰ বসতি নহ'ব কোনোদিন? সেই প্ৰেমৰ অংকুৰণৰ বাবে এটা সুযোগ দিব তাই।

দীঘলকৈ উশাহ এটা টানিলে পাৰিজাতে। গধূৰ বোজা এটা যেন বুকুৰ পৰা নামি গ'ল! মজিয়াত থকা ডিভোৰ্চ পেপাৰকেইখনলৈ চালে তাই। আৰু দুহাতেৰে তুলি লৈ হাতেৰে লাডু এটা কৰি কোঠাৰ এচুকত থকা ডাষ্টবিনলৈ নিক্ষেপ কৰিলে। এয়াই শেষ সকলো বিভ্ৰান্তিৰ। আৰু নহয়।

বহুদিনৰ পিছত ফুটো-নুফোঁটোকৈ সন্তুষ্টিপূৰ্ণ প্ৰশান্তিৰ হাঁহি এটাই আহি তাইৰ ওঁঠত স্পৰ্শ কৰিলে। দুচকুৰ পতা জপাই প্ৰাঞ্জলৰ ছবিখন কল্পনা কৰি মিচিকিয়াই উঠিল তাই। অকৃত্ৰিমতাৰে।

অৰ্দ্ধআকাশৰ মজিয়াত মই বেছি দিনৰ পুৰণি নহয় যদিও এই মজিয়াখন যেন আমাৰ বাবে
এক মুকলি মঞ্চ,
য'ত কোনো সংকোচ নাই হাঁহি ফুৰ্তি চিৰিয়াচ বিষয় প্ৰতিভা বিকাশ কিযে নাই ইয়াত!

।।

—বিজুমণি শইকীয়া—

# আঐ দেহী

## লখিমী কোঁৱৰ হাজৰিকা

মাকৰ গৰ্ভতে সোনপাহীৰ কেনেকৈনো আঐ দেহী বেমাৰটো লাগিল, সোনপাহীয়ে নিজেই গম নাপালে। অকণমান তাই ডাঙৰ হোৱাৰ পৰাহে তাইক দেউতাকে তাইক কবলৈ ধৰিলে “আইজনী অ তইয়ো মাৰৰ দৰেই হলি আৰু! মাৰে আঐদেহী কৰি কৰি মোক তেনেই ভীখাৰী কৰিলে। মাৰে দুখীয়া মানুহ দেখিবহে লাগে আগপিছ নাভাবি দৰমহাৰ পইচা দি দিব । ভীখাৰী দেখিলেই আঐ দেহী কিমান দিন বা ভালকৈ এসাজ খোৱা নাই বুলি মুৰ্গী মাৰি ভাত খুৱাব। নতুন ব্লাউজ এটা কিনি দিমহে কেইদিনমান পাচত দেখিম কোনো বা মগনীয়া এজনীৰ গাত। বুজিছ সোনপাহী মাৰে যদি মৌলৈকো চাই ক'লেহেতেন আঐ দেহী এটা মানুহে আৰ্জিছে চাই চিতি খৰচ কৰোঁ, নাই মাৰৰ অলপো মৌলৈ দুখ নাই! তই তেনে নহবি অ আই। পিচে মাকৰ তেজ হে, সোনপাহী মাকৰ দৰেই হ'ল। তাই সৰুতে যেতিয়া দেখে পৰুৱা বোৰে বৰ কষ্ট কৰি ডাঙৰ পাত এখিলা টানি টানি গাতলৈ লৈ যায় সোনপাহীৰ বৰ দুখ লাগে তাই পাত খিলা লৈ পৰুৱাৰ গাতৰ মুখত থৈ আহেগৈ। পৰুৱা বোৰে ভয় খাই পাতটো তাতে এৰি গুছি যায়, ফলত গোটেই দিনটো সোনপাহীৰ চকুপানী ওলাই থাকে। পাচলৈ এই আঐ দেহী স্বভাৱ টোৰ কাৰণেই সোনপাহীয়ে জোলোকা জোলুকীকৈ পানী খালে। পাচত অলপ গাভৰু হলত তাই প্ৰেমত পৰিল। কেও কিছু নোহোৱা দুখীয়া ল'ৰা এটাক তাই হিয়া উজাৰি ভালপালে। পিছে দুবছৰ মান পাচত হে তাই গম পালে তাইৰ লগৰ গোটেই কেইজনীৰ লগতে সি সমানে প্ৰেম খেলে। ইজনীক সিজনীৰ কথা সিজনীক ইজনীৰ কথা লগাই সবৰে সমন্ধ বেয়া কৰি সি মাজতে দুৰন্ত প্ৰেমিক হৈ প্ৰেম প্ৰেম খেলি থাকে। সোনপাহীয়ে এইবোৰ গম পায় কান্দি কাটি নিজেই আঐদেহী জনী হল। মনৰ দুখতে দেউতাকে চাই দিয়া দৰাৰ লগত বিয়াত বহিল। দৰাও চোকা টেকেলা নিজৰ কাৰণে একো নীতি-নিয়ম নাই কিন্তু সোনপাহীৰ ওপৰত সংসাৰৰ নিয়ম জাপি দিলে। সোনপাহীয়ে এটা কথা ভালদৰেই বুজিলে যে হলা গছ দেখিলে সবেই কুঠাৰ মাৰে। অকল যে মানুহেই আঐদেহী ৰ ফায়দা উঠাই এনে নহয় পশু পক্ষীয়েও সুবিধা লয়। এদিন কল একাশী বেচি কৈ পকি যোৱাত সোনপাহীয়ে গেটৰ বাহিৰত গৈ গৰু এজনীক খুৱাই থৈ আহিলগৈ। সেই দিনাৰ পৰা গৰু জনী গেটৰ ওচৰৰ পৰা লৰচৰ নকৰা হল। অসীম ধৈৰ্য শক্তিৰ পৰিচয় দি গেটৰ বাহিৰৰ পৰা সোনপাহীলৈ চাই থকা হ'ল। লগতে গেটৰ বাহিৰত গোবৰ কৰি কৰি সোনপাহীৰ আৰু কাম বঢ়ালে। শালীকী দুজনী মানকো ৰাতিপুৱাতে চাউল খাবলৈ দি এতিয়া তাই সিহতৰ উৎপাতত থাকিব নোৱাৰা অৱস্থা স্বামী দেৱতাৰ লগতো এই স্বভাৱটোৰ পৰাই কভী খুছি কভী গম কৈ জীৱন কটাইছে ।সিদিনা বিহুৰ দিনা খন তাই কম লাজ পালেনে? বিহুৰ দিনা ৰাতিপুৱাতে উঠি সোনপাহীয়ে দেখিলে যে স্বামীয়ে এক চৰিয়া হালধি পিচি সবেই গা ধুবলৈ ৰেডী কৰি থৈছে। সৰু বোৱাৰীৰ পানী কেঁচুৰা তাইৰ হালধি লগোৱাৰ প্ৰশ্নই নাহে। সৰু লৰাটোৰে হালধি লগাই গা ধুবলৈ বৰ এটা ভাল নাপায়। সেইয়ে সোনপাহীৰ গিৰিয়েকলৈ মৰমতে দুখ লাগি গল। আঐ দেহী বুলি তাইয়ে হালধিৰ চৰিয়াটো লৈ গা ধোৱা ঘৰত সোমাল। গোটেই চৰিয়া হালধি ঘঁহি জন্দিচ বেমাৰীজনীৰ দৰে হৈ ওলায় আহিল। তাৰ পাচত সোনপাহীলৈ চাই সবৰে ফিচিঙা ফিচিঙি হাঁহি ।তাই দুপৰীয়ালৈকে তাই যিহকে চোৱে সেইটো বস্তুৱেই হালধীয়া হল। গিৰিয়েকৰ কোটোহা কোটোহি চাৱনিত তাই আকৌ চাবোনৰে গা ধুই আহিল। এইবাৰ তাই নিজেই আঐ দেহী হ'ল সকলোৰে দৃষ্টিত। স্বামীয়েও সোনপাহীৰ ধুনীয়া বান্ধৱী গৰাকীক সহায় কৰিবলৈ পায় নথৈ আনন্দিত হল। লাহে লাহে হা কথাই না কথাই যাওতে যাওতে সোনপাহীৰ স্বামী বেচি সময় বান্ধৱীৰ ঘৰতে থকা হ'ল। এতিয়া সোনপাহীয়ে অকলে অকলে চকুপানী টুকি ভাবে আচলতে কাৰ গিৰিয়েক ঢুকাল তাইৰ নে তাইৰ বান্ধৱীৰ। বিধৱা বান্ধৱীৰ দোৰ্ঘোৰ প্ৰেমৰ পৰা সোনপাহীয়ে স্বামীক কেনেকৈ ঘূৰাই আনিব ভাবি ভাবি পাৰ পোৱা নাই। ঘৰ খনৰ বজাৰ সমাৰ, ল'ৰা-ছোৱালীৰ পঢ়াশুনা এই সকলো বোৰ অকলে অকলে সোনপাহীয়ে চাব লগীয়া হৈছে। আঐ দেহী স্বভাৱ টোৱে এতিয়া সোনপাহীকে আঐ দেহী কৰি পেলালে। আইতাকহঁতে এনেয়ে কৈছিল নে বাটৰ কচু গাত ঘঁহিব নাপায় বুলি।

# সাধুকথাৰ চম্পাৱতী আৰু এখন সাগৰ

**মেঘনা চৌধুৰী**

*হুৰ হুৰ বটা চৰাই*
*মোৰ ধান নাখাবি*
*তোক দিম গোটা কড়াই....*

টঙীঘৰত সেইজনী চম্পাৱতী। বাপেকৰ আদেশত তাই পথাৰৰ ধান ৰখি আছে। দুপৰীয়া ৰ'দ বৰ চোকা হৈছেগৈ। চম্পাৱতী ঘামি-জামি চৰাই খেদি খেদি ভাগৰি পৰিছে। ধান ৰখীয়া হ'বলৈ তাই বৰ আমনি পায়। অকলে অকলে তাইৰ ভয়ো লাগে। জানোচা কোনোবাই তাইক চোঁচৰাই হাবিৰ মাজলৈ লৈ যায়। তাই এতিয়া সৰু ছোৱালী হৈ থকা নাই। তাই গাভৰু হৈছে। গাভৰু ছোৱালীবোৰৰ অন্তৰত ভয় থাকেই।

**************

সাগৰৰ পাৰত টোপোলা এটা আৰু কেটলী এটা লৈ বহি থকা সেইজনী ষ্টেলা। মাছমৰীয়াৰ জীয়েক তাই। পুৱাই উঠি নৰসিংহ পাত আৰু বাদাম মিহলাই নাৰিকলৰ তেলত তাই চিৰা ভাজি 'পোহা' বনায়। লগত এক কেটলী গাখীৰ চাহ। পুৱাই কালাংগুট বীচ্ছলৈ খোজকাঢ়িবলৈ অহা গোৱাৰ আলহীবোৰে তাইৰ হাতৰ চাহ আৰু পোহা খায় বুলি তাই আশাৰে বৈ থাকে। বাপেকে তাইক কাঢ়া নিৰ্দেশ দি থৈছে। গোটেইখিনি বেচি আহিব নোৱাৰিলে তাইৰ পিঠি ফালিব। কথাটো মনত পৰিলেই ষ্টেলাৰ গাটো জিকাৰ খাই উঠে। বাপেকলৈ উঠা খংটো উজাই আহে। তৎমূহুৰ্ত্ততে তাই মুখলৈ হাঁহি আনিব লাগে। বীচ্ছত মানুহৰ ভীৰ বাঢ়ে। তাইৰ কাষেৰে পাৰ হৈ যাবলৈ ধৰা মানুহবোৰক হাঁহি-হাঁহি মাতিব লাগে। 'চ্যাৰ পোহা লেলো, মেড্যাম পোহা লেলো। টেষ্টী হ্যে। একবাৰ খাকে দেখো চ্যাৰ। লেলোনা মেড্যাম।'

পোহা বেচি থকা ষ্টেলাক দূৰৰ পৰা মন কৰি থকা সেইটো ৰবাৰ্ট। সি এটা দালাল। বহুত প্ৰকাৰৰ দালালী কৰে সি। সিহঁতৰ বীচ্ছলৈ ফুৰিবলৈ অহা আলহীবোৰক গোৱাৰ পেকেজড ট্যুৰ, ৰাটাৰ ছাফাৰী, এডভেঞ্চাৰ স্পৰ্টছৰ পুস্তিকাবোৰ দেখুৱায় সি। দালালী কৰি কৰি সি ঘাগু হৈ গৈছে। মাছমৰীয়াই সাগৰৰ পানীৰ ঢৌ দেখি কোনখিনি ঠাইত মাছ সৰহকৈ পাব বুলি যেনেকৈ কৈ দিব পাৰে, ঠিক তেনেদৰে ৰবাৰ্টে মানুহ দেখিলেই চিনি পায় জালত চিকাৰ লাগিব নে নাই। সাধাৰণতে সি নতুনকৈ বিয়া হৈ ফুৰিবলৈ যোৱা আৰু ডেকা ল'ৰা-ছোৱালীৰ দলবোৰক টাৰ্গেট কৰে। সৰু ল'ৰা-ছোৱালী লগত থকা মধ্যবয়সীয়া দম্পতী আৰু বয়সস্থসকলৰ লগত কেতিয়াবা বহু সময় এনেকৈয়ে নষ্ট হৈ যায়। দৰকাৰী অদৰকাৰী এসোপা কথা সুধি সুধি তাৰ মূৰটো গৰম কৰে আৰু শেষত পেকেজটোও নলয়। সেই কাৰণে সি মানুহ বাচি বাচিহে দালালী কৰে। কমিশ্যন পায় সি। প্ৰতিজন পৰ্য্যটকৰ বিপৰীতে ভাল কমিশ্যন থাকে। তাতে আকৌ বীচ্ছত তাৰ নিজাকৈ শ্বেক এখন আছে। মানে ওপৰত তাল পাত দিয়া আহল বহলকৈ বনোৱা ধুনীয়া ৰেষ্টোৰাঁ। গোৱাত ঠাণ্ডা-গৰম বুলি একো কথা নাই। গোটেই বছৰটোৱে মানুহ। গতিকে শ্বেকৰ ব্যৱসায়ো ভাল। বেছিভাগ মানুহেইতো গোৱাত বিশেষ একো চাবলৈ নাযায়। তেওঁলোকে কেৱল শ্বেকবোৰৰ পৰা নানান তৰহৰ ভজা সাগৰীয় মাছ আৰু সস্তীয়া বীয়েৰ লৈ সাগৰৰ পাৰত ঘণ্টাৰ পিছত ঘণ্টা বহি থাকে। বিশেষকৈ বিদেশীবোৰ। তেওঁলোকে আকৌ গাটোত মালিছ ল'বলৈ বৰ ভাল পায়। ৰবাৰ্টে নিজৰ শ্বেকত মালিছ দিবলৈ কেবাজনী মানুহ ৰাখিছে। সিহঁতকেইজনীৰ পৰাও সি কমিশ্যন লয়। সিহঁতৰ মাজত ষ্টেলাইয়ো কাম কৰে। দুপৰীয়াৰ পৰা আবেলিলৈকে তাই মানুহৰ হাত, ভৰি, মূৰ, সৰ্বশৰীৰ পিটিকি থাকিব লাগে। ৰবাৰ্টে সেইকাৰণেই পুৱা তাইৰ চাহ আৰু পোহা বেচাখিনি কেতিয়া শেষ হ'ব, তালৈ চাই থাকে। 'চাল্লা কুত্তা!' ৰবাৰ্টক দেখিলেই ষ্টেলাৰ মনলৈ এইটো ভাৱেই আহে। কুকুৰ শিয়াল বুলি চিঞৰি চিঞৰি তাক গালি পাৰিবলৈ তাইৰ বৰ মন যায়।

বয়সস্থ আৰু ক'লা দেহত চিক্কৰ সস্তীয়া শাড়ী পিন্ধা মানুহকেইজনীৰ ওচৰত আলহীবোৰে মালিচ ল'বলৈ নিবিচাৰে। চকুৰ শান্তি বুলিও কথা এটা আছে। ৰবাৰ্টক সেইকাৰণে তাৰ শ্বেকত ষ্টেলাক লাগে। মিঠাবৰণীয়া ষ্টেলাই আঠুলৈকে পৰা স্কাৰ্ট পিন্ধে। সাগৰৰ পাৰৰ বালিৰ কণাবোৰ তাইৰ কলাফুলত লাগি ৰ'দত জিলিকি থাকে। তাইৰ হাত দুখন কোমল। গাত লাগিলেই ভাল লাগে। পোন্ধৰ মিনিট ভৰি মালিছ কৰিলে ষ্টেলাই পায় তিনিশ টকা। ৰবাৰ্টৰ কমিশ্যন ডেৰশ টকা। দিনটো তেনেকৈয়ে লোকৰ হাত-ভৰি পিতিকি তাইৰ হাত দুখন শেষত টনটনাবলৈ ধৰে। অৱশ হৈ আহে তাইৰ সৰ্বশৰীৰ। ভাগৰত, দুখত আন এটা দিন শেষ হয়।

কালাংগুট বীচ্ছত সূৰ্য্যাস্ত চাবলৈ মানুহৰ ভীৰ হয়। লাহে লাহে আকাশৰ ৰং সলনি হ'বলৈ ধৰে। ৰঙাৰ পৰা গৈ গৈ কমলা বৰণীয়া হৈ পৰে সাগৰৰ ওপৰৰ আকাশখন। এটা বিন্দুত সাগৰৰ নীলা আৰু আকাশৰ কমলাবোৰ একাকাৰ হৈ পৰে। এক ঐশ্বৰিক পোহৰে যেন গোটেইখন ছানি ধৰে। শেষ সূৰুজৰ যাওঁ নাযাওঁ ৰেখাবোৰে লাহে লাগে সাগৰৰ পাৰত ঘূৰি ফুৰা মানুহবোৰক অলপ সময়ৰ বাবে চঞ্চল কৰি তোলে। অলপ পিছতেই গোটেইখন আন্ধাৰ হৈ পৰিব। শেষবাৰৰ বাবে মানুহবোৰে সাগৰৰ পানীত ডুব মাৰেগৈ। সন্ধিয়াৰ বতাহজাক শান্ত শীতল হৈ ববলৈ ধৰে। লুণীয়া পানীত তিতি যোৱা মানুহবোৰ ওভতিবলৈ ধৰে লাহে লাহে। ঘোৰ অন্ধকাৰ নামে। চাৰিওফালে একো মনিব নোৱাৰি। মাথো সাগৰৰ ঢৌবোৰ উত্তাল শব্দৰে নিজ গতিত অহা-যোৱা কৰি থাকে। সোঁ-সোঁকৈ বতাহ বলি থাকে। সাগৰৰ বুকুত জোৱাৰ উঠে। তীব্ৰ জোৱাৰ। দূৰৰ মাছমৰীয়া নাঁওবোৰে ঘৰমূৱা হ'বলৈ লৰালৰি কৰে। ঢৌৱে সিহঁতক বাট ভেটি ধৰিব খোজে। সোঁ-সোঁ বতাহ। সোঁ-সোঁ সাগৰ। এজাক ধুমুহা আহিব ছাগে'!

*************

বাহিৰত ধুমুহা। বিজুলীয়ে চকু চাট মাৰি ধৰিছে। মেঘৰ গাজনিত নিজৰ মাত নিজেই নুশুনি। বতাহ বৰষুণত গছবোৰ যেন উভাল খাই পৰিব। ঘিটমিটীয়া আন্ধাৰ। বতাহত বাঁহপাতবোৰ হাউলী ঘৰৰ মুধচত চেৰচেৰণি তুলিছে। কোনোবা চৰাইৰ বাহ ভাঙিল ছাগে'। ছিঁ ছিঁঞাই উঠিছে চৰাইবোৰে। যেন গোটেইখন জয়াল।

মাটিৰ চাকিৰ টিমিক টামাক পোহৰত চম্পাৱতীৰ মুখখন বৰ কৰুণ যেন লাগিছে। ঘাম আৰু চকুপানীয়ে গোটেইজনীক তিয়াই পেলাইছে। ভয়ত তাইৰ অণ্ঠ-কণ্ঠ শুকাই কাঠ হৈ গৈছে।

'দেউতা ঈশ্বৰ অ'! কাবৌ কৰিছো অ'। মোক অজগৰৰ হাতত তুলি নিদিবি দেউতা। মই মৰি থাকিম।'

চম্পাৱতীৰ দেউতাকে তাইৰ গগন ফলা চিঞৰ শুনা নাছিল। নিজৰ তেজ মঙহৰ টুকুৰাজনীক তেওঁ তুলি দিছিল বিষাক্ত অজগৰৰ হাতত। সেই নিশা চম্পাৱতীৰ মাক শুব পৰা নাছিল।

চম্পাৱতীৰ বুকুৰ ৰিহা ফাটি গ'ল। তাইৰ মেখেলা খহি পৰিল। তাইৰ ককাঁলত অজগৰে মেৰিয়াই ধৰিলে। মেৰিয়াই মেৰিয়াই সাপডালে তাইক এনেকৈ হেঁচি ধৰিলে যে এটা সময়ত তাই উশাহ ঘূৰাব নোৱাৰা হৈ পৰিল। অজগৰৰ ডাঠ জিভাখনে চম্পাৱতীৰ বুকুৰ মঙহ বখলিয়াই নিলে। প্ৰচণ্ড হেঁচাত তাইৰ গোটেই গাটোৰ হাড়বোৰ ভাঙি যাব যেন লাগিল। তাই চিঞৰিব খুজিলে। কিন্তু নোৱাৰিলে। অজগৰে তাইৰ ডিঙিলৈকে মেৰিয়াই ধৰিলে। অজগৰৰ পিছল গাটোত মেৰ খাই তাইৰ ওকালি আহিবলৈ ধৰিলে। তাৰ গাটোৰ দুৰ্গন্ধত গোটেই কোঠাটো বিষাক্ত হৈ পৰিল।

কান্দিলে। চম্পাৱতীয়ে কেৱল কান্দিলে সেই নিশা।

বমি আৰু তাইৰ কোমল শৰীৰৰ নিম্নাংশৰ পৰা ওলোৱা এডোঙা তেজৰ মাজত তাই পৰি ৰ'ল। চম্পাৱতীৰ জীৱনলৈ কাল ধুমুহা নমাই অনা সেই নিশাটোৰ শেষত তাইৰ কাষতে এটোপোলা সোণ, ৰূপ, হীৰা, মুকুতা এৰি থৈ অজগৰ গুছি গ'ল চিৰদিনলৈ।

*************

'ষ্টেলা ৰেইট, ৰেইট আই চে।'

ধুমুহাজাক অহাৰ উমান পাই ঘৰলৈ কোবাকোবিকৈ খোজ দিয়া ষ্টেলাক ৰবাৰ্টে পিছফালৰ পৰা চিঞৰি মাতে। তাই নৰয়। তাই বেছিকৈ দৌৰিবলৈ ধৰে। সাগৰৰ পাৰৰ বালিত তাইৰ ভৰি সোমাই জোটাপুটি লাগিবলৈ ধৰে। ৰবাৰ্টে তাইক খেদি

খেদি তাইৰ ওচৰ পায়গৈ। ধুমুহাজাক আহিবলৈ বেছি সময় নাই। এটোপাল দুটোপাল বৰষুণে খৰ খোজেৰে আগবঢ়া ষ্টেলাক স্পৰ্শ কৰিছে। মুষলধাৰ বৰষুণ অহাৰ আগতে তাই ঘৰ পাবগৈ লাগিব। তাই দৌৰিবলৈ ধৰে। পিছে পিছে ৰবাৰ্ট। দীঘল দীঘল খোজেৰে সি তাইৰ পিছ লৈছে।

'ষ্টপ আই চে। ষ্টপ ইউ বিচ্ছ্।'

হঠাতে কিহবাত উজুটি খাই ষ্টেলা পৰি গ'ল। তাইৰ মুখখনে বালিত থেকেচা খালে। শিলত তাইৰ সোঁ আঠুটো চোচৰা খালে। তেজ ওলাবলৈ ধৰিলে তাইৰ আঠুটোৰ পৰা। আন্ধাৰত তাই তেজখিনিৰ ৰং দেখা নাই কিন্তু তাইৰ ভৰিখন তেজেৰে তিতি যোৱাটো তাই অনুভৱ কৰিছে।

নিজৰ সৰ্বশক্তি প্ৰয়োগ কৰিয়ো ষ্টেলা থিয় হ'ব পৰা নাই। ৰবাৰ্টে দৌৰি আহি তাইৰ কাষ পাইছে। তাইক টানি ধৰি উঠালে সি। সোঁভৰিখনৰ আঘাতৰ বাবে তাই পোনহৈ থিয় হ'ব পৰা নাই। বেঁকা হৈ ৰ'বলৈ চেষ্টা কৰি থকা ষ্টেলাক সেই মুহূৰ্ততে ৰবাৰ্টে এটা প্ৰচণ্ড চৰ মাৰিলে। তাই আকৌ বালিৰ ওপৰত বাগৰি পৰিল।

ঃ তোক কৈছিলো নে মই, আজি তই মোৰ লগত যাব লাগিব বুলি?

ঃ মই নাযাওঁ।

ঃ হাৰামজাদী। তোক মই চোঁচৰাই লৈ যাম।

ৰবাৰ্টে ষ্টেলাক প্ৰায়ে এনেকৈয়ে সম্বোধন কৰে। তাৰ ব্যৱহাৰত তাইৰ এনেকুৱা লাগে যেন তাই তাৰ কিনা গোলামহে।

ষ্টেলাৰ বাপেকৰ এখন নাৰ আছিল। ডাঙৰ মাছমৰীয়া নাৰ। সেইখন সাগৰত মেলি কষ্ট কৰাহেঁতেন সিহঁতৰ ঘৰখন ভালকৈয়ে চলিলেহেঁতেন। কিন্তু মদৰ নিচাত ডুবি থকা ষ্টেলাৰ বাপেকে কাম-কাজ নকৰি তেনেকৈয়ে বছৰবোৰ পাৰ কৰিলে। ঘৰৰ পৰা এপদ এপদকৈ বস্তু নোহোৱা হ'ল। খোৱা বোৱাৰ টনাটনি। লগতে ষ্টেলা আৰু তাইৰ মাকৰ ওপৰত বাপেকৰ চৰ, কিল, ভুকু।

কি কৰিব, ক'লৈ যাব, একো ধৰিব নোৱাৰি ষ্টেলাই এদিন নিজেই বীচ্ছত 'পোহা' বিক্ৰী কৰিবলৈ আৰম্ভ কৰি দিছিল। এনেকৈয়ে এদিন তাইৰ ওপৰত চকু পৰিছিল ৰবাৰ্টৰ। ৰবাৰ্টে সুযোগ বুজি তাইৰ বাপেকৰ হাতত টকা এসোপা গুজি দিছিলগৈ সহায় কৰাৰ চলেৰে। কিন্তু প্ৰকৃততে তাৰ উদ্দেশ্য আছিল বেলেগ। তাইৰ বাপেকক দিয়া টকাৰ বিনিময়ত ৰবাৰ্টে সিহঁতৰ নাৰখন বন্ধকত লৈছিল। সিহঁতৰ পৰিয়ালৰ মূল উপাৰ্জনৰ আহিলাটো এতিয়া আছিল ৰবাৰ্টৰ দখলত।

সি জানিছিল যে সময়ত ষ্টেলাৰ বাপেকে টকা ঘূৰাই দিব নোৱাৰিব। ইতিমধ্যে নাৰখনো পুৰণি হৈছিল। সি কৈছিল যে উৰলি যোৱা নাৰখন তাৰ একো কামতে নাহে। গতিকে টকা যদি ঘূৰাই দিব নোৱাৰে তেন্তে তাক কামত অহা কিবা বস্তু এটাহে লাগে। তাক ষ্টেলাক লাগে।

তেতিয়াৰ পৰাই ষ্টেলা তাৰ অধীন।

ষ্টেলাহঁতৰ ঘৰখনৰ শেষ নোহোৱা অভাৱবোৰ বাঢ়ি বাঢ়ি গৈ থাকে। ৰবাৰ্টে তাইৰ বাপেকক বিনা পইচাত মদ খাবলৈ দিয়ে। মদৰ নিচাত বাপেকটো দিনে-ৰাতি লাং খাই পৰি থাকে। ৰবাৰ্টৰ মুখলৈ সি চাই থাকে পইচাৰ বাবে।

ঃ ঘৰৰ বস্তু কি আছে মোক বেচিব পৰা তহঁতৰ?

ঃ একো নাই।

ঃ পইচা ধাৰলৈ নাপাৱ। আগৰবোৰেই ঘূৰাই নিদিলি আজিলৈকে।

ঃ নোৱাৰো ঘূৰাই দিব।

ঃ পইচা লাগে যদি কিবা বেচ।

ঃ কি বেচিম? একো নাই মোৰ।

ঃ জীয়েৰ আছে দেখোন। তাইক বেচ।

ঃ ল ল লৈ ল। টেক্ ষ্টেলা। মোক মদ লাগে। মদ দে। পইচা দে। যা তাইক লৈ যা।

ষ্টেলাক বাপেকে বেচিছিল ৰবাৰ্টলৈ। তেতিয়াৰ পৰাই নিচা লগা ৰাতিবোৰত তাই গুচি যাব লাগে তাৰ লগত।

আঠুৰ পৰা তেজ নিগৰি থকা, বিষত কেকাই থকা ষ্টেলাক ৰবাৰ্টে চোঁচৰাই নিজৰ শ্বেকলৈ লৈ গ'ল। শ্বেকৰ ভিতৰফালৰ কোঠাটোৰ বিচনাখনত বহি থকা ষ্টেলাৰ মুখখন বৰ করুণ যেন লাগিছে। বাহিৰত ধুমুহা, চাৰিওদিশ অন্ধকাৰ। ষ্টেলাৰ বুকু উদং হৈ গ'ল। কঁকালৰ স্কাৰ্ট খহি পৰিল। ৰবাৰ্টে তাইক প্ৰচণ্ড জোৰেৰে হেঁচা মাৰি ধৰিলে। তাইৰ এনে লাগিবলৈ ধৰিলে সি যেন এডাল অজগৰ সাপ। অজগৰৰ ডাঠ জিভাখনে তাইৰ বুকুৰ মঙহ বখলিয়াই নিলে। প্ৰচণ্ড হেঁচাত তাইৰ গোটেই গাটোৰ হাড়বোৰ ভাঙি যাব যেন লাগিল। তাই চিঞৰিব খুজিলে। কিন্তু নোৱাৰিলে। অজগৰে তাইৰ মুখখনত সোপা মাৰি ধৰিলে। অজগৰৰ মুখত মদৰ ভেকেটা ভেকেট গোন্ধ। ষ্টেলাৰ ওকালি আহিবলৈ ধৰিলে।

শেষ ৰাতি তাই হলকা হলকে বমি কৰিলে।

**************

*ধানো খাম, চাউলো খাম,*
*চম্পাৱতীক বিয়া কৰাই ঘৰলৈ লৈ যাম।*

নাই। তাই নামানে।

ৰবাৰ্টৰ লগত তাই কেতিয়াও বিয়া নহয়। ষ্টেলাই বাপেকৰ কথা কোনোপধ্যেই মানি নলয়। ৰবাৰ্টলৈ তাইক বিয়া দি গোটেই জীৱনটো বহি বহি খোৱাৰ ব্যৱস্থা কৰিব বিচাৰিছিল বাপেকে। ৰবাৰ্টে লোভ দিছে। সিহঁত সুখত থাকিব পাৰিব। মাথো ষ্টেলাক তালৈ বিয়া দিব লাগে।

ষ্টেলাই জানিছিল ৰবাৰ্টৰ লগত বিয়া হ'লে প্ৰতি নিশাই তাই পাব লাগিব দুখত পিষ্ট হোৱা ঘিণ লগা সময়বোৰ। সোণ-ৰূপ, হীৰা-মুকুতাৰে তাইক ভৰাই দিব পৰা ৰবাৰ্টক সেয়ে তাইৰ এডাল অজগৰ যেন লাগে। যিডালে তাইৰ পৰিয়ালটোক দিয়া ধনৰ বিনিময়ত তাইক খুটি খুটি শেষ কৰি পেলাব খোজে। তাইৰ তেজবোৰ শুহি শুহি খাব খোজে। তাৰ গাৰ গোন্ধটো মনলৈ আহিলেই তাইৰ মূৰটো ঘূৰাই যাব খোজে।

**************

কালাংগুট বীচ্ছত কেৱল বালি। তপত বালিত বহি ষ্টেলাই সদায় বেপাৰ কৰিব লাগে। বালিয়ে মানুহৰ খোজৰ গতি ধীৰ কৰে। বালিত মানুহে উজুটি খায়। মুখ থেকেচা খাই পৰে। ষ্টেলাক শিল লাগে। যি স্থিৰ আৰু টান। য'ত থিয় হৈ নিজকে অটল অম্লান যেন লাগে। আজি আঞ্জুনা বীচ্ছত থিয় হৈছেগৈ ষ্টেলা। সেইখন বীচ্ছত কেৱল শিল। তাত বালিৰ চিন মোকাম নাই। ওখ শিল এচটাত থিয় হৈ তাই সাগৰখন মন ভৰাই চাইছে। আশৈশৱ চিনাকী সাগৰখনকে তাই ভৰাই লৈছে বুকুৰ মাজত। সাগৰক হেনো সকলো ক'ব পাৰি। ভাল-বেয়া, সুখ-দুখ, সকলো ভগাব পাৰি হেনো সাগৰৰ লগত। সাগৰৰ পাৰলৈ হয়তো বহু মানুহ এইবাবেই ঢপলিয়াই যায়। নিজৰ নোপোৱাবোৰ, দুখ-বেদনাবোৰ সাগৰৰ বিশাল বুকুত এৰি দিবলৈ।

সন্মুখত তাইৰ বিশাল জলৰাশি। সৰু ডাঙৰ অজস্ৰ ঢৌৰ খলখলনি। বতাহৰ সোঁ-সোঁৱনি। আস্! কি অদ্ভুত মায়া আছে সাগৰৰ! সকলো ক্লান্তি, অৱসাদ, তেজ, ঘাম, ধূলি ই সামৰি ল'ব পাৰে নিজৰ মাজত। সকলো দুখ-যন্ত্ৰণাৰ পৰা ইয়াতেই মুক্তি পাব পাৰি।

'আৰু আগবাঢ়ি নাযাবা চম্পাৱতী!

পিছলি পৰিবা।

ঘূৰি আহা।

ঘূৰি আহা চম্পাৱতী.....!

আৰৰ সাগৰৰ তীৰৰ শিল এচটাত থিয় হৈ সেয়া চম্পাৱতী। চম্পাৱতীয়ে কাৰো মাত শুনা নাছিল। তাইক সাগৰে মাতি আছিল।

# বুকুত এখন ঘৰ

মানসী গগৈ

সৰুতে মাৰ লগত এনাইৰ ঘৰলৈ গৈছিলোঁ। পুৰণি ৰেলি চাইকেলখনৰ আগফালে ভন্টিক, পাছফালে কেৰিয়াৰত মোক আৰু হেণ্ডেলডালত বেগটো ভালদৰে লৈ দেউতাই আমাক বাছত তুলিবলৈ যায়। সেইদিনা দেউতাই চাইকেলখন থেলি থেলি নিয়ে আৰু কাষে কাষে মায়ে গহীন আৰু দীঘলকৈ খোজ কাঢ়ে।

চাহ বাগানৰ মাজৰ দীঘল সেউজীয়া বাটটো সেইদিনা যেন চুটি হৈ পৰে। বাগানৰ বাটটো এৰি ৰাষ্ট্ৰীয় পথত উঠিয়েই দেউতাই বাওঁফালে ডিঙি মেলি চাই আৰু কয় - 'অ হৰেণ আছে। মায়ে কয় - তেনেহ'লে বাচখন আহিবৰ হ'লেই।

আমি দুজনীয়েও মনোযোগেৰে হৰেণদাইদ'লৈ চাওঁ। ডাকঘৰৰ চকীদাৰ হৰেণদাইদ'ৰে মৰাপাটৰ বস্তা এটাত চিঠি এখিনি লৈ ৰৈ থকা দেখিলেই গম পাওঁ ৰঙা বাছখন অহা নাই। আৰু আহিবলৈও বেছি সময় নাই। দেউতাই মাক সোধে - 'কেতিয়াকৈ উভতিবি।'

'এই সপ্তাহটো থাকিম' আয়ে অকণমান ভাল পালেই গুচি আহিম' - মায়ে কয়। এই কথাষাৰকে দেউতাই মাক ঘৰতো কেইবাবাৰো সুধিছে।

অসম পৰিবহন নিগমৰ ৰঙা বাছখন ওচৰ পাওঁ পাওঁ হ'লে আমি দুজনী জঁপিয়াই উঠো। মায়ে দেউতালৈ চাই সেমেকি উঠে, কয় - ডাঙৰ বোপাইক য'তে ত'তে ঘূৰি ফুৰিবলৈ নিদিব। এইকেইদিন ঘৰখন এৰি আপুনিও যেনি তেনি ওলাই নাযাব। পাছৰ কথাষাৰত দেউতালৈ যেন অলপ আদেশ অলপ অনুৰোধ থাকে।

ৰঙা বাছৰ প্ৰতি আমাৰ দুজনীৰ কিমান যে হাবিয়াস। আমাৰ বাবে প্ৰতিখন ৰঙা বাছেই এনাইৰ ঘৰলৈ যায়। এনাইৰ ঘৰলৈ যোৱা এই ৰঙা বাছ আমাৰ যে কিমান আপোন, কিমান হেঁপাহৰ। আৰু যেতিয়াই উঠিবলৈ পাওঁ, সেই আনন্দ বৰ্ণনাতীত। ভন্টি মাৰ কোলাত বহে আৰু তিনিজনীয়া কাঠৰ চিটটোত আন দুজন যাত্ৰীৰ লগত মিলাই মইও কুঁচি মুচি বহি লওঁ। সেই দুজন যাত্ৰী যদি মা দেউতাৰ চিনাকি হয় তেনেহ'লেতো কথাই নাই। মোকো মৰমেৰে কোলাত বহুৱাই ল'ব।

সান্দহ, চিৰা, খৰিচা, শুকতি, মাছ, এটা জালিকোমোৰা, নতুনকৈ উঠা হাঁহ বাহৰ পৰা হাঁহ এটা, ৰহী সাজৰ বটল এটা এনেধৰণৰ বয়বস্ত ভৰোৱা মোনাটোত বিস্কুটৰ পেকেট দুটা কিনি ভৰাই দেউতাই হাঁহটো ঠিকে আছেনে নাই চাই দিয়ে। কেৱল ঠোঁটটো বাহিৰলৈ উলিয়াই থকা হাঁহটোৱে ফুচফুচাই উঠে। মোনাটো মাৰ ওচৰত থৈ দেউতাই কয়, 'যাবি তেনেহ'লে' আৰু বাছখনে গতি কৰাৰ আগতেই দেউতা নামি যায়। মাক তেতিয়া অকণমান বিষন্ন দেখো। হয়তো ঘৰত এৰি থৈ অহা ককাইদেউ আৰু দেউতাৰ অনুপস্থিতিয়ে সামান্য ব্যাকুল কৰি তোলে।

পুঠাদ'তিয়ে বৰ আপডালেৰে পতা ফুলনিখনত ল'ৰি-ঢাপৰি, দীঘল পদুলিটো, ঘৰৰ সন্মুখৰ পুখুৰীটো, পদুলিৰ স্থলপদ্মজোপা, আতলচ জোপাত আমাৰ আনন্দ বাসনাৰ দেউকা মেলি , মোমাইদেউৰ ল'ৰা-ছোৱালী কেইটাৰ লগত লুকা-ভাকু খেলি দেখুন দুদিন পাৰ হয়হে মায়ে দেখোন ঘৰলৈ উভতিবলৈ অস্থিৰ হৈ পৰে।

পুঠাদ'তিয়ে ৰোৱা নানান ফুল গছৰ তলে তলে দৌৰি ফুৰা, দীঘল পদূলিটো পাৰ হৈ পোৱা ডাঙৰ অথচ অগভীৰ নলাটোত বৰশী বোৱা, আতলচ গছৰ ডালত বহি থকা, লুটিয়াই থোৱা ডাঙৰ নাওখনত পেট পেলাই শুই থকা মই ভাবো কিয়নো মা দুদিনতে যাবলৈ ওলাইছে। দেউতাকচোন এই সপ্তাহটো থাকিম বুলি কৈ থৈ আহিছে। এক সপ্তাহতটো সাতদিন থাকে। মায়ে যদি এনাই ঘৰত বহুত দিন থাকিলেহেঁতেন।

ৰাতিপুৱাৰে পৰা ওচৰ- চুবুৰীয়া বংশ-পৰিয়াল ইঘৰ সিঘৰকৈ মায়ে চুবুৰীটোৰ আটাইকেইঘৰতে ফুৰিবলৈ যায়। কাৰোবাৰ ঘৰত চাহ এবাটি, কাৰোবাৰ ঘৰত তামোল এখন খাই মায়ে প্ৰত্যেকৰে ঘৰতে এপাক মাৰে। কোনোবাই সোধে - বাইদেউ দুদিনমান থকাকে আহিছনে? এইবাৰ আমাৰ ঘৰতো ভাত এসাঁজ খাই যাবি।

— পেহীদেউ ইমানদিনৰ মূৰত আহিছ যেতিয়া দুদিনমান থাক। আজিৰ ৰাতিৰ সাঁজ আমাৰ ঘৰতে খাবি।

মায়ে সকলোৰে কথাত লগে লগে না না কৰি উঠে। 'ওৰাই নোৱাৰো নহয়। ঘৰত ভিনীয়েৰা ল'ৰাটো লৈ অকলে আছে। আইৰ অসুখ বুলি খবৰ এটা ল'বলৈ এনিশালৈ আহি তিনিনিশা হ'লেই। কাইলৈকে যাবগৈ লাগিব। দেউতাক সাতদিন থাকিম বুলি কৈ মায়ে কিয় মানুহবোৰক এনেকৈ কয় মই ভাবি নাপাওঁ।

এনাইৰ ঘৰলৈ অহা দুদিন আগৰে পৰাই মায়ে দেউতা আৰু ককাইদেউক দিহা দি থকা শুনো-গৰুকেইটা ভালদৰে চাব। ছাগলী চাৰিটা বাৰীত এৰাল দিবলৈ আজি পঘা লৈ আহিব। মই নাথাকিলে ক'ৰ বস্তু ক'লৈ যায় ঠিক নাই।

আকৌ ককাইদেউক ক'ব- ডাঙৰ বোপাই, হাঁহকেইটা অলপ সময় মেলি দি চাই থাকিবি। ঘৰৰ পুখুৰীটোৰ পৰা বাহিৰলৈ যোৱাৰ আগতেই দানা দি বান্ধি থবি। দেউতাৰলৈ বাট নাচাবি।

কুকুৰাবোৰ নিজে নিজে গঁড়ালত সোমাবই, পোৱালী লগা দুজনী মন কৰিলেই হ'ব।

বৰদেউতাৰ ঘৰৰ ডাঙৰ বাইদেউক ক'বগৈ - চেনৌ, মই আইৰ ঘৰলৈ যাম বুলি ভাবিছো। মই নাথকিলেনো দদায়েৰে ক'ত ঘৰ দুৱাৰ চাব। ঘৰ গুচি বাহঁতল হ'ব। তই ঘৰ-চোতালকেইটা পাৰিলে সাৰি দিবি। চাহকণ ভাতকিটা দদায়েৰে সিজাই খাব পাৰিব।

ইয়াৰ পাছতো, ইমানৰ পাছতো দুনিশাৰ পাছতে মা কিয় জানো মোমাইদেউৰ ঘৰৰ পৰা উভতিবলৈ অস্থিৰ হৈ পৰে।

মোমাইদেৱে কয় - বাইদেউ থাক দুনিশামান, ঘপহকৈনো ক'ত আহিব পাৰিবি।

মাইদেৱে কয় - আহোঁ বুলিলেই আহিব নোৱাৰি নহয়। বাইদৌ আৰু দুনিশা থাকক, এইকেইদিন ইঘৰ-সিঘৰকৈ ফুঁৰোতেই গ'ল। ভালকে কথা এষাৰকে পতা হোৱা নাই। ভালকৈ ভাত এসাঁজো খোৱা নাই।

লগে লগে মায়ে কয় - ইঅ' ন-ছোৱালীৰ যে কথা, আৰুনো কি খাব লাগিছে। বহুত খাইছো। কথানো কি কথাকেইষাৰ কওঁতে যেন মাৰ বুকুৰ পৰা এটা বিষ উজাই আহে, চকুৰ কোণ দুটি সামান্য সেমেকি উঠে।

মায়ে এনাইদেউৰ কানি-কাপোৰ ধুই ৰ'দাই পৰিপাটি কৰি দিয়ে। কয়, -আই, মায়েকে দিয়াবোৰ ভালকৈ খাবি। ঠেহ পেছ ধৰি নাথকিবি। মায়েকক হেকাতন পাৰি নাথকিবি। তাইনো কিমান কৰিব। ল'ৰা-ছোৱালী, খেতি পথাৰ, হাঁহ-পাৰ, ধান-চাউলেৰে ঘৰৰ কাম চম্ভালোতেই যায়। এনাইয়ে কয়-মোৰনো কি অসুখ চিন্তা নকৰিবি। দুদিনমানৰ পিছতে তোৰ তাত ওলামগৈ। নাতিকেইতাক ভালকৈ চাবি।

এইবাৰ মোমাইদেউ আহে আমাক গাডীত তুলিবলৈ। আমি এজনীও যেতিয়া চাইকেলত উঠিবলৈ মান্তি নহঁও, মোমাইদেৱে মোনাটোৰ সৈতে চাইকেলখন ঠেলি আহে। এনাইদেউ, মাইদেউ আৰু ল'ৰা-ছোৱালীকেইটাই অলপ দুৰলৈ আগবঢ়াই উভতি যোৱাৰ পিছত আমি দুজনী ঘনচিৰিকাৰ জাপ দি দি আহি তিনিআলিটোৰ মূৰত ৰঙা বাছৰ বাবে অপেক্ষা কৰো। ৰঙা বাছ আহে। আমি উঠো। চিটত বহি লৈ মায়ে নিজকে কোৱাদি কয় - 'আজি নহা হ'লেই ভাল আছিল, কাইলৈ বাসন্তীজনী আহিব, লগ পালোহেঁতেন।'

'মা নাথাকিলানো কেলেই? বাসন্তী মাহীহঁতৰ এনাইয়ে তোমাক ইমান থাকিবলৈ কৈছিল।' মায়ে মুখেৰে একো নামাতে । মাৰ চকুযোৰ সেমেকি থাকে।

সেয়ানো কিমান দিনৰ পুৰণি কথা। এতিয়া মইও দৌৰি যাঁও জন্মৰ ঘৰখনলৈ। গৈয়ে একেকোবে পাছচোতাল পাওঁগৈ। আগফাল-পিছফাল কৰি কিমান যে ভাল লাগে। নতুন যেন লাগে। পোহৰ যেন লাগে। গাভৰুকালতে শোৱা বিচনাখন, আলনাডাল, বাকচকেইটা দেখিলে ইমান খুচৰি খুচৰি চাবলৈ মন যায়, কিন্তু বিচনাখনত বহু দেৰিলৈকে বাগৰি থকাৰ বাহিৰে একোৱেইচোন কৰা নহয়। জন্মৰ পৰা বাইশ বছৰলৈকে যিখন ঘৰ মোৰ হাতৰ পৰশত ফুলিছিল, সেয়াচোন এই দুদিনতে মোৰ নহয় যেন লাগে। একোৱেইতো মোৰ নিজৰ নহয়।

মইও মাৰ দৰে সেই অস্থিৰতাত ভূগো। বিয়াৰ পিছৰ পৰা দীঘলীয়াকৈ থাকিবলৈ খুব কমেইহে যাওঁ। কেতিয়াবা বিহু, সকাম আদিত যেনেতেনে এনিশা কটাওঁ। নহ'লে উভতিয়ে আহোঁ। ল'ৰা -ছোৱালীকেইটাৰ হেঁপাহ মোৰ ইচ্ছাক দোহাই এওঁক প্ৰায়ে কওঁ, এইবাৰ কিবা বন্ধ পালেই, মাৰ ঘৰলৈ যাম কেইবানিশাও থাকিমগৈ। আপুনি কিন্তু না কৰিব নোৱাৰিব, এওঁ

কয়, 'যাবা যাবা'। কিন্তু বহুদিন মিলালেও কিবা অজুহাতত সেয়া হৈ নুঠেগৈ।

এবাৰ গৰম বন্ধত ল'ৰা-ছোৱালী দুটাৰ টিউচনৰ শিক্ষকে প্ৰথম দহ তাৰিখলৈকে নকৰো বুলি কোৱাত মই প্ৰথমেই মা'ৰ ঘৰলৈ বুলিয়ে ওলালো। ভণ্টীও আহিব লগ পাম। দুদিনৰ পৰাই প্ৰস্তুতি চলাই গৈও মই দুদিন পিছতে এক অস্থিৰতাত ভুগিছিলো। মাৰ সেই অস্থিৰতা মাৰ সেই কথোপকথন মোৰ মুখত উচ্চাৰিত হ'বলৈ ধৰিলে। সোনকালে উভতিবলৈ খদম্ দম্ লগালোঁ।

সেয়ানো কিমান দিনৰ কথা। এতিয়া আমাৰ ছোৱালীজনীৰো বিয়া হ'ল। কলিকতাত এটা মাল্টিনেচেনেল কোম্পানীত চাকৰি কৰি থকা জোঁৱায়ে বিয়াৰ দুদিন পাছতে কলিকতালৈ লৈ গ'ল। প্ৰথমবাৰ বন্ধত ঘৰলৈ আহোঁতে জোঁৱাই আহিছিল, পাঁচদিনৰ চুটিত। সেয়েহে দুয়োটাই জোঁৱাইৰ নিজৰ ঘৰত থাকিলহি তিনি নিশা আৰু আমাৰ ঘৰত দুনিশা। মাজনী আমাৰ ঘৰত থাকিল সম্পূৰ্ণ এমাহ। শহুৰ শাহুৰেকলৈ ফোন কৰাহে শুনো। কিন্তু এদিনো তালৈ যোৱাৰ কথা তাই নক'লে। কলিকতালৈ যোৱাৰ আগদিনাহে এপাক মাৰি আহিছিল। দ্বিতীয়বাৰ আহোঁতেও তাত থাকিল এসপ্তাহ। আমাৰ ইয়াত প্ৰায় দেৰমাহ। এইবাৰ আহোতেতো মাজনীৰ সন্তানটি পানীকেঁচুৰা। জোঁৱাই আৰু মাজনী নিজৰ ঘৰত দহদিনমানহে থাকিল। জোঁৱাই গ'লগৈ। মাজনী আমাৰ ঘৰতে তিনিমাহমান থাকি কেঁচুৰাটি হাতত লগা টনটনীয়া কৰি শহুৰেকৰ ঘৰলৈ গ'ল। ময়ো গৈছিলো লগত। যোৱাৰ দুদিন মানৰ আগতেই মাজনীক কৈছিলো, আজিয়ে যাওঁ ব'লা, কেঁচুৰা লৈ মাত্ৰ এনিশা থাকি পিছদিনাই কলিকতালৈ গুচি গ'লে তেওঁলোকে বেয়া পাব পাৰে।

— একো নহয় মা কিয় বেয়া পাব। মইতো ফোন কৰিয়ে আছো, বাবাটোৰ খবৰ জনায়ে আছো। তোমাৰ সহায়ত যাতে বাবাটোৰ ভাল যত্ন ল'বলৈ শিকো তাৰ বাবেহে নিজৰ ঘৰত আচোহি। তেওঁলোকৰ ডোনাওচোন কেঁচুৰা হওঁতে নিজৰ ঘৰত পাঁচমাহ আছিলহি।

মাজনীয়ে কোৱা 'তেওঁলোকৰ ডোনা' 'নিজৰ ঘৰ' এই শব্দই মোৰ বুকুত খুন্দিয়ালে। ডোনা মাজনীৰ একমাত্ৰ নন্দেক। দুয়োজনীৰ মাজত ভাল আন্তৰিকতাও আছে। তথাপিতো ডোনা মাজনীৰ নিজৰ হোৱা নাই। ঘৰখন শহু-শাহুৰৰ সকলো তৃতীয় পুৰুষত। কিন্তু সম্বন্ধবোৰচোন ঠিক আছে বোৱাৰী, নাতি, বৌ, ভতিজা মাকৰ ঘৰত আছেগৈ বুলি কাৰো হুমুনিয়াহ, হা-হতাশ নাই। মাজনীৰ নিজৰ ঘৰৰ ধাৰণা মোৰ মাৰ দৰে নাই। নাই আমাৰ দৰে অস্থিৰতা ঘৰ এখনৰ বাবে।

কেনেকৈ হ'ব সিহঁতৰ এই অস্থিৰতা। সিহঁততো নিজৰ ঘৰ এখনৰ বুকুত থাকিবলৈকে নাপায়। কলিকতাৰ ফ্লেটটো, শহু-শাহুৰ ঘৰখন,আৰু জন্মহোৱা ঘৰখন কোনোটো যেন ইহঁতৰ স্থায়ী ঠিকনা নহয়। ইহঁত যেন ঘৰ এখনৰ বুকুত নাথাকে, ইহঁতৰ বুকুতহে যেন ঘৰ থাকে।

অৰ্দ্ধ আকাশ, জীৱন দলিচাৰ অন্য এক নাম; য'ত সপোনবোৰ পাহি মেলে।

।।

—বিদ্যা ৰাণী নেওগ —

# প্ৰতিদান

**নয়নমণি দত্ত নেওগ**

চাওঁতে চাওঁতে বহাগেই পাবৰহি হ'লহি। তাঁতত গামোছাকেইখনো আধৰুৱা হৈ আছে।এতিয়াৰ পৰা তাঁতৰ শালত নবহিলে বিহুত গামোছাকেইখনো নোলাবগৈ। ছেহঃ কিনো যে এলেহুৱাজনী হৈ পৰিলো আৰু এই ভৰিটো ভাল হোৱাৰ নামকে নোলোৱা হৈছে.... পিৰালিতে বহি ঘুনুচাই বেঁকা ভৰিটো লৈ চাই চাই কথাবোৰ ভাবি থাকোতে আলিয়েদি চাইকেলেৰে আহি থকা ৰমাকান্তই ঘুনুচাক চিঞৰি মাত এষাৰ দি থৈ যায়।

: ঐ ঘুনুচা। ইমানকৈ কি ভাবি আছ' ঐ....

পিৰালিতে বহি থকা ঘুনুচাই ৰমাকান্তক উত্তৰ দিবলৈ বুলি ওপৰলৈ মূৰ তোলোঁতেই ৰমাকান্ত চাইকেলৰ টিলিঙা বজাই কিছুদূৰ পাইগৈ। তথাপিও ঘুনুচাই মনৰ মাজতে কিবাকিবি গুণগুণাই আঁঠুতে ভৰ দি উঠিবলৈ চেষ্টা কৰে....

: মোৰনো ভাবিবলৈ কিতো আছে অ'...এই ভৰিটোৰ বাবেই মই সকলোবোৰ হেৰুৱাব লগীয়া হ'ল। মনৰ মাজত থকা দুখবোৰ জানো তহঁতি বুজিব পাৰিবি।

কথাবোৰ কৈ কৈ ঘুনুচাই পাছফালে লগাই থোৱা তাঁতৰ শালখনৰ কাষ চাপি গামোছা যুতিত হাত বুলাই কিবা এটা ভাবনাত বিভোৰ হৈ পৰে।

যেন পুৰণি কিছু কথাই ঘুনুচাৰ মনত দোলা দি গ'ল।

আজিও ঘুনুচাৰ মনত আছে .....দিহিং নৈৰ পাৰৰ বহাগ বিহুৰ মুকলি বিহু দিনা কিদৰে তাইক নৈখনৰ ইপাৰৰ মদনে তাইলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল সেই কথা ঘুনুচাৰ আজিও বাৰে বাৰে মনৰ মাজলৈ আহি কিবা এক অজান শিহৰণে আমনি কৰিলেহি...

: ঘুনুচা ঐ... হ'লনে তোৰ। আমি ওলাই আহিলোৱেই দেই। সকলোবোৰ চাগে আহিলেই। আহ...আহ...সোনকালে ওলাই আহ...

লগৰকেইজনীৰ চিঞৰত ঘুনুচাই ৰিহাৰ আঁচলখন টানি টানি কঁকালত মেৰিয়াই ভিতৰৰ পৰা ওলাই আহে।

ঘুনুচাৰ হাতৰ পৰা তগৰে কপৌফুলপাহ ঘুনুচাৰ খোপাত গুজি দি আটাইকেইজনীয়ে লৰালৰিকৈ বিহুৰতলীলৈ বুলি খোজ আগবঢ়ায়।

ঢোল-পেঁপাৰ লহৰত সকলোৱে আনন্দত মতলীয়া হৈ আতঁৰৰ পৰাই নাচি থকা দেখি ঘুনুচাহঁতে এইবাৰ ৰ'ব নোৱাৰি প্ৰায় দৌৰি অহাদি আহি বিহুতলী পাই উলাহত নাচিবলৈ ধৰে। কিছুসময় নাচি থকাৰ মাজতেই ঘুনুচাৰ হাত এখনত কোনোবাই থাপ মাৰি ধৰি ভিৰৰ জুমৰ পৰা তাইক টানি নি একেকোবে বাহঁনি এডৰালৈ লৈ যোৱাত ঘুনুচাৰ হঠাতে বুকুৰ ঢপঢপনি বাঢ়িবলৈ ধৰোঁতেই তাই চিনাকি মুখখনি দেখা পাই ঘুনুচাৰ পলকতে সেই বুকুৰ ঢপঢপনি কমি নোহোৱা হৈ পৰিছিল যদিও তাই মদনক দেখি এক লাজৰ আৱৰণে বেৰি ধৰিছিলহি।

: এইই....কি হ'ল। চাওঁ এইফালে... লাজত তলমূৰ কৰি থকা ঘুনুচাৰ থুঁতৰিত ধৰি মদনে

: চাওঁ এইফালে। আজি মোলৈ ইমানকৈ তোৰ লাজ লাগিব লাগেনে? মই জানো তোৰ আপোন নহয়? চাচোন এবাৰ মোলৈ। সিদিনাখন মই গোবিন্দৰ হতুৱাই তোলৈ চিঠিৰ মাজেদিয়েই মোৰ মনৰ কথা প্ৰকাশ কৰিছিলোঁ।

ঘুনুচাই লাজ লাজ ভাৱে তলমূৰ কৰি ৰিহাৰ আঁচলখনৰ দহিকেইডাল লিৰিকি-বিদাৰি থাকে।

: মই তোক আজীৱ নিজৰ কৰি ল'ব বিচাৰোঁ ঘুনুচা। তই মোৰ লগ দিবিনে?

: মই ...কি ক'ম । অ'তদিনেটো তোৰ কথাই ভাবি আহিছোঁ। ল'ৰালিৰ কালৰ পৰাই তোক মোৰ মন সঁপি আহিছিলোঁ

আৰু আজিও তোকেই বিচাৰোঁ।

ঘুনুচাই লাজ লাজ ভাৱে কথাখিনি কৈ দৌৰি বিহুতলী পাইগৈ আৰু ইফালে মদনে ঘুনুচাৰ মনৰ কথা জানিব পাই আনন্দতে সি মতলীয়া হৈ সকলোৰে লগত বিহু নাচিবলৈ লয়।

লাহে লাহে ঘুনুচা আৰু মদনৰ মৰম-ভালপোৱাৰবোৰ গভীৰ হৈ আহিবলৈ ধৰিলে। আজিকালি প্ৰায়ে সিহঁতক নৈৰ পাৰতে দেখা পোৱা যায়। সীমাহীন কথাৰ মাজত কেতিয়াবা সিহঁতি প্ৰকৃতিৰ খাম-খেয়ালিকো পাহৰি মৰমত আতুৰ হৈ পৰে।

দিনবোৰ যে কেনেকৈ পাৰ হৈছে ঘুনুচাই ধৰিবই পৰা নাই। চাওঁতে চাওঁতে সিহঁতৰ মৰম ভালপোৱাবোৰ সাত-আঠমাহেই হ'বৰ হ'ল। ঘুনুক-ঘানাককৈ গাঁওখনৰ ইটো-সিটো দুই এটাই ঘুনুচাৰ মনৰ বতৰা জানিব পাৰি সকলোৱে ঘুনুচাৰ ঘৰখনক এই সম্পৰ্কক সোনকালেই কিবা এটা কৰাৰ সিদ্ধান্ত ল'বলৈ জোৰ দিলে। সময় যিমানেই আগবাঢ়ি যায় মানুহৰ মনো সিমানে সোনকালেই সলনি হ'বলৈ লয়। সেয়ে গাঁৱৰ কিছু লোকে অতি সোনকালেই বিবাহৰ বাবে আগবাঢ়িবলৈ জনায়।

কথাবোৰ ভাবি ভাবি ঘুনুচাই কি কৰোঁ নকৰোঁকৈ কোনেও নেদেখাকৈ নৈৰ ঘাটলৈ আহি মদন অহালৈ বাটে চাই ৰয়। ৰিণিকি ৰিণিকিকৈ আলিটোৰ মূৰত মদনক দেখা পাই ঘুনুচাই প্ৰায় দৌৰি যোৱাদি গৈ মদনক সাৱটি ধৰে।

: আৰে .. আজি যে এনেকৈ মোক আদবাটতে সাৱটি ধৰিলিহি কথাটো কি?

মদনে ঘুনুচাৰ থুঁতৰিত ধৰি এক দুষ্টামিৰ হাঁহি মাৰি প্ৰশ্ন কৰে।

: যাহ্...মই কি তোক আনকালে এনেকৈ নধৰোঁ নেকি।

: নহয়... ধৰ'। কিন্ত আজি অলপ কথাটো বেলেগ যেন লাগিছে। সেয়ে সুধিলোঁ। এতিয়া ক'চোন আচল কথাটো।

মদনে ঘুনুচাৰ বাউসীত ধৰি বাহঁনি এডৰাৰ কাষতে থকা বাহঁৰ বেঞ্চ এখনত বহুৱাই লৈ সুধে।

: মোৰ আজি খুবেই আনন্দ লাগিছে মদন। তোক পোৱাৰ মনত যি হাবিয়াস আছিল। সেই হাবিয়াস আমাৰ পূৰ্ণ হ'বলৈ গৈ আছে মদন। আমি সোনকালেই দুয়োয়ে এখন সুখৰ সংসাৰ গঢ়িব পাৰিম।

: মই বুজা নাই ঘুনুচা। কথাবোৰ ভালকৈ ক'চোন।

: মানে আমাৰ এই সম্পৰ্ক গাঁৱৰ বহুতেই জানিব পাৰি আই-পিতাইক সোনকালেই আমাৰ বিয়াৰ বাবে দুয়োখন ঘৰৰ লগত কথা পাতিবলৈ জনাইছে। মোৰ কথাবোৰ ভাবিয়েই ভাল লাগিছে।

: সঁচাই ঘুনুচা। ময়ো তোক সোনকালেই কাষত পাব বিচাৰোঁ আৰু এই কথা ময়ো আজিয়েই গৈ মোৰ আই-পিতাইক জনামগৈ। তই আজি মোক ইমান আনন্দ দিছ' যে মই তোক বুজাব নোৱাৰোঁ ঘুনুচা।

মদনে আনন্দ উত্ৰাৱল হৈ ঘুনুচাক নিচেই কাষলৈ চপাই তাৰ গাৰ এৰীচাদৰ খনেৰে ঘুনুচাক মেৰিয়াই মৰমেৰে আৱৰি ৰাখে আৰু তেতিয়ালৈ ধৰাৰ বুকুলৈ কুঁৱলীৰ আস্বাদনৰ কণ কণ টোপালবোৰেও আহি ঘুনুচাহঁতক মৰমেৰে আকোঁৱালি লৈছিলহি।

কিমান সময় ধৰি ঘুনুচাহঁত তেনেকৈ প্ৰেমৰ মাজত বুৰ গৈ আছিল গমেই পোৱা নাছিল। লাহে লাহে চৰাই জাকবোৰৰ কিচিৰ কিচিৰ মাত কমি আহিছিল আৰু ফেঁচা আৰু ফেহু চৰাইৰ মাততহে ঘুনুচাহঁত বাস্তৱলৈ ঘূৰি আহে।

: ইচচচ .....আজি দেখোন আন্ধাৰেই হ'লহি। এই বাহঁনিডৰাত আৰু বেছিকৈহে অন্ধকাৰ লাগিছে মদন। মোৰ কিবা এটা ভয়হে লাগিছে।

: সেই এইজনী... মই আছো যেতিয়া তোৰ কিহৰ ভয় অ'। ব'ল মই তোক অলপ আগুৱাই দি থৈ আহোঁগৈ। ঘৰত কিবা সুধিলে লগৰ তগৰৰ কথা ক'বি। ময়ো ঘূৰি আহোঁতে তাইক লগ কৰি কথাষাৰ জনাই থৈ আহিম।

: নাই নালাগে দে। মই যাব পাৰিম। ঘৰত কিবা সুধিলে মই বুজাই কম বাৰু। তইও যা এতিয়া। নহ'লে ঘৰত চিন্তা কৰিব।

: সঁচাই পাৰিবিনে। আলিটোত পাৰ হওঁতে ভালকৈ যাবি। এই সময়ত চহৰৰ গাড়ীবোৰে বৰকৈ আমনি কৰেহি।

: ঠিক আছে। হ'ব দে। মই ভালকৈ যাম। এতিয়া তইও সোনকালে যা। কালিলৈ আকৌ আহিম যাহ....

ঘুনুচাই চিঞৰি চিঞৰি কৈ গৈ থাকে।

ঘুনুচাই ঘৰলৈ বুলি গৈ থাকোতে আলিটোৰ মূৰত থকা কেঁকুৰিটোৰ ফালে ঘূৰিবলৈ লওঁতেই বিপৰীত ফালৰ পৰা অহা এখন ভানে ঘুনুচাক খুন্দা মাৰি দিয়াত ঘুনুচা লুটি বাগৰ খাই অজ্ঞান হৈ আলিটোৰ দাঁতিতে পৰি ৰয়।

কিছুসময়ৰ পাছত ঘুনুচাৰ জ্ঞান ঘূৰি অহাত তাই নিজকে ভৰি এটা বেণ্ডেজেৰে নুৰিয়াই বান্ধি ওলমাই থোৱা অৱস্থাত দেখা পাই কান্দোনত ভাগি পৰে। যেন সকলো সপোন ভাগি শেষ হৈ গ'ল। মাথোঁ কান্দি কান্দি শিতানৰ গাৰুটো চকুলোতকেৰে তিয়াই পেলোৱাৰ বাহিৰে একো কৰিব নোৱাৰে।

চাওঁতে চাওঁতে ঘুনুচাৰ বিছনাত পৰি থকাতো এবছৰেই হ'বৰ হ'ল আৰু মদনেও ঘুনুচাৰ প্ৰত্যেক দিনাই খবৰ কৰে। প্ৰতিটো কথাৰেই খবৰ ৰাখে। কিন্তু ঘুনুচাই আজিও আনৰ সহায় লৈ ইফাল-সিফাল কৰিবলগা হয়। আৰু ডাক্তৰেও আজীৱনৰ আনৰ সহায় লৈ চলা ফুৰা কৰিব লাগিব বুলি কৈ যোৱা কথাষাৰে ঘুনুচাক বেছিকৈ হতাশাত ভুগা দেখা গ'ল।

তথাপিও মদনে ঘুনুচাক কোনোদিনেই অকলশৰীয়াৰ অনুভৱ হ'বলৈ নিদি তাইৰ কাষে কাষে থাকিবলৈ বিচাৰিছিল। কিন্তু ঘুনুচাই সেই হ'বলৈ নিদি তাক তাইৰ কাষৰ পৰা আঁতৰাই পঠিয়াইছিল।

: তই মোক পাহৰি যা মদন। মোক লৈ দেখা সপোনবোৰ এতিয়া ভাবিবলৈ এৰি দে। মই তোৰ কেতিয়াও যোগ্য নহওঁ।

: তই এইবোৰ কি কৈছ ঘুনুচা। তোৰ অবিহনে মই আন কাৰো কথা ভাবিব নোৱাৰোঁ। মই তোৰ সকলোবোৰ দায়িত্ব ল'ব বিচাৰোঁ।

: নাই... এই ভুল নকৰিবি মদন। মই যিজনী মানুহে তোক কোনোদিনেই সুখ দিব নোৱাৰিম তেনে এজনী মানুহক নি তই দুখৰ জীৱন চপাই নল'বি মদন। আমাৰ মাজত কিবা এটা আছিল সঁচা। কিন্তু এতিয়া মই সেইবোৰ ভাবিব নোৱাৰো অ'..মদন। বৰ কষ্ট পাওঁ দেখোন। মই কষ্ট পোৱাতো জানো তই বিচাৰ' ক। সেয়ে কৈছো তই মোক পাহৰি যা মদন। পাহৰি যা...

: কিন্তু ঘুনুচা... এবাৰ....

: মই তোক কাবৌ কৰিছোঁ মদন। তই যাগৈ মদন.... যাগৈ...। আমাৰ ভালপোৱাৰ শপত। তই যা।

কথাখিনি কৈয়েই ঘুনুচা কান্দোনত ভাগি পৰিছিল আৰু মদনো সিদিনা কান্দোনত ভাগি পৰি তাইৰ জীৱনৰ পৰা আঁতৰি আহিছিল।

কিমান সময় ধৰি ঘুনুচা তাঁতৰ শালত বহি কান্দি আছিল তাই গমেই পোৱা নাছিল। গামোচা এযুটি লগাবলৈ দিয়া ৰমলা জেঠাইৰ মাততহে ঘুনুচা বাস্তৱলৈ ঘূৰি আহে।

: অ' জেঠাইটি তুমি। আহা আহা। তোমাৰ গামোচা যুটি মই দুই এদিনতে শেষ কৰি তোমাক দিম হ'বনে।

: ঠিক আছে দে। তেনেহ'লে মই দুদিনমানৰ পাছতেই আহি লৈ যাম দে।

ৰমলা জেঠাইটি যোৱাৰ পাছতেই ঘুনুচাই সম্পূৰ্ণ হৈ উঠা এখনি গামোচা তাঁতৰ শালৰপৰা কাটি আজিও গোপনে তাইৰ কাঠৰ বাকচটিত আলফুলে ৰাখি পুনৰ ভৰিটোত হাত এখন থৈ একা বেঁকাকৈ তাঁতৰ শালত বহেহি।

# মই পাগলী নাছিলোঁ

**নয়নমণি হাজৰিকা**

চহৰ খনৰ ব্যস্ততাপূৰ্ণ অঞ্চলটোত মানুহবোৰ পুৱাৰে পৰা নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰে। কাৰো আনলৈ চাবলৈ সময় নাই। জনবসতি ঘন যদিও প্ৰায় বোৰ মানুহেই চকুৰ চিনাকি হৈ পৰিছে দিনটোৰ অহা যোৱা কৰোঁতে প্ৰায়বোৰকে দেখা পোৱা হয়।

আন দিনাৰ দৰে আজিও ৰত্না ৰাতিপুৱা এপাক ফুৰি আহি বৰ গছ জোপাৰ তলতে অলপ সময় ৰ'ল, সদায় চকু দিয়াৰ দৰে আজিও গছ জোপাৰ সিপাৰলৈ চালে। আজি চোন তাই কাকো গালি পাৰি থকা নাই, আনদিনা ইমান সময়ত তাই চহৰ খনৰ বিশিষ্ট মানুহ এজনক হিয়া উজাৰি শাও পাত দি থাকে। যি জন মানুহৰ ভণ্ডামি তাইও জানে, সমাজৰ আগশাৰীৰ অবিবাহিত ব্যক্তি। ৰত্নাই ভাবি নাপায় এই মানসিক ভাৱে দুৰ্বল মানুহ জনীৰ কি শত্ৰুতা আছে মানুহজনৰ লগত। তাইক অৱশ্যে মানুহ জনীয়ে কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাই। কালি মানুহজনে ৰাজনৈতিক সংক্ৰান্তত দিয়া মিটিংখনত পাগলী মানুহজনীয়ে বেয়াকৈ বকি বকি শিল এটা মাৰি পঠিয়ালে। তাৰ পিছত তাই আঁতৰি গ'ল। আজি তাই ইমান শান্ত হৈ আছে কিয়? কৌতুহলী মন এটা লৈ তাই, শুই থকা মানুহজনীৰ কাষত বহিল। আচৰিত ধৰণে তাই চট্‌ফটাই কান্দি উঠিল আৰু পিন্ধি থকা মেখেলাখন দাঙি ধৰিলে। ৰত্না উচপ খাই পিছুৱাই আহিল, কোনোবা দুৰ্দান্ত অসভ্যই তাইৰ জননাংগত কিবা লাঠি সুমুৱাই ফালি দিছে, ধাৰাষাৰ তেজে গছৰতল ৰাঙলী কৰিলে। তাই ৰত্নাৰ হাতখন খামুচি ধৰিলে, সেহাই সেহাই ক'লে, মহানন্দ দত্তৰ বাবেই তাইৰ আজি এই অৱস্থা। ৰত্নাই মানুহজনীৰ কথা নুশুনি হস্পিতাললৈ ফোন কৰি এম্বুলেঞ্চ মাতিলে। মানুহ জনীয়ে ৰত্নাৰ হাতত এখন ডায়েৰী তুলি দিলে আৰু ঠিতাতে অচেতন হৈ পৰিল।

হাতত থকা ডায়েৰীখন তাই কঁকালৰ পিছফালে ভৰাই হাতৰ পানী বটলটোৰ পৰা এচলু পানী তাইক খোৱাই দিলে। এম্বুলেঞ্চখন আহি পোৱাৰ লগে লগে, তাই কৰণীয়খিনি কৰি সিহঁতক আগবাঢ়িবলৈ কৈ তাই নিজৰ কোৱাৰ্টাৰ অভিমুখে খৰকৈ খোজ দিলে।

লগত থকা তনয়াই পুৱাৰ আহাৰ প্ৰস্তুত কৰি খোৱামেজত ৰখালৈ ৰত্না সাজু হৈ আহিল। গাত ইউনিফৰ্ম যোৰ পিন্ধি ওলাই অহালৈ চালকজনে চৰকাৰী গাড়ীখন ওলিয়ালে। তাই হস্পিতাল অভিমুখে গাড়ী চলাই নিবলৈ নিৰ্দেশ দিলে।

বাৰে বাৰে তাইৰ চকুৰ আগলৈ দুৰ্ভগীয়া মানুহ জনীৰ মুখখন ভাঁহি আহিল। কেনে বা আছে তাই! মানুহ বাৰু ইমান জঘন্য হ'ব লাগে নে!

এটা কথাতে তাই আচৰিত হৈছে এগৰাকী মানসিক ভাৱে দুৰ্বল মহিলাই ইমান সুন্দৰ আখৰেৰে ডায়েৰী লিখাটো কেনেকৈ সম্ভৱ, ইয়াত নিশ্চয় ৰহস্য আছে। তাইৰ নিজৰ অমনোযোগিতা লৈও খং উঠিল, কিয় বাৰু তাই মানুহজনীক ভালকৈ মন নিদিলে। অৱশ্যে তাই নিজে দুবাৰকৈ তাইক মানসিক হস্পিতালত থোৱাৰ ব্যৱস্থা কৰি দিছিল কিন্তু কেইমাহমানৰ পিছত পুনৰ মানুহ জনী একেঠাইলৈ গুচি আহিছিল। তাই ব্যস্ততাৰ মাজতেই ডায়েৰীখন এবাৰ চকু ফুৰাইছিল, কিন্তু পেছেন্টৰ ছিৰিয়াছ বুলি অহা ফোনটোৰ বাবে তাই পঢ়িবলৈ নাপালে।

ইতিমধ্যে ঘটনাটো সৰু ব্যস্ত চহৰ খনত বনজুইৰ দৰে বিয়পি পৰিছে। হস্পিতালৰ সন্মুখত বহুতো মানুহ আৰু সাংবাদিকৰ উপস্থিতি দেখি তাই নিজকে সাজু কৰিলে। গাড়ীখন সোমাই যোৱাৰ লগে লগে সাংবাদিকবোৰ দৌৰি আহি বেৰি ধৰিলে। তাই মূৰৰ টুপীটো ঠিক কৰি ব্যস্তভাৱে গাড়ীৰ পৰা নামিল।

: ডি এছ পি বাইদেউ, আমাক অলপ সময় দিয়ক।

তাই গম্ভীৰ হৈ কলে ধৈৰ্য্য ধৰক তেখেতৰ অলপ ছিৰিয়াছ মই যাব লাগে, আপোনালোকক সময়ত সকলো জনোৱা

হব।

: বাইদেউ, মাত্ৰ কৈ থৈ যাওক মানসিক বিকাৰগ্ৰস্ত মহিলা এগৰাকী ভুক্তভোগী হোৱাৰ বাবে দোষী সাৰি যাব নেকি!

: চাওঁক দোষী কোনো কাৰণতেই সাৰি নাযায়। বৰ্তমান মই মানুহগৰাকীৰ বক্তব্য ল'ব লাগে, আপোনালোক ইয়াৰ পৰা যাওক সময়ত সকলো জনাম। হস্পিতালত বহুতো ৰোগী আছে অসুবিধা হ'ব পাৰে। কৈ কৈ তাই নিৰ্দিষ্ট কোঠাৰ দিশে আগবাঢ়ি গ'ল।

কোঠাত সোমায়ে তাই মানুহজনীৰ কপালত হাত দিলে। ডাক্তৰে জনালে অত্যধিক ৰক্তক্ষৰণ হোৱাৰ বাবে মানুহ জনীৰ জীয়াই থকাৰ আশা বহুত কম। ডাক্তৰ ওলাই যোৱাৰ পিছত মানুহজনীয়ে নিস্তেজ চকুহাল মেলি তাইৰ হাতত ধৰি বিছনাৰ তললৈ আঙুলিয়াই দেখুৱালে য'ত তাইৰ টোপোলাটো আছিল। তাই কিবা এটা কওঁ বুলি লওঁতেই গম পালে ইতিমধ্যে তেওঁ প্ৰাণহীন হৈ পৰিছে।

নিস্তেজ হৈ পৰা মানুহজনীৰ মুখলৈ চাই চাই ৰত্না আবেগিক হৈ পৰিছে, কিবা এটা আত্মিক তাড়নাত তাই মানুহজনীক আনৰ দায়িত্বত এৰি আহিব পৰা নাই। পষ্টমৰ্টেমৰ পিছত সকলোখিনি নিয়ম তাই নিজে কৰি, দাহ সংস্কাৰৰ বাবে কনিষ্টবল কেইজনক নিৰ্দেশ দি থানা পালেহি। থানাত ঘটনা সন্দৰ্ভত উপস্থিত থকা মহিলা সমিতি কে আদি কৰি অন্যান্য দল সংগঠনৰ মানুহবোৰক ন্যায়ৰ আশ্বাস দি তাই নিজৰ কোঠালৈ গ'ল।

গা পা ধুই আজৰি হৈ তনয়াই দিয়া চাহকাপ খাই তাই বিছনাত বাগৰ দিলে। ডায়েৰীখন উলিয়াই ল'লে। প্ৰথম পৃষ্ঠাতে ৰত্নাৰ নাম লিখা দেখি তাই উৎসুকতাৰে প্ৰথম কেইশাৰীমান পঢ়িয়েই অনুমান কৰিলে, মানুহজনীৰ লগত তাইৰ নিশ্চয় কিবা সম্পৰ্ক আছে। তাই অতদিনে পাগলী বুলি ভাৱি থকা মানুহজনীয়ে কি কাৰণে তাইৰ ঘৰৰ সন্মুখত ৰৈ থাকেহি, প্ৰায় আধাকিলোমিটাৰ দূৰৈত থকা বৰ গছজোপাৰ তলতে পাল তৰি থকা মানুহজনীয়ে তাইক ওচৰত দেখিলে কিয় মহানন্দ দত্তক তাইক শুনাই শুনাই গালি পাৰি থাকে তাই যেন এতিয়াহে বুজিব পাৰিছে। অজানিতে তাইৰ দুচকু পানীৰে ভৰি পৰিল, তাইৰ আপোন মানুহ এগৰাকী ইমান কাষতেই অৱহেলিত হৈ থাকিল অথচ তাই গমেই নাপালে। ৰত্নাই জানে যে তাই বিশাল বৰকাকতি আৰু নিৰু বৰকাকতিৰ তোলনীয়া জীয়েক। তাই আজিলৈকে নিজৰ জন্ম দিয়া মাক দেউতাকৰ বিষয়ে জানিবলৈ বিছৰা নাছিল। মাক দেউতাক হিচাপে এইহাল মানুহে তাইক সম্পূৰ্ণ মৰম দিছে। তাই নিজৰ অৰ্হতাৰ বলত চাকৰিটো পোৱাৰ পাছত এদিন মাক দেউতাকে তাইক জন্ম দিয়া মাক দেউতাকৰ বিষয়ে জনাব বিছাৰিছিল, কিন্তু তাই ভাৱিলে অন্য অনাথ ল'ৰা ছোৱালীবোৰৰ দৰেই চাগৈ তাইও কাৰোবাৰ অবৈধ অবাঞ্চিত ফল। গতিকে তাই সেয়া শুনি মন বেয়া কৰিব নিবিচাৰিলে। এতিয়া তাইৰ নিজৰ ওপৰতে খং উঠিল, কিয় তাই এবাৰলৈও নিজৰ জন্ম ৰহস্য জানিবলৈ নিবিচাৰিলে। কথাবোৰ চিন্তা কৰি কৰি তাইৰ মনটো দুখেৰে ভৰি পৰিল। তাই চকুৰ পানী মোহাৰি ডায়েৰীৰ পম খেদি নিজৰ জন্ম ৰহস্যৰ লগতে আপোন মানুহগৰাকীৰ বিষয়ে জানিবলৈ ডায়েৰী খন মেলি ললে..

সেউজ সুন্দৰ আমাৰ গাঁওখন নগাঁও জিলাৰ ভিতৰুৱা ঠাইত অৱস্থিত। সেৰেঙা জনবসতি পূৰ্ণ গাঁওখনৰ এঘৰৰ পৰা আনঘৰলৈ যথেষ্ট ব্যৱধান। তেনে এক পৰিৱেশৰ মাজতেই আমাৰ অকণমানি পৰিয়ালটো শান্তিত আছিলোঁ। মোৰ দাদা আৰু নবৌ আৰু মই তিনিও কাৰোৰেই ওচৰত হাত নপতাকৈ খেতি কৰি সুখেৰে জীৱন নিৰ্বাহ কৰিছিলোঁ। পঢ়া শুনাত থকা আগ্ৰহৰ বাবে তেওঁলোকে মোক হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পিছত চহৰত এখন কলেজত নামভৰ্তি কৰালে। ঘৰৰপৰা অহা যোৱা কৰা সম্ভৱ নোহোৱা বাবে কলেজৰ ওচৰতে ভাড়াঘৰত থাকি লৈছিলো।

পঢ়াৰ যাৱতীয় খৰচৰ বাবে দাদাৰ ওচৰত হাত পতাতকৈ মই ওচৰৰে কেইঘৰমানত টিউচন যোগাৰ কৰি লৈছিলোঁ। তেনে এঘৰ মানুহৰ ঘৰতে ভাড়াতীয়া হিচাপে থকা মহানন্দৰ দত্তৰ লগত মোৰ চিনাকি হৈছিল। তেতিয়া আলফাৰ পৰা ছাৰেণ্ডাৰ কৰি হয়তো বহুতো পইছা পাতি হৰপ কৰি তাতে আত্মগোপন কৰি আছিল। সি প্ৰায়ে মোৰ লগত কথা পাতি বন্ধুত্বৰ প্ৰস্তাব দিছিল। পঢ়াশুনাটো মোক সহায় কৰি প্ৰয়োজনীয় কিতাপ পত্ৰৰ যোগান ধৰি, মোৰ মনৰ মাজত এজন ভাল মানুহ হৈ পৰিছিল। সেইসময়ত আমাৰ অঞ্চলত যাতায়ত আৰু বিজুলীৰ সুবিধাও নাছিল বাবে মই প্ৰয়োজনৰ সময়ত দাদাৰ ওচৰলৈ যাব নোৱাৰি তেওঁৰ পৰাই পইছা ধাৰলৈ লৈ সময়ত ওভতাই দিছিলোঁ। তেওঁ কোনো দিনে পইছা ঘূৰাই নলৈছিল। মই বাৰে বাৰে জিদ কৰি দিবলগীয়া হয়। এবাৰ তেওঁ মোক বৰদোৱা নামঘৰলৈ ফুৰাবলৈ নি তাতে ভালপোৱাৰ প্ৰস্তাৱ দিলে। মোৰ

মানসপটত তেতিয়ালৈ তেওঁ এজন দেৱতা সদৃশ মানুহ হৈ পৰিছিল। মই একেবাৰতে তেওঁৰ প্ৰস্তাৱত মান্তি হ'লোঁ। কিমান যে মৰম যত্নত তেওঁ মোক ৰাখিছিল। মই তেওঁৰ বিষয়ে জনাই মোৰ নবৌ লৈ চিঠি দিছিলোঁ। সহজ সৰল মানুহ হালে কোনো আপত্তি নকৰাকৈ মোৰ পছন্দক নেদেখাকৈয়ে সন্মতি জনাইছিল। পূজাৰ বন্ধত যাওঁতে তেওঁকো লগত নিবলৈ কৈ পঠিয়াইছিল।

বৌৰ কথা মতেই মইপূজা বন্ধত ঘৰলৈ যাওঁতে তাকো লৈ গৈছিলোঁ। অচিনাকি ল'ৰা এজনৰ স্কুটাৰত নিজৰ গাঁওখনৰ মাজেদি গ'লে দাদা হঁতৰ সন্মান লাঘৱ হব বুলি মই আগে আগে খোজ কাঢ়ি গৈ তেওঁক বাট দেখুৱাই নিছিলোঁ।

আমি গৈ পোৱাৰ লগে লগে বৌ অনুৰাধা ওলাই আহি আথেবেথে যতন ধৰিলে। আঠমাহৰ গৰ্ভৱতী মানুহজনীৰ ধুনীয়া ৰূপ দেখি সি তধা লাগি চাই থাকিল। মোৰ নবৌ দেখিবলৈ বহুত ধুনীয়া আছিল সাইলাখ গোসানীৰ দৰে। সি মোক নিজ মুখেই কৈছিল ইমান ধুনীয়া নাৰী সি জীৱনত দেখা নাছিল। তাতে মাতৃত্বৰ পৰশত মুখৰ কমনীয়তা আৰু বাঢ়িছিল। সি তেনেকৈ প্ৰশংসা কৰা স্বত্বেও মই বেয়া পোৱা নাছিলোঁ কিয়নো নবৌ অনুৰাধাক প্ৰথম দেখাতেই সকলো মানুহেই সুন্দৰতাক লৈ প্ৰসংশা কৰে। সাদৰি বৌজনীৰূপে গুণে অতুলনীয়। মহানন্দই আমাৰ ঘৰত থাকি ইমানেই ভাল পাইছিল যে এদিনৰ বাবে গৈ সি এসপ্তাহ থাকিছিল। কলেজ খোলাৰ বাবে আমি আহিবলৈ ওলালোঁ। বৌয়ে বস্তু অলপ যতনাই দি মোক সি নুশুনাকৈ ক'লে, ৰিতা অলপ সাৱধানেৰে থাকিবা। মহানন্দৰ পৰিয়ালৰ খৰৰ ল'বা, তুমি বৰকৈ তাৰ লগত নুঘূৰিবা বিয়া নোহোৱাকৈ বৰকৈ মিলামিছা কৰিলে বেয়া। বৌৰ কথাত বেয়া পোৱা নাছিলোঁ কিয়নো তেওঁ মোৰ অহিত চিন্তা নকৰে, তথাপি মনে মনে অলপ ক্ষুন্ন হৈছিলোঁ। সময়ে বাগৰ সলোৱাৰ লগে লগে বৌৰ এজনী কন্যা সন্তান জন্ম পালে। মই তেতিয়া পৰীক্ষা হৈ যোৱাৰ বাবে ঘৰতেই থাকি বৌৰ আলপৈচান ধৰাত ব্যস্ত আছিলোঁ। সি সেই সময়ছোৱাত মাজে মাজে আমাৰ ঘৰলৈ গৈ খা-খবৰ লৈ থাকিল। সি যেতিয়া যায় বৌয়ে মাথোঁ মাত লগায়ে গা এলেঙা দি ফুৰে। মই অনুমান কৰিলোঁ সি গ'লে বৌয়ে বেয়া পায়। সি কিন্তু যোৱাই প্ৰতি দাদা, বৌ আৰু মাইনা লৈ বহুত বহুত বস্তু নিয়ে যিবোৰ বৌয়ে চুয়েই নাচায়। সি কিন্তু কথাই কথাই বৌৰ প্ৰশংসা কৰে। মই তেতিয়া তাৰ প্ৰেমত ইমানেই মছগুল আছিলোঁ তাৰ প্ৰতি বেয়া ভাৱ নাহিছিল। মোৰ কলেজ পুনৰ খোলাৰ বাবে বৌয়ে মোক ভাড়াৰুমলৈ যাবলৈ কলে। ময়ো গুচি আহিছিলোঁ। তেতিয়াওঁ মহানন্দই মোৰ লগত ভাল সম্পৰ্ক বজাই ৰাখিছিল। সি মাজে মাজে মোক কয় ঘৰৰ পৰা চাউল আনিব লাগে যদি ক'বা মই আজি সেইফালে যাম। মই তাক নালাগে বুলি বাধা দিওঁ।

এদিন কলেজৰ পৰা আহোঁতে মালিকনী খুৰীয়ে মোৰ হাতত এখন চিঠি দিলে। মই চিঠিখন দেখি আচৰিত হ'লোঁ কিয়নো মোলৈ ডাকত চিঠি দিবলগীয়া কোনো মানুহেই নাছিল। কোঠাত সোমায়ে মই চিঠিখন মেলি ল'লোঁ এইখন চিঠি মই হুবহু টুকি থৈছোঁ -

ৰীতা,

তোমাক কি কম, তুমি যিজন মানুহৰ লগত সম্পৰ্ক ৰাখিছা তেওঁ সমূলি ভাল চৰিত্ৰৰ মানুহ নহয়। নাভাৱিবা মই তোমাৰ বেয়া চিন্তা কৰি কৈছোঁ বুলি। সি তুমি নথকাটো আমাৰ ঘৰলৈ আহে। কথাই প্ৰতি তোমাতকৈ মই ধুনীয়া, ইয়াতকৈ মই বহুত ভালঘৰৰ যোগ্য আদি কৈ থাকে। দাদাৰলৈ সদায় মদৰ বটল এটা লৈ আহে, ৰাতি থাকিবলৈ বিচাৰে মই দাদাৰক কৈ যেনে তেনে পঠিয়াওঁ। মোৰ ভয় লগা হৈছে, সি যেন মোৰ প্ৰতি বেয়া দৃষ্টি ৰাখিছে মোৰ এনে লাগে। কালি সি আহি স্কুটাৰখন বেয়া হোৱাৰ বাহানা কৰি থকাৰ বন্দৱস্ত কৰি লৈছিল। মই গোটেই ৰাতি দৰ্জা মাৰি মাইনাক লৈ শুই থাকিলোঁ ভয়ে ভয়ে। কিন্তু সি আকৌ আহিব চাগে মোৰ ভয় লগা হৈছে অ'। তুমি সোনকালে আহিবাচোন।.. বৌ।

চিঠিখন পঢ়ি মই লাজে অপমানে জৰ্জৰিত হ'লোঁ, বৌয়ে চিঠি দিয়াৰ তাৰিখটো চাই দেখিলো আহি পোৱালৈ পাঁচদিন হ'ল। সেইদিনা বহুত পলম হোৱাৰ বাবে পিছদিনাই ঘৰলৈ যোৱাৰ সিদ্ধান্ত ললোঁ। ভাত পানী একো খাবলৈ মন নোযোৱা হ'ল যি হ'ব হওক বুলি এবাৰ তাক লগ কৰাৰ মন বান্ধি তাৰ ৰূম পালোঁগৈ। গৈ দেখিলো সি নাই মোৰ বুকুখন চিৰিংকৈ মাৰিলে, মনে মনে ভগৱানক খাটিলো যাতে সি একো অঘটন নঘটাই। ৰাতিটো চটফটাই থাকি পুৱাই মই ঘৰলৈ বুলি ওলাই গলোঁ। গাঁওখনত এক নিস্তব্ধতা বিৰাজ কৰি আছিল মই যিমান পাৰোঁ খৰকৈ খোজ দিলোঁ। চুবুৰিটো সোমাই লক্ষ্য কৰিলোঁ আমাৰ চোতালত বহুত মানুহ। মই দৌৰ মাৰি ভিতৰ সোমালোঁ। খুৰীদেউ এগৰাকী য়ে মোক থাপ মাৰি ধৰিলে আৰু ক'লে, মা অ' সকলো শেষ হৈ গ'ল। মোৰ আৰু কথা শুনি থকাৰ ধৈৰ্য্য নাছিল, দৌৰ মাৰি ভিতৰ সোমাই মই একপ্ৰকাৰে

বাউলি হৈ পৰিলোঁ। দাদাৰ কোঠাত বৌ আৰু দাদা মৃতপ্ৰায় হৈ পৰি আছিল। মই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলোঁ। তাৰ মাজতেই মোৰ মাইনাজনীলৈ মনত পৰাত তাইক বিচাৰোঁতে খুৰী এগৰাকীয়ে জনালে তাই সুস্থ হৈ আছে। পুৱা বহুত পলমকৈ ঘৰৰ দুৱাৰ বন্ধ দেখি আৰু কেচুঁৱাৰ কান্দোন শুনিহে খুৰাহঁতে কিবা অঘটন ঘটিল বুলি দুৱাৰ খুলি সোমাই এইবোৰ দেখিলে। মোক মাতিবলৈ গাঁৱৰ দুজনমান ল'ৰা গৈছিল বোলে কিন্তু মই এনেকৈ পোৱাটো হয়তো অদৃষ্টই বিছাৰিছিল। তেওঁলোকৰ মতে ৰাতি বিষাক্ত সাপ সোমাই দুয়োকে খুটিলে কাৰণ মুখেৰে ফেন ওলাই আছিল। কেচুঁৱাকন ভিতৰত আঠুৱাৰ তলত আছিল বাবে সুৰক্ষিত হৈ থাকিল। গাঁৱৰ মানুহে আবেলিলৈ দুয়োৰে দাহ সংস্কাৰ কৰি উপকাৰ কৰিলে। মই কণমানিজনীক বুকুত সুমুৱাই কান্দি কান্দি পাৰ পোৱা নাছিলোঁ। তেওঁলোকৰ মৃত্যু মই সহজ ভাৱে ল'ব পৰা নাছিলোঁ যেন এই মৃত্যু সহজ মৃত্যু নহয়। ইয়াত নিশ্চয় মহানন্দ জড়িত হৈ আছে। মই কাকো একো ক'ব পৰা নাছিলোঁ বাৰে বাৰে নিজলৈ খং উঠিছিল কিয় মই সেই পাষণ্ডটোক ঘৰলৈ আনিছিলোঁ। এবাৰলৈ এনেকৈও ভাৱিছিলোঁ সিটো গম পাইছে ঘটনাটো, যদি সি আহে তেতিয়া বুজিম সি দোষী নহয়। কিন্তু দাদা-বৌৰ কাজ কৰ্ম হৈ যোৱা পৰ্যন্ত সি এদিনো মোৰ খবৰ ল'বলৈ তালৈ নগ'ল। মোৰ সন্দেহ ইতিমধ্যে দৃঢ় হৈ পৰিছিল। সকাম হৈ যোৱালৈ খুৰা-খুৰীহঁতে আমাৰ লগতে থাকি নিৰাপত্তা দি আছিল। সদায়নো কিমান ৰখিব আমাক গতিকে মই অন্য এটা সিদ্ধান্ত হাতত লৈ পেলাইছিলোঁ। দাদা-বৌৰ অবিহনে যিহেতু মই কণমানিজনীক লৈ এইখন ঘৰত থকাটো সম্ভৱ নহয় লগতে তাক বিচাৰি যোৱাও আন এটা কাৰণ মই সিদ্ধান্তটো লৈ খুৰাক মাতি পঠিয়ালোঁ। খুৰা আহি পোৱাৰ পিছতে মই তেওঁক জনালোঁ যে মই ইয়াত আৰু নাথাকোঁ, গতিকে আমাৰ থকা ঘৰটোৰ বাদ দি বাকী সকলো বিক্ৰী কৰি চহৰতেই থাকোগৈ। খুৰায়েও মোৰ সমস্যাখিনি ভালদৰে বুজি পালে আৰু তেওঁ মুঠকৈ মোক টকা অলপ দি পিছদিনাই যাবলৈ ক'লে। খুৰা যোৱাৰ পিছত মইনাজনী টোপনি যোৱাত তাইক শুৱাই মই ঘৰটো এপাক ঘূৰি পকি চালোঁ। কিবা এক ষষ্ঠ ইন্দ্ৰিয়ৰ তাগিদাত মই দাদা-নবৌৰ কোঠালৈ সোমাই গ'লোঁ। বুকুখন শোকে খুন্দা মাৰি ধৰিছিল, দাদা-বৌৰ ফটোখন মোহাৰি সামৰি নমাই লোৱাৰ পিছত ক্ষন্তেক ৰ'লোঁ। কোনোবাই যেন মোক কৈছে কিবা এটা। মই দেখিলোঁ বৌৰ বাকচটো নিৰ্দিষ্ট ঠাইত নাই হয়তো সংস্কাৰৰ সময়ত বৌৰ কাপোৰ কানিবোৰ উলিয়াবৰ বাবে গাঁৱৰ মানুহে আনিলে। কিবা এটা ভাবি বাকচটো মেলি দিলোঁ তাত থকা কণমানিজনীৰ কাপোৰবোৰ আনিবলৈ দাঙি লওঁতেই কাগজ এখন তলত সৰি পৰিল। কাপোৰবোৰ থৈ কিবা এটা উৎসুকতাৰে কাগজখন মেলি পঢ়িবলৈ ললোঁ।

ৰীতা, মই কিমানখিনি লিখিব পাৰোঁ নাজানোঁ।

আজি ৰাতি মহানন্দ থকাকৈ আহিল স্কুটাৰ অনা নাছিল। মই বাধা দিয়া স্বত্বেও দদায়েৰে তাক ৰখালে। সন্ধিয়াৰ পৰাই সি এওঁক মদ খুৱাই খুৱাই মাতাল কৰি পেলালে। বহুত সময় সিহঁতৰ মাত নুশুনি মই ওলাই আহিলো। তেতিয়া লৈ সি ককায়েৰৰ মুখ হাত বান্ধি পেলাই ৰাখিছিল। নিমিষতে মোক ঠাপ মাৰি ধৰি বগৰাই ধৰি সৰ্বস্ব লুটিলে। মই সকলোকে কৈ দিম বুলি কোৱাত সি মদৰ বটলত কিবা মিলাই আমাৰ দুয়োকে খুৱাই থৈ গ'ল। মই জানিলোঁ আমি বেছি সময় জীয়াই নাথাকোঁ গতিকে মানুহজনক বান্ধোন খুলি দিলোঁ। মাইনাজনীক চাবা...

মই কাগজখন লুটিয়াই বগৰাই চালোঁ নাই আৰু কোনো শব্দ নাই। তেতিয়ালৈ চাগৈ বৌৰে মাইনাজনী মৰম কৰি দাদাৰ কাষত শুই পৰিছিলহি। সম্পূৰ্ণ কথাখিনি জনাৰ পিছত মই খঙত ফাটি পৰিছিলোঁ। কি কৰিম এতিয়া মই, মই যেন তাক এতিয়াই মাৰি পেলাম। সাধাৰণ গাঁৱৰ মানুহবোৰে দাদা-বৌৰ মৃত্যুক সহজভাৱে ল'লে কিন্তু মই ল'ব নোৱাৰিলোঁ। মই এতিয়া লক্ষ কৰি ল'লোঁ মহানন্দৰ মৃত্যু। কণমানিজনীৰ চিন্তাত মই অস্থিৰ হৈ পৰিছিলোঁ, তাইক লৈ মই লক্ষ্যত উপনিত হ'ব নোৱাৰিম। মোৰ হঠাৎ মনত পৰিল ভাড়াঘৰৰ মালিকনী বাইদেউৰ ভনীয়েকজনী নিঃসন্তান আছিল তেওঁ সন্তান বিচাৰি ফুৰিছিল। মই ভাৱি ল'লোঁ মোৰ কাষত থাকিলে এই অৱহেলিত হে হ'ব গতিকে তাইক মই নিৰাপদ ঠাইত থ'ব লাগিব। মই মোহত বন্দী হৈ তাইক নিজৰ লগত ৰাখিব নোৱাৰোঁ। চকুৰ পানী মোহাৰি মইসেইদিনা ৰাতিয়েই আমাৰ যাৱতীয় বস্তুবোৰ আৰু দাদা বৌৰ যুগ্ম ফটোখন, সেই বিশেষ কাগজখন লগত ল'লোঁ। মই পিছদিনা ৰাতিপুৱা মোৰ মন ডাঠ কৰি ভাড়াঘৰ পালোগৈ। মাইনা জনীয়ে যেন দুমাহতে সকলো বুজিছিল অলপো আমনি নকৰি বটলৰ গাখীৰ খাই শুই থাকিছিল। তাইৰ মুখলৈ চালে মোৰ মনে নকয় তাইক আনক দিবলৈ বাৰে বাৰে চুমা খাই বুকুত সাবটি লওঁ। কিন্তু দাদা বৌৰ কথা ভাৱি মই মালিকনী বাইদেউক সকলো খোলাখুলিকৈ কৈছিলোঁ। তেওঁ মোৰ কোঠালৈ আহি কণমানিজনীক সাৱটি কান্দি উঠিছিল। লগে লগে টেলিফোন যোগে

ভনীয়েকৰ লগত যোগাযোগ কৰিছিল। তেওঁলোকে একেবাৰতে মান্তি হৈছিল। ৰেইলৱেত কৰ্মৰত দুয়োজন পতি পত্নী পিছদিনাই আহি বাইদেউৰ ঘৰত উপস্থিত হৈছিলহি। মানুহ দুজনৰ ব্যৱহাৰে মোক নিশ্চিত কৰিলে যে দাদা বৌৰ অংশ সময়ত ভালদৰেই নিজৰ চিনাকি দিবলৈ সক্ষম হ'ব। মোৰ করুণ কাহিনী শুনি তেওঁলোকে মোকো লগত যাবলৈ অনুৰোধ কৰিছিল। মই মান্তি নহ'লোঁ কাৰণ মই লগত থাকিলে হয়তো তাই নিজৰ মাক দেউতাকৰ নিগাজীকৈ মৰম বুটলিবলৈ সক্ষম নহ'বওঁ পাৰে, নিজৰ জন্ম কাহিনীৰ লগতে মাক-দেউতাকৰ মৃত্যুৰ কাৰণ গম পাই তাইও আক্ৰোশী হৈ পৰিব পাৰে। মই তেওঁলোকক জনালোঁ যে মই নাযাওঁ। আপোনালোকেও তাইক জানিবলৈ ইচ্ছা নকৰালৈকে একো নজনাব। মাত্ৰ বাইদেউৰ যোগেদি তাইৰ ভাল বেয়া গম পাই থাকিলেই হ'ব। তেওঁলোকে মোক পইছা দিব বিছাৰিছিল, মই নল'লোঁ কাৰণ মই তাইক বেচা নাছিলোঁ, কেৱল সুৰক্ষিত আৰু সুন্দৰ ভৱিষ্যতৰ বাবে এহাল মানুহৰ উদং বুকু পূৰাইছিলোঁ। তেওঁলোকে মাইনাক লৈ যোৱাৰ পিছত মই বহুত সময় কান্দিলোঁ। মই মোৰ কামত আগবাঢ়িব লাগে গতিকে তাৰ সন্ধান কৰিবলৈ ধৰিলোঁ। সি ইতিমধ্যে থকা ৰূম সলাইছিল। মই তাৰ মাজতে বি এ পাছ কৰি ওচৰৰে হোটেল এখনত কাউন্টাৰ চম্ভালিবৰ বাবে সোমালোঁ কাৰণ মোৰ জীৱন যাপনৰ বাবে পইচাও প্ৰয়োজন আছিল। ছমাহ মান দিন তাক মই দেখা পোৱা নাছিলোঁ। কিন্তু হঠাতে এদিন আমাৰ হোটেলতেই মই তাৰ সন্মুখীন হ'লোঁ। তাক দেখিয়েই মোৰ এনে লাগিছিল যেন তাক শেষ কৰি দিওঁ। কিন্তু পিছ মুহূৰ্ততে নিজকে সম্বৰণ কৰিলোঁ। তাৰ হয়তো কেইজনমান যুৱকৰ লগত হোটেলতেই মিটিং আছিল। সি মোক দেখি ভয় খাইছিল আৰু আঁৰ চকুৰে মোলৈ চাই আছিল। মই এনেকুৱা দেখুৱালোঁ যেন তাক দেখাই নাই। জানি বুজি এবাৰ সিহঁতৰ কাষেৰেই লন খনলৈ গ'লোঁ। ঘূৰি আহোঁতে তাক হঠাতে দেখা যেন কৰি হাঁহি এটা মাৰিলোঁ। সি যেন সহজ হৈ পৰিল, হয়তু ভাৱিলে মই একোকে গম পোৱা নাই। মই বাট চাই ৰ'লোঁ তাৰ মিটিং শেষ হোৱালৈ মই প্ৰস্তুত কৰিছিলোঁ নিজকে, এনে এজন মানুহৰ লগত অভিনয় কৰিবলৈ যাক মই চাবলৈকো ঘিণ কৰিছিলোঁ। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিলোঁ যাতে মই তাৰ ওচৰত ধৰা নপৰাকৈ অভিনয় কৰি তাক জালত পেলাব পাৰোঁ। উৎকণ্ঠাৰে মই বাট চাই ৰলোঁ, সিও যেন খুউব খৰধৰকৈ তাৰ মিটিং শেষ কৰিলে। ল'ৰা কেইজনক বিদায় দি সি মোৰ কাষলৈ আহিছিল।মই সহজ হোৱা যেন দেখুৱাই তাৰ ওচৰত অভিমান কৰি দেখুৱালোঁ।

: তুমি ক'ত আছিলা ইমান দিনে, মোৰ ওপৰত কি ঘটি গ'ল তুমি গম পাইছা নে? কিয় মহানন্দ, কিয় মোক ইমান অকলশৰীয়া কৰি পেলালা। মই কান্দি দিলোঁ। সি তেতিয়া ক'লে হঠাতে তাৰ দিল্লী যাব লগীয়া হ'ল। আহি মোক বিচাৰিছিল মই নাছিলোঁ। কি হ'ল নো মোৰ সি জানিব বিচাৰিলে। মই তাক ক'লোঁ এতিয়া ইয়াত নকওঁ। মাত্ৰ জানি লোৱা মোৰ এতিয়া তোমাৰ বাদে কোনো নাই। মই দাদা বৌৰ আৰু মাইনাজনী তিনিও নাই বুলিয়েই তাক জনালোঁ। সি যাবৰ সময়ত কৈ গ'ল তাৰ ঠিকনা।। সি যোৱাৰ পিছতেই ময়ো মোৰ নিজৰ ৰূম পালোঁগৈ। কৰিবলগীয়া কামটো মনতে আওৰাই ল'লোঁ। মুখলৈ অজানিতে এটা কূটিল হাঁহি ফূৰ্তি উঠিল। বিছনাৰ তলৰ বাকচটোৰ পৰা বৌ হঁতৰ ফটো ওলিয়াই চালোঁ আৰু ক'লোঁ আজি তোমালোকৰ হত্যাকাৰীৰ শেষ দিন হব।

মই অ'তদিনে থৈ দিয়া অকণমানি ধাৰাল ছুৰীখন পাইজামাটোৰ ভিতৰত চিলাই লোৱা বেগটোৰ ভিতৰত ভৰাই ল'লোঁ। সন্ধিয়া হোৱাৰ লগে লগে মই তাৰ কোঠালৈ সোমাই গ'লোঁ। তাৰ কোঠালৈ সোমাই যোৱাৰ লগে লগে সি মোক সাৱতি ধৰিলে, মই ক'লোঁ ৰ'বা গোটেই ৰাতিটো পৰি আছে। তোমাক লগপোৱাৰ হেঁপাহতে মই খৰধৰকৈ নোখোৱাকৈ আহিলোঁ। প্ৰথমে খাই লওঁ। সি নিজেই চাহ একাপ আনি দিলে। সি ক'লে ৰীতা মোক বেয়া নাপাবা তোমাৰ দুৰ্দিনৰ সময়ত মই তোমাক লগ দিব নোৱাৰিলোঁ মোৰ নিজকে কিবা বহুত দোষী দোষী লাগে। কি বা হ'ল তেওঁলোকৰ লগত। কণমানিজনীও গুচি গ'ল আঁচৰিত হৈছোঁ শুনি। সি কৈ থাকোঁতে মোৰ এনে লাগিছিল যেন তাক তেতিয়াই ৰেপি পেলাওঁ কিন্তু তেনে কৰিলে মোৰেই বিপদ হোৱাৰ সম্ভাৱনা বেছি। সি বাৰে বাৰে মোৰ কাষলৈ আহিবলৈ ব্যগ্ৰ হৈ উঠিছিল। মই তাক কলোঁ অলপ গা গৰম কৰা কিবা এটা আনা। সি মোলৈ আঁচৰিত হৈ চালে আৰু ক'লে তুমিও খোৱা আজি কালি। উম মনৰ দুখ পাতলাবলৈ বৰ সহায় কৰে।সি মোৰ দুগালত লাহেকৈ চিকুটি ওলাই গ'ল। মই তেতিয়ালৈকে তাৰ কুকৰ্মৰ কিছুমান নথিপত্ৰ হাত কৰি ল'লোঁ। সি বেছি সময় নকৰিলে হাতত কাগজেৰে মেৰিয়াই অনা বটলটো মোৰ হাতত দি সি বাথৰূমত সোমাল। মই তাৰ গিলাচত আগতেই আনি থোৱা টোপনি যোৱা দৰৱ মিলাই থ'লোঁ।মই প্ৰস্তুত কৰিছিলোঁ নিজকে যিকোনো পৰিস্থিতিত তাক আজি শেষ কৰিবলৈ। মনলৈ একোবাৰ ভয়ো নহা নহয় মুঠতে নিজকে শেষ কৰি হ'লেও তাক আজি কৰ্ম ফল দিমেই। মই ভাৱনাত

বিভোৰ হৈ থাকোঁতেই সি ওলাই আহি মোক জপটিয়াই ধৰি বিছনাতে বগৰাই দিলে। মই জানিছিলোঁ সি সুস্থ হৈ থাকিলে তাৰ শাৰীৰিক শক্তিৰ আগত মই হাৰিব লাগিব। গতিকে মই তাক ক'লোঁ, ৰ'বা আগতে অলপ গাটো গৰম কৰি লওঁ। সিও মান্তি হ'ল, মই আগতেই থৈ দিয়া নিৰ্দিষ্ট গিলাচটোত মদ বাকি তালৈ আগবঢ়াই দিলোঁ। কিন্তু তাৰ যেন সেইদিনা মদতকৈ মোৰ দেহৰ নিচাহে প্ৰয়োজন আছিল। দুচুমুক মান পিয়েই সি মোক পুনৰ বিছনালৈ টানি নিলে। মই ভাৰিলোঁ মোৰ কাম কৰাৰ এয়াই উৎকৃষ্ট সময়। তাৰ কামনা বাসনা তুংগত উঠিল, তেতিয়াই মই ধাৰাল চুৰিখন ওলিয়াই তাৰ উত্থিত লিংগত জোৰকৈ হেঁপি দিলোঁ। সি অকস্মাৎ আক্ৰমণত আৰ্তনাদ কৰি উঠিল। মই বহুত ভয় খাইছিলোঁ তেজ লগা চুৰিখন বেগত ভৰাই মই তাৰ অৱস্থালৈ নাচায় বাহিৰ ওলাই কেৱল দৌৰিবলৈ ধৰিলোঁ। সি থকা ঘৰটো ইমানেই জনশূন্য ঠাইত আছিল যে মোক পিছে পিছে খেদিবলৈ বা সন্দেহ কৰিবলৈও কোনো মানুহ নাছিল। মই ভয়ে ভয়ে আহি নিজৰ ৰূম পালো গৈ। অলপ সময় ৰৈ মই বাইদেউৰ ওচৰলৈ গৈ সকলো ক'লোঁ। বাইদেৱে মোক ক'লে তুমি কিয় এনেকুৱা কৰিলা, এতিয়া পুলিচে তোমাক নেৰিব। মই বাইদেউক ক'লোঁ সি যদি মৰিছে মই কাইলৈয়ে গৈ আত্মসমৰ্পণ কৰিম। আৰু যদি নমৰে তেতিয়াহে কি কৰিম জানোঁ। বাইদেৱে মোক ক'লে, যি হ'ল হ'ল বাৰু এতিয়া তুমি সেই ৰূমটো এৰি অলপ দিন আমাৰ ষ্টৰ ৰূমতে থাকা। সি আহিলে মই তুমি ৰূম এৰি গ'লাগৈ বুলি কম। বাইদেউৰ মহানতাত কৃতজ্ঞতা জনালোঁ। ঘটনা ঘটি যোৱাৰ এসপ্তাহৰ পিছতো যেতিয়া কোনো মানুহ মৰাৰ খবৰ নাপালোঁ তেতিয়া মই নিশ্চিত হ'লোঁ পাপীটো নমৰিল। তেতিয়া মোৰ ক্ৰমান্বয়ে ভয় বাঢ়িবলৈ ধৰিলে। মই বাইদেউৰ কৃপাত দুমাহমান তাতেই থাকিলোঁ। যেতিয়া দুমাহলৈকে মোক কোনেও বিচাৰি নাহিল, তেতিয়া মই ভাৰিলোঁ সি হয়তো লাজে অপমানে গোপনে গোপনে চিকিৎসা কৰাই ইয়াৰ পৰা আঁতৰি গ'ল। সদায় নিজকে লুকুৱাই ৰাখি মোৰ অশান্তি লাগিবলৈ ধৰিলে, এদিন বাইদেউক কৈ মই বাহিৰলৈ ওলাই আহিলোঁ। তেওঁ মোক বাধা দিছিল যদিও মই সাহসী হৈ উঠিছিলোঁ যি কোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ। মাত্ৰ বাইদেউক ক'লোঁ যাতে মই কিছুদিন নাহিলেও মোৰ বস্তুবোৰ তেওঁ ভালদৰে ৰাখে। মই সেইদিনা বুকুত সাহস বান্ধি ওলাই আহিছিলোঁ জানিছিলোঁ মই বিপদত পৰিব পাৰোঁ কিন্তু ইমান সোনকালে যে পৰিম জনা নাছিলোঁ। মই এঠাইত নিজৰ কাম এটা ঠিক কৰি, নিজৰ প্ৰয়োজনীয় বস্তু অলপ কিনি ঘূৰি অহালৈ সন্ধিয়া লাগিছিল। মই খৰ খোজেৰে ঘৰলৈ বাট পোনালো, কিন্তু নিয়তি সেইদিনা মোৰ পক্ষত নাছিল! হঠাতে এখন বগা ৰঙৰ মাৰুতি ভেন গাড়ী মোৰ কাষতে ৰ'লহি। দুজন ল'ৰাই মোৰ মুখত ধৰি গাড়ীলৈ ছুচৰাই নিলে। মই কিবা কৰিব পৰাৰ আগতেই গাড়ীখন চহৰৰ পৰা জনশূন্যহীন বাটেৰে আহি আহি এটা জৰাজীৰ্ণ ঘৰৰ আগত ৰ'লহি। ওচৰত আৰু কোনো ঘৰ নাই কেৱল লুঙলুঙীয়া বাট এটা আৰু গোটেইখন হাবি। মোৰ ভয়ত অণ্ঠকণ্ঠ শুকাই আহিছিল। সিহঁতি আহি মোক ৰূম এটাত ভৰাই বাহিৰৰ পৰা বন্ধ কৰি দিলে। মই জানিলোঁ এয়া কোনে কৰিছে, মোৰ লগত এতিয়া কি ঘটিব পাৰে মই ধাৰণা কৰি কান্দিবলৈ ধৰিলোঁ। ৰাতি ন মান বজাত ৰূমৰ দৰ্জা খোল খালে, মই ভয়াৰ্ত দৃষ্টিৰে চালোঁ হয় সিয়েই হয়। তাক দেখিয়েই মই ভয় পাহৰি খঙতে চিঞৰি চিঞৰি ক'বলৈ ধৰিলোঁ, চালা পাপী তই নমৰিলি, তই কি কৰিবলৈ জীয়াই আছ পাষণ্ড। মোক এনেকৈ ৰাখি তোৰ জানো কিবা লাভ হ'ব এতিয়া, তোৰটো পুৰুষাংগই মই কাটি পেলালোঁ।

- সি খঙতে আহি মোৰ বক্ষত জোৰেৰে চেপি দিলে, কাপোৰ কানি ফালি ছিৰাছিৰ কৰিলে আৰু ক'লে, তই কি ভাবিছ মহানন্দক ইমান সহজে মাৰিবি পাৰিবি। তোৰ দৰে হাজাৰজনীৰ লগত বিছনা সলাওঁ। চালি তই মোৰ পুৰুষত্ব নাশ কৰিলি, এতিয়া তোৰ লগত মই কি কৰোঁ চাই থাক। প্ৰতিদিনে সাত আঠটা মতাক তই সহিব লাগিব, মই উপভোগ কৰিম তোৰ চিৎকাৰ। কৈ কৈ সি গুচি গ'ল। মই বুজিলোঁ মোৰ সকলোঁ শেষ হ'ল, দাদা বৌৰ দোষীক মই শেষ কৰিব নোৱাৰিলোঁ। সেই দিনৰ পৰাই মোৰ লগত আৰম্ভ হৈছিল নৰকৰ যন্ত্ৰণা, মই মনতে ভাৰি লৈছিলো মই সহি যাম সকলো সহজে হাৰি নাযাওঁ। ৰাতি এঘাৰ মান বজাত প্ৰায় পাঁচটামান ল'ৰা আহিল, ইমান বৰ্বৰ আচৰণ মোৰ লগত কৰিলে মই লিখিবলৈ কষ্ট হৈছে। সেয়া আৰম্ভণিহে আছিল প্ৰতি দিনে নিশাই মোক হিচাপ বিহীনভাৱে বলাৎকাৰ কৰা হৈছিল। খোৱা বোৱা নহৈছিল। সিহঁতৰ কামনা চৰিতাৰ্থ ক'ৰাবলৈ মোক উপৰ্যুপৰি যৌনশক্তিবৰ্ধক দৰৱ খোৱাইছিল। শীৰ্ণকায় মোৰ শৰীৰত তেতিয়ালৈকে কোনো ৰস বাচি থকা নাছিল। মহানন্দ মাজে মধ্যে আহে মোক চায় ৰং লয় আৰু যায়গৈ। এনেকৈয়ে কোনো দিন ৰাতিৰ উমান নোপোৱাকৈয়ে বছৰে বাগৰ সলাইছিল। মই মাথোঁ মৰি মৰি জীয়াই আছিলোঁ, সদায় ভাবোঁ মই মৰি থকাই ভাল আছিল। কিন্তু নাই মৃত্যু ইমান সহজলভ্য নাছিল মোৰ বাবে, হয়তো মোৰ লক্ষ বেলেগ আছিল। বছৰ দিন ধৰি বান্ধোনত থাকি আৰু ইমান লাঞ্ছনা ভুগিও মই

নমৰিলো।

ডেৰ বছৰ ধৰি অকথ্য নিৰ্যাতন সহি সহি মোৰ মানসিক আৰু শাৰীৰিক শক্তি ক্ৰমে দুৰ্বল হৈ পৰিছিল। নিজৰ শৰীৰটোলৈকে ঘিণ লগা হৈছিল। মই গাধুবলৈ এৰি পেলাইছিলোঁ, সিহঁতৰ কাৰণে মোৰ মলিয়ণ হৈ পৰা শৰীৰটো চাফা কৰাৰ কোনো অৰ্থ নাছিল। লেতেৰা হৈ থাকিয়েই মোৰ শান্তি লাগিছিল, মোৰ মলিয়ন ৰূপত সিহঁত সুস্থ অৱস্থাত মোৰ কাষলৈ নাহিছিল। মই মাজে মাজে নিজকে পাহৰি যাবলৈ লৈছিলোঁ, সিহঁতক দেখিলেই মাৰিবলৈ খেদি গৈছিলোঁ। মোৰ প্ৰতি সিহঁতৰ আৰু কোনো লালসা নাছিল। মই জানিছিলোঁ যে ক্ৰমান্বয়ে মোৰ মানসিক ভাৰসাম্যতা লুপ্ত হবলৈ ধৰিছে, ইমানতেই যদি মুকলি হ'ব নোৱাৰোঁ তেতিয়া হয়তো পাগলীৰ দৰেই জীয়াই থাকিব লাগিব। আগতে সিহঁতি মোক ভোগ কৰিবলৈ হেতা ওপৰা কৰিছিল, কিন্তু এতিয়া কোনো আহিবলৈ নিবিছৰা হৈছিল। একমাত্ৰ মালিকৰ আদেশ মানিহে মোক ৰাখি থৈছে। মাজে মাজে মহানন্দ আহি মোৰ ৰং চাই যায়হি, পিছলৈ অহাও কমাই দিছিল। মই নিজকে সম্পূৰ্ণ পাগলী সজাই পেলাইছিলোঁ, সিহঁতক কামুৰিবলৈ যাওঁ আৰু নিজৰ গাৰ কাপোৰ খহাই সিহঁতক মাতিবলৈ ল'লোঁ। মোৰ যে একেবাৰেই স্মৃতি শক্তি লোপ পালে তাক জনাই মহানন্দলৈ ফোন কৰিলে। সি দুমাহ মান ৰাখি মোক এৰি দিবলৈ ক'লে। সিহঁতৰ কথা বতৰাত গম পালোঁ, সি ৰাজনীতিত ভৰি দিছে, গতিকে নিজৰ ক্ষমতা বঢ়াবৰ বাবে দিল্লীলৈ গৈছে। মোৰ সকলো আশাত চেঁচা পানী পৰিল। মই যেন সঁচাকৈয়ে পাগলী হৈ পৰিছিলোঁ।

এদিন ৰাতি সিহঁতৰ দুটামানে মোক নি এঠাইত এৰি থৈ আহিল। মই বহুত দিনৰ মূৰত মুকলি আকাশৰ তলত মূৰ দাঙি চালোঁ। কোনো লক্ষ্য নোহোৱাকৈয়ে মই সেইদিনা বহুত দূৰ খোজ কাঢ়িলোঁ। এবাৰত ভাগৰত ৰাস্তাৰ দাঁতিতে শুই পৰিলোঁ। ৰাতিপুৱাৰ লগে লগে মই কাষতে থকা টেপটোৰ পৰা পানী খাই গাটোও টিয়াই পেলালোঁ। গছ এজোপাৰ তলত বহি মই মগজুত জোৰ দিবলৈ চেষ্টা কৰিলোঁ, মই কোন আছিলোঁ, ক'ত আছিলোঁ। নাই মোৰ একোৱেই মনত নপৰিল। পেটৰ কলমলনিত থাকিব নোৱাৰি হোটেল এখনৰ কাষ চাপিলোঁ, ল'ৰা এটাই পৰঠা এটা দি ক'লে, যা পাগলী তই থাকিলে গ্ৰাহক নাহিব। মই আঁতৰি আহিলোঁ। দুদিনমান অনাই বনাই ঘূৰি ফুৰিলোঁ। হঠাতে এদিন কোনো সংস্থাৰ মানুহে আমাৰ দৰে পগলা মানুহবোৰক নি নি মানসিক চিকিৎসালয়ত থৈ আহিল গৈ। মোকো দুজনমানে তেজপুৰ মেন্টেল হস্পিতালত থৈ আহিল। মই যিহেতু সম্পূৰ্ণ পাগলী নাছিলোঁ গতিকে চিকিৎসাই মোৰ স্মৃতি শক্তি বঢ়াই আনিছিল। এবছৰ দুবছৰকৈ মই তাত দহ বছৰ মানেই থাকিলোঁ। মোৰ কেও কিছু নাই বুলি জানি, মোৰ ভাল ব্যৱহাৰৰ বাবে তাতেই সৰু সুৰা কাম কৰিবলৈ দি ৰাখি থৈছিল। এই দহবছৰে ছাৰ বাইদেউসকলে মোক বহুত মৰমেৰে ৰাখিছিল, মই তেওঁলোকৰ সৰু সুৰা কামবোৰ কৰি দিছিলোঁ। এদিন হঠাতে বাইদেউ এগৰাকীয়ে আহি ক'লেহি, চোতালখন ভাল দৰে চাফা কৰি থবা চোন, আজি আবেলিলৈ চহৰৰ কেইজনমান গণ্যমান্য ব্যক্তি আহিব। মই সুন্দৰকৈ চাফা কৰিলোঁ আৰু আহি নিজৰ কোঠাত সোমালো। মই তেতিয়া মাজে মাজে সপোনতে হওক বা অকলশৰীয়া মুহূৰ্ততে হওক দাদা-নবৌৰ মুখদুখন আৰু কণমানিজনীক দেখা পোৱা হৈছিলোঁ। এইবিষয়ে বাইদেউক কওঁতে ক'লে জোৰ নিদিবা সকলোবোৰ এদিন মনত পৰিব। মই আৰু এটা মানুহক দেখোঁ, মহানন্দক। কিন্তু আঁত বিচাৰি নাপাইছিলো। মনটো খেলি মেলি লগাত বাহিৰলৈ ওলাই আহিছিলোঁ, আঁতৰৰ পৰাই দেখিলোঁ চহৰৰ ভাল মানুহকেইজন আহিলে। অলপ ওচৰৰ পৰা চাওঁ বুলি দেখো মানুহবোৰৰ মাজত বগা সাজ পিন্ধা ক'লা চৰিত্ৰৰ মহানন্দও বহি আছে। অৱশ্যে তেতিয়ালৈ মই তাক চিনি পোৱা নাছিলোঁ, কিন্তু তাৰ মুখখন মই পাহৰিব পৰা নাছিলোঁ। অৱচেতন মনটো সি যে এটা বেয়া মানুহ গম পাইছিলোঁ। মোৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে, মই দৌৰি দৌৰি নিজৰ বিছনা খনত কুচি মুচি বহি আছিলোঁ। চিনেমাৰ ৰিলৰ দৰেই অকস্মাতে মোৰ মনলৈ মোৰ জীৱনত ঘটি যোৱা ঘটনাৰ প্ৰতিফলন ঘটিবলৈ ধৰিছিল। মোৰ সন্মুখত জলজল পটপটকৈ সকলো জিলিকি উঠিল। মই কাষতে থকা ডায়েৰীখনত লিখিবলৈ আৰম্ভ কৰিলোঁ কথাবোৰ, কিয়নো এবাৰ মানসিক ভাৰসাম্য হেৰুওৱা মানুহে আকৌ সকলো পাহৰি থাকিব পাৰোঁ, গতিকে এফালৰ পৰা লিখিবলৈ আৰম্ভ কৰিলোঁ মোৰ তিক্ততা ভৰা জীৱন পৰিক্ৰমা। মোৰ মনটো পাতল পাতল লাগিছিল অলপ, মই হয়তো বহুত সময় ধৰি নিজৰ কোঠাৰ ভিতৰতে আছিলোঁ, সেয়ে বাইদেউহঁতে মোক বিচাৰি আহি মোৰ কোঠাত সোমালে। মই তেতিয়ালৈকে মোৰ জীৱনৰ প্ৰথমচোৱা কাহিনীলিখি পেলাইছিলোঁ। মইনো কি লিখিছোঁ তেওঁলোকে জনাৰ ইচ্ছা প্ৰকাশ কৰিলে।

মই ক'লোঁ বাইদেউ, মই ৰীতা, মোৰ আজি সকলোবোৰ কথা মনত পৰিছে। মোৰ আপোন মানুহবোৰ নগাঁও চহৰত

আছে মই তালৈ যাম। তেওঁলোক বহুত সুখী হ'ল। মই নজনালোঁ তেওঁলোকক মোৰ জীৱনৰ ক'লা অধ্যায়। লাহে লাহে মোৰ ভাড়াঘৰৰ বাইদেউৰ কথা মনত পৰিল, তেওঁৰ ঠিকনাটো মনত পৰিল, এটা এটা সৰু সৰু কথা মনত পেলাবলৈ সক্ষম হ'লোঁ। মই ডায়েৰীত খৰধৰকৈ সকলো টুকি ৰাখিলোঁ। পিছদিনা ৰাতিপুৱাই মই এটা নতুন সিদ্ধান্ত ল'বলৈ সাজু হৈছিলোঁ। তেৰ বছৰ পাৰ হৈছিল কণমানিজনীও চাগৈ বৰ এজনী হ'ল। পিছদিনা ৰাতিপুৱা মই বাইদেউৰ আগত সিদ্ধান্ত জনালোঁ, তেওঁলোকে মোক বাধা নিদিলে, যাবৰ সময়ত মোৰ হাতত তেওঁলোকে অলপ মান পইছা গুজি দিলে। কৃতজ্ঞতাৰে মন ভৰি পৰিল, তেওঁলোকক সেৱা জনাই মই মোৰ গন্তব্যস্থানলৈ আগবাঢ়িলোঁ। মই চকুৰ পানী বাধা দি ৰাখিব পৰা নাছিলোঁ, তেওঁলোকেও কান্দিছিল তেৰ বছৰ কম দিন নাছিল আত্মীয়তা গঢ়ি তুলিবলৈ। বাইদেৱে গাড়ী এখনৰো ব্যৱস্থা কৰি দিলে। মই বাছ আস্থানত অলপ সময় বহি আছিলোঁ, ভাবিলোঁ ভাড়াঘৰৰ বাইদেৱে বাৰু মোক চিনি পাবনে! তেওঁ বাৰু মোৰ বস্তুবোৰ এতিয়াও ভালদৰে ৰাখিছেনে? মনত হাজাৰ প্ৰশ্নৰ উদয় হৈছিল যাৰ উত্তৰ মই তালৈ গৈহে পাবলৈ সক্ষম হম। মই যাবই লাগিব মাইনাজনীৰ খবৰো ল'ব লাগিব। কিমান ডাঙৰ হ'ল বাৰু তাই মনতে গণনা কৰি পালোঁ ষোল্ল বছৰ মান হ'ল চাগৈ তাইৰ। তাইৰ বিষয়ে জানিবলৈ মই ইমানেই ব্যগ্ৰ হৈ পৰিছিলোঁ যেন এতিয়াই মই বাইদেউৰ ওচৰলৈ উৰি গুচি যাম। মই টিকট কাউন্টাৰত ৰৈ নগাঁৱলৈ যোৱা এখন বাছৰ টিকট কাটি ল'লোঁ। বাছখনৰ এতিয়া চিট এটাত বহি লৈ মই মোৰ ডায়েৰীৰ দুটামান পৃষ্ঠা লিখিলোঁ। সময়ত বাছে গতি কৰিলে, মোৰ মনটো বাছৰ গতিতকৈও বেগেৰে যাবলৈ ধৰিলে। দুঘন্টামানৰ পিছত মই সেই ঠাই পালোঁগৈ য'ৰ পৰা আৰম্ভ হৈছিল মোৰ জীৱনৰ কাল নিশাবোৰ। মোক তাত এতিয়া চিনি পোৱা মানুহ নাই, মোৰ আগৰ দুয়োটা ৰূপেই এতিয়াৰ লগত নিমিলে। সুস্থ অৱস্থাত থকাতকৈ চেহেৰা বেয়া হৈছিল আৰু পাগলী অৱস্থাতকৈ উন্নত আছিলোঁ। বয়সেও আচোৰ মাৰি গৈছিল গতিকে মই নিৰ্ভয়ে আগবাঢ়িছিলো মোৰ ঠিকনাৰ দিশে। ঠাইখিনিৰ যথেষ্ট পৰিৱৰ্তন হৈছিল, আগৰ এমহলীয়া ঘৰৰ ঠাইত বিল্ডিং হৈছিল। বাইদেউৰ ঘৰটো বিচাৰি ওলিয়াবলৈ মোৰ বহুত সময় লাগিছিল। ভোকে পিয়াহে মোক আতুৰ কৰি আনিছিল মই হোটেল এখনত সোমাই প্ৰথমে খাই ল'লোঁ। তাৰ পিছত উমানতে এঘৰলৈ সোমাই গ'লোঁ। মই সোমাই যোৱা দেখি লনখনত কাম কৰি থকা মালিজন আগবাঢ়ি আহিল, মই সুধিলোঁ সৈন্ধা বৰুৱাৰ ঘৰ হয়নে। তেওঁ ক'লে হয়, কিন্তু তেখেত নাই চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ গৈছে। যোৱা প্ৰায় এমাহ হ'ল চিকিৎসা দীঘলীয়া হ'ব গতিকে এবছৰ মান তাতে পুতেকৰ লগত থাকিব। মোৰ মনৰ সকলো আশা পুনৰ শেষ হৈ পৰিছিল তেওঁক বাইদেউৰ নম্বৰটো খুজিছিলোঁ কিন্তু নাপালোঁ। অৱশ্যে ফোন কৰিলে মোৰ কথা জনাব বুলি আশ্বাস দিলে। মই নিৰাশ মনে ওভতি আহিলোঁ। বস্তি অঞ্চলতে এটা ৰূম লৈ মই থাকিবলৈ ল'লোঁ। কিন্তু তাতো মই বহুত জানোৱাৰ লগ পাইছিলোঁ, কিন্তু এইবাৰ মই মোকাবিলা কৰিবলৈ শিকি গৈছিলোঁ, মোৰ ওচৰলৈ যিয়েই আহে তাকে মই দেহা দিবলৈ প্ৰস্তুত হৈছিলোঁ আৰু বিছনাত পৰাৰ লগে লগে মই কৈছিলোঁ তোক কৈ লওঁ আগতেই, মোৰ আকৌ বিয়পা বেমাৰ এটা আছে! গতিকে পিছত আকৌ নক'বি মই নক'লো বুলি। শুনি বিছনাত উঠিবলৈ খৰধৰ কৰা মানুহটো তৎক্ষণাত বিছনাৰ পৰা নামি আহিছিল। মানে মই বহুতৰ লগত বিছনাত থাকোঁতেই কেতিয়ানো হ'ল গমেই নাপালোঁ, এতিয়া অৱশ্যে জানো মোৰ লগত আগতে লেন দেন কৰা মানুহবোৰে কয়। মোৰ কথা শুনি সি আৰু দুনাই মোক দিগদাৰ কৰা নাছিল। এইদৰেই মই কোনো বেমাৰ নোহোৱাকৈয়ে বেমাৰৰ নামকে হাঠিয়াৰ কৰি তেনেধৰণৰ বেয়া প্ৰকৃতিৰ মানুহবোৰৰ পৰা হাত সাৰি আছিলোঁ। সিহঁতে মোৰ কথা জানিব পাৰি নহা হৈছিল।ময়ো কিছুদিন শান্তিত থাকিব পাৰিলোঁ। এনেদৰেই কিছুদিন পাৰ হৈ গৈছিল, এদিন মই কামৰ পৰা ওভতি আহোঁতে বাইদেউৰ ঘৰৰ কাম কৰা ল'ৰাজনে বাটতে মোক পাই ক'লে পৰহিলৈ বাইদেউহঁত পাবহি। তুমি এসপ্তাহমানৰ পিছত আহি লগ কৰিব পাৰিবা। কথাষাৰ শুনিয়েই মোৰ বহুত ভাল লাগিল তাক ধন্যবাদ জনাই মই নিজৰ কোঠালৈ আহিলো। মই আগ্ৰহেৰে বাট চাই ৰ'লোঁ বাইদেউক লগ কৰিবলৈ।

নিৰ্দিষ্ট দিনটোত মই সৈন্ধা বাইদেউক লগ কৰিবলৈ গ'লোঁ। ল'ৰাজনে খবৰটো দিয়াৰ লগে লগে বাইদেৱে মোক মাতি পঠিয়ালে। বাইদেউক লগ পোৱাৰ আবেগত মই ভিতৰলৈ সোমাই গ'লোঁ। তেখেতে বিছনা এখনত শুই আছিলে, মই কঁপা কঁপা মাতেৰে বাইদেউক মাত দিলোঁ।

ৰীতা, তুমি ইমান দিন ক'ত আছিলাঁ, মই তোমালৈ বাট চাই ভাগৰি পৰিছিলোঁ।

মই বাইদেউক মোৰ ওপৰত ঘটি যোৱা সকলোবোৰ ঘটনাই বিৱৰি ক'লোঁ। তেওঁৰ চকুৰ পানী ওলাবলৈ ধৰিলে। বহুত

সময় ধৰি তেওঁ একো ক'ব নোৱাৰিলে। তাৰ পিছত ক'লে, তোমাৰ ওপৰত ইমানবোৰ ঘটনা ঘটি গ'ল। ইমান কষ্ট কেনেকৈ সহি থাকিলা তুমি। ৰীতা তোমাৰ বাৰু ভতিজাজনীৰ কথা মনত পৰেনে! কিয় তুমি তালৈকে নগ'লা বাৰু। এতিয়াওঁ সময় আছে তুমি ইচ্ছা কৰিলে তালৈ যাব পাৰা। তাই এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত বহিব। বহুত ভাল দৰেই আছে তাই। ভণ্টিহঁতে এতিয়াও তাইক একো জনোৱা নাই। মই বাইদেউক ক'লোঁ, বাইদেউ মই তালৈ গৈ সুখৰ মাজত দুখৰ সৃষ্টি নকৰোঁগৈ। তাই থাকক তাতে সুখেৰে। বাইদেৱে সেইদিনাই মোক তালৈ থকাকৈ মাতি পঠিয়ালে মই সমৰ্থন কৰিলোঁ।

দুদিনৰ পিছত মই বাইদেউৰ তালৈ আহিলোঁ একেবাৰে থকাকৈ। বাইদেউৰ পুতেক ডাক্তৰ আছিল, তেওঁ মই তাত থকা বুলি জানি বৰ ভাল পাইছিল অন্তত মাকৰ যত্ন ল'ব পাৰিম। বাইদেউৱে তাক মোৰ ক'লা অতীতৰ বিষয়ে তাক জনোৱা নাছিল। সি সদায় সদায় ফোনেৰে মোৰ লগত যোগাযোগ ৰাখি বাইদেউৰ দৰৱ পাতিৰ খোৱা বোৱাৰ কথা বুজাইছিল। এদিন বাইদেউক গা পা ধুৱাই লৈ বিছনাত শুৱাই দিলোঁ। কামৰ পৰা আজৰি হৈ মেয়ো তেওঁৰ লগতে বহিলোঁ। বাইদেৱে কোৱাত মই টিভিটো লগাই দিলোঁ, অসমীয়া চেনেল এটাত ৰাজনৈতিক আলোচনা চলি আছিল। তাতে মহানন্দ দত্তও আছিল। তাক তেনেকৈ দেখি মোৰ গা কঁপি উঠিল। বাইদেউৱে ক'লে আজিকালি দিনত বেয়া মানুহবোৰেহে ৰাজনৈতিক নেতা হ'ব পাৰে অ, বহুত কম সংখ্যক ভাল মানুহহে ৰাজনীতিত আছে। বাইদেউৱে হয়তো মোৰ মনৰ কথা বুজি পাইছিল, গতিকে চেনেলটো বদলাই দিছিল। মই বাইদেউক সুধিলোঁ মোৰ বস্তুবোৰ ক'ত আছে? তেওঁ এটা বাকচলৈ আঙুলিয়াই দেখুৱাই দিলে, মই নমাই আনিলোঁ আৰু নিজৰ কোঠালৈ সোমাই আহি মেলি ল'লোঁ। মোৰ আপুৰুগীয়া সম্পত্তি যেন সকলোবোৰ, মই দাদা-বৌৰ ফটো চালোঁ, ভাল হৈয়ে আছে। অন্তত ভতিজাজনীয়ে পিছত চাব পাৰিব। বৌৰ চিঠিখন পঢ়ি মোৰ মনত পুনৰ প্ৰতিশোধৰ ভাৱনা আহিবলৈ ধৰিলে। মই কেনেকৈ তাক শেষ কৰিব পাৰিম! নাই এইবাৰ মই খৰধৰ নকৰোঁ ভালদৰে আগবাঢ়িব লাগিব। এতিয়াটো সি আৰু ক্ষমতাশালী ব্যক্তি হৈ পৰিল। মই মনৰ কথা মনতে ৰাখি বাইদেউৰ ওচৰত সহজ ভাৱেই থাকিবলৈ ল'লোঁ। বাইদেউৰ দৰৱ পাতি সকলো ময়েই ফাৰ্মাচীৰ পৰা আনিবলৈ লৈছিলোঁ। এদিনাখন বাইদেউৰ ল'ৰা তনয়ে আমাৰ লগত কথা পাতি আছিল। সি মোৰ শুশ্ৰুষা দেখি বৰ ভাল পাইছিল, কথা প্ৰসংগত সি ক'লে আজি তাৰ হস্পিতালত পইজনৰ কেছ এটা আহিছিল কোনোবাই চিৰিঞ্জত ভৰাই মানুহজনক ধৰা নপৰাকৈ দিছিল। বহুত পয়মাল হ'ল পুলিচ কেচ যে গতিকে ভাগৰ লাগি আহিছে। সি সোনকালে ফোন ৰাখি থৈছিল। বাইদেৱে সাধাৰণভাৱে কথাটো শুনি থ'লে। কিন্তু মই কথাটো দ-কৈ ভাৱিলোঁ আৰু আহি নিজৰ ডায়েৰীত দৰৱটোৰ বিষয়ে লিখিবলৈ বহি ভাৱিলোঁ তনয়ে চোন নামটো নক'লেই। হ'ব মই পিছত সুধিব লাগিব। মই মুঠতে য'তে ত'তে মানুহক মৰাৰ উপায় পালেই লিখি থৈছিলোঁ। দুদিনমানৰ পিছত তনয়ে ফোন কৰোঁতে মই তাক ক'লোঁ - বাবা সেইদিনা যে তুমি পইজন দৰৱৰ কথা কৈছিলাঁ, মোক নামটো ক'বা চোন। সি আঁচৰিত হৈ সুধিলে তোমাক আকৌ কিয় লাগে। মই কলোঁ তুমি নিশ্চিন্ত থাকা মই বাইদেউৰ অপকাৰ হোৱা কোনো কাম নকৰোঁ। কিন্তু দৰৱ পাতি ময়ে আনি থাকোঁ যে তেতিয়া আন কোনোবাই সেই দৰৱটো দিলেও মই চাব পাৰিম। তুমি চোন জানাই তোমালোকৰ মাটি সম্পত্তিলৈ বহুতৰে চকু, তুমি নাথাকা যে বাইদেউৰ ওচৰলৈ বহুত মানুহ আহে কিবা বোলে শ্বপিং মল খুলে। ক'বতো নোৱাৰি মানুহৰ মনৰ কথা। মোৰ কথাত পতিয়ন গৈ সি অৱশেষত নামটো ক'লে। মই লগালগ মোৰ ডায়েৰিখনত দৰৱটো নামটো লিখি থ'লোঁ। বাইদেউৰ তাত থকা সময়বোৰত মই মাইনাজনীৰ খবৰো পাই আছিলোঁ, তাইৰ ভালে থকাৰ খবৰে মোৰ মনত সান্তনা দিছিল। দুবছৰ দিন তেনেকৈয়ে পাৰ হৈ গৈছিল। মই বাইদেউলৈ সদায় দৰৱ অনা ফাৰ্মাচীৰ ল'ৰাটোৰ লগত ভাল সম্পৰ্ক ৰাখি গৈছিলোঁ, সি মোক নিজৰ ভায়েকৰ দৰেই মৰম চেনেহ কৰিছিল। এদিন কথাৰ মাজতে মই তাক সেই বিশেষ দৰৱটোৰ কথা সুধিলো, সি মোলৈ আঁচৰিত হৈ চালে আৰু ক'লে তোমাক আকৌ কেলৈ লাগে সেই বিহ। জানানে কিমান মাৰাত্মক তাৰ এটোপাল দেহত সোমালেই কাম শেষ। মই তাক ক'লোঁ তনয়ে কৈছে মোক এই বিষয়ে, কিন্তু আমাৰ ঘৰৰ কুকুৰটোৰ হয়তো জলাতংক ৰোগ হোৱাৰ লক্ষণ দেখা দিছে। সেইবাবে সি নি আজি তাক খোৱাত মিলাই দিবলৈ কৈছে। কথাখিনি সাজি কৈ মই তাৰ মুখলৈ চালোঁ। সি মোক অবিশ্বাস নকৰিলে ভাৱিলে হয় চাগৈ। বহুত সময় বিচাৰি সি অকণমানি বটল এটা বৰ সাৱধানেৰে কাগজত মেৰিয়াই দি ক'লে — বা, সাৱধান হ'বা কিন্তু দেহত সোমালেও বিপদ। সাধাৰণতে আমাৰ ইয়াত এইবোৰ নাথাকেই এইটো বহুত দিনৰ আগৰ, কাকো নজনাবা আমাৰ ইয়াৰ পৰা নিছোঁ বুলি আনকি তনয়কো নক'বা। তাক ক'বা নিগনি মৰা দৰৱ খুৱাই মাৰিলোঁ বুলি, কেনেবাকৈ আমি বিপদত পৰিব পাৰোঁ। সি মোক গুচছ এযোৰো দিলে। মই

তাক নিশ্চিত কৰিলোঁ যে মই আন কাকোৱেই নকওঁ। ঘৰলৈ আহি মই বৰ সাৱধানেৰে বটলটো মোৰ কাপোৰৰ মাজত ভৰাই ৰাখিলোঁ। মোৰ বৰ মন গৈ আছিল চাবুৱালৈ সোনকালে যাবলৈ, কিন্তু বাইদেউৰ মৰমত মই যাব পৰা নাছিলোঁ। এদিন বাইদেৱে মোক জনালে মাইনাজনী প্ৰশাসনিক পৰীক্ষাত উত্তীৰ্ণ হৈ পুলিছৰ অফিচাৰ হ'ল। বাতৰিত তাইৰ ফটোখন দেখুৱালে মই শুনি বৰ ভাল পালোঁ। বাতৰিত তাইৰ নিৰ্ভয়ে কোৱা কথাবোৰ শুনিলোঁ মন ভৰি পৰিল, মই দাদা বৌৰ অংশক অন্তত এহাল ভাল মানুহৰ হাতত দি যে ভাল কৰিলোঁ তাৰ বাবে সুখী হ'লোঁ। বাইদেৱে ফোন কৰি গম পালে তাইৰ পষ্টিং চাবুৱাতে হ'ব। এই খবৰে মোক আকৌ এবাৰ সুখী কৰিলে এতিয়া অন্তত মই মৰাৰ আগতে তাইক সকলো ক'ব পাৰিম। মই আধালিখা ডায়েৰীখন সম্পূৰ্ণ কৰিবলৈ লাগিলোঁ দিন ৰাতি একাকাৰ কৰি সময় পালেই মই লিখিবলৈ ল'লোঁ। এনেকৈয়ে থাকোঁতে এদিন বাইদেউৰ গা বহুত বেয়া হ'ল, মই তেওঁক নাৰ্চিংহ'মত ভৰ্ত্তি কৰাই দি তনয়লৈ খবৰ দিলোঁ। সি দুদিনৰ ভিতৰতে আহি পালেহি। বাইদেউ অলপ সুস্থ হোৱাত, সি তেওঁক লগতে লৈ যাব বিছাৰিলে। মই বৰ ভাল পালোঁ অন্তত এতিয়া মই নিশ্চিত মনে মোৰ কামত আগবাঢ়িব পাৰিম। তেওঁলোকে মোকো লগ ধৰিছিল যদিও মই অজুহাত দেখুৱাই নগ'লোঁ। বাইদেউৰ পৰা মাজনীৰ ঘৰৰ ঠিকনা আৰু তাইৰ থানাৰ ঠিকনা লৈ থ'লোঁ। যাবৰ সময়ত মোৰ হাতত অলপ পইছা দি ক'লে, যেতিয়ালৈকে মন যায় মই ইয়াত থাকিব পাৰিম। কিন্তু বাইদেউ নথকা উদং ঘৰখনত মোৰ মন নবহা হ'ল। কাম বন নকৰাকৈ এনেয়ে থাকি থাকি মোৰ মন অশান্ত হৈ পৰিছিল। মই সোনকালে চাবুৱা যাবলৈ মন বান্ধিলো। তাৰ মাজতে মই বাতৰি কাকতত মহানন্দৰ বহুতো কু-কীৰ্তি শুনিলোঁ, ক্ষমতাশালী হৈ সি সকলোকে দমন কৰি ৰাখিবলৈ সক্ষম হৈছিল। মই ভাৱিলোঁ মানসিক বিকাৰগ্ৰস্ত হোৱাৰ ৰূপ লৈয়ে মই তাৰ চহৰত সোমাম, তেতিয়া মোৰ কামবোৰ কৰিবলৈ সহজ হ'ব। তাৰটো এতিয়া সাধ্য নাই মোক চিনি পাবলৈ। মাজনীকো সুবিধা বুজি লগ কৰি মহানন্দৰ কথা ক'ব লাগিব তাইটো এতিয়া সক্ষম দোষীক শাস্তি প্ৰদান কৰিবলৈ। মই যোৱাৰ আগদিনা নিজকে কিছু সলাই পেলাইছিলোঁ, মোৰ চুলিখিনি নিজেই খলপা খলপিকৈ কাটি ল'লোঁ আৰু সৰু টিনৰ বাকচটো লৈ, মলিয়ন কাপোৰ এযোৰ পিন্ধি ল'লোঁ। সেইদিনা ৰাতিয়েই মই চাবুৱালৈ বুলি গাড়ীত উঠিলোঁ।

সন্ধিয়া সময়ত মই পাগলীৰ ৰূপত মহানন্দৰ বিনাশৰ উদ্দেশ্যেৰে তাৰ চহৰত ভৰি থ'লোঁ। সেইদিনা আলেঙে আলেঙে ঘূৰি মই চহৰখনৰ চাৰিওফালে ফুৰিলোঁ। মোক কোনেও গুৰুত্ব দিয়া নাই দেখাজনে ভাৱিছে আকৌ নতুনকৈ এজনী পাগলী আমাৰ চহৰলৈ আহিল। মই সেইদিনা থানাখনৰ ওচৰতেই পানী নপৰাকৈ থাকিব পৰা পুল এটাৰ তলতে থাকিলোঁ, সেইদিনা মই উপলব্ধি কৰিলোঁ পাগল নোহোৱাকৈ পাগলৰ আচৰণ কৰাটো কিমান কঠিন। লাহে লাহে সময় অতিবাহিত হৈছিল, ময়ো চহৰখনৰ মানুহবোৰৰ চিনাকি হৈ পৰিছিলোঁ। মই কিন্তু তেতিয়ালৈকে ভতিজাজনীক আৰু মহানন্দক লগ পোৱা নাছিলোঁ। কিন্তু এদিনাখন ৰাতিপুৱা মই পুলটোৰ ওপৰত বহি থাকোঁতে তাইক দেখিলোঁ, ওখই পাখই চেহেৰা একেবাৰে বৌৰ দৰে। মই তধা লাগি বহুত সময় চাই ৰ'লোঁ মন গৈছিল দৌৰ মাৰি গৈ যেন সাৱতি ধৰিম কিন্তু সেয়া কৰি মই তাইৰ পদ মৰ্যাদা লাঘৱ কৰিব বিচৰা নাছিলোঁ। মই নিজকে সম্বৰণ কৰিলোঁ লাহেকৈ ডায়েৰীত লিখি থ'লোঁ। এদিন শুনিলোঁ স্বচ্ছতাৰ কিবা আঁচনিৰ বাবে ৰাস্তা পথ সকলো পৰিষ্কাৰ কৰিব, মোৰ থকা ঠাইখিনিও আজৰি কৰাব বুলি ভাৱি মই তাৰ পৰা আঁতৰি আহিলোঁ। তাইৰো হয়তো মই দৃষ্টিগোচৰ হৈছিলোঁ লাহে লাহে, সেইদিনাই থানাত কিবা কামৰ বাবে মহানন্দক সোমোৱা দেখিলোঁ, মোৰ মনৰ সুপ্ত জুইকুৰা পুনৰ জ্বলি উঠিল। সি যোৱাৰ পিছতে মই তাৰ নাম লৈ বকিবলৈ ধৰিলোঁ যাতে তাই শুনে। কেইদিনমান বৰষুণৰ বাবে মই তিতি থকা দেখি পুলিচ ল'ৰা দুজনে মই থকা ঠাইত পাল এখন তৰি দিলে। মই সকাহ পালোঁ, তেতিয়া মোৰ লক্ষ হৈছিল মহানন্দ।

মই প্ৰতিদিনে পুৱাই ওলাই যাওঁ, মহানন্দৰ লগত ফুৰা নিৰ্দিষ্ট মানুহকেইটামানক মই ভালদৰেই চিনি থৈছিলোঁ। সিহঁতি সদায় চহৰৰ কাষৰীয়া এখন হোটেলত বহি চাহ খাই। ময়ো ওচৰতে থাকি সিহঁতৰ আলেখ লেখ চাই ৰওঁ। সি পাষণ্ডই কেইবাটাও নাৰী সৰবৰাহ চক্ৰৰ লগত জড়িত হৈও আছিল। সেইদিনা সিহঁতি চহৰখনৰে এটা বন্ধ গোদামত চৈধ্যজনী বন্দী কৰি থোৱা ছোৱালীক পিছদিনা ৰাতিলৈ চালান দিয়াৰ কথা পাতি আছিল। মই ভালদৰে শুনি ল'লোঁ আৰু খৰধৰকৈ থকা ঠাই পালোঁগৈ তাতেই এখিলা কাগজত সেই বিষয়ে লিখি মাইনাই পোৱাকৈ থৈ আহিলোঁ। কেনেদৰে থ'লোঁ জানা, এতিয়া যদি তুমি পঢ়ি আছা গম পাইছাই ছাগৈ তুমিয়েই যে মোৰ মাইনা গতিকে তুমি বুলিয়েই কৈছোঁ দেই। সেইদিনা তুমি মৰ্ণিংৱাক কৰিবলৈ যোৱাৰ সময়তে হ'কাৰটোৱে পেপাৰখন দি গৈছিল, মই তাৰ মাজতে কাগজখন থৈ আহিছিলোঁ। তুমি যে পালা মই

সোনকালেই খবৰটো পালোঁ কাৰণ পিছদিনা থানাত প্ৰেছ মিট হৈছিল আৰু ছোৱালীকেইজনী উদ্ধাৰ হৈছিল। দোষী অৱশ্যে সাৰি গৈছিল তথাপিও মনত শান্তি আছিল যে ছোৱালীকেইজনী বাচিল। মই তেতিয়াওঁ সুযোগ পোৱা নাছিলো মহানন্দক আঘাত কৰাৰ। তাৰ মাজে মাজে মই সেই দৰৱৰ বটলটো চাওঁ, কেতিয়ালৈ বা ইয়াৰ সদ ব্যৱহাৰ কৰিব পাৰোঁ। উৎকণ্ঠাৰে মই বাট চাই ৰৈছিলোঁ, সেইকেইদিন তুমিও আলেঙে আলেঙে চাই ফুৰিছিলা কোনে দিছিল সেই বাতৰি। মই মহানন্দৰ প্ৰতি তোমাৰ মনোভাৱ আৰু বেয়া কৰিবৰ বাবে তোমাক শুনাই শুনাই সদায় ৰাতিপুৱাই তাক গালি পাৰিবলৈ লৈছিলোঁ। তুমি আচৰিত হৈ শুনিছিলা কোনো মন্তব্য নিদিয়াকৈ গুচি গৈছিলা। মই বৰ মৰমেৰে তোমালৈ চাওঁ হেঁপাহ জাগে তোমাক যেন সকলোবোৰ কৈ দিওঁ, কিন্তু ক'ব পৰা নাছিলোঁ কিয়নো তেতিয়ালৈ বহুত পলম হৈ গৈছিল। মোৰ হাতলৈ এদিন সুযোগ আহিল গম পাইছিলোঁ চহৰৰে এখন খেলপথাৰত তাৰ এখন মিটিং আছে। মই সুবিধা চাই তাত পালোগৈ, তাৰ কি ভাষণ, ৰাইজৰ সেৱাৰ বাবেই সি অবিবাহিত হৈ আছে। চালা হাৰামী মইহে জানোঁ তই কিয় বিয়া নপতাকৈ আছ, মোৰ ইমানেই খং উঠিছিল যে মই কাষতে থকা শিল এটা মঞ্চলৈ দলিয়াই দিছিলোঁ যিটো ঠিক তাৰ কপালত লাগি হুৰাহুৰে তেজ বৱলৈ ধৰিছিল। উপস্থিত মানুহবোৰৰ মাজত হুৰা দুৰা লাগিছিল আৰু মই সাৰি আহিবলৈ সক্ষম হৈছিলোঁ। এইদৰে কেইবাখনো মিটিঙৰ মাজতে মই বেমেজালি সৃষ্টি কৰি হয়তো সিহঁতৰ দৃষ্টিত পৰিছিলোঁ। আৰু এদিন মই গৈ থাকোঁতে মোক গাড়ীত উঠাই লৈ গৈছিল সিহঁতি মই তেতিয়া লগত সদায়ে বেজীটো আৰু দৰৱটো লৈ ফুৰিছিলো যাতে মই মৰিলেও তাক মাৰিহে মৰিম।

মই সকলোবোৰ নিয়তিৰ ওপৰত এৰি দিলোঁ, সময়ে মোক যি কৰিবলৈ বাধ্য কৰাব তাকেই কৰিম। মই জনা নাছিলোঁ মোক ক'লৈ নিছে, বাটতে কোৱা শুনিলোঁ আগৰ দুবাৰৰ দৰে এইবাৰ চিকিৎসাৰ বাবে নিয়া নাই। তুমি মোক দুবাৰকৈ চিকিৎসাৰ বাবে পঠিয়াইছিলা আৰু ময়ো ভাল হোৱা যেন দেখুৱাই গুচি আহিছিলোঁ। কিন্তু এইবাৰ তুমি মোক পঠিওৱা নাই মহানন্দৰ মানুহে মোক আনিছিল, হয়তো সিহঁতৰ সন্দেহ হৈছিল মোৰ ওপৰত। মই জানিছিলো এয়াই হয়তো মোৰ শেষ যাত্ৰা মনত বহুত আক্ষেপ হৈছিল ইমান কাষতেই থাকিও তোমাক একো ক'ব নোৱাৰিলোঁ আনকি ডায়েৰীখনো দিব নোৱাৰিলোঁ। এঘন্টা মানৰপিছত মোক সৰু এটা ঘৰত সুমুৱাই থ'লে মই বহুত চিঞৰিছিলোঁ, কিন্তু কোনো ফল ধৰা নাছিল। সিহঁতি কাৰোবাৰ লগত কথা পাতি আছিল মই কাণপাতি শুনিলোঁ, হয় সিহঁতি মহানন্দৰ লগতে কথা পাতি আছিল। সি অলপ পিছতে আহিব বুলি কোৱা শুনিলোঁ, মই মোৰ খুচনিৰ পৰা বটলটো ওলিয়াই ল'লোঁ। আৰু চাগৈ মই কেতিয়াও সুযোগ নাপাম, সিহঁতে মোক আৰু জীয়াই থাকিব নিদিয়ে। মোৰো নিজৰ জীৱনৰ প্ৰতি অলপমানো মোহ নাছিল শেষ ইচ্ছা মহানন্দৰ পতন কৰা, গতিকে মই আজি তাক মাৰিবলৈ চেষ্টা কৰিবই লাগিব। মই চিৰিঞ্জত দৰৱটো ভৰাই সাৱধানে থ'লোঁ। কোৱা মতেই সি আহি পাইছিলহি। আহিয়েই সি মোক মাতি আছিল, ঐ, মূৰটো তুল মই তোক চাব বিছাৰোঁ। মই জানিছিলো সি মোক সন্দেহ কৰিছে, আৰু সি ওচৰলৈ আহিলেহে মই তাৰ শৰীৰত বেজীটো ভৰাব পাৰিম গতিকে মই হাতত বেজীটো লৈ তল মূৰ কৰি বহি থাকিলোঁ। বাৰে বাৰে ভগৱানক প্ৰাৰ্থনা কৰিলোঁ এইবাৰ যাতে পাপীটোক মই নাশ কৰিব পাৰোঁ। মই ভৱাৰ দৰে সিও অধৈৰ্য হৈ মোৰ কাষ পালেহি, মই লগালগ চিৰিঞ্জটো তাৰ ঠিক ডিঙীৰ কাষতে হেচি ভৰাই দিছিলোঁ। সি লগালগ চিঞৰি উঠিল, তই, তই ৰীতা, তই জীয়াই আছ। সি হয়তো ভবাই নাছিল মই যে তাক বিহ ভৰাই দিছোঁ খালী চিৰিঞ্জ বুলি টানি ওলিয়াই পেলাইছিল আৰু মোক এটা গোৰ মাৰি দিছিল। মই তাক ক'লোঁ মই তোক মাৰিবলৈকে জীয়াই আছিলোঁ এতিয়া নিশ্চিন্ত মনে মৰিব পাৰিম। তোৰ দেহত মই বিহ ভৰাই দিলোঁ হাৰামী, আজিৰ ৰাতিটো আছে মাত্ৰ তোৰ হাতত। সি খঙত ৰ'ব নোৱাৰি মোক বহুত কোবাল আৰু শেষত মোৰ জননাংগৰ এই অৱস্থায় কৰি মোক থকা ঠাইত পেলাইথৈ গ'লহি।

মাজনী মই এয়া সেহাই সেহাই লিখি আছোঁ, তোমালৈ বুলি। মই পাগলী নহয় অ' তোমাৰ পেহী। তোমাক চাগৈ মাত এষাৰ দিয়াৰ সুবিধা নাপাম আৰু মাজনী, জীৱনটোত বহুত সহিলো, পোৱাতকৈ নোপোৱাৰ সংখ্যাই বেছি। জীৱনৰ কিমান যাতনা পালে মানুহৰ মগজুৰ ভাৰসা হেৰাব পাৰে! তুমি মনলৈ বিষাদৰ ভাৰ নানিবা। মোৰ বহুত ইচ্ছা থকাৰ পিছতো তোমাৰ আগত নিজৰ পৰিচয় দিব নোৱাৰিলোঁ। মোৰ মনে নক'লে নতুন উদ্যমেৰে চাকৰি আৰম্ভ কৰিয়েই তুমি ক'লা অতীতৰ মাজত সোমাই পৰাটো। ভাৰিলোঁ যদি পাৰোঁ নিজেই কৰি চাওঁ, নোৱাৰিলে অৱশেষত তোমাৰ কাষ চাপিম। মই তোমাক ডায়েৰীখন দিবলৈ পাওঁ নে নাপাওঁ সেইটো চিন্তাহে কৰি আছিলোঁ, মোৰ কাপোৰৰ টোপোলাৰ মাজত সদায়ে লৈ ফুৰোঁ। সিহঁতি আনি পিছে মোক আকৌ থকা ঠাইতে থ'লেহি বাবে মোৰ বহুত ভাল লাগিছে। মই ৰাতিপুৱালৈকে মৃত্যুৰ লগত যুঁজ দিম, তোমাক

এবাৰ চাই যাম হেঁপাহেৰে। কালিলৈ পুৱাই তুমি মহানন্দৰ মৃত্যুৰ খবৰ পাবা, তোমাৰ পিতৃ মাতৃৰ হত্যাকাৰীক মই মাৰিলোঁ মাজনী। তোমাৰ পেহীৰ মৰম ল'বা সদায় শান্তিত থাকা।

একেৰাহে দুঘন্টা সময় ডায়েৰীখনত ডুব গৈ থকা ৰত্নাৰ চকুৰ পানীৰে ডায়েৰীৰ পৃষ্ঠা তিয়াই পেলাইছিল। তাইৰ বুকুৰ ভিতৰত অসহনীয় দুখ অনুভৱ কৰি হুকহুকাই কান্দিবলৈ ধৰিলে। কিয় পেহী, কিয় তুমি অকলে অকলে সকলো সহিলা, মই এতিয়া বহুত দুখ অনুভৱ কৰিছোঁ। তাই পেহীয়েকে দি যোৱা টোপোলাটো খুলি সকলোবোৰ বস্তু চালে, মাক দেউতাকৰ ফটোখন চাই তাই পুনৰ কান্দি উঠিল। তাই মনতে থিৰ কৰিলে মহানন্দ, তই যদিওঁ কেনেবাকৈ জী থাক তোক এইবাৰ মই সুদাই নেৰোঁ। তেতিয়া সময়ে পুৱতি তিনি বজাৰ সংকেত দিছিল। তেনেতে তাইৰ মোবাইলটো বাজি উঠিল, চাবুৱা থানাৰ অচিজনে ফোন কৰি জনালে ৰাজনৈতিক নেতা মহানন্দ দত্ত আৰু পৃথিৱীত নাই। হঠাতে অসুস্থ হৈ তেওঁৰ মৃত্যু হ'ল। তাই তেওঁলোকক তালৈ যাবলৈ ক'লে। ফোনটো ৰাখি তাই মনতে ক'লে পেহী তুমি এইবাৰ সফল হ'লা, মই তোমাৰ এই বলিদান মই অথলে যাবলৈ নিদিওঁ। মই কথা দিলোঁ তোমাক আৰু দ্বিতীয় এজন মহানন্দৰ বাবে কোনো ৰীতা পাগলী হ'বলৈ মই নিদিওঁ। তাই থিৰাং কৰিলে পেহীয়েকৰ জীৱন পৰিক্ৰমাক লৈ তাই এখনি গ্ৰন্থ ওলিয়াব যিখন হাজাৰজনী ৰীতাৰ বাবে প্ৰেৰণা হ'ব যাৰ শিৰোনাম দিব "মই পাগলী নাছিলোঁ"। তাই পেহীয়েকৰ সম্পূৰ্ণ বিধিসন্মত কাজ-কৰ্ম কৰিবৰ বাবে অলপ দিনৰ ছুটিৰ বাবে আবেদন লিখিবলৈ আৰম্ভ কৰিলে, তেতিয়ালৈ পূবে বেলি ওলাবলৈ ধৰিছিল।

অৰ্ধ আকাশ - এগৰাকী নাৰীয়ে আন এগৰাকীক নেদেখাকৈ বুজি পোৱাৰ এক মুক্ত আকাশ...

।।

—চয়নিকা বৰগোহাঁই—

# প্ৰাপ্তিৰ ফেহুঁজালি

**নিবেদিতা কলিতা**

উফ আজি আকৌ নিমখ ঢলা কুমজেলেকুৰা টোৰ নিচিনা লাগিল তাইৰ নিজকে... সৰ্বশৰীৰৰ লগতে যেন মনটোও কোচঁ খাই আহিব ধৰিছে তাইৰ... আস ইমান কষ্ট... ইমান কষ্ট... হাঁহি আছে তাই সকলোকে দেখুৱাই... হাঁহিবই লাগিব তাই... তাইৰ মনৰ কষ্ট কাৰো আগতেই ব্যক্ত কৰিব নোৱাৰে তাই... কাকোৱেই... আনকি মনৰ মানুহজনকো... কাৰণ তাই নিবিচাৰে তাইৰ বাবে তাই ভালপোৱা মানুহবোৰ কষ্টত থাকক.. তাইৰ বাবে চিন্তা কৰি থাকক... মনটো যেন কিহবাই আকুঁহি আনে...

ৰুমত সোমাই টিভিটো জোৰকৈ লগাই দিলে তাই... ইমান পৰে চেপি ৰখা কান্দোনটো ওলাই আহিব দিলে তাই... কিয় এনে হ'ল... কিয় কিয় কিয়... কাক সোধে তাই, কোনো নাই উত্তৰ দিবলৈ... কান্দি কান্দি ভাগৰি পৰাৰ পিছত নিজেই বিচাৰি লয় তাই তাইৰ কিয়বোৰৰ উত্তৰ। তাই জানে উত্তৰবোৰ... কিন্তু এই যে অবুজন মনটো... বুজি বুজি নুবুজে...

"ও জীৱন তুমি ৰহনীয়া ৰঙৰে বোল... এপাহি হাহিঁ এপাহি দুখ..." মোবাইলৰ ৰিঙটোনটো শুনি ধহমহাই উঠিল তাই... পৰানৰ ফোন...

"হেল্লো ডাৰ্লিং, কি কৰিছা? আহি পালা?"

"উম... জাষ্ট আহি পালো, মুখ ধোৱাই নাই" কথাখিনি কৈ কৈ থাকিয়েই আইনাৰ সমুখ পালে তাই... মুখখন ৰঙা পৰি আছে কিন্তু মাতটো শুনি ধৰিব পৰা নাই পৰাণে, তাইৰ অভিনয় ভালেই হৈছে মানে... চকুপানীখিনি মোহাৰি নিজকে চাই এবাৰ হাঁহিলে তাই... "মই ভাত খাই লওঁগৈ দেই পৰাণ "

ফোনটো থৈ লৰালৰিকৈ মুখ হাত ধুই শাহুৱেকে বাঢ়ি দিয়া ভাতখিনি খালে তাই, শাহুৱেকে কিবা কিবি কৈ আছিল যদিও ইমান মনোযোগ নিদিলে তাই... এনেই ও-আ কৰি থাকিল তাই... বৰ মৰম কৰে শাহুৱেকে তাইক... ঘৰত মানুহ বুলিবলৈ শহুৰ শাহু আৰু  তাই... পৰাণে দূৰণিবটীয়া ঠাইত চাকৰি কৰে, আহোঁ বুলি আহিব নোৱাৰে, তাইৰো সৰু হ'লেও চৰকাৰী চাকৰি আছে, সেয়ে তাইও পৰাণৰ কাষত গৈ থাকিব নোৱাৰে, সুখী আছিল সিহঁত... দূৰে দূৰে থাকিলেও তেনেদৰেই সন্তুষ্ট হ'বলৈ শিকিছিল সিহঁত। শহুৰ শাহুৱে বৰ মৰম কৰে তাইক । মুঠতে তাই সুখী... বহুত সুখী আছিল। কিন্তু সেই কাল ধুমুহা জাকে তাইৰ যেন জীৱনটো ওলট পালত কৰি দিলে...

উফ কিয় এনে হয় তাইৰ... যেতিয়াই কাৰোবাক সন্তান সম্ভৱা বুলি শুনে, কাৰোবাৰ কেচুৱা হোৱা বুলি শুনে তাইৰ মনটো ভাল লাগে হয়, কিন্তু পিছ মুহূৰ্ত্ততে তাই যেন নিমখ ঢালি দিয়া কুমজেলেকুৱাটো হৈ পৰে। কোচ খাই আহে তাই... যন্ত্ৰণাত ছটফটায় হৃদয়... বুকুখন যেন কিহবাই আকুহি আনে... বাৰে বাৰে উজাই উজাই আহে চেপা কান্দোন...

বিয়াৰ তিনিবছৰ পিছৰ পৰা আৰম্ভ হৈছিল তাইৰ জীৱনৰ, তাইৰ অন্তৰৰ কাহানিও নুশুকাব লগীয়া এটুকুৰা দুখ, এটুকুৰা  ঘা, তেজ হৈ নিগৰিছিল চকুপানীবোৰ... আশা দিছিল পৰাণে জীয়াই থকাৰ... পুনৰ সঞ্জীৱিত হোৱাৰ... মৰি মৰি জীয়াই আছিল তাই... তাই জীয়াই থাকিব লাগিব পৰাণৰ বাবে... তাইৰ দৰে অনাথ ছোৱালী এজনীক বোৱাৰী হিচাপে আদৰি লৈ মৰমেৰে ওপচাই ৰখা শহুৰ-শাহুৰ বাবে... তাই সুখী হ'বলৈ চেষ্টা কৰিছিল পৰাণৰ বাবে, শহুৰ শাহুৰ বাবে... যিসকল তাইৰ সুখত সুখী... তাইৰ দুখত দুখী... তাই কান্দিলে যিসকলে কান্দে... তাই হাঁহিলে হাহেঁ...

জীৱনে বাৰু কিয় এনে খেল খেলিলে তাইৰ লগত, কিয়... কিয় কিয়?? বাৰে বাৰে চিঞৰ বোৰ ঠেকা খাই পুনৰ তাইৰ কাষলৈ ঘূৰি আহে। কাক সুধিব তাই... কোনে দিব তাইৰ কিয়ৰ উত্তৰ... পৰাণে বুজায় "জান তোমাৰ জীৱনটো শেষ হৈ যোৱা নাই নহয়... তুমি একোৱেই হেৰুওৱা নাই... তুমি সৰুৰে পৰা কিমান কষ্ট কৰিছা, আমি দুয়ো মিলি কিমান ঘাত প্ৰতিঘাত পাৰ কৰিছোঁ আমি হাৰ নামানোঁ.. ইমান সৰু কথাটোত আমি কিয় হাৰি যাম ভাল হয় তাই... বুজি উঠে... তাৰপিছত হঠাতে মনটোৱে আকৌ চিৎকাৰ কৰি উঠে ক'ত কি ভুল হৈ গ'ল...  ক'ত ভুল থাকি গ'ল... যাৰ বাবে তাই আজি জিকি জিকি হাৰি যাব

লগা হ'ল...

লোকক দেখুৱাই হাঁহে তাই পৰাণক দেখুৱাই হাঁহে অন্তৰত লৈ ফুৰে সেই দুখৰ কেঁচা ঘা মাজে মাজে ঘা টুকুৰা শুকাবলৈ লয় নিষ্ঠুৰ স্মৃতিয়ে বাৰে বাৰে খুচুৰি দিয়েহি ঘা টুকুৰা পুনৰ তেজ নিগৰে নিজকে বুজায় তাই কি হৈছে একোৰেই হোৱা নাই তাই হাৰি নাযায়, হাৰিব শিকা নাই জীৱন যুজঁত তাই জিকিবই

জীৱনত প্ৰথম বাৰৰ বাবে ইমান সুখী হৈছিল তাই। পৰাণৰ লগত বিয়া হোৱাৰ পিছতো সুখী হৈছিল তাই... কিন্তু সেই সুখ আৰু এই সুখৰ পাৰ্থক্য আছে... এই সুখ মমতাময়ী হোৱাৰ সুখ... এটা নতুন জীৱনৰ সুখ। উপলব্ধি কৰিছিল তাই সুখ... আস্ সুখ... সুখ... সুখ মাথোঁ সুখ... চাৰিওফালে মাথো সুখৰ প্ৰচ্ছায়া... কিন্তু... হঠাৎ যে সুখৰ আইনা খন ভাঙি ঠান বান হৈ গ'ল... আকুঁহি থৈ গ'ল তাইৰ শৰীৰ... অ'ত ত'ত দাগ। যিবোৰ দাগে এতিয়া খুচৰি ৰঙা কৰে তাইৰ কলিজা... পুনৰ তেজ ৰঙা চকুপানী বিৰিঙে তাই শুকুৱাবলৈ চেষ্টা কৰা ঘা টুকুৰাৰ পৰা...

কাৰ সহ্য নহ'ল তাইৰ সুখ... মানুহে কয় মানুহৰ কথা বেয়াকে ভাবিলে, মানুহক বেয়াকে ক'লে অভিশাপ লাগে... দুখ নামি আহে... কিন্তু তাইতো জানি বুজি কেতিয়াও কাকো দুখ দিয়া নাই... বেয়াকে কৈ পোৱা নাই... তেন্তে?

মানুহে কয় ভগৱানক কাতৰে প্ৰাৰ্থনা কৰিব লাগে এই সময়ত, ভগৱানে ভাল কৰে। তাইতো সদায় প্ৰাৰ্থনা কৰিছিল ভগৱানক... তাইক ইমান সুখ দিয়াৰ বাবে বাৰে ধন্যবাদ দিছিল... তেন্তে কি হৈ গ'ল তাই বুজি নাপায়... পুনৰ কিয়বোৰে আহি আমনি কৰে তাইক... কাৰ দোষ... কপালৰ?ভ াগ্যৰ?

পৰাণে কয় কপালত নথকা বস্তু হেনো নাপায়... মমতাময়ী হোৱাৰ সুখ তাইৰ কপালত নাছিল... তেন্তে এই ক্ষন্তেকীয়া সুখ ভগৱানে তাইক কিয় দিলে... আস্ এই কেঁচা ঘা কেঁচা ঘা...

জীৱনটো জানো সদায়ে একে থাকে... ঘাত-প্ৰতিঘাতেইটো জীৱন... নিজকে বুজায় তাই... তথাপি কিয় তাই কলিজাৰ টুকুৰা টোক পাহৰিব পৰা নাই... তাইৰ মঙহৰ টুকুৰা... তাইৰ আৰু পৰাণৰ তেজৰ টুকুৰা... কেনেধৰণৰ সম্পৰ্ক এয়া... পৰাণে বুজায় তাইক, "ভাল হ'ল, মায়া লগোৱাৰ আগতে গুচি গ'ল..." মায়া?? তাইৰ লগত নাছিল নে মায়া... তাইৰ গৰ্ভত স্থিত হোৱাৰ পিছৰ পৰাই টো মায়া আছিল... পেটত হাত ফুৰালেই তাই উপলব্ধি কৰিছিল সেই মায়া... সেই মৰম... মমতাময়ী হোৱাৰ মৰম...

সকলো সুখী আছিল, চাৰিওফালে কেৱল সুখ সুখ সুখ... সকলোৱে ইমান যত্ন লৈছে তাইৰ... ইমান সুখ কেৱল ভাগ্যবান সকলেহে পায়, ভগৱানক বাৰে বাৰে ধন্যবাদ দিয়ে তাই...

আজি কেইদিন মান ধৰি তাই ইমান বেয়া বেয়া সপোন দেখিছে... তাইৰ কলিজাটো... "লাগিলে মোক মাৰি নিয়া প্ৰভু... মোৰ কলিজাৰ টুকুৰা টোক কুশলে ৰাখা"

"your baby has lost its heartbeat in 36 weeks." অহ্ কি ৰিপৰ্ট এইবোৰ... সংজ্ঞাহীন হৈ পৰিল তাই।

তাই যেতিয়া জ্ঞান পালে নিজকে বিছনাত শুই থকা অৱস্থাত পালে..কাষত ডাক্তৰ। ডাক্তৰে কৈ গৈছে, "এইক্ষেত্ৰত তুমিয়েই সকলোতকৈ সাহসী হ'ব লাগিব পৰী, তোমাৰ সাহস আৰু ধৈৰ্যইহে আন মানুহক সাহস দিব।"

কি হৈ গ'ল এয়া... মমতাময়ী হোৱাৰ সকলো দুখ সকলো কষ্ট পালে তাই... মাথোঁ কলিজাৰ টুকুৰাটো তাইৰ কাষত নাই. তাইক সঁহাৰি জনোৱা মঙহৰ টুকুৰাটো নাই..মমতাময়ী হোৱাৰ হেঁপাহত তাই নিজৰ শৰীৰটো এৰি দিছিল... কিন্তু তাই কি পালে? কেতিয়াও নুশুকাবলগীয়া এটুকুৰা ঘা... বহুত ধৈৰ্য ধৰে তাই..তাইৰ ধৈৰ্য আৰু সংযমেই যে আন মানুহবোৰক ভালদৰে ৰাখিব..বহুত কষ্ট হৈছে পৰাণৰ, তাই কান্দিলে সি আৰু কষ্ট পায়... নাকান্দে তাই..তাই জিকিব..জীৱন জিকিব। অপ্ৰাপ্তিৰ শেষত টো প্ৰাপ্তি আহিবই... তাই আৰু পৰাণে পুনৰ আদৰিব নতুনক... তাই পুনৰ দেখিব মমতাময়ী হোৱাৰ সপোন... তাইক প্ৰাপ্তিয়ে পুনৰ পূৰ্ণতা দিব... চকুপানীখিনি মোহাৰি ধৰহ্মহাই বিছনাৰ পৰা উঠিল তাই... খিৰীকীখন বন্ধ কৰিবলৈ তাই আগুৱাই গ'ল... বাহিৰৰ আকাশত তেতিয়া অলেখ তৰাৰ তিৰবিৰণি...

# মহানগৰ, মেট লিপষ্টিক আৰু পিয়না কাশ্যপৰ আইচক্ৰীম বিলাস

নিংকু নিশা নেওগ

শাওণমহীয়া বতৰ। আকাশত ওন্দোলাই অহা কলীয়া ডাৱৰ আৰু সেউজীয়াৰ মাজেৰে ক'লা মোচোৰা গোমসাপৰ দৰে দীঘল দি পৰি থকা ৰাস্তাটো। দিম্পলে বাছখনৰ খিৰিকীৰ কাষৰ ছিটত বেগটো দলি মাৰি বহি ল'লে। সাধাৰণতে এনেকুৱা যাত্ৰাত যদিহে এজন কথাচহকী ৰসিক সহযাত্ৰী ভাগ্যত মিলে তেনে যাত্ৰাত আড্ডা জমি উঠে।

গুৱাহাটীত থকা বৰদেউতাকৰ ছোৱালী মধুলেখাৰ বিয়ালৈ বুলি দিম্পল বাছত অকলেই যাবলৈ ওলাইছে। যোৰহাট আই.এছ.বি.টি.ৰ পৰা বাছখনে নুমলীগড় পোৱালৈকে তাৰ কাষৰ ছিটটোত কোনোৱে বহাহি নাছিল। বৰষুণৰ বতৰ কাৰণেই নেকি আজি বাছত আন দিনাতকৈ মানুহৰ সংখ্যা কম। দিম্পলে আচলতে ভালেই পাইছে। আপোনমনে বাছৰ খিৰিকী খুলি বৰষুণৰ ওফৰি পৰা পানীৰ টোপালবোৰক চকু মুদি গালে মুখে পৰিবলৈ আজাদী দি গৈ আছে।

ঃ এক্সিউজ মি প্লিজ...

তাৰ সুখানুভূতিত মোক্ষম আঘাট লগাই অচিনাকি নাৰীকণ্ঠই তালৈকে উদ্দেশ্যি মিহিকৈ যদিও ডাঙৰকৈ কৈ উঠিল। কথাৰ লগে লগে এটা মৃদু সুগন্ধিও আহি তাৰ নাকত লাগিলহি। মনটো তাৰ নাচি উঠিল। কিন্তু অলপ পিছতেই ভদ্ৰ মহিলাৰ পৰা আহিবলগীয়া কিছু আদেশ মিহলি অনুৰোধটোৰ কাৰণে সি নিজকে প্ৰস্তুত কৰি ল'লে।

ঃ য়েছ...

মনৰ অস্বস্তিখিনি ঢাকিবলৈ চেষ্টা কৰি সি কাণৰ হেডফোনডাল নোখোলাকৈয়ে ক'লে।

ঃ উইণ্ড'খন অলপ বন্ধ দিব নেকি ?

সেমেনা-সেমেনি কৰি ভদ্ৰ মহিলাই কৈ উঠিল। ইফালে বিৰক্তিত দিম্পলে এতিয়ালৈকে চকু মেলাই নাই।

ঃ অহ্ ছিয়ৰ...

ভেকাহি মাৰি দিম্পলে খিৰিকীৰ কাঁচখন সশব্দে বন্ধ কৰি দিলে।

ঃ থেংক ইউ...

ভদ্ৰ মহিলাই মিহি সুৰত তাক ধন্যবাদ জনাই ছিটটোত আৰামকৈ বহি ল'লে। দিম্পলে কিন্তু তাৰ কাষতে বহা ভদ্ৰ মহিলালৈ এবাৰো নাচালে। এই মহিলাবোৰ যে নহয় ! কাকো শান্তিত বহি যাবলৈ নিদিয়ে। অসন্তুষ্ট মহিলাবোৰো আহি আক' তাৰ কাষৰ ছিটটোতহে বহিবলৈ পায়হি। কেতিয়াবা দাদা ৰ'দ পৰিছে খিৰিকীখন বন্ধ কৰি দিয়ক, নহ'লে ভাইটি বৰ বতাহ মাৰিছে খিৰিকীখন অলপ মাৰি দিয়াচোন। এওঁলোকৰ মানে ওজৰ আপত্তিৰ শেষ নাই। দেউতাকে ঘৰত ভুনভুনাই থকাৰ দৰে দিম্পলেও বাছত বহি বহিয়ে ভুনভুনাই বকি থাকিল।

লাহে লাহে বাছৰ গতি বাঢ়ি আহিল। ইতিমধ্যে বাছৰ ছিটবোৰ যাত্ৰীয়ে অধিকাৰ কৰি লৈছেই। গতিকে এতিয়া আৰু ৰখা- ৰখিৰ কাৰবাৰ নাই। হেণ্ডিমেনেও বাছৰ দৰ্জাখন বন্ধ কৰি ড্ৰাইভাৰৰ লগত আড্ডা দিয়া আৰম্ভ কৰি দিলে।

কাজিৰঙা পাৰ হৈ বাছ আহি বুঢ়া পাহাৰৰ কেঁকুৰি কেইটা পায়হি মানে বৰষুণ একেবাৰেই নোহোৱা হ'ল। গৰমত ছটফটনি লাগি দিম্পলে খিৰিকীখন মেলি দিলে। হঠাত বাছৰ গতি আৰু বুঢ়াপাহাৰৰ একাঁ-বেকাঁ ৰাস্তাত কৰ্ফাল খাই দিম্পলৰ কাষত বহি যোৱা ভদ্ৰ মহিলা তাৰ গাতে বাগৰি পৰাৰ দৰে পৰিলহি। হয়তো তেওঁ টোপনি গৈছিল।

ঃ ছ'ৰী, ছ'ৰী... প্লিজ বেয়া নাপাব.. এক্সুৰেলী..

ছোৱালীজনীয়ে ঘটনাৰ আকস্মিকতাত খপজপকৈ সাৰ পাই কিবা কিবি কৈছিল। কিন্তু দিম্পলৰ কাণত হে একো সোমোৱা নাই। বাছত উঠাৰ পৰা খঙত এবাৰলৈও মন নকৰা তাৰ সহযাত্ৰী আচলতে এগৰাকী সুন্দৰী যুৱতীহে।

ঃ ন’ ..ন’..ন’ প্ৰব্লেম। ইটচ্ অ’ক্কে...

ধুমুহাৰ গতিৰে বাঢ়ি অহা হৃদস্পন্দন যাতে যুৱতী গৰাকীয়ে নুশুনে দিম্পল তাৰ প্ৰতি সজাগ হ’ল। দিম্পলে যুৱতী গৰাকীলৈ চালে। ওঁঠত গাঢ় ৰঙা ৰঙৰ মেট লিপষ্টিক। আচলতে এবাৰ তাৰ ভনীয়েকে লিপষ্টিক এটা আনিবলৈ তাক ফোন কৰি অৰ্ডাৰ দিছিল। তেতিয়াই সি ঘঁহি থাকিলেও সহজতে নেৰা, দগৰি এপেট খালেও বিয়পি নোযোৱা এইবিধ লিপষ্টিকৰ নাম শুনিছিল। লেকমি, মেবিলিয়ন,অ’ৰিফফ্লেম... নে কি ব্ৰেণ্ডৰ হ’ব পাৰে যুৱতী গৰাকীৰ ওঁঠত তগবগাই থকা ৰঙা লিপষ্টিকখিনি ? এই ব্ৰেণ্ডবোৰৰ নামো সি ভনীয়েকৰ পৰাই শুনিছে। লেকমিৰ ৰেডটোত কৈ মেবিলিয়নৰ ৰেডটো বেছি ভাল, অ’ৰিফ্লেমটো আক’ ওঁঠৰ কাৰণে ভাল মানে হেল্দী প্ৰ’ডাক্ট। ৰাঃ কিমান যে গণিত থাকে ওঁঠত বগাই ফুৰা ৰঙাখিনিতেই।

ঃ আপুনিও গুৱাহাটীলৈ যাব নেকি ?

দিম্পলে যুৱতীগৰাকীলৈ পুনৰ চালে। যিমানে চাইছে সিমানে সি মুগ্ধ হৈ হৈ গৈ আছে। কিবা যেন অজান যাদুত সি মোহিত হৈ পৰিছে।

ঃ হয়, আপুনিও গুৱাহাটীলৈ যাব নেকি ?

সেপ ঢুকি ঢুকি কোনোমতে মাতষাৰ ওলাল তাৰ। কথাবোৰে তাৰ ডিঙিত খুন্দা মাৰি সুৰ সলাইছে। যেন ওলাব খুজিও কোনবা খিনিত শব্দৰ আঁত হেৰাইছে।

ঃ অহ্...

দিম্পলৰ কথাত যেন তাই দুখী হ’ল।

ঃ ...

ঃ উইণ্ড’ ছিটটো কাইণ্ডলি দিব নেকি ?

মেট লিপষ্টিক লগোৱা যুৱতীগৰাকীয়ে তালৈ চাই অনুৰোধ কৰিলে। তাই কথা ৰঙা ওঁঠদুটা খন্তেকলৈ নাচি উঠে। চকুৰ ক’লা ক’লা মণিদুটাই কথা ক’লে খন্তেকৰ কাৰণে হ’লেও সন্মুখৰজনক আঘাত কৰি যায়। তাই কথাযাৰ ইমান মৰম সানি কয় যে কোনেও তাইৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰে।

ঃ ...

দিম্পলৰ এইবাৰ কি কৰোঁ কি নকৰোঁ অৱস্থা হ’ল। দৌৰি দৌৰি খিৰিকীকাষত ছিট লোৱা ল’ৰাটোৱে কোন সতেনো তাইক ছিটটো এৰি দিব পাৰে। কিন্তু তাইৰ অনুৰোধ নামানিলেও যেন কিবা গুৰুত্বৰ অপৰাধ কৰা হ’ব।

ঃ যদি আপোনাৰ কিবা প্ৰব্লেম আছে দেন অ’কে....

লিপষ্টিক ঘঁহা ওঁঠ দুটা লৰাই লৰাই তাই কথাবোৰ কৈ যায়। দিম্পলে উপায়হীন অৱস্থাত পৰিল। সি এতিয়া নিজৰ ছিটটো এৰিও দিব নোৱাৰে, ধুনীয়া ছোৱালী এজনীৰ অনুৰোধ ৰক্ষা নকৰাকৈ থাকিবও নোৱাৰে।

ঃ একো নহয়, ছিটটো চেঞ্জ কৰিয়ে লোৱা যাওক।

তাই হাঁহি হাঁহি তাৰ ছিটটো দখল কৰি ভালকৈ বহি ল’লে। তালৈ চাই এমোকোৰা হাঁহিৰে ধন্যবাদ জনাবলৈও তাই নাপাহৰিলে।

দিম্পলৰ নাকত লাগি থকা পাৰফিউমৰ সুগন্ধিত সি মতলীয়া হৈ হৈ টোপনিয়াই গৈ থাকিল। বাছ আহি কেতিয়ানো জখলাবন্ধা পালেহি তাৰ খবৰেই নাই। বাছৰ হেণ্ডিমেনে যেতিয়া সকলোকে চাহ- ভাত খাই ল’বলৈ বুলি ডাঙৰ ডাঙৰ কৈ ঘোষণা দিলে তেতিয়াহে তাৰ টোপনি ভাঙিল। চকু মেলোতেই তাৰ গালত কাৰোবাৰ চুলি কেইডালমানে অশান্তি কৰিবলৈ ধৰিলে। লগতে শ্বেম্পুৰ এটা ফিৰফিৰীয়া সুগন্ধি। চুলিৰ উৎস ক’ত বুলি চাওঁতেই দেখিলে সুন্দৰী যুৱতীয়ে টোপনিত লালকাল হৈ তাৰ বাহুতে পুনৰ মূৰ থৈ শুই আছে। এনেতো দিম্পলে মাইকী মানুহৰ চুলি বুলি দীঘল চুলি দেখিলেই ঘৰখন মূৰত উঠাই লয়। মাক- ভনীয়েকৰ কম গালি খাইছেনে সি তাৰ এইটো স্বভাৱৰ কাৰণে। শেষলৈ কেতিয়াবা অকস্মাতে ভাতৰ কাঁহীত ওলোৱা চুলিকেইডালে তাৰ মূখ দেখিলেও চাগৈ টেটুফলা চিঞৰ দিয়া হৈছিল।

আজি কিন্তু দিম্পলৰ ঘিণ লাগক চাৰি, গাভৰুগৰাকীৰ চুলিৰ স্পৰ্শত শিহৰিত হৈহে উঠিছে। সি যদি পাৰিলে হয় তাইৰ মেঘালী চুলিৰ ছাঁতেই গোটেই জীৱন শুই শুই কটাই দিলে হয়। কিন্তু এইকণ সুখো যে বেছি দীঘলীয়া হ'বলৈ নাপালে। কণ্ডাক্টৰৰ আপদীয়া চিঞৰত ছোৱালীজনীও খকা-মকাকৈ সাৰ পাই উঠিল।

খিৰিকীৰ কাষৰ ছিটটো এৰি দিয়াৰ পৰা দিম্পলৰ লাভ নোহোৱাও হয়। সুন্দৰীগৰাকীয়ে তাৰ লগত একেলগে জখলাবন্ধাত নামি ভাত খালে। চিপচৰ পেকেট কিনি এটা তালৈ বুলিও আগবঢ়াই দিলে। সি লওঁ নলওঁ কৈ লাজে লাজে কোনোমতে পেকেটটো ল'লে যদিও খাবলৈ তাৰ লাজ লাগিল। সি মন কৰিলে বাথৰুমৰ পৰা ওলাই অহাৰ পিছৰে পৰা ছোৱালীজনীৰ ওঁঠৰ ৰঙা ৰঙখিনি প্ৰয়োজনতকৈও অধিক টিকটিকিয়া ৰঙা হৈ পৰিছে। হয়তো তাই নতুনকৈ লিপষ্টিকৰ এটা প্ৰলেপ ওঁঠত ঘঁহি আকৰ্ষণীয় কৰি আহিছে।

পুনৰ বাছ চলিবলৈ ধৰিলে। খিৰিকীৰ কাষত বহি তাই ফুচফুচাই ইয়েৰফোন লগাই কাৰোবাৰ লগত কথা পাতিলে। দুবাৰমান দিম্পললৈ চায় মূৰ দুপিয়াই হাঁহি একোটাও মাৰি থাকিল। সি ছিটটো এৰি দিয়াৰ কাৰণেই যে তাই কৃতজ্ঞতাৰ হাঁহি একোটা দলিয়াই আছে সেয়া সিও নুবুজা নহয়।

ঃ গুৱাহাটীলৈ কিবা কাৰণত যায়নে আপুনি ? বেয়া নাপাব দেই সোধাৰ কাৰণে।

ঃ নাই , নাই কিয়নো বাৰু বেয়া পাম.. এক্সুৱেলী মোৰ কাজিনৰ বিয়া। তালৈকে গৈ আছোঁ।

ঃ অহ্ ৰিয়েলী, ময়ো মোৰ বেষ্ট ফ্ৰেণ্ডৰ বিয়ালৈ বুলিয়ে গৈ আছোঁ।

উচ্ছাসত উঠলিহে পৰিব যেন তাই।

ঃ হোৱাট এ কো-ইন্সিডেণ্ট!

ঃ আপোনাৰ নামটো জানিব পাৰোনে ?

ঃ চিয়ৰ, হোৱাই নট! মোৰ নাম দিম্পল। দিম্পল বৰুৱা। আৰু আপোনাৰ ?

ঃ চিন্ময়ী মেধি। কিবা জব কৰি আছেনে নে পঢ়ি আছে ?

ঃ পঢ়িহে আছো। এগ্ৰিকালচাৰত... আৰু তুমি ?

ঃ এম.এচ.চি কৰি আছো আণ্ডাৰ ডি.ইউ.

ঃ অক্কে... তোমাৰ লগত চিনাকি হৈ ভাল লাগিল।

ঃ মি টু...

মিচিকিয়াই হাঁহিলে মাথো তাই। দিম্পলৰ মনটোৱে তাইৰ ফোন নম্বৰটো খুজিবলৈ লকলকাইছিল। কিন্তু খুব কম সময়তে চিন্ময়ীৰ লগত গঢ়ি উঠা বন্ধুত্ব যাতে ফোন নম্বৰ বিচৰাৰ কাৰণেই তিক্ত হৈ নাযায় তাৰ প্ৰতিও সি সমানেই তত্ পৰ। উপায়তো নাই ছোৱালী এজনীয়ে কোন সময়ত কি কথাত বেয়া পায় যায় তাৰোতো পাত্তা নাই। ছোৱালীৰ লগত ভালকৈ কথা পাতিব নাজানে বুলি তাকতো ভনীয়েকেই লাজ দি থাকে। সৰুৰ পৰাই সি ঘৰলৈ আলহী খাবলৈ অহা ছোৱালী দেখিলেই নিজৰ ৰুমত সোমাই থাকিছিল।

জখলাবন্ধাৰ পৰা খানাপাৰা পোৱালৈকে সিহঁতে বহুত কথাই পাতিলে। জখলাবন্ধাৰ হোটেলত খোৱা ভাতৰ টেষ্ট বেয়া লগাৰ পৰা যোৱাবাটৰ টাৰ্ণিঙত তাইৰ চুলিয়ে তাৰ নাক-মুখ ঢাকি ধৰোতে খিলখিলাই হাঁহি উঠালৈকে সময়খিনি চঞ্চল হৈ পৰিছিল। সিহঁতে আমীশ ত্ৰিপাঠীৰ নিউ ৰিলিজ বুকৰ পৰা বলিউডৰ নতুন মুভিখনলৈকে সিহঁতৰ চৰ্চাৰ বিষয় হ'ল। ৰাস্তাৰ কাষত সেউজীয়াৰ মাজত ঠায়ে ঠায়ে ফুলি থকা কৃষ্ণচুড়া, ৰাধাচুড়া, এজাৰৰ ৰঙবোৰ চিন্ময়ীৰ ওঁঠৰ ডাঠ ৰঙা মেট লিপষ্টিকৰ ৰূপত তাৰ চকুৰ আগত নাচিয়েই থকা হৈছে। দিম্পলে নিজক চিকুটি চালে, সি বাৰু চিন্ময়ীৰ প্ৰেমত পৰিবলৈ ধৰিছে নেকি ?

এয়া প্ৰেম নহ'লেও গভীৰ আকৰ্ষণৰ সোঁতত যে দিম্পল পাক-ঘূৰণি খাই খাই ক্ৰমশঃ ডুবিবলৈ ধৰিছে সেয়া খাটাং। তাৰ চকুৰ আগত মেট লিপষ্টিক লগোৱা দুটি ওঁঠৰ লয়লাস ভংগীৰ মাজেৰে সৰকি পৰা শব্দবোৰে তাৰ বুকু ভেদি গৈ কলিজা চুইছেগৈ। কবিতা কবিতা লগা চিন্ময়ীৰ নামটোৰ দৰেই তাইৰ কথাবোৰ। কথা ক'লে মুখৰ পৰা শব্দ নসৰে সৰি পৰা একোটা সৰু সৰু কবিতাৰ টুকুৰা। আহ্! মানুহ ইমান মোহনীয় কেনেকৈ হ'ব পাৰে?

ভাৱি ভাৱি দিম্পলে নিজৰ মূৰটো বাছৰ ছিটত হাওলাই দিলে। কিন্তু তেতিয়াই বাছখনে ব্ৰেক মাৰি দিয়াত তাৰ চকুৰ

কল্পনাত নাচি থকা এযোৰ ৰঙা ওঁঠ অদৃশ্য হৈ পৰিল। সি চকু মেলাৰ আগতেই বাছৰ কণ্ডা'’ৰৰ চিঞৰ কাণত পৰিলহি। "খানাপাৰা, খানাপাৰা, নামি ল'ব নামি ল'ব। লাষ্ট ষ্টপেজ, নামি ল'ব।"

অতি ক্ষিপ্ৰতাৰে বাছৰ মানুহবোৰ হুৰমুৰকৈ নামি গ'ল। চিন্ময়ীও হঠাত মানুহৰ ভিৰৰ মাজে মাজে খৰখোজেৰে গুচি গৈছে। আনহে নালাগে তাক বিদায় জনায়ো নগ'ল। সি তাইলৈ চাওঁতে মানুহৰ ভিৰৰ মাজেৰে কেবল তাইৰ পিচ্চ কালাৰৰ পালাজ্জ'ৰ তলেৰে ওলাই থকা ব্লেক হাইহিলজোৰ আৰু বাউলী হৈ চুলিখিনি পিছফালে দৌৰি থকাহে দেখা পালে। দিম্পলৰ মনটো এসোপা বিৰক্তিৰে ভৰি পৰিল। প্ৰায় সাত ঘণ্টাৰ বেছি সময় যিজনী ছোৱালীয়ে হাঁহি হাঁহি তাৰ লগত কথা পাতিলে, তাৰ কান্ধত মূৰ থৈ টোপনি গ'ল, তাৰ পচন্দৰ ছিটিটোও সি যাৰ কাৰণে বিনা প্ৰতিবাদে এৰি দিলে সেইজনী ছোৱালীয়ে বাছৰ পৰা নামি যাওঁতে তাক মাত এষাৰো লগাই নগ'ল। ধুৰ চ্যাল্লা... সেই কাৰণেই সি মহানগৰ বেয়া পায়। ছোৱালীৰ লগত কথা নাপাতে।

বিষণ্ণ মনেৰে দিম্পলে গণেশগুৰিলৈ যোৱা ট্ৰেকাৰ এখনত উঠি দিলে। তেতিয়া আবেলি চাৰি বাজিছেহে। তাৰ সম্বন্ধীয় ভনীয়েক, আচলতে ভনীয়েক ঠিক নহয় সিহঁত কাণসমনীয়াই। তাইৰ বিয়াৰ ৰিচেপচনলৈ এতিয়াও বহুপৰ বাকী। গতিকে দিম্পলে বিয়া খাবলৈ অহা আলহীৰ কাৰণে বুক কৰি ৰখা ল'জখনতেই গৈ অলপ শুই ল'লে।

সন্ধিয়া ৭ বজাৰ পিছতহে সি সাৰ পাই বিয়া খাবলৈ ওলাল। গাৱৰ বিয়াৰ দৰে মনত কোনো ধৰণৰ উলহ-মালহ নাই। গণেশ মন্দিৰৰ ওচৰৰে "দ্য শ্বুইং" নামৰ অত্যাধুনিক বিবাহ ভৱনত মধুলেখাৰ বিয়াৰ ৰিচেপশ্বন। ৰিচেপশ্বন হলৰ সন্মুখভাগ বিবিধ ফুলেৰে সজাই তোলা হৈছে। ৰঙিন লাইটৰ মায়াবী পোহৰৰ মাজেৰে সি ভিতৰলৈ সোমাই গ'ল। কইনাৰ সাঁজত মধুলেখাক বৰ শুৱাইছে। মুখৰ মেকআপ আৰু সুমথিৰা ৰঙী কাপোৰযোৰেৰে তাইক তুলি ধৰিছে।

ঃ পিয়না, পিয়না... ৰ'বা ময়ো গৈছো।

দিম্পলে বৰদেউতাক- বৰমাকক মাত লগাই বহিবলৈ ধৰিছিলহে, তিনি চাৰি বছৰীয়া ছোৱালী এজনীয়ে তাৰ কাষেৰেই দৌৰ মাৰিলে। তাইৰ লক্ষ্যস্থান আইচক্ৰীম। পিছে পিছে মাকজনীয়েও খৰ খোজ দি তাইক অনুসৰণ কৰিলে।

ঃ পিয়না... ৰ'বা পিয়না।

নাই, কণমানিজনীয়ে আজি কাৰো কথালৈ কাণ দিয়ে। তায়ো জানে আজি মাকৰ যিমান খং উঠিলেও অতসোপা মানুহৰ সন্মুখত তাইক দুচাটমান নিদিয়ে। দিম্পলৰ সম্মুখতেই পিয়না নামৰ কণমানিজনীয়ে তিনিবাৰ আইচক্ৰীমৰ বাতি খুজি খুজি আনি খালে। ইফালে লাজে খঙে মাকৰ মুখৰ বৰণ চাবলগীয়া হৈ গৈছে।

দিম্পলেও খাই লোৱাৰ কথা ভাৱিলে। প্লেট এখন লৈ সি পোলাও, প্লেন ৰাইচ, চিকেন, মাটন আদি বিবিধ ব্যঞ্জন সজাই ৰখা ঠাইখিনিত থিয় দিলেগৈ। হাতত প্লেট লৈ লৈ খাবকৈ সি প্ৰথমে অসহজবোধ কৰিলেও ভোকত নোখোৱাকৈও নাথাকিল।

ঃ পিয়না, পিয়না.... মই কৈ আছিলোনে তোমাক পৰি যাবা বুলি ? চাওঁ, চাওঁ দুখ পালা নেকি ?

সি আইচক্ৰীম ৰখা ঠাইখিনিলৈ চালে। পিয়না কাশ্যপ নামৰ কণমানিজনী মাৰ্বলৰ মজিয়াত পিচল খাই পৰি আছে। তাইৰ হাতৰ আইচক্ৰীমৰ বাতিটো দুহাতমান দূৰত লুটি খাই পৰি আছে। বেচেৰী ছোৱালীজনী ! দিম্পলে পিয়নালৈ চাওঁতেই তাই লাজতে ভে ভেকৈ চিঞৰি কান্দিবলৈ ধৰিলে। মাকে তাইক মজিয়াৰ পৰা উঠাই দিওঁতে তাইৰ কান্দোন কমক চাৰি বাঢ়িলহে। কাৰণ স্বাভাৱিক। পিয়নাৰ ধুনীয়া গুলপীয়া ফ্ৰকটোত আইচক্ৰীম লাগি গোটেইখন ফুল বাচি পেলালে।

খাম বুলি ভাৱিও দিম্পলে আইচক্ৰীম নাখালে। কিন্তু অলপ পিছতে পিয়নাই যেতিয়া মাকৰ কোলাৰ পৰা নামি আকৌ আইচক্ৰীমৰ ওচৰলৈ দৌৰ মাৰিলে, তাৰো খাবলৈ মন গ'ল। উঠো- নুঠোকৈ সেমেনা-সেমেনি কৰি গৈ সিও আইচক্ৰীমৰ বাতি এটা উঠাই ল'লে। কিন্তু... হঠাত

হঠাত মধুলেখালৈ তাৰ চকু গ'ল। তাইৰ কাষতেই অলপ আগতে বাছত লগ পাই অহা চিন্ময়ীয়ে বিবিধ ভংগীমাত প'জ দি দি ফটো উঠিছে।এবাৰ কইনাক হাতেৰে ধৰি লৈ ফটোৰ প'জ দিছে যদি আনবাৰ কইনাৰ পিছফালে থিয় দিছে। নহ'লে ছেলফি উঠিছে বিভিন্ন ষ্টাইলত। সি চিন্ময়ীলৈ চালে। চিন্ময়ীয়ে এতিয়া গুণাৰ সৰু সৰু ফুল বচা সাগৰ নীলা পাটৰ কাপোৰ এসাঁজ পিন্ধিছে। ওঁঠত ডাঠ ৰঙা মেট লিপষ্টিক। তাইক দেখিবলৈ সাংঘাতিক ধুনীয়া লাগিছে।

চকলেট ফ্লেভাৰৰ আইচক্ৰীম এচামুচ বাতিটোৰ পৰা লৈ দিম্পলে মুখত দিলে। এটা চেঁচা চেঁচা মিঠা আলসুৱা সোৱাদ তাৰ ওঁঠৰ পৰা জিভা হৈ ডিঙিৰে সুৰুক কৰে সৰকি গ'ল। চেঁচা সোৱাদটো ডিঙিৰে পাৰ হৈ যাওঁতেই আইচক্ৰীম লাগি চেঁচা পৰি যোৱা জিভাখনেৰে তালুত হেঁচাটো দি ঠাণ্ডাখিনি দাঁতলৈ ঠেলি পঠোৱাৰো যে সুকীয়া আমেজ আছে। সোৱাদৰ আমেজত আধা মুদা চকুৰেই সি চিন্ময়ীলৈ চালে। তাই খিলখিলাই হাঁহি হাঁহি তাৰ কাষেৰেই এইমাত্ৰ পাৰ হৈ গ'ল। তালৈ নাচালেও। তাইৰ লগত এজন চৌখিন ডেকা। ডেকাৰ পৰিপাটি সাঁজ পোচাক। প্ৰথম দেখিলেই মানুহ মুহিব পৰা চেহেৰা। হয়তো চিন্ময়ীৰ প্ৰেমিক! নহ'লে বন্ধু।

দিম্পলে নাচাওঁ বুলিও তাইলৈ ঘূৰি চালে। কিন্তু চকু পৰিলগৈ তাইৰ কপালতহে। তাইৰ কপালত এক বিন্দুসম ৰঙা সেন্দূৰ। তাৰমানে চিন্ময়ী বিবাহিতা ? তাৰ হাতৰ চামুচখনৰ পৰা আইচক্ৰীমখিনি গলি গলি মাৰ্বলৰ মজিয়াত টোপ টোপ কৈ পৰিবলৈ ধৰিলে। কিছুসময়ৰ আগৰ প্ৰথম চিনাকিতে তাৰ বুকুত বাহ লোৱা মাদকতাখিনি হাতত লৈ থকা আইচক্ৰীমখিনিৰ দৰেই খন্তেকীয়া হৈ পৰিল।

ঃ পিয়না, পিয়না ষ্টপ... কিমাননো আইচক্ৰীম খাই থাকা আৰু....

কথাবোৰ দিম্পলৰ কাণত নোসোমায়। চকলেট আইচক্ৰীম আৰু চিন্ময়ীৰ কপালৰ বিন্দুমাত্ৰ সেন্দূৰৰ ৰং এটাই তাৰ ডিঙিটো চেঁচা কৰিহে আনিছে দেখোন... *ক্ৰমশঃ*

"অৰ্ধ আকাশ"-এক নাৰীশক্তি। এই শক্তিয়ে প্ৰতিগৰাকী নাৰীক প্ৰেৰণা দি
বিভিন্ন দিশত আগবঢ়াত সহায় কৰে।

।।

—সুপ্ৰিয়া দত্ত বৰুৱা—

# ধুমুহাই ধুই নিয়া সময়ৰ শেষত...

**পম্পী বৰা বৈশ্য**

(1)

কিমতে ভকতি কৰিবো তোমাক হৰি এ এ.. মই মোহ মতি ই... নাজানো তোমা.. আ. ..ক...হৰি..ইই ই.....।

নাই, মাতটো যেন কিহবাই হেঁচি ধৰিছে। চকুৰে বৈ থকা পানী খিনি যেন পাৰ ভাঙি ওলাই আহিব বিচাৰিছে। মূৰটো দাঙি আঁঠুকাঢ়ি থকাৰ পৰাই ৰীণাই থাপনাখনলৈ চালে। হয়, তাইৰ এই যোল্ল বছৰীয়া অকলশৰীয়া জীৱনৰ একমাত্ৰ বিশ্বাসী, আশা ভৰসাৰ থল এই থাপনাখন। যাৰ আগত তাই মনৰ সমস্ত দুখ খং অভিমান ক্ষোভ প্ৰকাশ কৰিব পাৰে দ্বিধাহীনভাৱে। সুখ দুখৰ প্ৰতিটো মুহূৰ্ততে এই থাপনখনৰ পৰাই ৰীণাই সাহস আৰু আশীৰ্বাদ পাই আহিছে। যেতিয়াই কিবা এটা সিদ্ধান্ত ল'ব লগা হয়, তেতিয়াই তাই দৌৰি আহে এই থাপনা খনৰ কাষলৈ আৰু যেন ইয়াতেই পাই যাই সকলো উত্তৰ।

সেইদিনা আছিল ভাদ মাহৰ সংক্ৰান্তি। গোটেই গাঁৱৰ ৰাইজে লগ হৈ ৰাতি দুপৰলৈকে নামঘৰ ত নাম গাইছিল। গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ীৰ পৰা শেঙুন উজুৱাকেইটালৈকে নাম ৰসত মজি গৈছিল। ডবা কাঁহ নাগাৰাৰ শব্দই গাঁৱৰ আকাশ বতাহ মুখৰিত কৰি তুলিছিল।

ৰীণাক শাহুয়েকে "এইটো গাৰে ৰাতি তই নামঘৰ লৈ যাব নালাগে,মই সোনকালে আহিম" বুলি কৈ ফুট গধূলিতে ওলাই গৈছিল।

মানুহটোৰ কথাটো ক'বই নালাগে। নাম বলিয়া মানুহটোৱে এই ভাদ মাহটোত তাইৰ ভালকৈ খবৰ এটা ল'বলৈও যেন আহৰি পোৱা নাই। তাতে আকৌ সেইদিনা সংক্ৰান্তিৰ নাম। স্কুলৰ হেড্ ছাৰক ছুটিৰ বেলটো উপৰ শ্ৰেণীৰ ল'ৰা এটাৰ হতুৱাই মাৰিবলৈ কৈ আজি সোনকালে আহিছিল সি ঘৰলৈ। তাৰ পিছতে কোবাকুবিকৈ গাটো তিয়াই , জলপান অকণ নাকে মুখে গুজি, তেতিয়াতে নামঘৰলৈ গ'ল ।

ৰীণাই অকলে অকলে বাৰাণ্ডাৰ খুঁটাটোতে আউজি নামঘৰৰ পৰা ভাঁহি অহা নামৰ শব্দবোৰ হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰি আছিল। নাই, আজি কিবা এটা শোকে যেন মনটো আগুৰি ধৰিছে। মানুহটোৰ মুখখনেই বাৰেবাৰে আহি আছে মনলৈ।

দুবছৰৰ আগতে ৰাস পূৰ্ণিমাত ৰাধা হওঁতেই সি তাইক পছন্দ কৰিছিল। তাৰ দৰে নিমাখিত মৰমিয়াল বৰ পোৱাটো তাই নিজৰে সৌভাগ্য বুলি ভাবে।

"শংকৰদেও কিনো তোমাৰ লীলা, অত ৰাতি ভকতক নামেৰে মুহিলা।" সুললিত কণ্ঠৰে তাইৰ অতি মৰমৰ মানুহজনৰ মাতটো শুনাৰ লগে লগে তাই আৰু ৰ'ব নোৱাৰিলে। কেনেকৈ যে বাৰীৰ পিছফালৰ লুং লুঙীয়া বাটটোৰে গৈ নামঘৰৰ পদূলি পালে গমেই নাপালে। উঃ গামত তিতি বুৰি নামগোৱাত ব্যস্ত মানুহতো দেখি তাইৰ অজানিতে চকু দুটা সেমেকি উঠিল।

সেইদিনা সিহঁত বিছনালৈ যাই মানে ৰাতি এপৰ হৈছিল। শোৱাৰ সময়ত সি তাইৰ উফন্দি থকা পেটটোত হাত বুলাই কৈছিল," সদায় ভগৱান ৰ ওপৰত বিশ্বাস ৰাখি চলিবি, দেখিবি এদিন আমাৰ পোনাকণ ডাঙৰ মানুহ হব। এই গাঁৱৰ নাম উজ্জ্বলাই তুলিব।" তাই কুচি মুচি তাৰ সবল দুবাহুৰ মাজত সোমাই পৰিছিল।

পিছদিনা পুৱাৰ পৰাই ৰীণাৰ গাটো বেয়া লাগি আছিল। তল পেটটোত ধৰি ধৰিয়েই কোনোমতে গাটো ধুই থাপনাখনত সেৱাটো কৰি আহিল। চাহকণ বাকীও খাবলৈ মন নগল তাইৰ। পেটটো বেছিকৈ বিষাব ধৰাত তাই শাহুয়েকক ক'লে কথাটো। শাহুয়েকে বোলে,"তই অলপ জিৰণি লগৈ যা। ভাতকেইটা ময়েই বঢ়াই দিওঁ। কালি মোৰ কথা নুশুনি গৈছিলি নহয় ৰাতিখন। গাটো বেছি বেয়া কৰিলে ৰুণো বাইটিকে মাতি পঠাব লাগিব। ই সোন পুৱাতে আকৌ ক'লৈ ওলাই গ'লনো। বাপেকি হ'বৰ হ'ল, এতিয়াও গাত কথা নালাগেই। কি যে হ'ব তহঁতক লৈ।" মুখেৰে ভোৰভোৰাই ভোৰভোৰাই শাহুয়েকে কেঁচা খৰিকেইডাল ৰ'দত মেলি দিলে।

(2)

আঃ পেটটো দেখোন বেছিকৈ বিষাব ধৰিছে। কিবা এটা যেন তললৈ নামি আহিছে এনে লাগিল তাইৰ। শাহুয়েকক চিঞৰি মাতিবলৈও কিবা জোৰ নাইকিয়া যেন লাগিছে। ইনো আজি ইমান দেৰি কৰিব লাগেনে। পুৱাতে বৰশীটো লৈ ওলাই গৈছে।

মাছ মৰাটো তাৰ পুৰণি নিচা। হাতখন তাৰ ভাল। খালি হাতে কেতিয়াও উভতিব লগা নহয়। যোৱা ৰাতিয়েই সি কৈ থৈছে, "এই মাহটো শুদা ভাত খাই খাই আমনি লাগিছে। দ্বীপেনহঁতৰ হোলাটোলৈ পুৱাই বৰশীটো নিব লাগিব।"

এনেতে কোনোবা এটা ই বাটৰ পৰাই চিঞৰা শুনিলে,"খুৰীদেউ সোন আছে নে?'

শাহুয়েকেনো কি ক'লে তাই শুনা নাপালে। মূৰটো কিবা আচান্দ্ৰাই কৰা যেন লাগিছে। লাহেকৈ বিছনাখনৰ পৰা নামি শাহুয়েকক মাতো বুলি লওঁতেই বিছনাৰ গাৰু শিতানৰ ওপৰতে বন্ধাই আৰি থোৱা সিহঁত দুয়োটাৰ যুগ্ম জীৱনৰ প্ৰথম ফটোখন পৰি থাকিল। তাই হঠাৎ ফটোখন পৰাত উচপ খাই উঠিল। সাধাৰণ জেঠী এটা পাৰ হওঁতেই ফটোখন পৰি ভাঙি যোৱাত ৰীণাৰ সৰ্বশৰীৰ কঁপি উঠিল। বুকুখনত যেন কোনোবাই জোৰেৰে আঘাত কৰিছে এনে লাগিল তাইৰ। ভয়তে তাইৰ হাত ভৰি চেঁচা পৰি গ'ল। এনেতে বাহিৰত মানুহৰ হুলস্থুল শুনাত তাই ওলাই আহিব ধৰোতেই কাষৰ ঘৰৰ মিৰা পেহীয়ে দৌৰি আহি তাইক সাৱতি ধৰি কান্দিবলৈ ধৰিলে। কি হৈছে তাই একো উমঘামেই পোৱা নাছিল।

ই, সোণৰো এতিয়ালৈকে দেখা দেখি নাই। কলৈনো গ'ল বাৰু আজি ??

(3)

কাৰ কি হৈছে পেহী... বুকু ভেদি ওলাই অহা তাইৰ মাতটো কিবা এক গেগনিৰ দৰেহে শুনা গ'ল।

ইতিমধ্যে ৰীণাৰ নিম্নাংশইদি তেজৰ সোঁত ববলৈ আৰম্ভ কৰিছিল। মানুহবোৰৰ গুণগুননি, কান্দোনৰ শব্দত তাই দৌৰি বাহিৰলৈ ওলাই আহিব খুজিছে যদিও শৰীৰটো চোন কিবা এক দাঙিব নোৱাৰা বোজা হৈ পৰিছে।

"এইৰ পানী ভাঙিছে, চিভিল লৈ নিব লাগিব, গাড়ী এখন আন অই..."

"উঃ উঃ আজিৰ দিনটোত হে এনে হব লাগেনে..."

"হে প্ৰভু, এইবোৰ কি কৰিছা তুমি..."

"মাকজনীও পাগলী হ'ব এতিয়া..."

"বাপেকৰ লুইয়ে খেদিছে তাক..."

কোঠাটোত গোট খোৱা মাইকী মানুহখিনিৰ কথাত ৰীণাই চিঞৰি উঠিল, "কাৰ মাক পাগলী হ'ব... সোণ ক'লৈ গ'ল... উঃ কি হৈছে মোৰ... সোণ... সোণ"

আঃ কিবা এটাই যেন শৰীৰটো খহাই নিছে তাইৰ। এইখিনি সময়ত সোণক লাগে। শাহুয়েক জনীনো ক'লৈ গ'ল আকৌ। "সোণ সোণ... আঃ ই ক'ত আছে"

"ধৈৰ্যধৰ আই, ভগৱানৰ নাম ল... সোণ আহিব... ৰুণো বাইটি আহিছে, তোৰ কাম হৈয়ে যাব এতিয়া"

আধা মেলা চকুৰে তাই দেখিলে, মুখ ধাকি কান্দি কান্দি ৰুণো বাইটিয়ে তাইক চিভিললৈ নিয়াৰ কথা কৈ আছে।

কিয় কান্দিছে সকলোৱে। কিবা নহ'বলগীয়া ঘটনা ঘটিল নেকি? ৰুণো বাইটিৰ দৰে কঠিন বুলি ভবা মানুহজনীয়েও কান্দিছে।

অসহ্য প্ৰসৱ বেদনা লগতে মানসিক যন্ত্ৰণাত কান্দি কান্দি বাউলি হোৱা ৰীণাই মুখেৰে কেৱল বিৰবিৰাই থাকিল। সোণ... সোণ...

কোনোবা কেইজনীমানে তাইক ধৰি আনি গাড়ী এখনত তুলি দিলে। ঘৰৰ বাহিৰত ইমানবোৰ মানুহ... শাহুয়েককো দেখোন মাইকী মানুহ কেইজনীমানে

আগুৰি মূৰত পানী দি আছে।

উঃ... আঃ... কি হ'ল বাৰু আজি...

ভগৱান, তুমি কি কৰিছা এইবোৰ... সোণ ক'লৈ গ'ল... সোণ...

"সন্তানটোৰ কথা ভাব আই... অলপ জোৰ দেচোন... আমি আছোঁ বাহিৰতে..."

মূৰত হাত বুলাই মিৰা পেহীয়ে কোৱা কথাকেইটা শুনি ৰীণাই চকু মেলি দেখিলে, তাই দেখোন হস্পিটেলৰ বিছনাত।

প্ৰসৱ যন্ত্ৰণা দুখৰ নে সুখৰ... তাই একো চিন্তা কৰিব পৰা নাই। এই দিনটোলৈকে ইমান আশাৰে বাট চাই আছিল দুয়ো...।

সোণে বাৰু এই মুহূৰ্তত তাইক অকলে এৰিব লাগেনে। খঙ এটা উঠি আহিল তাইৰ। সদায় তাইৰ কাষতে থাকিম বুলি কয়, অথচ এইখিনি মুহূৰ্তত নাই। তাক নামাটো মই।

আঃ... কৃষ্ণ প্ৰভু...

সকলো বাধা নেওচি যেন ৰীণাৰ তল পেটটো খালী কৰি এক জীৱন্ত সত্তা তাইৰ দেহৰ পৰা ওলাই আহিল।

কেঁচুৱাৰ কান্দোন... মানে

"বাইদেউ, আপুনি কৃষ্ণ প্ৰভুৰ নাম ল'লে যে সেইকাৰণে আপোনাক এটা কৃষ্ণ পোৱালিয়ে দিছে দেই" নাৰ্চগৰাকীৰ কথা শুনি তাইৰ মনটো ক্ষন্তেক পোহৰ হৈ পৰিল যদিও সোণৰ কথা মনলৈ অহাৰ লগে লগে আকৌ কান্দোনত ভাঙি পৰিল।

## (4)

কপালত তপত চুমাৰ মিঠা পৰশত ৰীণাই চকু মেলি চালে।

"সোণ, তুমি... ক'ত আছিলা ইমান সময়... মানুহবোৰে যে কি কি কৈ আছিল... মই ভয়ে খাইছিলোঁ... আমাৰ এটা ল'ৰা হৈছে.. "তাই উঠি বহিব খোজত সি লাহেকৈ তাইৰ কান্ধত ধৰি শুৱাই দিলে। তাইৰ হাত এখন তাৰ দুহাতৰ বান্ধোনত লৈ সি ক'লে, "মই জানো... তাক চাই আহিছোঁ... বহুত ধুনীয়া আমাৰ ল'ৰাটো... মইতো মাছ আনিবলৈহে গৈছিলো। আমাৰ ল'ৰা হৈছে , মাছ বিলাব লাগিব।"

"কেঁচুৱাটোক মই ভালকৈ চাবলৈ পোৱাই নাই জানা... নাৰ্চগৰাকীয়ে কোলাত দিছিল যদিও ইমান সৰু যে চাবলৈ ভয়েই লাগিল।"

"ধেৎ আঁকৰীজনী, কেঁচুৱা আকৌ ডাঙৰ কেনেকৈ হ'ব। তই মাকজনীয়ে যদি ভয় কৰ... মই কেনেকৈ লম... তোৰ বহুত কষ্ট হৈছে ন... এতিয়া আৰাম পাইছ নে..."

"তুমি আহিলা যেতিয়া মোৰ সকলো দুখ কষ্ট নোহোৱা হৈ গ'ল। তুমি সদায় মোৰ কাষতে থাকিবা দেই।"

ৰীণাৰ হাত দুখন তাৰ বুকুৰ মাজত লৈ সি কৈ উঠিল, "সদায় মই তহঁতৰ লগতেই থাকিম। তই অলপ ৰেষ্ট লচোন। মই বাহিৰতে আছোঁ।"

কপালতে চুমা এটা আঁকি সি ওলাই গ'ল।

সি ওলাই যোৱাৰ ফালে চাই থাকি তাইৰ নিজকে কোনোবা দূৰ সাগৰৰ পাৰত অকলে বহি থকা যেন লাগিল। এনে লাগিল সি যেন সাগৰৰ ঢৌৰ মাজে মাজে গৈ থকা এখনি পাল তৰা নাও...

"কেঁচুৱাৰ জন্মৰ পৰা আঠ চল্লিছ ঘণ্টা মানে কমেও তিনিদিন আমি নিজৰ অবজাৰ্ভেচনত ৰাখো। এইখিনি সময়ত মাক আৰু কেঁচুৱাক বিশেষ যত্ন লোৱাটো প্ৰয়োজন। তাতে কেঁচুৱাটোৰ ওজন অলপ কম আৰু মাকো বহুত দুৰ্বল হৈ পৰিছে।"

হাতত প্ৰেছাৰৰ যন্ত্ৰটো লগাই কথা কৈ থকা ডাক্তৰৰ মাতটো শুনি ৰিণাই চকু মেলি দেখিলে, কাষত মাক, মামীয়েক আৰু কেইবাগৰাকীও মানুহ। ভায়েকে ডাক্তৰৰ লগত কথা পাতিছে।

তাইৰ কোলাত এইয়া...তাইৰেই সন্তান... ন-মাহ গৰ্ভত লৈ ফুৰি সপোন এইটো... আই অ, ইমান মৰম লাগিছে... মাতৃৰ মমতাৰে তাইৰ দুচকু সেমেকি উঠিল। নাৰ্চ এগৰাকীয়ে কেঁচুৱাতোৰ মুখখন পিয়াহত লগাই দিলে। কণমানি মুখখনেৰে গুলপীয়া ওঁঠ দুটা লৰাই লৰাই খাবলৈ চেষ্টা কৰা দেখি তাইৰ বুকুখন আৱেগত নাচি উঠিল। লাহেকৈ সৰু হাত এখন চুই মৰম কৰি দিলে তাই।

"আপোনালোকৰ লগত আমাৰ দুগৰাকী নাৰ্চ যাব আৰু আশা বাইদেউটো আছেই। কেঁচুৱাটোৱে যাতে অলপো কষ্ট নাপাই দেই। কিবা অসুবিধা পালেই লগে লগে লৈ আনিব। মানৱতাৰ খাতিৰত যাবলৈ দিছোঁ। নীতি-নিয়মখিনি শেষ হ'লেই এবাৰ লৈ আনিব।"

ডাক্তৰে কৈ থকা কথা খিনি শুনি তাই মাকলৈ চালে। চাদৰৰ আচলৰে মুখ ঢাকি তাইৰ চুলিত হাত বুলাই থকা মাকে তাই চোৱাৰ লগে লগে উঠি গুচি গ'ল। যেন তাইৰ পৰা পলাব খুজিছে। "মামী, ডাক্তৰে কঁলৈ নিয়াৰ কথা কৈছে। সোণ বাহিৰতে আছে নেকি। মাতি দিবচোন।"

"আমি এতিয়া ঘৰলৈ যাম। সোণ তাতেই আছে। তোৰ কাৰণেই ৰৈ আছে সি।" মুখ টিপি টিপি চলচলীয়া চুকুৰে কোৱা মামীয়েকৰ কথাত ৰীণাৰ বুকুখন আকৌ ধান বনাদি বানিবলৈ ধৰিলে।

"সোণ ঘৰলৈ কিয় গ'ল। অলপ আগতে সিতো বাহিৰতে থাকিম বুলি কৈ গৈছে মোক।"

"ধৈৰ্য ধৰক বাইদেউ। এতিয়া এই কেঁচুৰাটোৰেই আপোনাৰ সোণ" নাৰ্চগৰাকীৰ কথাত ৰিণাই চিৎকাৰ কৰি উঠিল।

"কিয়, কি হ'ল সোণৰ... সিতো অলপ আগতে মোৰ ওচৰলৈ আহিছিল। ইয়াতে বহি কথা পাতিছিল।"

তাইক বুকুৰ মাজত সুমুৱাই মামীয়েকে ক'লে — "আই অ, ধৈৰ্য ধৰ। সি অহা নাই। তোৰ ভুল হৈছে। সি আৰু কেতিয়াও নাহে।"

"কিন্তু... কিয়... কি হ'ল সোণৰ..."

"ৰাতিপুৱা মাছ মাৰিবলৈ যাওঁতে দ-খাৰৈত পৰি গ'ল অ সি।"

মামীয়েকে আৰু কি ক'লে ৰীণাৰ কাণত নোসোমাল।

(5)

কেঁচুৱাৰ কান্দোন শুনি ৰীণাই চকু মেলিলে। প্ৰেচাৰ কৰি তিয়াই পেলোৱা কাপোৰখন লাহেকৈ সলাই দিলে। কাষতে শুই থকা মাক টোপনি গৈছে। অন্ধকাৰ কোঠাটো সামান্য পোহৰ কৰি ৰখা চাকিগজত চকু পৰাৰ লগে লগে বুকু ভেদি কান্দোনটো তাইৰ আকৌ ওলাই আহিল।

কান্দোনৰ শব্দত মাক আৰু কেঁচুৱাটো সাৰ পাই বুলি গাৰুটোত মুখখন গুজি দিলে ৰীণাই। কি যে হৈ গ'ল... কি হ'ব লগা আছিল... কি হ'ল... ভগৱান তোমাৰ কি লীলা এইবোৰ... তোমাৰ নামতেই বলীয়া মানুহটোক তোমাৰ কাষলৈ ইমান সোনকালে কিয় লৈ গ'লা...

এই এমাহ চকু মুদিয়েই পাৰ কৰা যেন লাগিল তাইৰ। চোতালৰ মাজতে বগা কাপোৰেৰে ঢাকি ৰখা মানুহটো... ভৰিৰ বুঢ়া আঙুলিৰে মুছি পেলোৱা তাইৰ জীৱনৰ ৰঙা ৰংটো... মানুহবোৰৰ সমবেদনা... মাজে মাজে মাকে কেঁচুৱাটোক তাইৰ কোলাত দি পিয়াহ খুৱাবলৈ দিয়া... বগা সাজযোৰে তাইক মেৰিয়াই পেলোৱা... এইবোৰ কিবা সপোন দেখা নিচিনাহে লাগিছে তাইৰ।

"কিমাননো কান্দি থাকিবি আৰু তই। এই এমাহত বহুত কান্দিলি। এতিয়া এই পোনাকণৰ কথা চিন্তা কৰ।"

মূৰত হাত বুলাই মাকে কোৱা কোৱা কথাকেইটাত হেঁচি ৰখা দুখবোৰ পাৰ ভাঙি ওলাই আহিল। মাকৰ বুকুৰ মাজত সোমাই নিজকে সৰু ছোৱালীজনীৰ দৰে লাগিল তাইৰ।

মাকে তাইক সাৱতি ধৰি কলে,"মই কাইলৈ যামগৈ। তোক এনেকৈ এৰি থৈ যাবলৈ অলপো মন যোৱা নাই। কিন্তু যাবটো লাগিবই। বোৱাৰীজনীৰো এতিয়া তেনে অৱস্থা। সকলো কাম আজৰি হ'লে তোক ঘৰলৈকে ভাইটিয়ে লৈ যাম বুলি কৈছে।"

"মা..." ৰীণাৰ আজি প্ৰথম মাত ফুটা যেন লাগিল।

"আই, সমাজৰ সকলো মানুহ একেই নহয়। বহুতৰ বহু কথা শুনিবি। সাহস নেহেৰুৱাবি। শাহুয়েৰৰ খং বেছি যদিও মনটো ভাল। তেওঁৰ কথা শুনি চলিবি। পোনাকণেই এতিয়া তোৰ সাহস, তোৰ জীৱন। তাৰ চকুলৈ চাবি। তাক মানুহ কৰিব লাগিব তই।"

মাকৰ মুখলৈ চাই ৰীনাই কৈ উঠিল,"সোণ কিয় গুচি গল অ মা..."

দুইজনী মাক জীয়েকে ইজনীয়ে আনজনীক সাৱটি ধৰি কান্দোনত ভাগি পৰিল।

ৰীণাই মুখেৰে মাতিবলৈ পাহৰাৰ দৰে হৈছে। নকৰিলে নোহোৱা কাম কেইটা কৰি পোনাকণক সাৱটি সোণৰ ফটোখনৰ সন্মুখত বহি থকাই তাইৰ কাম।

কথাৰ মহলা মাৰি ভালপোৱা শাহুয়েকজনীও এইকেইদিনতে মৌন হৈ পৰিছে। প্ৰয়োজনীয় কথাকেইটাহে কয়। তাই কন্দা দেখিলে মাত্ৰ মূৰত হাত বুলাই দি পোনকণৰ মুখলৈ চাবলৈ কয়। ৰাতিও তাইৰ কাষৰ বিছনাখনতে শোৱা মানুহজনীৰ মুখলৈ চাবলৈও ৰীণাৰ কিবা ভয় ভয় লগা হৈছে।

গাঁৱৰ মানুহখিনিও কেইদিনমান অলপ বেছিকৈয়ে সিহঁতৰ খবৰ ল'বলৈ আহি আছিল। গাঁৱৰ মহিলাবোৰেও তাইক সান্ত্বনা দিয়াৰ চলেৰে যেন বহু কথাই কৈ যায়।

সোণৰ বিয়া দিয়া ভনীয়েকজনীৰ লগতহে সিহঁতবোৰে বেছি কথা পাতে। এইকেইদিনতে ৰীণাই তাইৰ জীৱনত সন্মুখীন হ'বলগীয়া যুদ্ধখনৰ যেন উমান পাই গৈছে।

পুৱাৰ ঘটনাটোৱে তাইক কথাবোৰ অলপ বেলেগকৈ ভাবিবলৈ বাধ্য কৰিছে

## (6)

পোনাকণৰ গাটো ভাল নহয়। ৰাতিটো ভালকৈ টোপনি যোৱাই নাই। ঠান্ধাও পৰিছে। শাহুয়েকে নহৰু তেল গৰম কৰি তাক মালিচ কৰি দিছে।

চোতালৰ মাজতে থকা প্ৰকাণ্ড আম গছজোপাৰ বাবে সিহঁতৰ ৰুমটোৰ লগতে বাৰাণ্ডাখনত ৰ'দ একেবাৰেই নুঠে। পোনাকণৰ গাত ৰ'দ অকণ লগাওঁ বুলি ৰীণাই নঙলাৰ কাষৰ ৰ'দঘাই ঠাইখিনিতে তাক কোলাত লৈ নিচুকনি গীত এটি গুণগুণাই আছিল।

"বাঃ বাঃ... তাইৰ ফূৰ্তি চোৱা। দাদা ঢুকোৱা কেইদিননো হৈছে... একেবাৰে বাটৰ মানুহক গা দেখুৱাই গান গাব পৰা হ'লেই। নিলাজ... কুলক্ষনী... তহঁত মাক-পুতেকেই দাদাক শেষ কৰিলি... সেইটোৱেটো জন্ম হৈয়ে বাপেকৰ মূৰটো খালে।"

আগদিনা গধূলি অহা সোণৰ ভনীয়েকে বাৰাণ্ডাৰ পৰাই কোৱা কথাকেইটা শুনি ৰীণাই একেকোবে নিজৰ ৰুম পালেগৈ। সোণৰ ফটোখনৰ সন্মুখত ৰৈ তাই উচুপি উঠিল।

ঠাঁচ... ঠাঁচ... ঠাঁচ...

উচপ খাই উঠিল ৰীণা..

"মা, তই মোক আকৌ কিয় মাৰিলি..., বোৱাৰীয়েৰক শাসন কৰ। ঘৰখনটো তাই শেষ কৰিলেই এতিয়া বাকী ৰোৱা মান-সন্মানখিনিও খাব। কুলক্ষণী তাই..."

"ছিঃ , তই এনে কথা ক'ব পৰা হলি। হ'ব, মোৰ ঘৰৰ কথা মই চিন্তা কৰিম। তই ইয়াত মূৰ ঘমাই লাভ নাই। তোৰ নিজৰ ঘৰখনৰ কথা চিন্তা কৰ।"

মাক জীয়েকৰ তৰ্ক শুনি ৰিণা ভয়তে চুপ হৈ পৰিল।

"নাথাকোঁ মই তহঁতৰ ঘৰত। এতিয়াই যামগৈ" বুলি ভনীয়েকে ভিতৰলৈ আহি কান্দি কান্দি বেগত কাপোৰ ভৰাবলৈ ধৰিলে।

কথাটো বেয়া হোৱা যেন দেখি ৰীণাই দৌৰি আহি ভনীয়েকক হাতত ধৰি নাযাবলৈ কোৱাত তাই উচ্চাট মাৰি কৈ উঠিল — "আঁতৰহ মোৰ চকুৰ আগৰ পৰা... তোৰ দৰে পাপী তিৰোতাৰ মুখ চালেও অমংগল হয়।"

ইতিমধ্যে বাহিৰত থকা শাহুয়েক ভিতৰলৈ সোমাই আহি গৰজি উঠিল,

"মাজনী... চুপ থাক তই। এনে কথা ক'বলৈ সাহস ক'ত পালি। শিক্ষা-দীক্ষা লৈ ইয়াকে শিকিছ নেকি। নিজৰ অতীতটোক পাহৰি গলি কিয় ? তোৰ এবছৰ নহওঁতেই মই এই বগা সাজযোৰ পিন্ধিছিলোঁ। কত যাতনা, কত অত্যাচাৰ, কিমান কষ্ট সহ্য কৰি তহঁত দুটাক ডাঙৰ কৰিছোঁ। সোণ যে মোৰ পেটৰ সন্তান নহয় সেই কথা মই পাহৰিয়েই গ'লো। সেই নৈপৰীয়া গঞাই মোক ডাইনী সজাই কৰা অত্যাচাৰ চা এতিয়াও মোৰ বুকুত জিলিকি আছে।"

সেইবুলি শাহুয়েকে চাদৰখন আঁতৰাই চোলাটো টানি খুলি দিয়াত বুকুত পেটত সেৰেলা পাতি থকা দাগবোৰ দেখি দৰ্জাৰ চুকত বহি কান্দি থকা ৰীণা চক খাই উঠিল।

উঃ কেনে ভয়ংকৰ আছিল সেই অত্যাচাৰ। চকুকেইটা জোৰেৰে ঢাকি ধৰিলে তাই।

"মোক ক্ষমা কৰি দে অ মা" বুলি মাজনীয়ে মাকৰ গাটো চাদৰখনৰে ঢাকি দি কান্দোনত ভাগি পৰা মাকক সাৱটি

ধৰিলে।

"নাই নাই আই, তোক মই তেনে অৱস্থাত পৰিব দিব নোৱাৰোঁ... আহ আহ তোক মোৰ চাদৰৰ তলত সুমুৱাই ৰাখিম। সেইখন সমাজৰ সন্মুখত তই সাহসী হ'ব লাগিব... তই জীয়াই থাকিব লাগিব মূৰ দাঙি... " মুখেৰে বিৰবিৰাই বিৰবিৰাই শাহুয়েকে ৰীণাক এখন হাতেৰে কাষলৈ টানি আনিলে।

ৰীণাৰ এনে লাগিল যেন শাহুয়েকৰ চকুত ভয়াবহ অতীতৰ ছবিখন ভাঁহি উঠিছে আৰু তাইক যেন সেই ভয়াৱহতাৰ মাজৰ পৰা উদ্ধাৰ কৰিবলৈ নিজক শক্তিশালী বটবৃক্ষৰূপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে।

(7)

সময় বাগৰি থাকিল। পোনাকণো এবছৰীয়া হ'ল। সোণৰ পেন্সনৰ বাবে কেইবাবাৰো তাই আৰু শাহুয়েক স্কুলৰ হেড্ ছাৰৰ লগত চহৰলৈ অহা যোৱা কৰিলে। শেষত কিবাকৈ কামটো হ'ল ।

সোণৰ স্কুলৰ ছাৰ-বাইদেউসকলে সিহঁতৰ খবৰ ৰাখে। পোনাকণকো মৰম কৰে। আইতাকে তাৰ নাম ৰাখিছে আকাশ। আকাশৰ দৰে বহল, ওখ, উজ্জ্বল হ'ব বোলে সি। তাৰ মৰমলগা মুখখন, হাঁহিটো, ঠুনোক ঠানাক মাতটো, টোপোক টাপক খোজকেইটাত ৰীণা আৰু আইতাকৰ বুকু ভৰি উঠে। দুয়োজনী যেন আকাশৰ কাৰণেই পুনৰ প্ৰাণ পাই উঠিছে।

মাজতে মাক আহি ৰীণাক ঘৰলৈ লৈ গৈছিল। প্ৰায় এমাহ ঘৰত থাকি তাই বুজি পালে, বিয়া দিয়াৰ পিছত এইখন ঘৰ নিজৰ হৈ নাথাকে। ভাইবোৱাৰীয়ে যেন তাইক প্ৰাকে প্ৰকান্তৰে বুজাবলৈ চেষ্টা কৰিলে বিধৱা হৈ আহি ভায়েকৰ কান্ধৰ বোজা হৈছে তাই। বোৱাৰীয়েকৰ মনৰ অশান্তি বুজিব পাৰি মাকেও ৰীণাক ৰাখিবলৈ চেষ্টা নকৰিলে। আলহীৰ দৰে মাজে মাজে খবৰ বাতৰি ল'বলৈ আহি থাকিম তহঁতবোৰেও আমাৰ খবৰ ৰাখিবি বুলি ৰীণা নিজৰ ঘৰখনলৈ ঘূৰি আহিল। শাহুয়েকেও মনত বৰ ভাল পালে। আকাশক এৰি অকলে মানুহজনীৰ সময় নাযায় নোপোৱাই হৈছিল।

এইখন ৰীণাৰ শাহুয়েক মাকণৰ মাকৰ গাঁও। শাহুয়েকৰ মাকৰ ল'ৰা নাছিল। তিনিজনী ছোৱালী। বাপেকে পিছত ল'ৰাৰ আশাত বেলেগ এজনী বিয়া কৰাই সিহঁতক এইটো ঘৰত ৰাখিছিল। ৰিণাৰ শাহুয়েক মাকণ আছিল সৰু। দেখাটো বৰ শুৱনি আছিল। ডাঙৰ বায়েকজনীৰ বিয়াৰ পিছতে বায়েকৰ সম্বন্ধীয় দেওৰেক এজনৰ লগত তাইৰ মন মিলাত দুয়ো পলাই গৈ সংসাৰ আৰম্ভ কৰিলে। সিফালে কিছুদিন পাছত ঘৰত থকা মাজু বায়েকৰ লগত গাঁৱৰে চিকিৎসালয়খনৰ কম্পাউণ্ডৰজনৰ লগত সম্বন্ধ স্থাপন হয়। কম্পাউণ্ডৰজনৰ ঘৰ নামনিৰ ফালে আছিল। কেউ কিছু নোহোৱা বুলি তেওঁ ইয়াতে থাকিবলৈ ল'লে। গাঁৱৰ নামঘৰতে সেৱা জনাই ৰাইজক সাক্ষী কৰি দুয়ো সংসাৰ আৰম্ভ কৰিলে।

মাকণৰ শহুৰেকৰ ঘৰখন অৱস্থাপন আছিল যদিও গিৰিয়েকৰ বাহিৰে ঘৰৰ আন মানুহবোৰে তাইক ভাল চকুৰে চোৱা নাছিল। বিয়াৰ দুইবছৰ লৈকে সন্তানৰ মুখ নেদেখাত বাজি তিৰোতা বুলি তাই নানা মানসিক অত্যাচাৰৰ সন্মুখীন হৈছিল। চকুৰ পানীৰে মাকণৰ বাট নেদেখা অৱস্থা হৈছিল। লাহে লাহে গিৰিয়েকেও তাইক বেয়া চকুৰে চাবলৈ ধৰাত পকা থেকেৰা হেন দুগাল গাঁতত সোমাইছিল। তেনেতে ভগৱানৰ কৃপা দৃষ্টি পৰাত মাকণ মাক হ'বলৈ ওলাল। গিৰিয়েকৰ লগতে ঘৰৰ আন মানুহবোৰৰো মনবোৰ ফৰকাল হ'ল। নাই, তাইৰ এই সুখ দীৰ্ঘস্থায়ী হ'বলৈ নাপালে। ল'ৰা সন্তানৰ আশাত বন্দী পৰিয়ালটোত ছোৱালীজনী জন্ম দি যেন তাই কিবা নকৰিবলগীয়া কাম এটাহে কৰিলে তেনে পৰিস্থিতিৰ সৃষ্টি হ'ল। মাকণৰ এনে দুৰ্ভাগ্যৰ দিনবোৰৰ মাজতে ছোৱালী জনী জন্মৰ সাত মাহ পিছতে তিনিদিনীয়া জ্বৰত ভুগি গিৰিয়েকটো সিফলীয়া হ'ল।

ভাগ্যৰ বিড়ম্বনাত মাকণৰ দুখ কোলাই পাচিয়ে নধৰা হল। মাকণক চকুপাৰি দেখিব নোৱাৰা ঘৰখনে তাইৰ ওপৰত শাৰীৰিক মানসিক অত্যাচাৰ কৰাৰ লগতে গাঁৱৰ ৰাইজেও তাইক কুলক্ষণী নষ্ট চৰিত্ৰৰ তিৰোতা বুলি অপবাদ জাপি দিলে।

তেনে এক পৰিস্থিতিৰ মাজতে মাকণৰ জীৱনলৈ নামি আহিছিল এক ভয়াবহ অমানিশা। যিটো নিশাই তাইৰ জীৱনলৈ এক আমূল পৰিবৰ্তন কঢ়িয়াই আনিছিল।

(8)

ভৰ বাৰিষাৰ সময়। সেইবাৰ বৰষুণে ভালকৈয়ে সতা ধৰিছিল। এসপ্তাহ ধৰি দি থকা নেৰা নেপেৰা বৰষুণ জাকত নৈখনো লাহে লাহে উফন্দি আহিছিল। নৈপৰীয়া গাঁওখনৰ মানুহবোৰৰ চকুৰ টোপনি হৰিছিল। মূৰৰ ঘাম মাটিত পেলাই কৰা খেতি পথাৰখন পানীয়ে বুৰাই পেলোৱাত গঞা ৰাইজৰ তেনে এক পৰিস্থিতিত মাকণৰ ওপৰত অত্যাচাৰ কৰিবলৈ যেন

সকলোৱে পাহৰি আছিল। মাকণেও কেঁচুৱাজনীক বুকুতে লৈ ঘৰুৱা কামবোৰ কৰি ফুৰিছিল। হঠাৎ তাই মন কৰিলে মানুহবোৰে তাইক লৈ কথাবোৰ অলপ বেলেগ ধৰণে বিচাৰ কৰিবলৈ ধৰিছে। তাইৰ কাণত পৰা এটা বিশেষ শব্দত বুকুখনত শিলে বিন্ধা দি বিন্ধিবলৈ ধৰিলে । এক অজান আশংকাত ভয়তে তাইৰ পেটত হাত ভৰি লুকাল।

মাকণৰ দুখৰ সমভাগি হোৱা একমাত্র মানুহ  সিহঁতৰ হালোৱা  ককাইজনে পানী খোৱাৰ চলেৰে এদিন কানি মুনি সন্ধিয়া তাইক কাণে কাণে ক'লে, "বোলো বোৱাৰী অ, কথাবোৰ বুজিছনে। এই বাৰিষাৰ অথন্তৰৰ বাবে ৰাইজে তোক জগৰীয়া সজাইছে। সুবিধা বুজি তই কেঁচুৱাকণক লৈ পলাই যাগৈ, কোন মুহূর্তত জাঠি জোং লৈ আহে একো ঠিকনা নাই।"

হালোৱা কাইৰ পৰামর্শ মতেই মাকণে সেইদিনা মাথাউৰীৰ কাষৰ লুংলুঙীয়া ৰাস্তাটোৰে পলাই যোৱাৰ কথা আছিল। ৰাতিপুৱাৰ পৰাই সিহঁতৰ ঘৰৰ পৰিৱেশটো গমগমীয়া হৈ আছে। মাকণক কোনেও একো এটা কামো পোছা নাই। তাইক দেখিলেও যেন পাপ হ'ব এনে এক মনোভাৱ সকলো তাইৰ পৰা আঁতৰি ফুৰিছে। ভয়াবহ পৰিস্থিতিৰ উমান পাই মাকণে ছোৱালীজনীৰ কাপোৰকেইটামান লগতে দুই এটা বস্তু চাদৰ এখনেৰে বান্ধি সাজু হৈ থাকিল আন্ধাৰ নমালৈ।

এনেতে গাঁৱৰ ডেকা দুটামান আহিল মাকণক নিবলৈ, কালী মন্দিৰৰ চোতালত বোলে ৰাইজ মেল বহিছে।

তাই সুধিলে, "মই কি কৰিছো।"

"কি কৰিছ তই, তাত গ'লেই জানিবি ব'ল।"

সেইবুলি দাবি ধমকি দি লৰাকেইটাই তাইক সিহঁতৰ লগতে লৈ গ'ল।"

মন্দিৰ পোৱাৰ লগে লগে এনে লাগিল তাইক চাবলৈকে যেন সকলো ৰৈ আছে। কালী বাবাজনে তাইক দেখাৰ লগে লগেই কৈ উঠিল, "এইৰ কাৰণেই আমাৰ খেতিবোৰ নষ্ট হৈছে, পানী বাঢ়িছে, এই মন্ত্ৰ কৰিছে, এইক গাঁৱৰ পৰা খেদিব লাগিব। এই ডাইনী"।

লগে লগে উত্তেজিত হৈ থকা মানুহবোৰে তাইক মাৰিবলৈ খেদি আহিল। ছোৱালীজনীক বুকুৰ মাজত সাৱটি তাই দৌৰিবলৈ চেষ্টা কৰিছে যদিও মানুহবোৰে তাইক যাঠি জুঙ লৈ পিছে পিছে খেদি আহিল। মানুহবোৰৰ পাশবিক অত্যাচাৰত তাই তেজেৰে ৰাঙলী হৈ পৰিল। ছোৱালীজনীক কোনেনো বুকুৰ মাজৰ পৰা আঁতৰাই নিলে তাই ধৰিবই নোৱাৰিলে। যেতিয়া তাই চকু মেলিলে আন্ধাৰ নামিছিল, মানুহবোৰ আঁতৰি গৈছিল। ঘন বাঁহনীডৰাৰ মাজত তাই নিজকে পৰি থকা দেখিলে। কাৰোবাৰ মাতত মাকণ চক খাই লুকাবলৈ চেষ্টা কৰিলে।

"মইহে , এইক ল, তোৰ পৰা ময়ে তাইক আঁতৰাই নিছিলো, নহ'লে এই বাছি নাথাকিলহেঁতেন। এতিয়া ইয়াৰ পৰা পলাই যাগৈ। আকৌ আহিব নহ'লে মানুহমখা। এই বাঁহনী ডৰাৰ সিফালেই নৈখন। নৈ পাৰ হ'ব পাৰিলে তোৰ একো ভয় নাই। এতিয়া যা" হালোৱা ককাইয়ে ছোৱালীজনীক তাইৰ কাষতে দি আঁতৰি গ'ল।

তেজৰ ডোঙা বন্ধা, ক্ষত বৃক্ষত শৰীৰটো লৰচৰ কৰিব পৰা অৱস্থাত নাছিল মাকণ। তথাপি কিবা এক অদৃশ্য শক্তিৰ সহায়ত বিযে ভাগৰে দাঙিব নোৱাৰা দেহাটোক ছোৱালী জনীৰ সৈতে টানি টানি ঘন আন্ধাৰ বাঁহনীৰ মাজে মাজে গৈ নৈৰ পাৰ পালেগৈ। দূৰৈত আকৌ মানুহৰ হুলস্থুল শুনাত মাকণে বাৰিষা কোনোবাই সাজি থোৱা কলৰ ভুৰ এখনতে উঠি দিলে।

তাৰ পিছত মাকণৰ আৰু মনত নাই।

সম্পূর্ণ তিনিদিনৰ পিছত মাকণে চকু মেলিছিল নিজৰ এইখন ঘৰৰ বিছনাত। তাই উঠা কলৰ ভুৰখন বোলে ভাগ্যক্রমে তাইৰ চিনাকি নিজৰ গাঁৱৰ মানুহ এজনেই পাইছিল আৰু তাইক মাকৰ ঘৰলৈ লৈ আনিলে। বহুত চিকিৎসাৰ অন্তত মাকণ সুস্থ হৈ উঠিল আৰু থাকি গ'ল ইয়াতেই... এইখন ঘৰতেই।

ঘৰত থকা মাজু বায়েকৰ ভিনিহিয়েক জন বহু দিনেই হৈছিল ঘৰলৈ যাওঁ বুলি কৈ উভতি নহা। বায়েকৰ ল'ৰা সোণ তেতিয়া দুবছৰীয়া।

গিৰিয়েকৰ চিন্তাত মাজু বায়েকজনীও জুপুকা মাৰি থকা হ'ল। সোণ আৰু মাজনী মাকণৰ চাঁদৰত ধৰিয়েই ডাঙৰ হ'বলৈ ধৰিলে। হঠাৎ এদিন বায়েক জনীও ঘৰৰ পৰা নোহোৱা হ'ল। গাঁৱৰ মানুহে বহুত বিচাৰিলে যদিও তাইৰ একো শুংসূত্ৰ নাপালে।

সোণ আৰু মাজনীক লৈয়েই মাকণৰ জীৱন ৰথৰ চকা ঘূৰি থাকিল। অতি কষ্টৰে তাই দুইটাকে ডাঙৰ কৰিলে।

সময়ত মাজনীক এঘৰলৈ বিয়া দি উলিয়াই পঠালে।

ৰীণাই এইবোৰ কাহিনী শাহুয়েক মাকণৰ মুখৰ পৰাই শুনিছে।

(9)

শাহুয়েক মাকণৰ অতীতৰ সংগ্ৰামী জীৱনটোৰ কথা জনাৰ পৰা ৰীণাৰ মানুহজনীৰ প্ৰতি মৰম শ্ৰদ্ধাৰ ভাৰত বুকুখন আগতকৈ আৰু অধিক গদগদিয়া হৈ পৰিছে। ইমান দুখ যন্ত্ৰণাৰ পিছতো মানুহজনীয়ে যে কেনেকৈ ইমান সবলভাৱে সংসাৰখন আগবঢ়াই নিছে, ভাবিলে আচৰিত লাগে তাইৰ। শাহুয়েকৰ সাহসেৰে তাইও সোণৰ অবিহনে জীয়াই থকাৰ সাহস পাইছে।

সোণেও বোলে কেতিয়াৰ পৰা মাকণক মাহী গুচি মা মাতিবলৈ ল'লে মানুহজনীয়ে নিজেই ধৰিব নোৱাৰিলে। ৰিণাইও সেই কথা এতিয়াহে জানিলে।

মাক আইতাকৰ মৰমৰ মাজত আকাশ ডাঙৰ হৈ আহিল। সময়বোৰ বতাহৰ লগত উৰি গৈ থাকিল।

আগতে সোণ থাকোতে সিহঁতৰ মাটিকেইডৰাত নিজেই খেতি কৰিছিল। তাৰ কৰ্মঠ পৰিশ্ৰমী হাতৰ পৰশত বছৰলৈ ভাতৰ চিন্তা কৰিব লগা হোৱা নাছিল। বাৰীখনটো তামোল-পান, ফলমূলৰ, শাক-পাচলিৰ আকাল নহৈছিল। সোণৰ স্কুলৰ চকীদাৰী চাকৰিটোৰ সৈতে সৰু পৰিয়ালটো সুন্দৰভাৱেই চলি গৈছিল।

এতিয়া মাটিখিনি আধি দিছে। বাৰমাহৰ জোখাৰে চাউল নোপোৱাই হৈছে। শাহুয়েকে বাৰীত শাক-পাচলি লগাই, হাঁহ-পাৰকেইটামান পুহিবলৈ লৈছে। ৰীণাকো শালখন পাতি দিছে। দুখনমান কাপোৰকে বব পাৰিব। যিহে বস্তুৰ জুই চাই দাম সাধাৰণ মানুহ চলিবলৈকে টান হৈছে।

বিয়াৰ আগে আগে সোণে পুৰণি ঘৰটো কিছু সালসলনি কৰি টিং দিয়া চাৰিটা কোঠাৰ ঘৰটো সাজিছিল। গা-ধোৱা ঘৰতোও ইটাৰে বেৰি দিছিল।

এতিয়া তাৰে এটা কোঠা এনেই পৰি থকাত স্কুলৰ প্ৰধান ছাৰৰ উপদেশ অনুসৰি স্কুলত নতুনকৈ জইন কৰা আৱিয়ে ছোৱালীজনীক থাকিবলৈ দিছে। শিক্ষয়িত্ৰীগৰাকীৰ বয়স কম। ঘৰলৈ অহা যোৱা কৰিবলৈ দূৰ হোৱাত ইয়াতে থাকি কিছুদিন চাকৰি কৰিব।

মাকণে প্ৰথমে কথাটোত মান্তি হোৱা নাছিল। গাভৰু ছোৱালী। তাতে আকৌ মতা মানুহ নোহোৱা ঘৰ। ৰিণাক লৈয়ে তাইৰ আজিকালি চিন্তা বেছি। অকলে এৰি থৈ ক'লৈকো নাযায়। আজিকালি কাকো বিশ্বাস কৰিব নোৱাৰি। ঘনে ঘনে সিহঁতৰ খবৰ ল'বলৈ আহি থকা মনেশ্বৰ, ৰত্ন, নামঘৰীয়াৰ পৰা আধি কৰা হালোৱাতোলৈকে সকলোৰে চকু যে ৰীণাৰ ওপৰত তাই জানে। ৰীণাই অৱশ্যে সিহঁতক পাত্তা নিদিয়ে। সিহঁতবোৰ আহিলে পৰাপক্ষত তাই নোলায়।

এতিয়া আকৌ এজনী ছোৱালীক ৰাখিবলৈ মাকণে ভয় কৰিছিল। পিছে তাই হেড্ ছাৰৰ কথা পেলাব নোৱাৰে।

হেড ছাৰ আৰু মৌজাদাৰ খুৰা এই দুজন মানুহক তাই যথেষ্ট সন্মান কৰে আৰু এই দুজনকেই তাই সিহঁতৰ প্ৰকৃত শোভাকাংক্ষী বুলি ভাৱে। তাতে আকৌ ছাৰে ৰিণাক ভাত ৰান্ধনী পোষ্টটোত সুমুৱাই দিয়াৰ কথাও কৈ আছে। মন নাথাকিলেও মাকণে ছোৱালীজনীক ঘৰটোত থাকিবলৈ সুবিধা কৰি দিলে। ৰীণাৰ অৱশ্যে ভালেই লাগিল। কথা পাতিবলৈ লগ এটাকে হ'ব আৰু পোনাকণকো পঢ়া শুনা অলপ চাই দিব পাৰিব।

লাহে লাহে বন্দিতা মানে সিহঁতৰ ঘৰত থকা শিক্ষয়িত্ৰীগৰাকী সিহঁতৰ ঘৰৰ ভিতৰৰ আপোন মানুহ হৈ পৰিল। মাজতে মাকণৰ বৰ অসুখ গ'ল। বন্দিতাই লগত নি তাইক গুৱাহাটীত দেখুৱাই আনিলে।

পোনাকণকো স্কুলত নাম লগাই দি ৰীণাই গাঁৱৰে মহিলা সমিতিৰ আত্মসহায়ক গোট এটাত যোগ দি পিঠা, লাৰু বনোৱা কামত লাগিছে। মাকণ আজিকালি ঘৰৰ পৰা বেছিকৈ বাহিৰলৈ ওলাব নোৱাৰে। পিঠিৰ বিষটোৱে তাইক বৰ যন্ত্ৰণা দিছে। এতিয়া ৰিণাই ঘৰৰ ভিতৰ-বাহিৰ চোৱাচিতা সমস্ত কৰিবলগীয়া হৈছে। আগতে বেছি বাহিৰলৈ নোলাই বাবে ৰীণাক বাহিৰৰ মানুহে ভালকৈ নেদেখে। এতিয়া তাইৰ গাভৰু ৰূপটো বহুতৰে চকুত লাগিছে। আজিকালি ৰীণাৰ সেয়ে সোণলৈ বৰকৈ মনত পৰে। আজি সি যদি থাকিলহেঁতেন..., আকাশেও লগৰ ল'ৰা-ছোৱালীৰ দেউতাকবোৰক দেখি তাৰ দেউতাকৰ কথা বৰকৈ সুধি থাকে আজিকালি।

প্ৰায়েই ৰাতি অকাশখনলৈ চাই সি সোধে, "মা, দেউতা তৰা আনিবলৈ কিয়নো গ'ল। আমাৰ লগতেই থাকিব

পাৰিলেহেঁতেন?“

তেনে সময়ত ৰীণাই তাক বুকুত সোমোৱাই কৈ যাই... তৰাৰ দেশৰ বহুতো মনে সজা কাহিনী। দেউতাকে তৰাৰ দেশৰ পৰা তালৈ চাই থকাৰ কথা কয়। শেষলৈ সি টোপনি যায় আৰু দুচকুত বেজাৰে ভিৰ কৰেহি।

(10)

মাকণৰ গাটো বৰকৈ ভাল লাগি নাথাকে। সেয়ে  সিদিনা ৰীণাক ক'লে বোলে — “যাচোন, নামঘৰতে তামোল-পান এযোৰ দি আহগৈ। মোৰ গাটো কিবা ভালেই নোহোৱা হ'ল দেখোন। কিবা দাই দোষ আছে যদি মাৰ্জনা হ'ব।”

ৰীণাই বৃহস্পতিবাৰৰ দিনা গধূলি গা পা ধুই তামোল -পান, ধূপ, চাকি-বন্তি যোগাৰ কৰি আকাশকে লগত লৈ নামঘৰ লৈ গ'ল। নামঘৰীয়াৰ সিদিনা আকৌ গা বেয়া বাবে আহিব নোৱাৰাত হৰি খুড়াই নামঘৰৰ কাম কৰি আছিল। দুয়ো গৈ নামঘৰৰ বাটচ'ৰাৰ কাষৰ কুঁৰা পাৰতে ভৰি-হাতকেইটা ধুই ল'লে। নামঘৰটো দেখিলেই ৰীণাৰ বুকুখনত শোকে খুন্দা মাৰি ধৰে। পৰাপক্ষত তাই ইয়ালৈ আহিবলৈ ভয়েই কৰে। এনে লাগে যেন সোণ ইয়াতে ক'ৰবাত লুকাই আছে।

ৰীণাই বাহিৰৰ পৰাই সেৱা কৰিলে। আকাশে তামোল-পানখিনি হৰি খুড়াক দি নামঘৰৰ ভিতৰলৈ সোমাই গ'ল। খন্তেক পিছতে দবাৰ ধ্বনিত চৌদিশ কঁপি উঠিল। গভীৰ ভক্তিত ৰীণাৰ চকু সেমেকি উঠিল। ধূপ-ধুনাৰ গোন্ধই পৰিৱেশটো গধুৰ কৰি তুলিলে।

অলপ পিছতে আকাশ ওলাই আহিল। সি ক'লে, “মা, হৰি ককা আমাৰ লগতে যাব ঘৰলৈ একেলগে যাম বুলি কৈছে। অকণমান ৰ'বলৈ কৈছে। এইখিনি ৰাস্তা আন্ধাৰ যে।”

“আমি যাব পাৰিম, ব'ল।”

“নহয় মা, ককাই বেয়া পাব। একেলগেই যাম”

অগত্যা ৰীণা ৰৈ দিলে আকাশৰ কথাত। নামঘৰৰ কামখিনি  সামৰি মূল দুৱাৰখন মাৰি হৰি খুড়া ওলাই অহালৈ কিছু সময় ললে। কৃষ্ণ কৃষ্ণকৈ ওলাই অহা খুড়াই সিহঁত ৰৈ থকা দেখা পাই অতি উৎসাহেৰে হাঁহি মাৰি আকাশক সাৱটি ধৰিলেহি। ৰীণাৰ খুড়াৰ এই কাণ্ডটো অলপো ভাল নালাগিল।

হৰি খুড়া আৰু আকাশ আগে আগে ৰীণা অলপ পিছে পিছে ঘৰলৈ বাট ল'লে। আকাশৰ লগত কথা পাতি গ'লেও খুড়াৰ চকু যে তাইৰ ওপৰত আছিল তাই ঠিকেই ধৰিব পাৰিলে। চাদৰখনেৰে গাটো ভালকৈ ঢাকি ল'লে তাই। কেতিয়ানো খুড়া আহি তাইৰ একেবাৰে কাষ পালে ধৰিবই নোৱাৰিলে তাই। ঠাইখিনি অলপ আন্ধাৰো।

“ইমান কম বয়সতে এই বগা সাজ পিন্ধিব লগা হ'ল। বৰ ধুনীয়াজনী হৈ আছ তই। বিপদে-আপদে আমি আছোঁ দে।” এইবুলি কথাকেইটা কৈ খুড়াই পিঠিত হাত বুলাই দি আৰু অলপ কাষ চাপি আহিব খোজাত জিকাৰ খাই উঠিল ৰীণা।

গাৰ জোৰেৰে তাই ঠেলা এটা মাৰি দিয়াত তৎ ধৰিব নোৱাৰি খুড়া ৰাস্তাৰ মাজতে লুটি খাই পৰিল। আকাশেও যেন কিবা এটা বুজি পালে।

“অ ককা, ভালকৈ চাই চিতি খোজ দিব লাগে। নহ'লে পৰিবই। সাৱধান দেই। মা অকলশৰীয়া নহয়।”

এই বুলি খঙৰ ভমকত কোবাকুবিকৈ খোজ লোৱা মাকৰ পিছে পিছে আকাশে ল'ৰ দিলে।  এই ঘটনাটো মাকে আইতাকক কৈছে নে নাই সি নাজানে । কিন্তু এদিন দুপৰীয়া মাক নাথাকোঁতে সি আইতাকক ক'লে। আইতাকে তাক বহুত কথাই বুজালে সেইদিনা। সিও যেন কম সময়তে একেবাৰে বুজনটো হৈ উঠিল। মাকৰ ছাঁ হৈ থাকিবলৈ ধৰিলে। তাক ধমকি এটা দিয়াৰো সি সুবিধা দিব নিবিচাৰি প্ৰতিটো কামেই মাকে ভালপোৱাধৰণে নিখুঁতকৈ কৰিবলৈ ধৰিলে। বন্দিতা পেহীৰ ওচৰত পঢ়িবলৈ যাবলৈও বেয়া নোপোৱা হ'ল।

অলপদিনৰ পিছতে মাকণ ঢুকাই থাকে। সেইদিনা ৰীণাই হিয়া ঢাকোৰি কান্দিলে। ইমান দিনে মনে মনে টোকা চকুলো যেন মুকলিকৈ ওলাই আহিল। মূৰৰ ওপৰৰ চালিখন নোহোৱা হোৱাত ৰীণা নিথৰুৱা হৈ পৰিল। শাহুয়েক মাকণ আছিল তাইৰ সাহস, প্ৰেৰণা, ভৰসা। প্ৰতিটো কামেই মাকণক সুধি কৰা ৰীণা মাকণৰ অবৰ্তমানত সন্দিহান হৈ পৰিল। তথাপিও নিজক কিছু সংযত কৰি ধৈৰ্যৰে মৃতকৰ কামখিনি ৰাইজ আৰু বন্দিতাৰ ঘৰখনৰ সহযোগত সুকলমেই সমাপন কৰিলে।

বন্দিতা আৰু তাইৰ ঘৰখন ৰীণাৰ অন্যতম সাৰথি হৈ পৰিল। হেড ছাৰৰ সহযোগত স্কুলৰ ৰান্ধনী চাকৰিটো তাই

পালে। হলা গছ দেখিলে কুঠাৰ মৰা আমাৰ সমাজৰ নিয়ম। কিন্তু তাই সাহস, ধৈৰ্য আৰু নেদেখাজনৰ আশীৰ্বাদত সকলো উফৰাই আগুৱাই গৈ থাকিল এই কণ্টকময় জীৱন বাটত। এটাই লক্ষ্য, আকাশক মানুহ কৰা।

বন্দিতাৰো বিয়া হ'ল। বন্দিতাৰ বিয়ালৈ গৈছিল ৰীণা আৰু আকাশ, স্কুলৰ ছাৰ-বাইদেউহঁতৰ লগত ভাড়া কৰা গাড়ীত। ছাৰ বাইদেউহঁত বিয়া খাই উভতি আহিছিল যদিও বন্দিতাৰ কথা পেলাব নোৱাৰি মাক-পুতেক দুয়ো থাকিল। পিছদিনা গাড়ীত দুয়োকে বন্দিতাৰ ককায়েকে উঠাই দিলেহি। ঘৰখনৰ উলহমালহত বহু দিনৰ মূৰত ৰীণাই প্ৰাণ খুলি হাঁহি এটা মৰাৰ সুবিধাকণ পালে।

বিয়াৰ অলপদিনৰ পিছত বন্দিতাৰ চাকৰিটোৰো অন্য এখন স্কুললৈ বদলি হ'ল। তাই যাবলৈ ওলোৱাত ৰীণাৰ হাত এখন চিঙাৰ দৰে হ'ল। দুইজনীয়ে সাৰতা-সাৰতিকৈ বহুত কান্দিলে। অকাশৰো খুব বেয়া লাগিল। কম সময়তে গাঁওখনৰ সকলোৰে মাজত জনপ্ৰিয় হৈ পৰা বন্দিতাই মাজে মাজে আহি থকাৰ প্ৰতিশ্ৰুতি দি বিদায় ল'লে।

লাহে লাহে আকাশ ডাঙৰ হৈ আহিল। পঢ়া শুনাত সি ভাল। ক্লাছত সদায় প্ৰথম হয়। তাক লৈ ছাৰ-বাইদেউহঁতৰ বহুত আশা।

হাতযোৰ কৰি ৰিণাই ওপৰলৈ চায়... "তোমালোকে আমাক দেখি আছা... আশীৰ্বাদ দিবা.. পোনাকণক যেন মই মানুহ কৰিব পাৰো।" সুবিধা পালেই ওলাই আহিব খোজা চকু পানী সৰ সৰাই নামি আহে।

"খুৰী, খুৰী... আকাশ দাদাৰ ৰিজাল্ট দিলে। সি প্ৰথম দহ তাৰ ভিতৰত চতুৰ্থ হৈছে। আহক সোনকালে আপুনি... স্কুলৰ ফিল্ডত বহুত মানুহ গোট খাইছে..."

নঙলা মুখৰ পৰাই পোনাকণত কৈ এবছৰ সৰু ৰণে চিঞৰ মাৰি তাইক কোৱা কথাষাৰে বুকুখন আকৌ গধুৰ কৰি তুলিলে ৰিণাৰ।

"প্ৰভু, মোৰ প্ৰাৰ্থনা শুনিলা তুমি... মা, সোণ... এইয়া তোমালোকৰেই কৃপা... আকাশ নামটোৰ মান ৰাখিলে মা।"

সুখৰ চকু পানীৰে দুগাল তিয়াই থাপনাখনত মূৰটো দোৱাই ৰিণা লাহেকৈ উঠি আহিল। সুখানুভূতিৰ এক আভাই ৰিণাক বগা পুৰণি সাজ জোৰেৰেই অতি উজ্জ্বল দেখা গ'ল। ঠিক ধুমুহাই ধুই নিয়া পিছত দেখা ফৰকাল আকাশখনৰ দৰেই...।

অৰ্দ্ধ আকাশ মানে য'ত নিজক বিচাৰি পাওঁ,অৰ্দ্ধ আকাশ মানে
য'ত প্ৰকাশ কৰিব নোৱাৰা সমস্যাৰ সমাধান পাওঁ,য'ত জীয়াই থকাৰ উৎস বিচাৰি পাওঁ,
ভাগৰুৱা মন পখীৰ জিৰণি ল'বলৈ থল বিচাৰি পাওঁ।

।।

—কাকলি নাথ গগৈ—

# ক্ষোভ

**ৰাজশ্ৰী গোস্বামী**

"পেহী উঠকচোন ,এইয়া কোন আহিছে চাওঁকচোন।" ভতিজা বোৱাৰী নিশাৰ মাতত কামিনি দেৱীয়ে মূৰ তুলি চালে । "কোননো মই ধৰিব পৰা নাই অ।" "আইতা মই ৰক্তিম, আপোনাৰ নাতি। মানে আপোনাৰ সৰু দেওৰৰ নাতি।" সৰু দেওৰ, সৰু দেওৰ একোৰেইচোন মনত নপৰে তেওঁৰ। শহুৰ-শাহু, স্বামী-দেওৰ এইবোৰটো একেবাৰে অচিনাকি শব্দ কামিনি দেৱীৰ বাবে। সুদীৰ্ঘ পয়সত্তৰ বছৰৰ মূৰত ক'ৰপৰা আহিল এই সম্বন্ধৰ মেৰপেঁচ ।

ঘৰখনৰ একমাত্ৰ ছোৱালী কামিনি। ককায়েক মাধৱ। সকলোৰে আলাসৰ লাৰু। খেলা ধূলা কৰি অনৱৰতে চিত পখিলিজনীহে ঘূৰি ফুৰে। একো কথাই গাত নালাগে। ঘৰত আলোচনা হয় দহ বছৰীয়া হল'হি, কোনদিনা শান্তি হয় ঠিক নাই। ভাল ল'ৰা এটা পালে দি দিব লাগে। বামুণৰ ছোৱালী বিয়াৰ আগতে শান্তি হ'লে চাৰিওফালে ৰৌজাল বৌজাল হ'ব। সমাজত মুখ উলিয়াব নোৱৰা হ'ব। বিচাৰ খোচাৰ কৰি এটা ল'ৰাৰ সন্ধেদ পোৱা গ'ল। ল'ৰাই ইন্টাৰ পঢ়ি আছে। দেউতাকহঁতে গৈ ঘৰ-বাৰী চাই আহিলগৈ। ঘৰৰ ডাঙৰ ল'ৰা, ভায়েক তিনিটা, ভনীয়েক দুইজনী। অৱস্থাপন্ন মানুহ, অপচন্দ হোৱাৰ কোনো কাৰণ নাই। সকলোৱে মিলি বিয়াৰ দিন-বাৰ ঠিক কৰিলে। মাকহঁতৰ গাত ততেই নাই। এনেয়ে বুঢ়ী নাচনি তাতে আকৌ নাতিনিয়েকৰ বিয়া। সকলোৰে এটাই চিন্তা ছোৱালীজনীৰ বিয়াখন কোনেও মুখ খুলিব নোৱৰাকৈ পাতিব লাগিব।

কামিনিৰ ফূৰ্তিত ত'ত নাই। সকলোকে কৈ ফুৰে "মোৰ বিয়া। নতুন নতুন কাপোৰ দিব, গহনা দিব, কিমানযে ভাল লাগিব।" তাইৰ কথাত সকলোৱে মুখটিপি হাঁহে। কণমানি ছোৱালীজনীয়ে কি বুজিব বিয়াৰ অৰ্থ। বিয়াৰ আগদিনা জোৰোণ আহিল। সোণৰ অলংকাৰ, নতুন কাপোৰবোৰ দেখি তাই আনন্দত আত্মহাৰাহে পৰিছে। ইটো পিন্ধি চাইছে, সিজোৰ কাপোৰ সলাইছে। গাঁৱৰ জীয়ৰী-বোৱাৰীবোৰে হাঁহি-ফূৰ্তিৰে জাত জাত বিয়া নামেৰে মুখৰিত কৰি তুলিছে ৰভাতল। পিছদিনা বিয়া। বিয়াৰদিনা দিনটো লঘোনে-ভোকে থকাৰ বাবে সন্ধিয়াতে কামিনি টোপনিত ঢলি পৰিল। দৰা আহি পালেহি। বিয়া নাম, ঢোলৰ মাত একোতেই তাই সাৰ নোপোৱাত ককায়েকে হোমৰ গুৰিলৈ ডাঙি আনিলে। বিয়াহে গ'ল তাই একো গমেই নাপালে। ৰাতিয়ে দৰাঘৰীয়া মানুহবোৰ ঘূৰি গ'ল । সিদ্ধান্ত হ'ল শান্তিহোৱাৰ পিছত তাইক লৈ যাব। পিছদিনাৰ পৰা কামিনি পুনৰ মুক্তবিহংগ। তাইৰ দিনচৰ্য্যাত এক নতুন কাম সংযোজন হ'ল। পুৱা গাধুই উঠিয়েই আইনাখনৰ সন্মুখত ৰৈ গহনা-গাথৰি পিন্ধি ধুনীয়াকৈ সেন্দূৰৰ ফোঁট লোৱাটো। তাইৰ কামবিলাক চাই থাকি মাকে বৰ আনন্দ পায়। কেতিয়াবা সকলোৰে অজ্ঞাতে চকুলো টোকে, আৰুনো কেইটা দিন বুকুৰ মাজত থাকিব। দিনবোৰগৈ থাকিল। মাজে মাজে শহুৰৰ ঘৰৰ দুই এজন মানুহ আহে। কিন্তু দৰাজন এদিনো অহা নাই। কোনোবাই দৰাৰ বিষয়ে সুধিলে তাই নিমাতহৈ ৰয়। তাইযে তেওঁক দেখাই নাই। হোমৰ গুৰিটো নেদেখিলে।

কামিনি বাৰ বছৰত ভৰি দিলেহি। লগৰীয়াবোৰৰ লগত খেলি থাকোতে এদিন ককায়েক মাধৱে তাইৰ হাতখনত ধৰি মাত্ৰ ক'লে "ঘৰলৈ ব'ল।" ঘৰলৈ আহি দেখিছে বাৰাণ্ডাত দেউতাকে চকুপানী টুকি টুকি বহি আছে আৰু মাকৰ মুৰত চুবুৰীয়া তিৰোতা দুগৰাকীমানে পানী ঢালি ঢালি বিচি আছে। "মা মা তোৰ কি হৈছে? উঠচোন উঠ।" "মাৰৰ একো হোৱা নাই। তোৰহে...।" সকলোৱে ধৰি মেলি তাইৰ শিৰৰ সেন্দূৰখিনি মচি দি গহনাখিনি খুলি দিলে। কোনোবাই আনি বগা সাজ এজোৰ পিন্ধাই দিলেহি। কামিনিয়ে কান্দোনত গছৰ পাত সৰুৱাইছে , স্বামীৰ আকস্মিক মৃত্যুৰ বাতৰিত নহয় গহনা আৰু ৰঙীন কাপোৰবোৰ খুলি দিয়াৰ বাবেহে। বিয়া , গৃহস্থী, স্বামী এইবিলাকৰ বিষয়েটো তাইৰ কোনো ধাৰনাই নাই। ক্ষন্তেকতে তাইৰ জীৱনৰ গতিপথেই সলনিহৈ গ'ল। ঘটনাটোৰ পিছত ফুল কুমলীয়া ছোৱালীজনীৰ বয়স যেন দুগুন বাঢ়ি গ'ল। ফুৰা চকা, সাজ সজ্জা, খোৱা বোৱা সকলোতে বাধা আহি পৰিল। নিৰৱে চকুলো টোকাৰ বাহিৰে অন্য পথ নাই। বৰ মন যায় এজোৰ ৰঙীন কাপোৰ পিন্ধিবলৈ, এসাজ মাছে মঙহে ভালকৈ খাবলৈ। কিন্তু কাক ক'ব, কোনে শুনিব তাইৰ ব্যাথা। ঘৰৰ মানুহবোৰে মৰম

কৰিলেও সমাজৰ নীতি নিয়ম উলংঘা কৰাৰ ধৃষ্টতা তেওঁলোকৰ নাই। সকাম-নিকাম, বিয়া-বাৰু খাবলৈ নাযায়েই। কেতিয়াবা গ'লেও সকলোৱে যেতিয়া হাঁহি-ফূৰ্তিৰে খোৱা-বোৱা কৰে কামিনিৰ দুচকু সেমেকি উঠে। ককায়েকৰো সংসাৰ বাঢ়ে। নবৌৱেকজনী বৰ সাদৰী। কামিনিক মৰমেৰে আৱৰি ৰাখে। মাক দেউতাকেও ইহলীলা সম্বৰন কৰিলে। ভতিজাকহঁতো ডাঙৰহৈ বিয়া বাৰু কৰাই সংসাৰী হয়। কিন্তু কোনোদিন কোনো কথাতে তেওঁলোকে কামিনিক অৱহেলা কৰা নাই। ইমানখিনি মৰম পোৱাৰ বাবেহে আজি তেওঁ পয়সত্তৰ বছৰ এইখন ঘৰত পাৰ কৰিব পাৰিছে। বহুত অপেক্ষা কৰিছিল কামিনিয়ে গিৰিয়েকৰ ঘৰৰ কোনোবা এজন মানুহ আহক তাইৰ খৱৰ লওক। নাই ইমানদিনে কোনোৱেই নাহিল। তাই জীয়াই আছেনে নাই কোনও এটা খবৰেই নকৰিলে। আৰ তাৰ মুখত শুনিছিল তেওঁলোকৰ ঘৰৰ মানুহে গিৰিয়েকৰ মৃত্যুৰ বাবে তাইকে দোষী সাব্যস্ত কৰিছিল। এটা এটাকৈ সকলো কথা কামিনি দেৱীৰ চকুৰ সন্মুখত ভাহি উঠিল। আঘাতপ্ৰাপ্ত হৃদয়খনে নক'লে ৰক্তিমক আদৰি ল'বলৈ। "জানো মই একো ধৰিবপৰা নাই।" বুলি বেৰৰফালে মুখ কৰি গাৰ কাপোৰখন টানি ল"লে।

"অৰ্দ্ধ আকাশ" মানেই কুমলীয়া নাৰীমনৰ ঘৰ, আশ্ৰয়, সুখ দুখৰ সহচৰ।
অৰ্দ্ধাকাশৰ বুকুত জিৰাবৰ দিনাৰ পৰাই দেখিবলৈ পাইছোঁ বহুৰূপী জীৱনৰ স্তৰবোৰ, শিকিব পাৰিছো সাহসী হ'বলৈ,
প্ৰত্যাহ্বানক হাহিঁমুখে আদৰি লবলৈ আৰু সৰু সৰু সপোনবোৰেৰে সুখী হবলৈ...

।।

—কাকলি ডেকা—

# ন্যায়

## ৰাজশ্ৰী বৰদলৈ

সদা ব্যস্ত মহানগৰীৰ ৰাজপথ আবেলিৰ এই সময়খিনিত আৰু অধিক যানজঁটেৰে ভৰি পৰে, সকলোৰে যেন খৰধৰ নিজৰ নিজৰ ঘৰখনলৈ উভতি যাবলৈ। উন্নত দেশবোৰৰ দৰে আমাৰ দেশতো সুবিধাজনক আৰু উচ্চ মানদণ্ডৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থা থকা হ'লে কিমান যে সুচল হ'ল হয় জনসাধাৰণৰ জীৱন, কথাটোৱে সদায় দুলি থাকে অধিবক্তা কৰুণা চলিহাৰ মনত।

পিছত থকা গাড়ী খনৰ হৰ্নৰ শব্দত কৰুণাই তাইৰ গাড়ীখন অকণমান আগুৱাই দিলে, ট্ৰেফিক চিগনেল বোৰটো মানুহে কিয় যে হৰ্ন বজাই তাই বুজি নাপাই। ক'ৰ্টৰ পৰা ঘৰ মাথোঁ পোন্ধৰ মিনিটৰ ৰাস্তা, কিন্তু এই যানজঁটৰ বাবে এইকন বাটেই আধা ঘণ্টা সময় লাগি যায়। কম বয়সতে তাইৰ দক্ষতাৰ বাবে চহৰৰ ভিতৰতে নামজ্বলা অধিবক্তা হোৱা কৰুণাৰ মাক দেউতাকে বিচাৰিছিল তাই চিকিৎসক হওক, কিন্তু তাইৰ সপোন আছিল এগৰাকী সফল আইনজীৱী হোৱাৰ, যিটো সপোনক লাহে লাহে বাস্তৱৰ ৰং বোলাইছে কৰুণাই।

ঘৰ পোৱাৰ লগে লগে গেটখন খুলিবলৈ ভানু দৌৰি আহিল।

: চাহকাপ আনোঁ নে বাইদেউ?

: ৰহ অ' এইজনী, আহি পাইছোঁ হে, উশাহ লবলৈও নিদিয় মানে।

বুৰ্বকৰ দৰে হাঁহি এটা মাৰি ভানু কৰুণাৰ গাড়ীৰ পৰা ফাইল কেইটা নমাই আনিলে। এই ভানু জনী নহ'লে কৰুণাই ঘৰৰ একো এটাৰে উমান নাপায়, ঘৰখনৰ প্ৰতিটো বস্তু তাইৰ নখ দৰ্পণত।

চাৰিটা এমা-ডিমা ল'ৰা ছোৱালীৰে সৈতে মদাহী গিৰিয়েকে তাইক ভৰ যৌৱনতে বিধৱা কৰি গ'ল। সি জীয়াই থাকোতে অইন কোনো সুখ দিব নোৱাৰিলেও অন্ততঃ তাই মানুহৰ ঘৰে ঘৰে কাম কৰিবলগীয়া হোৱা নাছিল, পিছে এতিয়া তাইৰ বাহিৰেও আৰু চাৰিটা প্ৰাণীৰ পেটৰ তাড়নাত কৰুণাৰ ঘৰৰ লগতে আৰু দুঘৰত কাম কৰে। ভানুৰ অনুমানিক বয়স চাবিশ/সাতাইশতকৈ বেছি নহ'ব, মিঠা বৰণীয়া আকৰ্ষণীয় সুঠাম দেহাটো তাইৰ পুৰণি শাৰীখনে ভালদৰে ঢাকি ৰাখিবই নোৱাৰে, উজ্জ্বল তিৰবিৰাই থকা চকু জুৰিৰে সৈতে যদি ভালদৰে কাপোৰ কানি পিন্ধি ওলাই যায় আন দহজনীৰ বাবে তাই ঈৰ্ষাৰ কাৰক হ'ব। আজলী ভানুজনীলৈ কৰুণাৰ বৰ মৰম, তাইৰ ল'ৰা ছোৱালী কেইটাৰ বাবেও কিবা কিবি দি পঠিয়াই তাই মাজে সময়ে।

জলসিঞ্চন বিভাগৰ উচ্চ পদস্থ বিষয়া অনুপম চলিহাৰ লগত কৰুণাৰ প্ৰেম বিবাহ হৈছিল, সকলো ফালৰ পৰা নদন বদন ঘৰখনত অভিযোগ কৰিবলগীয়া একোৱে নাই, কিন্তু বিয়াৰ আঠ বছৰৰ পাছতো নিঃসন্তান চলিহা দম্পত্তি। উন্নত চিকিৎসাইও একো সুফল নেদেখুৱালে আজিলৈকে। সন্তান এটি তুলি লোৱাৰ কথা কৰুণা আৰু পৰিয়ালৰ মানুহ বোৰে কয় মাজে মাজে, অনুপম এই ক্ষেত্ৰত একমত নহয়।

আজি কিছুদিনৰ পৰা ভানু অলপ অসুস্থ, কামবোৰ অঁতাই সোনকালে বস্তিলৈ উভতি যায়। কৰুণাই দৰব পাতি আনি দিছে, হ'লেও ভানুৰ গাত আগৰ শক্তিখিনি ঘূৰি অহা নাই। ওচৰৰ মানুহ বোৰে বু-বু বা-বা কৰিছে তাই অন্তঃসত্বা বুলি। কৰুণাইও মন নকৰা নহয় ভানুৰ ক্ৰমান্বয়ে স্ফীত হৈ অহা উদৰটো, পিছে বিধৱা মানুহজনীক এই বিষয়ে কিবা সুধিবলৈ কৰুণাৰ বিবেকে বাধা দিয়ে। ভানুক কেইবাবাৰো বিয়াৰ কথা কৈছিল কৰুণাই —

: তোৰ আগত গোটেই জীৱনটো পৰি আছে অ' ভানু, ভাল মানুহ এটা পালে আকৌ বিয়া হৈ যা। বুঢ়া বয়সত তোকো জানো লগ এটা নালাগিব? ল'ৰা-ছোৱালীকেইটা নিজে কৰি খাব পৰা হ'লে তোক বা লগ দিয়ে নে নিদিয়ে... আজিকালি দিনকালবোৰ যি হে।

ভানুৰ চিধা জৰাব —

: নোৱাৰিম বাইদেউ। এটা মতাই যিমান তিতা দিলে আৰু মতাৰ লগ নালাগে মোক, ল'ৰা-ছোৱালীয়ে বুঢ়া কালত নাচালেও নাই। আমাৰ বস্তিৰ মতাবোৰে মদৰ বাহিৰে আৰু একো চিনি নাপায় আৰু মাইকীজনীক বিচাৰে অকল ৰাতি বিছনাখনত। এতিয়া এই চাৰিটা সন্তান মোৰ দিঙিত ওলমাই মোৰ মতাটো দুনীয়াই এৰি দিলে... আৰু এটা চপাই ল'লে মোক ৰাতি ৰাতি খাব আৰু মই তাৰ পোৱালি পেটত লৈ ফুৰিব লাগিব, পাঁচটা পেট পালোতে দেহা বেমাৰী হৈ গৈছে, নালাগে অ বাইদেউ, মতাৰ সুখ মোক নালাগে।

এনে উত্তৰ দিয়া ভানুজনীৰ আজি কি হ'ল, যদি মানুহ বোৰে কোৱাৰ দৰে সচাকৈয়ে তাই গৰ্ভৱতী??

যোৱা এমাহ ধৰি ভানু কামলৈ অহা নাই, কোনোবা পৰিয়ালৰ মানুহৰ ঘৰলৈ যাব বুলি কৰুণাক জনাইছিল। কিন্তু হঠাতে এদিন ওচৰ চুবুৰীয়া মানুহৰ মুখৰ পৰা এক আচৰিত খবৰ পালে কৰুণাই - সেইদিনা পুৱাই ভানুক পুলিচে ধৰি নিছে তাইৰ নৱজাতক শিশুটো হত্যা কৰিব বিচৰা অপৰাধত। কৰ্টৰ পৰা ওলাইয়ে কৰুণা চিধাই থানা পালেগৈ।

ভানু তললৈ মুৰ কৰি বেঞ্চখনতে বহি আছে, শৰীৰটো দুৰ্বল, আউলি বাউলি চুলি আৰু গালত শুকাই যোৱা চকুপানীৰ দাগ...

: ভানু... অ' ভানু

নাই, ভানুৰ কোনো কাণসাৰ নাই, এটা মূৰ্ত্তিৰ দৰে একে ঠাইতে ঠৰ হৈ বহি আছে। হয়তো খঙত... হয়তো দুখত... হয়তো লাজতে...

পুলিচৰ লগত কথা পাতি কৰুণাই ভানুক নিজৰ ঘৰলৈ লৈ যাবলৈ বুলি গাড়ীত বহুৱালে। ভানুৰ নৱজাতকটি চিকিৎসালয়ত আছে, কাইলৈ পুৱাহে আনিব পৰা যাব। ঘৰ পোৱালৈকে গোটেই বাটটো ভানু মাথোঁ কান্দি থাকিল, কৰুণাইও একো সোধা নাই এই সময়ত। অনুপম মিটিং থকা বাবে আগৰতলা গৈছে এসপ্তাহৰ কাৰণে, ভালেই পালে কৰুণাই, দুদিনমান ভানুক নিজৰ লগতে ৰাখিব পাৰিব.... কিবা ধুমুহা বলি আছে এই আজলীজনীৰ মনত তাৰ উমান কোনোৰে নাপায়... পাৰোঁতে জানো এজনী মাকে নিজৰ পেটৰ পোৱালিটোক মাৰিব বিচাৰিব... তাইক যদি কোনোবাই প্ৰেমৰ মিছা চলাহী কথাৰে ঠগিছে... মুঠতে যি কি নহওক এই সময়ত কৰুণাই তাইক অকলশৰে এৰি নিদিয়ে।

পিছদিনা পুৱালৈ ভানুক কিছু সুস্থ যেন লাগিল কৰুণাৰ, চাহ দুকাপ বনাই তাৰে একাপ ভানুলৈ আগবঢ়াই দিলে

: চাহকাপ খা ভানু গাটো অলপ ভাল পাবি। অলপ পিছত আমি হস্পিতল যাব লাগিব, কণমানিটিক আনিবলৈ।

সন্মুখত সাপ এডাল দেখাৰ দৰে জপিয়াই উঠিল ভানু

: পাপ... সেইটো এটা পাপৰ চিন... নানোঁ মই ঘৰলৈ... হস্পিতলতে থাকক... মৰি যাওক তাতেই.... মোক নালাগে সেই পাপৰ চিন। উন্মাদৰ দৰে চিঞৰি চিঞৰি এটা সময়ত তাই আকৌ কান্দিবলৈ ধৰিলে।

কৰুণা উঠি আহি ভানুৰ পিঠিত লাহেকৈ হাত এখন থ'লে, ভানু সৰু ছোৱালী এজনীৰ দৰে তাইৰ বুকুত সোমাই পৰিল কান্দি কান্দি।

: মই সেই ৰাতিটো পাহৰি যাব বিচাৰোঁ বাইদেউ... সেই অসুৰটোৱে মোক শেষ কৰিলে...

কৰুণাই বুজিছে ভানুৰ ওপৰেদি এজাক ধুমুহা পাৰ হৈ গৈছে। কান্দক তাই, অন্তৰৰ কথাখিনি উলিয়াই দিয়ক।

: কোনে কি সৰ্বনাশ কৰিলে তোৰ ভানু?? কি হ'ল তোৰ লগত? তই আকৌ কাৰোবাৰ প্ৰেমত পৰিছিলি নেকি যাৰ চিন সেই কণমানিটো?

: আমাক কোনে প্ৰেম কৰিব বাইদেউ, চবেই শৰীৰটোহে চিনি পায়... কিন্তু মই নাজানো বাইদেউ কাৰ পাপ মোৰ পেটত কঢ়িয়াই ফুৰিছিলোঁ মই।

: কি?? মানে কি ক'ব বিচাৰিছ তই??

কৰুণাই চকুকেইটা বহলকৈ মেলি আশ্চৰ্য্যৰে ভানুলৈ চালে, ভানুৱে আকৌ আৰম্ভ কৰিলে

: মোৰ ফুটা কপালে লগ নেৰিলে কোনোদিনে, সৰুৰে পৰা অভাৱত আঠ টা ল'ৰা ছোৱালী মাজত ডাঙৰ হ'লোঁ, বহু ৰাতি পানী খায়ে শুবলৈ চেষ্টা কৰিবলগীয়া হৈছিল, ইহঁতৰ দেউতাকৰ চকীদাৰ চাকৰিটো থকা দেখি পোন্ধৰ বছৰ বয়সতে

পলাই আহিলোঁ, বোলো তালৈ বিয়া হ'লে খালী পেটত শুব নালাগিব অন্ততঃ। পিছে কেইমাহমানতে ভালপোৱা শেষ হৈ সি মদ খাই মোক মাৰ পিট কৰিবলৈ আৰম্ভ কৰিলে, তাৰ অত্যাচাৰ বাঢ়ি অহাত সদায় ভাবিবলৈ ল'লোঁ সি মৰিয়ে নাযায় কিয় আৰু এদিন সঁচাকৈ মদ খাই খাইয়ে সি মৰিও থাকিল। এতিয়া ভাবিছিলোঁ আপোনাৰ দৰে মানুহৰ ঘৰত কাম কৰি ল'ৰা-ছোৱালীকেইটাক মোৰ সৰু কালৰ দৰে খালী পেটেৰে কেতিয়াও শুব নিদোঁ, মতাটো নাই যদিও ইহঁতকেইটাক লৈয়ে শান্তিৰে আছিলোঁ। কিন্তু ভগৱানৰ সহ্য নহ'ল মোৰ শান্তি, সেইৰাতি মোৰ সুখকণ কাঢ়ি নিলে... ভানু কান্দি কান্দি কঁপা মাতেৰে কৈ গ'ল —

: সেইৰাতি ঘৰত মই অকলে আছিলোঁ, ল'ৰা-ছোৱালীকেইটা মোমায়েকৰ ঘৰলৈ গৈছিল... ৰাতি ভাতকেইটা খাই বিছনাত পৰাৰ লগে লগেই টোপনিয়ে হেচা মাৰি ধৰিছিল। কিন্তু... কিন্তু...

ভানুৱে ভালদৰে কথাকেইটা ক'ব পৰা নাই... তাই কঁপিছে...

হঠাতে বিছনাখনত কোনোবা উঠা যেন লগাত চকু মেলি দেখিলো মানুহ এটাৰ হাতখন কিলবিলাই ফুৰিছে মোৰ গাৰ চুব নলগীয়া ঠাইবোৰত। মই চিঞৰিব বিচৰাত মোৰ মুখখন টিপা মাৰি ধৰিলে আৰু এটা জন্তুৰ দৰি মোৰ ওপৰত জপিয়াই পৰিল, মোক ছিৰাছিৰ কৰি মোৰ সকলো শেষ কৰিলে... তাই আকৌ কান্দিব ধৰিলে।

কৰুণাই সপোনতো ভবা নাছিল ভানুৰ লগত এনে কিবা হৈছে বুলি, বেচেৰীয়ে ইমানখিনি অকলেই সহ্য কৰিছে।

: তই মানুহটো কোন নেদেখিলি নে ভানু? যদি তই ক'ব পাৰ কোন তাক মই উচিত শাস্তি দিয়াম।

: মই আন্ধাৰত একো দেখা নাপালোঁ বাইদেউ, সি মুখত এখন কাপোৰ বান্ধি থৈছিল... মাথোঁ তাৰ গাত থকা এটা দাগ মই দেখিছিলো চকামকাকৈ। তাৰ বাহিৰে মই আৰু একো নাজানোঁ। সি মোৰ লগত বেয়া কাম কৰিলে বুলি মোৰ কাকো ক'বলৈ সাহস নহ'ল, কাৰণ কোন আছিল সেই মানুহটো মই গমেই নাপালোঁ, কোনে বিশ্বাস কৰিব মোৰ এনে কথাত। বস্তিৰ মানুহবোৰে মোক এনেও বিধৱা হৈয়ো ভালদৰে খাই লৈ আছোঁ কাৰণে বেয়া চকুৰে চাই। মই ভাবিছিলোঁ যি হ'ল পাহৰি যাম সময়ৰ লগত, আমাৰ নিচিনা গৰিব মানুহৰ দুখ শুনোতা এনেও কোনো নাই। পিছে সেই অসভ্য পাষণ্ডটোৱে তাৰ পাপৰ বীজ মোৰ পেটত এৰি থৈ গ'ল, বহুত চেষ্টা কৰিও আঁতৰাব নোৱাৰিলোঁ সেই লেতেৰাবোৰ... পেটত ভুকুৱাই মাৰিলো কিমান বাইদেউ পিছে পাপটো নমৰিল। মই নিজৰ ওপৰত কৰা অত্যাচাৰবোৰৰ কাৰণে মোৰ গাটো বহুত দুৰ্বল হৈ পৰিল আৰু সময়তকৈ আগতেই জন্ম পালে পাপৰ ফলটোৱে... ভাবিলোঁ কোনেও নেদেখাকৈ জাবৰৰ দ'মটোত পেলাই দিও, কুকুৰে খালেও খাওক... কাউৰীয়ে খালেও খাওক, পিছে বস্তিৰ কাৰোবাৰ চকু পৰিল মই পেলাবলৈ নিওঁতে আৰু মোক পুলিচে ধৰি নিলে।

: তই ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰিলি ভানু?? সেই কণমানিটোৰ কি ভুল যি পৃথিৱীখনত চকু মেলিছেহে মাথোঁ??

ভানুৱে মুখেৰে একো নামাতি কেৱল উচুপি থাকিল।

: আমি এতিয়াই পুলিচ থানা যাম আৰু তোৰ হৈ এটা গোচৰ তৰিম, তই উচিত বিচাৰ পাবি ভানু। মই আছোঁ তোৰ লগত সকলো সময়তে, কোন মানুহে তোৰ লগত এনে ঘৃণনীয় কাম কৰিলে তাক আমি এৰি নিদোঁ।

থানাত সকলোবোৰ কথা খুলি ক'লে ভানুয়ে কেৱল কৰুণাৰ সাহসতে। পুলিচে এটা ধৰ্ষণৰ মোকৰ্দমা ফাইল কৰিলে আৰু ভানুক কথা দিলে যে দোষীক অতি সোনকালে কৰায়ত্ত কৰিব। কথা মতেই পুলিচে বিচাৰ-খোচাৰ আৰম্ভ কৰিলে।

কেঁচুৱাটো সময়ৰ আগতে জন্ম হোৱাৰ বাবে অলপ নিশকতীয়া আছিল, ডাক্তৰে উচিত যত্ন পাবৰ বাবে হস্পিতেলতে আৰু কিছুদিন ৰাখিবলৈ পৰামৰ্শ দিলে। কৰুণাই নিজৰ ব্যস্ত জীৱনৰ মাজতো ভানুলৈ যিমান পাৰে সহায় আগবঢ়াই গ'ল। অনুপমে তাইক নুসুমাবলগীয়া কামবোৰত সুমুৱাই ফুৰা বুলি কটাক্ষ কৰিবলে নেৰিলে। হ'লেও কৰুণাই ভানুক অকলশৰীয়া হ'ব নিদিলে। আনহাতে বাকী যি দুঘৰত ভানুৱে কাম কৰিছিল সিহঁতে ভানুক বেয়া চৰিত্ৰৰ মাইকী বুলি কৈ কামৰ পৰা উলিয়াই দিলে। এনে সময়ত ভানুৰ একমাত্ৰ সহায় হৈ ৰ'ল কৰুণা।

যিহেতু ঘটনাটো হৈ যোৱা কেইবামাহও পাৰ হৈ গৈছিল পুলিচৰ প্ৰমাণ সংগ্ৰহ কৰিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল, শেষত কেঁচুৱাটোৰ ডি.এন.এ. পৰীক্ষা কৰি সেইটো ভিত্তিত তদন্ত আৰম্ভ কৰিলে। বস্তিৰ প্ৰত্যেকটো মতা মানুহৰ তেজ সংগ্ৰহ কৰিলে কেচুৱা টোৰ ডি.এন.এ. লগত মিলাই চাবৰ বাবে, কিন্তু আচৰিতভাৱে বস্তিৰ কোনো মানুহৰ লগতে

ডি.এন.এ. মিল পোৱা নগ'ল। কৰুণাও নিৰুপায় পুলিচৰ সহায় অবিহনে দোষীক শাস্তি দিয়াত। হ'লেও তাই পুলিচক অনুৰোধ জনালে তেওঁলোকে যাতে গোচৰটো বন্ধ কৰি নিদিয়ে আৰু চেষ্টা চলাই থাকে দোষীক বিচাৰি উলিয়াবলৈ।

দিনবোৰ ক্ৰমে বাগৰি মাহৰ ঘৰত সোমাল, ভানু এতিয়া কেৱল কৰুণাৰ ঘৰতে কাম কৰিব আহে, আন মানুহবোৰে তাইক প্ৰায় লেই লেই-ছেই ছেই কৰাৰ দৰেই। অকণমানিটোক আলহী ৰুমৰ বিছনাখনতে শুৱাই থৈ ভানুৱে ঘৰখনৰ কামবোৰ এটা এটা কৈ কৰি যায়, সি কান্দিলে পিয়াহটো মুখত দি তাক শান্ত কৰে যদিও কৰুণাই মন কৰে ভানু যেন কণমানিটোৰ প্ৰতি নিৰ্বিকাৰ। এনে সময়ত সন্তানহীনা কৰুণাৰ বুকুখন ধৰফৰাই উঠে ওপৰৱালা জনৰ আচৰিতধৰণৰ বিচাৰৰ কথা ভাবি, নিজকে ভানুৰ আগত বৰ দুখীয়া যেন অনুভৱ হয়।

গাড়ীখন গেটৰ ওচৰত পাওঁতেহে মনত পৰিল কৰুণাৰ আজিৰ দৰকাৰী ফাইলটো ৰুমতে এৰি আহিলে। গাড়ীখন ওলাই গ'লেই গেটখন জপাবলৈ সেইখিনিতে ৰৈ থকা ভানুক ক'লে —

: মই  নীলা ৰঙৰ ফাইল এটা আমাৰ শুৱা ৰুমৰ বিছনাৰ ওপৰতে এৰি আহিলোঁ, লৈ আনগৈচোন।

ভানুৱে জানে কৰুণাৰ এই সময়ত বৰ লৰালৰি হয় সদায়, তাই খৰধৰকৈ গ'ল ফাইলটো আনিবলৈ। কৰুণাই কোৱাৰ দৰেই বিছনাৰ ওপৰতে থকা ফাইলটো লৈ ৰুমটোৰ পৰা ওলাব লওঁতেই শুৱা কোঠাটোত সংলগ্ন বাঠৰুমটোৰ পৰা গা ধুই অনুপম ওলাই আহে শৰীৰৰ নিম্নাংশত টাৱেল এখন পিন্ধি। ভানু অপ্ৰস্তুত হৈ ওলাই আহোতে তাইৰ চকু পৰিছিল অনুপমৰ বুকু অংশত থকা ক'লা দাগ টুকুৰাত। ভানুৱে সঠিক ধৰিব পৰা নাই একো... তাই এইমাত্ৰ দেখা এই দাগটো সেই ভয়াবহ ৰাতিৰ দাগটোৰ দৰেই... আস!!! কেঁচুৱাটোৱে কান্দিছে, তাৰ কিজানি ভোক লাগিছে... কৰুণাই দুবাৰমান চিঞৰিলে ভানুৰ নাম লৈ... ভানুৱে ক্ৰমান্বয়ে চাৰিওফালে ক'লা দেখিবলৈ ল'লে, তাৰ পিছত কি হ'ল তাই ক'ব নোৱাৰে।

যেতিয়া চকু মেলিলে ভানু চিকিৎসালয়ত আছিল, নাৰ্চ এজনীয়ে তাইক জনালে যে অচেতন অৱস্থাত কোনো উকীল বাইদেউ এগৰাকীয়ে তাইক লৈ আনিছিল।

আবেলি সময়ত কৰুণা আহিল ভানুক লগ কৰিবলৈ।

: তই অথনি মূৰ ঘূৰাই পৰিলি, সেয়ে তোক ইয়ালৈ লৈ আনিলোঁ মই। ডাক্তৰে দুৰ্বল হৈ থকাৰ কাৰণে মূৰ ঘূৰালে বুলি কৈছে, চিন্তা কৰিবলগীয়া একো নাই। ভালদৰে খোৱা-বোৱা কৰিবি আকৌ ভানু।

কৰুণাই মৰমেৰে হাত ফুৰাই দিলে ভানুৰ মূৰত।

ভানু হুকহুকাই কান্দি উঠিল, তাই ৰাতিপুৱা ফাইলটো আনিব যাওঁতে ছাৰৰ গাত দেখা সেই দাগটোৰ কথা ক'লে কৰুণাক।

কৰুণা দুখুজ পিছুয়াই গ'ল... চিঞৰি উঠিল ভানুৰ ওপৰত —

: তহঁতৰ নিচিনা মানুহক মৰম কৰিব নাপায়, সকলোৱে ঠিকেই কৈছিল... তই চৰিত্ৰহীনা, নিজৰ পাপ ঢাকিবলৈ তই মোৰ ঘৰখনহে পালিগৈ জুই জ্বলাবলৈ। খবৰদাৰ যদি আৰু মোৰ ঘৰত ভৰি দিয় তই।

ফুঁফুৱাই কৰুণা হস্পিতলখনৰ পৰা ওলাই আহি গাড়ীত বহিল। মূৰটোৱে যেন কাম কৰা বন্ধ কৰি দিছে, ইমান সাহস ক'ত পালে ভানুৱে?? অনুপমৰ বিষয়ে কিবা ক'বলৈ সাহস নহয় দুঃসাহস কৰিছে তাই... এটা কাণতলীয়া চৰ শোধাই দিব লাগিছিল সেই মুহূৰ্ততে। আৰু এইবোৰ মানুহক ইমান প্ৰশ্ৰয় নিদিয়ে তাই কোনোদিনে। তীব্ৰ বেগত গাড়ীখন ঘৰৰ পিনে আগুৱাই দিলে কৰুণাই।

যোৱা এসপ্তাহ ধৰি ভালদৰে একো কামতে মন বহাব পৰা নাই তাই। কৰ্টৰ বেছিভাগ কামেই কনিষ্ঠ সহায়কক কৰিব দিছে। সেইদিনা গধূলি অনুপম ঘৰতে আছিল, তাই লাহেকৈ অনুপমৰ কাষত বহিলেগৈ কৰ্টৰ পৰা অহাৰ পিছত।

: অনুপম আজি সোনকালে আহিলা নেকি অফিচৰ পৰা?

: নাই অলপ আগত সুমুৱাইছোঁহে, তুমিহে আন দিনাতকৈ সোনকালে পালাহি। গা বেয়া নেকি তোমাৰ?

: মই ঠিকেই আছো, ভানু নহাৰ কাৰণে ঘৰৰ কামবোৰ কৰিবলগীয়া হৈছে যে সেই কাৰণে অলপ সোনকালে আহিলোঁ, বেলেগ মানুহ এজনী বিচাৰিও পোৱা নাই।

অনুপমে লেপটপটোত কিবা কৰি আছে, স্ক্ৰীনখনত চাই চায়ে সি কৰুণাৰ লগত কথা পাতি থাকিল।

: বাৰু অনুপম এটা কথা কোৱাছোন, ভানুৰ বিষয়ে তোমাৰ কি লাগে? তাইৰ সন্তানটোৰ পিতৃ কোন বাৰু?

লেপটপত টাইপ কৰি থকা অনুপমৰ হাতখনকেই চেকেণ্ড মানৰ কাৰণে ৰৈ গ'ল। পুনৰ টাইপ কৰি কৰি ক'লে —

: কি জানিবা ইহঁতবোৰৰ কথা, বৰ ভাল কাম কৰিলা তাইক কামৰ পৰা এৰাই দি। সকলোৱে এৰিয়ে দিলে তাইক, তোমাৰহে নাজানোঁ কি সমাজসেৱাৰ ভূত সোমাইছিল গাত। দেৰিকৈ হ'লেও বুজিলা যে তুমি।

: ঠিকেই কৈছা, মই মানুহ একেবাৰে চিনি নাপাওঁ, কাৰ লগত বা সম্পৰ্ক ৰাখিছিল তাই।

: পইচাৰ কাৰণে যিকোনো পৰ্য্যায় ইহঁতে, শুইছিল চাগৈ পইচাৰ কাৰণেই কাৰোবাৰ লগত।

: হয়। পইচাৰ বাবেই হ'ব। কিমান টকা দিছিলা তুমি তাইক অনুপম??

: কি??? চিঞৰি উঠিল অনুপম।

: পাগল হৈছা নেকি তুমি?? কি ফটুৱা কথা কৈছা মোক??

: নিচিঞৰিবি নৰৰূপী পিশাচ, কিমান আৰু ভদ্ৰতাৰ মুখা পিন্ধি থাকিবি... কি পোৱা নাছিলি তই মোৰ পৰা? ইমান ঘৃণনীয় কাম কৰিবলৈ তোৰ বুকুখন নকঁপিল নে? এজনী বিধৱাকো এৰি নিদিলি... সেই কণমানি শিশুটোলৈও কোনো দিন বেয়া নালাগিল তোৰ।

: তুমি ভুল বুজিছা কৰুণা, মই এনেকুৱা একো কৰা নাই। কোনোবাই মিছা কথা লগাই আমাৰ সংসাৰ ভাঙিব বিচাৰিছে।

: উস!! অলপো লাজ, ভয় নাই তোৰ। আৰু কিমান মিছা কথা ক'বি??? আৰু কি ক'লি তই, আমাৰ সংসাৰ, হা হা হা হা... মোৰ কিবা মূল্য আছে জানো তোৰ ওচৰত??

ভানুৰ কথা একেবাৰে বিশ্বাস কৰা নাছিলোঁ মই, কিন্তু মনটোৱে নমনাত তোৰ চুলি এডাল লৈ ডি.এন.এ. পৰীক্ষা কৰিবলৈ দিছিলোঁ। আৰু আজি পোৱা ৰিপৰ্টটোৱে মোৰ সকলো ভুল ধাৰণা আঁতৰাই দিলে। তোৰদৰে এটা অমানুহৰ লগত থকাতকৈ মই অকলশৰীয়া কৈ থাকিব বিচাৰোঁ। কিন্তু এয়া নাভাবিবি যে তই কৰা পাপৰ ফল নাপাবি। ভানুক তাইৰ হেৰুৱা সন্মান মই ঘূৰাই দিম, তাইৰ হৈ তোৰ বিপক্ষে কৰ্টত মই ঠিয় হ'ম। আৰু সেই নিৰ্দোষী কণমানিটোক উচিত পৰিচয় দিম সমাজত মোৰ সন্তানৰূপে, কৰুণা চলিহাৰ সন্তান।

: মোক ক্ষমা কৰি দিয়া কৰুণা, মোৰ ভুল হৈ গ'ল... মোক এৰি থৈ নাযাবা।

কৈ কৈ অনুপম কৰুণাৰ পিছে পিছে দৌৰি আহিল, কিন্তু কৰুণা ইতিমধ্যে গাড়ীখন লৈ গেটৰ ওচৰ পালেগৈ।

বেক লাইট দুটাৰ মাজত জিলিকি থকা অধিবক্তাৰ ষ্টিকাৰটো চাই থাকোতেই লাহে লাহে অনুপমৰ দৃষ্টিৰ অগোচৰ হৈ গ'ল।

# ৰুণজুণ নূপূৰ বাজে

## ৰঞ্জু হাৈে মুনি

ৰাতিপুৱাৰ পৰা ব্যস্ত কুঁৱলী। কাৰণ আজি পলাশ আহিব চহৰৰ পৰা। আস... পলাশৰ নামটো মনলৈ অহাৰ লগে লগে কুঁৱলীৰ ওঁঠৰে মিঠা হাঁহি এটি বাগৰি গ'ল। লীন যাব খোজে তাই এই নামটোত। কি যাদু আছে পলাশৰ! যি তাইক তাৰ প্ৰতি সদায় আকৰ্ষিত কৰি আহিছে। এইয়াই প্ৰেম নিকি। ৰাতিপুৱাৰ এই সময়খিনি কুঁৱলীৰ নিজৰ সময়। সাধাৰণতে ঘৰখনৰ মানুহবোৰ দেৰিকৈ টোপনিৰ পৰা উঠে। দেউতাকে অৱশ্যে সোনকালে উঠে যদিও ফুৰিবলৈ যায়। কুঁৱলীয়ে সদায় সোনকালে উঠে আৰু উঠিয়ে তাইৰ প্ৰথম কাম হ'ল পাৰকেইটাক চাউল চটিয়াই দিয়া। তাৰ পিছত বাঢ়নীতাৰ লৈ তাই চোতাল-ঘৰ সাৰি মুখ-হাত ধুই মানে দেউতাক ফুৰি আহি পায়। এইখিনি সময়ত কিন্তু সদায় পলাশ তাইৰ মনতে থাকে। পলাশৰ কথা ভাবি ভাবি কেতিয়ানো তাই কামবোৰ সামৰে নিজেই নাজানে।

ঘৰখনৰ একমাত্ৰ ছোৱালী কুঁৱলী। মাক-দেউতাক আৰু ককায়েক দুজনৰ লগতে গাঁওখনৰ ভিতৰতে চহকী পৰিয়াল কুৱলীহঁতৰ। খেতি-বাতি, গৰু-মহ আদিৰে এখন নদন-বদন ঘৰ। বছৰৰ বাৰ মাহে কাম কৰা মানুহ, আলহী-অতিথিৰে ঘৰখন গিজ গিজাই থাকে। সৰুৰে পৰা পঢ়া-শুনা, কবিতা আবৃত্তি কৰা আদি সকলোতে চোকা কুঁৱলী। বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশনত কুঁৱলীয়ে প্ৰত্যেক বছৰে শ্ৰেষ্ঠ আবৃত্তিকাৰৰ বটাঁ আজুৰি আনে। তাইক সকলো ক্ষেত্ৰতে অহৰ্নিশে প্ৰেৰণা একে গাঁৱৰে পলাশে।

পলাশ... এৰা পলাশ। কুঁৱলীতকৈ দুটা শ্ৰেণী ওপৰৰ পলাশ আছিল অত্যন্ত মেধাৱী। দেউতাক নোহোৱা পলাশক মাকে ইঘৰে-সিঘৰে কাম কৰি বৰ কষ্টেৰে ডাঙৰ-দীঘল কৰিছিল। পলাশৰ মাকে কুঁৱলীহঁতৰ ঘৰতে বেছিকৈ কাম-বন কৰিছিল। কুঁৱলীৰ মাকে ইটো-সিটো বস্তুৰে পলাশৰ মাকক সহায় কৰি আহিছিল। মাজে-মাজে সি কুঁৱলীৰ পঢ়া চাই দিছিল। কুঁৱলীয়ে কিন্তু পঢ়াৰ মাজতে কবিতা আবৃত্তি কৰিবলৈ ধৰে। আকৌ তাৰ ধমকিত তাই পুনৰ পঢ়াত মন দিয়ে। বিদ্যালয়লৈ গ'লেও তাই সদায় পলাশৰ লগতে গৈছিল। পলাশে কিন্তু সদায় দূৰত্ব বজাই ৰাখিব বিছাৰিছিল। কাৰণ সি জানে কুঁৱলীহঁত ডাঙৰ মানুহ। গতিকে বেছি হলিগলি নকৰাই ভাল। কুঁৱলীৰ কিন্তু সেইবোৰলৈ ভ্ৰুক্ষেপ নাই। তাই পলাশৰ লগত থাকি বেছি ভাল পাইছিল। ক্ৰমান্বয়ে তাই পলাশৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। খাওঁতে-শুওঁতে কেৱল পলাশৰ কথাই ভাবি থকা হৈছিল। তাই ভাবিছিল, এয়াই প্ৰেম নিকি? পলাশক দেখিলে বুকুখন ধপ ধপাইছিল। পলাশ ওচৰলৈ আহিলে তাই একো ক'ব পৰা নাছিল। গাল দুখন ৰঙা হৈ পৰিছিল। অজানিতে পলাশক দেখিলে তাইৰ লাজ লাগিছিল।

সেইবাৰ পলাশহঁতৰ শ্ৰেণীটোৰ বিদ্যালয়ত শেষ বছৰ আছিল। ইতিমধ্যে বিদ্যালয়ৰ বাৰ্ষিক আধিৱেশনো আহিল। অধিৱেশনৰ পিছতে পলাশহঁতৰ বিদায় সভা। কুঁৱলীয়ে কিন্তু মনে মনে চিন্তিত হৈ পৰিছিল। কাৰণ মেট্ৰিক পাছ কৰাৰ পিছতে পলাশ চহৰলৈ যাব। পলাশৰ মোমায়েক এজন চহৰত থাকে। তেওঁৰে পলাশক লৈ যাব। গতিকে কুঁৱলীয়ে মনতে ভাবিলে যে যেনেকৈ নহওক কিয় তাই এইবাৰ পলাশক তাইৰ মনৰ বতৰা দিব। বাৰ্ষিক অধিৱেশন শেষ হওঁতে সন্ধিয়া লাগিছিল। পলাশে কুঁৱলীক ঘৰলৈ আগবঢ়াই থবলৈ আহিছিল।

...কুঁৱলী মই পৰীক্ষা দিয়েই চহৰলৈ যামগৈ। তই ভালকৈ পঢ়া-শুনা কৰিবি।

...অহ বুলি কৈ কুঁৱলীয়ে পলাশে কিবা কোৱাৰ পূৰ্বে তাক জোৰকৈ সাৱটি ধৰি তাৰ বুকুৰ মাজত ফেকুৰি উঠিছিল।

...তই মোক এৰি নাযাবি পলাশদা। মই তোক খুব ভালপাওঁ। কুঁৱলীয়ে কান্দি কান্দি কৈছিল।

ঘটনাৰ আকস্মিকতাত বাকৰুদ্ধ হৈ পৰিছিল পলাশ। চকুৰপানী মচি-মচি কুঁৱলী ঘৰৰ ভিতৰলৈ সোমাই গৈছিল। আৰু পলাশ একে স্থানতে স্থানুৰ দৰে ৰৈ গৈছিল।

সেইদিনাৰ পৰা পলাশে কুঁৱলীক দেখা দিয়া নাছিল। মেট্ৰিক পৰীক্ষাত অসমৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰি পলাশ গুচি গৈছিল চহৰলৈ। সম্পূৰ্ন পাঁচ বছৰৰ মূৰত সি গাঁৱলৈ আহিব। ডিগ্ৰী পাছ কৰি সি নতুনকৈ চাকৰিত জইন কৰিছে।

ইতিমধ্যে কুঁৱলীয়েও ডিগ্ৰীত নামভৰ্তি কৰিছে। পলাশ আহিব বুলি শুনি তাই কতো ঠিৰেৰে থাকিব পৰা নাই। সি বা কুঁৱলীৰ কথা ভাবে নে নাই? নে তাইৰ কথা সি সমম্পূৰ্ণ পাহৰি গৈছে। এইবোৰ ভাবি ভাবি তাই কেতিয়ানো কলেজ পালে ধৰিবই নোৱাৰিলে।

সন্ধিয়া পলাশ কুঁৱলীহঁতৰ ঘৰলৈ আহিল। কুঁৱলীৰ মাকে চাহ জলপান দিলে। মাকে তাক একেবাৰে ভাত খাইহে যাবলৈ ক'লে। ভাত-পানী খাই সি যাবলৈ ওলাল। কুঁৱলীৰ কিবা এটা লাজ লাগিল তাৰ আগত ওলাব। পলাশে তাইক মাত লগাবলৈ তাইৰ ৰুমলৈ সোমাই আহিল।

...কুঁৱলী... মাত লগালে পলাশে। চক খাই উঠিল কুঁৱলী পলাশৰ মাতত। আস... একেই আবেগভৰা মাত। যি মাতৰ প্ৰেমত পৰিছিল তাই। সি তাইৰ ওচৰত গৈ বহিলে। তাইৰ হাতখন তাৰ হাতৰ মুঠিত লৈ সি ক'লে —

...ময়ো ভালপাওঁ তোক দেহা। তাই লাজতে মূছকঁছ গ'ল। দুই-এদিনতে মা তহঁতৰ ঘৰলৈ আহিব। তোক মোৰ লগত বিয়া দিয়েনে নাই সুধিবলৈ। এইবুলি কৈ সি তাইক আঙঠি এটা পিন্ধাই দিলে। তাইৰ মনটো আনন্দত নাচি উঠিল। লাহে লাহে কুঁৱলী পলাশৰ বুকুৰ মাজলৈ সোমাই গ'ল। দূৰত এটা গান বাজি আছিল।

ৰুণ জুণ নূপুৰ বাজে। পলাশ আৰু কুঁৱলীৰ হৃদয়তো সেই সুৰ আন্দোলিত হ'ল।

অৰ্ধ আকাশ হ'ল মোৰ এনে এক সংগী যাৰ জৰিয়তে মই মোৰ জীৱনত হাঁহি, ধেমালি, সাহস,আত্মবিশ্বাস,স্বাৱলম্বিতাৰ মনোভাৱ,বহুতো নজনা কথা জনা ইত্যাদি সকলোবোৰ পাইছো,তদুপৰি নানা ঠাইৰ সখীসকলৰ লগত চিনাকি হোৱাৰ এক সুন্দৰ সুযোগ পাইছো ।

।।

—কবিতা নেওগ—

# নিয়তিৰ খেল

**ৰীমা কলিতা চুবেদাৰ**

কিনকিনিয়া বৰষুণজাক মূৰত লৈয়ে কাউৰীয়ে কা নকৰোতেই জেতুকীয়ে খৰখেদাকৈ খোজ ললে আনটো চুবুৰীলৈ... আগদিনাই কৈ থোৱাধৰণে জীয়েক হেমলতাইও দুৱাৰখন কানি দুৰৰীকৈ খুলি থৈছে... মানুহজনে কথা দিছে... আজি অমাৱস্যা... আজিয়েই কামটো কৰিলে কাম হোৱাটো এশ শতাংশই খাটাং....

সামান্য দুৱাৰখন ঠেলি সোমাই আহিল জেতুকী... হেমলতাইও মাকৰ বাবেই উৎকণ্ঠাৰে বাট চায় আছিল... বৰষুণৰ কনিকাই সামান্য ভিজাই পেলোৱা মুখ আৰু হাত দুখন মচি মচিয়েই বুঢ়ীয়ে আদেশৰ সুৰতেই জীয়েকক আজি ৰাতিয়েই কামটো  সমাধা কৰিব ক'লে... ৰঙা চাহৰ বাটিতো আগবঢ়াই জীয়েকে মূৰটো দুপিয়ালে মাথোঁ... আগতেও এইকামত সিদ্ধহস্ত মাক জীয়েক,তথাপিও গৰম নথকা স্বত্তেও বিন্দু বিন্দু ঘাম বিৰিঙি উঠিল হেমলতাৰ মুখমণ্ডলত...

নীৰেনৰ জীয়েক বুলি কোনোদিনে গাঁৱৰ মানুহে সিহঁত তিনিজনী বায়েক ভনীয়েকক সম্বোধন কৰা নাছিল... দেউতাকৰ নামৰ পিছত লগাই দিছিল নীৰেন মদাহী শব্দটো... দিনৰ দিনটো লোকৰ বাহী বন কৰি মাক জেতুকীয়ে সিহঁতক ডাঙৰ-দীঘল কৰিছিল... বিনিময়ত পাইছিল গিৰিয়েকৰ ককৰ্থনা, চৰ, লাঠ আদি... তথাপি তিনিজনীকৈ ছোৱালী বুকুত সাৱটি ডাঙৰ কৰিছিল... তথাপিও অলপ যেন বেছি আদৰৰ আছিল হেমলতা...  মাক জেতুকীৰ ঠাঁচতে গঢ় লোৱা হেমলতা দিন যোৱাৰ লগে লগে গাঁৱখনৰে চৰ্চাৰ বিষয় হৈ পৰিছিল... কিছু যেন সুবিধাবাদী হৈ পৰিছিল হেমলতা... ভালকৈয়ে জানিছিল তাই নতুনকৈ দোকান দি ব্যৱসায়ত দোপতদোপে আগবঢ়া হেমন্তৰ পৰা গাঁৱৰ স্কুলখনত নতুনকৈ জইন কৰা শিক্ষক অৰুণলৈকে বহুজনৰ চকু তাইৰ ৰূপত... সেয়ে তাইও কিছু মিঠা মিঠা কথাৰে বহু সুযোগ সুবিধা আদায় কৰিছিল এনেলোকৰ পৰা...

দুটা পুত্ৰৰ এটা যিদৰে সকলোফালে আগৰণুৱা আছিল আনটো আছিল মানসিকভাৱে কমজোৰ... সেয়ে ডাঙৰ পুত্ৰৰ চোৰাচিতাৰ ফলত সৰু পুত্ৰৰ যাতে আপডালত কোনো হেঙাৰ আহি নপৰে তাৰবাবেই উপেন গাঁওবুঢ়া আৰু তেওঁৰ পৰিবাৰে সৰুপুত্ৰক মোমায়েকৰ ঘৰলৈ পঠিয়াই দিছিল... শিক্ষকতা সম্পূৰ্ণ কৰিয়েই নিজ ঘৰলৈ উভতি অহা চফল ডেকা নিৰঞ্জনৰ চকুত পৰিল হেমলতা... চকুত পেলায়ে ক্ষান্ত নাথাকি নিৰঞ্জন হেমলতাৰ প্ৰেমত পৰিব ধৰিলে... হেমলতাৰ বাবে সহজ হৈয়ে পৰিল ধনীৰ দুলালক নিজৰ প্ৰেমত হাবুডুবু খুৱাবলৈ... হেমলতাৰ ঘৰলৈ সঘনাই আহ যাহ হোৱাত গাঁৱৰ কিছুলোকৰ ফালৰ পৰা আপত্তি আহিব ধৰিলে, যিহেতু ইতিমধ্যে হেমলতাৰ চঞ্চল মন, সুবিধাবাদী চৰিত্ৰৰ উমান সকলোৰে পাইছিল... ঠিক তেনে সময়তে অকাল মৃত্যুত দেউতাকক হেৰুৱাই গাঁওবুঢ়াৰ দায়িত্ব মূৰপাতি লোৱা নিৰঞ্জনেই হৈ পৰিল ঘৰখনৰ সৰ্বেসৰ্বা... কোনো লোকৰে আপত্তি নজৰিল তাৰ আগত হেমলতাক নিজৰ কৰি লোৱাত... জেতুকী বুঢ়ীৰ লগতে ঘৰখনে যেন হাততে স্বৰ্গ ঢুকি পালে.... হেমলতাৰ বিয়াৰ এটা বছৰ নৌঘূৰোতেই তাইৰ মাতৃগৃহ চকুত লগা ধৰণে সলনি হৈ গল... দুবছৰ পিছতেই এগৰাকীক উলহ মালহেৰে বিয়া দি এঘৰলৈ উলিয়াই দি আনজনী ভনীয়েকক কলেজত পঢ়িবলৈ পঠোৱা হল... মুঠৰ ওপৰত হেমলতাক জন্ম দি যেন সাৰ্থক হৈ পৰিল জেতুকী বুঢ়ী...

গাঁওবুঢ়াৰ দায়িত্বৰ লগতে নানানধৰণৰ ব্যৱসায়ৰে নিৰঞ্জনে যিদৰে দিনে দিনে উন্নতিৰ জখলাত বগাব ধৰিলে ঠিক তাৰ বিপৰীতে হেমলতা হৈ পৰিল প্ৰচণ্ড অভিমানী, গোঁৱাৰ... মানুহক মানুহ বুলি গণ্য নকৰা হ'ল হেমলতাই... কেৱল তেতিয়াৰ দিনতেই দু-শ্ৰেণী বেছি পঢ়া নিৰঞ্জনৰ মাকক কিন্তু হেমলতাই লৰাব নোৱাৰিলে... কিন্তু হেমলতাৰ ৰূপ দেখি বৰপুত্ৰক লৈ চিন্তিত হৈ পৰিল শাহুৱেক সাৰদা... তেওঁৰ পিছত বৰপুত্ৰৰ অন্ধকাৰ ভৱিষ্যতে খুলি খুলি খাব ধৰিলে তেওঁক... এতিয়াও ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱাৰ পৰলৈ সকলো কামতে মাকৰ আচলত লাগি থকা লৰাটোৰ চিন্তাই যেন অলপ সময়ৰ বাবে হ'লেও নিৰ্ভীক সাৰদাক জোকাৰি পেলালে...

তিনিমাহ ধৰি গাঁৱৰ ৰাস্তাটোৰ পকী কাম কৰি আহি ৰূপাহঁতৰ ঘৰৰ পৰা দুঘৰমান আগত কাম কৰা বনুৱাখিনিয়ে তম্বু

তৰিছে... এইখিনিৰ কাম শেষ হ'লেই আকৌ কেইঘৰমান আগুৱাই তম্বু তৰিব তেওঁলোকে... সৰুতে ঘাটমাউৰা হোৱা ৰূপা মামাক-মামীয়েকৰ লগতে ডাঙৰ হোৱা... আইতাকজনী থকালৈ বৰ বিশেষ অসুবিধা নহ'লেও আইতাক ঢুকুৱাৰ লগে লগে ৰূপাৰ ওপৰত সন্তানহীনা মামীয়েকে দেখ দেখকৈ অত্যাচাৰ কৰিব ললে... যাৰ নীৰৱ দৰ্শক হৈ থাকিল মোমায়েকৰ লগতে চুবুৰীয়াখিনি... কামত অকণমান হেৰ ফেৰ হ'লেই লঘোনে থাকি ৰাতি পাৰ কৰিবলগীয়া হোৱা ৰূপাই কান্দি কান্দি মাক-দেউতাক-আইতাকক নিজৰ ওচৰলৈ লৈ যাবলৈ হাতযোৰ কৰে অথচ ৰাতিপুৱাৰ লগে লগে সাজু হয় আকৌ এখন জীৱন যুদ্ধৰ সন্মুখীন হ'বলৈ...

ৰাস্তা বনোৱা বিহাৰী সম্প্ৰদায়ৰ ঠিকাদাৰজনে প্ৰথমদিনা খোৱা পানী বিচাৰি আহিছিল যদিও পিছলৈ ঘৰখনত চাহ খোৱা পৰ্যায় পালেগৈ... সদায় দুপৰীয়া বনুৱাকেইটাই ভাত খোৱা সময়তে সি আহি মামীয়েকৰ লগত কথাৰ মহলা মাৰিব আৰম্ভ কৰে যি পিছলৈ ফুচফুচনিত পৰিণত হয়... দুপৰীয়া নৈৰ পাৰত কাপোৰকিটা ধুই পানীভৰ্তি কলহটো লৈ আনি পিছফালেৰে ঘৰ সোমাব লওঁতেই স্পষ্টকৈ শুনিছিল তাই মামীয়েক আৰু ঠিকাদাৰৰ কথাবোৰ... ৰাষ্টাৰ কাম শেষ হোৱাৰ লগে লগে এক মোটা ধনৰ বিনিময়ত ৰূপাক লগত লৈ যোৱাৰ কথা শুনি ৰূপা জ্বৰ ঘামে ঘামিছিল... চিঞৰি কান্দিব নোৱাৰি কাপোৰেৰে মুখত সোপা দি দি কান্দিছিল কিন্তু জানিছিলে ৰূপাই তাইক ইয়াৰ পৰা উদ্ধাৰ কৰোঁতা কোনো নাই...

মৃত্যুৰ আগতেই বৰপুত্ৰৰ কিবা এক গতি লাগিলে শান্তিত চকু মুদিব পাৰিব বুলি ভবা সাৰদা বুঢ়ীয়ে শেষত পুত্ৰৰ সংসাৰ পাতি দিয়াৰ সিদ্ধান্ত ল'লে যদিও বুঢ়ীয়ে ভালদৰে জানিছিল ত্ৰিভুবন ঘূৰিলেও বুঢ়ীয়ে বৰপুত্ৰৰ বাবে পাত্ৰী বিচাৰি নাপায়... কোনো পিতৃ-মাতৃয়ে নিজ সন্তানক মানসিক জ্ঞান নথকা মানুহ এজনক গটাই নিদিয়ে... তথাপিও আশা এৰি নিদি বহু বিচাৰ খোচাৰ কৰাৰ অন্তত বুঢ়ীয়ে ৰূপালৈ মন মেলিলে... কথা পাতিয়েই মামীয়েকৰ চৰিত্ৰৰ উমান পাই বুঢ়ীয়ে ঠিকাদাৰে দিয়াতকৈ দুগুণ টকা দি কিনি ল'লে ৰূপাক... তেতিয়ালৈ ভাবী স্বামীৰ বিষয়ে একো নজনা ৰূপাৰ বাবে সাৰদা বুঢ়ী ভগৱান হৈ পৰিল... অনুষ্টুপীয়াকৈ বিয়া পাতি ৰূপাক লৈ অনা হ'ল অঞ্জনৰ পত্নী গাঁওবুঢ়াৰ ঘৰৰ দ্বিতীয় বোৱাৰী কৰি...

কোনোপধ্যেই  নিজৰ এই সত্তা এৰি দিব নোৱাৰে হেমলতাই... ৰূপাক বিয়া পাতি অনা দিন ধৰি হেমলতাৰ চকুৰ টোপনি হৰিল... আনহাতে বিয়াৰ পিছত গিৰিয়েকৰ কথা জানিব পাৰি ৰূপাৰো টোপনি নহা হ'ল... তাই শাহুৰেকৰ ওপৰত এনে এক পুত্ৰলৈ বিয়া পাতি অনা বাবে খং কৰিব নে সেই ঠিকদাৰটোৰ হাতৰ পৰা বচায় অনা বাবে তেওঁৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'ব একো ভাবি নোপোৱা হ'ল... তথাপিও এয়ে ভাগ্যৰ লিখন বুলি মানি ল'লে... ইয়াত তাই বোৱাৰী, পত্নীৰ মৰ্য্যাদা পাইছে, এমুঠি ভাত পাইছে, গাঁৱৰ এখন প্ৰভাৱশালী ঘৰৰ বোৱাৰী হৈছে, যিখন ঘৰৰ এইজনমত তাই কাহানিও যোগ্য নহয়... সেই ঠিকাদাৰটোৰ হাতত পৰিলে তাই তাৰ পত্নী হৈ থাকিল হয় নে তাইক নি সি ক'ৰবাত বেচি দিলে হয় এইলৈ শিহৰিত হৈ পৰিল ৰূপা... কিন্তু ৰূপাৰ দুখৰ অন্ত পৰা নাছিল... বিয়াৰ এমাহ নহওঁতেই সাৰদাই পুত্ৰচিন্তা বোৱাৰীৰ হাতত দি এই সংসাৰ এৰি গুচি গল... মুকলি হৈ পৰিল হেমলতাৰ অত্যাচাৰৰ দুহাত... দুদিনতে ৰূপা বনকৰা মানুহৰ সমপৰ্যায়ৰ হ'ল... হেমলতাৰ লগত এষাৰ কথা পাতিলেও দহবাৰ চিন্তা কৰিব লগা হ'ল ৰূপাই... স্থান আৰু ভাতমুঠি হেৰুৱাৰ ভয়ত ৰূপাই নীৰৱতা অৱলম্বন কৰিলে... দেওৰকৰ কৃপাত কোনো মতে দুবেলা দুসাজ খাই জীয়াই থাকিল ৰূপা আৰু নিজৰ শুশ্ৰূষাৰে জীয়াই ৰাখিলে গিৰিয়েকক...

প্ৰথম পুত্ৰ, নয়নৰ মনি। হিয়াৰ আমঠু। মূৰত থ'লে ওকনিয়ে খাব, মাটিত থ'লে পৰুৱাই, চকুৰ কাজলৰ দৰে আদৰৰ নিৰঞ্জনৰ ককায়েক, ৰূপাৰ স্বামী অঞ্জন। সৰুৰে পৰাই মানসিকভাৱে অক্ষম অঞ্জনক সকলো সুখ দুখ,ভাল বেয়াৰ পৰা বচাই মৰমেৰে আৱৰি ৰাখিছিল মাক সাৰদাই। তাৰ বাবে দ্বিতীয় পুত্ৰৰ প্ৰতি থকা দায়িত্বৰ পৰাও গা এৰা দিছিল... অঞ্জনৰো নিৰাপত্তাৰ এখন বহল আকাশ আছিল মাক সাৰদা। মাক আঁতৰি গল, অঞ্জনে নাকান্দিলে... কিন্তু ৰাতি যেতিয়া মাকক বিচাৰি চিঞৰ-বাখৰ কৰি বস্তু বাহানি ভাগি বলিয়ামি কৰাত ভায়েকে টাঙোন লৈ মাৰিব উদ্যত হ'ল প্ৰথমবাৰৰ বাবে। খঙাল ভায়েক, জায়েকৰ সন্মুখত নিৰ্ভীকতাৰে থিয় হৈ নিজ গিৰিয়েকক ৰক্ষা কৰিলে ৰূপাই। মাকৰ পিছত ৰূপাৰ আঁচলৰ তলত নিৰাপত্তা পালে অঞ্জনে...।

দিন গল, ৰাতি গল, দিন বাগৰিল লাহে লাহে মাহ বছৰ। দিনৰ দিনটো ঘৰখনত গেবাৰি খাটি অঞ্জনৰ আপদাল কৰি দিন গৈ থাকিল ৰূপাৰ... সহজ হৈ পৰিল ৰূপাৰ লগত অঞ্জন। কিন্তু এদিন ৰাতি কোনো কথাৰ আওভাও নোপোৱা অঞ্জনে

জীৱনৰ আটাইতকৈ ডাঙৰ খেলখন খেলি পেলালে...

কেইবামাহো গা নুধোৱা ৰূপাই যেতিয়া গম পালে তাইৰ দেহৰ ভিতৰত এটি কণমানী বীজ অংকুৰিত হোৱাৰ কথা ৰূপাই যেন নতুনকৈ জনম পালে...। আনহাতে দুজনী ছোৱালী এটি পুত্ৰ সন্তানৰ মাতৃ হেমলতাই ইমানদিনে মানসিকভাৱে অক্ষম অঞ্জন আৰু কোনোদিনে এইখন ঘৰৰ বোৱাৰীৰ মৰ্যদা নিদিয়া ৰূপাৰ পৰা নিজৰ সম্পত্তি সম্পূৰ্ণ সুৰক্ষিত বুলি ভাবি লৈছিল। শহুৰেকৰ বিশাল সম্পত্তিৰ অকলে মালিক হোৱাৰ আশাই বলিয়া কৰি পেলাইছিল হেমলতা আৰু গিৰিয়েক নিৰঞ্জনক। কিন্তু ৰূপাৰ অন্তঃসত্বা হোৱাৰ কথা গম পোৱাৰ লগে লগে তাচপাতৰ দৰে সহি পৰিল দুয়োৰে আশাৰ ঘৰটো...।

কোনোপধ্যেই ৰূপা অঞ্জনৰ সন্তানক পথিৱীৰ মুখ চাব দিব নোৱাৰি...। তাৰ বাবে নীচতকৈ নীচ কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে হেমলতাই... নিজৰ আৰু সন্তান তিনিটাৰ সুখৰ পথত কোনোপধ্যে হেঙাৰ হ'ব নিদিয়ে ৰূপাৰ সন্তানক। আৰু সেয়ে অতি কঠোৰভাৱে গাঁৱখনৰ মূৰত থকা মানুহজনৰ পৰা মাক জেতুকী বুঢ়ীৰ হতুৱাই লৈ আনিছে বড়ি তিনিটা। আজি অমাৱস্যা আজিয়েই কামভাগ সমাপ্ত কৰাৰ উদ্দেশ্যে নিজহাতে তিনিটা বড়ি পায়সত মিলাই ৰূপালৈ আগবঢ়াই দিলে হেমলতাই পৰিয়ালৰ আহিবলগীয়া এটি অংশৰ হেঁপাহতে এই মৰম দেখুওৱা বুলি কোনো দুশ্চিন্তা মনলৈ নানি হেঁপাহেৰে পায়স বাটি শেষ কৰিছিল ৰূপাই...।

ৰাতিপুৱাৰ পৰা অবিৰাম গতিত দি থকা বৰষুণজাকৰ শাম কটাৰ কোনো লক্ষণ নেদেখিলে ৰূপাই... বৰষুণজাকৰ লগতে দেহ মন দুয়োটাই বেয়া লাগিব ধৰিলে, তথাপিতো গিৰিয়েকৰ খাতিৰতে কৰণীয়খিনি কৰি আহিবলগীয়া কণমানীটোৰ আশাতে ৰূপাই মনটো ভাল লগাই থাকিব চেষ্টা কৰিলে। শেষৰাতি বৰষুণজাকৰ গতি বাঢ়ি গল লগতে ৰূপাৰ তলপেটত এটি প্ৰচণ্ড বিষ। বতাহ, বৰষুণ, ঢেৰেকনিৰ কাণতাল মৰা শব্দত কোনো কাৰো মাত নুশুনা হোৱাৰ সময়তে ৰূপায়ো প্ৰচণ্ড পেট বিষত চটফটাব ধৰিলে। ৰূপাৰ সৰ্বস্ব কাপোৰ ৰাঙলী কৰি এটি তেজৰ উষ্ণ ৰক্তধাৰা মাজেৰে বৈ আহি এটি কণমানী সপোন মৰহি গ'ল। অঞ্জন ৰূপাৰ সপোনটোৰ অকাল মৃত্যুৰ কোনো উমঘামেই নাপালে কাষতে শুই থকা অঞ্জনে।

অধৈৰ্যভাৱে তিনিদিন কটোৱাৰ পিছত এটি ভয়ানক ৰাতি পাৰ কৰা ৰূপাৰ বিধ্বস্ত ৰূপ দেখি হেমলতাই সকলো বুজি নিজৰ সফলতাত এক কূটিল হাঁহি মাৰিলে। ৰূপাৰ মৰহি যোৱা সপোনটোৰ লগতে ৰূপাৰ বিধ্বস্ত ৰূপে সকলোকে কন্দুৱাই পেলালে। আনহাতে মানুহজনে কোৱাৰ দৰেই হোৱা বাবে নিৰ্দয়ী হেমলতা নিশ্চিত হ'ল যে কেতিয়াও দুনাই ৰূপাই আৰু এই সোনালী সপোন চোৱাৰ যোগ্য হৈ নুঠে। ৰূপাই যেন এইমাত্ৰ শেষ কৰি দিব নিজকে। সপোনটোৰ লগতে যেন জীৱনটোৱেই শেষ হৈ গল ৰূপাৰ। তথাপি ৰূপা জীয়াই থাকিল হয়তো অঞ্জনৰ বাবেই...।

ঋতু আহিল ঋতু গ'ল, আৰু সময়ৰ লগতে মানুহৰ শাৰীৰিক মানসিক পৰিবৰ্তন আহিল। নিৰঞ্জন আৰু বেছি প্ৰভাৱশালী হৈ উঠিল... হেমলতাৰ সংসাৰ হেমলতাই বিচৰাধৰণেই আগবাঢ়ি গ'ল। দুই কন্যাক ধনী ঘৰলৈ উলিয়াই দি ধনীৰ দুলালী পুত্ৰবধুও নিজ পচন্দত বিচাৰি থৈ হেমলতাই পুত্ৰৰ বিয়াৰ পিছতেই সম্পূৰ্ণ আজৰি হৈ পৰিব। ঘৰখনৰ পৰিৱেশ সলনি হ'ল, কাম কৰা মানুহ সলনি হ'ল, আনকি গাঁওখনৰ লগতে গাঁৱৰ মানুহবোৰো সলনি হ'ল। অঞ্জনেও আগৰ দৰে বলিয়ামি নকৰি একে ঠাইতে জুপুকা মাৰি থকা হ'ল... কেৱল থকা ঠাইতে সলনি নোহোৱাকৈ থাকি গ'ল ৰূপা। এতিয়াও ৰাতিপুৱাৰ পৰা ৰাতিলৈ গাধৰ দৰে গেবাৰি খাটি অঞ্জনৰ আপদাল কৰিয়েই দিন পাৰ কৰি আছে ৰূপাহ। মাজে মাজে হেৰুৱা সপোনটোৰ দুখে হেঁচা মাৰি ধৰে। মৰি যোৱাৰ কথাও মনলৈ আহে। নোৱাৰে অঞ্জনৰ বাবেই নিজকে শেষ কৰিব নোৱাৰে। জীয়াব লাগে বাবে জীয়াই থাকে ৰূপা। চকুৰ আগত ডাঙৰ হোৱা ল'ৰা-ছোৱালীকেইটাই মাক-দেউতাকৰ দৰেই বৰমাক-বৰদেউতাকক অৱহেলা কৰিয়েই ডাঙৰ হ'ল। মাক-দেউতাকৰ লগতে সিহঁতক এষাৰ মাত দিবলৈ দহবাৰ চিন্তা কৰিব লগা হয় ৰূপাই...।

দুজনী ছোৱালীৰ পিছত জন্ম হোৱা হেমলতা নিৰঞ্জনৰ একমাত্ৰ পুত্ৰ প্ৰীতমৰ বিয়া। চহৰত গৈ পঢ়া শুনা সমাপ্ত কৰা, ডাঙৰ চাকৰি কৰা প্ৰীতমৰ কিন্তু দুখীয়া মানুহৰ প্ৰতি মনটো ঠেক, ঠিক মাক দেউতাকৰ দৰেই প্ৰীতমৰ বিয়াৰ বাবেই আৰু এটা নতুনকৈ ঘৰ সজা হৈছে চোতালৰ আনটো মূৰে, বিয়া হৈ যুগ্মজীৱন আৰম্ভ কৰা ৰূপা অঞ্জনৰ দুকোঠালীৰ ঘৰটো ভাঙি পেলায়। ৰূপা আৰু অঞ্জনক পিছফালে থকা বিশাল বাৰীখনৰ এটা চুকত সাজি দিয়া হৈছে তৰ্জাবেৰৰ দুটা কোঠালী... তথাপি ৰূপাই দুখ কৰা নাই। ভগৱানে জীৱনৰ আটাইতকৈ ডাঙৰ দুখটোৰে থকা সৰকা কৰাৰ পিছত আজিকালি কোনো দুখেই কাণযাৰ নকৰে ৰূপাই...।

এসপ্তাহ আগৰপৰাই বিয়াৰ উলহ মালহত ডুব গৈ আছে গাঁওবুঢ়াৰ ঘৰ। গোটেই গাঁওখন নিমন্ত্রিত বিয়াঘৰলৈ। ৰন্ধাই ৰান্ধিছে, খুৱাই খাইছে, ফূৰ্তি কৰাই ফূৰ্তি কৰিছে। হেমলতাৰ দুয়োজনী ছোৱালী সন্তানসহ আহি পাইছে বিয়াৰ তিনিদিন আগত। হেমলতাৰ গা সাতখন-আঠখন। এতিয়াও ব্যতিক্রম ৰূপা। তাই যেন ঘৰখনৰ কোনো অংশই নহয়, যন্ত্রবৎ কেৱল কাম কৰি গৈছে। মাজে মাজে খেয়াল ৰাখি গৈছে অঞ্জনৰ...।

বিয়াৰ দিনা ৰাতিপুৱাই জোৰোণ দি আহি মানুহখিনিয়ে ৰাতিৰ বিয়ালৈ সাজু হোৱাৰ আগত খন্তেক জিৰণি ল'বলৈ যো-জা কৰাৰ সময়তে হাতত এযোৰ পুৰণা পাটৰ কাপোৰ লৈ হেমলতাই ভৰি দিলে ৰূপাৰ কোঠালীত শুই থকা অঞ্জনৰ কাষতে বিছনাৰ ওপৰত কাপোৰজোৰ লাহেকৈ দলিয়াই থৈ ৰূপাক কইনা অহাৰ পৰত সেইযোৰ পিন্ধিবলৈ আদেশৰ সুৰত কোৱাৰ দৰে কৈ আঁতৰি গ'ল হেমলতা...।

সন্ধিয়া হোৱাৰ লগে লগে সকলো সাজু হ'ল কইনাৰ ঘৰলৈ বুলি। এখন ছুপাৰ বাছৰ লগতে নিৰঞ্জনৰ চাৰিখন অত্যাধুনিক গাড়ীৰ আটাইতকৈ ডাঙৰ আৰু দামী গাড়ীখন গোলাপ ফুলেৰে সু-সজ্জিত কৰি কইনা আদৰি আনিবলৈ সাজু কৰা হৈছে। দুজনমানক ঘৰতে থাকিবলৈ কৈছিল যদিও কইনা ঘৰ নগৈ ঘৰত থাকিবলৈ কোনো ৰাজী নহ'ল। অগত্যা তিনিজনীমান কাম কৰা মানুহৰ লগতে জীয়েকৰ ফালৰ দুই বিয়নী লৈ কইনা আদৰিবলৈ ঘৰতে থাকিল হেমলতা আৰু থাকি গ'ল বাৰীৰ চুকৰ ঘৰটোত অঞ্জন, ৰূপা...।

দৰাৰ সখী সহিতে প্ৰীতমক লগত লৈ কইনা আনিবলগীয়া গাড়ীখনত বহিব লওঁতেই সকলোৱে হুলস্থুল কৰি উঠিল। দৰা প্ৰীতমক এৰি কোনোপধ্যেই তেওঁলোক বাছত যাব ৰাজী নহ'ল। তেওঁলোকৰ মতে বিয়াৰ পিছৰ পৰাই দৰা-কইনাৰ হৈ পৰিব সেয়ে যিকণ সময় বাকী আছে প্ৰীতমৰ সেইকণ সময় আত্মীয়সকলৰ। অৱশেষত দুজনমান বয়সীয়াল লোকক সৰু গাড়ীখনত বহুৱাই সখী সহিতে প্ৰীতম, জানকী বুঢ়ী, স্বামী সন্তান সহিতে দুই কন্যা আদিকে কৰি সকলো লোকৰ লগত নিৰঞ্জন ছুপাৰত বহিল। উৰুলি, আয়তীৰ নাম, হৰ্ষ উল্লাসধ্বনিৰ মাজেৰে দুয়োখন গাড়ী আগবাঢ়িল কইনাঘৰ অভিমুখে। নিজম পৰি ৰ'ল বৃহৎ ঘৰখন। বিবাহঘৰৰ পোহৰে দিন যেন কৰি পোহৰাই ৰাখিলে ৰাতিৰ অন্ধকাৰে আৱৰি ৰখা গাঁওবুঢ়াৰ ঘৰৰ বৃহৎ চৌপাশ...।

তিনিঘন্টা মানৰ মূৰত ৰূপাক মতোৱাই আনি সকলোৰে বাবে পাতলীয়া চাহ জলপানৰ যোগাৰ কৰিব দি আৰামী চকীখনত হেলান দি বহি পৰিল হেমলতা। থুঁতৰিত সোঁহাতৰ মুঠিৰে ভেজা দি চকুদুটা মুদি উভতি গ'ল হেমলতা অতীতলৈ। এখন এখন ছবি অগাদেৰা কৰিলে চকুৰ আগত। মদাহী দেউতাকৰ অত্যাচাৰ, এসাজ খায় এসাজ নেখায় কটোৱা দিনবোৰ, পিন্ধিবলৈ এসাজ কাপোৰ নথকা দিনবোৰ। অথচ আজি ভাগ্য হেমলতাৰ হাতৰ মুঠিত। ইচ্ছা কৰিলেই সময়ক নিজ ইচ্ছাত চলাব পাৰে হেমলতাই। টকাৰ জোৰত আজি হেমলতাৰ বাবে অসাধ্য একো নাই। এসময়ত ভাত কাপোৰৰ বাবে হাহাকাৰ কৰা হেমলতাৰ টকাৰে আজি ক'ত পৰিয়ালে জীৱন নিৰ্বাহ কৰি আছে।

জলপানৰ বাটিটো চাহৰ কাপটোৰে সৈতে লৈ ৰূপা আহি হেমলতাৰ ওচৰত থিয় হোৱাৰ লগে লগে টেলিফোনটো বাজি উঠিল। যতি পৰিল হেমলতাৰ ভাৱনাত। নিৰ্জন ঘৰটোত টেলিফোনৰ সদায় শুনি থকা মাতটোও কৰ্কশভাৱে শুনা গ'ল। অলসভাৱে ফোনটোৰ কাষলৈ উঠি গ'ল হেমলতা। ফোনটো কাণতলৈয়ে কিছুপৰ চকু ডাঙৰ কৰি থিয় হৈ থাকি এটা বিকট চিঞৰ মাৰি ঢলি পৰিল হেমলতা। পকী মজিয়াত পৰাৰ আগতেই চাহ জলপানৰ বাচন হাতৰ পৰা পেলাই সাৱটি ধৰিলে হেমলতাক ৰূপাই। তেতিয়াও পৰি ৰোৱা ফোনটোৰ পৰা হেল্ল' হেল্ল' শব্দ ভাহি অহাত কঁপা কঁপা হাতেৰে ধৰো নধৰোকৈ ফোনটো তুলি কাণত লগোৱা ৰূপাই মুহূৰ্ততে শৰীৰ বৰফ কৰি পেলোৱা খবৰটো শুনি ঠাইতে থৰ লাগিল। সিটো মূৰৰ পৰা ভাঁহি আহিছিল অচিনাকি ব্যক্তিজনৰ কণ্ঠস্বৰ। হিয়া ভঙা বাতৰি এটা কঢ়িয়াই আনিছিল এই অচিনাকি মানুহজনে।

বহুদিন, বহু মাহ, বহু বছৰলৈ গাঁৱৰ প্ৰত্যেকজন মানুহক কন্দুৱাই ৰাখিলে খবৰটোৱে।

"বিবাহীযাত্ৰী কঢ়িয়াই অনা বাছ দুৰ্ঘটনাত পতিত... দলং ভাঙি ত্ৰিশ ফুট ওপৰৰ পৰা তলৰ দ-খাৱৈত পৰি যায় বাছখন... জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পৰা নগ'ল বাছখনৰ এজনো ব্যক্তিক"।

# বৌটি পাগলী হ'ল

## ৰিতুমণি বৰুৱা (পলি)

: অই ৰ'হচোন ৰ'..., এইটো গোৱিন্দ নহয় নে?

হঠাৎ পিছফালৰ পৰা মতা অচিনাকি মাতযাৰত মই চাইকেল খন ৰখাই পিছলৈ চালোঁ...।

: অহ্ মহন দাইটি চোন। ভালে আছে ? বহুদিনৰ মূৰত এইফালে মনত পৰিল...।

: আছোঁ দে। ভালনো কি, এতিয়া বয়সো হ'ল। ইটো সিটো বেমাৰ নুগুচেই। হয় দে এবছৰেই হ'ল গাঁৰলৈ নহা।

: পিছে খবৰ কচোন। ল'ৰা ক'ত এতিয়া, ঘৰতেই নে?

: আহক, আহক গৈ গৈয়ে পাতি যাম।

: খবৰ ভালেই। ল'ৰা দিগবৈত আছে, কোম্পানী এটাত খাতি আছে, পাৰমেন্ট হ'ব বুলি শুনিছো জানো কি হয়...!

চাইকেলখন ঠেলি দাইটিৰ লগত কথা পাতি পাতি আগবাঢ়িলোঁ।

মহন দাইটি এইখন গাঁৰৰে এজন লোক। পুতেকৰ লগত চাকৰি জেগাত থাকে। ইয়াত চোৱা চিটা কৰিবলৈ মানুহ নাই বাবে তেওঁকো লৈ গৈছে। গাঁৰৰ ঘৰটো ভাড়াত দি থৈছে। মাটি খিনি অৱশ্যে মইয়ে কৰো। দেউতা থকাৰ পৰাই দাইটিহঁতৰ লগত আমাৰ এক সু-সম্পৰ্ক আছিল, আৰু এতিয়াও আছে ।

দুয়ো কথা পাতি গৈ থাকোঁতেই সন্মুখৰ ফালৰ পৰা মানুহ এগৰাকী নাছি বাগি গান গাই আহি আছে, তেওঁলোকৰ ওচৰ পাই মানুহগৰাকী ৰৈ গ'ল, আৰু ভেবা লাগিল ।

মহন দাইটিয়ে মানুহগৰাকীলৈ থৰ হৈ চালে।

: ঐ গোৱিন্দ, এইজনী চোন মালতী। তাই মোক চিনিয়েই পোৱা নাই নেকি?

: বোলো, চিনি পোৱা নাই নেকি অ' মালতী? এনেকৈ থৰ লাগিলি যে..।

: দাইটি, বৌটিয়ে আপোনাক আৰু কোনোদিনেই চিনি নাপায় ।

: কিয় অ', কিয় চিনি নাপাব অ' তাই? কমল থকা দিনৰে পৰাই আমাৰ ঘৰখনৰ লগত ভাল সিহঁতৰ।

আৰু বিপুলটো আমাৰ ঘৰতেই ডাঙৰ হোৱাৰ নিছিনা।

এইবাৰ মানুহগৰাকী আগুৱাই আহি তেওঁলোকৰ সন্মুখত ৰৈ হাতযোৰ কৰি ক'লে

: দদাইদেউ, মোৰ কামৰ পইচা কেইটাৰ লগত দুটামান বঢ়াই দিয়ক, মই কাম কৰি মিলাই দিম। কেইবাদিনো হ'ল ল'ৰাটোক মাছ অকণ খোৱাব পৰা নাই। মানুহ গৰাকী য়ে দুয়োৰে মুখলৈ চালে। কিমান কাতৰতা আছিল সেই চাৱনিত বুজাই কোৱা টান ।

দাইটিয়ে আচৰিত হৈ মানুহ গৰাকীলৈ চালে। এইবাৰ মানুহ গৰাকীয়ে ইনাই বিনাই কান্দিবলৈ ধৰিলে। পিছমুহূৰ্ততে পুনৰ ধেকধেকাই হাঁহি উঠিল।

: তাৰ চাকৰিটো হ'ল অ'। অ' গোৱিন্দ ক'লৈ গ'লি...? শুনচোন শুন, অই...।

চিঞৰি চিঞৰি মানুহগৰাকী এইবাৰ তেওঁলোকৰ ওচৰৰ পৰা উধাতু খাই আঁতৰি গ'ল।

দাইটি লৈ চালো মই,

দাইটিয়ে বৰ কৰুণ দৃষ্টিৰে বৌটি যোৱালৈ চাই ৰ'ল। তাৰ পিছত মোলৈ চাই সুধিলে,

: মালতীজনীৰ এইয়া কি হ'ল গোৱিন্দ? তাইৰ এই দশা কিয় হ'ল?? দাইটিৰ চকুত অবাক বিস্ময়।

: এতিয়া ব'লক দাইটি, ঘৰত গৈ মই সকলো কম।

চাহ খাই কৰি দুয়ো বহি ল'লোঁ। দাইটি যেন কিবা চিন্তাত বিভোৰ ।

: মই ভাবি পোৱা নাই ইমান ভাল মানুহজনীৰ এইয়া কি অৱস্থা হ'ল গোৱিন্দ। মোৰ আগৰ কথাবোৰ মনলৈ আহিছে গোৱিন্দ, কমল ঢোকোৱাৰ পিছত সেই ফুল কুমলীয়া মালতীজনীয়ে তাইৰ কুমলীয়া হাত দুখনেৰে লোকৰ ঘৰে ঘৰে কাম কৰি কিমান যে কষ্ট কৰি বিপুলক ডাঙৰ কৰিলে। মানুহ কৰিলে, ময়ো যথেষ্ট সহায় কৰিছিলো।

আৰু এতিয়াটো সেই দুখৰ দিনৰ ওৰ পৰিল, বিপুলৰো চাকৰি হ'ল। কিন্তু এতিয়া কিহৰ বাবে মানুহজনীৰ এই দশা হ'ল গোৱিন্দ ?

কথাবোৰ ক' সোনকালে, মই শুনিবলৈ অধীৰ হৈ পৰিছো। মালতীক এনে ৰূপত দেখি বৰ কষ্ট পাইছো। দুচকু চলচলীয়া হৈ পৰিল দাইটিৰ।

: তাকেই দাইটি, বৌটিয়ে সুখৰ মুখ দেখিয়েই নাপালে। বিপুলৰ চাকৰি হোৱাৰ পিছত বৌটিৰ আনন্দৰ সীমা নোহোৱা হৈছিল। আমিও বৰ সুখ পাইছিঁো। সময় বাগৰিল, বিপুলৰ বিয়া বাৰুও হৈ গ'ল। তাৰপিছত লাহে লাহে বৌটিৰ বিপুল সলনি হৈ আহিল। আৰু এদিন মাকক অকলে এৰি পত্নীক চাকৰি জেগালৈ লৈ গ'ল। খোৱা ভাতৰ অভাৱ নোহোৱা হ'ল যদিও অকণমান সুখৰ হাঁহিৰ অভাৱ বৌটিৰ সদায় থাকিল। মাজে মাজে পুত্ৰ-বোৱাৰী আহে দুই চাৰি দিন থাকি গুচি যায়। তেজৰ সম্পৰ্ক নাই যদিও মনৰ আত্মীয়তা বোধ আৰু বিশ্বাসৰ বাবেই ঘৰৰ কিছুমান সৰু সুৰা দায়িত্ব মোৰ ওপৰতে পৰিল। ময়ো যিমান পাৰোঁ বৌটিক সহায় কৰি দিওঁ। তেনেকৈয়ে চলি আছিল, কিন্তু সেই সময় চোৱাতেই বৌটি চালৰ ৰোগত আক্ৰান্ত হৈছিল। বৌটিৰ গোটেই মুখখন গোটা গোটা বিহফুহাৰ দৰে ফুহাৰে ভৰি পৰিছিল। মুখখন দেখিবলৈ ভয়লগা হৈ পৰিছিল বৌটিৰ। মইয়ে ডাক্তৰক দেখুৱালোঁ।

ডাক্তৰৰ পৰা জানিব পাৰিলোঁ এইবিধ সোঁচৰা ৰোগ। ঔষধও খালে, কিন্তু অলপো ভাল নহ'ল, বৰং দুগুণে বাঢ়িলহে।

লাহে লাহে গাঁৱৰ মানুহে কথাবোৰ গম পালে। মানুহবোৰে বৌটিৰ খবৰ লোৱাটো বাদেই বৌটিক দেখিলেই আঁতৰ হয়, মানুহজনী ক'লৈকো ওলাব নোৱাৰা হ'ল। যিবোৰ মানুহক বৌটিয়ে পইচা লৈ হওক এনেই হওক সহায় কৰি দিছিল সেই মানুহবোৰৰ তেনে কৰ্ম কাণ্ডত বৌটিয়ে বৰ আঘাত পাইছিল। মানুহবোৰ যে ইমান স্বাৰ্থপৰ হ'ব পাৰে ভাবি ময়ো আচৰিত হ'লোঁ। একমাত্ৰ মোৰ বাহিৰে সেই সময়ত বৌটিৰ কাষত আন কোনোৱেই নাছিল। কথাবোৰ বিপুলকো জনোৱা হ'ল।

সেইদিনা বিপুলহঁত অহাৰ খবৰটো পাই যেন বৌটিৰ মুখলৈ পানী আহিল। মানুহে দেখা পাই বুলি মুখখন কাপোৰেৰে ভালকৈ ঢাকি বৌটি মোৰ ওচৰ পালেগৈ পুতেক অহাৰ খবৰটো দিবলৈ। বাহিৰতে বৈ মোক কথাষাৰ কৈয়ে বৌটি গুচি গৈছিল। মই কেইবাবাৰো কোৱাতো বৌটি ভিতৰ নোসোমাল, বৰ বেয়া লাগিল মানুহগৰাকীলৈ।

বিপুল আহি পাই বৌটিক পুনৰ ডাক্তৰক দেখুৱালে, বেমাৰটোৰ বিষয়ে জনাৰ পিছত পুতেকেও বৌটিক এক অন্য দৃষ্টিৰে চাবলৈ ধৰিলে। বৌটিক এটা আচুতীয়া কোঠাত থাকিব দিলে বিপুলে। ৰুমটোৰ খিৰিকীখনো খুলিব নিদিয়ে তেওঁলোকে। তেওঁৰ মনত এটা কথাই বেছি দুখ দিলে, ইমান দিনৰ মূৰত পুতেক আহিলে। ল'ৰাটোৰ মুখখনকে তেওঁ ভালকৈ নেদেখিলে ।

লাহে লাহে যেন এটা বন্দীত্বৰ জীৱন আৰম্ভ হ'ল বৌটিৰ। বোৱাৰীকেও পুতেকৰ লগত মিলি বৌটিক অৱহেলা কৰিব ধৰিলে।

প্ৰায় দুসপ্তাহমান তেনেকৈয়ে পাৰ হ'ল। খোৱা বোৱা সকলোবোৰ ৰুমতেই কৰিব লগা হৈছিল। লাহে লাহে বৌটিৰ জীৱনটোৰ প্ৰতি ঘৃণা জন্মিব ধৰিলে।

জীৱনত এনেকুৱা এটা দিন আহিব বুলি তেওঁ কল্পনাও কৰা নাছিল।

এদিনৰ কথা, সকলো সময়তে ৰুমটোত সোমাই থাকি তেওঁৰ আমনি লাগিছিল, সেইদিনা ৰাতি পুত্ৰ-বোৱৰী শুৱাৰ পিছত তেওঁ মনে মনে ৰুমটোৰ পৰা ওলাই গ'ল।

পুতেকৰ ৰুমৰ সন্মুখত ৰ'ল তেওঁ। পুতেকৰ মুখখন এবাৰ চাবলৈ মনটোৱে হাঁহাকাৰ কৰি উঠিল তেওঁৰ, কিমান দিন যে হ'ল তাৰ মুখখন নেদেখা। খন্তেক বৈ ৰুমলৈ উভতি যাব খোজোঁতেই পুতেক-বোৱাৰীয়েকৰ মাত শুনিলে।

: জানানে আমি একেটা ঘৰতে থকাটো উচিত হোৱা নাই। ইমান মাৰাত্মক ৰোগ, আমাৰ বাৰু আমাৰেই, আমাৰ আহিব লগা সন্তানৰ যদি কিবা ক্ষতি হয়?

কি? বোৱাৰী তাৰমানে মা হ'ব ওলাইছে? আৰু মই আইতাক হ'ব ওলাইছো, মইচোন গমেই নাপাওঁ এইবোৰ। আনন্দত দুচকু ভৰি পৰিল তেওঁৰ। মুখত এটি হাঁহিৰ ঢৌ খেলি গ'ল। তেনেতে পুতেকৰ মাত তেওঁৰ কাণত পৰিল।

: কথাটো ময়ো ভাবিছোঁ, তুমি চিন্তা নকৰিবা। দুদিন ৰোৱা, কিবা এটা বুদ্ধি কৰি আমি ঘৰৰ পৰা গুচি যাম। এটা কথা আকৌ, এই কথাবোৰ যাতে বুঢ়ী য়ে জানিবলৈ নাপায়। নহ'লে হুলস্থূল লগাব।

পুতেকৰ কথাই বৌটিৰ অন্তৰখন যেন শেলে বিন্ধাদি বিন্ধিলে। কেনেকৈনো গৈ ৰুম পালেগৈ তেওঁ ক'বই নোৱাৰিলে। ৰুমত সোমাইয়েই তেওঁ কান্দোনত ভাগি পৰিল। বিপুলৰ মুখত এনে কথা, ইমান ডাঙৰ হ'ল নে তেওঁৰ ল'ৰাটো, সকলোবোৰ কথা চোন মনতেই আছে । দদাইদেউৰ ফটোখন বুকুত সাৱটি সেইদিনা গোটেই ৰাতি কান্দিলে মানুহজনীয়।

আৰু সেইদিনা ৰাতিয়েই তেওঁ এটা সিদ্ধান্ত লৈ পেলালে ।

পিছদিনা দুপৰীয়া পুত্ৰ-বোৱাৰী ৰুমত শুই থকা সময়ত তেওঁ ৰুমৰ পৰা ওলাই গৈ তেওঁলোকৰ ৰুমৰ দুৱাৰমুখত ৰ'ল। দুৱাৰখন এনেই জপাই থোৱা আছিল। তেওঁ ঠেলি দিয়াৰ লগে লগে দুৱাৰখন মেল খাই গ'ল। দুয়ো টোপনিত, কিছু আঁতৰৰ পৰাই তেওঁ পুতেকৰ মুখলৈ ৰ' লাগি চালে। বুকুখন যেন শাত পৰি গৈছে তেওঁৰ। মন ভৰি চালে পুতেকৰ মুখখন, তেওঁৰ এনে লাগিল যেন এবাৰ হাতখন ফুৰাই দিব পুতেকৰ মুখত, কিন্তু সেয়া সম্ভৱ নহয়, চকুযোৰ পানীৰে ভৰি পৰিছিল তেওঁৰ। পুতেকৰ মুখৰ পৰা এইবাৰ চকু আঁতৰাই তেওঁ বোৱাৰীয়েকক চালে। বোৱাৰীয়েকৰ পেটটোতো তেওঁ এবাৰ চকু ফুৰালে, পাৰ ভাঙি বৈছে তেওঁৰ চকুলোৰ বান। এটা সময়ত চকুলো মছি ৰুমৰ পৰা ওলাই আহিব খুজোতেই হঠাৎ পুতেক সাৰ পাই গ'ল। আৰু তেওঁক তাত দেখি পুতেক বলিয়াৰ দৰে হ'ল।

: তই?? তই ইয়াত কি কৰিছ? কিয় আহিছ তই ইয়ালৈ? তোক ৰুমৰ পৰা ওলাব মানা কৰোতেও কিয় ৰুমৰ পৰা ওলাই আহিলি?? খঙত ক'ব নোৱাৰা হৈ পৰিল পুতেক, পুতেকৰ চিঞৰত বোৱাৰীয়েকো উঠি বহিল।

: যা ওলাই যা,ওলাই যা ইয়াৰ পৰা।

তেওঁৰ মুখেৰে একো কথাই নোলাল। থৰ লাগি মাথোঁ পুতেকলৈ চাই ৰ'ল, হয় জানো এইটো তেওঁৰ ল'ৰা?? সঁচাকৈয়ে বিশ্বাস কৰিবলৈ টান লাগিল আজি তেওঁৰ ।

সৰু কালৰ বিপুলটো তেওঁৰ চকুৰ আগত ভাঁহি আহিল। অতীতৰ মন ভৰি পৰা সেই টুকুৰা টুকুৰ ছবিবোৰ চাই তেওঁ ইমানেই মগ্ন হৈ পৰিল যে বিপুলে বৰ্তমান কৈ থকা একো কথাই মানুহগৰাকীৰ কাণত নোসোমাল ।

তেওঁ লৰচৰ নকৰা দেখি এইবাৰ পুতেক উঠি আহি তেওঁক ৰুমৰ বাহিৰলৈ ঠেলিয়াই দিলে, তেওঁ গৈ পকা মজিয়াত হামখুৰি খাই পৰিল। কপালেদি তেজ বৈ আহিল তেওঁৰ। বিপুলেই তেওঁক উঠাই কপালত বেণ্ডেজ এটা মাৰি তেওঁৰ ৰুমত গৈ থৈ আহিল, নিজৰ ভুলৰ একো অনুতাপ বিপুলৰ মুখত ফুটি নুঠিল। বৰঞ্চ বাৰে বাৰে সকিয়াই থৈ আহিল যে তেওঁ যাতে দ্বিতীয় বাৰ ৰুমৰ বাহিৰ নহয় ।

পুত্ৰৰ এই ব্যৱহাৰে মানুহগৰাকীক ক্ষুণ্ণ কৰিলে। কলিজাখন পুৰি ছাঁই হ'ল তেওঁৰ। কান্দি কান্দি যেন চকুলোবোৰো শুকাই গ'ল মানুহগৰাকীৰ।

আৰু সেইদিনাই ৰাতি বিপুলৰ দেউতাকৰ স্মৃতি জড়িত সেই ভেটি মাটি, আৰু মৰমৰ ঘৰখন এৰি তেওঁৰ বুকুৰ ধন বিপুলক এৰি চিৰদিনৰ বাবে ওলাই আহিল।

কিন্তু বৌটিয়ে জানো মোক মাত এষাৰ নিদিয়াকৈ তেনেদৰে গুচি যাব পাৰে...!!!

আৰু ক'ব নোৱাৰিলোঁ, ৰৈ গ'লো মই। বহু সময় হেঁচামাৰি ধৰি ৰখা দুখবোৰ এইবাৰ চকুলো হৈ বাগৰিব ধৰিছে। দাইটিলৈ চালোঁ, দাইটিৰো চকু চকুলোৰে ভৰি পৰিছে। দাইতিয়ে মোলৈ চাই থুকাথুকি মাতেৰে ক'লে...

: কৈ যা, তাৰ পিছত....?

চকুলো বোৰ মছি নিজক কিছু চম্ভালি পুনৰ ক'লোঁ।

: ঘৰৰ পৰা ওলাই বৌটি আমাৰ ঘৰত সোমাল। দুৱাৰত ঢকিয়াই ঢকিয়ই কেইবাবাৰো মোক মতাৰ পিছত মই সাৰ পাই উঠি আহো, দুৱাৰ খুলি বৌটিক দেখি মই অবাক...

: আৰে বৌটি, এই ৰাতিখন তুমি এনেকৈ?? আৰু মূৰত কি হ'ল তোমাৰ? চব ঠিকে আছেতো?? চাঁও সোমাই

আহাচোন।

বৌটিক বহিব দি ময়ো বহি ল'লোঁ ওচৰতে।

: কোৱাচোন এতিয়া, কি হ'ল....?

: কম, গোৱিন্দ, তোক কথাবোৰ নক'লে মই শান্তি নাপাম।

চকুলো টুকি টুকি গোটেই কথাবোৰ বৌটিয়ে মোৰ আগত কৈ গ'ল। মই অবাক হৈ শুনি গ'লো। কথাখিনি শেষ কৰি দীঘলীয়া হুমুনিয়াহ এটা এৰিলে। পুনৰ ক'লে —

: মোৰ বাবে সিহঁত আঁতৰি যোৱাতকৈ শেষত মইয়েই আঁতৰি আহিলোঁ চিৰদিনৰ বাবে।

: কথাবোৰ তোক ক'লোঁ, আৰু যাতে কোনেও নাজানে, সি বৰ সৰল হৈ আছে এতিয়াও, তাক চাবি। এটা এটাকৈ কথাকেইটা কৈ তেওঁ বহাৰ পৰা উঠিল । ইমান তিৰষ্কাৰৰ পিছতো পুত্ৰৰ প্ৰতি বৌটিৰ মনোভাৱ দেখি চকুযোৰ সেমেকি উঠিছিল মোৰ ।

: মই আহিছোঁ গোৱিন্দ, ভালকৈ থাকিবি।

: কিন্তু বৌটি ক'লৈ যাবা তুমি? আৰু এই ৰাতিখন...

: মোক মানা নকৰিবি গোৱিন্দ, মই সিদ্ধান্ত লৈ পেলাইছোঁ। নিজৰ জীৱনটোৱে অন্ধকাৰ হৈ পৰিল মোৰ, এতিয়া আৰু ৰাতিৰ অন্ধকাৰলৈ ভয় নকৰোঁ মই।

মোৰ কোনো কথাৰে সেইদিনা মানুহগৰাকীক ৰখাব নোৱাৰিলো মই।

: সেই যি গ'ল, পাঁচ মাহলৈ আৰু বৌটিক মই তথা গাঁৱৰ কোনো মানুহেই দেখা নাপালে। পুতেকহঁতেও কোনো খোজ খবৰ নকৰিলে।

তেওঁলোকে গাঁৱৰ ঘৰ এৰি চাকৰি জেগাতে নিগাজিকৈ থাকিবলৈ ল'লে।

কিন্তু পাঁচ মাহৰ মুৰত এক নতুন ৰূপত বৌটি গাঁৱলৈ ঘূৰি আহিল। তেতিয়া মুখৰ ফুহাবোৰ শুকাইছিল তেওঁৰ, দাগবোৰ হে ৰৈ গৈছিল। সেইদিনা প্ৰথমবাৰ বৌটিক দেখি দুখত ভাগি পৰিলো মই, কাৰণ সেইজনী আগৰ বৌটি নহয়, সেইজনী বৌটিয়ে আমাক কাকো চিনি নাপায়, কাৰণ বৌটি "পাগলী" হ'ল।

কথাখিনি শেষ কৰি অশ্ৰু সিক্ত নয়নৰে দাইটিলৈ চালো । দাইতি জঠৰ হৈ বহি আছে। দুচকুৰে বাগৰি আহিছে তেওঁৰ পাৰ ভঙা চকুলোৰ বান!!!!!

অৰ্দ্ধ-আকাশ হৈছে এনে এখন বিশাল মজিয়া য'ত হাজাৰ হাজাৰ নাৰীক
মুকলি মনেৰে নিজৰ মনৰ ভাব-ভাবনা তথা সুপ্ত প্ৰতিভা বিকাশৰ
এক নতুন পৃথিৱীৰ সুযোগ দিয়াৰ উপৰিও
নাৰী শক্তিৰ জাগৰণ আৰু সকলো প্ৰকাৰৰ সবলীকৰণৰ ওপৰত প্ৰেৰণা যোগাই আহিছে।
জয় অৰ্দ্ধ-আকাশ...!

।।

—নাং প্ৰিয়ংকা গগৈ—

# দেহদান

**স্মৃতিৰেখা বৰুৱা ফুকন**

হেল্ল'..

এইটো লাইফ লাইট এন.জি.অ. হয়নে ?

— হয় , হয়... কওঁকচোন, আপোনাক কি দৰে সহায় কৰিব পাৰোঁ...? সিফালৰ পৰা উত্তৰ ভাঁহি আহিল।

— আপোনালোকৰ এন,জি,অ,ত আজি দহ বছৰৰ আগতে জীৱন হাজৰিকা নামৰ এজন লোকে দেহদানৰ বাবে আবেদন কৰিছিল। আজি আবেলি ৩.৪৫ ত তেখেতৰ মৃত্যু হয়। গতিকে আপোনালোকক খবৰটো দিলো। এতিয়া আপোনালোকৰ যাৱতীয় কামখিনি কৰিব পাৰে।

— হয়, হয়, আপোনাক সবিশেষ অতি সোনকালেই জনাই আছোঁ বুলি কৈ সিফালে ফোনৰ লাইনটো কাটি দিলে।

ক্রিং ক্রিং ক্রিং ...

হেল্ল' মই লাইফ লাইট

এন,জি,অ, ৰ পৰা কৈছো ।

শ্রী জীৱন হাজৰিকাই দেহদান কৰা আবেদনখন পাইছোঁ। লগতে তেখেতৰ পৰিবাৰ শ্রীমতী জোনজোনালী হাজৰিকায়ো দেহদানৰ বাবে কৰা আবেদন খনো আছে।

— হয় , মই তেখেতৰ পৰিবাৰ শ্রীমতী জোনজোনালী হাজৰিকা।

— নমস্কাৰ বাইদেউ, আমাৰ এন.জি.অ.ৰ মানুহ গৈ আছে আপোনালোকৰ ঘৰলৈ। প্রথমতে আমি মৃতকৰ চকুযুৰি আনিব লাগিব নিৰ্দিষ্ট সময়ৰ ভিতৰত। নহ'লে বেয়া হৈ যোৱাৰ সম্ভাৱনা অধিক। কিন্তু, অতি দুখেৰে জনাওঁ যে ৰাতি বহুত হৈ যাব বাবে আজি ডেডবডিটো আনিব নোৱাৰিম। কালিলৈ আগবেলাতে অনাৰ ব্যৱস্থা কৰিম বুলি সিফালৰ পৰা ফোনটো কাটি দিলে।

জোনালীয়ে কিছু সময় একেঠাইতে থৰ হৈ ৰ'ল...। কালিলৈ আগবেলালৈকে মানে ১২ বজাৰ আগলৈকে...। গোটেই ৰাতিটো মানুহজনক এনেদৰেই পেলাই থ'ব লাগিব...। এটা দীঘলীয়া হুমনিয়াহ জোনালীৰ বুকু ভেদি ওলাই আহিল...। বৈ অহা লোতকেৰে জোনালীৰ দুগাল তিতি গ'ল।

ইকাণে সিকাণে জীৱন হাজৰিকাৰ মৃত্যু খবৰ বিয়পি পৰিল। এজন দুজনকৈ বহুতো মানুহেৰে জোনালীহঁতৰ ঘৰখন ভৰি পৰিল। তেনে সময়তে এন.জি.অ.ৰ মানুহকেইজনমান সোমাই আহিল। জোনালীৰ লগত কথাবাৰ্তা পাতি তেওঁলোকৰ লগত অহা ডাক্তৰজনে হাজৰিকাৰ চকুযুৰি লৈ গ'ল। কিয় জানো এই দৃশ্যই জোনালীৰ দুখৰ বুকুখনত কিহবাই যেন আকৌ কোবাই গ'ল। জোনালীয়ে যেন চাৰিওফালে আন্ধাৰ দেখিলে। এনে দুখৰ বোজা জোনালীৰ বাবে অসহনীয় হৈ পৰিল। চিঞৰি চিঞৰি কন্দাৰ বাদে জোনালীৰ হাতত একো নাছিল। দুগৰাকীমানে কাষতে বহি সান্ত্বনা দিলেহি। জোনালীয়ে জানে এনে হাজাৰ সান্ত্বনাইও স্বামীৰ মৃত্যুত কোনো পত্নীক শান্ত কৰিব নোৱাৰে।

হাজৰিকাই দেহদান কৰা কথাটো ৰাইজে সেই মুহূৰ্ততহে গম পালে। ওচৰ চুবুৰীয়াৰ কৰিবলগীয়া একো নাই এই মুহূৰ্তত। যিহেতু ডেডবডি এন.জি.অ.য়ে লৈয়ে যাব। বহুতে হাজৰিকাৰ এই কামটোৰ শলাগ ল'লে। হাজৰিকাৰ অতীতৰ আৰু বৰ্তমানৰ কামৰ গুণানুকীৰ্তন চলিল যিটো সচৰাচৰ সকলোৰে ক্ষেত্ৰত হয়। দুই এটা কথা উফৰি আহি জোনালীৰ কাণত পৰিলহি।

লাহে লাহে নিশাও হৈ আহিল। এজন এজনকৈ মানুহবোৰ ঘৰাঘৰি গ'লগৈ। মাত্র জোনালীৰ ৰখীয়া হৈ থাকিল গাড়ী চালক বিহাৰী ল'ৰা মোহন সিং। সিয়েই হাজৰিকাহঁতৰ একমাত্র সাৰথি।

ড্রইং ৰুমৰ একাষে হাজৰিকাৰ নিঠৰ দেহটো শুৱাই থোৱা আছে। কাষতে মিঠাতেলৰ চাকিগছি জ্বলি আছে। ধূপ কাঠিকেইডালো জ্বলি জ্বলি শেষ হৈ চাইখিনিহে তলত পৰি ৰৈছে।

হাজৰিকাৰ গাৰ ওপৰত ছটিয়াই দিয়া ফুলৰ পাহিবোৰো লাহেকৈ মৰহিব ধৰিছে...।

এক নিমাও মাও পৰিবেশ। নিশাও গভীৰ হৈ পৰিল । ক'তো কাৰো সাৰসুৰ নাই ।

হঠাৎ পদূলিমুখৰ বকুল জোপাৰ পৰা যেন ফেঁচা এটাই নিউ নিউ নিউকৈ ঘৰৰ ওপৰেদি উৰি গুচি গ'ল।

জোনালীয়ে ৱালৰ ঘড়ী টৌলৈ চালে। ২ বাজি ৫০ মিনিট। ৰাতিপুৱাবলৈ আৰু বহু সময়। কাষৰ চকীখনতে মোহনো টোপনি গ'ল। নাযাবনো কিয়! এই দুদিন তাৰ কম কষ্ট হৈছে নেকি! এজন অসুখীয়া মানুহৰ লগত দিনে নিশাই লাগি থকাটো কিমান কষ্টকৰ সেই কথা জোনালীয়ে বুজি পায়। জোনালীৰ মোহনক জগাবলৈ মন নগ'ল। নিজে উঠি আহি ধূপ চাৰিডালমান জ্বলাই দিলে। কিয় জানো জোনালীৰ ধূপৰ গোন্ধটো ভাল নালাগিল সদায় জোনালীয়ে মন কৰে মৃতকৰ ওচৰত জ্বলোৱা ধূপ আৰু মন্দিৰত জ্বলোৱা ধূপৰ গোন্ধৰ মাজত যেন পাৰ্থক্য আছে। জোনালীয়ে বুজি নাপায় কিয় পাৰ্থক্য এই গোন্ধৰ!!! নে জোনালীৰ এইয়া ভ্ৰম...। এইষাৰ কথাও হাজৰিকাক কোৱা জোনালীৰ মনত পৰে। এনে সৰু সৰু বহুতো বেয়া লগা, ভাল লগা কথা দুয়োজনে কিমান দিন আলোচনা কৰিছিল তাৰ হিচাপ আছে জানো।

মানুহ মৰাৰ পাছত মৰাশটোক নগা ঢাৰিখনেৰে মেৰিয়াই লৈ যোৱা দৃশ্যই জোনালীক মনত কষ্ট দিছিল। জীৱনত কিমান ধন সম্পত্তি কৰে অথচ শেষ শয়ন হয়গৈ এখন নগা ঢাৰি...। জোনালীয়ে ইয়াৰ প্ৰতিবাদ হাজৰিকাৰ আগতে কৰিছিল। সমাজৰ নিয়ম বুলি সকলোয়ে মানি আহিছে আৰু মানি যাব...। এনেকুৱা কিছুমান কাম বেয়া লগা বাবেই হয়তো সিদিনা তেওঁলোকেলৈ পেলাইছিল এই সিদ্ধান্ত —

হেৰা, তোমাৰ টোপনি আহিল নেকি ?

হাজৰিকাৰ মাতত জোনালীয়ে বাগৰ সলাই ক'লে, নাই অহা। কিবা ক'ব নেকি ?

— আজি কেইদিনমানৰ পৰা মই কথা এটা ভাৰিছোঁহে —

— কি কথা?

জোনালীৰ উওৰত তেখেতে কৈ গ'ল —

ল'ৰাটোও অসমৰ বাহিৰতে থাকে। আমাক মৃত্যু সময়ত পাব নাই ঠিক নাই। নাপালেও মোৰ মনত কোনো দুখ নাথাকিব। কিয়নো সিহঁতৰ অসুবিধা কৰি আমাক শেষ সময়ত পাবই লাগিব বুলি মই নাভাবোঁ। ভাগ্যত থাকিলে মিলিব। গতিকে আমাৰ মৃত্যুৰ পিছত আমাৰ শৰীৰ কেইটা দান দি যাওঁ বুলি ভাবিছো। মৃত্যুৰ পিছত শৰীৰটো বহুতো কামত আহিব। বিশেষকৈ চকুযুৰি।

কথাষাৰ শুনি জোনালী বহি পৰিল ।

প্ৰায় চিঞৰি কোৱাৰ দৰেই ক'লে — "মই মনত ভাৱি থকা কথাষাৰেই কৈ দিলে। মনৰ আনন্দতে জোনালীয়ে হাজৰিকাক সাৱটি ধৰিলে। হাজৰিকাৰ তপত দুটোপাল চকুলো জোনালীৰ হাতত পৰিল। সেই লোতক দুখৰ নে সুখৰ জোনালীয়ে ভবা নাছিল।

সেইয়া আজি দহ বছৰৰ আগৰ কথা ....

"হেৰি শুনিছেনে -???

মই উপলব্ধি কৰিছো

আজি দহ বছৰৰ আগতে আমি লোৱা সিদ্ধান্ত ভুল আছিল...।

আজি মই জীয়াই আছো বাবেই এই কামবিলাক কৰি গৈছোঁ কৰ্তব্যৰ তাগিদাত। মোৰ মানসিক অৱস্থা কেনে হৈছে আপুনি জাননে??

বা বুজিবলৈও কাষত কোনো নাই...। বয়সৰ জোখেৰে আগুৱাই গলেও মই ও তেজ মঙহৰ মানুহহে...। মোৰো দুখ, সুখ অনুভৱ কৰিবলৈ এখন অন্তৰ আছে...।

আজি মোৰ যি অৱস্থা হৈছে মোৰ মৃত্যুৰ পাছতো সেই একে অৱস্থা আন কাৰোবাৰ বাবে হ'ব পাৰে...। গতিকে মই আজি এটা সিদ্ধান্ত লৈছো মোৰ দেহদান কৰা আবেদনখন ঘূৰাই আনিম...।

কথাখিনি কৈ জোনালীয়ে হাজৰিকাক সাৱটি ধৰি উচুপি উঠিল...।

# সপোনৰ হেঙুলী ৰহন

## তুলিকা দেৰী নাথ (গুজৰাট)

পুৱাৰ কোমল ৰ'দ সোণালী আভাই ওখ ওখ অট্টালিকাবোৰৰ মাজে মাজে লুকা ভাকু খেলি দিল্লী মহানগৰীৰ নন্দিনীহঁতৰ বাৰ মঞ্জিলৰ এপাৰ্টমেণ্টটোৰ বহল বেলক'নিখনত টুকুৰা টুকুৰকৈ পৰিছেহি। নন্দিনীৰ মুখামুখিকৈ আৰামী চকীখনত হেলান দি বহিছে নন্দিনীৰ স্বামী প্ৰশান্ত বৰুৱা। দুয়োৰে সন্মুখত আছে চাহৰ কাপ ৰখা টিপয়খন। বৰুৱাই অৱসৰ গ্ৰহণ কৰাৰ পৰাই সদায়ে ৰাতিপুৱাৰ সেই কোমল ৰ'দৰ আমেজ লৈ চাহৰ কাপত চুমুক দিয়াটো অভ্যাস। কাষত সংগ দিয়ে নন্দিনীয়ে। এই সময়কণ অতি প্ৰিয় দুয়োৰে। পুৱাৰ হেঙুলী সুৰুজৰ মিঠা আলিংগন আৰু সজীৱতাই যেন কঢ়িয়াই আনে প্ৰতিদিনে —

ন প্ৰতিশ্ৰুতি !

ন আশা !

ন সপোন ।

চাকৰি সময়ছোৱাত এনেকৈ পত্নীৰ সৈতে সুন্দৰ পুৱাৰ আমেজ ল'বলৈ বৰুৱাই সুৰুঙাই নাপালে। চাকৰিৰ কৰ্মব্যস্ততাই প্ৰশান্তক ব্যস্ত কৰি ৰাখিলে এখন সুকীয়া জগতত। ৰাতিপুৱা সময়কণতে চাহকাপ হাতত লৈ দুয়ো উপভোগ কৰে সান্নিধ্যৰ মিঠা অনুভূতি। কেতিয়াবা অতীতৰ নিৰ্যাস কঢ়িওৱা স্মৃতিৰ চন্দুকটো খুলি দুয়ো মধুময় কৰি তোলে সময়বোৰ। দুয়োৰে দুচকুত জীৱন্ত হয় অতীতৰ একো একো মুহূৰ্ত। শৈশৱ, কৈশোৰ, যৌৱন, ভালপোৱাৰ অনুভূতি, যান্ত্ৰিকতা, বৰ্তমানৰ স্থিতি, ভৱিষ্যতৰ দুয়োৰে আশাৰ হেঙুলী সপোন কত যে কি? যেতিয়াই উভতি চাই এৰি অহা দিনবোৰলৈ, কোনো কোনো মুহূৰ্তৰ স্মৃতিয়ে কেতিয়াবা আলোকিত কৰে মন আৰু কোনো স্মৃতিয়ে সেমেকাই দুচকু। প্ৰশান্তই যেন চাকৰি সময়ছোৱাত এপলক বহি এৰি অহা দিনবোৰলৈ ঘূৰি চাবলৈ আহৰি পোৱাই নাছিল। মাল্টিনেচনেল কোম্পেনীৰ কোটিকোটি টকাৰ প্ৰজেক্টৰ সমিধানবোৰ উলিৱাওঁতে তেওঁ যেন হৈ পৰিছিল এক জীৱিত ৰবট। কম্পিউটাৰ জীৱন! একঘেমীয়া জীৱন, অফিচ, ট'ৰ, কনফাৰেন্স, পদোন্নতিৰ পিচত ঘূৰোঁতে জীৱনৰ বহু ৰং উপভোগ নকৰাকৈয়ে থাকি গ'ল। এতিয়া তেওঁ জিৰাব খোজে। বেচেৰী নন্দিনীজনীকে প্ৰশান্তই কিমানেইবা সময় দিলে। এতিয়া তেওঁৰ সকলো সময় মাথোঁ নন্দিনীৰ। সংসাৰৰ সকলো দায়িত্ব তাই অকলেই চম্ভালি গ'ল।

আনদিনাৰ দৰে আজি দুয়ো ৰ'দৰ আমেজ লৈ, স্মৃতিৰ মনিকোঠা খুলি চাহৰ জুতি লোৱা নাই। আজি দুয়ো চিন্তাগ্ৰস্ত। সচাঁ এটা ডাঙৰ চিন্তা! এটা ডাঙৰ সিদ্ধান্ত লোৱাৰ সময় এইয়া। চিন্তা একমাত্ৰ পুত্ৰ অৰ্ণৱক লৈ। সুখ্যাতিৰে বিদেশৰ নামজ্বলা বিশ্ববিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লোৱা পুত্ৰক বিদেশী চৰকাৰে প্ৰস্তাৱ দিয়া সন্মানীয় চাকৰি কৰিবলৈ দিবনে? নে ঘূৰি আহি নিজ দেশতে কিবা এটা কৰিবলৈ দিব? এক দুদোল্যমান অৱস্থা।

বৰুৱাই আজি অনুভৱ কৰে এই সৰু জীৱনটোত টকা-পইচাৰ লগতে প্ৰয়োজনীয় আপোনজনৰ মৰমৰ উত্তাপ। আপোনজনৰ সংগ ।

সুযোগ্য পুত্ৰ য'তে থাকে ত'তে সুপ্ৰতিষ্ঠিত হ'ব পাৰিব। পুত্ৰ অৰ্নৱে মাথোঁ তেওঁলোকৰ মতামত বিচাৰিছে। তাকে লৈ প্ৰশান্ত বৰুৱা আৰু নন্দিনী দুয়ো চিন্তান্বিত। সুখ্যাতিৰে উত্তীৰ্ণ হৈ ঘৰলৈ উভতি অহা অৰ্নবক কি পৰামৰ্শ দিব। চিন্তাৰ চাকনৈয়াত ঘূৰি থকা প্ৰশান্ত বৰুৱা আৰু নন্দিনী পুত্ৰ অৰ্নবৰ মাতত বাস্তৱলৈ আহিল।

"আৰে মা দেউতা, ইমান মনে মনে চাহ খাইছা। কি চিন্তাত পৰিছা?"

"চিন্তা। অ চিন্তাই হৈছে অ" বৰুৱাই হুমুনিয়াহ কাঢ়ি উত্তৰ দিলে।

"আৰে কোৱানা কি লৈ চিন্তা। মই থাকোঁতেই।" অৰ্ণৱে দেউতাকৰ কাষতে থকা চকীখনত পেপাৰখন লৈ বহিলেহি।

"সেইটোৰে চিন্তা মাই চন। তোক হেৰুৱাৰ চিন্তা। যিদৰে মই হেৰুৱাইছিলো মোৰ পিতৃ-মাতৃক — এৰা চাকৰি

অন্বেষণত গাঁৱৰ ঘৰত বৃদ্ধ পিতৃ-মাতৃক এৰি ওলাই আহিছিলোঁ। পাইছিলোঁ সুন্দৰ চাকৰি, বিলাসী ঘৰ আৰু বিলাসী জীৱন। কিন্তু তাৰ বিনিময়ত হেৰুৱাইছিলোঁ বহু কিবা কিবি। বৰুৱাই হুমুনিয়াহ কাঢ়িলে। কৈ গ'ল অনৰ্গল।

দূৰত্বৰ কাৰণে জীৱিত কালতে হেৰুৱাইছিলো আই বোপাইৰ সান্নিধ্য। গাঁৱৰ ঘৰত জীৱনৰ আধা সময় পাৰ কৰা মা দেউতাই ইয়াত আহি মোৰ লগত থাকিবলৈ ইচ্ছা নকৰিলে।

একেলগে ডাঙৰ হোৱা পেহীজনীৰ ল'ৰাটো, মামাৰ ছোৱালীজনীৰ বিয়াখন! হেৰুৱাইছিলোঁ আপোন মাটিৰ উমাল পৰশ।

"এ দেউতা বচ বচ হৈ গ'ল। ৰাতিপুৱাটো কৰুণ ৰসেৰে আৰম্ভ নকৰিবা। মই তোমালোকক এৰি যাব নাই বিচৰা। মই মাত্ৰ তোমালোকৰ মতামত বিচাৰিছোঁ দেউতা। তোমালোকে যেনেকৈ বিচাৰা তেনেকৈয়ে হ'ব। এতিয়া এইবোৰ বিলাপ বন্ধ কৰা। ব'লা ক'ৰবাত যাওঁ তিনিও দুদিন মান থাকি আহোঁ।"

ফুৰি ভালপোৱা, হাঁহি ভালপোৱা নন্দিনী উৎসাহিত হৈ পৰিল ।

"চিন্তা এৰা ব'লা ব'লা ক'ৰবাত ফুৰি আহোঁ।"

"কিন্তু ক'ত যাবা মা?"

"তুমি য'লৈ নিবা তালৈকে যাম সোণ"।

গহীন হৈ বহি থকা প্ৰশান্ত বৰুৱাই উত্তৰ দিলে —

"আমি অসমলৈ যাম। অসমলৈ। মোৰ বুকুৰ আপোন ঠাইলৈ।"

"এহ বঢ়িয়া দেউতা। অসমত দীঘলীয়াকৈ থকাকৈ যোৱাই নাই। বহুত ভাল লাগিব।"

বৰুৱাৰ মন প্ৰশান্তিত উজ্জ্বলি উঠিল। যেন গোমা আকাশত তৰাৰ জিলিকনি। অৰ্নবৰ উৎসাহ দেখি বৰুৱা সুখী হ'ল। এৰা বহুত দিনৰ মুৰত তেওঁ যাব নিজৰ আপোন ঘৰখনলৈ আপোন গাঁৱখনলৈ। হেৰুৱা সুৰৰ সন্ধানত!

আপোন মাটিৰ সুবাস বিচাৰি। আপোন মানুহবোৰৰ মৰমৰ বৰষুণত তিতি বুৰি জীপাল কৰিবলৈ হৃদয়। নন্দিনীৰ পুলকিত মন। ঘৰলৈ যোৱাৰ কথা ক'লেই তাই আবেগিক হৈ পৰে।

"তোমালোকে টিকেট চোৱা। মই ব্ৰেকফাষ্ট ঠিক কৰোঁগৈ।"

এটা ফৰকাল মন লৈ নন্দিনী নিজৰ কামত লাগিলেগৈ। বাপেক পুতেকে লেপটপ খুলি বহিল ফ্লাইটৰ টিকেট কৰিবলৈ। অৰ্নবে দিল্লীৰ পৰা গুৱাহাটীলৈ যাবলৈ পিছদিনাৰ তিনিটা টিকেট কৰিলে। উল্লাসিত তিনিওৰে মন। বৰুৱাই আনন্দত গাই উঠিল।

"এইখনি গাঁৱ মোৰ বুকুৰ আপোন,
ইয়াতে দেখো মই নতুন সপোন।
কোনে জুমি চাই জুৰিৰ দাপোন
ফুলৰ পাতৰ সাজোন কাচোন
এই গাঁও আপোন আপোন।"

সময় গতিশীল। এখন বোৱতী নদীৰ দৰেই সময় নিৰবধি। সময় নবয় কাৰো বাবে। সময়ৰ সোঁতৰ মাজতে নিবদ্ধ হয় জীৱনৰ অলেখ খেল। পোৱা-নোপোৱাৰ হিচাপ, সুখ-দু, হাঁহি-কান্দোন — এই সকলোবোৰৰ নীৰৱ সাক্ষী হয় এই সময়েই। পোৱাৰ নোপোৱাত বা পাই হেৰুৱাৰ দুখত কোনেও ৰৈ যাব নোৱাৰে। সময়ৰ বোৱতী নিজকে এৰি দিয়ে জীৱনে। প্ৰশান্ত বৰুৱা বৰ আশাবাদী আৰু কৰ্ম পটু ব্যক্তি। সুখী হ'ব খোজে তেওঁ জীৱনত যি পাইছে। যি কৰিছে তাকে লৈ। মৰমিয়াল পত্নী নন্দিনী আৰু পুত্ৰ অৰ্নবৰ সৈতে প্ৰশান্তৰ সুখী পৰিয়াল। সময়ৰ কোবাল সোঁতত তেওঁৰো জীৱন নাওখনি আগবাঢ়িছে নিজৰ গতিত। কেতিয়াবা পাৰ হৈছে নদীৰ পকনীয়াৰ দৰে পাক লগা সময়ৰ। পাকবোৰ খুলি জতিলতাবোৰ সামৰি আগবাঢ়িছে মাথোঁ এক বিৰামহীন যাত্ৰাত।

এৰা প্ৰশান্ত বৰুৱাই নিজৰ ঘৰ, নিজৰ গাঁওখন এৰা বহু বছৰেই হ'ল। প্ৰায় পয়ত্ৰিশ বছৰ। বহু ঠাই ফুৰিছে। বহু ৰাষ্ট্ৰ ফুৰিছে! বহু লোক লগ পাইছে জীৱনত। নানান অভিজ্ঞতাৰে পুষ্ট হৈছে। তথাপিও নিজৰ গাঁৱখনৰ প্ৰতি থকা টান তেওঁৰ

অলপো কমা নাই। তেওঁৰ দৃষ্টিত তেওঁৰ গাঁওখন পৃথিৱীৰ সৰাতোকৈ সুন্দৰ ঠাই। সহজ-সৰল আৰু সুন্দৰতাৰ অন্য এক ছবি। সুখ্যাতিৰে ইঞ্জিনীয়াৰিংত স্নাতক ডিগ্ৰী লোৱাৰ পিছত প্ৰশান্ত বৰুৱাই চৰকাৰী চাকৰিৰ কাৰণে অনুষ্ঠিত কৰা প্ৰতিযোগিতা মূলক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছটো ক্ষমতাশালী লোকৰ ক্ষমতাৰ বলি হ'ল। পাব লগা চাকৰিটো প্ৰশান্তৰ হাতৰ পৰা ওলাই গৈছিল। অৱশ্যে মেধাবী প্ৰশান্তই পিছলৈ ঘূৰি চাব লগা হোৱা নাছিল। কলেজলৈ অহা কেম্পাচ ইন্টাৰভিউতেই তেওঁ সুখ্যাতিৰে উত্তীৰ্ণ হৈ এটা বৰ্হিজাতিক কোম্পেনীত চাকৰি পাবলৈ সক্ষম হ'ল। স্কুলত শিক্ষকতা কৰা দেউতাকৰ সন্মুখত তেতিয়া আজিৰ এই প্ৰশ্নটো উত্থাপিত হ'ল। বৰ্হিৰাজ্যত চাকৰিৰ বাবে পথিয়াবনে? কিন্তু বহল আৰু উদাৰ মনৰ বৰুৱাৰ দেউতাকে এক পল সময় লোৱা নাছিল সিদ্ধান্তৰ বাবে। বিচাৰিছিল তেওঁ তেওঁৰ সন্তানে পৃথিৱীখন দেখক। দুপাখি মেলি উৰক দূৰ দিগন্তলৈ। সুখী তেওঁ। যাওক তেওঁৰ পুত্ৰ আগবাঢ়ি জীৱন পথত। সন্তানৰ সুখৰ বাবে সকলো দুখ কষ্ট সহ্য কৰিবলৈ সাজু।

: মোৰ ল'ৰা গাঁৱৰ প্ৰথম ইঞ্জিনিয়াৰ। প্ৰথম বাহিৰত চাকৰি কৰিবলৈ যাব। মাল্টিনেচনেল ক'ম্পেইনীৰ চ'ফ্টৱেৰ ইঞ্জিনীয়াৰ। মোৰ ল'ৰা। মোক আৰু কি লাগে। মোৰ ল'ৰা বহু ৰাষ্ট্ৰ ফুৰিব। বিদেশলৈ যাব।

সুখী সকলো। মাক দেউতাক আৰু প্ৰশান্ত নিজে। জীৱনৰ গতি কেনেকুৱা হ'ব? দূৰত চাকৰি কৰিলে ল'ৰাৰ সান্নিধ্য হেৰাব নেকি? কাৰো একো ধাৰনা নাই। মাথোঁ পুত্ৰই নিজৰ কেৰীয়াৰ আগবঢ়াই নিয়ক। মাক দেউতাকৰ আশীৰ্বাদৰ ফুল সৰিছিল প্ৰশান্তৰ মূৰত।

: নৰ'বি বোপাই আগবাঢ়ি যা। সফল হ। আমাৰ আৰ্শীবাদ আছে সদায়; সপোনবোৰ কেৱল তেওঁলোকৰ সন্তানক লৈ। সন্তানৰ সফলতাই তেওঁলোকৰ। সন্তানৰ সুখেই তেওঁলোকৰ সুখ।

প্ৰশান্তৰ বহু দায়িত্ব আছে। তিনীজনীকৈ ভনীয়েকৰ দায়িত্ব। দেউতাকৰ অৱসৰ ল'বলৈ বেছি দিন নাই। তিনিওজনী পঢ়াই শুনাই অতি মেধাৱী। সিহঁতও আগবাঢ়ি যাব লাগিব। ইয়াতে চৰকাৰী চাকৰিৰ আশাত বহি থাকিলে বহু সময়ৰ অপব্যয় হ'ব। প্ৰশান্তই সন্মুখৰ সেই সুবিধা এৰিব নুখুজিলে। মাক দেউতাকৰ আশীৰ্বাদ শিৰত লৈ আগবাঢ়িল অনাগত ভৱিষ্যতৰ দিশত। প্ৰশান্তই চাকৰিটোত জইন কৰিবলৈ সিদ্ধান্ত ল'লে।

নতুন আশা, নতুন সপোন এটাই বুকুত গজালি মেলিছিল। প্ৰশান্তই চাকৰিত জইন কৰিবলৈ মুম্বাইলৈ যাব। এৰি যাব লাগিব ঘৰখন, গাঁৱখন, মাক দেউতাক আৰু ভনীয়েকহঁতৰ মৰমৰ উত্তাপ। আৰু কিবা এৰি থৈ যাব লাগিব সি। বুকুৰ ওচৰতে কিবা এটা অনুভৱৰ মৃদু সুৰসুৰনি উঠিছিল। হয় এযোৰ আবেগভৰা চকুৰ লাৱনী চাৱনি। যি চাৱনিয়ে সেউজীয়া কৰে তাৰ হৃদয়। কিবা এক অনামী তৰংগই ঢৌ খেলি যায় তাৰ হৃদয়ত। সেই যে একেখন স্কুলতে পঢ়া সিখন গাঁৱৰ গান গোৱা ছোৱালীজনী।

প্ৰশান্তই আৰম্ভ কৰিলে এক নতুন জীৱন যাত্ৰা। এক অচিনাকি পৃথিৱীৰ দিশত। যান্ত্ৰিক জীৱনৰ অভিমুখে। এখন ৰঙীন পৃথিৱীয়ে যেন প্ৰশান্ত বৰুৱাক হাত বাউলি দিলে। চাকৰিত জইন কৰিবলৈ যাবৰ বাবে কোম্পানীয়ে প্ৰশান্তক টিকেটৰ পৰা আৰম্ভ কৰি থকালৈকে সকলো ব্যৱস্থা কৰিছে। ঘৰৰ পৰ ষ্টেচনলৈকে মাক দেউতাক ভনীয়েকহঁতো গৈছে। এক গোমা পৰিৱেশ। মাকৰ চকুত এসোপামান পানীৰ ভীৰ। এৰা ইমান দিন হোষ্টেলত থাকিলেও ওচৰতে আছিল। ফোন এটা কৰিলেই পিছদিনালৈ পাই যায়হি। এতিয়া কথাবোৰ বেলেগ হ'ব। কেতিয়াকৈ বা আহে। এইবোৰ কথা মনতে পাগুলি পাগুলি মাকৰ চকুৰ পানীবোৰ মাথাউৰি ভাঙি পানীৰ ধল বোৱাদি বৈছে। দেউতাকো গহীন হৈ আছে।

: এই ল'ৰাটো যাবৰ সময়ত এই কন্দা কটাবোৰ কিয় কৰিছা। তাক দুৰ্বল নকৰিবা। ইমান দূৰলৈ যাবলৈ ওলাইছে; আবেগ সামৰিব পৰা দেউতাকে মাকক ধমকেই দিলে। প্ৰশান্তই মাকক দুই হাতে ধৰি সান্ত্বনা দিলে।

: মা মই সোনকালে আহিম নহয়। তুমি কন্দা কটা কৰিলে মোৰ মনটো বেয়া লাগিব। নাকান্দিবা।

একেৰাহে ককায়েকৰ লগত চুপতা চুপতি কৰি কাজিয়া কৰি ভালপোৱা ভনীয়েক কিজনীয়েও আঁতৰি আঁতৰি ফুৰিছে। পোনপটীয়াকৈ কোনেও কাৰো চকুলৈ চাবলৈ সাহস কৰা নাই। সুখ আৰু দুখৰ এক মিশ্ৰিত অনুভৱত জলভৰ সিহঁতৰ চকু। মাহেকে পযেকে ঘৰলৈ আহিলে ককায়েকৰ লগত কিমান কাজিয়া,স্ফূৰ্তি। সেইকেইদিনত যেন সিহঁতৰ ঘৰত সুখে বাহৰ পাতি লয়। এতিয়া কিমান মাহৰ মূৰত বা আহিব। দুখবোৰ উজাই আহিছে। কিন্তু দেউতাকৰ ধমকি খোৱাৰ ভয়ত সামৰি থৈছে উজাই অহা দুখবোৰ। ছয় বাজি ত্ৰিছ মিনিট যোৱাৰ পিছত ডিব্ৰুগড় হাওৰা কামৰূপ এক্সপ্ৰেছ শিমলুগুৰি জংছন পালেহি। মাক-

দেউতাক, ভনীয়েকহঁতক বিদায় দি প্ৰশান্ত ট্ৰেইনত বহিল। সন্ধ্যা নামি আহিছিল। মাঘ মাহৰ ঠাণ্ডা ঠাণ্ডা ভাবটো প্ৰকট হৈছে। কমপাৰ্টমেণ্টটোৰ নিজৰ ঠাইকনত বহি সি মাকে দি পঠিওৱা স্কাৰ্ফখন উলিয়াই ল'লে। স্কাৰ্ফখনে যেন ঠাণ্ডা দূৰ কৰাই নহয় মাকৰ মৰমৰ উত্তাপ অনুভূত কৰালে। প্ৰশান্তই খিৰিকীৰে বহিৰলৈ চালে। কিবা এক শূন্যতাই তাৰ বুকুখন হেঁচি ধৰিছে। চকুৰ আগত অহা যোৱা কৰিছে মাক দেউতাক আৰু ভনীয়েকহঁতৰ মুখকেইখনে। ক'বলৈ থাকিয়ে গ'ল মনৰ কথাবোৰ সেই গানগোৱা ছোৱালীজনীকো। এযোৰ আবেগভৰা চকুৱে আনমনা কৰিলে প্ৰশান্তক। এৰা সি এই মাটি, এই বতাহ তাৰ প্ৰানৰ ঠাইখন এৰি যাত্ৰা কৰিছে এখন অচিনাকি চহৰলৈ কেৱল মাত্ৰ জীৱিকাৰ বাবে। মৃদু হেন্দোলনি তুলি ট্ৰেইনখন আগবাঢ়িল। দিনৰাতি একাকাৰ কৰি ট্ৰেইনখন গৈ থাকিল। অবিৰত যাত্ৰা। অৱশেষত ট্ৰেইনখন হাওৰা জংছন সোমাল। ইয়াৰ পৰা মুম্বাইলৈ ট্ৰেইন সলনি কৰিব লাগিব। হাওৰা ষ্টেচনত মানুহৰ মহাসমুদ্ৰ। অহা আহিছে যোৱা গৈছে। ব্যৱসায়ত ব্যস্ত সকল নিজৰ কামত ব্যস্ত। চাৰিওফালে মাথোঁ বিৰাজমান ব্যস্ততা আৰু ব্যস্ততা। কাৰো কালৈকো চাবলৈ সময় নাই। তাতে ট্ৰেইন সলাই মুম্বাইলৈ যোৱাৰ ট্ৰেইনত উঠিল প্ৰশান্ত। এই যাত্ৰাত প্ৰশান্তই অনুভৱ কৰিলে সি তাৰ জন্মভূমি খন আপোন মানুহবোৰ এৰি থৈ আহিছে। কিয়নো কামৰূপ এ'প্ৰেছৰ সৰহভাগ সহযাত্ৰীয়ে অসমীয়া আছিল। কিন্তু মুম্বাইলৈ বুলি উঠা আজাদ হিন্দু এক্সপ্ৰেছৰ সৰহভাগ লোকেই হিন্দী ভাষী। দ্ৰুতগতিত আগবঢ়া ট্ৰেইনখনে প্ৰশান্তক লৈ গৈ থাকিল ঘৰৰ পৰা দূৰলৈ! দূৰলৈ! তাৰ বুকুৰ আপোন সেউজী অসমী আইক এৰি অচিনাকি কংক্ৰিট জগতলৈ।

সময় যেন দুপাখি মেলি উৰি গ'ল। দুৰন্ত গতি এই সময়ৰ। এই সময়ৰ গতিৰ লগত খোজ মিলাই আগবাঢ়ে জীৱন। তেতিয়াৰ সেই সাধাৰণভাৱে আৰম্ভ কৰা প্ৰশান্তই দোপতদোপে উন্নত কৰি গ'ল। জীৱনত সকলো পালে বিলাসী চাকৰি, বহুবিলাসী জীৱন, ঐশ্বৰ্য-বিভূতি।

চাকৰিৰ হেঁচাত যেন প্ৰশান্ত আত্মকেন্দ্ৰিক হৈ পৰিছিল। মাথোঁ কৰি গ'ল মাল্টিনেচনেল কম্পেনীৰ বহু মূল্যৰ প্ৰজেক্টবোৰৰ সমাধান। কিন্তু, কিন্তু যেন প্ৰশান্তই ক'ৰবাত অসফল অনুভৱ কৰে। যেন জীৱনত কিবা এটা কাম নকৰাকৈয়ে ৰৈ গ'ল। সচাঁই উভতি চাবলৈ সময়ে নহ'ল এৰি অহা ঠাইখনলৈ, নিজৰ মানুহবোৰৰ বাবে কিবা এটা কৰিবলৈ। অসুখৰ সময়টো মাক দেউতাকক যিদৰে প্ৰতিপাল কৰিব লাগে কৰিব নোৱাৰিলে। গম নোপোৱাকৈই দেউতাকৰ ডিঙিত পোখা মেলা কেঞ্চাৰ ৰোগটোও বহুত দেৰিকৈ ধৰা পৰিল। বিশেষ চিকিৎসা কৰিবলৈ নাপাওঁতেই দিউতাকে অচিনা দেশলৈ গতি কৰিছিল। দেউতাকৰ মৃত্যুৰ পিছত এটা সামান্য জ্বৰতেই মাকেও বিদায় লৈছিল। যেন উন্নত চিকিৎসা অভাৱৰ বাবেই বৰুৱাই মাক-দেউতাকক অকালতে হেৰুৱালে।

এৰা প্ৰশান্ত বৰুৱাৰ মনত এটা নতুন সপোনে পোখা মেলিছে। এক আশা... এক সপোন। নিজৰ ঠাইখনৰ বাবে কিবা এটা কৰাৰ। নিজৰ মানুহবোৰৰ বাবে কিবা এটা কৰাৰ।

অৰ্নৱৰ প্ৰস্তাৱত প্ৰশান্ত বৰুৱা সুখী হ'ল। অসমলৈ যাব তেওঁ। নিজৰ গাঁওখনলৈ যাব। আপোন মানুহবোৰৰ কাষলৈ। অক্টোপাচৰ দৰে দুৰাৰোগ্য কেঞ্চাৰ বেমাৰে চানি পেলাইছে তেওঁৰ ঠাইখন। তেওঁৰ আপোন ঠাইৰ বহু মানুহেই পীৰিত হৈছে সেই বেমাৰত। উস কি যান্ত্ৰণা। তেওঁ এটা সপোন দেখিছে। সপোনটো গোপনে সামৰি থৈছে বুকুৰ মাজত। সেই সপোনটোত মাথোঁ লাগে অৰ্নৱৰ সহাঁৰি। অৰ্নৱে ইচ্ছা কৰিলে তেওঁৰ সপোনটো অংকুৰিত হৈ ফলে ফুলে বিকশিত হ'ব।

অৰ্নৱে অংক'ল'জি বিভাগত বিদেশৰ নামজ্বলা বিশ্ববিদ্যালয়ৰ পৰা উচ্চ ডিগ্ৰী ল'লে। বহু বছৰ গৱেষণা কৰিছে। অভিজ্ঞ হৈছে অৰ্নৱ। অৰ্নৱৰ দৰে এজন ডাক্তৰ আৰু এখন চিকিৎসালয়ৰ প্ৰয়োজন সেই ঠাইখনত। প্ৰশান্ত বৰুৱাই চাকৰিৰ কালতে বহু সম্পত্তি কৰিলে। কেইবাখন চহৰত কেইবাটাও ঘৰ। পৈত্ৰিক সম্পত্তিও বহু আছে। অৰ্নৱৰ সহাঁৰি পালে। নিজৰ ঠাইখনত এখন হস্পিতেল স্থাপিত কৰিব। তেওঁৰ সকলো সম্পত্তি সেই চিকিৎসালয়খন স্থাপনত ব্যৱহাৰ কৰিব। তেওঁৰ মেধাবী পুত্ৰ সংস্থাপিত হওক তেওঁৰ ঠাইখনতে। ত্ৰানকৰ্তা হওক দুৰাৰোগ্য বেমাৰত পীৰিত হোৱা বহু ৰোগীৰ। আপোনজনক হেৰুৱাৰ ভয়ত কাতৰ হোৱা পৰিয়ালবোৰক উদ্ধাৰ কৰক।

আজি দুদিন প্ৰশান্ত বৰুৱাই যেন স্বৰ্গভূমিতহে আছে। গাঁৱৰ ঘৰখনত। আপোন মাটিৰ উমাল পৰশ। এই আকাশ, এই বতাহ সকলোতে যেন আছে এক অনামী আকৰ্ষণ। গান গাই ভালপোৱা সিখন গাঁৱৰ ছোৱালীজনীৰ লগতে প্ৰশান্তৰ বিয়া হৈছিল। গাঁৱৰ ছোৱালী। সকলো কামতে সিদ্ধহস্ত। সকলোতে মিলিব পাৰে। আজি দুদিনত বহুদিন বন্ধ হৈ থকা ঘৰখন জাৰি জোকাৰি নন্দিনীয়ে স্বৰ্গভূমি কৰি তুলিছে।

: নন্দিনী চাহ একাপ।

: এই ৰ'ব দেই। কিমান চাহ নাখায়।

অলপ আগত আলহীৰ লগত খাইছিলেহে?

প্ৰশান্তৰ ওঠত হাঁহি এটাই ঢৌ খেলি যায়। আচলতে অহাৰ পৰা প্ৰশান্তই নন্দিনীক কাষত পোৱাই নাই। আলহীৰ হেঁচাত ৰ'বলৈ সময় নাই। বহু দিনৰ মূৰত আপোন মানুহবোৰ লগ পাই নন্দিনীৰ উলাহে নধৰে হিয়া।

: এনেই মাতিছোঁ। চাহ নালাগে বাৰু। কথা পাতোঁচোন আহা।

: ৰ'ব আহিছোঁ। মাছখিনি ধুই লওঁ। আজি ভণ্টীহঁতক ভাত খাবলৈ মাতিছোঁ।

এৰা প্ৰশান্তই পাহৰিলেই আজি তেওঁৰ তিনিও ভনীয়েক আহিব সপৰিয়ালে। আজি বহুত দিনৰ মূৰত সকলো লগ হ'ব। এইয়া উৎসৱতকৈ কম নে?

: এইয়া লওক।

চেনী নাইকিয়া ফিকা চাহ একাপ লৈ নন্দিনী প্ৰশান্তৰ কাষত থিয় হ'ল। নিজেও একাপ হাতত ল'লে।

: অ' চাহ আনিলা। ঠেংক ইউ। বহাচোন। তোমাক লগ পাবলৈ অসুবিধাই হৈছে।

: চাহ কাপ খাই ভাতত ৰান্ধোগৈ।

: এই অৰ্নৱ ক'ত?

: সোণ গাঁৱলৈ গৈছে। তাৰ মনটো একদমেই ভাল নহয়।

: কিয় হে?

: ঠাইখনত কেঞ্চাৰত আক্ৰান্ত কেইবাজনো মানুহক সি লগ কৰি আহিল। তেওঁলোকৰ অৱস্থা দেখি সি বৰ চিন্তিত হৈছে।

: এৰা সি যে অনুভৱ কৰিব পাৰিছে। সেইয়াই বহুত। এই বেমাৰটোৱে মানুহক সকলো ফালৰ পৰাই শেষ কৰি যায় অ'। চিকিৎসাৰ কাৰণে ইমান শকত পৰিমাণৰ মূল্যৰ প্ৰয়োজন। পীড়িত সকলে কম কষ্ট পায়নে বাৰু। চিকিৎসা কৰিবলৈ ইমান দূৰ যাব লাগে। এৰা কিবা এটা কৰিব পৰা হ'লে। বৰুৱাই মনতে ভাবিলে কৈ দিব নেকি তেওঁৰ সপোনটোৰ কথা। নাই এতিয়া কোৱাৰ সময় নহয়।

তেওঁৰ সপোনটো হয়তো অৰ্নৱৰ নহ'বও পাৰে। তেওঁ নুখুজে অৰ্নৱক বান্ধি ৰাখিব। অৰ্নৱে নিজে অনুভৱ কৰক লোকৰ দুখৰ পীড়া ।

অৰ্নৱ প্ৰশান্ত আৰু নন্দিনীৰ সন্তান। হয়তো আনৰ দুখত দুখী সি হ'ব। চেষ্টা কৰিব নিজৰ সামৰ্থ্যৰে আনলৈ সহায়ৰ হাত বঢ়াবলৈ।

দুপৰীয়ালৈ নন্দিনীৰ বিধে বিধে বনাই আজৰি। জালি কোমোৱাৰে হাঁহৰ মাংস। মাছৰ টেঙা জোল। সৰু মাচৰ ভাজি আৰু তৰহে তৰহে ব্যঞ্জন। প্ৰশান্তৰ ভনীয়েকহঁতো পৰিয়ালৰ সৈতে আহিছে। উৎসৱমুখৰ পৰিবেশ। সুখী সকলো। উলাহে নধৰে হিয়া। এইয়া আপোনজনৰ মৰমৰ উত্তাপ। আদৰ আৰু হেঁপাহৰ অনুভূতিবোৰে ৰঙীন কৰিছে সকলোৰে মন। চিন্তান্বিত মাথোঁ অৰ্নৱ।

: কি হ'লটো সোণটো মনটো কিয় মাৰি আছা?

ডাঙৰ পেহীয়েকে মূৰত হাত থৈ মৰমেৰে সুধিলে।

: নাই এনেই পেহী। তোমালোক কিন্তু আজি থাকিব লাগিব।

: থাকিম বুলিয়ে আহিছোঁ। নবৌৰ লগত ধেৰ কথা আছে।

প্ৰশান্তৰ হৃদয় যে থৌকী বাথৌ। একেলগে ভনীয়েকহতঁৰ লগত হেঁপাহেৰে এসাজ। কিন্তু প্ৰশান্তই লক্ষ্য কৰিছে অৰ্নৱৰ মনটো। কিবা এক চিন্তাত ভাৰাক্ৰান্ত তাৰ মন। কি চিন্তাই পাইছে তাক? অৰ্নৱ ভিতৰলৈ উঠি গৈছে। সুবিধা চাই প্ৰশান্তও উঠি গ'ল অৰ্নৱ যোৱাৰ ফালে।

: কি হৈছে ? অৰ্নৱ কিয় ইমান চিন্তাত আছ?

: দেউতা চিন্তা।  মই বৰ দুখী হৈছোঁ দেউতা। মই বৰ চিন্তাত পৰিছোঁ;

: আৰে কি চিন্তা? মোক খুলি কোৱা।

উদিগ্ন  হৈ পৰে প্ৰশান্ত বৰুৱা।

: চিন্তা মোৰ ঠাইখনকলৈ দেউতা। চিন্তা কেঞ্চাৰ ৰোগত আক্ৰান্ত সেই মানুহবোৰক লৈ। আমাৰ গাঁৱৰ সেই সেই কণমানিজনীক লৈ।  মই তাইৰ সকলো ৰিপ'ৰ্ট চাই আহিছোঁ। তাই ব্ৰেইনত টিউমাৰ হৈছে। তাইৰ চিকিৎসা ইয়াত সম্ভৱেই নহয়। বাহিৰলৈ যাবলৈ আৰ্থিক অৱস্থা ইমান সচ্ছল নহয়। মাক দেউতাকৰ অসহায় মুখখন! ছোৱালীজনীৰ সৰল মুখখনে মোক শান্তিত থাকিবলৈ দিয়া নাই দেউতা। মামাহঁতৰ গাঁৱৰো এজন লোক চাই আহিলো। তেওঁ সেই একেই বেমাৰত আক্ৰান্ত। সকলোৰে অৱস্থা একেই। এইটো অঞ্চলৰে কেইবাজনো সেই একেই কেঞ্চাৰত আক্ৰান্ত ৰোগী চাই আহিলোঁ। সকলো দিক হাৰা। হয়তো ইয়াতে এখন উন্নত চিকিৎসালয় থকা হ'লে তেওঁলোকৰ পীড়াবোৰ দূৰ কৰিব পাৰিলেহেঁতেন। কিবা এটা সহায়ক হ'লহেঁতেন। দেউতা ইয়াত এখন ভাল চিকিৎসালয়ৰ অভাৱ। সাধাৰন এটা পৰীক্ষা কৰিবলৈও বহু দূৰ যাব লাগে। দেউতা আমি একো কৰিব নোৱাৰোনে?

প্ৰশান্ত বৰুৱাৰ মন আকাশ যেন। হাজাৰ তৰাই জিলমিলাই তুলিলে। এৰা তেওঁৰ মুখৰ কথাষাৰ পুত্ৰই কৈছে। তেওঁৰ পুত্ৰই দুখীজনৰ দুখত দুখী হৈছে।

: কিয় নোৱাৰিম মোৰ সোণ? আমি লোকসকলৰ মাজত সজাগতা জগাই তুলিব লাগিব আৰু ইয়াতে এখন চিকিৎসালয় খুলিব পাৰো।

: দেউতা মই বিদেশত লৈ অহা শিক্ষাই এইসকলৰ মাজত এখন চিকিৎসালয় খুলি মই চিকিৎসা কৰিব খোজোঁ। মই অসহায় মানুহখিনিক সহায় কৰিব খোজোঁ। মেঘাচ্ছন্ন হৈ পৰা মুখবোৰৰ পৰা দুখৰ কলীয়া ডাৱৰ আতৰাই আলোকৰ সন্ধান দিব খোজো। সিহঁতৰ যুঁজবোৰৰ সাৰথি হ'ব খোজোঁ। জগাই তুলিব খোজোঁ জীয়াই থকাৰ হেঁপাহ।

এৰা প্ৰশান্ত বৰুৱাক আৰু কি লাগে। তেওঁৰ পুত্ৰই শিকিছে আনৰ দুখত দুখী হ'বলৈ। সহায়ৰ হাত মেলি পোহৰৰ সন্ধান দিব খোজে পীড়িতসকলক। প্ৰশান্তিত প্ৰশান্ত বৰুৱাৰ দুচকু জিলীকি উঠিল।

: ব'ল পেহা পেহীহঁতৰ লগত কথাটো পাতোঁ।

সকলোৰে লগত আলোচনা কৰি প্ৰশান্ত বৰুৱাই সেই অঞ্চলতে দেউতাকৰ নামত এখন চিকিৎসালয় খুলিবলৈ সিদ্ধান্ত ল'লে।

চাকৰিৰ কালছোৱাত বিভিন্ন চহৰত লোৱা সকলো ঘৰেই প্ৰশান্ত বৰুৱাই বেচি গ'ল। পৈত্ৰিক সম্পত্তিও আছিল। চৰকাৰৰো সহযোগত প্ৰশান্ত বৰুৱাই সকলো সুবিধা থকা এখন চিকিৎসালয় খুলিলে নাম ৰাখিলে নিজৰ দেউতাকৰ নামত "ধনীৰাম বৰুৱা কেঞ্চাৰ চিকিৎসালয়"। অৰ্নৱে চিকিৎসাৰে বহু ৰোগী নিৰোগী হৈছে। প্ৰয়োজনত বাহিৰৰ পৰাও ডাক্তৰ আহে চিকিৎসাৰ বাবে। অৰ্নৱ হৈ পৰিল কেঞ্চাৰৰ দৰে এটা দূৰন্ত ৰাক্ষসৰ ৰোধক। ঠায়ে ঠায়ে সজাগতা শিবিৰ পাতি এই বেমাৰৰ পুলি পোখাৰে উঘালিবলৈ তেওঁৰ চেষ্টা অব্যাহত ৰাখিলে। অৰ্নৱৰ লগত বহু চেচ্ছাসেৱী অনুষ্ঠান, সমাজ সচেতন লোকে লগতে চৰকাৰেও সহযোগিতা আগবঢ়ালে। ডাঃ অৰ্নৱ বৰুৱা আৰু তেওঁৰ ধনীৰাম বৰুৱা কেঞ্চাৰ চিকিৎসালয় এতিয়া বিশ্বৰ এখন খ্যাতিসম্পন্ন চিকিৎসালয়ৰ ভিতৰত এখন হৈ পৰিছে। এৰা প্ৰশান্ত বৰুৱাৰ বুকুত গোজ মেলা এটা সপোন পুত্ৰই ৰং তুলিকাৰে হেঙুলী ৰহণ সানি জিলীকাই তুলিলে। সেই ৰঙত আলোকিত হ'ল বহু জীৱন।

# অৱগুণ্ঠন

**অংগনা ভট্টাচাৰ্য্য**

**প্ৰাৰম্ভণি**

আৰম্ভণি নো ক'ত নাথাকে? শুকাই লেৰেলি যোৱা পাত এটাতো কিঞ্চিত সম্ভাৱনা থাকে। অশ্ৰুমুক্তাতো বন্তি এগছৰ টিমিক-টামাক পোহৰ দেখ-নেদেখকৈ জ্বলি নাথাকে জানোঁ? কোনোবাই নেদেখিলেও এই কাহিনীটোৱে দেখিছে জ্বলি-পুৰি নুমাই যাব খুজিও পুনৰ অব্যৰ্থ আকাংক্ষাৰে উজলি উঠা অন্তৰৰ গুপুত বন্তিৰ শলিতা। জান-নাজানকৈ বুকুৰ অভ্যন্তৰত কুচিমুচি সোমাই থকা অনুভৱৰ বোকোচা নিৰ্বিঘ্নে উলিয়াই আনিবলৈ কাহিনীটোৱে আপ্ৰাণ চেষ্টা কৰিছে। মামৰে ধৰা সম্পৰ্কক যেনেকৈ আলফুলে প্ৰাণ দিয়াৰ চেষ্টা কৰিছে, সময়ৰ নিষ্ঠুৰ হাতোৰাত সোলোক-ধোলোক হৈ পিচলিব খোজা মনবোৰক তেনেকৈয়ে দৃঢ় হাতেৰে সামৰিছে।

কাহিনীটো জুপিতৰাৰ। অৱশ্যে অনুপ আৰু বাসৱী অবিহনে কাহিনীৰ গতি ৰুদ্ধ। জুপিতৰাৰ আৱেগ আৰু অনুভূতিয়ে কাহিনীটোক পৰিচালনা কৰিছে। জীৱনৰ কাংক্ষিত সুখৰ পিয়লা আপোনমনে পি থকাৰ উন্মীলিত মুহূৰ্ততেই জুপিতৰাৰ জীৱনৰ গতি ওলোটাকৈ ঘূৰিবলৈ ধৰে। ঘটনাৰ তাৎক্ষণিকতাত আচৰিত হৈও নিজেই নিজৰ জীৱন দৰ্শন কৰি জুপিতৰাই ভাবে এয়া দেখোন গল্পৰ দৰেই কাহিনী এটা। একেবাৰেই আকস্মিক আৰু অপ্ৰত্যাশিত। শৰীৰৰ প্ৰত্যেকডাল সিৰা-উপসিৰা জাৰি-জোকাৰি পেলোৱা সলিল ঘটনাটোৱে জুপিতৰাক ভবাই তুলিলে। পকা সুমথিৰাৰ সুগন্ধি যেন লগা কাহিনীটো লিখি পেলোৱা ভাল। নিজৰ জীৱনটোকেই লিখি পেলোৱা হওক। আনৰ কাৰণে নহ'লেও নিজৰ কাৰণেই লিখা যাওক। অন্ততঃ বুকুত সংগোপনে পুহি ৰখা বিষাদমালাৰ পৰা কিঞ্চিত হ'লেওতো নিস্তাৰ পোৱা যাব। হয়তোবা মুক্তি !

এৰা, কাহিনীটো লিখা উচিত।

অপৈণত হাতেৰে পৰিপক্ক চিন্তাৰে, অনভিজ্ঞ কৌশলেৰে জুপিতৰাই লিখিবলৈ আৰম্ভ কৰে নিজৰেই কাহিনী। কাহিনীটোৰ নাম দিয়ে- "মোৰ কাহিনী"। এটা- দুটা কৰি কেইবাটাও শব্দৰে ভৰি পৰে জুপিতৰাৰ কাহিনী —

" মোৰ কাহিনী "

"অনেক ব্যথা বুকুত সাঁচি জগত পোহৰ কৰা মই যেন আকাশৰ চন্দ্ৰমা"

....... যিখন হৃদয়ত বাসৱীৰ বসতি, সেইখন হৃদয়কেই মই আথেবেথে পৰিচৰ্যা কৰোঁ। অন্তঃকৰণেৰে প্ৰতিপাল কৰোঁ সেইখন হৃদয়, য'ত কেৱল মাথোঁ মোৰেই অৱস্থিতি বুলি অ'তবছৰে অহংকাৰত মত্ত হৈ আছিলোঁ। বাইপাছ চাৰ্জাৰীয়ে সুস্থিৰ কৰি তোলা অনুপৰ হৃদয়ত মোৰ স্থিতি কিমান গভীৰলৈ শিপাই আছে, সেয়া মোৰ বাবে আজি সন্দেহৰ আৱৰ্তত। হৃদয়ৰ নলী ৰুদ্ধ হৈ উকমুকাই উঠা অনুপৰ হৃদয়খনে এতিয়া শান্তি পাইছে। প্ৰশান্তিত শুব পাৰিছে বহু দিনৰ মূৰত। বিপৰ্যস্ত সময়ক জয় কৰি অনুপ বৰ্তমান চিন্তাশূন্য শান্তিৰ দলিচাখনত বাগৰি পৰিছে।

সাৰে আছো মাথোঁ মই। ওহোঁ, সাৰ পাইছোঁ।

এৰা, সাৰ পাই উঠিছোঁহে মই।

বাহিৰত এজাক অচিনাকি বতাহ বলিছে। বিপদে কাষ চপাই অনা অচিন চহৰখন এৰি অহাৰ পিছতো কিয় বাৰু বাৰে বাৰে মনলৈ আহি আছে চহৰখনৰ গাত লাগি থকা মায়ামায় গোন্ধটোৰ কথা! মোৰ সমগ্ৰ সত্বা জোকাৰি পেলোৱা সেই বিভীষিকাই বিদায় লোৱাৰ পিছমুহূৰ্ত্ততে অন্য এক অনিৰ্বান নিষ্ঠুৰ সত্যই যে এইমচৰ বাকৰিত মোলৈ বাট চাই আছিল, মই কোনোপধ্যে নাজানিছিলোঁ। অথচ মই মোৰ অস্তিত্বকেই বলিশাললৈ আগবঢ়াই দিবলৈ প্ৰস্তুত হৈছিলোঁ যেন। তেনে এক দুৰ্যোগৰ মাজেৰেই এইমচৰ পৰা সুস্থিৰ দেহাৰে অনুপক মই ঘৰ পোৱাইছিলোঁহি।

তথাপিও দিল্লীৰ পৰা উভতি অহাৰ এমাহ পিছত আজিও হায়াট হস্পিতালৰ নির্দিষ্ট ৰুমৰ বাহিৰত সম্পূর্ণ আস্থাসহকাৰে চিকিৎসকৰ অপেক্ষাত মই ৰৈ আছোঁহি।  অনুপৰ হেৰোৱা স্বাস্থ্যৰ উন্নতিৰ বাবে মই এতিয়াও যৎপৰোনাস্তি চেষ্টা কৰোঁ। প্ৰাণপণে কামনা  কৰোঁ তেওঁৰ সুস্বাস্থ্যৰ। এইমচৰ একেজন চিকিৎসকৰ তত্ত্বাৱধানত যোৱা দুদিন ধৰি অনুপ হায়াট হস্পিতালৰ বিছনাত আছেহি। চেক্ আপ কৰি দেশখনৰ বিখ্যাত কার্ডিঅ'ল'জিষ্ট ডাঃ দাস পৰম সন্তোষিত। কিঞ্চিত আশ্চর্য্যত বুৰ গৈ চিকিৎসকে ক'লে- "পেচেন্টৰ মানসিক শক্তিয়ে শৰীৰক নতুন জীৱন  দান দিয়ে। আমাৰ অনুভৱ হৈছে আপুনি নতুনকৈ যেন প্ৰাণ পাই উঠিছে। আমাৰ চিকিৎসা, আমাৰ প্ৰয়াস ফলৱতী হৈছে। কিমান যে উৎসাহৰ  বাতৰি এয়া।"

মোক এসাগৰ অস্বস্তিত পেলাই চিকিৎসক ওলাই গ'ল । অনুপৰ স্বাস্থ্য সম্পৰ্কে মোৰ বিশেষ চিন্তা নাছিল। কিয়নো অনুপ এতিয়া প্ৰায় সুস্থ। দিল্লীৰ পৰা এক জটিল অপাৰেচনৰ বাবে অহা ডাঃ দাসক এবাৰ দেখুৱাবলৈকে অনুপক হায়াট হস্পিতালত ভর্ত্তি কৰাইছিলো। যোৱা দুদিন ধৰি কেইবাটাও টেষ্ট কৰোৱাৰ পিছত অনুপৰ ৰিপোর্ট চাই পৰম সন্তোষিত হৈ চিকিৎসক উভতি গ'লগৈ।

হয়তো আমাক আজিয়েই ঘৰলৈ যাবলৈ দিব। আৰু আৰম্ভ হ'ব মোৰ বাবে  একঘেয়ামী জটিল এক জীৱন। অনুপৰ দীঘলীয়া দৰৱৰ লিষ্টখন ফ'লো কৰিব লাগিব। ডাক্তৰে এডভাইজ কৰা অনুসৰি খোৱা-বোৱা, ঘুৰা-ফুৰা কৰোৱাব লাগিব। অনুপক লৈয়েই পূর্ণ  হ'ব মোৰ দৈনিক ৰুটিন। আৰু অনুপ ? মোক সমুখত লৈ মোৰ আদৰ-যত্ন লৈ ভাবিবনে তেওঁ কেৱল মোৰেই কথা?

চিৰাল ফাঁট মেলা বুকুখনে মোৰ ইয়াতকৈ বেছি একো ভাবিব নোঁৱাৰে। ভাবিব নোখোজে।

অবুজ যন্ত্ৰণাত ছটফটাও মই। অসহজ অচিনাকি অনুভূতিয়ে চেপি-খুন্দি কোঙা কৰি পেলাইহি মোক। যৌৱনৰ দিনবোৰলৈ আকৌ এবাৰ ঘূৰি যাওঁ । এবাৰলৈও পাইছিলোঁনে এনে যাতনা ? পাইছিলোঁনে?

অথচ খুলি- ভাঙি কাকো একো সুধিব নোৱাৰোঁ । অন্তৰ খুলি এসোঁতা কান্দিব নোৱাৰোঁ। এৰা , হৃদয়ৰেই  অসুখ। অনুপৰ হৃদয়ৰ অসুখ। তেওঁৰ হৃদয়খনক সুস্থ কৰি তুলিবলৈকে নিজৰ হৃদয়খনত এয়া এবোজা পাথৰ তুলি লৈছোঁহি মই।

অনুপে বাৰু অনুমান কৰিব পাৰিছেনে মোৰ হৃদয়ৰ হাহাকাৰ? ত্রিশ বছৰীয়া আমাৰ বিশ্বাসৰ সৌধ থৰক-বৰক হোৱাৰ উমান তেওঁ জানো পাইছে? নাঃ।  মোৰ কথা ভবাৰ অৱকাশ তেওঁৰ চাগে নাই। তেওঁৰ হৃদয়খনৰ সফলতাৰে পুনর্নিমাণ হৈছে। হৃদয়ত চলিছে মহোৎসৱ। শৈশৱৰ প্রেয়সীৰ সান্নিধ্যৰে জীপাল হৈ উঠিছে চৌপাশ।

বাসৱীৰ সান্নিধ্য অকল এয়াই প্ৰথম নে? এই প্রশ্নটো অৱশ্যে কিছুদিন আগলৈকে মোৰ মনলৈ অহা নাছিল।  অপাৰেচনৰ এদিন  পিছত ডিব্ৰুগড়ৰ পৰা দিল্লীলৈ ঢাপলি মেলা বাসৱী অনুপৰ কিমান সুহৃদ, সেয়া জানিবলৈ মোৰ বহু পৰ লাগিছিল।

ঝর্ণাই মোক একপ্ৰকাৰ খঙেই কৰিছিল–

ঃ উফ্ মা। তুমি ইমান টেনচন লৈছা কেলেই? এইবোৰতো খুব নর্মেল কথা। পাপা কিস্মান হেণ্ডচাম ! কলেজত থাকোঁতে গার্ল ফেণ্ড এজনী নাথাকিব নেকি? তাকে লৈয়েই অশান্তি কৰি থাকিবা নে? ইমান আৰু বেকৱাৰ্ড হৈ নাথাকিবা দেই।

বুকুৰ উকমুকনিয়ে উশাহ দীঘল কৰাৰ সময় আছিল সেয়া। এপাহাৰ অশ্রুৰে চকুত ঘৰ সাজি বহিছিল। জানিছিলোঁ মই যেতিয়াই চিএঁৰি চিএঁৰি কান্দিব পাৰিম, তেতিয়াই এচপৰা হ'লেও বিষাদৰ মেঘ খহি পৰিব। বুকুখনে কণমান সকাহ পাব। কিন্তু এতিয়াও যে ময়েই অনুপৰ পত্নী! কেনেকৈ আওকাণ কৰো চিকিৎসকৰ সতর্কবাণী?  কিদৰে অ'তবছৰৰ ভালপোৱাক ভৰিৰে মোহাৰোঁ?

চুপচাপ হৈ ৰ'লো। এৰা, মনে- মনে ৰ'লোঁহি মই।

ঝর্ণাই  খং কৰিও বুজাব খোজে মোক—

ঃ চোৱা মা। মানুহ সদায় প্রেক্টিকেল হ'ব লাগে। সময়ৰ লগত এডজাষ্ট হ'বলৈ শিকিব লাগে। হঠাৎ সিদিনা পাপাৰ যি অৱস্থা হ'ল, পাপাই যে ইমান সোনকালে ৰিকো'ভাৰী  কৰিব, আমি জানো ভাবিছিলোঁ ? আমাৰ বাবে কিমান ভাল নিউজ চোৱা, পাপাৰ হেল্থ যে এতিয়া অ'লম'ষ্ট গুড। অপাৰেচনৰ আগতে পাপাই তোমাকেইতো সেহাই সেহাই কৈছিল- "বাসৱীক এবাৰ লগ কৰিব খোজোঁ। মোৰ স্কুলীয়া বন্ধু তেওঁ। এতিয়া চাগে ডিব্ৰুগড়ত থাকে। প্লিজ জুপি, এবাৰ লগ কৰাই দিয়া" ।

তেতিয়া তুমিয়েই দেখোন বাসৰী আণ্টিক কন্টেক্ট কৰাৰ বাবে পাগল হৈ গৈছিলা। এবাৰলৈও ভাবিছিলা নে হু ইজ বাসৰী? পাপাই ইমান ৰুগীয়া গাৰে যাক লগ কৰাৰ ইচ্ছা কৰিছে, সেই লেডীগৰাকী তেওঁৰ কোন হয় ? তুমি এক ছেকেণ্ডৰ কাৰণেও ভবা নাছিলা মা। পাপাৰ মনৰ শান্তিৰ বাবে তুমি অভি আৰু মোক ৰিকুৱেষ্ট কৰিছিলা বাসৰী বৰুৱাৰ লগত আমাক যেনেতেনে কন্টেক্ট কৰিবলৈ। পাপাই বাসৰী আণ্টিৰ নাম লোৱাৰ দুদিন পিছতেই বাসৰী আণ্টি এইমচ পাইছিলহি। তুমিতো আমাক সোধা নাছিলা মা বাসৰী আণ্টিক ইমিডিয়েটলী আমি কেনেকৈ পালো? আৰু আমি কন্টেক্ট কৰিব পাৰিলেও তেওঁ বাৰু দুদিনৰ ভিতৰতেই ডিব্ৰুগড়ৰ পৰা কিয় দৌৰি আহিল? এনেকুৱা কি ইন্টিমেট ৰিলেচন আছিল তেওঁলোকৰ মাজত ? তুমি মুঠেও ভবা নাছিলা মা। কিয় জানানে, তুমি যে পাপাক খুব বেছি ভাল পোৱা। তেওঁৰ ওপৰত চকু মুদি ট্ৰাষ্ট কৰা। তেওঁৰ কেয়াৰ কৰা। কিন্তু সঁচা কথা কি জানা, মই বহু বছৰ আগতেই জানিছিলোঁ, বাসৰী আণ্টি যে পাপাৰ ফাৰ্ষ্ট লাভ। ইভেন তেওঁলোকৰ এনগেজমেণ্ট হোৱাৰো কথা আছিল। পিছে হঠাতে ব্ৰেক- আপ্ হৈ থাকিল। ৰিজন্ মই ও নাজানো। এইবোৰ কথা মোক পাপাই নিজেই কৈছিল। বাসৰী আণ্টিক বিচাৰিবলৈ আমি ওৱান ছেকেণ্ড ও নষ্ট কৰিব লগা হোৱা নাছিল। কিয় জানানে? পাপাৰ ফোনতেই বাসৰী আণ্টিৰ নাম্বাৰ পাইছিলোঁ। য়েছ মা, পাপাৰ ফোনত অলৰেডি তেওঁৰ নাম্বাৰ আছিল—

আৰু কিবাকিবি কৈ আছিলহি তাই। মই শুব বিচাৰিছিলোঁ। অলপ পৰ শুম বুলি নিজৰ ৰুমত সোমাইছিলোঁহি। মূৰটো আচন্দ্ৰাই কৰিছিল মোৰ। আৰু নোৱাৰি। এৰা, বন্ধ কোঠাটোত হুৰহুৰাই এজাক আবতৰীয়া বৰষুণ নামি আহিছিল। উতলি থকা মাংসৰ কেৰাহীৰ দৰে মোৰ বুকুখনতো ভক্ ভক্ কৈ এটা শব্দৰ সুৰ বাজিছিল। অথচ মোৰ বাদে কোনেনো শুনিছিল সেই সুৰ? কোনেনো শুনিছিল?

ঃ এইবোৰ তোমাক হাৰ্ট কৰিবলৈ কোৱা নাই । বি প্ৰেক্টিকেল। পেনিক নহ'বা প্লিজ। কাম্ অন্ মা। ইউ হেভ তু অ'ভাৰকাম । লাভ কাৰ লাইফত নাথাকে ? কাৰোবাক ভাল পালোঁ বুলিয়েই বিয়া হ'বই লাগিব বুলিতো কোনো কথা নাই। অভি জানো মোৰ ফাৰ্ষ্ট লাভ মা? আৰু মই জানো অভিৰ ? তুমি অপৰিপক্ক ছোৱালীৰ দৰে কথাবোৰ নাভাবিবা প্লিজ।

ঝৰ্ণাৰ কথাবোৰ হয়তো ভুল নাছিল। প্ৰেক্টিকেল হ'বলৈ দেউতাকৰ পৰাই শিকিছে তাই। পৰিৱৰ্তিত সময়ৰ লগত মিলিবলৈ দেউতাকেই পাঠ পঢ়াইছে তাইক। কিন্তু তাইৰ শব্দবোৰ সঠিকো জানো আছিল? অনুপে মোক জনাৰ আগতে কাৰোবাক ভাল পাইছিল। তেওঁকেই বিয়া কৰাব বুলি ভাবিছিল। সেয়া মোৰ কাৰণে বিশেষ ডাঙৰ কথা নাছিল। কিন্তু মই জানিব নালাগিছিল নে অনুপৰ মন? তেওঁৰ হৃদয়ৰ বতৰা? কেৱল পত্নীৰ অধিকাৰেৰে মই অনুপৰ অতীতৰ বিষয়ে জানিবলৈ উদগ্ৰ হৈ পৰা নাছিলো । আমি মাথোঁ পতি-পত্নীৰ সম্পৰ্কতেই সীমাবদ্ধ আছিলোঁ জানো? ওহোঁ। অভিন্ন বন্ধুৰ দৰেহে আছিলোঁ আমি। জুমি জুমি জুখিছিলোঁ ইজনে সিজনৰ ভালপোৱা। জীৱনৰ অলিয়ে-গলিয়ে চপাই লোৱা সুখ-দুখক দুয়ো দুমুঠিত ভৰাই লৈ জীৱন বাটত একেলগে খোজ দিছিলোঁহি। পয়গম্বৰ আছিল তেওঁ মোৰ বাবে।

এৰা, মোৰ জীৱনলৈ পয়গম্বৰ হৈ আহিছিল অনুপ..........

দেউতাৰ প্ৰকাণ্ড ঘৰটোৰ চৌহদত মই এজনী পৰীৰ নিচিনাকৈ ডাঙৰ হৈছিলোঁ। সামাজিক প্ৰতিবন্ধকতাক আওকাণ কৰি উচ্চ শিক্ষাৰ বাবে দেউতাই মোক দিল্লীলৈ পঠাইছিল। ঘৰৰ পৰা দিল্লীলৈ, দিল্লীৰ পৰা ঘৰলৈ অহা-যোৱা কৰোঁতে আৰু দিল্লীত থকা সময়খিনিত মোৰ সহচৰ আছিল আশীষ, নীহাৰ, অনিৰুদ্ধ আৰু অৱন্তী। আমি আটাইকেইটাই একেলগে ঘৰলৈ অহা-যোৱা কৰিছিলোঁ। গুৱাহাটীৰ এটা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ অত্যন্ত মেধাবী ল'ৰা আশীষে চৰকাৰী জলপানি লৈ দিল্লীলৈ পঢ়িবলৈ গৈছিল। অজানিতেই আমাৰ মাজত বন্ধুত্ব স্থাপন হৈছিল। হয়তো কাৰণ এইটোও হ'ব পাৰে, সেই সময়ত দিল্লীলৈ পঢ়িবলৈ যোৱা অসমীয়া ল'ৰা-ছোৱালীৰ সংখ্যা তেনেই তাকৰ আছিল। আশীষ যেন অন্যতকৈ কিছু পৃথক আছিল। তাৰ সৰল ব্যক্তিত্ব আৰু মেধাই মোক মুগ্ধ কৰিছিল। তথাপিও মনলৈ আনিবলৈ টান পাইছিলো যে, কেতিয়াবালৈ আশীষো মোৰ প্ৰেম হ'ব পাৰে। মোৰ বুকুৰ অভ্যন্তৰত সিও গোপনে সুকীয়াকৈ এটা কোঠালি সাজিব পাৰে।

কিন্তু নভৱাকৈয়ে আশীষ মোৰ জীৱন হৈ পৰিছিল। চৌদিশে মুখৰিত হৈ পৰিছিল সুবাস ৰেণু। প্ৰকৃতিৰ সেউজীয়াই মোক বেৰি ধৰিছিল। ভাবিছিলো, পৃথিৱীখন আগৰ পৰাই ইমান ধুনীয়া আছিল নে? ইমান মনোমহা!

আমি নতুন পৃথিৱী এখনৰ সন্ধান কৰিছিলোঁ। আতোলতোলকৈ পাখি মেলা কণমান সপোনটোৱে দুয়োকে মেৰিয়াই ৰাখিছিল। চাব খুজিছিলোঁ নিৰুপম স্বপ্নটোৰ পূৰ্ণতা প্ৰাপ্তিলৈ। ৰৈয়েই আছিলোঁ। ৰৈয়েই আছিলোঁ। পৰিপূৰ্ণ স্বপ্নটোক কলিজাত

সুমুৰাই ল'বলৈ।

সুখ্যাতিৰ মালা ডিঙিত ওলোমাই নিৰ্দিষ্ট সময়মতেই আশীষ দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিছিল। এমুখ প্ৰাণভৰা হাঁহি লৈ ওলাই আহিছিলোঁ আমিও। কিন্তু আশীষ আকাশৰ তৰা হৈ জিলিকিছিল। তাৰ প্ৰজ্ঞা আৰু সুগভীৰ জ্ঞানৰ তিৰবিৰ জিলিকিনি হাতেৰে চুই চাইছিলোঁ মই। এৰা, সিয়েই ইমানখিনি অধিকাৰ দি থৈছিলহি মোক।

ঘৰলৈ ওভতাৰ আগদিনা আমি অলপ ওলাই আহিছিলো। সন্ধিয়াৰ সিদিনাৰ মেলত ইটোৰ পিছত সিটোকৈ আমি যে কি কথা পতা নাছিলোঁ? সূতলাহিৰ নিচিনাকৈ আমাৰ কথাবোৰ পাক খাই ধৰিছিল। হঠাৎ আশীষে মোক হাতত ধৰি বহাৰ পৰা উঠাই দিছিল। আচৰিত হৈছিলোঁ মই। চকু দুটা বহলাই মেলি লৈ তালৈকে চাই ৰৈছিলোঁ। নীহাৰ, অনিৰ্বাণ আৰু অৰন্তীয়েও ঘটনাৰ আকস্মিকতাত আচৰিত হৈ আমালৈ চাই আছিল। মোৰ সোঁহাতখন তাৰ বুকুত থৈ সি মোক ব্যগ্ৰতাৰে সুধিছিল–

ঃ এনেকৈয়ে সদায় মোৰেই হৈ ৰ'বিনে তই?

আমাৰ ভালপোৱা কাৰো অজ্ঞাতে নাছিল। পৰিপক্ক দুখন হৃদয়ৰ অনিশেষ বাঞ্ছাক সিহঁতেও ওচৰৰ পৰাই জানিছিল। উপলব্ধি কৰিছিল ঐশ্বৰিক অনুভৱৰ সেই পুৰাতন নিৰ্যাস।এৰা, সিহঁতেও প্ৰতিপাল কৰিব খুজিছিল আমাৰ আত্মীয়তাক। মায়াময় ভাবনাৰ আলফুল উৰণীয়া চিলাক।

কি ক'ম মই? এনেকুৱা সময়ৰ বুলনিত কেনেকৈ খোজ থোৱা যায়, আয়ে মোক শিকোৱা নাছিল। বিস্ময় বিমুগ্ধ হৈ তালৈকে চাই আছিলোঁহি মই। বুকুৰ অভ্যন্তৰ ঘোদালি পেলোৱা এই ক্ষণত কি শব্দ ব্যৱহাৰ কৰা যায়? অথিৰ-অবিৰ সেই মুহূৰ্তই যেন মোৰ বুকুতেই থিতাপি লাগি বহিলহি।

ঃ কিবা সুধিছো অ' তোক ?

আশীষৰ মাতত চমক খাই উঠিছিলো মই। এৰা, তাৰ দুচকুত যেন এখনি ঘৰ দেখা পাইছিলো। আন্তৰিক আশ্ৰয় আৰু সুপ্ৰশস্ত নিৰাপত্তাৰে তিল তিলকৈ সজাই তোলা এখনি ঘৰ। তাৰ দুচকুলৈ চাই থাকিয়েই মূৰটো দুপিয়াই দিছিলোঁ মই। ভাষাহীন নীৰৱতাত সিও বুৰ গৈছিল। অথচ ঠিক তেতিয়াই মোৰ হাতখন সি জোৰকৈ চেপি ধৰিছিল।

আৰু এনেকৈয়ে হৃদয়ৰ পৰা হৃদয়লৈ বোৱা নৈখনিৰ সোঁত তীব্ৰ হৈছিল। আমাৰ নতুন পৃথিৱীখনৰ সুঘ্ৰাণ লৈ নীড়মুখী হৈছিলোঁহি দুই প্ৰাণৰ বান্ধৰ। অত্যন্ত লাহ-বিলাসত ডাঙৰ হোৱা মোৰ বাবে আশীষৰ সংগ আছিল জীৱন অভিজ্ঞতাৰ একো-একোটি পাঠ। তাৰ বাস্তৱিক জ্ঞানৰ সংহতিয়ে মোৰ চিন্তাধাৰাক আলোড়িত কৰিছিল। নিঃকিন মানুহৰ অন্তৰ ময়ো পঢ়িব পৰা হৈছিলোঁগৈ। পেটৰ ভোক আৰু দেহ ঢাকিবলৈ প্ৰয়োজন হোৱা দুটুকুৰা কাপোৰৰ বাবেও যে মানুহে কেনেকৈ দিন-ৰাত সংগ্ৰাম কৰিব লাগে, প্ৰথমবাৰৰ বাবে স্বচক্ষে অনুভৱ কৰিছিলো মই। অন্তৰাত্মা কঁপি উঠিছিল,যেতিয়া দেখিছিলো ফুটপাথৰ কিনাৰত অস্পৃশ্য লেতেৰা পুতিগন্ধময় পৰিবেশত শুকাই লেৰেলি যোৱা চৰ্মৰে শৰীৰ ঢাকি কোনোবাই গুণগুণাই ভাত ৰান্ধি থাকে আৰু তেওঁক আগুৰি এগালে টকালি পাৰি পাৰি সেই খানা খায়। আচলতে এইবোৰ নতুন কথা নাছিলেই। কিন্তু আভিজাত্য ভৰা দুচকুৰ দৃষ্টি খহাই থৈ নিপীড়িত নিস্পেষিতৰ জীয়াই থকাৰ যুঁজখন চাবলৈ শিকিছিলোঁ আশীষৰ পৰা। আশীষে দেখুৱাইছিল মোক সমাজৰ দুটা শ্ৰেণীৰ মাজৰ ব্যৱধান। সমাজৰ চো কল্ড দুৰেল চোচাইটিৰ স্বৰূপ।

দিল্লীৰ পৰা আহিয়েই সি কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনত নিযুক্তি পাইছিল। জীৱনৰ প্ৰতিটো সুখৰ ছাবি তাৰ দুমুঠিতেই আছিল। সুখ, সন্তোষ আৰু সুখ্যাতিয়ে তাৰ বাটত তৰা জিলিকাদি জিলিকিছিল। কিন্তু সমাজৰ নিপীড়িত দুৰ্বল শ্ৰেণীৰ জনতাৰ হকে যুঁজ দিয়াটোহে তাৰ জীৱনৰ উদ্দেশ্য আছিল। এদিন স্পষ্টভাৱে সুধিছিল সি মোক—

" চা জুপি। প্ৰত্যেকৰ দৰে মোৰো এখন হৃদয় আছে। আৰু সেই হৃদয়ত কেৱল তই আছ। সম্পূৰ্ণ সচেতনতা আৰু আন্তৰিকতাৰে বহু আগতেই মোৰ অন্তৰত তোক মোৰ পত্নীৰ স্বীকৃতি দি থৈছোঁ। যদি জীৱনত মই কাৰোবাৰ পাণি গ্ৰহণ কৰিম,সেয়া নিতান্তই মাথোঁ তোৰ হ'ব। কিন্তু মই মাত্ৰ তোক ভাল পাওঁ। তোৰ আভিজাত্যৰে মেৰ খাই থকা জীৱনশৈলী মোৰ সহিষ্ণুতাৰ পৰিধিৰ বাহিৰত। যদি আহি থকা দিনবোৰ তয়ো মই ভবাৰ দৰেই পালন কৰিব খুজিছ, তেন্তে লাহ-বিলাসৰ আৱৰণ তই খহাই পেলাব লাগিব। সাধাৰণ মানুহৰ দৰে মাথোঁ মানুহ হৈ জীয়াই থাকিব লাগিব। তই উপভোগ কৰি অহা বিলাসী জীৱন মোৰ পত্নী হৈ তই দলিয়াই দিব পাৰিব লাগিব। সেয়ে কৈছো, আমাৰ সম্পৰ্কৰ কথাটো ঘৰত জনোৱাৰ আগতে আকৌ এবাৰ ভালকৈ ভাবি চা।"

খঙত ফোপাইছিলো মই। কঁপি উঠিছিল মোৰ অভ্যন্তৰ। উঠিবৰেই কথা। আমাৰ ভালপোৱা নিৰ্মেঘ আকাশৰ বেলিৰ দৰে সত্য,সুতীব্ৰ আৰু পবিত্ৰ আছিল। চৰ্তহীন মৰমেৰে উচ্চাৰিত সঞ্জীৱনী মন্ত্ৰ আছিল আমাৰ ভালপোৱা। সেই ভালপোৱাত হঠাৎ চৰ্ত কিয় আহিল? ক'ৰ পৰা আহিল? আমাৰ কাৰণে কিমান এৰা- ধৰা কৰিলোঁ জীৱনত। আৰু কৰিম। প্ৰয়োজন হ'লে নিজৰ জীৱনৰ সৈতেও , ঘৰৰ মানুহৰ সৈতেও এৰা-ধৰা কৰিম। কিন্তু সেয়া হ'ব লাগিব একান্ত মোৰ ইচ্ছাত। কোনো চৰ্তসাপেক্ষে নহয়। আমাৰ প্ৰেম হ'ব লাগিব এখন নৈৰ সোঁতৰ দৰে। যি নিৰকুংশ। যি নিৰবধি।

ঃ আমাৰ সম্পৰ্কৰ মাজত চৰ্ত কিয় আনিলি? কোনো জটিলতা নোহোৱাকৈ এক জটিল সম্পৰ্ক যোৱা তিনি বছৰে এটা ফুল পুলিৰ দৰে লালন কৰিছো মই। তই নাজাননে? তইতো সকলো জান আশীষ। মোৰ আভিজাত্য মোৰ অহংকাৰ নহয়। মোৰ বংশ-পৰম্পৰা মোৰ বাবে গৌৰৱ। অহেতুক সম্ভ্ৰমৰ পোছাক কেতিয়াও মই গাত সুমুৱাই লোৱা নাই। ধন-বিলাসৰ প্ৰতি মই লালায়িত নহওঁ। তৃষিত নহওঁ। কিন্তু তোক ভাল পালোঁ বুলিয়েই মোৰ পিতৃ পৰিচয় অস্বীকাৰ কৰিবতো নোৱাৰোঁ। বহু পুৰুষীয়া বংশৰ তেজ মোৰ শৰীৰত বিয়পি আছে। সেই তেজকতো মই অসন্মান কৰিব নোৱাৰোঁ। আমাৰ প্ৰেম নিচৰ্ত আছিল। তই ইয়াৰ মাজত চৰ্ত আনিলি। যদি এনেকুৱাই হয়, তেন্তে মোৰো চৰ্ত থাকিব পাৰে।মোৰো সামাজিক, ৰাজনৈতিক দৃষ্টিকোণ থাকিব পাৰে। তোৰ বিচাৰক মই শ্ৰদ্ধা কৰোঁ। সন্মান কৰোঁ। কিন্তু সেয়াই মোৰো বিচাৰ হ'ব বুলি তই কিয় ভাবিলি? মোৰ নিজস্ব বিচাৰকোণ থকাটো উচিত নহয় নে?অন্তত তোৰ পৰা এনে কথা মই আশা কৰা নাছিলো।

ঃ চা জুপি। মই কেতিয়াও তোৰ স্বাভিমানত আঘাত কৰাৰ কথা ভবা নাই। তোৰ স্বকীয়তাক মই গভীৰভাৱে সন্মান কৰোঁ। আৰু সেইবাবেই আমাৰ সম্পৰ্কটো সামাজিক কৰাৰ আগতে তোক সূক্ষ্মভাৱে চিন্তা কৰিবলৈ কৈছো। তোৰ বিবেকক কষ্ট দি মই কেতিয়াও সুখী হ'ব নোঁৱাৰিম।

ঃ তেন্তে এই চুক্তিৰ অৱতাৰণা নিৰৰ্থক বুলি তই নাভাবনে?

ঃ নাভাবো। তই মোৰ প্ৰেম। তই মোৰ উৎসাহ। কিন্তু তই কোৱাৰ দৰে মোৰো নিজস্ব চিন্তাধাৰা আছে।তোৰ যি জীৱনশৈলী, তাৰ বিপৰীত মেৰুত বাস কৰোঁ মই। এই বৈপৰীত্যৰ বিপৰীতে সমিলমিল সহধৰ্মীতাৰে জীৱন উদযাপন কৰাৰ কথা অৱশ্যে আমি ভাবিব পাৰোঁ।

ঃ তেন্তে সেয়াই হওক। এৰা-ধৰা, পাৰস্পৰিক বুজা-বুজিৰ মাজেৰে আমাৰ সম্পৰ্কটোক আতোলতোলকৈ আগুৱাই নিওঁ ব'ল। তইতো জান,মোৰ ঘৰখনে কেতিয়াও আমাৰ সম্পৰ্কটো মানি নলয় বুলি জানিও তোৰ সংগ মই এৰা নাই। এৰিব নোৱাৰোঁ। কাৰণ তই মোৰ এই ক্ষুদ্ৰ জীৱনটোৰ বাবে মহাৰ্ঘ্য। কিন্তু সেইবুলিয়ে মোৰ আদৰ্শ, মোৰ পৰিচয় ত্যাগ কৰিবলৈ মই কোনোপধ্যেই মান্তি নহওঁ। অথচ তই নুবুজ কথাবোৰ!

ঃ বুজোঁ। কিয় নুবুজিম জুপি? সম্ভ্ৰান্ত পৰিয়ালৰ হৈও তই মোৰ দৰে নিঃকিন বঙালী ল'ৰা এটাক বুকুত থিতাপি ল'বলৈ দিছ। সম্ভ্ৰমৰ স্বচ্ছ চাদৰখন উৰি লৈ আলফুল উশাহত ভৰাই লৈছহি মোক। জানোঁ মই সেই কথা। তোৰ হিয়াৰ স্পন্দন মই শুনোঁ। কণ্টকাকীৰ্ণ বুলি জানিওতো স্ব-ইচ্ছাই উছাহেৰে তই সেই বাটতেই খোজ দিছহি। তেনে আজি মোৰ কথাত ইমান আৱেগিক হৈ পৰিলি কিয়? মই তোক চুক্তিৰ শিকলিৰে বান্ধিবলৈ যাব পাৰোনে? এয়া অসম্ভৱ। তোক কষ্ট দিবলৈ নোৱাৰোঁ বাবেই কথাখিনি খোলাখুলিকৈ ক'লো। তই বুজিব নুখুজিলি। কিন্তু এয়াও সঁচা, যিদৰে মাথোঁ তোক ভাল পাওঁ বাবেই বৈপৰীত্যৰ সৈতে তোক আকোঁৱালি ল'লোঁ বুলি আজি কথা দিলোঁ, তেনেদৰেই মোৰ আদৰ্শকো মই মোৰ মাজতেই আজীৱন জীয়াই ৰাখিম। বিয়াৰ পিছতো তই এই ক্ষেত্ৰত হকা-বাধা কৰিব নোঁৱাৰিবি । আমাৰ মতানৈক্যই যাতে আমাৰ সম্পৰ্কটোত বাধাৰ সৃষ্টি কৰিব নোৱাৰে। বাকীখিনি তই ভাবি চা। কোনো এটা সিদ্ধান্ত গ্ৰহণ কৰোঁতে নিজৰ বিবেকক প্ৰশ্ন কৰিবি। যদিহে সেই সিদ্ধান্তই তোলৈ সুখ কঢ়িয়াই আনিব পাৰে বুলি ভাব, তেতিয়াহে সেই সিদ্ধান্তক আকোঁৱালি ল'বি। কাৰণ তোক নিজৰ কৰি পোৱাতকৈ তোৰ সুখহে মোৰ বাবে অধিক গুৰুত্বপূৰ্ণ। মানসিকভাৱে কিমান সৱল মই সেয়া তই জান। কিন্তু সেই সৱল মনটো তোৰ ওচৰত কিমান যে দুৰ্বল হৈ পৰে! তথাপিও চম্ভালিম মই। নিজক চম্ভালিম। নিজৰ মনটোক চম্ভালিম। যদিহে তই মোৰ পৰা আঁতৰি থাকিলে তোৰ কল্যাণ হ'ব বুলি ভাব, সেয়াও কৰিবলৈ পাৰিম মই। মাথোঁ তই মোক ভুল নুবুজিবি।

শুক্লেশ্বৰ ঘাটৰ চিৰিত বহি মহাবাহুৰেই নৈসৰ্গ উপভোগ কৰি আছিলোঁ মই। কৰ্ণকুহৰত বাজি আছিল আশীষৰ দৃঢ় কথাবোৰ। কি জানো বুজিছিল সি, এটা সময়ত মোৰ নিচেই কাষত বহি সোঁহাতৰে মোৰ চকুপানী মচি মচি কাণত ফুচফুচাইছিল

, " বহুত ক'লো ন? আৰু নকওঁ দে। অহাবছৰলৈ শুক্লেশ্বৰলৈ আহিয়েই আশীৰ্বাদ এটা লৈ ঘৰ এখন সাজিম দে। ইমানবোৰ যুক্তি-দ্বন্দ্বৰ এটাইটো অন্ত, তোক এৰি যে মই জীয়াই থাকিব নোৱাৰোঁ। আচলতে তই মোৰ হৃদয় নহৰ, মোৰ প্ৰাণ তই। মোৰ উশাহ। এতিয়া নুবুজিবি এইবোৰ। একেবাৰেই নুবুজিবি। বুজিবি সিদিনা, যিদিনা তোৰ এই চকুপানী সহ্য কৰিব নোঁৱাৰি বহু দূৰলৈ গুচি যামগৈ মই।"

প্ৰথমবাৰলৈ তাৰ বুকুত মুখ গুজি হুকহুকাই কান্দিছিলোঁ মই। মোৰ অশ্ৰুক মহাবাহুৱে সাৱটি লৈছিল চাগৈ। কিছুপৰ আগলৈকে মোৰ মন উদ্বেলিত কৰা সংশয় এতিয়া আৰু নাই। প্ৰান্তত: আশীষে মোক বুজি পালে। চৰ্তহীন, চুক্তিহীন আমাৰ সম্পৰ্কক সি প্ৰাণেৰে আদৰিলে।কিন্তু আমাৰ ভালপোৱাক বুজিবনে মোৰ দেউতাই? আমাৰ সম্পৰ্কক আদৰিবনে মোৰ ঘৰখনে?

আলফুলে মোৰ মুখখন তুলি ধৰিব খুজিলে সি। কুচিমুচি তাৰ বুকুত মুখখন লুকুৱাই মহাবাহুলৈ চাই ৰ'লোহি মই। মহাবাহুৰ দৰে বিশাল কিয় হ'ব নোৱাৰে সমাজখন? কেৱল অন্য সম্প্ৰদায় বুলিয়েই আশীষৰ দৰে তীক্ষ্ণ বুদ্ধিসম্পন্ন সুচৰিত্ৰবান ল'ৰাটোক কিদৰে হৃদয়ৰ পৰা মচি পেলাওঁ? আস্! হৃদয় নিৰুপায়।

ঃ চাওঁ উঠ। কি কৰিছ? মানুহে ক'ব কি? ইমান দুৰ্বল নহ'বি জুপি। আমি কাঁইটৰ বাটত খোজ থৈছো যেতিয়া সৰু-সুৰা আঁচোৰ খামেই। সেইবুলিয়ে আগবাঢ়ি নাযামনে? তথাকথিত সমাজ ব্যৱস্থাৰ ভুৱা নীতি-নিয়ম পৰিহাৰ কৰি আমি আগুৱাই যাব লাগিব। এইখিনি বিশ্বাস আছেনে তোৰ মোৰ ওপৰত? মোৰ ভালপোৱাৰ ওপৰত?

নিজতকৈও বেছি বিশ্বাস কৰিছিলোঁ তাক। আমাৰ প্ৰেমৰ দোহাই দি ঘৰৰ মানুহৰ লগত তৰ্কও কৰিছিলোঁ। দেউতাই কোনোপধ্যেই মানিব নুখুজিছিল আমাৰ সম্পৰ্কক। আশীষক মতাই আনি মোৰ জীৱনৰ পৰা বহু দূৰলৈ গুচি যাবলৈ সতৰ্ক কৰি দিছিল। তৰ্ক-যুদ্ধৰ সেই অথিৰ-অবিৰ দিনবোৰতেই মোক নিচৰ্তে আপোন কৰি ল'ব খোজা ল'ৰাটোৱে মোৰ ভালপোৱা নেওচি দেউতাৰ কথামতেই বহু দূৰলৈ গুচি গৈছিল।

এৰা, হঠাতেই এদিন মোৰ হাতৰ এমুঠি ছাই হৈ পৰিছিল আশীষ। কিয় কেনেকৈ কি কাৰণে সি অদৃশ্য হৈ পৰিছিল মই নাজানিছিলোঁ। ৰেল আলিত তাৰ শৰীৰটো কেইবাটুকুৰা হোৱা খবৰটো পাওঁতেও মই বিশ্বাস কৰা নাছিলোঁ। ঘৰৰ অসীম বাধা নেওচি লৰি গৈছিলো তাৰ ঘৰৰ চোতাললৈ, য'ত সি এবাগিছা ফুল হৈ সপোন গুঠি আছিল। উভতিবলৈ মোৰ বাট নাছিল। তথাপি হাতৰ মুঠিত তাক ভৰাই লৈ মোৰ আছুতীয়া কোঠাত সোমাইছিলোঁহি মই। আঁকুহি-বাঁকুহি নিজকে সুধিছিলোঁ, "তোৰ সুখৰ বাবেই সি বাট মোকোলাই দিয়া নাই?" অথচ মই জানিছিলোঁ, সি কাপুৰুষ নাছিল। কাহানিও নাছিল।

মোৰ প্ৰেম অকালতে অত্যন্ত নিষ্ঠুৰভাৱে হাৰি গৈছিল। শুক্লেশ্বৰ ঘাটত হোৱা আমাৰ কথোপকথনৰ পিছত তাক এবাৰো মই নিজাকৈ লগ পোৱা নাছিলোঁ। আমাৰ ঘৰলৈ আহিও সি দেউতাৰ তীব্ৰ সকীয়নিক অশ্ৰদ্ধা কৰা নাছিল। "আপুনি যে তাইৰ পিতৃ। আপোনাৰ স্থিতি সম্পূৰ্ণ স্বাভাৱিক। কিন্তু আমাকো অলপ সময় দিয়ক চোন।" দেউতাক সময় খোজা ল'ৰাটো সময়ৰ সোঁততেই এদিন হেৰাই গৈছিল। ম'ৰা শৰীৰ এটালৈ পৰ্যবসিত হৈছিলোঁহি মই। অহা বছৰলৈ তাৰ নামৰ সেন্দূৰ পিন্ধিম বুলি ৰৈ থকা ছোৱালীজনীৰ সেওঁতা তাৰ মৃত শৰীৰৰ ছাইৰে পূৰ্ণ হৈছিল। হয় হয়। ছাই বৰণীয়া সেওঁতাৰে মই তাৰ পত্নী হৈছিলোঁহি।

ইতিমধ্যে ঘৰখনত হাহাকাৰ লাগিছিল। মোক লৈ চিন্তাৰ অন্ত নাছিল। কোনোবাই দিহা দিছিল, "যিমান সোনকালে পৰা যায়, তাইক বিয়া দিব লাগে। তাইক বিয়া দিব লাগে।" পছোৱাৰ নিচিনাকৈ খবৰবোৰ আহিছিল আৰু মোৰ ঘৰৰ পদূলিত খোজ নেপেলোৱাকৈয়ে উভতি গৈছিলগৈ। নাযাবনো কিয়? সমাজৰ দৃষ্টিত সম্ভ্ৰান্ত পৰিয়ালটোৰ নাম মাটি কৰা উচ্চশিক্ষিতা এগৰাকী উতনুৱা জীয়ৰীহে মই। আলাসতে দিল্লীলৈ পঢ়িবলৈ গৈ ৰসাতলে যোৱা মই এজনী দুঃশ্চৰিত্ৰা।

সমাজৰ শালীনতা অতিক্ৰমি যোৱাকৈ আমাৰ কোনো সম্পৰ্ক আছিল নেকি? অ' সি মোৰ হাতত ধৰিছিল। তাৰ বুকুত মুখ গুজি এদিন মাত্ৰ মই কান্দিছিলোঁ। সেয়াই অসংযত প্ৰেমৰ সংজ্ঞাতো হ'ব নোৱাৰে। হ'লেও মই স্বীকাৰ নকৰোঁ। সত্য এটাই, সি মোৰ উশাহত আছে আৰু চিৰদিন থাকিব। থাকিল নে সি মোৰ উশাহত চিৰদিন? থাকিলনে?

কেনেকৈ যে অনুপ মোৰ উশাহ হৈ পৰিল, মই নিজেই দেখোন নাজানিলোঁ। এৰা, আশীষক আলফুলে কলিজাত শুৱাই থৈ অনুপেকইতো চিৰদিনলৈ উশাহত ভৰাই ল'লোঁ। মোৰ অজানিতেই মোৰ প্ৰাণ হৈ পৰিল অনুপ। মোৰ বিধ্বস্ত জীৱনৰ পয়গম্বৰ....

আশীষৰ স্মৃতি সামৰি নতুন জীৱন এটালৈ বাট বোলাৰ কিঞ্চিত হেঁপাহো মোৰ নাছিল। অথচ শেহান্তৰত মই নোঁৱাৰিলোগৈ। মা-দেউতাই সমাজত মূৰ ডাঙি থিয় হৈ জীয়াই থাকিবলৈ বিচাৰিছিল। বহু খবৰৰ প্ৰান্তত অনুপ যেতিয়া এটা জীয়া খবৰ হৈ মোক চাবলৈ আহিছিল, মা-দেউতাই মোক হাত যোৰ কৰি মোৰ জীৱন আৰু ঘৰখনৰ সন্মান ৰক্ষা কৰিবলৈ অনুৰোধ জনাইছিল।

অনুৰোধ কৰিছিল অনুপেও। প্ৰথম সাক্ষাততে মোৰ মুখেৰে আশীষৰ বিষয়ে জানিব পাৰি আশীষক বুকুত ভৰাই লৈ নতুনকৈ জীৱনটো যাপন কৰিবলৈ অনুৰোধ জনাইছিল মোক।

ঃ চোৱা জুপিতৰা। তোমাক লগ পোৱাৰ আগতেই ইতিমধ্যে তোমাৰ বিষয়ে মই শুনিছো। হয়তো বেছিকৈয়ে শুনিছো। কিন্তু শুনা কথাক বিশ্বাস কৰা মানুহ মই নহয়। মোৰ বিশ্বাস আছিল অভিজাত বংশৰ উচ্চশিক্ষিতা ছোৱালী এগৰাকী ইমান তৰল চিন্তাৰ নিশ্চয় নহয়। সেয়ে সকলো বাধা নেওচি মই তোমাক লগ কৰিবলৈ আহিলোঁ। তুমি নিজেই সকলোবোৰ খোলাখুলিকৈ কোৱাই মই নথৈ সুখী হ'লো। মোৰ বিশ্বাস গাঢ় হ'ল। প্ৰেম কাৰ জীৱনত নাহে জুপিতৰা? সেই প্ৰেম হেৰাই যোৱা মানেইতো জীৱন শেষ হৈ নাযায়। মোৰ সৈতে কথা পাতা। মোক পঢ়া। আৰু যদি মোৰ ওপৰত মোৰ কথাৰ ওপৰত তোমাৰ আস্থা জন্মে, তেন্তে মাতিবা মোক। মই আগ্ৰহেৰে আহিম আৰু আশীষৰ সৈতে তোমাক লৈ যাম। জানো মই, আশীষক এৰি যে তুমি নোযোৱা। তোমাৰ মতামত লৈহে মোৰ সিদ্ধান্ত হ'ব।

আশীষৰ মৃত্যুৰ পিছত প্ৰথমবাৰলৈ চিঞৰি চিঞৰি কান্দিছিলো মই। অৱশেষত অনুপৰ পত্নীৰ আসনখনত মই অধিষ্ঠিত হৈছিলোঁ। অন্তঃকৰণেৰে তেওঁৰ জীৱনলৈ নিমন্ত্ৰণ জনাইছিল মোক। আৰু তেওঁৰ হৃদয়লৈ?

জোন গলা সময় আছিল সেয়া। অনুপৰ অসাধাৰণ ব্যক্তিত্ব, সুগভীৰ আশ্বাস আৰু অনিন্দ্য প্ৰেমৰ সুতীব্ৰ উত্তাপত ময়ো গলি গলি বৈ গৈছিলো তেওঁৰ হৃদয়লৈ....

"যেন এক উদাস সন্ধ্যাৰ নাম বাসৰী....."

বাসৰী কোন? সঁচাকৈয়ে মই নাজানিছিলোঁ। সুদীৰ্ঘ বছৰ অনুপৰ গাৰ ছাঁ হৈয়ো মই বাসৰীৰ নাম পৰ্যন্ত শুনিবলৈ পোৱা নাছিলোঁ। অৰ্ধমৃত অনুপক মই মৃত্যুৰ দুৱাৰডলিৰ পৰা ঘূৰাই আনিলোঁ। অথচ মৃত্যুৰ দুৱাৰডলিত অনুপে উচ্চাৰণ কৰা নাৰীগৰাকী মই অথবা অনুপৰ স্বৰ্গগত মাতৃ নাছিল।সেয়া আছিল অন্য নাৰী। এৰা, বাসৰীয়েইতো আছিল সেই অন্য নাৰী। অথচ সেই মুহূৰ্ততো সন্দেহৰ চাদৰখন দলিয়াই ঝৰ্ণা আৰু অভিক বাসৰীৰ সন্ধান কৰিবলৈ মই কিয় জানো কাকূতি কৰিছিলোঁ?

বাসৰী অনুপৰ হৃদয়ৰ অধিকাৰিণী। শৈশৱৰ সংগিনী। ভঙা-চিঙা কলিজাটো হাতত লৈ অনুপ কিছু সুস্থিৰ হোৱালৈ বাট চাই ৰ'লো। তেওঁৰ পৰা বাসৰীৰ সবিশেষ লাগে মোক। কিয় তেওঁ অনুপৰ হৃদয় হৈও তেওঁৰ পত্নী হ'ব নোৱাৰিলে? কিয় মই পত্নী হৈও অনুপৰ হৃদয় জয় কৰিব নোৱাৰিলো? নাঃ আক্ষেপ নাই মোৰ। তেওঁৰ লগত কোনোপধ্যেই মোৰ জীৱনৰ তুলনা নহয়। প্ৰজ্ঞাৰ সুউচ্চ আসনত অধিষ্ঠিত হৈও তেওঁ যে একেবাৰেই ৰিক্ত। সেই নাৰীক ঈৰ্ষা কৰা যায়নে?

বৰ্ষাগধূৰ সন্ধ্যা এটা অনুপে নিজেই বন্ধ কোঠাৰ দুৱাৰখন খুলিছিল....

ঃ বাসৰীৰ বিষয়ে তোমাৰ একো জানিব লগা নাই নে জুপি?

ঃ ক'বা জানো হৃদয় খুলি সকলোবোৰ? অথচ মোক আশ্বস্ত কৰিবলৈ তুমি ব্যৰ্থ প্ৰয়াস কৰাৰ প্ৰয়োজন নাই।

ঃজানো মই তুমি যে অভিমান কৰিবা!

ঃ ওহোঁ। সেই ভুল আৰু নকৰোঁ।

ঃ বাসৰীয়ে তোমাক খুব শ্ৰদ্ধা কৰে জুপি।

ঃ মই কোন তেওঁৰ বাবে? তেওঁ কি কাৰণে মোক শ্ৰদ্ধা কৰিব ?

ঃ বাসৰীৰ মন কিমান স্বচ্ছ! তাই কিমান দুৰ্ভগীয়া তুমি নুবুজিবা জুপি।

ঃ সেই দুৰ্ভাগ্যৰ কাৰণ তুমি নহয়তো?

ঃ নহয় বুলিতো ক'ব নোৱাৰোঁ। কিন্তু তুমি যে তাইৰ বিষয়ে একোৱেই নাজানা!

ঃ যিগৰা কী নাৰীক অ'তবছৰে মোৰ অজ্ঞাতে তোমাৰ বুকুত কঢ়িয়াই ফুৰিছা, জানিব পাৰোনে সেই নাৰী তোমাৰ পত্নী হ'ব কিয় নোঁৱাৰিলে?

ঃ জুপি! তুমিতো মোৰ ছাঁ। আৰু বাসৱী মোৰ অতীত। সেই নিষ্ঠুৰ অতীতক তোমাৰ সমুখলৈ আনিবলৈ মোৰ সাধ্য নাছিল। কাৰণ মই তোমাৰ পৰা সম্পূৰ্ণ প্ৰেম বিচাৰিছিলোঁ। আনকি আশীষৰ প্ৰতিও মোৰ হিংসাৰ ভাৱ জন্মিছিল। আনহাতে মোৰ বাদে বাসৱীৰ কোনো শুভাকাংক্ষী নাছিল। তাই মোৰ ল'ৰালিৰ লগৰী। একেলগে প্ৰতিটো ক্লাছ পাৰ হৈ এটা সময়ত মই গুৱাহাটীৰ ইঞ্জিনীয়াৰিং কলেজত পঢ়িবলৈ আহিছিলো আৰু তাই ৰৈ গৈছিল গাঁৱতেই। দৈনিক বাছেৰে তাই চহৰৰ কলেজখনলৈ অহা-যোৱা কৰিছিল। তাই কেনেকৈ মোৰ প্ৰেম হৈ পৰিছিল সেয়া ময়ো নাজানো। ঘৰৰ মানুহেও আমাৰ প্ৰেমৰ বাটত বিধি-পথালি দিয়া নাছিল। তাই মোৰ সমবয়সীয়া। এই কথাটো লৈ দুই-এজনে আপত্তি কৰাৰ থল আছিল। কিন্তু সিমানলৈ তাই মোৰ হৈ নাথাকিল। মোৰ অনুপস্থিতিত এক বিভীষিকাই তাইৰ জীৱনটো ধ্বংস কৰি পেলালে। আৰু চিৰদিনৰ বাবে অনিচ্ছাস্বত্বেও মই তাইক মোৰ জীৱনৰ পৰা উলিয়াই দিছিলোঁ।

ঃ জীৱনৰ পৰা উলিয়াই দিছিলা। হৃদয়ৰ পৰা নহয়। সেইখন হৃদয় য'ত কেৱল বাসৱী আছে, সেয়া মই নিজৰ বুলি কেতিয়াও দাবী কৰাৰ যুক্তি নাছিল। ভুল হৈ গ'ল মোৰ। কিন্তু কিয় বাসৱীক তুমি আপোন কৰি ল'ব নোৱাৰিলা?

ঃ সমাজক ভয় মই কৰা নাছিলো। সমাজৰ ভিত্তিহীন যুক্তিক বুঢ়া আঙুলি দেখুৱাই বাসৱীক আপোন কৰাৰ সাহস মোৰ আছিল। কিন্তু মই পিতাৰ বাক্যবাণত আৱদ্ধ হৈছিলোঁ। মোৰ প্ৰেমৰ বাবে পিতাক হেৰুৱাব খোজা নাছিলোঁ। ঘটনাটোৰ বিষয়ে জানিব পাৰি মই দৌৰি আহিছিলোঁ বাসৱীৰ কাষলৈ। তাইৰ চিকিৎসা সম্পূৰ্ণ নোহোৱালৈকে তাইৰ ছাঁ হৈ আছিলোঁ মই। তাইৰ মানসিক স্থিতি দেখিয়েই পঢ়া শেষ কৰি চাকৰিত সোমোৱালৈ নৰৈ গুৱাহাটীলৈ যোৱাৰ আগতেই তাইক আঙুঠি পিন্ধোৱাৰ প্ৰস্তাৱ পিতাৰ আগত দিছিলোঁহি। কিন্তু পিতাই নস্যাৎ কৰিছিল। অঁ' জুপি। পিতাই নস্যাৎ কৰিছিল আমাৰ ভালপোৱা। আমাৰ সম্পৰ্ক। যুক্তি এটাই, ধৰ্ষিতা এগৰাকী কেতিয়াও বিখ্যাত মৌজাদাৰ বংশৰ বোৱাৰী হ'ব নোৱাৰে। মোৰ ওচৰত পিতাই দুটা বিকল্প ৰাখিছিল- তেওঁৰ জীৱন অথবা বাসৱীৰ হাত। আৰু সেই মুহূৰ্তত মই কি কৰিম কোৱা? কাপুৰুষ নহৈ পাৰিমনে? হস্পিতালৰ বিছনাত বাসৱীক এৰি চোৰৰ দৰে পলাইছিলোঁ মই গুৱাহাটীলৈ।

মূক হৈ পৰিলো মই। জহি-খহি যোৱা জীৱন এটাক কিছু পৰ আগলৈকে মই তৃতীয় বুলি ভুল কৰিছিলোঁ। কেনেকৈ সহিছিল বাৰু বাসৱীয়ে দেহ-মনৰ সেই নিৰন্তৰ খহনীয়া?

ঃ জানা জুপি, কলেজৰ পৰা শেষ বাছখনত ঘৰলৈ ঘূৰি আহোঁতে আন্ধাৰেই হৈছিল বোলে সেইদিনা। এজাক পশোৱে সেই সুযোগতে তাইৰ শৰীৰটোক হেঁপাহ পলুৱাই ভক্ষণ কৰিছিল। মুমূৰ্ষ অৱস্থাত কালভাৰ্ট এটাৰ তলৰ পৰা তাইক উদ্ধাৰ কৰা হৈছিল। মানুহৰ মুখত শুনিছিলো, মই তাইক এৰি যোৱাৰ পিছত তাই হেনো আত্মহত্যা কৰিব খুজিছিল। কিন্তু মাক-দেউতাকৰ মুখলৈকে চাই তাই নতুনকৈ জীৱন যাপন কৰাৰ সিদ্ধান্ত লৈছিল। দেউতাকে লাগি-ভাগি তিনিচুকীয়ালৈ চাকৰিৰ ট্ৰেন্সফাৰ হৈ গুচি গৈছিল। তাতেই তাই বাকীখিনি পঢ়া-শুনা সম্পূৰ্ণ কৰি প্ৰথমতে এখন কলেজত আৰু পিছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নিগাজিকৈ চাকৰি পাইছিল। তেতিয়াৰ পৰাই নাহৰৰ দেশত তাইৰ বসতি।

ঃ মই আচৰিত হৈছো অনুপ। নিজৰ প্ৰেয়সীক কেনেকৈ সেই অৱস্থাত এৰি থৈ তুমি পলায়ন কৰিব পাৰিলা? আস্ অনুপ! তোমাক কেনেকৈ যে মই দেৱদূত বুলি ভুল কৰিলোঁ! তুমি ওৰেটো জীৱন মোক সত্যৰ পৰা দূৰত ৰাখিলা। আথানি-আবানি মোৰ জীৱনটোক যি সাহসী প্ৰতিশ্ৰুতিৰে তুমি উদ্ভাসিত কৰি তুলিলা, তাৰ বাবে নিঃসন্দেহে আজীৱন তোমাৰ ওচৰত মই ঋণী। কিন্তু নাৰী হিচাপে কেনেকৈ বাৰু সহ্য কৰো বাসৱীক তুমি কৰা প্ৰতাৰণাৰ জুইৰ সেই উত্তাপ? কিয় ইমান ডাঙৰ ভুল কৰিলা অনুপ? কিয়?

ঃ তুমি নুবুজিবা জুপি। কোনেও নুবুজিব মোৰ ব্যথা। কেনেকৈ বিহৰ বটলটো পিতাৰ হাতৰ পৰা মই কাঢ়ি আনিছিলোঁ তুমি অনুমান কৰিবও নোৱাৰা। সেই ঘটনাৰ ন বছৰ পিছত এপাহ পাৰিজাত হৈ তুমি আহিছিলা মোৰ জীৱনলৈ। ইতিমধ্যে বাসৱীয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। তাইৰ উদ্‌গতিত মই সন্তোষ পাইছিলোঁ। তাইৰ হাত এৰি পিতাক বচন দিছিলোঁ। কাৰণ জানিছিলোঁ মই, পাৰাপাৰহীন যাতনা ভুগিও বাসৱীয়ে জীৱনৰ লগত যুঁজিব। তাই ভীৰু নহয়।

অপলক দৃষ্টিৰে চাব খুজিছিলোঁ মই বাসৱীৰ জীৱন পৃষ্ঠা। কি ঈৰ্ষনীয় সাহসেৰে তেওঁ জীৱনটো আতোলতোলকৈ গঢ়িলে! ভাঙি-চিঙি টুকুৰা-টুকুৰ হৈ পৰা অন্তৰখন নিজ হাতত নিজেই তুলি কমাৰশাললৈ লৈ গৈ নতুনকৈ নিৰ্মাণ কৰিলে। অথচ সঞ্জীৱনী প্ৰাণেৰে গঢ়ি তোলা শক্তিশালী জীৱনটোক অন্য কোনো পুৰুষৰ প্ৰাণৰ স্পৰ্শৰে দুৰ্বল কৰিব নুখুজিলে। সেই

পুৰাতন স্পৰ্শ, যি ঘৰ সাজি আছে বাসৱীৰ হৃদয়ত। এৰা, ৰিক্ত হৈও বাসৱী ঐশ্বৰ্যশালী। নিঃকিন হৈও অভিনৱ সুখানুভূতিৰে গৰিমাময়ী। তেনে নাৰীক ঈৰ্ষা কৰিব পৰা নাযায়, যি নাৰী জ্যোতিৰ্ময়ী হয় স্ব- মহিমাৰে। অনাবিল মানসিক শক্তিৰে মহিমাময়ী হয় যি নাৰী, তেওঁ মাথোঁ শ্ৰদ্ধাৰ পাত্ৰ।

মনলৈ আহিল এইমচ্ ত মুখামুখি হোৱা বাসৱী নামৰ নাৰীগৰাকীৰ মুখনি। সুন্দৰতাই তেওঁৰ শৰীৰটোক আটি-পুতি গঢ়ি নুতুলিলেও অভাৱনীয়ভাৱে আকৰ্ষণীয় সেই নাৰী। অসূৰ্যস্পৰ্শা তেওঁৰ শৰীৰে যি অমানৱীয় যাতনাৰে দগ্ধ হৈছিল, সেয়া বৰ্ণনাতীত। নজহা-নপমা তেওঁৰ অন্তৰৰ অনুভৱে বেৰ-দুৱাৰ নোহোৱাকৈয়ে আশ্বাসৰ মনোময় ঘৰ এটাত সুদীৰ্ঘ দিন পাৰ কৰিছে । তথাপিও কি সুষমাৰে অনন্যা সেই নাৰী! বিশ্বাস। এৰা অনুপৰ বিশ্বাসেই সেই  অনন্য জ্যোতিৰ অন্তৰাল। কাৰণ দৃঢ়তাৰে জানে তেওঁ, তেওঁৰ বন্ধুৰ হৃদয়ত কেতিয়াও কোনো নাৰীয়ে ঘৰ এটা সাজিব নোৱাৰে। কাহানিও নোৱাৰে।

বাসৱীয়ে কৃতজ্ঞতাৰ সৰু-বৰ প্ৰতিটো শব্দৰে মোক জুখি চোৱাৰ সেই ক্ষণ কি যে অপূৰ্ব আছিল!  মোৰ দুহাত সাৱটি বাসৱীয়ে ক'ব খুজিছিল–

ঃ অনুপ মোৰ অভিন্ন বন্ধু জুপিতৰা। সেইফালৰ পৰা তোমাৰ সৈতে মোৰ চিনাকি এনেকৈ আচম্বিতে আৰু নাটকীয়ভাৱে হ'ব নালাগিছিল। অথচ, জীৱন পৰিক্ৰমাৰ ওপৰত কাৰ নো নিয়ন্ত্ৰণ আছে? দুৰ্যোগৰ এই সময়ত মই তোমাৰ লগত আছোঁ। অনুপক দেখা কৰিবলৈ তুমি যে মোক অনুমতি দিছা, সেই কৃতজ্ঞতাক মই অন্তৰেৰে সোঁৱৰিম।

ঃ অনুপ  আপোনাৰ সুহৃদ, তেন্তে আপোনাক লগ পোৱাটো নিশ্চয় মোৰেই  সৌভাগ্য। অথচ আপোনাক কষ্ট দি মই সন্তোষ পোৱা নাই।

ঃ তেনেকৈ নাভাবিবা জুপিতৰা। মোৰ এযাৰি মাতে অনুপক যদি কিঞ্চিত সকাহ দিয়ে, তাতকৈ সুখৰ কথা আৰু একো নাই।

বাসৱীক ঝৰ্ণায়ো আদৰি  লৈছিল। তেওঁৰ কথা-বতৰাই মোৰ অত্যাধুনিক মনৰ ছোৱালীজনীক আকৃষ্ট কৰা কথাটোৱে মোক সুখী কৰাৰ কথা নাছিল। অথচ মই সুখ বুটলি ল'বলৈ বিচাৰিছিলোঁ।

অনিৰুদ্ধ ভাৱনাৰ টুলুংভুটুং নাওখন হঠাতে  পিছ হুহুঁকি আহিল। মই  অন্যায় কৰা নাইতো ? অনুপ অথবা আশীষক? এগৰাকী নাৰীৰ সৈতে অন্তৰৰ সৰ্বোচ্চ অনুভূতিৰ আদান-প্ৰদান কৰিও পৰিস্থিতিৰ নিৰ্মম ক্ষণ এটাত অনুপে হাৰ মানিছিল। অথচ আজীৱন সেইগৰাকী নাৰীকেই তেওঁ হৃদয়ত পুহি ৰাখিলে। মানসিক সাহচৰ্যৰে সেউজ কৰি তুলিলে সেই নাৰীৰ চৌপাশ। এৰা, সমস্ত জীৱন তেওঁৰ হৃদয়তেই স্থাপিত হৈ ৰ'ল মোৰ স্বামীৰ অনুৰাগ বন্তি। মোৰো একেবাৰে আপোন বুলিবলৈ এমুঠন ভাবনা নোহোৱা নাছিল।  কিন্তু অনুপ বুকুত সোমোৱাৰ পৰাই সেই ভাবনাৰ উন্মেষ হ'বলৈ দিছিলো জানো?

আশীষ! কিমান দিন হ'ল জানো তাক এবাৰলৈও মনলৈ ননাৰ। এবাৰলৈও তাক সোঁৱৰি চকুলো নোটোকাৰ। বাকচত লুকুৱাই থোৱা তাৰ চিতাৰ ছাইখিনি হাতত তুলি নোলোৱাৰ! যাক মই নিজৰ জীৱনতকৈও অধিক মূল্য দিছিলোঁ। যাৰ হৃদয়ত অনুপৰ দৰে কোনো দ্বিতীয় নাৰীৰ স্থান নাছিল।

সংস্কাৰে জোৰ কৰি হৃদয় ভৰাই তুলিব পাৰে জানো? শতঘ্নীৰ আক্ৰমণৰ তীক্ষ্ণ আঘাতত আথাউনি হেৰুৱাই পেলোৱা প্ৰমিকৰ হাত এৰি অন্য কোনো পুৰুষলৈ আগবাঢ়ি যোৱা নাৰীয়ে  হাতৰ পতাত লৈ যাব পাৰেনে সম্পূৰ্ণ স্বচ্ছ এখন হৃদয়? জেতুকা পাতৰ দৰে গাঢ় সেউজীয়া এজাক সুবাস কুচিমুচি  সোমাই নাহে জানো কলিজাৰ অভ্যন্তৰলৈ? আহে আহে। সঁচাকৈয়ে আহে। মোৰো আহিছিল। বিয়াৰ বহুদিন পিছলৈকে জেতুকী গোন্ধ এটা হৈ আশীষ মোৰ আশেপাশে ঘূৰি ফুৰিছিলহি। কিন্তু ঝৰ্ণা মোৰ কোলালৈ অহাৰ পিছৰে পৰা মই যেন নতুন জনম এটা পালো। তাইক বুকুত সাৱটি মই যেন এসাগৰ প্ৰাপ্তিৰ মাজত সাঁতুৰি-নাদুৰি থাকিলো। ধোঁৱা হৈ সময়বোৰ চকুৰ আগেৰে পাৰ হৈ যোৱা মই নেদেখিছিলো। কেতিয়াৰ পৰা আশীষ মোৰ মনলৈ নহা হ'ল, কেতিয়াৰ পৰা তাক মনত পেলাই মই অনুপৰ আগত দুখ নকৰা হ'লো মোৰ নিজৰেই চোন মনত নাই। এৰা, আশীষ সঁচাকৈয়ে মোৰ বাবে অতীত হৈ গ'লগৈ।

বুকুত মোৰ চেতাঁৰৰ ঘন সুৰ এটা বাজিছে। সুৰটোৱে মোক পিছলৈকে টানি টানি লৈ গৈছে। আন্ধাৰৰ মাজতো মই যেন কিবা খেপিয়াইছো। ভুলতে এৰি থৈ যোৱা বস্তু এপদ সাদৰেৰে নিবলৈ আহিছো যেন। কি বিচাৰি আহিছো মই? কি কি? নিজক নহয়তো? নিজৰ সত্বাক?

শৰতৰ শেৱালিৰ সুগন্ধিৰ দৰে মিঠা আবেশ এটাই মোক আৱৰি ৰখা হ'ল। অনুপক অন্তঃকৰণেৰে শুশ্ৰূষা কৰিও বিনাদ্বিধাই আশীষক মনলৈ আনিব পৰা হ'লো। কিহৰ বাবে এই আকুলতা হৃদয়ৰ? আৰুনো কি ৰং বাকী আছে জীৱনত? যাঃ। জাৰি-জোকাৰি পেলাই দিলো মনৰ সমস্ত দুৰ্ভাৱনা। সমস্ত জড়তা। এতিয়া হৃদয়ত মাথোঁ মোৰ ভালপোৱাৰ আলোড়ন। সকলোকে ভাল পাওঁ মই। আনকি বাসৱীৰ প্ৰতিও মোৰ মন সুকোমল অনুভূতিৰে আন্দোলিত। অনুপকো মোৰ স্বামী বুলি, মোৰ সন্তানৰ পিতৃ বুলি ক্ষমা কৰিব পাৰিছোঁ। কিন্তু সেইজন অনুপক মই অন্তৰৰ পৰা চিৰদিনলৈ উলিয়াই দিলো যি মোৰ বন্ধু হ'ম বুলি কথা দিছিল। মোৰ ভঙা-চিঙা মনটোক আদৰ কৰিছিল।

অনুপৰ স্বাস্থ্যৰ সকলো জটিলতা কমি আহিছিল। তথাপিতো মই ডাক্তৰৰ নিৰ্দেশ মানি চলিছিলোঁ। অহৰহ তেওঁৰ ছাঁ হৈ ৰৈছিলোঁ। এনেতে ঝৰ্ণাই আমালৈ বহু আকাংক্ষিত প্ৰাপ্তিৰ বাতৰিটো আনিছিল। এৰা, মই আইতা হ'লোহি। ঝৰ্ণা আৰু অভিৰ কণমান গোঁসাই কৃষ্ণটোক শুভাশীষ দিবলৈ বাসৱীক মই নিজেই ফোন কৰি নিমন্ত্ৰণ জনাইছিলোঁ। একাকীত্বৰ জীৱন কিমান নো সহিব সেই নাৰীয়ে? কিমান নো সহিব নোপোৱাৰ যন্ত্ৰণা? বন্ধু হিচাপেই আদৰিলোঁ মই বাসৱীক। অনুপৰ অনুমতি নোলোৱাকৈয়ে ঘৰলৈও মাতিলোঁহি তেওঁক। সেই সময়ত কাৰো চকুৰ ভাষা পঢ়াৰ ইচ্ছা মোৰ নাছিল। না অনুপৰ, না বাসৱীৰ। মই মাথোঁ সুখী হ'ব বিচাৰিছিলোঁ।

হাতৰ মুঠিৰ এমুঠন সুখ বিলাববলৈ বিচাৰিছিলোঁ। অৱগুণ্ঠন আঁতৰাই নতুন জীৱনটোক প্ৰাণভৰি উপভোগ কৰিবলৈ বিচাৰিছিলোঁ। জাগতিক পৃথিৱীৰ সুখ-সমৃদ্ধি নেওচি মই হৈ পৰিছিলো অন্য এক পৃথিৱীৰ পূজাৰী। য'ত নাই অকণো কৃত্ৰিমতা, পোৱা-নোপোৱাৰ কুৎসিত যুঁজ, কিঞ্চিত কলুষতা। এৰা, পৱিত্ৰ প্ৰেমৰ সেই সুবিশাল জগতখনতেই বিচৰণ কৰো মই। য'ত অনুভৱ কৰো আশীষৰ উপস্থিতি। সি কোৱাৰ দৰে সকলো বিলাসিতা ত্যাগ কৰি মাথোঁ মানুহ হৈ জীয়াই থাকিব খোজো মই। পুৱতি নিশা দূৰণিৰ পৰা ভাঁহি অহা আজানৰ সুৰে মোক শান্ত কৰি তোলে। বাহিৰলৈ ওলাই আহি দোকমোকালিৰ সেই নিচা ভগা ক্ষণতে উপলব্ধি কৰো পৃথিৱীৰ ৰহস্য। পৃথিৱীৰ বুকুত সঞ্চিত অন্তহীন সৌন্দৰ্য।

মানুহৰ জীৱনৰ গতি স্থবিৰ হ'ব পাৰে।কিন্তু স্তব্ধ নহয়। জীৱনৰ সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কাৰণো মানুহ নিজেই। মানুহ নিজেই নিজৰ কাৰণে পৰম শক্তিৰ ভঁৰাল। এই কথা উপলব্ধি কৰাৰ সৌভাগ্য বহুতৰেই নহয়। আৰু হ'লেও বহুত দেৰি হৈ যায়। ময়ো বহু দেৰিকৈ উপলব্ধি কৰিলো সেই সত্য। তাৰ বলতেই হওক নিজৰ শক্তি চিনিলোঁ। অন্তৰ্দৃষ্টিৰে জীৱন জুখিলোঁ। তেনেস্থলত মই সুখী নহৈ পাৰোঁনে ?

আবিৰৰ কলকলনিয়ে মোৰ চিন্তাত যতি পেলায়। এই মুহূৰ্তত তাক একোলা ল'বলৈকে মই উচপিচ কৰোঁ। অনুভৱ কৰোঁ, এতিয়াও শেষ হোৱাগৈ নাই। শেষৰ আৰম্ভণিহে এয়া....। হয়তো প্ৰত্যুষৰ কেঁচা ৰ'দে কলপাতত বহাৰ সময় এয়া..। আৰু সেই সময়তেই মোৰ প্ৰতিটো নিশ্বাসে আঁকি যায় সম্ভাৱনাৰ একোটা একোটা সূত্ৰ....

উপসংহাৰ ঃ

সুখ জুপিতৰাৰ জীৱনৰ আধাৰশিলা নহয়। নাঃ। প্ৰাপ্তিও নহয়। মানসিক প্ৰশান্তিয়েহে দি থৈ যায় তেওঁক অনাবিল উৎসৱমুখৰতাৰ উৎস। অনুপৰ দুনয়ন জুপিতৰাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। অথচ বাসৱীৰ সৈতে ভাৰ্চুৱেল জগতখনত সম্পৰ্ক ৰক্ষা কৰিবলৈ জুপিতৰাই নিজেই তেওঁক সম্পূৰ্ণ সচেতনতাৰে অনুমতি দিছেহি । সংসাৰৰ সমস্ত দায়িত্ব পালন কৰি যিখিনি সময় পায়, জুপিতৰাই অনুপৰ কাষতেই বহি ৰয়হি। অৱশ্যে ঘৰুৱা কথাৰ বাদে অন্য বিষয় সেই মেলত আজি-কালি আহি নপৰে। আশীষৰ মুখনি মনত পেলোৱাৰ চেষ্টা কৰে জুপিতৰাই। নৈতিকতাৰ খাটিৰত তাৰ যে এখন ফটোও ৰখা নহ'ল। তাৰ দীৰ্ঘদেহ,প্ৰজ্ঞাৰে ওপচা সুগভীৰ দুচকু আৰু মস্ত ডাঙৰ সেই নাকটো। ল'ৰালিৰ অভ্যাসটোলৈ মনত পৰি যায় জুপিতৰাৰ। হাতৰ মুঠিতো নিজে নিজেই খোল খায়। হাতত পেঞ্চিল লৈ তাক আঁকিবলৈ চেষ্টা কৰে । এটা সময়ত আশীষ এখন চিত্ৰ হৈ পৰে। আনে চিনিব নোঁৱাৰিলেও জুপিতৰাই ধৰিব পৰা এখনি ছবি হৈ পৰে আশীষ। এখনি নৈ হৈ পৰে আশীষ। সুঁতি সলাই সলায়ো ভাগৰি নপৰা একমাত্ৰ লক্ষ্য অভিমুখী গতিশীল নৈৰ দৰে জলময় হৈ পৰে যেন আশীষ।

ক্ষোভ-অভিমান, পোৱা-নোপোৱাৰ লেখ-জোখৰ মাজতেই অনুপৰ শুভ জন্মদিন আহে। প্ৰতিবাৰেই এভাগ শৰাই আগবঢ়াই জুপিতৰাই অনুপৰ জন্মদিন পালন কৰাৰ বিপৰীতে অনুপ আৰু ঝৰ্ণাই নিৰ্দিষ্ট বন্ধুবোৰক ঘৰলৈ মাতি ৰমকজমককৈ পাৰ্টি কৰে। এইবাৰো জুপিতৰাই মন্দিৰত শৰাই আগবঢ়ায়। বাসৱীক ফোন কৰি অনুপৰ জন্মদিনলৈ নিমন্ত্ৰণ জনায়। বাসৱীয়ে

আহিবলৈ সংকোচ কৰে। অনুপ-জুপিতৰাৰ সংসাৰৰ পৰা বহু দূৰত্বত অৱস্থান কৰিবলৈ বিচাৰে বুলি বাসৱীয়ে জুপিতৰাক স্পষ্টকৈ বুজাই দিয়ে। জুপিতৰাই হাঁহে। ভাললগা-ভালপোৱাৰ মাজত দূৰত্ব হেঙাৰ নহয় বুলি বাসৱীয়ে এতিয়াও সঁচাকৈয়ে উপলব্ধি কৰা নাইনে? তথাপি সময়মতেই বাসৱী আহে। অনুপ-ঝৰ্ণাৰ পাৰ্টি এইবাৰলৈ কেনচেল হয়। চাহমেলৰ মাজতেই ঝৰ্ণাই দেউতাকৰ সলনি মাকলৈ এখনি মজলীয়া আকৃতিৰ ফটো ফ্ৰেম আগবঢ়াই দিয়ে। ছাইবৰণীয়া ফ্ৰেমটোৰ মাজভাগ পাতল নেট এখনেৰে ঢাক খাই থাকে। জুপিতৰাই আচৰিত হৈ লওঁ- নলওকৈ ফটো ফ্ৰেমখন হাত পাতি লয়। নেটৰ পাতল আৱৰণ গুচাই জুপিতৰা স্তব্ধ হৈ পৰে। নিথৰ দুচকুৰে ঝৰ্ণালৈ চায়। ঝৰ্ণাই মাকৰ কাষলৈ আহি কয়- " কিয় তেনেকৈ চাইছা মা? পাপাই কৈছিল, মোক যদি জন্মদিনৰ উপহাৰ দিব খোজা , তেন্তে জুপিৰ হাঁহিটো ওভতাই দিয়া। তেওঁৰ হাঁহি অবিহনে মোৰ জীৱন নিশ্চল। আৰু তেতিয়াই পাপাই মোৰ হাতত তুলি দিছিলহি তুমি অঁকা এই চিত্ৰখন। এয়া হেনো তোমাৰ প্ৰিয়বন্ধু মা?" জুপিতৰাৰ দুচকুৰ জলমলাই থকা দুটোপাল অশ্ৰু সৰি পৰেহি চিত্ৰখনৰ তলত সেউজীয়া আখৰেৰে লিখা থকা "প্ৰিয়বন্ধু" ত। তাইৰ নিজ আঙুলিৰে অংকন কৰা আশীষৰ চিন-নিচিন চিত্ৰখনৰ তলত অনুপৰ হাতৰ আখৰেৰে লিখা "প্ৰিয়বন্ধু"ত দৃষ্টি নিবদ্ধ হৈ ৰয় জুপিতৰাৰ। এৰা, প্ৰিয়বন্ধুতকৈ উৎকৃষ্ট কি নামকৰণ হ'ব পাৰে সিহঁতৰ সম্পৰ্কৰ? বাসৱীয়ে নিজৰ সম্ভ্ৰম ৰক্ষা কৰি বিষয়টোৰ ভিতৰলৈ সোমাবলৈ নিবিচাৰে। জুপিতৰাই চাও-নাচাওকৈ অনুপলৈ চায়। কিমান দিন যে চোৱা নাই অনুপৰ দুচকুলৈ? এয়া কি? উঁৱলি যোৱা আধৰুৱা সপোনটোৱে চোন অনুপৰ দুচকুতেই ঘৰ সাজি বহিছেহি। আত্মবিভোৰ হৈ আত্মবিস্মৰণত মগ্ন হয় জুপিতৰা। জালিকটা অনুভৱে হিয়ালি -জিয়ালিকৈ কান্দিব খুজিও কিয় জানো নীৰৱে থমকি ৰ'লহি। যেন সঞ্জীৱনী বতাহ এজাকে জুপিতৰাক চুই গ'লহি। অনুপে চিত্ৰখন আলফুলে বেৰত আঁৰি দিলেগৈ। নিস্পৃহ প্ৰাণেৰে জুপিতৰাই অনুপ আৰু "প্ৰিয়বন্ধু"লৈ একেথৰে চাই ৰ'ল.....

মোৰ বাবে অৰ্দ্ধ আকাশ হৈছে প্ৰেৰণা,সাহস আৰু শক্তি।
মোৰ জীৱনৰ সুখ-দুখ,ঘাত-প্ৰতিঘাত,হাঁহি-কান্দোন আৰু অভিজ্ঞতাবোৰৰ সৈতে
অৰ্দ্ধ আকাশ একাত্ম হৈ পৰিছে।

।।

—মুনমী বুঢ়াগোহাঁই চেতিয়া —

# পৰিচয়

**অনুৰাধা গগৈ**

পৰিচয় বিচাৰি হাঁহাকাৰ কৰি ফুৰা সেই সময় খিনি!! আশ্রয় বিচাৰি নিজ জন্ম হোৱা ঘৰখনৰ পৰা সঁহাৰি নোপোৱা সেই ক্ষণবোৰ!!

আজি আকৌ মনত পৰিছে মোৰ । পাহৰিম বুলিও যিবোৰ পাহৰিব নোৱাৰোঁ মই , যদিও বহু ক্ষেত্রত এই সকলোখিনিৰ পৰা নিজকে আঁতৰায়ে ৰাখিছিলোঁ । হয়তো পাহৰিছিলোঁ ও বহু খিনি মই

কিন্তু ... !!!

আজি মোক আকৌ টানিছে সেইবোৰে বাৰে বাৰে ।

বেয়া লগা নাই চোন আজি মনটো আনদিনাৰ দৰে ।সৌৱা টেবুলত মোৰ বায়'ডাটাৰ ফাইলটো । এম. এ. ফাৰ্ষ্ট ক্লাছ , পি এইছ দি, নেট আৰু শ্লেট পৰীক্ষাৰ চাৰ্টিফিকেটেৰে ভৰ্তি হৈ আছে । মোৰ সম্পত্তি সেইবোৰ নিজে আৰ্জি লোৱা, সগৌৰৱে থিয় দিব পৰাকৈ সকলোৰে আগত।

পুৰণি কথাবোৰে গা কৰি উঠিছে।

বিয়া হৈ যোৱা ঘৰখনেই নিজৰ ঘৰ বুলি নতশিৰে মানি লৈ শাহুৰ অত্যাচাৰে চৰম পৰ্যায় পোৱাৰ দিনাই মোক উলিয়াই আনিছিল সেইজন মানুহে। যিজন মানুহক মই হোমৰ গুৰিত অগ্নিক সাক্ষী কৰি সুখে দুখে জীৱনৰ লগৰী বুলি মানি লৈছিলোঁ ।

দেউতা নোহোৱা ঘৰখনত মোক বিয়া দি উলিয়াই দিয়াটোৱেই মাৰ বাবে বহুত ডাঙৰ কথা আছিল । দাদাৰ চাকৰিটোয়ে তাৰ নিজৰ সংসাৰখনেই চাব নে মোক পঢ়া শুনাৰ দায়িত্ব ল'ব ?

পঢ়াত বেয়া নাছিলোঁ মই । আৰু দেখাত ??

আইনাখনত মুখখন চোৱাই নাছিলোঁ নহয় ভালকৈ কেইবা বছৰ, মাথোঁ চুলিকেইডাল ফনিয়াই যাব লাগে বাবেহে গৈছিলোঁ।

শিৰৰ সেন্দূৰখিনি যি আগ্রহেৰে এগৰাকী বিবাহিতা নাৰীয়ে লৈছিল মোৰ কিন্তু হাত কঁপিছিল সেয়া ল'বলৈ!!

তথাপিও এক সন্দেহৰ ভাৱেৰে ল'বলৈ আৰম্ভণি কৰিছিলোঁ মই সেই সেন্দূৰখিনি । হয়তো অস্পষ্ট আছিল বা কপালৰ চুলিতাৰিৰে ঢাকি ৰাখিছিল কিন্তু মই লৈছিলোঁ সেন্দূৰকণ।

প্রায় আঠোটা বছৰ পাৰ কৰিলোঁ হোষ্টেলত। কাইলৈ বিদায় ল'ম মোৰ এই হোষ্টেলৰপৰা। বুকুখন মোচৰ খাই আহিছে বৰকৈ আজি। হোষ্টেলৰ কোঠাটো এৰি যোৱাৰ দুখত নে ? আৰু বন্ধু বান্ধৱী? কিমাননো মোৰ আপোন আছিল সেয়া ৰিক্তৰ শাৰীতে পৰিব। মুগা লেটাৰ খোলাত সোমোৱাৰ দৰেই সুমুৱাই ৰাখিছিলোঁ নিজকে।

“এইক বিয়া দি উলিয়াই দিয়াৰ পাছত এনেকৈ ঘূৰি আহিছে যে মা? এই তিনি মাহতে তাইৰ কি ইমান অসুবিধা হ'ল যে আৰু তালৈ তাই নাযায়?”

দাদাৰ কথা কেইষাৰে কৰ্ণ কোঁহৰত সেলে বিন্ধাদি বিন্ধিলে মোৰ। চকুপানীৰে বাট নেদেখা হৈছিলোঁ নিজ জন্ম লোৱা ঘৰখনত এইবোৰ কথা শুনিবলৈ পাম ভবাই নাছিলোঁ। মাৰ মুখৰ মাত নাছিল, তলমূৰ কৰি ৰৈছিল মই মাৰ চকুলৈ বৰকৈ চাইছিলোঁ অলপ সাহস বিচাৰি আশ্রয় বিচাৰি।

কিন্তু মা চোন উঠি গুচি গৈছিল মোৰ কাষৰ পৰা। মই ভৰিৰ তলত মাটি বিচাৰি পাইছিলোঁ নাই মূৰৰ ওপৰত আকাশখন, কোনোবাই যেন এচাৰ মাৰি দলিয়াই দিছিল মোক।

পাছদিনাখন মোক নিবলৈ শাহু আহিছিল লগত সমন্ধীয় ভতিজাক এজনক লৈ। হোমৰ গুৰিত অগ্নিক সাক্ষী কৰি

স্বামীবৰণ কৰা সেইজন পুৰুষ অহা নাছিল।

ঃ “ আমি বৰ লাজ পাইছোঁ তাই এনেকৈ গুচি অহাত । আপোনালোকে বেয়া পাই নাথাকিব তাই আৰু কাহানিও গুচি নাহে এনেকৈ। বুজাই বঢ়াই ল'ব তাইক আমিও বুজাইছোঁ তাইক।”

বৌয়ে বৰ সহজভাৱেৰে কৈ পেলাইছিল মোৰ শাহুৰ আগত কথাবোৰ । কিন্তু যোৱা দুদিনে মোক বৌয়ে মাত এষাৰ নিদিলে এবাৰো, এবাৰো নুসুধিলে কিয় আহিব লগীয়া হ'ল বুলি।

মাৰ উপায় নাছিল কিজানি অলপো। নাজানোঁ কিদৰে মায়ে মোক আকৌ সেই শাহুৰ লগত পঠিয়াই দিছিল ? বুজিছিলোঁ মা অসহায় আছিল, তথাপিও এবাৰ গা নকপিঁল নে মাৰ!!

কৈছিলোঁ মই মাক মোৰ লগত কিমান বিশ্বাসঘাটকতা হ'ল। হয়তো দাদাই ও জানিছিল লগতে বৌয়েও কিন্তু বিয়া দি মোক আচলতে দায়িত্ব শেষ কৰিছিল তেওঁলোকে।

গুচি আহিছিলোঁ মই শাহুৰ লগত । ভয় শংকাৰে মোক থকাহৰকা কৰিছিল, গোটেই বাট এষাৰ মাত নাছিল আমাৰ কাৰোৰে । ঘৰ সোমায়ে শাহুৰ শহুৰ ৰঙা চকুৰ আগত মই তাপ মাৰিছিলোঁ । উশাহ বন্ধ হৈ পৰিছিল মোৰ । আৰু তাৰপাছৰ পৰাই মোক বন্দী কৰি পেলাইছিল শাহুয়ে । বাহিৰৰ জগতখনৰ পৰা মোক বিছিন্ন কৰি পেলাইছিল তেওঁলোকে ।

আত্মহত্যাৰ পথ বাছি ল'বলৈ ভাবিব পৰা নাছিলোঁ মই কাৰণ মোৰ দৰে সেইখন ঘৰত আৰু এজনে মানসিক যন্ত্ৰণাত ভুগিছিল। একো নুবুজাৰ মাজতো কিবা এটা বুজিছিলোঁ মই তেওঁক কিন্তু মোৰ নো ভুল ক'ত আছিল সেইখিনি যে জীয়া যাতনা পাইছিলোঁ মই!

তেওঁক প্ৰশ্ন কৰিছিলোঁ মই কিয় মোৰ জীৱনটো ধ্বংস কৰিবলৈ এবাৰো নাভাবিলে কিয় মিছাৰ আশ্ৰয় লৈ মোক ঠগিলে।

নাছিল উত্তৰ তেওঁৰ!! মোৰ পৰা এক ভয়ানক দূৰত্ব বজাই তেওঁ আঁতৰি ফুৰিছিল।

বিয়াৰ প্ৰথম নিশা তেওঁ মোৰ উৰণি দাঙি চোৱা নাছিল, একেখন বিছনাত তেওঁ শুব লাগে বুলিয়েই কিজানি ৰাতি দেৰিলৈকে টিভিৰ সন্মুখত বহিছিল। মই বৈ বৈ ভাগৰি পৰিছিলোঁ আৰু শুই পৰিছিলোঁ । প্ৰথম কেইদিনমান মোৰো লাজৰ উৰণি আঁতৰা নাছিল কিন্তু সেইবুলিয়েই এজন পুৰুষ নিজ পত্নীৰ পৰা আঁতৰি থাকিব পাৰে জানো!! সম্ভৱনে ?

সন্দেহ ভয় সকলোয়ে মোক সেই কেইদিন জুমুৰি দি ধৰিছিল তাতে আকৌ ন কইনা বুলি বহুত খিনিয়েই দায়িত্ব আছিল। সকলো সন্দেহৰ ওৰ পেলাই এদিন মোৰ উপৰ্যুপৰি প্ৰশ্নত ক্ষত বিক্ষত হৈ তেওঁ মোক জনাই দিছিল অপ্ৰাকৃতিক সেই সত্যটো। এজন বিশেষ ল'ৰা বন্ধুৰ লগত হে তেওঁ ঘনিষ্ঠ, মোৰ বা অন্য কোনো নাৰী লগত তেওঁ ঘনিষ্ঠ হ'ব নোৱাৰে ..!!!

চিঞৰিবলৈ মোৰ শক্তি নাছিল, মূক হৈ পৰিছিলো মই সেইদিনা । আৰু তাৰপাছতে মই মাৰ ঘৰলৈ গুচি আহিছিলোঁ , ভাবিছিলোঁ একেবাৰে গুছি আহিম আৰু আকৌ জীৱনটো আৰম্ভণি কৰিম । ভাবিছিলোঁ মায়ে আঁকোৱালি ল'ব, দাদাই বুজিব, কিন্তু নাই মই ভবাৰ দৰে একো নহ'ল।

পিতৃ মাতৃৰ ভিন্ন ৰূপ মোৰ চকুত ধৰা দিছিল সেইদিনা । নিজ মাতৃৰ অসহায় চাৱনি আৰু মোৰ স্বামী নামৰ মানুহ জনৰ সেই দানৱতকৈও নীচ মনৰ পিতৃ মাতৃৰ সৈতে মই মুখামুখি হৈছিলোঁ।

ৰাতিপুৱাৰ পৰাই শাহুৰ খঙাল চকু হালে মোক পুৰি পেলাইছিল । তেওঁৰ কোপদৃষ্টি তেওঁৰ পুত্ৰৰ ওপৰতো আছিল । দুৱাৰ বন্ধ কৰি তেওঁৰ ওপৰত যে মানসিক আতিশয্য চলাইছিল মই নজনাকৈ থকা নাছিলোঁ সেইয়া।

খণ্ড বাক্যবোৰ উফৰি মোৰ কাণত পৰিছিলহি। বাক্যবোৰ যুতাই ল'বলৈ মই চেষ্টা নকৰাকৈ থকা নাছিলোঁ

“এবাৰ চেষ্টা কৰিলে কিয় নহ'ব?? আৰু যদি এবাৰ এটা সন্তান হৈ যায় সমাজৰ আগতো কোনো প্ৰশ্ন নাথাকিব।” সেইয়াই আছিল শাহুৰ বুজনি, বুজনি নহয় আচলতে ভাবুকি।

তেওঁ এক আস্ফালন কৰি ওলাই গুচি গৈছিল সেইদিনা। ৰাতি অহা নাছিল তেওঁ । মই ও ফোন কৰিব লাগে বুলি ভবা নাছিলোঁ। পাকঘৰত জুই জ্বলা নাছিল, ভোকে দুখে লেবেজান হৈ পৰিছিলোঁ মই।

ঃ “ আহা ভাত খাই লোৱা হি।

দুৱাৰ মুখত শাহুৰ মাতষাৰ শুনি আচৰিত হৈছিলোঁ মই । তেওঁৰ তেনে কোমল মাত মই পোৱা নাছিলোঁ কাহানিও ।

দ্বিতীয় দিনা গধূলিৰ ভাতসাজ সোনকালেই সাজু কৰিছিল শাহুয়ে । ভাতৰ টেবুলত আলহীক দেখিছিলোঁ শাহুৰ সেই সম্পৰ্কীয় সেই ভতিজাকজনক, হয়তো আলহী আহিছিল বাবেই শাহুৰ তেনে ভাল ব্যৱহাৰ পাইছিলোঁ সেইদিনা । ভাত খাই আজৰি হৈ ৰূমলৈ আহিছিলোঁ , নিজ অন্ধকাৰ ভৱিষ্যতটোৰ লগতে স্বামীৰ চিন্তাও মনলৈ আহিছিল । দুদিন ধৰি ক'ত আছেগৈ বুলি । ফোন কৰি খবৰ ল'ব লাগে বুলি অনুভৱ কৰিছিলোঁ কিন্তু পাছ মুহূৰ্ততে কিবা এটাই মোক বাধা দিছিল বুজা নাছিলোঁ । নক'লেও হ'ব হয়তো চকুপানী মোৰ একমাত্ৰ লগৰী হৈ পৰিছিল ।

টোপনি আহিছিল মোৰ , ৰূমৰ দুৱাৰ খুলিয়েই ৰাখিছিলোঁ, হাজাৰ হ'লেও স্বামী আহিলে মোৰ ৰূমটোলৈয়ে আহিব ।

ৰাতি মোৰ গাৰ ওপৰত এক ভৰ অনুভৱ কৰিছিলোঁ । কিবা এটা বুজি পোৱাৰ আগতেই মোৰ গাৰ কাপোৰ টানি আজুৰি খুলিবলৈ চেষ্টা কৰিছিল দুখন হাতেৰে। স্বামী বুলি ভাবিবলৈ মনটোৱে কোৱা নাছিল, কিবা এক বিপদৰ আগজাননী পাই মই চিঞৰিবলৈ উদ্যত হওঁতেই মোৰ মুখত সোপা দি কাণৰ কাষত কৈছিল এক চিনা চিনা কণ্ঠই

ঃ " চিঞৰি লাভ নাই বৌ, মোক বৰমায়েই পঠিয়াইছে। দাদাটো নায়েই আৰু থাকিও নো কি লাভ হ'ব ? বছ মোৰ লগত তুমি মান্তি হৈ যোৱা এনেকৈ।

মৃত্যুতকৈও ভয়ানক আছিল সেই কথাকেইযাৰ। অচেতন হৈ যে নপৰিলোঁ মই সেইদিনা, গাৰ জোৰেৰে ঠেলি নখৰ দাগ বহুৱাই মই বাহিৰৰ দুৱাৰৰ ফালে ঢপলিয়াই গৈছিলোঁ, আন্ধাৰৰ মাজত কিবা কৈ দুৱাৰখন খুলি ৰাস্তাৰ দিশে মাথোঁ দৌৰিছিলোঁ মাথোঁ দৌৰিছিলোঁ। গাত কাপোৰৰ অৱশিষ্ট কিমান আছিল নভবাকৈয়ে দৌৰিছিলোঁ, পাছফালৰ পৰা কাৰোবাৰ মাত আহিছিল হয়তো কিন্ত নাই মই দৌৰিছিলোঁ।

এখন গাড়ীৰ লাইটৰ পোহৰে মোৰ চকু চাট মাৰি ধৰিছিল। সহায় বিচাৰি মই গাড়ীখনৰ আগত পৰি দিছিলোঁ , সজোৰে ব্ৰেক মাৰি গাড়ীখন ৰৈ গৈছিল আৰু নামি আহিছিল গাড়ীৰ পৰা মানুহ এজন।

সেইয়া আন কোনো নাছিল তেওঁ মোৰ স্বামী আছিল।

মোক দেখা পাই উধাতু খাইছিল তেওঁ, নহ'ব পাৰে

এজন স্বাভাৱিক পুৰুষ কিন্তু তেওঁৰ ওচৰতো এখন হৃদয় নথকা নহয়, বুজিছিলোঁ মই সেইদিনাও তেওঁক । মোক দাঙি উঠাই গাড়ীত বহুৱাই দিছিল । মই কান্দিছিলোঁ, উশাহ ল'ব পৰা নাছিলোঁ, কথাখিনিও মোৰ স্পষ্ট হোৱা নাছিল । মই একো চিন্তা নকৰি তেওঁৰ বুকুত সজোৰে সোমাই দিছিলোঁ, মোৰ জীৱনৰ ভিক্ষা খুজিছিলোঁ তেওঁক । ... ... ... ...

হয়তো সেইয়াই আছিল তেওঁৰ বুকুত সোমোৱাৰ প্ৰথমদিন। আৰু আজিলৈকে এই আঠটা বছৰ হৈ গ'ল মই মোৰ স্বামীৰ বুকুত কেইবাৰ সোমাইছোঁ আঙুলিৰ মূৰত গণিব পৰা।

লাহে লাহে মই কথাখিনি কৈছিলোঁ তেওঁক কান্দি কান্দি, সেইদিনা মোৰ কথাবোৰ তেওঁ শুনিছিল আৰু চুলিত হাত ফুৰাই দিছিল। নাজানো কি ভাবিছিল তেওঁ।

সঁচাই বৰ শান্ত প্ৰকৃতিৰ আছিল তেওঁ যিটো গুণ দেখিয়েই তেওঁৰ লগত মই বিয়াত বহিছিলোঁ ।

গাড়ীয়ে গতি কৰিছিল ঘৰৰ দিশেৰে। মই কম্পিত হৈ উঠিছিলোঁ পুনৰ। তেওঁক কৈছিলোঁ মোক তালৈ আৰু নিনিব বুলি কিন্তু তেওঁ জোৰকৈ মোৰ হাতত ধৰি ঘৰৰ ভিতৰলৈ লৈ গৈছিল। মই কি হ'বলৈ গৈ আছিল একোৰে উৱাদিহ পোৱা নাছিলোঁ ।

শাহু আৰু সেই ভতিজাকজন ড্ৰয়িং ৰূমত বহি আছিল। শাহুৰ চকুৰে অগ্নি বৰষিছিল সেইদিনা

ঃ " ঘৰৰ ল'ৰা ঘৰত থাকিবি । এইজনীয়ে তই নথকাত এই আলহী লৰাটোক ফুচুলাইছিল। মই আজি নথকা হ'লে কি হ'লহেতেনঁ ...

মই সেয়া শুনি সেইজনী মানুহৰ ভৰিত পৰি দিছিলোঁ সেইদিনা, মোক নিঃশেষ কৰিবলৈ যি অলপো খুঁত নাৰাখিছিল। কাবৌ কৰিছিলোঁ তেওঁক মোক জীয়াই থাকিবলৈ দিবলৈ ,মোৰ প্ৰাণ ভিক্ষা মাগিছিলোঁ । পকাত পৰি আউলি বাউলি হৈ কান্দিছিলোঁ।

তেনেতে দুবাহুত দুখন হাতৰ পৰশ পৰিছিল, মোৰ স্বামীয়ে মোক উঠাই লৈ আহিছিল মোৰ ৰূমলৈ।

কাপোৰ বান্ধি ল'বলৈ তেওঁ মোক কৈছিল। মই সেইযাৰ কথাই যেন শুনিবলৈ বিচাৰি আছিলোঁ। লৰালৰিকৈ যি পাৰো

সুমুৰাই লৈছিলোঁ বেগত। ৰাতিপুৱাবলৈ তেতিয়াও বহুত সময় আছিল। এক অজান আশংকাত মই বহি পৰিছিলোঁ পকাতে।

ঃ "শুই যোৱা তুমি। মাতষাৰ কোমল আছিল যদিও চিন্তাৰে যে ভাৰাক্ৰান্ত সহজেই অনুমেয় আছিল ।

মই কিন্তু শুবলৈ সাহস কৰা নাছিলোঁ। ক'ৰপৰা কি হৈ গৈছিল জীৱনটো !!

বহিয়েই আছিলোঁ মই, তেওঁ আৰু মোক একো কোৱা নাছিল। পাছনিশালৈ মোৰ হয়তো টোপনি আহিছিল কাৰণ ৰাতিপুৱা মই নিজকে বিছনাত আবিষ্কাৰ কৰিছিলোঁ । তেওঁ ৰুমত নাছিল আৰু উচপ খোৱাৰ দৰে উঠি মই বিছনাত বহি লৈছিলোঁ। ঘামিবলৈ লৈছিলোঁ মই , আগদিনাৰ ঘটনাবোৰ ক্ৰমান্বয়ে মোৰ চকুৰ আগত ভাঁহি আহিছিল লেঠাৰি নিছিগাকৈ।

আগপাছ নুগুণি মই ভাল কাপোৰ এসাজ পিন্ধি লৈছিলোঁ লৰালৰিকৈ।

স্বামীৰ পাছে পাছে সেইদিনাই যি সেইখন ঘৰ এৰি আহিছিলোঁ আৰু দুনাই তালৈ যোৱা নাই। মনত আছে সকলো মোৰ জলজল পতপতকৈ।

স্বামীয়ে মানৱীয়তাৰ দায়িত্ব পালন কৰিছিল হয়তো নিজৰ পাপৰ প্ৰায়শ্চিত কৰিব বিচাৰিছিল এনেদৰে এজনী নিৰ্দোষী ছোৱালীৰ জীৱনটোক ধ্বংস কৰি লৈ।

কিন্তু দোষ তেওঁৰ নাছিল, মই বুজিছিলোঁ তেওঁক সেইদিনা, অকল সেইদিনাই নে সদায়েই মই তেওঁক বুজিছিলোঁ দেখোন।

গাড়ীখন মোৰ মাৰ ঘৰৰ পদূলিত ৰৈছিল। পুনৰবাৰ মই মোৰ জীৱনৰ নিৰপত্তাহীনতাত ভুগিছিলোঁ কাৰণ জানিছিলোঁ মোক সেইখন ঘৰত দাদা বৌয়ে বোজা বুলি ধৰিছিল। মই কিবা কোৱাৰ আগতেই স্বামীয়ে কৈছিল। দুদিনমান থাকা আৰু তোমাৰ চাৰ্টিফিকেট খিনি মোক দিয়া।

গাড়ী খন যোৱা দেখি মোৰ মা আগবাঢ়ি আহিছিল , কিন্তু মোক দেখি মাৰ মুখৰ ক'লা ডাৱৰ খিনি মই ধৰিব পাৰিছিলোঁ । বুজিছিলোঁ মই সকলো ।

সকলো বুজিছিলোঁ তিনি চাৰিমাহ আগলৈয়ে সেইখন ঘৰত মই মোৰ বুলি যি অধিকাৰত আছিলোঁ বিয়া দি উলিয়াই দিয়াৰ পাছতে সেইখন ঘৰ মোৰ বাবে পৰ হৈ গৈছিল আৰু এনেকুৱা ধৰণে পৰ হৈ ৰৈছিল যে মোৰ জীৱনৰ চৰম বিপদৰ সময়তো মোক ৰাস্তাৰ জেং আঁতৰোৱাৰ দৰে ব্যৱহাৰ কৰিছিল।

মই লৰালৰিকৈ ভিতৰলৈ গৈ চাৰ্টিফিকেট খিনি স্বামীৰ হাতত দিছিলোঁ, সঁচাই বৰ সাহস পাইছিলোঁ সেইদিনা মই। তেওঁ মোৰ মাক কৈ গৈছিল কেইদিনমান পাছতে মোক লৈ যাবহি বুলি আৰু মোৰ হাতত তেওঁ টকা পাঁচ হাজাৰ গুজি দিছিল। তেওঁৰ মুখলৈ সজল চকুৰে চাইছিলোঁ মই, মন গৈছিল তেওঁৰ বুকুত সোমাই চিঞৰি চিঞৰি কান্দিম কিন্তু নোৱাৰিলোঁ মই ।

মোৰ মূৰত হাতখন ফুৰাই তেওঁ আঁতৰি গৈছিল। চাই ৰৈছিলোঁ তেওঁ নেদেখা হোৱালৈ।

বিয়াৰ আগতে তেওঁক মাত্ৰ এবাৰেই লগ পাইছিলোঁ আৰু তেওঁক বুজিবলৈ মই নাপালোঁ, কিন্তু সকলো ছোৱালীৰ দৰে নিজ স্বামীলৈ ভালপোৱা বিশ্বাস লৈয়ে বিয়া হৈ আহিছিলোঁ। সকলো ভাৱনাৰ স্বপ্নভংগ হৈছিল মোৰ যদিও সেইদিনা তেওঁৰ বাহিৰে মোৰ আপোন আৰু কোনোৱেই নাছিল।

মাৰ ঘৰত যে সেই কেইদিনমান আছিলোঁ দাদা বৌ মোৰপৰা সম্পূৰ্ণ বিপৰীত মেৰুত বসবাস কৰিছিল। ভাবিছিলোঁ মনতে কেনেকৈ যে এইখন ঘৰৰ পৰাও ওলাই যাওঁ। মনটো অস্থিৰ হৈ থকা সময়তে এদিন আবেলি তেওঁ আহিছিল, সঁচা কিমান যে আকাংক্ষিত আছিল তেওঁৰ আগমণ মোৰ বাবে।

কি খবৰ আনিছিল তেওঁ সেইয়া মোৰ বাবে জৰুৰী আছিল নে তেওঁ অহাটো জৰুৰী আছিল বুজিবলৈ আজিও খেলিমেলি লাগিছে।

ঃ " কাইলৈ যাবলৈ সাজু হোৱা ,সকলো ব্যৱস্থা মই কৰি দিলোঁ। ভাগ্য ভাল তোমাৰ জানা নে চিট এটা খালি আছিল , দুমাহ দেৰিকৈ হ'লেও যে এডমিচন দিলে।

ঃ " মোৰ ভাগ্য? মই তেওঁৰ চকুলৈ চাইছিলোঁ প্ৰশ্নটোৰ সৈতে

তেওঁ চকু তল কৰি পেলাইছিল।

কিন্তু হয়!! মোৰ ভাগ্য ভাল আছিল সেইদিনা।

এটা ব্যক্তিগত হোষ্টেল তেওঁ বন্দোবস্ত কৰি দিছিল তালৈয়ে গৈছিলোঁ পাছদিনা। মা আৰু দাদা বৌক মাত দি গৈছিলোঁ, মায়ে কান্দিছিল সেইদিনা ,মই কিন্তু কান্দিব পৰা নাছিলোঁ, শিল হৈ পৰিছিলো মই লাহে লাহে।

মোক হোষ্টেলত থৈ তেওঁ বিদায় লৈছিল। কৈ গৈছিল কিবা দৰকাৰ হ'লেই ফোন কৰিবলৈ। কেনেধৰণৰ স্বামী ভাগ্যত আছিল বুজিবলৈ বৰ দিগদাৰ হৈছিল সেইদিনা।

দুমাহ দেৰি কৈ মোৰ তাত অলপ অসুবিধা হৈছিল কিন্তু মোক পৰিস্থিতিয়ে এনেদৰে বিহ্বল কৰি থৈছিল মই পঢ়াৰ বাহিৰে আন একোৱে চিনি নোপোৱা হৈ পৰিছিলোঁ। লগৰ এজনী দুজনী ছোৱালীক মতাৰ বাহিৰে সকলোৱে মোক অন্তৰমুখী বুলি ধৰি লৈছিল। আৰু আচৰিত ধৰণে মই প্ৰথম বছৰেই ফাৰ্ষ্ট হৈছিলোঁ যথেষ্ট ভাল নম্বৰ সহকাৰে।

আৰু সেইদিনা সুখী হৈছিল মোৰ লগতে মোৰ স্বামী। তেওঁ আহিছিল সেইদিনা হাতত মিঠাইৰ টোপোলা লৈ। চকুত আনন্দৰ চিন স্পষ্ট আছিল।

অহ আৰু এটা কথা ক'বলৈ থাকিয়েই গৈছিল। মোক হোষ্টেলত থোৱাৰ পাছতে তেওঁও বেলেগকৈ থাকিবলৈ লৈছিল, মাক দেউতাকৰ ঘৰখনৰ পৰা তেওঁও ওলাই আহিছিল। কিয় বুলি মই কাহানিও প্ৰশ্ন নকৰিলোঁ।

মোৰ ৰিজাল্টৰ দিনা তেওঁৰ ভৰি চুই সেৱা কৰিবলৈ বৰ মন আছিল কিন্তু চোৱা নহ'ল। তেওঁ মোক লগত ওলাবলৈ কৈছিল মাৰ ঘৰলৈ যাবলৈ। মই ও উলাইছিলোঁ কিন্তু মাৰ ঘৰলৈ নহয়

ঃ "আপুনি থকা ঘৰলৈ গ'লে বেয়া পাব নিকি?"

বৰ আগ্ৰহেৰে সুধিছিলোঁ মই ৰাস্তাত

গাড়ীৰ ষ্টিয়েৰিংত হাত থৈ এটা শেঁতা হাঁহি মাৰিছিল আৰু মূৰ দুপিয়াইছিল।

ঃ "মই আপোনাক একো দিগদাৰ নিদিওঁ"

একো নভবাকৈ মই কৈ উঠিছিলোঁ। সেইবাৰ তেওঁ অলপ জোৰকৈ হাঁহি দিছিল। প্ৰথমবাৰ কিজানি মই তেওঁৰ হাঁহি দেখিছিলোঁ। ময়ো হাঁহি দিছিলোঁ হঠাতে। আমি দুইজনে কিজানি সেইয়াই হাঁহিছিলোঁ একেলগে। মই তেওঁৰ হাত খনত ধৰি তেওঁৰ কান্ধত মূৰটো পেলাই দিছিলোঁ। তেওঁ মোৰ চুলিত হাত ফুৰাই দিছিল।

সেইয়াই আছিল মোৰ স্বামী।

সৰু দুটা কোঠাৰ লগতে পাকঘৰ আৰু বাথৰুম থকা ঘৰ আছিল, বস্তু বেছি নাছিল কিন্তু নিয়াৰিকৈ ৰাখিছিল তেওঁ। সোমায়েই চোন মোৰ আপোন আপোন লাগিছিল সেইদিনা। নাজানো কিয়!!

এমাহ বন্ধৰ মাজতে মাত্ৰ কেইদিমানৰ বাবেহে মাৰ ওচৰলৈ গৈছিলোঁ । মাক ভালদৰেই সকলো কৈছিলোঁ । দাদা অলপ সহজ হৈছিল কাৰণ মোৰ সকলো দায়িত্ব মোৰ স্বামীয়ে বহন কৰিছিল।

পত্নী আছিলোঁ মই তেওঁৰ, তেওঁৰ প্ৰতি ইমান শ্ৰদ্ধা আছে মোৰ মই বুজাব নোৱাৰোঁ কাকো।

দুয়োজনৰ মাজৰ সম্পৰ্কটো কিজানি ভাল বন্ধুলৈ পৰিৱৰ্তন হৈ গৈ আছিল। নাজানো তেওঁৰ জীৱনত মোৰ কিমান প্ৰয়োজনীয়তা আছিল, কিন্তু এদিন মই তেওঁৰ লগত থাকোঁতেই তেওঁৰ সেই বিশেষ বন্ধু জনৰ লগত চিনাকি হ'বলৈ বিচাৰিছিলোঁ। তেওঁক মই সাহস দিছিলোঁ আশ্বাস দিছিলোঁ।

মোৰ সাহস মোৰ সহযোগ আৰু হয়তো আমাৰ বন্ধুত্বৰ বাবেই সেইয়া সম্ভৱ হৈ উঠিছিল আৰু এদিন আবেলি এটাত সেই বিশেষ বন্ধু জনক মই আপ্যায়ন কৰাৰ সুবিধা পাইছিলোঁ। তেওঁলোক দুজন অপ্ৰস্তুত হৈছিল,

আৰু মই!! ??

আগতেই কৈছোঁ তেওঁক মই সীমাহীন শ্ৰদ্ধা কৰিছিলোঁ, যদি মই কাৰোবাক পুজিছিলোঁ সেয়া তেওঁ আছিল ।

বৰ সহজ ভাৱেৰে তেওঁক স্বীকাৰ কৰি গৈ আছিলোঁ মই । আৰু লাহে লাহে কিজানি তেওঁও মোৰ যত্ন ল'বলৈ আৰম্ভ কৰি দিছিল।

এয়া নহয় যে তেওঁৰ স্বাভাৱিকতা ঘূৰি আহিছিল কিন্তু পি এইছ দি ৰ শেষৰ ফালে গম পাইছিলোঁ যেন তেওঁ ও আঁতৰি আহিছিল সেই বিশেষ বন্ধু জনৰ পৰা । কিয় সোধা নাছিলোঁ মই, কিছুমান ব্যক্তিগত কথা মানুহ এজনৰ একান্তই ব্যক্তিগত সম্পদ হৈ পৰে বুজিছিলোঁ মই।

এম এ ফাইনেল পৰীক্ষাত মোক পাছ পেলাব পৰা কোনো নাছিল আৰু ইউনিভাৰ্চিটিৰ স্কলাৰশ্বিপ লৈ মই পি এইছ দি ত নাম ভৰ্তি কৰিছিলোঁ। সেইবাৰ ব্যক্তিগত হোষ্টেল এৰি ইউনিভাৰ্চিটিৰ হোষ্টেলত প্ৰৱেশ কৰিছিলোঁ। সফলতাই মানুহক সাহসী কৰি তোলে বুজিবলৈ বেছি সময় নালাগিছিল।

তেওঁ আহিছিল সেইদিনাও মোক হোষ্টেলত থ'বলৈ। আনন্দৰ প্ৰবাহ তেওঁৰ মুখমণ্ডলত স্পষ্ট আছিল।

ক্ষিপ্ৰতাৰে মোৰ গৱেষণাৰ কাম আৰম্ভ হৈছিল। আগতকৈও ব্যস্ত হৈ পৰিছিলো মই। আৰু আচৰিত ধৰণেৰে মোৰ বৌ মোৰ প্ৰতি মোলায়েম হৈ পৰিছিল আগতকৈ। মানুহৰ মুখাবোৰ খোল খাইছিল লাহেকৈ। মা কো মই বহুত মুকলি দেখিছিলোঁ।

মাহৰ আৰম্ভণিত মোৰ স্কলাৰশ্বিপৰ পইচা সোমোৱাৰ যদি কেতিয়াবা হেৰফেৰ হৈছিল কিন্তু মোৰ স্বামীয়ে মোক দিয়া সেই হাতখৰচৰ কেতিয়াও হেৰফেৰ হোৱা নাছিল। বাধা দিব খোঁজা নাছিলোঁ মই তেওঁক কিজানি তেওঁৰ স্বাভিমানত আঘাত লাগে!! আৰু মই মাৰ ঘৰ যোৱাৰ সলনি তেওঁৰ ঘৰ যাবলৈ বেছি ভালপাইছিলোঁ, কাৰণ সেইখনেই মোৰ ঘৰ আছিল। তেওঁ ও মোক বাধা দিয়া নাছিল আমি খুব ভাল বন্ধু হৈ পৰিছিলোঁ। হাঁহিছিলোঁ একেলগে, কেতিয়াবা কান্দিছিলোঁও দুয়োজনে!

মোক পঢ়াৰ ক্ষেত্ৰত ইমান সাহস দিছিল তেওঁ হয়তো সেয়া মোৰ নিজ মা দেউতাইও দিব নোৱাৰিলেহেঁতেন কাহানিও।

দুবাৰ চেষ্টা কৰি মই নেট পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিলোঁ , ভাগি পৰিছিলোঁ মই । তিনি নম্বৰবাৰ পৰীক্ষাৰ এমাহ মান আগতে আহি তেওঁ মোক লৈ গৈছিলহি ঘৰলৈ। মোৰ লগত দুভাগ ৰাতিলৈ তেওঁ সাৰে আছিল মোৰ পঢ়াৰ টেবুলত। আৰু সেইবাৰেই মই উত্তীৰ্ণ হৈছিলোঁ। ফলাফল পোৱাৰ দিনা উল্লাহত মই নাচি উঠিছিলোঁ, তেওঁ আহিছিল আকৌ আৰু মই গৈ তেওঁক একো নাভাবি জোৰত সাৱটি লৈছিলোঁ।

মোৰ মনটো লাহে লাহে মুকলি হ'বলৈ আৰম্ভণি কৰিছিল, ভৱিষ্যতৰ পথ একো নাজানিছিলোঁ কিন্তু তেওঁক কাষত পাই মই সাহস পাইছিলোঁ। সেইদিনা তেওঁ মোক এক অনাকাংক্ষিত প্ৰস্তাৱ দিছিল, প্ৰস্তাৱ বুলি ক'লে ভুল হ'ব কিজানি।

ঃ "আৰু ভালকৈ পঢ়া তুমি। সৰু হৈয়ে আছা এতিয়াও আৰু এদিন তুমি আকৌ নিজৰ জীৱনটো আৰম্ভণি কৰিবা নতুনকৈ। মই আগবঢ়াই দিম তোমাক , আৰু অলপো কষ্ট নাপাবা তুমি। বছ নিজৰ ভৰিত নিজে থিয় দিয়া তুমি মই সদায় কাষত থাকিম সেইদিনালৈ।"

মই মূক হৈ পৰিছিলোঁ, জীৱনৰ প্ৰতি মোহ আছিল নে নাই তেতিয়া আজি ক'ব নোৱাৰিম মই। বৰ চাকনৈয়াত সোমাই পৰিছিলোঁ মই । ৰাতি ৰাতি টোপনি নাহিছিল মোৰ ।

হয় আন দহ জনীৰ দৰে মই ও ছোৱালীয়ে আছিলোঁ, মোৰো সপোন আছিল যিবোৰ ভগ্নস্তূপলৈ পৰিবৰ্তন হৈছিল বিয়া হৈ আহিয়েই, এজন অস্বাভাৱিক পুৰুষ স্বামীৰ লগত সেয়া সম্ভৱ নাছিল। একো মতা নাছিলোঁ মই মুখেৰে।

মোৰ কপালৰ চুলিতাৰিৰ মাজৰ সেন্দূৰ খিনিলৈ তেওঁ চাইছিল সেইদিনা যাবৰ সময়ত। হাঁহি মুখেৰে মোৰ গালত হাত ফুৰাই গৈছিল তেওঁ। মোৰ হোষ্টেলৰ বান্ধৱীবোৰৰ চকুত মই আটাইতকৈ সুখী দম্পতী বুলি প্ৰচাৰ হৈ গৈছিল কাৰণ আছিল আমাৰ বন্ধুত্বখিনি। কিন্তু কোনেও ঘুনাক্ষৰেও নাজানিছিল আঁৰৰ সত্যখিনি।

সময়ে গতি কৰিছিল লগতে মোৰ কামেও ক্ষিপ্ৰতাৰে গতি কৰিছিল।

সেই আঠোটা বছৰৰ আগতে এৰি অহা মইজনী আজি চোন বহুত বেলেগ হৈ পৰিলোঁ ।

যোৱা পোন্ধৰ দিনৰ আগতে এখন কলেজত অধ্যাপকৰ পদৰ বাবে ইণ্টাৰভিউ দি আহিছিলোঁ, তেওঁ আগতেই পাৰ্টি খুৱাইছিল মোক, কাৰণ মোতকৈও বেছি তেওঁ নিশ্চিত আছিল মোৰ সফলতাক লৈ। তেওঁৰ কথাই সঁচা হ'ল কালি , মই যোগ্য ঘোষিত হ'লো।

কাইলৈ চাকৰিত যোগদান কৰিম গৈ। তেওঁ মোক এযোৰ কাপোৰ উপহাৰ দি গৈছিল। লগতে মোক আকৌ সোঁৱৰাই গৈছিল সেই প্ৰস্তাৱটোৰ কথা। কাৰণ তেওঁ সাজু হৈছিল মোক নতুনকৈ জীৱনটো গঢ়িবলৈ আগবঢ়াই দিবলৈ।

ফোনটো বাজি উঠিল লাহেকৈ। আন কোনো নহয় সেয়া মোৰ স্বামী

ঃ "কি কৰি আছা?" একেই সেই শান্ত মাতষাৰ

ঃ "উম আছোঁ... আপুনি?"

ঃ "কাইলৈ সোনকালে উলাবা মই ৰাতিপুৱাই পাই যাম। আজি সোনকালে শুই যাবা।"

ঃ “উম , আপুনিও সোনকালে শুই যাব।”

ইমান আদৰ যত্ন পাইছিলোঁ নে আগতে? আজি মই সেই আনৰ আগত প্ৰাণ ভিক্ষা বিচাৰি ফুৰা ছোৱালীজনী নহয়, এখন নামজ্বলা মহাবিদ্যালয়ৰ অধ্যাপিকা মই। আৰু আজিৰ মোৰ এই পৰিচয় কাৰ বাবে সম্ভৱ হৈ উঠিল??

হয় মোৰ স্বামী সাজু হৈছে মোক বিদায় দিবলৈ, এই যে কলেজত কাইলৈ মই যোগদান কৰিম গৈ, তেওঁ মোক হয়তো একেবাৰে এক নতুন পৰিচয় দিবলৈ সাজু হৈছে, মোৰ পছন্দক তেওঁ সন্মান জনাব , তাতোকৈ বেছি হেনো তেওঁ সুখী হ'ব। সকলো কৈছে মোক তেওঁ। মই সকলো বুজিছোঁ। তেওঁক নুসুধিলোঁ এবাৰো আপোনাৰ জানো দুখ নালাগিব মই গুচি গ'লে?? আকৌ জানো এনেদৰে আহিব পাৰিম মই এইখন ঘৰলৈ ? সৰু সৰু কথাবোৰত জানো হাঁহিব পাৰিম দুয়ো একেলগ কান্দিব পাৰিম নে??

আজি ৰাতি টোপনি নাহিব মোৰ। কাইলৈ তেওঁ আহিব মোক হয়তো একেবাৰে বিদায় দিম বুলি। বুকুখন সঁচাই মোচৰ খাই যোৱাৰ দৰে লাগিছে। উফ্ কষ্ট পাইছোঁ মই আকৌ।

অথচ এখন মুকলি পৃথিৱীৰ দিশে মোক তেওঁ আগবঢ়াই দিছে।

পাম নে এনে এজন দ্বিতীয় পুৰুষ মই!!

ৰাতিপুৱা খুব সোনকালে সাৰ পালোঁ মই। লৰালৰিকৈ যাৱতীয় কামখিনি কৰি ল'লোঁ। তেওঁ দিয়া কাপোৰযোৰ চাই ৰ'লো মই। সকলো বস্তু সাজু কৰি মই কাপোৰ সাজ পিন্ধি ওলাই ল'লোঁ। তেওঁৰ আহি পাবহি হৈছেই।

আৰু কেইদিনমান পাছতে হোষ্টেল খালি কৰি দিম মই। কলেজৰ ওচৰতে তেওঁ আজি এটা ঘৰ চাই আহিব বুলি কৈছিল।

আকৌ চোন কষ্ট পাইছোঁ মই, কিয়??

হয় সেয়া তেওঁ আহি পাইছে হোষ্টেলৰ গেট। মই আইনাখন এবাৰ চাই ল'লোঁ। হঠাতে কি মন গ'ল মই কপালৰ চুলিখিনিৰ মাজৰ সেউতাত আগতকৈও দীঘলকৈ দগমগীয়া কৈ সেন্দূৰ আঁকি ল'লোঁ, অলপো হাত নকপিঁল বিপৰীতে আৰু বেছি হে আত্মবিশ্বাস গঢ়ি উঠিল। ওলাই আহিলো মই এখুজি দুখুজিকৈ , বাহিৰৰ ৰ'দ জাক মোৰ বাবে নতুন জীৱনৰ দৰে হৈ পৰিল।

তেওঁৰ কথা খিনি আকৌ ভাঁহি আহিছে

ঃ “ কৈছিলোঁ নহয় তুমিয়েই পাবা এই চাকৰিটো! দেখিলা? আৰু এতিয়া তোমাৰ নিজৰ পৰিচয় হ'ল ।

আৰু মই যে কৈছিলোঁ এদিন তোমাক আকৌ নতুন জীৱন আৰম্ভণি কৰিবলৈ। বহুত সুখী হ'ম জানা সেইদিনা । ভাল লাগিব মোৰ বহুত !! আচলতে বিয়াৰ বয়স হৈছে হে তোমাৰ, মই সকলো পাতিম কথা চিন্তা নকৰিবা তুমি “

তেওঁৰ মনৰ স্থিতিৰ অনুমান কৰিবলৈ চেষ্টা কৰিছিলোঁ মই , সঁচাই তেওঁ মোক ইমান সহজ কৈ আনৰ হাতত গতাই দিব পাৰিবনে ? ইমান দিনে আমি বন্ধু হ'ব পৰা নাছিলোঁ নি?? ইমান সহজ নে তেওঁৰ বাবে আঠোটা বছৰ আমি দূৰে দূৰে হ'লেও একেলগে কতাইছোঁ এজনে সিজনক লগ দিছিলোঁ।

নিজক প্ৰশ্ন কৰিছিলোঁ মই ...

কোনোবাদিনা  ময়ো বাৰু আন কাৰোবাক কল্পনাত সঁজাইছিলোঁ নেকি পতি হিচাবে??

ওহোঁ...  তেওঁৰ প্ৰতি থকা মোৰ অগাধ শ্ৰদ্ধাই মোৰ মনলৈ একো বেলেগ চিন্তা আহিবলৈ দিয়া নাছিল। তেওঁ গতাই দিব আনৰ হাতত মোক, সেইযাৰ কথাৰে মোক বেলেগৰ কাষলৈ নিয়াটো দূৰৰ কথা তেওঁৰ কাষলৈ আৰু বেছিকৈহে টানি আনিছিল... ... সকলো জানিও মই...তেওঁৰ কাষত থাকিব খুজিছিলোঁ। মই কি বিচাৰিছিলোঁ?

সঁচাই নাৰীয়ে বিচাৰে কি এজন পুৰুষৰ পৰা!! সঁচাই নাৰী ৰহস্যময়ী!!

হাঁহি মুখেৰে তেওঁৰ ফাললৈ আগুৱাই গ'লো। তেওঁ আকৌ চাই ৰ'ল মোৰ সেন্দূৰখিনিলৈ।

তেওঁৰ মনটোক পঢ়িবলৈ যৎপৰোনাস্তি মই চেষ্টা কৰিলোঁ।

কিন্তু একো প্ৰশ্ন নকৰিলে তেওঁ মাথোঁ কৈ গ'ল তেওঁ নতুন চাকৰি জীৱন কেনেকৈ আৰম্ভণি কৰিম ।

মোৰ অভিভাৱক, মোৰ সাহস, মোৰ জীৱন দাতা ,মোৰ স্বামী এইজনেই আৰু আজি তেওঁ মোক পিতৃয়ে কন্যাদান

কৰাৰ দৰে দায়িত্ব ল'বৰ বাবেও সাজু হৈ উঠিছে।

হৈ গ'ল সকলো আনুষ্ঠানিকতা মই যোগদান কৰি মোৰ বিভাগত চিনাকি হৈ আহিলোঁ ।

পৰিচয় দি আহিলোঁ মই মিছেছ কণিকা বৰুৱা যুগান্তৰ বৰুৱাৰ পত্নী বুলি অলপো খোকোজা নলগাকৈ ।

বুকুখনৰ পৰা শিল এচটা যেন আঁতৰি গ'ল। বৰ পাতল পাতল লাগিল, মুকলি আকাশখন যেন আজি হে দেখিছোঁ মই।

সৌৱা তলত যুগান্তৰ ৰৈ আছে গাড়ীত। মোৰ মুখখন হয়তো আৰু উজ্জ্বলি উঠিছিল ।

গাড়ীত বহুতেই তেওঁ মোক অভিনন্দন বুলি তেওঁৰ হাতখন আগবঢ়াই দিলে।

ঃ " ব'লা এতিয়া ঘৰ এটা বিচাৰোঁ তোমাৰ বাবে। তুমি কলেজলৈ যাওঁতেই মই অলপ ইয়াতে খবৰ কৰি সুধিলোঁ। আছে ঘৰ, পাবলৈ কষ্ট নহ'ব। ব'লা তেন্তে দেৰি নকৰোঁ।"

তেওঁ গাড়ী ষ্টাৰ্ট দিবলৈ সাজু হ'ল

মই তেওঁৰ হাত খন ঠাপ মাৰি ধৰিলো। মোৰ চকুলৈ তেওঁ চালে

এইবাৰ মই কান্দি উঠিলোঁ হুকহুকাই। তেওঁ আচৰিত হৈ পৰিল, হাজাৰটা প্ৰশ্নই তেওঁৰ মনত তোলপাৰ কৰিলে হয়তো

ঃ "মোক আপোনাৰ লগতে ৰাখিব নোৱাৰেনে? মই হাতযোৰ কৰি উঠিলোঁ এইবাৰ।

তেওঁ তৎক্ষণাত মোৰ হাত দুখনত ধৰি বাধা দি উঠিল।

ঃ "তোমাক মই হাতযোৰ কৰা চাবলৈ বিচৰা নাই, তুমি হাতযোৰ নকৰিবা কাহানিও। তুমি বহুত সফল আজি ।

ঃ "আপোনাৰ অবিহনে মই একোৱেই নহওঁ, আজিৰ এই খিনি মাথোঁ আপোনাৰ বাবে সম্ভৱ হৈছে । মোৰ কোনো আক্ষেপ নাই আপোনাক লৈ , মই নিজকে ভাগ্যবান বুলি ভাবোঁ কিন্তু আপোনাৰ অবিহনে মই নোৱাৰিম ।

ঃ "চোৱা তুমি সকলো জানা, মই তোমাক পত্নী হিচাপে কি দিব পাৰিম কোৱা? বুজিবলৈ চেষ্টা কৰা তুমি। তোমাৰ আজি এক নিজা পৰিচয় আছে যাৰবাবে তুমি সমাজত ...

ঃ "মোক আৰু মোৰ পৰিচয়ৰ কথা নক'ব, যোৱা আঠোটা বছৰে আপুনি মোক কি দিয়া নাই কওঁক? মোক কেনেদৰে ৰাখিলে আপুনি ভাবি চাওক এবাৰ। আজি মোৰ এটাই পৰিচয় সেইয়া হৈছে আপোনাৰ পত্নী। নাজানো এজন ভাল পতিৰ ওচৰত এজন ভাল বন্ধু পালোঁহেঁতেন নাই কিন্তু এজন ভাল বন্ধুক পতি হিচাপে পাইছোঁ, আপুনিয়েই মোৰ সকলো। মোক এনেকৈয়ে থাকিবলৈ দিয়ক। প্লিজ ... !!!

মই বৰ আতুৰতাত চালোঁ তেওঁলৈ, চকুপানীয়ে তেতিয়াও ঢল বোৱাই আছিল।

তেওঁ মোৰ চকুপানী মোহাৰি দিলে মই তেওঁৰ বুকুৰ কাষলৈ ওচৰ চাপি গ'লো। তেওঁও মোক সুমুৱাই ল'লে বুকুত দুয়োখন হাতেৰে। উমান পালোঁ এক আজীৱন বন্ধুত্বৰ, আজীৱন লগৰীৰ এক স্বৰ্গীয় সম্পৰ্কৰ ... !!!

লাহেকৈ কৈ উঠিল তেওঁ

ঃ "কণিকা, তোমাক মুকলি কৰি দিয়াটো মোৰ সঁচাই দায়িত্ব আছিল, কিন্তু তেতিয়াই ভাবিছিলোঁ তুমি নাথাকিলে মই পাৰিম জানো??

উচুপি উচুপিয়ে কৈ উঠিলোঁ মই

ঃ "মই আপোনাক অলপো দিগদাৰ নিদিওঁ।

এইবাৰ মোৰ লাহেকৈ যেন হাঁহি উঠিল, হয় তেওঁৰো হাঁহি উঠিছে। মোৰ মূৰৰ চুলি খিনিত লাহেকৈ চপৰিয়াই দিলে।

ঃ "ব'লা ঘৰলৈ

ঃ "আমাৰ ঘৰলৈ?? মই চালোঁ তেওঁলৈ।

তেওঁ হাঁহিৰে মূৰ দুপিয়ালে। সুখৰ সংজ্ঞা কিছুমান তেওঁৰ চকুতো মই পঢ়িব পাৰিলোঁ আজি।

তেওঁৰ হাত খনত মই মেৰিয়াই ধৰি ল'লোঁ , কিয় জানো অলপো এৰি দিবৰ মন নগ'ল।

পশ্চিমৰ আকাশত বেলিটোৱে হেঙুলীয়া ৰঙ ধৰিছিল, মোৰ কপালৰ সেন্দুৰীয়া আলিটো দগমগীয়া হৈ পৰিছিল এক নতুন পৰিচয়েৰে ... ...!!

# সংঘাত জীৱনৰ

**প্ৰথমী পূজাৰী**

"খুড়ী আপুনিও কিবা সুধিব খোজে যদি মোৰ লগতে একেলগে সোমাব।" ৰিমিৰ কথাত মই থতমত খালো।মই কিবা উত্তৰ দিয়ালৈ ৰিমিয়ে যেন মোলৈ অপেক্ষা কৰা নাই।তাই কোৱা কথাষাৰিৰ উত্তৰ দিবলৈ তাইৰ মুখলৈ চাওঁতে এনে লাগিল এয়া যেন তাইৰ অনুৰোধ বা নিৰ্দেশ। মই একো নক'লো। ৰিমিয়ে পূজাৰ থালখন আকৌ এবাৰ লিৰিকি বিদাৰি চালে, সকলো ঠিকেই আছেতো। অপেক্ষাৰত সময়খিনিত এনেদৰেই এই কামটো তাই বহুবাৰ কৰিলে। তাইৰ অস্থিৰতা দেখি মোৰ ভাব হ'ল তাই যেন তাইৰ শিক্ষা জীৱনৰহে পৰীক্ষা দিব ওলাইছে। হাঁহিও উঠিল মনে মনে। আজি বন্ধ বাবে মন্দিৰলৈ অহা ভক্তৰ সমাগম বেছি।আমাৰ আগতেই কেইজনমান মানুহ মন্দিৰত উপস্থিত হৈছিলহি।ৰিমিৰ লগত আগতেও এবাৰ আহিছো এই মন্দিৰলৈ। মানুহৰ এই জনস্ৰোত দেখি মই আচৰিত হও।কিমান হতাশ গ্ৰস্থতাত এই বিশ্বাসে বাট লয় মই নাজানো।কিন্তু এটা ঠিক এই হতাশগ্ৰস্থ মানুহজাকৰ লগত মোৰ মনে এতিয়াও যাবলৈ অনুমতি দিয়া নাই। নাজানোঁ মোৰ এই মনৰ সবলতা নে আৰ্থিক দৈন্য। মন্দিৰৰ ভিতৰলৈ ইতিমধ্যে এজন এজনকৈ চাৰি পাঁচজন মানুহ সোমাই গৈ ওলাই আহিছে।ওলাই অহা মানুহখিনিৰ মাজত মন্দিৰত সোমোৱাৰ আগত যি বেদনা সেইখিনি দেখা পোৱা নাযায়। হয়তো তেওঁলোক "বাবা"ৰ সমাধানত আশস্ত।এইবাৰ ৰিমিৰ আগৰ মানুহজন সোমাই ওলাই আহিলে ৰিমি যাব পাৰিব। ৰিমিয়ে মনটোত সুধিব লগা মনৰ প্ৰশ্নবোৰ জুকিয়াই থকা যেন লাগিল।যদি কিবা সুধিব ৰৈ যায়, আকৌ কাইলৈ আহিব লাগিব। মনলৈ ভাৱ আহিল ইয়াতকৈ ডাক্তৰ দৰ্শনেই ভাল। অন্ততঃ কিবা সুধিব পাহৰিলেও পিচ মুহূৰ্তত চেম্বাৰলৈ গৈ নতুবা ফোন কৰি সুধিব পাৰি।

ৰিমি আৰু মই এটি ব্যক্তিগত শিৱ মন্দিৰলৈ আহিছোঁ। এই মন্দিৰটোৰ জনপ্ৰিয়তাৰ আঁৰত হ'ল-মন্দিৰ থকা মানুহঘৰৰ মুখ্য মানুহজনীৰ গালৈ "শিৱ বাবা" আহে আৰু ভূত ভৱিষ্যতৰ সমাধান দি যায়। মানুহৰ বিশ্বাসো অপৰিসীম।বহু ভক্তৰ আগমন হয়। বেকাৰ ল'ৰা ছোৱালীৰ সমস্যা, বিয়া হৈ নুঠা ল'ৰা ছোৱালীৰ সমস্যা, বিষ বেমাৰী, মনৰ অস্থিৰতা, ল'ৰা ছোৱালী নোহোৱা দম্পতী,পৰস্ত্ৰী বা পৰপুৰুষৰ লগত সম্বন্ধ ৰাখি নিজৰ ঘৰখন ডুবোৱা পৰিয়ালৰ মানুহবোৰ....... মুঠতে যিকোনো অন্তৰ্দ্বতাৰ সমাধান আছে "বাবা"ৰ ওচৰত।মোৰ সমস্যাৰ সমাধান হ'বনে নাজানো আৰু মোৰ কৌতূহলো নাই ভৱিষ্যত জনাৰ। কিয় জানো নাজানোঁ।

সৰুতে মায়ে গোঁসাই ঘৰ বা পূজা সংক্ৰান্তীয় যিকোনো কামত যাবলৈ লগ ধৰিলে আইতাই কৈছিল-"জোৰ নকৰিবি। জোৰ জবৰদস্তিত ভগৱান পূজা নহয়। তাইৰ যাব মন গলে যাব, মন নগ'লে মন্দিৰ গ'লেও একো লাভ নহয়।" আইতাই কোৱা সেই "লাভ" শব্দটোৰ গণনা মোৰ লগত দেখোন কোনোফালৰ পৰাই নহ'ল। যেতিয়া ভগৱানক জনা বুজা হোৱা নাছিলোঁ তেতিয়ালৈ তেওঁক লৈ কোনো ভাৱৰ আদান প্ৰদান ঘটা নাছিল। যেতিয়া বুজি পোৱা হ'লো মানে আস্থা ৰাখিব ল'লো তেতিয়াও এই "লাভ" শব্দটোৰ লগত মোৰ কোনো সংযোগ নঘটিল। ঘৰৰ একমাত্ৰ সন্তান হৈও আৰ্থিক দৈন্য ভালদৰেই পাই আহিছোঁ। এতিয়াও সেই পৰিৱেশ অপৰিৱৰ্তিত। দেউতাৰ কথা কি কম-ককাই গোটেই জীৱন জুৰি গোটাই যোৱা মাটি সম্পত্তিৰ সাধনাখিনি বিক্ৰী কৰি কৰি ঘৰখনৰ মানুহ কেইজনৰ পেট প্ৰৱৰ্তালে। বুজিব পৰা হোৱাত দেউতাৰ জীৱিকা কি ক'ব লগা হ'লে তৎক্ষণাত আনৰ ওচৰত উত্তৰটো দিব পৰা নাছিলোঁ। কাৰণ দেউতাৰ বৃত্তি "কি" ক'বলৈ অসুবিধা পাইছিলোঁ। আজি যদি হাটলৈ হাঁহ-পাৰ লৈ যায়, কাইলৈ খৰি, কোনোবাদিনা বাৰীৰ পকা ফল, নাৰিকল, ছাগলী ইত্যাদি ইত্যাদি। যিখিনি খেতি মাটি আছিল আধি দিয়া বাবে বছৰটোত চাউলখিনি কোনোমতে চলি গৈছিল। "মা"য়ে হাটলৈ বস্তু বিক্ৰী কৰিবলৈ বস্তু যোগাৰ কৰি নিদিয়ালৈ কি লৈ যাব বিক্ৰী কৰিবলৈ সেয়া দেউতাই চিন্তা নকৰিছিল। যি কেইদিন হাট নাথাকে সেইকেইদিন নদীত, পথাৰৰ দিনত পথাৰত মাছ মাৰি ঘৰলৈ আনিছিল। সেয়ে দেউতাৰ বৃত্তিৰ কথা সুধিলে কি বুলি কম ক'ব পৰা নাছিলোঁ।

পিছলৈ আনৰ ওচৰত লাজ নাপাবলৈ খেতিয়ক বুলি কোৱা হ'লো। ঘৰখন আইতা আৰু মায়ে ধৰি আছিল বুলি ক'ব পাৰি। দেউতাৰ পৰিয়ালৰ ভৱিষ্যত বুলি কোনো চিন্তা নাছিল। আইতা ঢুকোৱাৰ পিছত মাৰ লগৰীয়া মই হ'লো। মই পঢ়া শুনাও চলাই গৈছিলোঁ যদিও মই পঢ়াত চোকা নাছিলোঁ। এটা শ্ৰেণীত দুবাৰ পঢ়িব নলগাকে উচ্চতৰ মাধ্যমিক শিক্ষা সাং কৰি কলেজত নাম লগাইছিলোঁগৈ। মোৰ এই সফলতাত মাৰ উচ্চকাংক্ষা জাগিছিল। চাকৰি বাকৰি একো নাপালেও অন্ততঃ উচ্চশিক্ষিতা ছোৱালীক (সেই সময়ত সেয়া বহু শিক্ষা) ভাল এঘৰলৈ উলিয়াই দিব পাৰিব। মাৰ সেই সপোন হয়তো মোৰ গাভৰু মনেও দেখিব লৈছিল। কিন্তু মাৰ সপোনক মোৰ কৰি থৈ মা কেন্সাৰত ভুগি মৰি থাকিল। যেতিয়া মাৰ বেমাৰ ধৰাত পৰিছিল তেতিয়া দেউতাই চিকিৎসাৰ বাবে খেতি মাটি বিক্ৰী কৰি চিকিৎসা চলাইছিল যদিও মা সুস্থ হৈ নুঠিল। প্ৰথমবাৰৰ বাবে দেউতাৰ ঘৰৰ বাবে থকা দায়িত্ববোধ দেখিছিলো। বেমাৰ ধৰা পৰাৰ কেইমাহমানৰ ভিতৰতে মোক অকলশৰীয়া কৰি থৈ মা গ'লগৈ। মা অবিহনে ঘৰখনত বিৰাট শূন্যতা এটা অনুভৱ কৰিছিলোঁ।মা নথকা সংসাৰখনত দেউতা কিমান অকলশৰীয়া হৈছিল বুজিব নোৱাৰিলোঁ। কিন্তু মই বহু অকলশৰীয়া হৈছিলোঁ। ঘৰখন কেনেদৰে চলিছিল মই বুজি পোৱা নাছিলোঁ। ঘৰৰপৰা ওলোৱা সোমোৱা বাদ দিছিলোঁ। আনকি কলেজো বাদ দিছিলোঁ। মা ঢুকোৱাৰ কেইসপ্তাহমানৰ পিছত মোৰ কলেজৰ লগৰীয়াবোৰ এদিন ঘৰলৈ আহিছিল। সিহঁতক দেউতাই বহিবলৈ দি সিহঁতৰ আগত মোৰ কথা কৈ যি তৰ্জন গৰ্জন আৰম্ভ কৰিলে সেইদিনা বুজা হোৱাৰ পৰা দেউতাৰ মোৰ প্ৰতি থকা মৰম আৰু ঘৰৰ প্ৰতি থকা দায়িত্বৰ কিছু ৰেঙনি দেখা পাইছিলোঁ। মা নোহোৱা ঘৰখনত দেউতাৰ প্ৰতি মোৰ কিছু মোহ জন্মিছিল। তাৰ পিছৰ পৰাই কলেজ গৈছিলোঁ। ঘৰখনতো সোমাই পৰিছিলোঁ আৰু দেউতাৰ লগতো মাতকথা বহুখিনি আগবাঢ়িছিল।

কলেজীয়া শিক্ষা সাং হ'ল। মোৰ বিয়াৰ বাবে দেউতাই পাত্ৰ বিচৰাত লাগিল। ঠিক তেনে সময়ত মোৰ সম্বন্ধীয় মামা এজনে মোলৈ এটি চাকৰিৰ প্ৰস্তাৱ আনিলে। মোৰ কোনো আপোন মামা-মাহী নাছিল। মা আইতাৰ একমাত্ৰ সন্তান আছিল আৰু ককা ঢুকোৱাৰ পাছত আইতা মোমায়েকৰ ঘৰত আশ্ৰিতা আছিল।মামাজন মাৰ সম্পৰ্কীয় মোমায়েকৰ ল'ৰা আছিল আৰু আপোন মামা বুলি তেওঁৰ লগতেই আমাৰ ঘৰৰ সম্পৰ্ক আছিল। মামাৰ কথা অবিশ্বাস কৰিবলৈ একো নাছিল কিয়নো সেই চাকৰি দিয়াৰ বাবদ তেওঁ টকা লৈছিল আৰু আমাৰ পৰিস্থিতি সম্পৰ্কেও তেওঁ জ্ঞাত আছিল। দেউতাই মাটি বিক্ৰী কৰি সেই টকা দিছিল। কিন্তু এটা সময়ত মামাৰ ওপৰত থকা বিশ্বাস অবিশ্বাসত পৰিণত হৈছিল। মামাই ঠগিছিল।যিটো আমাৰ সপোনৰো অগোচৰ আছিল। কাৰণ আমাৰ আৰ্থিক দৈন্য মামাৰ বাবে অপৰিচিত নাছিল। সিমানতে চাকৰিৰ আশা বাদ দিছিলো। দিনবোৰ গৈ আছিল।মোক বিয়া কৰাবলৈ পাত্ৰৰো অভাৱ ঘটিল। যি সময়ত চাকৰি বিয়া দুয়োটাৰ আশা মই বাদ দিছিলো তেতিয়াই মোৰ বিয়াৰ প্ৰস্তাৱ আহিছিল বহু উচ্চশিক্ষিত এখন ঘৰৰপৰা। পাত্ৰজনৰ চাকৰি নাই যদিও শাসক চৰকাৰৰ দলৰ নেতা। ভৱিষ্যত আছে।সকলো গাভৰুৰ বিয়াৰ সপোন থকাৰ দৰেই মোৰো সপোন আছিল। তাতে তেওঁ মোক পছন্দ কৰিছিল, মানুহজনৰ কোনো নিচা আসক্ত গুণ নাই বুলি গম পাইছিলো, উচ্চশিক্ষিত সুদৰ্শন পুৰুষ। মোৰ আপত্তি দৰ্শাবলৈ একো নাছিল। দেউতাৰো আনন্দ অৱশেষত যেনিবা এখন ভাল ঘৰলৈ তেওঁৰ ছোৱালী যাবগৈ।

বিয়া হৈ মই আন এখন ঘৰৰ বোৱাৰী হ'লো।মোৰ ভাগ্য সুপ্ৰসন্ন নাছিল। ঘৰখনৰ আটাইবোৰ মানুহে মৰম চেনেহ যাচিছিল যদিও মোৰ সপোনৰ ৰাজকুমাৰৰ গাত দেউতাৰ গুণ পৰিস্ফুট হৈ আছিল।বিয়া কৰালে যদিও তেওঁ যেন মোৰ বাবে বাধ্য নহয় তেনে আচৰণ ফুটি উঠিছিল। দলীয় মিটিংতেই তেওঁ ব্যস্ত আছিল। তেওঁক বুজিবলৈ মোক অকণো সুৰুঙা নিদিলে আৰু হয়তো মোক বুজিবলৈও চেষ্টা নকৰিলে। কি পৰিস্থিতিত তেওঁ বাধ্য হৈ বিয়া পাতিছিল সেইটো আজিও মোৰ বাবে সাঁথৰ। বিয়াৰ তিনি মাহমান পিছতেই মই সন্তান সম্ভৱা হ'লো। ভাবিলোঁ এইবাৰ তেওঁ বান্ধ খাব। ছোৱালীজনী ওপজাৰ পিছতো যেতিয়া তেওঁ তেওঁৰ ঘৰখন চিনি নাপালে মই দেউতাৰ ঘৰলৈ আহি উভতি নগ'লোঁ। জীৱনত প্ৰথম দেউতা তাৰ পিছত স্বামীৰ এই উদাসীনতা মোৰ সহ্য নহ'ল। মায়ে কি কষ্টৰ জীৱন পাৰ কৰিছিল প্ৰতিটো উশাহত উপলব্ধি হৈছিল। মোৰ এই সিদ্ধান্তত দেউতা আৰু মোৰ স্বামীয়ে একো প্ৰতিবাদ নকৰিলে। শহুৰৰ ঘৰখনৰ প্ৰতিজনে বুজাই বঢ়াই মোক নিবলৈ চেষ্টা কৰিছিল যদিও মই ন'গলো। শহুৰৰ ঘৰৰ লগত আহ যাহ চলি থাকিল যদিও তেওঁৰ উদাসীনতাত তবধ মানিছিলোঁ। তেওঁ অন্তৰেৰে আহিছিল নে শহুৰৰ ঘৰখনৰ তাগিদাত পৰি দুবাৰ তিনিবাৰমান ছোৱালীজনীক চাব আহিছিল মই নাজানিলোঁ আৰু

বুজিবলৈও চেষ্টা নকৰিলোঁ। ন্যূনতম কথাৰ উত্তৰ দিয়াৰ বাহিৰে তেওঁৰ লগত মোৰ কোনো বাৰ্তালাপ নহ'ল।

ছোৱালীজনীৰ তিনি বছৰ বয়সত এক বাইক দুৰ্ঘটনাত তেওঁৰ মৃত্যু হৈছিল। হঠাৎ অহা দুসংবাদটোত মই কিয় বিচলিত হৈছিলোঁ মই আজিও তাৰ উত্তৰ নাপাও। এয়া তেওঁৰ প্ৰতি কৰা অভিমানৰ দুখ নে আন কিবা আজিও নুবুজোঁ মই। যিজন মানুহৰ অস্তিত্ব মই জীৱিত কালত অনুভৱ কৰিব নোৱাৰিলোঁ তেওঁৰ এই মৃত্যুক লৈ কিন্তু মই আজিও দুখী। কিন্তু শহুৰৰ ঘৰখনৰ মানুহখিনিয়ে মোৰ লগত সম্পৰ্ক বজাই ৰাখিছে, সেই লৈ মই সুখী।

কথাবোৰ পাগুলি থাকোতে মই ক'ত আছোঁ তত্ ধৰিবই পৰা নাছিলো। দুচকুৰ কোণত দুটোপাল চকুপানী বিৰিঙি উঠিল। ৰিমিয়ে হেঁচুকি কোৱাতহে- "খুৰী আহক আপুনিও"। এইবুলি কৈ তাই মন্দিৰৰ ভিতৰলৈ সোমাই গ'ল। মই বহি থকা ঠাইকণৰ পৰা লৰচৰ কৰিব নোৱাৰিলোঁ। কি সুধিম মই- "দুখবোৰ যি মই ভোগ কৰি আহিলোঁ'। যিজন ভগৱানে মোৰ অস্তিত্ব দিলে এই পৃথিৱীত তেওঁতো মোৰ কথা নজনাকৈ থকা নাই। তেন্তে কি সোধোঁ-"মোৰ ভৱিষ্যত"? নাই সুধিব নোৱাৰিম। অনাগত ভৱিষ্যতক মই আকৌ সপোনৰ মাজলৈ ঠেলিব নোৱাৰো। তাতকৈ মোৰ বৰ্তমানৰ সংঘৰ্ষই ভাল। অন্ততঃ মোৰ বৰ্তমান আৰু ভৱিষ্যতে মোক সপোনৰ মণিকূট সজাবলৈ নিশিকায়, বৰ্তমানক অলপ অলপকৈ পূৰণ কৰাবলৈহে শিকাই আছে। মনটো আকৌ দৃঢ় কৰি ল'লোঁ। ৰিমি তেতিয়ালৈ মন্দিৰৰ ভিতৰৰ পৰা ওলাই অহা নাছিল। এক গভীৰ উশাহ টানি মই বহা ঠাইৰ পৰা মন্দিৰৰ পদূলিলৈ ওলাই আহি ৰিমিলৈ বাট চাই ৰ'লোঁ।

জীৱনৰ আন্ধাৰময় বাটত
উমি উমি জ্বলোৱা
আশাৰ চাকিটি হ'ল
অৰ্দ্ধ আকাশ।
ফাগুণী বতাহজাকে
উদং কৰি থৈ যোৱা
নঙঠা বুকুৰ
হেপাঁহৰ কলিটি হ'ল
অৰ্দ্ধ আকাশ

।।

—চলমা আখতাৰ—

# অপ্ৰাপ্তি

## ববিতা বড়া

অলপ সময়ৰ ভিতৰতে খবৰটো গোটেই গাঁওখনতে বিয়পি পৰিল। ৰজনজনাই গ'ল গাওঁ খন। এজাক বতাহৰ দৰে প্ৰতিঘৰ মানুহকে চুই গ'ল ঘটনাটোৱে। কি নাশ্ৰুত নাভুত কথা অ' এইটো। কথাতো শুনামাত্ৰকে পিলিঙা ডেকাবিলাকে আমোদ পালে, বোৱাৰী জীয়াৰীয়ে লাজতে তলমূৰ কৰিলে, বুঢ়ী মানুহ বিলাকে কাণত হাত দিলে, কোনো কোনোৱে ইচ ইচ আচ আচ কৰি উঠিল।

ঃ আও বালক এনে ঘটনানো হ'ব লাগেনে বাৰু?

গাওঁৰ কথকী বুঢ়ী কেইজনীয়ে তামোলৰ সেলেঙি বোৱাই নৰেন হতঁৰ চোতালত কথাতো আলোচনা কৰিছে।

ঃ দেশখন ৰসাতলে গ'ল হেৰ'। লাজ মান সকলো নাইকিয়া হ'ল। অ' বোলো নৰেনৰ মাক এইখন কি হৈছেনো? এই ল'ছলি মখাই দেখোন গুৰু গোসাঁই একো নমনা হ'ল। কোনেনো বাৰু ইমান অধৰমৰ কাম কৰিলে?

ঃ এহ কেনেকেনো কবি অ' ৰূপহীৰ মাক। বোলো কাৰ গাত নো ইমান পিৰপিৰনি উঠিছিল। ছিঃ নাপায় দেই। দেখিছনে বাৰু, ইমান নিদাৰুণ নৰমনিচ থাকিব পাৰেনে বাৰু?

ঃ এৰা ভনিটী হতঁ অ', কিবানে বোলে এইবোৰ কথা শুনাও পাপ, পতাও পাপ। শ্ৰী বিষ্টু শ্ৰী বিষ্টু, এহ এইখন দেশতে জনম লৈ ইয়াতে মৰাৰ দিনো পাবহি এতিয়া, এনেকুৱা কথা শুনাও মনত নপৰে।

হৰেনৰ মাকে ক'লে।

ঃ এৰা অ' বাইটী। আমি হ'লো সেই তাহানিৰ যুগৰ বুঢ়ী। আজিকালিৰ কথা বিলাকৰ আও ভাওকে নাপাওঁ হ'লেও দেচোন, এই ভাল বেয়াৰ বিচাৰ কৰিব পৰা গিয়ান খিনি হওঁতে আমাৰ আছে।

ঃ কথাতো হওঁতে ঠিকেই কৈছ অ' নৰেনৰ মাক। কিবানে বোলে ইমান তেজ গৰম হৈছিল নে যে ইমান খিনি পাবগৈ লগীয়া হ'ল। পিছে সেই পাপৰ ফচলটো বা কাৰ? কোন বা গৈছিল আন্ধাৰৰ সুৰুঙা লৈ বিছনা গৰম কৰিবলৈ।

বুঢ়ী কেইজনীয়ে মুখ টিপি হাঁহিলে। পাছফালৰ চোতালত বুঢ়ী কেইজনীয়ে কথাৰ মহলা মাৰিছে। প্ৰধান বিষয় বস্তু হৈ পৰিছে পুৱাৰ ঘটনাটো। সেই কথা বিলাকে ৰঙিলী মানে নৰেনৰ ঘৈনীয়েকৰ কাণো চুইছেগৈ। কেনেকৈ বা কথা বিলাক গোটেই গাওঁখনতে শিপালেগৈ। তাই বুজিব পৰা নাই সত্য বা শুদ্ধ কি? তেনেই সহজ সৰল ৰঙিলীয়ে চাহ খিনি বাকিবলৈ লৈ পুৰতি নিশাৰ কথা খিনিকে পাগুলিছে। এৰা, পুৰতি নিশাতেই নৰেন আৰু তাই এটা আচৰিত শব্দ শুনিছিলে। টিপ চাকি লৈ নৰেন আৰু তাই ওলায় গৈছিল শব্দৰ উৎসৰ ফালে। আৰু চয়াময়া পোহৰত দেখা সেই অকণমানি জীৱটোৱে যেন কিছু সময়ৰ বাবে দুয়োটাৰে হৃদস্পন্দন লেহেমীয়া কৰি তুলিছিল। এই পৃথিৱীত তাৰ চকু মেলা বেছি সময় হোৱা নাছিল বোধহয়। এনে লাগিছিল পিয়াহত আতুৰ হৈ সি কান্দিবও পৰা নাছিল। থৰ থৰকৈ কপিছিল ৰঙিলী তাক দেখি। জৰে ঘমাদি ঘামি নৰেনো হৈ পৰিছিল কিং কতব্য বিমূঢ়। ইচ ৰাম কোনে কৰিলে বাৰু এই কাণ্ড, কাৰ সত গ'ল এনে কৰিবলৈ। ইচ ইচাই উঠিছিল নৰেন। তাৰ বিপৰীতে কিন্তু ৰঙিলীয়ে খন্তেক সময় তভক মাৰি কোলাত তুলি লৈছিল তাক। মমতাৰ উমেৰে কোলাত তুলি লোৱাত, সি হয়তো নিৰাপদ অনুভৱ কৰিছিল। ঘৰৰ মানুহবিলাক সেই সময়লৈকে সাৰ পোৱা নাছিল। ৰঙিলীৰ কামত অবাক হৈ নৰেনে কৈছিল

ঃ হেৰ' কি কৰিবি এতিয়া?

ৰঙিলীয়ে উত্তৰ দিয়া নাছিল একো। কাৰণ সেই সময়ত এক অনামি অনুভৱে তাইক পৰিতৃপ্ত কৰি তুলিছিল। মমতাৰে চপচপিয়া হৈ পৰিছিল তাইৰ বুকু। নহবই বা কিয়? আজিৰ পৰা প্ৰায় ১০/১১ বছৰৰ আগতে এই খন ঘৰলৈ বোৱাৰী হৈ আহিছিল ৰঙিলী বুকুত হাজাৰটা সপোন লৈ। এটা এটাকৈ পূৰ হৈছিল সপোনবোৰ। কিন্তু কোনোবাখিনিত যেন বিধাতা ৰুষ্ট

আছিল ৰঙিলীৰ ওপৰত। বিয়াৰ ইমান বছৰৰ পিছতো তাইৰ জীৱনক পূৰ্ণতা দিবলৈ এটা সন্তান নাহিলে। ক'ত কবিৰাজৰ বড়ি খালে, ক'ত বেজৰ বেজালি কৰিলে। না কাৰোৰে সামৰ্থ্য ন'হল যে হাঁহাকাৰ কৰি থকা দুখুনী ৰঙিলীৰ কোলাত এপাহ ফুল পৰিব। গাঁওৰ মানুহে ক'ত কথা শুনালে, বাজী বুলি কত হাঁহিলে তাৰ কোনো লেখ জোখ নাই। ৰঙিলীয়ে সেইবোৰ নুশুনাৰ ভাও জুৰিলে। অৱশ্যে তাইৰ শাহুৱেকজনী বৰ সাদৰী আছিল। তেওঁ ৰঙিলীক এই বিষয়ে আজিলৈকে একো কটু কথা শুনোৱা নাই। সেই কাৰণে তাই বাহিৰৰ মানুহৰ কথা গাত লগাই নলয়। ঘৰৰ বাকী মানুহখিনিয়েও এই লৈ ৰঙিলীক কেতিয়াও একো কোৱা নাই। কেতিয়াবা কিন্তু তাইৰ দুখ লাগে। মন যায় এটি এমা ডিমাক তাইৰ কোলাত শুৱাবলৈ। পিছে বিধাতাই নিদিলে তাইনো কি কৰিব পাৰে। নৰেন সকলো সময়তে খেতি খোলাৰ লগত ব্যস্ত থকাৰ বিপৰীতে তাই ঘৰখনৰ কামত ব্যস্ত থাকিব লাগে। অৱশ্যে আলধৰা পদুমীয়ে ইখন সিখন কামত হাত আগবঢ়াই। নৰেনৰ মাতত তাই বাস্তৱলৈ ঘূৰি আহিল।

ঃ অ' বোলো কি কৰিবি এতিয়া?

ঃ কি কৰিম মানে, ভগৱানে প্ৰসাদ দিছে, আমি গ্ৰহণ নকৰিলে পাপে নুচুব নে?

অলপ ৰৈ তাই কৈছিল ।ক'ৰ পৰা যে কথাষাৰ ওলাইছিল, এতিয়া তাই ভাবি নিজে আচৰিত হৈছে।

ঃ কিন্তু মানুহে....

ঃ মানুহে কি ক'ব, সেই চিন্তা কৰি জানো ইয়াক এনেকৈ পেলাই থৈ যাব পাৰি ।ইমান অমানুহ হমনে আমি।

কথাখিনি কৈ তাই নৰেনলৈ চাইছিল পৰম আগ্ৰহত, যাতে নৰেনেও তাইৰ কথাত হয়ভৰ দিয়ে।

ঃ এৰা ঠিকেই কৈছ' তই। পিছে প্ৰথমে এবাৰ ডাক্তৰনী বাইদেউৰ তালৈ লৈ গ'লে ভাল হব যেন পাইছো।

ঃ হয়, যাওক যাওক, লৈ যাওক সোনকালে। পাছৰ খিনি পাছত দেখা যাব। বিজ্ঞৰ দৰে কৈছিল ৰঙিলীয়ে।

ৰঙিলীৰ কথামতেই নৰেনে ঘৰৰ বনকৰা ল'ৰা মানিকক লৈ সেই পুৱতি নিশাতেই গৈছিল ডাক্তৰনী বাইদেউৰ তালৈ। কিন্তু সেই যে গ'ল এই ভৰ দুপৰীয়া খনলৈকে তাৰ দেখা দেখি নাই। ৰঙিলী এবুকু আশা বুকুত বান্ধি দুই কাণ সজাগ কৰি ৰৈ আছে। নৰেন আহিব, ঘৰখন কেচুৱাৰ কান্দোনে ভৰি পৰিব। মনে মনে তাই ধূপ বন্তিৰে পূজাৰ থালখনো সজাই ৰাখিছে। কোনে পাপ কৰিছে তাই নাজানে, জানিবলৈ বিচৰাও নাই তাই, মাথো ভাবিছে বেলেগে পাপ বুলি ভবাটো তাইৰ বাবে আশীৰ্বাদ হৈ আহিছে। বছৰ বছৰ ধৰি যে তাই ভগৱানৰ চৰণত মূৰ আচাৰি কাকূতি কৰিছিল সেইয়া বাৰু তাইৰ বাহিৰে আন কোনে জানিছিল। ধূপ ধূনাৰ ধোঁৱাৰ মাজত লুকাই পৰিছিল তাইৰ তপত চকুলো। হওক তেওঁ, কোনোবাই পাপ, অকৰ্ম কৰিছে, এইবিলাক বিচাৰ কৰাৰ ধৃষ্টতা তাই কৰা নাই। এইয়া ইচৰৰ প্ৰসাদ বুলি তাই মাথো গ্ৰহণ কৰিছে। ৰঙিলীয়ে চাহৰ বাতি লৈ বুঢ়ী হঁতৰ ওচৰলৈ গ'ল। এজনীয়ে ক'লে

ঃ অ' ৰঙিলী, এই বীজটো বোলে তহঁতৰ বাৰীৰ ঢাপতে পেলাই গৈছিল।

ঃ অ' খুড়ীটি প্ৰথম মইয়ে শুনিছিলো তাৰ চিঞৰ। উঠি গৈ দেখো এটি তিনেই কুমলীয়া ফুল।

ঃ থ হেৰৌ ফুলৰ লগত ৰিজাবলে। পিছে কি কৰিলি সেইটো?

ঃ ডাক্তৰ খানালৈ দি পঠালো এওঁৰ হাতত। ৰঙিলীয়ে কওঁ নকওঁকৈ ক'লে।

ঃ খালি খালি ভেলেঙীজনী অ। কিনো দৰকাৰ কিবানে বোলে বাটৰ কচু গাত ঘঁহি লবলৈ কিহে পাইছিলনো তোক? জকজকাই উঠিল বুঢ়ীহঁতে। ৰঙিলীয়ে একো নকৈ ভিতৰলৈ সোমাই গ'ল।

ঃ তাইক নকবি হেৰৌ, আমিতো অমানুহ হব নোৱাৰো। তাই ভাল কামকে কৰিলে দে। নৰেনৰ মাকে ক'লে।

বুঢ়ী কেইগৰাকীৰ কথাবোৰ ৰঙিলীৰ ক্ৰমে ভাল নলগা হৈ আহিল।

ঃ ছিকৌ কতা, এইবোৰ কি শুনিছো হঁক ঔ। ইচ ইচ এইজনীয়ে আহিয়ে গোটেই চকুটো বদনামি কৰিলেহি। ডুবালেহি চুকটোৰ নাম।

গোৱাল গালি দি দি মালতী পেহী সোমাই আহিল। এইখন গাঁওৰে মালতী বুঢ়ী বিয়া নোসোমাল। মানুহে কয়, এই গাঁৱৰে এটা ডেকাৰ প্ৰেমত পৰিছিল বুলি। পিছে সি ঠগিলে আৰু মালতী ৰৈ গ'ল আজীৱন। গাঁওখনৰ সকলোৰে পেহী হৈ পৰিল তাই। এনেয়ে মানুহজনী বেয়া নহয়। পিছে হকে বিহকে গুৱাল গালি পাৰি থাকে। মুখখন বন্ধ ৰাখিবই নোখোজে, তাতে আকৌ কিবা এটা খুঁত পালেতো কথাই নাই, যেন গোটেই ভূ ভাৰস্ত খন অশুদ্ধ হৈ হৈ পৰিল। এতিয়া এই মালতী পেহীৰ কথা

শুনি ৰঙিলীয়ে ঠিকেই বুজিছে কথাষাৰ।

ঃ কি হ'ল অ মালতী, ইমানকৈ খং খাইছ কিয়? ৰঙিলীৰ শাহুৱেকে সুধিলে।

ঃ কি হ'ল বুলি সুধিছ যে বৌদেউ, শুনা নাই নে এইখন কি হৈছে। মুখত চাই সানিছে মানুহে আৰু তোমালোকৰ একো খবৰেই নাই।

ঃ কিবানে বোলে আমিও সেই তাকেই পাতি আছিলো। অ মালতী, অ বোলো কাৰনো এনে খৰে খাইছিল, একেবাৰে পোখা মেলালেগৈ।

ঃ অ খা। তোমালোক এতিয়াও তাৰমানে শুইয়ে আছা। গমেই নোপোৱা নে সেই নাককাটী জনীৰ কথা। মালতী পেহীয়ে কৈ উঠিল।

ঃ কোন হেৰ' মালতী, কিবা গম পাইছ নেকি?

ঃ সমগ্ৰ চুকটোৰ খবৰ নখ দৰ্পনত ৰখা মালতীক ফুচফুচাই সুধিলে ৰঙিলীৰ শাহুৱেকে। ৰঙিলীয়েও ভিতৰৰ পৰা কাণ দুখন উণালে। কিয় জানো এই মুহূৰ্তত তাইৰ জানিবলৈ মন গ'ল সেই নিষ্ঠুৰ মাকজনীৰ বিষয়ে।

ঃ ছিকৌ কথা বৌদেউ, গোটেই গাঁৱতে ৰৌজাল বৌজাল হৈছে। তোমালোকে একো গমেই নোপোৱা। মই আকৌ কথাষাৰ কিমান সচাঁ তাৰ খবৰ লববৈলেহে আহিছো।

মালতী পেহীয়ে কথা বঢ়ালে। তাইৰ পাক লগা কথাত ৰঙিলীৰ শাহুৱেকে ডবিয়াই উঠিল।

ঃ সেই এইজনী কথাষাৰ ক পোনে পোনে।

ঃ কেলেই, সেই বিয়া হৈ দুদিনতে পৈয়েকৰ মূৰ খোৱাজনী আকৌ, সেই যে উদয়চুকৰ, ঘৰলৈ ঘূৰি আহিছিল যে, গুৰু গোঁসাই নমনা কুলক্ষণী জনী আকৌ, তাৰেই ফচল।

ঃ অ সেই ৰূপালীৰ কথা কৈছ।

ঃ ছিকৌ কথা থু! নাম নল'বা হে। সেই ডাংকাটী জনীৰ নাম লোৱাও পাপ।

ঃ বহুতৰ মুখত ৰূপালীৰ কথাবোৰ শুনিছে ৰঙিলীয়ে। আজিকালি বোলে ৰূপালীৰ ঘৰলৈ গাৱঁৰ বুঢ়া ডেকাৰ সঘন আহ যাহ।

ঃ কিবানে বোলে কাৰ ফালৰ বা সেইটো?

ঃ চু বাকলি, কেনেকৈ জানিবা হে, সেই নাককাটীজনীৰ কিবা এটা মতা আছে নেকি? ৰাতি ৰাতি কোনে কোনে বা যায়। পিছে মই অন্য এষাৰ কথা শুনিহে ইয়ালৈ ঢাপলি মেলিলো।..... অ বৌদেউ তোমালোকৰ ঢাপতে পেলাই থৈছিল বোলে। ক'ত কি কৰিলা হে?

ঃ হওঁতে আমাৰ ঢাপৰ কাষতে পেলাই গৈছিল। পিছে বাচি আছিল দেখি বাপুৱে ডাক্তৰ খানালৈ লৈ গ'ল।

ঃ এই কিনো দৰকাৰ আছিল নলগা জেঙত লাগিবলৈ। এনেয়েও গোটেই গাওঁখনতে কথাবোৰ ফুটি ফাটি গৈছে, বোলে আমাৰ ইও দুদিনমান গৈছিল সেইফালে।

ঃ কি কথা কৰ' অ মালতী। বাপুৱে শুনিলে তোক দুছেও কৰিব। ৰঙিলীৰ শাহুৱেকে ভেকাহি মাৰিলে।

ঃ আমি কৈছোনে কিবা। গোটেই অঞ্চল বিয়পি পৰিছে। ন'হেলেনো ইমান দূৰ বগোৱা বাই তোমালোকৰ ঢাপতে পেলাবনে?

মালতী পেহীৰ কথা শুনি ৰঙিলী জুহালতে ঢুপুচকৈ বহি পৰিল। বুঢ়ীহতঁৰ কথাবোৰে তাইক চেপি খুন্দি আনিলে। তাইৰ খং উঠিছে মানুহটোক মিছা বদনাম দিয়া বাবে। নৰেনে কেতিয়াও এনে কৰিব নোৱাৰে। তাইৰ বুকুত এনে মৰ কামোৰ কেতিয়াও মাৰিব নোৱাৰে সি। এইয়া বাৰু ৰঙিলীয়ে কি শুনিছে। কেঁচুৱাটো ডাক্তৰ খানালৈ দি পঠাই ভুল কৰিলে নেকি বাৰু তাই? নৰেন ইমান সময় কিয় অহা নাই? নে সচাঁকৈ এইটো নৰেনৰ ল'ৰা। ওঁহো হবই নোৱাৰে। সি কাৰ ল'ৰা সেইয়া বিচাৰটো তাক দেখোঁতে তাই কৰা নাছিল। একমাত্ৰ ভগৱানৰ প্ৰসাদ বুলি তাক ডাঙৰ কৰিম বুলিয়ে ডাক্তৰ খানালৈ পঠাই দিছিল। কিন্তু এতিয়া কিয় এই প্ৰশ্নবোৰে মেৰিয়াই ধৰিছে তাইক। যদি সচাঁকৈ মালতী বুঢ়ীয়ে কোৱা কথা কেইষাৰ সচাঁ হয় তেন্তে..... । তাই পাৰিবনে আকোৱালি লব তাক? আৰু নৰেন..... । ধেৎ কিনো কথাবোৰ ভাবি আছে তাই। এইয়া বাৰু কেনেকৈ হব। নৰেন

ৰাতি দেখোন সদায় তাইৰ কাষতে থাকে। কিন্তু কেতিয়াবা চহৰৰ বন্ধুৰ ঘৰলৈ যাওঁ বুলি যে ৰাতি দেৰিকৈ আহে, সচাঁকৈ যায় নে বাৰু বন্ধুৰ তালৈকে নে ৰূপালী... । ছিঃ ভাবিব নোৱাৰা হৈ পৰে ৰঙিলী।

মালতী বুঢ়ীয়ে সিচি দিয়া সন্দেহৰ বীজটো খন্তেকতে ৰঙিলীৰ বুকুত শিপালে। তাই ভাবিলে, যদি কথাবোৰ সঁচা হয়, তেতিয়াহলে তাই কাকো ক্ষমা নকৰে। পেলাই দিব সেই পাপৰ বীজ তাই চিন্তাই খন্তেকতে আউলি বাউলি কৰিলে তাইক। কথাবোৰ পাগুলি পাগুলি বহি থাকিল তাই। তেনেতে বাহিৰত নৰেন অহাৰ উমান পালে। বুঢ়ীহঁতৰ কথা বন্ধ হ'ল। ৰঙিলীয়ে নিজকে সাজু কৰিলে নৰেনক জেৰা কৰিবলৈ। নৰেন সোমাই আহিল ভিতৰলৈ, ৰঙিলীৰ সন্মুখত মাটিতে বহি পৰিলহি সি। ৰঙিলীয়ে কথা আৰম্ভ কৰিবলৈ বুলি নৰেনলৈ চালে। কিন্তু এইয়া কি...? এইজন দেখোন ৰাতিপুৱা ওলাই যোৱা নৰেন নহয়। চকু ৰঙা চলচলীয়া, এটা যেন কাল ধুমুহাই বিধস্ত কৰি গ'ল সকলো। একো বুজিব পৰা ৰঙিলীয়ে। প্ৰশ্নবিলাক এটা এটাকৈ নাইকিয়া হৈ গৈছে। কি হ'ল নৰেনৰ তাৰমানে কথাবোৰ সঁচা নেকি? আৰু তাৰ কি হ'ল? হঠাতে নৰেন বহাৰ পৰা উঠিল, এটা অচিনাকি মাতেৰে ক'লে

ঃ এহ্ বৰ ভুল কৰিলো, চুৰা গাৰে সোমাই দিলোঁ। ৰ' মই গাটো ধুই আঁহো।

চুৰা গা, তভক মাৰিলে ৰঙিলী। কি'হৰ চুৰা, কেচুৰাৰ জন্মৰ চুৰা! তাৰমানে... নে । কিন্তু পিছমুহূৰ্ততে মনৰ পৰা সকলো আঁতৰি এটা কথাই হাঁহাকাৰ লগালে ৰঙিলীৰ বুকুত। কণমানিটোৰ কি হ'ল?

ঃ বুজিছা, ই মহেনে কিন্তু.....

নাই একো নকৈ নৰেন ওলাই গ'ল। আচৰিত হৈ পৰিল ৰঙিলী। নৰেন, ৰূপালী, দেৱশিশু, মহেন... কথাবোৰ কিবা খেলিমেলি হৈ পৰিল। জিভাৰ আগত আহি ৰৈ গ'ল

ঃ ল'ৰাটো ক'ত?

ৰঙিলী এনেদৰে বহি থাকোতেই নৰেন পুনৰ সোমাই আহিল।

ঃ কি হ'ল অ ৰঙিলী, বহাৰ পৰা নুঠাই হলি যে।

নৰেনৰ মাত এইবাৰ স্বাভাৱিক। ৰঙিলীয়ে তালৈ চালে। এইবাৰ কিন্তু তাৰ চকুত অলপ আগতে দেখা ধুমুহা নাই। তাৰ ঠাইত আছে এযোৰ শান্ত গভীৰ দৃষ্টি। তাই একো নামাতিলে। মাতেনো কেনেকৈ? তাইৰ বুকুত যে এই সময়ত হাজাৰটা প্ৰশ্নৰ বানে খলকনি তুলিছে।

ঃ ই মহেন অহা মাহত আহিব ন'? নৰেনে সুধিলে ভায়েকৰ কথা। ৰঙিলী নিমাত।

ঃ বৰ কষ্ট কৰিছিলো তাৰ কাৰণে। অৱশ্যে তাৰ ফলস্বৰূপে সি আজি ভাল চাকৰি এটা কৰি আছে। তইয়ো বাৰু কমখন কষ্ট কৰিছিলিনে তাৰ লগত। এতিয়া পিছে আমাৰ মহেন ডাঙৰ হ'ল বুজিছ'।

এৰা ৰঙিলীৰ মনত আছে। তাই এইখন ঘৰত সোমাওঁতে মহেন স্কুলত পঢ়ি আছিল। নৰেনে ভায়েকক খেতিয়ক নবনাও বুলিয়ে নিজে কষ্ট কৰি পঢ়ুৱাইছিল। স্কুলৰ পাছত কলেজ পাছ কৰি আজি সি চাকৰিয়াল। কিন্তু এই সময়ত মহেনৰ কথা কিয়? ৰঙিলীয়ে ভাবিলে।

ঃ বুজিছনে সি ডাঙৰ হ'ল। এইবাৰ তাৰ বিয়াখন পাতি দিব লাগিব। হওঁতে মোৰ চকুত ছোৱালী এজনী আছে।

উৰা গোঁসাই এই মানুহটোৰ কি হৈছে? কিবা আবোল তাবোল বকিছে দেখোঁন। তাই ভাবিলে, লগতে অনুভৱ কৰিলে নৰেনৰ কথাত বাজি ৰোৱা বিষাদৰ সুৰ এটা। একো বুজিব নোৱাৰে তাই। অস্থিৰ হৈ মুখ ফুটাই কয়

ভায়েকৰ বিয়া পাতিব বাৰু। সেইবোৰ কথা পাতিবলৈ সময় আছে নহয়।

সময় বেছি নাই বুজিছ'। এইবাৰ বিয়াখন পাতি দিবই লাগিব। তোকো জানো কামত ইখন সিখন কৰি দিবলৈ মানুহ নালাগে। ঘৰখনতো কেচুৰাৰ কান্দোন এটা শুনিবলৈ সকলোৱে বাট চাই আছে। আমিতো দিব নেৱাৰিলেৰেই.... ।

কথাখিনি কবলৈ নৰেনৰ যেন কষ্ট হয়।

এইবোৰ কি কৈ আছেনো? সি আহিলে এইবাৰ বিয়া পাতি দিব বাৰু। কিন্তু....

ঃ কিন্তু কি হ'ল আকৌ?

ৰঙিলীয়ে অলপ সেপ ঢুকি ল'লে, তাৰ পাছত লাহেকৈ ক'লে

কেচুৱাপোৱালি কণক ডাক্তৰ খানাতে এৰি থৈ আহিল নেকি?

ৰঙিলীৰ প্ৰশ্নত নৰেনে তাইলৈ চালে। তাৰ চকুত বিয়পি পৰিল পোৱা নোপোৱাৰ হৰ্ষ বিষাদ। সি লাহে লাহে ক'লে নহয় অ' ৰঙিলী। তাক তাৰ মাকক গটাই থৈ আহিলো। ভাবিছো যিমান সোনকালে পাৰো বাপেকক লগ লগাই দিম।

কথাষাৰ কৈ নৰেন উঠি গ'ল। ভেলেঙীৰ দৰে থৰ লাগি বহি ৰ'ল ৰঙিলী। কথাষাৰ তাই যেন বুজি পালে। খোলা দুৱাৰ খনেৰে তাই বাহিৰলৈ চালে, উদাস তাইৰ চাৱনি, মনটো তাইৰ উদং উদং লাগিল। পুনৰ বাৰ চকু ঘূৰাই নিজৰ উদং কোলাখনলৈ চালে। দুটোপাল অপ্ৰাপ্তিৰ তপত চকুলো অজানিতে তাইৰ কোলাত সৰি পৰিল। তাৰ সাক্ষী হৈ ৰ'ল মাথো জুহালৰ জুইকুৰা।।

"অৰ্ধ আকাশ"মোৰ বাবে এনেকুৱা এখন চিৰসেউজ শস্য শ্যামলা পথাৰ
য'ত প্ৰতিগৰাকী সখিয়েই সুখ দুখ,হাঁহি কান্দোন,আৱেগ অনুভূতিৰ কঠিয়া নিৰ্ভয়ে
নিঃসংকোচে সিঁচি দিব পাৰে।

।।

—মনময়ুৰী ছেত্ৰী সোণোৱাল—

*'Mob Lynching' অৰ্থাৎ উন্মত্ত জনতাৰ হিংসুকতাৰ বলি......... আমাৰ সমাজৰ সাম্প্ৰতিক সময়ৰ এটা ভয়াবহ সমস্যালৈ পৰিগণিত হৈছে। নিম্নোক্ত গল্পটো তাৰেই ছাঁত ৰচিত হৈছে।*

# এজাক কলীয়া ডাৱৰ

**দীপিকা দাস কলিতা**

"ধৰ্ ধৰ্, মাৰ্ মাৰ্.........।" ছোৱালীজনীৰ চুলিবোৰ খামোচ মাৰি ধৰি বাগানৰ মিলৰ মালিকজনে বিশাল পথাৰখনলৈ চোঁচৰাই লৈ গৈছে তাইক। চিঞৰি চিঞৰি কাতৰ অনুৰোধ কৰা ছোৱালীজনীৰ মাতষাৰলৈ কাণষাৰ নাই কোনোৰে। ধান দাই নিয়াৰ পাছৰ শুকান নৰাবোৰত লাগি তাইৰ কোমলীয়া শৰীৰটো আঁকুহি বাঁকুহি গৈছে। তেজে তুমৰলি বান্ধিছে তাই নতুনকৈ বৈ ওলোৱা বগা চাদৰখনৰ ভাঁজবোৰত। ককাঁলৰ পৰা তললৈ খহি পৰিব বিচৰা মেখেলাখন দুভৰিৰে চেপি ধৰি লজ্জা নিবাৰণৰ বৃথা চেষ্টা কৰিছে তাই। মাথো দুচকু মুদি 'কৃষ্ণ কৃষ্ণ' স্মৰিছে। চিঞৰিছে......... "হে প্ৰভু .........মোক বচোৱা...... বচোৱা.........।" আকৌ চিঞৰিছে তাই......... "মা......... , দাদা.........,  দেউতা.................।" নাই শেষলৈ কোনেও নুশুনিলে তাইৰ মৰণ কাতৰ আৰ্তনাদ। কাৰণ শুনিবলৈ তেওঁলোক যে নাইয়ে তেতিয়ালৈ। তাইক বান্ধি ৰখাৰ নাতিদূৰৈতে থকা দ' খাঁৰৈটোৰ কাষলৈ সিহঁতবোৰে তাইৰ আপোন সকলোকে টানি মাৰি নি পাৰৰ গছবোৰত বান্ধিছে। তাৰপিছত উপৰ্যোপৰি লাঠিৰে কোবাই কোবাই তেজৰ নৈ বোৱাই দিছে। তেওঁলোকে যিমানেই হাত যোৰ কৰি জীৱন দান মাগিছে, সেই পাষাণ হৃদয়ৰ উগ্ৰ মানুহবোৰে সিমানেই নিষ্ঠুৰতাৰ বৰ্ম পিন্ধি কৰিলিয়াইছে। বখলিয়াই বখলিয়াই এৰাই পেলাইছে তেওঁলোকৰ দেহৰ ছাল। তাতেই ক্ষান্ত নাথাকি এজন এজনকৈ টানি নি গাত কেৰাচিন তেল ঢালি দিছে । বন্য উল্লাসত হিয়া জুৰাই চিঞৰিছে। সেই চিঞৰত তেওঁলোকৰ আৰ্তনাদৰ যেন কোনো স্থান নাই । শুকান ধান খেৰৰ জুমুঠি এটাৰ আগটোত জুই ধৰি জীৱন্তে তেওঁলোকৰ শৰীৰলৈ নিক্ষেপ কৰিছে। দাওদাওকৈ জ্বলি উঠা শৰীৰ আৰু কেঁকনিবোৰক আনএজনে লথিয়াই পেলাই দিছে দ খাঁৰৈটোলৈ বুলি। জুইৰ পোৰণিত ওলোৱা মৰণকাতৰ আৰ্তনাদেহে যেন শেষত সেই বন্য মানসিকতাৰ মানুহচামৰ হিয়া জুৰ পেলাইছে।তাৰপিছত সেই পৈশাচিক আনন্দত মগ্ন সিহঁতবোৰে সিহঁতৰ শেষ চিকাৰ জয়ন্তীলৈ চোঁচা লৈছিল।

ঘটনাটোৰ আৰম্ভণিৰ বাবে বহুদিন অথবা বছৰৰ প্ৰয়োজন নাছিল। কোৱা হয়, 'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ'। ঠিক তেনেকুৱাই। চাহবাগানৰ নামনিতে আছিল জয়ন্তীহঁতৰ বিশাল ধাননিডৰা। পেছাত শিক্ষক যদিও নিলাম্বৰ বৰুৱা মাষ্টৰে নিজৰ মাটিডৰা আধিত দি সেই ঠাইৰ বহুজনৰ ঘৰৰ জুহালখন উমাল কৰি ৰাখিছিল। নীলাম্বৰৰ পত্নী ইভা আছিল এগৰাকী বিখ্যাত হ'মিও চিকিৎসকৰ জীয়াৰী। সেইবাবে দেউতাকৰ বিদ্যাটো নিজে কিছুপৰিমাণে কিতাপ আদি পঢ়ি আয়ত্বলৈ আনিছিল। সেই বিদ্যাই মান পাইছিল এই সৰু ঠাইখনৰ অভাৱী মানুহবোৰৰ মাজত। এখন জহি খহি যোৱা ধ্বংসপ্ৰায় চিকিৎসালয়ত মাহেকৰ মূৰত দেখা দিয়া চিকিৎসকজনৰ অভাৱ যেন ইভাৰ স্পৰ্শত বহু পৰিমাণে উপশম হৈছিল। বহু কম সময়তে মানুহৰ সোঁত বৈছিল জয়ন্তীহঁতৰ ঘৰখনলৈ। কামৰ উপৰিও কেতিয়াবা অনাহাৰে থকাজনে ভোক লাগিছে বুলি জনালেই সামৰ্থনুযায়ী অন্নমুঠি নতুবা হাতখৰচ কিছু গুজি দি হলেও সহায় কৰিছিল তেওঁলোকে। কৃতজ্ঞ গাঁওবাসীয়ে নীলাম্বৰ আৰু ইভাৰ উপকাৰৰ শলাগ লৈ যেন কেতিয়াও শেষ কৰিব নোৱাৰিব। কেইবাঘৰেও তেওঁলোকক ভগৱানৰ ৰূপত পুঁজিব লৈছিল। এখন অশিক্ষিত, অভাৱে জুৰুলা কৰা সমাজৰ মানুহৰ বাবে ইয়াতকৈ বেছি কল্পনাৰো অগোচৰ আছিল। বাবা-কবিৰাজ, জৰা-ফুঁকা, বলি-বিধানতেই জীৱনক জোখা মানুহবোৰে বৰুৱা মাষ্টৰৰ পৰিয়ালৰ পৰা বিনামূল্যত পোৱাখিনিৰ বাবে অত্যন্ত কৃতজ্ঞ আছিল। কিন্তু ইমানদিনে ভেশচন ধৰি বাবা কবিৰাজৰ নামত ধনৰ হৰলুকী কৰি খাই থকা নদাই ভদাইহঁতৰ সহ্য হোৱা নাছিল কথাবোৰ। তদুপৰি টকা সুদত দি চক্ৰবৃদ্ধি সুদেৰে বহু সম্পত্তি গোটোৱা, চাহমিলৰ মালিকজনৰো ব্যৱসায় মন্দা হবলৈ আৰম্ভ কৰিছিল। এই সকলোৰে মিলি একগোট হৈছিল। চাহ বনুৱাক সহায় নকৰিবলৈ সিহঁতবোৰে বহুবাৰ সকীয়াও গৈছিল মাষ্টৰৰ পৰিয়ালটোক। সকীয়াইছিল

বংশ গোষ্ঠী নিঃশেষ হোৱাকৈ সাং কৰিম তহঁতবোৰক। সাহসী আছিল ইভা, নীলাম্বৰ। সেয়েহে সাহসী হৈছিল তেওঁলোকৰ সন্তানবোৰো।দুষ্টক প্ৰশ্ৰয় নিদিও বুলি অলপো কেৰেপ নকৰি আগৰ দৰেই সেৱা আগবঢ়াই গৈছিল তেওঁলোকে। কিন্তু তেওঁলোকৰ অজানিতেই এটা বৃহৎ ষড়যন্ত্ৰই গা কৰি উঠিছিল সৰু গাঁওখনৰ কোনোবা এটা চুকত।

ভাদ মাহ তেতিয়া। প্ৰচণ্ড গৰম। মাজে মাজে বৰষুণ। বাগানৰ ঠায়ে ঠায়ে ঝুমুৰ নৃত্যৰ আখৰা চলি আছিল। ঢোল,মাদল, তাল অথবা বাঁহীৰ সুৰে আকাশ বতাহ আন্দোলিত কৰি তুলিছিল। সমনীয়া ছোৱালীবোৰৰ সৈতে মাষ্টৰৰ ছোৱালী জয়ন্তীয়ে নৃত্যৰ আৰু পুত্ৰ অংগদে মাদল বজোৱাৰ প্ৰশিক্ষণ লোৱাত ব্যস্ত। সেইবাৰ মাষ্টৰ আৰু বাগানৰ কিছু বৰমুৰীয়াৰ আশাসুধীয়া প্ৰচেষ্টাত কৰম পূজাৰ লগত সংগতি ৰাখি এক বৃহৎ অনুষ্ঠানৰ আয়োজনো চলিছে। দুৰ দুৰণিৰ পৰা মতা হৈছে নামী গায়ক আৰু নৃত্যৰ দল। তদুপৰি বাগানৰ শিল্পী সকলৰ অনুষ্ঠানবোৰতো আছেই। ব্যস্ত হৈ পৰিছিল সকলো। চৌদিশে বৰুৱা মাষ্টৰৰ পৰিয়ালটোৰ জয়ধ্বনি শুনা গৈছিল। অনুষ্ঠানৰ বিশেষ অতিথি অপ্যায়নৰ তালিকাত মাষ্টৰৰ নামটোৱে শোভা পাইছিল। আন দিনাৰ দৰে সেইদিনাও ঝুমুৰৰ আখৰা কৰা দলটো মাষ্টৰৰ চোতালত সমৱেত হৈছিল। সন্ধিয়াৰ পৰা নিশা দহ বজালৈ আখৰাত ব্যস্ত থকা লৰা ছোৱালীবোৰে নিশাৰ সাজটো তাতেই খায় ঘৰলৈ যায়। কিন্তু সেইদিনা নিশাৰ আহাৰ খোৱাৰ লগে লগেই এজন এজনকৈ ল'ৰা ছোৱালীবোৰ মাটিত ঢলি পৰিলে। মুখেৰে ফেন বৈ গৈছিল সিহঁতবোৰৰ। তৎমুহুৰ্ততে হুৱাদুৱা লাগি গৈছিল চৌদিশে। বাগনৰ পৰা চাহপাতৰ বেগ কঢ়িয়াই নিয়া ডাঙৰ ট্ৰাকখনতে সকলোকে উঠাই বাহিৰৰ ডাঙৰ চিকিৎসালয়খনলৈ পঠিওৱা হৈছিল।

হঠাৎ ক'ৰ পৰা কি হ'ল বুলি মুৰে কপালে হাত দি বহা মাষ্টৰ বাবুক কেইগৰাকীমানে লগে লগে আহি জপটিয়াই বান্ধিলে। 'হেই কি কৰিছা বুলি', আগবাঢ়ি অহা ইভা আৰু অংগদকো গোহালিৰ পৰা টানি লৈ অহা ৰচীডালেৰে মেৰিয়াই বান্ধিলে। উত্তাল সেই জনতাই মুহুৰ্ততে পাহৰি গ'ল তেওঁলোকে দেৱতাৰ শাৰীত বহুওৱা সেই মানুহজনৰ অৱদান। পাহৰি পেলালে সময় বিশেষে ইভাই বেমাৰৰ দৰৱ অথবা পৰামৰ্শৰে জীৱন বচোৱা জীৱনবোৰৰ কথা। নিতৌ সিহঁতৰে সৈতে উঠা বহা কৰি ঘূৰ্মুটিয়াই ফূৰা কাণসমনীয়া ল'ৰা ছোৱালীহালৰ কথা। দিনটো বৰষুণত তিতি থকা বোকা মাটিৰে ভৰপুৰ কেঁচা বাটটিৰে সিহঁতবোৰে বয়সস্থ মানুহজনক আগে আগে চোঁচৰাই টানি নিলে। পিছে পিছে ইভা আৰু অংগদ । তাৰপিছত গাঁওৰ সেই অশিক্ষিত , উত্তাল জনতা। সকলোৰে শেষত জয়ন্তীক হাতত বান্ধি চোঁচৰাই নিছে চাহ বাগানৰ সেই মিলটোৰ মালিকজনে। ওৰেটো বাট সি জয়ন্তীৰ সৰ্বশৰীৰৰ ওপৰেৰে পিটিপিটাই হাত ফূৰাইছে। খহি পৰিব বিচৰা চাদৰৰ আচলখন বন্ধা হাতেৰে ঠিক কৰিব নোৱাৰি তাই পিছত মুখেৰে কামুৰি বুকুখন হলেও ঢাকিবলৈ চেষ্টা কৰিছে। এইবাৰ সেই কুলাংগাৰটোৱে তাইৰ ককাঁলত ভাকুটকুটাই দিছে। টনা আজোৰাত পিছলি পৰা মেখেলাখন দুভৰিৰে চেপি ধৰিয়ে তাই লজ্জা নিবাৰণৰ বৃথা চেষ্টা কৰিছে। লগতে ডিঙি ফালি চিঞৰিছে, "মা......... দাদা............দেউতা............ হে ভগৱান,কৃষ্ণ, কৃষ্ণ। " দেউতাকে উভতি চাই চিঞৰিছে, "ঐ......... মাজনীক এৰি দে....অ.........! কিয় পাহৰি গৈছ মোৰ সহায়ৰ হাতখন !!" তেনেতে কোনোবা এজনে আহি সেই হাতখনতে কাঠৰ মুৰা এটাৰে প্ৰচণ্ড জোৰত কোব সোধালে। আকৌ কোবালে। দেউতাকক আগুৰি ধৰি কান্দি থকা মাকৰো পিঠিতে আন কোনোবাই হালোৱা এচাৰিৰে কোব সোধালে। ডেকা তেজাল দাদাকে হাতৰ জৰীডাল ছিঙি আগবাঢ়ি আহি দুজনক আৰ্ফাল মাৰি দলিয়াই দিলে। লগে লগে এজনে দাদাকক বগৰাই টানি টানি নি খাঁৰৈৰ কাষৰ গছ এজোপাত বান্ধিলে। মাক দেউতাককো বান্ধিলে। জয়ন্তীৰ মাতবোৰ ক্ৰমাৎ নুশুনা হৈ পৰিল। তেওঁলোকে কাতৰভাৱে জীৱনদান বিচাৰিলে সিহঁতবোৰৰ ওচৰত । কিন্তু সিহঁতৰ হিয়াৰ কঠিন বৰফ অলপো নগলিলে। বৰঞ্চ হেপাঁহ পলুৱাই লাঠিৰে কোবাই কোবাই শেষত গাত কেৰাচিন ঢালি, শুকান খেৰৰ জুমুঠি সাজি জুই জ্বলাই তেওলোকৰ গাত লগাই দিলে। তাৰপাছৰ আস্ফালনবোৰ যেন বতাহৰ লগতহে মিলিত হৈ গ'ল। একে সময়তে গাঁৱৰ সকলোবোৰ মানুহ যেন ৰক্তপিপাসী জীৱ একোটিলৈ ৰূপান্তৰিত হৈ গ'ল। য'ত যুক্তিৰ স্থান নাই , হৃদয়ৰ স্থান নাই। য'ত কেৱল মাথো প্ৰয়োজন মৃত্যুৰ কিৰিলিৰ। সেই চিৎকাৰবোৰেহে যেন সিহঁতবোৰৰ প্ৰতিশোধৰ দাবানল শান্ত কৰিব পাৰিব। কেনেকৈ কি হৈ ঢলি পৰিছিল ল'ৰাছোৱালীবোৰ , তালৈ কোনোৰে ভ্ৰূক্ষেপ নাই। বিচাৰো লোৱা নাই। অথচ "আমি একো কৰা নাই" বুলি চিঞৰি কৈ থকা মানুহজনৰ কথা মূৰত সোমাব নোৱাৰাকৈ সিহঁতৰ মগজুবোৰ খালী হৈ পৰিছিল।এমাহমান আগতে ধান দাই নিয়া তেওঁলোকৰে খেতি পথাৰত পাগলৰ দৰে হৈ পৰা মানুহবোৰে তেওঁলোকলৈ শেষ চিতা সাজিলে। শৰীৰত জুই জ্বলাই দি ওচৰৰে দ' খাঁৰৈটোত ঢকিয়াই ঢকিয়াই পেলাই

দিলে। ধোঁৱা আৰু চিৎকাৰৰ মাজেৰে মাষ্টৰৰ পৰিয়ালৰ তিনিটি প্ৰাণী শূন্যত বিলীন হৈ গ'ল। এইবাৰ তেওঁলোকৰ চিকাৰ জয়ন্তী.........। মিলৰ মালিকৰ পিছতে সেই নদাই ভদাই আৰু ইমানদিনে লোলোপ দৃষ্টিৰে চোপ লৈ চাই থকা ডেকাবোৰ শগুণে খোৱাৰ লেখীয়াকৈ কুৰুকি কুৰুকি খালে তাইৰ কোমলীয়া দেহৰ তেজ আৰু মঙহ। বুকুৰ কাপোৰখন টান মাৰি টানি নিওঁতেই তাই অৰ্ধ মৃতপ্ৰায় হৈছিল। শাৰিৰিক অত্যাচাৰটো তেনেই নগণ্য। পাশৱিক সেই পাষণ্ডবোৰে শেষত তাইৰ মৃত শৰীৰটোকো ৰেহাই নিদিলে। কামুৰি টানি বখলা বখল কৰিলে তাই মনৰ লগতে দেহকো......।

শেষ হ'বলৈ তেতিয়া আৰু একোৱে বাকি নাছিল। চাইৰেণ বজাই সোমাই আহি পুলিচে কেৱল জয়ন্তীৰ চিৰাচিৰ শৰীৰটোহে উদ্ধাৰ কৰিছিল। অপৰাধী পলাই পত্ৰং দিছিল যদিও পুলিচৰ নেৰানেপেৰা প্ৰচেষ্টাত ধৰাত পৰিছিল। শাস্তি হৈছিল অপৰাধীৰ। কিন্তু হঠাৎ নামি অহা এজাক কলীয়া ডাৱৰে চিৰদিনলৈ নিঃশেষ কৰি গৈছিল এটা পৰিয়ালৰ সকলোকে। উন্মত্ত জনতাৰ হাতত উত্তেজিত হৈ মানুহবোৰে দিগবিদিক যেন হেৰুৱাই পেলাইছিল। অতঃএব পিছলৈ নিজৰ ভুল বুজি কৰা পৰিতাপৰো ভাষা নোহোৱা হৈছিল।

অৰ্দ্ধ আকাশৰ মজিয়াত মই নিসংগতাৰ সঙ্গী বিচাৰি পালো।
অতীতত হেৰাই যোৱা লগতে বৰ্তমান আৰু ভৱিষ্যতৰ আশাৰ ৰেঙণি বিচাৰি পালোঁ।
হেৰাই যোৱা বাটবোৰ আকৌ চিনাকি হ'ল।ধন্যবাদ অৰ্দ্ধ আকৌ উজলি উঠা
পোহৰৰ বাটবোৰ দেখুৱাই যোৱা।

।।

—ৰীণা দেৱী—

# ৰং

## হিৰন্ময়ী গগৈ কোঁৱৰ

সখীৰ বিয়াৰ খবৰ আহিছে , ভালেমান দিনৰ বিৰতিৰ মূৰত। তাইৰ দুখন বিয়া ভাঙিছিল ,গাৰ মটীয়া ৰংটোৰ বাবে। চাহ-জলপানৰ শৰাধ কৰি যোৱা ল'ৰাৰ ঘৰে বোলে নিৰ্লজ্জভাবে এই সমীক্ষা সিহঁতৰ ঘৰলৈ পঠিয়াই দিছিল। হাঁহি উঠিছিল মোৰ, আয়ে দেহি চকুত চানি পৰাহঁত! তহঁতে ৰং চিনি নেপালি!

ঠিক টোপনিৰ পৰা সাৰ পোৱাৰ দৰে লাগিছিল মোৰ। হয়তো এটি উপলক্ষ নতুবা এটি অজুহাত পাই সংগোপনে বুকুৰ একোণত জীয়ন দি থোৱা হেঁপাহ এটিয়ে ঠন ধৰি উঠিল। কাৰণটো কাৰোবাৰ বাবে হাস্যকৰ হবও পাৰে। হওক। মোৰ কোনো আক্ষেপ নাই। বহুদিন নিজকে সজোৱা নাছিলো, আইনাৰ আগত বৈ নিজকে চাই ভেলেঙী হোৱাৰ বাসনা কৰবাত হেৰুৱাই পেলাইছিলোঁ। ব্ৰহ্মকুমাৰীৰ ৰূপ এটিয়ে মোৰ মন মগজু অধিকাৰ কৰি পেলোৱা মই আজি সখীৰ বিয়াত কৰিবলগীয়া সাজোন কাচোনৰ কল্পনা কৰি পেলালোঁ।

এছাটি প্ৰাণচঞ্চল বতাহে মোক শৈশৱৰ পখিলীজনী কৰি পেলালে ,মোৰ স্থবিৰ হৈ পৰা জীৱনলৈ সুমধুৰ কল্লোল নৈঃশব্দ্য ভেদি ৰিণিকি ৰিণিকি ভাহি আহিল।

মোৰ সমস্ত শৈশৱ সখীৰ গুণগুণনিৰে মুখৰ হৈ আছিল, এতিয়াও আছে। মোৰ খেলৰ একমাত্ৰ লগৰী আছিল তাই। দৰা-কইনা খেলখন আছিল আমাৰ আটাইতকৈ প্ৰিয় খেল। কি কাৰণত জানো! অবুজ শিশু মনত কইনাৰ প্ৰতিচ্ছবিখনে এক সুকীয়া ঠাই দখল কৰি পেলাইছিল। গাঁৱৰ বিয়ানামবোৰত শুনা ৰামে দি পঠোৱা সুৱৰ্ণ অলংকাৰৰ মোহত পৰিছিলোঁ। পূজাত কিনা প্লাষ্টিকৰ খাৰু মণিবোৰ পুতলা কইনাজনীক পিন্ধাইছিলোঁ আৰু মনে মনে নিজেও পিন্ধিছিলোঁ।

মোলৈ তাইৰ হেঁপাহৰ অন্ত নাছিল। সংগোপনে যৌৱনে আমাৰ দেহত টুকুৰিয়াইছিল। অদ্ভুত আছিল এই অনুভৱ। চিনাকি পৃথিৱীখনৰ অচিনাকি ৰূপত সন্মোহিত হলো। নাৰ্চিচাচৰ দৰে নিজেই নিজৰ ৰূপত মুগ্ধ হোৱাৰ বয়স, আনৰ কথাবোৰ অদৰকাৰী যেন লগাৰ বয়স। প্ৰেম, সপোন, জীৱন, আশা, ৰং এনেবোৰ যাদুকৰী শব্দৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিবলৈ আৰম্ভ কৰাৰ সময়।

এই ছঁয়ামৰা সময়তে মেট্ৰিকৰ দেওনা পাৰ হ'লো। যৌৱনৰ বলিয়া বতাহৰ বা এচাটিয়ে লুকাভাকু কৰিবলৈ ধৰিলে। শিহৰিত হৈ উঠিলো। সময় যে ইমান মায়াময় হব পাৰে ভবাই নাছিলোঁ। শৈশৱৰ ৰামচন্দ্ৰই চকুৰ আগতে ধৰা দিবলৈ ধৰিলে। স্বাভাৱিকভাৱেই মোৰ সুখ-দুখৰ লগৰী সখীজনীক মোৰ মনৰ কথাখিনি জনালোঁ। তাই উচপ খাই উঠিল!

"তই পাগল হৈছ নেকি? চিনি পাৱনে তাক ? আৰু সি এটা বদমাচ লৰা। তোতকৈ বহু ডাঙৰ। তাৰ প্ৰেমিকা কেইজনী জাননে?"

তাইৰ কথা শুনি মোৰ প্ৰথমবাৰৰ বাবে এনে লাগিল তাই হিংসাতে এনেদৰে কৈছে , কাৰণ তেতিয়ালৈকে তাইৰ কোনো প্ৰেমিক নাছিল। মোৰ দৰে পোৱা নাছিল তাই সতেজ গোলাপৰ কলি অথবা মিঠা মিঠা প্ৰেমালাপৰ সোৱাদ আৰু সোঁৰে-বাঁৰে ভোমোৰাৰ জাক। তাইৰ মটীয়া বৰণটোৰ প্ৰতি সেইদিনা পুতৌ জন্মিল। অহংকাৰী হৈ উঠিলোঁ মই। এনে মতলীয়া নিচা মই তাইৰ কথাত কিয় এৰিম। তাইৰ পৰা মোৰ দূৰত্ব বঢ়াই দিলোঁ।

বেপৰোৱাকৈ তাক মই যতে মন যায় ততে লগ কৰিবলৈ ধৰিলোঁ। তিনিআলি চাৰিআলিৰ আড্ডাত মই বিখ্যাত হৈ পৰিলোঁ।

মোৰ কৃতিত্বৰ খবৰ ঘৰৰ মানুহৰ কাণত পৰিবলৈ বেছি সময় নালাগিল। প্ৰথমে বুজনি, তাৰ পাছত পাল পাতি পাতি আহিল দাবি-ধমকি। আলাসৰ লাডু মই, অতিপাত মৰমৰ, এইবিলাক এখন কাণেৰে সুমুৱাই আনখনেৰে উলিয়াই দিলোঁ। মোৰ বাইদেউ আছিল। তায়ো আছিল বুজনি দিয়াসকলৰ মাজত, যি মোৰ দৰে পোৱা নাছিল সতেজ গোলাপৰ কলি অথবা মিঠা

মিঠা প্ৰেমালাপৰ সোৱাদ আৰু সোঁৱে বাঁৱে ভোমোৰাৰ জাক । তাইকো মোৰ প্ৰতিদ্বন্দ্বী বুলি ভাবিবলৈ ল'লোঁ। আৰু এবাৰ অহংকাৰী হ'বলৈ মোৰ বাবে যথেষ্ট আছিল। কালৈকো কেৰেপ নকৰি এক অদ্ভুত আনন্দ লাভ কৰিছিলো। মোক অনবৰতে সাহস দি আছিল মোৰ ৰামচন্দ্ৰই।

এদিন মোক হতবাক কৰি মোৰ গালত পৰিল দেউতাৰ এটা কাণতলীয়া চৰ, ইমান দিনে যাৰ আলাসৰ লাডু আছিলোঁ। কেনেকৈ সহো মোৰ সপোনৰ বিৰুদ্ধাচৰণ! মোৰ ৰামচন্দ্ৰই হৈ পৰিছিল মোৰ জীৱন, তাৰ বাহিৰে একো কথাই ভাল নলগা হৈ আহিল।

সপোন দেখিবলৈ আৰম্ভ কৰিছিলোঁৱে। সপোনৰ কাৰেঙত ৰাজৰাণী হবলৈ এদিন মোৰ ৰাজকুমাৰৰ লগত মনে মনে গুচি আহিলোঁ। নজনালোঁ মোৰ সখীকো! জনাবলৈ প্ৰয়োজনবোধো নকৰিলোঁ, এনেয়ো ভালেমান দিনৰ পৰাই তাইৰ লগত কথা পতা বন্ধ কৰি দিছিলোঁ কাৰণ তাই মোৰ সপোনৰ পথত হেঙাৰ হৈ থিয় দিছিল।

সি হয়তো এইটো দিনটোলৈকে বাট চাই আছিল আৰু ময়ো। পৰম হেঁপাহেৰে সি মোক তাৰ জীৱনলৈ আমন্ত্ৰণ জনালে। কলেজলৈ অহাৰ চলেৰে তাৰ বাইকৰ পিছৰ ছিটত বহোতেহে বুকুখন দুৰুদুৰুকৈ কঁপিছিল। তাক জোৰকৈ সাৱটি ধৰিছিলো আৰু পাহৰি পেলাইছিলো সকলো।

তেতিয়া সন্ধ্যা লাগি ভাগিছিল। এটা সৰু ঘৰৰ সন্মুখত আমি ৰ'লোগৈ। ভয়ত অণ্ঠকণ্ঠ মোৰ শুকাল। তাৰ পিছে পিছে সন্তৰ্পণে গৈ বাৰাণ্ডা পাওঁতেই এগৰাকী মহিলাৰ মাত শুনিলো।

"পালিহি?"

তেওঁ যেন আমাৰ বাবেই ৰৈ আছিল । মোলৈ এবাৰ মনোযোগেৰে চাই ক'লে,

"ভিতৰলৈ আঁহা।"

লাজে ভয়ে তেওঁৰ পিছে পিছে সোমাই গ'লো। এটা সাধাৰণ ঘৰ, সাধাৰণ আচবাব । সাংঘাতিক কিবা এটা হ'ব বুলি ভাবি থাকিলোঁ আৰু মুখামুখি হ'বলৈ মনে মনে প্ৰস্তুত হ'লোঁ। অতি সহজভাৱে মাকে মোক চাহ খাবলৈ দিলে , কোনো দিনে চাহ নোখোৱা মই সেইদিনা চাহকাপ বিনা প্ৰতিবাদে খালো। তেওঁ মোক কাপোৰ সলাই লবলৈ কলে, তেওঁ বোধহয় জানিছিল মই মনে মনে কাপোৰ এসাজ লৈ গৈছোঁ। তাৰ বাহিৰে তেওঁ মোৰ লগত একো কথাই নাপাতিলে । অতি সহজ ভাৱে তেওঁ ভাত খাবলৈ দিলে। সেইদিনা মই তেওঁৰ লগতে শুলোঁ। পাছদিনাই সৰুকৈ নিয়ম এটা কৰা হ'ল, ৰামচন্দ্ৰই দিয়া সুৱৰ্ণ অলংকাৰ পিন্ধা কইনাজনী নোহোৱাকৈয়ে বোৱাৰীৰ সাজ পিন্ধিলোঁ। আৰম্ভ হ'ল মোৰ প্ৰিয়জনৰ সৈতে জীৱন যাত্ৰা। মিঠা মিঠা তন্দ্ৰালস সময়বোৰত নিজকে হেৰুৱাই আটাইতকৈ সুখী হৈ পৰিলোঁ।

অহুকাণে পহুকাণে শুনিছিলো ঘৰত ধুমুহাৰ সৃষ্টি হৈছিল, মায়ে বোলে কান্দোনত গছৰ পাত সৰুৱাইছিল। এইবোৰ কথাই শেল একোপাট হৈ মোক বিদীৰ্ণ কৰি পেলাইছিল যদিও সহজ হৈ আছিলোঁ।

মই তাৰ মাককো মা বুলিয়েই মাতিবলৈ লৈছিলোঁ। মা আৰু তাৰ মৰমৰ সাগৰত এমাহমান অতি আনন্দেৰে পাৰ হ'ল। লাহে লাহে মন কৰিলো সি বেছি ব্যস্ত হৈ পৰিছে, মোক এৰাই চলে, মাকৰ লগতেই কথা পাতে, ঘৰলৈও দেৰিকৈ আহে। সুধিলে কয়, দোকানৰ কাম বেছি হৈছে। টাউনত তাৰ এখন দোকান আছে বুলি জানিছিলোঁ, তেতিয়ালৈকে দেখা নাছিলোঁ। মায়েও সেইবুলিয়ে কয়, বেছিকৈ সুধি থাকিবলৈ মানা কৰে। এদিন সি গোটেই ৰাতি নাহিলেই, বাৰে বাৰে ফোন লগালোঁ, মবাইলো বন্ধ পালো। মই গোটেই ৰাতি চটফটাই থাকিলোঁ, মাক কিন্তু নিৰ্বিকাৰ হৈ থাকিল। এনে দিন আৰু ৰাতিবোৰ সঘনাই আহিবলৈ ধৰিলে। এদিন তাক সাহস কৰি কৈফিয়ৎ বিচাৰিলোঁ, মোক ইমান ধুনীয়াকৈ মৰমেৰে কথাৰে বান্ধি পেলালে যে মই সকলো পাহৰি পেলালোঁ।

অলপ দিনৰ ভিতৰতে কথাবোৰৰ পুনৰাবৃত্তি হবলৈ ধৰিলে। অজান বিপদৰ আশংকাত শংকিত হৈ পৰিলোঁ। যাৰ সৈতে মই মোক সুখ দুখ ভগাই ভাল পাইছিলো, মা, বাইদেউ আৰু সখীজনীৰ সৈতে কথা পতাৰ পথ ইতিমধ্যে ৰুদ্ধ কৰি পেলাইছিলোঁ। অকলশৰীয়া হৈ পৰিছিলো মই। কাণসমনীয়া সম্বন্ধীয়া জা এজনী পাইছিলো, তাইৰ লগত সুখ দুখৰ কথাবোৰ পাতিছিলোঁ। শাহুমায়ে তাইক সমূলি দেখিব নোৱাৰিছিল বুলি জনাৰ পিছত তাইৰ লগত কথা পাতিবলৈও মোৰ ভয় লাগিছিল।

এনে বিষময় দিনবোৰতে এদিন এটা ফোনে মোৰ ভৰিৰ তলৰ মাটি তচনচ কৰি পেলালে। ফোনটো আছিল এগৰাকী

মহিলাৰ, যি আছিল মোৰ মানুহজনৰ পূৰ্বৰ প্ৰেমিকা আৰু পত্নী । মই ঠিক এনে এটা আশংকাই কৰি আছিলোঁ, মোৰ ষষ্ঠ ইন্দ্ৰিয়ই তাৰেই সংকেত দি আছিল। মাথো ভগৱানক খাঁটি আছিলো মোৰ সন্দেহ অমূলক হয়! বিধ্বস্ত হবলৈ আৰু জানো কিবা লাগে! তাতোকৈ ভয়ংকৰ কথাটো আছিল তাৰ আগতেও বোলে সি আৰু এজনী আনি ঘৰ সুমুৱাইছিলহি, প্ৰেমিকাৰ কথাতো ক'বই নালাগে!

ক্ৰুদ্ধ বাঘিনীৰ দৰেই মই মাৰ সন্মুখত থিয় দিলোগৈ, সি ঘৰত নাছিল, বাহিৰতে বেছিকৈ থাকে। যোৱা মাহকেইটাত জমা হোৱা সকলো দুখ ক্ষোভ উজাৰি চিঞৰি চিঞৰি কৈফিয়ৎ বিচাৰিলোঁ। ওচৰৰ মানুহ গোট খালে। কাণসমনীয়া জাজনী আহি কান্দিবলৈ লাগিল, তেতিয়াহে যেন মোৰ হুঁচ আহিল। বহুপৰ কেৱল কান্দিলোঁ আৰু কান্দিলোঁ। চুবুৰীয়া মানুহবোৰে মোক সান্ত্বনা দিলে, উফৰি উফৰি আহি কাণত পৰা কথাবোৰৰ পৰা মই শুনা কথাবোৰ সঁচা প্ৰমাণিত হ'ল। কান্দি কান্দি এটা সময়ত ভাগৰি পৰিলোঁ। মানুহবোৰ ঘৰাঘৰি গ'লগৈ, জাজনী মোৰ ছাঁটো হৈ লগতেই বহি থাকিল। ইমান সময়ে শিল হৈ থকা কঠুৱা অন্তৰৰ মানুহগৰাকী, যাক মই মা বুলি মাতিবলৈ লৈছিলো, মোৰ ওচৰলৈ আহিল ।

"তুমি ঘৰলৈ যোৱগৈ।" এইবুলি তেওঁ মোক সাৱটি ধৰি কান্দিবলৈ লাগিল। ঘটনাৰ আকস্মিকতাত হতভম্ব হ'লোঁ। মই তেওঁৰ পৰা কেতিয়াও এনে ব্যৱহাৰ  আশা কৰা নাছিলোঁ। ভাবিছিলোঁ সচৰাচৰ হোৱাৰ দৰে তেওঁ মোকেই দোষী সাব্যস্ত কৰিব। তেনে নহ'ল সেইদিনা। শাহুমাৰ অন্য এটা ৰূপ দেখিলো সেইদিনা। সকলো কথা পৰিষ্কাৰ হৈ পৰিল, প্ৰথমবাৰৰ বাবে মই এগৰাকী কন্যা হৈ তেওঁৰ  বুকুত সোমাই কান্দিলোঁ।

কি ক'ৰোঁ এতিয়া মই ? সখীজনীলৈ মনত পৰিল , ঘৰলৈ যোৱাৰ পথ ভেঁটি থৈ আহিছিলো । মা দেউতা বাইদেউ কাৰো আগত মুখ উলিয়াবলৈ মই অযোগ্য হৈ পৰিছিলো । চাৰিওফালে এন্ধাৰৰ বাদে একোৱেই চকুত নপৰা হ'ল ।

মোৰ মটীয়া ৰঙৰ সখীয়ে হয়তো মোৰ খবৰ লৈয়েই আছিল , এনে এক সম্ভাব্য বিপদৰ আশংকা কৰিয়েই ! সঞ্জীৱনী সুধা হৈ তাই মোৰ যন্ত্ৰণাকাতৰ ঘাঁডোখৰত মলম সানিবলৈ আহিল  এন্ধাৰৰ মাজত এচেৰেঙা পোহৰ হৈ । মোৰ কৃতজ্ঞতা জনাবলৈ কোনো ভাষা নাছিল । তাইৰ সাহস আৰু মধ্যস্থতাতে সপোনৰ কাৰেঙ সাজিবলৈ অহা ঘৰখন এৰি মা-দেউতাৰ বুকুৰ মাজত সোমালোঁগৈ, তেওঁলোকেও সকলো পাহৰি কন্যাক আঁকোৱালি ল'লে। মোৰ ৰামচন্দ্ৰই সীতাক এৰাৰ দৰেই মোক ত্যাগ কৰিলে।

মোৰহে নিজক চম্ভালিবলৈ বছৰ জুৰি সময় লাগিল। মানুহৰ কথাৰ শেলবোৰে এই সময় বেছি যন্ত্ৰণাময় আৰু দীঘলীয়া কৰিলে। কোনো কোনো মুহূৰ্তত নিজকে শেষ কৰি দিয়াৰ কথা ভাবিবলৈ ধৰিলোঁ। বাইদেউৰ বিয়া হৈ গ'ল, মই অকণো সহজ হব নোৱাৰিলোঁ, ভনীয়েকৰ দায়িত্ব পালন কৰিবও নোৱাৰিলোঁ, বাইদেউৰ বিয়াত ভৰি ধুৱাবও নোৱাৰিলোঁ, কাৰণ মই বিবাহিতা! লাজ, অপমান আৰু সংকোচ, অপৰাধবোধ লগতে এখন তিতা- কেঁহা আইনী যুঁজৰ অন্তত মুকলি আকাশৰ তললৈ ওলাই অহাৰ আখৰা কৰিবলৈ ধৰিলোঁ । অনবৰতে মোৰ সাহস হৈ সখীজনীয়ে মোক আৱৰি থাকিল । তাই মোক কাহিনী শুনায়, কিতাপ আনি দিয়ে পঢ়িবলৈ। সুবিধা পালেই মোক নতুন জীৱন আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়ে ।

লাহে লাহে মই নিজৰ পৰিবৰ্তন অনুভৱ কৰিবলৈ ধৰিলোঁ। নিজক পুনৰ ভাল পাবলৈ আৰম্ভ কৰিলোঁ। এদিন ঘোষণা কৰিলোঁ যে মই মোৰ আধৰুৱা পঢ়া সম্পূৰ্ণ কৰিম আৰু নতুনকৈ বি.এ.ত নাম লগাই ল'লোঁ। মোৰ হেৰুৱা ৰংবোৰ ঘূৰাই আনিম বুলি নিজৰ ওচৰতে প্ৰতিজ্ঞা কৰিলোঁ। ইতিমধ্যে সখীৰ এম. এ. ও সম্পূৰ্ণ হৈছিল আৰু এখন বিদ্যালয়ত শিক্ষয়িত্ৰী কৰি আছিল।

কিছুদিনৰ পাছতেই আহিছিল সখীৰ বিয়াৰ খবৰ। ফুৰা চকা, বিয়া-সকাম এইবোৰ বাদেই দিছিলোঁ। সকলোৰে মনবোৰ সলনি হৈছিল, আত্মীয় আৰু পৰিয়াল পৰিজনৰ ঘৰত মোৰ উপস্থিতি কাম্য হৈ থকা নাছিল বুলি বুজি উঠিছিলোঁ। হীনমন্যতা, অপৰাধবোধ আৰু লাজে মোক বাৰুকৈয়ে চেপি পেলাইছিল। কেৱল সখীৰ ঘৰখন আগৰ দৰেই আছিল, মোৰ প্ৰতি থকা আন্তৰিকতাৰ হীন দেঢ়ি অনুভৱ কৰা নাছিলোঁ। একোৱেই যেন হোৱা নাই এনে এটা ভাৱ আনিবলৈ আৰু মোক পুনৰ্বিবাহৰ বাবে সৈমান কৰোৱাবলৈ তেওঁলোকে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। মই পিছে আন এটি কথাহে সংগোপনে ভাবি থাকিছিলোঁ।

সখীৰ ঘৰ ওলালোগৈ। বিয়ালৈ যদিও ভালেমান দিন আছিল, খবৰ কৰা মানুহেৰে ঘৰখন উদুলি মুদুলি হৈছিল। মোৰ ঘৰত মই এনে দিন এটি দিব নোৱাৰিলোঁ, মা-দেউতাই মনে মনে দুখ কৰি থাকে, মোক নকয় যদিও নুবুজাকৈ থাকোঁনে! আঙুঠি

পিন্ধোৱা, জোৰোণ, বিয়াৰ ৰভা এইবোৰ মোৰ দৰা কইনাৰ খেলতেই থাকি আহিল। মোৰ ভাগ্যত এইবোৰ নাছিল বুলিয়েই ধৰি লৈছোঁ।

সখী মোক লৈ ব্যস্ত হৈ পৰিল, সহজ হ'বলৈ আপ্ৰাণ চেষ্টা চলিল মোৰ। সখীৰ হ'বলগীয়া স্বামী তেওঁৰ বন্ধুৰ সৈতে আহিছিল সেইদিনা। বন্ধুজন কোন মোৰ বুজিবলৈ বাকী নাথাকিল। আজি মোক ইয়ালৈ মতাৰ কাৰণটো ফটফটীয়া হৈ পৰিল, তেওঁলৈ মই কেৰাহিকৈ চালোঁ। তেওঁ মোক বাৰে বাৰে চাই আছিল বুলি গম পালো। সৌজন্য ৰক্ষা কৰি কথা-বতৰা পাতিলোঁ। বুজিলো তেওঁ মোক ভালকৈয়ে জানে, মোৰ অতীত,বৰ্তমান সকলো। তথাপিও মোৰ ভয় লাগে, এবাৰ সাপে খোঁটা মানুহ মই।

খুড়ীয়েকে হবলগীয়া জোঁৱাইক জোকাই আছিল, "এইয়াই আমাৰ মাজনীৰ ৰামচন্দ্ৰ।" শব্দটোৱে মোৰ হৃদয়খন চূৰমাৰ কৰি পেলায়।

লাজত সখীৰ মটীয়া ৰঙৰ গাল দুখনি ৰঙচুৰা আভাৰে জিলিকি উঠে । তাইলৈ বৰ মৰম লাগি যায় , তাই মোক এৰি যাবগৈ বুলি মনটো গধূৰ হয়।

সেইদিনা আমি দুয়োজনী শৈশৱলৈ ঘূৰি গ'লোঁ , যৌৱনৰ সোঁৱৰণীত বিহ আছিল , মনত পেলালেই বিধ্বস্ত হৈ পৰিছিলোঁ। যৌৱনে কলি মেলোতেই মই মুচৰি পেলাইছিলোঁ যাৰ ফলত মোৰ জীৱনত সোমাই লোৱা অঘৈয়া হুলদালে অনবৰতে মোক খুচি-বিন্ধি থাকিছিল।

বহু দিনৰ মুৰত হেঁপাহ পলুৱাই কথা পাতিলোঁ। ক'ত জানো ইমান কথা গেঠেলা মাৰি সোমাই আছিল! সেইবোৰ চকুলো হৈ ওলাই অহাৰ বাবেই হয়তো মনটো অসম্ভৱ পাতল লাগিল । আজিৰ দিনটোৰ এই মুহূৰ্তৰ আগলৈকে মোৰ ব্ৰহ্মকুমাৰী হোৱাৰ কথা মনলৈ আহি থাকিছিল।

আজি এই যেন মই শৈশৱ পাৰ হৈ যৌৱনত ভৰি থৈছো।

সাতোৰঙী ৰামধেনু এখনৰ ৰং আলফুলে সাৱটি লবলৈ সাহস গোটালো । প্ৰথমবাৰৰ বাবে লাগিল মোৰ একো হোৱাই নাছিল। আচৰিত ধৰণে নিজকে কইনাৰ সাজতো সজাই পেলালোঁ। তেতিয়া মোৰ অকণো ভয় লগা নাছিল কাৰণ আগৰ দৰে মই অকলশৰীয়া নহয়, মোৰ লগত মোৰ আপোন মানুহবোৰ আছে। সেই সময়ত মোৰ গালতো বোধহয় ৰঙে খেলি আছিল।

এখন মুকলি জোনাকী আকাশ
যত নাৰীয়ে হাহিব পাৰে, কথা কব পাৰে,
লগতে প্ৰকাশ কৰিব পাৰে নিজৰ সুপ্ত প্ৰতিভা দ্বিধাহীনভাৱে।
অৰ্দ্ধই মোক উদ্ধাৰ কৰিলে মোৰ নিসংগতাৰ পৰা।

।।

—দৈব্যা নাথ—

# স্নেহবন্ধন

**জুৰি শইকীয়া**

অনিতাই বাহি বনখিনি কৰি লৰালৰিকৈ গাটো ধুই আহিল। আজি বিৰাজ কামৰ জেগালৈ ঘূৰি যাবগৈ। বিয়াৰ বাবে এমাহৰ চুটি পাইছিল। ফেচবুকতে দুয়োটাৰে মাজত চিনাকি হৈছিল। ঘৰত গম পোৱাৰ পিছত দুয়োটাৰে ঘৰৰ কোনেও আপত্তি কৰা নাছিল। বিৰাজ অনিতাৰ বাবে দেখাই শুনাই, শিক্ষাই সকলো ফালৰ পৰাই উপযুক্ত আছিল আৰু অনিতাও তাৰ কোনো গুণে কম নাছিল। গতিকে দুয়োঘৰৰ সন্মতিত এদিনো লগ নোপোৱাকৈয়ে সিহঁতৰ বিয়াখন ধুমধামেৰে হৈ গৈছিল। মনত অকণমান ভয়, শংকা আৰু বহুত হেপাঁহ আৰু সপোন বুকুত বান্ধি অনিতা বিৰাজৰ ঘৰখনলৈ কইনা হৈ আহিল। মাকে শিকাই পথোৱাৰ দৰেই তাই ঘৰখন নিজৰ কৰি ল'লে খুব কম সময়তে। আৰু বিৰাজ........বিৰাজে প্ৰতিটো ক্ষণতে অনিতাৰ কাষত থাকি তাইক প্ৰতিটো কামতে সহায় কৰি দিলে। তাইক ঘৰখনৰ প্ৰতিজন মানুহৰ ৰুচি অভিৰুচি বিলাক তাইক শিকাই দিলে যাতে সি নথকাত তাইৰ একো সমস্যা নহয়। দুয়োটাৰে মৰমৰ মাজত কেতিয়ানো এটামাহ শেষ হৈ গ'ল সিহঁতে গমেই নাপালে। বিৰাজে কাপোৰ কানি বিলাক বান্ধি থাকোতে অনিতাই নিজকে বহুত চেষ্টা কৰিও চম্ভালিব নোৱাৰিলে। তাইৰ হুকহুকাই কান্দি উঠিল। বিৰাজে কোনোমতে নিজক চম্ভালি অনিতাৰ দুবাহুত ধৰি সান্ত্বনা দিলে “নাকান্দিবা নীতা ছয়মাহ ধৈৰ্য্য ধৰা। মই আহি তোমাক লৈ যাম । কি কৰিবা উপায় নাই আৰ্মিৰ চাকৰি। এইবাৰ হয়তো মই বৰ্ডাৰলৈ যাব লাগিব। কাশ্মীৰত এতিয়া পৰিস্থিতি শান্ত নহয়। নহ'লে মই তোমাক লগতে লৈ গ'লো হেতেন। সদায় ফোন কৰিম নীতা। মোৰো বহুত কষ্ট হ'ব তোমাক এৰি থাকিবলৈ কিন্তু উপায় নাই।” অনিতাই মনটোক বহুত চেষ্টা কৰি চম্ভালিলে। গোসাঁই ঘৰত চাকিগছ বিৰাজৰ নামতে জ্বলাই লৰালৰিকৈ ভাত বনাবলৈ লাগিল অনিতা । আচম্বিতে মূৰটো ঘূৰোৱা যেন লাগিল অনিতাৰ। চকু দুটা অলপ ধূৰলী যেন লাগিল। ওকালি আহিব খোজে বাৰে বাৰে । তাই কাকো একো নজনালে। বিৰাজে কেনেবাকৈ গম পালে চিন্তাত পৰি যাব। ইমান দূৰলৈ যাবলৈ ওলাইছে তাক এইবোৰ কথা জনাই মনটো বেয়া কৰি পথাবলৈ মন নাই অনিতাৰ । কাৰো চকুত ধৰা নপৰিবলৈ তাই নিজকে জোখতকৈ অলপ বেচিকৈ সজাগ কৰি ৰাখিলে। চকুৰ আঁৰ নোহোৱালৈকে বিৰাজ যোৱাৰ ফালে একেৰাহে চাই ৰ'ল অনিতাই । চকুৰ পানীবোৰে বুকুৰ ওপৰত থকা চাদৰখন গোটেই ভিজাই পেলালে। শাহুৱেকে ভিতৰলৈ আহা বোৱাৰী বুলি মাত দিয়াতহে তাইৰ সম্ভিত ঘূৰি আহিল । একে দৌৰে গৈ বিছনাত পৰিলেগৈ। শাহুৱেকে ভাত খাবলৈ মতাত পাকঘৰলৈ সোমাই আহিল অনিতা । আকৌ একেই বমিৰ ভাৱ । বেচিনত বাৰে বাৰে মুখ কুলকুলি কৰি থকা দেখি শাহুৱেকে সুধিলে “কি হৈছে অনিতা, গা বেয়া নেকি ?” নাজানো মা বাৰে বাৰে বমিৰ ভাৱ হৈ আছে। শাহুৱেকে তাইৰ কি হৈছে বুজি পালে যদিও একো নক'লে । “আবেলি ডাক্তৰৰ তালৈ যাব লাগিব অনিতা। “শাহুৱেকৰ লগতে অনিতা ডাক্তৰৰ ওচৰলৈ গ'ল। সকলো পৰীক্ষাৰ পাছত অনিতা মা হ'বলৈ ওলোৱা কথাটো খাটাং হ'ল । এফালে মা হ'বলৈ ওলোৱা সুখ আৰু আনফালে বিৰাজ কাষত নথকা দুখটোৱে অনিতাৰ মনত তোলপাৰ লগালে। বাৰে বাৰে বিৰাজলৈ ফোন লগালে অনিতাই । “চুইছ অফ।” হয়তো বিৰাজ ফ্লাইটতে আছে। পিছদিনা ৰাতিপুৱাই বিৰাজৰ ফোন আহিল । অনিতা দৌৰি গৈ ফোনটো ৰিছিভ কৰে মানে কাটিয়েই গ'ল । বাৰে বাৰে চেষ্টা কৰিও ফোনটো নালাগিল বিৰাজৰ । ৰাতি আকৌ বিৰাজৰ ফোনত সাৰ পাই গ'ল অনিতা। হেল্ল' বিৰাজৰ মাতটো দুদিনৰ মুৰত শুনি অনিতাৰ ডিঙিটোত দুখে খুন্দা মাৰি ধৰিলে । একো এটা শব্দ নোলাল তাইৰ ডিঙিৰ পৰা। মাথো বিৰাজৰ কথাখিনি যেনেতেনে তাই শুনি থাকিল “কালিলৈ ৰাতিপুৱাই বৰ্ডাৰলৈ যাব লাগিব অনিতা। তাত হয়তো ভালকৈ নেটৱৰ্ক নাপাম । হ'লেও মই ফোন কৰি থাকিবলৈ চেষ্টা কৰিম অনিতা । ভালকৈ থাকিবা দেই। মা দেউতাৰো যত্ন ল'বা।” ফোনটো ৰাখো বুলি কোৱাৰ লগে লগে অনিতাই চিঞৰি উঠিল “ৰ'বা ফোনটো নাকাটিবা। তোমাক এটা বহুত ভাল খবৰ দিবলৈ আছে। মই মা হ'বলৈ ওলাইছো বিৰাজ আৰু তুমি দেউতা । তুমি সোনকালে আহিবা বিৰাজ। এই সময়খিনিত তুমি লগত থকাটো বিচাৰো মই বিৰাজ। বিৰাজ .......বিৰাজ.....।” ফোনটো দেখোন কাটিয়েই আছে। বিৰাজে বাৰু কথাখিনি

শুনিলেনে ? হয়তো তাইৰ মাতটো ডিঙিৰ পৰা ওলোৱাৰ আগতেই বিৰাজে ফোনটো কাটি দিছিল। আকৌ চকুৰ পানীৰে দুচকু উপচি গ'ল অনিতাৰ।

শাহুৰেকে প্ৰতি মুহূৰ্ততে অনিতাৰ যত্ন লয়। তাই কষ্ট পোৱা কোনো কাম কৰিবলৈ নিদিয়ে তেখেতে । শাহুৰেকৰ মৰমৰ আবদাৰত তাই সকলো পাহৰি থাকিবলৈ চেষ্টা কৰে । লহপহকৈ বাঢ়ি অহা পেটৰ ভিতৰৰ সন্তানটোৰ লগত আপোনমনে কথা পাতে অনিতাই "দেউতাই তোমাৰ খবৰ ল'বলৈ সময় পোৱা নাই দেহা । তুমি আমাৰ জীৱনলৈ আহিছা বুলি গম পালে দেউতাৰ আনন্দত সীমা নোহোৱা হ'ব । দৌৰি আহিব তোমাৰ কাষলৈ ।" তেনেদৰে পেটৰ সন্তানটোৰ লগত কথা পাতি পাতি কেতিয়ানো দিনবিলাক পাৰ হৈ গ'ল অনিতাই গমেই নাপালে।

এদিন ৰাতিপুৱা দোকমোকালীতে বিৰাজৰ ফোন আহিল। "নীতা মই ঘৰলৈ গৈ আছো। পৰহিলৈ পামগৈ।" বিৰাজ আহিব মা পৰহিলৈ বিৰাজ আহিব বুলি চিঞৰি চিঞৰি অনিতাই মা দেউতাকক খবৰটো দিলেগৈ। ইমান দিন কটালে তাই বিৰাজ নোহোৱাকৈ কিন্তু এই দুটা দিন যেন নাযায় নুপুৱাই। কি কৰো , কি বনাও, কি পিন্ধো..... মনটোৰে উগুল থুগুল কৰি থাকোতেই বিৰাজে তাইক পাছফালৰ পৰা মাত দিলেহি। কেতিয়া বিৰাজ আহিব বুলি বাট চাই থকা অনিতাই লাজতে তাৰ চকুলৈ চাব নোৱাৰা হ'ল, মুখৰ মাতটো চেপা খাই নোলোৱা হ'ল । বিৰাজে তাইৰ দেহৰ পৰিৱৰ্তন দেখিয়েই গম পাই গ'ল তাই মাক হ'বলৈ ওলাইছে আৰু সি দেউতা। "অনিতা, পৃথিৱীৰ আটাইতকৈ ডাঙৰ উপহাৰ দিবলৈ ওলাইছা তুমি মোক। মই বহুত সুখী অনিতা । কিন্তু এনেকুৱা সময়ত মই তোমাৰ লগত নাই, মোক পাৰা যদি ক্ষমা কৰিবা অনিতা।" বিৰাজৰ চকুপানী দেখি অনিতাই তাৰ বুকুৰ মাজলৈ সোমাই গ'ল। "নাকান্দিবা বিৰাজ। তুমি কান্দিলেহে মই কষ্ট পাম। আমাৰ সন্তানটোৱেও কষ্ট পাব নহয় , নাকান্দিবা।" বিৰাজে খুব আলফুলে পেটতো চুই সন্তানটোৰ উপস্থিতি অনুভৱ কৰিলে। ঘৰত থকা দিনকেইটাত অনিতাক এবাৰলৈও পাকঘৰত সোমাবলৈ নিদিলে। খুব আদৰ যত্নৰ মাজত অনিতাক এই কেইটা দিন ৰাখি বিৰাজ আকৌ যাবলৈ ওলাল অকলে। এইটো সময়ত অনিতাক বেছি প্ৰয়োজন মাক দেউতাক, শাহুৰেকেৰ।

তেনেকৈয়ে দিনবিলাক গৈ গৈ অনিতাৰ দহ মাহত সোমাল। সন্তানটোলৈ কি আনিব কি কিনিব লিষ্ট বনাই বনাই বিৰাজৰ গাত তত নোহোৱা হ'ল। ইতিমধ্যে সন্তানৰ বাবে কিনা বস্তুৰে তাৰ বেগ কেইবাটাও ভৰ্তি হৈয়েই গৈছে। তেওঁ কম যেন লগা হ'ল বিৰাজৰ। বিৰাজে আহিবৰ বাবে সকলো যা যোগাৰ সম্পূৰ্ণ কৰি লওঁতেই ফোন আহিল এতিয়াই সীমান্তলৈ যাব লাগে । আৰ্জেন্ট। সকলোবোৰ বন্ধা বস্তু তাতেই পেলাই সি গুছি গ'ল তাৰ কৰ্তব্য স্থানলৈ। ইফালে প্ৰসৱ বেদনা আৰম্ভ হৈ গ'ল অনিতাৰ। মাক দেউতাকক খবৰ দি মাতি আনিলে। শাহু শহুৰ, মাক দেউতাক সকলো লগ লাগি অনিতাক হস্পিটেলত ভৰ্তি কৰিলে । অলপ কম্প্লিকেচি থকাৰ বাবে অনিতাক দুদিন অবজাৰভেচনত ৰাখিব লগা হ'ল। ইফালে সীমান্তত শত্ৰুৰ আক্ৰমণ বাঢ়ি যোৱাত ঘৰলৈ অহাৰ কথা একোৱেই চিন্তা কৰিব নোৱাৰা হ'ল বিৰাজে। দুদোল্যমান অৱস্থাত কেতিয়ানো বিৰাজৰ বুকুতখন গুলিৰে থকা সৰকা কৰি তাক চিৰদিনৰ বাবে শান্তি দি দিলে কোনেও ধৰিবকে নোৱাৰিলে।

ৰাতিপুৱাই অনিতাক অপাৰেচন থিয়েটাৰলৈ লৈ গ'ল । এঘন্টামানৰ পাছত নাৰ্চজনী দৌৰি আহি সকলোকে ল'ৰা হোৱাৰ অভিনন্দন জনালে । অনিতাই জ্ঞান পোৱাৰ লগে লগে "বিৰাজ বিৰাজ" বুলি চাৰিওফালে চালে। মাকে মুৰত হাতখন ফুৰাই ক'লে আজি হয়তো পাবহি সি । তই চিন্তা নকৰিবি । গাড়ী খনৰ পৰা নামিয়েই অনিতাই চোতালত বহুত মানুহ দেখিলে। হয়তো বেবীটোক চাবলৈ ৰৈ আছে সিহঁত আহিব বুলি জানি । সকলোৰে ইজনে সিজনৰ মুখলৈ চালে। কাৰো মুখত মাত নাই। অলপ পাছতে ডাঙৰ গাড়ী এখনৰ পৰা দীঘল বাকচ এটা কেইবাজনো আৰ্মিৰ পোচাক পিন্ধা মানুহে আনি চোতালত থ'লেহি। বাকচটোত লিখা আছে "শ্বহীদ বিৰাজ বৰুৱা।" একেথৰে বিৰাজৰ নিস্প্ৰান দেহাটোলৈ চাই চাই অনিতা কান্দি কান্দি আউলী বাউলী হৈ গ'ল। কোনেও তাইক সান্ত্বনা দিব নোৱাৰিলে। তাই জীয়াই থাকিবলৈ অকণো ইচ্ছা নোহোৱা হ'ল। কিন্তু যেতিয়া মাকে তাইৰ কোলাত সন্তানটো দি দিলে তাই সন্তানটোক বিৰাজ বুলি সাৱটি ধৰিলে। তাই চিঞৰি উঠিল বিৰাজ মৰা নাই .....বিৰাজ মৰিব নোৱাৰে। এইয়া বিৰাজ মোৰ কোলাতে আছে । মই জীয়াই থাকিব লাগিব সন্তানটোৰ বাবে , মই সন্তানটোক মানুহ কৰি তুলিম।

এতিয়া অনিতাৰ জীয়াই থকা গোটেই সপোনবোৰ সন্তানটোক লৈয়ে কেন্দ্ৰীভূত হৈ পৰিল।

# দৈৱকী

**কিনকিন মহন্ত**

আকাশে মূগাৰিহা মেৰিওৱা সময়...। বিয়লিৰ জেইল চৌহদ, আটাইতকৈ ওখ আমজোপাত তেতিয়া ঘৰমূৱা চৰাইজাক পৰি কোঢ়াল কৰিছেহি। যেন দিনটোৰ ভাগৰ মাৰিবলৈ গোটেইজাকে আবেলিৰ কথাৰ মহলাহে মাৰিছে । দিনতেই পোহৰ সোমাব নোখোজা এই ওখ চাৰিবেৰৰ ভিতৰত বাহিৰৰ জগততকৈ আগতেই আন্ধাৰ হয়। পিছে ৰাতিৰ আন্ধাৰতকৈও ভয়াবহ অন্ধকাৰ যাৰ জীৱনত, তেনেলোকৰ বাবে দিন কি আৰু ৰাতিয়েই বা কি! তেনেসময়তে এটি বিশেষ ঘণ্টাই জেইলৰ বেৰবোৰত মৃদু কম্পন তুলি যায় । চৰাইবোৰৰ কোলাহল তল পেলাই পুৰুষ আৰু মহিলা উভয় শাখাতে হুলস্থুলীয়া দুটা দীঘল শাৰী দেখা যায়। নিৰ্বিকাৰ ভাৱ অথচ অনৰ্গল কথা! এই মানুহখিনি সাধাৰণ মানুহতকৈ বেলেগ, বেলেগ এওঁলোকৰ পৃথিৱী, বেলেগ পৰিৱেশ। এই বেলেগবোৰৰ মাজতো একে হ'ল তেওঁলোকৰ অপৰাধ। এওঁলোক কয়দী, প্ৰতিজনেই একো একোজন দাগী অপৰাধী!

“কয়দী নম্বৰ ১২০ !“

মটীয়া বৰণৰ ফ্ৰেমৰ গ্লাছযোৰ আকৌ এবাৰ মচি ল'লে মানুহগৰাকীয়ে । চশমাযোৰ পিন্ধি সুলকি নপৰিবৰ ব্যৱস্থাৰে বান্ধি লোৱা মিহি ক'লা ৰছীডাল মূৰৰ পিছলৈ ঠেলি দি খাপ খুৱাই ল'লে । লাহে লাহে আগুৱাই গ'ল মাতযাৰৰ দিশে আৰু দিনটোৰ কামৰ বাবদ প্ৰাপ্যখিনিৰ বাবে হাতখন আগুৱাই দিলে...।

“বাইদেউ, অহা সপ্তাহত আপোনাৰ শাস্তি শেষ হ'ব । এই শেষৰ দিনকেইটা অলপ আৰাম কৰক আপুনি । মই অহাৰ দিনাৰ পৰাই দেখিছো আপোনাক, অসুখীয়া গাৰেও টানি টুনি কাম কৰে । এতিয়া অলপ জিৰণি লওক আৰু, কি নো কৰিব ইমান টকাৰে?”

শেষৰ ব্যংগাত্মক বাক্যটিত মানুহগৰাকীয়ে মূৰতুলি চালে । সেই শান্ত কিন্তু তীক্ষ্ণ চাৱনিয়ে জেইলাৰজনক বহু কথাৰ উত্তৰ দি গ'ল । লাহেকৈ হাঁহিলে মানুহগৰাকীয়ে, হাঁহিটোত স্পষ্ট হৈ উঠা চকুৰ কোণৰ বলিৰেখাকেইডালে তেওঁৰ চশমাৰ আঁৰত তিৰবিৰাই থকা দৃঢ় চকুহাল আৰু উজ্জ্বল কৰি তুলিলে । হাতৰ মুঠিত টকাখিনি লৈ, ধীৰ খোজেৰে নিজৰ কোঠালিৰ ফালে তেওঁ গতি কৰিলে।

ৰাতিৰ নিৰ্জনতা ভেদি জিলিপোকবোৰে নিজৰ উপস্থিতিৰ বতৰা দি আছে । কোঠালিবোৰ লাহে লাহে নিজম পৰি আহে। তাৰেই মাজত এটা কোঠাত, এডাল মমবাতিৰ শিখাক সৰু খিৰিকিখনেৰে সোমাই অহা বতাহজাকে লাহে লাহে লৰাই থাকে। লগে লগে লৰি থাকে বেৰত লাগি থকা ছাঁয়াটো । হাতৰ এঙাৰটুকুৰাৰে ছাঁটোৱে বেৰত আঁকি থোৱা আৰু এটি দাগ ঘঁহি ঘঁহি কাটি দিয়ে। আৰু এটা দিন টুপুককৈ খহি পৰে কলঙৰ বুকুত । পিছে এতিয়াও ৰাতিৰ কেইটামান প্ৰহৰ বাকী, আৰু বাকী আছে মানুহগৰাকীৰ আৰু এটা কাম । ঠেকেচকৈ শব্দ কৰি মাটিৰ ৰঙালাওটো টুকুৰা টুকুৰ হৈ পৰে । শব্দটোৰ প্ৰাবল্যই হয়তো বন্ধকোঠাৰ বেৰ লংঘী বেছিদূৰ যাব নোৱাৰিলে । জিলিবোৰ তেতিয়াও শান্ত হোৱা নাই, থিয় হৈ থকা ছাঁয়ামূৰ্তিটোৰ সমুখৰ মজিয়াত তেতিয়া পৰি ৰয় ভঙা মাটিৰ পাত্ৰৰ টুকুৰাবোৰ, এজাপ নোট, মমৰ পোহৰত চিকচিকাই উঠা এটকীয়া, দুটকীয়া, পাঁচটকীয়া মুদ্ৰাবোৰ...।

..... ..... .... ......

“হেৰা, এইখিনিৰে দেখোন নহ'বগৈ । আৰু পাঁচ হাজাৰমান তথাপিও কমি আছে ।”

তলমূৰকৈ মাটিৰ খোলোংটোৰ টকাখিনি গণি থকা তাৰ চিন্তিত সৰল মুখখন দেখি মৰম লাগি গ'ল তাইৰ । অনিৰ্বাণ ! তাইৰ অনি! তাই দেখা আটাইতকৈ ধুনীয়া সপোনটোৰ নায়কজন, তাইৰ মানুহটো । গুঁঠি থকা চুৰেটাৰটো নমাই থৈ কেঁকোজেঁকোকৈ উঠি গ'ল তাই বিছনাৰপৰা। উফন্দি অহা হেঁপাহবোৰ একলা দুকলাকৈ বাঢ়ি অহা জোনটোৰ দৰেই বাঢ়িছে।

এইটো গাৰে সাউৎকৈ উঠা বহা কৰা টানেই হৈছে। আনদিনা দৰে হোৱা হ'লে সি ধৰি ধৰি উঠাই দিলে হয় । পিছে আজিৰ কথা বেলেগ । তাই যে উঠি গৈ শোৱনিকোঠা পালেগৈ সেয়া গমকে নাপালে সি, পুনৰ হিচাপ কৰাত ব্যস্ত হৈ পৰিল । মনে মনে হাঁহিও উঠিল তাইৰ, বেছেৰাটো! বৰ চিন্তাত পৰিছে আজি সি, তাক অকণমান সকাহ দিব পাৰিলেও...। তলাটো খুলি বাকচৰ পৰা আলফুলে গুণা কাম কৰা বগা পাটৰ কাপোৰযোৰ উলিয়াই আনিলে, লগতে তেজৰঙা বাখৰখটোৱা সোণৰ কাণফুলিযোৰ । সস্নেহে চুই চালে সম্পদ দুটি, এই দুযোৰেই সাক্ষী হৈছিল তাইৰ আৰু অনিৰ যুগ্ম জীৱনৰ পাতনিৰ। দুহাতেৰে বুকুৰ মাজত সামৰি চকু মুদি দিলে, কাপোৰযোৰৰ সেমেকা সেমেকা গোন্ধ এটি নাকত লাগিল তাইৰ। সেই ন-কইনাৰ বেশত অনিৰ্বাণৰ বুকুৰ উমে ৰাঙলী কৰা তাইৰ দুগাল, সেই অনুভৱ, সেই আৱেশে পুনৰ চুই গ'ল তাইক। তাৰ কষ্টোপাৰ্জিত ধনেৰে অতি মৰমেৰে কিনিছিল এই বস্তুদুটি। অতি অনাড়ম্বৰভাৱে বিয়া হৈছিল সিঁহতৰ। হোমৰ জুইকুৰাৰ উত্তাপে সিহঁত দুয়োৰে ভালপোৱাবোৰ গাঢ় কৰি তুলিছিল, সাক্ষী হৈ ৰৈছিল সিহঁত দুয়োকে সৰুৰে পৰা ডাঙৰ দীঘল কৰা অনাথ আশ্ৰমখনৰ কৰ্তৃপক্ষ আৰু সিহঁতৰ সৰুকালৰ লগৰীয়াসমূহ। সকলো সুখী হৈছিল সিহঁতৰ বিয়াখনত আৰু হিয়াভৰা মৰম আশিসেৰে দুয়োকে উপচাই পেলাইছিল। গাঁৱৰে এটি সৰু ঘৰ ভাড়াত লৈ দুয়ো একেলগে এটি নতুন জীৱনৰ আৰম্ভণি কৰিছিল। সি মৌজাদাৰৰ ঘৰৰ দোকানখনতে বহি হিচাপ নিকাচবোৰ চাইছিল আৰু তাই দৰ্জীৰ দোকান এখনত চিলাইৰ কামেৰে দুই এপইচা উপাৰ্জন কৰিছিল। সৰু সংসাৰখন সৰু সৰু সুখেৰে ভৰাই ৰাখিছিল। একেলগে হাঁহিছিল, একেলগে কান্দিছিলো; আৰৰি ৰাখিছিল ইজনে আনজনক মৰম আৰু সন্মানেৰে।

"অনি! এয়া লোৱা ।"

"কি এয়া? কিয় দিছা মোক?"

তাইৰ চকুত পলকতে সি সকলো উত্তৰ পঢ়ি পেলালে ।

"এয়া তুমি কি কৈছা? মই এই দুযোৰ কোনো কাৰণতে বিক্ৰী কৰিব নোৱাৰোঁ। এয়া তোমাৰ ন-কইনা ৰূপৰ সাক্ষী, মোক আমাৰ ছোৱালীজনীৰ চকুত অকৰ্মণ্য পিতৃ সজাব খুজিছা নেকি? মই নোৱাৰোঁ এই কাম কৰিব । আৰু তোমাক যদি নালাগে, তেন্তে এইযোৰ তাইলৈকে থৈ দিবা। মোৰ ছোৱালীয়ে পিন্ধিব ।"

"বা...! তুমি কেনেকৈ জানিলা পিছে আমাৰ যে ছোৱালীয়ে হ'ব?" চকুত কৌতুক তাইৰ ।

"মই জানোঁ, চাবাছোন তুমি । মই তোমাৰ আৰু মোৰ শৈশৱবোৰ উভতাই আনিব খোজোঁ তাইৰ মাজেৰে...।" সৰু ল'ৰাৰ দৰে ক'লে সি ।

"হ'ব দিয়া, ছোৱালীয়েই হওক বা ল'ৰাই, প্ৰথমতে সন্তানটি সুকলমে পৃথিৱীলৈ অনাৰ কথা চিন্তা কৰা । তুমি অযথা আৰু চিন্তা কৰিব নালাগে অনি । এইদুযোৰেৰে বাকী থকা টকাখিনি যোগাৰ হ'ব । আৰু পিছত তোমাৰ জীয়েৰাক, লগতে জীয়েৰাৰ মাককো এনেকুৱা দুযোৰ কাপোৰ আনি দিবা, হ'ল তো?"

অৱশেষত তাইৰ কথাত মান্তি হৈছিল সি ।অনিৰ্বাণৰ অটল বিশ্বাসৰ মান ৰাখিছিল ভগৱানে । তাই এজনী ছোৱালীৰ মাক হৈছিল । তাৰ যে কিমান ফুৰ্তি ! তাইৰ কোলাত ছোৱালীটি তুলি দি তাইৰ কপালত তপত নিশাহৰ জোন আঁকি দিছিল । তাইৰ সংসাৰখন সম্পূৰ্ণ হৈছিল । অকণি অকণি হাত ভৰি, থুনুক থানাক মৌ বৰষা আধাফুটা মাতে সিহঁতৰ মৰমবোৰ দুগুণত চাৰিগুণ কৰি তুলিছিল । সুখী আছিল দুয়ো । হয়তো সেয়ে নিজৰ সুখত সিহঁতৰ নিজৰে নজৰ লাগিছিল।

..... ..... .... ......

"...ময়োতো বেপাৰী মানুহ, টকাৰ প্ৰয়োজন মোৰো আছে। তই মোৰ টকাকেইটা দিয়াৰ ব্যৱস্থাটো কৰ ।" চেলেংখনৰ আগটোত উলমি থকা দীঘল সূতাডাল একেটানে চিঙি মৌজাদাৰে কথাষাৰ কৈ উঠিল ।

"দেউতাই দেখোন মোৰ অৱস্থাতো দেখিছেই, আৰু মোৰ সজ্ঞানে যিমানদূৰলৈকে মনত আছে, এওঁ তেনেদৰে টকা ধাৰলৈ লোৱা মোৰ মনত..."

" তাৰমানে তই কি বুজাইছ? এই হৰকান্ত মৌজাদাৰে মিছা মাতিছে?" মানুহজন জাঙুৰ খাই উঠে । সেইক্ষণে মৌজাদাৰ বাবটিৰ সম্ভ্ৰমে তেওঁক টিলিকতে শান্ত কৰি তোলে । তেওঁ এনেকৈ অধৈৰ্য্য হৈ দেখুৱাব নোৱাৰে । আকাংক্ষিত বস্তু পাবলৈ অসীম ধৈৰ্য্যৰে আগবাঢ়িব লাগিব এই কথা তেওঁ অন্ততঃ ভালকৈ জানে। যিমান পাৰি সিমান নৰমকৈ মাত লগায়,

"চা ন-ছোৱালী তোক মই পইচাখিনি বিচাৰি আহিছোঁ বুলি তই নাভাৱিবি যে মোৰ তোৰ এই অৱস্থাটো দেখি বেয়া লগা নাই । বৰ দুখ লাগিছে, সি ল'ৰাটো ঘপহকে এনেকৈ...।"

"মৌজাদাৰ দেউতা, অনিয়ে লোৱা টকাকেইটা মই যেনেতেনে উভতাই দিম। আপুনি মাত্র মোক অলপ সময় দিয়ক।"

তামোলটো কাঠচটাত টুকুৰিয়াই দুফাল কৰি লাহেকৈ উত্তৰটো দিলে তাই। মৌজাদাৰে বুজিলে, তেওঁৰ মিঠা মাতে আশ্বস্ত কৰিছে তাইক। পেটে পেটে আত্মসন্তুষ্টিৰ এটি হাঁহি মাৰিলে তেওঁ, এয়েই সময়। কুমলীয়া বয়সৰ বিধবা ছোৱালী, তেওঁৰেই যদি সহায়ৰ হাতখন আগ নবঢ়াই, তেন্তে কেনেকৈ হ'ব? নাই এই সুযোগ হেৰুৱাব নোৱাৰি, অনিৰ্বাণৰ ঘৈণীয়েকৰ দৰে সুশ্ৰী ছোৱালী গোটেই অঞ্চলতে নাই। আগে পিছে তেওঁৰ ওচৰত আন আন ছোৱালীবোৰে সহজেই লেওসেও হৈ পৰে । টকাৰ টোপ আৰু জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা ভাতমুঠিৰ লোভে তেওঁৰ কাম সহজ কৰি দিয়ে । পিছে এইবাৰ বৰ ঘূৰাই আছে এইজনীয়ে, পিছে যাব ক'লৈ? তেওঁ নিজৰ বুদ্ধিৰ ওপৰত গৌৰৱান্বিত হ'ল । মানুহে কয় সোঁহাতৰ ছটা আঙুলি হেনো বুধিয়কৰ লক্ষণ, তেওঁৰ ক্ষেত্ৰত এইটো যোল্ল অনাই সঁচা। তেওঁৰ বিচক্ষণ বুধিৰে কিমানক বশ কৰিলে, কিমানৰ মাটি সম্পত্তি নিজৰ কৰিলে হিচাপ নাই । গাঁৱৰ কেইবাটাও ল'ৰা ছোৱালীৰ যে প্ৰকৃতি পিতৃ যে তেওঁ এই কথা কেইজনে জানে? এনে অকলশৰীয়া মানুহে মৰম আৰু সজ মাত এষাৰেইতো বিচাৰে। সহানুভূতি দেখুৱাই সকলো আদায় কৰিব পৰা যায়। তাইৰ পিনে আকৌ এবাৰ চালে তেওঁ, কোনে বাৰু ক'ব এইজনী এটা এমাডিমা সন্তানৰ মাক! তেওঁৰ মনে লকলকাবলৈ ধৰিলে। লাহেকৈ উঠি আহি তাইৰ ওচৰত থিয় হৈ আগতকৈও মিহি মাতেৰে তেওঁ ক'বলৈ ধৰিলে,

"সময়! দিম বাৰু । পিছে ন-ছোৱালী, তোৰ হাতত এনে এক অমূল্য ধন আছে যিটো মোক দিলে আৰু একোৱে নিবিছাৰোঁ। টকাও উভতাব নালাগে । যদি তই..."

তাই মূৰ তুলি চালে, তেওঁৰ চকুহাল তাইৰ চাদৰখন পিছলি গৈ সামান্যভাৱে উন্মুক্ত হৈ থকা বুকুৰ সেই বিশেষ অংশত গৈ লাগি ৰৈছেগৈ । মানুহজনে তাইৰ ফালেই হাত এখন আগুৱাই হাউলিবলৈ ধৰিছে । তাইৰ বুজিবলৈ বাকী নাথাকিল তেওঁ কি বিচাৰিছে । সৰ্বশক্তিৰে চিৎকাৰ কৰি উঠিল তাই,

"খবৰদাৰ! এখোজো আগ নাবাঢ়িবি । অকলশৰীয়া হ'লো বুলি নাভাবিবি যে মই দুৰ্বল । এখোজো যদি আগবাঢ় তেন্তে তোৰ পুৰুষত্ব এইখন কটাৰীৰ আগত ইয়াতে এৰি যাব লাগিব । এতিয়াই ওলাই যা মোৰ ঘৰৰ পৰা...।"

"তই পস্তাব লাগিব, চাই ল'ম মই তোক, চাই ল'ম...।"

ভোৰভোৰাই ওলাই যায় সম্ভ্ৰান্ত ঘৰৰ ভদ্ৰলোকজন । হাতৰ কটাৰীখন খহি পৰে, মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰে তাইৰ, কলৰ পাৰলৈ গৈ মগে মগে পানী ঢালে মূৰত ।

"উস অনি! কিয় নাই তুমি? কিয় গুচি গ'লা অ'? এনেকুৱা নৰপিশাচবোৰে বখলিয়াবলৈ এৰি গ'লা ন' মোক? নে দৈনিক হাজাৰ যোৰ চকুৰ চাৱনিৰে ধৰ্ষিতা হ'বলৈ গুচি গ'লা?"

অনি নাই! সি নোহোৱা আজি চাৰিমাহেই হ'লহি, সকলো সপোন, আশা ভাঙি চুৰমাৰ হৈ গ'ল তাইৰ। এটা ৰাতিপুৱা, তাইক আৰু কণমাণিজনীক ঘৰত থৈ কামলৈ বুলি চাইকেলখন লৈ সুহুৰিয়াই সুহুৰিয়াই ওলাই গৈছিল । উভতিছিল এম্বুলেঞ্চৰ চাইৰেনৰ সৈতে, টোপোলা এটি হৈ ।ট্ৰাকখন হেনো তাৰ ওপৰেৰে পাৰ হৈ গৈছিল, মুখৰ মাত এটা ওলাবলৈও সময় অকণ নিদিলে তাক। শান্ত শিষ্ট মুখখন তেজৰ চেকুঁৰাবোৰৰ মাজেৰেও ঠিকেই দেখিছিল তাই, হাঁহি আছিল তাৰ ওঁঠ দুখনে । মৃত্যুৰ আগে আগে বাৰু জীয়েকৰ কথা ভাৱিছিল নেকি? নে ভাৱিছিল তাইৰ কথা? তাৰ হাঁহিটো এবাৰ চুই চাবলৈ বৰ ইচ্ছা জাগিছিল। পিছে তাক লৈ গৈছিল সকলোৱে কান্ধত তুলি । তাইৰ অনি, যাৰ জিভাত গৰম চাহ লাগিলেও উস্ আস্ কৰিছিল, সেই একেই অনি চিতাৰ দপদপীয়া জুইকুৱাৰ মাজত হেৰাই গৈছিল, এটা শব্দও নকৰাকৈ...। সেইদিনা কোনেও নেদেখাকৈ সেই জুইতেই তাইৰ কপালৰ ৰঙাখিনিও ছাঁই হৈছিল । প্ৰচণ্ড অভিমান হৈছিল তাৰ ওপৰত, খং উঠিছিল ভগৱানলৈ । নালাগে কাকো, অকলেই যুঁজিব তাই । ছোৱালীটিক বুকুত বান্ধি নিজকে চম্ভালি লৈছিল । পিছে ইয়াৰ পিছৰ পৰ্যায় মসৃণ নাছিল । সলনি হৈছিল তাইৰ পৃথিৱীখন, সলনি হৈছিল মানুহৰ তাইৰ প্ৰতি মনোভাৱ । ওচৰ পাজৰৰ যিবোৰ মাইকী মানুহে অনি থকা অৱস্থাত হাঁহি মাতি কথা পাতিছিল, ঘৰলৈ সঘনাই আহ যাহ কৰিছিল; তেওঁলোকেই আজিকালি নিজৰ নিজৰ স্বামীক গাভৰু বাঁৰী তিৰোতাৰ পৰা আঁতৰত ৰাখিবলৈ তাইৰ লগত সম্পৰ্ক কমাই দিছিল। বুজি উঠিছিল তাই, তাই যে সকলোৰে কাৰণে

চিন্তাৰ কাৰণ হৈ পৰিছে সেই কথা বাৰুকৈয়ে গম পাইছিল । সহানুভূতি দিয়া পুৰুষ দিনে দিনে বাঢ়িছিল । সকলোৰে চকু আছিল তাইৰ শৰীৰটোত । শৰীৰৰ মূল্য যে মানবীয়তাতকৈ বেছি তাই অনি নোহোৱাৰ পৰাহে উপলব্ধি কৰিছিল । মানুহৰ ভদ্ৰতাৰ মুখাবোৰ খুলি গৈছিল তাইৰ আগত । আৰু আজি, আজি তো...! ছোৱালীটিয়ে কান্দি উঠিল । সাৰ পালে চাগৈ, লৰালৰিকৈ তিতা কাপোৰ কেইটা সলাই ছোৱালীজনীক কোলাত তুলি ল'লেহি । ভোক লাগিছে বোধহয়, ততাতৈয়াকৈ গাখীৰ খুৱাবলৈ লাগিল তাইক । সৰু মুখখনিলৈ চাই তাইৰ বিষাদ নিমিষতে উৰা মাৰিলে । বেচেৰী, তাইতো নাজানে পৃথিৱীখন কিমান নিষ্ঠুৰ । দুৰ্ভগীয়া তাই, এবছৰ নহওঁতেই দেউতা নামৰ শব্দটোৰেই মচ খাই গ'ল জীৱনৰ পৰা । আৰু এতিয়া এনে এগৰাকী মাতৃৰ লগত জীৱন কটাইছে যাৰ তাকৰীয়া উপাৰ্জনে তাইক ভালকৈ এসাঁজ খোৱা পিন্ধাও যোগাব নোৱাৰে । আচলতে দুৰ্ভগীয়া ছোৱালীজনী নহয়, দুৰ্ভগীয়া তাই নিজে হে। তাইৰ দুৰ্কপালে সকলোকে শেষ কৰি গৈছে এফালৰ পৰা । নাই নাই, আৰু নহ'ব । তাই অদৃষ্টক অন্যায়ৰ পিছত অন্যায় কৰি যাবলৈ নিদিয়ে। ছোৱালীজনীক সুন্দৰকৈ তুলি তালি এটা সুদৃঢ় ভৱিষ্যৎ দিয়াটোৱেই এতিয়া তাইৰ লক্ষ্য । তাইৰ আৰু অনিৰ প্ৰেমৰ সাক্ষ্য, যাক তাই এই জঘন্য পৃথিৱীৰ পৰা বচাই ৰাখিব; তাই দৃঢ়প্ৰতিজ্ঞ । গাখীৰ খোৱাৰ শব্দবোৰ বন্ধ হ'ল, কোলাতে টোপনি গ'ল তাই পুনৰ । গালখনত হাত ফুৰাই দিলে তাই জীয়েকৰ । কণমানিজনীয়ে টোপনীতে মিচিকিয়ালে । নৰেন দাইটিক ঢেকীথোৰা এটা বনাবলৈ দিয়া আছিল, গধূলি হোৱাৰ আগেয়ে আনিবগৈ লাগিব । তেতিয়াহে কালিলৈ ছোৱালীৰ কাৰণে জলপান খুন্দিব পৰা যাব । তাই শুই থাকোতেই নানিলে পিছত অসুবিধাই হ'ব, জীয়েকক বিছনাত শুৱাই দি ভাৰিলে তাই।

ৰান্ধনী বেলিটো গাওঁখনৰ সিটো পাৰে পাতত বহিছিল তেতিয়া। খৰকৈ খোজ দিছিল তাই। দাইটিৰ ঘৰৰ পৰা উভতি আহোঁতে বাটৰ কাষত শাক-পাত দুডালমান চিঙিবলৈ বহোতেই কিমানপৰ গ'ল তলকিবই নোৱাৰিলে। ইফালে জীয়েকক ঘৰত অকলেই শুৱাই থৈ আহিল। কথাতো মনলৈ অহাত খোজৰ গতি আৰু খৰ হ'ল। ঢপলিয়াই আহি কোনোমতে নঙলামুখ পালেহি। কানিমুনি বেলি, একোকে মনিব নোৱাৰি। ঘৰৰ পিনে চাই বুকুখন চিৰিংকৈ গ'ল, দুৱাৰখন দেখোন খোলা! দৌৰি আহি দুৱাৰমুখ পাই দেখে ভিতৰত এটি ছাঁয়ামূৰ্ত্তি লৰচৰ কৰি আছে । ভয় লাগিল তাইৰ, কি বস্তু বাৰু? কিবা অশৰীৰি নহয়তো? হে হৰি! জীয়েক যে ভিতৰত টোপনিত লালকাল। ভগৱানৰ নাম লৈ আগুৱাই গ'ল ভিতৰলৈ, ছাঁটো বিচাৰিবলৈ ধৰিলে। হঠাৎ শোৱনীকোঠালৈ চকু গ'ল তাইৰ, এটি উলংগ শৰীৰ ধীৰে ধীৰে আগুৱাইছে বিছনাৰ দিশে। বিছনাত জীয়েকে টোপনিতে হাঁহি উঠিছে আকৌ এবাৰ, থিক অথনি তাইৰ কোলাত হঁহাৰ দৰেই । এনেতে ছাঁটোৱে হাত এখন আগুৱাই নিয়ে জীয়েকৰ ফালে, আঙুলি মুঠেই ছটা...।

বাহিৰত তেতিয়া ঘোৰ আন্ধাৰ, ছোৱালীজনীৰো কান্দোন বন্ধ হোৱাৰ নামেই নাই । এডোঙা তেজ আৰু এটা প্ৰাণহীন দেহ সমুখত লৈ তাই থিয় হৈ আছিল । হাতত জোৰকৈ খামুচি লৈ থকা ঢেঁকীথোৰাটোৰ পৰা টুপ টুপকৈ তেজবোৰ পৰি আছিল। শাকমুঠি লেৰেলিছিল তেতিয়ালৈ...।

"হেৰা, আজি ৰাতিপুৱাই মানুহগৰাকী আহিছিল। মাজনীক..." বিখ্যাত উদ্যোগপতি বিনয় চলিহাই পত্নীৰ আগত কিবা এটা ক'বলৈ লৈছিলহে, তেনেতে পত্নীয়ে চিঞৰি মাৰি উঠিল,

"কি? কিয় আহিছিল তেওঁ? মাজনীক লৈ যাব নেকি তেওঁ? নাই নাই, তাই আমাৰ ছোৱালী । তাইক নিলে আমি কেনেকৈ থাকিম? আপুনি একো নক'লে কিয় তেওঁক? মাজনীক নিবলৈ নিদিওঁ বুলি নক'লে কিয়?"

"আস সা! শুনাছোন প্ৰথমে, অধৈৰ্য্য কিয় হৈছা? যোৱা বিশটা বছৰে তেওঁ জানো কোনোবাদিনা তাইৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিছে? কোনোবাদিনা জানো কৈছে তাইক লৈ যোৱাৰ কথা? মাজনী সদায় আমাৰেই, আমাৰ জীওটো তায়েই । অজস্ৰ সম্পত্তিয়েও দিব নোৱাৰা অমূল্য সম্পদ, আমাৰ সন্তান আমি তেওঁৰ পৰাই জানো পোৱা নাই? তাইক বচাবলৈ গৈ তেওঁ আজি ইমান বছৰে কষ্ট পালে । নিজৰ সন্তানৰ মুখ নেদেখাকৈ অত বছৰ কটালে । তেওঁক অসন্মান কৰিলে আমাক পাপে চুব । বাৰু যি কি নহওক, তেওঁ বেলেগ কাৰণতহে আহিছিল । আজি যে মাজনীৰ জন্মদিন, তেওঁ তাইৰ বাবে এটি উপহাৰ আনিছিল । কৈছিল তেওঁৰ নাম উচ্চাৰণ নকৰাকৈ যাতে উপহাৰটি তাইক দিওঁ।"

"অহ, দেহি! মই মিছাতেই চিন্তিত হৈছিলো । যিমানেই নহওক, মই যে মাক।"

"পাহৰি নাযাবা, তেঁৰো মাজনীৰ মাক। গতিকে তেওঁ দিয়া দায়িত্ব আমি পালন কৰিবই লাগিব । এই উপহাৰটি

তুমিয়েই দিবা তাইক । তাইৰ জন্মদাতৃৰ তাইলৈ শেষ উপহাৰ...”

“শেষ উপহাৰ? মানে?”

“হুমম ! তেওঁৰ কালি শাস্তি শেষ হ’ল। এতিয়া তেওঁ হেনো বহু দূৰলৈ যাবগৈ। মই বহুত অনুৰোধ কৰিছিলোঁ আমাৰ লগতে থাকিবলৈ, তেওঁ মান্তি নহ’ল বুইছা। মাজনীক এবাৰ চাই যাবলৈ কৈছিলো। পিছে তেওঁ মাথো হাঁহিলে । শেষত এই উপহাৰটো দি গুছি গ’ল।”

“কোন গুছি গ’ল পাপা?”

“আৰে মাই ডিয়েৰ দটাৰ, মেনি মেনি হেপ্পি ৰিটাৰ্ণচ অফ দ্য দে।” মিষ্টাৰ চলিহাই থতমত খালে যদিও সেয়া লুকুৱাই পৰিৱেশটো সহজ কৰি চেনেহৰ জীয়ৰীক আদৰেৰে শুভেচ্ছা জনালে।

“হেপ্পি বাৰ্থদে মাজনী।” মিচেছ চলিহায়ো সম্ভাষণ জনাই সাৱটি ধৰিলে জীয়েকক।

“থেংক ইউ মা, থেংক ইউ পাপা। ইউ গাইজ আৰ দ্য বেষ্ট পেৰেণ্টচ ইন দ্য ৱৰ্ল্ড। লভ ইউ ব’থ ।”

“উই লভ ইউ টু হানি...। বাৰু শুনাছোন । মা আৰু মই এইবাৰ তোমাৰ বাবে একেলগে এটি গিফট আনিছো । হ’প ইউ ৰিল লাইক ইট ।”

“থেংকচ এগেইন, ইউ গাইজ আৰ অ’চম।”

মিচেছ চলিহাই জীয়েকৰ হাতত উপহাৰৰ টোপোলাটো তুলি দিয়ে । জীয়েক ওলাই যায়, দুয়ো চাই ৰয় তাই যোৱাৰ ফালে। নিজৰ কোঠালিত গৈ হুকহুকাই কান্দি উঠে ছোৱালীজনীয়ে । মাক দেউতাকৰ কথোপকথন শুনি তাই সকলো বুজি উঠে। তাই আন কাৰোবাৰ সন্তান, এওঁলোক তাইৰ পিতৃ মাতৃ নহয়। আনহাতে তাইৰ নিজৰ মাতৃয়ে তাইক বচাবলৈ নিজে... উস! কিমান যন্ত্ৰণা সহিলে চাগে মাকে । তাই এতিয়া কি কৰিব? বিচাৰি যাব নে মাকক? পিছে তাই গুচি গ’লে এওঁলোকৰ কি হ’ব? তাইৰ অবিহনে দুইজন জীয়াই নাথাকিব। নাই, তাই ক’লৈকো নাযায়। ইমানদিনে যেনেকৈ চলি আছে তেনেকৈয়ে থাকক । তাইৰ এক্কৈশ বছৰীয়া এই জীৱনটো এই দুজন ব্যক্তিৰ ত্যাগৰ ফল। তাই মাকৰ প্ৰতিও কৃতজ্ঞ, কিন্তু মাকেই যিহেতু তাইক এনেকৈ থকাতো বিচাৰিছে সেয়ে তাই একো নজনাৰ দৰেই থাকিব। তাই যে কিবা শুনিছিল মাক দেউতাকৰ মুখত সেয়াও পাহৰি যাব । মাকৰ চিনস্বৰূপে তাইৰ লগত থাকি যাব এই উপহাৰটো! পেকেটটোলৈ চকু গ’ল তাইৰ । চকুপানী মচি বহি ল’লে, উপহাৰৰ কাগজখন লাহে লাহে খুলিলে তাই...। বহুত সময় তধা লাগি চাই ৰ’ল, তাৰপিছত লাহেকৈ বুকুৰ মাজত সুমুৱাই সাৱটি ধৰিলে । চকুপানীবোৰ অবাধ্যৰ দৰে বৈ ৰ’ল, সুখৰ নে দুখৰ?

সেইদিনা সন্ধ্যা চলিহা মেনচনত গ্ৰেণ্ড পাৰ্টীৰ আয়োজন হয় । আলহী অতিথিৰে ভৰি পৰে চৌহদ। তাৰ মাজতে চহৰৰ নামী দামী ব্যক্তিৰে সৈতে হাঁহি মাতি, খিলখিলাই কথা পাতি ফুৰিছে চলিহা দম্পতীৰ একমাত্ৰ কন্যাই। সকলোৰে তাইক ঘূৰি ঘূৰি চাবলৈ বাধ্য, অপৰূপ দেখা গৈছে তাইক । তাইৰ পিন্ধা নাই কোনো ব্ৰেণ্ডেড কোম্পানীৰ হাই ৰেষ্ট জীনচ অথবা পেপলাম ড্ৰেছ । তাইৰ গাত তেতিয়া জিকমিক কৰিছে গুণাৰ ঘন কাম কৰা এযোৰ বগা পাটৰ সাঁজ, তাইৰ হাঁহিটিকো ম্লান পেলাই কাণত হাঁহি ৰৈছে এযোৰ তেজৰঙা বাখৰ খটোৱা সোণৰ কাণফুল...।

অৰ্দ্ধ আকাশ - সেইখন সেউজ পথাৰ য’ত অংকুৰিত হয় নাৰী জীৱন গাঁথাত সন্মুখীন হোৱা প্ৰতিটো প্ৰশ্নৰ হাজাৰটা সান্ত্বনাৰ সংজ্ঞা । প্ৰতিটো উশাহক সেউজ কৰি তুলিব পৰা এখন বিশাল আকাশ!!

।।

—গীতাঞ্জলী শইকীয়া—

# সুবাসিত সময়

## মালা দিহিঙীয়া হাজৰিকা

সন্মুখত পুৱাৰ আহিনৰ কুঁৱলীয়ে ধূসৰ কৰা সেউজীয়া পথাৰখন লৈ বহি আছে নিহাৰীকা। চোতালত তাইৰ বিয়াৰ বাবে দিয়া ৰভাৰ কেইটামান খুটা এতিয়াও ৰভাখনৰ সাক্ষী হৈ থিয় দি আছে।কোমলকৈ হাঁহি এটা বিয়পি গ'ল তাইৰ ওঠৰ কোণেৰে।ঘৰখনৰ বাকী মানুহকেইটা সাৰ পোৱাই নাই। মানুহনো কি আৰু মাক, দেউতাক আৰু ভায়েক। কিয় জানো এইকেইটা মাহৰ পুৱাৰ এই অকলশৰীয়া সময়কণ খুউব প্ৰিয় তাইৰ। চেঁচা বতাহ এজাকে কঁপাই তোলা তাইৰ চাৰিওফাল, সেই বতাহতে বিয়পি পৰা কুঁৱলী আৰু শেৱালীৰ সুবাসে তাইক এখন বেলেগ পৃথিৱীলৈ লৈ যায়। সন্মুখৰ বিশাল পথাৰখনে তাইৰ মনৰ পৰিধি বহলাই দিয়ে তাইৰ অজানিতে। আৰু এই যে আহিবধৰা কুঁৱলীসনা কাতিৰ কানিমুনি সন্ধিয়াত মাকৰ স'তে পথাৰত কলৰ মধুনা কাটি জ্বলোৱা চাকিগছি, তুলসী তলৰ চুবুৰী এটা বিয়পি পৰা প্ৰাৰ্থনাৰ সুৰ,বুটমাহ আৰু নাৰিকলেৰে প্ৰসাদৰ শৰাইখনে তাইক এতিয়াও পুলকিত কৰে। এইবোৰে তাইক একেবাৰে সৰুকালটো ঘূৰাই দিয়ে। এনেও এই দুই তিনিদিনত তাইৰ মনৰ ভিতৰৰ ছবিবোৰে বৰকৈ অহা যোৱা কৰি আছে তাইৰ চকুৰ আগত। আৰু এনেদৰে অকলশৰে বহিবলৈ সুবিধা পায়েই সেয়ে তাই যেন গুছি যাব অতীতলৈ, অতীতৰ সেই দিনবোৰলৈ।

নিহাৰীকা আৰু নিবিড়,সৰুকালৰে লগৰীয়া দুইটা। সিহঁত সৰু থাকোতেই দুখন বেলেগ ঠাইৰ পৰা অহা দুটা পৰিয়ালে একেলগে থাকিবলৈ আৰম্ভ কৰিছিল। লাহে লাহে দুইটা পৰিয়াল ইমানেই আপোন হৈ পৰিল আজি পঁচিশ বছৰ ধৰি তেওঁলোকে একলগেই আছে। প্ৰথম ডোখৰত ভাৰাঘৰত আছিল যদিও পিছলৈ মাটি এডোখৰ কিনি দুয়োটা পৰিয়ালে সমানে সমানে ভগাই ল'লে। সিহঁত প্ৰথমবাৰ লগ পাওঁতে তেনেই সৰু। মাক আৰু বৰমাকে কোৱামতে প্ৰথমবাৰ লগ পায়েই তাই নিবিড়ে হাতত লৈ থকা পুতলাটো কাঢ়ি লৈছিল। লাহে লাহে সিহঁত ডাঙৰ হৈছিল। স্কুল গৈছিল। মুঠতে সকলোতে দুয়োটা একেলগে।খোৱা বোৱাৰ ক্ষেত্ৰতো একেই, এদিন যদি এঘৰত আনদিনা আনঘৰত। ওচৰ চুবুৰীয়াই সিহঁতক ডাঙৰ হ'লে বিয়া পাতি দিব লাগিব বুলি জোকাইছিল। নিহাৰীকাৰ খং উঠিছিল কিন্তু নিবিড়ে ভালহে পাইছিল।সিহঁত ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতৰ মাক দেউতাকেও একেটা কথাই ভাবিছিল। নিহাৰীকা ডাঙৰ হৈছিল। তাই চুকত থকা দিনকেইটা নিবিড়ে তাইক চাবলৈ লগ পাবলৈ থুলস্থুল লগাইছিল।তাক মাক আৰু খুড়ীয়েকে বুজাইছিল যে নিহাৰীকা এতিয়া ডাঙৰ হ'ল। তাই এতিয়া আগৰ দৰে তাৰ লগত দৌৰি দৌৰি খেলিব নোৱাৰিব। কথাষাৰ শুনি তাৰ দুখ লাগিছিল। তাইৰ ওপৰত অভিমান কৰিছিল তাই কিয় অকলে ডাঙৰ হ'ল বুলি। তাৰ অৱস্থাটো দেখি গোটেইবোৰে কিৰিলি পাৰি হাঁহিছিল। চুকত সোমাই থকা নিহাৰীকাইও তাৰ কথা শুনি মুখ টিপি হাঁহিছিল।বেইৰ তলত গা ধুৱাই থাকোতে নিবিড়ে তাইক জুমি জুমি চাবলৈ যত্ন কৰিছিল কিনো ডাঙৰ হ'ল তাই বুলি।

সময় বাগৰিছিল। স্কুলৰ দেওনা পাৰ হৈ সিহঁত কলেজত পঢ়িবলৈ গৈছিল। কিন্তু বিভাগকেইটা বেলেগ আছিল। তাইৰ শিক্ষাতত্ত্ব বিভাগটোত সি চিট পোৱা নাছিল বাবে ৰাজনীতি বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল। তাতো বহুত যুদ্ধ হৈছিল, নিহাৰীকাই ৰাজনীতি বিজ্ঞান বিভাগতো চিট পালেহেঁতেন সেয়ে নিবিড়ে তাইক একেটা শাখাতে নাম লগাবলৈ জোৰ দিছিল।তাই খুউব কান্দিছিল, ভাল নোপোৱা বিষয় এটা কেনেকৈ পঢ়িম বুলি।প্ৰথমবাৰৰ বাবে মাক দেউতাক আৰু বৰমাক বৰতাকে নিবিড়ক আওকাণ কৰি তাইৰ কথা শুনিছিল। নিবিড় আহত হৈছিল ,কেইবাদিনো তাইৰ লগত মাতবোল কৰা নাছিল।কথাবোৰ কিন্তু একেই আছিল। অনবৰতে নিবিড়ে তাইক চকু দি থকা কথাটোত বৰ খং উঠিছিল তাইৰ।লগত যোৱা লগত অহা মুঠতে নিহাৰীকাৰ স্বাধীনতা বোলা বস্তুটো একেবাৰেই নোহোৱা হৈছিল। মাক দেউতাক বৰমাক বৰদেউতাকৰ আগত ক'লেও সি তাৰ দায়িত্ব পালন কৰিছে বুলি তাইক বুজাইছিল।

প্ৰেম এক স্বৰ্গীয় অনুভূতি। ইয়াক কৰা নাযায় হৈ যায়। নিহাৰীকা প্ৰেমত পৰিছিল একেটা বিভাগৰে সূৰুয নামৰ এজন ল'ৰাৰ। তাইলৈ বহুত আগতেই প্ৰেমৰ প্ৰস্তাৱ আগবঢ়োৱা ল'ৰাজনক তাই ইতিমধ্যে কেইবাবাৰো নাকচ কৰিছিল। সি সকলোবোৰ

কথাই জানিছিল তাইৰ আৰু নিবিড়ৰ। তাইৰ যে নিবিড়ৰ প্ৰতি অলপো প্ৰেমৰ অনুভূতি নাই সেই কথাও সি মৌচুমীৰ পৰা জানিছিল। সেয়ে সি বাৰেপতি তাইলৈ প্ৰেমৰ হাতখন আগবঢ়াইছিল।অৱশেষত নিহাৰীকাই তাৰ প্ৰেম কঢ়িয়াইছিল সংগোপনে।

মৌচুমী,নিহাৰীকাৰ একেটা বিভাগৰে ছোৱালীজনী লগত খুউব ভাল বান্ধৱী হৈ পৰিছিল।মাজে মাজে তাই নিহাৰীকাৰ ঘৰত থাকিবলৈও আহিছিল।নিহাৰীকাই মন কৰিছিল নিবিড়ে মৌচুমীৰ লগত কথা পাতি সময় কটাই ভাল পাই।আগতে যদিও সি অকল ছুটীৰ সময়তহে নিহাৰীকাক বিভাগৰ পৰা আনিবলৈ গৈছিল ,লাহে লাহে সি কলেজত থকা সময়খিনিত কেইবাবাৰো তাইৰ বিভাগলৈ যায়। তাইৰ লগত কথা পাতে যদিও তাৰ যেন দুচকুৰে অনবৰতে আন কাৰোবাকহে বিচাৰি ফুৰে। কেতিয়াবা যদি মৌচুমী নাহে,তেতিয়া তাইৰ কথা সুধি সুধি আমনি লগাই দিয়ে তাইক। নিহাৰীকাই ভাবে সি বাৰু তাইৰ প্ৰেমত পৰিছে নেকি মৌচুমীৰ। তাক মুকলিকৈ সুধিবও নোৱাৰে তাই। তথাপিও এদিন সাহস গোটাই তাৰ আগত মৌচুমীৰ কথা উলিয়ালে।তাই ভাবিলে সি যদি মৌচুমীক ভাল পাই তেতিয়াহলে তাই সূৰুযৰ কথাও তাক ক'ব পাৰিব। পিছে তাইক হতাশ কৰি নিবিড়ে কৈ উঠিল,"পাগল নিকি তই। তোৰ লগত মোৰ বিয়া ঠিক হৈয়েই আছে। মই তোকেই ভাল পাব লাগিব।তোক এৰি মই বেলেগ কাৰোবাক কেনেকৈ ভাল পাম।" কথাকেইটা শুনি তাৰ্লৈ পুতৌ ওপজিছিল। তাই বুজিছিল নিবিড় প্ৰেমত পৰিছে মৌচুমীৰ কিন্তু সৰুতেই মানুহবোৰে তাৰ মগজুত সুমুৱাই দিয়া কথাষাৰে তাক বান্ধি ৰাখিছে। তাৰ মনটোৱে মৌচুমীৰ কথা ভাবিলেও মগজুত সাঁচ বহা নিহাৰীকাক সি আঁতৰ কৰিব পৰা নাই।

প্ৰতিটো কথাই নিহাৰীকাই মৌচুমী আৰু সূৰুযৰ লগত আলোচনা কৰিছিল নিবিড়ে গম নোপোৱাকৈ। কেতিয়াবা তাইক সূৰুযৰ লগত দেখিলে তাইক সেই ঠাইৰপৰা আঁতৰাই আনিছিল সি। নিবিড়ে তেনে কৰাৰ কথাত সূৰুযেও বাধা দিয়া নাছিল।মৌচুমীয়ে প্ৰথমৰ পৰাই নিবিড়ক যিহেতু ভাল পাইছিল সেয়ে লাহে লাহে নিবিড় তাইৰ প্ৰতি আকৰ্ষিত হোৱা কথাটোত তাই সুখী হৈছিল।সেয়ে তাই সিদ্ধান্ত লৈছিল আৰু নিবিড়ক তাইয়েই ভালপাওঁ বুলি কৈ দিছিল। নিবিড়ে তাইৰ ভালপোৱাৰ প্ৰস্তাৱ মানি নোলোৱাত আচৰিত হোৱা নাছিল মৌচুমী। কিন্তু নিহাৰীকা আচৰিত হৈছিল।প্ৰতিটো কথা নিহাৰীকাৰ আগত কোৱা নিবিড়ে মৌচুমীৰ এই কথাটোও তাইৰপৰা লুকুৱাইছিল যিদৰে মাজে মাজে মৌচুমীক লগ কৰা, তাইৰ লগত একেলগে বহি কফি খোৱা,নিহাৰীকা কেতিয়াবা কলেজ নগলেও মৌচুমীৰ বিভাগলৈ আহি তাইক লগ কৰাৰ কথাবোৰ লুকুৱাইছিল। তাই ভাবি পোৱা নাছিল কি কৰে তাই, সুখ অনুভৱ কৰেনে দুখ।

দিন বাগৰিছিল। নিহাৰীকা আৰু সূৰুযৰ প্ৰেমৰ কথা তাইৰ মাকে গম পাইছিল। সেয়ে তাই মাক আৰু বৰমাকক খুলি কৈছিল কথাবোৰ। তাই মৌচুমীৰ কথা ক'বলৈও পাহৰি যোৱা নাছিল। মাকহঁতে ইজনীয়ে আনজনীৰ মুখলৈ চাই ৰৈছিল।তাই বুজাইছিল যে নিবিড় আৰু তাইৰ মাজত প্ৰেম কেতিয়াও নাছিল আৰু নহবও। সৰুতে একেলগে খেলি ধূলি ডাঙৰ হওঁতে সকলোৱে দুইটাকে যোৱা দিয়া কথাটোৱে তাৰ মনত ঘৰ কৰিছিল। যাৰ বাবে সি তাইৰ লগত বিয়া পাতিব,তাইক ভালপাব লাগিববোৰ তাৰ দায়িত্ব আৰু কৰ্তব্য বুলি ধৰি লৈছিল। আৰু সেয়ে সি বেলেগৰ কথা ভাবিবই পৰা নাই। মাক আৰু বৰমাকৰ প্ৰশ্নবোধক চাৱনি দেখি তাই আকৌ কৈছিল যে যদি তাৰ মনত মৌচুমীৰ প্ৰতি একো অনুভূতি নাথাকিলেহেঁতেন, তেতিয়াহ'লে তাইক এদিন নেদেখিলেই উচপিচাই কিয় থাকে সি,নিহাৰীকাৰ পৰা দাঁতত ভাত লগা কথা এটাও লুকুৱাব নজনা নিবিড়ে মৌচুমীৰ কথা কিয় লুকুৱাই, সি তাইক ভালপায়, কিন্তু নিহাৰীকাৰ প্ৰতি দায়িত্ব আছে বুলিয়েই নিজক ফাঁকি দিছে সি। মৌচুমীয়েও তাক সঁচাকেই ভালপাই। তথাপিও সি তাৰ মনৰ কথা খুলি নোকোৱালৈকে সূৰুযৰ কথা তাক জানিবলৈ নিদিয়াৰ সিদ্ধান্ত লৈছিল।

পাখিলগা কাঁড়ৰ দৰে উৰে সময়। সপোনবোৰেও ডেউকা কোবাই উৰিবলৈ ধৰে দূৰ দিগন্তলৈ। তথাপিও সময়ৰ শিকলিৰে বান্ধি ৰাখে সপোনৰ ডেউকা। এদিন দুদিন কৰি ছটা বছৰ পাৰহৈ গৈছিল চকুৰ পলকতে। নিহাৰীকা আৰু মৌচুমী দুইজনীয়ে শিক্ষয়ত্ৰী হিচাপে নিযুক্তি লাভ কৰিছিল।সূৰুযেও চাকৰি এটা যোগাৰ কৰি গুৱাহাটীলৈ বুলি গুছি গৈছিলগৈ। নিবিড়ে নিজাকৈ ব্যৱসায় আৰম্ভ কৰিছিল।সম্পৰ্কবোৰ একেদৰেই আছিল সিহঁতৰ। গাঢ় হৈছিল নিহাৰীকা আৰু সূৰুযৰ প্ৰেম।অলপ সলনি হৈছিল নিবিড়। নিবিড়ৰ পৰা আঁতৰি ফুৰিছিল, যিটোৱে তাক পাগল কৰি তুলিছিল।কিন্তু সি একোৱেই কৰিব পৰা নাছিল। তাৰ মাজতে এদিন ঘৰত নিবিড় আৰু নিহাৰীকাক সন্মুখত বহুৱাই সিহঁতৰ বিয়াৰ কথা উলিয়ালে। নিবিড়ে অতি বেপেৰুৱাভাবে বিয়াত সন্মতি দি দিনবাৰ থিক কৰিবলৈ ক'লে। নিহাৰীকাই ভাবিছিল মুকলিকৈ কৈ দিয়াৰ কথা কিন্তু মাক আৰু

বৰমাকেহে তাইক বাধা দিলে। তাইৰ বুকুখন কঁপি উঠিছিল। বাৰে বাৰে সূৰুযলৈ মনত পৰি কান্দি উঠিছিল তাই।

বিয়ালৈ আৰু দুটা দিনো নাই। ঘৰত ইতিমধ্যে আটায়ে কথাবোৰ গম পাইছে।নিহাৰীকাৰ কান্দোনে মাকক ভবাই তুলিছে। মৌচুমীয়ে শেষবাৰৰ বাবে এবাৰ চেষ্টা কৰো বুলি নিবিড়ক লগ কৰিলে। তাক তাই ভালপোৱাৰ কথা ক'লে। হঠাত জানো কি হ'ল নিবিড়ৰ। মৌচুমীক সাবটি ধৰি সি হুকহুকাই কান্দি উঠিল। সি তাইক ক'লে যে মৌচুমীক প্ৰথম দেখাৰ দিনৰ পৰাই পগলাৰ দৰে ভালপাই সি। ইমান বছৰে অকলে অকলে কান্দিছে সি প্ৰতিটো ৰাতিত। নিহাৰীকাক সি তেনে কৰিব নোৱাৰে,ইমান ভাল অকঁৰা অজলা ছোৱালীজনীৰ মনত সি দুখ দিব নোৱাৰে,দুখন ঘৰৰ ইমান দীঘলীয়া বন্ধুত্ব মাথো প্ৰেমৰ বাবেই শেষ হৈ যাবলৈ দিব নোৱাৰে সি। সেয়ে মৌচুমীৰ প্ৰতি থকা সীমাহীন ভালপোৱাক অৱমাননা কৰিছিল। কিন্তু সি আৰু নোৱাৰে নিজক ফাঁকি দিব। নিহাৰীকাক জনাব লাগিব কথাবোৰ।সি তাইক মনাই লব পাৰিব।কথাবোৰ কৈ কৈ আৰু বেছি উচুপি উঠিছিল সি। মৌচুমীক সাবটি ধৰিছিল শৰীৰৰ সমস্ত জোৰেৰে। সি নাজানে নিহাৰীকাই তাৰ কথাবোৰ শুনি আছে বুলি। তাইৰো মনৰ বোজাবোৰ চকুৰ পানী হৈ দুগালেদি বৈ আহিল। নিহাৰীকাই ভাবিলে তাইয়েই হয়তু প্ৰথমজনী মানুহ যি দুদিনৰ পিছত নিজৰ হবলগা মানুহজনৰ দুবাহুত আন কৰোবাক দেখি স্বস্তিৰ নিশ্বাস পেলাইছে। মনটো ভাল লাগি গ'ল তাইৰ।

নিবিড়ে অকপটে কথাবোৰ দুয়োটা পৰিয়ালৰ আগত জনাইছিল। সকলো আচৰিত হৈছিল, যাৰ পৰা ইমানদিনে কথা লুকুৱাই থোৱাৰ বাবে নিজকে দোষী মানিছিল সিয়েই বুকুত ইমানবোৰ দুখ কঢ়িয়াইছিল। মাক আৰু খুড়ীয়েকে উচুপি উঠিল তাৰ কথাত। সি তলমূৰ কৰি কৈ গ'ল কথাবোৰ। শেষত তাকো জনোৱা হ'ল দীৰ্ঘদিন ধৰি সূৰুযে নিহাৰীকাক ভালপোৱাৰ কথা। সকলোকে আচৰিত কৰি এইবাৰ ধেকধেকাই হাঁহি উঠিল সি,নিহাৰীকাৰ ফালে চোঁচা মাৰি খেদি গৈ তাইক ক'লে,"বান্দৰী তই তেতিয়াই মোক কৈ দিয়া হ'লে মই ইমানবোৰ ৰাতি কান্দিব নালাগিলেহেঁতেন।" তাৰ পিছত তাইৰ মূৰত হাত ফুৰাই সি আকৌ ক'লে,"সূৰুয ভাল ল'ৰা,মই ওচৰৰ পৰা পাইছো তাক, সি সদায় সুখত ৰাখিব তোক। আৰু গেধী, সূৰুয কি যিকোনো ল'ৰাই তোৰ নিচিনা হেবাং এজনীক সুখী কৰিব পাৰিব।" নিহাৰীকাৰ অনুভৱ হৈছিল সি যেন এটা গধুৰ দায়িত্ব আৰু কৰ্তব্যৰ বোজাৰ পৰা মুক্ত হ'ল।

দুদিন পিছত সঁচাকৈয়ে তাইৰ আৰু নিবিড়ৰ বাবে আয়োজন কৰা ৰভা তলতে মৌচুমী আৰু নিবিড়ৰ বিয়া হৈ গ'ল। সূৰুযেও কথাবোৰ শুনি ফোনতে জঁপিয়াই উঠিল। ছুটী নথকাৰ বাবে সি বিয়াত আহিবও নোৱাৰিলে। বিয়া খনত তাইৰ কৰণীয় সমস্ত দায়িত্ব আৰু কৰ্তব্য পালন কৰিলে তাই।

"নিহা ,অ নিহা, ক'লৈ গ'ল অ এইজনী" বুলি চিঞৰি চিঞৰি মাক আহি একেবাৰে তাইৰ কাষ পোৱাতহে তাইৰ সম্বিত ঘূৰি আহিল। তেওঁ ক'লে "অথনিৰে পৰা সূৰুযে ফোন কৰি আছে ।সি আহি আছে।বাছষ্টেণ্ডৰ পৰা বাহিৰে বাহিৰে ইয়ালৈকে আহিব। তোক আগবাঢ়ি যাবলৈ কৈছে"। অ, মা বুলি কৈ তাই কেৰমেৰাই উঠিল। ইমানপৰে তাই হৈ যোৱা সময়বোৰতেই আছিল। মনটো মুকলি লাগি গ'ল তাইৰ কথাবোৰ ভাবি। বেলি ওলাবলৈ হ'ল। কিমান দেৰি যে বহি আছিল তাই। কামকৰা মানুহকেইটাই ৰভাৰ খুটাকেইটা উভালিবলৈ আৰম্ভ কৰিছে। নিবিড়হঁতৰ ঘৰৰ ফালে ডিঙিটো দীঘলকৈ মেলি চালে তাই কিজানিবা নকইনাজনীৰ ৰূপত সদ্যস্নাতা মৌচুমীক দেখেই।


সূৰুয আহিছে,তাকো ঘৰলৈ ।অৱশ্যে আগতেও আহিছে তথাপিও এইবাৰ সি অহাটো অলপ বেলেগ হ'ব। লৰালৰিকৈ গাটো ধুই সি ভালপোৱা ধৰণেৰে নিজকে সজাই মাকে বাকি থোৱা চাহকাপ খাই তাই ষ্টেণ্ডলৈ বুলি ওলাই গ'ল মনৰ আনন্দতে তাইৰ প্ৰিয় গানটো গুনগুনাই .......

"আমোলমোল শেৱালিৰ গোন্ধ,  
যাওঁ বুলি যাবই নোখোজে চোন..  
চকুৰে চকুৰে চাব পৰা হলে,  
দেখিলো হেতেন বেলিৰ মুখৰ ৰং  
তোমাৰ শিৰৰ সেন্দূৰ কণ...  
আমোলমোল শেৱালিৰ গোন্ধ  
যাও বুলি যাবই নোখোজেচোন.."

# ভালপোৱাবোৰ

**অংকুমণি নেওগ**
**গুৱাহাটী**

তোৰ ,
খঙবোৰৰ আঁৰত থকা অভিমানবোৰ ,
অভিমানবোৰৰ আঁৰত থকা মৰমবোৰ,
মৰমবোৰৰ আঁৰত থকা হেঁপাহবোৰ, আৰু
হেঁপাহবোৰৰ আঁৰত থকা ভালপোৱাবোৰৰ
কাৰণেই তই মোৰ আটাইতকৈ প্ৰিয়...;
আৰু সেয়ে মোৰ বুকুত আজিও কঢ়িয়াই লৈ ফুৰো
তোৰেই নামৰ প্ৰতিটো ঋতুৰ হাজাৰ অনুৰাগ... !!
সমীপেষু তোৰ হৃদয়
চহৰখনত বুবুবাবা
তাইৰ হেনো কিবা অসুখত আক্ৰান্ত
দহে দহটা বিধান দিয়াত ব্যস্ত
তাই হাঁহে আৰু মনতে ভাবে
মনৰ অসুখতনো কিহৰ আৰু বিধান
অলপ আকুলতা আৰু
এষাৰি মাতেইটো সমিধান...
তোমাৰ বাবেই কেতিয়াবা
কেতিয়াবা,
অলপ জাধলী হৈয়ে থাকি ভালপাও
যাতে তুমিও সামৰি সুতুৰী ৰাখিব পাৰা
বিশৃংখল মইজনীক
কেতিয়াবা,
অলপ আকলুৱা হৈ থাকিব বিছাৰোঁ
যাতে তুমিও শিশুসুলভ মইজনীক
ভালপোৱাৰে আৰৰি ৰাখা
কেতিয়াবা,
অলপ তোমাক আমনি কৰিব বিচাৰো
যাতে বিৰক্তিৰে তুমি মোক কোৱা
"মই বুলিহে তোমাৰ লগত আছো আৰু দেই"
কেতিয়াবা,
কিন্তু অলপ দুখো বিচাৰোঁ মই
যাতে  তোমাৰ বুকুত মুৰ গুজি
জীৱনটোলৈ বুলি মই সকাহ হ'ব পাৰোঁ...
প্ৰেম
প্ৰেম
বিষয় বস্তুটোৰ গভীৰতা অলপ সুকীয়া...
বয়সত পৈণত হয় ইয়াৰ সংজ্ঞাৰ মৰ্য্যদা আৰু
সময়ত পৈণত হয় ইয়াৰ গভীৰতা সংজ্ঞা...
প্ৰেম মানে কোনো সস্তীয়া প্ৰৰোচনাৰ
মায়াত মোহ যোৱাৰ মৰিচিকাৰ চিকমিকনি নহয়...
নহয় এটা নিৰ্দিষ্ট বিন্দুত আৰম্ভ হৈ পুনৰাই তাতে
ইতি হে ৰোৱা কোনো বৃত্তৰ ঘেৰ..
প্ৰেম মানে সদায় হৃদয় জুৰুৱা এটা গুপুত বাৰ্তা
আৰু
অৰ্থহীন কাজিয়াবোৰৰ অভিমানত
মেৰ খাই ৰোৱা আবেগ বিহ্বল এবুকু সেউজীয়া..



# স্ব-কথন



**অন্বেষী বৰা**

অহল্যা পালানে প্ৰাণ??
চেতনাৰ পৃথিৱীত বিছাৰি চোৱাছোন,
পোৱা কিজানি ঠিকনা,
হেৰুৱা অস্তিত্বৰ।।
"নাই,এইয়াযে অসম্ভৱ
শাপগ্ৰস্থা মই,
গ্লানিৰ বোজাত নতশিৰ
মোৰ অস্তিত্ববিহীন চেতনা,
পুনঃজাগ্ৰত মাথো এক,
বৃথা চেষ্টা।"
শাপগ্ৰস্থা, কিয় ভাবি ল'লা,
নিজকে অহল্যা?
শোষিতা তুমি,
নুবুজিলা কিয়?

বিনা অপৰাধৰ
বিষম শাস্তিৰে,
ভাৰাক্ৰান্ত তুমি।
দুৰ্বলা নাছিলা কাহানিও,
আছিলা তুমি মাথো প্ৰেমিকা।
প্ৰেমক দমনৰ অলংকাৰ ,
পিন্ধোৱা নাযায় কেতিয়াও অহল্যা।
"উহঃ কলংকিনী মই,
পৰ-পুৰুষৰ স্পৰ্শৰে
স্পৰ্শিত মোৰ প্ৰাণক,
প্ৰায়শ্চিত্ত হ'বলৈ দিয়া,
প্ৰস্থৰৰ পৃথিৱীত।"
প্ৰলাপ এইয়া অহল্যা,
বিশ্বাসৰ অপমৃত্যুত,
ৰক্তাক্ত হিয়াৰ প্ৰলাপ এইয়া।

ছলনাৰ চিকাৰ তুমি,
অপমানৰ সাগৰত সাঁতুৰিও
সমাহিত স্বতাই,
কলংকিনী নাম,
কিয় পায় অহল্যা??
বিশ্বাসহীন প্ৰেমৰ সৌধ
এনেকৈয়ে খহে,
তুমি নুবুজানো কিয়?
"আহিব,
মোৰ আৰাধ্য আহিব।
মোৰ মলীন আত্মাক
স্পৰ্শৰ জ্যোতিৰে উজলাবলৈ,
মোৰ চিৰ আৰাধ্য আহিব।।"
নাহে অহল্যা,
নিষ্প্ৰয়োজন সেই অপেক্ষা।
নিজকে এবাৰ সুধি চোৱা অহল্যা,
চেতনাৰ জুইয়ে দ্গমগীয়া কৰা
সোণালী স্বত্তাক,
নহয়যে প্ৰয়োজন
অন্যান্যৰ স্পৰ্শ।
"ইমান সাহসী হ'ব পাৰিম জানো?"
কিয় এই সংশয়?
তোমাৰ চৌপাশে চোৱা অহল্যা,
ৰক্তাক্ত ক'তজনী ন-ন অহল্যা
ছলনা আৰু বিশ্বাসহীনতাৰ,
আঁচোৰত নিতৌ।
শিলা আবেষ্টনী ভেদি
মেলি চোৱা দুহাত,
বাট হেৰুৱা প্ৰাণজাককে যে,
প্ৰয়োজন তোমাৰ
স্তিতপ্ৰজ্ঞ সবল দুহাত।
সততাৰ আহুদিৰে দগমগীয়া,
চেতনাৰ জুই
ব্যাপ্ত হঁওক সকলোলৈ।
নালাগে আহ্বান আৰাধ্যৰ,

স্ব-স্পৰ্শৰে জিলিকি উঠা,
শত-শত অহল্যা
হৈ উঠক একোটা ফিনিক্স পক্ষী
আৰু উৰা মাৰক চুবলৈ নতুন আকাশ।।

(শিলাখন্দত পৰিণত হোৱা অহল্যাৰ পৌৰাণিক আখ্যানক এক বাস্তৱধৰ্মী আধুনিক বিশেষণৰ প্ৰয়াস মাথো কবিতাটিত কৰা হৈছে)
স্ব-কথন শীষক কবিতাটো মোৰ আৰু মই স্ব-ইচ্ছাই গ্ৰন্থত প্ৰকাশ কৰিবলৈ দিছোঁ।

# হৃদয়ৰ মুখা

**চয়নিকা স্মৃতি চুতীয়া**
**মৰাণ**

ভাবিব পাৰিনে
হৃদয়ৰো মুখা থাকে বুলি....
হয়তো থাকে....
সেইবাবেই দেখিছো....
বহুবাৰেই দেখিছো..

হৃদয়ৰ নিভৃত কোণত
নিজৰ নামৰ ঘৰ সাজি
পুনৰ সেই ঘৰ ভাঙি চূৰমাৰ কৰাও দেখিছো...
পুনৰ গঢ়ি আকৌ ভঙাও দেখিছো
বাৰম্বাৰ ....
হৃদয়খন ভাঙি শেষ হৈ
ছাই হৈ নোযোৱালৈকে
জ্বলাই থকাও দেখিছো....

হাতে হাতে মুখা লৈ
বিক্ৰী কৰাও দেখিছো...

হৃদয়ৰ মুখা
দেখাত সচাঁই ধুনীয়া
নিৰ্মল যেন...

কিন্তু....
চকুৰ সন্মুখতে
নিজৰ হৃদয়খন
নিলাম কৰাও দেখিছোঁ....

নিলামৰ বজাৰখনত
বহুত আপোন মানুহৰ
ভিৰো দেখিছো.....



# মই মাজনীয়ে কৈছোঁ



কল্যাণী দত্ত

মই তিতাবৰ ন-আলিৰ পৰিত্যক্তা মাজনীয়ে কৈছোঁ ..
মোক চিনি পাইছা নে মা?
মোৰ মুখ খন দেখি এবাৰ হ'লেও
অনুকম্পা জাগিছে নে দেউতা ?
মই তোমালোকৰে মাজনী অ' মা-দেউতা !
যাক আহ্বান জনাইছিলা তোমালোকেই এই পৃথিৱীলৈ।
তেন্তে মাতৃৰ নাড়ীৰ পৰা মুক্ত হৈয়ে আজি মই পৰিত্যক্তা কিয় মা?

মই তোমাৰ মাজনীয়ে কৈছোঁ মা।
তোমাৰ চকুত চকু থৈ কৰিব বিচাৰিছোঁ এটি প্ৰশ্ন -
মোৰ দোষ কি মা?
কি পাপৰ ফল মোৰ এয়া?
মইতো পাপ কৰা নাছিলোঁ একো !
মাথো এধানি মৰম বিচাৰিছিলোঁ;
বিচাৰিছিলোঁ এধানি পোহৰ !

"মাক বাঘিনী, বাপ্ ঢোঁৰাসাপ"
মা, তুমি বাঘিনী হৈ কিয় কৰিব
নোৱাৰিলা মোক উদ্ধাৰ?
দিব নোৱাৰিলা ৰক্ষণাবেক্ষণ?
কিহৰ ভয়ত মা? কাৰ ভয়ত?

হয়তো মই 'কন্যা' বাবে...
নাইবা মই জাৰজ....
যাৰ নাই আপোন পৰিচয়!

লোকচক্ষুৰ আঁৰত একলা দুকলাকৈ
বঢ়া তোমাৰ স্ফীত উদৰ কিদৰে
প্ৰতিপালন কৰিছিলা মা!

অন্তিম মুহূৰ্তলৈ যদি মোৰ ভাৰ সহিবই পাৰিলা;
তেন্তে আত্মগ্লানিৰ ভয়ত কিয় মোক ত্যাগ কৰিলা ??

হাত কঁপা নাছিল নে তোমাৰ মোক
বস্তাৰ ভিতৰত ভৰাই লওঁতে?

বুকুখন বিযোৱা নাছিল নে আন্ধাৰৰ
সুযোগত মোক এৰি যাওঁতে?

মাতৃদুগ্ধ বোলে অমৃত!
মই অমৃত বঞ্চিতা তোমাৰ মাজনী ......

গোটেই ৰাতি বৰষুণে মোৰ শৰীৰ তিয়াই পেলাওঁতে
শাঁত পাৰিছিল নে তোমাৰ হিয়া ?
নে
তুমিও জুৰুলি জুপুৰি হৈছিলা তোমাৰ
পাপৰ প্ৰায়চিত্ত বিচাৰি?

আজি মই বাতৰিৰ শিৰোনামা!
তুমি বাৰু গৰ্বিতা নে মা ...তোমাৰ সন্তান যে
আজি সৰ্বজনবিদিতা?

পৃথিৱীখনত প্ৰেম আছে;
আছে আন্তৰিকতা..
পৰোপকাৰ ..মৰম.. দয়াশীলতা ....
আছে তোমাৰ দৰে হৃদয়হীনা ও.....

এইয়া আই. চি.ইউ.ৰ ভিতৰত এজাক মানৱীয় অনুভূতিৰ শুশ্ৰূষাত মই উশাহ লৈছোঁ ...
সুঘ্ৰাণ লৈছোঁ অনাত্মীয়ৰ
সহবাস কৰিবলৈ হয়তো শিকিম
হাঁহিবলৈ অথবা যুঁজিবলৈয়ো
বাহিৰত! মোক বিচাৰি হেতা ওপৰা
দেখিছা নে আই...
শুনিছানে মমতাময়ী সন্তানহীনা নাৰীৰ হাঁহাকাৰ
নকঁপিল এবাৰলৈও তোমাৰ অন্তৰাত্মা



মই গুচি যাম হয়তো কাইলৈ কাৰোবাৰ
জ্বলা কলিজা শাঁত পেলাবলৈ...
শূন্য কোলা পূৰ্ণ কৰিবলৈ ।

কেলেণ্ডাৰৰ পৃষ্ঠা লুটি খাব ।
তুমি পাহৰি যাবা মোক;
হয়তো ময়ো পাহৰি যাম তোমাৰ গৰ্ভৰ অন্ধকাৰ কোঠালিৰ গভীৰতাক।

যদিওবা মই বৰ্জিতা
তোমাক অভিশাপ নিদিওঁ আই

মাথো কামনা কৰিম
তোমাৰ গৰ্ভজাত মোৰ অনুজ বোৰও আইৰ বুকুৰ উমৰ পৰা বঞ্চিত নহওক।
সদাগৰৰ পত্নীৰ ভূমিকা তুমি ঠিকেই পালিলা...
পাহৰি নাযাবা পৃথিৱীত ‘চিলনী আই’ শেষ হৈ যোৱা নাই।।

# এজন নষ্ট কবি আৰু এগৰাকী নষ্ট নাৰীৰ বিষয়ে...

মন্দিৰা গগৈ
গুৱাহাটী



এজন নষ্ট কবি আৰু এগৰাকী নষ্ট নাৰীৰ বিষয়ে লিখাতো
ইমান সহজ নহয়...

দৃশ্য - এক

নষ্ট নাৰীয়ে ৰাতি ৰাতি ফুলনিৰ
ফুল ছিঙে
নষ্ট কবিয়ে কুঁৱলী ফালি ফালি
ছবি আঁকে

দৃশ্য -দুই

নষ্ট নাৰী এছাটি বতাহ হৈ বলে
নষ্ট কবিয়ে ৰাতিটো সাৱটি ধৰে
নষ্ট নাৰী এখন নদী হৈ পৰে
নষ্ট কবি চপচপীয়াকৈ তিতে
নষ্ট নাৰী চৰাই হৈ উৰে
নষ্ট কবি জ্বলি জ্বলি মৰে

দৃশ্য-তিনি

দুয়োৰে বুকুত দুটা আৰণ্যক ভাস্কৰ্য
দুয়োৰে দুভৰিত সৰাপাতৰ খচমচনি
তাৰ পাছত !!
আস ! মই আগতেই কৈছোঁ যে এজন নষ্ট কবি আৰু এগৰাকী নষ্ট নাৰীৰ বিষয়ে লিখাতো ইমান সহজ নহয় । তথাপি যৎকিঞ্চিত প্ৰচেষ্টা এয়া। আৰু নোৱাৰোঁ।

অনুগ্ৰহ কৰি আপুনি মোক পুনঃ প্ৰশ্ন নকৰিব।

# ৰাধা

**পিনু বৰ্মণ**
**বৰপেটা**



বাঁহীৰ মাতত কেলেই বাউল হ'লি
আজীৱন এক ভ্ৰান্তিতেই কটালি
আজলী ৰাধা,
কেলেইনো ভাব তই কৃষ্ণৰ আধা
হালৰো নহ'লি ফালৰো নহ'লি
কি সুখৰ বাবে কি হেৰুৱালি
পূৰ্ণিমাৰ জোনত উদ্ভাসিত ৰাধা
খবৰ পাৰনে আঁউসীত কিদৰে মৰে জোন?
শেতেলীৰ আদৰক নেওচিও
কি সুবাস বিচাৰি যমুনাক ধিয়াৰ
কানাইৰনো কি দোষ
চিকুণ বাঁহীৰ সুৰত জিঁকাৰ খাৰ কিয়?
ৰাধা, ৰাধা,দুখুনী ৰাধা
কাতৰি মাতিছো নহ'বি উন্মনা
কানাইয়ে নেদেখে
তোৰ চকুৰ ভৰা যমুনা ।।



# অনামী

**মাধুৰী বৰা**

এই.....,
মনোৰম প্ৰকাশ
খোজত জিলিকে আদিম লয়লাস...
কি নাম তোমাৰ
হিমশিখা, দ্বীপশিখা
নে স্নিগ্ধাশিখা...
কি ভাবা
গলি গলি নুমাব খোজা
চেঁচা মমৰ শিখা
নে অনলকুণ্ডই নিৰ্বাসন দিয়া
মুমূৰ্ষপ্ৰায় ফিৰিঙতিৰ শিখা
সুপ্ত জ্বালামুখীৰ নিশব্দে উদ্গীৰিত
মই তপ্ত গলিত লাভা
দুপৰবেলাৰ দেই পুৰি নিয়া
সুৰুযৰ তীক্ষ্ণ প্ৰভা।
মোৰ নাম
বহ্নিশিখা...।

# বৈদেহী

**ৰশ্মি শইকীয়া**



মই সীতা
জনকনন্দিনী মই জানকী।
মিথিলাৰ ৰাজকন্যা
মই হেনো মৈথিলী।।

পখিলা খেদা বয়স মোৰ
আদৰুৱা মই ৰাজকন্যা
অথচ মানুহে কয় মই হেনো পৃথক আনতকৈ!
যজ্ঞভূমিত নাঙলৰ সীৰলুৰ আগত
মোৰ জন্ম
সেয়ে মই ব্যতিক্রম!
দাপোনত নিজকে খুটিয়াই চাওঁ,
তেনেই সৰল এজনী কিশোৰীয়ে
সিপাৰৰ পৰা মিচিকিয়াই হাঁহে।

যৌৱনে পাটত উঠি বহিল
পিতায়ে আয়োজন কৰিলে সয়ম্বৰ
নুসুধিলে মোক কোনেও এবাৰলৈও মনৰ খবৰ।
কি এই জীৱন!
সমাজে যে কয় লাও সদায় পাতৰ তল!!
মাহ-হালধিৰে নোৱালে-ধোৱালে
ন-সাজেৰে মোক আয়তীয়ে সজালে-পৰালে
হাতত তুলি দিলে বৰমালা
এতিয়া সন্ধিক্ষণ...
অলপ পিছতে নিৰ্ধাৰণ কৰিম মই মোৰেই ভাগ্য।
অলেখ সুপুৰুষ ৰাজসভাত
মোৰ চকু পৰিছিলনে সেই স্বৰ্ণকান্তি ৰাজপুত্ৰৰ ওপৰত!
ৰাজসিক খোজেৰে যি অনায়াসে তুলি ল'লে মহাদেৱ প্ৰদত্ত হৰধনু
এটি মাথোঁ টংকাৰ সেই মহাধনুত
চিৰদিনৰ বাবে মই সেই ৰাজপুত্ৰৰ হৈ গ'লো!

ইতিহাসত লিখা গ'ল দুটি নাম
ৰাম-সীতা।

সমাজে আজিও আশীষ দিয়ে
ৰামচন্দ্ৰৰ দৰে বৰ হওক কন্যাৰ!
মই বৈদেহী, ৰামচন্দ্ৰৰ ধৰ্মপত্নীয়ে কৈছো
হে কন্যা নবৰিবা তেনে বৰ,
যি সমাজৰ ভয়ত তোমাক পৰীক্ষে অগ্নিপৰীক্ষাৰে
নুবুজে তোমাৰ আকুলতা
প্ৰেমতকৈ আগস্থান দিয়ে সতীত্বক!
ক'তা! মোৰ অনুপস্থিতিৰ সুদীৰ্ঘ সময়ছোৱাত মইতো
তেওঁলৈ আঙুলি টোওৱা নাছিলোঁ।
নে প্ৰশ্ন কৰাটো পুৰুষৰ একচেতিয়া অধিকাৰ!!

হে ৰঘুকুলনন্দন!
আজি মোক উত্তৰ দিয়া
হোৱা হ'লে মোৰ ঠাইত তুমি
কেনে লাগিলহেতেন তোমাৰ
ভাৰা, বৈদেহীৰ ঠাইত নিজক এবাৰ থিয় কৰাই ভাৰা।
তোমাতকৈ হাজাৰগুণে শ্ৰেষ্ঠ নাছিলনে
সেই লংকাধিপতি ৰাৱণ!
আছিল অসুৰ
কিন্তু আগস্থান দিছিল হৃদয়ক
মোৰ বিনা অনুমতিত চোৱা নাছিল কেশাগ্ৰও।

অথচ দেৱ হৈ তুমিয়েই লাঞ্ছন লগালা
অনাহাৰে অনিদ্ৰাই তোমাৰ বাবেই কৰা অপেক্ষাক তুমি ভৰিৰে মোহাৰিলা।

হে কন্যাকুল,
মই বৈদেহীয়ে কৈছোঁ
অলীক স্বৰ্ণ সপোন নেদেখিবা,
মোহান্ধ নহ'বা
নবৰিবা বৰ ৰামচন্দ্ৰৰ দৰে
দুৰ্যোগৰ দিনত যি এৰি দিয়ে প্ৰিয় পত্নীৰ হাত!
সমাজৰ হাত ধৰি মিলি যায় স্বাৰ্থপৰতাৰ মিছিলত!!

তাতোকৈ দশাননেই শ্ৰেষ্ঠ
শৰীৰৰ বল প্ৰয়োগ নকৰি
যি চেষ্টা কৰে প্ৰেয়সীৰ হৃদয় জিনাৰ
হ'ব পাৰে সেই প্ৰেম অবৈধ,
হওক...
নিৰপৰাধী পত্নীলৈ তোলা প্ৰিয়তম পতিৰ সন্দেহৰ আঙুলিৰ তুলনাত
সেই অপৰাধ নহয় অক্ষমণীয়।।

# শিশু শ্ৰমিক আৰু শিশু দিৱস

**ৰীতামণি ডেকা**

মা—
তই যে কৈছিলি
বাপু আৰু নেহেৰু খুৰাই হেনো
এটা সপোন দেখিছিল
মই হেনো উদ্দীপ্ত সূৰুয ,
দুৰন্ত তৰুণ ,
মুক্ত বিহংগ ,
দেশৰ সোণোৱালী ভবিষ্যত ।



কিন্তু কিয় ?
বাপুৰ দেশত
নেহেৰুখুৰাৰ দেশত
মই অৱহেলিত ,
লাঞ্ছিত ,
উপেক্ষিত ,
শোষিত ??

সৌ– যে–
ডাঙৰ ডাঙৰ অট্টালিকা বোৰ ,
হোটেল বোৰ,
কাৰখানা বোৰ
ঠিকনা মোৰ।

পোৱালি,
আপা,
আপী
নাম মোৰ।
আপোন নামটো জানো
ক'ত হেৰাই গ'ল মোৰ।

হাড়ভগা পৰিশ্ৰম কৰিও
ভোকাতুৰ মই
অজুহাত
সামান্য দোষ
কিন্তু শাস্তি গুৰুতৰ
চোৰক পিটা দিয়ে অ'
সিহঁতে মোক।

উজ্জ্বল ৰশ্মিৰ চিকমিকনিত
অৰ্ধউলংগ দেহাটোৰে
প্ৰদৰ্শন কৰো মই চাৰ্কাছত ,
থিয়েটাৰত ।
জাউৰী জাউৰী
হাতচাপৰি বোৰত
টুকুৰা টুকুৰকৈ সৰি পৰে কাচঁৰ টুকুৰা
মোৰ কলিজাৰ পৰা ।
এতিয়া মই উপহাৰ পাম
মানৱৰূপী পশুকেইটাই মোৰ শৰীৰৰ



মঙহবোৰ টানি টানি খাব
মানুহ এবাৰ মৰে
মই বা-ৰ বা—ৰ মৰো ।

নগ্ন ভৰি দুখনেৰে যেতিয়া
বস্তাটো কান্ধত লৈ
ডাষ্টবিনত কিবা এটা বিচাৰি ফুৰো
বৰ কষ্ট পাওঁ।
মুৰটোৰ ওপৰত শিল আৰু ইটাৰ বোজা
কঢ়িয়াব পাৰো জানো?
কঢ়িয়াও পেটৰ দায়ত ।

পাৰিম নে ৰাতিৰ এন্ধাৰ ফালি
ওলাই আহিব উদ্বীপ্ত সূৰুয হৈ ?
হ'মনে মই দুৰন্ত তৰুণ ?
দেশৰ সোণোৰালী ভবিষ্যত ?
মুক্ত বিহংগ ????

*(আমাৰ চৰকাৰী শিশু শ্ৰমিক আইন ,শিশু সুৰক্ষা আইন বা সৰ্বশিক্ষা মিচনে ঢুকি নোপোৱা শিশুবোৰৰ হৈ মোৰ অকণমান প্ৰয়াস)*

# আজি মোৰ স্বামীৰ বিয়া

**তন্দ্ৰালী মূৰ্ছনা**

আজি মোৰ স্বামীৰ বিয়া
আয়তি উৰুলি দিয়া
মোৰ কপালৰ ৰঙা বেলিটো কাঢ়ি তাইৰ কঁপালত পিন্ধাই দিলে
মোৰ বাবে থকা সেউজীয়াখিনি গচকি তাইৰ বাবে সেউজ ৰুলে
ঈশ্বৰৰ আশীৰ্বাদ লৈ ওৰে জীৱন লগ দিম বুলি কোৱা কথা সাঁথৰ হ'ল
বিশ্বাসৰ ৰেণুবোৰ আঁকি আঁকি তেওঁৰ বুকুত সোমাই বিচৰা টোপনিবোৰো গ'ল
আচলতে কিমান বেছি দুখ পালে ৰাউছি জুৰি কান্দিব পাৰি
কিমান বেছি সুখ পালে ঢেকঢেকাই হাঁহিব পাৰি
মই হয়তো বুজিয়েই নাপালোঁ
সোঁৰে বাওঁৰে উপপত্নীৰ দেহৰ গোন্ধ লৈ ফুৰা বদ অভ্যাসবোৰ
এৰুৱাব পৰা নাছিলো মই
অশ্লীল নগ্ন ছবিবোৰ স্বচক্ষুৰে দেখা পাই মাথোঁ নিমাত হৈছিলোঁ
ভৰলুমুখৰ বান্ধোন ছিঙি দিয়া গৃহটোতে নীৰৱে আছিলো মই
নুবুজিছিলো পূবে যাম নে পশ্চিমে
জুইলৈ বুলি জপিয়াম নে ব্ৰহ্মপুত্ৰলৈ...
মাথোঁ আইয়ে কৈছিল 'তই মোৰ সাহসী ছোৱালী'
মই সাহসী বাবেই মোৰ কথাবোৰ জেতুকা পাতৰ দৰে
ৰঙবোৰ সহজে নেদেখি চকুৰে
এতিয়া মই ৰ'দত জ্বলিলেও, শীতত কঁপিলেও ভ্ৰূক্ষেপ কৰোতা নাই
আপোনজনৰ প্ৰবঞ্চনাৰ পাছতো আশাবোৰে খুলি খুলি খায়
সপোন আছিল ৰত্নাকৰ বাল্মিকী হ'ব
সুদিনবোৰে হাত বাউলি মাতিব
হেৰুৱা ৰঙাবেলি পুনৰ জিলিকি উঠিব
পিছে সময় স্বাৰ্থপৰ, সপোনবোৰ মৰিচিকা হ'ল
ওঁঠত ওলমাই ল'লো মনালিছাৰ ৰহস্যময় হাঁহি
পুৰা-গধূলি আৰু কিমাননো উপভোগ কৰিম বিষাদৰ বাঁহী
আজি সঁচাই মোৰ স্বামীৰ বিয়া
আয়তি উৰুলি দিয়া
আইনৰ চকুতো আজি তেনে ব্যক্তিৰ সন্মান বাঢ়িল

অশ্ৰুবোৰ সাৰটি নিঃসংগতাক আদৰি লোৱাবোৰহে হেনো অৰ্থহীন
তেন্তে মিছাতে ইমান আঘাত কিম্বা ইমান কলিজাৰ হাহাকাৰ
মগজু শূন্য হোৱা আৰু বেবেৰিবাং বলকি থকাসকলেই হয়তো আজি
এই পৃথিৱীৰ আটাইতকৈ সুখী মানুহ
কোনো আৱেগ নাই, কোনো অনুভূতি নাই
কেৱল উশাহ থকালৈকে জীৱন
আজি মোৰ স্বামীৰ বিয়া

আয়তি উৰুলি দিয়া





# দ্বিতীয় অধ্যায়



# যাতনাৰ পৃষ্ঠা

**ৰাস্না পালক**

পিঠিৰ দাগটো তাই নেদেখে। অনুভৱ কৰে। মৰা তেজে গোট মৰা অংশটো খেপিয়াই খেপিয়াই সেকে তাই। দুৱাৰডলিটোৰ পাৰলৈ ভৰিটো ডাঙোতেও প্ৰায়ে বুকুখন গেজগেজায়। বুকুখন মোহাৰি পানী দুঘোটমান খাই বহি পৰে তাই। মনত পৰে তাইৰ ...

সেইখন গাঁৱত এজনী বয়সীয়া আবিয়ৈ তিৰোতা আছিল। বয়সে শোতোৰা পেলোৱা ছাল আৰু পকা চুলিবোৰ মেলিয়ে চোতালত প্ৰায়ে বহি থাকে। পথেৰে যোৱা মানুহবোৰে কাউৰী কুকুৰাৰপৰা ধানকেইটা ৰখিবলৈকে তাই আছে বুলি কয়।

তেতিয়া বুজি নোপোৱাৰ বয়স। কোনোবা পুৰুষৰ প্ৰতি সেই দেহাটোৰ আকৰ্ষণ আছিল নে নাই মানুহজনীৰ তেতিয়া বুজাৰ বয়স নাছিল।

আঁঠুৰ তললৈ স্কাৰ্টটো আৰু টপটোৰ ওপৰত বুকুতে পেলাই লোৱা গামোচাখন। উঠন হ'বলৈ ধৰা বুকুখনৰ আবুৰতা। চাইকেলখন চলাই গ'লে এখন হাতে ওপৰলৈ উঠি যোৱা স্কাৰ্টটো ঘনে ঘনে থানথিত লগাই যায় তাই। ফ্ৰককেইটাৰ বুকুখন কোঁচ কোঁচ ফিল লগা। উৰি উৰি যায়। আটি পিন মাৰি লয় তাই।

স্মৃতিৰ দৰজাখন খোল খোৱাৰ লগে লগে নিজক পোনাই বহে তাই। বয়সে আবেগ ঢলা তাইৰ চঞ্চলা মনটোৰ লগত শৰীৰ খেলাই সুখী নকৰে তাইক। তাই লাহে লাহে সজাৰ পক্ষীৰ দৰে হয়। প্ৰতি ৰাতি ভয়ত কম্পমান হয় তাই। ধৰ্ষিতা হয় প্ৰতি ৰাতি। স্বামী স্ত্ৰীৰ মাজত থাকিও তাইৰ মনলৈ এই চিন্তা কিয় আহে তাই নাজানে। মাতাল স্বামীৰ পৰা পলাবলৈ তাই দুৱাৰৰ চুক, বিছনাৰ তল খেপিয়াই ফুৰে।

খবৰ এটা বতাহত উৰিছিল। তাইৰ মানুহজনৰ আন এক নিচাৰ খবৰ। তাই সুখী হৈছিল। মুক্ত হোৱাৰ হেঁপাহত ফৰিং জাপ দিবলৈ লওঁতেই কঠিন হাতৰ মুঠিত আঘাতপ্ৰাপ্ত হৈছিল যেন কুমলীয়া পখিলাজনী।

ক্ষোভ কৰিবলৈ কোনো থল নাই। সেইখন তাই পাতি লোৱা ঘৰ। সেইটো তাই মনে বাচি লোৱা মানুহ। ফলাখৰিৰ কোবকেইটা পিঠিত পৰিলেও তাইৰ গাত বিষ নুঠা হ'ল। মৰিছে তাই ক্ৰমশঃ। এডাল মৰাকাঠৰ দৰে পৰি থকা হ'ল তাই। গাৰ চোলা জেওৰা খুটিত ওলমি থকা চোলাৰ দৰে।

তাই সিদ্ধান্ত লয় তাই এই সম্বন্ধ শেষ কৰিব ইয়াতেই.....কিন্তু তাই যাব ক'লৈ.... ?

ঃ ঐ কণ মদাহীৰ জীয়েক আহ ধান মাৰো।

দিনৰ দিনটো তাই সেইঘৰত গিৰিহঁতৰ লগত ভৰিৰে ধান পকটীয়ায়। মদাহী বাপেকটোৱে তাইৰ খবৰ নাপায়। অলপ মৰম পাই তাই স্কুললৈ যাবলৈও পাহৰে। পিছে তাই নাপাহৰে ৰাতি দেউতাকৰ লগত তাই ভাত খায়। অকণি হাতেৰে তাই জুইকুৰা ধৰে। চাউল থাকিলে তাই চাউল চৰুত সিজিবলৈ দিয়ে। নাথাকিলে পানী উতলি থাকে। কণ মদাহীয়ে পিছে কোনোদিন নাপাহৰে হাতৰ বেগ। বাপেক অহাৰ উমান পালে তাই দৌৰি চোতাল পায়হি। তাইৰ স্ফূৰ্তিতে তত্ নোহোৱা হয়। তাই ৰাতি শোৱাৰ পৰত দেউতাকক সাৱটি কয়..“ দেউতা তই সদায় মদ নোখোৱাকৈ আহিবি ঘৰলৈ।”

কাষতে থকা খুৰীয়েকৰ ঘৰলৈ তাই দৌৰিছিল সেইদিনা। ঘৰৰ চুক এটাত মাটিতে খেৰ পাৰি তাইলৈ বিছনা পাৰিলে খুৰীয়েকহঁতে। তাই অইন ছোৱালীৰ বাবে এনে বিছনা পাৰিলে আনন্দ কৰে। আজি দেখোন তাইৰ বৰ ভয় লাগিছে। উজাই অহা কান্দোন সামৰিব নোৱাৰি বিছনাখনত মুখ গুজি তাই উচুপি উঠিল। খুৰীয়েকেও এসোঁতা কন্দা দেখি বাপেকটো বাহিৰ ওলাল। গাঁৰৰ মহিলা মানুহখিনিয়ে কোৱাকুই কৰিলে ...

ঃ “মাকজনী থকা হ'লে!“

"তাই আৰু মাক হৈ আছেনে? নিজৰ পেটৰ সন্তান এৰি বেলেগ মতালৈ যায়নে?"

বাহিৰত গলখেকাৰি শুনি চুপ হৈ গ'ল গোটেইমখা।

ফুল, নামটো দেউতাকেই দিয়া। পিছে তাই দেউতাকৰ আইমানু। গাওঁখনৰ কণ মদাহীৰ জীয়েক। চোতালখন সাৰিবলৈ বাঢ়নিটাৰ লওঁতেও দেউতাক ওলাবহি।

ঃ "থ, তই যা। মোক দে।"

নেওতা আওঁৰাই আঁওৰাই তাই পাকঘৰলৈ ভুমুকিয়ায়। দেউতাকে ভাত ৰান্ধিছে। ভজা মাছৰ গোন্ধ তাই নাকত লাগে। আজিকালি দেউতাকটো বৰ ভাল মানুহ হ'ল। তাইৰ বিয়াৰ পিছৰেপৰা দেউতাকে বৰকৈ মদ নোখোৱা হ'ল। কেতিয়াবা ৰাতি ন বজাত ঘৰলৈ উভতা দেউতাকে আবেলিতে ঘৰ সোমায়। কাঠফলা বৰকঁৰতখন সদায়ে কান্ধত থাকে। তাই বুজে তেতিয়া দেউতাক প্ৰকৃতিস্থ। বাৰীৰ পৰা আবেলি চিঙি থোৱা নেমু আটি তাই দেউতাকক চৰবত যাঁচে।

ঘৰখন একেই আছে। বিচিত্ৰাই সজাই যোৱাৰ দৰে। মাত্ৰ দীঘল পদূলিটোত ঘাঁহ বন গজিল। গোবৰ মাটিৰে লেপা বেৰবোৰ মাটি এৰি সঘনাই জলঙাবোৰ হ'ল। পাকঘৰত যাবতীয় সামগ্ৰী ওলমাবলৈ তাই তৰি লোৱা জৰীকেইডালো একেই আছে। মাত্ৰ সলনি হৈছে দুটা মানুহৰ জীৱনশৈলী। বিচিত্ৰাৰ অনুভৱ ঘৰখনত দুটা মানুহৰ মাজত নোহোৱা হৈছে। ফুলে কোনোদিন সোধা নাই দেউতাকক মাকৰ কথা। কণেও বিচিত্ৰাৰ কথা ক'বলগীয়া হোৱা নাই ফুলক। শুই উঠি মাকক নেদেখি গোটেই দিনটো সেইদিনা ফুলে দেউতাকৰ পিছে পিছে ঘূৰি মাকৰ কথা  সুধিছিল। মাক ক'লৈ গ'ল সুধি সুধি কান্দি থকা ফুলক গাত টেমুনা হোৱাকে কোবাই কণ নোহোৱা হৈছিল ঘৰৰপৰা গোটেই ৰাতি। খুৰীয়েকহঁতৰ কথা-বতৰাৰপৰা ফুলে বুজিলে মাক আন কাৰোবাৰ পত্নী হ'বলৈ তাইক আৰু দেউতাকক এৰি গুছি গৈছে। প্ৰচণ্ড ঘৃণাত মাকৰ অৱস্থিতি যেন থকা সৰকা হ'ল। সেইদিনাৰপৰা সলনি হ'বলৈ ধৰে দেউতাকৰ আচৰণ। ৰাতি ৰাতি তাইক চাই বহি থকা হ'ল দেউতাক। তাই নুসুধা হ'ল সেই বিচিত্ৰা নামৰ মানুহজনীৰ কোনো কথা। ঘৰখনত যেন আদিৰেপৰা দুটা প্ৰাণী। তাই আৰু দেউতাক।

কণ মদাহীৰ জীয়েকে বুকুত কাপোৰ ল'ব পৰা হ'ল। চকুৰপৰা সাৰি নগ'ল কথাটো। পিৰালিতে বহি পকা কুটকুৰাবোৰ বেতেৰে সী থাকোতে কোনোদিনে নোযোৱা চেঙেলীয়াকেইটাক দেখি ফুল জাপ মাৰি খুৰীয়েকৰ ঘৰ পালেগৈ। বুকুত অজানিতে উঠা কঁপনি অনুভৱ কৰিব পৰাকৈ ফুল ডাঙৰ হ'ল। খুৰীয়েকে জীৱনৰ আদিপাঠ শিকাবলৈ ফুলক কাষতে বহাই ল'লে......

অকণি হাতেৰে ফুলে খুৰীয়েকৰ পুৰণি চাদৰৰ আগফালি অকণি ছোৱালী সাজে।

এপাকত মূৰ তুলি ফুলে খুৰীয়েকলৈ চালে। বগী টিনটোত চোতালৰপৰা শুকান ধান ভৰাইছে খুৰীয়েকে। ৰ'দ তেতিয়াও চোতালত। মানুহবোৰে কোৱাকুই কৰিছে খুৰীয়েকে এইকেইদিনতে কেঁচুৱা পাব। তাইৰ মনত বৰ স্ফূৰ্ত্তি। তাইৰ ভায়েক বা ভনীয়েক এজনী পাব। উফ্ তাই যে কিমান মৰম কৰিব। উঠন হৈ থকা খুৰীয়েকৰ পেটটোলৈকে তাইৰ ইমান মৰম! কেঁচুৱাটো আহিলে যে তাইৰ কিমান ভাল লগিব। খুৰীয়েকক তাই কিছুমাহৰ আগতে নেমুটেঙা, তেঁতেলী টেঙা যোগাৰ ধৰি তত পোৱা নাছিল। খুৰাক কামলৈ যোৱাৰ পিছত স্কুললৈ যোৱাৰ আগতে খুৰীয়েকৰ কাষতে বেলা কটায় ফুলে। বাপেকে ৰিঙিয়ায় স্কুললৈ যাবলৈ। তাইৰ গাত কথা নালাগে। এইবাৰ পৰীক্ষা দিলে তাই ষষ্ঠ শ্ৰেণীলৈ উঠিব। তাই খুৰীয়েকৰ ৰ'দত ৰঙা পৰা গাল দুখন দেখি সহ্য কৰিব নোৱাৰিলে। টেমাটো লৈ তাই লাগি গ'ল পাচিত ধানবোৰ ভৰাবলৈ।

ঃ খুৰী তুমি কিন্তু ধান পাচি ভিতৰলৈ দাঙি নিনিবা। খুৰা আহিলে নিবলৈ ক'বা।

খুৰীয়েকৰো মৰম বাঢ়ে হ'বলা তাইলৈ। আপেল এটাৰ এটুকুৰা তাইলৈ আগবঢ়াই দিয়ে। কণ কণকৈ দাঁতেৰে এৰুৱাই চোবাই থাকে ফুলে। ফুলৰ খুৰাকে চহৰত চাকৰি কৰে। ৰাতিপুৱাই যায়। চহৰৰপৰা খুৰীয়েকলৈ নানা তৰহৰ ফলাহাৰ, বিস্কুট আনে। খুৰীয়েকে তাইক নিদিয়া নহয় কিন্তু দেউতাকে আনিলে তাই মন গ'লেই খাব পাৰিলে হয়! দেউতাকেও পিছে তাইলৈ লেতেকু, জামু , আম আদি ননা নহয়। আনে। ফুলে জানে দেউতাকে কাঠফলা কাম কৰি খুৰাকৰ দৰে  চহৰীয়া বজাৰ কৰিবলৈ টকাৰ যোগাৰ কৰিব নোৱাৰে। খুৰাকটোৱে কেতিয়াবা ফুলৰ দেউতাকক মদাহী, সন্মান হানি কৰা বুলি কথা শুনায়। দেউতাকে লম্ফ জম্ফ কৰি উলাই আহিব বুলি তাই বাহিৰৰ পৰা দুৱাৰত দাং দি থয়। খুৰাকহঁতৰ লোহাৰ গেটখনত গাড়ী গাড়ী খেলোতে এদিন খুৰাকে তাইক ভৰিৰ পিটত পিটাৰ পিছত আবেলি ফুলে নিজ পদূলিৰ নঙলাতে বহি দেউতাকলৈ অপেক্ষা কৰে। ওচৰৰ সম্বন্ধীয় বৰমাকে ফুলক কৈছিল.." বাপেৰে খুৰায়েৰাতকৈ চোকা আছিল। আই -পিতাইক কোনে চাব বুলি চহৰত পঢ়িবলৈ

নগ'ল।" ফুলে শিকি পেলায় পিতৃভক্তিৰ পাঠ। বাপেক আহি পোৱাৰ আগতেই হেকেৰ পেকৰকৈ দমকলৰপৰা দুবাল্টি পানী দেউতাকলৈ যতনাই থয়।

অসহায়বোধ হয় ফুলৰ। দেউতাকৰ বাহিৰে আন মানুহৰ আগত ঘৰত থকাধৰণে ওলাবলৈ। স্কাৰ্টটো টানি থাকে তাই। খুৰীয়েকে বাপেকে নুশুনাকৈ বকে " জীয়েকৰ বাঢ়ি অহা মঙহ বাপেকে নেদেখে নেকি বুলি?" খুৰীয়েকৰ গালি নহয় জীয়েকৰ দেহলৈ অহা পৰিবৰ্ত্তন চকুত পৰে কণৰ। সাজ লগাৰ পিছত বেগ দুটা লৈ দেউতাক ঘৰ পাইছিলহি। নতুন ফ্ৰক দুটা দুবাৰত পিন্ধি ফুলে খুৰীয়েকক দেখুৱাই গ'লহি। সেইদিনা খেজুৰ চুপি চুপি তাই দেউতাকৰ কাষতে পীৰা পাৰি নেওতা আওৱালে।ষ্টিলৰ বাটি এটাত সাউতকৈ দেউতাকে ৰন্ধা মাংসৰ তৰকাৰী এবাতি খুৰীয়েকক দি আহিলগৈ ফুলে।

পদূলিত হস্পিতেলৰ গাড়ীখন ৰোৱা দেখি ফুল দৌৰি  পদূলি পালেগৈ। প্ৰথমে খুৰাক, খুৰাকে খুৰীয়েকক ধৰি গাড়ীৰপৰা নমাইছে। খুৰীয়েকৰ কেঁচুৱাটো? তাই ভিতৰলৈ জুমি জুমি চালে। খুৰীয়েকৰ মাকে কাপোৰেৰে মেৰিয়াই লৈ আছে। নাচি দিবৰ মন গ'ল ফুলৰ। কিমান যে হেঁপাহ তাইৰ এই মঙহ ধানীলৈ। তাই চুপি চুপি কাষ চাপিব খুজিলৈ কেঁচুৱাকণৰ।

ফুলৰ ব্যস্ততাও বাঢ়ি গ'ল খুৰীয়েকৰ লগতে। তাইক ভায়েকক ল'বলৈ নিদিয়ে। কিন্তু তাই চাই থাকে কাষতে থিয় হৈ। খুৰীয়েকে গা ধোৱা বা অন্যান্য কাম কৰাৰ সময়ত তাই ভায়েকৰ ৰখীয়া। ভায়েকৰ পেচাৰ পায়খানা কৰা কাপোৰ খচি দিবলৈও তাইৰ ঘিন নলগা হ'ল।

ঃ কণ ফুলক স্কুললৈ নপঠিওৱা হলি যে?

বাটতে ভেটাভেটি হোৱা হেমধৰ মাষ্টৰে সুধা কথাত তভক মাৰি ৰ'ল কণ। ক'তা ফুলে দেখোন স্কুললৈ নাই যোৱা বুলি কোৱা নাই। নে তাই ভায়েকক পাই স্কুললৈ পিঠি দিয়া হ'ল? উভতি ঘৰলৈ বাট ল'লে কণে। দেখিলেগৈ দমকলৰ পাৰত খুৰীয়েকৰ কাপোৰবোৰো ফুলে খচি আছে। খঙত গোটেইটো ৰঙা পৰিল কণ। হাততে পোৱা বাঁহৰ কামি এচটা আনি ভালকৈ দুকোবমান সোধালে ফুলক পিঠিতে। ফুলে একো তৰ্কিবই নোৱাৰিলে। এনেকুৱা ৰুদ্ৰমূৰ্ত্তি এটা বাপেকৰ মাজত লুকাই আছে বুলি ফুলে ভবাই নাছিল। ক'লৈ যাওঁ ক'লৈ নাযাওঁ বাট ল'বলৈ ধৰোতেই কণে টানি আনি ভায়েকৰ চোতাল পোৱালেহি ফুলক।

ঃ তহঁতি ফুলক তহঁতৰ ঘৰৰ চাকৰণি কৰিছ? কি বুলি ভাবিছ তহঁতি মোক? তাই স্কুললৈ নগৈ তহঁতৰ ঘৰত লেদেনা উকটিছে। তহঁতি সোঁৰৱাই দিব নোৱাৰ হোঁ? আৰু তই ? বাপেৰক ফাঁকি দি ল'ৰা ৰখীয়া হৈছ? দিনৰ দিনটো হাজিৰা কৰো মই কাৰবাবে? তই খাবলৈ পোৱা নাই নে পিন্ধিবলৈ পোৱা নাই? লোকৰ এৰেহা চুৰুকিবলৈ তোক দিছো নেকি মই?

মৰণ কাতৰ চিঞৰে ফুল খুৰাকৰ চোতালত পৰি থাকিল। সামান্যতমো অপৰাধপ্ৰৱণতাত নুভূগি খুৰীয়েকে কৈ গ'ল...

ঃ ইয়াত হুলস্থুল কৰি নাথাকিব। মই ল'ৰা শুৱাইছো।

কান্দি লেবেজান হোৱা ফুলক দাংকোলাকৈ কণে ঘৰ পোৱালেহি। কেঁচা বাঁহৰ কামিয়ে সেৰা পাতি পাতি তেজ ফটা ফুলৰ পিঠি, ভৰি এফালৰ পৰা তিতা ফটাকাণিয়ে মোহাৰি গ'ল কণে। ফুলৰ হেকেটি আৰু উচুপনি বন্ধ হোৱা নাই তেতিয়াও।

ঃ তই কিয় কেইবাদিনো স্কুললৈ যোৱা নাই ফুল? মোক মাষ্টৰে বাটত ক'লে কাৰণেহে। তই দেখা নাই খুৰাৰ আৰু মোক। খুৰায়ে ভালকৈ পঢ়াৰ কাৰণে কিমান সুখত খাইছে আৰু মই? মই চকু থাকিও অন্ধ। তোৰ অংকবোৰ কৰি দিবলৈও মোৰ শিক্ষাৰ অভাৱ। আজিৰ বজাৰত শিক্ষাৰ মূল্য বহুত ফুল। মই তোৰ বাবেই জীয়াই আছো ফুল।

ফুলক সাৱটি কান্দি দিলে কণে।

ঃ দেউতা, মই এনে কেতিয়াও নকৰো আৰু। মই স্কুললৈ যাম দেউতা। মই স্কুলত পঢ়াবোৰ ভালকৈ নোৱাৰো বাবে স্কুললৈ যাবলৈ মন নাযায় দেউতা। হোমৱৰ্কবোৰ খুৰাক সুধিলেও ভালকৈ কৈ নিদিয়ে।

ঃ তই মাষ্টৰক ভালকৈ সুধি ল'বি। ক্লাচত মন দি নুবুজাটো বুজি ল'বি। ওপৰ শ্ৰেণীলৈ উঠিলে তোক মই টিউচন দিম।

এটেপা এটেপা ভাত খুৱাই গ'ল কণে ফুলক । ভজা কণী অকণ অকণ এৰুৱাই তাইৰ মুখত দি গ'ল কণে। এইজনী ফুল তাৰ জীয়াই থকাৰ সম্বল। যিজনী মানুহক বিশ্বাস কৰি সি ঘৰৰ ঘৈণী কৰিছিল সেইজনী মানুহে তাৰ দূৰৱস্থাক ইতিকিং কৰি পৰপুৰুষৰ লগত সংসাৰ কৰিবলৈ গুছি গ'ল। আনৰ গিৰীয়েকক নিজৰ কৰি প্ৰতিটো বস্তু ভাগ বাটোৱাৰ মাজেৰে চলা বিচিত্ৰা ধনী নে সি ধনী? কণে ভাবে এতিয়া কণেই সবাতোকৈ ধনী। তাৰ কাষত সকলো সময়তে তাৰ খেয়াল ৰখাকৈ ফুল

ডাঙৰ হৈ উঠিছে। বুজন হৈ উঠিছে।

কেতিয়াবা বুকুখন বৰকৈ বিষায় পিছে। দোভাগ ৰাতি সি বিছনাৰ পৰা উঠি আহে। তামোলৰ তলত বিহলঙনীৰ মাজত লুকুৱাই থোৱা মদৰ বটল এটা একে সোহাতে শেষ কৰি থৈ আহে। তেতিয়া তাৰ বিচিত্ৰাক বিচাৰি যাবৰ মন যায়। মন যায় তাইক দুচেও কৰি কাটি থৈ আহিবলৈ। সেই মানুহটো যিটোৱে বিচিত্ৰাৰ ধুনীয়া দেহাটোৰ মোহত দ্বিতীয় পত্নী কৰি লৈ গৈছিল সেই মানুহটো আৰু বিচিত্ৰাক জপটিয়াই কণৰ পিচ পিচ কৰি কাটিবৰ মন যায়। পৰি থাকে সি চোতালৰ এমূৰৰ চাংখনত।

কাৰোবাৰ স্পৰ্শত কণে সাৰ পায়।

ঃ দেউতা, তই কিয় শুই আছ বাহিৰত? ৰাতিটো তই ইয়াতেই শুলি নেকি?

ঃ মই আক' বাহিৰত কিয় শুম? তোৰ কাষতে শুই আছিলো। পুৱতি নিশাতে বাহিৰ ফুৰিব আহিলো। গা তিয়াব এলাহ লাগি চাঙতে বাগৰি দিলো। যা যা তই গা পা ধূগৈ। স্কুল যাবলৈ সাজু হ..

ফুলে গামোচাখনৰ আগটোত ফ্ৰক এটা বান্ধি নৈৰ ঘাটলৈ দৌৰ মাৰে। দেউতাকক ৰিঙিয়াই যায়..

ঃ তই মই নহালৈ নাযাবি। মই তোৰ লগতে স্কুললৈ যাম। ....

কণৰ চাইকেলৰ আগঢামত উঠি ফুল স্কুল পায়গৈ। কণে নিজৰ সঁজুলিখিনি পিছকেৰিয়াত বান্ধি লয়।

ঃ তই এইকণ ৰাস্তা খোজ কাঢ়ি আহিব নোৱাৰ? মোৰ দেৰি হয়গৈ নহয়!

ঃ মোৰ ভাল লাগে দেউতা।

দেউতাকক তাই নকয় সুবিধা পালেই খুৰীয়েকে ফুলক কামত খটুৱাব বিচৰাৰ কথা। ভায়েকটোৱে ফুললৈ চাই মেলেক মেলেককৈ হাঁহে এতিয়া। স্কুলৰপৰা অহাৰ পিছত তাই কেইবাপাকো নমৰা নহয় ভায়েকৰ কাষলৈ কিন্তু মাজে মাজে কিতাপো পঢ়ি থাকে তাই। খৰি কাঠ গোটাই পাকঘৰত পানী দুবাল্টি আনিও থয়। আবেলিতে লেম, চাকিত তেল ভৰাই সাজু কৰি থয় ফুলে। তাই বুজি উঠিছে এই কামবোৰ কৰি থলে দেউতাকৰ সকাহ হয়। বাপেকৰ ৰুদ্ৰমূৰ্ত্তিটো মনত পৰিলেই ফুলে ভয় খায়। জগৰ লাগিবলগীয়া কামবোৰৰপৰা দূৰত থাকে। বাপেক আহি পাবৰ সময়ত ফুলে নঙলাডালতে বহি ভৰি দুটা দুলাই থাকে। আজিকালি বাপেকে তাইৰ বাবে সদায়ে খোৱাবস্তু আনে।

শিকিছে  ফুলে বহু কথা। মাহটোৰ বিৰক্তিকৰ দিনকেইটাতো নিজক চম্ভালিবলৈ শিকিছে তাই। আয়ত্ত কৰি লৈছে ঘৰখন ধৰাৰ বহু কাম। শুই উঠিয়ে দেউতাকৰ লগত বাহী বন কৰি গা পা ধুই টেবুলত বহাৰ আগতে দেউতাকে পাতি দিয়া থাপনাখনত চাকিগজ দি নেদেখা ভগৱানক কিবা এটা খুজিবলৈ শিকিছে ফুলে। অ'ত ত'ত বস্তবোৰ সিঁচৰতি হৈ থাকিবলৈ নিদি ফুলে ঘৰখন পৰিপাটিকৈ ৰাখিবলৈ শিকিছে।

কণে ফুলক শিকাবলগীয়া হোৱা নাই কোনো কথা। এদিন খুৰীয়েকে আধাৰুৱা কৰা জীৱনৰ আধাৰুৱা কথা  ফুলে জুকিয়াই লয়।

সাৰ পাই যায় অকস্মাৎ ফুল। দেখিলে তাই দেউতাক কাষৰ বিছনাত নাই। বাহিৰলৈ যাবও পাৰে বুলি কিছুসময় ৰোৱাৰ পিছতো নহা দেখি বাহিৰ পালেগৈ তাই। জোনৰ পোহৰত স্পষ্টকৈ দেখিলে তাই বটলেৰে মদ গলাধৰণ কৰি আছে দেউতাকে । তাই দেউতাকৰ কাষলৈ যাবনে নাযায় চিন্তা কৰিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল তাইৰ বাবে জীয়াই থকা বুলি কোৱা দেউতাকে প্ৰতিদিনে আত্মহত্যাৰ আখৰা কৰিছে। ৰাতিৰ নিৰ্জনতাৰ সুযোগত কন্দা দেউতাকৰ সেই অচিনাকি ৰূপে ফুলক জোকাৰি পেলালে..

একেৰাহে বৰষুণ পৰি চোতালখন তেনেই শেলাই গজিল। বতৰটো অলপ দাং খাইছে। ভেঁকুৰ ভেঁকুৰ গোন্ধ এটা উপঙি আছে। ফুলে এফালৰপৰা শেলাইৰ সেউজীয়া প্ৰলেপবোৰ কোৰখনেৰে চুঁচি গ'ল। নাল চিঙা কোৰখন বুটী বাবেহে চুঁচিব পাৰিছে তাই। আঁৰ চকুৰে তাই দেউতাকক লক্ষ্য কৰি থাকিল। যোৱাৰাতি বাপেকৰ কিবা কথাত খং উঠিছিল বোধকৰো। বাপেকৰ অকৰা খঙটো তাই চিনি পায়। কথা নকয় সেইদিনা বৰকৈ। আজি তাইৰ স্কুল বন্ধ। ইউনিফৰ্মযোৰ ধুব লাগিব। মাটি এচৰীয়া আনি তাই পিৰালিৰ পৰা খঁহি  অসমান হোৱা ঠাইত মাটি টিপি টিপি বোকাপানীৰে মচি দিলে। সেই সময়তে হাঁহিবলৈ লোৱা বেলি মূৰত লৈ কেইবাদিনৰ পিছত কামলৈ যাবলৈ ওলোৱা দেউতাকক দেখি সুধি পেলালে..

ঃ দেউতা, তই ভাত খালি জানো?

ঃ আজি মোৰ ভাত খাবলৈ মন যোৱা নাই। তই খাবি অৰু শুন ঠেং কোবাই বনবনাই নুফুৰিবি। দুৱাৰত দাং মাৰি অলপ পঢ়িবি। খুৰীয়েৰক জগৰ লগাই নুফুৰিবিগৈ।

বাপেক পদুলিৰ বাহিৰ হ'ল কি নাই তাই ফৰিংজনী হৈ খুৰাকৰ ঘৰ পালেগৈ। ফুলে ভায়েকক হেঁপাহতে ধনটি বুলি মাতে। তাই ধনটি ধনটিকৈ চিঞৰি খুৰকাৰ চোতাল পালেগৈ। খুৰাকে ধনটিক চোতালতে লৈ ইফাল সিফাল কৰি আছে। ফুলে খুৰাকক ভয় কৰে। তথাপি তাই ধনটিক ল'বলৈ পোৱাৰ আশাত খুৰাকৰ কাষ চাপিবলৈ সুৰুঙা বিচাৰি থাকিল।

পাই গ'ল সুবিধা। খুৰাকক খুৰীয়েকে চাহ যাচিলেহি বাৰাণ্ডাতে। চাহ খোৱাৰ সময়টোলৈ চাই তাই ভবাটোকে হ'ল খুৰাকৰো আজি অফিচ বন্ধ তাৰমানে। ফুলক দেখি হাত মেলি গালৈ আহিব খোজা ধনটিক দাংকোলাকৈ লৈ মৰম কৰি থাকিল ফুলে। সিও যে বায়েকক বৰ ভাল পায়। অকণি অকণি হাতেৰে ধনটিয়ে ফুলৰ গাল মুখ চুই থাকিল। মাজে মাজে ফুলে চাই থাকিল খুৰাকৰ প্লেটখনলৈ। চানা-বিস্কুট ভৰ্ত্তি প্লেটখন। দাঁতত লাগিলে মৰমৰাই উঠা মিঠা-নিমখীয়া চানা তাই বৰ ভাল পায়।

ঃ আহ্ ফুল। খাবি আহ।

খুৰীয়েকৰ হাতত ধনটিক দি ফুলে চানা গলিয়াবলৈ ধৰে। থুপুক থাপাক খোজ দিয়া ধনটিক পৰিব বুলি খুৰীয়েকে বাৰাণ্ডাতে পাৰি থোৱা চাৰিওফালে বেৰা দিয়া বিছনাখনত থিয় কৰাই দিয়ে। তথাপি খুৰাক খুৰীয়েক ব্যস্ত হৈ থাকে ধনটিৰ লগত। ফুলে বাৰাণ্ডাৰ এমূৰে বহি চাই থাকে তিনিটি প্ৰাণীৰ সুখৰ হাঁহিবোৰ। এনেকুৱা সময়তে ফুলৰ মাকলৈ মনত পৰে। বাৰীত ঢেঁকীয়া বিচাৰি ফুৰা মাকৰ পিছে পিছে ঘূৰি ফুৰিছিল ফুল সেইদিনা। মাকে বাৰীতে ঢেঁকীয়াবোৰ তাই হাতৰ খৰাহীত দি থাকোতে মানুহটোৱে ৰিঙিয়াইছিল মাকক। কাইলৈ শব্দটো কৈ কিবা এটা ইংগিত দি মানুহটো গুছি গৈছিল। সেইদিনা ৰাতিৰ পিছৰপৰাই তাই মাকক নেদেখিলে। মানুহবোৰৰ কথা-বতৰাত তাই আচৰিত হোৱাৰ পাল। সেই মানুহটো গাঁৱৰে তাইৰ সম্বন্ধীয় খুৰাক । যি দেউতাক কামলৈ যোৱাৰ পিছত প্ৰায়ে সিহঁতৰ ঘৰলৈ আহিছিল। যদি তাইৰ সেই সময়ত বুজাৰ বয়স হ'লহেঁতেন...?? মাক জানো নাছিল বুজন? নিজৰ পেটৰ সন্তান এৰি ঘৰ এখন নি:শেষ কৰি , নিজ স্বামীৰ লগত সম্পৰ্ক শেষ কৰি গুছি যোৱাবোৰক কি কয় তাইক নালাগে। কিন্তু তাই যে সেই মানুহজনীৰ মঙহ। কিদৰে বিচ্ছিন্ন কৰিব পাৰে নিজৰ শৰীৰ নাৰীয়ে। পৰেনে মনত মাকৰ তাইৰ ছবি? হাঁহাকাৰ কৰি উঠেনে মাকৰ বুকু তাই বা কিমানজনী হৈ উঠিছে বুলি? কটাইনে দেউতাকৰ দৰে উজাগৰী ৰাতি? ভুগেনে আত্মদংশনত ? নিজে কৰা ভুলৰ শুধৰণিৰ বাট বিচাৰি নাপাই প্ৰায়শ্চিতৰ বাট বিচাৰেনে? মন যায় তাইৰ মাকজনীৰ খবৰ পোৱা মানুহৰ সৈতে কথা পাতিবলৈ। মন যায় কেনেকৈ পাৰ কৰিছে দিন মাকে সেই কথা জানিবলৈ। বুকুখন উতলি থাকে তাইৰ বুকু ভঙা কথাৰে। বক্ বক্ । তলত জুই দি উধানত এচৰু ধান উতলি থকাৰ দৰে।

মন নকৰে কোনেও ফুলক। ফুলে তিনিটা মানুহৰ প্ৰীতিমেললৈ চাই থাকে শোকসভা পাতি। কৰিছিলনে মাকে খুৰীয়েকে ধনটিক কৰাৰ দৰে মৰম? যদি কৰিছিল আছিল নে সেয়া সঁচা মৰম? যদি আছিল কিয় গুছি গ'ল মাক তেনেকৈ? ধনটিকো এৰি যাবগৈ পাৰে নেকি মাকে? উফ্ বুকুখন মোচৰ খাই উঠে ফুলৰ। "নকৰিবা খুৰী। তুমি এনে ভুল নকৰিবা।" বিৰবিৰায় ফুলে।

ঃ ফুল , অ ফুল....কলৈনো যায় অ এইজনী?

কণে ধনটিকো ৰিঙিয়ালে তাত আছেগৈ নি বুলি। নাই । ভৰ দুপৰীয়াখন কলৈনো গ'ল? স্কুলৰ বেগটো দেখোন টেবুলত। দুপৰীয়া ঘৰত ভাত খাবলৈ আহি ফুলক নেদেখি চিন্তিত হ'ল কণ। ছাগলীজনীয়ে বৰকৈ বেবাই আছে। গাভাৰী পাখৰীৰ পোৱালি জগিবৰ সময়। ঠিক নাই এইজনী ছাগলী জনীৰ লগতে আছেগৈ! পোৱালি দিলে নি আক' ? দেউতাকে পিছবাৰীলৈ পোনাই দেখিলে কোলাত হেকেৰ পেকেৰকৈ পোৱালি দুটা তুলি ফুল ঘৰলৈ উভতিছে। পিছে পিছে জল উলমাই হেকেৰ পেকেৰকৈ ঘাইজনী।

ঃ দেউতা, দুটা ছাগলী পোৱালি জগিছে।

কণক দেখি দূৰৈৰ পৰাই ৰিঙিয়ালে ফুলে। তাইৰ মাতত আনন্দৰ ঢৌ।

কণে স্বস্তিৰ নিশ্বাস এৰিলে ফুলক দেখি।

ঃ পোৱালি দিলে নি? তই কেনেকৈ গম পালি? দুপৰীয়াখন তইনো কিয় বাৰীত থাকিবগৈ লাগে? পাখৰীক দেখোন তামোলৰ তলত এৰাল দি গৈছিলো মই!

ঃ এৰাল ছিঙিল তাই দেউতা। স্কুলৰ পৰা আঁহোতেই মই তাইৰ মাত শুনিছিলো। বৰকৈ বেবাই আছিল দেউতা। মই গৈ পোৱালে জগিছেই এই দুটা। তাই চেলেকি চাফা কৰি দিছে। এইকেইটা মাকৰ নিচিনা নহ'ল দেউতা। এটা ৰঙামূৰীয়া আনটো বগা। কি ধুনীয়া চাচোন।

কিছুমান গুণ মাকৰ নিচিনা নোহোৱাই ভাল। কণৰ মনলৈ আহিল ভাবটো।

ঃ যা, তই ভাত খাগৈ। ইহঁত দুটাক চোতালত এৰি দে। মই মাকক হোঁৰা ডাল এটা কাটি দি যাওঁ।

বাপেক আকৌ কামলৈ যোৱাৰ পিছত তাই ছাগলী পোৱালি দুটা ধনটিক দেখুৱাই আনিলেগৈ। ধনটিৰো যে কি স্ফূৰ্ত্তি! বেঁ বেঁ কৈ সিও একোবাৰ সিঁয়াৰে। দিনটো ফুলৰ আন চিন্তা একোৱে নাহিল।

খুৰীয়েক আজৰি হোৱালৈ বাট চালে ফুলে। ইফালে স্কুললৈ দেৰিও হ'বগৈ। এইবাৰ ফুল ক্লাচ এইটলৈ পালে। স্কাৰ্ট চাৰ্টৰ সলনি চাদৰ মেখেলা পিন্ধিব লাগিব। দেউতাকে নতুনকৈ আনি দিয়া চাদৰ মেখেলা তাই নিয়াৰিকৈ পিন্ধিব নোৱাৰি খুৰীয়েকৰ কাষ চাপিছে। খুৰীয়েকে ব্লাউজৰ পিনকেইটা মাৰিব খুজোতে অনামী লাজ এটাই ফুলক আৱৰি ধৰিলে। সন্মুখৰ ডাঙৰ আইনাখনত গাত আঁট খাই পৰা ব্লাউজটোত বুকুত বাঢ়ি অহা মঙহ দুডোখৰ প্ৰকট হৈছে। তাই  খৰধৰকৈ চাদৰখনে গাটো ঢাকি ল'লে।

কাণৰ ফুটাটোৰ জোখেৰে ৰিং যোৰৰ তাঁৰডাল অলপ শকত। কাণ ফুটাওঁতেও পিন্ধোৱা ৰূপৰ ৰিংযোৰ খুলি কণে জীয়েকক সোণৰ কাণফুলযোৰ পিন্ধাই দিলে মিঠাতেল মোহাৰি।

ঃ ফুল, তই কাণফুলিযোৰ খুলি অ'ত ত'ত নথ'বি কিন্তু । সোণৰ কাণফুল। দামী। হেৰাব চাবি।

ফুলে বুজিছে দেউতাকে কষ্টোপাৰ্জিত ধনে তাইৰ বাবে এধানি সম্পদ আৰ্জিছে। নাজানে তাই এই কাণফুলযোৰৰ দাম কিমান? কিন্তু তাই বুজিছে দেউতাকৰ বাবে তাই বহুত দামী সামগ্ৰী। তাই বহুপৰ বহি থাকে কাণফুলিযোৰ লিৰিকি লিৰিকি। মনত পৰে মাকে সদায়ে দেউতাকক কুটুৰি আছিল সোণৰ কাণফুলি এযোৰৰ বাবে। মাকৰ কাণফুলযোৰ গঢ়াবলৈ মাক-দেউতাকৰ লগত চহৰলৈ তায়ো গৈছিল। মাকৰ মুখখন বৰ পোহৰ সেইদিনা। নতুন জোতা এযোৰ কিনি দিছিল দেউতাকে ফুলক। হোটেলত তিনিও চাহ-মিঠাই খাইছিল। সৌ সিদিনাৰ কথা মাত্ৰ এয়া। কাণফুলযোৰ ঘৰলৈ দেউতাকে অনাৰ দিনা মাকৰ আনন্দৰ সীমা নোহোৱা হৈছিল। বুজিছিল তাই কাণফুলযোৰ মাকৰ বৰ মৰমৰ। দেউতাকৰ কষ্টবোৰ কাণফুলযোৰত সোমাই পৰিছিল বুলি তেতিয়া তাইৰ বুজাৰ বয়স নাছিল। এতিয়া তাই বুজি উঠিছে । তাই কোনোদিনে খোজা নাছিল দেউতাকক কাণফুলিযোৰ। তাইৰ মৰম বাঢ়ে কাণফুলযোৰলৈ। গা ধোওঁতে, কাম কৰোতে কাণফুলিযোৰৰ টিপাটো ভালকৈ লাগি আছেনে নাই বাৰে বাৰে চাই থকাটো ফুলৰ অভ্যাস হৈ পৰিল।

ধনটিয়ে পদ্য মাতিব পৰা হ'ল। খুৰাক খুৰীয়েকৰ ব্যস্ততা বাঢ়িল। চহৰৰ  ইংৰাজী মাধ্যমৰ স্কুললৈ ধনটিক অনা নিয়া কৰিবলৈ ধনটিৰ সৰু মামাক আজিকালি খুৰাকহঁতৰ ঘৰত থাকে। তায়ো মামা বুলিয়ে মাতে। মামা অহাৰ পিছৰেপৰা ফুলে ধনটিৰ কাষ বৰকৈ নচপা হ'ল। আগতে আহিলে ফুললৈ মৰ্টন এটাও ননা সৰুমামাই তাইক এইবাৰ এটা পাৰফিউমৰ বটল দিছে। তাকো মনে মনে। খুৰীয়েকক নকবলৈ কৈছে। গোন্ধটো বৰ ধুনীয়া । শুঙি থাকিবলৈ মন যোৱা। পিছে দেউতাকৰ ভয়তে তাই নলগায়। সুবিধা পালেই সৰুমামাকে তাই গাল মুখ টিপি থকা হ'ল। খং উঠি যায়। দেউতাকক ক'বলৈও ভয় লাগে তাইৰ। তথাপি তাই সুবিধা বুজি ধনটিৰ কাষলৈ যায়। কেতিয়াবা খুৰীয়েকৰ লাচনি পাচনিও কৰি দিয়ে। ফুলে জানে ভাল হওক বেয়া হওক দেউতাকৰ পিছতে তাই জিৰণি ল'ব পৰা মানুহৰ ঘৰ এইখন। ধনটিৰ লগত গঢ়ি উঠা সম্পৰ্কই ফুলক সুখ দিয়ে। সৰু মামাক অহাৰ পিছৰেপৰা বিৰক্তিকৰ হৈ উঠে তাইৰ সুখৰ সময়বোৰ।

ঃ ঐ ফুল , মোৰ পিঠিখন খজুৱাই দে না...

ঃ ইস্ ইমান গেলা গৰমত মই নোৱাৰো দেই। পকী বেৰত ঘঁহাই লোৱা।

ফুলৰ কথাত খং উঠি যায় মামাকৰ। বায়েক জানো ক'ত? বহু সময় নাই। ধনটিৰ আব্দাৰত ফুলে তাক উকা কাগজত ৰঙ পেঞ্চিলেৰে কিবাকিবি আঁকি দি আছে। মামাকে কিবা কিবিৰ অজুহাতত কোঠালৈ সোমায়ে আছে।

ঃ বা, চুচু.....

ধনটিয়ে ফুলৰ উত্তৰলৈ বাট নাচাই দৌৰ দিলে বাহিৰলৈ। তলমূৰকৈ বিছনাত পেট পেলাই ছবি আঁকি থকা ফুলে তৰ্কিবই নোৱাৰিলে সৰু মামাকে তাইৰ বুকুখনৰ সোঁফালে টিপি ধৰিছে......

ঃ ধনটি.....

চিঞৰ এটা হৈ ওলাল ফুলৰ মাতটো। তাইৰ চিঞৰ শুনি দৌৰি অহা ধনটিক সাৱটি কৈ উঠিল..

ঃ তোমাৰ মামা বৰ বদমাচ। এইটো তোমালোকৰ ঘৰত থাকিলে মই তোমালোকৰ ঘৰলৈ নাহো। কৈয়ে ঘৰলৈ বাট ল'লে ফুলে।

ধনটিয়ে মাকক খং কৰিবলৈ কৈছিল মামাকক। খুৰীয়েকক কিছুমান কথা ক'ব নোৱাৰি জানে ফুলে। দোষটো তাইৰ গাতে জাপিব তেওঁ। ফুলে বুজি উঠিছে নাৰী দেহলৈ ধাৱিত এতিয়া তাইৰ শৰীৰ। তাইৰ শৰীৰটোৱে কথা ক'বলৈ শিকিছে এতিয়া। কিছুমান পুৰুষৰ চকুত দেউতাকৰ চকুৰ চাৱনি নাই। তাই সাৱধান হ'ব লাগিব। দেউতাকে কোৱাৰ দৰে নিজক বচোৱাৰ মন্ত্ৰ শিকিব লাগিব। মুকলিকৈ অৰ্ন্তবাস মেলিবলৈ সংকোচ কৰা ফুলৰ বুকুত ধনটিৰ মামাকৰ স্পৰ্শই বিছা ডকাদি দাকিবলৈ ধৰিলে। তাই দমকলৰপৰা পানী এবাল্টি গাত ঢালি ল'লে....

বাকচটো চুকটোত যেনেকৈ পৰি আছিল তেনেকৈয়ে আছে। ফুলেও কোনোদিন হাত দিয়া নাই। দেউতাকেও কোনোদিন বাকচটোৰ প্ৰতি কৌতূহল দেখুওৱা নাই। ফুলে ঘৰ সাৰোতে , মচোতে মাত্ৰ বাকচৰ কাপোৰখন জাৰি জোকাৰি পুনৰ পাৰি থয়। মাজে মাজে ধুই বেলেগ এখন কাপোৰ পাৰি দিয়ে। আজিও কোঠাটো থানথিত লগাওঁতে বাকচ ঢকা কাপোৰখন জোকাৰিব খুজি ৰৈ গ'ল ফুল। কোনোদিনে কৌতূহল সৃষ্টি নোহোৱা বাকচটো খুলি চাবলৈ মন গ'ল ফুলৰ। দেউতাক ইতিমধ্যে গৈছে। আচৰিত বাকচটোত তলাটো এনেই লগাই থোৱা। নিজৰ ঘৰখনতে যেন তাই কিবা অপৰাধ কৰিব খুজিছে এনে লাগিল। ক'তা দেউতাকেতো কোনোদিন কোৱা নাই বাকচটো নুখুলিবলৈ। মাকে যেতিয়া ক'ৰবালৈ যাবলৈ বাকচটোৰপৰা সামৰণ কাপোৰ উলিয়ায় তাইও তেতিয়া মাকৰ কাপোৰবোৰ খুচৰিছিল। কেতিয়াবা মেখেলাখন , কেতিয়াবা চাদৰ এখন গাত মেৰিয়াই ৰচক পচক খোজ দি ঘৰটোত ঘূৰি ফুৰিছিল। তাই খুলি পেলালে বাকচটো। বাকচটোৰ ঢাকোনখন খুলি তাই চাই থাকিল। আগতে মাকে যেনেকৈ সামৰি থৈছিল কাপোৰবোৰ তেনেকৈয়ে আছে। বহুদিন খোলা নাই নাই বাবে উহোমা-উহোম গোন্ধ এটা বিয়পিছে। কাপোৰবোৰৰ ওপৰে ওপৰে ফুলে হাতখন বুলাই দিলে। ভাঁজে ভাঁজে জাপি থোৱা আছে মাকৰ সামৰণ কাপোৰবোৰ। বিয়াই সবাহে প্ৰায়ে পিন্ধা মাকে নিজহাতে বৈ লোৱা ৰঙা বুটাৰ মুগাৰ মেখেলাখন তাই বুকুত সাৱটি ধৰিলে। আছে, ৰঙা ব্লাউজটোত মাকৰ গাৰ গোন্ধ এতিয়াও আছে। তাই এফালৰ পৰা কাপোৰবোৰ উলিয়াই শুঙিবলৈ লাগিল। বাকচৰ কাষত কাগজেৰে মেৰিয়াই থোৱা ফটোখন পাই ফুল জলকা লাগিল। ঘূৰণীয়া আৰামী বেতৰ চকীখনত বহি থকা মাকৰ কোলাত ফুল আৰু কাষতে দেউতাক থিয় দি আছে। মাকে ফটোখন প্ৰায়ে দেখুৱাইছিল থাকোতে। তাই ইমানদিন ফটোখনৰ কথা পাহৰিয়ে গৈছিল। ফটোখন চাই থাকিল ফুলে। সন্তান কোলাত থাকিলে মুখত প্ৰতিফলিত হোৱা জ্যোতিৰে জ্যোতিস্মান মাকৰ মুখ আৰু পিতৃত্বৰ গৌৰৱেৰে গৰ্বিত দেউতাক। ফুল আদৰৰ জী। মাকৰ কোলাত নিৰ্ভয়া ফুল।

তল পৰি ৰৈছিল ফুলৰ দৈনন্দিন কৰ্ম। কিমান সময় ফুল তেনেকৈ বহি ৰৈছিল খেয়াল নাছিল। তাইৰ নিজক প্ৰকৃতিষ্ঠ কৰিবলৈ সময় লাগিল। তাই ফটোখনৰ ফুল নহয় এতিয়া। দেউতাকৰ আদৰুৱা হৈ থাকিলেও ফুলে এতিয়া নিজে শিকিছে প্ৰতিটো কাম। মাকৰ কোলাৰ লগত ফুলৰ সম্পৰ্ক বিচ্ছিন্ন হৈছে। মাকে চিঙি পেলাইছে সেই সম্পৰ্ক। এগৰাকী জীয়ৰীৰ মনত কিমান ঘৃণা সৃষ্টি হ'ব পাৰে প্ৰৱঞ্চক মাতৃৰ প্ৰতি? সিমানেই ঘৃণা ফুলৰ মনত। কিন্তু এনেকুৱা মুহূৰ্ত্তবোৰত দুৰ্বল হৈ যায় ফুল। লেতু সেতু হৈ পৰে তাই স্মৃতিৰ বোকোচাত। জাৰি জোকাৰি লোৱাৰ পিছতো গোটেই দিনটো স্মৃতিকাতৰতাত ভুগে ফুল। পাহৰণিৰ গৰ্ভত জীয়া জুই জাহ নাযায়। হুমুনিয়াহ এটি হৈ সৰি পৰে মুখেৰে এটি শব্দ "মা"।

এই মানুহজনী মৰি যোৱাই ভাল আছিল তেতিয়া অন্ততঃ ঘৃণা আৰু মৰি থকা মৰমৰ মাজত আঁচোৰ নপৰিলহেঁতেন। অন্ততঃ পৃথিৱীত নথকা অনুভৱটোৱে বুকুখনত যাতনা দিলেও চেঁপা কান্দোন নিদিলেহেঁতেন! দুটা প্ৰাণীয়ে একে যাতনা লৈ ভাগ বাটোৱাৰ কৰিব পৰা অৱস্থা নহ'লহেঁতেন! নোৱাৰে । নোৱাৰে পাহৰিব সেই মুখখন। বাৰে বাৰে উচ্চাৰিত হয় বুকুত .."মা"।

তিনিদিনমানৰপৰা কণৰ বুকুখন অদ্ভুত বিষ এটাই হেঁচা মাৰি মাৰি ধৰিছে। গেঙাই উশাহটো লৈ থকা দেখি ফুলে খুৰাকৰ কাষ পালেগৈ। চহৰত বহা ডাক্তৰৰ ঠিকনা লৈ দেউতাকক সাজু কৰিলে ফুলে। নাতি দূৰৈৰ লাইন গাড়ী অহা-যোৱা কৰা পথছোৱালৈ দেউতাক কথমপি খোজ কাঢ়ি গ'ল। ল'ৰালৰিকৈ এ'ৰে লগতে ইটো সিটো দেউতাকক পৰীক্ষা কৰোৱাই বেলা ভাটি দিওঁতেহে ঘৰ পালেহি দুয়ো। কঠোৰ নিৰ্দেশ দিলে ফুলে দেউতাকক তাইৰ নিৰ্দেশমতে দেউতাকক চলিবলৈ। হাজাৰ বাধা দিয়া স্বত্বেও দেউতাকে মদ খাবলৈ এৰি নিদিয়া স্বভাৱটোৰ বাবে ফুলৰ দেউতাকলৈ খং চৰে। এসপ্তাহকৈ দেউতাক কামলৈ নোযোৱাৰ বাবে ঘৰ খালী।  এই কথা দেউতাকে গম পালে বেমাৰলৈ পিঠি দিব বুলি জানিয়ে ফুলে দেউতাকে গম নোপোৱাকৈ বাৰীৰ নেমু আৰু কণ জলকীয়াখিনি চিঙি গাঁৱৰ বেপাৰী মহীধৰক দি আহিল। খং এজাউৰী উঠি আহিল ফুলৰ। বজাৰত এমুঠিত দহটকাকৈ বিক্ৰী কৰিব অথচ কেজি ষাঠি টকাকৈ দিয়ে সি।

মন কুমলিছিল খুৰাকৰো। তাই হাতপাতি ল'লে খুৰাকে দিয়া টকাকেইটা। খুৰীয়েকে দিয়া টোপোলাটো পিছ দুৱাৰেদি দেউতাকে নেদেখাকৈ ভিতৰ সুমুৱালে। জানে তাই এইবোৰ দেখিলে দেউতাক সুস্থ নোহোৱাকৈ পুনৰ কামলৈ যাব। গাঁৱৰে পুতুকণক মাতি তাই মজলীয়া কুকুৰা  এটা মৰাই লয়। খাওকচোন দেউতাকে জালুকীয়া জোল অকণ। বুকুখন ভাল পাব। সৰু ল'ৰা এটাৰ দৰে ফুলৰ সকলো নিৰ্দেশ মানি চলিছে কণে। ফুলৰ মনটো ফৰকাল। ভাল হৈ উঠিছে দেউতাক। তাই খৰখেদাকৈ কাম কৰি টেবুলত বহে। তাই এইবাৰ মেট্ৰিক দিব।

গাঁৱৰ মিনতি পেহীৰ বিয়া। এনেকুৱা সময়তে ফুলৰ মনটো বেয়া লাগে। বিয়াই সবাহে পিন্ধিবলৈ তাইৰ নতুন চাদৰ মেখেলা নাই। হ'ল বুলি পুৰণিবোৰকে কিমান পিন্ধিব। গাভৰু সংগত থাকি চাদৰ মেখেলা পিন্ধি নগ'লে দায় লাগে। হঠাৎ তাইৰ মনত পৰিল মাকৰ বাকচটোৰ কথা। আজিকালি মন গ'লেই বাকচটো খুলি তাই ফটোখন চায়। ফুলে এফালৰপৰা কাপোৰবোৰ চাই গ'ল। সেউজীয়া পাৰিৰ মাকৰ পাটৰ মেখেলা-চাদৰযোৰত তাইৰ হাতখন ৰৈ গ'ল। পিন্ধিব জানো ? মানুহে মাকৰ কাপোৰ বুলি চিনি পাব নেকি? যদি কিবা কয় তাই সহিব পাৰিবনে? দেউতাকে যদি চিনি পায়? যদি দেউতাকে চিনি পাই কাপোৰযোৰ কাটি পেলায়?

ফুলে দেউতাকৰ অলক্ষিতে মাকৰ স্মৃতিক সামৰিবলৈ ধৰিছে। প্ৰতিটো খোজত মাকৰ অভাৱে কোঙা কৰা বুকুখনৰ মাকৰ স্পৰ্শিত সম্পদবোৰলৈ মোহ  জাগে। তাই চুই চুই থাকে আজিকালি মাকৰ এপদ দুপদ সামগ্ৰী। কাপোৰযোৰ বাকচটোত সামৰি ফুলে বাকচটো বন্ধ কৰি বাহিৰলৈ ওলাই আহে....

ঃ মই গাঁৱৰ কলেজখনতে পঢ়ো দেউতা। তোৰে লগত ভাতকেইটা খাই কলেজ যাবগৈ পাৰিম।

ঃ নালাগে। তই চহৰতে পঢ়গৈ।

দ্বিতীয় বিভাগত পাছ কৰা ফুলক লৈ কণৰ চকুত সপোন ফুলিছে। দেউতাকক ঘৰখনত অকলশৰীয়া কৰি থৈ চহৰৰ কলেজত পঢ়িবলৈ ফুলৰ মুঠেও হেঁপাহ নাই। দেউতাকৰ বুকুৰ বিষটোৱে মাজে মাজে উক দি থকা কথাটোৱে ফুলক বৰকৈ চিন্তাত পেলায়। কণৰ যুক্তি কিমাননো দূৰৈত থাকিবগৈ তাই। তিনি চাৰিদিনৰ মূৰে মূৰে ডেৰ দুঘন্টাৰ বাট গৈ জীয়েকক টোপোলা একোটা দি আহিবগৈ পাৰিব। ফুলে অহা-যোৱা কৰি পঢ়িলে কষ্টৰ উপৰি পঢ়া সময় উলিয়াব নোৱাৰিব বুলি কণৰ চিন্তা। দেউতাকৰ সিদ্ধান্ততে সন্মতি দি ফুলে চহৰৰ কলেজত পঢ়াৰ সকলো ব্যৱস্থা হৈ উঠিল। গাঁৱৰে চাৰিজনীমান ছোৱালী একেলগে মেচ কৰি থাকিব। খৰচো কম। ঘৰৰে শাক পাত নি খাবগৈ পাৰিব।

ঘৰৰ পৰা বিয়া দিবলৈ লোৱা ছোৱালীজনীৰ দৰে হুকিয়াই হুকিয়াই কন্দা ফুলক কোনোমতে বুজাই বঢ়াই মেচত থৈ আহিল কণে। ঘৰখনত সোমায়ে অবুজ বেদনাই হেঁচা মাৰি ধৰিলে কণক। ফুল নোহোৱাৰ শূন্যতা চাৰিওফালে বিৰাজমান। হকে বিহকে কণ ঘৰত থকা সময়ছোৱা দেউতা দেউতাকৈ চিঞৰি থকা ফুলৰ মাতটোৱে কণক  আমনি দি থাকিল। ফুলৰ বিছনাখন, টেবুলখনৰ কাষত দৰক মাৰি ৰ'লগৈ কণ। কণে পুনৰবাৰ অনুভৱ কৰিলে ফুলৰ অবিহনে বৰকৈ অকলশৰীয়া কণ। পাৰিলেহেঁতেন কণে সন্মতি দিব গাঁৱৰ কলেজখনতে ফুলে পঢ়িবলৈ বিচৰা কথাটোত। কিন্তু নিদিলে। কণে নিবিচাৰে ফুল তাৰ দৰে গাঁৱৰ চাৰিসীমাৰ মাজতে থাকক। কণে নজনা নুবুজা বহু কথা ফুলে শিকক। চহৰৰ ৰেহ ৰূপৰ লগত পৰিচয় ঘটক ফুলৰ। ঘৰখনত সোমাই সোমাই লেটাপলুৰ দৰে হ'বলৈ ধৰা ফুলৰ মনটো ধৰা পেলাইছিল কণে।

ধনটিক দহাই দহাই কৈ গৈছিল ফুলে দেউতাকক পুৱা গধূলি মাত দিবলৈ। তথাপিও শনিবাৰটো কেতিয়া আহে তাৰে

অপেক্ষাত ফুল। ল'ৰালৰিকৈ শেষৰ ক্লাচটো কৰি বেগত কাপোৰ ভৰাবলৈ ধৰে তাই। উফ্ দুঘন্টীয়া যাত্ৰাটো সোনকালে শেষ হওক। ধৰফৰ লাগে কণৰো। দূৰৈৰ পৰা সিহঁতৰ ঘৰটোত জিলিকি থকা চাকিৰ পোহৰে কয় ফুল আহিল। বাৰে বাৰে পদূলিলৈ বাট চায় ফুলে...

ঃ ইমান দেৰিকৈ আহিছ।

হয়তো।

ব্যস্ত হৈ পৰে ফুল দেউতাকে ভালপোৱা কিবা এবিধ ৰান্ধিবলৈ। সপ্তাহযোৰা কলেজৰ ভিন্ন কথা এফালৰ পৰা কৈ যায় ফুলে দেউতাকক।

ঃ তোক ৰেগিং কৰা ল'ৰাকেইটাই তোক আকৌ কিবা জগৰ লগাইছে নেকি?

ঃ নাই দেউতা । সিহঁতে এতিয়া মোক বৰ মৰম কৰে। অ দেউতা কলেজ উইক আছে নহয়। তাতে মই সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিম। মই বোলে ভাল আবৃত্তি কৰো...

ঃ আবৃত্তি ...?

ঃ মানে কবিতা আবৃত্তি দেউতা ...তুমি ভালকৈ নুবুজিবা।

মই নুবুজা কথাবোৰ ভালকৈ বুজিবলৈকে তোক চহৰলৈ পঠিয়াইছো ফুল।

মুখ ফুটাই নকয় কথাষাৰ কণে ফুলক। বেগাই পাৰ হয় দুটা দিন। সোমবাৰে পুৱা বাহিৰে বাহিৰে কলেজৰ ক্লাচ পোৱাকৈ ফুল যায়গৈ। বিষাদৰ সংগীতে জোকাৰি থাকে দুটা প্ৰাণীৰ মন।

এনেকুৱা সময়তে ফুলৰ চিলনী জীয়েকজনী হৈ মাকক বিনাবলৈ মন যায়। টাকুৰী ঘূৰাদি ঘূৰি কামবোৰ কৰি লয় তাই। পাকঘৰ সামৰি চোতালৰ এমূৰত বহি থাকেহি ফুল। বিশ্বাস ঘাটকতা কৰিলেও মাকক এপলক লগ পোৱাৰ বাসনা এটাই অনবৰতে ভীৰ কৰি থাকেহি ফুলৰ মনত। তাইৰ তুলনিত আহিছিল একমাত্ৰ মোমায়েক। দেউতাকে পদূলিতে ফুলৰ সৈতে মোমায়েকৰ ঘৰৰ সম্পৰ্ক নিঃচ্ছিন্ন কৰা খবৰটো চুকতে পাইছিল ফুলে। মূৰৰ ওপৰে বাগৰি গ'ল বছৰ বছৰ। ক্ৰমশঃ পাহৰি পেলাইছিল ফুলে মানুহঘৰৰ ব্যক্তিবোৰৰ মুখবোৰ।

আঠটা বছৰ মানুহৰ মুখ পাহৰিবলৈ যথেষ্ট নহয়। ফাইনেল পৰীক্ষাৰ শেষৰ দিনটোত কলেজৰ সন্মুখত মোমায়েকক যে ফুলে লগ পাই যাব তাই ভবাই নাছিল। আগলৈ দিব খোজা ভৰি দুটা থমকি ৰ'ল মোমায়েকৰ। ফুলে আগবাঢ়ি মোমায়েকক মাত দিব নে পিছুৱাই যাব কিংকৰ্ত্তব্যতামূঢ় হ'ল।

চলচলীয়া চকু দুটা মোহাৰি মোহাৰি মোমায়েকে ইমানদিনে নজনা ফুলৰ খবৰবোৰ লৈ পেলালে। ফুলে এবাৰো নুসুধিলে মাকজনীৰ খবৰ। ক্ষোভ এবুকু হয়তো গুজৰি গুমৰি ৰৈছিল তেতিয়াও। নুসুধে তাই এই মানুহজনীৰ খবৰ। উফ্ কিয় লগ পাইছিল তাই মোমায়েকক। যদি বাপেকে গম পায় নিশ্চয় খং কৰিব। ফুলে বুজিছিল বাপেক মাকৰ প্ৰতি ইমান নিৰ্দয় হোৱাৰ কাৰণ। মাকৰ দৰে যদি দেউতাকেও দ্বিতীয় বিবাহ কৰালেহেঁতেন ফুল দেউতাকৰ ইমান আদৰৰ হৈ থাকিলহেঁতেননে? যদি সেই পত্নীৰ আন সন্তান আহিলহেঁতেন ভাগ বাটোৱাৰ কৰি লোৱা মৰমৰ কিমান অংশ ফুলে পালেহেঁতেন? দেউতাকৰ সুঠাম শৰীৰটোৰ নাৰী দেহৰ ভোক মাকজনী নোহোৱা হৈ যোৱাৰ লগে লগে শেষ হৈছিলনে? সকলো কাৰণৰ উৰ্ধত ফুল আৰু দেউতাকৰ মাজত কোনো তৃতীয় পুৰুষৰ উপস্থিতি দেউতাকে কামনা কৰা নাছিল। দেউতাকে যে প্ৰায়ে উজাগৰী ৰাতি কান্দিছিল তাৰ প্ৰমাণে ফুলক বহু কথাই কৈছিল। আছে দেউতাকৰ বুকুৰ কোনোবা একোণত মাকৰ প্ৰতি এতিয়াও ভালপোৱা। যি হাজাৰ ঘৃণায়ো নোহোৱা কৰিব পৰা নাই। আৰু ফুল..? প্ৰতিটো শনিবৰীয়া আবেলি বিশেষ ফটোখনৰ লগত কথা পাতিছিল। মাকে স্পৰ্শ কৰি যোৱা কাপোৰবোৰ লিৰিকি বিদাৰি মাকৰ অস্তিত্ব বিচাৰি ফুৰিছিল। তেন্তে কিয় নোৱাৰিলে ল'ব মাকৰ খবৰ এবাৰো? মোমায়েকে বাৰু জাননে ক'ত আছে ফুলৰ মাক? আছেনে মাক জীয়াই...? ধৰফৰাই বুকু ফুলৰ। নাই, সুধিব লাগিব। এইবাৰ মোমায়েকক লগ পালে মাকৰ কথা সুধিব তাই।

"তহঁতক মনোকষ্ট দি মায়েৰেও শান্তি নাপালে অ। গোটেইজনী আধাপাগলী হ'ল। আগৰ সেই চেহেৰা নাই মাৰৰ।"

আনন্দ পাব লাগিছিল ফুলে এই খবৰ পাই টিপ্ টক্ কৈ সৰিছে চকুলো মোমায়েকৰ। আপোন ভনীয়েকৰ আন এক বিষাদগাঁথা মেলিছে কন্যাৰ সন্মুখত। তেতিয়াৰেপৰা চিলনীৰ জীয়েক হৈ ফুলে গীত জুৰিবলৈ হাবিয়াস কৰে।

পৰকহি তাইৰ আই চোতালত চিলনীজনী হৈ..

( সিটোপাৰৰ অধ্যায়)

জঠৰ হৈ বিচিত্ৰা পৰি ৰৈছিল টঙি ঘৰটোৰ মজিয়াত। মাত নাছিল ৰুক্মৰো। বিচিত্ৰাক কোনেও দেখা নাই ঘৰৰ পৰা উলাই অহা। দিনজোৰা ভাগৰৰ অন্তত কণ তেতিয়ালৈ সাৰে নাথাকে। ফুলজনীৰ মুখখন টোপনিতে সেই সময়ত জয় পৰি ৰৈছিল যদিও বিচিত্ৰাই উভতি নাচালে। পাষাণ হিয়াৰ অধিকাৰী হৈছিল বিচিত্ৰা তেতিয়ালৈ। তেতিয়ালৈ ৰুক্মৰ পাহুৱাল শৰীৰটোৰ মাজত বিচিত্ৰা বহুবাৰে লেওসেও হৈছিল। ক্ৰমশঃ কণৰ লগত বাঢ়িবলৈ ধৰা ব্যৱধানে বিচিত্ৰা আগবাঢ়ি গ'ল ভুল পথে। ৰুক্ম সম্বন্ধত আৰু বয়সত কণতকৈ সৰু হ'লেও বিচিত্ৰাক বৌ বুলি মাতিবলৈ সংকোচবোধ। চোঁ মাৰি কোনোবা সময়ত বিচিত্ৰাৰ মনটো জুখিছিল ৰুক্মই। নিজৰ খেলত মগ্ন ফুল আৰু পুৱাতেই কামলৈ গুছি যোৱা কণৰ অনুপস্থিতিৰ সুৰুঙাত চাবোন টুকুৰা, চাৰ্ফটো আনি দিয়াৰ অজুহাতত কাষ চাপি গ'ল বিচিত্ৰা আৰু ৰুক্ম। ইমান প্ৰশংসা কেতিয়াও কৰা নাই তাইৰ গিৰীয়েকে তাইৰ শৰীৰটোৰ। স্পৰ্শৰ ভাষা যে ইমান আকুল বুজা নাছিল বিচিত্ৰাই। লাজ খহিছিল দুয়োৰে। ভঁৰালৰ তলত গ্লাচৰ সাজত বালিৰে গ্লাচ সাজিবলৈ নকৈ শিকা ফুলৰ অজ্ঞাতে সিহঁতৰ বিছনাখনত এহাল মানুহৰ দেহৰ ভোক থামিছিল। সেইদিনা অন্যমনস্কতাত কণৰ আঙুলি কঁৰতৰ দাঁ লাগি তেজেৰে লুতুৰি হৈছিল। হয়তো আছিল এয়া সংকেত এটা কাঁইট সিহঁতৰ মাজচোতালত পোত খাই ৰোৱাৰ।

ব্যস্ত হৈ পৰে ফুল ভঁৰালঘৰৰ তলতে বালিঘৰ সজাত। কাম বাঢ়িছে তাইৰ। মাকৰ পুৰণি চাদৰৰ আঁচলেৰে অকণি ল'ৰা-ছোৱালী দেধাৰ সাজে ফুলে। দুয়ো হাতেৰে বালি ভাঁজ কৰি ঘৰৰ চৌহদ সাজি তাতে ঘৰেপ্ৰতি মানুহ থৈ ৰাজ্য এখনৰ সম্ৰাজ্ঞী হৈ ফুল বহি থাকে। তাইৰ নিৰ্দেশত সেই ৰাজ্যৰ মানুহে উঠাবহা কৰে। পিয়াহ লাগে তাইৰ খেলি খেলি। মাকক চিঞৰে ফুলে। সেই সময়খিনিতে এহাল মানুহৰো পিয়াহ দূৰ হয়। দেহৰ ক্ষুধাৰ লগতে বাঢ়ি যোৱা মনৰ সম্পৰ্কটোৰ লগত তল পৰি ৰ'ল কণৰ উপস্থিতি। অকণমানি ফুলক বিছনাত অকলে এৰি ৰুক্মৰ লগত গুছি আহিবলৈ ইমান সাহসী কেনেকৈ হ'ল তাই? ভাবি থাকিল বিচিত্ৰাই। সহজ সৰল তাইৰ গিৰীয়েকটোৰে একোৰেই গম নাপালে ইমান দিনৰ কু কৰ্ম। দাখন কিজানি খেপিয়াই ধৰিছে কণে। এফালৰ পৰা কিজানি ঘৰৰ বেৰবোৰ ঘপিয়াই গৈছে। কণে বিশ্বাস কৰিছেনে বিচিত্ৰাই যে আন এটা মানুহৰ লগত ঘৰ পাতিবলৈ এখন পতাঘৰ ভাঙি থৈ গুছি যাব পাৰে! ফুলজনীয়ে বাৰু বুজিছেনে তাই খুৰা খুৰা কৈ ফুৰা মানুহটোৱে সিহঁতৰ সৰ্বনাশ কৰিলে। খুব কম কন্দা ফুলে মাকক বিচাৰি নাপাই কিমান যে কান্দিব? নোখোৱা নোবোৱাকৈ কিজানি কান্দি তাই বাগৰি ফুৰিছে। তাইৰ কান্দোনত অসহ্য হৈ কণে কিজানি তাইক গতামাৰি দিছে! মূৰটো আচন্দ্ৰাই উঠিল বিচিত্ৰাৰ। এই ভাবনাবোৰ কিয় তাইৰ আগতে অহা নাছিল। কিদৰে তাই আঠবছৰে সংসাৰ কৰা মানুহটোক এৰি বেলেগ এজন পুৰুষৰ লগত গুছি আহিব পাৰিলে? বুকুৰ মঙহ ফুলক কেনেকৈ মাজৰাতি বিছনাত অকলশৰে এৰি আহিব পাৰিলে। ইমানেই শক্তি আছিলনে ৰুক্ম নামৰ মানুহটোৰ? ইমানেই টান নে এই মানুহটোৰ প্ৰতি তাইৰ? দুভৰি কঁপি এবাৰো পিচলি নপৰিল তাই? যদি দুৱাৰডলিতে তাই উজুটি খালেহেঁতেন নিশ্চয় সাৰ পালেহেঁতেন কণে। পাপী তাই। উফ্ বৰকৈ মনত পৰিছে তাইৰ ফুল আৰু কণলৈ। দুহাত আঁজুৰিছিল কণে তাই আৰু ফুলৰ বাবে। অভাৱবোৰ পূৰণ কৰিবলৈ অহৰহ কৰা কষ্টবোৰ দেখিও বিচিত্ৰা কেনেকৈ ভুলপথে পৰিচালিত হ'ল? দেহৰ ভোক ইমানেই বেছি নে তাইৰ? কণেও দেখোন তাইক মৰম কৰিছিল তেন্তে কিয় সুখী হ'ব নোৱাৰিলে তাই কণৰ লগত? কেৱল এইটোৱেই কাৰণনে বিচিত্ৰাই ঘৰ এৰি গুছি অহাৰ?

ঃ মই কিয় গুছি আহিলো ৰুক্ম? মোৰ অবিহনে কণ আৰু ফুলৰ কি হ'ব? মই ঘূৰি যাওঁগৈ।

কাওমাও কৰি উঠা বিচিত্ৰাৰ কথাত ৰুক্মৰ যেন কিছু খং উঠিল।

মই তোৰ বাবেই ঘৰখনৰপৰা একেবাৰে গুছি আহিছো। তোক মই সেইখন ঘৰত সুমুৱাবগৈ নোৱাৰো। আই-পিতায়ে পৰৰ ঘৈণী পলুৱাই অনা বুলি শুনাৰ লগে লগেই মোক তাজ্যপুত্ৰ কৰিব। তোক ভালপাওঁ বাবেই সকলো ত্যাগ কৰিছো মই। সকলো কথাতে সন্মতি দি তই এতিয়া এনেকুৱা নকৰিবি। ইয়াৰপৰা আমি পোহৰ হোৱাৰ পিছতে গুছি যামগৈ। ট্ৰেইনৰ টিকট কৰিয়ে থোৱা আছে। ডিমাপুৰত য'ত মই ঘৰ ঠিক কৰি থৈ আহিছো তাত আমাক সহজে কোনেও বিচাৰি নাপায়। তাত কাম ঢেৰ। আমি ধুনীয়াকৈ চলিব পাৰিম।

ৰুক্মৰো যদি তাইৰ দৰে পত্নী আৰু সন্তান থাকিলহেঁতেনে ইমান সহজে কথাবোৰ কলেহেঁতেননে? সৰ্বনাশটো তাই

কৰিয়ে আহিছে। যদি ঘূৰি পায় মানে সকলো ৰৌজাল-বৌজাল হৈছে? যদি অকৰা খঙটো উঠি কণে তাইক মাৰি পেলায়? উফ্ ফুলে পুৰা উঠি তাইক নেদেখিলে গোটেইজনী কান্দি লেবেজান নহ'বনে? উফ্ তাই কিয় এনে কৰিলে? মাৰক তাইক কণে, দুচেও কৰিলেও কৰক তাই উভতি যাবগৈ। বিচিত্ৰাই টঙিঘৰটোৰপৰা জাপ মাৰিব খুজোতেই ৰুক্মই জপতিয়াই ধৰে।

ঃ তই যদি এনেকুৱা কৰ মোৰ জীৱিত ৰূপ কেতিয়াও নাপাবি। যা মোক দেও দি যা। নিজকে ধ্বংস কৰি পেলাম মই।

ঃ মই পতা সংসাৰ ভাঙি থৈ আহিলো ৰুক্ম। তই ডেকা ল'ৰা। তোৰ গাত একো চেকা নাথাকে। ধৰা পৰিলেও মই তোৰ কথা নকওঁ। মই ঘৰলৈ যাওঁগৈ অ। ফুলৰ কাষলৈ যাওঁগৈ মই।

চিঞৰি কন্দা বিচিত্ৰাক সাৱটি ধৰিলে ৰুক্মই।

ঃ নাকান্দিবি অ। তোৰ এই মৰ চিঞৰৰ কান্দোনে দুয়োটাকে ধৰা পেলাব এতিয়া। মাৰি পেলাব দুয়োটাকে অচিনাকি গাঁৰৰ মানুহে মৰিয়াই মৰিয়াই। যি হ'ল হ'ল আমি ভুলেই কৰিলো বা ভালেই কৰিলো আমি নতুনকৈ সংসাৰ পাতিম। ব'ল পোহৰ হ'বৰ হ'ল। ট্ৰেইন ষ্টেচন পাবগৈ লাগিব। বিচিত্ৰাৰ হাতত বিশেষ টোপোলা নাই। ৰুক্মই তাইক হাতত ধৰি আগলৈ খোজ দিলে।।

কোঠাটোত দুজন মানুহ শুব পৰা বিছনাখনৰ কাষতে কাঠৰ টেবুল এখন। তাতে ষ্টভকে ধৰি দুই এটা বাচন। প্লাষ্টিকৰ বাল্টি আৰু মগ এটা। বুজিলে বিচিত্ৰাই ৰুক্মই ঘৰ ঠিক কৰাৰ দিনাই সামগ্ৰীকেইপদ কিনি থৈ গৈছিল। কোঠাৰ একমাত্ৰ খিৰিকিখন খুলি দিয়াৰ লগে লগে সন্মুখত দুজন পুৰুষক দেখি বিচিত্ৰাই খিৰিকিখনৰ মুখৰপৰা আঁতৰ হ'ল। ঘৰবোৰ গাঁৰৰ ঘৰবোৰৰ দৰে নহয়। লগালগি প্ৰায়বোৰ। ৰুক্মই কোৱামতে কোঠা মাত্ৰ এটাই। হাফ ৱালত তৰ্জাৰ বেৰাৰে টিনৰ চালি। দুৱাৰ-খিৰিকি কাঠৰ এফলীয়া। ৰূমৰ তলা ৰুক্মই খুলি থাকোতেই বিচিত্ৰাই মন কৰিছিল দীঘলীয়া ঘৰটোৰ কেইবাখনো দুৱাৰ। প্ৰতিঘৰেই তাৰমানে ভাড়াতীয়। ৰুক্মই তাইক কোঠাতে এৰি বজাৰ দুটামান কৰি আনো বুলি উলাই যোৱা আধাঘন্টাৰো বেছি হ'ল। ট্ৰেইনতে কিনা পানীৰ বটলটোৰ পানী কেতিয়াবাই শেষ হ'ল। গাটোও বৰ লেতেৰা যেন লাগি আছে, গা ধোৱা ব্যৱস্থাটো কৰিব পৰা হ'লে! অচিন ঠাইখনত অকলশৰে কোঠাটোত সোমাই থাকিও যেন বিচিত্ৰাই নিৰাপদ অনুভৱ কৰিব পৰা নাই।

হাতত টোপোলাকেইটা লৈ ৰুক্ম কোঠালৈ সোমাই অহাৰ পিছতহে বিচিত্ৰাৰ মুখলৈ পানী আহিল। ৰুক্মৰ হাতৰপৰা পানীৰ বটলটো লৈয়ে ঘোটঘোটাই আধাবটল বিচিত্ৰাই গিলি পেলালে।

ভাগৰে হেঁচি ধৰা শৰীৰটো বিছনাত এৰি দিলে বিচিত্ৰাই। ৰুক্মই বুজিলে পেটৰ ভোক থাকিলেও মনৰ আভোকৰ বাবে বিচিত্ৰাই একো খাব নোৱাৰিলে। তাৰ বৰকৈ ভোক লাগিছিল। হোটেলৰ পৰা লৈ অহা ভাত তৰকাৰীখিনি খাই বিচিত্ৰাৰ কাষতে বাগৰি দিলে সি। মাক-দেউতাকৰ মুখ দুখন তাৰ এতিয়াহে মনত পৰিল। জানে সি দেউতাকে তাক কেতিয়াও ক্ষমা নকৰে। মাকজনীয়েহে হিয়ালি-জিয়ালিকৈ কান্দিব। ভনীয়েকে চাগৈ কলেজত লগৰবোৰৰ সন্মুখত বৰ লাজ পাব ককায়েকে আনৰ ঘৈণীয়েকক পলুৱাই নিয়া কথাটো ৰাজহুৱা হ'লে। তাৰ বাবে সঘনাই ভনীয়েকৰ লগত সিহঁতৰ ঘৰলৈ অহা পপীয়ে এই কথা জনাৰ পিছত তাক ঘৃণা কৰিব। সহজ সৰল ককাইদেউ বুলি সি সম্বোধন কৰা কণ আৰু তাক খুৰা বুলি কৈ আপোনতাৰে লোৱা ফুলে তাক কম অভিশাপ দিছেনে? উফ্ ৰুক্মৰ মূৰটো যেন ফাটিহে যাব। মাত্ৰ এজনী মানুহৰ বাবে সি এই সকলোবোৰৰ সন্মুখীন হ'বলৈ সাজু। বিচিত্ৰা। আজিৰেপৰা তাৰ পত্নী। এই মানুহজনীক সি বলীয়াৰদৰে ভাল পাবলৈ আৰম্ভ কৰিছে। তল পৰি ৰৈছে আন সকলো। কাৰেন্টৰ ব্যৱস্থা কোঠাটোত সেইদিনা হৈ উঠা নাছিল। এন্ধাৰতে ৰুক্মই খেপিয়াই চালে বিচিত্ৰাৰ মুখ, চকু, কাণ, নাক। গাল দুখন ভিজা তাইৰ। মুখ লুকুৱাই কান্দিছে বিচিত্ৰাই। সুখী হ'ব লাগিব বিচিত্ৰা তাৰে সৈতে। এই মানুহজনীৰ সুখৰপৰা সি নিজৰ সুখ বুটলিবলৈ লৈ আহিছে এই দূৰণিবটীয়া ঠাইলৈ। বহুত কাম তাৰ কাইলৈৰ পৰা। কোঠাৰ ভাড়া ছয়শ টকা। মাহটোৰ খৰচ, বিচিত্ৰাৰ প্ৰয়োজনীয় সকলো সামগ্ৰী লগত থকা টকাকেইটাৰে কৰিব লাগিব। কাম পাব সি। বিচাৰিব লাগিব।

চকু দুটা মেলি ওপৰলৈ চাই থাকিল বিচিত্ৰাই। নিজৰ লগত ঘটি যোৱা ঘটনাবোৰ এটা এটাকৈ মনত অগা-দেৱা কৰি থাকিল তাইৰ। দুঃস্বপ্ন বুলি পাহৰি যাব নোৱাৰা ঘটনাৰ নায়িকা তাই। কাষতে গামোচা এখন কঁকালত মেৰিয়াই শুই আছে ৰুক্ম। অৰ্দ্ধ নগ্নপ্ৰায়। তাইৰ বুকুৰ চাদৰখনো খহি আছে। ব্লাউজৰ পিন দুটা খোলা। ৰুক্মই খুচৰিছিল নেকি তাইৰ দেহ? বিচিত্ৰাৰ এই মুহূৰ্ত্তত ৰুক্মৰ শৰীৰটোৰ প্ৰতি সামাণ্য অনুকম্পাও জাগি উঠা নাই। কণ আৰু ফুললৈ মনত পৰি বুকুখন বিষায়ে থাকিল

বিচিত্ৰাৰ।

দিনটো নাযায় নুপুৰায় বিচিত্ৰাৰ। পুৰা আঠ বজাতে ৰুক্মই চাহ খাই কামলৈ যায়। কাঠৰ ফাৰ্ণিচাৰ দোকান এখনত ৰুক্মই যোগালিৰ কামটো পোৰা এসপ্তাহমানেই হ'ল। থাকোতে কেইবাটাও হাতৰ বিদ্যা ৰুক্মৰ নথকা নহয়। সিহঁত থকা ঠাইৰপৰা মূল বজাৰলৈ আধা ঘন্টামানৰ বাট। তাতেই দোকানখন। ৰুক্ম উলাই যোৱাৰ পিছত বিচিত্ৰা কোঠাটোত অকলশৰীয়া। আন আন ভাড়াতীয়া মাইকী মানুহবোৰৰ লগত তাইৰ চিনা পৰিচয় ঘটিলেও অজান ভয় এটাৰ বাবে মানুহখিনিৰ লগত বিচিত্ৰাই বৰকৈ হলিগলি নকৰে। ঘৰৰ কামনো কি? সৰাকে সাৰি, মচাকে মচি বেছিভাগ বিছনাখনতে পৰি থাকে বিচিত্ৰা। ৰুক্মৰ চকুত ধৰা পৰিছে তেনেই শেঁতা পৰিছে বিচিত্ৰা। মুখৰ কমনীয়তা এমাহতে বহুখিনি কমিল। ৰুক্মই আনি দিয়া পাউদাৰ, স্নো টেমাদুটা নোখোলাকৈ পৰি আছে। ওঁঠযুৰি ফাটি মাজে মাজে তেজ বিৰিঙি থকা হৈছে। চুলিখিনি নফনিওৱাকৈ খোপা এটা কৰি থলেই যেন হ'ল এনে ভাৱ বিচিত্ৰাৰ।

ঃ জাপৰীজনী হৈ নো কিয় থাক তই? তেল টেঙা অকণ ঘঁহি পৰিষ্কাৰ হৈ থাকচোন। মনটো ভাল লাগিব।

মন ভাল লাগিবলৈ আৰু কি বাকী থাকিল। ৰুক্মৰ কথাত ভাবে বিচিত্ৰাই। আইনা চাবলৈ ভয় কৰে বিচিত্ৰাই। শিৰত দগমগীয়া সেন্দূৰখিনি তাই জানো ৰুক্মৰ বাবে লৈছে? তাইৰ মনোকামনাৰে কণে আয়ুস পাবনে? আইনাত নিজৰ মুখখনৰ লগত ফুলৰ মুখখনে ভুমুকিয়াই থাকেহি। নোচোৱাকৈ থাকে বিচিত্ৰাই আইনা। একেটা কোঠাতে কৰি লোৱা পাকঘৰ বুলিবলৈ কাঠৰ টেবুলখনৰ ওপৰত ষ্ট্ৰভটো। চৰু-কেৰাহি, বাচন আদি টেবুলখনৰ তলৰ ৰেকডালত তুলি থয়। সপ্তাহটোৰ বজাৰ চাউল, চবজি আদি বিছনাখনৰ তলতে থৈ দিয়ে তাই। বিছনাখনৰ ওপৰত একাষৰীয়া কৰি তাঁৰডাল। দুয়োৰে কাপোৰবোৰ সামৰি থয় বিচিত্ৰাই।

কাষৰ কোঠাত মাইকী মানুহজনীয়ে ভাতৰ যোগাৰ কৰিছে। এই সংকেত পালেই বিচিত্ৰাও সাজু হয় ভাত ৰান্ধিবলৈ। ৰুক্মই দুপৰীয়া ভাত খাবলৈ আহে। ভাত বনোৱা বাচনটোত পানী উতলিবলৈ দি চাউল দুকাপ চৰিয়াটোত বাকি লয় বৈয়ামটোৰপৰা বিচিত্ৰাই। মনত পৰে তাইৰ। মৰণা মাৰি হোৱাৰ পিছত কণে এমাহলৈ চাউল মিলত দি আনে। বাৰীতে লগা বেঙেনা,কেৰেলা চিঙি আগবেলাটোৰ বাবে যোগাৰ কৰিছিল তাই। ডালি নহ'লে ভাত নুখুৱা ফুলৰ বাবে মগু, মচুৰ ডালি মিলাই বাৰীৰ টেঙেচি দি ৰান্ধে তাই। কামলৈ যাবলৈ সাজু হোৱা কণক ভাতকেইটা আগতিয়াকৈ বাঢ়ি দিছিল তাই। ফুলৰ লগত ভাত খাই ৰুক্মলৈও এটেপা সামৰিছিল বিচিত্ৰাই। উফ্ বুকুখন আকৌ বিষাই উঠিল তাইৰ। ভালে আছেনে কণ আৰু ফুল?

শুকাবলৈ ধৰা পটল,বেঙেনা আৰু আলুকেইটা ধুই কুটিবলৈ ল'লে বিচিত্ৰাই। কেৰাহীটো গৰম হোৱাৰ পিছত দেখিলে মিঠাতেলৰ বটলটো প্ৰায় খালি। চেহ্ বাৰম্বাৰ ৰুক্মই সোধাৰ পিছতো মনত নপৰে বিচিত্ৰাৰ ঘৰখনত কি নাই। বটলটো জোকাৰি জোকাৰি উলিওৱা তেলকণতে পিঁয়াজ এটা কাটি লৰাই কটা পাচলিখিনি সিজিবলৈ দিলে তাই।

আবেলিটো আৰু উচপিচ লাগে বিচিত্ৰাৰ। এই সময়খিনিতে ফুলে মা অমুক খাওঁ তমুক খাওঁ কৰি বিচিত্ৰাৰ পিছ নেৰিছিল।দেউতাক উভতি অহালৈ নঙলামুখতে চেঙালুটি মাৰি মাৰি মাককো মাতিছিল তাই। দৌৰাদৌৰিকৈ বিচিত্ৰাই নৈৰ পাৰত এৰাল দি থোৱা ছাগলী দুজনীৰ এৰাল মুকলি কৰি থৈ আহিছিলগৈ। চৰণীয়া গাইজনী পোৱালিটো লৈ গোহালিৰ কাষ নিজে চাপিছিল। কণে উভতি আঁহোতে ৰঙাই বগাইক মুকলি কৰি দিয়াৰ লগে লগেই বিচিত্ৰাৰ কাষলৈ যেন সিহঁত দুটা ঢপলিয়াইহে আহিছিল। কণৰ হাতৰ বজাৰৰ মোনাটো আগে ভাগে ধৰে ফুলে। মাছ অকণ কেতিয়াবা মঙহ অকণৰ সোৱাদ লয় তিনিও। সাপ্তাহিক বজাৰৰ পৰা বিচিত্ৰাক নুসুধাকৈয়ে কেতিয়াবা কণে কিনি আনে ব্লাউজ নাইবা চাদৰ এখন। অভাৱটো নাছিল বিচিত্ৰাৰ ! তেন্তে স্বভাৱ নষ্ট কেনেকৈ হ'ল বিচিত্ৰাৰ?সোণৰ কাণফুলিযোৰৰ কথা কওঁতে এমাহৰ ভিতৰতে কণে গঢ়াই দিছিল তাইক। উফ্ ইমান সহজ সৰল মানুহটোক বিশ্বাসঘাটকতা কৰি তাই নিজে পতা ঘৰখনত ভগৱানে আশীষ চটিয়াবনে? কোনোবা দিনা ফুলে মাতিবনে তাইৰ পাপকৰ্ম্মৰ পৰিচয় পাই দ্বিতীয়বাৰ "মা" বুলি...?

"মা" শব্দটোৱে খুন্দিয়াই থৈ যায় বিচিত্ৰাৰ বুকুত। কোনোবাই যেন হাতুৰীয়ে কোবাবলৈ ধৰিছে তাইৰ বুকুত। তাই উঠি বহিবলৈও অপাৰগ ।

মাহেকীয়া হোৱাৰ দিন পিছুৱাইছিল বিচিত্ৰাৰ। তথাপি মনলৈ এইকথা অহা নাছিল তাইৰ। বয়সনো হৈছিল কিমান? সোতৰ মাত্ৰ। তাইতকৈ বাৰ বছৰে ডাঙৰ কণৰ মন চেবালে। ডাক্তৰৰ পৰীক্ষাৰ অন্তত ঘৰলৈ ৰং মনে উভতিছিল দুয়ো।

বিচিত্ৰাৰ বুকুত পিছে ভয়। কণৰ মাক আছিল তেতিয়া। লাজ আৰু ভয়ত তাই ক'ব নোৱাৰা কথা কণে কৈ পেলাইছিল মাকক। পঢ়ি থকা ভায়েকটোক ক'বলৈ উচপিচাই আছিল তাৰ মন।

সকলোৰে মৰমৰ পাত্ৰী হৈ পৰিল বিচিত্ৰা। উঠোতে বহোতে শাহুৱেক আৰু কণৰ যতন আদৰে বিচিত্ৰাজনী যেন কেঁচুৱাহে। বিচিত্ৰাৰ ককায়েকটো আহিছিল সেই খবৰ পাই টোপোলা কেইবাটাও লৈ। লাজতে যেন মুচকঁচ যাব গোটেইজনী।

ঃ কেলেইনো দিবগৈ লাগে খবৰ?

তাইক বিচাৰি কোঠালৈ সোমাই অহা কণলৈ যেন বিচিত্ৰাৰ খং উঠিছে। পকা ঠেকেৰা হেন তাইৰ মুখখন অধিক ৰঙচুৱা। কণে যেন দাংকোলাকৈ দাঙি ল'বগৈ তাইক...

ঃ আমাৰ এটা সন্তান আহিব। তই মা আৰু মই দেউতা হ'ম। বৌটি আইতাক হ'ব। তোৰ ককায়েৰা মোমায়েক...তোৰ ভাল লগা নাই নেকি ? আমি সকলোৱে আমাৰ আপোনজনক ভালকৈ আদৰিবলৈ সাজু হ'ব লাগে।

বুকুখন মোচৰ খাই উঠে বিচিত্ৰাৰ। তাইৰ মাক-বাপেকহাল জীয়াই থকা হ'লে এই খবৰ পাই কিজানি দৌৰি আহিলেহেঁতেন আৰু কণেও ক'লেহেঁতেন ..''তোৰ আই পিতাই ককা-আইতা হ'ব।''

সেই সময়ত মাক-বাপেকলৈ মনত পৰি তাইৰ বুকুখন বিষোৱাৰ দৰে কিজানি ফুলৰ বুকুখন সদায়ে বিষায় আছে। কৰবালৈ গ'লে অলপ দূৰ খোজ কাঢ়িয়ে ভাগৰ লাগিছে বুলি বিচিত্ৰাৰ কোলালৈ দুহাত মেলি উঠিব খোজা ফুলজনী....উফ্ বাপেকটোৱে বাৰু তাইৰ খঙতে ফুলক মাৰিব নেকি? বিয়াৰ পিছতে বেলেগকৈ থাকিবলৈ লোৱা দেওৰেক আৰু ভাই বোৱাৰীয়েকে ফুলক মৰম কৰিবনে?

পাগলীজনী হৈ দৌৰি যাবলৈ মন যায় বিচিত্ৰাৰ ঘৰখনলৈ। আদৰি ল'বনে পুনৰাই কণে তাইক? ফুলে মাতিবনে পুনৰাই ''মা'' বুলি? ককৰ্থনাৰে থকা সৰকা কৰা গাঁৱৰ মানুহখিনিৰ সন্মুখত তাই থিয় দিব কেনেকৈ?

''উফ্ ভগৱান মোক কিয় জীয়াই ৰাখিছা?''

প্ৰলাপ বিচিত্ৰাৰ এয়া।

ভগৱানে তাইক কিয় ইমান সোনকালে মাৰিব? তাই যে পাপী। ইমান নিষ্ঠুৰ হৈ কৰা কু কৰ্মৰ ফল ভোগ নকৰাকৈ ভগৱানে তাইক ইমান সোনকালে মুক্তি নিদিয়ে।

ৰুক্মই তাইলৈ আগবঢ়োৱা হাত ঠেলামাৰি দিয়ে বিচিত্ৰাই। ৰুক্মৰ প্ৰতিটো স্পৰ্শই বিচিত্ৰাক বিচাই ডকাদি দাকে....

যেতিয়াই তেতিয়াই অহা বৰষুণে চুই খলা-বমা কৰা পিৰালি আলতীয়া ৰঙচুৱা মাটিৰে টিপি টিপি সমান কৰি মচি পেলায় বিচিত্ৰাই। গিৰীয়েকৰ বনিয়ন চোলা, চুৰিয়া ধুই উজলা দি থয় তাই। কামৰ পৰা আহি গা পা ধুই পৰিষ্কাৰ সাজযোৰ পিন্ধি গাঁৱত এপাক মাৰেগৈকণে । গাওঁখনৰ সকলো খবৰ এই পাকটোতে লৈ আহে কণে। কণলৈ বাট চাই ফুলক তাই জনা পদ্যবোৰ মাতিবলৈ শিকায়।

''অ ফু অ ফু..''

নুফুটে ফুলৰ মুখত নিজৰে নাম। তথাপি আওৰায়। পীৰা জপতিয়াই তাতে ফলি থৈ চকমাটিৰে বিচিত্ৰাই ফুলৰ আঙুলিত ধৰোৱাই আঁকবাক কৰোৱায়। তিনিটা চুকৰ ''ক'' লিখিব পাৰে ফুলে। কেইবাটাও ''ক'' ফলিত লিখি বাপেকক দেখুৱাবলৈ ৰৈ থাকে ফুল। ভাত, তৰকাৰী হোৱাৰ পিছতো বিচিত্ৰাই পকি থকা জুইত কচুটেপু, জিকা কলি , আলু দুটামান সিজিবলৈ দিয়ে। পকা তেলকণৰ লগত নিমখ , জলকীয়া,নহৰু দুফোটমান কাটি কৰা পিটিকাকণ গিৰীয়েকে বৰ তৃপ্তিয়ে খায়। দেউতাকে জলকীয়া খোৱা দেখি ফুলে কাঁহীৰ কাষতে লয় দুটা জলকীয়া। সেহাই সেহাই এনেই খাই দেখুৱায় মাকক। গাঁৱৰ খবৰবোৰ বিচিত্ৰাৰ আগত দি থাকে কণে ভাত খাই থাকিয়ে। বিছনাখন পাৰি বাপেক জীয়েকক শুবলৈ দি বিচিত্ৰাই চুৱা বাচনবোৰ ধুবলৈ দমকলৰ পাৰ পায়গৈ। কেৰাচিন তেলৰ চাকিটো কাপোৰ ধোৱা পাতখনৰ ওপৰতে থৈ বাচন মাজি থাকোতে জায়েকৰ লগত দুষাৰমান কথা পাতে। বাচনখিনি ধুই আজৰাই থলে পুৱালৈ বহুখিনি কাম পাতলি থাকে। তাই বিছনাত পৰেগৈ মানে ফুল আৰু কণ টোপনি যায়গৈ। ফুলক থানথিত লগাই বিছনাত বাগৰ দিওঁতে দিনটো জিৰণি নোলোৱাকৈ কাম কৰাৰ বাবেই নেকি বিচিত্ৰাৰ কঁকালটো গেজগেজাই উঠে। খঙো উঠে তাইৰ কণলৈ। তাইলৈ বাট নোচোৱাকৈয়ে সদায় টোপনি যোৱাৰ বাবে। ভাগৰুৱা মুখখনত বিচিত্ৰাই কেতিয়াবা হাত বুলাই দিয়ে। তুলি লয় কণৰ হাত এখন। টোপনিতে আঁতৰাই লৈ

যায় হাতখন। একতীয়া হৈ বেৰৰ কাষ চাপেগৈ। কিছু সময়ৰ পিছত বিচিত্ৰাও টোপনিত ঢলি পৰে।

বাৰিষাৰ সময়। পথাৰৰ ঘাঁহ বন তল গ'ল। গৰুকেইটা তেনেই চেৰেলা হ'ল। গিৰীয়েকে কাটি থৈ যোৱা কলপচলা দুডাল চকলা চকলকৈ ঘপিয়াই ফুলক পাচিটোত ভৰাবলৈ শিকায় বিচিত্ৰাই। ভাতে-পানীয়ে, ঘৰে-বাহিৰে দিনটো কামৰপৰা মূৰ দাঙিব নোৱাৰা হয় বিচিত্ৰা। গিৰীয়েক দৈনিক কামলৈ নগ'লে ঘৰখনলৈ টকা আহিব ক'ৰপৰা। হ'লেও ঘৰখনৰ সকলো গৰুৰপৰা ছাগলীলৈ দায়িত্ব সামৰি ভাগৰি কণক গালি উজাৰে মাজে মাজে তাই।

ঃ চা ফুল মাৰৰ খং উঠিছে..

বাপেকে জপিয়াই দেখুওৱাৰ দৰে ফুলেও জপিয়াবলৈ ধৰে..."এ মাৰ খং উঠিছে এ" মাকৰ খেদাত ফুল দৌৰি বাপেকৰ কোলাত সোমায়গৈ।

জলকা লাগি বহি থাকে বিচিত্ৰা। কামৰ পৰা আজৰি নাই বুলি গালি দিবলৈ কণৰ কাষৰপৰা তাই বহু দূৰৈত। এই ছমাহত ফুলজনী কিজানি বৰজনী হ'লগৈ। কণে কিজানি তাইক স্কুলত নাম লগাই দিছে। কণে বাৰু তাইৰ যতন ভালকৈ লৈছেনে? চপাইছে নেকি বাৰু কণে আন এজনী ঘৈণী? যদি চপাইছে মাহীমাকে বাৰু ফুলক তাইৰ দৰে মৰম কৰিবনে? উফ্ চেপা যন্ত্ৰণা এটাই কোঙা কৰি যায় বিচিত্ৰাক। ঘৰ এখন জানো মতা মানুহটোৱে অকলে ধৰি ৰাখিব পাৰে? চপাওক কণে আন এজনী মানুহ। অন্ততঃ সিহঁত দুটাই আনে ৰান্ধি দিয়া ভাত এমুঠি খাব পাৰিব। উফ্ তাইৰ মানুহটো সেইটো। তাইৰ বৰ্তমানত সেন্দূৰ ভাগ বাটোৱাৰ কৰিবলগীয়া হোৱাহ'লে তাইৰ কেনে লাগিলহেঁতেন তাই নাজানে। এই মুহূৰ্ত্তত বিচিত্ৰাই বাৰে বাৰে ভগৱানক খাটিলে...

"কণৰ জীৱনলৈ আন এজনী মানুহ আনি দিয়া। ঘৰখন ঘৰ হৈ থাকক"।

ৰুক্মই কোঠাত ভৰি থৈছিল মাত্ৰ। বিচিত্ৰাই সুধি পেলালে..

ঃ আমাৰ সেইফালৰ মানুহ লগ পোৱা নেকি কেতিয়াবা?

ঃ আজিলৈ নাই পোৱা।

ঃ ঘৰৰ খবৰবোৰ ল'বলৈ বৰকৈ মন গৈছে।

ঃ পুৰণি হৈ পৰা কথাবোৰ পাহৰি যা।

ৰুক্মৰ কথাত মনটো বেয়া লাগি যায় বিচিত্ৰাৰ। পুৰণি বুলি দলিয়াই দিব পৰানে এয়া? বুকুৰ মঙহক আঁতৰ কৰাব পাৰিনে মনৰপৰা?

ঃ ফুল আৰু কণলৈ মোৰ মনত পৰে অ?

ঃ অকল তোৰে মনত পৰে নেকি? মোৰ কি মা-দেউতালৈ মনত নপৰে? আজি ছমাহে মোৰ অবিহনে ঘৰখন কি হৈছে সেয়া ভাবি মোৰ বেজাৰ নালাগে? ইমান কষ্ট কৰি জীৱন কটাব লগীয়া হোৱাৰ কাৰণ কি তই নাজান? হৈ যোৱা কথাবোৰৰ কাৰণে কিয় হুমুনিয়াহ কাঢ়ি থাক?

হুকহুকাই কান্দি দিয়ে বিচিত্ৰাই। কাষৰ কোঠাৰ মানুহজনী বাহিৰত আছিলগৈ বোধকৰো! ৰুক্মৰ কঠোৰ বাক্যকেইটাই বিচিত্ৰাৰ বুকু ভেদি গ'ল। তাই ৰুক্মৰ লগত কিয় আহিছিল? ৰুক্মৰ স'তে শৰীৰি খেলাৰ বাবে নে তাত ভালপোৱা আছিল? যদি আছিল সি তাইৰ মনৰ বেদনাবোৰ বুজিবলৈ চেষ্টা কৰা নাই কিয়?

পৰি থাকে বিচিত্ৰা বিছনাখনতে মৰা কাঠ এডাল হৈ...

তিনিদিন ধৰি মাতবোল নাই দুয়োৰে মাজত। ইচ্ছা কৰিয়ে ৰুক্মই সোধা নাই বিচিত্ৰাক একো কথা। জ্বলা নাই চৌকা। আভোকে খুলি খোৱা বিচিত্ৰায়ো সোধা নাই ৰুক্মই কি খাইছে।

সন্তান এটা সিহঁতৰ মাজলৈ আহিলে সমস্যাৰ সমাধান হ'ব নেকি? ভাৱে ৰুক্মই। আজি দুবছৰে এটা দিন যদি ভালকৈ গৈছে সপ্তাহত ছয়টা দিনেই অশান্তিত চটফটাইছে সি। বিচিত্ৰা কণৰ পত্নী আছিল। ফুলৰ মাক আছিল। কিন্তু এতিয়া তাৰ পত্নী। তেন্তে কিয় সহ্য কৰিব সি বিচিত্ৰাই প্ৰতিদিনে এৰি অহা সংসাৰৰ সৈতে কথা পাতিলে? যদি ইমানেই পতিভক্তি আৰু মমতাময়ী মাতৃ আছিল কিয় গুছি আহিল তাই তাৰ লগত? তাৰো আছিল এটা ভৱিষ্যত। তাত নুৰ খাই আছিল তাৰ পৰিয়ালটোৰ সপোন। সকলো শেষ কৰি থৈ আহিবলৈ কি বাকী থাকিল তাৰ? পিতৃ -মাতৃৰ মৃত্যু হ'লে মুখাগ্নি কৰাৰ পৰাও সি বঞ্চিত ।

অনুতাপ সি নকৰা নহয়। বিচিত্ৰাৰ প্ৰতি জাগি উঠা অনুকম্পাক সি বেয়া ৰিপুৰে লগ পোৱা সময় আছিল বুলিয়ে মাজে মাজে ভাবিবলৈ লয়। শুদ্ধৰণিৰ পথ নথকা ভুল কৰিলে সি। খেলিমেলি হ'বলৈ ধৰিছে সকলো। নিজৰ কথাতে স্থিতি লৈ বিচিত্ৰাই সিহঁত দুটাৰ মাজত আউল তৰিছে। এদিন ৰুক্মই লগ পাইছিল গাঁৱৰে হেমন্তক। পাই গৈছিল গাঁৱৰ সকলো খবৰ। বিচিত্ৰাৰ অনুপস্থিতিত কণহঁতৰ পৰিয়ালটো শান্ত। কণে একোৱে অনুভৱ কৰিবলৈ দিয়া নাই ফুলক। ফুলৰ মুখত সকলো সময়তে এটাই শব্দ "দেউতা।" সেই কথাখিনিকে কৈছিলগৈ সি বিচিত্ৰাক। উগ্ৰমূৰ্ত্তিহে যেন ধৰিছিল তাই। সকলো ঘটনাৰ মূল সি কেনেকৈ হ'ব? ফুলৰ মুখৰপৰা "মা" শব্দটো কাঢ়ি নিয়াৰ মূলতে সি কেনেকৈ হ'ব? স্বাৰ্থপৰ বিচিত্ৰা। তাই এবাৰো নুসুধিলে তাৰ ঘৰখনৰ কথা। তাৰ মাক-দেউতাকৰ কথা। ভনীজনীৰ কথা। দিনজোৱা কষ্টৰ অন্তত সি কিনি অনা চাউল আৰু পাচলিবোৰ ঠেকেচি দিয়াৰ বাবে তাৰ মগজুৰে ধোঁৱাহে উৰিছিল যেন। কাণে নাকে জপতিয়াই বিচিত্ৰাক দুগালত দুইচৰ দিও সি ক্ষান্ত হ'ব নোৱাৰিলে...

ঃ হাৰামী, নিজৰ মতা আৰু জী এৰি মোৰ গাত লম্ভি তোৰে বৰ বৰ কথা। তোক মই ঘৰৰপৰা দাঙি আনিছিলোঁগৈ? তই ইমানেই সতী সাবিত্ৰী? মোৰে উপাৰ্জন খাই মোৰ সন্মুখতে এৰি অহা মতাক হামিয়াই থাক। তোক ঘৃণা কৰে সেইখন গাঁৱৰ মানুহে । মোৰটো মাইকী নাছিল। ল'ৰা-ছোৱালী নাছিল। তই কেনেকৈ পাৰিলি সকলো গু এৰাদি এৰিব? মোৰ লগত শুবলৈকে ঘৰখন এৰি থৈ আহিলিনে? যা, এতিয়াও যাগৈ। তোক দুটাবছৰে বহুত বুজালো। এতিয়াও যদি মতা আৰু জীয়েৰৰ মোহ এৰিব পৰা নাই যাগৈ। মোৰ কথা ইমানদিন নাভাবিলিয়ে যেতিয়া আৰু ভাবিব নালাগে।

ৰুক্মৰ কথাবোৰে বিচিত্ৰাক থকা-সৰকা কৰি কৰি পেলালে। হাউলি থকা বিচিত্ৰাই পকাতে বহি দিলে। মূৰত চক্ৰাকাৰে ঘূৰি থাকিল ৰুক্মৰ এটা এটা বাক্য। ঘূৰি থাকিল "মোৰ লগত শুবলৈকে ঘৰখন তই এৰি আহিলিনে?" ইমান নীচ হৈ পৰিলনে ৰুক্ম? এটা দিন তাইক নেদেখাকৈ থাকিব নোৱাৰো বুলি কৈ কৈ তাইৰ মনত আপদীয়া অনুকম্পা সানি দি মন মগজু তাৰপথেৰে আঁজুৰি লৈ যোৱা ৰুক্মই তাইক ইমান বেয়াকৈ ক'ব পাৰেনে? তাৰ লগত গুছি আহিবলৈ বিচিত্ৰাই নিজৰ বিবেকৰ সৈতে বাৰে বাৰে যুঁজিছিল। কণ আৰু ফুলক শুৱাপাটীতে এৰি আহিবলৈ তাই সাহসী হৈছিল। উফ্ সেইটো ৰুক্মই তাইক এতিয়া গুছি যাবলৈ কয়। ৰুক্মই যে কৈ গ'ল ফুলে সকলো সময়তে "দেউতা" বুলি চিঞৰি থাকে বুলি! তাইৰ সৈতে ফুলৰ সকলো সম্পৰ্ক শেষ নেকি? কিয় পাহৰিব ফুলে তাইক? তাই ফুলৰ "মা" হয়। নোৱাৰে ফুলে বিচিত্ৰা নামৰ মানুহজনীক পাহৰিব।

ফুলে তাইক পাহৰি নাযাব কিয়? পাষাণ মাতৃ তাই। এটা সম্বন্ধক হত্যা কৰি থৈ আহিছে তাই। দুটা মানুহৰ বুকুত চুৰী বহোৱাই থৈ আহিছে তাই। তাইৰ আজি হুমুনিয়াহ কঢ়াৰো অধিকাৰ নাই। তাই এতিয়া ৰুক্মৰ পত্নী। যদি ৰুক্মৰে পত্নী হয় ৰুক্মৰ স'তে তাই কিয় অসুখী? ৰুক্মৰ সন্তান ধাৰণ কৰিবলৈ কিয় মন নাযায় তাইৰ? ৰুক্মৰ স'তে সহবাস কৰাৰ সময়ছোৱাত এতিয়া উশাহ লোৱাত কিয় কষ্ট হয় তাইৰ?

ৰৈ ৰৈ কান্দে বিচিত্ৰাই। কলৈ যাব তাই? অচিনাকি ঠাইখনত বুকুৰ দুখ পাতলাবলৈ আপোন মানুহ এজনো নাই। তাইৰ যে ককায়েকটো, সি জানো আহিব নোৱাৰে তাৰ আপোন ভনীয়েকক বিচাৰি? অকণমান আঁঠুৰ ছাল এৰিলে ভনীয়েকক দাংকোলাকৈ লোৱা ককায়েকটোৱে বুজি পাবনে তাইৰ বুকুৰ যাতনাবোৰ? নে ককায়েকৰ মনতো তাই মৰিল?

বংশৰ কলংক তাই।

এবাৰো মাত নিদিয়াকৈ গুছি যোৱা ৰুক্মৰ ফালে বিচিত্ৰাই মূৰ নুতুলিলে। যাওক এয়াই যদি তাৰস'তে শেষ দেখাও হয় আৰু নতুনকৈ কোনোধৰণৰ দুখ পুঞ্জীভূত নহয় বুকুত। সিও যাওকগৈ তাইক এৰি। মন নাযায় পিয়াহ লাগি থকা স্বত্বেও উঠি পানী এগিলাচ খাবলৈ বিচিত্ৰাৰ। একোৱে লৈ অহা নাছিল বিচিত্ৰাই লগত সেইখন ঘৰৰ সম্পদ। বাকচত সামৰি থৈ আহিছিল কাপোৰবোৰ। তাই হেঁপাহ কৰা কণে আদৰ কৰি দিয়া সোণৰ কাণফুলযোৰো এৰি আহিছে বাকচৰ তলত। এদিন ফুলে সেই সম্পদবোৰ চুই চাব বুলিয়ে সকলো এৰি গৈছিল তাই। সকলো পাহৰি যোৱাৰ সম্ভাৱনাত নতুন এখন সংসাৰৰ পাতনি তৰি পাহৰিব নোৱাৰা অসুখত ৰুগীয়া হ'ল বিচিত্ৰা। তাই বাৰে বাৰে আওঁৰায় যাতনাৰ পৃষ্ঠা।

সন্দেহৰ চাৰিনিবোৰত সঘনে থকা সৰকা হয় বিচিত্ৰা আৰু ৰুক্ম। কোনো মানুহৰ লগত সম্পৰ্ক নথকা, ঘৰৰ মানুহ আহ যাহ নোহোৱা, দুয়োৰে মাজত সঘনে তৰ্কাতৰ্কিয়ে সন্দেহৰ বীজ অধিক বিয়পায়।

ঃ আমাৰ মন নাই আমি বিহুত ঘৰলৈ নাযাওঁ তাতে আপোনাৰ কি হ'ল?

ৰুক্মই একপ্ৰকাৰ ধমক দি উঠিল কাষৰ পৰিয়ালৰ মানুহজনীক। মালিক নথকা ভাড়াঘৰটোত নিজে নিজৰ মতে চলে।

পৰিয়ালবোৰৰ মাজত হাই কাজিয়াৰ ঘটনা গতানুগতিক। বিচিত্ৰাই বিশেষ কাৰোৰে লগত  সমিলমিল নকৰে বাবে ঘটনাবোৰৰ লগত লিপ্ত নহয়। এই যে ৰুক্মৰ ধমক দিয়া মানুহজনীয়ে ৰুক্মক পাৰিলে যেন বাটতে ভেটাহে দিব। গা ধুই উদং গাৰে আহিলে নিলাজৰ দৰে চাই থাকে তাই। তাইৰ গিৰিয়েকটোৱে বোলে বেলেগ ঠাইত ট্ৰাক চলায়। দুটা পুতেকৰ লগত তাই ভাড়াঘৰটোত থাকে। বিচিত্ৰা গা ধোৱা ঘৰত সোমাইছিল বোধকৰো। বাহিৰৰ তাঁৰডালত তিয়নি গামোচাখন মেলি ভিতৰ সোমাব খুজোতেই ভেটাভেটি হয় মহিলাজনীৰ লগত। ৰুক্মৰ শৰীৰত যেন খুন্দিয়াইহে যাব।

ঃ অসতী কৰবাৰ। নেদেখ নেকি বাটে ঘাটে মানুহ।

উফ্ ৰুক্মই যেন কোঁদোৰ বাহত হে জুই দিলে..

ঃ গুণ্ডাগিৰি কৰিবলৈ আহিছ হাঁ। মোৰ মতা ঘৰত নাথাকে কাৰণে মোক জোকাবলৈ আহিছ? তহঁত কোন ক'ৰ নাজানো বুলি ভাবিছ হাঁ? লোকৰ মাইকী পলুৱাই অনা হাৰামী মতা তই। অই জননী, আহ । চাচোন এই কুকুৰে মোক কেনেকৈ জোকাইছে। সি মোক অসতী বুলি কয়। মোৰ মতা মোৰ লগত নাথাকিব পাৰে সেইবুলি মই পৰৰ মতাত চকু দিয়া মাইকী বুলি ভাবিছ? আনৰ জোথা খোৱা তোৰদৰে বুলি ভাবিছ মোক?

ফাঁট দিয়া বসুমতী পাতালে লুকাওঁ...

ৰুক্মৰ  কাণ মূৰ গৰম হৈ উঠিল। ইমান লেতেৰা মনৰ মাইকী এইজনী! তাৰমানে বিচিত্ৰা আৰু তাৰমাজত হৈ থকা কাজিয়াৰ আঁত ধৰি তাই সকলো কথা জানি পেলাইছে। প্ৰথমবাৰৰ বাবে তাক কোনোবাই এনেকৈ কথা শুনালে মুখামুখিকৈ। বাঁহৰ জেওৰা খুটিটো লৈ যেন মানুহজনীৰ পিঠিখন সি কোবাই ফালিহে পেলাব। দাঁত কামূৰি ৰ'ল সি। আধা তিতা কাপোৰে দৌৰি আহিল বিচিত্ৰা। তাই কি হ'ল তৰ্কিবই পৰা নাই।

ঃ অই নটী, তোৰ গিৰীয়েৰে মই তাক ৰুমত ভৰাবলৈ লোৱা বুলি ভাবিছে অই। মোৰ মতা আছে নহয়। তহঁতৰ নিচিনা লাজ চৰম নোহোৱা নহয় আমি। তই পাখৰী নিজৰ মতা , ছোৱালী এৰি এই জহৰাটোলৈ আহিবলৈ বলিয়া হ'লি।

অশ্লীল সমাজ এখনৰ বাসিন্দা হৈ পৰিল নিমিষতে সিহঁত দুটা। মানুহজনীৰ মুখৰ লেকাম নোহোৱা ভাষাই বিচিত্ৰাক এফালৰপৰা দহি গ'ল। খঙত কঁপি থকা ৰুক্মক তাই টানি টানি যেনেতেন ভিতৰ পোৱালেগৈ। বাহিৰত একেই চিঞৰ । একেই অসভ্য মাত।

ঃ কি কথাতনো লাগিলাগৈ?

ঃ দেখা নাই কেনেকৈ বাটে -ঘাতে গা ঘেলাবলৈ ধৰে তাই। বুকুত চাদৰ লোৱা ভাঁজ দেখিছ নাই তাইৰ?

ঃ কিয় চোৱা?

ঃ কিয় চাম মই তাইক। খুন্দিয়াই গ'লেও সহিম নেকি?

বাহিৰত অশীল ভাষাৰ অনৰ্গল বৰষুণ। ৰুক্ম গুছি যোৱাৰ পিছতো বেৰখনৰ সিটোফালৰপৰা বিচিত্ৰাক আঁজুৰি ভাগৰা নাছিল গোটেই দিনটো। এনে পৰিস্থিতিৰ লগত মুখামুখি হোৱা নাই বিচিত্ৰা।

খিৰিকিখন মেলিলেই চকুত পৰা মতা মানুহ তিনিটাৰ চকুৰ চাৱনিকেইটা সহ্য নহয় বিচিত্ৰাৰ। ইয়াত কথাবোৰ অলপ বেলেগ ধৰণৰ। সহজেই অশীল কথাৰ মহলা হয় ইয়াত। পুৰণি হৈ যোৱাৰ লগে লগে মানুহবোৰৰ ভিতৰৰ ৰূপবোৰ লাহে লাহে বুজি উঠে বিচিত্ৰাই। ঠাইখিনিত থাকিব পৰা পৰিৱেশ এটা নোহোৱা হৈছিল ট্ৰাক ড্ৰাইভাৰটো যেতিয়াই ঘৰলৈ আহে। ম'দ, জুৱাৰৰ ঘাটিলৈ পৰিণত হয় এলেকা। কোনেও একো নকয়। নিজৰ খুচিত চলে সকলো। ৰিক্সাৱালাৰ ঘৈণীয়েকজনী বিচিত্ৰাতকৈ সৰু হ'ব। তাই বিচিত্ৰাক বৌদি বুলি মাতে। বিহাৰী পৰিয়াল।

ঃ বৌদি এই মানুহটোৰ বেলেগ জেগাত আৰু মাইকী, বাচ্চা আছে। এইটো ছেকেণ্ড মাইকী। কি ৰকম মানুহ অ বৌদি। এই মাইকীটোৰো বেলেগ মতা আছিল? ইমান নীচ মানুহ বৌদি। নিজৰ মানুহটো আৰু এটা বাচ্চাক এৰি আকৌ বেলেগ মতাৰ দুটা বাচ্চাৰ মাক হৈছে। এইচব মাইকীক দেখিলে থুৱাই দিব লাগে।

বিচিত্ৰাই থিয় হৈ থকাৰ শক্তি হেৰুৱাইছিল। বিহাৰী তিৰোতাজনীৰ মুখত সৰলতা। তাই বিচিত্ৰাক মন বেয়া নকৰিবলৈ কয়। তাই বুজা নাই বিচিত্ৰাক তাই কোৱা কথাখিনিয়ে কেনেকৈ চেপিলে? মূৰ তুলি কাৰোবাক কিবা এযাৰ ক'বপৰাকৈ জানো বিচিত্ৰাৰ শক্তি আছে? বাৰে বাৰে আহত হয় বিচিত্ৰা।

পাঁচটা বছৰে মানসিক অস্থিৰতাত ভূগি ভূগি শৰীৰৰ মঙহ তেনেই খহিল বিচিত্ৰাৰ। আটিল শৰীৰটোৰ পতনক লৈ তাইৰ মনত কোনোধৰণৰ আক্ষেপ নাহে। এটা কথাই তাইক শান্তিহে দিয়ে। ৰুক্মই তাইৰ শৰীৰটো লৈ এতিয়া বিশেষ টনা-আজোৰা কৰি নাথাকে। নতুনকৈ সলোৱা ভাড়াঘৰটো আগৰটোতকৈ কিছু ডাঙৰ। পাকঘৰ সুকীয়া। লগালগিকৈ দুৱাৰমুখবোৰ নাই। সেই ঘৰটো পিছলৈ নিষিদ্ধ এলেকাৰ দৰে লগা হৈছিল বিচিত্ৰাৰ।

মালিকৰ ঘৰৰ লগত বিচিত্ৰাৰ সু সম্পৰ্ক এটা গঢ়ি উঠিছে। ৰুক্ম কামলৈ যোৱাৰ পিছত বিচিত্ৰা মালিকৰ ঘৰ পায়গৈ। ঘৰখনৰ লাচনি পাচনি কৰি দিবলৈও বেয়া নাপায়। মণিপুৰী মানুহ ঘৰৰ মালিকনীৰ ভঙা অসমীয়া বিচিত্ৰাই ধুনীয়াকৈ বুজা হ'ল। প্ৰায় দহবছৰীয়া ছোৱালী এজনী তেওঁলোকৰ। লাভলি বুলি মাতে তাইক ঘৰত। পুৱা তাই স্কুললৈ যোৱাৰ সময়ত জোতা মোহাৰি দিয়াৰপৰা বেগ দাঙি গাড়ীত উঠাই দিয়ালৈকে সকলো কৰি দিয়ে তাই। এই কামটো কৰি সুখ পায় তাই। লাভলিৰ লগত ফুলৰ কল্পনাৰে বিচিত্ৰাই পাৰ কৰে তাইৰ স'তে আবেলি। মাহী বুলি কয় লাভলিয়ে তাইক। বিচিত্ৰায়ে শিকাইছে এই সম্বন্ধ। আপোনত্বৰ গোন্ধ এই সম্বন্ধত।

ফুলজনীও কিজানি দেউতাকৰ চাইকেলৰ আগধামত উঠি স্কুল যায়গৈ। স্কুলীয়া সাজযোৰ কিজানি তাই নিজে ধুই পখালি ল'বলৈ শিকিছে। স্কাৰ্টৰ চিঙি যোৱা পাতলি লৈয়ে স্কুললৈ যায়নে চিলাই লয় ভাবি থাকে বিচিত্ৰাই। লাভলি বৰ মৰমলগাজনী হৈ স্কুললৈ যায়। দুডাল বেণী প্ৰায়ে গুঁঠি দিয়ে বিচিত্ৰাই। ৰঙা ফিতাৰে মুখখন জিলিকি উঠে তাইৰ। ফুলকো দিলেহেঁতেন বিচিত্ৰাই। লাভলিয়ে আবেলি তাইৰ জ্যামিতি বাকচৰপৰা মৰ্টন এটা বিচিত্ৰাক দিয়াৰ দৰে ফুলেও দিলেহেঁতেন তলপেন্টৰ কোঁচনিৰপৰা আমলখি নাইবা শিলিখা এটা মাকৰ হাতত গুজি।

বহুযোজন বাট এতিয়া এৰি অহা বাটলৈ। লাভলিৰ বুকুৰ আগমঙহ দুটুকুৰা দাং খাইছে। হয়তো ফুলৰো। গাভৰু হ'লে সকলোবোৰ চম্ভালি ল'ব পাৰিবনে তাই? কণে উৰাদিহ পাবনে? তাইৰ যে ফুলৰ তুলনিলৈ একো এডোখৰ কাপোৰ বৈ থৈ অহা নহ'ল। সেইবছৰ কণে ডালে-পাতে ঠেঙুলি মেলি অহা চোমনিডৰাত মুগাৰ সঁচ দিয়াৰ কথা কৈছিল। খুৰাক খুৰীয়েকে বাৰু তাইক মৰম কৰেনে? বিচিত্ৰাক ৰুক্ময়ে খবৰ দিছিল সিহঁতৰ ল'ৰাটোৰ জন্মৰ কথা। নিজৰ মঙহ থাকোতে লোকৰ মঙহ টুকুৰা জানো সকলোৱে আপোন কৰি লয়? তাইৰ হিচাপত অহা বছৰ ফুল গাভৰু হ'ব। তাইৰ বাঢ়ি অহা শৰীৰটোলৈ কোনোবাই বাৰু বেয়া দৃষ্টি দিয়ে নেকি কণ নথকা অৱস্থাত? ফুলক যে একোৱে শিকাই থৈ অহা নহ'ল অ। এইবোৰ কাৰণতে বাৰে বাৰে বিচিত্ৰাই কণে এজনী চপোৱাৰ কথা ভাবিছিল। সেই খবৰটো ৰুক্মই আজিলৈ দিয়া নাই। বিচিত্ৰাৰ প্ৰতি ভালপোৱা আছিল বাবেই কণে আন এজনী চপোৱা নাই নেকি? হয়তো বিশ্বাসঘাটকতাৰ বাবেই নাৰীজাতিলৈ তাৰ ঘৃণা, হয়তো ফুলক সি অকলে আৰবি ৰখাৰ হাৰিয়াস।

বাৰে বাৰে প্ৰাৰ্থনা কৰে বিচিত্ৰাই "কুশলে থাক তহঁতি।"

ঃ আজি বহুদেৰি কৰিলা।

ঃ আজিৰপৰা দেৰিয়ে হ'ব। কাম বঢ়াই লৈছো। টকা আহিব বেছিকৈ।

ঃ ইমান ৰাতিকৈ আহিলে মোৰ ভয় নালাগিব জানো?

ঃ তোক ৰখি থাকিবলৈ গধূলিতে ঘৰ সোমাব নোৱৰো নহয়।

আজিকালি ৰুক্মই কথাবোৰ এনেকৈয়ে কয়। বিচিত্ৰাৰ গাত নালাগে। সেইদিনাৰপৰা ৰুক্ম দুপৰীয়াও বৰকৈ ঘৰলৈ নহা হ'ল। সুধিলেও কথাবোৰ টানকৈ কয় বাবে বিচিত্ৰায়ো বৰকৈ নুসুধে। এখন ঘৰৰ দুটা মানুহৰ মাজত অদৃশ্য প্ৰাচীৰ এখনে খুন্দিয়াবলৈ লয় ক্ৰমশঃ ....

বাৰে বাৰে পৰে আকৌ উঠে। পৰি ধৰি আপ্ৰাণ চেষ্টা বিচিত্ৰাৰ দৌৰিবলৈ। শুকান পথাৰখন এচাহ হালবোৱা। মূৰ দাঙি থকা দলিচপৰাবোৰত উজুটি খাই খাই পৰিছে বিচিত্ৰা। উফ্ কেনেকৈ পালেহি এই ঠাই তাই? অচিনাকি চৌপাশ। পথাৰখনৰ সিটোমূৰলৈকে চালে তাই। দমৰা গৰু এটাও নাই আনকি পথাৰখনত। আছে নেকি কৰবাত খাল, দোং? ইমান যে পিয়াহ লাগিছে বিচিত্ৰাৰ। ডিঙিটো শুকাই কৰ্কৰীয়া লাগিছে যেন। পানী এঢোক নাপালে যে তাইৰ উশাহ লোৱাত কষ্ট হৈছে। শুনিব নেকি পক্ষীয়ে তাইৰ মাত। দিবহি নেকি কণমানি ঠোঁটেৰে এফুট পানী?

ঃ পা...নী....পানী....

ঃ মাহী , মাহী। মা মাহীয়ে পানী খাব।

দৌৰি লাভলিয়ে বিচিত্ৰাৰ মুখত পানী অলপ ঢালি দিলে বটলটোৰ পৰা। বিচিত্ৰাই অবাক হৈ চায় চাৰিওফালে। তাই দেখোন অচিন ঠাই এখনত আছিলগৈ? ইয়ালৈ আকৌ কেনেকৈ আহিল? লাভলিহঁতে কেনেবাকৈ তাইক পাই গ'ল নেকি?

ঃ মাহী , তোমাৰ ইমান জ্বৰ । আমাক কিয় কোৱা নাছিলা? আবেলি তোমাক বিচাৰি আহিছিলো বাবেহে মই গম পালো। ইচ্ তুমি যে কেনেকৈ পকাতে পৰি আছিলা? জয় কাই, মা আৰু মই মিলিহে তোমাক বিছনাত শুৱাই দিছো।

এটা এটাকৈ মনত পৰিবলৈ ধৰিলে বিচিত্ৰাৰ সকলোবোৰ। যোৱাৰাতিৰেপৰা অসহ্য বিষ এটাই গা-মূৰ অৱশ কৰি আনিছিল তাইৰ। ভাতকেইটা আধাপেটিকৈ খাই শুই পৰিছিল বিচিত্ৰা। ৰুক্মৰ হেঁচুকণিত খৰধৰকৈ উঠি বিচিত্ৰাই পুৱাৰ কাম-কাজ কৰিলে। গাটো অৱশ লাগি থাকিলেও কৰি গৈছিল কামবোৰ। ৰুক্ম খাই বৈ ওলাই যোৱাৰ পিছতে কাপোৰ কানি ধুই আজৰি হ'ল তাই। কিছু সময়ৰ পিছতে সাংঘাতিকভাৱে বেয়া লাগিবলৈ লৈছিল তাইৰ শৰীৰ। মূৰটো যেন ফাটিহে যাব বিচিত্ৰাৰ। পাকঘৰৰ পৰা খুপি খুপি বেৰত ধৰি বিছনালৈ আহিবলৈ চেষ্টা কৰিছিল বিচিত্ৰাই। বিছনাখন খেপিয়াই হাত মেলিছিল তাই যেন চুব পাৰিলেই হয়। আগবাঢ়ি অহা বিচিত্ৰা হাউলি পৰিল। উঠিম উঠিম ভাবটো মনলৈ আহিল যদিও তাইৰ আৰু একো মনত নাই।

ঃ আমাৰ ঘৰত জ্বৰ মূৰৰ বিষৰ মেডিচিন আছে। মই লৈ আঁহোগৈ । ভাল পাবা খালে। জয়ক ৰুক্মক খবৰ দিবলৈ পঠিয়াইছো।

মাক গুছি যোৱাৰ পিছত লাভলিয়ে মাহীয়েকৰ মূৰটো পুনৰাই মোহাৰি দিলে। টুলটুলীয়া হয় বিচিত্ৰাৰ দুচকু। সাৱটি ল'বলৈ মন যায় বিচিত্ৰাৰ লাভলিক। লাভলিৰ মুখত অপত্য স্নেহ লৈ এইজনী যেন ফুল। তাইৰ জীৱনত সুবাস বিলোৱা এপাহ সুগন্ধিযুক্ত ফুল। যাৰ সুবাস তাই চকু মুদিলেই পায়। যেনিয়ে তেনিয়ে উপঙি থকা সেই সুবাস খেপিয়াই ফুৰে তাই।

ঃ ভাত এমুঠি খাই ঔষধ খাই দে। ভাল নাপালে কাইলৈ ডাক্তৰৰ ওচৰলৈ যাব লাগিব।

ঃ বতৰ সলনি হোৱাৰ সময়ৰ জ্বৰ। ভাল পাম ঔষধ খালে।

বিচিত্ৰাই সেইদিনা কামনা কৰিছিল ৰুক্মই তাইৰ শৰীৰটো পিটিকি মোহাৰি দিয়ক। মূৰত হাতখন থওক। পাকঘৰ সামৰি বিছনাত পৰিবলৈ তাই আহে মানে বেৰৰ কাষচাপি ৰুক্ম টোপনি গ'ল। বিছনাখনত দুয়োৰে মাজত আন এজন মানুহে শুব পৰা ঠাই ৰাখি বিচিত্ৰাও শুই পৰিল পিঠিয়াপিঠি কৰি।

সাপ্তাহিক বজাৰখনলৈ বিচিত্ৰাক লৈ যায় লাভলিৰ মাকে কেতিয়াবা। দুয়ো হাতে দুটা বেগ দাঙি মালিকনিৰ পিছে পিছে তাই ঘূৰি ফুৰে। মালিকনীজনী বৰ কোমল অন্তৰৰ। মৰমতে দিয়া পাচলিখিনিৰে দুটা মানুহৰ চাৰিসাঁজমান যায়। বিচিত্ৰাৰ মনটো অলপ হ'লেও মুকলি হয় বাবেই মালিকনীৰ লগত যায়। ৰুক্মক আজিলৈ কোৱাই হোৱা নাই তাই ওলাই যোৱাৰ কথা। মালিকনীৰ লগত ৰিক্সাৰপৰা নামিছিল মাত্ৰ বজাৰৰ সন্মুখত হঠাৎ চকু পৰিল ৰুক্ম আৰু মাইকী মানুহ এজনী ৰিক্সা এখনত সিহঁতৰ সন্মুখেৰে পাৰ হৈ গ'ল। নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰা হ'ল তাই। ৰুক্ম দেখোন এই সময়ত দোকানত। তাই ৰুক্মক চিনি নাপাব নেকি? পৃথিৱীত দুজন মানুহৰ চেহেৰাৰ ইমান মিল থাকিব জানো?

কথাবোৰ সুধিবলৈ চল চাই আছিল বিচিত্ৰাই। মুখত থকা চাহখিনি গিলিব লৈছিল চাগে ৰুক্মই মাত্ৰ। চৰ্চৰণি খাই গ'ল সি।

ঃ তোক কোনে ক'লেহি। মই ক'ত কাম কৰো নাজান নেকি?

ঃ জানো। নহয় বুলিয়ে ভাবিছিলো। নিজে দেখিহে সুধিলো। ইয়াত তোমাৰ বিশেষ চিনা জনা মাইকী মানুহ আছে বুলি নাজানো বাবে সুধিলো।

ঃ মই নহয়। তই আন কাৰোবাক দেখিলি। আৰু তই কলৈ গৈছিল ? মোক নোকোৱাকৈ তই ঘূৰি ফুৰিছ যে?

ঃ মই বাইদেউৰ লগত সাপ্তাহিক বজাৰলৈ কেইবাদিনো গৈছো। ভাল লাগে । অলপ মুকলি লাগে।

ঃ মই বোলো তোক পাচলিসোপা এনেই দিবনে? ভাড়াঘৰৰ মালিকনীহে তোৰ মাহীয়েৰে নহয়। লেদেনা উকটি ফুৰগৈ কিজানি মই যোৱাৰ পিছতেই। তই খাবলৈ পোৱা নাই নে পিন্ধিবলৈ পোৱা নাই? চাবি কিন্তু এইবাৰ। যদি আকৌ যাৱ মোতকৈ বেয়া কোনো নহ'ব।

ঃ তুমি কাজিয়াৰ সুৰলৈ কিয় নিছা কথাবোৰ। মই সুধিছো মাত্ৰ। মানুহজনীৰ লগত কিবা কাৰণত তুমি যাবও পাৰা। ডাঙৰ কথা নহয় । মোক ফাঁকি দিছা কিয়? মোক ভয় কৰিবলৈ তুমি জগৰ লগাইছা নেকি?

ঃ ভয়? তোক? নহয় বুলি কৈছো । তই পেঘেনিয়াই আছ। হ'লেই জানিবা তই কি কৰিবি? তোলৈ কি ভয় কৰিম মই?

ঃ মোলৈ তুমি ভয় কৰিব নালাগে। আমাৰ সংসাৰখনত দুটা মানুহ। গিৰীয়েক ঘৈণীয়েকৰ মাজত কথাৰ লুকঢাক থাকিব নালাগে।

ঃ গিৰীয়েক ঘৈণীয়েক? তই মই? কি প্ৰমাণ আছে তই মোৰ ঘৈণী। তই কি সুখ দিছ মোৰ ঘৈণী হৈ।এৰি থৈ অহা মতালৈ হুমুনিয়াহ কাঢ়ি বছৰ বছৰ পাৰ কৰিছ। উভতি যাবগৈ নোৱাৰ বাবে মোৰ গাত লম্ভি আছ। আছে তোৰ মৰিবলৈ সাহস? তই কোনখন আইনত মোৰ ঘৈণী। কোনখন সমাজে তোক মোক স্বীকৃতি দিলে? ইয়াত সতী সাবিত্ৰী হ'বলৈ আহিছ? মালিকনীয়ে গম পালে তোক থুৱাই দিব।

নিজৰ দোষ ঢাকিবলৈকে যেন ৰুক্মই তাইক কথাৰে থুকুচিচে। তাই একো বেয়া ভাৱ মনলৈ আনি প্ৰশ্ন কৰা নাছিল ৰুক্মক। তিলটোকে তালটো কৰি ৰুক্মই বিচিত্ৰাক হানি খুচি গ'ল এফালৰ পৰা। কি ক'লে ৰুক্মই? তাই ৰুক্মৰ ঘৈণী বুলি একো প্ৰমাণ নাই। সাতোটা বছৰে তাৰ ইচ্ছামতে বিচিত্ৰাক গিলি সি প্ৰমাণৰ কথা কৈ গ'ল। সিহঁতৰ মাজত সন্তান কেৱল বিচিত্ৰাই যে কামনা নকৰিছিল এনে নহয় ভগৱানেও কামনা কৰা নাছিল। ৰুক্মৰ ইচ্ছাক মানিবলৈ গৈও বিফল হৈছিল সিহঁত।

মালিকনীৰ লগত বাহিৰলৈ যোৱা নাইবা লাভলিৰ লগত সময় কটাবলৈ এৰি দিছিল বিচিত্ৰাই। খুব নিৰ্জু বুলি বিচিত্ৰাৰ কথা আলহীৰ আগত শলাগ লোৱা মালিকনীয়ে যদি গম পায় তাইৰ অক্ষমনীয় অপৰাধৰ কথা? যদি লাভলিয়ে গম পায় ফুলৰ কথা? নিমিষতে সলনি হ'ব সকলো । এৰি অহা নিষিদ্ধি গলিটোৰ যিয়ে যেনেকৈ পাৰে আনক ৰাউচি জুৰি কোৱা কথাবোৰ তাইৰ মনত পৰে। তাৰদৰেই যদি মালিকনীয়ে তাইৰ মুখতো থু পেলাই দিয়ে? ক্ৰমশঃ লেটা এটা হ'বলৈ ধৰে বিচিত্ৰা।

নুসুধিলে বিচিত্ৰাই ৰুক্মক কালি সি কিয় ঘৰলৈ নাহিল? সোধা নাই ৰুক্মই বিচিত্ৰাক বেগত মাজে মাজে আজিকালি সি কিয় পিন্ধা উপৰঞ্চি কাপোৰ লৈ যায়? দেখে তাই ৰুক্মৰ চকু দুটা উজ্জ্বলি থাকে ঘৰৰপৰা ওলোৱাৰ সময়ছোৱাত। উভতি অহাৰ পিছত অসম্ভৱ গহীন হৈ থাকে যাতে বিচিত্ৰাই কোনো কথাই সুধিবলৈ সাহস নকৰে।

চাৰিদিন ৰুক্ম ৰুমলৈ নহা কথাটোক লৈ তাই চিন্তা নকৰো বুলিও নকৰাকৈ থাকিব পৰা নাই। ৰুক্মই যদি পুনৰবাৰ ভুল কৰিবলৈ লৈছে? যদি সেইদিনা তাই দেখা মানুহজনীৰ গিৰিয়েকে ৰুক্মক.....উফ্ উশাহটো যেন বন্ধ হৈ যাব তাইৰ। ৰিক্সা এখন লৈ ৰুক্ম কামকৰা দোকানৰ সন্মুখত ৰয়গৈ বিচিত্ৰা। ব্যস্ত দোকানখনত কৰ্মৰত সকলো। ফে'’ৰিটো পিছফালে। তাই গাদীত বহি থকা মানুহজনক ৰুক্মৰ কথা সুধিলেগৈ।

ঃ আছে । অলপ আগতে আহিছে।

তাই মানুহজনক একো নুসুধিলে আৰু। নক'লে ৰুক্ম চাৰিদিনকৈ ঘৰলৈ নোযোৱাৰ কথা। কথাবোৰ বিচিত্ৰাৰ সন্মুখত ফটফটীয়া হৈছে। ৰুক্মই পুনৰ নাৰী মঙহৰ মোহত পৰিছে। উফ্ ৰুক্ম তই ইমান নিকৃষ্ট। এদিন জয়ে কৈছিল কেইবাদিনো সেই গলিটোত ৰুক্মক দেখা বুলি। ৰিক্সা লৈ পুনৰ ঘৰলৈ উভতিল তাই। জয়ে দেখিছে কেইবাদিনো সেই মহিলাজনীৰ লগত ৰুক্মক। তাই জয়ৰ কাষ পালেগৈ। তাইৰ অনুনয়ত বিচিত্ৰাৰ লগত জয় উঠি বহিল ৰিক্সাত।

তাঁৰত ৰুক্মৰ গেঞ্জি আৰু গামোচা এখন মেলি থোৱা আছে। সিহঁত দুটাক দেখি চোঁ মাৰি খেদি আহিল মহিলাজনী।

ঃ ৰুক্মক ইয়াত চাৰিদিনকৈ কিয় ৰাখিছ?

ঃ হাৰামী, নিজৰ মতাক ধৰি ৰাখিব নোৱাৰ। মোৰ ইয়াত বিচাৰিবলৈ আহিছ। তোৰ মতাই মোক বিচাৰি আহে। মোক বিচাৰি অহা মানুহক মই উভোতাই নপঠিয়াওঁ। যদি পাৰ ঘৰত ৰাখিবি।

হাত দুখন টনটনাই উঠিছে বিচিত্ৰাৰ। মগজুত গৰম তেজ এসোপা উতলিছে। চকু দুটাই সন্মুখত একো নেদেখা হৈছে তাই। পৰি থকা ফলাখৰিডালে মানুহজনীৰ পিঠিৰ সোঁমাজতে ভালকৈ দুকোবমান বহোৱালে উঠিব নোৱাৰাকৈ।

মুখেৰে আৰু কথা নকয় বিচিত্ৰাই। চাই আছে মানুহবোৰে জুমাজুমি কৰি। যেন নিত্য আখৰা সেয়া। কোনেও বিচিত্ৰাৰ হাতৰপৰা মানুহজনীক বচাবলৈ আগবাঢ়ি অহা নাই।

ঃ মৰি থাকিব এইজনী এনেকৈ মাৰি থাকিলে। ব'লা আমি যাওঁগৈ। পুলিচত কোনোবাই খবৰ দিলে বৰ বেয়া কথা

হ'ব।

চোঁচোৰাই জয়ে কোনোমতে বিচিত্ৰাক ৰিক্সা এখনত তুলিলেহি....

" মতা এৰি থৈ অহা। পেটৰ পোৱালি এৰি থৈ অহা...বেশ্যা...."

শব্দবোৰ বহু দূৰলৈ তাইৰ কাণত উফৰি উফৰি পৰিলহি। ভিতৰ সোমাই হাওহাওকৈ কান্দিবলৈ ধৰিলে বিচিত্ৰাই।

এইটো ৰুক্মৰ চকুত তাই ভালপোৱা দেখিছিল? এইটো ৰুক্মক পাবলৈ কণ আৰু ফুলৰ স'তে তাই সম্পৰ্ক চিঙিছিল? তই নিষ্ঠুৰ ৰুক্ম। তই মোৰ লগত কিয় এনেকুৱা কৰিলি? কিয়?

বিচিত্ৰাক ঠেলামাৰি দিলে ৰুক্মই।

ঃ হাৰামী তই গুণ্ডাগিৰি কৰিবলৈ আহিছ ইয়াত? মই ক'ত থাকো মোৰ কথা। তোৰ কি দৰকাৰ মোক অলিয়ে গলিয়ে বিচাৰি ফুৰিবলৈ?

ঃ তোৰ ওপৰত মোৰ অধিকাৰ আছে। (তইলৈ নামিছিল সম্বোধন)

ঃ অধিকাৰ? কিহৰ? তোৰ প্ৰতি মোৰ কোনোধৰণৰ অনুকম্পা নোহোৱা হৈ আহিছে। এসাঁজ খুৱাই যে আছো তাতে শান্তিত থাক।

পকী খুটাটোত নিজৰ মূৰটো মাৰি দিলে বিচিত্ৰাই।

ঃ তোক মই উপাৰ্জন কৰি দিব লাগে নেকি হাঁ? মোৰ জীৱনটো শেষ কৰিলি। মোৰ মঙহ চেলেকি হেঁপাহ নপলাল তোৰ? কাৰ মাইকীক চেলেকিবলৈ গৈছ এইবাৰ?

ঃ যাম। যিমানে তই বাধা দিয় সিমানেই যাম। শুম মোৰ যাৰে লগত মন যায় তাইৰে লগত শুম। তোৰ দৰে হাৰামী মাইকীবোৰ আঙুলিৰে নচুৱাম।

ৰুক্ম হয়নে এয়া?

ঃ মই তোৰ জীৱন ধ্বংস কৰিলোনে তই মোৰ জীৱন ধ্বংস কৰিলি? শেষ হৈ গ'লো মই। যা, যা। গুছি যা। মোক পচি মৰিবলৈ দে। মোৰ মাইকী মঙহৰ ভোক লাগিছে। খাই খাই মোক বমি কৰিবলৈ দে.......

মাটিতে কাপোৰ এখন পাৰি শুই পৰিছিল বিচিত্ৰা। গোটেই ৰাতি দুচকুৰ পতা খোলা। তাইৰ খং,ক্ষোভ,ঘৃণা সকলোবোৰ থুপ খাইছেহি ৰুক্মৰ মুখত। তাৰ তাচ্ছিল্যভৰা কথাবোৰে বিচিত্ৰাক থকা-সৰকা কৰাৰ পিছতো তাই গুছি যাবগৈ পৰা নাই সেই মুহূৰ্ত্তত। তাই যাব কলৈ? ৰুক্মই তাৰ কাষত থকাৰ একোৱে অধিকাৰ নাই বুলি কোৱাৰ পিছতো তাৰ ভৰি পথানিত তাই পৰি আছে। তাই মৰিবলৈ সাহসী নহয় বুলি কোৱাৰ পিছতো তাই দৌৰি ৰেল লাইনৰ আগত পৰি দিবগৈ পৰা নাই। সকলো শেষ হৈ গৈছে। সকলো। যি বা অৱশিষ্ট আছিল সিয়ো। তথাপি তাই উশাহ লৈ আছে। মৰিছে ভিতৰি তাই কোন কাহানিবাই। জীৱন্ত ফঁচিল হৈ আছে মাথোন। আজি সেই শুকান হাড়কেইডালো ৰুক্মই ৰেপিছে। কণে মাৰি পেলালেও পেলাওক এবাৰ ঘৰখনত ভৰি থবগৈ নেকি নভৰা নহয় তাই। ককায়েকটোৰ ভৰিতে পৰিবগৈ নেকি নভৰা নহয়। বহুবাৰ ভাবি যাবগৈ নোৱাৰিলে তাই। গাওঁখনত তাই পাপৰ বোজা। তাই গাঁৱত যাৰ ঘৰত প্ৰৱেশ কৰিব সেই ঘৰেই এঘৰীয়া হ'ব। তাইৰ হাতে কেচা পানীও নাখায় মানুহে। উফ্ ডিঙিটো শুকাই আহে তাইৰ। এই সকলোবোৰৰ সন্মুখীন হৈয়ো তাই এবাৰ ফুলক চাবলৈ গ'লহেঁতেন। মৰিলেও অন্তত শান্তিত মৰিব পাৰিলেহেঁতেন। যেতিয়া ৰুক্ম টোপনি যোৱাৰ পিছত এই কথাবোৰ আহে শেষত তাৰ মুখখনলৈ চাই পুনৰাই দিনবোৰত অভ্যস্ত হ'বলৈ সাজু হৈছিল তাই। ৰুক্মক যদি তাই এৰি যায়গৈ তাৰ কি হ'ব? আজি সকলো পৰিষ্কাৰ। ৰুক্মক তাই এৰি গুছি গ'লে তাৰ একো নহয়। সৰল সমিধান। ৰুক্মৰ জীৱনে মোৰ সলাইছে। ৰুক্মই পুনৰ হাঁহিবলৈ শিকিছে। নিজৰ ইচ্ছাত জীৱনক সজাবলৈ সি সাজু হৈছে। ফঁহিয়াই দেখুৱাইছে ৰুক্মই তাইক বিচিত্ৰা তাৰ কোনো নহয়।

সিদ্ধান্ত লৈ পেলাইছে বিচিত্ৰাই। তাই গুছি যাবগৈ। কলৈ যাব নাজানে। ৰুক্ম থকা ঠাইখিনিৰপৰা তাই গুছি যাবগৈ। কণ আৰু ফুলে কিজানি তাই নোহোৱাকৈয়ে সুখী। সিহঁতক আৰু তাই আমনি নকৰেগৈ। এটাই আশা কোনোবাদিনা ফুলক তাই দেখিবলৈ পাব। তাৰপিছত একোৱে আশা নাই তাইৰ।

তাইৰ বুকুখন সাংঘাতিকভাৱে অশান্ত অথচ পুৰাটো শান্ত হৈ থিয় হ'লহি। আগদিনা যেন একোৱে ঘটা নাই তেনেভাৱতে ৰুক্মই মাত দিলে বিচিত্ৰাক। কৰবাত তাৰ বুকুখন বিষাইছিল যদিও বিচিত্ৰাই নাজানে বাহিৰলৈ ওলাই যাব খোজা বিচিত্ৰাৰ হাত

এখন ধৰি কাষ চপাই আনিছিল তাইক..

ঃ মোৰ ভুল হৈছে। মই এনে নকৰো আৰু। দিনটো কাম কৰি ভাগৰি পৰো। গাৰ বিষ মাৰিবলৈকে মদ খাওঁ। কেতিয়াবা বেছি হৈ যায়। উঠিব নোৱাৰো। সেয়ে থাকি যাওঁ। তই খং কৰি নাথাকিবি। বেছিকৈ দুখ পালি নেকি কালি? মই তোৰ গাত হাত উঠাই ভুল কৰিছো।

কন্দা নাই বিচিত্ৰাই। ৰুক্মৰ কথাত ভোল যোৱা নাই। ৰুক্মৰ এয়া অনুশোচনা নে নতুন বুদ্ধিৰ ফন্দি সেয়াই তাই জানিবলৈ চেষ্টা কৰা নাই।

ঃ আজি নাযাওঁ কামলৈ। আজি দিনটো আমি কথা পাতিম। ভুলবোৰ আঁতৰাম। দুয়ো দুপৰীয়া একেলগে ভাত খাম।

মদৰ নিচাত নাথাকিলে দিনৰ পোহৰত মানুহ ইমান সলনি হ'ব পাৰেনে?

ঃ দুয়ো দুখন ঘৰ এৰি ইয়াত ঘৰ পাতিলোহি। তোক কিয় গুছি যাবলৈ দিম মই? তই জান তোক পলুৱাই আনিবলৈ কিমান হেঁপাহ কৰি আছিলো মই। মোৰো বেয়া লাগে তই নিজৰ কথাবোৰেই কৈ থাকিলে। মোৰো মন যায় তই কেৱল মোৰ হৈ থাক। মোৰ সন্তান ধাৰণ কৰ। সদায় ভাবো কাজিয়া নকৰো। মদটোপা খালেই খেলিমেলি হৈ যায় সকলো। তই ঠিকেই দেখিছিলি সেইদিনা। তাইৰ ওচৰলৈকে যাওঁ মই। মদ খাওঁ ডিঙিৰ গুৰিলৈকে। পৰি থাকো তাইৰ ভৰিত। তাই মোক মৰম দিয়ে। তাত সংসাৰৰ বোজা নাইবা চিন্তা একো নাথাকে।

ৰুক্মৰ সৰল স্বীকাৰোক্তি। থিয় দি আছে বিচিত্ৰা। কিমান বিশ্বাস আছে ৰুক্মৰ কথাত? তাইৰ সন্মুখত ইমান সহজেই স্বীকাৰ কৰিলেনে সি নিজৰ ভুল? দিনে দিনে বিচিত্ৰাৰ হাড় চোবাই অৰ্দ্ধমৃত কৰি ৰুক্মই বুজি পাইছে নেকি নিজৰ ভুল? বহুদিন চোৱা নাই ৰুক্মৰ মুখলৈ তাই পোনপটীয়াকৈ। বিছনাখনতে বহি থিয় দি থকা বিচিত্ৰাৰ কঁকালটোত দুহাতেৰে মেৰিয়াই মূৰটো বিচিত্ৰাৰ বুকুত থৈ ৰুক্মই কৈ গৈছে কথাবোৰ। বিচিত্ৰাই জোৰ কৰিও যেন ওলাই আহিব পৰা নাই। ঢুক্ কৈ বুকুত চুইছেগৈ ৰুক্মৰ প্ৰতিটো কথাই। গলিবলৈ ধৰিছে তাই। খং,ঘৃণাবোৰ আঁতৰিছে নেকি? ৰুক্মই বাৰে বাৰে অত্যাচাৰ কৰি যোৱাৰ পিছতো সামান্য সলনিতে তায়ো সলনি হ'বলৈ লৈছে নেকি?

হয়, আছে ভুল বিচিত্ৰাৰো। কিন্তু ৰুক্মই কৰা ভুল তাই কৰা নাই। ৰুক্মই বাৰে বাৰে কথাৰে শেল বহোৱায় তাইৰ বুকুত। সেই কথাৰ উমান নোলোৱাৰ বাবেই ৰুক্মলৈ তাই খং আৰু অভিমান সামৰে।

তাই নাৰী। সময়ত শিলতকৈ কঠোৰ আৰু ফুলতকৈ কোমল হৈ পৰা নাৰীৰ সহজাত গুণ। তাই দেখোন লেওসেও হ'বলৈ ধৰিছে। ৰুক্মই বিৰবিৰাইছে। উচুপিছে। জঠৰ হৈ থিয় দি থকা বিচিত্ৰাই দুয়োহাতে ৰুক্মৰ মূৰটো নিজৰ বুকুত হেঁচা মাৰি ধৰিলে।

ৰুক্মৰ লগত প্ৰথম বাহিৰলৈ গৈছে বিচিত্ৰা এনেকৈ। সেন্দূৰৰ দীঘল ৰেখা, গলধনত পেলাই লোৱা খোপা, কমলাৰঙী ব্লাউজ আৰু একে ৰঙৰ পাৰীৰ কপাহী কাপোৰযোৰ ৰুক্মই সিহঁত দুটাই একেলগে থাকিবলৈ লোৱাৰ প্ৰথমদিনা আনি দিছিল। ভাঁজে ভাঁজেই আছে কাপোৰযোৰ। কেইবাসাজো কাপোৰ আছে তেনেকৈ পৰি। বিয়াই সবাই গ'লেহে সাজে সাজে কাপোৰ লাগে। ইয়াতনো তাই যায় কলৈ? ৰুক্মই আজি জোৰকৰি তাইক লৈ আহিছে। ৰুক্মই মাজে সময়ে পঞ্চাশ,এশ টকা দিছিল তাইক। নুৰা এটা হৈছে। তাৰে অলপ ৰুমাল এখনৰ আগটোত বান্ধি ল'লে। ৰিক্সা এখনত উঠি দুয়ো মূল চহৰৰ বজাৰত উঠিলগৈ। দুই এটা বজাৰ ৰুক্মৰ ইচ্ছাত পছন্দ কৰি পেলালে বিচিত্ৰাই। ৰুক্মই দৰদাম কৰি থাকোতেই সংলগ্ন মণিহাৰী দোকানখনৰপৰা বিচিত্ৰাই খাৰু,মণি,চুলিত লগোৱা ৰবৰ দুডালমান কিনি পেলালে লাভলিলৈ। মাখিলৈ বৰ ঘিন বিচিত্ৰাৰ। মুকলি হোটেলখনত মিঠাই থোৱা পাত্ৰবোৰ মুকলি। তথাপি মানুহে খাই আছে। বাচনৰ একেখিনি পানীতে ধুই মোহাৰি মানুহৰ সন্মুখতে সেই থালত পৰঠা,ঘুগুনি দি আছে তালৈ কোনো চাওঁতা নাই। এৰা, ভোক সাংঘাতিক বেয়া অনুভৱ। ভোক নুগুচালৈকে আন কথা চিন্তা কৰিবলৈ নিদিয়ে পেটটোৱে। ৰাতিপুৱা নোখোৱা নোবোৱাকৈয়ে ওলাইছে দুয়ো। দুয়োৰে পেটদুটাই যেন হোটেলখনৰ সন্মুখ পাই কলমলাবলৈ ধৰিলে। বেয়া নালাগিল বিচিত্ৰাৰ। সদায় নিজে যি মন যায় ৰান্ধি খোৱা বিচিত্ৰা আৰু ৰুক্মই বিলাহীৰে সৈতে ৰন্ধা ভাঙোন মাছ, ডালি,পটল আৰু আলুৰ তৰকাৰী,ভজা পাপৰ আৰু চাটনিৰে পৰম তৃপ্তিৰে ভাত খালে। গাঁৱৰ বিয়াই সবাহে যে ভজা চফ খুজি খুজি খাইছিল বিচিত্ৰাই। মুখলৈ আহি থকা ধুনীয়া গোন্ধটো বৰ ভাল পায় তাই। ৰুক্মই ভাতৰ পইচা দি থাকোতে তাই প্লেটখনৰপৰা তিনিবাৰমান চফ সোঁহাতেৰে তুলি বাওঁহাতলৈ আনিলে। হলং হলংকৈ

খোজ কঢ়া ৰুক্মই বিচিত্ৰাৰ লগত ধীৰে খোজ কাঢ়িছে। বিচিত্ৰাৰ সংকোচবোধ কিন্তু আঁতৰা নাই এতিয়াও। ৰুক্মৰ কাযে কাযে খোজ কাঢ়ি তাই যেন ন কইনাজনীহে। কণৰ লগতো সেই দিনবোৰত এনেকৈয়ে বজাৰলৈ গৈছিল বিচিত্ৰা। এবাৰ চেন্দেলৰ ফিতা চিঙি পৰোতে কণে তাইক সেইঠাইতে থৈ দৌৰাদৌৰিকৈ নতুন চেন্দেল এযোৰ আনি দিছিল ।নতুন চেন্দেলযোৰ পিন্ধি কণৰ স'তে খোজ মিলাওঁতে চেন্দেলৰ ফিতাৰে ভৰি তেনেই কাটি পেলাইছিল। মূল ৰাস্তাত গাড়ীৰপৰা নামি পথৰুৱা ৰাস্তাৰে লেংকেচিয়াই লেংকেচিয়াই ঘৰলৈ পোনাইছিল দুয়ো। ফুলৰ তেতিয়া জন্ম হোৱাই নাই। তাইৰ হায়ে বিয়েত কণে পিঠিতে উঠি ল বুলি ধেমালিতে হালি দিওঁতে সঁচা বুলি উঠি দিছিল তাই। কোনোবাই দেখিলে নেকি বুলি কণে ফুলক আঁতৰাই ঘপকৈ উঠি দিওঁতে বাগৰি পৰা বিচিত্ৰাই কান্দি দিছিল পথাৰতে।

ঃ ব'ল আৰু কেইখোজমানহে। পামগৈ ঘৰ।

কণৰ লগত মাতবোল নকৰাকৈ ঘৰ পাইছিলগৈ তাই। পিছে ঘৰ সোমায়ে কণে আথে বেথে তাইৰ ভৰি দুখন তুলি ধৰিছিল।

নাভাৱো বুলিও কথাবোৰে বিচিত্ৰাক জোকাৰি থাকিলহি। য'তে ত'তে জলকা লগা স্বভাৱটোৱে তাইক নেৰিবই। ৰুক্মৰ লগত খোজ মিলাবলৈ কেইখোজমান বেগাই দিলে বিচিত্ৰাই।

বাঁহৰ গাজকেইটা পলঙা পলঙ। গাইপ্ৰতি সাত টকা। খহুৱা বেঙেনাকেইটাও বৰ সতেজ। কলমৌ আগকেইটালৈ লোভ লাগিল বিচিত্ৰাৰ। ৰুক্মক কৈ কিনি পেলালে তাই। গাঁৱত হোৱাহ'লে ইমানদিনে কলহত থৈ টেঙা কৰিলেহেঁতেন তাই বাঁহৰ গাজ।

গুণগুণাইছে ৰুক্মই। গাঁৱত বিহুজাকৰ সুৰ টানোতা ৰুক্মৰ মাতটোত আদৰ আছে। তাৰ মনটো ফৰকাল বহুদিনৰ অন্তত। বাহিৰতে ইফাল সিফাল কৰি থকা লাভলিক সেই সুবিধাতে বিচিত্ৰাই বজাৰত তাইলৈ বুলি কিনা বস্তুকেইটা দি আহিলগৈ। ধনী মানুহৰ জী। পিন্ধক বা নিপিন্ধক তাইৰ মনটো প্ৰশান্তিৰে ভৰি আহিল।

পেকেটটো খুলিয়ে চিঞৰি উঠিল লাভলিয়ে...

ঃ মাহী, ইমান ধুনীয়া । মায়ে যে এইবোৰ বিচাৰিয়ে নাপায়। ৰ'বা মই মাক দেখুৱাওঁগৈ। দৌৰি ভিতৰ সোমোৱা লাভলিলৈ মৰমসনা চাৱনিৰে চাই ৰয় বিচিত্ৰাই।

নিজৰ ভাগৰপৰা কণীৰ টুকুৰা এটা ৰুক্মই বিচিত্ৰাৰ মুখলৈ আগবঢ়াই দিলে। চলচলীয়া হৈ উঠিল বিচিত্ৰাৰ দুচকু। টোপনি গৈছিল সেইদিনা বহুদিনৰ পিছত। ৰুক্মৰ আলিংগনত সঁহাৰি দিছিল তাই।

ভঙা চিঙা সামগ্ৰীৰ ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিছিল ৰুক্মই। পুৰণি বাতৰি কাগজ,প্লাষ্টিক,লোহা সামগ্ৰীবোৰ মালিকৰ অনুমতি লৈ এবেলা সিহঁতৰ ৰূমৰ সন্মুখত থৈ পিছবেলা ঠেলা এখনত উঠাই মূল ঘাটিত দি আহেগৈ ৰুক্মই। দগা পাল্লাযোৰেৰে ৰুক্মই বস্তুবোৰ জুখি মাটিত থয়। বিচিত্ৰাই ৰুক্মই অকলে কৰি থাকিলে বস্তুবোৰ পাচিবোৰত ভৰাই দিয়ে। দবিয়াই উঠে ৰুক্মই....

ঃ থ, থ। হাত লেতেৰা কৰিব নালাগে।

তেতিয়া বিচিত্ৰাৰ সন্মুখত কণ থিয় হৈ থাকে।

পুৰাৰেপৰা ভয়ে আগুৰি ধৰিছিল বিচিত্ৰাক সেইদিনা। পানীঘাটে,পথাৰে ঘূৰি ফুৰা মাক সোনকালেই তাইৰ কাষ চাপক সেই কামনা কৰি ভঁৰালঘৰৰ তলতে মাকৰ তাঁতৰশালৰ কাষতে বস্তা এখনত বহি মাকৰ মহুৰাৰ সূতা একোবাৰ টানি উলিয়ায় একোবাৰ মেৰিয়ায়। ককায়েকে স্কুললৈ যাবলৈ চিঞৰিছে যদিও সঁহাৰি দিয়া নাই বিচিত্ৰাই। যাওকগৈ ককায়েক। তাই নাযায়। তাইৰ মাত নাপাই গুছি যায় ককায়েক। গা ধুই তিয়নিখন দাংডালত মেলিব খুজোতেই বাপেকৰ চকুত পৰে বিচিত্ৰা।

ঃ তাত কি কৰিছ অ তই? স্কুলৰ সময় হ'ল দেখিছ নাই। ককায়েৰে স্কুল পালেগৈ। যা যা স্কুললৈ যা।

মাকো পাইছিলহি সেইখিনি। মাকক দেখাৰ লগে লগে বুকুলৈ উজাই অহা কান্দোন ৰখাব নোৱাৰি বিচিত্ৰাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

অহ্ এইজনীৰ কি হ'ল ? দৌৰি কাষ চাপিল মাক। বিচিত্ৰা থিয় হৈ দিওঁতে মাকে দেখিলে বগা বস্তাখনত জিলিকি উঠিছে ৰঙচুৱা ডাকবোৰ। এসোঁতা কান্দি পেলালে মাকেও।

ঃ তহঁত মাৰ-জীয়েৰ দুজনীৰ কি হ'ল অ?

উধাতু খাই দৌৰি আহিল দেউতাক।

ঃ পোনাৰ বাপেক অ এইজনী শান্তি হ'ল। চুবুৰীৰ মাইকী মানুহখিনিক ৰিঙিয়াই মাতিলে মাকে। নখ চিকুটি চিকুটি থিয় হৈ থাকিল বিচিত্ৰা। মাটিতে খেৰ পাৰি তাইক দিয়া বিছনাখনলৈ চাই বেয়া লাগি আকৌ এসোঁতা কান্দিলে তাই। মাকৰ নতুন মেখেলাখন ফ্ৰকটোৰ ওপৰতে পিন্ধিবলৈ দিলে তাইক। গাত দুকঠীয়া কাপোৰখন। হাতত চুৰী কটাৰী এখন লৈ সেই চুকটোত চাৰিদিনে সোমাই থাকিল বিচিত্ৰা। বুট, মগু, ফলহাৰ খাই আমনি পোৱা বিচিত্ৰাক বাপেকে দুমাইল চাইকেল মাৰি বন বিস্কুট আনি দিছিলহি। গাখীৰতে ডুবিয়াই খাইহে তত পাইছিল তাই। দিনটো থেনথেনাই থাকিছিল তাই। মাকে নতুনকৈ বৈ থোৱা পাটৰ কাপোৰ পিন্ধি অকমানি কইনা হৈ পিছে তাই ভালেই পাইছিল। তাইলৈ বুলি পেহী মাহীহঁতে অনা বিবিধ বস্তু চাই জপিয়াই দিছিল তাই। মাকৰ কঠোৰ নিৰ্দেশ "পোনা, তই ভনীয়েৰক সকলো সময়তে চকু দিবি।" নদীঘাটত বেলাই বেলাই সাঁতোৰা বন্ধ হ'ল তাইৰ। বন্ধ হ'ল আঁহতৰ তলত গোটেই আবেলিটো চেংগুটি খেলি থকা, বাপেকৰ চাইকেলখন টিকা কচালি কচালি পেদেল ঘূৰাই ৰাস্তাই ৰাস্তাই ঘূৰি ফুৰাটো বন্ধ হ'ল বিচিত্ৰাৰ। লাহে লাহে গহীন হ'বলৈ ধৰা মাক বিশ্বস্ত সংগী তাইৰ। গাঁৱৰ বিয়াই সবাহে মাকৰ লগত লাহে লাহে চাদৰ মেখেলা পিন্ধি যাবলৈ শিকে বিচিত্ৰাই। কোনোবা পিলিঙাই বিচিত্ৰাৰ ফালে চকু দিলে মাকৰ কাষ চাপি আস্বস্ত হৈছিল তাই।

এই যে ৰুক্মই খবৰবোৰ দিলেহি তাৰপিছৰেপৰা পুনৰাই বাঢ়িছে বুকুত বিষ। ফুলজনী গাভৰু হ'ল। তাইক নোৱালে ধোৱালে। মাকজনী থাকোতে তাইক গাঁৱৰ মাইকী মানুহবোৰে ৰীতি নীতিবোৰ কৰিলে। সকলোবোৰ কণে চম্ভালি ল'ব পাৰিলেনে? ফুলে বাৰু ভয়তে ফেঁকুৰিছিল নেকি? সেই সময়ত মাকৰ কাষত নিজৰ নিৰাপত্তা বিছাৰিছিলনে ফুলে? কণ উভতি নহালৈকে ফুলে তেনেকৈয়ে কৰবাত জুপুকা লাগি আছিল নেকি?

উচুপি উঠে বিচিত্ৰা। এই সময়খিনিত তাইৰ প্ৰয়োজন আছিল ফুলৰ। চকুৰ আগতেই পাৰ হৈ গ'ল বছৰ বছৰ। অথচ ক্ষণিকলৈও পাহৰিব পৰা নাই বিচিত্ৰাই এৰি থৈ অহা ছবি। এই ছবি কোনোদিনে অতীত নোহোৱা ছবি, এই গীতৰ সুৰ কোনোকালে হেৰাই নোযোৱা সুৰ।

"ফুল, তোৰ মা, তোৰ মায়ে তোক বৰকৈ অকলশৰীয়া কৰি থৈ আহিলে। তোৰ অকণি দুহাতেৰে লাহে লাহে সকলো কৰিবলৈ শিকিবি। ৰাস্তাই-পদূলিয়ে বৰকৈ দেওদি নুফুৰিবি। দেউতা অহা দেৰি হ'লে খুৰীয়েৰৰ কাষতে থাকিবিগৈ। ভালকৈ পঢ়িবি। বলে নোৱাৰা কামবোৰ নকৰিবি। ছাগলী পোৱালিবোৰৰ লগত বৰকৈ লাগি নাথাকিবি। হাঁহৰ গঁড়ালত চাই চিতিহে হাত সুমুৱাবি। দেউতাৰে ভাত নাখালে জোৰ কৰি খুৱাবি। তয়ো নুখুৱাকৈ নাথাকিবি। "

বিৰবিৰাই থকোতে উচুপনি বাঢ়ে বিচিত্ৰাৰ।

অন্যমনস্কতাত বিচিত্ৰাৰ পাচলি কাটি থাকোতে বাওঁহাতখনৰ তৰ্জনী আঙুলিটো ভালকৈয়ে কাটিলে। সেই অজুহাততে বিচিত্ৰাই হেঁপাহ পলুৱাই কান্দিলে।

ঃ আঙুলিটো কাটোতেই ইমান কান্দিব লাগেনে?

দৌৰাদৌৰিকৈ নাৰ্জি পাত অলপ হাতেৰে মোহাৰি কটা ঠাইডোখৰত ফটাকানি এখনেৰে বান্ধি দিলে ৰুক্মই।

ঃ ৰহ্ , লৰচৰ কৰি নাথাকিবি। ভাল পাবি।

সন্দেহ কৰিবলগীয়া আৰু থল নাছিল। ব্যৱসায়ৰ কামত ওলাই যোৱা ৰুক্ম কেতিয়াবা দিনটো ঘৰলৈ নাহিলেও বিচিত্ৰাই আৰু বিশেষ ভাবি নাথাকে। সিহঁতৰ কাষৰ কোঠালৈ অসমীয়া পৰিয়াল এটা নতুনকৈ আহিছে। বিচিত্ৰাই সুবিধা পালে চিনাকি হোৱাৰ কথা ভাবে। পাঁচবছৰীয়ামানৰ কণমানি এটাৰ লগত দিনটো ব্যস্ত হৈ থকা মাকজনীৰ প্ৰায়ে কাষ চাপে বিচিত্ৰা। তাইক দেখি দেখি চিনি পোৱা ল'ৰাটোৱে বিচিত্ৰাক বৰমা বুলি মাতিবলৈ লৈছে। আস্ ইয়াতকৈনো কি পিন্ধিব তাই আপোন সূতাৰে বোৱা চোলা। তাই এই মাতবোৰতে সুখী হ'ব লাগিব। একোলা ল'বলৈ যত্ন কৰে তাই তাক। চুনু বুলিয়ে ক'বলৈ লয় বিচিত্ৰাই তাক। লাহে লাহে সহজ হ'বলৈ ধৰে দুটা পৰিয়ালৰ মাইকী মানুহ দুজনী।

অকণমানি ষ্টীলৰ বাটি এটা লৈ ঢপলিয়াই আহে চুনু...

"বৰমা , মোক ইয়াত কিবা দিয়ানা"

কি দিব বিচিত্ৰাই? কেতিয়াবা বিস্কুট, ৰুটী এখন,চানা অকণ বাটিটোত তুলি দিয়ে তাই। চিকুটি চিকুটি খাব সি বিচিত্ৰাৰ কাষতে। শিশুবোৰ এনেকুৱাই। ঘৰত উভৈনদী হৈ থাকিলেও আনৰ পাতৰটোহে সোৱাদ। আথেবেথে দাঙি চুনুক বিছনাতে বহোৱাই দিয়ে বিচিত্ৰাই।

ঃ বৰমা, বেলেগ বৰমাৰ মোৰ লগত খেলিবলৈ দাদা থাকে । বা থাকে। তোমালোকৰ নাই কিয় ?

পাঁচবছৰীয়া চুনুৰ কথাই পুনৰ এপাত শেল বহোৱায় বুকুত। বোবা হৈ ৰয় তাই।

ঃ কোৱানা বৰমা। কোৱানা।

কি দোষ চুনুৰ? সিটো নিস্পাপ শিশু। সিটো নাজানে তাইৰ ইতিহাস। জানিলেও জানো বুজিব পৰা শক্তি আছে? চুনুক কি ক'ব তাই? অন্ততঃ চুনুক তাই মিছা কথা ক'ব নোৱাৰে।

ঃ আছে চুনু। এজনী বা আছে তোমাৰ বৰমাৰ। বাজনীৰ পৰা বৰমা বহুত দূৰৈত থাকে। বহুত দূৰৈত।

বৰমাকৰ স্বগতোক্তি ৰ দৰে কথাবোৰত চুনুৱে কিবা বুজিছিলনে নাই নাজানে। চুনুৱে মাকক কৈছিলগৈ...

ঃ মা, বৰমাই আজি বাৰ সাধু ক'লে।

এৰা.....সাধু.....

বিস্কুটৰ টেমাটো খালী। ৰুক্মই বিস্কুট নাখায় বাবে সেই সময়ত কথাটো মনত নপৰিল বিচিত্ৰাৰ। আজি চাহকাপ খায়ে ওলাই গৈছে ৰুক্ম। চেহ্ তাইৰ বাৰু নহ'লেও হ'ব। চুনুৱে বিচাৰিলেহে নাই বুলি ক'বলৈ বেয়া লাগিব। কাপোৰ এসোপা উলিয়াই দমকলৰ পাৰতে ধূবলৈ ধৰিলে বিচিত্ৰাই। পুৱা উঠিয়ে চুনুৰ আমনি। বিচৰাটো নাপালেই জেদ কৰা হৈছে সি। তাৰ দেউতাকে কি কৰে নাজানে তাই। পুৱা ৰুক্ম ওলাই যোৱাৰ সময়তে যায়। দিনটো চুনুক ফুচুলাই বিচিত্ৰাই লগত ৰাখিলে মাকে বহুখিনি সকাহ পায়। তাইৰ বেলেগ কাম নাই। কাপোৰখিনি দেৰিকৈ ধূলেও হ'ব। পিছবেলালৈকে চোতালখনত ৰ'দ থাকে। বিচিত্ৰাই চাবোন টুকুৰা হাতেৰে ফেনাই দুয়োহাত জপতিয়াই লাহেকৈ সুৰুঙা এটা কৰি ফুঁৱাই দেখুৱায় চুনুক।

ঃ ইয়ে বেলুন বেলুন...

বিচিত্ৰায় বাৰে বাৰে ফুঁৱায়। বতাহত অকণমান গৈয়ে ফুটি যায় চাবোনৰ ফেনৰ বেলুন।

ঃ আৰু বনোৱা বৰমা...আৰু বনোৱা......

এবেলা তেনেকৈয়ে পাৰ হ'ল বিচিত্ৰাৰ। আবেলিৰ ফালে ফেৰফেৰীয়া বতাহজাকে গাটো জিকাৰ খোৱায়হি মাজে মাজে। অক্টোবৰ মাহৰ প্ৰথম সপ্তাহ। পাতল স্কাৰ্ফ এখন লৈ বিচিত্ৰাই এনেই খোজ কাঢ়ি থাকে চোতালখনতে। লাভলি নাইবা চুনু কোনো অহা নাই বাহিৰলৈ। চুনু হয়তো শুইছে। লাভলিয়ে বা কি কৰিছে? এবাৰ যাব নেকি? ইহঁত দুটাক এই সময়ত নেদেখিলে মনটো ভাল নালাগে। নাই থাকক। পঢ়ি থাকিবও পাৰে তাই। এইবাৰ তাই মেট্ৰিক দিব। কথাই কথাই লাভলিৰ মাকে কয় বছৰটো গুৰুত্বপূৰ্ণ। দুই তিনিটা টিউচন ঘৰতে তাইৰ। বিচিত্ৰাৰ আঙুলিৰ হিচাপত ফুলেও মেট্ৰিক দিব এইবাৰ। তাই বা ভালকৈ পঢ়িছেনে নাই? তাই থকা হ'লে গাখীৰ এগিলাচ,কল এটা পঢ়াৰ মাজে মাজে যাঁচিলেহেঁতেন। সৰুতে ফুলক গাখীৰ খাবলৈ দিলে তাই মাক-বাপেকৰ লগত চাহ খাবলৈহে জেদ কৰিছিল। কণে বুদ্ধি পাঙে। কাপটোত ফুলে নেদেখাকৈ গাখীৰ লৈ তাৰ কাপটোৰ পৰা তাইক দেখুৱাই চাহ অকণ বাকি দিয়ে। হাঁহি দিয়ে ফুলে। ঘৰত গাখীৰ দিয়া গাইজনী আছে বা নাই? তাইৰ অসুবিধাত কণৰ গাখীৰ খীৱোৱাৰ অভ্যাস নথকা নহয়। সি বা মন দিছে নাই কথাটোত। লাভলিক মাকে গাখীৰ গিলাচ খুৱাবলৈ কিমান যে কি কৰিবলগা হয়! ফুলে কিজানি সাউৎকৈ খাই পেলালেহেঁতেন! এবাৰ চৰকাৰী সূতা পোৱাৰ লিষ্টত বিচিত্ৰাৰ নাম থকাত ফুলক খুৰীয়েকৰ লগত থৈ সূতা আনিবলৈ গৈছিল বিচিত্ৰা। ঘূৰি আহি দেখিছিলহি ফুলে নঙলামুখতে বহি মাকলৈ অপেক্ষা কৰি ফেঁকুৰি আছে। কণেও দবিয়ালেহি কিহৰ অভাৱত চৰকাৰী সূতা বিচাৰি গৈছিলি বুলি। পিচে সেই সূতাৰে বোৱা লুঙীকেইখন কণে পিন্ধি ভাল পায়।

অগ-গুৰি নোহোৱা আবোল তাবোল কথাবোৰ মনলৈ আহি বিচিত্ৰাক বাৰে বাৰে জোকাই থাকেহি। আপদীয়া মন। লেকাম লগাব নোৱাৰি। চিন্তাৰ আদি অন্ত নাই। বহু দেৰি চোতালখনত পায়চাৰি কৰি আছিল চাগে তাই। অত ত'ত বিজুলী বাতিবোৰ জ্বলি উঠিছে। চুনুৱে চাগে আজি মাকক দিগদাৰী দিয়া নাই। নহ'লে মাকে বাহিৰলৈ আনিলেহেঁতেন।

দালিতে অমিতা টুকুৰা টুকুৰকৈ কাটি সিজিবলৈ দিলে বিচিত্ৰাই। উৰহীৰ সী এৰুৱাই থলে। গোটে গোটে ভাজিলে

ৰুক্মই ভাল পায় খায়। ৰুক্ম আহিব আহিব বুলি টোপনিত কলমতিয়াই থকা বিচিত্ৰাৰ কেতিয়া টোপনি আহিল তাই গমকেই নাপালে। যেতিয়া সাৰ পায় নিজান চৌপাশ।

ৰুক্মই দেৰি হ'ব বুলি কোৱা নাছিল। বেলেগ কৰবালৈ যাম বুলিও কোৱা নাই। নে বাটে পথে ...মাজৰাতি বেয়া চিন্তাবোৰ মনলৈ নানো বুলিও আহিল বিচিত্ৰাৰ। দুদিনমান পিছে দেৰি হৈছিল আগতেও। খবৰ এটা নিদিয়াৰ বাবেই বিচিত্ৰাৰ চিন্তা। উজাগৰী ৰাতি বৰ দীঘল।

গা ধুই ভিতৰ সোমায়ে ৰুক্মক দেখি আস্বস্ত হ'ল বিচিত্ৰা।

ঃ কালি নাহিলা যে। কিবা অসুবিধা?

ঃ মাল বেছিকৈ আহিছে। জোখ মাখি লওঁতে দেৰি হোৱাত তাতে থাকিলো। তই চিন্তা কৰ বুলিয়ে পুৱাই আহিলো। মই আকৌ যাব লাগিব। পৰি ৰৈছিল কেৰাহীত আগদিনাৰ ভাত,দালি,উৰহী ভাজি। বিচিত্ৰাই ৰুক্মৰ খোজত কিবা এটা অস্থিৰতাৰ গোন্ধ নোপোৱা নহয় সেয়া ব্যৱসায়ভিত্তিক বুলিয়ে এৰি দিলে।

ঃ আপুনি সঁচাই কৈছে নে জয় কাই?

ঃ মই মিছা মাতি জানো কিবা লাভ হ'ব? তোমাৰ মানুহটোৰ সুমতি নহ'ল।

ৰুক্ম জহন্নামে গ'লেও সেই নৰকৰ গলিলৈ নাযায় আৰু বিচিত্ৰা। নাযায় অধিকাৰ সাব্যস্ত কৰি বুকুৰ ঘাঁবোৰ বাৰে বাৰে খুচৰিবলৈ। ঠিকেই চৰিত্ৰ সলনিৰ ভাও দেখুৱাই বিচিত্ৰাৰ সন্মুখত ৰুক্মই পুনৰ বিশ্বাসঘাটকতা কৰিবলৈ লৈছে। সঘন আহযাহ ৰুক্মৰ পুনৰ সেই মহিলাৰ কাষলৈ। নিচা মদ নে সেই নাৰীৰ মঙহ।

"চোৰে নেৰে চোৰৰ পৰকতি
কুকুৰে নেৰে ছাঁই
যাৰ যি পৰকতি
মৰিলে লগত যায়"।

ধৰা পৰিবলৈ লয় পুনৰ ৰুক্ম বিচিত্ৰাৰ সন্মুখত। কিবা এটাই আকৌ চেপিবলৈ লয় বিচিত্ৰাৰ মন মগজু এফালৰপৰা। তাই বিষত থাকিব নোৱাৰি হাত দুখনৰে মূৰটো হেঁচা মাৰি ধৰে। তাই ভাগৰিল জীৱনৰ গতিপথত। ৰুক্ম নামৰ মানুহটোৰ সংস্পৰ্শত বিচিত্ৰাৰ জীৱনটো বাৰে বাৰে পানীত উপঙি থকা টুলুঙা নাও এখনৰ দৰে হ'বলৈ ধৰিলে। তাই আৰু একো নকয়। যদি ৰুক্ম তাইৰ কাষৰপৰা গুছি যাবগৈ খুজে সঁহাৰি জনাব তাই। তাই সিদ্ধান্তত উপনীত হৈছে । তাই এটা বাট কাটিব। সেই বাটে আগবাব। ৰুক্মৰ মিছা মৰমত বিচিত্ৰা আৰু ভোল নাযায়।

বাৰে বাৰে ব্যৱসায়ৰ অজুহাত দেখুৱাই বিচিত্ৰাৰ কাষৰপৰা যেন আঁতৰিব খুজিছে ৰুক্ম। মাজে মাজে বজাৰ সমাৰ কৰি দিয়াতেই যেন দায়িত্ব শেষ ৰুক্মৰ। গুদাম ঘৰতে সংলগ্ন এজনীয়া কোঠাটোত জানো ৰুক্ম থাকে? জানিবৰ মন নগ'লেও বুকুখন কোঙা হয় তাইৰ। এই ঠাইত জয় কাই বিচিত্ৰাৰ শুভ চিন্তক। সঠিক খবৰে আনে জয় কায়ে।

ঃ পচি মৰিব ৰ ই।

ঃ নতুন সুখ বুটলি ৰুক্ম সুখত থাকক জয় কাই। মই সিদ্ধান্ত এটা সোনকালেই ল'ম জয়কাই। মোৰ কেওকিচু নথকা ঠাইখনত প্ৰয়োজনত আপুনি মোক সহায় কৰিব জয়কাই। কওক কৰিবনে?

বিচিত্ৰাৰ চকুত পানী নাই। তথাপি জয়কায়ে অনুমান কৰে বুকুত বৈ থকা দুখৰ সোঁত।

ঃ তুমি মোৰ ভনী।

ককায়েকটোৱে যদি এবাৰ তাইক বিচাৰি আহিলেহেঁতেন!

বিচিত্ৰাৰ প্ৰশ্নৰ মুখামুখি নহ'লে ভালেই পায় ৰুক্মই। দিনটোৰ কোনোবা এপাকত বিচিত্ৰাক এবাৰ দেখা দিয়েহি সি। বুকুত জীয়া যাতনা লৈয়ো হাঁহি উঠি যায় বিচিত্ৰাৰ। ৰুক্ম যেন বহুৱাহে। নাৰী সহনশীলা হ'ব পাৰে যুদ্ধ কৰিবলৈ নিজক প্ৰস্তুত কৰিব জানে। কপালত যি আছে হ'ব সেই ভাৱি আৰু সময় নষ্ট নকৰে বিচিত্ৰাই। তাই মৰিব নোৱাৰে। তাইৰ বুকুৰ মঙহ ধানিক লগ নোপোৱাকৈ তাই পৃথিৰী নেৰে। মালিকৰ ঘৰৰ অব্যৱহিত কাপোৰ চিলোৱা মেচিনটো তাইক কেতিয়াবাই লৈ আহিবলৈ কৈছিল। তাইহে কিনো কৰিম ভাৱত কথাটো তল পেলাই থৈছিল। আছে সেই বিদ্যা তাইৰ হাতত। জয় কাইৰ লগত প্ৰয়োজনীয়

সামগ্ৰী অলপ কিনিবলৈ দুপৰীয়াই ওলাই গ'ল বিচিত্ৰা। সকলোবোৰ কিনি ৰিক্সা এখন বিচাৰিলে তাই। যাত্ৰী নমা ৰিক্সাখনৰ কাষ চাপি আশ্চৰ্য্যত চকু বহল হৈ গ'ল তাইৰ.......

ঃ বিচিত্ৰা........ত.....ই...

ঃ ককাইদেউ......

কঁপিছে বিচিত্ৰা। চকুৰপৰা ধাৰাসাৰে পানী নিগৰিছে। মূৰটো কথমপি দাঙি থিয় দি আছে তাই। বাস্তৱ হয়নে? বয়সে গৰকিছে ককায়েকক। তথাপি সুঠাম শৰীৰ।

বাউলি হৈ খবৰবোৰ সুধিছিল তাই ককায়েকক। ভনীয়েকৰ প্ৰতি ঘৃণা থুপ খাই থাকিলেও তাইক দেও দি গুছি যাবগৈ পৰা নাছিল তেওঁ। ফুলৰ তুলনি বিয়াত কণে বিচিত্ৰাৰ ককায়েকক পদূলিলৈ সোমাবলৈ নিদিয়া কথাটো শুনি বৈ বৈ কান্দিলে তাই।

ক'ব পৰা নাছিল বিচিত্ৰাই ককায়েকক তাইৰ এইখন সংসাৰৰ আউলবোৰ। ৰুক্মৰ মুখ নাচাওঁ বুলিয়ে খৰখেদাকৈ সেই ঘৰৰপৰা বাহিৰ হৈছিল ককায়েক।

ঃ থাক ইয়াতেই যেনেকৈ আছ। সকলো ঠিকে আছে। পুৰণি ঘাঁবোৰ উকটিবলৈ গাঁৱৰফালে আৰু মূৰ নকৰিবি। মোৰ মন গ'লে তোক মই চাই যামহি।

ঃ ককাইদেউ মই প্ৰায়শ্চিত হ'ম। গাঁৱৰ জ্ঞাতিয়ে মোৰ চুলি খুৰাই পেলাওক। মই তেনেকৈ থাকিম। মোক ঘৰলৈ লৈ যা ককাইদেউ।

যদি সুখী তেনেকৈ কণ আৰু ফুল কোনোদিনে গাঁৱলৈ যোৱাৰ হাবিয়াস নকৰে বিচিত্ৰাই। ককায়েকক লগ পোৱাৰ পিছতে জীৱনৰ প্ৰতি সামান্য মোহ হ'ল বিচিত্ৰাৰ। তাইৰ তেজ মঙহৰ আপোন মানুহ ককায়েকটোৰ বুকুত সোমাই যে কান্দিলে বুকুখন বহুখিনি পাতল হ'ল তাইৰ। ফুল সাইলাখ বোলে তাইৰ দৰেই হৈছে। তাতকৈ কি লাগে তাইক? দূৰে দূৰে ভাগিনীয়েকৰ খবৰ ৰাখে ককায়েকে। কৰক তাইক সকলোৱে মৰম কৰক । অভং কণটো বৰ ঠাণ্ডা বোলে আজিকালি। অকৰা খঙটো নাই। প্ৰভুৱে সুমতি দিয়ক কণক।

ৰুক্ম সেইদিনাও অহা নাছিল। ভালেই পালে বিচিত্ৰাই। খবৰবোৰে তাইক চুই চুই যেন নিচুকাইছে। টোপনি গ'লগৈ তাই।।

ৰুক্মৰ প্ৰশ্নৰ উত্তৰ তাৰ মুখলৈ নোচোৱাকৈয়ে দিলে বিচিত্ৰাই। আমনি লাগে কোঠাত সোমাই সোমাই সেয়ে এই কামবোৰ চপাই লৈছে তাই। বাৰাণ্ডাখনতে মেচিনটো টেবুল এখনত থৈ ভালকে মচি মেলি ল'লে। বহু বছৰ অভ্যাস নাথাকিলেও আয়ত্তত আছে। লাভলিৰ মাকৰ কাপোৰে আৰম্ভ কৰি দিলে তাই। জোৰকৈ তেওঁ গুজি দিয়া যাঠি টকাটো বিচিত্ৰাই কাপোৰৰ ভাঁজত ভৰাই থলেগৈ। এই যাঠি টকাৰেপৰা তাই শিকিব লাগিব অকলে যুঁজিবলৈ।

জয় কাইৰ মুখত সেই বাৰ্তা পাই যেন হো হোৱাই হাঁহিব বিচিত্ৰাই। ৰুক্ম পিতৃসম্ভৱা। তাইৰ যে হাঁহি উঠিছে তাই সুখী হৈছে নেকি? নে বিষাদ ঢাকিবলৈ এই অভিনয়। নিজৰ ভনীতকৈ কম নহয় তাই জয় কাইৰ বাবে। ভাবিছিল তেওঁ বিচিত্ৰা কান্দি কাটি বাউলিজনী হ'ব । নাই, ঠিকে আছে বিচিত্ৰা। সেই খবৰে বিচিত্ৰাক আৰু বিচলিত নকৰে। "এই মানুহজনীক শক্তি দিয়া ভগৱান।" জয় কাইৰ প্ৰাৰ্থনা এয়াই।

যিমানেই অভিনয় বাঢ়ে ৰুক্মৰ সিমানেই ধৈৰ্য ধৰে বিচিত্ৰাই। নকয় তাই "খহি পৰিল কেতিয়াবাই তোৰ মুখা ৰুক্ম। তই যাবগৈ পাৰ তই ভবাধৰণে জীয়াই থাকিবলৈ। তোক মোৰ অন্তৰৰ পৰা উলিয়াই দিলো কেতিয়াবাই।" ব্যস্ততা দেখুৱাই ৰুক্মই। খৰখেদা নকৰে বিচিত্ৰাই। দৌৰাদৌৰিকে হাতত তুলি নিদিয়ে চাহ কাপ। যতনাই নথয় সি আহি খাবহি বুলি তাৰ প্ৰিয় কিবা এটা। এই কথাবোৰ পুৰণি হ'বলৈ ধৰিব। জানে তাই সোনকালেই সেই দিন আহিব। বুজিছে ৰুক্মই আগৰদৰেই তাইৰ খুঁত উলিয়াবলৈ চেষ্টা কৰিছে। নিমাত বিচিত্ৰা। ব্যস্ত হৈ পৰে মেচিনটোৰ সৈতে। বাৰে বাৰে বিচিত্ৰাক মাতি মাত নোপোৱা ৰুক্মই চিঞৰি উঠিল....

ঃ নাজান নেকি এফালৰপৰা আহিলে খাবলৈ কিবা এটা যতনাই থব লাগে বুলি।

ঃ তুমি ৰোৱা। মই যোগাৰ কৰি দিওঁ।

ঃ তোৰদৰে ঘৰতে বহি থাকিবলৈ মোৰ সময় নাই নহয়।

ঃ যদি খোৰা কোৰা মই এতিয়াও যোগাৰ কৰি দিম।

ঃ খা খা তয়ে বহি বহি উদৰ পূৰাই খা। (অশ্লীল) মেচিন চলাই পইচা ঘটিবলৈ আহিছ। লোকৰ মেখেলা পেটিকোট চুই কেইটকা ঘটি দিছ মোক? মেচিনৰে সৈতে মানুহজনীৰো মূৰ ভাঙিম যিদিনা গম পাবি।

ক'ব খুজিছিল বিচিত্ৰাই ..."মেখেলা, পেটিকোটৰ তলত তই সোমালিগৈ ৰুক্ম। মোৰ সন্মুখত দপদপাই থকা তোৰ মতাগুণ সেইজনী মানুহৰ সন্মুখত কেনে মই জানো। ভিজা মেকুৰীটো হৈ পৰি থাক তই তাত। তোলৈ মোৰ পুতৌ জাগিছে ৰুক্ম। কিমান আদৰ আৰু প্ৰস্তুতিৰে সন্তানক পৃথিৱীলৈ আদৰা হয়! অথচ তোৰ বুকুৰে ধৰফৰাইছে অনাগত ভৱিষ্যতক লৈ। সেই মানুহজনী অকলশৰীয়া হোৱাৰ সুযোগত তহঁতৰ মিলন। তাইৰ পেটত তোৰ সন্তান। অথচ তই মুকলি আকাশৰ তললৈ তাইক আনিব পৰা নাই। সেই মহিলাজনীক গোপনে বিয়া কৰাইছ অথচ প্ৰতিদিনে ভয়ত বিতত হৈছ। মোক ভয় কৰ তই। কিজানি মই পৰিস্থিতি বেয়া কৰো। কিজানি মই মৰি থাকো। ককাইদেউক লগ পোৱাৰেপৰা মোৰ জীৱনত নতুন আশাৰ সঞ্চাৰ হৈছে। আশ্বাস দি গৈছে ককাইদেৱে মোক। নতুন বিপদলৈ মই বাৰে বাৰে সাজু। তই পাতি লোৱা সংসাৰত মুকলিকৈ থাকিবগৈ পাৰ তই"।

বিচিত্ৰাৰ আগেদি বৰ বৰ মাত মাতি ৰুক্মই খোজ দিয়ে বাটলৈ। পিছফালৰপৰা চাই পঠিয়ায় বিচিত্ৰাই।

"যদি তই কলিহেঁতেন আনৰ সন্তান এটাকে তুলি লওঁ আহ বুলি! মাতৃত্বৰ সমস্ত মমতাৰে আৱৰিলোহেঁতেন সেই সন্তানক। যদি কলিহেঁতেন এবাৰ সেই নাৰীৰ মেৰপাকৰ পৰা উলিয়াই আন মোক বিচিত্ৰা সকলোতকৈ শক্তিশালী হৈ উঠিলহেঁতেন। এতিয়া মই ভিতৰি সকলোতকৈ দুৰ্বল। মই হাঁহিছো জয়কায়ে লৈ অহা বতৰাত। বগৰা বগৰি লাগি ভাগৰি পৰা মানুহজনী মই। এৰা আজি অতবছৰে মই দিব নোৱাৰা সুখ সেই মানুহজনীয়ে তোক দিছে তাতেই জিকি গ'ল তাই। মোক ফাঁকি দি দি গঢ়ি লোৱা তোৰ সংসাৰখন ধৰিবৰ বাবেই ফাঁকিয়ে সৌধ সা জ মোৰ সন্মুখত। তই ক'ব নোৱাৰাকৈয়ে ধৰা পৰিলি বহুদিন আগতেই। মোৰ চকুলৈ চাব নোৱাৰাৰ সাহসে কেতিয়াবাই ধৰা পেলাইছো তোক।"

ইমানদিনে প্ৰয়োজন হোৱা নাছিল আজি বিচিত্ৰাই লাভলিৰ মাকৰ পৰা সিহঁতৰ ফোনৰ নম্বৰটো টুকি থলে। বহু দূৰণিত থকা মানুহৰ মাত ফোনটোত শুনিবলৈ পোৱা কথাটোৱে বিচিত্ৰাৰ চকু কপালত তুলিছিল। পোনচাটেই মনলৈ আহিছিল তেতিয়া ফুলৰ মাত শুনিবলৈ পোৱা হ'লে বুলি। লাভলিয়েহে বুজাই দিলে তাইক। নিৰ্দিষ্ট নম্বৰৰ সহায়তহে সেই কাম সম্ভৱ হয়। কিলিলিং কিলিং কৈ ৰৈ ৰৈ বাজি থকা ফোনটোৰ মাতটো শুনিলে বিচিত্ৰাৰ বুকুখন এনেই বাজে। ককায়েকে কথা দিছে তাইক। আহিব বিচিত্ৰাৰ কাষলৈ। ফোনৰ নম্বৰটো দিব লাগিব ককায়েকক। মাতটো শুনি থাকিলেও সকাহ পাব তাই।

পিতৃত্বৰ গৌৰৱত তলবলাইছে চকু ৰুক্মৰ। বাৰে বাৰে সামান্য অজুহাতত বিচিত্ৰাৰ কাষৰপৰা আঁতৰি থাকিলেও পুনৰাই কাষ চাপে সি। বিষাইছে নেকি বুকুখন তাৰ? হৰিণীক সি কাঠৰ ফাৰ্ণিচাৰত কাম কৰি থাকোতেই লগ পাইছিল। গাৰ বিষ মাৰিবলৈ মহেশৰ লগত মদ পিবলৈ যাওঁতে চিনাকি তাৰ। দহে ভিতৰি সি যেতিয়া বিচিত্ৰাই বাৰে বাৰে তাৰ সন্মুখত কণ আৰু ফুলৰ বাবে হুমুনিয়াহ কাঢ়ি ৰুক্মলৈ পিঠি দিয়ে। সি ঘৰ দুৱাৰ,পৰিয়াল,আত্মীয় স্বজন এৰি অচিন ঠাইখনত গেবাৰি খাটি উপাৰ্জন কৰাৰ মূল মানুহজনী বিচিত্ৰা। বিচিত্ৰাক পলুৱাই ননালৈকে অশান্তিত ভুগিছিল সি। কণৰ পত্নী হৈ থকা কথাটোৱে মানসিক অস্থিৰতাত ভুগাইছিল তাক। সকলো সহজ হৈ পৰিব লাগিছিল তেতিয়াই যেতিয়া বিচিত্ৰাক সি লৈ আহিল । নহ'ল সহজ। বিচিত্ৰা আৰু তাৰ মাজত বাঢ়িবলৈ ধৰা ব্যৱধানতে হৰিণীৰ বৰকৈ কাষ চাপি যায় সি। নাৰী যেন চুম্বক। বিচিত্ৰাৰ ক্ষেত্ৰতে নাইবা হৰিণীৰ ক্ষেত্ৰতে হওক সি সেই চুম্বকৰ আকৰ্ষণত আকৰ্ষিত হ'ল। যিমানেই আঁতৰি আহিব খোজে মন মগজু ভাৰাক্ৰান্ত হৈ উঠে তাৰ। অস্থিৰতাই হেঁচে তাক। সাৰি যায় সি। কোনোটোৱেই সৰল সমিধান নহয়। কোনো সামাজিক ৰীতি নীতিৰ অবিহনে বিচিত্ৰাৰ সৈতে পতা সংসাৰখন টেঙা লাগিবলৈ ধৰাৰ সময়তেই হৰিণী নামৰ মানুহজনীয়ে তাক দিয়া সংগত পাহৰি থাকিছিল সি জীৱনৰ তিক্ততাবোৰ। নিচা আছে হৰিণীৰ। সেই নিচাই হাতবাউল দিয়ে ৰুক্মক। বিচিত্ৰাক দিয়া হাজাৰ প্ৰতিশ্ৰুতি ধোঁৱা হৈ উৰে। চুবুৰীটোত তাৰ অজ্ঞাতে অভিসন্ধি চলিছিল যেন। হৰিণীয়েও জাল তৰিছিল যদিও সি নাজানিলে তিনিমাহে তাই গা নুধুৱা খবৰটোত ভাবুক হৈ ৰ'ল ৰুক্ম। সম্বন্ধৰ নাম নথকা সেই সম্পৰ্ক, তাৰ বীজ ধাৰণ কৰা হৰিণীক নতুনকৈ যেন আৱিষ্কাৰ কৰিলে সি। সি বাপেকী হ'ব। কিমান হেঁপাহ আজিৰ দিনটোলৈ। বাৰে বাৰে তাৰ মন ভাঙি পেলোৱা

বিচিত্ৰাৰ অসফলতা আৰু তাৰ সন্মুখত সেই সুখবৰ লৈ হৰিণী। মানি ল'ব সি এই আহ্বান। জীৱনত এই বতৰাই দিয়া সুখ পি খাব সি। বিচিত্ৰাই মানি লওক বা নলওক সি আদৰিব এই শুভদিন। কোনেও কাৰো খেয়াল নিদিয়া ঠাইখনত ৰুক্স আৰু হৰিণীৰ কাম-কাজলৈ চাওঁতা নথকা সুবিধাতে আগুৱাই যায় সময়।

মূৰ তুলি চাব নোৱাৰে সি বিচিত্ৰালৈ। অবিশ্বাসৰ থল মোহাৰিবলৈ বিচিত্ৰাৰ কাষ চাপে বাৰে বাৰে। চকু তুলি সি চাব নোৱাৰে বিচিত্ৰালৈ। ধৰা পৰি যোৱাৰ ভয়ত সি কোঙা হয়। থাকক বিচিত্ৰাও তাৰ কাষত। বিচিত্ৰাক সি আলৈ আথানি কৰিব নোৱাৰে। সকলো হেৰুৱাই তাই মৰি থাকিলে ৰুক্সই নিজক ক্ষমা কৰিব নোৱাৰে।

"বিচিত্ৰা এম্ব্ৰইডাৰী" ৰুক্সৰ চকুত পৰাকৈ বিছনাখনৰ এমূৰে থৈ দিলে বিচিত্ৰাই টিনৰ চাইনবৰ্ডখন। সিদ্ধান্ত লৈয়ে পেলাইছে ইতিমধ্যে তাই। হাতত চাৰিহাজাৰমান টকা জমা হৈছেগৈ। পাৰিব তাই। লাভলিৰ মাকেও সাহস দিছে। সহায় কৰাৰ কথা কৈছে। জয় কাই সদায়ে তাইৰ লগত। মাত্ৰ ৰুক্সৰ কথাবোৰ লাভলিহঁতৰ পৰিয়ালটোক নজনাবলৈ অনুৰোধ কৰিছে তাই। লাভলিৰ দেউতাক খঙাল মানুহ। অধপতনে যোৱা ৰুক্সক একেদিনাই খেদিব তেওঁ। ৰুক্স নিজেই গুছি যাওকগৈ। অপমানিত হৈ গ'লেগৈ বিচিত্ৰা দুৰ্বল হ'ব।

খঙত ৰঙা পৰিল ৰুক্স। কোনোপধ্যেই সি বজাৰৰ মাজত বিচিত্ৰাক মেচিন লৈ কাপোৰ চিলোৱাৰ অনুমতি নিদিয়ে।

ঃ তই নোৱাৰ এই কাম কৰিব।

ঃ ইতিমধ্যে মই সাজু হৈছো। দুদিন পিছত দোকানখনত বহিমগৈ। তুমি যদি যাব খুজিছা চাই আহিবাগৈ।

ঃ কোনে তোক এই বুদ্ধিবোৰ মূৰত সুমুৱাই দিলে? তোক পইচা লাগে। এয়া ল। পইচা ল।

ৰুক্সই গুজি দিছে বিচিত্ৰাৰ হাতত কেইবাখন শ টকীয়া নোট।

ঃ অকল টকাৰে জীয়াই থাকিব নোৱাৰি ৰুক্স। মোৰ জীয়াই থকাত কষ্ট হৈছে। মই মোৰ বাবে বাট এটা কাটিব খুজিছো। তুমি হকা-বধা নকৰিবা।

ঃ তই মোক এবাৰো নুসুধাকৈ এই কাম হাতত লৈছ। কোন মাইকীয়ে বজাৰত এনেকৈ বহিবলৈ যায়? যাৰ আন একো উপায় নাই। যাৰ খাবলৈ ভাতে জোৰা নাই। তই কিহৰ অভাৱত তাত বহিবিগৈ? সেই ঠাইত মতা মানুহ মখাৰ মাজত তই দোকান খুলিবগৈ নোৱাৰ। ৰ আজি তোৰ মেচিনকে ভাঙিম। এই হাৰামীৰ ঘৰত লেদেনা উকটি এইটো চপাই সেই সোপাকে মূৰত সুমুৱাইছ।

ঃ মেচিনটো বাইদেউৰ। হাত নিদিবা। আমি য'ত আছো সেই ঘৰ তেওঁলোকৰ।

ঃ মায়েৰে বাপেৰে কি এনেই ৰাখিছে তোক হাঁ? মাহৰ মূৰত হাজাৰ টকা দি আঁহো। টকাৰ লেন-দেন থকা মানুহৰ লগত তোৰ কিহৰ হলিগলি? আজিয়েই ঘৰ খালি কৰিম মই। ওলা ওলা। যা বেগ সামৰ।

ঃ তোমাৰ নতুন ঘৰখনত কাম কৰা মানুহৰ প্ৰয়োজন হৈছে নেকি? কেঁচুৱাৰ গু মূত ধুবলৈ মোক নিবলৈ আহিছা নেকি?

বিচিত্ৰাৰ শীতল কণ্ঠস্বৰত সেপ গিলিলে ৰুক্সই। জঠৰ হে হ'ল যেন সি।

ঃ মইতো তোমাক তুমি বিচৰাধৰণে জীয়াই থাকিবলৈ দিছো। বাধা দিছিলো। ফুটি উঠিছিল তেতিয়া তোমাৰ মুখত অসুখ। অসুখী কৰি নাৰাখো বুলিয়ে মুকলি কৰি দিছিলো তোমাক। আজি দুবছৰে এবাৰ খেয়াল ৰাখিছা বিচিত্ৰা নামৰ মানুহজনী কেনেকৈ জীয়াই আছে? উজাগৰী ৰাতিবোৰ কেনেকৈ পাৰ কৰিছো সেই কথা এবাৰ ভাবিছা? নতুন সম্বন্ধ এটা গঢ়ি ঘৰ এখন তৰিলা। সন্তান জন্ম দিলা। বাপেকী হোৱাৰ গৰ্বত সুখী হৈছা। মই তোমাৰ সুখবোৰ আঁজুৰি চিঙিবলৈ নাযাওঁ। সুখ হেৰাই গ'লে জীয়াই থাকিবলৈ কিমান কষ্ট হয় মোতকৈ ভালকৈ কোনেও নাজানে। এই কথাখিনি তেতিয়াই কোৱা হ'লে সত্য নহয় বুলি তৰ্ক কৰিলাহেঁতেন মোৰ লগত। নোকোৱাৰ কাৰণ আৰু এটা তোমাৰ সৈতে সম্পৰ্কটো চিঙি পেলাবলৈ মোৰ কষ্ট হয়। সম্পৰ্কনো কি? জোৰকৈ গঢ়ো বাৰে বাৰে।

বিচিত্ৰাই কৈ যায়। ৰুক্সলৈ চোৱা নাই তাই।

ঃ সেই যে ঘৰখন এৰি আহিছিলো এইখনো মোৰ সেইখনৰ দৰেই ঘৰ যেন লাগে। কণৰ লগত ছবছৰীয়া সংসাৰখন চিঙি পেলোৱাৰ যি যাতনা তোমাৰে সৈতে চৈধ্য বছৰ সম্পৰ্ক এটা পুঁহি নোহোৱা কৰি পেলোৱাটো সমানেই যাতনা। মোক

গুছি যাবলৈ কৈছিলা তেতিয়াই। তেতিয়া গাত অধিক বল আছিল আঁজুৰি খাবগৈ পাৰিলোহেঁতেন তোমাক এৰি যাব নোৱাৰিলো। এতিয়া গাত বল কমিলেও মনত বল বাঢ়িছে। কিয় নোৱাৰিম মই জীয়াই থাকিব? ভুল কৰিলো। যি ভুলৰ শুদ্ধৰণি নাই। মোৰ চকুৰ আগতে তুমি ভুলৰ ওপৰি ভুল কৰিছা মই নীৰবে চাইছো। যদি শুদ্ধৰাবলৈ গ'লোহেঁতেন তাতো মোৰ ভুল ৰ'লহেঁতেন। তুমি সুখী হৈছা। সেই সুখ ময়ো ল'ব লাগে। সেওঁতাটোত কণৰ নামত সেন্দূৰ বোলাই থাকোতে সেই শিৰ ক'ব নোৱাৰাকৈয়ে তোমাৰ হ'ল। মোৰ মানুহজনৰ সন্তান জন্মিছে মই সুখী হ'ব লাগে। শান্ত কৰি ৰাখিবলৈ চেষ্টা কৰিছো বুকুখন। শীতল মগজুৰে সকলো চালিজাৰি চালো। আমি দুটা বাট লওঁ। তুমি তোমাৰ বাটে যোৱাগৈ। মই মোৰ বাটেৰে। তোমাৰ সুখৰ দিন চাপিছে। চুই চাব পাৰোতেই চুই লোৱা। ক্ষোভ নাই একোৰে প্ৰতি। কণৰ কাষত ফুল আছে। তোমাৰ কাষতো তোমাৰ সন্তান। মোৰ কাষত তোমালোকৰ স্মৃতি। আমি সকলো জীয়াই থাকিম। যোৱাগৈ ৰুক্ম। কোনোদিন নাহিবা আৰু তুমি মোৰ কাষলৈ।

চকুলোৰে বাট নেদেখা হোৱা নাই বিচিত্ৰা। এই দিনটোৰ বাবে তাই প্ৰতিদিনে সাজু কৰিছে নিজক।

ঃ ব'ল বিচিত্ৰা আমি সকলো একেলগে থাকোগৈ। মই হৰিণীক বুজাম। মানিব তাই সকলো। তই অকলে নিজক চম্ভালিব নোৱাৰিবি বিচিত্ৰা। দুনীয়াখন তই ভবাৰ দৰে সহজ নহয়। প্ৰতিটো খোজতে বাধা বিঘিনি। মই ভুল কৰিলো অ। নাই তোক মই কেতিয়াও অকলশৰীয়া নকৰো। কথা দিছো আজিৰপৰা তোক এৰি নাযাওঁ মই।

ঃ আবেগ সামৰা। তুমি আহি থাকিলে মোৰ যাতনা বাঢ়ে। পুৰণি ঘাঁবোৰে উক দিয়ে।

ঃ নিষ্ঠুৰ তই। সকলোবোৰ সহজে পাহৰিলি তই। ৰুক্মই তোৰ বাবে ঘৰ এৰিছিল। জী থাকিবলৈ যুঁজিছিল। তোক সুখ দিবলৈ সংগ্ৰাম কৰিছিল...

ঃ সুখ? সুখৰ ওপৰি সুখ মোৰ। কাকো মন খুলি কথা ক'ব নোৱাৰা। মানুহ হৈ মানুহ হিচাপে জীয়াই থাকিব নোৱাৰা। নিজৰ সুখ জ্বলাঞ্জলি দি আপোন বুলি ভবাজনে দিয়া প্ৰতাৰণা .....এইবোৰেই সুখ মোৰ? মোৰ বয়স হৈছে কিমান? চৌত্ৰিশটা বছৰতে দুখৰ ওপৰি দুখ। বাৰে বাৰে চেপি চেপি তেজ শুঁহে যাতনাবোৰে মোৰ। মোকো মুক্তি লাগে ৰুক্ম।

ঃ মুক্তি?

ঃ সামাজিক বা আইনীভাৱে আমাৰ যিহেতু বিয়া হোৱাই নাছিল এনেকৈয়ে আমাৰ সম্পৰ্কৰ অৱসান হওক। আমি কৰা ভুলৰ পাপ চৌধ্য বছৰত বোলে খণ্ডন যায়গৈ গাঁৱত শুনা কথা। তুমি তোমাৰ ঘৰলৈ হৰিণী আৰু সন্তানক লৈ যোৱাগৈ। সুখী হ'বা।

তলমুৰা হৈ থিয় দি আছে ৰুক্মই বিচিত্ৰাৰ সন্মুখত । অসম্ভৱধৰণে সি শান্ত। বিচিত্ৰাৰ সন্মুখত সি নাঙঠ। অথচ বিচিত্ৰাই উচ্চস্বৰে চিঞৰা নাই। আলোচনাৰ মাজেৰে বিচিত্ৰাই বিদায় সভা পাতিছে। বিদায় দিওঁ বুলি জানো উভয়ে উভয়ক বিদায় দিব পাৰিব? বিষাদ সৰা বিদায়ৰ পদূলিত দুয়ো থিয় হৈ হাত দাঙিছে। বাৰে বাৰে কৈ যায় ৰুক্মই....

"মই আহিমগৈ বিচিত্ৰা। মই তোৰ কাষলৈ আহিমগৈ।"

মনটো মুকলি। প্ৰথমদিনাই বিচিত্ৰাই ডেৰশটকা হাতত লৈ কোঠালৈ উভতিল। দিনটো চাৰিখন মেখেলাৰ বিশ টকা কৰি আশীটকা আৰু দুটা চুৰেটাৰৰ গ্ৰাহকে এডভান্স সত্তৰ টকা দি গৈছিল। লাভলিৰ মাকেই প্ৰথম দিনা কাষ্টমাৰ দিছিল। কোনে কয় কেৱল তেজ মঙহৰ মানুহেই আপোন বুলি? পৰিয়ালটো ভগৱান বিচিত্ৰাৰ বাবে।

চাউলৰ টিনটো খালি। দালিৰ বৈয়ামটোও উদং। বিছনাৰ তললৈ জুমি চালে বিচিত্ৰাই। দুটা আলু। পুৱাই ৰন্ধা ভাত অলপ বাটি এটাত ঢাকি থৈ গৈছিল বিচিত্ৰাই। পানী দি নিমখ তেল অকণ সানি ভাতকেইটা খাই পেলালে বিচিত্ৰাই। দূৰে দূৰে থাকিলেও ৰুক্মই বজাৰ সমাৰ কৰি থৈ গৈছিলহি এসপ্তাহৰ মূৰে মূৰে। দিন পিছুৱাই পিছুৱাই অৱশেষত দোকানত বহিছিলগৈ বিচিত্ৰা। উভতি আঁহোতে তাইৰ মনতেই নপৰিল ঘৰখনত কেও কিছু নথকাৰ কথা। মাহে এহেজাৰকৈ ঘৰভাড়া। দিব পাৰিবনে তাই? ইয়াতকৈ সস্তীয়া ঘৰ পাব যদিও তাই নাজানে। আত্মীয়তা গঢ়ি উঠা মানুহখিনিৰ কাষৰপৰা গুছি আহিবলৈ তাই মনে নকয়। এবাৰ লাভলিৰ মাকক কৈ চাব নেকি ভাড়াটো কিজানি কমায় দিয়ে! লাহে লাহে ৰুক্ম আৰু তাইৰ ভিতৰুৱা কথাবোৰ গম পাব সকলোৱে। তেতিয়া তাইকো খেদি দিব নেকি তেওঁলোকে? হাতে ভৰিয়ে ধৰি হ'লেও ককায়েকক পুনৰ লগ নোপোৱালৈকে থাকিব লাগিব ইয়াতে।

তাইৰ অন্যমনস্কতাত দুৱাৰত পৰা টোকৰত দুৱাৰখন খুলিলেগৈ তাই। দুৱাৰমুখত ৰুক্ম। তাই কোনো কথা কোৱাৰ

সুবিধা নাপালে। দুৱাৰখন ঠেলি ৰুক্ম সোমাই আহিল। সংযত হ'ল বিচিত্ৰা। মাত নাই বহু সময়।

ঃ কিয় বাধা দিছ বিচিত্ৰা মোক? কিয় নাহিম মই তোৰ ওচৰলৈ? প্ৰতিদিনে উচুপিছো মই। দে ,মোক তোৰ কাষতে থাকিবলৈ দে।

কাওমাওকৈ বিচিত্ৰাৰ হাতখন জপটিয়াই অনুনয়ৰ সুৰত ফেঁকুৰি উঠে ৰুক্মই। মই জানো তয়ো নোৱাৰ থাকিব মোৰ অবিহনে। চা একো সলনি হোৱা নাই এই ঘৰৰ। সকলো মই এৰি থৈ যোৱাৰ দৰেই আছে। তোৰ কপালৰ ফোঁট, শিৰত সেন্দূৰ....কিয় ফাঁকি দিছ নিজক বিচিত্ৰা। কিয়?

ঃ ৰুক্ম মোৰ ভাগৰ লাগিছে। তুমি যোৱাগৈ। তোমাৰ সৈতে মই সম্পৰ্ক শেষ কৰিছো। এগৰাকী মহিলাৰ কাষত এনেকৈ অসময়ত নাহিবা।

ঃ বিচিত্ৰা....

চিৎকাৰ হৈ সৰিছে কান্দোন। শিললৈ ৰূপান্তৰ হৈছে বিচিত্ৰাৰ বুকুৰ ভিতৰভাগ।

ঃ তুমি তোমাৰ ঘৰখন ধৰি ৰাখাগৈ। তোমাৰ বয়বস্তুবোৰ মই সামৰি থৈছো। লৈ যোৱা।

ঃ তোতকৈ কি মূল্যবান বস্তু আছে বিচিত্ৰা। নিজৰ মানুহজনীৰ কাষতে মই অচিনাকি। হৰিণী মান্তি হৈছে বিচিত্ৰা। ব'ল মই তোক লৈ যাবলৈ আহিছো।

ঃ এনেকুৱা প্ৰস্তাৱ লৈ পুনৰবাৰ নাহিবা। দুৱাৰ খোলা আছে। গুছি যোৱা। এনেকৈ আহি থাকিলে এই ঠাই মই সোনকালেই এৰিম।

কঠোৰ ..এই নাৰী শিলতকৈ কঠোৰ। সময়ত এই কঠোৰতা নাৰীৰ সহজাত প্ৰবৃত্তি। ভাগৰি পৰিছে ৰুক্ম। বিচিত্ৰাৰ চকুত ফুটি উঠা নাই তাৰপ্ৰতি সামান্য অনুকম্পা। কঁপা নাই ওঁঠ। সলনি হৈছে বিচিত্ৰা। বহুদূৰলৈ গুছি গৈছে বিচিত্ৰা তাৰ কাষৰপৰা। এহাত দূৰৈত থিয় দি থকা বিচিত্ৰাক সি সাৱটিব খুজিও সাৱটি ল'ব পৰা নাই।

ঃ বিচিত্ৰা আহিলি ?

জয়কাইৰ মাত। তাইৰ দুখত মাত দিওঁতা।

ঃ আহিলো জয়কাই। তুমি এতিয়া যোৱাগৈ। ৰুক্ম আহিছে।

ৰুক্মৰ মূৰত যেন জুইহে জ্বলিল।

ঃ নিজৰ মতাটোক ভিতৰলৈ আহিবলৈ নিদিয়। এই ৰাতি কি দৰকাৰ তোৰ খবৰ ল'বলৈ দুৱাৰত টোকৰ দিবলৈ?

ঃ মোৰ দেউতাৰ বয়সৰ তেওঁ। সকলোৱে মাতে বাবে জয়কাই বুলি কওঁ।

ঃ বাপেৰৰ বয়সৰহে । বাপেৰটো নহয়। (অশ্লীল) বুঢ়া হ'লেও মতা হয় সি। তোক দেখি তাৰ ডেকা হ'বলৈ মন গৈছে নেকি? মোক আঁতৰাই তই লীলা-খেলা আৰম্ভ কৰিছ। আজি ধৰা পৰিলি। চৰিত্ৰৰ সলনি নহয় তোৰ।

ৰুক্মৰ গতামাৰি দিয়াত বেৰত খুন্দা খাই কথমপি নপৰিল বিচিত্ৰা।

ঃ উফ্ পাসগুৰ জাত। কিয় শান্তিত থাকিবলৈ নিদিয় মোক? কিয় বাৰে বাৰে তেজ পিবলৈ আহ মোৰ? নিজক চিকুটি চাইছ? মাইকী দেখিলেই শুবলৈ লাগে তোক । মোক ঘৈণীয়েৰে বুলি চেলাবলৈ আহিছ। বেলেগ মাইকীৰ কোলাত কেঁচুৱা দিবলৈ তোৰ বেয়া নালাগিল। ফাঁকি দি দি ঘৰ বান্ধিলি।

ঃ কি পাইছিলো মই তোৰপৰা? কি দিছিলি? নিজে জন্ম দিব নোৱাৰিলি। এতিয়া গা জ্বলিছে তোৰ? তোক মই মাৰি থৈ যাম ইয়াতে। তোক মই....

তৰি থোৱা আঁঠুৱাটো জোটপোট লাগিল খুটিটো টানি লওঁতে। পিঠিৰ সেজে সেজে পৰা কোবকেইটাত মানুহজনী বেঁকা হৈ পৰিল। খামুচি ধৰোতে খুলি পৰা চুলিখিনিত ঘটালিবলৈ ধৰিলে ৰুক্মই। চকু দুটা মুদি দিছে বিচিত্ৰাই।

খোলা দুৱাৰেদি ৰুক্ম কেতিয়া গ'লগৈ গম নাপালে বিচিত্ৰাই...বাউসিটো দাঙিব পৰা নাই তাই। চাদৰখনত তেজৰ দাগ.........

ৰাতিৰ ধুমুহাজাকৰ জানমি নোপোৱাকৈ থকা নাছিল চুনুৰ মাকে। হয়তো কাণত পৰিছিল লাভলিহঁতৰো। টেমুনাপৰা বাউসিটো লুকুৱাবলৈ চেষ্টাও নকৰিলে বিচিত্ৰাই। পিঠিটো পোনাব পৰা নাই ভালকৈ।

ঃ মানুহ চিনি নাপালি অ আই। তই মানুহ চিনি নাপালি। অসুৰটোৱে তোক তেনেই বখলিয়াই গ'ল।

ঃ জয়কাই বাইদেউহঁতে গম পাইছে নেকি কথাবোৰ?

ঃ লুকুৱাই নিজৰ কষ্ট বঢ়াইছ তই বিচিত্ৰা। মালিকে তাক দাবি দিলে সি নহা হ'ব। তই জানো থাকিব পাৰিবি তাৰ অবিহনে?

ঃ জয়কাই মোক আপুনি এতিয়াও বিশ্বাসত লোৱা নাই নেকি?

সেহাইছে বিচিত্ৰাই।

ঃ ৰুক্মু মোৰ বেয়া সময়ৰ সপোন জয়কাই। মোৰ ধুনীয়া সপোনটোৰ আগচোতালত এজনী ৰঙচঙীয়া পখিলা। তাই উৰি ফুৰে মনৰ উলাহত। ফুলৰ মৌ চুঁহি ধুনীয়াজনী হয় তাই। বৰ আলফুল তাইৰ পাখিবোৰ। কপাহ কোমল শৰীৰ। পাখিবোৰ কেনেবাকৈ নষ্ট হ'ব বুলি পখিলাজনীৰ কাষত পহৰাদাৰী।

বুজি নাপায় জয়কায়ে বিচিত্ৰাৰ স্বগতোক্তি। এই ধুনীয়া সপোনটোৰ অনেক কথা। মই চুই থাকো। আপোনাক এই সপোনটোৰ কথা ক'ম মই।

শুনিছিল জয়কায়ে বিচিত্ৰাৰ মুখে জীয়াসাধু। অবাক হৈ চাই ৰৈছিল তেওঁ বিচিত্ৰাৰ মুখলৈ।

ঃ মোৰ জীয়াই থকাৰ হেঁপাহ নোহোৱা হ'লেও এই ধুনীয়া সপোনটোৱে মোক খেদি ফুৰে বাবেই আপোনঘাটী হ'ব নোৱাৰো। টান নৰীয়া এটাও নহয় মোৰ।

ঃ নকবা তেনেকৈ? সময় বেয়া আছিল তোমাৰ। ভগৱানে তোমাৰ মনত কুৰূপ দৃষ্টি দিছিল।

ঃ তুমি মোক ঘিন কৰা নাই জয়কাই? তোমাৰ মোলৈ খং উঠা নাই?

ঃ নাই বিচিত্ৰা। তৰপে তৰপে তুমি দুখৰ বোজা বহন কৰিছা। কান্দি কান্দি ভাগৰিছা। ইয়াৰ পিছতো যদি তোমাক ঘিন কৰো মই অমানুহ হ'ম।

গাটো যেনেতেন তিয়াই ভিতৰ সোমালহি বিচিত্ৰা। চুনুৰ মাকে পৰ্দাখন সামান্য চপাই বিচিত্ৰালৈ চোৰা চকুত পৰিল তাইৰ। চুনু বাহিৰলৈ অহা নাই। হয়তো মাকে দিয়া নাই। চকুৰ আগতে সলনি হোৱা মানুহৰ মনবোৰলৈ যেন পুতৌ জাগে বিচিত্ৰাৰ। থাপনাখনত মূৰ দোৱালেগৈ তাই

...."প্ৰভু মোৰ ভুলৰ শাস্তি মই খুজিছিলো। শাস্তি মূৰ পাতি লৈছো।"

বিষে কোপে জ্বৰ উঠিল তাইৰ। ধুনীয়া সপোনটোৰ সৈতে ওমলে তাই।

ভয় বাঢ়ে বিচিত্ৰাৰ। তাই বাৰু এনেকৈয়ে শেষ হৈ যাব নেকি? ফুল আৰু কণক তাই লগ পাবনে? অভিমান এবোজাই তাইক চুৱেহি যেন....."এবাৰো বিচাৰি নাহিলি কিয় মোক কণ? এবাৰ যদি তই মোক ক্ষমা কৰিলিহেঁতেন সকলো আগৰদৰেই হৈ উঠিলহেঁতেন। বছৰ বছৰ বাগৰি গ'ল। প্ৰতিদিনে তহঁতৰ বাবে হাবিয়াস। নপৰেনে মনত তহঁতৰ? ফুল তই সঁচাকৈ পাহৰি গলিনেকি মোক। ঘুনুক-ঘানাক্ কৈ গাঁৱত ওলোৱা খবৰবোৰ জানো তই পোৱা নাই কণ? তথাপি মন নাযায় এবাৰ মোক চাবলৈ? মই কৰা পাপৰ বাবে তহঁতি দিয়া অভিশাপ মোৰ দেহে দেহে লাগিছে। মই ইয়াতেই জাহ যাম। এবাৰ আহ মোক চাবলৈ। এবাৰ আহ তহঁত। ফুল, এবাৰ বুকুৰ মাজত সোমাহিচোন তই। নোহোৱা হৈ যাব সকলো আশা। এবাৰ...."

মনত পুনৰাই বান্ধে বল। ধূপডাল ঘূৰাই পুৱামুৱাকৈ গুজি দিয়ে বিচিত্ৰাই। চুৱেটাৰ এটা গুঁঠিবলৈ ৰং মিলায় লয় তাই। সকলোৱে পাহৰিলেও নাপাহৰে তাইক ককায়েকে। ককায়েকে প্ৰতিশ্ৰুতি দিছিল মাক-দেউতাকক বিচিত্ৰাক নিঠৰুৱা নকৰো বুলি......সন্মুখত থিয় দি আছে ককায়েক।

ঃ ককাইদেউ...

ঃ তোৰ মুখে সঘনাই আমনি কৰে। গুছি আহিলো। তোৰ ভাড়াঘৰলৈকে গৈছিলো। ইয়াৰে ঠিকনা দিলে।

কৈ যায় তাই এফালৰ পৰা ৰুক্মুৰ স'তে সংসাৰ কৰি পোৱা তিক্ততাবোৰ। কৈ যায় ৰুক্মুই তাইক দৈনন্দিন চেপি খোৱা অত্যাচাৰবোৰৰ কথা। কৈ যায় ৰুক্মুৰ নতুন সংসাৰখনৰ কথা। কৈ যায় সি বাপেকী হোৱাৰ কথা....

ঃ ভুল কৰিলি তই বিচিত্ৰা। ভগৱান সদৃশ আপোনভোলা কণৰ বুকুত চুৰী বহোৱাই থৈ আহিলি। ফুলজনীক মাতৃহাৰা কৰি থৈ আহিলি। আমাক গাঁৱৰ মানুহৰ আগত মুখ উলিয়াব নোৱাৰা কৰি থৈ আহিলি। এয়া আমাৰ পৰিয়ালৰ সাতটা

পুৰুষতো নোহোৱা বদনাম। যেতিয়া এই খবৰ পাই সেইখন ঘৰলৈ গৈছিলো কণে চুৰাপাতনিৰ কুকুৰদৰে খেদি দিছিল মোক। ফুলে মামা বুলিবলৈ ভয় কৰিছিল মোক। ধুমুহাত যেন গছৰ পাত সৰিছিল। তোক সেইদিনাই মৃত বুলি মানিছিলো মই। কিন্তু মনে মনে তোক বিচাৰি ফুৰিছিলো মই। মইতো জানো ভনী তোক। তই আনে ভবাৰ দৰে নিষ্ঠুৰ নহয়। তই পাষাণ মাতৃ নহয়। ভুলৰ বলী হৈ এই কাম কৰিলি তই। আই-পিতাইক কথা দিয়াৰ দৰে তোৰ ভুল মোহাৰি তোক সামৰি ল'বলৈ বিচাৰি ফুৰিছিলো মই। কিন্তু মই সমাজত থাকো বিচিত্ৰা। সেই সমাজৰ কঠোৰ ৰীতি নীতি উলংঘা কৰি তোক মই কলৈ লৈ যাম। তই গাঁৱৰ বাবে পাপৰ বোজা। বৌৱেৰক কৈছিলোগৈ তোৰ কথা। বৌৱেৰে গোটেই ৰাতি তোৰ পাপৰ কথা সোঁৱৰালে। সেইদিনা তোক চুই যোৱাৰ বাবে শান্তিয়নী পানী আনি মোক গা ধোৱালে। ঘৰ শুচি কৰিলে। বাৰে বাৰে ল'ৰাটোৰ শপত দি তোৰ কাষ নচপাৰ কথা ক'লে। তথাপি মই আহিলোগৈ। দুদিনমানৰপৰা তোৰ মুখখন মনত পৰি মোৰ গা চেবালে। মই নহাকৈ থাকিব নোৱাৰিলো।

উচুপনি বাঢ়ে বিচিত্ৰাৰ।

ঃ তোক লগ পোৱাৰ পিছতে ফুল পঢ়া কলেজৰ সন্মুখত থিয় দিলোগৈ। সকলো খবৰেই ৰাখিছিলো মই সেইখন ঘৰৰ। সাইলাখ তই যেন। চাদৰ মেখেলাযোৰ পিন্ধি কান্ধত বেগটো লৈ তাই লগৰবোৰৰ লগত ওলাই আহিছে। মোক চিনি পাইছে তাই। তাই এতিয়া তাহানি "মামা মোৰ কাৰণে কি আনিছা? "বুলি কোলাত জপিয়াই ফুৰা ফুলজনী নহয় যদিও তাইক দাংকোলাকৈ ল'বলৈ মন গৈছিল মোৰ। মই আশাকৰাধৰণে তোৰ কথা একোৱে নুসুধিলে তাই মোক। একোৱে নুসুধিলে। দুদিন বাটতে ভেটাভেটি হোৱা কণে মূৰ তুলি নাচালে এবাৰো। তই সিহঁতৰ মনৰপৰা মৰিলি। মনত নেপেলায় তোক সিহঁতে। কিন্তু তই মোৰ আইৰ সন্তান। এক গৰ্ভত আমাৰ জন্ম। তোৰ গা বিষালে মোৰো গা বিষায়। মই যে নোৱাৰো তোক তেনেকৈ মচি পেলাবলৈ......

চকুপানী বাধা দিব পৰা নাই বিচিত্ৰাই। দৌৰি যেন গুছি যাব কৰবালৈ। প্ৰতিদিনে ট্ৰেইনৰ উকিয়ে বুকুত দিয়া বিষে কোঙা কৰে তাইক। পৰি দিবগৈ সেই ৰেললাইনটোত। নিথৰ সকলো। তাৰপিছত বুলি একোৱে নাথাকিব। সাজু হৈ উঠে তাই। নিজৰ বিদায়ৰ প্ৰস্তুতি নিজে কৰে। সেইসময়তে ভুমুকিয়াই যোৱা মুখ দুখনে যে তাইক টানি বহোৱাই থয়।

উফ্ মৰিবলৈও নিদিয়ে তাইক কণ আৰু ফুলৰ মুখ দুখনে। জীয়াই থকাৰো ইমান যাতনা। কৰ ঘিণ কৰ মোক তহঁতি। বছৰে বছৰে জীয়া যাতনা সহি সহি তহঁতৰ বাবেই প্ৰাৰ্থনা কৰিম মই। কুশলে থাক তহঁতি। নালাগে মোক মনত পেলাব ফুল। নালাগে মোৰ বাবে কান্দিব তই কণ। তহঁত ভালে থাক। ভালে থাক.......

সিপাৰে ৰৈ

পাৰিছিলনে কণে সেই আঘাত সহ্য কৰিব? ভাবিছিলনে সি সি সবাতোকৈ সুখত ৰাখিম বুলি প্ৰতিশ্ৰুতি দিয়া বিচিত্ৰাই এনেকৈ তাক বাকৰুদ্ধ কৰিব বুলি? ইমান সৰলতাৰে ভৰা মুখখনৰ আঁৰত এই কাৰ্যৰ উমান অনুভৱ কৰা যায়নে?

সদায়ৰ দৰে কণে বিচিত্ৰাই বাৰী চোতাল পৰিষ্কাৰ কৰি থকা বুলিয়ে ভাবিছিল। গাখীৰ খীৰোৱাৰ আগত মাত দিয়ে এবাৰ। তেতিয়াই ফুলক জগাই দিয়ে সি। বেলি মূৰৰ ওপৰত উঠিল। বেৰৰ জলঙাৰে অহা পোহৰে কোঠাটো পোহৰ। সেই পোহৰত ফুলে নিজেই সাৰ পালে। গাইজনীৰ উহাৰ টনটনাইছিল। তাই বেবাইছে। গড়ালত হাঁহ, কুকুৰাকেইটাৰো চিঞৰ বাখৰ।

ঃ কলৈ গ'লনো এইজনী?

পদূলি সাৰি আছেগৈ কিজানি?

চোতালখন সাৰি থোৱাৰ চিন নাই। দমকলৰ পাৰতো বাচন পৰি থকা নাই। পায়খান ঘৰৰ টিনটো থোৱা ঠাইতে আছে। ৰিঙিয়াই মাতিলতো কোনো সঁহাৰি নাই। ইফালৰ পৰা সিফাললৈ দৌৰি মাকক বিচাৰিছে ফুলে। কণে চাইকেলখন লে গাঁৱৰফালে ঢপলিয়াইছে কিজানি কাৰোবাৰ ঘৰত আছেগৈ। নাই বুলিয়ে দেখদেখকে মানুহজনী নোহোৱা হৈ কলৈ যাব? কান্দি গছৰ পাত সৰোৱাইছে ফুলে। ভোকে পিয়াহে লেবেজান ফুলক খুৱাকে দাংকোলাকৈ লৈ গৈছে ঘৰলৈ। আপোনঘাটী হৈ মৰিবলৈ বিচিত্ৰাৰ জানো কিবা দুখ আছিল।

"ৰুক্মলৈ পলাল।"

ফুচফুচনিটো যেন বতাহত উৰিল। কণৰ কাণত সোমালগৈ। উফ্ বিচিত্ৰা......তোক ....নিমিষতে আৰম্ভ হ'ল যেন বা মাৰলি এজাক। চালে-বেৰে ঘপিয়াই গ'ল কণে। ভয়তে পিছুৱাইছে গঞা। দৌৰি আহিল ফুল। বাপেকৰ এনে ৰূপ দেখা নাই তাই। কাষ চাপিবলৈও ভয় তাই। মোমায়েক,খুৰাকহঁতে কণক সৈমান কৰিব পৰা নাই। অৱশেষত বহি পৰিছে কণ।

ঃ বিচাৰ খোচাৰ কৰিব লাগে। কলৈনো যাব সিহঁত? ধৰি আনি প্ৰায়শ্চিত কৰিব লাগে। যেনিতেনি চাইকেল মাৰিলেই সিহঁতৰ খবৰ পাবি...

ঃ দৰকাৰ নাই। কোনো নাযাবি তাইক বিচাৰি । তাই যদি এনে ভুল কৰিছে এই মুহূৰ্ত্তৰেপৰা তাইৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তাই মৰিছে। তাই মৰিছে......

দৌৰি সোমাইছেগৈ কণে পাকঘৰলৈ। ছাঁই লগা চৰু, কেৰাহী বাহিৰলৈ দলিয়াইছে সি। কটাৰী এখনেৰে চুঁচিবলৈ ধৰিছে। বালি এসোপা চপাই চিকচিকিয়া কৰিছে।

ঃ নাপায় কণ....তই ধৈৰ্য ধৰ.....কণ...উঠ....

হৰেশ্বৰী বৰমাকে তাৰ গাত হাত দিছে।

ঃ দেউতা.......কোনোবাই কোলাত তুলি লৈছে তাইক।

ঃ মা....মা....

কোলাৰ পৰা খহাই ফুলক হাততে পোৱা এচাৰিৰে দুকোবমান বহোৱাই দিলে কণে।

ঃ মাৰক মাত। কোন মায়েৰে আছে তোৰ? বেলেগ মতা বিচাৰি মায়েৰে ঘৰ এৰিছে.....তহঁতি কি চাই আছ? মই বিহু পাতিছো ৰং চাবলৈ? একো হোৱা নাই ইয়াত। যা ঘৰাঘৰি যা....

উচুপি পিৰালিত বহি থকা ফুলক দাংকোলাকৈ লৈ ভিতৰ সোমাই দৰ্জাখন বন্ধ কৰি দিয়ে কণে......

বাপেকক দুনাই সুধিবলৈ ভয় কৰিছে ফুলে। তাই বুজিছে মাকে এটা ডাঙৰ জগৰ লগাইছে। সেয়ে মাকলৈ দেউতাকৰ এনে খং। "মা বাৰু কলৈ গ'ল?" দেউতাকে দেখোন মাকক বিচাৰি হাবাথুৰি খাইছিল। ভিতৰলৈ ফুলক দাংকোলাকৈ লৈ যোৱা কণে এইবাৰ উচুপিছে। তাই দেউতাকক তেনেকৈ কন্দা কেতিয়াও দেখা নাই। দেউতাকে তাইক জোৰেৰে সাৱটি ধৰিছে। দেউতাকে কোবাই ৰঙা কৰা ঠাইডোখৰ মোহাৰি দিছে। কি ক'ব কণে তাইক? ফুলে সুধি থকা প্ৰশ্নৰ উত্তৰ কেতিয়াবা দিব পাৰিবনে তাইক? নিষ্পাপ এখন মুখ। পৃথিৱীৰ জটিলতা তাইৰ মন মগজুৰে ঢুকি নাপায়। নুবুজে তাই পাপ কি পূণ্য কি? ৰুক্মই আনি দিয়া চকলেট চুহি চকলেটৰ দৰেই মিঠা বুলি ভৰা তাইৰ ৰুক্ম খুৰাকে তাইৰ মাকজনীক লৈ গৈছে সিহঁত দুয়োৰে কাষৰপৰা। বিচিত্ৰাও গুছি গৈছে ঘৰখন উদং কৰি। কেনেকৈ পাৰিলি তই বিচিত্ৰা? ছয়বছৰে সংসাৰ কৰি মোক নুবুজিলি? মোক মৰি মৰি জী থাকিবলৈ এৰি গলি। ফুলজনী...? তই এবাৰো নাভাবিলি তোৰ অবিহনে তাই কিদৰে থাকিব? এবাৰো নাভাবিলি পুৱা শুই উঠি তোক নেদেখিলে তাই যে কান্দিব? তোক সুখী কৰিবলৈ দুহাতেৰে আঁজুৰিছিলো। দেখা নাই তই ভাইটোৱে শিক্ষাৰ বলেৰে ডাঙৰ চাকৰি পাই দুখীয়া ককায়েকলৈ পিঠি দিয়া? নিজৰ বেলিকা নহ'লেও ফুলক ভাল স্কুলত দি পঢ়ুৱাৰ সংকল্প লৈছিলো মই। ভাবিছিলো কিছু টকা সাঁচিব পাৰিলে ঘৰৰ খেৰৰ চালিখনৰ ঠাইত টিনপাত লগাম। চৌকাত কেঁচা খৰি ফুঁৱাই ভাত ৰান্ধিবলৈ পালে যে তোৰ খং উঠে...! দুই এদিনতে গেচৰ চোলাটো লৈ অহাৰ কথা আছিল। লাহে লাহে ইকৰাৰ বেৰাৰ ঠাইত ইটাৰ গাঁথনি....পৰিকল্পনাবোৰ পানী কৰি গুছি গলিগৈ তই। কেৱল ৰুক্মৰ সুঠাম দেহাটোৰ মোহতেই গলিনে? ৰুক্ম ডেকা। আমি এটা পৰিয়াল। কোন সময়ৰ সুৰুঙাৰে ৰুক্মই আমাৰ পৰিয়ালটোলৈ বিহ চটিয়ালে? তই কেতিয়াও সুখী নহৱ। কেতিয়াও।

ঃ দেউতা...মোৰ ভোক লাগিছে।

চাউল দুকাপ ধুই পানী গৰম হোৱালৈ বাট চালে সি। আগে পিচে বিচিত্ৰাৰ চোৱা গাৰ তিনিদিনত ভাত ৰান্ধিছে সি। বিচিত্ৰাই দূৰৈৰপৰা ইটো সিটো শিকাই থাকে। ফুলে অকণি হাতেৰে দেউতাকক সহায় কৰে। খৰিডালেৰে ফুটছাঁইবোৰ একোবাৰ উকটি দিয়ে কণে। ফুলে পীৰাখনতে বহি টোপনিয়াইছে।

ঃ টোপনি নাযাবি ফুল। ভাত হৈছে দেই। আহ মোৰ কোঁচলে আহ।

এটেপা দুটেপা কৰি কণে ফুলক খোৱাই দিয়ে ভাত। কোলাতে টোপনি যোৱা ফুলক সাৱটি থাকে কণে। মোহাৰি দিয়ে

মুখ। গোটেই দিনটো লঘোণে ভোকে থকা মুখখন শেঁতা। মাকক বিচাৰি কান্দি থকাৰ বাবে চকুৰ পতা ফুলি আছে। বিছনা তেনেকৈয়ে আছে। আঁঠুৰাখন দাঙি ফুলক বিছনাত শুৱাই কাপোৰবোৰ ঠিক কৰি দিলে সি। বাহিৰত কোনোবাই খবৰ ল'বলৈ আহিছিল বোধকৰো। ওলাই নাহিল সি। বিচিত্ৰাই ফুল টোপনি যোৱাৰ পিছতো প্ৰাৰ্থনা আওৱায় থাকে। সিও মনত পেলাবলৈ ধৰিলে এফাঁকি। ভোক লগা নাছিল তাৰ।

কাম বাঢ়িছে কণৰ। ফুলৰ বাবেই গাখীৰকণ খীৰায় সি। ফুলে গঁড়াল খুলি দিয়ে হাঁহ কুকুৰাৰ। দেউতাকৰ পিছে পিছে ছাগলীকেইজনী এৰাল দিবলৈ যায়। নৈৰপাৰত বলধ দুটাক এৰাল দি আহেগৈ কণে। পাহৰি থাকে সি ফুলে যে একো খোৱা নাই। খৰখেদাকৈ ভাতৰ চৰু পাতেগৈ।

ঃ দেউতা মাক ৰুক্ম খুৰাই পলুৱাই লৈ গৈছে। খুৰা-খুৰীয়ে কথা পাতি থকা মই শুনিছো। কিয় লৈ গৈছে দেউতা? কিয়? মাক লৈ আন।

পুৱাৰেপৰা ফুলে জেদ ধৰিছে মাকক আনিবলৈ। কণৰ পিচে পিচে থেন্ থেনাই ঘূৰি ফুৰিছে।খঙটো সঘনাই উঠে আজিকালি। সেইদিনাও সি ফুলক ভালকৈয়ে ঘটালিলে। ৰাতিলৈ জ্বৰ উঠা ফুলে ভ্ৰম বকিছিল। গোটেই ৰাতি ফটাকানি তিয়াই ফুলৰ কপালত দি দি সি উজাগৰে বহি ৰ'ল ফুলৰ কাষত। এনেকুৱা ভয়ংকৰ জ্বৰ ফুলৰ উঠা নাই আগতে। তাৰ আঙুলিৰ চাপবোৰ কণমানি ফুলৰ গাত জিলিকি আছে। বুকুখন বিষায় উঠে কণৰ। কি দোষ তাইৰ? মাকক পাহৰি যাবলৈ মাকৰ ভুল বুজিবলৈ তাইৰ বয়সেই বা কিমান? উফ্ বিচিত্ৰা পাষাণী নাৰী তই। এনে দিন তোৰ বাবেই আহিল। মই কিয় মাৰিছো তোক ফুল? তই মোক নুসুধিবি অ এই মানুহজনীৰ কথা। এই মানুহজনীৰ কথা সুধিলেই মই হিংস্ৰ হৈ উঠো। জীৱনত মই পোনাব নোৱাৰাকৈ এই মানুহজনীয়ে মোক কোঙা কৰি পেলালে। মই নামাৰো তোক কোনোদিনে। মই প্ৰতিজ্ঞা কৰিছো এই মানুহজনীৰ অভাৱ তোক কোনোদিনে অনুভৱ কৰিবলৈ মই নিদিওঁ। টোপ পৰিবলৈ নিদিয়াকৈ তোক ডাঙৰ কৰিম মই। কোনেও মাৰে এৰি থৈ যোৱা বুলি তোক মূৰ তুলি কথা ক'ব নোৱাৰাকৈ গঢ়িম মই। পুৱতি নিশালৈ জ্বৰ কমা ফুলৰ কাষতে টোপনি গ'লগৈ সি।

দহদিন কামলৈ যোৱা নাই সি। পুৱাই সি ভাত ৰান্ধিলে। ভাততে দিয়া দুটা আলু আৰু কণীটো সি বাটি এটাত বখলিয়াই নিলগে থলে।

ঃ ফুল, মই আজি কামলৈ যাম। সোনকালে আহিম দেই। আঁহোতে গৰুকেইটা লৈ আহিম। ছাগলীকেইজনী তই খুলি দিবিগৈ আবেলিতে। হাঁহ কুকুৰাৰ গড়ালটোৰ দাং ডাল পেলাই দিবি দেই।

ঃ উম...

কণৰ লগতে পীৰা এখনত বহি অকণ অকণ ভাত খাই থাকে তাই।

ঃ তোলৈ কাঁহীতে ভাত আৰু আলু,কণী থৈ দিছো। ভোক লাগিলে খাবি দেই। খুৰীয়েৰক যেতিয়াই তেতিয়াই বিস্কুট খুজি নাথাকিবি। আজি মই তোলৈ বিস্কুট লৈ আহিম।

কণে দূৰৈৰপৰাই দেখিছিল নঙলাডালতে ভৰি দুলাই ফুল বহি আছে। তাক দেখি দৌৰি আহিছে। আগধামত বহোৱাই সি চোতালতে দুপাকমান ঘূৰাই তাইক।

ঃ তই ঢাৰিখন লৈ বহ। আজি মই তোলৈ আৰু কিতাপ আনিছো। এইবাৰ স্কুলত নাম লিখিব লাগিব নহয়। ক , খ লিখিব নাজানিলে স্কুললৈ যাবলৈ নিদিব নহয় মাষ্টৰে। ভাল ছোৱালী স্কুললৈ যায়। মই বেগ আনি দিম। চাইকেলত বহি ফুল স্কুললৈ যাব।

ঃ মই জানো দেউতা.....অ ...অমিতা....আ....আম...

আৰু এয়া ক, এয়া খ.....

ঃ আমাৰ ফুলে লিখিব জানে। উম আৰু লিখ....গ...গ টো এনে....কু...ৰা.......নাল এডাল লগাই দে....উম...উম্ হৈ গ'ল......

ফুলে ভয় খালে মাকৰ কথা উলিয়ালে কিজানি দেউতাকৰ অকৰা খঙটো উঠে। দেউতাকক নক'লে তাই মাকে তাইক ক,খ লিখিবলৈ শিকোৱাৰ কথা।

ফৰিংফুটা জোনাক সৰিছে বাহিৰত। জোনবাইজনী বৰকাঁহীখন হৈ দুলিছে আকাশত। তামোলৰ ছাঁবোৰ দীঘল হৈ

পৰি ৰৈছে পদূলিত। ফুল টোপনিত। গৰু-ছাগলীবোৰ এবাৰ চকু ফুৰাই আহিলেগৈ কণে।পিছফালৰ দুৱাৰখনত দাং দি বিছনাত পৰিলগৈ সি।

বিচিত্ৰা নোহোৱা হোৱা তিনিমাহেই হ'ল। এই তিনিমাহে সি এক পলো শান্তিত থাকিব পৰা নাই। বিচিত্ৰাক বাৰে বাৰে সুধিবৰ মন যায় তাৰ কিয় এনে কৰিলে তাই? গাঁৱৰ মানুহে সমিধান দিছিল তাক। পুলিচ লগাই বিচাৰিলে সন্ধান পাব সিহঁতৰ। নাই। নালাগে তাক জোৰ কৰি লোৱা সম্বন্ধ। পেটৰ সন্তান এৰি লোকৰ ঘৈণী হ'বলৈ যোৱা নাৰীতকৈ বিষাক্ত আছেনে? তথাপি মনে কয় তাৰ আহক এবাৰ তাই। সি ক্ষমা কৰি সামৰি ল'ব তাইক। তাই গুছি যোৱাৰ পিছত সকলো খেলিমেলি হ'বলৈ ধৰিছে। শুকাই পৰা তাৰ মুখলৈ চাই বিজয়ে তাৰ হাতত তুলি দিয়া মদগিলাচ একেসোঁহাই গিলিছিল সি। কোনোদিন মদ নোখোৱা কণৰ মূৰটো ৰিমজিম ভাব এটাই হেঁচিছিল। আস্ কি আমেজ এই ৰাগীৰ। গিলাচে গিলাচে গিলিলে সি। পুৱাই কামলৈ আঁহোতে গিলি লোৱা মদৰ নিচাত সি যেন উৰি উৰিহে কাম কৰিব। থুৱাই দিয়ে সি বিচিত্ৰাৰ গাত। থুই তোৰ দৰে (অশীল) মাইকীৰ বাবে কিয় কান্দিছো মই। এই কণে আৰু নাকান্দে।

নঙলাডালত বহি বাপেকলৈ মূৰ তুলি চাই থাকোতেই এন্ধাৰে চুলেহি। ভয় ভাব এটাই হেঁচি ধৰাত তাই খুৰীয়েকৰ কাষ পালেগৈ।

ঃ ফুল....অ ফুল....

নঙলামুখত সেয়া দেউতাক। দৌৰিছিল ফুলে। চাইকেলৰপৰা কথমপি নামিছে কণ। দোৰোলখোৱা জিভাৰে কিবাকিবি কৈছে সি। ভয় খাইছে ফুলে। দেউতাকৰ অকৰা খঙটো উঠিছে নেকি? দেউতাক দেখোন বাগৰি পৰিছে চাইকেলৰপৰা নামিব খুজোতে.....

ঃ খুৰা.......

ঃ মান সন্মান সোপাকে খালি আমাৰ। এইবাৰ মদত ধৰিলি।

ঃ ধুই....তোক কোনে মাতিছে মোৰ ঘৰলৈ? তই ডাঙৰ অফিচাৰ। আমি কাঠফলা মিস্ত্ৰি। তই পঢ়া-শুনা কৰা ডাঙৰ মানুহ....মই চকু থাকিও অন্ধ মানুহ। যা....সব যা....মোক এৰি....বিচিত্ৰা গ'ল। তহঁতিও যা....অকল ফুল থাকিবি মোৰ লগত....ফু...ল.....অ ফু..ল....মোৰ ফুল অ.....তই মোক এৰি নাযাবি দেই মাৰৰ দৰে......আহ মোক তুলি ধৰহিচোন। মই উঠিব পৰা নাই। আহ....আক......মোক ধৰ......এয়া তোলৈ বিস্কুট .....আহ ....মোক ধৰহি.....

অকণি হাতেৰে দেউতাকক তুলিবলৈ চেষ্টা কৰে ফুলে.....

ঃ বিছনাখনৰ খুটাটোত ধৰি থিয় দি আছে ফুল। হয়তো তাই মাতি আছিল তাক। মূৰটো টিং টিঙাই আছে কণৰ।

ঃ তই উঠিলি ফুল?

ঃ অঁ দেউতা। হাঁহ,কুকুৰাৰ গঁড়াল মই খুলি দিছো। কণীও উলিয়াই আনিছো।

দেউতাকক যেন তাই খুঁতিয়াই চাইছেগৈ। আজিকালি সঘনে সলনি হয় দেউতাকৰ আচৰণ। ভয় খালেও তাই যেন বুজিছে দেউতাক তাইৰ আচল।

ৰঙা বগা পিঠিত লোৱা বেগটো পাই ফুলৰ বৰ আনন্দ। তাই তাতে কিতাপ, কলমবোৰ ভৰাই স্কুললৈ যোৱাৰ আখৰা কৰিছে।

ঃ দেউতা তই মিছামিছি স্কুললৈ যা। মই মাষ্টৰ।

এইবাৰ কণৰ পাল। কণে মাষ্টৰণীয়ে শিকাই দিয়াধৰণে পঢ়িছে।

ঃ ক ...খ...গ....

সঁচাসঁচি স্কুলৰ প্ৰথম দিন সেইটো। কণে পুৱাতেই বাসুদেৰ থানলৈ সেৱা আগবঢ়ালে। থাপনাখনত ফুলকো সেৱা কৰোৱালে। ভৰিত নতুন চেন্দেল। বেগত তামোল পান এযোৰ ভৰাই দিলে কণে। আগদিনা বেজীৰে চিলাই দিয়া দুখন বহী। পেঞ্চিল এডাল। আজিকালি তাহানি সিহঁতে ব্যৱহাৰ কৰা মাটিচিলেটত নিলিখে আজিকালিৰ ল'ৰা-ছোৱালীয়ে। বহীখনৰ ওপৰত একোণত কণে নিজেই লিখি দিলে.....“ফুল শইকীয়া”।

ঃ এইটো কি লিখিলি দেউতা?

ঃ তোৰ নামটো।

ঃ মোৰ নামটো এনেকুৰা নেকি?

অভ্যাস নথকা হাতেৰে লিখা আখৰকেইটা থেপাথেপি। প্ৰায় ফাঁক নোহোৱাৰ দৰে হোৱাৰ বাবে কেৰেলুৱাটোৰ দৰে হৈছে।

ঃ ইয়াতকৈ ভালকৈ মই নাজানো ফুল। আখৰ চিনিলে তই তোৰ নিজৰ নামটো লিখিবি দেই ভালকৈ। মোৰ নামটোও লিখিবি।

ঃ আৰু মাৰ নামটো?

নুসুধে তাই দেউতাকক। দেউতাকৰ খং উঠে মাকৰ কথা কৈ থাকিলে। লিখিব। আখৰবোৰ চিনি তাই মাকৰ নামো লিখিব....

ফুল শইকীয়া.....শিক্ষা গ্ৰহণৰ অৰ্ন্তভূক্তি বহীত প্ৰধান শিক্ষকে লিখি পেলালে ফুলৰ নাম। বেগত ভৰাই নিয়া বস্তাটো পাৰি ক শ্ৰেণীৰ চুকটোত ঠাই এডোখৰ ল'লৈগে তাই। বাৰে বাৰে উৎপাত নকৰিবলৈ কৈ গ'ল কণে তাইক। দৌৰ মাৰিলেই ঘৰ পাবগৈ তাই। ছুটী হ'লে আন কেনিও নগৈ ঘৰলৈ যাবলৈ কৈ গ'ল তাইক কণে।

দেওবাৰ দিনটো কণে ঘৰতে থাকে আজিকালি। পুৱাতেই ফুলৰ ইউনিফৰ্ম, আন আন কাপোৰ, তাৰ নিজৰ কাপোৰ, বিছনা চাদৰ আদি চাৰ্ফ দি থয়। দুপৰীয়ালৈ ককালটো টনটনাই উঠে কণৰ।

ঃ আহচোন ফুল হাতী মাউত খেলিম। মোৰ পিঠিত উঠ।

ঃ এনেকৈ নহ'ব। তই থিয় দে....উম এতিয়া মই ক'ম....বইত...বইত....

হাতীৰ ষ্টাইলত হাউলি পৰা কণৰ পিঠিত লাপ মাৰি উঠে ফুল....

ঃ যা....যা...সাৰৌপ...সাৰৌপ...

সেইখন পৃথিৱী বেদনাই চুব নোৱাৰে।

ঃ দেউতা, মই খুৰীহঁতৰ ঘৰৰ পৰা আঁহো।

সোধা নাই তাক ফুলে বিচিত্ৰাৰ কথা। হয়তো বুজিছে তাই মাকে কৰা ভুল অক্ষমনীয়।

ঃ তই আকৌ ঘৰ পাত।

নৰনাথৰ কথাত যেন উচপ খাই উঠে কণ।

ঃ ঘৰ....?

ঃ ঘৰখন ধৰি ৰাখিবলৈ,ফুলক ডাঙৰ কৰিবলৈ মানুহ এজনী আন কণ। কিমান দিন ফুলক আৰ ঘৰে তাৰ ঘৰে এৰিবি। নিজে আৰু কিমান চম্ভালিবি? এজনী চপাই ল'লে সকলো ঠিক হৈ যাব। ফুলেও মাক এজনী পাব আৰু তোৰ ঘৰখনো ঘৰ হৈ থাকিব।

গোটেই ৰাতি নৰনাথৰ কথাবোৰে চক্ৰাকাৰে ঘূৰি আছে কণৰ মগজুত। নতুন মানুহ এজনী সি লৈ আনো বুলিয়েই আনিব পাৰিবনে? নিজে জন্মদিয়া মাকজনীৰে মমতা হেৰালে। নতুনকৈ চপাই লোৱা মানুহজনীয়ে ফুলক জী বুলি গণ্য কৰিবনে? ফুলে "মা"বুলি মাতিবনে? আৰু সি ? কেনেকৈ আদৰি ল'ব তাইক। এইখন দুৱাৰমুখ...বিচিত্ৰাই হাজাৰবাৰ অহাযোৱা কৰা বাট। সৌটো বৰঘৰ ....ঢেকীৰপৰা চৌকালৈ সজাই লৈছিল তাই। এতিয়াও চকুলৈ আহে বিচিত্ৰাই গোহালি পৰিষ্কাৰ কৰিছে। চোতাল সাৰি থাকিলে হোৱা চৰৌপ চৰৌপ শব্দত বিচিত্ৰাৰ গতি সি এতিয়াও পায়। এবছৰতে সকলো সলনি কৰিব পাৰিবনে সি? নতুন মানুহজনীয়ে আহি ফুলৰ উঠি অহা মনটো যদি মাৰি পেলায়? যদি তাই কৈ দিয়েহি...."তোক মাৰে এৰি গৈছে। মই তোৰ মা নহয়..." যদি কণক আঁতৰাই লৈ যায় তাই ফুলৰ কাষৰপৰা?......

উফ্ মূৰটোৱে কাম নকৰে তাৰ। ঘৰখন ধৰানো কি? ঘৰখন সি পাৰিছে চম্ভালিব। দুটা মানুহ। বাপেকটো হৈ সি ফুলৰ তদাৰক কৰিব নোৱাৰিবনে? এমুঠি নিজৰ লগতে খুৱাই দুপৰীয়ালৈ এমুঠি সাঁচি যাওঁৰে। এনেকৈয়ে দেখোন গ'ল এবছৰ। ফুলে আফচোচ কৰা নাই এদিনো। কেইবাদিনো বিচিত্ৰাৰ খঙতে সি ফুলক হাতদিয়াৰ বাবে জলঙা লাগি ৰৈছিল তাই। অকমানি গাটোত যদি কাৰোবাৰ সামান্য আঁচোৰ পৰে সি সহ্য কৰিব নোৱাৰে।

কাষ চাপি আহে কণ ফুলৰ। মুখলৈ চেদেলি ভেদেলি হৈ অহা চুলিবোৰ সি আঁতৰাই দিয়ে। চুই চায় দুগাল। সি ভালপোৱা মানুহজনীয়ে তাক বিশ্বাসঘাটকতা কৰিলে। কি বিশ্বাসত আন এজনী মাইকী সি চপাব? তাৰ প্ৰয়োজনো নাই। কেৱল দেহৰ ক্ষুধা পূৰাবলৈ তাক নাৰীৰ শৰীৰ নালাগে। সি বিচিত্ৰাতকৈ ধনী। তাৰ কাষত ফুল ।

ফুল....সদ্য প্ৰস্ফুটিত এপাহ আলফুল ফুল। যিপাহে সদায়ে কণৰ বুকু জুৰাব। নালাগে আৰু কণক আন নাৰীৰ সান্নিধ্য। কণে ডাঙৰ কৰিব ফুলক..আৰু এইঘৰ বিচিত্ৰাই সজোৱা ঘৰ। হাজৰ ঘিণ কৰিলেও বিচিত্ৰাৰ মুখখনে এটা সময়ত দোলা দিয়েহি তাৰ সন্মুখত। তেতিয়া কেতিয়াবা তাৰ প্ৰচণ্ড খং উঠে। এই সময়ত সন্মুখত ফুলৰ মুখখন......তাৰ খং নুঠিল....

এই ঘৰ বিচিত্ৰাই সজোৱা ধৰণেই থাকক.....

আলতীয়া মাটিৰে ভিতৰৰ মজিয়া লেপি চিকচিকিয়াকৈ মচি বিচিত্ৰা গাধোৱা ঘৰত সোমায়গৈ। তিয়নিখন মেলি ভিতৰলৈ জুমি চায় শুকাইছেনে বুলি! খঙে মূৰত ধৰেগৈ তাইৰ। মজিয়াখন কণৰ ফেটেঙা ফেটেঙ ভৰিৰ চাপ । খোপনি ধৰিব নোৱাৰি দুই এটা খোজ বহিল মজিয়া খলাবমা। ফুলৰো অকণি অকণি খোজ....

ঃ তহঁতি মোক চাকৰণি পাইছ? কৰাকে কৰি থাকিম? দহাই দহাই কৈ গ'লো বোলো ভিতৰলৈ নুসুমাবি। কি মূৰটো থাকে ভিতৰত? শান্তি নাই তহঁতৰপৰা মোৰ।

বিচিত্ৰাৰ খঙটো থামিবলৈ বেছি সময় নালাগে। সিমান সময় বাপেক জীয়েকে নৈৰঘাটৰপৰা মিছা,ভেচেলি,দৰিকণা এভাঁজি আনেগৈ। পাহৰি থাকে বিচিত্ৰাই।

মাটিখিনি খচি ৰৈ আছে কণ। জোখতকৈ পানী বেছি হৈছে। দুই তিনিদিনৰ মূৰে মূৰে মচা মজিয়া কেইবামাহো তেনেকৈ আছে।

ঃ দেউতা, মোকো মাটি-পানী দে। পিৰালি মচোগৈ মই।

ঃ ফুল মজিয়া নুশুকুৱালৈকে ভিতৰলৈ নোসোমাবি দেই।

বোকাময় ফুল। অকণি হাতেৰে পিৰালি মচিছে। ফ্ৰকটো মাটি-পানী লাগি গধুৰ। দুয়ো নৈত গা ধুই অহালৈকে ভিতৰৰ মজিয়াত পানী বিৰিঙিয়ে আছে। ভঁৰাল তলৰপৰা বালি এচৰীয়া আনি ভিতৰৰ মজিয়াত চটিয়ায় দিয়েহি কণে।

এৰা ঘৰ এখন তদাৰক কৰা বৰ টান।

চাই চাই টান বেতকেইডাল বখলিয়াই পেলালে কণে। চালখন চাই নথলে বৰষুণ দিলে থাকিব নোৱাৰা হ'ব। বেতবোৰত লাগি থকা বেতগুটিবোৰ লৈ ফুলে ভঁৰাল তললৈ দৌৰে।

ঘুনুক-ঘানাককৈ খবৰবোৰ বিয়পে গাওঁখনত। কোনোবাই ৰুক্ম বিচিত্ৰাক কৰবাত একেলগে দেখাৰ কথা কয়। কোনোবাই বিচিত্ৰাই কোলাত কেঁচুৱা লৈ ঘূৰাৰ কথাও কয়। শান্ত হৈ থকা কণৰ মূৰটোত ভমককৈ জুই একুৰা জ্বলি উঠে। হাতৰ মেচিদাখন সি জোৰেৰে খামুচি ধৰে। সন্মুখতে পোৱা গছৰ ডাল-পাতবোৰ পুলিয়ে পোখাই কাটে।

বিচিত্ৰাৰ গাত লেঠা হওঁতে কণক প্ৰশ্ন কৰিছিল তাই কেনেকৈ তাই মাক হ'ব বুলি? সি বুজাই দিওঁতে লাজ বাঢ়িছিল তাই। ''ইস্ মানুহে কি ভাবিব? ইমান অভদ্ৰনে ইহঁত?'' হাঁহিছিল কণে। পৃথিৱীৰ সকলো জীৱৰ জন্মপ্ৰক্ৰিয়াৰ আঁৰৰ কথা কণৰ মুখেৰে শুনি মুখ মেল খাই গৈছিল তাইৰ। মাক জীয়াই আছিল তেতিয়া। তলমূৰকৈ ভাত খাইছিল তাই। আছিলনে বিচিত্ৰা ইমান সহজ? সৰলৰেখাডালত কিয় নাথাকিল তাইৰ খোজ? কণ কামলৈ যোৱাৰ পিছত ৰুক্মৰ সৈতে কৰা শৰীৰি খেলত লিপ্ত হওঁতে এবাৰো মনত পৰা নাছিল কণৰ মুখ? কণ ঘৰ আহি পোৱাৰ পিছত নেমু এটা আঁতি নিমখ অকণ দি চৰবত গিলাচ সদায়ে দিছিল বিচিত্ৰাই। সন্দেহৰ অৱকাশ থাকেনে তাত? সি থকা অৱস্থাত চোতালতে থিয় দি গুছি যোৱা ৰুক্ময়ো দিয়া নাছিল সন্দেহৰ বীজ। নিজৰ পৃথিৱীত খেলি থকা ফুলৰ যে বুজি পোৱাৰ বয়সেই নাছিল। নহ'লে কণক ক'লেহেঁতেন ৰুক্মৰ সৰ্বনাশী উদ্দেশ্যৰ কথা। কেৱল ৰুক্মই সৰ্বনাশ কৰা নাই। মূল নায়িকা বিচিত্ৰা। তাই এৰুৱাই থৈ গ'ল ঘৰখনৰ চাল।

দুখীয়া হ'লেও কাৰো ওচৰতে হাত পাতিবলগীয়া নোহোৱা কণ বেয়াকৈ হাৰিল। আনক দেখুৱাই বুকুখন দাঠ কৰি ৰাখিলেও ফুলৰ কাষ চাপিলে সি লেতুসেতু হয়। ফুকলীয়া বয়সতে তাই মাকৰ সান্নিধ্যৰপৰা বঞ্চিত হৈছে। এই সময়ত সকলো কথাই শিকিলেহেঁতেন তাই মাকৰপৰা। মন কৰিছে কণে ফুলে আজিকালি সৰু পেন্টটো পিন্ধিয়ে বাহিৰ ভিতৰ নকৰে। ওপৰ চোলাটো নুখুলা হৈছে তাই। এইবাৰ ন এৰি দহত সোমাব তাই। তাৰমানে ফুল গাভৰু হ'বৰ হ'ল। সৌ সিদিনা কাপোৰেৰে

মেৰিয়াই সি কোলাত লৈ চোতালত ৰ'দ সানিছিল তাইৰ গাত। চকুৰ আগতেই বাগৰি গ'ল বছৰ বছৰ। অথচ পাহৰো বুলিও সি পাহৰিব পৰা নাই কথাবোৰ। আনৰটো যাতনা নহয় এয়া পাহৰি যাবলৈ! বুকুত বাঢ়ি বাঢ়ি যোৱা তাৰ ভিতৰৰ ঘাঁ। শুকালেও সি উমান পায়। বাঢ়িলেও সি তেনেকৈ থাকিবলগীয়া হয়। শুনিছে সি ৰুক্মক বাপেকে তাজ্যপুত্ৰ কৰা বুলি। গা নলৰে কণৰ এইবোৰ কথাত। তাক লগ পালে সিও দুচেও কৰিব।

আজিকালি ফুলে খুৰীয়েকৰ ঘৰলৈ ৰাতিপুৱাৰ ভাগতে কেইবাপাকো মাৰে। ভায়েকটো জন্ম হোৱাৰ পিছতে তাই আনন্দৰ সীমা নোহোৱা হৈছে। কণেওনো কিমান বেৰা দি ৰাখিব? থাকক মাকৰ মৰম নোপোৱা ছোৱালী। কোনোবাই যদি মৰম অকণ দিয়ে পাওক তাই। এলাগী কৰি খোৱাপাতৰপৰা কোনোবাই বস্তু দিলে সি দুখ পায়। পঢ়ালৈ পিঠি দিয়া বুলি তাইক মাজে মাজে দাবী ধমকি নিদিয়া নহয়। চকু ওন্দোলাই ওফোন্দ পাতি নমতাকৈ থকা ফুলক ভাকুট কুটাই নিদিয়ালৈকে পেঁচ নাভাগে ফুলৰ।

গাটো জ্বৰ ভাব এটাই চুই থকাত কণ যোৱা নাই কামলৈ। দেউতাক থকা বুলি ফুলে যাবলৈ মন নকৰিলেও জোৰ কৰি পঠিয়ালে কণে। গাটো বিষ বিষ লাগিছে। বিছনাখনতে সি বাগৰ দিলেগৈ। টোপনি নাহে অসময়ত। চকু মুদিলেও বেয়া চিন্তাহে আহিব মনলৈ। কপোৰবোৰকে ভাজ কৰো বুলি লওঁতেই জেঠী দুটা জপটিয়াই পৰিলহি বাকচটোৰ ওপৰত। সেইটো বিচিত্ৰাই মাকৰ ঘৰৰপৰা অনা বাকচ। ইমান বছৰে সি বাকচটোলৈ মনেই কৰা নাই। বিচিত্ৰাই সিহঁতৰ সামৰণ কাপোৰবোৰ ভৰাই থয় তাত। বুকুখন ধৰফৰাই উঠিল যেন তাৰ। এই বাকচটোত এৰি গৈছে বিচিত্ৰাই স্পৰ্শ। বাকচটোৰ প্ৰতি এক অনামী টানে কণক কাষ চপালে। তলাটো এনেই লগাই থোৱা। খুলি পেলালে সি। আস্ টপ্ টপ্ কৈ চকুলো সৰিছে তাৰ। ভাঁজে ভাঁজে জাপি থোৱা আছে বিচিত্ৰাৰ কাপোৰবোৰ। তাৰ দুটা নতুন বনিয়ন এফালৰপৰা খেপিয়ায় কণে...বুকুখন মোচৰ খাই উঠে তাৰ। ফটোখন বুকুত হেঁচি ধৰে।

নাই বিচিত্ৰা সেইজনী বিচিত্ৰা হৈ থকা নাই।থিয় হৈ থকা কণৰ কাষত ফুলক কোলাত লৈ থকা সেইজনী বিচিত্ৰাৰ লগত আজিৰ বিচিত্ৰাৰ আকাশ পাতাল পাৰ্থক্য। এইখন মুখত সুখ আৰু হাঁহিৰ ৰেখ। সেই সুখ আৰু হাঁহি কণৰ চিনাকি। আজিৰ বিচিত্ৰাৰ মুখত থকা হাঁহি আৰু সুখৰ ৰেখ কেৱল বিচিত্ৰাৰ....ৰাখিবনে সি এইখন ফটো ঘৰত? যিজনী মানুহে প্ৰতিদিনে তাৰ বুকু থকাসৰকা কৰিছে সেইজনী মানুহৰ ফটোখন সি শোৱা বিছনাৰ কাষৰ বাকচটোত থ'বনে? বিচিত্ৰাৰ কাপোৰবোৰ? জ্বলাই দিবগৈ নেকি?

ঃ তোৰ মনটো কেনেকৈ বিচিত্ৰামুক্ত কৰিবি কণ?

কোনোবাই কৈ যায় যেন কাণে কাণে কণক। যিজনী মানুহক পাহৰো বুলি সি বছৰ বছৰ পাহৰিব পৰা নাই সেইজনী মানুহৰ ফটোখন আৰু কাপোৰবোৰ নোহোৱা হ'লে জানো সকলো নোহোৱা হ'ব? সি যে খেপিয়াই থাকে এতিয়াও মাজৰাতি বিচিত্ৰাৰ হাতখন। চোতালৰ মূৰৰ বাঁহৰ চাংখনত যে পৰে পৰে কটায়গৈ উজগৰী ৰাতি। ফুলে নেদেখাকৈ বাৰীত লুকুৱাই থোৱা মদ পী মাতাল হৈ পৰি থাকে। এইবোৰ কিহৰ বাবে কৰে সি? আস্ বিচিত্ৰা তোৰ প্ৰতি মোৰ ইমান মায়া! কোনো কালে নজহা নপমা মায়াত বন্দী কৰি কিয় গ'লিগৈ তই?আহ ...আহ..তই এবাৰ। চাই যা তোৰ অবিহনে কিদৰে সকলো অসাৰ। পৰেনে মনত তোৰ আমালৈ? মই যে চটফটাইছো তোৰ বাবে অস্থিৰ হৈছেনে তোৰ বুকুখন? তোৰ কথা ভাবি যে বাৰে বাৰে মনত পেলাইছো তোক চৰ্চৰণি খাই উঠি ভাবিছনে কণেই মনত পেলাইছে বা বুলি? ৰুক্মৰ সন্তান ধাৰণ কৰি ফুলজনীক পাহৰি গ'লি নেকি তই? আমি তোৰ অবিহনে বৰকৈ নিঠৰুৱা বিচিত্ৰা।

বাহিৰত ভৰ দুপৰীয়াটো পহৰা দি ভাগৰ লাগিল কিজানি মতা কুকুৰাটোৰ। তাৰ ডাকত গা লৰাই বহে কণে। ফুলো আহি পাবহি এতিয়া। তাইক তাৰ এনে ৰূপ দেখুৱাব নোৱাৰে সি। আলফুলকৈ বিচিত্ৰাৰ কাপোৰবোৰ কণে সামৰি থয়। ফটোখনো। মন গ'লেই চাব সি। ফুলেও যদি দেখে ফটোখন দেখক। মাকক মন ভৰাই চাওক তায়ো....

লাজতে দেউতাকৰ মুখলৈ চাব নোৱাৰা ফুলক কণে মাত দিয়াৰ লগে লগে ফেঁকুৰি দিলে।

ঃ মাকৰ কিবা কাপোৰ কানি আছে বা কণ?

ঃ নালাগে খুৰীটি। মই যোগাৰ কৰিছোৱে।

আশীষ আছিল ফুলৰ গাত ভগৱানৰ। নিঠৰুৱা নহয় তাই। গাঁৱৰ ৰাইজখনে তাইক সামৰিছে। খুৰীয়েকেও মৰম নকৰা

নহয়। তথাপি...আজি যদি বিচিত্ৰা থাকিলহেঁতেন! কঠালৰ পীৰাখনৰপৰা চুৰীখনলৈ গাঁৱৰ মাইকীমানুহখিনিয়ে যোগাৰ কৰিছে। তথাপি যেন খালী চৌপাশ। কান্দিবলৈ সুৰুঙা বিচাৰিলে কণে। মানুহবোৰ ঘৰাঘৰি হোৱাৰ পিছত দমকলৰ পাৰত এসোঁতা কান্দি আহিলেগৈ কণে।

" বিচিত্ৰা,ফুল গাভৰু হ'ল অ।"

কৰবাত যেন ফাঁট এটা। ধনটি আৰু ফুলৰ মাজত তফাৎ এটা আঁৰি লয় ধনটিৰ মাক-বাপেকে। আজলী ফুলে বুজি নাপায়। চকুত পৰে কণৰ। দুচকু সেমেকা তাৰ। তথাপি বাধা নিদিয়ে সি ধনটিৰ লগত হলিগলি নকৰিবলৈ। ধনটি ভৱিষ্যতে ফুলৰ পৰিচয় হ'ব সেই আশা দেখে সি। যদি তাৰ কিবা এটা হয়....? সৰু হৈ যায় সি ভায়েকৰ ওচৰতো। ফুলক দমকলৰ পাৰলৈ চোঁচোৰাই নি পিটিছিলগৈ সি স্কুললৈ নগৈ খুৰীয়েকৰ ঘৰত কাম কৰি থকাৰ বাবে কণে। ফুল কলেজলৈ যাব দূৰ্বাৰ হেঁপাহ কণৰ। ফুলক লৈ দেখা সপোন সি মষিমূৰ কৰিব নোৱাৰে। পুৱাৰপৰা ৰাতিলৈ দৌৰিও যেন নাভাগৰে কণ। চাকিৰ পোহৰত পঢ়ি থকা ফুলৰ মুখত কণে জ্যোতি দেখে। তিৰবিৰাই থকা ফুলৰ মুখখন সি চাই থাকে। পঢ়াত বৰ এটা বেয়া নহয় বুলি বাটে-পথে লগ পোৱা মাষ্টৰে কয়। মেট্ৰিকৰ সময়ত টিউচন দিব লাগিব। বাপেকে নেদেখা জগতখন ফুলে দেখক। নিচিনা আখৰবোৰ তাই চিনক।

তিনিবাৰ মাতিও সঁহাৰি পোৱা নাই ফুলৰ। ভিতৰত চালেগৈ কণে। কেতিয়াবা ৰাতি দেৰিলৈকে পঢ়িলে আবেলি শোৱে। সেইভাজে শুলে তাই কণৰ মাততহে সাৰ পায়। ফুলৰ ফাঁকি কণৰ চকুত পৰিলেও সি নেদেখুৱালে ফুলক। আঁৰ চকুৰে চালে বাকচটোলৈ সি। পিছদিনা ফুল স্কুললৈ যোৱাৰ পিছত কণৰ অনুমানেই সঁচা। সি থোৱা ভাঁজটোৰপৰা ফটোখন ওপৰলৈ দাংখাই আছে।

বাকচটো আজিকালি প্ৰায়ে খোল খায়। যেন দুয়ো সুবিধা বুজি বাট চায় এজনৰ অনুপস্থিতিলৈ। এদিন ধৰা পৰিল কণ। পিছুৱাই বেৰখনত আঁওজি ৰ'ল ফুল। স্পষ্টকৈয়ে দেখিলে তাই দেউতাকৰ চকুত চকুপানী।

বুজি উঠিছে তাই দেউতাকক। কিমান ভালপালে মাকৰ স্মৃতি সামৰি থব পাৰে দেউতাকে? একোৱে সলনি হোৱা নাই ঘৰখনৰ সামগ্ৰী। মাকে যেনেকৈয়ে থৈ গৈছিল তেনেকৈয়ে আছে সকলোবোৰ। মাকৰ প্ৰতি টান থকা বাবেই এইখন ঘৰত মাহীমাক এজনী চপোৱাহি নাই দেউতাকে। দেউতাক বাহিৰলৈ উঠি গ'লে সাৰ পায় যায় ফুল। চোতালৰ মূৰৰ বাঁহৰ চাংখনত ওপৰমুৱা দেউতাকৰ বুকুৰ বেদনাবোৰ তাই বুজিবলৈ যত্ন কৰে। একেখিনি বেদনা দুখন বুকুৰ মাজত। অথচ কাকো খুলি ক'ব নোৱাৰাৰ যাতনাত দুয়ো নীৰবে কান্দে।

ঃ নাখাওঁ ফুল...মই আৰু মদ নাখাওঁ। তোক কষ্ট নিদিওঁ। কাওমাওকৈ ফুলৰ হাত দুখন জপটিয়াই ধৰিছে। ফুল যেন কণৰ জী নহয় মাকজনীহে। বিষে হেঁচা মাৰি ধৰা বুকুখন পিঁহি দিয়ে ফুলে। পৰীক্ষালৈ বেছি দিন নাই। কণে যাতনা সামৰিবলৈ চেষ্টা কৰে। তাই পঢ়ক বুলিয়ে ঘৰৰ পৰা ওলাই পথাৰত পৰি থাকেগৈ সি। সাৰি নাযায় ফুলৰ চকুৰপৰা। চহৰলৈ অহা-যোৱা কৰি দেউতাকক পৰীক্ষা কৰোৱা, যতন লোৱা তাৰ মাজতে ফুলে মেট্ৰিক পৰীক্ষা দিলে।

ফুলৰ আফচোচ নাথাকিলেও কণৰ থাকি যায়। তাৰ বাবেই তাইৰ ভবাধৰণে ৰিজাল্ট নহ'ল। খবৰ ল'বলৈ অহা মানুহবোৰৰ বাবে চাহ আৰু খুৰমা যোগান ধৰিছিল কণে। মৰমতে দিছিল ফুলক প্ৰায়বোৰে এশ , দুশ টকা। খুৱাকেও দিছিল। ধনটিয়ে বা পাছ কৰিলে বুলি জপিয়াই তত পোৱা নাছিল।

এনেকুৱা সময়বোৰতে বিচিত্ৰাৰ স্মৃতিয়ে খাই মাৰে তাক। বুকুখনত গেঙনি উঠে। ৰাতি উঠিব খুজোতেই ফুলে মাত দিয়ে...

ঃ আজিৰ দিনটোত মদ নাখাবি দেউতা।

কণে যেন বুজি পায় তাৰ ফাঁকি ধৰা পৰিছে ফুলৰ চকুত।

দেউতাকৰ হেঁপাহবোৰ পূৰাবলৈ অনিচ্ছাস্বত্বেও ফুল চহৰৰ কলেজত পঢ়িবলৈ যায়গৈ।

ভাতকেইটা বাঢ়ি ফুলক মাতিবলৈ ৰৈ গ'ল কণ। তায়ো দেখোন গ'লগৈ মেচলৈ। মনটো সেমেকি গ'ল তাৰ। লিৰিকি বিদাৰি থাকিল কাঁহীখন। ফুলে ঠিকেই কৈছিল তাই নাথাকিলে কণৰ উৰুঙা লাগিব। ঘৰখন নিজান। ধনটি এবাৰ আহিলেও ভাল লাগিলেহেঁতেন। ঘীঁ, মঙহেৰে ভাত খোৱা ধনটিকনো এই লাই জাবৰি ভাত কি খাবলৈ মাতিব? খাবলৈ মন নগ'ল

তাৰো। কাঁহীখন ঢাকি থওঁ বুলি ল'লে কণে।

ঃ তই কিন্তুত নোখোৱাকৈ নাথাকিবি। অসুখ বাঢ়ি গ'লে মই কিন্তু গুছি আহিমগৈ কলেজ বাদ দি।

ভাতৰ কাঁহীখনৰ কাষত যেন থিয় দি আছে তাই। এগৰাহ দুগৰাহকৈ মুখলৈ ভাত নিলে কণে। তাই বা ভাত খালেনে নাই? কলেজলৈ গৈ কেনে বা পাইছে তাই? ঘৰৰ বাহিৰ বৰকৈ ওলাই নোপোৱা ছোৱালীজনী কলেজীয়া হ'লগৈ। তাকো চহৰৰ কলেজ। হ'লেও চিনাকি বহুত। তাইৰ বেয়া নালাগিব। বাটনো কিমানৰ? মন গ'লেই সি চাই আহিবগৈ। তাৰ অকলে থাকিবলৈ বেয়া লাগিব বুলিয়ে তাইক ঘৰত থৈ দিব নোৱাৰে নহয়।

এতিয়া মুকলিকৈ চাই কণে বাকচ খুলি ফটোখন। আলফুলে চুই চায় বিচিত্ৰাৰ কাপোৰবোৰ। ফুলজনী ডাঙৰ হৈ বিচিত্ৰাৰ মুখখন ল'বলৈ ধৰাৰপৰাই সি আৰু বিচিত্ৰালৈ বৰকৈ খং পুহি নাথাকে। বৰকৈ খং ৰাগ কৰি থাকিলে তাইৰ অভিশাপ লাগিব। কিজানি সি দিব নোৱাৰা সুখ তাই বুটলিছে। থাকক তাই সুখেৰে। পাৰ হৈ গ'ল বছৰ বছৰ। ঘূৰি নাহিল তাই। নাহিবও কিজানি! কোনোদিন নজহা নপমা অনুভৱে মেৰিয়াই ধৰে কণক বিচিত্ৰাৰ ভাবনাবোৰ আহিলেই। কেতিয়াবা খঙত একো নাই হোৱা কণ কেতিয়াবা বৰ শান্ত। অদ্ভুত এই মন মানুহৰ। সকলো শেষ হৈ যোৱাৰ পিছতো কিবা এটা যেন ৰৈ যায়। তাৰপৰাই যেন সাজু হয় নিজক থানথিত লগাবলৈ। আঙুলীৰ মূৰত গণিবলৈ লয় সি দিন। আহি পায় শনিবাৰ। আবেলিতে পদূলিত দৰক লাগি থাকেহি কণ। একে উশাহে ফুলৰ কাষ চাপেগৈ সি।

ঃ আহিলি?

ঃ দাড়ি কিয় কটা নাই? যোৱাবাৰে কৈ গৈছিলো।

দোষী দোষী ভাৱত থিয় দি থাকে কণ।

ঃ কাইলৈকে কাটিম।

দুটা মানুহ যেন বহুযুগলৈ লগ হোৱা নাই। কলেজীয়া অভিজ্ঞতা,আবেলিৰ আড্ডা,কোন চাৰে তাইক গুৰুত্ব দিয়ে, কোনে তাই লিখা গল্প কবিতাৰ শলাগ লয় এফালৰপৰা কৈ যায় ফুলে।

ঃ মোমাইদেউক এদিন লগ পাইছিলো দেউতা। মোমাইদেউৰ গাত কিনো দোষ?

মনে মনে ৰ'ল কণ। ফুলৰ ভয় লাগিল। বাপেকৰ খং উঠিব নেকি? তই ভুল কৰিলে নেকি?

ঃ দেউতা...

ঃ হোঁ....ময়ো লগ পোৱা নাই ককাইদেউক বহুবছৰ।

এয়া কি? দেউতাকে মোমায়েকক এতিয়াও ককাইদেউ বুলি কৈছে। খঙ কমিছে নেকি দেউতাকৰ ? মই যে কেতিয়াবাই ধৰা পেলাই থৈছো তোক দেউতা। জীয়া যাতনা বুকুত লৈ মাৰ স্মৃতি কেনেকৈ সামৰিছ মোতকৈ কোনে ভালকৈ বুজিব দেউতা?

ঃ তই একোৱে নুসুধিলি?

ঃ সুধিলো। ভালেই তেওঁলোকৰ। মামীৰো ভালেই। ভাইমন ক্লাচ এইট পালেগৈ। তোৰ কথাও সুধিছিল। ভাল বুলিলো।

ঃ আৰু...

ঃ আৰু একোৱে সোধা নহ'ল দেউতা.....

জয় পৰি যায় যেন কণ। কিয় নুসুধিলি এবাৰো তই মাৰৰ কথা? মই যে সঘনাই সপোনবোৰ দেখো আজিকালি। তাই যেন ভালে নাই। তাইৰ চৌপাশ যেন অন্ধকাৰ।

মুখ ফুটাই ক'ব নোৱাৰে কণে ফুলক। বুজি পায় ফুলে দেউতাকৰ চকুৰ ভাষা। পঢ়ি পেলায় তাই দেউতাকৰ মৌন ওঁঠৰ ভাষা। দেউতা, মোমাইদেউক দেখি ময়ো ভাবিছিলো সুধিম মাৰ কথা এবাৰ। আমাৰ বাবে মায়ে কান্দে নে নাকান্দে নাজানো কিন্তু এবাৰ সুধিলোহেঁতন কেনে আছে মা? মই বোবা হৈ থাকিলো সেই সময়ত দেউতা। মোমাইদেৱে জানো জানে মাৰ খবৰ? তথাপি মই মোমাইদেউক লগ ধৰি সুধিমগৈ দেউতা। তোমাৰ বুকুখনৰ অশান্ত ঢৌবোৰ শান্ত কৰিবলৈকে মই মাৰ কথাবোৰ জানিমগৈ।

কণে বুজি নাপায় ফুলে ইমানকৈ কি লিখি থাকে? পৰীক্ষাও শেষ। মেট্ৰিকৰ দেওনা পাৰ নোহোৱা কণৰ জীয়েকে

বি.এ. পাছ কৰিলে। আনন্দৰ বন্যাত যেন উটি ভাঁহি যাব কণ। নতুনকৈ চিন্তা এটাই লগ দিছে কণক। ফুলৰ দেখোন বিয়া দিয়াৰ বয়স হ'ল। বুকুখন বিষায় উঠে কণৰ। সঘনাই হৈ থকা বুকুৰ বিষটোৱে তাক যদি কেতিয়াবা সিপৰীয়া কৰে কি হ'ব ফুলৰ? কিবা কথা এটাৰ অজুহাতত ফুল বৰকৈ খুৰাকৰ ঘৰলৈও নাযায় আজিকালি। ধনটি দূৰণিৰ চহৰত। অসমীয়া বিষয়ত মেজৰ লোৱা ফুলে দেউতাকক বুজায় মেজৰ মানে কি? বি.এ. ৰ পিছত আৰু ওখ ক্লাছ এম.এ.।

ঃ তই এম.এ.টো নাম লগা ফুল।

ঃ বি.এ. পৰীক্ষাৰ ৰিজাল্ট দিয়ক দেউতা। আৰু এম.এ. আমাৰ কলেজত পঢ়িব নোৱাৰি নহয়। এম.এ. পঢ়িবলৈ গুৱাহাটী নাইবা ডিব্ৰুগড়লৈ যাব লাগিব। তাতে থকা ইউনিভাৰচিটিত নাম লগাব লাগিব। নম্বৰ ভাল পাব লাগিব। চিট পাব লাগিব। আৰু মই চিট পালেও তোক এৰি থৈ ইমান দূৰলৈ নাযাওঁগৈ। মই গাঁৱৰ ল'ৰা-ছোৱালীবোৰক টিউচন কৰিম। চাকৰিৰ বাবে হোৱা পৰীক্ষাবোৰ দি থাকিম।

ফুলৰ নাম উল্লিখনেৰে কণৰ অভিভাৱকত আলোচনী কিছুমান আহে। কণে সুধেগৈ তাইক।

ঃ দেউতা, মই এই আলোচনীবোৰলৈ লেখনি দিওঁ। চা, চা এয়া মোৰ নাম আছে ইয়াত চা। এয়া কবিতা মই লিখা। এয়া গল্প....আৰু এয়া চা মোৰ লেখনি পঢ়ি পাঠকে মোক প্ৰশংসা কৰি লিখা চিঠি।

কণে যেন বুজি পায় ফুলৰ বিশেষ গুণটো। গাঁৱৰ কেইজনৰ ঘৰলৈ এনেকৈ আলোচনী আহে ডাকত? কণৰ বুকুখন অহংকাৰী হৈ উঠে। ফুলে যে কয় সেইবোৰ তাইৰ সৃষ্টি। ইমানবোৰ কথাৰ সি ভু ভা নাপায়। কণে ভাৱে ফুল তাৰ অহংকাৰৰ কাৰণ। চকুৰ পলকতে বাগৰি যোৱা সময়ৰ খোজত ফুলে ভৰি থৈ বহুকথাই শিকিলে। বহু অভিজ্ঞ হ'ল। নাই আৰু ক্ষোভ কণৰ একোৰে প্ৰতি।

ল'ৰা-ছোৱালীবোৰ পঠিয়াই লেম-চাকি যোগাৰ কৰি চোতালখনতে পায়চাৰি কৰি থাকে ফুলে। দেখিছে তাই দেউতাকে যেতিয়াই তেতিয়াই তাই লিখা কবিতা গল্পবোৰ জোঁটাই জোঁটাই পঢ়ি থাকে। নুবুজা শব্দৰ অৰ্থ সুধে। তাইৰ মনটো ভৰি আহে। পাঁচটা বছৰ চহৰত থাকি পঢ়ি আহিলগৈ যদিও তাইৰ পুনৰ গাঁৱৰ পৰিৱেশটোত আসজা লগা নাই। ধনটিলৈ মনত পৰি থাকে। চহৰলৈ মাজে মাজে গ'লে ফুলে ফোন এটা কৰি আহে। খুৰাকে এতিয়া তাইক আগৰ দৰে বৰকৈ খং ৰাগ কৰি নাথাকে। খুৰীয়েকক মাজে মাজে এতিয়াও সহায় কৰে। কিন্তু তাইৰ নতুনকৈ চিন্তা এটা সুমুৱাইছে মূৰত। তাইলৈ খবৰ পঠিয়াইছে শৈলেন চাৰে। "অসম ভিত্তিক উপন্যাস প্ৰতিযোগিতা"ৰ আয়োজন হৈছে। তাত ফুলে অংশগ্ৰহণ কৰিব লাগে। চাৰক লগ কৰিবলৈ ফুল কলেজ পাইছিলগৈ। ৰিজাল্ট দিয়াই নাই এতিয়াও। দিষ্টা কাগজ অলপ কিনো বুলি কিতাপ-বহীৰ দোকানখনলৈ সোমাই গৈছিল ফুল। দুচকু টলবলাই উঠিল তাইৰ। ভাইমনক লৈ মোমায়েক। ভাইমনে কলেজ পাইছেগৈ। এটা বছৰ আগত হোৱাহ'লে ভাইমনক কাষতে পালে হয় ফুলে.....

মোমায়েকে মেলি ধৰিছিল ফুলৰ সন্মুখত মাকৰ যাতনৰ খিলা খিলা পৃষ্ঠা....

আখৰ নহয় যেন সেয়া কোনোবাই যেন নলীয়া কটাৰীয়ে ৰেপি ৰেপি বোৱাই দিয়া তেজৰ চেকা। বুকুখন ত উজাই উজাই অহা বিষ তাই খামুচি ধৰে। মনত আছে ফুলৰ। দেউতাকে তামোল পাৰোতে মাত্ৰ চাৰিটা তামোলৰ থোক এটা মাকৰ পিঠিত পৰিছিলহি। মাকক যেন দাংকোলাকৈহে ল'বহি দেউতাকে। ৰ'দাই থোৱা ধান পাচি অকলে ভিতৰত সুমুৱাইছিল দেউতাকে। সেইজনী মানুহক এটা মাতালে মৰিয়াই মৰিয়াই মঙহ খহালে।নোৱাৰে লিখিব তাই সেই জীয়া ইতিহাস। নোৱাৰে তাই মাকৰ ইমানবোৰ যাতনা লিখিব। সামৰি থয় কলম বহী। দৌৰি বাকচটো খোলেগৈ তাই। সেজে সেজে পৰি থকা ফটোখন চুই চাই বাৰে বাৰে তাই। যাতনাৰ ওপৰি যাতনা সামৰি বছৰ বছৰ মৰি মৰি জী থকা মানুহজনীৰ কাষলৈ তাইৰ দৌৰি যাবৰ মন গৈছে। এই মুহূৰ্ত্ততেই যেন মাকৰ কাষ পাবগৈ তাই। পাৰিবনে দেউতাকে সহ্য কৰিব ? পাৰিবনে মাকৰ মৰা তেজে গোট মাৰি থকা দাগ দেউতাকে চাব? অচিন ঠাইখনত মাকে যি যাতনা লৈ জীয়াই আছে সেইকথা শুনিলে দেউতাকে জীয়াই ৰাখিবনে ৰুক্মক? মাকক যে জীয়াই ৰাখিবই লাগিব। উৰি গৈছেগৈ নিমিষতে ফুলৰ মাকৰ প্ৰতি সমস্ত পুঞ্জীভূত ক্ষোভ, খং নাইবা অভিমান। তাৰ ঠাইত তাইৰ বুকুত বাহ লৈছেহি বেদনাই। সেই বেদনাই কঁপনি তুলিছে গাত। দেউতাকক তাই এই কথাবোৰ কব নোৱাৰে। ভাৰসাম্য হেৰুৱাব দেউতাকে।

ঃ ফুল, শুই থাক অ....

ঃ দেউতা, তই শুই থাক। মই শুমেই আৰু...

নিলিখো বুলিও  পুনৰাই মেলি লয় ফুলে বহীখন। মাকজনী বহি লয় তাইৰ সন্মুখত। দুহাত মেলি উঠি লয় মাকৰ কোলাত। মাকে দেখোন ফেঁকুৰিছে! কি হ'ল মাকৰ? ইমান বছৰৰ পিছতো তাইক লগ পাই আনন্দ নকৰি মাকে কান্দিছে কিয়? বহীখনৰ পৃষ্ঠাবোৰ পানীয়ে বিৰিঙি উঠিছে। চুই চায় ফুলে নিজক। মাক নহয় তাই কান্দিছে।

"যাতনাৰ পৃষ্ঠা"

ফুল শইকীয়া

অপেক্ষা কৰা নাই ফুলে ডাকোৱালটোলৈ। এবাৰো ঘূৰি লুটিয়াই নোচোৱাকৈ বেজী সূতাৰে চিলাই সাধাৰণভাৱেই পঠিয়াই দিছিল তাই আয়োজনক কমিটিলৈ। দেউতাকক কথাবোৰ জনোৱাৰ আগতে মোমায়েকক আৰু এবাৰ লগ পোৱাটো বিচাৰিছিল তাই।

ফুলে নিজৰ পুৰণি বহীবোৰ জাপি থোৱা কাৰ্টুনবোৰ ৰ'দত দিলেগৈ। মাজে মাজে ৰ'দত নিদিলে নিগনিয়ে কুটিব। পুৰাৰেপৰা কাম এসোপা উলিয়াই লৈছে তাই। তাই পঢ়া এম.ই.স্কুলখনৰ ইংৰাজী পঢুৱা চাৰজনৰ গা বেয় বাবে হেডচাৰে তাইক ক্লাচবোৰ ল'বলৈ মাৰি পঠিয়াইছে। পা-পইচা নিদিলেও তাইৰ যোৱাৰ মন এটা নথকা নহয়। কিন্তু মূৰত সকলো সময়তে মাকৰ কথাবোৰে পাক দি আছে। দেউতাকৰ আঁৰ লৈ কেৱল কান্দিছে তাই।

আশানকৰাকৈয়ে ডাকোৱালজনে সিহঁতৰ ঘৰত বেল বজালেহি। আনদিনাৰ দৰে ফুলৰ আনন্দ লগা নাই। দেউতাকক আজিকালি তাই কামলৈ যাবলৈ নিদিয়ে। ঘৰতে কাঠি কামী কৰি থকা দেউতাকেও চাইকেলৰ বেলৰ শব্দ শুনি ওলাই আহিছিল।

ঃ তোলৈ আলোচনী আহিছে নেকি ফুল? দেচোন মোকে। ময়ে পঢ়ো। ৰাতি বৰকৈ নমনো চকুৰে।

ঃ দেউতা আজি বেলেগ এটা খবৰ আহিছে দেউতা। মই উপন্যাস এখন প্ৰতিযোগিতাৰ বাবে পঠিয়াইছিলো। প্ৰথম হৈছো দেউতা। আমাৰ কলেজতে মূল মিটিংখন হ'ব। মোক তালৈকে মাতি পঠিয়াইছে। পুৰস্কাৰৰ ওপৰিও তেওঁলোকে কিতাপ আকাৰে ছপা কৰিব দেউতা।

ঃ ইমান ভাল খবৰ। তইনো কি মেজেঙা মুজোঙাকৈ দিছ?

শোকটো সামৰি লয় তাই।

ঃ অহা সোমবাৰে মিটিং দেউতা। মাজত চাৰিদিন। তয়ো উলাবি।

ঃ মইনো কি কৰিমগৈ?

ঃ কাহিনীৰ নায়ক-নায়িকা আমি দেউতা। তই নিজ চকুৰে দেখিবলৈ পাবি।

দেউতাকে পুনৰাই প্ৰশ্ন নকৰাৰ আগতেই ফুল ভিতৰ সোমাল।

গাত এহতীয়া ফুলৰ গামোচাখন লৈ কণ বহি আছে সভাৰ মাজত। পিন্ধনত সামৰণ পাঞ্জাৱী আৰু পায়জামাটো। চামৰাৰ চেন্দেলযোৰ। চৌপাশে বহি থকা মানুহবোৰ বেচ ভদ্ৰ আৰু শিক্ষিত। মূল মঞ্চখন বৰ ধুনীয়াকৈ সজাইছে। চাৰিটা চুকত চাৰিটা জাপি। মাজভাগত গামোচা ওলোমাই তাৰ মাজে মাজে সোণাৰু কৃষ্ণচূড়াৰ ফুলৰ থোপা ওলোমাই দিছে। গাঁৱৰ বাটে-ঘাটে থকা ফুলবোৰৰ ইমান সৌন্দৰ্য্য আৰু আদৰ আছে বুলি কণে ভৰাই নাছিল। তাক বহোৱাই ফুলজনী জানো কলৈ গ'ল? দেখিলে সি তাই বাহিৰত কাৰোবাৰ লগত কথা পাতি আছে। বয়সীয়াল যেন মানুহবোৰৰ ভৰি চুই তাই সেৱা কৰিছে। কোনোবাই তাইক বিচাৰি থকা কণে গম পাইছে। কণে বুজিছে এই আয়োজন ফুলক লৈ। সি ইমানদিনে ভৰা নাছিল ফুলৰ কলমটোৰ শক্তিৰ কথা। ফুলৰ মন মগজুৰ কচৰতৰ ফচলৰ আদৰে কণক আনন্দ দিছে। সি যেন চিঞৰি ক'ব "মই ফুলৰ দেউতাক"।

ফুল দেউতাকৰ কাষতে বহিলহি। দেউতাক খুব শান্ত হৈ বহি থাকিলেও ভিতৰি অস্থিৰতাত ভুগি থকা কথাটো ফুলৰ চকুৰপৰা সাৰি নগ'ল। বাধ্য ছাত্ৰৰ দৰেই দেউতাকে পিন্ধি পেলাইছিল তাই তুলি দিয়া সাজযোৰ। প্ৰতিবাদ নকৰাকৈ ডিঙিত পেলাই লৈছে গামোচাখন,পিন্ধি লৈছে  চেন্দেলযোৰ। গাড়ীত উঠি চহৰ পাইছেহি তাইৰ খোজত খোজ মিলাই। বহুদিনীয়া হেঁপাহ  এটা ফুলেও পূৰাইছে আজি। মাকৰ সেউজীয়া পাৰিৰ কেঁচা পাতৰ চাদৰ-মেখেলাযোৰ পিন্ধিছে আজি তাই। মাকৰ সুবাস এটা যেন বিয়িপিছে যেনিয়ে তেনিয়ে।

ঃ সময় হোৱা নাই নেকি ফুল?

ঃ হৈছে দেউতা। অকণমান আৰু। মুখ্য বক্তাজন আহি পালেই আৰম্ভ হ'ব।

গম্ভীৰ পৰিৱেশটোত কণে উপলব্ধি কৰিছে ফুলৰ পৃথিৱীখন সুকীয়া। এই পৃথিৱীৰ মানুহবোৰ সিহঁততকৈ বেলেগে। একে খালেও,একে পিন্ধিলেও চেতনাত উপলব্ধ কথাবোৰ বেলেগ।

ফুলৰ নামটো বহুবাৰ উচ্চাৰিত হৈছে মঞ্চত। প্ৰতিবাৰেই বুকুখন ওখ হৈ উঠে কণৰ। এই যে ফুলে কিবা এটা অৰ্জন কৰিছে কণৰ আনন্দখিনি তাৰপৰাই নিগৰিছে। সি বাৰে বাৰে ফুললৈ চায়। তাই গাম্ভীৰ্য্যতা বজাই বহি আছে।

জাউৰিয়ে জাউৰিয়ে চাপৰি সৰিছে। ফুলক গামোচাখন পিন্ধাই দিওঁতে কণৰ ডিঙিত যেন কোনোবাই হীৰাৰ মালা এধাৰ পিন্ধাই দিছে এনে অনুভৱ হৈছে। ঘোষণা কৰিছে ফুললৈ নগদ পাঁচহাজাৰ টকা দিয়াৰ কথা, মানপত্ৰ , শৰাই,কিতাপৰ টোপোলাবোৰ ফুলে দাঙিব পৰা নাই। কোনোবাই সহায় কৰি দিছে। কণে উচপিচাই থাকিলেও উঠি যাবলৈ সাহস কৰা নাই কিবা ভুল হয় বা বুলি।

দৌৰি যাবগৈ যেন কণ। লাজ,সংকোচে আৰৰি ধৰিছে তাক। গাঁৱৰ নামঘৰত ভাওনা-সবাহৰ বাবে পতা মিটিঙতে সি কথা পাতি পোৱা নাই। ইমানবোৰ মানুহৰ আগত কথা ক'বলৈ বাৰু ফুলে কিয় মাতিব লাগে। তাৰ বাবে বেচেৰী লাজত পৰিব আজি।

সাজু হৈ উঠিছে "যাতনাৰ পৃষ্ঠা"ৰ উন্মোচনৰ সময়। মঞ্চত উপবিষ্ট প্ৰত্যেকৰে হাতত একোখনকৈ কিতাপ দিছে। সন্মুখত কেমেৰা। কণে কিতাপখন লৈ থিয় দিব নজনা মানুহটোৰ দৰে ফুলৰ পিছত ৰৈছেগৈ।

উন্মোচকে কৈ যায় থোৰতে। ফুললৈ দি যায় শুভাশীষ। ফুল ৰৈ থাকে স্প্ৰীকাৰটো হাতত লৈ লেখিকাৰ একাষাৰ ক'বলৈ। ইমান সময়ে সবল হৈ থকা মানুহজনী দেখোন নিমিষতে বোবাজনী হৈ পৰিল। সকলোৱে চাই আছে তাইলৈ। কণে মঞ্চত তাক আয়োজক কমিটিয়ে দিয়া গামোচাখন লিৰিকি বিদাৰি চাই আছে জীয়েকলৈ....

ঃ যাতনাৰ পৃষ্ঠা.....

কঁপে ফুল। সেমেকি উঠিছে দুগাল। বাৰে বাৰে তলমুৰা হৈছে তাই। সকলো উদগ্ৰীৱ কি হৈছে তাইৰ। গা-মূৰ বেয়া বুলি কোনোবাই দৌৰি তাইক পানী এবটল দিছেগৈ। তাই উচুপিছে।কণে যেন বুজি উঠিছে সকলো। সি লাহে লাহে মঞ্চলৈ উঠি যায়। ফুলৰ পিঠিত হাত থয়। কৈ যায় লাহে লাহে....

বয়স আঙুলৰ মূৰত। সৌ সিদিনা কলেজ পঢ়িবলৈ গৈছিল ফুল। মানুহবোৰে বাৰে বাৰে শলাগ লৈছিল কিতাপখনৰ। ইমান কম বয়সতে স্পৰ্শকাতৰ বিষয় এটা তুলি ধৰা বাবে বাৰে বাৰে প্ৰশংসা কৰিছিল বিচাৰকসকলে। প্ৰকৃতিস্থ হোৱাৰ চেষ্টা কৰিলে তাই। তাইক লৈ উৎসুক চকুবোৰৰ প্ৰশ্ন উত্তৰ দিব তাই। শৈলেন চাৰ কাষ চাপিছে তাইৰ। তাই পৰা নাই। ইমান যাতনা ক'ত সামৰিছিল তাই? দেউতাকে দুখ পাব বুলিয়ে দেউতাকৰ চকুৰ আগত কান্দি নোপোৱা হ'ল। মেচত লগৰীয়াৰ ভয়ত। আজি..? ইমানবোৰ মানুহৰ মাজত তাইৰ দুচকু কিয় উথলিছে? সকলোবোৰ মনত পৰি ভৰি পৰিল ফুলৰ চকু। মাকৰ লাৱনী হাতৰ ভাতগৰাহ, চোলাটো পিন্ধাবলৈ হাতৰ বাউসী এটা দাঙি দিওঁতে কুটকুটাই দিয়া, তাঁতশালত বহোতে পিয়াহ লাগিলে দৌৰি মাকক পানী এগিলাচ আনি দিয়া....সৌজনী মাক। চাই আছে তাইক শেষৰ চকীখনত বহি। শুকান মুখখনত অফুত ভাষা। হাতখন মাকে ডাঙিব পৰা নাই। অথচ তাইক চুই চাবলৈ বাৰে বাৰে উচপিচাইচে তেওঁ। নোৱাৰিলে তাই একোৱে ক'ব। দেউতাকে নমাই আনিলেগৈ ফুলক কান্ধত ধৰি।

ৰাতিপুৱাই খুৰাকে হকাৰে দিয়া পেপাৰ দুখন ফুলক দি গ'লহি। মঞ্চত "যাতনাৰ পৃষ্ঠা"ৰ উন্মোচনৰ ফটো। লগতে কিতাপখনৰ এটি আলোকপাত। বাপেকৰ চকুলৈ সাহস কৰিব নোৱাৰা ফুলে পেপাৰ দুখন সাৰটি লৈছে।

কণ সোমাই আছে ভিতৰতে। কালি উভতি আঁহোতেও বাটত নিশ্চুপ হৈ আহিছে সি। তায়ো যেন বাপেকৰ আঙুলিত ধৰি বাট চিনি নোপোৱাজনী। তাইক দিয়া অভিনন্দনৰ টোপোলাবোৰ বোজাই গাড়ীত তুলিছিল কণে। ফুলক দিয়া কিতাককেইখন বুকুত হেঁচিয়ে সি চিটত বহি পৰিছিল। চিনাকি দুই এজনক প্ৰত্যুত্তৰ দিছিল ফুলে। কণ নিমাত। কালি ঘৰ পোৱাৰ পিছৰেপৰা যেন মৌন ব্ৰত পালিছে কণে। ফুলে দেখিছিল গোটেই ৰাতি দেউতাকে জোটাই জোটাই পঢ়ি লুটিয়াইছে কিতাপৰ পাত। কোঠাটোত সোমাবলৈও ভয় হৈছে তাইৰ। যদি বাপেকে ঘৰখনৰ কথাবোৰ ৰাজহুৱা কৰা বুলি খঙত একো নাই হৈ পৰে?

বিচিত্ৰা কিয় এবাৰো উভতি নাহিলি তই? বছৰ বছৰ তোৰ স্মৃতি লৈ মই একেঠাইতে আছো। উফ্ তোৰ যাতনাবোৰে মোক পিঁহি পেলাইছে। ৰুক্ম নামৰ বৰ্বৰটোৰ হাতত তই সুখত আছ বুলি মই কিয় মৌন হৈ থাকিলো? তোক যদি সেইদিনাই পোন বাট লৈ বিচাৰিলোহেঁতেন? উফ্ কোনোদিনে তোৰ গাত হাত দিয়া নাই মই। সেই নিপোটল মানুহজনীৰ মঙহবোৰ চোবাই চোবাই খালে কুকুৰে। তই এবাৰো নুবুজিলি কণক? কণৰ খঙবোৰ দেখিলি । কণৰ মৰমবোৰ জানো বুজা নাছিলি? কেনেকৈ তোক দুচেও কৰিলোহেঁতেন হোঁ? সমাজৰ কথা কিয় চিন্তা কৰিছ তই? সমাজে জানো বুজিছে ফুল আৰু মোৰ মনৰ বেদনা। বহুদিন তোৰ বাবেও থৈছিলো চৰুত ভাত। কিজানি দুৱাৰত টোকৰ মাৰহি তই। ফুল ডাঙৰ হৈ অহাৰ পিছত ভাবিছিলো তোক পাহৰিব পাৰিম। নজহা নপমা তোৰে মোৰে সম্বন্ধই বাৰে বাৰে আঁটি বান্ধে মোক। কাকো সুধিবগৈ পৰা নাছিলো তোৰ খবৰ। অথচ ভাৰো পৰকহিচোন কাণত তোৰ বাৰ্তা। কেতিয়াবা খবৰ আহে। খবৰবোৰে বুকুখন মোচোকাই থৈ যায়। ময়ে বা কিয় বিশ্বাস কৰিছিলো অ? মই যে তোক বুজিয়ে নাপালো। মইতো জানিব লাগিছিল মোৰ অবিহনে তোৰ কষ্ট হ'ব। তোৰ ভুলবোৰ মোহাৰি তোক শুধৰাই সামৰিব লাগিছিল। তাকে নকৰি বছৰ বছৰ খং,ক্ষোভ,অভিমানৰ পোহাৰ মেলি যাতনাত শৰবিদ্ধ হ'বলৈ তোক এৰি দিলো।

ৰুক্মই তোক ইমান অত্যাচাৰ কৰিছে! উফ তোৰ মঙহভৰা গালদুখন খহি হনু হোৱা ছবিখন যে মই সহ্য কৰিব পৰা নাই। ফলাখৰিৰে গৰু-ছাগলীকো নোকোবায়। তোক সি ইমানকৈ ....টপ্ টপ্ কৈ সৰে চকুলো। মোহাৰিবলৈ চেষ্টা কৰা নাই কণে। একেখন যাতনাৰ নৈত সি,ফুল আৰু বিচিত্ৰাই সাঁতুৰিছে। থাৱনি পোৱা নাই কোনেও।

ফুল তাৰ কাষ কিয় চপা নাই? কণৰ দেখোন খং উঠা নাই। তেন্তে? তায়ো উচুপি আছেগৈ নেকি কৰবাত গৈ। বুজিছে কণে ইমানদিনে মাকৰ অভাৱ অনুভৱ কৰিবলৈ নিদিয়াকৈ তাইক ডাঙৰ কৰিলেও কিমান যাতনা বুকুত সাঁচিছিল তাই।

এইঘৰ সি বিচিত্ৰাই এৰি যোৱাধৰণেই থৈছে। একোৰে সলনি হ'বলৈ দিয়া নাই। সমাজখনক নিলগাই সি তিনিটা মানুহ লগ হোৱাৰ কথা ভাবিছে। যদি সমাজে  বিচিত্ৰাক আদৰি নলয় তেতিয়াও সাজু হোৱাৰ প্ৰস্তুতি সি কৰিব। দেহৰ বৰণ সলনি হ'ল কণৰো। এতিয়া চৌৰাল্লিশ বছৰীয়া বিচিত্ৰাৰ গা নিৰস। পচপন্ন বছৰীয়া কণ। সিহঁতৰ এই মিলন আত্মাৰ মিলন। কোনো কাৰণতেই কণে বিচিত্ৰাক আৰু দুখৰ মাজত নাৰাখে। সি লৈ আহিবগৈ তাইক। য'তেই থাকক, যি অৱস্থাতেই থাকক লৈ আহিবগৈ সি....

সম্পূৰ্ণ বিশ বছৰৰ পিছত কণ ঘৰখনলৈ সোমাই আহিছে। চকুদুটা মোহাৰি চাইছে বিচিত্ৰাৰ ককায়েকে। হয়, ভুল হোৱা নাই তেওঁৰ। আৰামী বেঞ্চখন হাতেৰে মোহাৰি দিছে তেওঁ। ভিতৰলৈ ভুমুকিয়াইছে....

ঃ কেনি গলি অ? আহচোন। কণ আহিছে ।

চোতালৰ মাজভাগৰপৰা আদৰি আনেগৈ তেওঁ কণক।

ঃ বহা, বহা।

ঃ ভিতৰলৈকে আঁহা।

বছৰ বছৰ মুখামুখি নোহোৱা মানুহ দুজনে ইজনে সিজনৰ চকুত চকু পৰিব বুলি মূৰ তুলি চোৱা নাই এবাৰো। অথচ আঁৰ চকুৰে দুয়ো দুয়োকে খুঁতিয়াই চাইছে। ফুলৰ তুলনি বিয়ালৈ যাওঁতে এইজন ককায়েকক সি পদূলিৰেপৰা উভোতাই পঠিয়াইছিল। খঙৰ বশৱৰ্তী হৈ সেই কাম কৰিলেও অনুশোচনাত ভুগে কণে। বৌৱেকেও আথে-বেথে মাত দিছেহি কণক। পানী এবাল্টি দমকলৰ কাষতে যোগাৰ কৰি ককায়েকে কণক গামোচা এখন দিছে।

চাৰিওফালে চালে কণে। বাৰীখন কিছু মুকলি হৈছে। আগচোতালৰ বগৰীজোপা নাই। ভঁৰালঘৰটো আগতকৈ  ডাঙৰ। কুঁহিয়াৰ গা-গছবোৰ পলঙা পলঙ হৈ আছে। ৰহদৈজোপা চোতালৰ এমূৰে ভৰপক দি আছে।

কণে তেতিয়ালৈ মুখ খোলা নাই।

ঃ আজিকালি বৰ অকলশৰীয়া হ'লো। ভাইমনো হোষ্টেললৈ গ'লগৈ।

কথাখিনি কৈ ৰ'ল ককায়েক। এইখিনি ক'বলগীয়া হয়নে নহয় চিন্তাহে কৰিলে যেন তেওঁ....

ঃ ককাইদেউ, মই বিচিত্ৰাক লৈ আঁহোগৈ।

ঃ কণ?

কোনোবাই যেন জোৰেৰে হেঁচি দিছে তেওঁক। আগফালে হালিহে যাব যেন। কি ক'লে কণে? বিচিত্ৰাক লৈ আনিবগৈ? কৈছিলনে সি ? নে ভুল শুনিছে নিজে?

ঃ মই সিদ্ধান্ত লৈ পেলাইছো ককাইদেউ। বিচিত্ৰা যদি আহে মই লৈ আহিমগৈ তাইক।

বেগাই উলিটিছিল কণ ঘৰলৈ। বিচিত্ৰাক আনিবলৈ সাজু হ'ব লাগে সি। তাৰ হাতত বহুত কাম। ফুলকো এতিয়ালৈ কোৱা নাই।

ঃ পাগল হৈছ তই?

হুংকাৰ দি উঠিছে ভায়েকে।

ঃ যিজনী মানুহে ঘৰ এৰি যোৱা বিশ বছৰ হ'ল সেই মানুহজনীৰ খবৰ পোৱা মাত্ৰকেই তই বলীয়া আচৰণ কৰিছ? ইমান বছৰ কেনেকৈ জীয়াই থাকিলি তাইৰ অবিহনে? আমাৰ মান সন্মান সোপাকে শেষ কৰি ঘৰ এৰি যোৱা মানুহজনীক পুনৰাই ঘৰ সুমুৱাই কি কৰিব খুজিছ তই? মানুহৰ আগত মুখ উলিয়াবি কেনেকৈ? তায়ে বা মানুহৰ সন্মুখত অগা-দেৱা কৰিব কেনেকে? তহঁতৰ যদি লগ হ'বলৈ ইমানেই মন গৈছে ভাৰে ভেটিয়ে যাগৈ উঠি।

সুস্থিৰ অৱস্থাত সিদ্ধান্ত লৈছে কণে। ভায়েকৰ হাজাৰ আস্ফালন নাইবা গাঁৱৰ মানুহৰ বাধাই তাক বাধা দিব নোৱাৰে। ভুলৰ শুদ্ধৰণি যদি মানুহেই নকৰে মানুহৰ সংজ্ঞা কি? তাৰ যুক্তিত নিশ্চুপ গএঞা।

ঃ চুৰা মানুহজনীক যদি নিজৰ গিৰীয়েকেই চপাব খুজিছে ৰাইজে সন্মতি দিব লাগে। প্ৰায়শ্চিত কৰি সামৰি ল'ব লাগে। ইমান কষ্টত অকলশৰে জীয়াই থকাতকৈ ঘৰ চাপক তাই। ৰুক্ম লগত নাই যেতিয়া কথাবোৰ জটিল কৰিব নালাগে।

বয়সীয়াল মানুহকেইজনৰ কথাত দুই একে হয়ভৰ দিলে।

চাই আছে দেউতাকক ফুলে। ঘৰখনৰ প্ৰতিটো চুক জাৰি-জোকাৰি গৈছে দেউতাকে। ফুলে পঢ়া টেবুলখনত থৈছেহি বেৰত ওলোমাই থোৱা আইনাখন। বিচিত্ৰাই থোৱাৰদৰে থৈছে । আলনাডাল এনেই পোনাইছে। ইমানদিনে সামৰি থোৱা পানীখোৱা ঘটিটো বালিয়ে চিকচিকিয়া কৰিছে। সামৰি থোৱা মাকৰ কাঁহীখন উলিয়াইছে। উদঙাই চাইছে চাউল থোৱা পাচিটো। নাথাকিলে যে খং কৰে তাই। দৌৰাদৌৰিকৈ আগচোতালত গজি উঠা দুবৰিকেইজোপা চুঁচি আহেগৈ সি। অমিতাজোপাৰ ডাল ভাঙি কুমলীয়া অমিতা সৰি আলিবাটটোত চেদেলি-ভেদেলী হৈ আছে। ফুলক কোৱা নাই সি। নিজেই কৰিছে এফালৰপৰা। সাঁজ লাগিছে। ৰঙাই পখৰাৰ কাষত থিয় দিছেগৈ । "তহঁতৰ মূল গিৰিহঁতনী আহিব ঘৰখনলৈ।" কথাষাৰ মুখেৰে কৈ নিজ কাণে শুনি আনন্দত অভিভূত হৈছে কণ। সময়বোৰ খৰধৰকৈ পাৰ হওক। বিচিত্ৰাক ককায়েকে খবৰটো দিয়কগৈ।

বাকচটো খুলিছে ফুলে। উলিয়াই লৈছে মাকৰ ৰঙা ব্লাইজটো। ৰঙা বুটাৰ মুগাৰ মেখেলাখনৰ লগতে মিলা চাদৰখন। এই সাজত মাকজনী জিলিকি থাকে ফুলৰ সন্মুখত। মাকে এই সাজ পিন্ধি উভতিব ঘৰলৈ। কাপোৰযোৰ উলিয়াই পুনৰাই তললৈ হাতখন সুমুৱাই ফুলে। ৰুমাল এখনেৰে মেৰিয়াই বান্ধি থোৱা আছে মাকৰ হেঁপাহৰ সোণৰ কাণফুলিযোৰ। ওঁঠযোৰ লগায় ফুলে কাণফুলিযোৰতে..আপোন মানুহবোৰ, ভালপোৱা বস্তুবোৰ ইয়াতে থৈ মানুহজনী আঁতৰি আছে। কাণফুলিযোৰো উলিয়াই লয় তাই। মাকৰ কাণত জিলিকি থাকিব। দেউতাকৰ বাবে ধুই থোৱা কাপোৰসাজ বিছনাৰ তুলিৰ ভাঁজত সুমুৱাই থয় ফুলে।

উৎসৱমুখৰ হৈ উঠিছে কণ আৰু ফুলৰ পদূলি। অতিথিৰ অবিহনে আয়োজন কৰিছে দুয়ো এই উৎসৱ। সময় নাই হাতত। ঘৰখন বিচিত্ৰাই ভালপোৱা ধৰণে সজাব লাগিব। দৌৰি ফুৰে দুয়ো ইফালৰপৰা সিফাললৈ।

কলপুলি দুটা পুতিছে কণে পদূলিৰ দুটা মূৰে। তাৰ মাকে সৌৱা পদূলিত থিয় দিছেগৈ বোৱাৰীয়েকক আদৰিবলৈ। তাৰ কাষতে থিয় দি আছে বিচিত্ৰাই। ঢাকি থোৱা বিচিত্ৰাৰ মুখখন চাবলৈ উদগ্ৰীৱ হৈছে কণ। সি খোজ থৈছে আগলৈ। আগবঢ়াই দিছে এখন হাত বিচিত্ৰালে.....

বিৰবিৰাইছে কণে। ফুলে জোকাৰি দিছে দেউতাকক।

আজি এয়া সপোন নহয়। বাস্তৱ হ'বলৈ গৈ থকা ক্ষণ। এই ক্ষণে যুগলৈ বহন কৰিব এহাল পুৰুষ নাৰীৰ জীৱনৰ ইতিহাস। খেনোৱে কয় নাৰী চলনাময়ী। খেনোৱে কয় পুৰুষ বহু নাৰীৰ প্ৰতি আগ্ৰহী। অথচ নাৰী-পুৰুষে যুগে যুগে বহন কৰিছে পৃথিৱীৰ ভাৰসাম্যতা। ভাল সময়ৰ খোজে খোজে বেয়া ৰিপুৱে জোকায় মানুহক। দুৰ্বল সময়ত ধৰাশায়ী হয় মানুহ।

তেতিয়াই মানুহ হয় বদনামী। প্ৰতিজন মানুহৰ বুকুতে থাকে যাতনা। ভিন্ন ৰং এই যাতনাৰ। কোনোবাই দেখুৱাব পাৰে। কোনোবাই নোৱাৰে। আচৰিত গুণটো কি জানেনে ? যাৰপ্ৰতি আপোনাৰ অভিমান নাইবা খং থাকে সেইজনৰ স'তে থকা আত্মিক সম্পৰ্কক আপুনি মোহাৰিব নোৱাৰে বাবেই এই যাতনাৰ বলি হয় মানুহ। অথচ ওচৰ চাপি আহিলে শান্ত হয় সকলো। আজি সকলো শান্ত। অদ্ভুতধৰণে শান্ত কণৰ বুকুখনো..

ধুনীয়া সপোনটো

বহুদিনৰ মূৰত ডালিতে টেঙামৰাৰ পাতকেইখিলামান পেলাই জোল অকণ কৰিছিল বিচিত্ৰাই। লাভলিৰ মাকে মাছ লওঁতে বাছি দিবলৈ তাইৰ ভাগতে পৰিলত চাৰিজনীমান মজলীয়া ভাঙোন মাছ তাইলৈ যাঁচিছিল। মচমচীয়া ভজামাছ দুটা ৰাতিলৈ নিলগাই বাকী দুটাৰ একোণ একোণকৈ চোবায়। মাটিতে থৈলাবস্তা এটা পাৰি বাওঁফালে হাতখন মাটিত থৈ গাৰ ভৰ দি ধীৰে ধীৰে ভাতকেইটা খায় তাই। বহুদিন যেন দেখা নাই তাই নিজৰে হাতখন। খহটা, শেঁতাপৰা হাতদুখন তাইৰ হয় জানো? হয়তো। তাই দেখুন সেইখন হাতেৰেই ভাত খাই আছে।

তাই সদায় দেখা ধুনীয়া সপোনটোৰ তুলনাত কালিৰ সপোনটো যেন বেলেগ। তাইৰ গা মন তাকে লৈ চেবাই থাকিল। দিনটো কেইবাবাৰো কামবোৰ ভুল কৰিছে তাই। চিলোৱা মেখেলাকে বাৰে বাৰে চিলাইছে। গুঁঠি সামৰিব খুজি চুৰেটাৰৰ গাঁঠি এৰি দিছে। আয়ত্ত কৰিছে বিচিত্ৰাই গ্ৰাহক ধৰাৰ কৌশল। তাইৰ লগত কথাৰ মহলা মাৰিবলৈ সঘনে কাষ চপা মানুহবোৰক এৰাই চলিবলৈও শিকিছে তাই। দুপৰীয় চাহ একাপৰ বৰ প্ৰয়োজনবোধ কৰে তাই। দোকানখন মন কৰিবলৈ গাতে লাগি থকা পান দোকানীজনক কয় তাই।

আজিকালি অভ্যাসত পৰিণত হৈছে সকলো। আগৰদৰে বাচ বিচাৰ কৰি নাথাকে। পেটে নামানে কথাবোৰ। আগৰ কোঠাটোৰ ঠাইত বিচিত্ৰাই মালিকৰ কাষতে সৰু কোঠাটোকে লৈছে। এজনী মানুহৰনো কি কাম? মালিকৰ ঘৰৰ ঘৰ সৰা-মচা, বাচন ধোৱা আদি কামবোৰ নিজেই কৰিবলৈ আগবাঢ়ি আহিল। চাৰিশটকা মাহে। আনৰ খোৱা বাচন ধুই হোটেলত কাম কৰি পেটৰ ভাত মুকলি কৰা মানুহলৈ বিচিত্ৰাৰ বৰ বেয়া লাগে। সেই কামটো কৰিবলৈ বিচিত্ৰা বাধ্য। তাই মাইকী মানুহ। এই ঠাই তাইৰ এতিয়াও চিনাকি হৈ উঠা নাই। এই মানুহঘৰত দৰ্জাত হুক দি তাই অন্ততঃ শুব পাৰে। সিটো কোঠাত থাকোতে ৰুক্মি প্ৰায়ে আহিছিল। বিচিত্ৰাৰ শৰীৰ মনত বাৰে বাৰে দাগ লৈ সি গুছি গৈছিল। পলাব ক'ত তাই? বিছনাৰ তল, দুৱাৰৰ চুক....উফ্ শুকান দেহাটোত যেন টংকৈ শব্দ কৰে ফলাখৰিডালৰ কোবত।

ঃ মাৰি থৈ যা মোক।

মাটিতে দীঘল দি পৰা মানুহজনীৰ গা বখলিয়াই খাইছিল সি। নিজকে থুৱাই দিয়ে বিচিত্ৰাই। এই মানুহটোৰ বাবেই তাইৰ সকলো হেৰাল। কথাবোৰ জনাজনি হোৱাৰ পিছতো যেন মানৱীয়তাই বিচিত্ৰাক সামৰিলে। নিৰাপত্তা কোনে কাক দিব পাৰে? তথাপি তাই এই মানুহঘৰত পৰি থাকিবলৈ ঠাই এটুকুৰা পাই জীয়াই আছে। কেতিয়াবা জয় কায়ে আনে ৰুক্মৰ খবৰ। ৰুক্মৰ কেঁচুৱাটোৰ বৰ্ণনা শুনে তাই। তাৰনো কি দোষ? নিষ্পাপ শিশু সি। হিংসাৰে চুব নোৱাৰাকৈ সি ভগৱান । হৰিণীলৈও তাই ক্ষোভ নাই। গভীৰ পানীত থাৰনি নাপাই খেৰকুটাকে সাৱটিছে।

আপোনমনে কথা পাতে বিচিত্ৰাই নিজৰ লগত। চুনুহঁতৰ পৰিয়ালটো গ'লগৈ। লাভলি দূৰণি চহৰত। সময়বোৰো আজিকালি তাইৰ নাযায় নুপুৱায় নহয়। মালিকৰ ঘৰত পুৱাৰ কামখিনি কৰি দোকান পায়গৈ তাই। আজি বাৰে বাৰে খেলিমেলি হোৱা কামবোৰ সামৰোতে তাইৰ নিজলৈকে খং উঠিছে। বাৰে বাৰে কাম বঢ়াতকৈ দোকান সামৰিব লওঁতেই ককায়েকক দেখি হাঁহি পেলালে বিচিত্ৰাই।

কঁপিছে বিচিত্ৰা। কণ আহিব তাইক নিবলৈ। উফ্ সঁচানে এয়া? নে ভুলকৈ শুনিছে তাই? তাই এবাৰো উভতি নোচোৱাকৈ দেও দিয়া ঘৰখনলৈ তাইক উভোতাই নিবলৈ প্ৰস্তুতি চলিছে। তাই যাব। ইমান বছৰে আঁতৰি থকা ঘৰখনলৈ দৌৰি যাবগৈ তাই। তাই নেদেখাকৈ ডাঙৰ হোৱা ফুলজনীক এতিয়াও কোলাত ল'বগৈ তাই। ইমান দিনে তাইৰ খবৰ এটাও নোলোৱা কণক তাই গালি পাৰিবগৈ।

উভতি আহে বিচিত্ৰা বাস্তৱলৈ। এখন এখন ছবিয়ে ভুমুকিয়াই তাইক। তাই য'ত থিয় দি আছে তাৰপৰা উভতি চায় পিছলৈ। কোনোবাই যেন তাইক সোঁৱৰাই দিয়ে। "তই কৰা ভুলে তোৰ সপোন পূৰণ হ'বলৈ নিদিয়ে বিচিত্ৰা। তোৰ কপালত

ইমান সহজে সুখে ধৰা নিদিয়ে। তই আৰু সহিব লাগিব। ছিঃ তই বৰ নিলাজ। আঁহো বুলিয়ে গুছি আহিছিলি। অতবছৰৰ মূৰত তই কি লৈ উভতিব খুজিছ কণৰ কাষলৈ? যি সময়ত ফুলৰ কাষত তোৰ প্ৰয়োজনীতা সেই সময়তে আঁতৰি থাকিলি। তাইৰ সুন্দৰ ভৱিষ্যতটো কিয় ধ্বংস কৰিবলৈ যাৰ তই?

জয় পৰি আহে বিচিত্ৰা।

ঃ ককাইদেউ, মই এতিয়া কি লৈ উভতিম? সকলো শেষ হোৱাৰ পিছত স্বাৰ্থপৰৰ দৰে কেনেকৈ কাষ চাপিম ফুলৰ? যি সময়ত নিজৰ সাময়িক সুখৰ কথা ভাৱি ঘৰখনলৈ পিঠি দিলো সেইসময়ত কণ আৰু ফুল কেনেকৈ থাকিব ভাবিয়ে নাচালো। ফুলৰ কাষত মই নথকাকৈয়ে কণে ডাঙৰ কৰিলে তাইক। তাৰ মনৰ হেঁপাহো পূৰালে। পঢ়াই জ্ঞান বুদ্ধি দিলে। এতিয়া তাই নিজেই খুটি খাব পৰা। মই সহজ কেনেকৈ হ'ম? গাঁৱৰ ৰাইজেই বা কিয় মানিব? মোৰ বাবেই এলাগী হ'ব সিহঁত। মোৰ বাবে কথা শুনিব মানুহৰপৰা কণে। ফুলজনীয়ে মোৰ বাবে লাজত পৰিব। তাতকৈ এনেকৈয়ে থাকো ককাইদেউ। কিন্তু মোৰ সিহঁতক লগ পাবলৈ,চাবলৈ যোৱা মনৰ কথা কবিগৈ সিহঁতক। কাষ নাচাপিলেও দূৰৈৰপৰাই চাম।

কণে দি পঠিওৱা প্ৰস্তাৱত মন উলাহে ভৰি নাচিছিল বিচিত্ৰাৰ। চটফটীয়া হৈ পৰিছিল তাই। চিঞৰি ক'বৰ মন গৈছিল..."চোৱা মোৰ এতিয়াও এখন ঘৰ আছে। তাত মোৰ আপোন মানুহৰ বাস। মোৰ অভাৱ তেওঁলোকে অনুভৱ কৰিছে। মোক লৈ যাবলৈ আহিছে।

" উফ্ ইমানদিনে দেখি থকা সপোনটোৱে তোক লগ দিছিল তই কিয় সন্মতি নিদিলি বিচিত্ৰা?"

নিজকে নিজে প্ৰশ্ন কৰি আঁজুৰিছে তাই মূৰৰ চুলি। তাই সুখ বুটলিব নজনা মানুহ। শান্তিত জীয়াই থাকিব নজনা মানুহ তাই। দৌৰি যেন ধৰিবগৈ তাই নামনিমুৱা ট্ৰেইন। ককায়েকক ক'বগৈ..."মই যাম ককাইদেউ। মোৰ বৰ কষ্ট ইয়াত। কণক কবিগৈ মোক লৈ যাবলৈ। "

ককায়েকে এই সংবাদ কণ আৰু ফুলক নিদিয়কগৈ। তাই যাবগৈ। আপোন মানুহৰ সান্নিধ্যলৈ তাই যাবগৈ।।।।

কণ উপস্থিত হৈছেগৈ বিচিত্ৰাৰ চহৰত। ফুলৰ মোমায়েকে দিয়া ঠিকনাটো সি কেইবাখনো কাগজত লিখি চাৰ্ট-পেন্টৰ গোটেইকেইটা পকেটতে ভৰাই লৈছে। কেনেবাকৈ কৰবাত পৰিলে তাৰ বৰ সমস্যা হ'ব। কণে জানে বিচিত্ৰাক। তাক দেখিলেই তাই লেউসেউ হ'ব। ছয়বছৰ সংসাৰ কৰি বুজিছিল সি বিচিত্ৰাক। সংকোচ তাই কৰাটো স্বাভাৱিক। গাওঁখনত তাইৰ বাবে অপ্ৰীতিকৰ পৰিৱেশ এটা হোৱাটো তাই নিবিচাৰে। কণ আৰু ফুলৰ জীৱনৰ গতি আন এফালে তাই লৈ যাব নিবিচাৰে। "কি লৈ উভতিম" ..বিচিত্ৰাৰ এই প্ৰশ্ন অৰ্থহীন। একো হেৰুৱা নাই বিচিত্ৰাৰ। আছে এতিয়াও হোমৰ জুইক সাক্ষী কৰি দেউতাকৰ পৰা লোৱা কাজলি কাজলি আশীৰ্বাদ। বছৰ বছৰ আঁতৰি থাকিলেও গাৰ ছাঁটোৰ দৰে লাগি থকা উভয়ৰ প্ৰতি উভয়ৰ প্ৰেমে দুয়োকে জীয়াই ৰাখিছে এতিয়াও। ভগৱানৰ কৰুণা শেষ হৈ যোৱা নাই এতিয়াও। নহ'লে বিচিত্ৰাৰ সৈতে যোগসূত্ৰ নহ'লহেঁতেন। ইমানখিনি বৈ যোৱাৰ পিছতো অৰ্থহীন বিচিত্ৰাৰ প্ৰশ্ন। সাময়িক মোহৰ ভুলক সি শুধৰাই তাইক সামৰি ল'ব।

বেলি মূৰত উঠিছে। ফুলেও আহিবলৈ জোৰ দিছিল। কিন্তু কণে বাধা দিলে তাইক। ইমান বছৰৰ পিছত মানুহ এজনী ঘৰখনলৈ আহিব। তাইক আদৰিবলৈ ঘৰখনত মানুহ থাকিব লাগিব। দাং দিয়া দুৱাৰ নিজে খুলি ভিতৰলৈ নিনিয়ে সি বিচিত্ৰাক।

চিনি পাবনে বিচিত্ৰাই তাক। দাড়ি চুলি অকালতে পকি তেনেই বুঢ়াটো হ'ল সি। দাড়িখিনি কাটি আহিছে বুলিহে। মূৰত দুই এডাল পকা চুলি আগতে দেখিলে বিচিত্ৰাই দবিয়ায় তাক। উভালি কয়..."বুঢ়াটোৰ ঘৈণীয়েক বুলি হাঁহিব মোক। এতিয়া যে পকামূৰীয়া আদবয়সীয়া বুঢ়া এটা হৈ পৰিল সি। নিজৰ হাতদুখনলৈ চকু গ'ল তাৰ। তেল টেঙা অকণো ঘঁহি নাহিল সি। তেনেই ফাপৰে ধৰিছে। শোতোৰা শোতোৰা ছালখন সি মোহাৰি থাকে। গালৰ মঙহো খহিছে তাৰ। এই চেহেৰাৰে বিচিত্ৰাৰ কাষত থিয় হ'লৈগৈ চিনি পাবনে তাক?

সন্মুখত থিয় দি থকা মানুহটো বিচিত্ৰাই বজাৰৰ অইন মানুহ বুলি ভাবিয়ে বিশেষ মূৰ তুলি চোৱা নাই। নিত্য কৰ্মখিনি কৰি মেচিন চলাবলৈ ব্যৱহাৰ কৰা চকীখনত বহি এনেয়ে বাহিৰৰ আলেখ লেখ চাই ৰ'ল তাই। ভুমুকিয়াই আছে মানুহটোৱে তাইলৈ। বয়সে গৰকা মানুহৰ এই স্বভাৱবোৰ তাই আজিকালি সহ্য কৰিব নোৱাৰে। মুখ চুপতি মাৰিবলৈ আহিব বিচৰাকেইটাকো তাই এবাৰতে সেজ লগায়। মানুহটো তাইৰ আগে পিছে দেখা মনত নপৰে। তাই আৰু সেইবোৰত মূৰ নঘমায়। অহা আহিছে, যোৱা গৈছে । তাই নিজৰ কামত লাগিব। কাৰোবাৰ দৰকাৰ থাকিলে কাষ চাপি আহিব। অইন মতলবত আহিলে তায়ো সুদাই

নেৰে।

কঁপিছে কণ। হয়নে এইজনী বিচিত্ৰা? বয়সে গহীন কৰা মুখ। কপালৰ আগৰ চুলিখিনি পকিছে। পিন্ধি থকা কাপোৰযোৰে তাইক আগৰদৰে তুলি ধৰা নাই। মুখৰ বৰণ সলনি হ'ল। গাল দুখন জিলিকাই থকা ৰং আৰু মঙহ খহি শুকাই পৰা মুখখনত বিষাদ এবোজা যেন। চুলিখিনি গাঁৰত থকাৰ দৰে খোপা বান্ধি থকা নাই। ঢিলাকৈ বান্ধি থোৱা চুলিখিনিয়েও কোৱা নাই সেইজনী বিচিত্ৰা বুলি। ঠিকনা সেয়াই। অইন মহিলাৰ দোকান আশে পাশে নাই। চকুহাল যেন গাঁততহে সোমাইছে তাইৰ। হাত দুখন টনটনাই উঠিল তাৰ। যেন ৰুক্মক পালেই সি শেষ কৰি পেলাব। কণে দৌৰি তাইৰ কাষ চাপিবগৈ পৰা নাই। উফ্ তইএনেকৈ জহি খহি যোৱালৈকে বাট চাই আছিলোনে মই? জঁকা এটা হৈ জীয়াই থকাতকৈ কিয় উভতি যোৱাগৈ নাছিল বিচিত্ৰা? তোৰ মানুহটো ইমান নিষ্ঠুৰ জানো আছিল? নিপোটল হাত দুখন স্পষ্টকৈয়ে চকুত পৰিছে মোৰ। শুকান জেওৰাখৰিৰ দৰে দাঙিছ তই। মোৰ চকুৰ সন্মুখতে দেখিছো তোক জীৱিকাৰ তাড়নাত খৰতকীয়াকৈ কৰি গৈছ কাম। এই সংগ্ৰাম কিহৰ বাবে? কেৱল তোৰ নিজৰ বাবেইনে?পেটৰ ভোক নিবাৰণৰ বাবে অচিনাকি মানুহবোৰৰ মাজত বাহৰ পাতিছহি। আই-পিতাইৰ আলাসৰ জীয়ৰী আছিলি তই। সহ্য কৰিছেনে তেওঁলোকৰ আত্মাই তোৰ এই ৰূপ? ৰুক্মৰ লগত মৰি মৰি কিয় আছিলি তই? মই তোক তেতিয়াও ক্ষমা কৰিলোহেঁতেন। ফুলৰ চকুত ধূলি দি বটলে বটলে মদ খায়ো পাহৰিব নোৱাৰিলো তোক। মদৰ ৰাগীয়ে পাহৰাব নোৱাৰিলে তোক। কিয় জাননে? তোৰ সৈতে মোৰ আত্মাৰ মিলন। কোনো কালে নজহা নপমা এই মিলন। সকলো সলনি। অথচ মই একেই আছো চা। ধুমুহাই তচনচ কৰিব নোৱাৰা মোৰ বুকুত তোৰ বাবে এতিয়াও ঠাই ৰাখিছো। তফাৎ নাই তোৰপৰা মোলৈ। তোৰ ঠিকনা মোৰ বুকুত। তই যাবগৈ লাগিব।

ভিতৰলৈ সোমাই যোৱা মানুহজনলৈ প্ৰশ্নবোধক দৃষ্টিৰে চালে বিচিত্ৰাই। কিবা এটা প্ৰশ্ন কৰিবলৈ মুখ মেলা মুখ মেলাতেই থাকিল তাইৰ। তাইৰ ভৰিৰ তলৰ পৃথিৱীখন আঁতৰি গৈছে। তাই কঁপিছে। পিছুৱাই বেৰখনতে আঁউজি তাই চাই ৰ'ল কণলৈ....

অপাৰ বিস্ময়ত চকু থৰ হৈ গ'ল বিচিত্ৰাৰ। সন্মুখত থিয়া দিয়া মানুহটো চিনি পাবলৈ তাইৰ এক চেকেণ্ডো নালাগিল। তাইৰ কাষলৈ আহিছে কণ। উফ্ বুকুখন কেনেকুৱা কৰিছে তাইৰ? চকুদুটা মুদি দিছে বিচিত্ৰাই। ওলাই আহিব খোজা চকুৰ পানীখিনি বাধা দিবলৈ আপ্ৰাণ চেষ্টা কৰিছে যদিও অবাধ গতিৰে লোতকে বাট লৈছে। এই যে জোৰকৈ চকু দুটা মুদিছে তাই চকুৰ তলৰ শিৰকেইডালো চকুত পৰিছে কণৰ। একৈশ বছৰৰ পিছত তাৰ সন্মুখত বিচিত্ৰা। বিচিত্ৰাক যেন দুয়োহাতেৰে মেৰিয়াই ধৰিব সি। অথচ পৰা নাই সি। এহাত আঁতৰত তাৰ মানুহজনীয়ে চেপা কান্দোনেৰে তাৰ বুকু জোকাৰিছে অথচ সি চুই চাব পৰা নাই।

বাজিছিল গা বিচিত্ৰাৰ। সপোনত কণে কথা পাতিছিল বিচিত্ৰাৰ লগত। মুকলি পথাৰ এখনত বিচিত্ৰা আৰু কণে জুৰ দিয়া গছ এজোপা পাই তাতে কথা পাতিছিল। গছৰপৰা সৰিপৰা পাত দুবৰিৰ গা-গছেৰে সী কণে বিচিত্ৰাক খাৰু এপাত পিন্ধাই দিওঁতেই সাৰ পাই গ'ল তাই। এনে সপোন বহু দেখিছে আগে পিছে। কান্দি বাউলি হৈ পুনৰাই চাবলৈ চকু মুদিছে। মিছা সকলো। সময় গুছি যায়। ফালৰি কাটে সপোনে। ধুনীয়া সপোনৰ খুদ খুদ মালা গাঁঠি পিন্ধি বাস্তৱলৈ ঘূৰি আহিবলৈ বৰ কষ্ট। অথচ প্ৰতিদিনে সেই কষ্ট সহিছিল বিচিত্ৰাই। সেই সপোন তাইৰ আপোন মানুহৰ সান্নিধ্যৰ সপোন। বাস্তৱে উফৰাই পেলালেও চুই থাকে তাই। অথচ মনে কয় আহিব সেই সময়। বিশ্বাসে উফৰাই অবিশ্বাসৰ দেওনা। তাই ৰৈ থাকে। খোল খায় নঙলা। সাউতকৈ পাৰ হ'বলৈ ভৰি তাইৰ আগবাঢ়ে।

চিনাকি চকুদুটা অচিনাকি হৈ যোৱা নাই। তাইৰ যে গা-মন বেয়া হ'লে কি কৰো নকৰো দোমোজাৰ ভাৰত ৰৈ থাকে কণ তেনেকৈয়ে ৰৈ আছে তাইৰ সন্মুখত। কলুষতাহীন এখন মুখ। যিখন মুখাৰ আঁৰত আন এখন মুখা নাই। সেই ভয় নাই এতিয়া বিচিত্ৰাৰ যি ভয়ত ৰুক্মৰ পাশৱিক অত্যাচাৰৰপৰা হাত সাৰিবলৈ এবাৰো কাষ নাচাপিল তাই এইজন মানুহৰ। শান্ত হৈ মানুহজন তাইৰ সন্মুখত থিয় দি আছে। মানুহজনে খুঁতিয়াই চাইছে তাইৰ মুখ। ধৰা পৰিছে তাই। তাইৰ যাতনাভৰী মুখখন পঢ়ি পেলাইছে কণে।

ঃ কন্দা-কটাখন নকৰিবিচোন। মই তোক লৈ যাবলৈ আহিছো।

উফ্ চিঞৰি কান্দিব যেন তাই। সপোন নহয় এয়া। সন্মুখত তাই চুই চাবপৰাকৈ তাইৰ মানুহজন। তাইৰ যাতনাৰ

অৱসান পেলাবলৈ তাইৰ কাষ পাইছেহি কণ। মৰমৰ সুৰে মেৰিয়াব নজনা কণটো জঠৰ হৈয়ে আছে। কঁপি কঁপি কান্দি থকা বিচিত্ৰাক চুই চাবলৈও কঁপিছে নিজে।

ঃ তোক সৈমান কৰি লৈ যাবলৈকে আহিছো মই। বেলা ভাটি দিব। আবেলিৰ ৰেলখন ধৰিব পাৰিলে আমি পুৱাই ঘৰ পামগৈ। ফুল ৰৈ থাকিব আমাৰ বাবে।

ফুল....? কান্দোন সামৰিব খুজিও নোৱাৰে সামৰিব তাই। তাই কলিতেই এৰি থৈ অহা ছোৱালীজনীয়ে তাইলৈ বাট চাইছে। তাই অক্ষমনীয় ভুল কৰি অহাৰ পিছতো এই মানুহহালে তাইক সামৰিবলৈ সাজু হৈছে। মনলৈ বাৰে বাৰে আহে চাৰিবছৰীয়া ফুলক বিছনাতে এৰি কণলৈও এবাৰ নোচোৱাকৈ দুৱাৰডলি পাৰ হৈছিল তাই। মূৰটো যেন জোৰেৰে পকী বেৰত মাৰি দিব তাই। তাই ক্ষমাৰ অযোগ্য।

ঃ মোক পাপৰ বোজাৰে ইয়াত মৰিবলৈ দিয়ক। মই পুনৰাই সেইখন ঘৰ চুৱা কৰিবলৈ নাযাওঁগৈ।

কণৰ ভৰি দুটা খেপিয়াই বিচিত্ৰাই। আথেবেথে তুলি ধৰিছে সি।

ঃ মই তোক ইয়াত এৰি থৈ নাযাওঁ। ইমান বছৰে যাতনাৰ ওপৰি যাতনা সহি এতিয়াও যাতনা দিবিনে? বয়সে ভাটি দিলে। ফুলক অকলেই ডাঙৰ কৰিলো। কাইলৈ পৰহিলৈ তাইক এঘৰলৈ উলিয়াই দিম। অকলশৰীয়া হৈ পৰিম মই। বাকী থকা দিনবোৰত মোক লগ দিবলৈ তই জানো উভতি যাব নোৱাৰ? দলিয়াই পেলাইছো তোৰ সকলো মলিনতা। মোহত পৰি কৰা তোৰ দুঃসময়ে দিয়া যাতনা বুলি দলিয়াই দিছো। সেইখন আমাৰ ঘৰ। তই সজাই থৈ অহা ঘৰ। তই এৰি থৈ অহাৰদৰেই আছে। তই মাত্ৰ তুলি ধৰিবগৈ লাগে। চাবি সকলো সহজ হ'ব সময়ত। পাহৰি যাব গাওঁখনৰ মানুহেও তোৰ ভুল।

যাবগৈ তাই কণৰ লগত। জীৱনে দিয়া দুপাহ ফুল। সুখ আৰু দুখ। দুখৰ পাপৰিবোৰ সৰি সৰি শেষ হ'বৰ হৈছে। সুখৰ ফুলপাহ বুকুত হেঁচি ধৰিব তাই। তাই কৰা ভুলেও মন পিচলাই বেলেগ এজনী মানুহ চপাই ঘৰ পাতিব নোৱাৰা মানুহটোৱে তাইকে বিচাৰি তাইৰ কাষ চাপিছে। তাই আৰু ভুল নকৰে। ফুলজনীয়ে তাইলৈ বাট চাই আছে।

"মই গৈ পায়ে তোক কোলাত ল'মগৈ ফুল।"

কণে মেলি ধৰে বিচিত্ৰাৰ সন্মুখত টোপোলাটো। ফুলে ভাঁজে ভাঁজে দি পঠিয়াইছে মাকৰ প্ৰিয় সাজ। নিৰাপদ ঠাইত লৈ অহা সোণৰ কাণফুলযোৰ কণে আগবঢ়াই দিছে বিচিত্ৰালৈ।

হাতপাতি ল'ব পৰা নাই বিচিত্ৰাই। বাৰে বাৰে উচুপিছে তাই। কণে সঁকিয়ায়...

ঃ বেলা যাবগৈ। তই দেৰি নকৰিবি।

বিদায়ৰ প্ৰস্তুতি চলিছে বিচিত্ৰাৰ। অচিনাকি চহৰখনে তাইক থাকিবলৈ ঠাই এডোখৰ দিছিল। ৰুক্মৰ লগত এৰাএৰি হোৱাৰ পিছৰেপৰা চহৰখন তাইৰ বেছি চিনাকি হ'বলৈ ধৰে। অকলে অকলে পদপথত খোজকাঢ়ি তাই থকা ঘৰলৈ আগবাঢ়ে। ঘৰ!!!!য'ত আপোন মানুহবোৰ থাকে। সেই ঘৰ নহয় বিচিত্ৰাৰ । তথাপি আপোন মানুহ লগ পোৱাৰ সপোন চাবলৈ তাই টোপনি যোৱা সেইঘৰ তাইৰ আশ্ৰয়স্থল। আজি তাই যাবগৈ। অথচ কিহবাই যেন টানিছে তাইক। এবাৰ চাই আহিবগৈ নেকি সেই ঘৰ? দৌৰি যেন যায়গৈ তাই। কোঠাৰ বস্তুবোৰ চুই চায়....."মই যামগৈ নহয়। মোক লৈ যাবলৈ কণ আহিছে। চকু যায় তাইৰ ৰুক্মৰ লগত একেলগে থকা কোঠাটোলৈ। কোনোবাই যেন অটহাস্য কৰি হাঁহিছে। কাণ দুখন তাল মাৰি ধৰে তাইৰ।

চকু দুটা বাৰে বাৰে মোহাৰি লয় তাই। পিন্ধি পেলায় ফুলে যতনাই দিয়া সাজযোৰ। ব্লাউজটো হেঙাৰত ওলোমাই থোৱাৰ দৰে হৈছে। তথাপি পিন্ধিছে। যাবগৈ তাই এবোৰো পিছলৈ উভতি নোচোৱাকৈ কণৰ লগত।

সমবেত হোৱা তাইৰ বিশৃংখল চিন্তাবোৰে তাইলৈ চাই হাত জোকাৰিছে। কৈছে...."সুখী হ'গৈ বিচিত্ৰা।"

ৰি ৰিয়াই দুলি থকা গছৰ পাতবোৰলৈ চাই ৰৈছে ফুলে। গোটেই দিনটো উশাহ ঘূৰাবলৈ যেন পোৱা নাই তাই। কাণত লাগি থাকেহি দেউতাকৰ কথাবোৰ। ইটো কৰি থবি। সিটো কৰি থবি। তাইৰো যে আছে বহু কাম। সকলো কৰি উঠে মানে বেলিয়ে ভটিয়ায়গৈ। প্ৰিয় ঋতু তাইৰ শৰৎ। পদূলিৰ শেৱালিজোপাই কোঁহ মেলিছে। দুই এপাহ পুৱালৈ পৰিও থাকে। সময়হে এতিয়া নাযায় নুপুয়ায়। গোটেই দীঘল ৰাতিটো অকলে পাৰ কৰিব লাগিব তাই। খুৰাকহঁতৰ ফোন নম্বৰটো দেউতাকক দি পঠিয়াবলৈ নহ'ল। তাত বা কি পৰিস্থিতি হৈছেগৈ? তাই আৰু দেউতাকে ভবাৰদৰে কথাবোৰ হৈ উঠিছেগৈ বা নাই। মাকজনীক বাৰু দেউতাকে চিনি পালেনে? ৰুক্মই কিবা অথন্তৰ লগাইছে নেকি? যদি মাকজনীক বিচাৰি পোৱা নাই মোমায়েকে

দিয়া ঠিকনাত দেউতাকৰ বাৰু কি বিলৈ হৈছে? গোটেই নিশাটো লঘোণে ভোকে গৈ কিবা এটা খাইছেগৈনে? তাই ইমানকৈ জোৰ দিয়াৰ পিছতো বাটত খাবলৈ একো এটা নল'লে। হয়ো। চিন্তা এবোজা লৈ পেটলৈনো খাদ্য যায় কেনেকৈ? যদি কতো একো আউল লগা নাই পুৱাই পাবহি মাক-দেউতাক। বিহানে উঠিব লাগিব তাই। বাহী চোতালত মাকক ঘৰলৈ সুমুৱাব নোৱাৰি। বিছনা চাদৰ, পৰ্দা সকলো ধুই পৰিষ্কাৰ কৰিছে তাই। দেউতাকে কৈছে মাক বৰ চৌখিন আছিল। মজিয়া ৰঙচুৱা হৈ জিলিকি আছে। বৰঘৰৰ কলহ, বাল্টি সকলোতে পানী ভৰ্তি। মাকে আহি পিন্ধিবলৈ আলনাতে কাপোৰ জাপি থৈছে তাই। যাতে মাকে বিচাৰিলেই পায়।

দেউতাকে বিচৰাৰ দৰেই হৈ উঠিছে সকলো। বাকচৰ ফটোখন ফ্ৰেমিং হৈ চৰাঘৰৰ বেৰত যাতে মাকে ভিতৰ সোমায়ে দেখেহি। ফটোখনৰ কাষ চাপে তাই। সেই সময়ৰ ক'লা বগা ফটোখনৰ মানুহজনীয়ে ইমানদিন তাইৰ বুকুখন জুৰাই আছিল। মাক বুলিলে এতিয়া এই ফটোখনহে মনলৈ আহে তাইৰ।

"মা মই ডাঙৰ হ'লো। দেউতাৰ লগত তই মই কৈ কথা পাতোতে দেউতাক তেনেকৈয়ে মতাৰ অভ্যাস হৈ গ'ল। সৰুতে তই বুলিয়ে কৈছিলো। এতিয়াও সেইবুলিয়ে ক'ম দেই। চিনি পাবিনে মোক মই নিজে চিনাকি নিদিলে? উফ্ বছৰ বছৰ অপেক্ষা কাইলৈৰ দিনটোৰ বাবে। ভগৱানক প্ৰাৰ্থনা কাইলৈৰ দিনটোৰ বাবে। কাইলৈৰপৰা নোহোৱা হ'ব এই ঘৰৰ ভিতৰৰ উৰুঙা ভাব। এই পদূলিৰে সোমাই আহিবি তই। চা, পাতবাহাৰ বোৰ এতিয়াও আছে পদূলিৰ দুকাষে। মোৰ মনত আছে তোক মই পাতবাহাৰবোৰৰ পিছফালে লুকাই আছগৈ বুলিও বিচাৰিছিলোগৈ। মোৰ যে বহু কাম আছে মা। বহুদিন মোৰ কলমটো মই সাঁফৰ খোলা নাই। কলমটোক লৈ মোৰ বহুত সপোন। এই যে পৃথিৱীখনৰ মানুহবোৰ,মানুহবোৰৰ মনবোৰ,কামবোৰ, তাৰ ফলবোৰ টুকি একো একোটা জীয়া ইতিহাস অংকন কৰিবলৈ মোৰ দুৰ্বাৰ হেঁপাহ। যুগে যুগে মানুহৰ জীয়া যাতনা। সাময়িক সুখে ধৰা দিলেও দুখে চুই থাকিবহি মানুহক আমৰণ। কাৰণ নাটঘৰৰ ভাৱৰীয়া আমি। এজনৰ অবৰ্তমানত কান্দো আমি। তথাপি নিজৰ গতি বিচাৰো আমি। তই গুছি যোৱাৰ পিছত বাটে পথে উফৰি অহা শব্দবোৰে বিন্ধিছিল মোক, দেউতাক। তেতিয়াৰেপৰা এই কলমটোৰে মোক জীয়াই থাকিবলৈ সাহস দিছে মা। মোৰ বেদনাবোৰ টুকিছিলো টোকাবহীত। পাতলিছিল বুকুখন। দুখ কেৱল মোৰ ,তোৰ কিম্বা দেউতাৰে নহয় মা। পৃথিৱীৰ প্ৰতিজন মানুহেই দুখত ককবকায়। দুখবোৰ বেলেগ বেলেগ। পুত্ৰহাৰা, মাতৃহাৰা, স্বামীহাৰা,সন্তানহীনতা আদি হাজাৰটা দুখ। কোনোটো কম নহয়। অথচ কি এক মায়া মানুহৰ জীৱনটোৰ প্ৰতি। সকলো শেষ হৈ যোৱাৰ পিছতো মানুহ ৰৈ থাকে প্ৰতীক্ষাৰ পদূলিত। প্ৰতীক্ষাৰ পদূলিৰে সোমায় আশাৰ ৰেঙণি। সেই ৰেঙণিয়ে চুই দিলে আমাক নকৈ জী উঠো আমি। সুখক খেদি ফুৰিলেও নাপায় মা। সুখে ধৰা দিয়েহি সময়ত আমাৰ হাতত। তেতিয়ালৈ চলে আমাৰ ধৈৰ্য্যৰ পৰীক্ষা। এই পৰীক্ষাত সকলো উত্তীৰ্ণ নহয়। উত্তীৰ্ণ হোৱাজনে বুজি পায় জীৱনৰ অনেক ৰং। সকলো ৰঙে হাত বুলালেহে বুজিব পাৰে সেইজনে জীৱন কেনেকুৱা। তেওঁ দিব পাৰে জীৱনৰ সংজ্ঞা।

মোৰ মনত আছে মা । তয়ে আঁকবাক কৰিবলৈ শিকাইছিলি চিলেটত। ৰেখা কিছুমান আঁকিবলৈ পোনাবলৈ শিকাইছিলি। সেয়ে এইবাট সৰল বাট। মোৰ একোৰে ক্ষোভ নাই তোৰ প্ৰতি। লাজ নাপাওঁ তোৰ বাবে কোনোদিন। তোৰে সৈতে মোৰ জনমে জনমে সম্পৰ্ক। এই সম্পৰ্ক চুব নোৱাৰে কেতিয়াও অশুভ শক্তিয়ে। মা কাইলৈৰ পৰাই পুনৰাই হাঁহিৰ ফোঁৱাৰ উফৰিব এই ঘৰত। দেউতাই প্ৰাণ খুলি হাঁহিব। তই হাঁহিবি। মই হাঁহিম....ইয়াৰ পিছত জীৱনৰ প্ৰতি একোৰে আক্ষেপ নাথাকে মা।

উৰুলিৰে ভৰিছে ৰভাতলী

ভৰি থৈছেহি বিচিত্ৰাই ঘৰখনৰ পদূলিত। কাহিলী পুৱাতে ট্ৰেইন ষ্টেচনত নামি ঘৰলৈ পোন বাট ধৰিলেও পোহৰ সকলো। নিমিষতে উৰিছে খবৰ বতাহত। "আয়ৈ এইজনী বিচিত্ৰাইনে? কেনেকৈ তোৰ এই চেহেৰা হ'ল? ভালে আছ? লাজ মান কাটি কৰি যে ঘৰলৈ উভতিলি? উফৰিছে ভিন্নজনৰ ভিন্নসুৰীয়া শব্দ। মূৰ তুলি চোৱা নাই বিচিত্ৰাই। মানুহখিনিক চেৰ পেলাই কণে বিচিত্ৰাৰ হাতত ধৰি চোতাল গৰকিছে। দুৱাৰমুখত দৰক লাগি থকা ছোৱালীজনীলৈ চাই ৰ'ল বিচিত্ৰা। মাতৃ হিয়া উথলি উঠিছে তাইৰ। দুহাত মেলি যেন আঁঠুকাঢ়ি দিব তাই। দৌৰি তাইৰ কোঁচত উঠিবহি তাই। কণে লৈ গৈছে বিচিত্ৰাক আদৰি। দুৱাৰডলিতে ৰৈ থকা ফুললৈ বিচিত্ৰাৰ সোঁহাতখন ধৰি আগুৱাই দিছে কণে। ভিতৰ সোমাই কঁপিছে বিচিত্ৰা। সাৱটি ধৰিছে ফুলক বিচিত্ৰাই। নহয় ফুলে ফটোত দেখা মানুহজনী এইজনী। চিনাকি কাপোৰসাজ পিন্ধি থিয় দি থকা মানুহজনী যেন শুকাই কৰ্কৰীয়া লাগিছে। ফুলে খেপিয়াই ফুৰিছে মাকৰ নিপোটল মুখ, লাৱনী শৰীৰটো। চুই চাইছে গাল,ওঁঠ। হয়নে এইজনী

তাইৰ মাক? মানুহজনীৰ বুকুখনলৈ কুৰুকি সোমাইছেগৈ ফুল। হয়, সেয়া মাকৰ বুকুৰ চিনাকি গোন্ধ। যি গোন্ধই খেদি ফুৰিছে তাইক অতদিন। তাইৰ কাষত থিয় দি থকা মানুহজনী তাইৰ মাক। উফ্...“মা”....সাৱটি ধৰে মাকক তাই জোৰেৰে। সৰসৰাই বাগৰিছে চকুলো বিচিত্ৰাৰ। ফুকলীয়া কালতে এৰি যোৱা ছোৱালীজনী গাভৰু।

“তহঁতৰ প্ৰতি মই বহুত অন্যায় কৰিলো অ ফুল। বহুত। নেদেখাকৈ ডাঙৰ হ’লি তই। মই কৰা ভুল শুধৰাই দেউতাৰে মোক লৈ আহিছেগৈ। মৰি মৰিও মই তহঁতৰ বাবেই জীয়াই আছিলো অ। মোক সাৱটি ধৰি থাক। এৰি নিদিবি।”

এৰি দিয়া নাই ফুলে। মাকৰ বুকুৰ কথা যেন শুনিলে তাই।

ঃ ফুল মাৰক গা ধুবলৈ সকলো যতনাই দেগৈ যা। যা বিচিত্ৰা। তোৰ অচিনাকি হ’বলৈ একোৱে সলনি হ’বলৈ দিয়া নাই মই। ভাগৰি পৰিছ তই। খাই বৈ জিৰণি ল।

“মই ইমানদিনেহে ভাগৰি আছিলো অ। আজি যে মোৰ সকলো ভাগৰেই দূৰ হৈছে”। সন্মুখৰ সিহঁত তিনিওৰে ফটোখন চুবলৈ হাত মেলে বিচিত্ৰাই। লৈ গৈছে তাইক ফুলে দমকলৰ পাৰলৈ। সহায় কৰি দিছে কাপোৰ পিন্ধিবলৈ। যতনাইছে ফুলে তাইৰ হেঁপাহৰ শাক ভাজি, টেঙামৰাৰ জোল..ভাতগৰাহ মুখলৈ নিব খুজিও বিচিত্ৰাই নিব পৰা নাই। আদৰে কণ আৰু ফুলে উপচাইছে তাইক। সহজ হ’বলৈ চেষ্টা কৰিও বাৰে বাৰে তলমূৰ কৰে তাই। ঘৰখনৰ প্ৰতিটো বস্তুৰেই তাই হাতে পোৱাতে আছে। দৌৰি চুই আহিবলৈ মন গৈছে ভঁৰালঘৰ, গোহালিঘৰ। আছেনে ৰঙাই আৰু কাজলী? সিহঁতৰ অভিমান ভাঙিছেনে?ফুটুকী ছাগলীজনী? হাঁহ-কুকুৰাবোৰৰ মাত শুনা নাই....মনটোৱে খেপিয়াই আহেগৈ তাইৰ তাঁতৰ শালখনো।

ভাগৰে হেঁচা মাৰি ধৰিছে তাইক। অথচ চকু মুদিবলৈ ভয় তাইৰ। কিজানি সকলো মিছা হৈ যায়! তাইক বেঢ়ি কণ আৰু ফুল। এখন হাতেৰে ফুলক খেপিয়াই ধৰে তাই।

ঃ মা, বৰকৈ ভাগৰ লাগিলে, দুখে হেঁচা মাৰি ধৰিলে কল্পনাতে তোৰ কাষ চাপিছিলো। জোৰকৈ তোৰ কোলাত বহিছিলো। আজি ইমান কাষত পায়ো কিয় এই সুখৰপৰা বঞ্চিত হ’ম মই? গান গা মা। সৰুতে মোক পিঠিত তুলি জোনবাইক তৰা খুজি যেনেকৈ টোপনি নিয়াইছিলি তেনেকৈ আজি মোৰ টোপনি আনি দিবি মা। বহুৰাতি হোৱা নাই। এই হেঁপাহ সামৰোতে দিনৰ পিছত দিন বাগৰিছিল। মই উত্তৰ দিবগৈ পাৰিম সিহঁতক মা। তোৰ কথা সুধিলে এতিয়া সকলো উত্তৰেই দিব পাৰিম মই। আহ দেউতা, কাষ চাপি আহ তয়ো। আজি আমাক মায়ে শুৱাই দিব। দেউতাই মোক আদৰৰ জী কৰিয়ে ডাঙৰ কৰিলে মা। তোৰ প্ৰতি থকা দেউতাৰ মৰমে সমাজলৈ এক বাৰ্তা দি গ’ল। প্ৰতিদিনে তই,মই,দেউতাই পোৱা যাতনা খিলা খিলা পাতত সামৰিলো। যি পঢ়িব তেওঁৰ তোৰ প্ৰতি একোৱে ক্ষোভ নাথাকিব। তেওঁ শিকিব পতি-পত্নী সম্পৰ্কৰ নজহা নপমাৰ টান। এই সম্পৰ্কত কাৰোবাৰ ফাঁট আহিলেও যাতনাৰ পৃষ্ঠাই আঁটি আঁটি বান্ধিব তেওঁলোকক। কোনেও কঢ়িয়াবলগীয়া নহওক মাতৃৰ প্ৰতি ঘৃণা। কেৱল সুখেই মানুহক জীয়াই নাৰাখে মা। যাতনায়ো মানুহক আশা দিব জানে। মানুহে বুজি পাওক বেয়া বুলি দলিয়াই নিদি আদৰি লোৱাৰ সিদ্ধান্তই কিমান ধুনীয়া কৰিব পাৰে পৃথিৱী। এগৰাকী অসহায় নাৰীক অধিক হালিবলৈ নিদি তুলি ধৰক আন এগৰাকীয়ে। সমাজ কেতিয়াও কলুষিত নহয়। এজন বেয়া পুৰুষৰ বৰ্বৰতা নোহোৱা কৰিবলৈ দেউতাৰ দৰে হাজাৰজন পুৰুষৰ জন্ম হওক। জীৱনৰ শেষ সময়ছোৱাতো ৰঙ বুটলি মানুহে হাঁহক। আজি মই সুখী মা।

কুঁচি-মুচি বুকুলৈ সোমাই যোৱা ছোৱালীজনীক সাৱটি উচুপিছে বিচিত্ৰাই। মন গৈছে বিচিত্ৰাৰো গুণগুণাবলৈ তাহানিৰ সেই গান....“আমাৰে মইনা শুব এ...“ এখন হাতেৰে কণৰ ডিঙিটো মেৰিয়াই আনি তাইৰ কান্ধতে পেলাই লৈছে। টপটপকৈ সৰিছে চকুলো কণৰো। নাই একোৱে ক্ষোভ নাই আৰু তিনিওটা প্ৰাণীৰ। সমাজে ঘৃণা কৰিলেও কণ আৰু ফুলৰ মৰমে সেয়া তুচ্ছ কৰি পেলাব। এই ঘৰ পুনৰাই ঘৰ হৈ ঠন ধৰিছে। বিচিত্ৰাই পুনৰাই লালন পালন কৰিব কণ আৰু ফুলৰ সপোন।

কণ আৰু ফুলক বিশ বছৰে সামৰি থোৱা মৰমবোৰ দিবলৈ যেন বাউলি হৈ পৰিছে তাই। দুখন হাতেৰে দুয়োৰে গাল,মুখ খেপিয়াই ফুৰিছে তাই। দুয়োৰে চকুৰ পানী মচি দিছে তাই। আলফুলে আঁকি দিছে দুয়োৰে কপালত অত বছৰে সামৰি থোৱা চুমা। টোপনি গৈছেগৈ ফুল। চেষ্টা কৰা নাই কণেও তাইৰ কান্ধৰপৰা মূৰ তুলিবলৈ। বিচিত্ৰা যেন তেনেকৈয়ে থাকিব যুগলৈ।

পুৱাই ঢলফাট দিলে। তিনিখন মুখত পোহৰৰ চিটিকণি। পোহৰ বিয়পিছে গোটেই পৃথিৱীতে। উদুলি মুদুলিৰে ভৰা ৰভাতলীত উৰুলি সৰিছে।

# তথাপি নহ'ল কোৱা

**পয়োভৰা বড়া গগৈ**

(এক)

"ৰ'দ দিছে বৰষুণ দিছে
খঁৰা শিঁয়ালৰ বিয়া,
ঘৰ চিৰিকাই তামোল কাটিছে
আমাকো এখন দিয়া।"

ঃ কাৰ বিয়া নাম গাইছা?

ঃ খঁৰা শিয়াঁলৰ।

ঃ হাঃহাঃহাঃ। খঁৰা শিয়াঁল? সেইটো আকৌ কেনেকুৰা শিঁয়াল?

ঃ মই নাজানোঁ।

ঃ আৰে তুমিহে কৈছা খঁৰা শিয়াঁল। এতিয়া আক' তুমি নাজানোঁ বুলি ক'লে নহ'ব নহয়।

ঃ কোৱা, সেইটো কেনেকুৰা শিয়াঁল?

ঃ মই কেনেকৈ জানিম?

ঃ না, মোক ক'ব লাগিব কেনেকুৰা শিয়াঁল সেইটো।

ঃ আৰে বাবা, মই নাজানোঁ অ'!

ঃ নহ'ব মোক ক'ব লাগিব, ক'ব লাগিব, ক'বই লাগিব।

ঃ উফফ্! মু....!!! তোমাক নোৱাৰি আৰু!! মেঘৰঞ্জনৰ প্ৰশ্নবিলাকত বিৰক্ত হৈ কঁপালৰ ভ্ৰূ কোঁচাই চকীখনৰ পৰা উঠি আহিল আৰুণ্যা।

মেঘৰঞ্জনে তাইৰ হাতএখন থাপ মাৰি ধৰিলে।

ঃ কি?

ঃ মোৰ অভং আৰো জনী!

ঃ হুঁহ!

মেঘৰঞ্জনে তাৰ কাষতে আৰুণ্যাক বহুৱাই ল'লে।

ঃ তোমাৰ এই খংটো চাবলৈকে তোমাক ব্যতিব্যস্ত কৰোঁ। তোমাৰ ফুলা গাল কেইখন চাবলৈকে তোমাক আমনি কৰোঁ। বুজিলা অভং?

লাজ লাজকৈ আৰুণ্যাই হাঁহি এটা মাৰিলে। তাইৰ হাত খন এতিয়াও মেঘৰঞ্জনৰ মুঠিত।

ঃ আমি এই পদ্যটো সৰু থাকোঁতে গাইছিলোঁ। যেতিয়া ৰ'দ আৰু বৰষুণ একেলগে দিয়ে। ৰেষ্টুৰাৰ খিড়িকীৰে বাহিৰৰ বৰষুণজাকলৈ চাই আৰুণ্যাই ক'লে। আৰু জানা..তেতিয়াৰ পৰাই এনেকৈ ৰ'দ বৰষুণ একেলগে আহিলেই সেই পদ্যটো নিজে নিজেই ওলাই যায় মুখৰ পৰা।

ঃ ওমম। আৰু মোৰ আৰোজনীও তেতিয়া সৰু ছোৱালী হৈ যায়! আৰুণ্যাৰ গাল খনতে লাহেকৈ চিকুট এটা মাৰি মেঘৰঞ্জনে ক'লে।

আৰুণ্যাই মিচিকিয়ালে।

ঃ জানা মু... । এইখিনি সময় মোৰ খুউব ভাল লাগে। কলীয়া ডাৱৰবিহীন এখন আকাশ, টিক্ টিকিয়াকৈ ৰ'দো ওলাই আছে আৰু বৰষুণো দি আছে! এনেকুৱা লাগে, সৃষ্টিৰ যেন কিবা এটা যাদুকৰী মিলন হৈছে!

ঃ যেনেকৈ আমাৰ!

আৰুণ্যাই মেঘৰঞ্জনৰ মুখলৈ চালে। চকুত কৌতুহল।

ঃ তুমি আৰুণ্যা, সুৰুযৰ প্ৰথম কিৰণ!

ঃ আৰু তুমি মেঘ!

ঃ ওমম। আমাৰ মিলনো কম যাদুকৰী নে!

আকুলতা সনা চকুৰে আৰুণ্যাই মেঘৰঞ্জনলৈ চালে।

সি তাইৰ হাতখন খামুচি ধৰিলে। জোৰেৰে।

ঃ বাইদেউ, বাইদেউ, ৰন্টুৱে মোক ঠেলা মাৰি দিলে।

আৰুণ্যা বাস্তৱলৈ ঘূৰি আহিল।

হাতত লাগি থকা বোকাখিনি দেখুৱাই কান্দি কান্দি দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী এজনীয়ে আৰুণ্যাক ক'লে।

ঃ ইছ! দুখ পালা নেকি মিতালী?

মিতালীয়ে মূৰ দুপিয়াই ক'লে,

ঃ বাইদেউ, ৰন্টুৱে সদায় কাজিয়া লাগে মোৰ লগত। নামাতোঁ যা। কাট্ চি। ৰণ্টুলৈ চাই মুখখন উফোন্দাই ক'লে মিতালীয়ে।

ঃ ওমম। মই তাক খং কৰি দিম ৰ'বা। স্কুলৰ বাৰান্দাৰ পানীপতাৰ বৰষুণৰ পানীৰে মিতালীৰ হাতখন ধুৱাই দিলে আৰুণ্যাই। তাইক দেখি ৰান্ধনী বাইদেউ বিনীতা আগবাঢ়ি আহিল।

ঃ উৰ,কি হ'ল? পৰিলি? ইমান উৎপাত তহঁতৰ নপৰিবি কেলেই! বিনীতাই মিতালীক হাতত ধৰি লৈ গ'ল।

বাৰান্দাতে ৰৈ আৰুণ্যাই বাহিৰৰ বৰষুণ জাকলৈ চাই ৰ'ল। পানীখোৱা চুটিত বাৰান্দাতে খেলি থকা কণ কণ ল'ৰাছোৱালীবোৰে গাই থকা পদ্যটোৰে তাইৰ কৰ্ণকুহৰত খুন্দিয়াই থাকিল। "ৰ'দ দিছে, বৰষুণ দিছে....."

টংটংটংটং।

বিমলকায়ে বজোৱা ঘন্টাটোৰ মাত শুনি আৰুণ্যাই পাঠদান সামৰি ছাত্ৰ ছাত্ৰীবোৰক নিৰ্দেশ দিলে,

" সকলো এজন এজনকৈ লাইন পাতি যোৱা"

লাইন পাতি গৈ থকা একত্ৰিছ জনীয়া শ্ৰেণীটোৰ সকলোতকৈ শেষৰ শাৰীত আৰুণ্যাই দেখিলে, হাতে হাত ধৰি ৰণ্টু আৰু মিতালী। দুয়োটা নিজৰ কথাতে মছগুল। দুয়োটালৈ কিবা এটা মৰম লাগি গ'ল আৰুণ্যাৰ। কণ কণ ল'ৰা ছোৱালীবোৰৰ পৃথিৱীখন যে ইমান সৰল, নিভাঁজ! কোনো প্ৰশ্ন নাই, নাই উত্তৰ বিচাৰাৰ হাহাকাৰ! সেই সৰলতা খং, অভিমান, ক্ষমা কিম্বা প্ৰতিশোধ সকলোৰে উৰ্দ্ধত। আমিবোৰ বাৰু কিয় তেনে হ'ব নোৱাৰো? কিয় জটিল কৰি পেলাওঁ সকলো? কিয় সৰল কৰি ল'ব নোৱাৰোঁ আমাৰ জীৱনবোৰ? কিয় প্ৰশ্নই খেদি ফুৰে আমাক। নে আমি প্ৰশ্ন খেদি ফুৰোঁ? সেয়াই জটিলতা আমাৰ জীৱনৰ!

নামাতোঁ বুলি "কাট্ চি" দি কেইমুহূৰ্তমানৰ ভিতৰতে মিতালীয়ে ৰন্টুক ক্ষমা কৰি দিয়াৰ দৰে তাইও নোৱাৰে নে মেঘৰঞ্জনক ক্ষমা কৰি দিব?

" বাইদেউ, তলা মাৰিবলে আহিছিলোঁ, পাৰিমনে?"

"নোৱাৰি।"

"হেঁ? কিয় তলা মাৰিব নোৱাৰোঁ বাইদেউ?"

আৰুণ্যা উচপ খাই উঠিল। হাতত তলাটো লৈ ক্লাছৰুমৰ দুৱাৰমুখত বিমল কাইক ৰৈ থকা দেখি ক'লে,

" নহয় নহয়, আপোনাক নাই কোৱা।" টেবুলৰ পৰা বেগটো লৈ লৰালৰিকৈ আৰুণ্যা ক্লাছৰুমৰ পৰা ওলাই গ'ল।

" তোমাৰ এতিয়াও শুব হোৱা নাই? "ঋষিৰ মাতত চক্ খাই উঠিলো।

" নাই, দুটামান লাইন লিখিবলৈ আছিল।"

ন'টবুকখন জপাই থ'লো।টেবুল লাইটটো নুমুৱাই বিছনাত পৰিলো।

"কথা ক'লে নুশুনা মানে ন! ডাক্তৰে কৈছে তোমাক এতিয়াও বহুত আৰামৰ প্ৰয়োজন। এতিয়াও সম্পূৰ্ণ সুস্থ হৈ উঠা নাই তুমি। কৰা যি কৰা, আমাৰ কথা শুনে জানো কোনোবাই!" ঋষিৰ মৰমসনা খং।

"এঃ একো নহয়। আই এম ট'টেলি ফিট এণ্ড ফাইন।"

ঋষিক সাৰটি ক'লোঁ।

কপালত চুমা এটা আঁকি দি ঋষিয়ে ক'লে,

"শুই থাকা এতিয়া।"

ঋষিৰ বুকুতে মুৰটো গুঁজি টোপনি যাবলৈ চেষ্টা কৰিলোঁ। কিন্তু টোপনি যে নাই! মনটো আজিও অশান্ত। আৰুণ্যাৰ কৰুণ চকুহালে আজিও আমনি কৰি আছে। আৰু মই জানো তাইক দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰালৈকে সেই চকুযুৰিয়ে মোক শুৱলৈ নিদিয়ে। কিমান যে উত্তৰ বিচাৰি আছিল সেই চকুযুৰিয়ে, কিমান কথা ক'বলৈ চেষ্টা কৰিছিল সেই চকুযুৰিয়ে! যেন এক ৰহস্যৰ সাগৰ!!

(দুই)

মুম্বাইৰ "টাটা মেমৰিয়েল চেন্টাৰ"। ব্ৰেষ্ট কেন্সাৰৰ চিকিৎসাৰ বাবে ভৰ্তি হৈছিলোঁ তাত। প্ৰাৰম্ভিক অৱস্থাতে টিউমাৰ ধৰা পৰাৰ বাবে চিকিৎসক সকলে অভয় দি কৈছিল, " মিছেচ ঋষিকেষ, খুউব সোনকালেই আপুনি ঘৰলৈ ঘূৰি যাব পাৰিব। চিন্তাৰ কোনো কাৰণ নাই।" ঋষিয়ে মোৰ মুখলৈ চাই মৃদু হাঁহি এটা মাৰি কৈছিল, সেয়া দেখিলা, মই কৈছিলোঁ নহয়। তুমি এনেই চিন্তা কৰা।" ঋষিৰ হাতখন খামুচি ধৰিছিলোঁ। জোৰেৰে।

ৱাৰ্ডত ভৰ্তি হোৱাৰ পাছত আৰম্ভ হৈছিল এলানি পৰীক্ষা নিৰীক্ষা আৰু চিকিৎসা। আন ৰোগীসকলৰ দৰে মযডো সোনকালে সুস্থ হৈ ঘৰলৈ যাবলৈ বিচাৰিছিলোঁ। হস্পিতেলৰ পৰিৱেশটোৱে সদায় আবেগিক কৰি তুলিছিল। ৰোগীসকলৰ জীৱন ৰক্ষাৰ বাবে চিকিৎসক সকলে যেন প্ৰতিটো মুহূৰ্ততে যুঁজি আছে! তেওঁলোকতকৈ বেছি যুঁজিছিল ৰোগী সকলে। যেন জীৱন যুদ্ধত কেতিয়াও হাৰ নামানিব! ৰোগীসকলৰ লগত অহা প্ৰতিজন আত্মীয় পৰিজনৰ আশা ভৰসাবোৰ নেদেখাজনৰ ওচৰত আৰু চিকিৎসক সকলক সঁপি দি বাট চাইছিল আপোনজনক সুস্থ কৰি ঘূৰাই নিবলৈ। কেতিয়াবা কোনো ৱাৰ্ডৰ পৰা ভাঁহি অহা কাৰোবাৰ হৃদয় বিদাৰক কান্দোনে বুকুখন মুছৰি পেলাইছিল। বুজি পাইছিলোঁ কোনোবা বহুত দূৰলৈ গুচি গৈছিল। ভয় লাগিবলৈ ধৰিছিল।

কি যে এই জীৱন!!

ইমান অনিশ্চিত, ইমান ক্ষণস্থায়ী। আৰু ভগৱান? যেন সকলোতকৈ নিষ্ঠুৰ!!!

"শ্ৰবিষ্ঠা বাইদেউ?"

হাতত লৈ থকা কিতাপখনৰ পৰা মূৰ তুলি চালো। ক্ষীণকায় এগৰাকী মহিলা আমাৰ ৱাৰ্ডৰ দুৱাৰ মুখত ৰৈ আছে। মূৰত চূৰ্ণী এখন মেৰিয়াই লৈছিল যদিও কেশহীন তালুখন জিলিকি আছিল। অসুখীয়া যদিও বয়স ত্ৰিছৰ ওচৰ পাজৰ হ'ব যেনেই লাগিল। পৰ্দাখন থেলি তেওঁ সোমাই আহিল।

ঃ আপুনি শ্ৰবিষ্ঠা ঋষিকেশ বাইদেউ নহয়নে? উদ্বিগ্নতাৰে তেওঁ সুধিলে।

ঃ হয়। আপুনি.....?

ঃ বাইদেউ মই আপোনাৰ বহুত ডাঙৰ ফেন। আপোনাৰ লেখা মোৰ খুউব প্ৰিয় বাইদেউ। তেওঁ মোৰ বিছনাখনৰ ওচৰলৈ আহিল।

তেওঁক হাঁহি এটা মাৰি ধন্যবাদ জনালোঁ। তেওঁ লগত অহা নাৰ্চ গৰাকীৰ মুখলৈ চালে।

দক্ষিণ ভাৰতীয় যেন লগা নাৰ্চ গৰাকীয়ে হাঁহি এটা মোক ইংৰাজীতে মোক ক'লে," থেৰাপি ল'বলৈ যাওঁতে এওঁ

আপোনাক কালি পর্দাৰ ফাঁকেৰে চকামকাকৈ দেখিছিল বোলে। আপুনি লেখিকা বুলি তেওঁৰ পৰাই গম পালো। আপোনাক লগ কৰিবলৈ খুউব ইচ্ছা কৰি আছিল। সেয়ে... ইফ ইউ ড'ন্ট মাইণ্ড.... ।"

ভৰিকেইটা কোঁচাই দি মহিলাগৰাকীক বহিবলৈ দিলো।

দহ মিনিট পাছত তেওঁক লৈ যাবহি বুলি কৈ নাৰ্চ গৰাকী ওলাই গ'ল।

ঃ ধন্যবাদ বাইদেউ। কিন্তু আপুনি ইয়াত?

ঃ অঁ। মোৰ চিকিৎসাৰ বাবে আহিছোঁ ইয়ালৈ।

ঃ অঃ, কি হৈছে আপোনাৰ বাইদেউ? উদগ্ৰীৱ হৈ তেওঁ সুধিলে।

ঃ মোৰ ব্ৰেষ্ট কেন্সাৰ ধৰা পৰিছে।

ঃ অঃ। ডক্তৰে কি কৈছে বাইদেউ? কিবা চিৰিয়াচতো নহয়?

ঃ নাই নাই। প্ৰাইমেৰী ষ্টেজতে আছে বুলি কৈছে।

ঃ অ'হ থেংক গড! তেওঁ স্বস্তিৰ নিশ্বাস এৰিছিল আৰু কৈছিল, চিন্তা নকৰিব বাইদেউ। আপুনি সোনকালেই ভাল হৈ যাব। আৰু বহুত ধুনীয়া ধুনীয়া কাহিনী লিখিবলৈ বাকী আছে আপুনি।

হাঁহি এটা মাৰিছিলোঁ তেওঁলৈ চাই আৰু সুধিলোঁ

ঃ পিছে আপুনি? অসমৰ বুলিতো বাৰু গম পালোৱেই...

ঃ অ'হ, মই মোৰ চিনাকিটোৱেই দিয়া নাই। মোক তুমি বুলিয়েই ক'ব বাইদেউ।মোৰ নাম আৰুণ্যা। আৰুণ্যা বেজবৰুৱা। গোলাঘাটত থাকো। মানে আছিলো। এতিয়াতো... ইয়াত থকাই দুমাহ হ'বৰ হ'ল...। ইয়াতো আৰু কিমান দিনৰ আলহী.... পিছৰ কথাখিনি কওঁতে তেওঁৰ মাতটো অস্ফুট হৈ পৰিছিল। এচমকা কলীয়া ডাৱৰ নামি আহিছিল যেন আৰুণ্যাৰ মুখলৈ।

অজান ভয় এটাই মোক জোকাৰি গ'ল। সুধো নুসুধোকৈ সুধিলো,

ঃ কি হৈছে তোমাৰ? কিমান দিনৰ আলহী ... কিয় ক'লা তেনেকৈ?

ঃ এৰা! মই এই পৃথিৱীত কিমান দিনৰ আলহী তাৰ কোনো নিশ্চয়তা নাই। শেঁতা হাঁহি এটা মাৰি তেওঁ পুনৰ ক'লে,জীৱন দুদিনীয়া। লিটাৰেলি মোৰ জীৱনটোও দুদিনীয়াহে আছিল।

ঃ মানে??

ঃ মগজুত মাৰাত্মক কোষবোৰে পোখা মেলি গৈ আছে বাইদেউ। অপাৰেচন কৰিলেও বিফল হোৱাৰ সম্ভাৱনাই বেছি। মজিয়াখনলৈ চাই তেওঁ ক'লে।

ক্ষন্তেকৰ বাবে মগজুটো শূন্য হৈ পৰিল। কি ক'ম একো ভাবি পোৱা নাই। নিজেই মৃত্যুৰ দুৱাৰদলিত ভৰি থৈ মোক চিন্তা নকৰিবলৈ সাহস দিছে!! তেওঁৰ ফালে একেথিৰে চাই ৰ'লো। মোক তেনেকৈ চাই থকা দেখি সুধিলে, কি চাইছে বাইদেউ?

ঃ চাইছোঁ, তোমাক। ইমান সহজ ভাৱে কেনেকৈ..

ঃ নহ'লে যে আন একো অপচন নাই!! আকৌ এটা শেঁতা হাঁহি।

ক'ব নোৱাৰাকৈ মোৰ দুচকু সেমেকি উঠিল।

ঃ জানে বাইদেউ, ডক্তৰে কৈছে মই বোলে লাহে লাহে কথাবিলাক পাহৰি যাম। লাহে লাহে আপোন মানুহবোৰকো চিনি নোপোৱা হ'ম। মই নেটতো চাইছিলোঁ। যেতিয়া বেমাৰটো ধৰা পৰিছিল। মোৰ খুউব ভয় লাগে বাইদেউ। মই কাকো পাহৰিব নিবিচাৰোঁ।

আৰুণ্যা আবেগিক হৈ পৰিছিল। কি ক'ম ভাবি পোৱা নাছিলোঁ। তাইৰ চকুলো বৈ আহিছিল। শান্ত্বনা দিয়াৰ মানসেৰেই ক'লো,

ঃ ভগৱান আছে নহয়, তেওঁ কিবা এটা চমৎকাৰ কৰিব। বিশ্বাস ৰাখা।

ঃ ভগৱান!!!! বেঁকা হাঁহি এটা মাৰিলে তাই। জানে বাইদেউ, এটা সময় আছিল। যেতিয়া মই কামনা কৰিছিলো মই যেন সকলো পাহৰি যাম, তেওঁক পাহৰি যাম, তেওঁৰ প্ৰতিটো স্মৃতিয়েই যেন মোহাৰি পেলাম!! কিন্তু এতিয়া ভয় লাগিছে

বাইদেউ। মই তেওঁক পাহৰিব নিবিচাৰোঁ। তেওঁক পাহৰাতকৈ আগতে মৃত্যুৱে মোক আকোঁৱালি লোৱাতো বিচাৰোঁ বাইদেউ। তেওঁক পাহৰিব নিবিচাৰোঁ। আৰুণ্যা উচুপি উঠিল।

নিজকে সাঁথৰৰ সাগৰ এখনত উটি বুৰি ফুৰাৰ দৰে লাগিল।

ঃ তুমি কি কৈছা আৰুণ্যা, আৰু কাৰ কথা কৈছা?

চকুপানীখিনি মোহাৰি আৰুণ্যাই মোৰ মুখলৈ চালে।

এনেতে চিষ্টাৰ গৰাকী সোমাই আহিল।

ঃ ইয়'ৰ টাইম আপ। ডক্তৰ ইজ কামিং ইন ন' টাইম ফৰ চেক্ আপ।

ঃ আহোঁ বাইদেউ। আপোনাক আমনি কৰিলো বেয়া নাপাব।

ঃ নাই নাই, ভাল লাগিল তোমাক লগ পাই। আকৌ লগ পাম।

শুকান হাঁহি এটা মাৰি আৰুণ্যা ওলাই গ'ল। দুদোল্যমান পেণ্ডুলাম এটাৰ দৰে মোৰ মনতো আৰুণ্যাৰ কথাবোৰে দোলা দি থাকিল। তাইৰ লগত আৰু কথা পাতিবলৈ, তাইক জানিবলৈ মনটো অস্থিৰ হৈ পৰিল।

(তিনি)

আৰুণ্যাৰ লগত চিনাকি হোৱাৰ তিনিদিন পাছত ভিজিটিং আৱাৰ্চত নাৰ্চ এগৰাকীক সুধি তাইৰ ৱাৰ্ড পালোগৈ। কৰিডৰেদি আহি থাকোঁতে এদিন আগত তাইৰ কেম'থেৰাপিৰ এটা চেছন হৈ গ'ল বুলি নাৰ্চগৰাকীয়ে ক'লে। আৰুণ্যাৰ ৱাৰ্ডলৈ সোমাই গ'লো। গাত পাতল কাপোৰ এখন লৈ তাই শুই আছিল। তাইৰ ওচৰত থিয় হ'লোগৈ। এনে লাগিল এই দুই তিনিদিনত তাই যেন আৰু বেছি দুৰ্বল হৈ পৰিল।

ঃ মুনৰ ওচৰলৈ আহিছিল নেকি? পিচফালৰ পৰা কোনোবাই মাত লগালে।

ঘূৰি চালো। " মই মুন মানে আৰুণ্যাৰ মাক"। নমস্কাৰ এটা দি মানুহগৰাকীয়ে ক'লে।

মইয়ো প্ৰতিনমস্কাৰ জনাই ক'লো,

ঃ মোৰ নাম শ্ৰবিষ্ঠা ঋষিকেশ।

ঃ আপোনাক চিনি পাওঁ বাইদেউ। মুনৰ ওচৰত আপোনাৰ কিতাপ দেখিছোঁ। খুউব ভাল পায় তাই আপোনাক। সেইদিনা আপোনাক লগ কৰি আহি কৈছেহি যোৱাৰ আগমুহূৰ্তত হ'লেও আপোনাক পাই তাইৰ সপোন এটা পূৰা হ'ল। কথাখিনি কৈ মাকে চাদৰৰ আঁচলখেনৰে চকুলো টুকিলে।

ঃ মই তেওঁৰ বাউসিতে হাতখন দি সান্ত্বনা দিবলৈ চেষ্টা কৰিলোঁ। মুখেৰে ক'বলৈ যে একোৱেই নাছিল!!

ঃ বৰ কষ্ট পালে অ'মোৰ ছোৱালীজনীয়ে। দেহৰ কষ্টতকৈ মনৰ কষ্ট....। চকুপানীখিনি মোহাৰি পুনৰ ক'লৈ, ইমান চুটি জীৱনটো লৈ আহিছিল তাই!! যিমান কেইটা দিন থাকিলে? বুকুত এবোজা দুখ লৈয়ে....। তেওঁ উচুপি উঠিল। নিজকে খুউব দুখী দুখী লাগে বাইদেউ। কিয় তাইক নুবুজিলোঁ, কিয় দূৰ কৰি দিছিলো। তাই বাৰু কম কষ্টত আছিল নে?? তাইক কিয় বাৰু এবাৰ বুকুৰ মাজত সুমোৱাই নল'লোঁ?? তেওঁৰ কান্দোনত অনুশোচনাবোধ স্পষ্টকৈ ধৰিব পাৰিলো। চকুপানীখিনি মোহাৰি অলপ প্ৰকিতিস্থ হৈ তেওঁ ক'লে,

ঃ অ'হ আপোনাক বহিবলৈকে নিদিলোঁ। আৰুণ্যাৰ শিতানৰ ফালে থকা টুল এখন তেওঁ মোলৈ আগবঢ়াই দিলে।

ঃ নাই নালাগে দিয়ক। মই আহোঁ। আৰুণ্যাক চাবলৈ আহিছিলোঁ। শুৱক তাই। আপুনি বহক।

ঘূৰি আহিবলৈ লওঁতে আৰুণ্যাই মাতিলে,

ঃ বাইদেউ!

ঃ অ'হ তুমি সাৰ পাই গ'লা।

ঃ সাৰ পায়েই আছিলো বাইদেউ। চকুকেইটা মেলিবলৈ মন যোৱা নাছিল। চেপা মাত এটাৰে আৰুণ্যাই ক'লে। চকুৰ কোণত তাইৰ পানী জমা হৈ আছিল। হয়তো মাকৰ কথাবোৰ শুনি ..।

ঃ বহক বাইদেউ। তাই পুনৰ ক'লে।

ঃ নাই ন'বহোঁ। তুমি আৰাম কৰা। তাইৰ কপালতে হাতখন ফুৰাই ক'লো।

ঃ আপোনাৰ লগত কথা পাতিবলৈ মন গৈছে বাইদেউ। মোৰ হাতখন ধৰি তাই ক'লে। তাইৰ চকুযুৰিলৈ চালো। যেন বহুত কথা ক'বলৈ বিচাৰি আছে! মই মূৰ দুপিয়ালোঁ।

ঃ বাইদেউ আপুনি বহক। ছাৰে মাতি পঠাইছিল মোক। মুন শুই আছিল বাবে যোৱা নাছিলো। মুন মই গৈ আহোঁ দেই পত্ কে। আৰুণ্যাৰ মাক ওলাই গ'ল।

ঃ বাইদেউ!! আপোনাক কথা এটা কওঁ বেয়া পাব নেকি??

ঃ কোৱা কি কথা।

ঃ মই এনেকৈ শেষ হৈ যাব নিবিচাৰোঁ বাইদেউ। মোৰ দেখোন বহুত কাম কৰিবলৈ থাকি গ'ল। বহুত কথা ক'বলৈ থাকি গ'ল।

আৰুণ্যাৰ হাতখন খামুচি ধৰিলোঁ।

ঃ মোক আপোনাৰ কাহিনী এটা কৰি জীয়াই ৰাখিব বাইদেউ??

আৰুণ্যই মোৰ মুখলৈ চালে।

তাইৰ দুচকুৰ তৰলখিনি দুগালেদি বৈ আহিছিল। তাইৰ চকুযুৰিয়ে যেন মোক মিনতি কৰিছিল আৰু কৈছিল, "মোক জীয়াই ৰাখক বাইদেউ, মোক জীয়াই ৰাখক"!!

মই মূৰ দুপিয়ালোঁ।

আৰুণ্যাই হাতযোৰ কৰিলে। তাইৰ হাত দুখন খামুচি ধৰিলোঁ।

ঃ তেওঁৰ পৰাই প্ৰথম আপোনাৰ কিতাপ পঢ়িবলৈ লৈছিলোঁ। তেওঁও খুউব ভাল পাইছিল আপোনাৰ কিতাপ পঢ়ি....। হয়তো এতিয়াও পায়। খুউব প্ৰশংসা কৰিছিল আপোনাৰ। আমাৰ দুয়োৰে পচন্দ নাপচন্দবোৰ খুউব মিলিছিল বাইদেউ। তেওঁক লগ পাই লাগিছিল, যেন নিজকে বিচাৰি পালোঁ। জঁয় পৰি যোৱা আৰুণ্যাজনীক তেওঁ জীপাল কৰি তুলিছিল। হাঁহিবলৈ শিকাইছিল। সপোন দেখিবলৈ শিকাইছিল। আমি সপোন দেখিছিলো বাইদেউ। একেলগে উৰাৰ। আকাশখন চুই চোৱাৰ। কিন্তু সেই সপোনটোতেই আউল লাগিল। সেই সপোনটোৱেই তেওঁক মোৰ পৰা দূৰ কৰি লৈ গ'ল বাইদেউ। আজিও বুজি নাপালো বাইদেউ, কি হৈ গ'ল আৰু কিয়?? তেওঁক সুধিবলৈ মন গৈছিল,

সঁচাকৈ আছিলোঁ নে মই তোমাৰ সপোনবোৰত, নে সেই সপোন পূৰা কৰিবলৈ মই এডাল জখলামাত্ৰ আছিলো?? তোমাৰ সপোনবোৰত মোৰ সপোনবোৰ হয়তো অন্তৰ্ভুক্ত হোৱাই নাছিল। তোমাৰ সপোনবোৰতো মোৰ বাবে কোনো ঠাই নাছিল আৰু তোমাৰ জীৱনতো। নোৱাৰিলোঁ ক'ব বাইদেউ। থাকি গ'ল ক'বলৈ!! গুচি আহিছিলো তেওঁৰ জীৱনৰ পৰা চুপ চাপ। পিচে তেওঁকো দুখ নিদিওঁ। আছিলোতো মই এজনী পৰিত্যক্তাহে!!!

আৰুণ্যা এক ৰহস্য হৈ পৰিছিল মোৰ বাবে।

বহুত দেৰি একেৰাহে কথা কৈ থকাৰ বাবে তাই ফোঁপাইছিল। বিছনাৰ কাষৰ টেবুলখনৰ পৰা পানীৰ বটলটো আগবঢ়াই দি তাইক ক'লো,

ঃ মই একো বুজা নাই আৰুণ্যা। তুমি কাৰ কথা কৈ আছা। সপোন, পৰিত্যক্তা....??

ঃ অ'হ! মই আৰম্ভণিৰ পৰা কোৱাই নাই নহয় আপোনাক!! ছৰী। পানীৰ বটলটোৰ সাঁফৰ খন মাৰি তাই ক'লে। যৌৱনত ভৰি দিয়াই নাছিলোঁ ছাগৈ, প্ৰেম ভালপোৱা শব্দবোৰ তেতিয়াও কিতাপীয়েই হৈ আছিল। জীৱনৰ আটাইতকৈ ডাঙৰ ভুলটো কৰি পেলাইছিলোঁ বাইদেউ। মেট্ৰিক পাচ কৰি প্ৰথম কলেজলৈ যোৱা বছৰেই শেষ কৰি পেলাইছিলোঁ জীৱনটো এটা পিশাচৰ হাতত দি।

ঃ পিশাচ??

ঃ অঁ বাইদেউ। আমাৰ কলেজতে পঢ়িছিল। আমাতকৈ চাৰিবছৰ চিনিয়ৰ আছিল। মোক বোলে ভাল পাইছিল। আৰুণ্যাৰ চকুত ক্ষোভ দেখিলোঁ। আমাৰ বেট্ছটোৰ আটাইতকৈ ধুনীয়া ছোৱালীজনী বুলি কৈছিল মোক সকলোৱে। ফ্ৰেচাৰ্চত নাচিছিলোঁ লগৰ ছোৱালীৰ লগত মঞ্চত। তেতিয়াৰ পৰাই মোৰ পিছত পৰিছিল সি। মোক প্ৰেমৰ প্ৰস্তাৱ দিছিল। মই পোনচাতেই

নাকচ কৰিছিলোঁ ধনী দেউতাকৰ একমাত্ৰ ল'ৰা আছিল সি। জেদী, অবুজন, নষ্ট! ফাৰ্ষ্ট ইয়েৰৰ পৰীক্ষালৈ মাত্ৰ দুমাহ বাকী আছিল। কলেজ চুটীত ঘৰলৈ আহিবলৈ লওঁতেই আমাৰ ক্লাছৰুমত ওলাইছিলগৈ সি। লগত তাৰ চামচা কেইটাও চিঞৰৰ বাখৰ কৰি আহিছিল। আৰুণ্যাক নাপালে বোলে আজি পল্লৱে হাত কাটি জান দিব। সি থিয় দিছিলহি মোৰ সমুখত। এখন হাতত চুৰী কটাৰী লৈ আনখন হাতৰ সিৰা কাটিবলৈ। মোক সুধিছিল,

ঃ শেষ বাৰৰ বাবে সুধিছোঁ আৰুণ্যা, ভাল পোৱানে মোক?

মই ভয়ত কঁপিছিলোঁ। মুক হৈ পৰিছিলোঁ।

ঃ মোক ভাল নোপোৱা আৰুণ্যা? তেন্তে ময়ো জীয়াই নাথাকোঁ। সি হাতখন কাটিবলৈ উদ্যত হ'ল।

মই চুৰীখন তাৰ হাতৰ পৰা থপিয়াই দূৰলৈ দলিয়াই দিলোঁ।

ঃ তাৰমানে তুমি মোক ভালপোৱা আৰুণ্যা?

মই একো বুজি পোৱা নাছিলোঁ কি হৈ আছে মোৰ লগত। সি আকৌ সুধিলে। মই মূৰ দুপিয়ালোঁ।

ঃ তেন্তে আই লাভ ইউ বুলি কোৱানা আৰুণ্যা। সি জোৰ কৰিবলৈ ধৰিলে।

ঃ আই লাভ ইউ। ভাটৌৰ দৰে বিৰবিৰালোঁ মাথো। তালৈ নোচোৱাকৈ।

সি জঁপিয়াই উঠিছিল। লগৰবোৰক কৈছিল, "চা আৰুণ্যাই মোক আই লাভ ইউ ক'লে।" লগৰবোৰে কিৰিলিয়াইছিল।

সি মোক হাতত ধৰি লৈ গৈছিল ক্লাছৰুমৰ পৰা। কলেজৰ বহিৰত ৰখাই থোৱা তাৰ এলট' গাড়ীখনৰ ফ্ৰন্ট চিটত মোক বহোৱাই দিছিল। পিচৰ চিটত তাৰ চামচা তিনিটা। গাড়ীখন ষ্টাৰ্ট দি সি কৈছিল

ঃ আজিৰ পৰা তুমি মোৰ।

গাড়ীখন সি মন্দিৰ এটাৰ সন্মুখত ৰাখিলেগৈ। গাড়ীৰ দুৱাৰখন খুলি দি মোক ক'লে আহাঁ।

মই একো বুজি পোৱা নাছিলোঁ। চাবি দিয়া পুতলা এটাৰ দৰে তাৰ পিচে পিচে গ'লো। মন্দিৰত সি মোক সেন্দূৰ পিন্ধাই দিলে। পৃথিৱীখন ওলট পালট হৈ যোৱাৰ দৰে লাগিল মোৰ। হঠাৎ চেতনা ঘূৰাই পোৱা মানুহৰ দৰে মই তাক সুধিলো,

ঃ এইয়া আপুনি কি কৰিলে??

ঃ তোমাক একেবাৰে নিজৰ কৰি ল'লোঁ।

মন্দিৰৰ মজিয়াতে ধমহকৈ বহি পৰিলোঁ আৰু চিঞৰি চিঞৰি কান্দিলোঁ। এইয়া কি হৈ গ'ল। মইতো এইবোৰ বিচৰা নাছিলোঁ।

ঃ কিয় কান্দিছা? তুমিয়েইতো কৈছিলা মোক ভাল পোৱা। মা দেউতালৈ ভয় লাগিছে? একো নহয় দিয়া। প্ৰথমতে খং কৰিব। পাছলৈ সব থিক হৈ যাব। আৰু মই আছোঁ নহয়। তোমাক বহুত মৰম কৰিম। সাৰতি লৈ কৈছিল মোক।

বুজা নাছিলোঁ, কি হৈ আছে। মা দেউতাৰ মুখ কেইখন চকুৰ আগত ভাঁহি আছিল।

সন্ধিয়া সি মোক তাৰ ঘৰলৈ লৈ গ'ল। প্ৰথমতে সকলোৱে খং কৰিছিল। বিৰোধ কৰিছিল। দেউতাকে তাক কৈছিল " এতিয়াই তাইক ঘৰত থৈ আহগৈ। ধেমালি পাইছ?"

সি দোৰি গৈ সিহঁতৰ তিনিমহলীয়া ঘৰটোৰ চাদৰ ওপৰ পাইছিলগৈ আৰু তাৰ পৰা তললৈ জাপ দিম বুলি ধমকি দিলে। বহুত বুজোৱাৰ পাছতো সি মান্তি নোহোৱাত তাৰ ঘৰৰ মানুহে মোক গ্ৰহণ কৰিছিল।

পিছদিনা দেউতা সিঁহতৰ ঘৰত উপস্থিত হৈছিলগৈ। তই আমাৰ বাবে মৰিলি , তোৰ মুখ জীৱনত আৰু কেতিয়াও নাচাওঁ বুলি কৈ দেউতা গুচি আহিছিল। মোৰ দেউতাক ক'বলৈ মন গৈছিল, "দেউতা মোক এৰি থৈ নাযাব, লৈ যাওক আপোনাৰ লগত!! "নোৱাৰিলোঁ ক'ব। মাতটো বুকুৰ ভিতৰতে ক'ৰবাত দবি থাকিল।

মোৰ পৰীক্ষা শেষ নোহোৱালৈকে মই তাৰ মাকৰ ৰুমতে আছিলোঁ। সি কলেজ যাবলৈ এৰি দিছিল। দেউতাকৰ লগত ব্যৱসায়ত নামিছিল।পৰীক্ষা শেষ হোৱাৰ দুসপ্তাহমান পাছত আনুষ্ঠানিকভাৱে আমাৰ বিয়া পাতি দিছিল। খুউব মনত পৰিছিল সেইদিনা মা দেউতা আৰু ভন্টিলৈ। খুউব কান্দিছিলোঁ।

ৰাতি আমাৰ দুইটাক প্ৰথমবাৰৰ বাবে একেলগে থাকিবলৈ দিছিল। ভিতৰি ভিতৰি ভয় লাগি আছিল। আমাৰ প্ৰথম ৰাতি। আৰু সেই ৰাতিটোৱেই মোৰ জীৱনৰ গতি সলনি কৰি দিছিল। সি সোমাই আহিছিল ৰুমলৈ। মুখত মদৰ গোন্ধ। উবুৰি

খাই পৰিছিলহি মোৰ গাত। যেন আজুৰি চিঙি খাই পেলাব মোৰ শৰীৰৰ মঙহবোৰ। বিষত কেঁকাই উঠিছিলোঁ। কিন্তু সি থমকি ৰোৱা নাছিল। বনৰীয়া ম'হৰ দৰে হৈ পৰিছিল। উগ্ৰ, অপ্ৰতিৰোধ্য। মোৰ ওপৰত তাৰ অধিকাৰ সাব্যস্ত কৰিছিল সি, তাৰ পৌৰুষত্ব প্ৰমাণ কৰিছিল। মৃত্যু হৈছিল মোৰ আত্মাটোৰ। চকুপানীবোৰ শুকাই গৈছিল। চাৰিওফালে কেৱল পিতনি দেখা পাইছিলোঁ।

(চাৰি)

আঠমাহ। সম্পূৰ্ণ আঠমাহে, প্ৰতিদিন সেই অসুৰটোৰ পাশৱিক কামনাৰ বলি হৈছিলোঁ। আসুৰিক তৃপ্তি লাভ কৰিছিল সি, মোৰ বুকুত চিগাৰেটেৰে জ্বলাই চিন বহোৱাই, দাঁতেৰে কামুৰি চিন বহোৱাই। কৈছিল সেয়া বোলে তাৰ ষ্টাম্প। মৰমৰ ষ্টাম্প। মই তাৰ সম্পত্তি হোৱাৰ ষ্টাম্প?? মই যদি বাধা দিওঁ মোক চোঁচৰাই নি মূৰটো বেৰত যোঁজাই দিছিল। দিনে দিনে যেন তাৰ উগ্ৰতাৰ, পাশৱিকতাৰ সীমা চেৰাই গৈছিল। মোৰ কলেজ যোৱা বন্ধ কৰি দিছিল। কাৰো কথা নুশুনিছিল। মাক দেউতাকৰ লগত প্ৰায়েই কাজিয়াত লিপ্ত হৈছিল। মোক ঘৰৰ বাহিৰলৈ ওলাবলৈ নিদিছিল। দিনে দিনে মই এটা জীৱন্ত মৰা শ হৈ গৈ আছিলোঁ।

এদিন দুপৰীয়া সি নথকাত তাৰ কবলৰ পৰা পলাই আহিছিলোঁ ঘৰলৈ। তাৰ মাকেই উদ্ধাৰ কৰিছিল মোক তাৰ অত্যাচাৰৰ পৰা। এটা সি আছিল যি মোক শৰীৰত আঘাতৰ ওপৰত আঘাত দি পৌৰুষত্বৰ প্ৰমাণ দিছিল আৰু এজন আছিল মোৰ মু!! আৰুণ্যা ৰৈ গ'ল। যেন কিবা মনত পেলাইছে। হয়তু তাই কোৱা "মু"ৰ কথা মনত পেলাইছে। তাইৰ মুখত ফুটি উঠা ক্ষীণ হাঁহিটো দেখি অনুমান কৰিব পাৰিলোঁ। হয়তু "মু"ৰ লগত আৰুণ্যাৰ মধুৰ স্মৃতি জড়িত হৈ আছে।

ঃ জানে বাইদেউ, আমাৰ অফিচটো আৰম্ভ হোৱাৰ কেইদিনমান আগত মই বেৰত গজাল এটা লগাবলৈ লওঁতে হাততে হাতুৰিৰ কোব পৰিছিল। তেওঁ যে ইমান খং কৰিছিল আৰু কৈছিল

"আৰো! কিনো ভাবি থাকা? মাৰি ল'লা নহয় নিজৰ হাততে। কোনে কৈছিল তোমাক হাতুৰি বটালি চুবলৈ। আমি আছোঁ নহয় এইবোৰ কৰিবলৈ।"

তেওঁৰ সেই খঙত মোলৈ থকা মৰমখিনি দেখি পাইছিলোঁ। মৰম লাগি গৈছিল তেওঁলৈ। দুইখন হাতেৰে তেওঁৰ গাল দুখন টানি দিছিলোঁ। তেওঁ কৈছিল, "তুমি কষ্ট পালে ময়ো কষ্ট পাওঁ।"

বাইদেউ যিজন মানুহে মোৰ সৰু আঘাত এটাতো কষ্ট পাইছিল, তেওঁ মনত কেনেকৈ দুখ দিব পাৰে? গোটেই জীৱন লগত থাকিম বুলি কথা দি কেনেকৈ আধা ৰাস্তাত এৰি থৈ যাব পাৰে? মানুহ তেনেকৈ সলনি হৈ যাব পাৰে নে বাইদেউ?

আৰুণ্যাৰ মাতটো থুকাথুকি হৈ গৈছিল।

ঃ তেওঁ কোন আছিল আৰুণ্যা? আৰুণ্যাক সুধিলোঁ।

চকুপানীখিনি মোহাৰি আৰুণ্যাই ক'লে,

ঃ মু! মেঘৰঞ্জন বৰুৱা। যি মোক জীৱলৈ শিকাইছিল। সপোন দেখিবলৈ শিকাইছিল।

ঃ ক'ত তেওঁ এতিয়া?

ঃ অসমৰ এজন বিখ্যাত উদ্যোগপতি উপকূল হাজৰিকাৰ নাম শুনিছে নহয় বাইদেউ? যি ৰাজনীতিতো সক্ৰিয়। তেওঁৰেই একমাত্ৰ জোঁৱায়েক মেঘৰঞ্জন বৰুৱা।

ঃ অ'হ সেইজন মেঘৰঞ্জনেই মানে.... তুমি কোৱা "মু"...?

ঃ আপুনি চিনি পায় নেকি তেওঁক বাইদেউ? আৰুণ্যাই উৎসুক হৈ সুধিলে।

ঃ অঁ। তেওঁক এটা অনুষ্ঠানত লগ পাইছিলোঁ। বিশেষ কথা বতৰা একো হোৱা নাছিল পিছে!

ঃ অ'হ

ঃ কিন্তু তুমি তেওঁক কেনেকৈ লগ পালা?

ঃ আমি এটা অফিচ খুলিছিলোঁ একেলগে। এম এণ্ড এ ৱেব চলিউচন্স।

মোৰ মুখত আশ্চৰ্যৰ ভাব দেখি আৰুণ্যাই বুজি পাইছিল মোৰ দুমোজাৰ কথা।

ঃ অ'হ আপোনাক কোৱাই নহ'ল। ঘৰলৈ ঘূৰি অহাৰ পাছত দেউতাই পুনৰ কলেজত নাম লগাই দিছিল। কলেজ শেষ

কৰি বাংগালোৰত কম্পিউটাৰ চায়েন্সত এম টেক কৰিলোঁ। ৰিজাল্ট ভাল আছিল বাবে কেম্পাচ চিলে'নত ভাল কোম্পানী এটাত চাকৰি পাইছিলো। চেন্নাইত প'ষ্টিং আছিল মোৰ। তাতেই লগ পাইছিলোঁ মেঘৰঞ্জনক। তেওঁ মেনেজমেন্টত আছিল। মোৰ অতীতৰ সকলো কথা জানিও মোক আদৰি লৈছিল। আকোঁৱালি লৈছিল মোক দুবাহু মেলি। আৱৰি ৰাখিছিল তেওঁৰ মৰমেৰে। পুনৰ জীয়াই তুলিছিল মৰি যোৱা আৰুণ্যাজনীক।

বহুত পজিটিভ আছিল তেওঁ। তেওঁক এদিন সুধিছিলোঁ,

ঃ মোৰ অতীতটো লৈ তোমাৰ সঁচাকৈয়ে কোনো আপত্তি নাই নে?

"কিয় থাকিব? আৰু সেয়াটো তুমি জানি বুজি কৰা নাছিলা। জীৱনৰ বাটটো সদায় ওখোৰা মোখোৰা। কেতিয়াও মসৃন নহয়। তুমি ইমানবোৰ কষ্ট পোৱাৰ পাছতো যে সাহসেৰে জীৱনত আগবাঢ়িব পাৰিলা, তাৰ বাবে সন্মান কৰোঁ তোমাক। এনে বহুত নাৰীৰ বাবে তুমি আদৰ্শ।

ঃ নাজানোঁ মই কি? ভয় এটাই সদায় খেদি ফুৰে। তোমাক পাই পুনৰ জী উঠিছোঁ। প্ৰতিটো দিন নতুনকৈ আৰু ৰঙীনকৈ চাবলৈ শিকিছোঁ। কিন্তু ভয় লাগে। যদি এই দিনবোৰ মোৰ হাতৰ পৰা পিচলি যায়? ইমান সুখ লিখা আছে জানো মোৰ কপালত?

ঃ উফ!! কি যে কথাবোৰ কৈ থাকা?

ঃ থাকিবানে মোৰ লগত সদায়?

মোৰ হাতখন তেওঁৰ হাতৰ মুঠিত লৈ কৈছিল,

ঃ জীৱনৰ অন্তিম উশাহটোলৈকে।

ঃ মোৰ যে তোমাৰ বুকুত সোমাই হেঁপাহ পলুৱাই কান্দিবলৈ মন যায়। যেন চকুপানী হৈ বৈ যাবলৈ দিম সকলো তিক্ততাভৰা স্মৃতি।

ঃ না, কান্দিবলৈ নিদিওঁ দেই। কিয় কান্দিবা আক'? "পুষ্পা আই হে'ট টিয়েৰ্চ"। ৰাজেশ খান্নাৰ দৰে অভিনয় কৰি কৈছিল তেওঁ। খুউব হাঁহিছিলোঁ দুয়ো। তেওঁ কৈছিল "হাঁহি থাকিবা সদায়"।

ঃ জানা মু? মোৰ খুউব মন যায় কাৰোবাক প্ৰাণ ভৰি ভাল পাবলৈ, যেন একদম..বাউলি হৈ যাম কাৰোবাৰ প্ৰেমত, নিজকে পাহৰি যাম! সকলোতকৈ বেছিকৈ ভাল পাম, নিজতকৈও বেছিকৈ!! মোকো যেন চুই চাব কোনোবাই! মৰমত! পুৰুষত্ব দেখাবলৈ নহয় কিম্বা মোৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিবলৈ নহয়। কেৱল মৰমত!

ঃ অ'হহ। কোনোবা এজনহে লাগে মানে? মুখখন উন্দোলাই অভিমান কৰি কৈছিল তেওঁ।

ঃ সেই কোনোবাজন মই তোমাৰ মাজতহে বিচাৰি পাওঁ মু!

দুবাহু মেলি দিছিল তেওঁ আৰু মই কুৰুকি কুৰুকি তেওঁৰ বুকুৰ মাজত সোমাই পৰিছিলোঁ।

আৰুণ্যাৰ চকুলোঁ বৈ আহিছিল। পানী অলপ খাই তাই পুনৰ ক'বলৈ আৰম্ভ কৰিলে,

ঃ আমি দুয়ো মিলি এটা সপোন দেখিছিলো বাইদেউ। সপোনটোৰ নাম আছিল এম এণ্ড এ ৱেব চলিউচন্স। চেন্নাইৰ পৰা দুয়ো গুচি আহিছিলোঁ নিজাকৈ কিবা এটা কৰোঁ বুলি। মোৰ দৰে তেওঁও ঘৰৰ পৰা দূৰত থকাতো বিচৰা নাছিল। একমাত্ৰ সন্তান আছিল মাক দেউতাকৰ। তেওঁ কৈছিল, তোমাৰ টেকনিকেল স্কিল্চ আৰু মোৰ বিজিনেছ মেনেজমেন্ট স্কিল্চ, দুয়ো মিলি আমাৰ সপোনটো বহুত ওপৰলৈ লৈ যাম। সকলো ঠিকেই আছিল। ষ্টাৰ্ট আপৰ প্লেন, ষ্ট্ৰেটেজি, ব্লু প্ৰিণ্ট, সকলো। কিন্তু আমাৰ হাতত উপযুক্ত পৰিমাণৰ ফাইনেন্স নাছিল। দুয়ো লোন ল'লোঁ যদিও সেয়া পৰ্যাপ্ত নাছিল। মেঘৰঞ্জনৰে এজন বন্ধুৱে উদ্যোগপতি উপকূল হাজৰিকাৰ হৈ এটা অফাৰ লৈ আহিল। উপকূল হাজৰিকাই আমাক ফাইনেন্স কৰিব। আমাৰ কোম্পানীত এটা অংশ তেওঁৰ থাকিব। মেঘৰঞ্জনে মানা কৰিছিল। মইহে তেওঁক জোৰ দিলোঁ। কাৰণ আমাৰ হাতত আন উপায়ো নাছিল। তেওঁ সেই অফাৰ স্বীকাৰ কৰিলে। কিন্তু ভবা নাছিলোঁ, সেই অফাৰটোৰ বাবেই যে মই মোৰ মোক হেৰুৱাব লাগিব। এতিয়া লাগে,উপকূল হাজৰিকাক লগ নোপোৱা হ'লেই ভাল আছিল। তেওঁৰ সম্পত্তিলৈ হয়তু মেঘৰঞ্জনৰ লোভ জাগিছিল। সেয়ে মোৰ লগত এংগেজমেণ্ট কৰাৰ এসপ্তাহ পাছতেই সংযোগ বিচ্ছিন্ন কৰি পেলাইছিল মোৰ পৰা। তাৰ দেৰমাহমান পাছতে শুনিছিলোঁ, উপকূল হাজৰিকাৰ কন্যাৰ সৈতে তেওঁৰ বিয়া হোৱা। গুচি গৈছিল তেওঁ মোক এৰি থৈ। গুছি গৈছিল বেলেগ এখন

দুনীয়ালৈ। আৰু আমাৰ সপোনটো!! সপোন হৈয়েই থাকি গ'ল!! মুৰ সৈতে উৰাৰ, আকাশখন চুই চোৱাৰ সপোনটো পাহি মেলিবলৈ নাপাওঁতেই মৰহি গ'ল।

ঃ তোমালোকৰ এংগেজমেন্টও হৈছিল? আৰুণ্যাক সুধিলো।

ঃ চেন্নাইৰ পৰা আহিয়েই ঘৰৰ অনুমতিত এংজেজমেন্ট হৈছিল আমাৰ। কিমান যে সুখী হৈছিল মাঁহত। মোৰ এনেকুৱা লাগিছিল যেন মই পৃথিৱীৰ আটাইতকৈ সুখী ছোৱালীজনী!! কিন্তু ভগৱানৰ সেয়া সহ্য নহ'ল। লৈ গ'ল তেওঁক মোৰ পৰা আঁতৰাই। মই যেন আকৌ এবাৰ মৰি গৈছিলোঁ, আকৌ এবাৰ মৰি গৈছিলোঁ মই বাইদেউ!! আৰুণ্যা উচুপি উঠিল। চকুলো মোহাৰি তাই ক'লে, তেতিয়া ভগৱানক মই এটাই প্ৰাৰ্থনা কৰিছিলোঁ, মোৰ স্মৃতিশক্তিখিনি কাঢ়ি লৈ যাওক ভগৱানে, নোৱাৰোঁ আৰু সহিব! সহ্য নহয়। পাহৰি পেলাম যেন তেওঁক, তেওঁ দিয়া আঘাতক। গুৱাহাটীৰ পৰা গুচি আহিছিলোঁ। গোলাঘাটৰে স্কুল এখনত চাকৰি জইন কৰিলোঁ। কিন্তু বাইদেউ মই তেওঁক পাহৰিব নিবিচাৰোঁ। বহুত ভাল পাওঁ তেওঁক বাইদেউ!

ঃ এতিয়াও??

ঃ তেওঁক দুখ নিদিওঁ বাইদেউ। দুদিনৰ কাৰণে হ'লেও ভালপোৱা কি, তেওঁ মোক শিকাই গ'ল। তেওঁৰ প্ৰতি কোনো অভিযোগ আপত্তিও নাই। আক্ষেপো নাই।জীৱনটো তেনেই চুটী। কাৰোবাৰ প্ৰতি খং, অভিমান, আক্ষেপবোৰ থাকি যায়, কিন্তু জীৱনটোৱেই শেষ হৈ যায় বাইদেউ! কাৰোবাক ভাল পালেও ভাল পাওঁ বুলি ক'বলৈকৈ থাকি যায়। মনৰ দূৰত্ববোৰ শেষ হ'বলৈ পোৱাৰ আগতেই মানুহ ইমান দূৰলৈ গুচি যায় য'ৰ পৰা ঘূৰি অহাও সম্ভৱ নহয়!!

আচৰিত হৈছিলো আৰুণ্যাৰ কথাবোৰত। ইমান ধৈৰ্য্য, ইমান পৰিপক্কতা। বুজি পাইছিলোঁ মেঘৰঞ্জনৰ বাবে থকা তাইৰ এসাগৰ ভালপোৱাৰ কথা।

ঃ তেওঁৰ প্ৰতি মোৰ ইমান অভিযোগ নাই বইদেউ, যিমান ভালপোৱা আছে। মাত্ৰ দুখ এটাই থাকি যাব, তেওঁক নোৱাৰিলোঁ ক'ব। আৰুণ্যাৰ চকুলো বৈ আহিল। ময়ো তাই নেদেখাকৈ চকুলো টুকিলোঁ।

আৰুণ্যাৰ মাক সোমাই আহিছিল। আৰুণ্যাৰ পৰা বিদায় লৈ ক'লোঁ,

ঃ মোৰ এই সপ্তাহতেই অপাৰেচন হ'ব। লগ পাব নোৱাৰিম চাগৈ কেইদিনমান।

ঃ সোনকালে ভাল হৈ আহক বাইদেউ। মই বাট চাই থাকিম।

তাইৰ গালতে হাতখন ফুৰাই ওলাই আহিলোঁ।

(পাঁচ)

ঃ হাউ আৰু ইউ ফিলিং নাও মিচেছ ঋষিকেশ? ডাক্তৰে পৰীক্ষা কৰি সুধিলে।

ঃ গুড ডক্তৰ।

ঃ গুড!! উই উইল দিচচাৰ্জ ইউ ভেৰী চুন। হাঁহি এটা মাৰি তেওঁ ক'লে।

ডাক্তৰক সুধিলোঁ, মই এতিয়া আৰুণ্যাক লগ কৰিবলৈ ৰাব পাৰিম নে?

ডাক্তৰৰ অনুমতি পাই ধাপলি মেলিছিলোঁ আৰুণ্যাৰ ওচৰলৈ।

খিৰিকীখনেৰে বাহিৰলৈ চাই আছিল তাই। পিচফালৰ পৰা তাইক মাত লগালোঁ,

ঃ আৰুণ্যা

ঃ বাইদেউ!!! তাই একপ্ৰকাৰে চিঞঁৰি দিছিল। আপোনাৰ অপাৰেচন হৈ গ'ল বাইদেউ? ঠিকে আছেনে সকলো? আপোনাৰ ভাল লাগিছেনে বাইদেউ এতিয়া? একেটা উশাহতে তাই সুধিলে।

ঃ সকলো ঠিকে আছে। ময়ো ঠিকে আছো। তুমি ঠিকে আছা?

ঃ মোৰনো কি বাইদেউ? আঙুলিমূৰত দিন গণি আছো। শেঁতা হাঁহি এটা মাৰিলে তাই। ধৰিব পাৰিলোঁ, এই বিছ দিনতে তাই আগতকৈও দুৰ্বল হৈ পৰিছে। কথা ক'লে ফোঁপাবলৈ ধৰিছে। চকুৰ গুৰিবোৰ যেন বেছি ক'লা পৰিল! তাইৰ মূৰত হাতখন ফুৰাই তাইৰ কাষতে বহিলোঁ।

ঃ তেওঁ আহিছিল বাইদেউ!

ঃ কোন? মেঘৰঞ্জন??

আৰুণ্যাই মূৰ দুপিয়ালে।

ঃ কিবা কৈছিল?

মই যেন পানীৰে ভৰি থকা বেলুন এটাহে ফুটাই দিলোঁ। বাধাহীন হৈ আৰুণ্যাৰ চকুলো ওলাই আহিল। তাই ফেঁকুৰি ফেঁকুৰি ক'লে,

ঃ মোৰ আকৌ জী উঠিবলৈ মন গৈছে বাইদেউ। আকৌ জীৱলৈ মন গৈছে মোৰ। তাই কান্দোন ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিল।

নোৱাৰিলোঁ চকুপানীখিনি বাধা দি ৰাখিব। উচুপি উঠিলোঁ। চাদৰৰ আঁচলেৰে চকুপানী মোহাৰি আৰুণ্যাৰ মাক বাহিৰলৈ ওলাই গ'ল। কাৰ সহ্য হ'ব এনে বুকু দহি নিয়া ক্ৰন্দন! তেওঁ মাকজনী হৈ কেনেকৈ সহিব পাৰিব!!!

আৰুণ্যাক সাৱতি ধৰিবলৈ মন গ'ল। কিন্তু বুকুত থকা চিলাইবোৰে অনুমতি নিদিলে। তাইৰ হাতখন জোৰেৰে চেঁপি ধৰিলো।

অলপ প্ৰকৃতিস্থ হৈ তাই ক'লে,

ঃ জানে বাইদেউ? তেওঁৰ চকুত মোৰ বাবে...মোৰ বাবে...তাই ফেঁকুৰি উঠিল। আগৰ দৰেই.. আগৰ দৰেই তেঁওৰ চকুত মোলৈ মৰম দেখি পাইছিলোঁ বাইদেউ!! নে মোৰ ভ্ৰম হৈছিল?? নাজানো বাইদেউ। এনে লাগিছিল, মোক এইটো অৱস্থাত দেখি তেঁ যেন কান্দিছিল, তেওঁৰ আত্মাটোৱে কান্দিছিল! মোৰ আকৌ এবাৰ জী উঠিবলৈ মন গৈছে বাইদেউ। কান্দি কান্দি তাই ক'লে।

বাইদেউ!! তেওঁৰ চকুত মোলৈ মৰম দেখি আজি এনে লাগিছে যেন মোৰ ভালপোৱাই পূৰ্ণতা পালে। ইমান বছৰৰ পাছতো তেওঁ মোক পাহৰা নাই, মোক এতিয়াও মনত ৰাখিছে?? তাতেই মোৰ সন্তুষ্টি বাইদেউ। তাতেই মোৰ ভালপোৱাৰ পৰিপূৰ্ণতা!!!

খুউব মন গৈছিল তেওঁক ক'বলৈ, এবাৰ সাবতি লোৱাচোন মোক। এবাৰ জিৰাবলৈ দিয়া তোমাৰ বুকুত!! নোৱাৰিলোঁ ক'ব। তেওঁ ভালপাওঁ বুলি ক'বলৈও সাহস নহ'ল। থাকি গ'ল ক'বলৈ!!!

আৰুণ্যা ভাগৰি পৰিছিল। তাইক আৰু কান্দি থকা নোৱাৰিলো চাব। তাইক ক'লোঁ,

ঃ তুমি এতিয়া শুৱা আৰুণ্যা। ৰেষ্ট লোৱা। মই হয়তু দুদিনমান পাছতে ঘৰলৈ ঘূৰি যাম।

ঃ অ'হ তাৰমানে আকৌ লগ নাপাম?

ঃ কিয় নাপাম? আহি থাকিম নহয় মই চেক আপত।

ঃ মই বাট চাম বাইদেউ।

ঃ ময়ো।

ঃ বাইদেউ!! লিখিব নে মোৰ কথা? জী উঠিম নে মই পুনৰ আপোনাৰ কলমত?

আৰুণ্যাৰ প্ৰশ্নত সৰসৰাই চকুপানী বৈ আহিল।

ঃ লিখিম। তুমি সদায় জীয়াই থাকিবা এটা কাহিনী হৈ!

আৰু নোৱাৰিলোঁ চকুপানী ধৰি ৰিখিব। ওলাই আহিলোঁ আৰুণ্যাৰ ৱাৰ্ডৰ পৰা।

এমাহ পাছত পুনৰ গৈছিলোঁ টাটা মেমৰিয়েললৈ চেন্টাৰলৈ। নিজৰ চেক আপ কৰাতকৈ আৰুণ্যাক এবাৰ চোৱাটোহে যেন জৰুৰী আছিল মোলৈ! চেকআপ কৰোৱাই ধাপলি মেলিছিলোঁ আৰুণ্যাৰ ৱাৰ্ডলৈ। সেই বিশেষ বিছনাখনলৈ দৃষ্টি নিক্ষেপ কৰিছিলোঁ। বিছনাখন একেই আছিল। কিন্তু তাত আৰুণ্যা নাছিল। আন এগৰাকী মহিলাহে আছিল। বুকুখন কঁপি গ'ল। উশাহটো যেন বন্ধ হৈ যাব! বাহিৰলৈ ওলাই আহিলোঁ। দুৱাৰমুখতে এগৰাকী নাৰ্চ লগ পালো। কঁপা কঁপা মাতেৰে তেওঁক সুধিলো," ইয়াত যে এজনী অসমৰ ছোৱালী আছিল....?

ঃ অ'হ দেট পেচেন্ট? ছি এ'পায়াৰ্ড এ উইস্ক বেক। যান্ত্ৰিকভাৱে নাৰ্চ গৰাকীয়ে ক'লে।

বুকুখন মোচৰ খাই পৰিল। ঋষিৰ গাতে ভাৰসাম্য হেৰুৱাই ঢলি পৰিলোঁ।

ঃ শ্ৰবি, শ্ৰবি? কি হ'ল তোমাৰ?

কান্দোনত ভাগি পৰিলোঁ। কোনোবা যেন আপোন মানুহ এজন হেৰাই গ'ল মোৰ পৰা।

ঃ মোৰ দেৰি হৈ গ'ল ঋষি! মোৰ দেৰি হৈ গ'ল। তাই চাগৈ মোলৈ বাট চাই আছিল। দেৰি কৰি দিলোঁ মই!!!!

ঃ শ্ৰবি, উঠা। তোমাৰ দৰৱৰ সময় হ'ল। ঋষিয়ে দাইনিং ৰুমৰ পৰা চিঞৰিলে।

চকুকেইটা মেলিলোঁ। ৰাতিটো টোপনি নাহিল। মূৰটো অলপ গধুৰ গধুৰ লাগিল। আৰুণ্যাৰ লগত কটোৱা সময়বোৰে ৰাতিটো আমনি কৰি থাকিল। চকুকেইটা মুদিলে আৰুণ্যাকে দেখোঁ, যেন মোক কৈ আছে, "বাইদেউ মোক জীয়াই তোলক"!

বিছনাৰ পৰা উঠি গৈ ন'টবুকখন হাতত তুলি ল'লোঁ। কালি লিখা লাইন কেইটা আকৌ এবাৰ পঢ়ি চালোঁ। "ৰ'দ দিছে বৰষুণ দিছে...."

মই পাৰিবই লাগিব। এৰা! মই পাৰিমেই। আৰুণ্যাক দিয়া প্ৰতিশ্ৰুতি মই ৰাখিবই লাগিব। মই আৰুণ্যাক জীয়াই তুলিবই লাগিব। মনটো ডাঠ কৰি ল'লোঁ।

ঃ ঋষি, মই এফালে যাম।

ঃ কলৈ?

ঃ মেঘৰঞ্জন বৰুৱাক বিচাৰি।

ঃ কোন মেঘৰঞ্জন বৰুৱা।

ঋষিক থুলমূলকৈ কথাবোৰ ক'লো।

ঃ কিন্তু এনেকৈ?? তোমাৰ গা ভাল নাই!

ঃ মই যাবই লাগিব ঋষি!!

প্ৰথমে ঋষি মান্তি হোৱা নাছিল। বহুত বুজোৱাৰ পাচত, এক প্ৰকাৰে ক'বলৈ গ'লে মই জেদ ধৰাৰ বাবে তেওঁ সন্মতি দিলে।

লগে লগে অসমীয়া নিউজ চেনেলৰ বন্ধু সাংবাদিক এজনক কৈ উপকূল হাজৰিকাৰ জোঁৱাৰেক, মেঘৰঞ্জন বৰুৱাক লগ কৰিবলৈ ঠিক কৰি দিবলৈ ক'লোঁ। আৰুণ্যাৰ কাহিনী মেঘৰঞ্জনৰ অবিহনে আধৰুৱা। হয়তু আৰুণ্যাও!!

ভগৱানে হয়তু মোক এইবাৰেই অসুখটো দিছিল, যাতে মই আৰুণ্যাক লগ পাওঁ। যাতে এদিন বাহক হৈ যাম তাই ভালপোৱা মানুহজনৰ ওচৰলৈ, আৰু ক'মগৈ তেওঁক আৰুণ্যাৰ কথাবোৰ, যিবোৰ তাইৰ কেতিয়াও নহ'ল কোৱা!!!!

অৰ্ধ আকাশ অ অৰ্ধ আকাশ
এই চোতালতে নাৰীৰ মনৰ বিকাশ ।
কিমানযে মহান এই বিশাল আকাশ ,
ভাষাৰে কৰিব নোৱাৰি প্ৰকাশ।
।।
—ৰুমী বৰঠাকুৰ —

# মাজনিশাৰ কুৰুলি

মূৰ্চ্ছনা বড়া

(১)

পুহমহীয়া ঠেটুঁৱৈ ধৰা জাৰ। কোমল লেপখন গাৰ পৰা সামান্য আঁতৰি যোৱাৰ বাবে বাঁও ভৰিটোত জাৰ অনুভৱ কৰি সাৰ পাই গ'ল নীহাৰিকাই। কোঁচ খাই নিজৰ স্থানৰ পৰা আঁতৰি বিশৃংখল হৈ পৰা লেপখনক পুনৰ আগৰ স্থানলৈ আনি গাৰ কাষতে শুই থকা সমৰলৈ চালে তাই। পৰম প্ৰশান্তিত শুই থকা সমৰলৈ মৰম উপজি গ'ল। তাৰ কপালত চুমা এটা আঁকি তায়ো চকু দুটা মুদি পুনৰ টোপনি যাবলৈ চেষ্টা কৰিলে।

'ঘুৰৰৰৰৰ.........ঘুৰৰৰৰৰ..........'

হঠাতে হোৱা এটা বিকট শব্দত পুনৰ সাৰ পাই গ'ল নীহাৰিকাই। বিছনাতে বহি তাই কাণ উনাই শব্দটোৰ উমান ল'লে, কিন্তু ইতিমধ্যে শব্দটো বন্ধ হৈ গ'ল। এইবাৰ তাই বিছনাৰ কাষতে থকা টেবুলখনত থৈ দিয়া পানী গিলাছটো হাতত লৈ পানী এঢোক গিলি ল'লে। ঘড়ীটোলৈ মন কৰিলে তাই, নিশা দুই বাজিছে। পুনৰ তাই সমৰলৈ লক্ষ্য কৰিলে, সি গভীৰ নিদ্ৰাত মগ্ন। তাক মিছাতে জগাই আমনি দিবলৈ মন নগ'ল তাইৰ। সেইবাবে পুনৰ বিছনাত পৰি তাই টোপনিলৈ অপেক্ষা কৰিলে। পিছে তাইৰ কাণ দুখনে সেই শব্দটোৰ উমান ল'বলৈহে চেষ্টা কৰিবলৈ ধৰিলে। চকু দুটা মুদি আছে যদিও তাইৰ টোপনি নাই, এনেকৈ মাজনিশা সাৰ পাই গ'লে সাধাৰণতে তাইৰ টোপনি নাহে আৰু দুনাই। তাতে আজি হঠাতে ক'ৰবাৰ পৰা ভাঁহি অহা সেই শব্দটোও মনলৈ আহি থাকিল। বিশ মিনিট মান পাৰ হৈ গ'ল এনেদৰেই, তাইৰ চকু দুটা তন্দ্ৰাভাৱে আৱৰি ধৰিবলৈ লঁওতেই পুনৰ সেই বিকট শব্দটো তাইৰ কাণত পৰিলহি। একেজাপে সাৰ পাই উঠিল তাই।

'ঘুৰৰৰৰ.......ঘুৰৰৰৰ........' হয় তাই ঠিকেই শুনিছে। শব্দটো যেন ওচৰৰ কোনো ঠাইৰ পৰাই উফৰি আহিছে এনে লাগিল তাইৰ। অৱশ্যে জাৰকালিৰ নিৰ্জন নিশাবোৰত বহু দূৰৈৰ শব্দটোও ওচৰতে শুনা যেন লাগে। তাই ভালকৈ শুনিবলৈ চেষ্টা কৰিলে শব্দটো। কিন্তু শব্দটোৰ উৎস বহুত ভাবিও উলিয়াব নোৱাৰিলে। সমৰক জগাবলৈ লঁওতেই শব্দটো পুনৰ নাইকিয়া হৈ গ'ল। তায়ো তাক নজগাই পুনৰ বিছনাতে পৰি দিলে, অৱশ্যে তাইৰ চকুৰ পতাৰ পৰা নিদ্ৰাদেৱী কেতিয়াবাই উৰা মাৰিলে ক'ৰবালৈ।

পাঁচ মিনিট পাৰ হ'ল কি নহ'ল পুনৰ বিকট শব্দটো তাইৰ কাণত পৰিলহি। এইবাৰ কিন্তু তাই বিছনাতেই পৰি থাকি শব্দটো শুনি থাকিল। শব্দটো এইবাৰ আৰু ওচৰৰ পৰা ভাঁহি অহাৰ দৰে লাগিল তাইৰ, আৰু আগতকৈ বেছি স্পষ্টকৈ শুনাৰ দৰে অনুভৱ হ'ল। তাইৰ এনে লাগিল শব্দটো যেন তাহাঁতৰ কাষৰ ৰুমটোৰ পৰাই ছিটিকি আহিছে। হয়, একেবাৰে কাণৰ কাষতে যেন ঘূৰি আছে কিবা এটা। যেন কোনো প্ৰাচীন কালৰ বিকল হ'বলৈ ধৰা একোটা যন্ত্ৰহে।

হাতত সাৰে ভৰিত সাৰে তাই বিছনাৰ পৰা নামিল এইবাৰ। সমৰক আমনি কৰিবলৈ মন নগ'ল, সেইবাবে নজগালে তাক। মোবাইলৰ টৰ্চটো জ্বলাই তাই তাহাঁতৰ কোঠাৰ দুৱাৰখন খুলি কাষৰ কোঠাটোৰ ফালে খোজ দিলে। আন্ধাৰে গিলি ৰাখিছে চৌপাশ। নিস্তব্ধ, নিৰ্জন নিশা তাৰ মাজে মাজে 'ঘুৰৰৰৰ.....ঘুৰৰৰৰ' বিকট শব্দটোৱে নিশাটো জয়াল কৰি তুলিছে। নীহাৰিকাৰ ভয়তো যথেষ্ট কম যদিও এই হাঁড় কঁপোৱা জাৰতো তাই ঘামি যোৱা যেন অনুভৱ কৰিছে নিজেই। সেই নিৰ্দিষ্ট কোঠাটোৰ দুৱাৰখন সামান্য ফাঁক হৈ আছে, কিন্তু শুবলৈ যাঁওতে নিজেই দুৱাৰখন বন্ধ কৰি থৈ যোৱাৰ কথা স্পষ্টকৈ মনত আছে তাইৰ। তাই দুৱাৰখন সম্পূৰ্ণকৈ খুলি দিলে, কেৰেককৈ শব্দ এটা হ'ল যেন গছৰ শুকান পাতত হে কোনোবাই ভৰি থ'লে। দুৱাৰ খুন খুলি দিয়াৰ লগে লগে এটা মেকুৰী তাইৰ মুখৰ আগেদিয়ে দৌৰ মাৰি পাৰ হৈ গ'ল। মেকুৰীটো ক'ত অদৃশ্য হৈ গ'ল তাই ধৰিব নোৱাৰিলে। মোবাইলৰ টৰ্চৰ পোহৰত তাই কোঠাটো ভালকৈ লক্ষ্য কৰিলে, ইতিমধ্যে শব্দটো যিহেতু বন্ধ হৈ গৈছিল গতিকে তাই একোকে ধৰিব নোৱাৰিলে। দুৱাৰখন ভালকৈ জপাই তাই পুনৰ ঘূৰিবলৈ লঁওতেই কাণৰ কাষতে

হোৱা শব্দটোত উচপ খাই উঠিল। দুৱাৰখন খুলি তীব্ৰ গতিৰে চলি থকা ফেনখন দেখি তাই হতভম্ব হৈ পৰিলে। নিজৰ চকুকে যেন বিশ্বাস নকৰিব, এইমাত্ৰ কোঠাটো খুলি চাঁওতে ফেনখন বন্ধ হৈয়ে আছিল, তেন্তে কেনেকৈ চলিবলৈ ধৰিলে নিজে নিজে! ভাবি ভাবি তাইৰ নিজকে পাগল যেন লাগি গ'ল। তাইৰেই কিবা মনৰ ভ্ৰম হৈছে বুলি ভাবি ফেনৰ চুইচ্চটো বন্ধ কৰি দুৱাৰখনৰ খিলিটো ভালদৰে লগাই তাই নিজৰ কোঠালৈ খোজ দিলে। শব্দটোও নাইকিয়া হৈ গ'ল। শোৱনি কোঠাত সোমাই তাইৰ কিবা অস্বস্তি লাগিল। তাই যেন বেলেগ এখন পৃথিৱীৰ পৰা আহি সোমাইছেহি এইটো কোঠাত। বিছনাত পৰিলেহি তাই, গাটো অসম্ভৱ ধৰণে কঁপিবলৈ ধৰিলে। এতিয়াহে মন কৰিলে তাই যে ইমানপৰে পাতল নাইটীটো পিন্ধিয়েই তাই অন্য এটা কোঠাৰ পৰা আহিলেগৈ। কাষতে শুই থকা সমৰক জোৰেৰে সাৱটি তাই টোপনি যাবলৈ চেষ্টা কৰিলে। গাটো কঁপিয়েই থাকিল।

পুৱা সাৰ পাঁওতে পলম হ'ল নীহাৰিকাৰ। ৰাতিৰ সেই ঘটনাটোৰ পাছত বহু পলমকৈহে চিলমিলকৈ টোপনি ধৰিছিল তাইৰ, সেইবাবেই দেৰিকৈ সাৰ পালে আজি। ইতিমধ্যে সমৰ বিছনাৰ পৰি উঠি গৈছে, সি ছাগৈ এতিয়ালৈ নিউজ পেপাৰ পঢ়াত ব্যস্ত হৈ পৰিছে। তাৰ এই স্বভাৱটোৱে অৱশ্যে তাইক কেতিয়াবা বিৰক্তও কৰি তোলে। সি বাতৰি পঢ়াত এনেদৰে মনোযোগ দিয়ে যে পৃথিৱী উলটি গ'লেও সি উমান নাপাব। আজি পিছে নীহাৰিকাই চকু মেলিয়েই অন্য এটা কথাহে ভাবিবলৈ লৈছে। কালি নিশাৰ সেই শব্দটোৱে তাইক আমনি কৰি আছেহি। সচাঁই ফেন চলাৰ শব্দ আছিল নে তাইৰ মনৰ ভ্ৰম আছিল তাই ভাবি উৱাদিহ নাপালে।

বিছনাৰ পৰা লাহেকৈ নামি তাই মজিয়াত ভৰি দিলে। ঘড়ীটোৱে আঠ বজাৰ সংকেত দিছে। আজি দৌৰাদৌৰিকৈ কামবোৰ কৰিলেহে সমৰ সময়মতে অফিচ যাব পাৰিব। দিনটোৰ কামবোৰৰ পৰিকল্পনা এটা মনতে ভাবি ল'লে তাই। বিছনাৰ কাষতে থকা খিৰীকি খন খুলি দিলে তাই, পৰ্দাখনো কোঁচাই দিলে। খোলা খিৰীকিৰে পুৱাৰ কোমল ৰ'দ এছাটি সোমাই আহি তাইৰ গালে-মুখে পৰিলেহি। বাহিৰত ফুলি উঠা বিভিন্ন ফুলবোৰৰ সুবাস তাইৰ নাকত লাগিছেহি। ভাল লাগি গ'ল তাইৰ মনটো, বুকুৰ ভিতৰলৈকে উজাই ল'লে ফুলৰ সুগন্ধ, দুচকু মুদি উপভোগ কৰিলে ৰ'দজাকৰ উত্তাপ।

'কা......কা.....কা....কা.....' হঠাতে আটাহ পাৰি চিঞৰি উঠিল কাঁউৰী এজাক। তাইৰ কৰ্ণকুহৰৰ পৰ্দাহে ফাটি যোৱাৰ উপক্ৰম হ'ল। ইমানেই ভয়ানক ভাৱে আৰ্তনাদ কৰিছে কাঁউৰীজাকে যে তাই কাণত সোপা দিবলৈ বাধ্য হৈ পৰিল। এনে লাগিল তাইৰ যেন ধপধপাই চৰাই এজাক তাইৰ আগেদিয়ে উৰা মাৰি গ'ল। দুচকু জোৰেৰে মেলি তাই দূৰণিলৈ চাই পঠিয়ালে। ক'ৰপৰা কাঁউৰীজাকৰ চিঞৰ ভাঁহি আহিছে তাই কিন্তু ধৰিব নোৱাৰিলে। লাহেকৈ কাণৰ পৰা হাত দুখন আঁতৰালে তাই, শব্দটো নাই এতিয়া।

ঃ আজি ভাত খাবলৈ নাপাম নেকি?

সমৰৰ মাতত উচপ খাই উঠিল তাই।

ঃ কি হ'ল উচপ খাই উঠিলা যে মোৰ মাত শুনি? কিবা নক'বলগীয়া কথা ক'লো নেকি মই?

ঃ তুমি এইমাত্ৰ কাউৰীজাকৰ চিঞৰ শুনিলা? ইমান কৰুণভাৱে চিঞৰিছিল।

ঃ কাউৰী? ক'ত, কেতিয়া শুনিলা?

ঃ তুমি নাই শুনা নেকি?

ঃ ক'তা নাই শুনাচোন মই, আৰু এইটো অঞ্চলত কাউৰী আজিকালি দেখিবলৈকে নোহোৱাৰ দৰে হৈছে বুলি মানুহবোৰে কয়। তেন্তে তুমিনো কি শুনিলা তুমিহে জানা?

ঃ মই মিছাকৈ কিয় ক'ম?

ঃ মিছাকৈ কোৱা নাই অ' সোণজনী। চাওঁ তোমাৰ কপালখন চুই চাওঁ।

সমৰে তাইৰ কপালখনত হাত দি চাই তাইৰ ফালে অবাক হৈ চালে।

ঃ নীহা, তোমাৰ তমোময় জ্বৰ উঠি আছে অথচ তুমি গম পোৱা নাই?

ঃ জ্বৰ?

নিজৰ কপালখন চুই নিজেই আচৰিত হ'ল নীহাৰিকা। ইমানেই গৰম যে হাতখন লগাবকে নোৱাৰি, অথচ তাইৰ কিন্তু একোৱেই অনুভৱ হোৱা নাই।

সমৰে তাইক একো কাম কৰিবলৈ নিদি নিজেই কামত লাগি গ'ল। গৰম পানী কৰি দিলে তাইক, তাই একেবাৰে গাটো তিয়াই ল'লে। সমৰে চাহ কৰি নিজেও খালে, তাইকো একাপ দিলে। এইবাৰ সি কুকাৰত ভাত বহাই পাচলি কাটিবলৈ লাগিল। তাই ওচৰতে বহি তাৰ কামবোৰ লক্ষ্য কৰি থাকিল। যদিও তমোময় জ্বৰ তথাপি তাইৰ গাটো অলপো কিয় বেয়া লগা নাই তাই বুজি পোৱা নাই। বিয়াৰ আগতেতো সাধাৰণ পানী লগা এটা হ'লেই তাই বিছনা লয়।

তাই সমৰক বিমুগ্ধ নেত্ৰেৰে চাই থাকিল। বিয়াৰ পাছত এয়াই তাইৰ প্ৰথম বেমাৰ হৈছে আৰু সমৰে তাইক ইমান শুশ্ৰূষা কৰিছে যে তাৰ প্ৰতি থকা তাইৰ মৰমবোৰ দুগুণে বাঢ়ি গৈছে। অতি সোনকালে সমৰে ভাত ৰন্ধা শেষ কৰি নাকে কাণে গুজি দহ বজাৰ আগে আগে হাস্পতাললৈ ওলাই গ'ল। যাঁওতে তাইক সঁকীয়াই থৈ গ'ল সময়ত ভাত খাবলৈ আৰু বেছি জ্বৰ উঠিলে টেবলেট খাবলৈ। সি যোৱাৰ পাছত তিনি কোঠলীয়া সৰু ভাড়া ঘৰটোত অকলশৰীয়া হৈ পৰিল নীহাৰিকা। বিছনাতে পৰি আকাশ-পাতাল ভাবিবলৈ ধৰিলে তাই।

সমৰৰ চাকৰিসূত্ৰে আহি তাহাঁত বিষ্ণুপুৰ নামৰ অঞ্চলটোৰ এই সৰু ভাড়া ঘৰটোত পৰহি সন্ধিয়া সময়ত সোমাইছেহি। বিয়াৰ আগৰে পৰাই সমৰ অৱশ্যে এই ঘৰটোতে আছিল। বিষ্ণুপুৰৰ একমাত্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত সি চিকিৎসক হিচাপে আজি পাঁচ বছৰে সেৱা আগবঢ়াই আহিছে। থাকিবলৈ কোৱাৰ্টাৰ পাইছিল যদিও অৱস্থা তথৈবচ বাবে সি আগৰে পৰাই ভাড়াঘৰতে বাস কৰি আহিছে। আগতে এটা ৰুমতেই কাম চলি গৈছিল, এতিয়া দুটা ৰুম বঢ়াই লোৱা হ'ল। ঘৰলৈ ইয়াৰ পৰা দূৰত্ব ত্ৰিশ কিলোমিটাৰ, অহা যোৱা কৰিব পাৰিলে হেঁতেন যদিও কেতিয়াবা ৰাতি ৰোগীৰ অসুবিধা হ'ব বুলিয়েই সি ইয়াতেই থাকি লোৱাৰ সিদ্ধান্ত ল'লে। সৰুৰে পৰাই সমাজসেৱা কৰি ভাল পাইছিল সি, গতিকে এই সুযোগতো সি হাতৰ পৰা যাবলৈ নিদিলে।

অঞ্চলটো বৰ বেছি আগবঢ়া নহয় বাবে ভাড়াঘৰৰ সুবিধা বৰ বিশেষ নাই। চহৰত নিগাজিকৈ থাকিবলৈ গুছি যোৱা প্ৰতিপত্তিশীল ব্যৱসায়ী প্ৰতাপ চলিহাই তেখেতৰ এই পুৰণি অসম আৰ্হিৰ ঘৰটোকে ভাড়ালৈ দিছে দূৰৈৰ পৰা চাকৰিসূত্ৰে থাকিবলৈ অহা মানুহৰ সুবিধাৰ বাবে। ঘৰটোৰ এফালে সমৰ আৰু নীহাৰিকা থাকে আৰু ইটো ফালে বিষ্ণুপুৰ কলেজৰ অধ্যাপক এজন থাকে। ডাঙৰ ঘৰটোৰ ভালেকেইটা ৰুমত প্ৰকাণ্ড তলা উলমি আছে।

পৰহি সন্ধিয়া ঘৰৰ বাৰাণ্ডাত ভৰি দিঁওতেই নীহাৰিকাক এক অদ্ভুত শিহৰণে কঁপাই তুলিছিল। ঘৰটোৰ পদূলি মুখতে থকা প্ৰকাণ্ড গছ জোপাৰ পৰা তাইক যেন কোনোবাই অতি সন্তৰ্পণে লক্ষ্য কৰি আছিল। ঘিত্‌মিটীয়া আন্ধাৰৰ বাবে তাই পিছে একো ধৰিব নোৱাৰিলে। তলাতো খুলিবলৈয়ো সমৰে অশেষ চেষ্টা কৰি প্ৰায় দহ মিনিট মান যুঁজাৰ পাছতহে সফল হৈছিল। আৰু দুৱাৰখন খোলাৰ ঠিক লগে লগেই দূৰণিত এটা ফেঁচাই অতি জোৰেৰে কুৰুলিয়াবলৈ লাগিছিল। কথাবোৰ পাহৰিবলৈ যত্ন কৰিছে যদিও একেবোৰ কথাই মনলৈ আহি আছে তাইৰ। ইফালে কালি ৰাতিৰ আৰু অলপ সময়ৰ আগত ঘটি যোৱা ঘটনাবোৰে কিহৰ ইংগিত দিছে তাই বুজিব পৰা নাই। এই কথাবোৰেই মনতে পাগুলি কেতিয়ানো টোপনিত ঢলি পৰিল তাই গমকে নাপালে।

কাণৰ কাষতে কাৰোবাৰ গভীৰ নিশ্বাসৰ শব্দ শুনি সাৰ পাই গ'ল নীহাৰিকা। বিছনাত পৰি ভাৱৰ সাগৰত ডুবি থাঁকোতেই টোপনিত ঢলি পৰিছিল তাই। তন্দ্ৰালুস অৱস্থাৰে দুচকু নেমেলোঁতেই অনুভৱ কৰিলে তাই গাৰ নিচেই কাষতে কাৰোবাৰ অৱস্থিতি। ধীৰে ধীৰে অতি সন্তৰ্পণে চকুৰ পতা খোল খালে তাইৰ। সাউতকৈ যেন কোনোবা উন্মুক্ত খিৰীকিখনেৰে পাৰ হৈ গ'ল। ঘোৰ অন্ধকাৰে আৱৰি ধৰিছে কোঠাটো। তাই আচৰিত হ'ল, গোটেই দিনটো তাই শুয়েই থাকিল নেকি! ঘড়ীটো চালে, কিন্তু বন্ধ হৈ আছে ঘড়ীটো। সামান্য ভয় অনুভৱ হ'ল তাইৰ, আন্ধাৰ হৈ গ'ল অথচ সমৰ আহি পোৱাহি নাই এতিয়ালৈকে। অৱশ্যে কেতিয়াবা পলম নোহোৱা নহয় হয় তাৰ, আঁহো বুলিও সোনকালে আহিব নোৱাৰা হয়। কেতিয়াবা ৰোগীৰ ঘৰলৈ গৈও সি স্বাস্থ্য পৰীক্ষা কৰি আহেগৈ। কিন্তু পলম হ'লে সি ফোন কৰি জনাই দিয়ে তাইক। এইবাৰ তাই ফোনটো চালে, চুইচ্চ অফ। অবাক হ'ল পুনৰ তাই, ফোনটো কেনেকৈ বন্ধ হৈ গ'ল! তাইতো ফুল চাৰ্জ দি থৈছিল। এইবাৰ চকু দুটা মোহাৰি তাই খিৰীকিৰে বাহিৰলৈ চাই পঠিয়ালে, সচাঁই আন্ধাৰ চৌপাশে।

ঃ নীহা, এইফালে আঁহা।

সমৰৰ মাতটো ক'ৰবাৰ পৰা ভাঁহি অহা শুনি তাই ইফালে সিফালে চালে।

ঃ নীহা, কি চাই আছা আঁহা আকৌ।

আগফালৰ বাৰাণ্ডাখনৰ পৰা যেন মাতটো ভাঁহি আহিছে। দৌৰ মাৰি গ'ল সেইফালে তাই। বাৰাণ্ডাত কিছুপৰ ৰৈ তাই ইফাল-সিফালে আকৌ দৃষ্টি ঘূৰালে।

ঃ নীহা, নীহা, মোৰ পাছে পাছে আঁহা।

কাণৰ কাষতে ফুচফুচাই কৈ যোৱা সমৰৰ কথাবোৰে তাইক অবাক কৰি তুলিছে। তাৰ মাতটো স্পষ্টকৈ শুনিছে তাই অথচ অদৃশ্য হৈ আছে সি। তাইৰ খঙো উঠিছে সমৰলৈ, এনেকৈ কিয় ধেমালি কৰিছে সি তাইক ভয় খুৱাবলৈ!

ঃ নীহা, কি কৰি আছা? আঁহা মোৰ সোণ, মোৰ পাছে পাছে আঁহা।

সমৰৰ মৰমৰ মাতষাৰ শুনি মন্ত্ৰমুগ্ধ হৈ তাই মাতটোক অনুসৰণ কৰিলে। সোঁ-সোঁৱাই বতাহ এজাক বলি আছে, তাইৰ চাদৰৰ আঁচল উৰুৱাই নিছে বতাহজাকে। চৌপাশে আন্ধাৰ, কেৱল তাই খোজ কাঢ়ি গৈ থকা বাটতো সামান্য পোহৰেৰে উদ্ভাসিত হৈ উঠিছে। তাই একোৱেই মণিব পৰা নাই চকুৰে মাত্ৰ সমৰৰ মৰমসনা মাতটোক অনুসৰণ কৰি গৈ আছে তাই। তাইৰ অজানিতেই তাই গৈ গৈ ঘৰটোৰ পাছফালে থকা দ' পুখুৰীটোৰ পাৰ পালেগৈ। কিবা এক অচিন শক্তিয়ে তাইক আকৰ্ষিত কৰি তুলিছে, নিজকে ৰখাব পৰা নাই তাই। সমৰক দেখা পোৱা নাই যদিও এনে লাগিছে সি যেন তাইক চাই আছে ক'ৰবাৰ পৰা।

ঃ নীহা, আঁহা, আঁহা মই তোমালৈয়ে ৰৈ আছো।

এইবাৰ মাতটো পুখুৰীটোৰ তলৰ পৰা অহা যেন লাগিল। তাই আকৌ কাণ উনাই শুনিলে।

ঃ কি ভাবি আছা, আঁহাচোন।

এইবাৰ তাই ৰ'ব নোৱাৰিলে আৰু.......

.....................'জলৌপ..................'

পুখুৰীত জঁপিয়াই দিলে তাই।

প্ৰায় এঘন্টামানৰ পাছত তাই নিজকে আৱিষ্কাৰ কৰিলে শোৱনি কোঠাৰ বিছনাত। অৱসভাৱে চকু দুটা মেলি তাই কাষতে সমৰক দেখা পাই আশ্বস্ত হ'ল। সি পিছে চিঞৰি উঠিল —

ঃ কি কাম কৰিবলৈ গৈছিলা তুমি? পুখুৰীত কিয় জাঁপ দিছিলা? বৰুৱা দাই নেদেখা হ'লে আজি.............??? উফ মোৰ ভাবিয়েই ভয় লাগিছে।

ঃ বৰুৱা দা কোন?

ঃ আমাৰ ইটো ফালে থকা দাদা জন। তেওঁ তোমাক পুখুৰীত জঁপিওৱা দেখি দৌৰি গৈ তোমাক উঠাই আনিলেগৈ বুলিহে। নহ'লে ইমান দ' পুখুৰীটোত............গা কঁপি গৈছে মোৰ অ' ভাবি। মইনো তোমাক কি দুখ দিলো যে এনেকুৱা কাম কৰিলা তুমি?

ঃ কিন্তু মই একো কৰা নাই। ইমান ৰাতিলৈকে তুমি অহা নাছিলা আৰু মোক তুমি মাতি থকাৰ বাবেহে মই গুছি গৈছিলো। পুখুৰীৰ তলৰ পৰাও তুমিয়েই মোক মাতি আছিলা।

ঃ এইবোৰ কি কৈছা তুমি? ৰাতি? এতিয়া দিনৰ বাৰ বাজিছে, বৰুৱা দাই মোক ফোন কৰাত দৌৰি আহিছো মই। আৰু মই তোমাক পুখুৰীৰ তলৰ পৰা কিয় মাতিম? তুমি ঠিকে আছাতো!

মূৰটো আচন্দ্ৰাই কৰিলে নীহাৰিকাৰ। সমৰে যদি মাতি নিয়া নাছিল তাইক তেন্তে সেইটো কাৰ মাত আছিল! আৰু দিনতে চতুৰ্দিশে অন্ধকাৰ কিয় হৈ গৈছিল! গাটো অসম্ভৱ ধৰণে বেয়া লাগি গ'ল তাইৰ, এনেও জ্বৰ উঠিয়েই আছিল। ভয়ো লাগিছে যথেষ্ট ঘটি যোৱা ঘটনাটোৰ কথা ভাবি। সমৰৰ হাত দুখন ধৰি জোৰেৰে চকু মুদি দিলে তাই।

দিনটোৰ বাকী সময়ছোৱা শুই শুয়েই কটাই দিলে নীহাৰিকাই। পিছে সপোনতো সেই পুখুৰীটোৱে, ফেন চলাৰ বিকট শব্দটোৱে পিছ নেৰিলে তাইৰ। সন্ধিয়া সমৰৰ লগত তাই বাৰাণ্ডাতে বহিল অলপ সময়। নাৰ্জী ফুলেৰে ভৰি আছে গোটেই চোতালখন। হিমশীতল বতাহজাকে ক'ৰবাৰ পৰা বোকোচাত কঢ়িয়াই আনিছে অচিন ফুলৰ সুবাস। বতৰতো ডাৱৰীয়া হোৱাৰ বাবে ঠাণ্ডা পৰিছে যথেষ্ট তথাপিও ভাল লাগিছে তাইৰ বাহিৰত বহি থাকি।

ঃ সমৰ, কোনো নথকা মানুহ ঘৰত ইমান ফুল, কোনে কৰে নো?

ঃ মালী এজন আহে ৰাতিপুৱাই তেঁৱেই কৰে এইবোৰ। প্ৰতাপ চলিহাৰ জীয়েকৰ ফুলত বৰ চখ আছিল। সেইবাবেই চলিহাই এতিয়াও ঘৰখন ফুলেৰে ভৰাই ৰাখিছে।

ঃ মই যে মালী জনক আজিলৈকে দেখা নাই কিয়?

ঃ তেঁও ৰাতিপুৱা কোনো সাৰ নাপাঁওতেই আহে। তেঁওক চাবলৈ হ'লে তুমি সোনকালে শুই উঠিব লাগিব।

ঃ আৰু এই যে বৰুৱা দা, তেওঁ কেতিয়াৰে পৰা আছে ইয়াত?

ঃ বৰুৱা দা থকা দিন হ'ল, তেওঁ ইয়াৰ পুৰণি বাসিন্দা। তেওঁৰ ঘৰ ইয়াৰ পৰা চল্লিশ কি.মি মান দূৰৈত অৱস্থিত। অঞ্চলটোৰ একমাত্ৰ কলেজখনৰ ইংৰাজীৰ অধ্যাপক তেওঁ। অন্য কোনো ইংৰাজীৰ শিক্ষক নথকা বাবেই তেওঁক সকলো ছাত্ৰ-ছাত্ৰীয়ে বিচাৰে ইয়াত, টিউশ্যনো কৰে তেঁও। গতিকে তেওঁকো লগ পাবলৈ বৰ টান। আজি তোমাৰ ভাগ্যহে ভাল আছিল।

দিনৰ ঘটনাতো মনত পৰি নীহাৰিকাৰ গাতো আকৌ শিঁয়ৰি উঠিল।

ঃ নীহা, এতিয়া ব'লা ভিতৰলৈ ঠাণ্ডা সোমাব নহ'লে।

ঃ যোঁৱাচোন সমৰ চাহ একাপ কৰাঁগৈ, ময়ো গৈছো।

সমৰ ভিতৰলৈ উঠি গ'ল, তাই অলপ সময় বাৰাণ্ডাতে বহি ৰ'ল। দীঘলীয়া পদূলিটোৰ একেবাৰে মূৰত থকা প্ৰকাণ্ড শিলিখা জোপালৈ তাই চাই পঠিয়ালে। কোনোবাই যেন তাহাঁতক লক্ষ্য কৰি আছে অথনিৰে পৰা। দুৰ্ঘোৰ আন্ধাৰৰ বাবে তাই একোকে নেদেখিলে, তথাপিও অনুভৱ হ'ল কোনোবা এজন আছে ৰৈ গছজোপাৰ তলত। কোন হ'ব পাৰে! এই ঠাণ্ডাত কোন এনেকৈ ৰৈ আছে! হঠাতে তাইৰ কি হ'ল জানো, দীঘল পদূলিটোৰেদি খোজকাঢ়ি তাই শিলিখা জোপাৰ তল পালেগৈ। বাৰাণ্ডাৰ চল্লিশ ৱাটৰ বাল্বৰ পোহৰে সেই ঠাইটুকুৰা পোহৰাব পৰা নাই। আন্ধাৰতে তাই অনুমান কৰিলে তাইৰ কাষতে কাৰোবাৰ উপস্থিতি।

ঃ কোন, কোন আছে ইয়াত?

ঃ ............................

দুটা খোজৰ শব্দ শুনিলে তাই। যেন মানুহজন দুখোজ আঁতৰি গৈছে তাইৰ পৰা।

ঃ কোন আছে ক'ব নে?

আকৌ দুটা খোজৰ শব্দ শুনি তাই সেইফালে মোবাইলৰ টৰ্চটো জ্বলাই দৃষ্টি প্ৰসাৰিত কৰিলে কিন্তু কাকো দেখা নাপালে।

ঃ কোন, লুকাইছে কিয়?

এনেতে সমৰে তাইক বাৰাণ্ডাত দেখা নাপাই সিও শিলিখাজোপাৰ ওচৰ পালেহি।

ঃ কি হ'ল নীহা? আকৌ এনেকৈ আহিলা তুমি?

ঃ কোনোবা আছে এইখিনিত ৰৈ।

ঃ কোন?

ঃ কোন সুধিছোঁ কিন্তু মুখৰ মাত নাই, ভৰিৰ খোজৰ শব্দ শুনিছোঁ কিন্তু!

ঃ চোৰ ছাগৈ, চলিহাৰ বিশাল সম্পত্তিৰ ওপৰত বৰ চকু এই চোৰ বোৰৰ। তামোল নিবলৈ আহিছে ছাগৈ।

ঃ কিন্তু ছয় বজাতে চোৰ?

ঃ আহিব পাৰে, ইয়াত ছয় বজাতো ৰাতি দহ বজাৰ দৰেই। ব'লা ব'লা ভিতৰলৈ।

নীহাৰিকাৰ কিন্তু কথাটো হজম নহ'ল। মনত খুদুৰনিৰ ভাব এটা লৈ তাই সমৰৰ পাছে পাছে খোজ দিলে ভিতৰলৈ। তাইৰ এনে লাগিল কোনোবাই যেন তাহাঁতক অনুসৰণ কৰিছে। তাই এবাৰ পাছলৈ ঘূৰি চাই দিলে আৰু কোনোবা এজন সাউতকৈ আঁতৰি যোৱা যেন অনুমান হ'ল তাইৰ।

(২)

মাজনিশা বাৰ বাজিছে, দূৰৈৰ ক'ৰবাত ফেঁচা এটাই অতি কৰুণভাৱে কুৰুলিয়াবলৈ লাগিছে। সাৰ পাই গ'ল নীহাৰিকা।

সমৰৰ উষ্ণ নিশ্বাস তাইৰ কাণত পৰিছেহি আৰু সেই নিশ্বাস ভেদি ভাঁহি আহিছে ফেঁচাৰ কুৰুলি আৰু লগতে এটা চিনাকি শব্দ- ‘ঘুৰৰৰৰ....ঘুৰৰৰৰৰ’।

হয়, কালি ৰাতি শুনা শব্দটো তাই আজি আকৌ শুনা পাইছে। সমৰক জগাবলৈ তাই তাৰ গাত হেঁচুকিবলৈ ল’লে, কিন্তু আচৰিত ধৰণে হাত দুখন তাইৰ জঠৰ হৈ পৰিছে। সমৰক মাতিবলৈ লৈ বাৰম্বাৰ চেষ্টা কৰিও মুখেৰে মাতিব নোৱাৰিলে তাই। অগ্যতা তাই আজিও কালিৰ দৰেই মোবাইলৰ টৰ্চটো জ্বলাই খোজ দিলে সেই বিশেষ কোঠাটোলৈ। শব্দটো ক্ৰমান্বয়ে যেন বাঢ়ি বাঢ়ি গৈ আছে। তাই চুচুক-চামাককৈ খোজ দিছে। অকণো শব্দ নোহোৱাকৈ ঋমৰ দুৱাৰখন ঠেলি দিলে তাই, তীব্ৰ গতিৰে চলি আছে ফেনখন। তাই কঁপা কঁপা হাতেৰে ফেনৰ চুইচ্চ বন্ধ কৰি ফেনখনলৈ চাই এটা বিকট চিঞঁৰ মাৰিলে আৰু খন্তেক পাছতেই দৌৰ দিলে তাহাঁতৰ কোঠাৰ দিশে। একেজাঁপে গৈ তাই সমৰক সাৰটি ধৰি ফোঁপাই ফোঁপাই তাক চিঞঁৰিবলৈ লাগিল। সমৰ সাৰ পাই তাইৰ এই অৱস্থা দেখি বিমোৰত পৰিল–

ঃ কি হ’ল তোমাৰ নীহা? ইমান ভয় খাইছা কিয়?

সেপ ঢুকি তাই যেনেতেনে মাতটো উলিয়ালে–

ঃ সেইটো কোঠাৰ ফেনখনত ছোৱালী এজনী উলমি আছে সমৰ!! উস কি ভয়ানক!!!

ঃ কি কৈছা এইবোৰ?

ঃ অ’ ঠিকেই কৈছো। ছোৱালী এজনী.......ফেন খনত.......সিটো কোঠাৰ......

ঃ কি কৈছা তুমি এইবোৰ মই একো বুজা নাই নীহা। তুমি ঠিকেই আছাতো? আৰু এই মাজৰাতি তুমি সেই কোঠাটোলৈ কিয় গৈছিলা?

ঃ কালি ৰাতিও মই ফেন চলি থকাৰ শব্দ শুনি উঠি গৈছিলোঁ আৰু আজিও ফেনখন চলি থকাৰ শব্দ শুনি উঠি গৈছিলো ফেনখন বন্ধ কৰি থৈ আহিবলৈ।

ঃ তোমাৰ নিশ্চয়কৈ কিবা এটা হৈছে নীহা! তোমাৰ বাৰু জ্বৰে মূৰ পালেগৈ নেকি? আৰু তুমি ভ্ৰম বকিছা?

ঃ নহয় সমৰ, মই সম্পূৰ্ণ সুস্থ হৈ আছো চোৱা। মোৰ জ্বৰ নাই এতিয়া।

ঃ তেন্তে সেই অনবৰতে বন্ধ হৈ থকা কোঠাটোৰ ফেন চলাৰ শব্দ তুমি কিয় শুনিছা?

ঃ অনবৰতে বন্ধ হৈ থকা কোঠা মানে?

ঃ অ’ নীহা, সেই কোঠাটোত আজি কিমান বছৰে তলা উলমি আছে। প্ৰতাপ চলিহাই সেইটো কোঠা কাকো খুলিবলৈ নিদিয়ে। আৰু তুমি কৈছা তাত ফেন চলি আছে, ছোৱালী এজনী উলমি আছে? তোমাৰ সচাঁই গা বেছিকৈ বেয়া বুজিলো মই, দুদিন মানৰ বাবে তুমি ঘৰলৈ যোৱাটোৱেই ভাল হ’ব।

ঃ মই নাযাঁও তোমাক এনেকৈ এৰি থৈ। কিবা এটা আছে ইয়াত, মই বুজিছোঁ।

ঃ হ’ব হ’ব এতিয়া চুপচাপ শুই থাকা। আৰু ভয় লাগিলে মোক জগাবা, অকলে ওলাই যাব নালাগে।

ইকাতি-সিকাতি কৰি ছটফটাই পাৰ কৰি দিলে নীহাৰিকাই গোটেই নিশাটো। হৈ যোৱা ঘটনাবোৰ এটা এটাকৈ তাইৰ মনৰ দাপোনত ভাঁহি থাকিল। তাই বুজিছে কিবা এটা ৰহস্য আছে এই সকলোবোৰ ঘটনাৰ আঁৰত। সমৰে তাইক ঘৰলৈ যোৱাৰ কথা কৈছে যদিও তাই ইয়াতে থাকি এই ৰহস্যৰ উদঘাটন কৰিব বুলি মনতে ঠিৰাং কৰিলে।

পুৱা সমৰ হাস্পতাললৈ ওলাই যাঁওতে তাইক দঢ়াই দঢ়াই কৈ গ’ল বাহিৰলৈ নোলাবলৈ। তায়ো তাৰ কথামতেই সকলো কাম-বন কৰি আজৰি হৈ ভিতৰতে বহি থাকিল। হাতত আলোচনী এখন লৈ তাই চকী এখনতে হেলান দি বহিল যদিও অন্য কিবা অদ্ভুত শব্দ শুনে বুলি উমান লৈ থাকিল। এনেতে সেই বিশেষ কোঠাৰ দুৱাৰখন কেৰেককৈ খোলাৰ শব্দ হ’ল, যিখন দুৱাৰত তলা উলমি থাকে বুলি সমৰে কৈছিল। দুৱাৰখন খোলাৰ পাছতেই কাৰোবাৰ ভৰিৰ খোজৰ শব্দ শুনিলে তাই। কোনোবা যেন ওলাই আহিছে কোঠাৰ পৰা! লাহে লাহে খোজৰ শব্দ ওচৰ চাপি আহিল। একে ঠাইতে বহি আছে তাই সাৰ-সিকতি নোহোৱাৰ দৰে। এইবাৰ তাহাঁতৰ কোঠাৰ দুৱাৰখন খোল খাইছে, তাই দুৱাৰৰ ফালে পিঠি দি চকীখনত বহি আছে বাবে পাছফালে কি ঘটি আছে একো ধৰিব পৰা নাই। আৰু হাত ভৰিবোৰ এনেকুৱাকৈ জঠৰ লাগি গৈছে যে তাই অলপো লৰচৰ কৰিব পৰা নাই। আগুৱাই আহিছে খোজৰ শব্দ আৰু তাইৰ ঠিক পাছতেই ৰৈ গৈছেহি। উশাহ বন্ধৰ উপক্ৰম হৈছে

তাইৰ। নিজৰ বুকুৰ ধপধপনি নিজেই শুনিছে। এইবাৰ তাইৰ কান্ধত কাৰোবাৰ হিমশীতল স্পৰ্শ অনুভৱ কৰিলে তাই। ইমানেই শীতল সেই স্পৰ্শ যে তাইৰ গোটেই গা কঁপিবলৈ ধৰিলে। লাহে লাহে সেই স্পৰ্শটো কান্ধৰ পৰা তাইৰ ডিঙিৰ ওচৰ পালেহি। আৰু দুখন শীতল হাতে তাইৰ ডিঙিত প্ৰচণ্ডভাৱে চেপি ধৰিলে। তাই নিজকে সেই হাতৰ বান্ধোনৰ পৰা বচাবলৈ আপ্ৰাণ চেষ্টা চলালে, ভয়তে ভগৱানক স্মৰণ কৰি মনত থকা সকলো প্ৰাৰ্থনা আওৰাবলৈ ধৰিলে। ভগৱানৰ নাম লোৱাৰ লগে লগে তাইৰ ডিঙিৰ পৰা সেই হাতৰ বান্ধ নাইকিয়া হৈ গ'ল। এইবাৰ তাই পাছলৈ ঘূৰি চালে। দীঘল মেলা চুলিৰে কোনোবা এজনী তাইৰ চকুৰ পচাৰতে নাইকিয়া হৈ গ'ল। তায়ো পাছে পাছে ওলাই গ'ল, তাই নিজৰ কোঠাৰ বাহিৰলৈ ওলাই লক্ষ্য কৰিলে সেই বন্ধ হৈ থকা কোঠাৰ দুৱাৰখন আপোনা-আপুনি খোল খাই গৈছে আৰু কিছু সময়ৰ পাছত নিজেই বন্ধ হৈ গৈছে। নীহাৰিকাৰ আৰু বুজিবলৈ বাকী নাথাকিল আচলতে এই ঘটনাবোৰ কিয় ঘটি আছে! তাই বুজি পালে যে এই ঘৰটোত কোনোবা অশৰীৰী ছাঁৰ উপস্থিতি আছে। আৰু সেই অশৰীৰী আত্মাৰেই কাণ্ড তাইৰ লগত হৈ থকা ঘটনাবোৰ। কথাটো ভাবি বুকু কঁপি গ'ল তাইৰ।

কিন্তু কথাটো সমৰে জানো বিশ্বাস কৰিব! সি তাইকেই গালি পাৰিব নিশ্চয় তথাপিও সমৰলৈ ফোন লগালে তাই। আৰু ফোনটো কাণত লৈয়েই তাই বাৰাণ্ডা পালেগৈ। ফোনটো বাজি বাজি বন্ধ হৈ গ'ল। সি কোনো ৰোগীৰ লগত ব্যস্ত হৈ আছে ছাগৈ। তাই অলপ সময় বাৰাণ্ডাৰ গ্ৰীলতে ভেঁজা দি ঘৰটোৰ চাৰিওফালে ভালকৈ লক্ষ্য কৰিবলৈ ধৰিলে। কিবা জয়াল যেন লাগিল তাইৰ সকলোবোৰ। চাৰিওদিশে চকু ফুৰাই থাঁকোতেই এক নিৰ্দিষ্ট ঠাইত তাইৰ দৃষ্টি ৰৈ গ'ল। সেই শিলিখাজোপাৰ তলত যেন কোনোবা ৰৈ আছে। হয়, তাইৰ ফালে পিঠি দি কোনোবা এজন ৰৈ আছে। এখুজি দুখুজিকৈ তাই সেইফালে আগবাঢ়িল। মানুহজনৰ ওচৰ পাই তাই মাত লগালে–

ঃ কোন আপুনি?

ঘূৰি চালে মানুহজনে, তাই আগতে ক'তো দেখা নাই মানুহজনক। তেওঁৰ চকু দুটা অসম্ভৱ ধৰণে ৰঙা পৰি আছে। তেওঁ সেহাই সেহাই ক'লে–

ঃ মই এই ঘৰখনৰ বাহিৰখন তদাৰক কৰোঁ। এই ফুল, গছ-গছনি ইত্যাদিবোৰ চোৱা-চিতা কৰোঁ।

ঃ কিন্তু সমৰে কৈছিল যে আপুনি ৰাতিপুৱা বৰ সোনকালে আহে।

ঃ অ' ৰাতিপুৱা কোনো সাৰ নাপাঁওতেই মই কামবোৰ কৰি ভাল পাঁও। কিন্তু কেতিয়াবা এনেকৈ দূৰৈৰ পৰাই চাই যাঁওহি।

মানুহজনৰ কথাবোৰ শুনি আচৰিত হ'ল নীহাৰিকা। আৰু এটা কথা তাই ভাবি পাৰ নাপালে যে ইমান কম বয়সীয়া মানুহজনক সমৰে কিয় মালী খুড়া বুলি কৈছিল!

তাইক কথাযাৰ কৈয়ে মানুহজন জপং জপংকৈ খোজ দি গেট খুলি ওলাই গুছি গ'ল। তেওঁ দূৰৈত অদৃশ্য হোৱালৈকে তাই চায়েই থাকিল।

গধূলি সময়লৈ বাট চাই বাৰাণ্ডাৰ চকীখনতে বহি থাকিল তাই। ডিচেম্বৰ মাহৰ শীতৰ এটি সেমেকা সন্ধিয়া। তাতে ডাৱৰীয়া বতৰটোৱে শীতৰ প্ৰকোপ আৰু বঢ়াইছে। তথাপিও তাই বাহিৰতে বহি আছে, ভিতৰত সোমাই থাকিলে উশাহটো বন্ধ হৈ যোৱাৰ উপক্ৰম হয়। বন্ধ হৈ থকা লোহাৰ গেটখনত তাইৰ দৃষ্টি নিৱদ্ধ হৈ আছে। এনেতে কুঁৱলীৰ ঘন চাদৰখন ফালি দীঘল পদূলিটোৰে কোনোবা এজন আহি থকা তাই দেখা পালে। সমৰ বুলি ভাবি তাই মনতে অলপ সকাহ পালে। সমৰ নহয়,অন্য এজন মানুহহে ওচৰ চাপি আহিল, ভালকৈ চালে তাই মানুহজনক কিন্তু চিনি নাপালে। এইবাৰ তেখেত বাৰাণ্ডাত উঠি তাইৰ কাষেৰে পাৰ হৈ গ'ল। তাই বুজি পালে যে সেইজনেই বৰুৱা দা। খন্তেক পাছতে তেওঁ ঘূৰি আহি তাইক সুধিলে-
–

ঃ আপোনাৰ গা ঠিকেই আছে নে এতিয়া?

তাই মূৰ তুলি চালে তেখেতলৈ। দেখাত সহজ সৰল যেন লগা মানুহজনক তাইৰ ভাল লাগিল।

ঃ অ' ভাল পাইছো। আপুনি বৰুৱা দা নহয় জানো?

ঃ হয়, মই প্ৰশান্ত বৰুৱা। সমৰে কৈছে ছাগৈ মোৰ কথা।

ঃ হয় কৈছিলে এঁও।

ঃ এনেকৈ ইমান ঠাণ্ডাত আপুনি বাহিৰত অকলে অকলে বহি আছে যে?

ঃ দাদা, আপুনি মোতকৈ জ্যেষ্ঠ গতিকে মোক তুমি বুলিয়ে সম্বোধন কৰিব।

ঃ ঠিক আছে বাৰু, কিন্তু তুমি এনেকৈ কিয় মন মাৰি বহি আছা?

ঃ দাদা, মোৰ ভয় লাগে ভিতৰত। এই ঘৰটোত কিবা আছে জানেনে?

ঃ কিবা মানে?

ঃ ব'লকচোন ভিতৰলৈ, চাহ একাপ খাব মোৰ লগতে তেতিয়াই ক'ম আপোনাক কথাবোৰ। সমৰে মোৰ কথাবোৰ বিশ্বাস নকৰে।

ঃ ব'লা বাৰু।

দুয়োজনে হাতত দুকাপ চাহ লৈ বহি ল'লে। আৰু নীহাৰিকাই প্ৰথম দিনাৰে পৰা তাইৰ লগত ঘটি যোৱা ঘটনাবোৰ কৈ গ'ল বৰুৱাক। তেওঁ নীৰৱে শুনি গ'ল কথাবোৰ। তাইৰ কথা শেষ হোৱাত তেওঁ যথেষ্ট গম্ভীৰভাৱে ক'বলৈ ধৰিলে —

ঃ মোৰ পত্নী আগতে প্ৰায়ে আহিছিল মোৰ লগত থাকিবলৈ। কিন্তু এদিন তেওঁ ৰাতিপুৱা শুই উঠি মোক ক'লে যে ঘৰটোত আমাৰ বাদেও অন্য কোনোবা থাকে। তাই হেনো অকলে থকাৰ অৱস্থাত প্ৰায়ে বিভিন্ন ধৰণৰ অদ্ভুত শব্দ শুনা পায়। অৱশ্যে মই তাইৰ কথাত বৰ বিশেষ গুৰুত্ব দিয়া নাছিলোঁ। কাৰণ এই অলৌকিক বস্তুবোৰক মই বৰকৈ বিশ্বাস নকৰোঁ। তাই কিন্তু মোক সদায় কৈছিল ইয়াৰ পৰা গুছি যোৱাৰ কথা। কিন্তু কি কৰিম কোৱা, কলেজৰ চাকৰিতো এৰি দিব নোৱাৰোঁ আৰু ঘৰৰ পৰা অহা-যোৱা কৰিবলৈও মোৰ সুবিধা নহয়। আৰু ইয়াত থকাৰ অন্য কোনো ব্যৱস্থাও নাই গতিকে এই ঘৰটোৰ বাদে আমাৰ কোনো আশ্ৰয়স্থল নাই অ' এই ঠাইখনত।

ঃ তাৰমানে মই অনুভৱ কৰা কথাবোৰ মিছা নহয় দাদা?

ঃ একেবাৰে মিছা বুলি ক'ব নোৱাৰি। কাৰণ মই নিজেও কিছুমান অস্ফুট শব্দ শুনো কেতিয়াবা। গধূলি যেতিয়া ঘৰত সোমাওহি মোৰো গোটেই ঘৰটোৰেই কিবা জয়াল যেন লাগে। তথাপি গুৰুত্ব নিদিও কথাবোৰ। কিন্তু তুমি দিনটো অকলে থাকা আৰু তুমি বৰ বেছিকৈ কথাবোৰ চিন্তা কৰি থাকা সেইবাবেই ছাগৈ তোমাৰ লগত এই ঘটনাবোৰ বেছিকৈ হ'বলৈ ধৰিছে।

ঃ আপুনি ইয়াত কেতিয়াৰ পৰা আছে দাদা?

ঃ মোৰো পাঁচ বছৰমানহে হৈছে ইয়াত। কলেজত চাকৰি পোৱাৰ আগত মই আমাৰ ঘৰৰ ওচৰৰে স্কুল এখনত শিক্ষকতা কৰিছিলোঁ কিছু দিন। কি কৰিবা ঘৰুৱা অৱস্থা বৰ ভাল নহয় আৰু অন্য কোনো ঠাইত চাকৰিৰ সুবিধা কৰিব নোৱাৰিলোঁ। সেইবাবেই এই আওহতীয়া ঠাইখনলৈ গুছি আহিলোঁ, আৰু এতিয়া ছাত্ৰ-ছাত্ৰীবোৰৰ মোহ এৰিব নোৱাৰা হ'লোঁ।

তাহাঁতে কথা পাতি ব্যস্ত হৈ থাকোঁতেই সমৰো সোমাই আহিল ভিতৰলৈ। সিও বৰুৱা দা আৰু নীহাৰিকাৰ পৰা গোটেই কথাবোৰ জানি ক'লে–

ঃ ময়ো কেতিয়াবা কিছুমান অনুভৱ নকৰা নহয়। পদূলিমুখত কেতিয়াবা ময়ো মানুহ এজন ৰৈ থকা দেখোঁ কিন্তু মই গুৰুত্ব দিয়া নাই আজিলৈকে। আচলতে কথাবোৰ বেলেগ ধৰণে ভবাই নাই। তুমিও বেছি ভাবিছা নীহা, ভূত বুলি একো বস্তু পৃথিৱীত নাই। ভয়েই ভূত, তুমি যথেষ্ট ভয় খাই আছা আৰু তোমাৰ মনটো দুৰ্বল হৈ আছে যে সেয়ে আচলতে তোমাৰ মনৰ ভ্ৰম কিছুমানকে তুমি সচাঁ বুলি ভাবিছা।

সমৰে এতিয়াও কথাবোৰ বিশ্বাস নকৰা বাবে তাই হতাশ হ'ল। বৰুৱা দাই তাইক বৰ বেছিকৈ কথাবোৰ গুৰুত্ব নিদিবলৈ আৰু পাৰিলে দুদিনমানৰ বাবে ঘৰলৈ গৈ আহিবলৈ পৰামৰ্শ দি বিদায় ল'লে।

একেবাৰে সাধাৰণ ভাৱে ৰাতিৰ ভাত সাঁজ ৰান্ধিলে তাই। মনটো কিবা খেলিমেলি হৈ আছে ,একো খাবলৈও মন নাই তাইৰ। সমৰে দেখিছে তাইৰ মনটো সেমেকি আছে, কিবা যেন ভাবুক হৈ আছে ছোৱালীজনী। খাই বৈ সোনকালে আজৰি হৈ তাই বিছনাত পৰিলেগৈ। আবতৰীয়া বৰষুণ এজাকে বেছিকৈ শীত নমাইছে। বিজুলী গাজনিৰে পৰিৱেশটো আৰু বেছি জয়াল হৈ পৰিছে। অৱস শৰীৰ আৰু দুৰ্বল মনেৰে তাই অতি সোনকালেই নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল।

প্ৰকৃতিৰ তাণ্ডৱ ক্ৰমে বাঢ়িবলৈ লৈছে। কিন্তু এই তাণ্ডৱৰ মাজতো দূৰৈৰ পৰা ফেচাঁৰ কুৰুলিৰ শব্দ ভাঁহি আহিছে। আৰু সেই কুৰুলিৰ মাজে মাজে কোনো নাৰীৰ হৃদয় বিদাৰক উচুপনিয়ে সমৰৰ বুকু কঁপাই তুলিছে। আজি ইমান দিনে সি

যিবোৰ কথা গুৰুত্ব দিয়া নাছিল, যিবোৰ কথা আওকাণ কৰি চলিছিল, এই সকলোবোৰ মনৰ ভ্ৰম বুলি তাৰ যি ধাৰণা আছিল সেই ধাৰণা পলকতে থানবান কৰি পেলালে সেই হিয়া ভঙা উচুপনিয়ে। শুব পৰা নাই সি, বিজুলী গাজনিৰ কাণ তাল মৰা শব্দ আৰু তাৰ মাজে মাজে কাণৰ নিচেই কাষতে শুনি থকা নাৰীৰ হিয়া বিদৰা কান্দোনে তাক শুবলৈ দিয়া নাই। বিছনাৰ পৰা উঠি বহিল সি, অস্বস্তি লাগিছে তাৰ। এক অজানা ভয়ে গ্ৰাস কৰিছে তাক, আজিলৈকেতো এনে হোৱা নাছিল ! লাহে লাহে বাঢ়িবলৈ ধৰিছে সেই উচুপনি আৰু চিঞৰি চিঞৰি কান্দিবলৈ লৈছে সেই নাৰী কণ্ঠই, যেন তাহাঁতৰ ৰুমৰ কাষৰ পৰাই ভাঁহি আহিছে সেই কান্দোনৰ শব্দ ! নিদ্ৰাৰত নীহাৰিকাক এবাৰ লক্ষ্য কৰি টৰ্চটো হাতত লৈ সি হাতত সাৰে ভৰিত সাৰে তাহাঁতৰ ৰুমৰ পৰা ওলাই তলা লগাই থোৱা ৰুমটোৰ ওচৰ পালেগৈ। এতিয়াও তলা উলমি আছে ৰুমটোৰ দুৱাৰত আৰু বাহিৰত ক'তো কোনো অদ্ভুত শব্দ শুনা নাপালে সি। ইফালে-সিফালে ভালদৰে লক্ষ্য কৰি সন্দেহজনক একো দেখা নাপাই সি নিজৰ ৰুমলৈ ঘূৰি গ'ল। বিদ্যুৎ প্ৰৱাহ বন্ধ হৈ থকাৰ বাবে ডিম লাইটৰ সামান্য পোহৰকণো ৰুমটোত নাই, অন্ধকাৰত ডুবি আছে ৰুমটো। টৰ্চটোও হঠাতে নজ্বলা হৈ থাকিল। অনুমানতে দুৱাৰখনৰ খিলিটো লগাই বিছনাৰ ফালে আগবাঢ়িল সি। বিছনাখনলৈ দুখোজ মান থকাৰ অৱস্থাত হঠাতে অহা এচমকা বিজুলীৰ পোহৰত সি যিটো দৃশ্য দেখা পালে তাৰ অন্তৰাত্মা কঁপি উঠিল আৰু অতদিনৰ ভয়েই ভূত বুলি ভবা তাৰ ধাৰণা ভুল বুলি প্ৰমাণিত হ'ল। বিজুলীৰ পোহৰত সি দেখা পালে নীহাৰিকাৰ কাষতে দীঘল চুলিখিনি মেলি এজনী ছোৱালী তাইলৈকে চাই উচুপি উচুপি বহি আছে। চুলিখিনিৰে তাইৰ চেহেৰা সম্পূৰ্ণকৈ ঢাকি ৰাখিছে। পুনৰ অহা বিজুলীৰ অন্য এচমকা পোহৰত সমৰে কিন্তু ছোৱালীজনী দেখা নাপালে। কিংকৰ্ত্তব্যবিমূঢ় হৈ সি একে ঠাইতে স্থানু হৈ ৰ'ল।

আনদিনাতকৈ সোনকালে সাৰ পালে নীহাৰিকাই। ঘড়ীটোৱে পাঁচ বজাৰ সংকেত দিছে। ছুৱেটাৰতো পিন্ধি হাতত ব্ৰাছ ডাল লৈ তাই বাহিৰলৈ ওলাই গ'ল। ঘন কুঁৱলীৰে বগা হৈ আছে চৌদিশ। তাই নিয়ৰ পৰি সেমেকি থকা চোতালত ভৰি দিলেগৈ। শিৰশিৰীয়া বতাহ এজাকে দেহ-মন কঁপাই তুলিছে। শিলিখা জোপাৰ তললৈ লক্ষ্য কৰিলে তাই, বহু দূৰলৈকে কোনো মানুহ দেখা নাপালে। এইবাৰ তাই পদূলিমুখ পালেগৈ। ফুলবোৰত নিয়ৰৰ কণা পৰি মুকতা মণিৰ দৰে জিলিকি আছে, ওচৰতে ক'ৰবাত কপৌ চৰাই দুটামানৰ চিঞৰো শুনিছে তাই। ভাল লাগিছে পৰিৱেশটো। এইবোৰ দেখিলে ঘৰটোত যে কিবা অশৰীৰী বস্তুৰ উপস্থিতি আছে ভাবিবই নোৱাৰি।

অলপ সময় বাহিৰতে পাৰ কৰিলে তাই। বাৰাণ্ডাৰ ফালে খোজ আগবঢ়াওঁতেই পাছফালৰ পৰা মানুহ এজন অহা দেখি তাই ৰৈ দিলে। মানুহ জনে হাতত দা এখন লৈ পাতবাহাৰ এজোপাৰ বাঢ়ি যোৱা ডালবোৰ কাটিবলৈ ধৰিলে। তাই এখুজি দুখুজিকৈ মানুহ জনৰ কাষ পালেগৈ। বয়সস্থ মানুহ জনক তাই মাত লগালে–

ঃ আপুনি কোন?

মানুহজনে তাইলৈ বিৰক্তিৰে চালে।

ঃ মোক চিনি পোৱা নাই?

ঃ নাই পোৱা, আগতে দেখা নাই আপোনাক।

ঃ মই আজিহে ইমান দেৰিকৈ আহিছোঁ সেইবাবে দেখিলা আজি। মই এইখন ঘৰত যোৱা বিশ বছৰে কাম কৰি আছো। চাৰহঁত থাকোঁতে ময়ো ইয়াতেই থাকিছিলোঁ। কিন্তু চাৰ চহৰলৈ গুছি যোৱাৰ পাছত ময়ো নিজৰ ঘৰলৈ গ'লোগৈ। কিন্তু বাৰীখনৰ চোৱা-চিতাৰ দায়িত্ব মোক দি থৈ গ'ল চাৰে।

ঃ খুড়া আপোনাৰ ঘৰ ক'ত?

তাইৰ মুখত খুড়া সম্বোধন শুনি তেওঁ অলপ সময় তভক মাৰি চালে তাইলৈ।

ঃ গাঁৱৰ সিটো মূৰে মোৰ ঘৰ আইজনী। তুমি ডাক্তৰৰ পত্নী নেকি?

ঃ হয় খুড়া।

মানুহজনলৈ আঁৰ চকুৰে চাই এইবাৰ তাই প্ৰশ্ন কৰিলে–

ঃ খুড়া, ইয়াত কিবা দুৰ্ঘটনা ঘটিছিল নেকি?

তাইৰ প্ৰশ্নটো শুনি তেওঁ যেন অলপ অপ্ৰস্তুত হ'ল।

ঃ কিয় সুধিলা?

ঃ একো নাই খুড়া, এনেয়ে জানিবলৈ মন গ'ল।

তেওঁ ইতিমধ্যে বুজিছিল যে নীহাৰিকাই এই প্ৰশ্নটো কিয় কৰিছে। তেওঁ কিন্তু কথাটোৰ পৰা ফালৰি কাটিবলৈ বিচাৰিলে। কাৰণ তেওঁ ভালকৈয়ে জানে ভুলতে যদি তেওঁৰ মুখৰ পৰা সচাঁ কথাটো ওলাই যায়, চলিহা চাৰে তেওঁক সুদাই নেৰে। সেইবাবেইতো আজি আঁঠ বছৰে বুকুত এক অপৰাধবোধৰ বোজা লৈ জীয়াই আছে তেওঁ।

ঃ মোৰ দেৰিয়ে হ'লগৈ, পথাৰলৈ যাবগৈ লাগিব। গতিকে বিদায় হে লৈছো তোমাৰ পৰা।

নীহাৰিকাৰ উত্তৰলৈ বাট নাচাই তেওঁ খৰখোজেৰে গেটৰ ফালে আগবাঢ়িল।

মানুহজনে তাইৰ প্ৰশ্নত থতমত খোৱা আৰু তেওঁৰ মুখৰ ৰং সলনি হোৱাৰ কথাটো ভালকৈয়ে দৃষ্টিগোচৰ হ'ল নীহাৰিকাৰ আৰু তাই নিশ্চিত হ'ল যে এই ঘৰখনত কিবা এটা দুৰ্ঘটনা সংঘটিত হৈছিল। অন্য এটা কথায়ো তাইক আচৰিত কৰি তুলিলে, কালি যিজন মানুহে তাইক মালী বুলি চিনাকি দিছিল, সেইজন কিন্তু বেলেগ কোনোবাহে আছিল। কোন আছিল তেওঁ! কিয় মিছা মাতিছিল তেওঁ!

ইতিমধ্যে সমৰো সাৰ পাই বাহিৰলৈ ওলাই আহিছিল। তাই সমৰক মালী খুড়াক লগ পোৱাৰ কথা ক'লে। সমৰে তাইক ৰাতি সি দেখা পোৱা ছোৱালীজনীৰ কথা ক'লে। কথাটো শুনি তাই ভয়ত কঁপিবলৈ ধৰিলে। সমৰে আজি হস্পিটেললৈ নোযোৱাৰ সিদ্ধান্তই লৈছিল যদিও ৰোগী এজনৰ খবৰ পাই অলপ সময়ৰ বাবে ওলাই গ'ল। গতিকে তাই অকলেই থাকিব লগা হ'ল আজিও। সমৰে তাইক ভিতৰতে থাকিবলৈ আৰু ভয় নাখাবলৈ বুজাই থৈ গ'ল। বৰুৱায়ো কলেজলৈ যাঁওতে তাইক মাতযাৰ লগাই ভালকৈ থাকিবলৈ কৈ থৈ গ'ল।

দুপৰীয়া তাই ৰূমৰ ভিতৰতে টি.ভিটো লগাই বিছনাতে বহি ল'লে। মনলৈ খেলিমেলি ভাৱ কিছুমান আহি আছে যদিও তাই টি.ভিৰ পৰ্দাত মনোযোগ দিবলৈ চেষ্টা কৰিলে।

টি.ভিৰ ধাৰাবাহিক এখনত দৃষ্টি নিবদ্ধ কৰি থাঁকোতেই হঠাতে কেৰেককৈ দুৱাৰ খোলাৰ শব্দত সচকিত হ'ল তাই। তাহাঁতৰ ৰূমৰ দুৱাৰৰ দুয়োটা খিলিয়ে লগাই থৈছিল তাই কিন্তু আপোনা-আপুনি দুৱাৰ খন খোল খাই যোৱাত তাই শংকিত হ'ল। এইবাৰ পৰ্দাখন সামান্য লৰচৰ হোৱা দেখিলে তাই। আৰু বতাহ এজাক যেন সোমাই আহিল ভিতৰলৈ। মজিয়াত খোজৰ শব্দ শুনি তাই তললৈ চালে, দীঘল ভৰিৰ চিন দেখা পালে তাই মজিয়াত। কোনোমতে উশাহটো লৈ থাকিল তাই, বিছনাতে কুঁচিমুচি বহি থাকিল। এইবাৰ ভৰি দুটা যেন তাইৰ বিছনাখনৰ ওচৰতে ৰ'লগৈ। নীহাৰিকাই হাতত লৈ থকা ৰিম'টতো এইবাৰ শূন্যতে উলমি পৰিল আৰু টি.ভিত লাগি থকা চেনেলটো নিজে নিজে সলনি হৈ গ'ল। পলক পেলাবলৈও পাহৰি গ'ল তাই, মাঁথো নিজৰ কলিজাৰ ঢপঢপনিৰ শব্দ নিজেই শুনি থাকিল। টি.ভিৰ চেনেলবোৰ নিজে সলনি হৈ হৈ এটা সময়ত ক'লা পৰ্দা এখন জিলিকি থাকিল। শিলৰ মূৰ্ত্তিৰ দৰে স্থানু হৈ বহি থাকিল তাই একে ঠাইতে। এইবাৰ ভৰিৰ খোজৰ শব্দ কেইটা দুৱাৰৰ ফালে উভতি যোৱাৰ দৰে লাগিল। পুনৰ কেৰেককৈ দুৱাৰ খোলাৰ শব্দ হ'ল। এটি মিঠা নাৰী কণ্ঠই তাইৰ কাণে কাণে কৈ গ'ল–

ঃ পাছে পাছে আহাঁ মোৰ।

সেই কণ্ঠত কি যাদু আছিল নাজানে তাই কিন্তু মন্ত্ৰমুগ্ধৰ দৰে তাই সেই কণ্ঠক অনুসৰণ কৰিলে ঠিক সেইদিনা পুখুৰীৰ পাৰলৈ যোৱাৰ দৰেই। ৰূমৰ বাহিৰলৈ ওলাই তাই দেখা পালে সেই খোজৰ শব্দবোৰ বন্ধ হৈ থকা ৰূমটোৰ ওচৰত গৈ ৰৈছেগৈ। তায়ো ৰূমটোৰ ওচৰ পালেগৈ। জোৰেৰে শব্দ কৰি এইবাৰ ৰূমৰ দুৱাৰখন দুফাল হৈ খোল খাই গ'ল। নাৰী কণ্ঠই পুনৰ মাতিলে তাইক–

ঃ ভিতৰলৈ সোমাই আহাঁ।

ৰূমৰ ভিতৰলৈ ভুমুকিয়াই চাই তাই সোমাই গ'ল। মকৰা জালেৰে গোটেই ৰূমটো চানি ধৰিছে। ৰূমৰ ঠিক মাজভাগতে এখন পুৰণি কাঠত সুন্দৰ কাৰুকাৰ্য খচিত পালেং। এটি পুৰণি কাঠৰ আলমাৰীও দেখা পালে তাই। ইফালে-সিফালে চাই থাকোঁতেই টেবুলৰ দ্ৰয়াৰ খোলাৰ দৰে শব্দ শুনি তাই চাৰিওফালে লক্ষ্য কৰিলে। আলমাৰীটোৰ পাছফালে টেবুলখন দেখি তাই ওচৰ পালেগৈ। টেবুলখন যথেষ্ট মজবুত আৰু পাঁচটা দ্ৰয়াৰযুক্ত। তাই এটা এটাকৈ পাঁচোটা দ্ৰয়াৰ খুলি চালে। কিন্তু একো

দেখা নাপালে। তাই ঘূৰি দুৱাৰৰ ফালে আহিবলৈ লঁওতেই পুনৰ দ্ৰয়াৰ খোলাৰ শব্দ হ'ল। তাই পাঁচোটা দ্ৰয়াৰ পুনৰ খুলি তন্ন তন্নকৈ চালে আৰু একেবাৰে তলৰ দ্ৰয়াৰটো খুলি চাঁওতে ভিতৰলৈ অন্য এটা সৰু দ্ৰয়াৰ দেখা পালে। প্ৰথম দৃষ্টিত সেইটোও যে এটা দ্ৰয়াৰ ধৰিবই নোৱাৰি। সহজে খুলিব নোৱাৰা দ্ৰয়াৰতো গাৰ সমস্ত জোৰ প্ৰয়োগ কৰি তাই খুলিলে। ভিতৰত এখন উঁৱলি যাবলৈ ধৰা ডায়েৰী দেখা পালে তাই। ডায়েৰীখন হাতত লৈ তাই দুৱাৰৰ ফালে খোজ দিলে। ৰুমৰ বাহিৰলৈ উলোৱাৰ লগে লগে দুৱাৰখন জোৰেৰে বন্ধ হৈ গ'ল। কিছুপৰ তাই থৰ হৈ চাই থাকিল সেইফালে। তাৰ পাছত খৰখোজেৰে নিজৰ ৰুম পালেগৈ। আৰামী চকীখনত বহি তাই ডায়েৰীখনৰ প্ৰথম পৃষ্ঠাটোত চকু ফুৰালে। অতি সুন্দৰ হাতৰ আখৰেৰে এটা নাম জিলিকি আছিল পৃষ্ঠাটোত-

'ৰাজনন্দিনী চলিহা'

(৩)

নীহাৰিকাই একে উশাহে পঢ়ি গ'ল ৰাজনন্দিনী চলিহাৰ ডায়েৰীখন। ডায়েৰীখন পঢ়ি যাঁওতে প্ৰায় সকলোবোৰ ৰহস্যই এটা এটাকৈ খোল খাবলৈ ধৰিলে।

ৰাজনন্দিনী চলিহা– প্ৰতাপ চলিহাৰ একমাত্ৰ জী ৰাজনন্দিনী এটি জুৰিৰ দৰেই চঞ্চল, পখিলা এটিৰ দৰেই ৰাংঢালী। সৰুৰে পৰাই যথেষ্ট আলাসত ডাঙৰ হোৱা নন্দিনী কিন্তু এখন বিশাল হৃদয়ৰ গৰাকী আছিল। দেউতাকৰ কাঢ়া শাসনৰ মাজত থাকি ডাঙৰ হোৱা নন্দিনী সুযোগ পালেই গাঁৱৰ দুখীয়া-নিচলা লোকসকলৰ ওচৰ পাইছিলগৈ। তাইৰ লগৰীয়া বোৰো এই দুখীয়াসকলৰ মাজৰেই আছিল। কাঠৰ ব্যৱসায় কৰা প্ৰতাপ চলিহাৰ উঠা-বহা সমাজৰ উচ্চস্থানীয় ব্যক্তিবোৰৰ লগত আছিল, দুখীয়া লোক সকলক তেওঁ প্ৰায়ে অৱজ্ঞাৰ দৃষ্টিৰে চাইছিল। নন্দিনীৰ ফুল, গছ ইত্যাদিৰ প্ৰতি সৰুৰে পৰাই আকৰ্ষণ আছিল। তাইৰ আব্দাৰতেই দেউতাকে বিভিন্ন ঠাইৰ পৰা বাৰে ৰহণীয়া ফুল আৰু বিভিন্ন সঁচৰ গছৰ পুলি আনি ঘৰৰ চৌহদ সেউজীয়া কৰি তুলিছিল। এই অজস্ৰ গছ-গছনি আৰু ফুলবোৰৰ পৰিচৰ্যা কৰিবলৈ তেওঁ গাঁৱৰ একেবাৰে মূৰলৈ থকা যাদৱক দায়িত্ব দিছিল। যাদৱক পৰিয়ালৰ সৈতে থকাৰ সুবিধা কৰি দি চলিহাই তেওঁলোকৰ পিছ চোতালতে এটি বাঁহৰ ঘৰ সাজি দিছিল। যাদৱৰ পত্নী মালতীয়ে তেওঁলোকৰ ঘৰৰ ভিতৰুৱা কাম-কাজবোৰৰ চোৱা-চিতা কৰিছিল। এই যাদৱ আৰু তেওঁৰ পত্নীক নন্দিনীয়ে খুড়া-খুড়ী সম্বোধন কৰি তেওঁলোকৰ হৃদয়ত এক সুকীয়া স্থান দখল কৰিছিল।

লাহে লাহে ডাঙৰ হৈ আহি নন্দিনীয়ে যৌৱনত ভৰি দিলে। তাইৰ ৰূপ-গুণৰ প্ৰশংসা বিয়পি পৰিল সমগ্ৰ বিষ্ণুপুৰত। তাইক চহৰৰ নামী কলেজত পঢ়ুৱাৰ দেউতাকৰ বহুদিনীয়া সপোন ধূলিস্যাৎ কৰি তাই নামভৰ্তি কৰিলে বিষ্ণুপুৰ কলেজত। দেউতাকৰ তীব্ৰ হুংকাৰ, ককৰ্থনা, বুজনি একোৱেই তাইক মনাব নোৱাৰিলে। লাহে লাহে দেউতাকৰ বিৰোধিতা কৰিবলৈ তাই শিকিছিল। ব্যৱসায়ৰ নামত প্ৰায়ে বাহিৰত ঘূৰি ফুৰা দেউতাকৰ মাকৰ প্ৰতি থকা অৱহেলাৰ ভাৰে তাইক চলিহাৰ প্ৰতি খঙাল আৰু অভিমানী কৰি তুলিছিল। তাই হৈ পৰিছিল চলিহাৰ সম্পূৰ্ণ বিপৰীত এজনী শান্ত, সহজ-সৰল, দৰদী অথচ ভীষণ জেদী ছোৱালী। অৱশ্যে ভীষণ জেদী স্বভাৱটো তাই দেউতাকৰ পৰাই পাইছিল। আনহাতে অন্য গুণবোৰ তাই পাইছিল হোজা মাকজনীৰ পৰা।

বিষ্ণুপুৰ কলেজলৈ যোৱাৰ পাছতেই কলেজৰ প্ৰত্যেক যুৱকৰে হৃদয়ত খলকনি তুলিবলৈ সক্ষম হৈছিল নন্দিনী। অৱশ্যে বহু যুৱকে তাইৰ পৰিচয় জানিব পাৰি সমীহ কৰি চলিছিল তাইক। বহুতো ডেকাৰ নয়নৰ মণি আছিল তাই যদিও তাইক কোনেও প্ৰেম নিবেদন কৰিবলৈ সাহস কৰা নাছিল একমাত্ৰ তাইৰ দেউতাকৰ বাবেই। আৰু এনেবোৰ দিনতেই তাইৰ জীৱনলৈ প্ৰৱেশ ঘটিছিল তাইৰ সপোন কোঁৱৰ মাধুৰ্য্য বৰুৱাৰ। সৰু কলেজখনৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় মাধুৰ্য্য আছিল কলেজৰ সাধাৰণ সম্পাদক। নন্দিনীৰ প্ৰেমপাত্ৰ হ'ব পৰাকৈ তাৰ সকলোবোৰ গুণেই আছিল। পঢ়া-শুনাত মেধাৱী, অভিনয়, সংগীত সকলোতে পাৰ্গত তাৰ ব্যক্তিত্বই নন্দিনীক সহজেই আকৰ্ষণ কৰিছিল। দুয়োৰে মাজত বন্ধুত্ব সুদৃঢ় হৈছিল অতি সোনকালেই। নন্দিনীয়ে তাইৰ আচল পৰিচয় লুকুৱাইছিল মাধুৰ্য্যৰ পৰা। তাইৰো সহজ সৰল আৰু ৰাংঢালী স্বভাৱটোৱে তাক বৰকৈ আকৰ্ষণ কৰিছিল। আৰু এনেদৰেই দুয়ো দুয়োৰে প্ৰেমত পৰিছিল। তাহাঁতৰ গভীৰ প্ৰেমৰ কাহিনী বিয়পি পৰিছিল সৰু ঠাইখনত। এদিন মাধুৰ্য্যই ৰাজনন্দিনীৰ আচল পৰিচয় জানিছিল, যিটো কথাই তাৰ প্ৰেমৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰা নাছিল। তাহাঁতৰ প্ৰেম সচাঁ আছিল, প্ৰকৃত আছিল, স্বৰ্গীয় আছিল, যুগমীয়া আছিল। এদিন চলিহাৰ এই ঘৰখনত ধুমুহা বলিছিল যিদিনা

প্ৰতাপ চলিহাই জীয়েকৰ প্ৰেমৰ খবৰ পাইছিল গাঁৱৰ মানুহৰ পৰা।

ঃ নীহা, ইমান মনোযোগেৰে কি পঢ়ি আছা?

সমৰৰ মাতত উচপ খাই উঠিল নীহাৰিকা। ইমান সময়ে তাই ডায়ৰীখনৰ মাজত এনেদৰে বিলীন হৈ গৈছিল যে সমৰ কেতিয়া আহি পালেহি তাই গমেই নাপালে। সমৰক ডায়েৰীখন দেখুৱাই তাই চাহৰ ব্যৱস্থা কৰিবলৈ উঠি গ'ল। পাকঘৰটোত কাৰোবাৰ উপস্থিতিৰ উমান পালে তাই। কোনোবাই যেন তাইক চাই আছে এক নিৰ্দিষ্ট দূৰত্বৰ পৰা। কিয় জানো আজি নীহাৰিকাৰ ভয় নালাগিল অলপো।

চাহকাপ খাই পুনৰ তাই ডায়েৰীখন মেলি ল'লে। সমৰকো কৈ গ'ল কথাবোৰ।

প্ৰতাপ চলিহাৰ মূৰত বিনা মেঘে ব্ৰজ্ৰপাত পৰিছিল যিদিনা তেওঁ জীয়েকৰ প্ৰেমৰ বিষয়ে জানিব পাৰিছিল। তেওঁৰ জী নন্দিনী তেওঁতকৈ সকলো ক্ষেত্ৰতে বেলেগ আছিল যদিও তেওঁ সপোনতো ভবা নাছিল যে তাই কাৰোবাৰ প্ৰেমত পৰিব। প্ৰেমত পৰিব পৰাকৈ তাই ইমান মূৰ্খ বুলি তেওঁ কেতিয়াও ভবা নাছিল। আচলতে তাই প্ৰেমত পৰাতো দোষ নাছিল, দোষ আছিল মাধুৰ্য্যৰ প্ৰেমত পৰাতো। মাধুৰ্য্যৰ সকলোবোৰ গুণেই আছিল নন্দিনীৰ প্ৰেমিক হ'ব পৰাকৈ, আৰু চলিহাৰ ঘৰৰ জোঁৱাই হ'ব পৰাকৈ। মাত্ৰ এটা গুণৰেই অভাৱ আছিল তাৰ আৰু সেইটো হ'ল যে সি এক দুখীয়া পৰিয়ালৰ সন্তান আছিল। বিষ্ণুপুৰ অঞ্চলটোত চহকী লোকতকৈ দুখীয়া লোকৰ সংখ্যা বেছি আছিল আৰু দুখীয়া লোকসকল গাঁৱৰ ইটো প্ৰান্তত বাস কৰিছিল। তাতেই যাদৱৰ ঘৰো আছিল। গতিকে এনে এটা দুখীয়া পৰিয়ালৰ সন্তান মাধুৰ্য্যক নন্দিনীয়ে ভাল পাই বুলি জানি চলিহাই অপমানবোধ কৰিছিল সমাজৰ আগত। চলিহাৰ খং দুগুণে চৰিছিল যেতিয়া তেওঁ জানিছিল যে মাধুৰ্য্য তেওঁৰ কাঠৰ দোকানত কাম কৰা এজন কৰ্মচাৰীৰ পুত্ৰ।

ইতিমধ্যে চলিহাৰ বন্ধুসকলেও ঘুনুক ঘানাককৈ কথাবোৰ গম পাই তেওঁক হাঁহিবলৈ লৈছিল। চৰম অপমানবোধ কৰি চলিহাই নন্দিনীক তাইৰ কোঠাতে বন্দী কৰি ৰাখিবলৈ লৈছিল দিনটোৰ চৌবিশ ঘন্টাই। মাকেও একো মাত মাতিব পৰা নাছিল কাৰণ পতিব্ৰতা নাৰী গৰাকীয়ে নিজৰ স্বামীৰ বিপক্ষে মাত মাতিবলৈ কেতিয়াও শিকাই নাছিল। তেওঁ নন্দিনীক বুজাইছিল মাধুৰ্য্যক পাহৰি যাবলৈ, যিটো কাম তাইৰ বাবে অসম্ভৱ আছিল। তাইৰ ৰূমতেই তাইক বন্দী কৰি ৰাখি চলিহাই তাইক শাস্তি দিব বিচাৰিছিল। তাইৰ খোৱা-বোৱাৰ দায়িত্ব লৈছিল যাদৱৰ পত্নী মালতীয়ে। মাক, যাদৱ আৰু মালতী তিনিওকে চলিহাই কাঢ়া নিৰ্দেশ দিছিল তাইৰ লগত মাতবোল নকৰিবলৈ। তাইৰ পঢ়া-শুনাও তাতেই যতি পৰিছিল। চলিহাই ভাবিছিল খুউৰ বেছি এসপ্তাহ এনেদৰে থাকিলেই তাইৰ মগজুৰ পৰা মাধুৰ্য্যৰ ভূত নাইকিয়া হ'ব। পিছে এনেকুৱা একো নহ'ল। জেদী আৰু স্বাভিমানী নন্দিনী দেউতাকৰ এই আচৰণ দেখি আগতকৈও বেছি জেদী হৈ পৰিল। তাই মৰালৈকে মাধুৰ্য্যকেই ভাল পাই থাকিব বুলি সিদ্ধান্ত ল'লে। আৰু এনেদৰেই নিজৰ কোঠাত বন্দী হৈ তাই এমাহ পাৰ কৰি দিলে। মানসিক ভাৱে বিধ্বস্ত হৈ পৰিল তাই। মাধুৰ্য্যক এবাৰ চাবলৈ হাঁহাকাৰ কৰি ফুৰে তাই অথচ তাৰ খবৰ এটাও নাপায়। মাকেও তাইক মাতবোল কৰাতো দূৰৈৰ কথা দিনটোত এভুমুকি মাৰিও নাচায় তাইৰ ফালে। এইদৰেই দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি বন্দীশালত থাকি থাকি তাই আধামৰাৰ দৰে হৈ পৰিল। আৰু এনে এটা দিনতেই যাদৱৰ মুখেৰে তাই খবৰ পালে মাধুৰ্য্যই গাঁৱৰ মাজেৰে বৈ যোৱা নৈখনত পৰি আত্মহত্যা কৰিলে। দুখে-শোকে জৰ্জৰিত নন্দিনীয়ে কিন্তু কথাটো বিশ্বাস কৰিব নোৱাৰিলে। মাধুৰ্য্যৰ আত্মহত্যাৰ খবৰ জুইৰ দৰে বিয়পি পৰিল সৰু ঠাইখনত। আৰু মাকৰ মুখেৰেও নন্দিনীয়ে তাৰ মৃত্যুৰ খবৰ জানিব পাৰিলে। সকলোতেই এইটো কথাই প্ৰচাৰ হ'ল যে প্ৰেমত বিফল হৈ মাধুৰ্য্যই নদীত জঁপিয়াই মৃত্যুবৰণ কৰিলে।

ইয়াৰ দুদিন মান পাছতেই চলিহাই নন্দিনীৰ কোঠালৈ গৈ তাইক তেওঁলোকে লোৱা এটা সিদ্ধান্তৰ কথা জনালে। তেওঁৰ বন্ধু এজনৰ পুত্ৰৰ লগত তাইৰ বিবাহৰ দিন পৰ্যন্ত তেওঁলোকে থিৰাং কৰিলে। তাইক তিনিদিন পাছত বিয়াৰ বাবে সাজু হৈ থাকিবলৈ কৈ চলিহাই নিজৰ বিজয়ত সেই ৰাতি স্ফুৰ্তি কৰিলে। আৰু মানসিক ভাৱে দুৰ্বল, মাধুৰ্য্যৰ মৃত্যুত বিচলিত হৈ পৰা নন্দিনীয়ে সেই ৰাতিয়েই তাইৰ কোঠাৰ চিলিং ফেনত উলমি আত্মহত্যা কৰে। আত্মহত্যা কৰাৰ আগত তাইৰ সকলো কথা লিখি ৰখা অতি গোপনীয় এই ডায়েৰীখন তাই টেবুলৰ গুপ্ত দ্ৰয়াৰটোত থৈ যায়।

গোটেই কথাখিনি পঢ়ি বুজি পালে নীহাৰিকাই যে সেই তলা উলমি থকা ৰূমটোৱেই আচলতে নন্দিনীৰ ৰূম আছিল। আৰু ৰাতি বিকট শব্দ কৰি চলি থকা ফেনখনতেই চিপ লৈছিল নন্দিনীয়ে। নন্দিনীৰ কথাবোৰ জানি নীহাৰিকাৰ দুচকুৰে দুধাৰি

লোতক বৈ আহিল। নন্দিনীৰ আত্মাই যেন সহায় বিচাৰিহে অতদিনে তাইক এনেদৰে ভয় খুৱাই আছিল। আচলতে এই ডায়েৰীখন নীহাৰিকাই পঢ়ি কথাবোৰ জানিব পৰাটোৱেই নন্দিনীৰ আত্মাই বিচাৰিছিল ছাগৈ। আজি ইমান দিনে সংঘটিত হৈ থকা কাণ্ডবোৰৰ ৰহস্য যেন খোল খাই গ'ল তাহাঁতৰ আগত। কিন্তু মাধুৰ্য্যৰ আত্মহত্যাৰ কথাটোৱেহে আউল লগালে নীহাৰিকা আৰু সমৰৰ মনত। মৃত্যুৰ আগমুহূৰ্ত্তত নন্দিনীয়ে লিখি যোৱা এটি কথাই তাহাঁতৰ মনত সন্দেহৰ উদ্ৰেক ঘটালে।

" মই জানো মাধুৰ্য্য তুমি নিজক কেতিয়াও মাৰিব নোৱাৰা, কোনোবাই হত্যা কৰিছে তোমাক নিশ্চয়। কিন্তু তুমি যেতিয়া এই পৃথিৱীত নায়েই মই কি কৰিম থাকি? জীৱিত অৱস্থাত অন্ততঃ মই বেলেগৰ হ'ব নোৱাৰোঁ। মই আহি আছোঁ তোমাৰ ওচৰলৈ। জীৱিত কালত একেলগ হ'ব নোৱাৰিলোঁ কি হ'ল, মৃত্যুৰ পাছত লগ হ'ম আমি।"

মাধুৰ্য্যৰ আত্মহত্যাৰ বিষয়ে নীহাৰিকাহঁতৰ মনতো সন্দেহৰ উদ্ৰেক হ'ল। তাইৰ এনে লাগিল যেন মাধুৰ্য্যৰ অতৃপ্ত আত্মাও ঘূৰি ফুৰিছে এই ঘৰৰ আশে-পাশে নহ'লেনো তাই শিলিখাজোপাৰ তলত প্ৰায়ে কোনোবা এজনক ৰৈ থকা দেখিবলৈ পায় নে?

অৱশ্যে এই প্ৰশ্নটোৰ উত্তৰ কেৱল মাত্ৰ এজন ব্যক্তিয়েহে দিব পাৰিব, সেইজন হ'ল এই ঘৰৰ মালী যাদৱ খুড়া। গতিকে পাছদিনা তাহাঁত যাদৱৰ ওচৰলৈ যাবলৈ সিদ্ধান্ত লৈ বৰুৱাকো কথাবোৰ ক'বলৈ তেওঁৰ ওচৰলৈ গ'ল।

পিছদিনা প্ৰভাততে বাকী সকলো কাম বাদ দি নীহাৰিকা, সমৰ আৰু প্ৰশান্ত বৰুৱা যাদৱৰ ঘৰ ওলালেগৈ। বৰুৱাই গাঁৱৰ চৌদিশে টিউশ্যনৰ বাবে ঘূৰি ফুৰিব লাগে বাবে গাঁও খনৰ প্ৰতিটো চুক-কোণ ভালকৈ চিনি পায় তেওঁ। চলিহাৰ ঘৰৰ পৰা মাত্ৰ ২ কি.মি মান দূৰৈত অৱস্থিত যাদৱৰ ঘৰলৈ তিনিও খোজকাঢ়িয়ে গ'ল। অৱশ্যে গোটেই ৰাস্তাটো তেওঁলোকক যেন কোনোবাই অনুসৰণ কৰি গ'ল, এনে অনুভৱ হ'ল নীহাৰিকাৰ।

পুৱাৰ কোমল ৰ'দজাকে আহি গছে-বনে পৰি থকা নিয়ৰৰ টোপালবোৰ জিলিকাই তুলিছে। ঘৰবোৰৰ আগফালে ৰ'দ লৈ বুঢ়া মানুহবোৰে চাহৰ জুতি লৈ আছে। সকলোৱেই কিন্তু সমৰক 'ডাক্টৰ বাবু ক'লৈ যায়' বুলি মাতষাৰ লগাইছে। কোনো কোনোৱে পদূলি মুখলৈকে ওলাই আহি সমৰক মাতিছে, কোনো কোনোৱে চাহ একাপ খাই যাবলৈও জোৰ কৰিছে। মানুহবোৰৰ সৰলতাত আপুত হৈ পৰিছে নীহাৰিকা। এনেদৰে আজি প্ৰথম তাই ওলাই আহিছে গাঁৱৰ মানুহখিনিৰ ওচৰলৈ। কিন্তু সকলোকে বৰ পুৰণি চিনাকি যেন লাগিছে তাইৰ।

অলপ দূৰ খোজ কঢ়াৰ পাছত এটা সৰু লুঙলুঙীয়া বাট দেখি বৰুৱাই ক'লে–

ঃ এই বাটেৰেই তাহাঁতৰ ঘৰৰ ফালে যায় নেকি! কাৰোবাক সুধি লওঁ ৰ'বা।

চাইকেল চলাই পাৰ হৈ যোৱা ল'ৰা এটাক ৰখাই তেওঁলোকে সুধিলে যাদৱৰ ঘৰৰ ঠিকনা। সেই লুঙলুঙীয়া বাটটোৰ ফালেই আঙুলিয়াই দেখালে ল'ৰাটোৱে। অযথা সময় নষ্ট নকৰি তেওঁলোক খৰখোজেৰে আগবাঢ়িল। নীহাৰিকাই হাতত লৈ যোৱা নন্দিনীৰ ডায়েৰী খন জোৰেৰে খামোচ মাৰি ধৰিলে। প্ৰায় দহ মিনিট মানৰ পাছতে তেওঁলোকে থূপাথূপিকৈ থকা কিছুমান বাঁহৰ সৰু সৰু পঁজা লক্ষ্য কৰিলে। এজন আদহীয়া মানুহক দেখা পাই যাদৱৰ ঘৰৰ ঠিকনা সোধাত মানুহজনে দেখুৱাই দিয়া মতে তেওঁলোক গোবৰ মাটিৰে লিপি থোৱা সৰু অথচ পৰিপাটী এটা ঘৰত সোমালেগৈ। যাদৱৰ পত্নী মালতীয়ে তেওঁলোকক চোতালতে মূঢ়া তিনিটা পাৰি বহিবলৈ দিলে। নীহাৰিকাই যাদৱৰ ঘৰৰ চাৰিওদিশে চকু ফুৰাই বুজিলে যে যাদৱ মানুহজনৰ হাতত সচাঁই যাদু আছে। চলিহাৰ ঘৰটোৰ দৰেই তেওঁ নিজৰ ঘৰটোও বিভিন্ন গছ-ফুলেৰে শুৱনি কৰি ৰাখিছে।

কিছু সময়ৰ পাছত যাদৱ আগ চোতাল পালেহি। দূৰৈৰ পৰাই সমৰহঁতক দেখি তেওঁ আচৰিত হ'ল। মনত খুদুৱনিৰ ভাৱ লৈ তাহাঁতৰ ওচৰ পালেহি তেওঁ। তামোল এখন পকটিয়াই তেওঁ সুধিলে-

ঃ ডাক্টৰ বাবু, কি সকামত আহিলা মোৰ ওচৰলৈ হয় নে?

অন্য কথাৰ অৱতাৰণা নকৰাকৈ সমৰে চিধাই আচল কথাটো উলিয়ালে।

ঃ যাদৱ খুড়া আপোনাৰ পৰা আমাৰ কথা অলপ জানিবলগীয়া আছিল।

ঃ কি কথা কোঁৱাচোন?

তেওঁ প্ৰশ্নবোধক চাৱনিৰে চাই ৰ'ল তাহাঁতলৈ।

ইতিমধ্যে ডাঙৰ ডাঙৰ একোটা বাতিত চাহ আহি পাইছিল।

ঃ বাৰু চাহ কাপ খাই লোঁৱাচোন।

চাহ খোৱাৰ ইচ্ছা আৰু সময় এটাও নাছিল তাহাঁতৰ হাতত তথাপিও চাহৰ বাতিত মুখ দিলে তাহাঁতে।

ঃ এতিয়া আচল কথালৈ আঁহো।

এইবাৰ বৰুৱাই আৰম্ভ কৰিলে কথা।

ঃ অ' বোপা কোৱা।

ঃ মাধুৰ্য্য বৰুৱাৰ বিষয়ে আপুনি কি জানে খুড়া?

প্ৰশ্নটো শুনি থতমত খালে যাদৱ। ইফালে মালতীয়েও চুচুক চামাককৈ আহি তাহাঁতৰ কাষতে থিয়' দিলেহি।

ঃ কোন মাধুৰ্য্য?

ঃ খুড়া এতিয়া আপুনি মাধুৰ্য্যক চিনি নাপাঁও বুলি নক'ব কাৰণ ইতিমধ্যে আমি সকলো কথাই জানিব পাৰিছোঁ।

সমৰে অলপ উগ্ৰ ভাৱেৰেই কথাষাৰ ক'লে।

ঃ কি জানিব পাৰিছা তোমালোকে? সিদিনা তোমাৰ পত্নীয়েও মোক সুধিছে সেই ঘৰখনত কিবা দুৰ্ঘটনা হৈছিল নেকি বুলি মই তেতিয়াই তাইক কৈছিলোঁ যে একোৱেই হোৱা নাই। কিন্তু তোমালোকে কি গম পালা কেনেকৈ গম পালা সেইটোহে আচৰিত হৈছোঁ মই।

ঃ বাৰু খুড়া আপুনি নন্দিনীকতো চিনি পাইছিল? মানে ৰাজনন্দিনী চলিহা?

নীহাৰিকাৰ প্ৰশ্নটো শুনি যাদৱে এইবাৰ তাইৰ মুখলৈ চালে। অলপ সময় তললৈ মূৰ কৰি তেওঁ ভাবিলে, কেনেকৈ চিনি নাপাওঁ বুলি ক'ব সেই মৰমিয়াল ছোৱালীজনীক তেওঁ! কিমান দিন যে তাই আহি এই বাঁহৰ জুপুৰীত তেওঁলোকৰ সৈতে অলেখ মধুৰ সময় পাৰ কৰিছিল। যাৰ স্মৃতি এতিয়াও তেওঁলোকৰ মনৰ মণিকোঠত স্পষ্ট হৈ জিলিকি ৰৈছে। যাদৱ আৰু মালতীৰ উদং কোলা তায়েইতো ভৰাই ৰাখিছিল জীয়াই থকা দিনলৈকে।

ঃ কি হ'ল খুড়া একো নক'লে যে?

ঃ মাজনীক চিনি নাপাওঁ বুলি কেনেকৈ ক'ম? আমাৰ সকলোৰে আদৰৰ ছোৱালীজনী এদিন যে এনেকৈ গুছি যাব আমি সপোনতো ভবা নাছিলোঁ।

ঃ তেন্তে আপোনালোকে কিয় তাইক এৰি দিলে? কিয় তাইৰ সেই দিনবোৰত সহযোগ নকৰিলে তাইক?

ঃ নোৱাৰিলোঁ, চাৰৰ কথাৰ বিপৰীতে যোৱা মানে মৃত্যুক আকোঁৱালি লোৱা। স্বাৰ্থপৰ হৈ পৰিলো সেই সময়ত আৰু নিজৰ কথা ভাবিয়েই তাইৰ কথা ভাবিব নোৱাৰিলোঁ।

উচুপি উঠিল যাদৱ আৰু মালতী। তেওঁলোকে যে নন্দিনীক নিজৰ কোলাৰ কেঁচুৱাৰ দৰেই ডাঙৰ কৰিছিল!

ঃ আপুনি জানেনে খুড়া যে আজি আঠ বছৰে নন্দিনীৰ অতৃপ্ত আত্মা সেই ঘৰখনত ঘূৰি ফুৰিছে?

ঃ জানো আইজনী, সকলো জানো মই। সেইবাবেইতো ৰাতিপুৱা কোনো সাৰ নাপাঁওতেই দৌৰি যাওঁ মই তালৈ কিজানিবা তাইক দেখা পাওঁ! কিন্তু তাই মোৰ আশে-পাশে ঘূৰি ফুৰিলেও আজিলৈকে মই তাইক দেখা নাপালোঁ।

ঃ আপোনাৰ পৰা তাই কোনো সহায় নাপায় বুলি জানে বাবেই আপোনাৰ আগত তাইৰ আত্মাই ধৰা নিদিয়ে।

পুনৰ উচুপি উঠিল যাদৱ।

ঃ এতিয়া কন্দা-কটা নকৰিব খুড়া। আপুনি জানো নিবিচাৰে তাইৰ আত্মাই মুক্তি পোৱাতো? আৰু তাইৰ আত্মাই কেতিয়া মুক্তি পাব আমি নাজানোঁ? আপুনিহে জানে সকলোবোৰ খুড়া। সচাঁই যদি কিবা গোপনীয় কথা আছে আপুনি আমাক কঁওক। আমি আটায়ে মিলি নন্দিনীৰ আত্মাক মুক্তি দিব লাগিব।

নীহাৰিকাই অতি কোমল সুৰেৰে কথাবোৰ বুজালে যাদৱক। তেওঁ হয়তো বুজি পালে–

ঃ কেৱল নন্দিনীৰে নহয় অ' বোপাইহঁত, মাধুৰ্য্যৰ আত্মাইও মুক্তি পোৱা নাই আজি আঠ বছৰে। আৰু ইয়াৰ বাবে সম্পূৰ্ণ দায়ী মই। অপৰাধ ময়ো কৰিছো, আৰু তাৰ শাস্তি মই পাবই লাগিব।

ঃ অপৰাধ? কি অপৰাধ খুড়া?

এইবাৰ তিনিওটাই আচৰিত হৈ যাদৱৰ মুখলৈ চাই থাকিল।

যাদৰে কৈ গ'ল কথাবোৰ-

ঃ এটি বৰ্ষাসিক্ত গধূলিৰ কথা সেয়া। নন্দিনীক কোঠাত বন্দী কৰি ৰখাৰ খবৰ পাই মাধুৰ্য্যই প্ৰায়ে গধূলি সময়ত চলিহা চাৰৰ ঘৰৰ পদূলিত থকা শিলিখা জোপাৰ তলত বৈ ঘৰটোৰ ফালেই চাই থাকিছিল। মনত এটাই আশা, কিজানিবা দেখা পায়েই নন্দিনীক ! পিছে তাৰ আশা সদায় আশা হৈয়ে ৰৈছিল। চলিহা চাৰ ঘৰত নাথাকিছিল যদিও সেই দিনবোৰত আমি চাৰৰ বিৰুদ্ধে গৈ নন্দিনীক সহায় কৰাৰ সাহ গোটাব নোৱাৰিলোঁ। সেয়ে আমি মাত্ৰ দূৰৈৰ পৰা নন্দিনী আৰু মাধুৰ্য্যৰ অস্থিৰতাবোৰ দেখি হুমুনিয়াহ কঢ়াৰ বাদে একোৱেই কৰিব নোৱাৰিছিলোঁ। মাধুৰ্য্যও বোধকৰো চাৰৰ বিৰুদ্ধে যাব পৰাকৈ শক্তিশালী নাছিল, এই ক্ষেত্ৰত তাৰ দুৰ্বল আৰ্থিক অৱস্থাও জগৰীয়া আছিল। আৰু তাৰ ঘৰৰ মানুহৰ পৰাও সি একোৱেই সহাঁৰি পোৱা নাছিল।

এদিন দিনৰে পৰাই চিপচিপীয়া বৰষুণ এজাক দি আছিল। চাৰ সেইদিনা ঘৰতে আছিল। আবেলিৰে পৰাই তেওঁ বতৰৰ আমেজ ল'বলৈ গিলাছে গিলাছে বিলাতী পানীয় বিধ সেৱন কৰিছিল। নন্দিনীৰ কোঠাৰ পৰা ভাঁহি অহা তাইৰ উচুপনিৰ শব্দইও তেওঁৰ হৃদয় গলাব পৰা নাছিল। কেনেকৈ নন্দিনীৰ মন মগজুৰ পৰা মাধুৰ্য্যক আঁতৰাব পাৰি সেই চিন্তাতেই তেওঁ মগন হৈ আছিল। সদায় অহাৰ দৰে সেইদিনাও মাধুৰ্য্য গধূলি আহি শিলিখাজোপাৰ তলত ৰৈছিলহি। ইতিমধ্যে নন্দিনীয়ে কান্দি কান্দি টোপনতি ঢলি পৰিছিল। চাৰে বাৰাণ্ডালৈ ওলাই গৈ পদূলি মুখত কাৰোবাক ৰৈ থকা দেখি মোক সুধিছিল পদূলিত ৰৈ থকাজনৰ পৰিচয়, মই কোৱা নাছিলোঁ সচাঁ কথা। পিছে চাৰৰ কি জানো সন্দেহ হ'ল, তেওঁ একেকোবে শিলিখা জোপাৰ তল পালেগৈ। মাধুৰ্য্যই বিতত নহৈ একে ঠাইতে থিয় দি থাকিল। ময়ো পাছে পাছে গ'লো চাৰৰ। তেওঁলোকৰ মাজত যথেষ্ট বাক-বিতণ্ডা হ'ল। চাৰে মাধুৰ্য্যক ভাবুকি প্ৰদান কৰিলে বিভিন্ন ধৰণে। আকৌ তাক টকাৰ লোভো দেখুৱালে, মাত্ৰ সি নন্দিনীক ভাল নাপাঁও বুলি ক'ব লাগে। চাৰে তাক পাছ চোতালত থকা আমাৰ সৰু ঘৰটোলৈ মাতি আনিলে। চাৰৰ উদ্দেশ্য কি আছিল মই তেতিয়ালৈ বুজিব পৰা নাছিলোঁ। আমাৰ ঘৰৰ বাৰাণ্ডাতে বৈ দুইজনৰে মাজত কথাৰ তৰ্কাতৰ্কিও হয়। সি কোনোপধ্যেই নন্দিনীক বেয়া পোৱাৰ কথা তাইৰ আগত স্বীকাৰ নকৰোঁ বুলি নিজৰ সিদ্ধান্তত অটল হৈ ৰ'ল। চাৰেও চেষ্টা কৰি থাকিল কাৰণ চাৰে জানিছিল ভালকৈয়ে যে নন্দিনীয়ে মাধুৰ্য্যক তেতিয়াহে পাহৰিব পাৰিব যেতিয়া সি তাইক নিজেই বেয়া পাঁও বুলি কয়। কিন্তু সি চাৰৰ এটা কথাও মানি নল'লে। মদৰ নিচাত ডুবি থকা চাৰৰ মগজে কাম নকৰা হ'ল। কেতিয়াও কোনো কথাতে হাৰ মানিব নিবিচৰা চাৰৰ মনত কুটবুদ্ধি খেলাবলৈ ল'লে। আৰু বুদ্ধি কৰি চাৰে মাধুৰ্য্যক দীঘলীয়া চোতালখনৰ একেবাৰে মূৰলৈ থকা পুখুৰীটোৰ পাৰলৈ লৈ যায়। তেতিয়া কালসন্ধ্যা,ভৰ বাৰিষাৰ বতৰ তাতে। মালতীয়ে চাৰৰ পাকঘৰত সোমাই গধূলিৰ চাহ-জলপান তৈয়াৰ কৰাত ব্যস্ত। নন্দিনীৰ ঘোৰ টোপনি, মাকো নিজৰ কোঠাতেই সোমাই কিবা কামত ব্যস্ত। ইফালে বৰষুণৰ শব্দত কেনিও কাৰো মাত নুশুনা অৱস্থা। চাৰ আৰু মাধুৰ্য্যক পুখুৰীৰ ফাললৈ যোৱা দেখি ময়ো পাছে পাছে দৌৰ দিলোঁ। কিন্তু মোৰ যোৱা দেৰি হ'ল। ইতিমধ্যে চাৰে তাক দ' পুখুৰীটোলৈ ঠেলা মাৰি পেলাই দিলে। দুৰ্ভাগ্যজনক ভাৱে সি সাঁতুৰিব নাজানিছিল আৰু সেইবাবে পানীত সি ককবকাবলৈ ধৰিলে। মই তাক বচাবলৈ পুখুৰীত জাঁপ দিবলৈ লওঁতেই চাৰে মোৰো সেই একেই গতি কৰিব বুলি ভাবুকি দিয়াৰ বাবে মই ৰৈ গ'লোঁ। আৰু এসময়ত তাৰ মৃতদেহ উপঙি উঠিল পানীত। ভয়তে বৰষুণত তিতি থকাৰ অৱস্থাতো নিজৰ শৰীৰ ঘৰ্মাক্ত হোৱা যেন লাগিল মোৰ, কলিজাখনে যেন দবাহে কোবাই থাকিল। তাৰ মৃতদেহ উপঙি উঠাৰ পাছতহে চাৰৰ হুঁচ আহিল। যথেষ্ট ভয়ো খালে তেওঁ আৰু মোৰ সহায়ত তাৰ মৃতদেহ ডাঙি আনি পুখুৰীৰ কাষতে থৈ জাবৰ জোঁথৰে ঢাকি থ'লোঁ আমি। ৰাতি সকলো টোপনিত লালকাল দিয়াৰ পাছত দুয়োজনে তাৰ মৃতদেহ আনি চাৰৰ এস্কেচাদৰ গাড়ীখনৰ পাছফালে ভৰাই নদীৰ পাৰ পালোঁগৈ। নদীৰ পানীত তাৰ মৃতদেহটো পেলাই দি আমি স্বস্তিৰ নিশ্বাস পেলালোঁ। কিন্তু মই আজিলৈকে শুব নোৱাৰিলোঁ ভালকৈ, মুক্তভাৱে উশাহ ল'ব পৰা নাই আজিও, অপৰাধবোধৰ বোজাটো বুকুত লৈয়ে পাৰ কৰিছো দিন-ৰাতি।

পাছদিনা ৰাতিলৈ তাৰ নিৰুদ্দেশৰ খবৰ পালো আমি, যিটো খবৰ নন্দিনীকো দিয়া হ'ল। আৰু দুদিন পাছত নদীৰ পৰা প্ৰায় ৫ কি.মি দূৰৈত তাৰ ফুলি ভীম্বাকাৰ দিয়া মৃতদেহ উদ্ধাৰ কৰা হ'ল। নন্দিনীৰ প্ৰেমত বিফল হৈ সি আত্মহত্যা কৰিলে বুলি চৌদিশে প্ৰচাৰ হৈ গ'ল। নন্দিনীৰ কাণতো পৰিল তাৰ মৃত্যুৰ খবৰ। আৰু তাৰ কিছুদিনৰ পাছতেই নন্দিনীয়েও নিজৰ কোঠাৰ চিলিং ফেনত চিপ ল'লে।

এনেদৰেই দুটা জীৱন শেষ কৰাৰ বাবে ময়ো দায়ী হৈ পৰিলোঁ। নিজকে ক্ষমা কৰিব নোৱাৰোঁ মই কেতিয়াও। সেই

ঘটনাৰ পাছতেই চাৰে বাইদেউক লৈ চহৰলৈ গ'লগৈ আৰু আমি ইয়ালৈ গুছি আহিলো। চাৰে বাৰীখন চোৰা-চিতাৰ দায়িত্ব দি থৈ গ'ল বাবে ৰাতিপুৱাই গৈ সকলোবোৰ চাই আঁহোগৈ। গধূলি বাহিৰলৈ ওলোৱাৰ সাহস এতিয়াও গোটাব পৰা নাই।

ঃ এতিয়া এই কথাখিনিকে আপুনি পুলিচৰ আগত ক'ব পাৰিব নে?

বৰুৱাই প্ৰশ্ন কৰিলে যাদৱক।

ঃ ....................

ঃ আপুনি নক'লেও আমাৰ হাতত প্ৰমাণ আছে এতিয়া, কাৰণ সকলোবোৰ ৰেকৰ্ডিং কৰা হৈ গৈছে। এতিয়া অপৰাধীয়ে শাস্তি পাব আৰু দুটি অতৃপ্ত আত্মাই মুক্তি।

সমৰৰ কথা শুনি পুনৰ কান্দিলে যাদৱে।

ঃ মই সকলো ক'ম পুলিচক। তেতিয়া সাহস নকৰিলোঁ, এতিয়া কৰিম। ব'লা আজিয়েই যাঁও আমি থানালৈ।

যাদৱৰ কথামতেই সকলো সেইদিনাই বিষ্ণুপুৰৰ পৰা বিশ কি.মি দূৰৈত অৱস্থিত থানালৈ গ'ল। থানাৰ অ.চি নীলোৎপল হাজৰিকাক মাধুৰ্য্য বৰুৱাৰ আত্মহত্যাৰ কেছটোৰ বিষয়ে মনত পেলাই দি যাদৱে সকলোবোৰ কথা ভাঙি পাতি ক'লে। নন্দিনীৰ ডায়েৰীখনো নীহাৰিকাই অ.চিক দেখুৱালে। চোৰাং কাঠৰ ব্যৱসায়ৰ লগত জড়িত চলিহাৰ ওপৰত এনেও পুলিচ বিভাগৰ চকু আছিলেই গতিকে তেওঁক কাৰাগাৰত ভৰোৱাৰ এনে এটা সুবৰ্ণ সুযোগ তেওঁলোকে এৰি দিব নিবিচাৰিলে।

আৰু কিছুদিনৰ ভিতৰতে অপৰাধীক কৰায়ত্ত কৰা হ'ল। মাধুৰ্য্য-নন্দিনীৰ মৃত্যুৰ সত্যতা সমগ্ৰ ৰাজ্যতে বিয়পি পৰিল। আৰু দুটি অতৃপ্ত আত্মাৰ মুক্তি তথা শান্তিৰ বাবে সমূহীয়াকৈ এখন সৰ্ব ধৰ্মীয় প্ৰাৰ্থনা সভাৰো আয়োজন কৰিলে নীহাৰিকাহঁতে। সভাৰ দিনা প্ৰথম বাৰৰ বাবে নন্দিনীৰ মাকে হিয়া ঢাকুৰি কান্দিলে।

ইয়াৰ পাছৰে পৰা নন্দিনীৰ মাক আৰু মালতী একেলগে এই ঘৰটোতে থাকিবলৈ ল'লে।

সকলোবোৰ হৈ যোৱাৰ পাছত এদিন মাজনিশা নীহাৰিকাই মূৰত কাৰোবাৰ হাতৰ এটি শীতল পৰশ পাই সাৰ পাই গ'ল। দীঘল মেলা চুলিৰে এজনী ছোৱালী তাহাঁতৰ ৰূমৰ বন্ধ দুৱাৰেদিয়ে ওলাই যোৱা দেখি তায়ো পাছে পাছে গৈ বাৰাণ্ডা পালেগৈ। বাৰাণ্ডাৰ পৰাই তাই দেখিবলৈ পালে ছোৱালীজনী শিলিখা জোপাৰ তলত ৰৈ থকা মানুহজনৰ ওচৰ পাইছেগৈ। তাহাঁতে তাইলৈ ঘূৰি চালে এবাৰ আৰু গেট খুলি ওলাই গৈ ক্ৰমাৎ আন্ধাৰত বিলীন হৈ পৰিল। নীহাৰিকাই বুজি পালে যে নন্দিনী-মাধুৰ্য্যৰ আত্মাই মুক্তি পালে চিৰদিনৰ বাবে আৰু চিৰদিনৰ বাবে তাহাঁতৰ আত্মা দুটি এক হৈ পৰিল। অজানিতে দুটি চকুলোৰ টোপাল নিগৰি আহি নীহাৰিকাৰ গাল দুখন তিয়াই পেলালে।।

*উপসংহাৰ ঃ- সম্পূৰ্ণ কল্পনাৰ ৰহন সানি লিখা এই কাহিনীটোৰ চৰিত্ৰ তথা ঠাইৰ নাম সকলোৰেই কাল্পনিক। বাস্তৱৰ লগত এই কাহিনীৰ কোনো সংযোগ নাই।*

*ভূত কি? অস্তিত্ব আছেনে ভূতৰ? এক জটিল প্ৰশ্ন। ঠিক ভূত নহয় কিন্তু এক অদৃশ্য অপ শক্তিৰ প্ৰভাৱ হয়তো নিশ্চয় আছে পৃথিৱীত। সেয়া এক গভীৰ আলোচনাৰ বিষয়। সহজভাৱে ক'বলৈ গ'লে মনৰ ভয়েই ভূত। দুৰ্বল মনতহে ভূতে বাস কৰে। বৰ্তমান সময়ত ভয় আচলতে ভূতলৈ নহয়, মানুহৰূপী দানৱলৈহে। হাজাৰ অপশক্তিৰ মাজতো এক অদৃশ্য শুভ শক্তিৰ বাবেই চলি আছে জীৱনধাৰা। সেই অদেখাজনলৈ ধন্যবাদ।*

*ভৌতিক কাহিনী ভাল পোৱা প্ৰতি গৰাকী অৰ্দ্ধ আকাশৰ সখীৰ হাতত মৰমেৰে মোৰ এই অপৈণত সৃষ্টি উৎসৰ্গা কৰিলোঁ।*

# খোজ

**নীৰুজা বৰা**

পদুমী নামঘৰৰ পৰা খৰখেদাকৈ আহিছে। হাতত মাহ প্ৰসাদৰ খৰাহীটো লৈ লগৰ কেইজনীকো পিছপেলাই ইমানেই খৰখেদা কৰিছে যে, যেন সোনকালে ঘৰত নোসোমালে, ঘৰখন কিবা ডাঙৰ বিপদতহে পৰিব। ঘৰে ঘৰে জ্বলি উঠা ইলেকট্ৰনিক লাইটবোৰে পদূলিবোৰ পোহৰাই তুলিছে।

আহি থাকোঁতেই পদুমীয়ে ঘৰলৈ আহি কেনেকৈ কি কৰিব, মনতে জুকিয়াই আহিছে। অৱশ্যে তাই জানে এনেকৈ জুকিয়াই গ'লেও, একো লাভ নহ'ব। ঘৰখনক নিজৰ মতে পৰিচালনা কৰাত তাই ব্যৰ্থ হ'ল। এতিয়া তাইৰ মতে ঘৰ নহয়, ঘৰৰ মতেহে তাই চলিবলগীয়া হয়।

পদুমী আহি নিৰ্দিষ্ট ঠাইত থৈ যোৱা চাবি কাঠি লৈ দুৱাৰৰ তলা খুলিলে। ছোৱালী দুজনী টিউচনলৈ গৈছে। অহাৰ সময়ো হৈছে। ঘৰৰ বাকী দুজন বৰ্তমান চাগে মদৰ দোকানত। অৱশ্যে বাপেক-পুতেক এখন দোকানলৈ নাযায়, দুয়ো বেলেগ বেলেগ দোকানৰ গ্ৰাহক হয়। বাপেকে চুলাই নামৰ পানী বিধতে সীমাবদ্ধ থাকে, কিন্তু পুতেক আধুনিক হোৱাৰ বাবে, মদ নামৰ ৰঙীন পানী আৰু নিচাৰ বাবে ড্ৰাগছ ব্যৱহাৰ কৰে।

দুৱাৰৰ তলা খুলি ভিতৰলৈ সোমাই, পৰিপাটি কৰি থৈ যোৱা ঘৰটোৰ বিশৃংখল অৱস্থা দেখি পদুমীৰ চকু গৈ কপালত উঠিল। চকুৰ আগত তাই নথকা সময়ত ঘৰখনত ঘটি যোৱা দৃশ্যবোৰে ধৰা দিলে। বিছনাৰ তুলিখন ডাংখাই তললৈ ওলমি থকা দেখি তাই বুজিলে, গিৰিয়েকে চাগে বিছনাৰ তুলিৰ তলত পইছা বিচাৰি চলাথ কৰিছিল। পুতেকে ড্ৰাগছৰ নিচাত চোফাত গোৰ মাৰি, হাতেৰে যি পাইছে দলিয়াই ফুৰিছিল। তলা লগাই থৈ যোৱালৈ চাই, সিহঁত যোৱাৰ পাছত ছোৱালী দুজনী টিউচনলৈ ওলাই গৈছে বুলি তাই মনতে ভাবিলে।

নামঘৰৰ পৰা ঘৰলৈ গোটেই পথচোৱা ভাবি অহা কামবোৰ উলট-পালত হৈ যোৱাত প্ৰসাদৰ খৰাহীটো টেবুলৰ ওপৰতে ৰাখি পদুমী বিশৃংখল চোফাখনত অলপ বহি ল'লে। অতীতৰ সেই দিনটোলৈ মনত পেলাই পদুমীৰ চকু দুটি পানীৰে উপচি পৰিল। সেইদিনটো মানে, পদুমীক বাপেকে ধীৰেন মাষ্টৰলৈ উলিয়াই পঠিওৱাৰ দিনটো। ঘৰৰ সকলোৱে চোৱাচিতা কৰি ধীৰেন মাষ্টৰলৈ তাইক সজাই পৰাই উলিয়াই দিছিল। ইয়ালৈ আহি প্ৰথমে ন-কইনা হিচাপে শাহু-শহুৰৰ মৰমে বান্ধি ৰাখিছিল, কিন্তু বাহি বিয়াৰ পাছদিনাই ধীৰেন মাষ্টৰৰ মুখৰ পৰা পোৱা কেঁচেমা-কেচেম গোন্ধটোৱে তাইৰ নাক-মুখ বন্ধ কৰি, উশাহ ল'ব নোৱাৰা কৰি পেলাইছিল। তাই নাক-মুখৰ কোচনী দেখি ধীৰেন মাষ্টৰে সেইদিনা মৰমেৰে কৈছিল, "মই নাখাওঁ নহয় পদুমী, আজিৰ দিনটো বুলি লগৰকেইটাৰ লগত মানে অলপ ফূৰ্তি কৰিলোঁ।"

কিন্তু সেই কথা মিছা আছিল, লাহে লাহে তাই বুজি উঠিছিল, ধীৰেন মাষ্টৰক এই সুৰাৰ ৰাগিৰ পৰা আঁতৰাবলৈহে বিয়াখন পাতি দিয়া হৈছিল। তাইক ঘৰখনে মিছা মাতি বিয়া পাতি আনিছিল। কিন্তু বিয়াখনেও মাষ্টৰক সুৰাৰ ৰাগিৰ পৰা আঁতৰাব নোৱাৰিলে। স্কুলখনৰ পৰা বাহিৰে বাহিৰে ৰেল আলিৰ কাষৰ মদৰ ঘাটিবোৰলৈ গৈ সন্ধিয়া ঘৰলৈ উভটি আহে। ঘৰলৈ আহি বুঢ়া মাক-বাপেকৰ লগত কাজিয়া কৰে, মাক-

বাপেকে নোহোৱা হোৱাৰ পৰা পদুমীৰ ওপৰত খঙটো তোলে।

পদুমীয়ে প্ৰথমবাৰ এটি পুত্ৰ সন্তান জন্ম দিলে। মানুহে ক'লে ল'ৰাৰ মুখ দেখি ধীৰেন মাষ্টৰ সলনি হ'ব। পদুমীয়ে ল'ৰাটোৰ নাম ৰাখিলে "সপোন"। পিছে ধীৰেন মাষ্টৰ সলনি তিলমাত্ৰ নহ'ল, মাষ্টৰ চাকৰিও যোৱাৰ অৱস্থাতহে পৰিল। দুদিনমান স্কুললৈ যোৱাৰ আগটো মদৰ ঘাটিত গৈ সোমাবলৈ ধৰাত মদাহী মাষ্টৰৰ বিপক্ষে সকলোৱে কৈফিয়ত দিলে। সেইবাৰ পদুমীয়ে প্ৰধান শিক্ষকৰ হাতে ভৰিয়ে ধৰি চাকৰিটো বচালে। ল'ৰাটোৰ পাঁচ বছৰত পদুমী আকৌ সন্তান সম্ভৱা হ'ল। তেতিয়ালৈ শাহু-শহুৰেক দুইজনে ইহ-সংসাৰৰ পৰা বিদায় লৈছিল। পদুমীয়ে ঘৰখন অকলে ধৰিবলগীয়া হৈছিল। তেনেকৈয়ে পদুমীয়ে যঁজা ছোৱালী দুজনীক জন্ম দিলে। ছোৱালী দুজনীক সময় দিয়াৰ লগতে ঘৰখন চাওঁতে ল'ৰাটো নিজে নিজে ডাঙৰ হ'ল। ইফালে ধীৰেন মাষ্টৰৰ চাকৰিটোও মদৰ ৰাগিতে গ'ল। ঘৰখনত ধীৰেন মাষ্টৰৰ ৰাজ চলিল, ৰাতিপুৱাই চাহ পানীৰ সলনি ঘাটি গৈ চুলাই খায়। ঘৰলৈ আহি অবাইছ মাত মাতি বয়-বস্তু ভাঙি তহিলং কৰে। নিচাৰ ৰাগিত ৰাস্তাৰ মানুহক 'অ'কে (OK), অ'কে কৈ থাকে বাবে, ধীৰেন মাষ্টৰ গুচি 'অ'কে মাষ্টৰ' বুলি জোকোৱা হ'ল।

তেনেকৈয়ে দিনবোৰ পাৰ হৈ 'সপোন' ডাঙৰ হৈ মেট্ৰিকৰ পৰীক্ষা দিবলৈ আগবাঢ়িল। পঢ়াৰ পৰিৱৰ্তে তাৰ উদ্ভণ্ডালিৰ গোচৰ সদায় আহিবলৈ ল'লে। মাকে বহু বুজালে, কিন্তু সলনি নহ'ল। মেট্ৰিকৰ দেউনা এবাৰত পাৰ কৰিব নোৱাৰি, কিবা ব্যৱসায় কৰিম বুলি মাকৰ সোণৰ যি কণ সম্পদ আছিল তাকো বেচি পইছাকেইটা সৰকাই নিলে। পিছে ব্যৱসায়ৰ সলনি বাপেকৰ নিচিনা মদৰ নিচাৰ ৰাগিয়াল হৈ পৰিল। বাপেকতকৈ আৰু এখোজ আগুৱাই সপোনে ড্ৰাগছ সেৱনতো ধৰিলে।

ঘৰখনৰ দুয়োটা ৰাগিয়াল আৰু অকৰ্মণ্য মানুহৰ বাবে পদুমীয়ে খেতি মাটি সকলোখিনি বন্ধকত দিব লগা হ'ল। কেতিয়াবা দুয়োটা বাপেক পুতেকে টকাৰ বাবে সেই বন্ধকত দিয়া মাটিকে বেচি পইছাও লৈ আহে। টকা-পইছাৰ বাবে পদুমীয়ে বাপেক-পুতেকৰ পৰা কেতিয়াবা ঠেলা গটা খাই নগুৰ-নাগুটি হয়। শেষলৈ ঘৰখনত এপদো কাঁহ-পিতলৰ বাচনো নাথাকিল, সকলো নিচাই গ্ৰাস কৰি পেলালে। খেতিৰ মাটিও আধাৰো অধিক বেচি শেষ কৰিলে।

কথাবোৰ মূৰত পাক ঘূৰণি খাই থাকোতে কেতিয়ানো ছোৱালীকেইজনী টিউচনৰ পৰা আহি ঘৰ-দুৱাৰ চাফা কৰি, গোসাঁইৰ আগত চাকি দি আজৰি হ'ল, পদুমীয়ে গমেই নাপালে।

ঃ মাই, তই চোফাখনতে এই কাল সন্ধ্যাখন টোপনি মাৰিলি যে, ইমান মাতিলো গমকে নাপালি। সিহঁতৰ মাজৰ এজনীয়ে পদুমীৰ ওচৰলৈ আহি গাত হেচুকি ক'লে।

ছোৱালী দুজনী বাপেক আৰু পুতেকৰ দৰে নহয়, সম্পূৰ্ণ বিপৰীত। পঢ়া-শুনাৰ লগতে সকলো দিশতে আগৰণুৱা বুলি অঞ্চলত খ্যাত। এইবাৰ ছোৱালী দুজনীয়ে মেট্ৰিকৰ পৰীক্ষা দিব। কিন্তু ককায়েক আৰু বাপেকৰ উৎপাতত সিহঁতে পঢ়া-শুনাত মন লগাবলৈ অসুবিধা হৈছে। সেইবাবে দুয়োজনীয়ে এটা সিদ্ধান্ত লৈ মাকৰ লগত আলোচনা কৰি মাকক মান্তি কৰাইছে। মাকে প্ৰথমে ঠেৰোগেৰু কৰিছিল। পাছত দুয়োজনীয়ে বুজালে, সেই সিদ্ধান্তই অকল সিহঁতৰ বাবেই নহয়, ককায়েকৰ ভালৰ বাবেহে।

সিহঁতৰ মাজৰ এজনীয়ে মাকৰ কাষতে বহি ক'লে, "মাই, পুৱাতেই গুৱাহাটীৰ পৰা দাদাক নিবলৈ

গাড়ীখন আহিব।"

পদুমীয়ে সিহঁতৰ মুখলৈ চাই ক'লে, "কথাবোৰ ভালকৈ ভাবি চাইছ নে তহঁতে?"

ঃ অ' মাই! সকলো ভাবিলোঁ। মাত্ৰ তিনিমাহ সময়। কি ঠিক আমি আশা কৰা মতে দাদা সলনি হৈ আমাৰ মাজলৈ ঘূৰি আহিব।

পদুমী আৰু ছোৱালী দুজনীৰ মাজৰ সিদ্ধান্ত এয়েই আছিল যে, মেট্ৰিকৰ পৰীক্ষালৈকে এই তিনিমাহ, সপোনক গুৱাহাটীৰ 'ৰিহেবিলেচন চেণ্টাৰত', মদ আৰু ড্ৰাগছৰ পৰা দূৰ কৰিবলৈ থোৱা হ'ব। সেইবাবে ছোৱালী দুজনীয়ে, গুৱাহাটীৰ ৰিহেবিলেচন চেণ্টাৰ 'সাৰথি'ৰ লগত ফোনযোগে কথাপাতি কাইলৈকে দাদাকক নিবলৈ মাতিছে। ইয়াৰ বাবে খেতিৰ বাকী থকা মাটি কেইপুৰা বন্ধকত দিছে। দাদাকক নিয়াৰ সময়খিনিত দেউতাকে যাতে হুলস্থূল নকৰে সেইবাবে সৰুজনীয়ে চাৰিআলিফালে আঁতৰাই নিব।

সিহঁতে লোৱা সিদ্ধান্ত মৰ্মেই পাছদিনা শোৱাপাতিৰ পৰাই সপোনক ৰিহেবিলেচন চেণ্টাৰ 'সাৰথি'ৰ মানুহ আহি লৈ গ'ল। সেই সময়ত সৰুজনী ছোৱালীয়ে দেউতাকক বজাৰ কৰা চলেৰে উলিয়াই লৈ গৈছিল। যোৱাৰ সময়ত সি চিঞৰি চিঞৰি কান্দিলে। মাক পদুমীয়েও কান্দিবলৈ ধৰাত, ছোৱালীজনীয়ে মাকক বুজালে, "মাই, দাদাক শুদ্ধ পথলৈ অনাত এয়া আমাৰ প্ৰথম খোজ, তই নাকান্দিবিচোন।" ওচৰৰ মানুহে অবাক হৈ কোনো কোনোৱে, নিজৰ মাজত ক'লে, "ইমান নিৰ্দয় নে এই মাক-জীয়েকহঁত, এনেকুৱা মানুহ ক'তো দেখা নাই দেই।" কোনোৱে আকৌ ভাল ভাবেই ক'লে, "হওক, ল'ৰাটো ভাল হওক আৰু আমিও এইকেইদিন শান্তিৰে থাকোঁ।"

কিছুসময়ৰ পাছত সৰুজনীয়ে দেউতাকক আনি ঘৰ সোমোৱালে। বাপেকে একো নুসুধোতেই মাকৰ লগতে থকা ছোৱালীজনীয়ে দেউতাকক ক'লে, "দেউতা, দাদাক গুৱাহাটীলৈ পঢ়িবলৈ পঠিয়াইছো, এতিয়া গুৱাহাটীৰ পৰা মানুহ আহি লৈ গ'ল।" বাপেকে মদৰ ৰাগিতে চিঞৰিলে, "ঐ, টকা ক'ত পালি তাক পঢ়োৱাবলৈ, তহঁত মাক-জীয়েৰহঁতে মোক সকলো সম্পত্তি বেচি শেষ কৰিলিহঁত।"

দেউতাকৰ কাষত থকাজনীয়ে চিঞৰি উঠিল, "দেউতা, তোৰ দিনত যদি এইবোৰ পঢ়া-শুনাৰ ব্যৱস্থা থাকিল হয়, তোক ককা-আইতাই বিয়া পাতি নিদি তালৈ পঠিয়ালে হয়। আৰু তেতিয়া আমি আজি দাদাক সেই ঠাইলৈ পঠিয়াব নালাগিল হয়।" বাপেকে মদৰ ৰাগিত ধলং-পলং কৰি, 'অ'কে, অ'কে, ফাইন, ফাইন' বুলি কৈ কৈ ভিতৰলৈ গ'ল।

ছোৱালী দুজনীয়ে মাকক সাৱতি ধৰি বুজনি দিলে, "মাই, সেই আমাক নিৰ্দয় বুলি কোৱা ওচৰৰ মানুহে কেতিয়াও আমাৰ ঘৰৰ এপদ এপদকৈ বস্তু নিচাৰ ৰাগিত গ্ৰাস হওঁতে সহায় কৰা নাছিল, কেতিয়াও দাদাক ভাল পথ দেখুৱাবলৈ যত্ন কৰাও নাছিল। তইয়েই আমাক জীয়াই ৰাখিলি। এতিয়া আমাৰ দায়িত্ব দাদাক শুদ্ধ পথলৈ ঘূৰাই অনা আৰু ঘৰখনক ঘৰ হিচাপে শুৱনি কৰি তোলা। কিজানি এই খোজে আমাৰ দৰে অন্য ভুক্তভোগীকো এটি পথৰ সন্ধান দিয়ে।"

# চহৰৰ মৰ্টন

মনালিছা গগৈ

খবৰটো আনিলে প্ৰথম অকণে।

সি চহৰ যাওঁতে বেনাৰ মাৰা দেখি আহি গাৱঁত জনালেহি। গাৱঁত তাৰ মুখত কথাতো শুনিয়েই চবেই যায়েই আৰু।

পিচে তেতিয়াৰ দিনত চহৰ যোৱাতো অকণহঁতৰ গাৱৰ পৰা ইমানো সহজ নাছিল। ৰাস্তা বেয়া তাতে গাড়ী মটৰৰ অসুবিধাতো আছেই।

ইলি হল আৰু অসমীয়া চিনেমা। এই দুইটাই তেতিয়া সকলোৰে আগ্ৰহৰ বিষয়। অকণকে চবেই খাটনি ধৰা দেখি সিয়ে উলিয়ালে বুদ্ধিটো।

বাছ এখনকে ভাৰা কৰা যাওক। গোটেইখিনি একেলগে যাব। পিছে শশুৰ বৰজনা সমন্ধীয় সকলৰ লগত বোৱাৰী বোৰ কেনেকৈ যাব?

আৰু চিনেমা হলত একেলগে চকীত কেনেকৈ বহিব? আকৌ চিনেমাত যদি দৌৰ মাৰি নায়ক নায়িকাই জোপোহাৰ মাজত সোমোৱা গান দিয়ে বোৱাৰীমখাই কি কৰিব? একো নাই। অকণেই দিলে বুদ্ধিটো। যাওঁতে যাব মিলাই মেলি আৰু। তাত গৈ মুঠতে ডাঙৰ খিনি আগৰ লাইন লব। আৰু সৰু খিনি পাছৰ লাইনত বহিব। বচচ।

আকৌ সমস্যা। বয়সীয়াল কোনোদিন চহৰ নোযোৱা যোগেন দাইটি পৰিবাৰ খুৰিদেউ সহিতে ওলাল । যাবই। দৰকাৰ হলে এটকা বেছিকৈ দিব। যমৰ আগত কবলে চিনেমা চাবই। ল'ৰামখাৰ ইচ্ছা নাছিল যদিও ডাঙৰসকলৰ কথাত ললে আৰু।

যথাসময়ত ইভিনিং শ্ব' চাবলে ওলাল সকলো। গৈ পাই টিকেট সকলোৰে একেলগে অকনেই কাটি আনিলেগৈ।

"ব'লহঁক দেই সকলো।"

কথামতেই ডাঙৰ সকল প্ৰথম বহি গতি লাগিলত পাছফালে বোৱাৰী আৰু সৰু মখা বহিছে ।

জোনটি খুইটিৰ পেচাব লাগিলেই নহয়। এজনীক লৈ যাওঁতে ঠিকেই গ'ল আহোতে তলৰ স্পেচিয়েল পাই কাকো বিছাৰি নাপাই পুতেক জোনটিক চিঞৰিছে — "ঐ সোনৌ । মই ইছপেছি পালোহি। নে হি মোক অ।"

বকি ৰতি জোনটিয়ে আনিলেগৈ খুইটিক । যোগেন দাইটিয়ে আকৌ জপাই থোৱা চকীখন মেলিব নাজানি সেইভাগেই জাপমাৰি উঠি বহি চবতকৈ ওখ হৈ আছে ।কাষতে কণে দেখি নমাই চকিখন মাজতে দুভাগ কৈ মেলি দি বহালতহে আনৰ সমানত আহিল।

যোগেন দাইটিৰ খুৰিটিয়ে কোনোদিন এইবোৰ দেখি নোপোৱা অবাক লাগিল। পেটে পেটে ভয়ো।

"আইঔ অকণ। ব'লচোন মই পানী এগিলাচ খাই আহোঁ বাহিৰত"। অকণৰ লগত হোটেল এখনতে পানী খাই হে ৰক্ষা দেই।

চবকে দিম বুইছ। মৰটনগুটি দুটামানকে লৈ লওঁ। অকণে চাদা মলাত লাগিল খুই কি লৰ ল বুলি।

মৰটন লৈ আহিল দুইটা। আন্ধাৰে মুন্ধাৰে এটা মুখত ভৰাইও ললে খুইয়ে।

চিনেমা আধা গ'ল আৰু।

খুৰিটিয়ে লাহেকৈ যোগেন দাইটিক খোচ মাৰি। "হেয়ি শুনিছে। এইটো কি গুটি অ। ৰস পিট একো নাই। নাভাগেও কোমলো নহয়। গোটেই মুখত লৈ ঘূৰাই ফুৰাইছো।"

দাইটিৰ গুৰুত্ব নাই সেইবোৰত চিনেমাত মগ্ন।

খুৰিটিয়ে বোলে ঠগ্রামি দোকানি ৰহ আজি ওলাই লও।

চিনেমা শেষত সকলো ওলাই বাছলে ঢাপলি মেলিছে। পিছে খুৰিটিয়ে মেখেলা কোঁচাই দোকানিক দিয়েই কাটৌপকে
।

"অই শগুনেখোৰা তোক মই মৰটন দিৱলে ক'লো কাৰ মুৰাটো দিলি ? দে পইছা ঘূৰাই দে মোক এতিয়াই"

দোকানীয়েও জকজকাই উঠিল। "হেহ। মোক মাৰিব আহে। নিজেই মার্বল গুটিবোৰ দেখাই খুজি থকা নাছিল নে দে মাইটাল গুটি বুলি কৈ কৈ?"

অকণে গৈ যেনিবা বুজাই মেলি খুৰিক গাড়ীত তুলিলে।

(আমাৰ খুৰিটিয়ে আকৌ মৰটনক মাইটাল কয় দোকানীয়ে কি জানে। ভাবিলে মার্বল লাগে দিলে মার্বলকে বান্ধি।)

# স্বাধীন

**মৃদুস্মিতা বৰবৰা**

তিনি দিন থকাকৈ অহা আইতাক কালি যোৱাৰ পৰা অকণমানি জীউৰ উৎপাত বোৰ মাকে সহ্য কৰিব পৰা নাই...অকণমান কথাতে খং উঠিছে, উচুপি কান্দিছে, মাজতে চিয়ঁৰিছে, মুঠতে গোটেই ঘৰখনতে সি এটা হুলসথূলীয়া পৰিৱেশ কৰি আছে... সকলো খঙৰ গুৰি-কথা যে, মৰমৰ আইতাকক মিচ কৰাটো সেইয়া অনিতাইও বুজি পাইছে...তাক কোনোপধ্যেই সৈমান কৰিব নোৱাৰি এবাৰ ফোনটোকে লগাই দিলে আইতাকলৈ... আইতাকেও নিজৰ ঘৰুৱা কামৰ মাজতে তাৰ লগত ফোনতে দহ মিনিট মান সময় কথা পাতিলে...উৎপাত কৰি থকা ল'ৰাটো ফোনটো থৈয়ে এটা শান্ত ল'ৰা হৈ পৰিল..যিদৰে আইতাক অহাৰ আগতে সি আছিল, ঠিক তেনেকুৱা...অনিতাইও স্বস্তিৰ নিশ্বাস পেলাই তাক শুৱাই ল'লে....

সন্ধিয়াও সম্পূৰ্ণ জেণ্টল হৈ থকা জীউক লাহেকৈ অনিতাই সুধিলে, " আইতাৰ লগত কি কি কথা পাতিলা?" তেতিয়াহে অনিতাৰ ভয় লাগি গ'ল... থূলমূলকৈ আইতাকৰ লগত পতা কথা খিনি কোৱাত তেওঁ বুজিলে যে, জীউৰ মন ভাল কৰিব পৰাকৈ আইতাকে দিয়া টোপটো আছিল যে, জীউ এইবাৰ স্বাধীনতা দিৱসত ক'ৰ্ট ফিল্ডত হোৱা পতাকা উত্তোলনলৈ যাব...স্বচক্ষে উপভোগ কৰিব পতাকা উত্তোলনৰ শুভ মুহূৰ্ত্ত খিনি.. মুঠতে পৰহিলৈ আঁহি থকা স্বাধীনতা দিৱস সি উদযাপন কৰিব...

অলপ ক্ষোভ আৰু অলপ খং মনত লৈ অনিতাই শাহুৱেকলৈ ফোন কৰিলে..." কিয় তাক লগাই ল'লে মা! ইমান ভয়ানক দিনটোত কেনেকৈ পতাকা উত্তোলনলৈ নিম তাক?" বুলি কোৱা কথাখিনিত শাহুৱেকে বিশেষ গুৰুত্ব দিয়া যেন অনিতাৰ নালাগিল...অনিতাৰ শহুৰেক স্বাধীনতা সংগ্ৰামী আছিল..সেয়ে স্বাধীন ভাৰতৰ স্বাধীনতাত অৱদান যুগুৱা শহুৰেকৰ পত্নীয়ে স্বাধীনতা দিৱসলৈ কিহৰ ভয় কৰিব! কিয় মানিব কোনোবা নিষিদ্ধ ঘোষিত সংগঠনৰ দ্বাৰা দিয়া অসম বন্ধ?? চাৰি কুৰি চাৰি বছৰীয়া শাহুৱেকে কথাবোৰ নিজৰ মতে বুজি ভালপায়...ব্ৰিটিছৰ আমোলাৰ পৰা স্বাধীন কৰা দেশখনত যে নিজৰেই জাতি ভাইয়ে স্বাধীনতা দিৱস বৰ্জন কৰিছে, কিদৰে বুজায় সেইয়া.. কিন্তু অনিতাই কি কৰিব এতিয়া! দুৰ্গা পূজাত পিন্ধা বগা কুৰ্টাটো বিচাৰি থকা অবুজন আৰু জেদী ল'ৰাটোক কিদৰে বুজায়, কিমান ভয়াবহ আজিকালিৰ স্বাধীনতা দিৱস! কেই বছৰ মানৰ আগতে কিমান ৰক্তাক্ত হৈ পৰিছিল কিমান ঠাই...কেনেকে বুজাব সেই অমানবীয় কাণ্ডবোৰ এই সাত বছৰীয়া ল'ৰাটোক.. জীউৰ দেউতাক অৰ্থাৎ অনুজ অহালৈ অনিতাই অপেক্ষা কৰিলে...

পিছদিনা ৰাতিপুৱাই অনিতাৰ বায়েকৰ জীয়েক মৌ আঁহিল দিনটো থকাকৈ...নৱম শ্ৰেণীৰ মৌ বায়েকক জীউৱে বৰ ভাল পায়..ৰাতিপুৱাই উঠি বাঁহৰ কামি চাঁচি, কাগজত ৰং কৰি বনোৱা পতাকাখন দেখুৱাই মৌক জীউৱে বুজালে, আগতে কিদৰে আইতাকহঁতে স্বাধীনতা দিৱসত বগা কাপোৰ পিন্ধি ক'ৰ্ট ফিল্ডলৈ গৈছিল...বেলুন কিনিছিল...কিদৰে ফূৰ্তি কৰিছিল...সি কালি আইতাকৰ লগত দহ মিনিট ধৰি পতা কথাখিনি আজি সি বিছ মিনিট ধৰি বায়েকক ক'লে...তাৰ ককাক যে ডাঙৰ হিৰ' আছিল আৰু দেশৰ বাবে কাম কৰিছিল , যুদ্ধ কৰিছিল তাকো কৈ সি ফুটনি মাৰিলে...সকলোখিনি কামৰ ফাঁকে ফাঁকে উপভোগ কৰি থকা অনিতাৰহে চিন্তা বাঢ়ি গ'ল অসমীয়া নিউজটো দেখি...ছয়টা সংগঠনে কাইলে অসম বন্ধৰ আহ্বান দিছে...হওঁতে জীউৰ লগতে তাইৰো মনটো উৰা মাৰিছিল, তাহাঁতৰ দিনৰ মৰ্টন, বুট খাই খাই গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস উদযাপন কৰা দিনবোৰলৈ..কোন মাক দেউতাকৰনো মন নাযায়, সেইবোৰ দিন নিজৰ ল'ৰা- ছোৱালিক লৈ পালন কৰিবলৈ...দেশৰ হৈ যুদ্ধ কৰি নাপালেও দেশপ্ৰেমৰ ভাৰটো

সকলো দেশবাসীৰে সিৰাই সিৰাই প্ৰবাহিত...কিন্ত্ত কিদৰে নিজৰ একমাত্ৰ পুত্ৰক তেওঁ পুলিছ-মিলিটেৰীয়ে অনবৰতে বোমাৰ সন্ধান কৰি থকা ক'ৰ্ট ফিল্ডখনলৈ পঠিয়াই দিয়ে...ধেমাজিৰ সেই কাণ্ডৰ চকুপানী দেখোন অসমীয়াৰ শুকুৱাই নাই...

ৰাতিপুৱা মাকে উঠোৱাৰ আগতেই জীউ উঠিল....বগা কুৰ্টাটো পিন্ধি পতাকাখন হাতত লৈ মাক-দেউতাকৰ ভয়াতুৰ চাৱনিৰ আগেদিয়েই সি চাঁদৰ ওপৰলৈ গ'ল...পিছে পিছে অনিতা আৰু অনুজে খোজ ল'লে..টাব এটাতে পতাকাখন গোঁজি সি কন্দনাৰত হৈ দেউতাকক সুধিলে, " কিয় দেউতা কিয় আমি মুকলি হৈ আমাৰ স্বাধীনতা দিৱস পালন কৰিব নোৱাৰো? মৌ বায়ে কৈছে মোক, ধেমাজি নামৰ ঠাইত মোৰ নিচিনা ল'ৰা ছোৱালিক তাহাঁতে বোমা দি মাৰিলে..আমাৰ ককাৰ নিচিনা ককাবোৰে কিমান ফাইট কৰি কৰি স্বাধীনতা আনিছিল...সিহঁতে কিয় স্বাধীন হ'ব নোখোজে দেউতা!" অলপ সময়ৰ আগলৈকে অনুজ অনিতাই জীউ স্বাধীনতা দিৱসলৈ যাব খোজা সমস্যাটো যেনে তেনে সমাধান কৰিব খুজিছিল...কিন্ত্ত এতিয়াহে তাহাঁতে ভাবিছে, হাজাৰ টা জীউক তাহাঁতে ভয় খুৱাই ঘৰত ৰাখি থ'ব পাৰিব...কিন্ত্ত প্ৰকৃত সমস্যাখিনি সমাধান কৰিব পাৰিবনে? নে কাইলৈ জীউৱে নিজৰ সন্তানক ক'ব, আমাৰ ককাহঁতে দেশলৈ বহুত কষ্টৰে স্বাধীনতা আনিছিল কিন্ত্ত আমাৰ দেউতাহঁতে সেই স্বাধীনতাক সন্মান নিদি আকৌ পৰাধীন হৈ থাকিল কোনোবা নিষিদ্ধৰ হাতত...

# উত্থান ঃ মানৱতাৰ শিখৰলৈ

ৰিকুমণি শইকীয়া

ঢাকাইপট্টি বজাৰখনত ভৰি দিয়েই তনিষ্ঠাৰ চকু থিয় হৈ গ'ল। ইমান বেছি ভিৰ হ'ব লাগে নে হ'ল বুলি! নে পূজা অকল নগাঁওৰ মানুহৰ গাতেই লাগিছে। কেনিও বিৰ দি বাট নোপোৱা অৱস্থা। ফল-মূলৰ বেপাৰীৰ পৰা কাপোৰৰ দোকানলৈকে ব্যস্ত ঢাকাইপট্টি বজাৰখনত কেনিও পৰুৱা এটা সোমাবলৈও জেগা নোহোৱা অৱস্থা।

"ছেঃ ভাৰ্গৱৰ লগত অহা হ'লেই ভাল আছিল। কি যে দৰকাৰ আছিল অকলে উস্তাদি মাৰি আহিবলৈ।" কোনোদিনে নগাঁওৰ পূজাৰ বজাৰ নেদেখা তনিষ্ঠাই নিজৰ মুখৰ ভিতৰতে ভোৰভোৰালে।

গুৱাহাটী জীয়াৰী আৰু নগাঁওৰ বোৱাৰী তনিষ্ঠাৰ নগাঁওত এয়া প্ৰথম পূজা। পিছে নতুন বোৱাৰী নহয় তাই। বিয়া হোৱা দহ বছৰেই হ'ল। এটি আঠ বছৰীয়া সন্তানৰ গৰ্বিত মাতৃও তাই। পিছে স্বামী ভাৰ্গৱৰ কৰ্মসূত্ৰে লণ্ডনৰ নিবাসী তিনিজনীয়া সংসাৰখনে অসমৰ পূজা কি যোৱা দহ বছৰে পাহৰিয়ে পেলালে। কিন্তু সিহঁতৰ সন্তান ৰেয়াঙ্গ ডাঙৰ হৈ অহাত সি যাতে নিজৰ মাটিৰ লগত শিপাদালৰ সৈতে উঘালি নাযাই সেইবাবে তাক অসমৰ পূজা নো কি তাকে দেখুৱাববুলি যেনে তেনে চুটি মিলাই এইবাৰ আগতীয়াকৈ ভাৰত পালেহি। এনেই সিহঁতৰ প্ৰতিবাৰে খ্ৰীষ্টমাচৰ সময়তহে অহা হয়গৈ। স্ফুৰ্তিতে এইবাৰ পূজাৰ বজাৰ নগাঁওত অকলেই কৰিব বুলি তনিষ্ঠাৰ এয়া বজাৰ যাত্ৰা। ৰেয়াঙ্গক লগ ধৰিছিল কিন্তু সি ককাক-আইতাকৰ সৈতে ভীষণ ব্যস্ত।

কিন্তু বজাৰত সোমাইহে তনিষ্ঠা বিমূৰত পৰিল। কেনি সোমাব কি বিচাৰিব একো ভাবিয়েই নাপালে। কাপোৰ মানে তাই নিজে শহুৰেকলৈ, বাপেকলৈ, ককায়েকলৈ আৰু ভাৰ্গৱলৈ মুঠতে চাৰ্ট চাৰিটা কিনিব আৰু বাকী মানুহৰ বজাৰখিনি গোটেইকেইজনী একেলগে আহি কৰিব। চাৰ্টৰ কাৰণে ভাৰ্গৱৰ মুখত ঢাকাইপট্টিত আৰ.ডিৰ কথা কোৱা মনত আছে। ইফালে-সিফালে শেষত চকুৰ সন্মুখতে দেখিলে আৰ.ডি দেখিহে তাইৰ জীৱটি ঘূৰি আহিল। কোনোমতে ভীৰ ফালি কাপোৰ কেইটা কিনি তাই আদিত্যলৈ বুলি ৰিক্সা এখনত উঠিল। ৰেয়াঙ্গৰ দিমাগু চামোচা লাগিব তাক। আদিত্যৰ চিঙৰাৰ প্ৰেমত পৰিছে মাক-পুতেক দুয়োটা। নপৰিবনো কিয় আদিত্যৰ চিঙৰাৰ সোৱাদ নগঞাৰ মুখে মুখে এনেই নুশুনো। নগাঁও কলেজ পাৰ হৈ হঠাতে মানুহৰ ডাঙৰ জুম এটা দেখি তাই চকু পোনালে। কি হৈছে বুজ ল'বলৈ ৰিক্সাখনক ক'লে,

ঃ "ভাইটি ৰখাচোন কিবা হৈছে ইয়াত।"

ঃ "নাই বাইদেউ, বাদ দিয়ক। এইবোৰ মিছা-মিছি জেং। টিকট পাগলীৰ কেঁচুৱা হৈছে সেইকাৰণে ভীৰ।"

তনিষ্ঠাৰ চকু কপালত উঠিল। ল'ৰাটোৰে কি ক'লে বুজিবলৈ তাই চেষ্টা কৰি একো পাৰ নাপালে। সি ৰিক্সাখন নৰখালে।

ঃ "কি ক'লা তুমি একো নুবুজিলোঁ।"

অলপ দূৰ আহি তাই আকৌ সুধিলে।

ঃ "বাইদেউ ইয়াত যে পাগলীজনী থাকে দেখিছেনে নাই।"

ঃ "কোন পাগলী?"

ঃ "আপুনি নগাঁওত নতুন নেকি?"

ঃ "অঁ নতুন।"

ঃ "সেইকাৰণে চিনি নাপায়।"

ঃ "কোৱাচোন ভালকৈ কি কথা।"

ঃ "বাইদেউ ইয়াত অলিয়ে-গলিয়ে এজনী পাগলী দেখিব। নামটো টিকট পাগলী। বহু বছৰ ধৰি আছে। কোনোবাই

বেয়া কাম কৰিলে তাই লগত আজি ছোৱালী এটা জন্ম হৈছে। ৰাতিপুৱা টিভি কেমেৰাবোৰো আটহিছে। এতিয়া চিভিলত নিছে তাইক।"

তনিষ্ঠাৰ মূৰটো ঘূৰাই যোৱা নিচিনা লাগিল। কি শুনিলে তাই এইবোৰ। মানুহ ইমান নিকৃষ্ট হ'বও পাৰে নে?

ঃ "বাইদেউ নামক।"

ৰিক্সাৱালাৰ মাততহে তাইৰ সম্বিত ঘূৰি আহিল। ৰিক্সাৰ পৰা কোনোমতে নামি তাই নিজকে চম্ভালি ল'লে। আদিত্যত মিঠাই কিনি তাই মনটো বান্ধিব নোৱাৰিলে। আদিত্যৰ পৰা উলাই নগাঁও কলেজৰ ওচৰত ভীৰ দেখা ঠাইকণলৈ বুলি খোজ ল'লে। মানুহৰ জোম তেতিয়াও আছিল। তাই ভীৰ ফালি জুমি চালে। কোনো নাছিল তাত। এটা লেতেৰা মলিয়ন বেগ, এটা বিচলেৰীৰ পুৰণা বটল আৰু কাগজৰ টুকুৰা কিছুমান পৰি আছিল। অনুসন্ধিৎসু হৈ তাই টুকুৰা এটা তুলি চালে।

ঃ "একো নাইচোন খালী কাগজ।" অসাৱধানবশতঃ মুখেৰে উলাই আহিল তাইৰ।

ঃ "কি বিচাৰিছে বাইদেউ?"

ঃ "নাই এনেই।" থতমত খালে তাই। কি বিচাৰিছিল তাই নিজও নাজানে।

ঃ "এইবোৰ পাগলীৰ কাম বাইদেউ। তাইৰ টিকটবোৰ।"

ঃ "মানে!! কি টিকট??" তাইক উত্তৰ দিয়া বাদ দি মানুহটোৱে তাইলৈহে আচৰিত হৈ চালে।

ঃ "আপুনি টিকট পাগলীৰ কে'ছটো শুনা নাই নেকি?"

ঃ "অ' শুনিলো অলপ আগত।"

ঃ "তেন্তে কি টিকট সুধিছে যে। তাইৰ টিকট এইবোৰ।" মানুহজনৰ ৰূঢ় উত্তৰত তাইৰ খঙ উঠিল কিন্তু এই টিকটবোৰ চিনি নোপোৱাটো যে অসাধাৰণ কথা তাইৰ বুজিবলৈ বাকী নাথাকিল। বিশেষ বাক্যব্যয় নকৰি টমটম এখনত উঠি তাই চিধাই ঘৰলৈ উভতিল। গোটেই ৰাস্তাটো তাইক ঘটনাটোৱে জোকাৰি থাকিল।

ঃ "য়ে মাম্মা আহি গ'ল। য়ে" তাইক টমটমৰ পৰা নমা দেখিয়ে ৰেয়ান্সে উৎপাত আৰম্ভ কৰি দিলে।

ঃ "হুৰেৰ ইজ চামোচা মাম্মা। মই খাব।" ভুলে শুদ্ধই অসমীয়া কোৱা ৰেয়ান্সে বেগটো থপিয়াই নিয়া দি নিলে। আইতাক ৰেণুকাই তাৰ কাণ্ড চাই হাঁহি থাকিল। কিন্তু তনিষ্ঠাৰ মুখলৈ চাই সেই হাঁহি মুখতে মাৰ গ'ল।

ঃ "কি হ'ল মাজনী?? ৰাস্তাত কিবা হৈছে নেকি? মুখখন ক'লা পৰি আহিছে কি হ'ল? চাঁও বহি দিয়াহিচোন।"

তাইক লৈ শাহুৱেক ব্যতিব্যস্ত হৈ পৰিল। সন্মুখৰ চকীখনতে তনিষ্ঠা বহি পৰিল।

ঃ "নাই মা। তেনেকুৱা একো নাই। কিন্তু ৰাস্তাতে ঘটনা এটা দেখি আহিলোঁ।"

তাই সমস্ত ঘটনা শাহুৱেকক বৰ্ণনা কৰিলে। প্ৰত্যুত্তৰত তেওঁ মাথো হুমুনিয়াহ কাঢ়িলে।

ঃ "মা। পাগলীজনী হেনো সদায় থাকে ইয়াতে ঘুৰি-পকি। কোনো সংস্থানৰ চকুত পৰা নাই নে?"

ঃ "এইবোৰ বহুত কথা মাজনী। বহুত সংস্থান, পুলিচ, চিকিৎসালয়ে তাইক নিবলৈ বহুত চেষ্টা কৰিলে। কিন্তু দুই-চাৰিদিন ধৰি-বান্ধি নিলেও তাই চিঞৰত গগন ফালে আৰু পলাই নগাঁও পায়হি।"

ঃ "অ'হ। কিয় বা!! আৰু নামটো টিকট পাগলী বুলি কিয় কয় মানুহে?"

ঃ "তাই অনবৰতে টিকট টিকট চিঞৰি ফুৰে। সেইকাৰণে তাইৰ নাম সেইটো হ'ল। তাইৰ আচল নাম মায়া।"

ঃ "কিন্তু টিকেট কিয়?? কিবা ৰহস্য আছে চাগৈ।"

ঃ "সেইবোৰ বহুত দুখৰ কথা তাইৰ জীৱনৰ। ক'ম দিয়া পিছত। বাবাহঁত পাবহিয়ে এতিয়া ভাত খাই লোৱাগৈ ব'লা। সিহঁত মোমায়েকৰ ঘৰতে খাই আহিব।

ঃ "নাই মা তেওঁলোকৰ দেৰি হ'ব ফোন কৰিছিল। আপোনালোকে খাই ভালেই কৰিলে মোৰ ভোক লগা নাই একেবাৰে। মা কওঁকচোন মোক কথাখিনি এতিয়াই।" ৰেণুকাই ভালকৈ জানে তনিষ্ঠাৰ কিবা কথাৰ উৎসুকতা থাকিলে নজনালৈ শান্তি নাপায়।

ঃ "ঠিক আছে শুনা তেন্তে। এইবোৰ বহু পুৰণি কথা। আৰম্ভ হৈছিল আজিৰ পৰা প্ৰায় বিশ বছৰ আগতেই। তোমালোকৰ বিয়াৰো আগত। মায়াৰ ঘৰ ভোটাইগাঁওত আছিল। ইয়াৰ পৰা প্ৰায় ১৮ কি.মি. দুৰত। সেইখন গাঁওত আমাৰ এখেতৰ নিজৰ

ঘৰ আছিল। সেইবাবে তেওঁ ভালকৈ চিনি পায়।”

(২)

ঃ “ৰেৱতী অই ৰেৱতী। ক’তনো অলৌ তলৌ ঘুৰি ফুৰিছ?”

ঃ “নাই মাষ্টৰ দেদা। এনেই শাক-বন দুডালমান বোলো গোটাই নিও। কওকচোন।” তামোলৰ ৰঙেৰে মুখত ফেলেকা হাঁহি এটা মাৰি ৰেৱতীয়ে শইকীয়া মাষ্টৰলৈ চাই ৰ’ল। বিনা কামত তাইক কোনেও বিচাৰি নুফুৰে। কিবা যে কাম আছে খাটাং।

ঃ “অ’ শুনচোন। কাইলৈ আমাৰ বছৰেকীয়া সত্যনাৰায়ণ সেৱাভাগ পৰিল নহয়। তই আহিবি ৰাতিপুৱাই। ছোৱালীকণকো লৈ আহিবি।”

ঃ “বাৰু ভাল দেদা। আহিম দিয়ক।” শইকীয়া মাষ্টৰৰ পৰা বিদায় লৈ ৰেৱতীয়ে ঘৰলৈ খোজ পোনালে। গাওঁখনৰ এটা অবিচ্ছেদ্য নাম তাই। কোনো উৎসৱ-পাৰ্বনত তাই নহ’লেই নহয়। সেইবুলি কাজি ৰেৱতীক আজিলৈ কোনেও অৱজ্ঞাও কৰা নাই মিছা কলে পাপ হ’ব গিৰিয়েক ছোৱালীকণ এমা-দিমা থাকোতেই নোহোৱা হোৱাৰ পৰা এই গাওঁখনেই তাইক ভনীৰ দৰে নিৰাপত্তা প্ৰদান কৰি আহিছে।

ঘৰ পাইয়েই তাই চিঞৰ ধৰিলে, “মায়া। অ’ মাই। ক’ত নো আছগৈ।”

ঃ “কি যে মা। পাকঘৰত আছোঁ। ক’তনো আছিলিগৈ তই বেলি দুপৰলৈ।” হাত মোহাৰি ৰেৱতীৰ পোন্ধৰ বছৰীয়া জীয়েক মায়া উলাই আহিল। জীয়েকলৈও তামোল সেৰুৱা ফেলেকা হাঁহিটো মাৰিলে তাই।

ঃ “যা মই ভাত-দালি বনালোৱেই। তই ভাজগৈ এইখিনি। মই চ’কৰ পৰা আহোগৈ।”

ঃ “অ’ আই। এই দুপৰীয়াখন চ’কত কি কাম তোৰ?”

ঃ “নাই অ’। শেৱালিৰ ওচৰপৰা আহোগৈ।”

ঃ “দে যা দেৰি নকৰিবি কিন্তু।”

আজলী মাকজনীলৈ তাইৰ বেয়াও লাগে। জানে তাই মিছা মাতি বেয়া কাম কৰিছে। কিন্তু কি কৰিব নতুনকৈ প্ৰেমত পৰিছে তাই। হেমন্তৰ ক’লেজ ছুটি হোৱাৰ সময় হৈছে। কালি তাইক দঢ়াই দঢ়াই সি চ’কলৈ আহিবলৈ কৈ গৈছে। এতিয়া নগ’লে হ’বনে।

পদুলীৰ পৰা মাকলৈ ঘূৰি চালে তাই। মাকজনী ঢেঁকীয়া বাচাত লাগিলেই। তাইও দেৰি নকৰি চ’কলৈ খোজৰ গতি বঢ়াই দিলে।

ঃ “ইমান সময় লাগেনে তোক?” তাইক দেখিয়েই হেমন্তই মুখ ফুলালে।

ঃ “বেয়া নাপাবিচোন। মা নাছিল অ’। সেইকাৰণে দেৰি হ’ল।”

ঃ “হ’ব হ’ব লেৰেলা সাদৰ নালাগে দেখুৱাব। ইমান বৈ আছো। গুছি যাগৈ তই।”

ঃ “হয়নে!! যামগৈ কিন্তু একেবাৰে।”

ঃ “অ’ যাগৈ। কোনে ৰাখিছে তোক?”

ঃ “একেবাৰে তোক এৰি পৃথিৱীৰ পৰাই যামগৈ...।”

হেমন্তই তাইৰ মুখত সোপা দি খৰিলে।

ঃ “জীৱনত নক’বি এইষাৰ কথা। তই যোৱাৰ আগত মই যাম পৃথিৱীৰ পৰা।”

মায়াৰ চকু কেইটা চলচলীয়া হৈ পৰিল। তাৰ মুখত হাত দি ক’লে,

ঃ “নকওঁ কেতিয়াও। তইও নক’বি আৰু।”

দুয়োটা দুয়োটৰ মুখত হাত দি ৰৈ গ’ল। আৰু লাহে লাহে ওচৰ চাপি আহিল। হঠাতে মায়াই তাক লাজতে থেলা মাৰি দূৰলৈ গুছি গ’ল।

ঃ “মই যাওঁ।” বুলি তাই পিছলৈ খোজ ললেই।

হেমন্তই হাঁহিলে।

ঃ “যা যা। কাইলৈ আহিবি মাৰৰ লগত। সকাম আছে নহয় ঘৰত। তোক খাই থৈ দিম মই।” মায়াই আঁতৰৰ পৰা তাক

মাৰিবলৈ হাতখন দেখুৱালে।

পিছদিনা ৰাতিপুৱাই ৰেৱতী জীয়কক লৈ শইকীয়া মাষ্টৰৰ ঘৰ পালেগৈ। তাইক দেখি শইকীয়ানীয়ে হাততে সৰগ ঢুকি পোৱাদি পায়।

ঃ "আহিলি ৰেৱতী। আহ আহ। মায়া আহিলি মাজনী। যা তই হেমন্তৰ লগত লাগগৈ সিহঁতে দোলা বনাই আছে। আমাৰ মাইকী মানুহৰ মাজত ল'ছালিৰ কাম নাই।"

মায়াই উঠলৈ অহা হাঁহিটো পেটতে দমাই চিধাই বাৰীৰ পিছফাল পালেগৈ। হেমন্ত আৰু ওচৰৰে বৰুণে ক'লপাতৰ দোলা চিলাই আছিল। থিক দুয়োটাই নহয় অকল বৰুণেহে দোলা বান্ধি আছিল। হেমন্তই ওচৰতে কোঠাৰেৰে খৰি ফালি আছিল। বিশ বছৰীয়া সুঠাম ডেকা হেমন্তৰ কোঠাৰৰ ঘাপত সাৰ পাই উঠা পুৰুষসুলভ শৰীৰৰ প্ৰতিটো ভাজলৈ মায়াই ৰ'লাগি চাই ৰ'ল। তাইৰ এনেকুৱা অনুভৱ হ'ল যেন সেই মুহূৰ্ততে গৈ তাক দুই হাতেৰে সাৱটি ধৰিব। হঠাতে হেমন্তৰ তাইৰ ওপৰত চকু পৰিল। তাই লগে লগে তলমূৰ কৰিলে। গোলাপী আভা এটাই তাইৰ দুগালত ঢৌ খেলি গ'ল। তাইক দেখি মনৰ অৱস্থা হেমন্তৰ বুজিবলৈ বাকী নাথাকিল। তাৰ মুখত এটা দুষ্টালিৰ হাঁহি খেলি গ'ল।

ঃ "বৰুণ তই পাতবোৰ কাটি যা মই দোলাবোৰ বান্ধি যাম দে।" খপজপকৈ তাই লাজতে বৰুণৰ ওচৰতে হেমন্তলৈ পিঠি দি বহি ল'লে।

হেমন্তই খৰিৰ জাপ এটা আনি তাইৰ ওচৰতে থৈ লাহেকৈ কাণৰ কাষতে কৈ গ'ল, "তোক মই খাই থৈ দিম বুজিছ। গধূলি ইয়াতে লগ কৰিবি।" মায়াই আৰু তাৰলৈ নাচালে। লাজতে তলমূৰ কৰিয়েই বহি থাকিল।

দিনটো সৰু-সুৰা ব্যস্ততাৰ মাজেদিয়ে পাৰ হৈ গধূলি লাগিল। পূজাৰ বিধিও আৰম্ভ হ'ল। কিন্তু হেমন্ত আৰু মায়াৰ উতনুৱা মন দুটা বাৰীৰ পিছফাললৈ গৈ থাকিল। এপাকত সুবিধা বুজি হেমন্ত উঠি গ'ল মায়াক চকুৰে ইংগিত দি। প্ৰায় দহ মিনিট মানৰ পিছত সুবিধা বুজি তামোলৰ বাকলি পেলাই থৈ আহোঁ বুলি মায়াও তাৰ ওচৰ পালেগৈ। মায়াক দেখিয়ে হেমন্তই এক প্ৰকাৰ টানি নিয়াদি নি তাৰ বুকুৰ মাজত সোমোৱাই ল'লে। মায়াই একো তৰ্কিবই নোৱাৰিলে। অলপ সময় তাৰ কঠিন বাহু-বন্ধনৰ পৰা উলাবলৈ চেষ্টা কৰিলে যদিও নিজৰ প্ৰিয় পুৰুষজনৰ আলিংগনক তাই বাধা দিব নোৱাৰিলে। লাজুকী লতাৰ দৰে তাইও কুৰুকি তাৰ বুকুৰ মাজত সোমাই পৰিল।

ঃ "হে গোঁসাই ঈশ্বৰ!! কি কৰিছ তহঁতে এইবোৰ।" হঠাতে গাঁৱৰে বলিন খুড়াকৰ চিঞৰতহে সিহঁতৰ সম্বিত ঘূৰি আহিল। কিমান সময় সিহঁতে আলিংগন বদ্ধ হৈ আছিল খবৰে নাছিল এটাৰো। সেই পৰিস্থিতিত কোনে কি কৰিব বুজাৰ আগতেই বলিন খুড়াকে গৈ হৈ চৈ লগালে। মুহূৰ্ততে পূজাৰ ঘৰখন অগ্নিকুণ্ডলৈ ৰূপান্তৰিত হ'ল। এফালে কেও কিছু নোহোৱা দুবেলা ভাতমুঠিৰ চিন্তা কৰিবলগীয়া নিচ জাতিৰ বিধৱা ৰেৱতীৰ জীয়েক মায়া আৰু সিফালে উচ্চ জাতৰ শিক্ষকৰ পুতেক শিক্ষিত হেমন্তৰ মাজত প্ৰেম!! অসম্ভৱ!! গৰজি উঠিল ৰাইজ।

ঃ "এই দুখুনীয়ে ঘৰে ঘৰে খুজি মাগি জীয়েকক এইবোৰ শিকাইছে।"

ঃ "ইমানেই যদি টকা লাগে নুখুজিলি কেলৈ। জীয়েৰক বেছিবলৈ উলাইছ।" ইমানখিনি শুনাৰ পিছত ৰেৱতী ঠাইতে ঢলি পৰিল।

পিছদিনা পৰিস্থিতি শান্ত হ'ল। কিন্তু আচৰিতভাৱে মাকে তাইক একোৱেই নক'লে। তামোলতী মুখেৰে ফেলেকা হাঁহি মৰা ৰেৱতীৰ মুখৰপৰা তামোল, হাঁহি দুয়োটা গুছিল।

ঃ "মা তই মোক গালি দে অ' মা। এনেকৈ নমতাকৈ নাথাকিবি। মই তাৰলৈ আজিৰ পৰা ঘুৰিও নাচাওঁ। ঘৰৰ পৰাও নোলাও অ' মা। তই মোক মাত এবাৰ। দেউতা কি বুজিয়ে নাপালোঁ। তয়েই মোক চম্ভালি ললি। এতিয়া তোক দুখ দি মই মৰি নগ'লোঁ কিয়।" মাকৰ নীৰৱতাই দহি খোৱা মায়াই এদিন সাজোৰে বিনাই উঠিছিল। কিন্তু আচৰিত ধৰণে সেইদিনা নীৰৱতা ভাঙিছিল ৰেৱতীৰ।

ঃ 'তোক দোষ নিদো মই। তই যৌৱনৰ জুইত এটা ভুল কৰিলি। কিন্তু এই ভুলৰ প্ৰকোপৰ পৰা মই তোক কেনেকৈ বচাম অ' আই। তোক কেনেকৈ বচাম।" তাইক সাৱটি সেইদিনা ৰেৱতীয়ে হুৱাহুৰে কান্দিছিল। কিন্তু মায়াই সেইদিনা বুজি নাপালে কি প্ৰকোপৰ কথা মাকে কৈছিল। কিন্তু সেয়া বুজিবলৈও বেছিদিন নালাগিল। গাঁওখনত চাৰিওফালে তাই চৰিত্ৰহীনা,

পাপীষ্ঠ জাতীয় কথাৰে ভৰি পৰিল। মুঠতে সকলোৰে এটোই মত তাইক গাঁৱৰ পৰা খেদিব লাগে নহ'লে গাঁওখন শেষ হ'ব। সেইদিনাহে মায়াই বুজিলে এইচাম সেইসকল ভদ্রলোকে আছিল যি এমাদিমা তাইক লৈ জীৱন যুঁজত নামিপৰা ৰেৱতীৰ গাভৰু শৰীৰটো ভোগ কৰিবলৈ নাপাই আক্রোশ পুহি ৰাখিছিল। ৰেৱতী আৰু মায়াৰ গাঁওখনত জীয়াই থকা অসম্ভৱ হৈ পৰিল। মায়াই বুজি পালে যে এই সকলোবোৰৰ মূল তাই। তাই শেষ হ'লেই সকলো ঠিক হৈ যাব। নিজকে নিঃশেষ কৰাৰ এদিন মন বান্ধি ল'লে তাই। ভৰা কলঙত জাপ দিব তাই। সেইদিনা ৰাতি ভাত বনাই মাকৰ সৈতে খাই মাকক শুৱালে তাই। মাকৰ টোপনি যোৱাৰ পিছত ভৰি দুখন চুই হুৰাহুৰে কান্দিলে তাই।

ঃ "মোক ক্ষম কৰি দিবি মা। মই জীয়াই থাকিলে তইও শান্তিৰে থাকিব নোৱাৰিবি। মই মৰি যাওঁগৈ। পাৰিলে মোক ক্ষমা কৰিবি।" মাকক সেৱা কৰি হাতত সাৰে ভৰি সাৰে তাই উলাই আহিল। কলঙৰ পাৰত বৈ হেঁপাহ পলোৱাই কান্দিলে তাই। জাপ মাৰিবলৈ উদ্যত হওঁতেই পিছফালৰ পৰা কোনোবাই থাপ মাৰি ধৰিলে।

ঃ "কি কৰিছ তই।"

ঃ "হেমন্ত তই।"

আচৰিত হৈ চাই ৰ'ল তাই। কিন্তু পিছ মুহূর্ততে তাক থেলা মাৰি দিলে তাই।

ঃ "মোক মৰিব দে। মই জীয়াই থাকিলে কোনোৰে শান্তি নাপাই মৰি যাম।" হুৰাহুৰে কান্দি উঠিল তাই।

ঃ "পাগল হৈছ তই। ভাগ্যে এই ৰাতিখন এইফালে অহা দেখি বকুলে খবৰ দিলে মোক। তই মৰিলে মই কেনেকৈ জীয়াই থাকিম এবাৰ ভাবিছ।"

ঃ "কিয়!! সেইদিনাৰ পৰা জানো খবৰ ৰাখিছ আমি কেনেকৈ জীয়াই আছে।" খঙত তাইৰ মাতটো ডাঙৰকৈয়ে উলাল।

ঃ "ৰাখিছোঁ। সকলো খবৰ ৰাখিছোঁ। মাথো এটা সমাধান বিচাৰি আছিলোঁ।"

ঃ "পালি??" তাই খঙতেই সুধিলে।

ঃ "পালোঁ।"

ঃ "কি?"

ঃ "আমি পলাই যাম। আজিয়েই!! বহুত দূৰলৈ।"

ঃ "তই পাগল হৈছ।" আচৰিত হৈ চিঞৰি উঠিল মায়াই।

ঃ "অ' পাগল হৈছোঁ। ইমান দিনে পাগলেই হৈছোঁ। তোৰ পৰা আঁতৰি জীয়াই থাকিব নোৱাৰোঁ। মানুহে দুদিন হুলস্থুল কৰিব পিছত আমাক পাহৰিব। এনেও ঘৰত কেতিয়াও আদৰি নলয় আমাক। গতিকে আমি দুৰলৈ যামগৈ। ব'ল।" একপ্রকাৰ টানিলেই হাতত ধৰি তাইক।

ঃ "হেমন্ত!!! কি কৰ।"

ঃ " মই তোক সুধা নাই। কৈছো ব'ল। বলীন, বীৰেনহঁত বৈ আছে চ'কত।"

কিয় জানো মায়াই না ক'ব নোৱাৰিলে। সেইদিনা যি হাতত ধৰিলে হেমন্তৰ হাতত ধৰি গাঁওৰ বাহিৰলৈ নোলোৱা মায়া গুৱা হাটী মহানগৰ পালেগৈ। প্রথমেই সিহঁতৰ কামাখ্যাত বিয়া হ'ল। তাৰ পিছত হেমন্তৰ বন্ধু এজনে সৰুকৈ থকাৰ ব্যৱস্থা কৰি দিলে। কিন্তু আচল যুদ্ধ তাৰ পিছতহে আৰম্ভ হ'ল। হেমন্তৰ মাক-বাপেকে তাক ত্যাজ্যপুত্র কৰিলে। কিন্তু ৰেৱতীৰ হেৰুৱাবলৈ একোৱেই নাছিল। এদিন মাকৰ খবৰ লৈছিল তাই। কিন্তু ৰেৱতীয়ে মাত্র কৈছিল তাইৰ একো আক্ষেপ নাই কাৰো ওপৰত। মাকে আকৌ তামোল খোৱা আৰম্ভ কৰিছিল বুলি শুনিছিল তাই। লাহে লাহে ৰুগীয়া হৈ এদিন সংসাৰ ত্যাগ কৰিলে তামোলসেৱীয়া ফেলেকা হাঁহিৰ ৰেৱতীয়ে।

সিফালে হেমন্ত-মায়াৰ সংসাৰখন টানি আজুৰি চলি থাকিল। তাই ভবাতকৈ বহুত বেছি মৰমৰ মাজত ৰাখিছিল হেমন্তই তাইক। সি গাড়ী চলাইছিল। কলেজ গৈছিল যদিও পঢ়া সম্পূর্ণ নকৰা হেমন্তৰ একো উপায় নাছিল হাতত। হ'লেও সুখী আছিল দুয়ো দুয়োৰে লগত।

ঃ "মায়া অ'। আমি নগাঁও যাওগৈ ব'ল।" এদিন ৰাতি তাইৰ বুকুৰ মাজত সোমোৱাই কৈছিল হেমন্তই।

ঃ “নগাঁও গৈ কি কৰিবি।” আচৰিত হৈছিল তাই।

ঃ “তাতো গাড়ী চলাব পাৰিম। সুবিধা পাইছো আৰু গধুলি চিনেমা হ’লত টিকট বেচিম। গুৱাহাটীতকৈ খৰচ কমিব। তিনি বছৰ হ’ল বিয়াৰ। লাহে লাহে সংসাৰ বঢ়াব লাগিব নহয়।” সি হাঁহিছিল। কিন্তু দুখ লাগিছিল মায়াৰ। ধনী ঘৰৰ একমাত্র সন্তান হেমন্তই আজি তাইৰ কাৰণে কি কৰিব লগা হৈছে। প্ৰায় এক মাহ পিছত সিহঁত নগাঁওলৈ উভতিল। গাঁওলৈ যাবলৈ উপায়ে নাছিল। সেইবাবে টাউনতে ৰুম এটা ল’লে বস্তিৰ ফালে। হেমন্তই দিনত গাড়ী চলাই আৰু আবেলি চিনেমা হ’লত গৈ টিকট বেছে। মায়াইও ওচৰৰে মাইকী মানুহৰ লগ লাগি আচাৰ বনোৱা কামত লাগিল। সিহঁতৰ সংসাৰখন সুন্দৰকৈ চলি থাকিল।

ঃ “মায়া। কাইলৈ উলাবি তোক চিনেমা দেখুৱাবলৈ নিম।” হেমন্তৰ কথা শুনি তাইৰ মুখ মেল খাই থাকিল। জীৱনত টিভি দেখি নোপোৱা মায়াই চিনেমা চাব।

ঃ “ই আই। কি কথা কৰ তই। এইবোৰ ধনী মানুহৰ বস্তু। মই নাযাওঁ পাই লাজ লাগে। সবেই হাঁহিব।” জাপ মাৰি উঠিল তাই।

ঃ “কি যে কৰ তই। হেৰৌ মই সদায় তাত টিকট বেছোঁ। কাইলৈ যেনিবা তোক লৈ যাম সেইটোহে কথা।” হেমন্তৰ উৎসাহলৈকে চাই তাই হা ক’লে। যদিও ভিতৰি সমুলি ইচ্ছা নাছিল। চিনেমা নামহে শুনিছে। কি হয় বুজি একোৰেই নাপায়।

তাই উলইছিল পিছদিনা। লাজে লাজে হেমন্তৰ হাতত ধৰি গৈছিল তাই। আৰু বুকু ফিন্দাই গৈছিল হেমন্ত। চিনেমা হ’লত সোমাই ভয়তে জীৱ যোৱাৰ অৱস্থা হৈছিল তাইৰ। ইমান ডাঙৰ আকৃতিৰ মানুহ যে থাকে তাই ভবাই নাছিল। চকু জপায়েই তাই বেছি সময় পাৰ কৰিলে। শেষত জীৱনত কেতিয়াও নাহোঁ বুলি হ’লৰ পৰা উলাই আহিল।

ঃ “কি প্ৰকাণ্ড মানুহ ঔ। কপা আহি এইগাল!!” তাইৰ প্ৰশ্নত হাঁহি হাঁহি হেমন্তই বুজাই দিছিল সকলো।

ঃ “কি হে ভাই। আজি ব্লেক কৰা নাই নেকি?”

ঃ “নাই ভাই। আজি ৰেষ্ট। কাইলৈ পাবি।”

ঃ “অ’কে দোষ্ট।”

চিনেমা হ’লৰ বাহিৰত হেমন্তৰ কোনোবা চিনাকি মানুহ যে গম পালে মায়াই। কিন্তু কিয় জানো ভাল নালাগিল তাইৰ।

ঃ “ব্লেক মানে কি অ’?”

ঃ “মই যে টিকট বেছোঁ। সেইটো ব্লেক।”

ঃ “এটা কথা ক’চোন। যদি টিকট তইয়ে বেছ তেন্তে সৌ তাত বহি থকাটো কোন?” কাউণ্টাৰলৈ আঙুলিয়াই সুধিলে তাই।

ঃ “হাঃ হাঃ। কলিজাজনী অ’ তই নুবুজিবি এইবোৰ। ঘৰলৈ যাওঁ ব’ল।”

ঘৰ আহিও তাই শান্তি নাপালে। কিবা এটা ভাৱে খুন্দিয়াই থাকিল।

ৰাতি তাৰ বুকুৰ মাজত সোমাই আকৌ সুধিলে,

ঃ “কচোন ব্লেক মানে কি?”

ঃ “আকৰী। ব্লেক মানে ২ নম্বৰী টিকট অ’। আমাক উলিয়াই দিয়ে আমি বেছি দামত বেছোঁ।”

আৰু কিবাকিবি কৈছিল সি। কিন্তু তাইৰ কাণেদি নোসোমাল। “ ২ নম্বৰী” শব্দটোৱে তাইৰ কাণত শেলে বিন্ধাদি বিন্ধিলে।

ঃ “তই ২ নম্বৰী কাম কৰিছ।”

হেমন্ত মৌন হৈ ৰ’ল তাইৰ ৰূঢ় মাতত।

ঃ “একো নহয় অ’। ভাল লাগে জান টিকট টিকট চিঞৰি। মোৰ চাৰিওফআলে মানুহবোৰে ঘেৰি ধৰেহি।”

ঃ “কিন্তু ২ নম্বৰী কাম। নকৰিবি হেমন্ত। মই দুবেলা নাখাই থাকিম কিন্তু তই এইটো কাম নকৰিবি।”

ঃ “কিন্তু মায়া।”

হঠাতে তাই মূৰ ঘূৰাই পৰি গ’ল।

ঃ “মায়া!!! মায়া।”

মুহূৰ্ততে হুৰাদুৰা লাগিল বস্তিত। কিন্তু সেই হুৰাদুৰাই পিছদিনা তালৈ এটা ভাল খবৰ আনিলে। সি বাপেক হ’বলৈ উলাইছে। গোটেই বস্তিত স্ফুৰ্তিৰ ঢৌ বিয়পিল। কিন্তু মায়াৰ মুখত সেমেকা হাঁহিয়ে থাকিল।

ঃ “তোৰ কি হৈছে অ’ মায়া। মা হবি তই। মই দেউতা হ’ম। কিমান সুখ। ছোৱালী এজনী পালে মোক একোৱে নালাগে। তই মন মাৰি কিয় আছ নো??” তাইৰ হাতখন নিজৰ হাতত লৈ কৈ গ’ল সি।

ঃ “তোক ক’লে তই মানিবি?”

ঃ “কৈ চা চোন। এতিয়াও সন্দেহ আছেনে?”

ঃ “তই ব্লেক কৰা বন্ধ কৰ। টিকট বেছা বন্ধ কৰ।”

হাতখন এৰ খাই গ’ল তাৰ। কিন্তু পিছ মুহূৰ্ততে কৈ উঠিল,

ঃ “যদি এইটোৱে তোৰ দুখৰ কাৰণ তেন্তে আৰু নকৰো মই ব্লেক। বেলেগ কাম বিচাৰি ল’ম হ’ব??”

মায়াৰ মুখত বহু দিনৰ মূৰত ৰেৱতীৰ দৰে তামোলসেৰীয়া ফেলেকা হাঁহিটো বিয়পি গ’ল।

ঃ “কিন্তু আজি শেষবাৰৰ বাবে মোক যাব দে। মই সকলো হিচাপ শেষ কৰি আহিম।”

তাৰ মুখলৈ চাই মায়াই সন্মতিৰে হাঁহিলে।

দুপৰীয়া নিজ হাতেৰে তাৰ প্ৰিয় সৰু মাছৰ টেঙা জোলেৰে ভাত খুৱাই পঠিয়ালে মায়াই।

ঃ “মই সোনকালে আহিম। তই ভালকৈ থাকিবি।”

তাইৰ কপালত চুমা এটা খাই উলাই গ’ল সি।

আবেলি ঠিক ৪ বজাত এক প্ৰচণ্ড শব্দত গোটেই বস্তিলৈকে কঁপি উঠিল। মায়াৰ বুকুখন চিৰিংকৈ মাৰিলে। সকলো উলাই আহিল বাহিৰলৈ। কোনোবা এটাই চিঞৰি গ’ল,

ঃ “চিনেমা হ’লত ব’ম ফুটিল। বহুত জখমি হৈছে।”

মায়াৰ ভৰিৰ তলৰ মাটি হেৰাই গ’ল। তাইৰ ভৰি দুখন ক্ৰমান্বয়ে চিনেমা হ’লৰ ফালে দ্ৰুত গতিত আগুৱালে।

ঃ “মায়া তই নাযাবি। বাচ্চাটোৱে কষ্ট পাব।”

কিন্তু মায়াৰ চকুৰ আগত হেমন্তৰ বাদে একাৱেই নাহিল। গোটেই হ’লৰ চাৰিওফালে হৈ-চৈ, মানুহৰ দৌৰা-দৌৰি। কিম্ভুতকিমাকাৰ ৰূপ লৈছে কিছুমান মানুহৰ। লগতে চাৰিওফালে জুই। তাইৰ হলহলাই বমি হৈ গ’ল। ঢলি পৰিব ধৰোতেই কোনোবা এটাই থপিয়াই ধৰিলে।

ঃ “ভাবি!! ভাৰি!! হেমন্ত হস্পিতেচল মে হে।” কেনেকৈ গৈ তাই হস্পিতেল পালেগৈ, কোনে নিলে তাইৰ একো মনত নাই। মাত্ৰ তাইৰ চকুৰ সন্মুখত দেখিলে হেমন্তৰ এটা নিথৰ শৰীৰ। যেন গভীৰ প্ৰশান্তিত সি শুই আছে।

ঃ “হেমন্ত!! হেমন্ত উঠ তই। কিয় এনেকুৱা কৰিছ উঠ মোৰ ভয় লাগিছে।” গগণ বিদাৰি চিঞৰিলে তাই কিন্তু হেমন্ত নুঠিল। তাইৰ চিঞৰ হস্পিতালৰ বহুত চিঞৰৰ মাজত হেৰাই গ’ল।

তাৰ পিছৰ পৰা মায়াক সুস্থ অৱস্থাত কোনেও দেখা নাপালে। সন্তানটোও গৰ্ভতে নষ্ট হ’ল। প্ৰায় এমাহ মানৰ পিছত তাই সম্পূৰ্ণৰূপে মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। কোনোবাদিনা হিয়া ধাকুৰি কান্দে আৰু কোনোবাদিনা হাঁহে। প্ৰায়ে হাতত এসোপামান কাগজ লৈ তাই চিনেমাহ’লৰ ওচৰে-পাজৰে ঘূৰি ফুৰে আৰু চিঞৰি ফুৰে,

ঃ “টিকট টিকট!!”

তাৰ পিছত খিলখিলাই হাঁহি দিয়ে। সময়ৰ সোঁতত তাইৰ আচল নাম হেৰাই গ’ল। আৰু মানুহৰ মাজত চিন ৰ’ল এজনী ‘টিকেট পাগলী” বুলি।

(৩)

মৌন হৈ ৰ’ল তনিষ্ঠা। গোটেই কথাখিনি শুনি তনিষ্ঠাৰ চকুৰে জুই উলাবলৈ ধৰিলে। ইমান দুখ কোনোবাই সহিব পাৰেনে!! আৰু তেনেকুৱা এজনী মানসিক ভাৰসাম্যবিহীন মানুহক কোনোবাই বলাৎকাৰ কৰিলে!! চিঃ তাইৰ নিজৰেই ঘৃণা উপজিল। মানুহৰ নামত কিছুমান পশুহে জীয়াই আছেগৈ। কেনেকৈ ইমান তললৈ নামে মানুহ!! কোন সতে ৰাস্তাৰ কাষত

পৰি থকা শৰীৰ এটা নাৰী হ'ল বুলিয়ে মুচৰি নিব পাৰিলে এটা দানৱে।

ঃ "মাজনী! এইবোৰ ভাবি নাথাকিবা। ব'লা কিবা এটা খাই লোৱা।" শাহুৰেকক শলাগি থ'লে যদিও তাইৰ পেটৰ ভোক কাহানিবাই মৰিল। তনিষ্ঠাই সিদ্ধান্ত ল'লে আৰু দেৰি হোৱাৰ আগতেই তাই মায়াক আৰু কেঁচুৱাটোক তাবলৈ যাব পিছদিনা।

ভাৰ্গৱৰ আহি পোৱাৰ পিছত তাক সবিশেষ বিৱৰি ক'লে তাই।

ঃ "তানি!! এইবোৰ কেচকালত নোসোমোৱাই ভাল নেকি! এনেও পুলিচ কেছ এইটো।"

ঃ "মইনো কেতিয়া তাইক আনিম কৈছো। কিন্তু বেবীজনীক আৰু তাইক এবাৰ চালে কি হ'বনো। যদি কিবা কৰিব পাৰোঁ আমি।"

তনিষ্ঠাৰ আকুলতা দেখি ভাৰ্গৱে কথা নবঢ়ালে আৰু পিছদিনা তাইক লৈ চিভিল পালেগৈ সি।

ঃ "এক্সকিউজ মি! কালি যে কেছটো হৈছিল মায়া আৰু বেবীটো ক'ত আছে বাৰু?"

তনিষ্ঠাই চিধাই গৈ ৰিচেপচনিষ্টক সুধিলেগৈ। কিন্তু ৰিচপচনিষ্ট জনীয়ে তাইলৈ ভেবা লাগি চাই থাকিল।

ঃ "কি কেছ মেম?? কোন মায়া বুজা নাই। আমাৰ এণ্ট্ৰিত মায়া নামৰ লেডী কোনো নাই।"

পৰিস্থিতি বুজি ভাৰ্গৱে ক'লে,

ঃ "এওঁ কালি পাগলীজনীৰ কেছটোৰ কথা কৈছে।"

ঃ "অ' টিকেট পাগলী!! মেম তাই মৰিল নহয় অলপ আগত বহুত ব্লাড গৈছিল তাইৰ দেৰি হৈ গ'ল। বডিটো নিয়াই নাই। বেবীজনীলৈহে বেয়া লাগে। ৰুম নং ৮২ ত আছে এতিয়াও।"

অত্যন্ত সাধাৰণভাৱে কথাখিনি ক'লে ৰিচেপচনিষ্টজনীয়ে। কিন্তু তনিষ্ঠাৰ চকুৰেদি এবুকু বিষাদ উজাই আহিল। চকু দুটা মুদি দিলে তাই। হঠাতে তাইৰ মৃত্যুৰ দোৱাৰদলিলৈ থেলি দিয়া পাষণ্ডটোলৈ এসোপা ঘীণ উজাই আহিল। উকলি পেলালে তাই। ভাৰ্গৱে মাথো তাইক সাৱটি ধৰি থাকিল।

ঃ "ব'লা তানি। বেবীজনী চাই আহিবা তুমি।" নাৰ্চজনীৰ পৰা ছোৱালীজনী কোচত ল'লে তাই। একে গোলাপৰ পাপৰিৰ দৰে ধুনীয়া ছোৱালীজনী।

যন্ত্ৰচালিতভাৱে তাই আগবাঢ়িল ৰুম নং ৮২ লৈ। বহুত মানুহ আছিল তাত। কাপোৰ এখনেৰে ঢাকি থৈছিল মায়াক। কাষতে নাৰ্চ এজনীয়ে ফিদ কৰাই আছিল বেবীজনীক। গগণফলা চিঞৰত তাই বাৰে বাৰে বটলটো চুপিব বিচৰা নাছিল। মায়ালৈ চালে তনিষ্ঠাই। পকা জধলা চুলিৰে এজনী ৪০-৪২ বছৰীয়া মহিলা। বয়সৰ চাপত ৫০-৬০ যেন লাগিছে। মুখৰ গঢ় সঁচাকৈ ধুনীয়া। চকু কেইটা মুদ খাই আছিল যদিও মুখত শাহুৰেকে মাক ৰেৱতীৰ বৰ্ণনা দিয়াৰ দৰে ফেলেকা হাঁহি এটা লাগি আছিল। হয়তো তাইৰ ভাৰসাম্যহীন মনটোৱেও বুজিছিল মাতৃত্বৰ গৌৰৱ। তাই কাপোৰখনেৰে মুখখন ঢাকি দিলে।

ঃ "কি যে হ'ব ছোৱালীজনীৰ!!" তেতিয়াহে মানুহৰ কথোপকথন তাইৰ কাণত পৰিল।

লগতে কেঁচুৱাজনীৰ চিঞৰো কাণত পৰিল। তাইৰ মমতাৰ উত্তাপত ছোৱালীজনী নিতাল মাৰিলে। বটলৰ পৰা গাখীৰো খালে। সকলো মানুহ আচৰিত হ'ল।

ঃ "আপুনিহে পাৰিলে তাইক শান্ত কৰিব।"

ঃ "কিন্তু কি হ'ব ছোৱালীজনীৰ এতিয়া অনাথ আশ্ৰমৰ মানুহ আহিব লাগিছিল।" মানুহৰ মুখত "অনাথ আশ্ৰম" শব্দটো শুনি তাইৰ বুকুখন চিৰিংকৈ মাৰিলে।

ঃ "অনাথ আশ্ৰমত কিয়?"

ঃ "নহ'লে আৰু কোনে ৰাখিব বাইদেউ। তাৰপৰা কোনোবাই তুলি ল'লে ল'ব আৰু। কিন্তু পিতৃ পৰিচয়হীন আৰু মাক পাগলী কোনে তুলিব তাইক। দুখতে ডাঙৰ হ'ব তাই।" নাৰ্চ এজনীয়ে কোৱা কথাকেইটাই তাইৰ বুকুত বিন্ধি গ'ল। ভাৰ্গৱলৈ চালে তাই। হঠাতে চকুৰেই দুয়োটাই সিদ্ধান্ত লৈ পেলালে।

ঃ "আমি তুলিম তাইক। কি ফৰ্মেলিটী আছে কওঁক।" ভাৰ্গৱৰ মাতত গোটেই ৰুম নং ৮২ কাহ পৰি জীণ গ'ল। তনিষ্ঠাই মাথোঁ তালৈ চাই থাকিল।

ঃ “এইটো লিগেল প্ৰচেচ মে’ম। পুলিচ ভেৰিফিকেচন হ’ব। তাৰ পিছত CARA ৰ পৰা ভেৰিফিকেচন হোৱাৰ পিছতহে আপুনি নিব পাৰিব। অৱশ্যে তেতিয়ালে চোৱাচিতাৰ দায়িত্ব ল’ব পাৰিব।” সিহঁতৰ কথা শুনি পুলিচ এজন আগুৱাই আহিল।

ঃ “থিক আছে। আমি সাজু আছো।” ভাৰ্গৱে কৈ উঠিল।

ঃ “কিন্তু আজি নিব নোৱাৰিব। বেবীৰ ট্ৰিটমেণ্ট বাকী আছে। আমি কাইলৈ হেণ্ডঅভাৰ কৰিম।” ফৰ্মেলিটীখিনি কৰি থৈ তনিষ্ঠা আৰু ভাৰ্গৱ ঘৰলৈ উভতিল।

ঃ “ভাৰ্গৱ!!”

ঃ “চিন্তা নকৰিবা। ঘৰত মই বুজাম।” তাই কি ক’ব বিচাৰিছিল ভালকৈয়ে বুজিছিল সি।

প্ৰথমে ভাৰ্গৱ আৰু তনিষ্ঠাৰ মাক-দেউতাহঁতে আপত্তি কৰিছিল যদিও পিছলৈ মানি ল’লে। ৰেয়াঙ্গৰ স্ফুৰ্তি কবই নালাগে ভনীয়েক এজনী পাব বুলি শুনি। পিছদিনা সিহঁত সকলো হস্পিতাল পালেগৈ। সকলো ফৰ্মেলিটী শেষ হোৱাত বেবীজনীক তনিষ্ঠাৰ হাতত দিলে। দেউতাকহঁতে সকলোকে মিঠাই খোৱালে।

ঃ “বাই দি ৱে ম’ম। ছোৱালীজনীৰ মান কি ৰাখিবা?”

ঃ “ভাবিলোঁ।”

ঃ “কি কোৱাচোন।”

ঃ “মাহায়া।”

ঃ “ৱাও। বিউটিফুল নেম মাম্মা। হাই মাহায়া বেবী।”

সিহঁতৰ কথা শুনি থকা ৰেয়াঙ্গে ভনীয়েকৰ হাততে চুমা এটা খাই দিলে। সকলোৱে হাঁহিলে তাৰ কাণ্ড দেখি।

টেপনীতে ছোৱালীজনীয়ে তাৰ হাতখনত ধৰি ফেলেককৈ হাঁহি দিলে। ঠিক মাকৰ নিচিনাকৈ।

*মূল গল্পৰ নাম- বড়ে ভাইচাহাব*
*অনুবাদ- বিদিশা দত্ত*
*(মূল লেখকৰ পৰিচয় - মুংশী প্ৰেমচন্দ। প্ৰকৃত নাম - ধনপত ৰায়। প্ৰেমচন্দৰ জন্ম হৈছিল ১৮৮০ চনৰ ৩১ জুলাইত বেনাৰসৰ নিকটৱৰ্তী লমহী নামৰ এখন গাঁৱত। এক নিম্ন মধ্যবিত্ত পৰিয়ালৰ সন্তান হোৱা হেতুকে অভাৱ - অভিযোগে জুৰুলা কৰা মানুহৰ ৰূপটো তেখেতে গভীৰভাৱে প্ৰত্যক্ষ কৰিছিল আৰু সাহিত্য জগতত নিজকে অৰ্পণ কৰিছিল। বহুতো উপাধিৰে বিভূষিত কৰা এইজন মহান সাহিত্যিকে ১৯৩৬ চনৰ ৮ অক্টোবৰত ইহলীলা সম্বৰণ কৰে।)*

# ককাইদেউ

**বিদিশা দত্ত**

(১)

মোৰ ককাইদেউ বয়সে মোতকৈ পাচঁ বছৰ ডাঙৰ; কিন্তু পঢ়াৰ ক্ষেত্ৰত তিনি শ্ৰেণীহে মোতকৈ আগত আছিল। মই যি বয়সত বিদ্যাৰম্ভ কৰিছিলোঁ, তেওঁৰো একে বয়সতে বিদ্যাৰম্ভ হৈছিল। কিন্তু শিক্ষাৰ দৰে মহত্বপূৰ্ণ ক্ষেত্ৰত লৰালৰিকৈ কাম সমাধা কৰাটো তেওঁ পচন্দ কৰা নাছিল। শিক্ষা নামৰ ভৰনটোৰ ভেটিটো তেওঁ খুব মজবুতকৈ গঢ়িব বিচাৰিছিল, যাতে তাৰ ওপৰত নিৰ্মান কৰা সৌধটি খুব শক্তিশালী হয়। সেয়েহে আনে এবছৰত সম্পন্ন কৰিব পৰা কামটো কৰোঁতে তেওঁৰ দুই-তিনি বছৰ লাগিছিল। ককাইদেউৰ মতে, ঘৰৰ বুনিয়াদটোয়েই যদি মজবুত নহয়, ঘৰটোনো কেনেকৈ মজবুত হব?

মই নবছৰীয়া হওঁতে ককাইদেউ চৈধ্য বছৰীয়া হৈছিল। যিহেতু মই তেওঁতকৈ সৰু আছিলোঁ, মোৰ প্ৰতিটো কামৰ তদাৰক কৰাটো তেওঁৰ জন্মস্বত্ব অধিকাৰ আছিল। তেওঁৰ প্ৰতিটো আদেশক মই আইন ৰূপে গণ্য কৰাটো তেওঁ কামনা কৰিছিল।

ককাইদেউ খুব অধ্যয়নশীল স্বভাৱৰ আছিল। সন্মুখত খোলা কিতাপ এখন লৈ বহি থকা অৱস্থাতে তেওঁক প্ৰায়ে দেখা গৈছিল। কেতিয়াবা সম্ভৱতঃ মগজুটোক আৰাম দিবৰ বাবেই বহীৰ পাতত চৰাই, কুকুৰ, মেকুৰী আদিৰ চিত্ৰ অংকন কৰিছিল। কেতিয়াবা একেটা শব্দ অথবা বাক্যকে দহ বিশবাৰমান লিখিছিল। কেতিয়াবা আকৌ কোনো কবিতাৰ পংক্তি একোটা সুন্দৰ আখৰেৰে কেইবাবাৰো লিখি পেলাইছিল। কেতিয়াবা এনে একোটা নতুন শব্দ ৰচনা কৰিছিল, যাৰ অৰ্থ বুজি পোৱাতো দুৰূহ আছিল। তেনে দুৰ্বোধ্য শব্দ কিছুমানৰ অৰ্থ বাহিৰ কৰিবলৈ মই চেষ্টা নকৰা নহয়। কিন্তু প্ৰতিবাৰেই মই বিফল হৈছিলোঁ আৰু ককাইদেউক সুধিবলৈয়ো মোৰ সাহে নুকুলাইছিল। তেতিয়া মই পঞ্চম শ্ৰেণীৰ আছিলোঁ আৰু তেওঁ আছিল নৱম শ্ৰেণীৰ।তেওঁৰ ৰচনাসমূহৰ গূঢ়াৰ্থ বিচৰাটো মোৰ বাবে বাওনা হৈ চন্দ্ৰলৈ হাত মেলা সদৃশ আছিল।

দীৰ্ঘ সময়ৰ বাবে পঢ়া টেবুলত বহি থকা কামটো মোৰ বাবে মুঠেও সম্ভৱ নাছিল। আনকি এঘণ্টাৰ বাবেও কিতাপত মূৰ গুঁজি থকাটো মোৰ বাবে পাহাৰ ভঙা সদৃশ কঠিন আছিল। সুযোগ পালেই মই ছাত্ৰাবাসৰ পৰা ওলাই আহিছিলোঁ আৰু চিলা উৰুৱা, কাগজৰ পখিলা বনাই উৰুৱা আদি খেলত মগ্ন হৈছিলোঁ। কোনো লগৰীয়াক লগ পালে সুধিছিলোঁ চৌহদৰ সীমাৰ বেৰত বগাই উঠি পাইছেনে নাই...উঠিবলৈ মন যায় নে নাযায় ইত্যাদি। কিন্তু কোঠালৈ অহাৰ লগে লগে ককাইদেউৰ ৰূদ্ৰমূৰ্তি দেখি ভয়তে মোৰ অণ্ঠকণ্ঠ শুকাই গৈছিল।তেওঁৰ প্ৰথম প্ৰশ্নটো আছিল- ‘‘ইমান পৰে ক’ত আছিলাগৈ?‘‘

এই প্ৰশ্নটো তেওঁ সদায়েই এনে কঠোৰ স্বৰত কৰিছিল যে মই মৌন হৈ থাকিবলৈ বাধ্য হৈছিলোঁ। ভয়ত এনেদৰে কম্পমান হৈ পৰিছিলোঁ যে ‘‘অলপ সময়ৰ বাবে বাহিৰত খেলিবলৈ গৈছিলোঁ’’ বোলা বাক্যশাৰীয়ে মোৰ মুখৰ পৰা ওলাবলৈ

বাট বিচাৰি পোৱা নাছিল। মোৰ মৌনতাই কৈ দিছিল যে মই সচাঁকৈয়ে অপৰাধ কৰিছোঁ আৰু ককাইদেউৰ গালি শপনি, তিৰস্কাৰ সকলোবোৰ নিৰবে শুনি থকাৰ বাদে মোৰ অন্য উপায় নাছিল।

"ইংৰাজী কিমান টান বিষয় জানানে? এনেকৈ ইংৰাজী পঢ়িবলৈ হ'লে সমগ্ৰ জীৱন ইংৰাজী পঢ়িও এটা শুদ্ধ বাক্য লিখিবলৈ সক্ষম নহ'বা। ইংৰাজী কোনো হাঁহি - ধেমালিৰ মাজেৰে শিকিব পৰা বস্তু নহয়। হোৱা হ'লে সকলো নৰমনিচেই একোজন ইংৰাজীৰ বিদ্বান পণ্ডিত হ'ল হয়। ইংৰাজী ভালকৈ শিকিবলৈ হ'লে দিন-ৰাতি একাকাৰ কৰি পৰিশ্ৰম কৰিব লাগিব।বহুতো জ্ঞানী গুণী ব্যক্তিয়েও শুদ্ধকৈ ইংৰাজী লিখিব নোৱাৰে, শুদ্ধকৈ ক'ব পৰাটো দূৰৰ কথা। তুমি নিজকে চোৱা, তুমি ইমানেই অজ্ঞানী যে মোৰ পৰাও শিক্ষা নোলোৱা। তুমি নিজ চকুৰে দেখি থাকা মই কিমান কষ্ট কৰোঁ। যদিহে দেখা পোৱা নাই, তেন্তে সেয়া তোমাৰ চকুৰ দোষ, তোমাৰ বুদ্ধিৰ দোষ। ক্ৰিকেট আৰু হকী মেছ প্ৰায় সদায়েই হৈ থাকে, মই চাবলৈ যোৱাও কেতিয়াবা দেখিছানে? মইতো অহৰহ পঢ়াতে ব্যস্ত থাকোঁ, তাকো এটা শ্ৰেণীত দুই - তিনিবছৰকৈ। তুমি খুব ভালদৰে পাছ কৰিবা বুলি ভাবি আছা নেকি? মই একেটা শ্ৰেণীতে দুই - তিনিবছৰহে থাকোঁ, তুমি দেখিছো গোটেই জীৱন একেটা শ্ৰেণীত থাকিব লাগিব। এনেকৈ খেল ধেমালি কৰি সময় পাৰ কৰাটোৱেই যদি তোমাৰ উদ্দেশ্য, তেন্তে তুমি ঘৰলৈ যোৱাগৈ আৰু টাংগুটি খেলিয়েই জীৱনটো কটাই দিয়া। দেউতাৰ কষ্টৰ ধনকেইটা কিয় বৰবাদ কৰিব লাগে?"

এনেবোৰ তিৰস্কাৰ শুনাৰ পিছত মোৰ ঢাৰাসাৰে চকুপানী ওলাবলৈ ধৰে। অপৰাধটো মই কৰিলোঁৱেই, উত্তৰ দিবলৈকে বাকী ৰ'লনো কি?

ককাইদেউ উপদেশ দিয়াত বৰ পাৰদৰ্শী আছিল।তেওঁৰ তীক্ষ্ণ বাক্যবাণসমূহে মোৰ হিয়াখন ভাঙি তেনেই চুৰমাৰ কৰি দিছিল।তেওঁৰ দৰে কঠোৰ পৰিশ্ৰম কৰাৰ শক্তি মই নিজৰ মাজত বিচাৰি চলাথ কৰি নিৰাশ হৈছিলোঁ। বিমৰিষ মনেৰে ভাবিছিলোঁ, "মই ঘৰলৈ গুচি যোৱাটোকে উচিত হ'ব নেকি! যিটো মোৰ সামৰ্থ্যৰ বাহিৰত, তালৈ হাত মেলাটো মূৰ্খামিৰ বাদে আন একো নহয়। ঘণ্টাৰ পিছত ঘন্টা পঢ়া টেবুলত বহি থকাটো মোৰ বাবে অসম্ভৱ।"

কিন্তু মনৰ সেই ভাবনাৰ ম্যাদ খন্তেকীয়া।অলপ পৰৰ পাছতে বিমৰ্ষতাৰ ডাৱৰ পলাই ফাট মাৰে আৰু নতুন আশাৰ ৰেঙণিয়ে মনটো ভৰাই তোলে। ভাবোঁ যে এতিয়াৰ পৰা মই খুব ভালদৰে পঢ়িম। তৎক্ষণাত এখন সময় তালিকা তৈয়াৰ কৰাত লাগি যাওঁ। তালিকাখনত খেল ধেমালিৰ বিষয়টো সম্পূৰ্ণৰূপে উপেক্ষিত হৈ পৰে। পুৱা সোনকালে উঠি মুখ হাত ধুই জলপান খাই ছয় বজাত পঢ়া টেবুলত বহা, ছয় বজাৰ পৰা আঠ বজালৈ ইংৰাজী, আঠৰ পৰা ন বজালৈ গণিত, নৰ পৰা চাৰে ন বজালৈ বুৰঞ্জী, তাৰ পাছৰ আহাৰ গ্ৰহণ কৰি স্কুল।চাৰে তিনি বজাত স্কুলৰ পৰা আহি আধা ঘণ্টা বিশ্ৰাম, চাৰিৰ পৰা পাঁচ বজালৈ ভূগোল,পাঁচৰ পৰা ছয় বজালৈ ব্যাকৰণ, আধাঘন্টা ছাত্ৰাবাসৰ প্ৰাংগনত খোজ কঢ়া, চাৰে ছয়ৰ পৰা সাত বজালৈ ইংৰাজী কম্পজিচন..ৰাতিৰ আহাৰ গ্ৰহণ কৰি আঠৰ পৰা ন বজালৈ অনুবাদ, নৰ পৰা দহ বজালৈ হিন্দী, দহৰ পৰা এঘাৰ বজালৈ অন্যান্য বিষয় আৰু তাৰ পাছত বিশ্ৰাম।

কিন্তু সময় তালিকা এখন প্ৰস্তুত কৰা আৰু সেইখন অনুসৰণ কৰি চলা.... এই দুয়োৰে মাজত পাৰ্থক্য আছে।

জন্ম গ্ৰহণ কৰা দিনটোৰ পৰাই তালিকাখন অৱহেলিত হবলৈ ধৰে। খেল পথাৰৰ সেই সেউজীয়া ঘাঁহনিখন, ৰিব ৰিবকৈ বলি থকা মৃদু বতাহজাক, ল'ৰাবোৰৰ ভৰিৰ আগত উমলি থকা ফুটবলটো, কাবাডী খেলৰ সেই উন্মাদনা,বতাহত নাচি বাগি থকা চিলাখন - এইবোৰত নিহিত হৈ থকা অজান শক্তিটোৱে কেতিয়ানো মোক কোঠাৰ পৰা বাহিৰলৈ টানি আনে মই গমকে নাপাওঁ। কোৱা বাহুল্য যে বাহিৰলৈ ওলাই অহাৰ লগে লগে সেই ভয়ানক তালিকাখন আৰু সেই বিৰক্তিকৰ কিতাপবোৰৰ কথা মই সমূলি পাহৰি পেলাওঁ। ফলস্বৰূপে ককাইদেৱে পুনৰ গালি শপনি, তিৰস্কাৰেৰে মোক থকা সৰকা কৰাৰ সুযোগ এটা লাভ কৰে। মই যিমান পাৰোঁ তেওঁৰ ছাঁ টোৰ পৰাও লুকাই থাকিবলৈ চেষ্টা কৰোঁ। সামান্যতম শব্দও নোহোৱাকৈ অতি সন্তৰ্পনে কোঠালৈ সোমাই আহোঁ। চোকা ধাৰাল তৰোৱাল এখন যেন মোৰ মূৰৰ ওপৰত উলমি আছে, তেনে এটা ভাৰ হয়।

হাজাৰ অসুখ - অশান্তিয়ে পীড়িত কৰাৰ পাছতো মানুহে যিদৰে জীয়াই থকাৰ মোহ পৰিত্যাগ কৰিব নোৱাৰে, সেইদৰে ময়ো ককাইদেউৰ অপাৰ ককৰ্থনাৰ পাছতো খেলা ধূলা কৰাটো ত্যাগ কৰিব নোৱাৰিলোঁ।

(২)

স্কুলৰ বছেৰেকীয়া পৰীক্ষা হৈ গল। ককাইদেউ ফেইল হ'ল আৰু মই শ্ৰেণীৰ ভিতৰত প্ৰথম হৈ পাছ কৰিলোঁ। ককাইদেউ আৰু মোৰ মাজত এতিয়া কেৱল দুটা শ্ৰেণীৰ অন্তৰ। ককাইদেউক জেৰা কৰাৰ তীব্ৰ ইচ্ছা এটা জাগি উঠিল - "আপোনাৰ ঘোৰ তপস্যা কিয় অথলে গ'ল ? মোলৈ চাওঁকচোন, মই খেলা - ধূলা কৰিও দেখোন প্ৰথম হৈ পাছ কৰিলোঁ।"

কিন্তু ককাইদেউ ইমান দুঃখী আৰু উদাস মনেৰে বহি আছিল যে তেওঁৰ কটা ঘাঁটুকুৰাত নিমখ চটিয়াই দিয়াৰ কথা ভবাটোও পাপ যেন অনুভৱ হ'ল।

হয়, তেওঁলৈ মোৰ বেয়া লাগিছিল; কিন্তু এই ভাবি ভালো লাগিছিল যে এতিয়া আৰু মোৰ ওপৰত হুকুম চলোৱাৰ তেওঁৰ কোনো অধিকাৰ নাই।

গতিকে আগতকৈও মন - প্ৰাণ খুলি মই খেলা - ধূলাত মগ্ন হবলৈ ধৰিলোঁ। মনস্থ কৰিলোঁ, ককাইদেৱে যদি পুনৰ মোক তিৰস্কাৰ কৰিবলৈ ধৰে, মই স্পষ্টকৈ কৈ দিম - "আপুনি কঠোৰ পৰিশ্ৰম কৰাৰ পাছতো কিয় পাছ কৰিব নোৱাৰিলে ? মই দেখোন খেলা - ধূলা কৰিও ভালকৈ পাছ কৰিলো !"

যদিও বা ককাইদেউক টান সুৰেৰে কথা কোৱাটো মোৰ বাবে কোনোকালেই সম্ভৱ হৈ নুঠিল, তথাপি মোৰ চাল - চলন দেখি ককাইদেৱে সহজেই বুজি উঠিছিল যে তেওঁৰ প্ৰতি থকা ভয় মোৰ মনৰ পৰা সমূলঞ্চে নোহোৱা হৈ গৈছে।

এদিন পুৱাৰবেলা মই টাংগুটি খেলি আহাৰ খোৱাৰ সময়ৰ ঠিক আগে আগে কোঠাত সোমাইছিলোঁগৈ। ককাইদেউৰ তিৰস্কাৰৰ বৰ্ষণ আৰম্ভ হৈ গ'ল - "এই বছৰ পাছ কৰিলা, তাকো প্ৰথম হৈ, তুমিতো এজন পণ্ডিত হৈ গ'লা নহয়নে ? কিন্তু মোৰ ভাই, তুমি পাহৰি গৈছা যে অহংকাৰেই পতনৰ মূল। বুৰঞ্জীত নিশ্চয় পঢ়িছা ৰাৱণৰ অৱস্থা কি হৈছিল।তেওঁৰ চৰিত্ৰৰ পৰা কি শিক্ষা ল'লা ? নে এনেয়ে পঢ়িব লাগে বাবে পঢ়িলা ? কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাটো মূল কথা নহয়; প্ৰকৃত কথা হৈছে বুদ্ধিৰ বিকাশ। কিতাপৰ প্ৰতিটো পাঠে দিয়া উপদেশসমূহক গুৰুত্ব দিবা। ৰাৱণ সমগ্ৰ ভূ - মণ্ডলৰ স্বামী আছিল।এনে একোজন ৰজাক চক্ৰৱৰ্তী আখ্যা দিয়া হৈছিল।ইংৰাজসকলেও নিজ ৰাজ্যৰ পৰিসৰ বিস্তাৰ কৰি গৈ আছে, সেইবুলি তেওঁলোকে চক্ৰৱৰ্তী আখ্যা নাপায়। এতিয়াও বহু ৰাষ্ট্ৰই ইংৰাজৰ বশ্যতা স্বীকাৰ নকৰে, স্বাধীন হৈ থাকিবলৈ বিচাৰে। ৰাৱণ এজন চক্ৰৱৰ্তী ৰজা আছিল। কিমানজন দেৱতা যে তেওঁৰ দাস হৈ আছিল ! আনকি অগ্নি আৰু জল দেৱতাও ৰাৱণৰ গোলাম হৈছিল। তেনেহেন ৰজাৰ শেষত কি হ'লগৈ ? অহংকাৰে তেওঁৰ পতন মাতি আনিলে আৰু মৃত্যুৰ সময়ত তেওঁৰ মুখত এচলু পানী দিবলৈও কোনো আগবাঢ়ি নাহিল। গতিকে অহংকাৰ নকৰিবা, নিজৰে সৰ্বনাশ হব। তুমিতো মাত্ৰ এক শ্ৰেণী ওপৰলৈ গৈছা, তাতেই তোমাৰ গৌৰৱত বুকু ফুলি উঠিছে।তুমি এটা কথা ভালদৰে বুজি লোৱা যে তুমি কোনো পৰিশ্ৰমৰ ফলত পাছ কৰা নাই; অন্ধ এজনৰ হাতত ভাগ্যক্ৰমে লাখুটি এডাল লাগিছে মাত্ৰ। সেইবুলি লাখুটিডাল বাৰে বাৰে তেওঁৰ হাততেই লাগিব বুলি ভাবি লোৱাটো এক মূৰ্খামি। কেতিয়াবা টাংগুটি খেলোঁতে গুটিটো ভুলকৈ মাৰিলেও ভাগ্যবশতঃ সঠিক ঠাইতে পৰেগৈ। সেইবুলি সেইজনক নিপুণ খেলুৱৈ বুলিব পাৰি জানো ??

মই পাছ কৰিব নোৱাৰা কথাটোত বৰকৈ লাগি নাথাকিবা। মোৰ ক্লাছ পালেগৈ গম পাবা, যেতিয়া এলজেব্ৰা আৰু জ্যামিতিয়ে চুলি এডাল এডাল কৰিব আৰু ইংলেণ্ডৰ ইতিহাসে নিদ্ৰা হৰণ কৰিব ! ৰজা - মহাৰজাসকলৰ নাম মনত ৰখা ইমান সহজ নহয় বোপা। এজন দুজন নহয়, আঠজন হেনৰীৰ কোনজনৰ শাসন কালত কোনখন যুদ্ধ হৈছিল, সেয়া মনত ৰখা কি ইমান সহজ বুলি ভাবিছা ? সপ্তম হেনৰীৰ ঠাইত অষ্টম হেনৰী লিখি দিয়া, বচ !! গ'ল সকলো নম্বৰ ! কিবা বুজি পালানে ? এক দৰ্জন জেমচ, এক দৰ্জন উইলিয়ামচ, এক দৰ্জন চাৰ্লচ....উস !! কি বিড়ম্বনা !! এই দুৰ্ভগীয়াহঁতৰ কপাল চোৱাচোন। নতুন নাম একোটাও যে নিজৰ বুলি নাপাইছিল। একেটা নামৰ পাছত ২য়, ৩য়, ৪ৰ্থ, ৫ম যোগ দিয়েই কাম সামৰিছিল। মোক সোধা হ'লে কেইলাখমান নাম ময়েই কৈ দিব পাৰিলোহেঁতেন।

আৰু জ্যামিতি ?? জ্যামিতিৰ কথা একমাত্ৰ ভগৱানে বুজিলেহে বুজা। ক খ গৰ ঠাইত ক গ খ লিখি দিয়া আৰু চব নম্বৰ তৎক্ষণাত অন্তৰ্ধান ! এই দয়া - মায়া নোহোৱা নিৰীক্ষকসকলক কোনে বুজাবলৈ যাব যে ভাত দাইল ৰুটি খোৱা আৰু ভাত ৰুটি দাইল খোৱাৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁলোকৰ কি আহে যায় ? কিতাপত যি লিখা আছে, সেয়াহে তেওঁলোকে দেখে আৰু বিচাৰে যে ছাত্ৰসকলে হুবহু সেয়াই বহীত তুলি ধৰক। এই অত্যাচাৰৰ নামকে শিক্ষা বোলা হয়। নাজানোঁ আঁতিগুৰি

নাইকিয়া এই শিক্ষাই ছাত্ৰহঁতৰ কি উপকাৰ সাধন কৰিব।

এইডাল ৰেখাৰ ওপৰত সেইডাল লম্ব অংকন কৰিলে আধাৰ লম্বৰ দুগুণ হব। মই সুধিছো,ইয়াৰ প্ৰয়োজন কি? দুগুণহে নালাগে চাৰিগুণ হওক; মুঠতে পৰীক্ষাত পাছ কৰিবলৈ হ'লে এই আঁতিগুৰি শূন্য কথাবোৰ মনত ৰাখিবই লাগিব।

এইবাৰ ক'ব 'সময়ানুৱৰ্তীতা'ৰ ওপৰত সংক্ষেপে এক টোকা লিখা। লগত লিখা থাকিব কমেও চাৰি পৃষ্ঠা হোৱাকৈ লিখা। বাহ! সংক্ষেপে লিখা চাৰি পৃষ্ঠাত, নহ'লে এওঁলোকে এশ দুশ পৃষ্ঠাও লিখাব। অৰ্থাৎ লাহে লাহে দৌৰা, কিন্তু বেগেৰেও দৌৰা। কোনে নাজানে বাৰু সময় কিমান মূল্যবান!! সময়ৰ কেতিয়াও অপচয় কৰিব নালাগে, সময়ৰ ধাৰাবাহিকতা মানি চলা ব্যক্তিয়েহে জীৱনত উন্নতিৰ পথত আগুৱাই যাব পাৰে। এতিয়া চোৱা, যিটো কথা এটা বাক্যতে সম্পূৰ্ণ কৰিব পাৰি, সেইটো লিখিবলৈ চাৰি পৃষ্ঠাৰ প্ৰয়োজন কিয়? মই ভাবো যে মানুহে আনক কবলগীয়া কথাটো চমুকৈ কৈ নিজৰ অন্য দৰকাৰী কামত ব্যস্ত হব লাগে। কিন্তু ইয়াত সেয়া নহ'ব। তুমি ফুলস্কেপ কাগজৰ কমেও চাৰি পৃষ্ঠা ৰঙীণ কৰি তুলিব লাগিব। এয়া ছাত্ৰৰ ওপৰত অত্যাচাৰ নহয় কি? এই সাধাৰণ কথাটো এজন ছাত্ৰৰ যদি বোধগম্য হব পাৰে, শিক্ষক সকলৰ কিয় নহয়?

বুজিছা বোপা, মোৰ শ্ৰেণীলৈ আহা, চুলিৰ আগেদি জীৰ বাজ হব। এইটো শ্ৰেণীত প্ৰথম হৈয়ে তোমাৰ মাটিত ভৰি নপৰা হৈছে। এটা কথা মনত ৰাখিবা, শ্ৰেণীত হাজাৰবাৰ ফেইল কৰিলেও মই তোমাতকৈ ডাঙৰ। সংসাৰখনৰ খলাবমাবোৰ মই তোমাতকৈ অধিক ভালকৈ দেখা পাইছোঁ। যি কৈছো মন দি শুনা, পাছত যাতে অনুতাপ কৰিব লগা নহয়।"

স্কুললৈ যোৱাৰ সময় আহি পৰিছিল। ককাইদেউৰ উপদেশনামা কোনোমতে সমাপ্ত হৈছিল। আহাৰ গ্ৰহণ কৰাৰ পৰতো তেওঁৰ কথাখিনি কাণত বাজি আছিল। ফলত আহাৰৰ সা - সোৱাদ একোৱেই অনুভৱ কৰিব পৰা নাছিলোঁ। ভাবিছিলোঁ, শ্ৰেণীত প্ৰথম হোৱাৰ পাছতো ইমানখিনি তিৰস্কাৰ, পাছ কৰিব নোৱাৰিলে দেখোন নিৰ্ঘাত মৃত্যুদণ্ড।

ককাইদেৱে তেওঁৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ যি ভয়ংকৰ সবিশেষ আগবঢ়ালে, সি মোক বাৰুকৈয়ে ভীতিগ্ৰস্ত কৰি তুলিলে। কেনেকৈ যে স্কুল এৰি ঘৰলৈ নোযোৱাকৈ থাকিলো, একমাত্ৰ ভগৱানেহে জানে।

ককাইদেউৰ অতবোৰ তিৰস্কাৰ শুনাৰ পাছতো ঘণ্টাৰ পিছত ঘন্টা পঢ়া টেবুলত বহি থকা কামটো মোৰ বাবে সম্ভৱ নহ'ল। একেদৰে খেলা-ধূলাৰ প্ৰতি আকৰ্ষণ কমাই দিয়াটোও মোৰ বাবে সম্ভৱ নহ'ল। পঢ়াশুনাও কৰিছিলোঁ।যিমানখিনি পঢ়িলে শ্ৰেণীকোঠাত লাজ নোপোৱাকৈ থাকিব পাৰি, ঠিক সিমানহে পঢ়িছিলোঁ। নিজৰ ওপৰত যিখিনি বিশ্বাস গঢ় লৈ উঠিছিল, সকলো লুপ্ত হৈ গৈছিল আৰু খেলা-ধূলা কৰি ঘূৰি অহাৰ পাছত যি হয়, সেইবোৰৰ পুনৰাবৃত্তি হৈছিল।

(৩)

এইবাৰৰ বছেৰেকীয়া পৰীক্ষা হৈ গ'ল। ভগৱানে এনে চমৎকাৰ দেখুৱালে যে মই পাছ কৰিলোঁ আৰু ককাইদেউ এইবছৰো ফেইল হ'ল।অত্যধিক পৰিশ্ৰম কৰাৰ শক্তি মোৰ নাছিল, তথাপি নাজানোঁ কেনেকৈ প্ৰথম হৈয়ে পাছ কৰিলোঁ। মই নিজেই অবাক হ'লো। ককাইদেৱে পুৱা চাৰিবজাৰ পৰা নিশা দহবজালৈকে অত্যন্ত পৰিশ্ৰম কৰিছিল। কিতাপৰ এটা এটা শব্দ ফঁহিয়াই পঢ়িছিল। মন - প্ৰাণ সঁপি পঢ়াৰ পাছতো বেচেৰা ফেইল হ'ল। তেওঁলৈ মোৰ দয়া উপজিছিল। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে ককাইদেউ কান্দোনত ভাগি পৰিছিল। তাকে দেখি ময়ো কান্দিবলৈ ধৰিছিলোঁ। প্ৰথম হৈ পাছ কৰাৰ আনন্দ আধালৈ টুটি আহিছিল। ময়ো ফেইল হোৱা হ'লে ককাইদেউৰ দুঃখৰ বোজাটো সিমান গধুৰ নহ'লহেঁতেন। কিন্তু বিধিৰ লিখন কোনেনো খণ্ডাব পাৰে!!

ককাইদেউ আৰু মোৰ মাজত এতিয়া কেৱল এক শ্ৰেণীৰ অন্তৰ। মোৰ মনত এক কুটিল ভাৱনাই খেলা কৰিবলৈ ধৰিলে।ককাইদেৱে এইবাৰো যদিহে ফেইল কৰে, মই তেওঁৰে সৈতে একে শ্ৰেণীৰে হৈ যাম। তেতিয়া মোক গালি - শপনি দিয়াৰ অধিকাৰ তেওঁৰ নাথাকিব। কিন্তু পাছ মুহুৰ্ততে মই এই কু-অভিলাষ মনৰ পৰা জোৰকৈ আঁতৰাই পঠালোঁ। মোৰ হিত চিন্তা কৰিহে তেওঁ মোক গালি দিয়ে। সেই সময়ত মোৰ মনটো বেয়া লাগে সঁচা; কিন্তু এইটোও নহয় বুলিব নোৱাৰি যে তেওঁৰ লানি নিচিগা উপদেশসমূহৰ ফলতেই কিজানি মই প্ৰতিবছৰে ভাল ধৰণে পাছ কৰি গৈছোঁ।

ককাইদেউ এতিয়া বহুত নৰম হ'ল। মই লক্ষ্য কৰিলো - মোক তিৰস্কাৰ কৰাৰ সুবিধা কেইবাবাৰো লাভ কৰাৰ পাছতো তেওঁ নিৰৱে থাকিল। সম্ভৱতঃ তেওঁ বুজি পালে যে মোক তিৰস্কাৰ কৰাৰ অধিকাৰ তেওঁৰ আৰু নাই; অথবা আছে যদিও তেনেই নগন্য। মোৰ সাহ বাঢ়ি গ'ল। তেওঁৰ নিৰৱতাৰ সুযোগ মই পুৰাদমে ল'বলৈ ধৰিলো। এনে এটা ধাৰণাই মোৰ মনত

খোপনি পুতি ল'লেহি যে মোৰ ভাগ্য যিহেতুকে শক্তিশালী, পঢ়িলেও - নপঢ়িলেও মই পাছ কৰিমেই। এই ভাৱনাই মোৰ মনত ককাইদেউৰ প্ৰতি থকা সমীহ কণ তেনেই মষিমূৰ কৰি পেলালে। মোৰ এটা নতুন চখৰ জন্ম হ'ল- চিলা উৰুৱা। স্কুলৰ সময়চোৱাৰ বাদে বেছিভাগ সময় মোৰ চিলা উৰুৱাওঁতেই যায়। ককাইদেউৰ প্ৰতি দেখুৱাব লগা শিষ্টাচাৰখিনি ঠিকেই দেখুৱাওঁ। তেওঁ নেদেখাকৈহে চিলা উৰুৱা কামটো কৰি থাকোঁ। কাগজৰ চিলা বনোৱা, সূতাৰে বন্ধা, চিলা উৰুৱা প্ৰতিযোগিতাৰ তৈয়াৰী আদিবোৰ গোপনে চলি থাকিল। ককাইদেউক মুঠেও সন্দেহ কৰিবলৈ নিদিলো যে তেওঁৰ প্ৰতি থকা ভয় - সন্মান মোৰ মনৰ পৰা প্ৰায় নাইকিয়া হ'ল।

এদিন সন্ধ্যা সময়ৰ কথা। ছাত্ৰাবাসৰ পৰা কিছু দূৰৈত অন্য কিছুমান ল'ৰাৰ সৈতে সূতা চিগা চিলা থপিয়াই ল'বলৈ দৌৰ দিছিলোঁ। ওপৰৰ পৰা এক বিশেষ লয়ত নামি অহা চিলাখনতে দৃষ্টি নিবদ্ধ আছিল। যেন কোনো আত্মা বিৰক্ত হৈ স্বৰ্গৰ পৰা মৰ্ত্যলৈ এক নতুন ৰূপ ধাৰণ কৰাৰ মানসেৰে নামি আহিছে।তেওঁকে স্বাগতম জনাবলৈহে যেন এজাক ল'ৰাই ক্ষিপ্ৰ গতিৰে লৰ মাৰিছে। আগে - পিছে কি আছে তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই। অৱশ্যে সেই সমতল ভূমিত কোনো গাড়ী - মটৰৰ চলাচল নহৈছিল। সকলোৰে যেন চিলাখনৰ লগে লগে আকাশত উৰিহে আছিল।

হঠাৎ ককাইদেউৰ লগত মোৰ ভেঁটা - ভেঁটি হ'ল।খুব সম্ভৱ তেওঁ বজাৰৰ পৰা আহি আছিল। খঙতে তেওঁ মোৰ হাত এখন থাপ মাৰি ধৰি লৈ কবলৈ ধৰিলে -

"এখন চিলাৰ কাৰণে এই বজৰুৱা ল'ৰাহঁতৰ লগত দৌৰি ফুৰিবলৈ লাজ লগা নাইনে? কিয় পাহৰি যোৱা যে তুমি এতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ; মোতকৈ মাত্ৰ এক শ্ৰেণী তলত। মানুহে নিজৰ মান-সম্ভ্ৰম ৰক্ষা কৰি চলিবলৈ শিকিব লাগে।এটা সময়ত অষ্টম শ্ৰেণী পাছ কৰা লোকে তহচিলদাৰৰ পদ শুৱনি কৰিবলৈ সক্ষম হৈছিল। এনে বহুতো ব্যক্তিক মই জানো, যিসকল আজি ডেপুটি মেজিষ্ট্ৰেট অথবা চুপাৰিন্টেণ্ডেন্ট পদত অধিস্থিত হৈ আছে। কিমানজন যে অষ্টম শ্ৰেণী পাছ কৰা লোক আমাৰ নেতা অথবা বাতৰি কাকতৰ সম্পাদক হৈ আছে! তেওঁলোকৰ অধীনত কত জ্ঞানী - বিদ্বান ব্যক্তিয়ে কাম কৰি আছে; আৰু তুমি সেই অষ্টম শ্ৰেণীত পঢ়ি থকা এটা ল'ৰাই এই বজৰুৱাহঁতৰ সৈতে চিলা উৰুৱাত ব্যস্ত আছা। তোমাৰ নিৰ্বোধতা দেখি মোৰ সচাঁকৈয়ে দুঃখ লাগিছে। নিঃসন্দেহে তুমি এটা চোকা বুদ্ধিৰ ল'ৰা। কিন্তু সেই বুদ্ধিৰ কি প্ৰয়োজন, যদিহে তুমি নিজৰ আত্মসন্মান ৰক্ষা কৰি চলিব নাজানা? তুমি চাগে ভাবিছা - ককাইদেউতকৈ মই মাত্ৰ এক শ্ৰেণী তলৰ; গতিকে মোক উপদেশ দিয়াৰ অধিকাৰ তেওঁৰ নাই। কিন্তু এয়া তোমাৰ ভুল ধাৰণা। মই বয়সত পাঁচ বছৰ ডাঙৰ। যদিহে অহা বছৰলৈ আমি দুয়ো একে শ্ৰেণীৰে হৈ যাওঁ; নিৰীক্ষক সকলৰ চিন্তা - ধাৰণা সলনি নহ'লে নিঃসন্দেহে তুমি মোৰ সমকক্ষ হ্বা আৰু পিছৰ বছৰত চাগৈ মোতকৈ এক শ্ৰেণী ওপৰলৈ যাবাগৈ, তথাপিও তোমাৰ - মোৰ মাজত যি পাঁচোটা বছৰৰ ব্যৱধান আছে, সেয়া তুমিহে নালাগে স্বয়ং ভগৱানেও আঁতৰাব নোৱাৰে। মই তোমাতকৈ ডাঙৰ আৰু ই সদায়ে সত্য হৈ ৰ'ব। সংসাৰখনৰ বিষয়ে, জীৱনৰ বিষয়ে মোৰ যিখিনি জ্ঞান আছে, হাজাৰ এম. এ. , ডি. ফিল. , ডি. লিট. ডিগ্ৰী ল'লেও তুমি মোৰ সমকক্ষ হ'ব নোৱাৰা। কেৱল কিতাপৰ শিক্ষাৰে মানুহ জ্ঞানী হ'ব নোৱাৰে। আমাৰ মা স্কুলীয়া শিক্ষাৰে শিক্ষিত নহয় আৰু দেউতাও খুব সম্ভৱ পঞ্চম শ্ৰেণীৰ ওপৰলৈ যোৱা নাছিল। আমি দুয়ো যিমানেই উচ্চ শিক্ষিত নহওঁ কিয়, আমাক হিতোপদেশ দিয়া আৰু ভুল - ভ্ৰান্তিবোৰ শুধৰোৱাৰ অধিকাৰ মা - দেউতাৰ সদায়ে থাকিব।

এই কাৰণে নহয় যে তেওঁলোক আমাৰ জন্মদাতা, বৰঞ্চ এই কাৰণে যে জীৱনৰ বিচিত্ৰ অভিজ্ঞতাই তেওঁলোকক আমাতকৈ বহু গুণে বেছি শিক্ষিত কৰি তুলিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ শাসন ব্যৱস্থা কেনে ধৰণৰ, অষ্টম হেনৰীয়ে কেইবাৰ বিবাহ পাশত আৱদ্ধ হৈছিল, আকাশত কিমান নক্ষত্ৰ আছে- এনে ধৰণৰ কথাবোৰ তেওঁলোকে নাজানিব পাৰে; কিন্তু আমি নজনা বহু দৰকাৰী কথা তেওঁলোকে ভালকৈ জানে।

ভগৱানে নকৰক, কাইলৈ মোৰ অসুখ হলে তুমি কেউদিশে অন্ধকাৰ দেখিবা। দেউতাক খবৰ দিয়াৰ বাদে তোমাৰ অন্য উপায় নাথাকিব। কিন্তু তোমাৰ ঠাইত যদি দেউতা হয়, তেওঁ কাকো খবৰ নিদিয়ে, ভয়ত বিতত হৈ নপৰে, চেতনা হেৰুৱাই নেপেলায়। প্ৰথমে অসুখটো চিনাক্ত কৰি ঘৰুৱা চিকিৎসা আগবঢ়াব। তাত সফল নহলে চিকিৎসকক মাতিব। বাৰু বেমাৰৰ কথা বাদেই দিলোঁ। তুমি - মই এয়াও নাজানো এখন ঘৰ পৰিচালনা কেনেকৈ কৰা হয়। দেউতাই মাহে মাহে যি পঠিয়াই, সেয়া আমি খৰচ কৰি ফুৰ্তি কৰি আছোঁ। ফুৰ্তিতে যিমান খৰচ কৰি আছোঁ, তাৰ আধা পৰিমাণত দেউতাই ন জন

সদস্যৰে ভৰা এখন ঘৰ সুচাৰুৰূপে পৰিচালনা কৰে। তদুপৰি এজন আত্মীয়ৰ সমস্ত দায়িত্ব কান্ধ পাতি ল'বলগা হয়। আমাৰ হেডমাষ্টৰ মহাশয়লৈকে চোৱাচোন। এহেজাৰ টকা দৰমহা পোৱা এজন এম এ পাছ কৰা ব্যক্তিৰ ঘৰ পৰিচালনা কোনে কৰে? তেখেতৰ বৃদ্ধা মাতৃয়ে। এই ক্ষেত্ৰত মহাশয়ৰ ডিগ্ৰী কোনো কামত নাহিল। প্ৰথম অৱস্থাত মহাশয়ে নিজে ঘৰ পৰিচালনা কৰোঁতে এহেজাৰ টকাৰে জোৰা মাৰিব নোৱাৰি শেষত ধাৰত পোত গৈছিল। কিন্তু তেখেতৰ মাতৃয়ে যেতিয়া এই দায়িত্ব নিজ হাতলৈ আনিলে, ঘৰলৈ যেন লক্ষ্মী দেৱীৰহে আগমন ঘটিল। গতিকে মোৰ ভাই, মনৰ পৰা এই ভাৱ আঁতৰাই দিয়া যে তুমি এতিয়া মোৰ সমকক্ষ হৈ পৰিলা আৰু স্বাধীন হৈ গ'লা। মই থকালৈকে তুমি অবাটে যাব নোৱাৰা। ভালদৰে কওঁতে যদি নামানা, তেন্তে মই (থাপৰ দেখুৱাই) প্ৰয়োগ কৰিবলৈ বাধ্য হম। মই জানিছোঁ, মোৰ কথাখিনি তোমাৰ বিহ যেন অনুভৱ হৈছে।"

ককাইদেউৰ এইখিনি কথাই মোক একেবাৰে ধৰাশায়ী কৰি পেলালে। আজি সচাঁকৈয়ে মোৰ নিজকে বৰ ক্ষুদ্ৰ যেন লাগিল আৰু ককাইদেউৰ প্ৰতি অপাৰ শ্ৰদ্ধাৰে মোৰ মনটো ভৰি পৰিল। চলচলীয়া চকুৰে মই ক'লো - "নহয় ককাইদেউ। আপুনি যি কৈছে সেয়া সম্পূৰ্ণ সঁচা আৰু সেইখিনি কোৱাৰ অধিকাৰ আপোনাৰ সদায়ে থাকিব।"

ককাইদেৱে মোক সাৱতি ধৰি ক'লে - "তোমাক চিলা উৰুৱাবলৈ মই হাক দিয়া নাই। খেলা - ধূলা কৰিবলৈ মোৰো মন যায়, কিন্তু কি কৰোঁ! নিজেই যদি অবাটে যাওঁ, তোমাক কিদৰে বচাই ৰাখিম? এয়াও যে মোৰ কৰ্তব্যৰ ভিতৰতে পৰে।"

কাকতালীয়ভাৱে চিলা এখন সেই সময়তে আমাৰ ওপৰেদি উৰি গ'ল। চিলাখনৰ পৰা চিগা সূতাডাল দীঘলকৈ ওলমি আছিল। ল'ৰাজাকে চিলাখন ধৰিবলৈ কোৰ্হাল কৰি দৌৰি আহিল। ককাইদেউ যিহেতু ওখ আছিল, তেওঁ জাপ মাৰি সূতাডাল ধৰিলে আৰু চিলাখন লৈ ছাত্ৰাবাসৰ দিশে তীব্ৰ বেগেৰে লৰ মাৰিলে। ময়ো পাছে পাছে দৌৰ মাৰিলোঁ।

# বৰঘৰ শুৱনি জীয়ৰী ছোৱালী

## অত্ৰেয়ী গোস্বামী

ঃ হে'ৰা সদা,এইবাৰো হ'বলা ছোৱালীহে হ'ল?

সহকৰ্মী নৃপেনৰ কথাষাৰ শুনি সদানন্দৰ মন-মগজু উতলি উঠিল। বৰ কষ্টেৰে টান হৈ অহা হাতৰ মুঠিটো লাহে লাহে বতাহত এৰি দিলে তেওঁ। অনিচ্ছাকৃতভাৱে ওঁঠৰ কাষেদি হাঁহি এটি সৰকাই তেওঁ লৰালৰিকৈ নৱম শ্ৰেণীৰ কোঠাটোলৈ সোমাই গ'ল। সেইদিনা শ্ৰেণীত তেওঁ পাঠ্যক্ৰমৰ বাহিৰৰ কথাহে ক'লে।বিশেষকৈ ল'ৰা আৰু ছোৱালীৰ মাজত শাৰীৰিক গঠনৰ বাহিৰে যে অন্য পাৰ্থক্য একোৱেই নাই সেই কথাটোকে তেওঁ পাৰ্যমানে বুজাবলৈ চেষ্টা কৰিলে। মানসিক শক্তি ছোৱালীৰ অত্যন্ত বেছি।সেই কথাটো বুজাবলৈ গৈ তেওঁ কেইবাগৰাকীও গৃহিনীৰ উদাহৰণ দিলে। কনকলতাৰ কথা ক'লে।গাঁৱৰে বকুলী পেহীৰ কথা ক'লে। সমস্যাৰ পাহাৰ একোটা মুৰত লৈ মানুহজনীয়ে কেনেকৈ নিজৰ ল'ৰা-ছোৱালীক মানুহ কৰিলে সেই কাহিনীবোৰ ক'লে। প্ৰত্যেকৰে মাজত শুই থকা প্ৰতিভাবোৰ বিকশিত কৰাৰ কথা ক'লে। সেইদিনা প্ৰতিগৰাকী ছাত্ৰীয়ে নিজকে অনন্যা যেন অনুভৱ কৰিলে। এই যে একোটা ব্যক্তি সত্ত্বাক বিশেষ বুলি অনুভৱ কৰোৱাব পৰা কলাটো সকলোৰে নাথাকে। সদা ছাৰৰ আছে। সেয়েহে ছাত্ৰী সকলৰ প্ৰিয় শিক্ষাগুৰু তেওঁ।

এখন চৰকাৰী ছোৱালী হাইস্কুলৰ শিক্ষক সদানন্দ বৰুৱা। চাৰিজনী ছোৱালীৰ পিতৃ। ছোৱালী কেইজনী তেওঁৰ গৌৰৱেই নহয়,অহংকাৰো। তেওঁৰ পৰিবাৰ নিৰ্মালীও একেখন স্কুলৰে শিক্ষয়িত্ৰী। গাঁৱলীয়া পৰিৱেশৰ স্কুল। নিৰ্মালী চহৰীয়া ছোৱালী। সদানন্দৰ সৈতে মনৰ মিল হ'ল। বিয়াত বহিল। এইখিনিলৈকে সকলো ঠিকেই আছিল।সৰুতেই পিতৃহাৰা হোৱা সদাই প্ৰথমজনী ছোৱালী হওঁতে বৰ ফূৰ্তি পালে। সহকৰ্মীসকলকো ভোজ-ভাত খুৱালে।সকলোৰে খা-খবৰো ল'লে। প্ৰথম পিতৃত্বৰ সোৱাদে মানুহটোক পুলকিত কৰি ৰাখিলে। দ্বিতীয় জনী ছোৱালী হওঁতে সেই ফূৰ্তি পৰিয়াল-পৰিজনৰ মাজতে আৱদ্ধ ৰাখিবলগীয়া হ'ল। তৃতীয়জনীলৈ কথাবোৰ আৰু সলনি হ'ল। চতুৰ্থজনীলৈ শুভেচ্ছা বাদেই ইতিকিংহে উফৰি পৰিল। প্ৰতিবাৰেই মানুহটো অনন্য সুখত ডুব যায়। মানুহজনীও। মাক জনীও সুখী হয়।আনে কোৱা কথাবোৰলৈ তেওঁলোকৰ ভ্ৰূক্ষেপ নাছিল। চৌপাশৰ মানুহবোৰৰ মানসিকতাই তেওঁৰ খংবোৰ দ'মাই ৰাখিলে।

একেবাৰে পেটমচাজনী হওঁতে তেওঁ ঘৰত নাছিল। গৰমৰ বন্ধ। খেতি-খোলাৰ কামো থাকে। যেনেতেনে খেতিটো সামৰিবলৈ খৰখেদা লগাইছিল সেইবাৰ। পথাৰৰ পৰা আহি ঘামিজামি ঘৰ সোমাওঁতেই মাকে হাঁহি হাঁহি ক'লে,"লক্ষী আই আকৌ আহিছে ঔ সদা।"

সদাৰ মনটো ভাল লাগি গ'ল। পিছে গাঁৱৰে যাদৱৰ মাক আছিল। তেওঁহে চিঞৰি চিঞৰি ক'লে বোলে "সদা ঐ,ল'আ পোৱালি এটি আশা কয়ি কয়ি মাষ্টনীয়ে এইবাও ছোৱালী অকণহে ফুকালে"। তেতিয়া নিৰ্মালীয়ে নৱজাতকক বুকুৰ মাজত সুমুৱাই স্বৰ্গসুখত ডুব গৈ আছিল। বায়েক কেইজনীও ফূৰ্তিত ক'ব নোৱাৰা হৈ আছিল। যাদৱৰ মাকৰ কথাষাৰেহে সদানন্দৰ মূৰৰ ঘিউ উতলালে। মানুহজনী যোৱাৰ পিছত মানুহটো ঘৈণীয়েকৰ কাষলৈ গ'ল। কপাহ কোমল গুলপীয়া মুখ খনে সকলো নেতিবাচক কথা দলিয়াই পেলালে। মানুহ দুটাক এচেৰেঙা সুখৰ ৰ'দে চুই গ'ল। ইটোৱে সিটোৰ মুখলৈ চালে।ইয়াতকৈ যেন সুখ আৰু একোৱেই নাই।

তেনেকুৱাতে মাজুজনী ছোৱালী ক'ৰবাৰ পৰা উধাতু খাই আহি দেউতাকৰ কোচতে বহি ল'লে।তাই আক' বৰ কথকী।

ঃ অ' মা অ' মা আজি মামনিয়ে কি ক'লে জানা?

ঃ কি ক'লে?

ঃ ঐ তহঁতৰ বোলে ভনীয়েৰ এজনী হ'ল? হ'ব দে ভুঁই ৰুব পাৰিব।

তাইৰ কথা শুনি দেউতাকেও হোঁ-হোঁৱাই হাঁহি দিলে।

একো উৰাদিহ নাপাই তাই আইতাকৰ ওচৰলৈ লৰ মাৰিলে।

ঃ হে'ৰা মোক ল'ৰা নালাগে বুইছা?

ঃ আপুনি মোক নক'লেও বুজোঁ।

ঃ এখন মানুহে গিজগিজাই থকা ঘৰ লাগে। মোৰ ঘৰত চাৰিজনী ছোৱালীয়ে ওলোৱা-সোমোৱা কৰিলে ইহঁতবোৰৰ তেতিয়াও চকু পুৰিব চাবা।

ঃ আপুনি এইবোৰ বাদ দিয়ক এতিয়া।

ইহঁতক মানুহ কৰিব পাৰিলেই হয় আৰু। এইবুলি মানুহজনীয়ে মিহিকৈ গুমুনিয়াহ এটা এৰি দিলে।

"আগবাৰী শুৱনি কাকিনী তামোলে
পিছবাৰী শুৱনি পানে হে
বৰঘৰ শুৱনি জীয়ৰী ছোৱালী
উলিয়াই দিবলৈ টানে হে।"

সদানন্দ বৰুৱাৰ বাৰীত তামোল-পান, পুখুৰীত মাছ-কাছ, গোহালিত গৰু আৰু চোতালৰ ভঁৰালত বছৰজোৰা সোণগুটি।বৰঘৰৰ পৰা চ'ৰা ঘৰলৈকে ছোৱালীহঁতৰ খিলখিলনি। মুঠতে নদনবদন। তাৰ মাজতে দুই-এজন চকু-চৰহাই কাণ বিন্ধি যোৱাকৈ বাক্য বাণ এৰিবলৈ নেৰে।

ঃ বুইছ সদা দুখ নকৰিবি। পুৰুষৰ ভাগ্যে জন,নাৰীৰ ভাগ্যে ধন।তোৰ ভাগ্যতে নাই আও। কিনো কৰিবি।

ঃ এৰা অ' দাইটি। তুমি হে বুজি পালা দেই।

এই বুলি সদা মাষ্টৰে কথাৰ মোখনি মাৰে।

সময় বাগৰি গৈ থাকিল। ডাঙৰজনী আৰু নুমলীয়াজনীৰ বয়সৰ ব্যৱধান প্ৰায় দহ বছৰ। ইজনীতকৈ সিজনী দেখনিয়াৰ হৈ ডাঙৰ হৈ আহিল আটাইকেইজনী। মাকৰ ভাত খোৱা থালখনৰ পৰা আইতাকৰ চাহ খোৱা বাটিলৈকে, মাকৰ চাদৰৰ ভাঁজৰ পৰা দেউতাকৰ কামিজটোলৈকে হিচাপ ৰখা হ'ল ছোৱালীহঁতে। অশীতিপৰ আইতাকৰ মুখৰ হাঁহি হৈ জিলিকি থাকে আটাইকেইজনী।ঘৰখন বাহিৰে-ভিতৰে ফু মাৰি ভাত খাব পৰা কৰি থয়। পঢ়াশুনাত মধ্যমীয়া। সৰুজনী বৰ তীখৰ।ডাঙৰজনী মাটিহেন ঠাণ্ডা। মাকে বৰ ধুনীয়াকৈ ডাঙৰ কৰিছে সিহঁতক। মাক-দেউতাকক অৱমাননা নকৰা,ছোৱালী সুলভ সকলো আচৰণেৰে অলংকৃতা হৈ পৰিল সিহঁত। ল'ৰা নোহোৱা ঘৰখনত সিহঁত দেউতাকৰো লাচনিপাচনি হৈ উঠিল। ডাঙৰজনীয়ে কেতিয়ানো দেউতাকৰ দায়িত্ববোৰ কান্ধ পাতি ল'লে কোনেও উমানেই নাপালে।

প্ৰায় কুৰি বছৰৰ পাছত ঃ

ইতিমধ্যে সদানন্দ বৰুৱাই অৱসৰ গ্ৰহণ কৰিছে। নিৰ্মালীৰো চাকৰি আৰু বেছি দিন নাই। ডাঙৰ দুজনীক সজ পাত্ৰত গতালে। মাকজনী সিপুৰীলৈ যোৱাও ভালেকেইবছৰেই হ'ল। সৰু দুজনীৰ পঢ়াশুনা চলিয়েই আছে। জী-জোঁৱাই, নাতি-নাতিনীৰে সদা মাষ্টৰৰ ঘৰ গমগমাই থাকে।

দুৰ্গা পূজাৰ সময়। ঘৰ ভৰি আছে।পাকঘৰত সকলোৰে কথাৰ মহলা মাৰিছে। সদানন্দই নিৰ্মালীক থাওকতে ক'লে,

ঃ হে'ৰা এইখনেই মোৰ সপোনৰ ঘৰ চোৱা।

মানুহজনীয়ে মিচিকিয়াই হাঁহিলে।

সজ সন্তানৰ পিতৃ-মাতৃৰ সুখ অতুলনীয়। তাতে সন্তানৰ সফলতা আৰু সুখী জীৱনে ৰহণ সানে। দুয়ো শিক্ষকতা বৃত্তিৰে সংস্কাৰৰ তিলমাত্ৰও ত্ৰুটি নৰখাকৈ বৰ আদৰেৰে ডাঙৰ কৰিলে ছোৱালীকেইজনীক। সিহঁতেও মাক-দেউতাকক আক্ষেপৰ সুযোগ নিদিলে।

গেটখন খুলি সোমাই অহা নৃপেনৰ মাতটোৱে বৰঘৰ চুবগৈ নোৱাৰিলে। হঠাৎ বাহিৰলৈ ওলাই অহা সৰুজনী ছোৱালীয়ে তেওঁক দেখি আথে-বেথে ভিতৰলৈ মাতি আনিলে।

ঃ খুড়া বহক ।মই দেউতাক কওঁ।

সদাৰ চ'ৰাঘৰত বিমৰ্ষ বদনে বহি থকা নৃপেনক দেখি তেওঁৰ মনটো চেবালে।

ঃ কি হে আজি কি মন গ'ল?খবৰ খাটিয়েই নোহোৱা হ'ল দেখোন!

এনেকৈ ক'লেও তেওঁ কিন্তু সহকৰ্মীজনৰ সকলো খবৰেই পাই থাকে। ল'ৰা দুটাৰ সফলতাত অহংকাৰী হৈ উঠা মানুহটো সিহঁতৰ বাবেই লাওলোৱা হ'ল। সৰুটোক ডাক্তৰী পঢ়োৱাৰ নামত ভেঁটিটোহে ৰ'লগৈ। এতিয়া পুতেকৰ মাক-বাপেকৰ বাবে সময়েই নাই। মানুহ হালে ল'ৰাৰ পৰা এই বয়সত অলপো সুখ নাপালে।ডাঙৰটোৱে প্ৰবাসী ছোৱালী বিয়া পাতি বহুত দিনৰ মুৰতহে মাক-বাপেকক খবৰ দিলে।

এইবোৰ সকলোৱে জনা কথা। তথাপি সদা বৰুৱাই মানুহটোৱে দুখ নাপাওক বুলিয়েই নজনাৰ ভাও ধৰিলে।

শিক্ষক হিচাপে সদানন্দ বৰুৱা প্ৰতিগৰাকী ছাত্ৰীৰ প্ৰতি সমানে দায়াবদ্ধ আছিল। কেতিয়াবা কাৰোবাৰ ঘৰলৈ গৈ সহায় কৰিছিল যদি কেতিয়াবা কাৰোবাক ঘৰলৈ মাতি পঢ়া-শুনাৰ বুজ লৈছিল।কোনোজনীক আকৌ আৰ্থিক ভাৱেও সহায় কৰিছিল। এই কথাটোকে গোটেইখন ৰৌজাল-বৌজাল কৰি ওলাল বোলে ডেকা মাষ্টৰৰ গাভৰু ছোৱালীহঁতলৈ বৰ দৰদ। বাহিৰত নেদেখুৱালেও কথাটোৱে তেওঁৰ মনত বৰ আঘাত দিলে। হ'লেও নিজৰ কৰ্তব্য একান্ত চিত্তে কৰি গ'ল।। সেই সময়ত এইজন নৃপেনেই কৈছিল, “সদা,বৰ ভাল হোৱা নাই কথাবোৰ।” চূড়ান্ত অপমানবোধেও মানুহজনক স্থিতপ্ৰজ্ঞ হৈ থকাত বাধা দিব নোৱাৰিলে। আজি তেওঁৰ সন্মুখত তলমুৰকৈ বহি থকা নৃপেন নামৰ মানুহজনলৈ পুতৌহে উপজিল।

লাহে লাহে এটা এটাকৈ তেওঁ দুখৰ বোজাটো খহাই থ'লে।সদা বৰুৱাই মৌন হৈ কেৱল শুনি থাকিল।অতীতৰ কথাবোৰেও মাজে মাজে ডোলা দি থাকিল।নিজৰ অসহায়তাক উদঙাই এনেদৰেই হয়তো তেওঁ অনুশোচনাৰ প্ৰকাশ কৰিলে।হয়তো এইদৰেই তেওঁ ক্ষমাপ্ৰাৰ্থী হৈ ৰ'ল!

# আন্ধাৰৰ শেষত জোনাক

**কৰবী কলিতা**

ঃ ঐ কলি বাচন কেইটা ধুই হ'লে কাপোৰ খিনি ধুবি । - খুৰীয়েকৰ কথা শুনিও কৃষ্ণাই তলমূৰ কৰি বাচন ধোৱাত লাগিল। মুখেৰে একো নকয় তাই । কাৰণ তাই জানে যে খুৰীয়েকক কথা কৈ একো লাভ নাই ।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনা তাইৰ জন্মৰ বাবে মাকে মৰমেৰে বোলে তাইৰ নাম কৃষ্ণা ৰাখিছিল। কিন্তু বৰ্তমান তাই সকলোৰে মাজত কলি নামেৰেহে পৰিচিত । তাইৰ জন্ম ওঠৰ দিনৰ দিনা মাকৰ মৃত্যু হৈছিল । কিয় মাকক ভগৱানে লৈ গৈছিল তাই নাজানে। মাকৰ মৰম তাই নাপালে । দেউতাকেও তাইক খুৰাক-খুৰীয়েকৰ হাতত গটাই থৈ ক'ৰবালৈ গুচি গৈছিল বোলে। সেইদিন ধৰি তাই খুৰাক হঁতৰ লগত থাকে । খুৰাকজন ভাল, তাইক বহুত মৰম কৰে । কিন্তু খুৰীয়েক জনীয়েহে অনবৰতে খেচখেচাই থাকে । তাই দেখাত কলা হোৱাটোৱেই তাইৰ দোষ । ইমান কলা কুৎসিত ছোৱালীক বোলে খুৰীয়েকে মৰম কৰিব নোৱাৰে। এতিয়া তাইৰ বয়স ৯ বছৰ মাথো । তথাপিও অনবৰতে এই কলা ৰঙটোৱে তাইক খেদি ফুৰে । যিটো বয়সত তাইৰ সমনীয়া বোৰে মাক দেউতাকৰ লগত হাতত ধৰি পূজা , বিহু চাই ফুৰে সেই সময়ত তাই বাচন ধুই থাকে অথবা চোতাল সাৰি থাকে। মাকলৈ তাইৰ খুউব মনত পৰে । মাকজনী বাৰু দেখাত কেনেকুৱা আছিল ! তাইৰ দৰে কলি আছিল নেকি ! মাকে বাৰু তাইক মৰম কৰিলে হয় নে ! তাই নাজানে । কিন্তু অন্য ল'ৰা-ছোৱালীৰ দৰে তাইৰো মন যায় মাকৰ আঙুলিত ধৰি ফুৰিবলৈ যাবলৈ। মাকৰ বুকুৰ উমত টোপনি যাবলৈ । কিন্তু এইবোৰ যে মাথো অলীক কল্পনা তাই জানে । তথাপিও দেখোন মনটোৱে নামানে !

ঃ খুৰী মই বৰষা হঁতৰ লগত খেলিবলৈ যাওঁ নে ? - কাম কেইটা ল'ৰালৰিকৈ কৰি কৃষ্ণায়ে খুৰীয়েকক সুধিলে ।

ঃ নালাগে । বৰষা হঁতৰ লগত তই আৰু খেলিব নালাগে সিহঁতৰ মাক হঁতে বেয়া পায় । - তাই একো নুবুজাৰ দৰে অবাক হৈ খুৰীয়েকলৈ চালে ।

ঃ কি ভেবা লাগি চাই আছ ! নালাগে কৈছো নালাগে যাব , তই যিহে ধুম কলি ক'ত মাক হঁতে খেলিবলৈ দিব ! যা চোতাল খন সাৰ গৈ । - কথা কেইটা কৈয়ে খুৰীয়েক আঁতৰি গ'ল । কৃষ্ণাৰ বুকুখন বিষাই উঠিল । বাঢ়নীটো লৈ চুৰুক চুৰুককৈ চোতাল খন সাৰিলে তাই । বৰষাৰ মাকৰ দৰে বৰষা হঁতেও বাৰু তাইক বেয়া পাই নেকি ! কিন্তু সিহঁতেটো তাইক বেয়া কৈ একো নকয় ! এই কথাবোৰ মনতে পাগুলি পাগুলি তাই চোতাল সাৰি সাৰি পদূলিৰ মুখ পালেগৈ ।

ঃ ঐ কলি ... ধুম কলি... তই হ'লি কুলি চৰাই পোৱালি । যা কুলি যা কুলি চৰাই বাঁহলৈ গুচি যা । - ওচৰৰে চেঙেলীয়া ল'ৰা কেইটা মানে হাফ পেডেল মাৰি চাইকেল চলাই তাইক জোকাই থৈ গ'ল । বাঢ়নীটো হাতত লৈ খেদি গ'ল তাই । এইবোৰ তাইৰ প্ৰতিদিনে শুনিবলৈ পাই । কিন্তু আজি খুৰীয়েকৰ কথা কেইটা তাইৰ বুকু খন বেজীয়ে খোচাৰ দৰে বিন্ধি আছে । তাই ফেঁকুৰি ফেঁকুৰি পুখুৰীৰ পাৰ পালেগৈ । পুখুৰীৰ পাৰত থকা বাঁহৰ চাং খনতে বহি চোলাটো দাঙি চকু দুটা মোহাৰি ল'লে । এই মুহূৰ্ত বোৰত মাকলৈ বৰকৈ মনত পৰে তাইৰ । মাকজনী থকা হ'লে তাইক চাগৈ সকলোৰে পৰা বচালে হয় । কিন্তু ভগৱান যে ইমান নিষ্ঠুৰ! মাকৰ বুকুৰ উমকে ল'বলৈ সুযোগ নিদিলে তাইক । পুখুৰীৰ ফটফটীয়া পানীখিনিত তাই নিজৰ মুখখন চালে । ডাঙৰ ডাঙৰ দুটা চকু, কেঁকুৰা চুলি আৰু তিলফুলীয়া জোঙা নাকটোৰে সৈতে তাই দেখাত ইমান বেয়া নহয় । মাথো ছালৰ ৰঙটোহে কলা । আন ছোৱালীৰ দৰে তাইৰ সকলো আছে । এটা ধুনীয়া মন আছে , সকলোকে ভালপায় তাই । খুৰীয়েকে যিমান খেচখেচাই থাকিলেও দেখোন তাই খুৰীয়েকক বেয়া বুলিব নোৱাৰে । কাৰণ এইজনী খুৰীয়েকেই তাইক দুবেলা দুমুঠি খাবলৈ , পিন্ধিবলৈ আৰু থাকিবলৈ অকণমান আশ্ৰয় দিছে । পঢ়াটো বহুত ভাল তাই । স্কুল খনৰ ভিতৰতে মেধাৱী ছাত্ৰী বুলি তাইৰ এটা নামো আছে । তথাপিও শৰীৰৰ ৰঙটোৰ বাবে তাই প্ৰতিমুহূৰ্ততে অপমানিত হ'ব লগা হয় । কথাবোৰ শুনি এনেকুৱা লাগে যেন এই কলা ৰঙটো তাই নিজেহে গাত সানি লৈছে ।

ঃ পখিলী অ পখিলী ক'ত আছ তই! - সেইয়া খুৰাকৰ মাত । তেওঁ তাইক পখিলী বুলি মাতে। ল'ৰালৰিকৈ দুচকুৰে বাগৰি অহা চকুৰ পানী খিনি মোহাৰি ল'লে তাই ।

ঃ অ পখিলী তই ইয়াতহে বহি আছ! গোটেই খন তোক বিচাৰি চলাথ কৰিলোঁ ।

ঃ খুৰা কিয় বিচাৰিছিল নো মোক! - খুৰাক আহি তাইৰ কাষতে বহা দেখি তাই সুধিলে ।

ঃ তোৰ বাবে বস্তু এটা আছে, চকু মুদ তেতিয়াহে পাবি ।

ঃ কি বস্তু নো কওক না !

ঃ চকু মুদ চোন প্ৰথমে । - তাই হাত দুখনেৰে নিজৰ চকু দুটা হেঁচি ধৰিলে । খুৰাকে পলিথিনৰ পেকেট এটা তাইলৈ আগবঢ়াই দিলে । চকু মেলি তাই খুৰাকৰ মুখলৈ চালে ।

ঃ খোল আক ! কি চাই আছ এনেকৈ !

ঃ খুৰা ! - পলিথিনৰ পেকেটটোৰ ভিতৰত স্কুলৰ ইউনিৰ্ফৰ্ম যোৰ দেখি আনন্দত চিঞৰি উঠিল তাই ।

ঃ তোৰ বাবে । তই নক'লেও মই জানো এযোৰ ইউনিৰ্ফমেৰে তোৰ দিগদাৰ হয় স্কুল যাবলৈ । কাইলৈ জন্মাষ্টমী , তোৰ জন্মদিন । সেয়ে এইযোৰ আনি দিছোঁ। ধুনীয়াকৈ স্কুল গৈ ভালকৈ পঢ়া শুনা কৰিবি । - খুৰাকৰ কথা শুনি দুচকু চলচলিয়া হৈ পৰিল কৃষ্ণাৰ । তাইৰ জন্মদিন, অথচ নিজৰে মনত নাই । প্ৰতিবাৰেই খুৰাকে তাইক কিবা এটা উপহাৰ দিয়ে । কিন্তু এইবাৰৰ এই উপহাৰটোৱে যেন তাইক জীৱনৰ সকলোখিনি সুখেই দিলে । কিন্তু পুৰাই ওলাই গৈ গধূলি ঘৰ সোমাৱা খুৰাকেতো নাজানে খুৰীয়েকে যে তাইক সদায় স্কুল যাবলৈ নিদিয়ে !

ঃ কি ভাবি আছ পখিলী ! ব'ল ভিতৰলৈ সন্ধ্যা লাগিল । পুখুৰীৰ পাৰত নাথাকিবি ।

ঃ আপুনি বলক খুৰা । মই গৈ আছো । - বুকুতে ইউনিফৰ্মযোৰ সুমুৱাই এখোজ দুখোজকৈ তাই ভিতৰলৈ আহিল । মনতে প্ৰতিজ্ঞা কৰিলে তাই । স্কুল সদায় যাবলৈ নাপালেও ঘৰতে মনপুতি পঢ়িব । তাইৰ ওপৰত থকা খুৰাকৰ আস্থা তাই কেতিয়াও নাভাঙে।

কৃষ্ণা এদিন গাভৰু হ'ল । বহুত কষ্টৰে ঘৰৰ সমস্ত কামৰ উপৰিও ৰাতি ৰাতি কিতাপ পঢ়ি ৪ টা বিষয়ত লেটাৰ মাৰ্কচ পাই তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল । খুৰীয়েকে তাইক আৰু দেখিব নোৱাৰা হ'ল । খুৰাক কিন্তু বহুত সুখী আছিল কৃষ্ণাৰ এই সাফল্যত । খুৰাকে তাইক ওচৰৰে কলেজ খনত নাম লগাই দিলে । কলেজত পঢ়িবলৈ পাই তাই জীৱনটো নতুনকৈ আৰম্ভ কৰিম বুলি মনতে প্ৰতিজ্ঞা কৰিছিল । কিন্তু কলেজত সকলোৱে তাইৰ পৰা দূৰত্ব বজাই ৰাখিছিল । কোনো লগ নাছিল তাইৰ , অকলশৰে তলমূৰ কৰি কলেজলৈ গৈছিল আৰু আহিছিল । সকলোৰে লগত মিলিজুলি থাকিব বিচাৰিছিল যদিও তাইৰ লগত যেন কোনো সহজ হ'ব পৰা নাছিল । কেতিয়াবা বহুত দুখ লাগিছিল তাইৰ । ঘৰলৈ আহি গাৰুটোক সাৱটি কান্দি পেলাইছিল । কিয় তাইৰ দেহৰ এই কলা ৰঙটো তাইৰ জীৱনত অভিশাপ হৈ থিয় দিলে । এই ৰঙটোৱেই তাইক গোটেই জীৱন জ্বলা-কলা খুৱাইছে। তাইৰ ছাল খন কলা হোৱাটো কিবা তাইৰ দোষ নে ! কিয় কোনো এজনে বুজি নাপাই এই কথা ! কিয় আজিলৈকে কোনো এজনী বান্ধৱী নাই তাইৰ ! কেতিয়াবা নিজৰ ছালখন কাটি পেলাবলৈ মন যায় ! কিন্তু খুৰাকৰ মুখলৈ চাই একো কৰিব নোৱাৰে। তেওঁ যে তাইক বহুত মৰম কৰে । সকলো ক্ষেত্ৰতে তাইক সঁহাৰি জনাই , তাইৰ হৈ মাত মাতে । সেইদিনা কিমান তাৰিখ আছিল কৃষ্ণাৰ মনত নাই, ক্লাছলৈ দেৰি হোৱাৰ বাবে কোবাকুবিকৈ তাই কলেজৰ গেটেদি সোমাই গৈছিল । হঠাৎ কাৰোবাৰ গাত খুন্দা খাই কৰ্ফাল খাই পৰিল তাই । উঠিবলৈ লওতেই হাত এখন আগবঢ়াই দিছিল তাইলৈ । তাই ওপৰলৈ মুখ কৰি চালে। কলেজৰ আটাইতকৈ ধুনীয়া ল'ৰাজন মানস প্ৰতীম হাজৰিকা । তাৰ চকুৰে চকুৰে পৰাত তলমূৰ কৰিলে কৃষ্ণাই । তাৰ হাতত হাতখন দিও বুলি ভাবিও নিজেই উঠিলে তাই ।

ঃ ধন্যবাদ । - তলমূৰ কৰিয়ে কৈ তাই আগবাঢ়িল ।

ঃ ৰ'বা চোন । - মানসৰ কথাত ৰৈ দিলে কৃষ্ণাই । বুকুৰ ভিতৰখন ধান বনা দি বান্ধিছে । মূৰৰ পৰা ভৰিলৈকে অজানা শিহঁৰণ কিছুমান বৈ গ'ল তাইৰ শৰীৰত । কোনো দিন কোনো ল'ৰাৰ লগত কথা পাতি নোপোৱা কৃষ্ণাৰ এনে অনুভূতি জীৱনত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিলে তাই । তাই বাবে সপোনৰো অগোচৰ আছিল যে তাইৰ দৰে এজনী কুৎসিত ছোৱালীৰ লগত কোনোবা ল'ৰাই কথা পাতিব ।

ঃ শুনা ক্লাছৰ শেষত তুমি মোক লগ কৰিবা । মই কেন্টিনতে থাকিম । কথা অলপ আছে তোমাৰ লগত । - মানসৰ কথা শুনি তাই কি ক'ব ভাবি নাপালে । কোবাকুবিকৈ আঁতৰি গ'ল মানসৰ ওচৰৰ পৰা । হাজাৰ চেষ্টা কৰিও মানসে কিয় লগ কৰিব ক'লে নুবুজিলে তাই । কিন্তু সেইদিনা কলেজত অলপো মন বহোৱাব নোৱাৰিলে । ক্লাছৰ শেষত তাইৰ দুভৰি কেন্টিনৰ ফালে আগবাঢ়িছিল যদিও কেন্টিন পোৱাৰ আগতেই তাই ঘূৰি আহিছিল । সাহস হোৱা নাছিল পুনৰ মানসৰ সন্মুখলৈ যাবলৈ । তাইৰ দৰে এজনী ছোৱালী মানসৰ দৰে সুন্দৰ ল'ৰা এটাৰ লগত কেন্টিনত বহাটো যেন বহুত দোষণীয় কথা হ'ব , তেনেদৰে ভাবিছিল কৃষ্ণাই। ঘৰলৈ আহিও কৃষ্ণাই খাব, শুব নোৱাৰিছিল । মানসৰ ধুনীয়া মুখখনে তাইক অনবৰতে আমনি কৰি আছিল । আন দহ জনী ছোৱালীৰ দৰে তাইৰো যে এখন মৰমেৰে ভৰা হৃদয় আছে প্ৰথম বাৰলৈ উপলব্ধি কৰিছিল তাই । ভাল পাই পেলাইছিল মানসক। তাইৰ হৃদয়ে তোলপাৰ লগাইছিল মানসৰ সান্নিধ্য পাবলৈ । তাৰ পিছৰ পৰা কলেজত মানসক লুকাই চোৰকৈ চাইছিল। চকুত চকু পৰিলে তলমূৰ কৰিছিল তাই । মানসে তাইক কিবা ক'ব বিচাৰিছিল । কিন্তু তাই সদায় আঁতৰি ফুৰিছিল মানসৰ পৰা। মানসক তাইৰ কাষলৈ অহা কোনো সুযোগ দিব বিচৰা নাছিল কৃষ্ণাই । কাৰণ তাই জানিছিল মানসে তাইক কেতিয়াও ভাল পাব নোৱাৰে আৰু তাই যদি তাৰ ওচৰত দুৰ্বল হৈ পৰে । সি যদি গম পাই যায় তাইৰ মনৰ কথা । যদি তাইক অপমানিত কৰে , প্ৰত্যাখ্যান কৰে তাইৰ ভালপোৱাক। তাই কেতিয়াও সহ্য কৰিব নোৱাৰিব । সকলোৱে কৰা অপমান তাই সহিব কিন্তু প্ৰিয়জনে যদি অপমান কৰে তাই তাতকৈ মৰি থকাই শ্ৰেয় বুলি ভাবে । কলেজত দুবছৰ পাৰ হ'ল । উচ্চ মাধ্যমিক পৰীক্ষাৰ শেষত কলেজ বন্ধ হ'ল । কৃষ্ণাৰ মনটোও ভাল নলগা হ'ল মানসক নেদেখাকৈ । এদিন খুৰাক ক'ৰবাত যাব লগীয়া হোৱাত তাই বজাৰলৈ গৈছিল ঘৰৰ প্ৰয়োজনীয় দুই এটা বস্তু কিনিবলৈ বুলি। বজাৰৰ পৰা ঘূৰি আহোতে সন্ধিয়া লাগিছিল । তিনিআলিটো ঘূৰোতে ল'ৰাকেইটামানে তাইক আগুচি ধৰিলে । অশ্লীল শব্দৰে তাইক কিবাকিবি ক'লে । দুহাতেৰে কাণ দুখন ধৰি তাই চিঞৰি উঠিল । কোনোবা এটাই তাইৰ ডিঙিৰ পৰা দুপাট্টা খন টানি লৈ গ'ল । কৃষ্ণাই চিঞৰি চিঞৰি কান্দিলে । কিন্তু তাইৰ চিঞৰ যেন কাৰো কাণত নোসোমাল । দুটা ল'ৰাই তাইক হেঁচা মাৰি ধৰিবলৈ উদ্যত হৈছিল আৰু সেই সময়তে কোনো বাইক আৰোহীৰ লাইটৰ পোহৰত ল'ৰাকেইটা আঁতৰি গৈছিল। কৃষ্ণাই হুকহুকাই কান্দি পেলাইছিল । বাইক আৰোহীজনে বাইকৰ পৰা নামি আহি আঁতৰত পৰি থকা দুপাট্টা খন তাইৰ গাত মেৰিয়াই দিছিল।

ঃ এইদৰে অকলে ঘূৰি নুফুৰিব। দিন কাল বেয়া। - মাতটো শুনি কৃষ্ণাই আৰোহীজনৰ মুখলৈ চাইছিল । চাৎ কৈ বিজুলী এচমকাহে যেন তাইৰ গাত পৰিছিল ।

ঃ মানস!

ঃ তুমি!! - তাইক দেখি মানসো আচৰিত হৈছিল । সিয়ো হয়টো ভবা নাছিল সেইজনী কৃষ্ণা হ'ব । একো নাভাবি কৃষ্ণাই মানসৰ দুবাহুত সোমাই পৰিছিল । আৰু মানসেও তাইক সাৱটি ধৰিছিল জোৰেৰে।

ঃ কৃষ্ণা, আজি মই তোমাক কমেই যে মই তোমাক ভালপাওঁ। প্ৰথম দেখাতেই তোমাক ভাল লাগি গৈছিল মোৰ। কিমান বাৰ যে চেষ্টা কৰিলোঁ তোমাক ক'ম বুলি। কিন্তু মোক এবাৰো কোৱাৰ সুযোগ নিদিলা তুমি। - মানসৰ মাতটো ক্ৰমান্বয়ে থোকাথুকি হৈ পৰিছিল। কৃষ্ণাই মানসৰ দুবাহুৰ পৰা ওলাই আহিছিল। নিজৰ কাণ দুখনকে যে তাই বিশ্বাস কৰিব পৰা নাই। কি কৈছে মানসে এইবোৰ!

ঃ কিন্তু মোৰ দৰে কলি এজনীক...

ঃ চুপ , একো নকঁবা । তোমাৰ বাহ্যিক শৰীৰটো নহয় তোমাৰ হৃদয়খনকহে ভালপাওঁ মই । তুমি চিৰদিনৰ বাবে মোৰ হ'বা নে কৃষ্ণা ? হিয়া উজাৰি ভাল পাবা নে মোক ? - কৃষ্ণাই আৰু একো ক'ব নোৱাৰিলে । সাৱতি ধৰিলে মানসক । সেই মুহূৰ্তত কৃষ্ণাৰ মুখখন উজ্জ্বলি উঠিছিল । সেইদিনাহে যেন তাই এগৰাকী প্ৰকৃত নাৰীলৈ পৰ্যবসিত হৈছিল। আন্ধাৰৰ শেষত জোনাক নামি আহিছিল তাইৰ জীৱনলৈ । ক'ৰবাৰ পৰা ৰিণি ৰিণি ভাঁহি আছিল বাঁহীৰ এটি মিঠা সুৰ।

# বিহুতীৰ বিহুনাচ

**কুমকুম শৰ্মা বৰুৱা**

নদীকাষৰীয়া এখনি গাঁও। প্ৰকৃতিয়ে অকৃত্ৰিমভাৱে ঢালি দিয়া সৌন্দৰ্য-সুষমাৰে ভৰপূৰ, তথাকথিত নগৰীয়া প্ৰদূষণৰ পৰা মুক্ত এখনি মনোমোহা গাঁও। অ'ত-ত'ত অইল ইণ্ডিয়াৰ তেলখাদ। মেচিনৰ ঘৰ্ ঘৰ্ শব্দ। উদ্যোগী ডেকাৰ সুন্দৰ সুন্দৰ কৃষিপাম। দিহিঙৰ পানীয়ে, মেৰবিলৰ শস্য-মৎস্যই যেনেদৰে গাওঁখন প্ৰভাৱান্বিত, তেনেদৰেই অইলৰ ছাঁৰ দ্বাৰাও গাওঁখন প্ৰভাৱান্বিত। ইয়াতেই জন্মিছিল অতি সাধাৰনভাৱেই খনিকৰৰ পৰিয়ালত বিহুতী খনিকৰ। বিহুৰতী নামটো সকলোৰে মুখত পৰি হৈছিলগৈ বিহুতী। ব'হাগৰ বিহুতে জন্ম হৈছিল বাবে মাক -দেউতাকে মৰমতে ছোৱালীজনীৰ এই নামটো থৈছিল।

খেতিয়কৰ ঘৰত সাধাৰণভাৱে জন্ম হ'লেও বিহুতী আছিল কিছু যেন আনতকৈ পৃথক। মাগুৰ বৰণীয়া দেখনিয়াৰ,সকলো কাম-কাজতে পটু,সকলোকে মিঠামুখেৰে মুহিব পৰা বিহুতী আছিল আমগুৰি গাঁৰৰ এটি জনপ্ৰিয় নাম ।পাঁচোটি ল'ৰাৰ মাজৰ একেজনী ছোৱালী বুলি তাইৰ আদৰো আছিল ঘৰখনত কিছু বেছি । ওচৰত স্কুল নথকাত তাই পঢ়াৰ সুবিধা নাপালে যদিও ঘৰতে ককায়েকৰ সহযোগত তাই অসমীয়া আখৰকেইটি লিখিব-পঢ়িব পাৰিছিল ।জাত-জাত বিয়ানাম ,ঘোষা-কীৰ্তনৰ পৰা বিহুগীতলৈকে তাই সকলোতে আগৰণুৱা আছিল। বিহুগীত-বিয়ানাম আদি নতুন নতুনকৈ ৰচনা কৰি সকলোকে আনন্দ দিবও পাৰিছিল ।লগৰ -লগৰীয়াই সেই লৈ তাইক ঈৰ্ষাৰ চকুৰেও চাইছিল ।

বিহু অসমীয়াৰ প্ৰাণৰ স্পন্দন। আমগুৰি গাঁৰতো বিহুৱে স্বাভাৱিকতেই সকলোৰে মন মতলীয়া কৰে ।নাহৰ-কপৌৰ সুবাসেৰে, ঢেঁকীৰ শবদেৰে, গাওঁখন মুখৰিত হয় চ'ত সোমোৱাৰ পৰাই ।ডেকাবিলাকে ঢোল চোৱাবলৈ দিয়া আৰম্ভ কৰে আৰু একোটা চুবুৰীৰ একোঘৰত হুঁচৰিৰ আলোচনা -আখৰাও আৰম্ভ হয়। জাতি-ধৰ্ম,ধনী-দুখীয়া,নিৰ্বিচাৰে সকলোৰে ঘৰত একেই আনন্দেৰে হুঁচৰি গোৱা হয় আৰু হিয়া উজাৰি আশীৰ্বাদ দিয়া হয়। শেষত গছতলত সাধাৰনতে আহঁতৰ তলত বছৰটোলৈ বিহু থোৱা হয়। জীয়ৰী-বোৱাৰীবিলাকেও পিঠা-পনা খুন্দা,চিৰা-মুড়ি ভজাত ব্যস্ত হয়। এইয়াই সময় য'ত খোৱা-লোৱাৰ চিন্তাও কম থাকে আৰু ৰঙ-ৰহইচ্ কৰিবলৈ কৃষকৰ হাততো থাকে কিছু আজৰি সময়। ভজা সান্দহৰ মধুৰ সুবাসেৰে গাওঁখন সুবাসিত হৈ থাকে। যথেষ্ট সংখ্যক গৰু-ম'হ থকা গাওঁখনত গাখীৰৰো অভাৱ নাই বুলিবই পাৰি। স্বতঃস্ফূৰ্ত আনন্দত সকলোৰে মন মতলীয়া হৈ থাকে।

বিহুতীৰো বিহুত বহুতো কাম। ককায়েক কেইজনলৈ নতুন বিহুৱান বোৱা,ঘৰ -দুৱাৰ নতুনকৈ লিপা-মোচা কৰা,চিৰা-পিঠা,সান্দহ খুন্দা আদি কাম তাইৰ এজনী ছোৱালী হিচাপে কিছু বেছিয়েই ।তথাপি বিহুতী বিহুতীয়েই ।সকলোতকৈ আগেয়ে তাইৰে কাম শেষ হয়।

এইবছৰ বিহুতীয়ে ককায়েকৰ লগৰ ডেৰ মাইল দূৰৈৰ মুহিৰাম চুতীয়ালৈও এখনি বিহুৱান যতনকৈ বৈ থ'লে ।ছমাহমানৰ পৰা মুহিৰামৰ বিহুতীহঁতৰ ঘৰলৈ আহ্-যাহ্ বেচি হৈছিল ।সকলোৰে লগত একেধৰণেৰে হাঁহিমুখেৰে থকা বিহুতীজনীৰ চাল-চলনৰ পৰা ঘৰখনৰ কোনেও একো সন্দেহ কৰিব পৰা নাছিল ।

মুহিৰামে কোনো চাকৰি কৰা নাছিল। আঠপুৰা ৰূপিত মাটি আৰু এটা ম'হৰ খুটিৰ মালিকৰ তিনি নম্বৰ সন্তান আছিল মুহিৰাম ।মুহিৰামৰ ঘৰত চাৰিটা ল'ৰা আৰু ছোৱালী দুজনী। ইতিমধ্যে এজনী ছোৱালী এঘৰলৈ উলিয়াই দিছিল। এজন ককায়েকেও বিয়া কৰালে ।মাজত এজন ককায়েকে বিয়া কৰোৱা নাছিল। ঘৰৰ অৱস্থা ভাল হ'লেও মুহিৰামৰ বাবে সেয়ে বিয়া পতাটোত অসুবিধাৰ সৃষ্টি হৈছিল ।ডেকা -গাভৰুৰ মন বাঢ়নি পানীৰ দৰেই। ছমাহৰ আন্তৰিকতাতে মুহিৰামে সেইবাৰ গছতলৰ বিহুতেই বিহুতলীৰ পৰাই চঞ্চল নাচনী বিহুতীক পলুৱাই নি ঘৰ পোৱালেগৈ। মুহিৰামৰ মাকে কাহিলী পুৱাতেই চিনাকি বিহুতীক দেখি আচৰিত হ'লেও তাই কিবা সকামত আহিছিল বুলিহে ভাবিছিল ।পিছত মুহিৰামে বিহুতীয়ে একেলগে সেৱা কৰিলতহে মাকৰ জ্ঞানোদয় হৈছিল ।

দুয়োখন ঘৰতে চিৰাচৰিত হুৰা-দুৰা আৰম্ভ হৈছিল। বিহুতীৰ মাক-দেউতাকে ওলাই যাবৰ বেলিকাও ছোৱালীজনীক আশীৰ্বাদ অকণ দিবলৈ নাপালোঁ বুলি কান্দোনৰ ৰোল তুলিছিল। ককায়েক কেইজনে খঙত লম্ফ-জম্ফ কৰিছিল ।ইফালে মুহিৰামৰ ঘৰত নবৌৱেক সেউতি আৰু নন্দেক পদ্মাৰ দ্বাৰা আৰম্ভ হৈছিল বিহুতীৰ ওপৰত মানসিক নিৰ্যাতন। মাকে বৰ এটা বেয়া ব্যৱহাৰ নকৰিছিল যদিও ওপৰত এটা ককায়েক থাকোতেই মুহিৰামে ছোৱালী অনাৰ বাবে বৰ ভাল পোৱা নাছিল আৰু তাৰবাবে বিহুতীয়েই কিবা আহুদি কৰিলে বুলি তাইকেই দোষ দি থাকিছিল। মুহিৰামে সকলো দেখি -শুনিও নিৰ্বিকাৰভাৱেই থাকিব লগা হৈছিল। চকুৰ পানী টুকি টুকি একালৰ হাঁহিমুখীয়া বিহুতীয়ে দিনবোৰ পাৰ কৰিবলগীয়াত পৰিছিল। নবৌৱেকৰ কেঁচুৱাৰ কাপোৰ -কানি ধোৱাৰ পৰা ঘৰখনৰ সকলোবোৰ কাম তাইৰ মূৰৰ ওপৰত পৰিছিল। তদুপৰি মুহিৰামৰ আদৰুৱা সৰু ভনীয়েকে মিছা কথা লগাই লগাই মুহিৰামৰ মনটোতো ক'ৰবাত কেনা লগাই দিছিল। তাৰফলত লাহে লাহে মুহিৰামেও তাইক সৰু-সুৰা কথাতেই কেতেৰা-জেঙেৰা মৰা আৰম্ভ কৰিছিল। তাই দুচকুৰে ধুৰলী-কুঁৱলী দেখিছিল। স্বাস্থ্য ভাগি পৰিছিল ।মুহিৰামৰ ঘৰত বিহুতীৰ পুৱা শুই উঠাৰে পৰা নিশা পাটিত পৰালৈকে অষ্টপ্ৰহৰ কাম কৰোঁতেই যায়। ৰাতিপুৱাই ঘৰখনৰ সকলোৱে পঁইতা ভাত খায় ,পোৱা মাছৰ লগতেই হওক বা আলু পিটিকাৰ লগতেই হওক। অকল ভাত কেইটামানৰ বাদে তাইলৈ কিন্তু অন্য বস্তুৰ ভাগ একো নাথাকে ।তাকে খাই তাই দিনটোলৈ গেবাৰি খাতিবলৈ সাজু হয়। এনেকুৱাতে তাইৰ মনত পৰে মাকলৈ। কেতিয়াবা আকৌ জলপান এবাতি থয় বৰা চাউল অথবা কোমল চাউলৰ। তাই বাহি-বন কৰি গা -ধুই আহে মানে ঘৰৰ বাকীবোৰে খাই আজৰি হয়। তাইলৈ নচকা -নেমেলাকৈ থোৱা জলপানখিনি ইতিমধ্যে মাখিয়ে ঢাকি পেলায় অথবা মেকুৰীয়ে এফাল খাই থয়। তাই লাহেকৈ কুঁৱাৰ পাৰত হাঁহ-কুকুৰলৈ বুলি জলপানখিনি চটিয়াই বাতিটো ধুই আনে।

ঘৰত তাইৰ মাকে পুখুৰীৰ পৰা ভেঁট ফুলৰ গুটি টানি টানি উঠাই পটাত পিহি বড় ভাজি খাবলৈ দিয়ে ভাতৰ লগত। কেতিয়াবা ৰঙালাওৰ ফুলকে দুপাহ ছিঙি চাউলৰ খুদকণ পিহি তাৰ লগতে বড় ভাজি খাবলৈ দিয়ে তাইক ।কেতিয়াবা আকৌ বৰশীৰে দুজনী পুঠিমাছকে তুলি তাকে ভাজি বা পুৰি দিয়ে। সেইবোৰ মনত পেলাই তাই নিৰৱে চকুলো টোকে ।ইয়াত গিৰিয়েকে মাৰি অনা মাছৰো তাই ভাগ নাপায়। অন্য সকলো সহিব পাৰিলেহেঁতেন যদিহে কাৰোবাৰ পৰা অন্ততঃ ভাল মাত এষাৰকে পালেহেঁতেন তাই। এই অভাৱগ্ৰস্থ সংসাৰখনত মৰমৰ মাত এষাৰিৰো অভাৱ তাইৰ কাৰণে।

ইতিমধ্যে এই অৱস্থাৰেই তাই নিজৰ চাৰিটি সন্তান জন্ম দিলে। গাওঁখনৰ নিয়ম -কানুন শ্ৰুতিৰমতেই চলি আছিল ।হোম পুৰি বিয়া নোহোৱাৰ বাবে তেতিয়ালৈকে সিহঁতক ৰাইজে সামৰি লোৱা নাছিল। সেয়ে চাৰিটি সন্তান জন্মৰ পিছত বিহুতী -মুহিৰামৰ বিয়াৰ নিয়ম কৰা হৈছিল। মুহিৰামৰ ঘৰখনৰ চাৰিওটি ককাই-ভায়ে বিয়া কৰোৱাৰ পিছত কৃষিভিত্তিক ঘৰখন ভাগ ভাগ হৈছিল। মুহিৰামে লাওপানী খাই দিনে দিনে হুলস্থূল কৰি ঘৰখনত অশান্তিৰ সৃষ্টি কৰিবলৈ ধৰিছিল। এনেকৈয়ে তাই সাতোটি সন্তানৰ জননীও হ'ল। অসীম ধৈৰ্যৰে তাই লোকৰ ঘৰত ৰোৱা-তোলা কৰি তাইৰ ল'ৰা-ছোৱালীকেইটা স্কুললৈ পঠিয়াই থাকিল ।বিহুতীয়ে হাঁহিবলৈ প্ৰায় পাহৰিয়েই পেলাইছিল। এনেতে ভগৱানৰ কৃপাত তাইৰ ডাঙৰ ল'ৰা দেউকণে তেল কোম্পানীত এটা চাকৰি পালে। শান্ত প্ৰকৃতিৰ দেউকণে পৰিয়ালটোৰ দায়িত্ব মূৰ পাতি ল'লে ।আৰ্থিক দৈন্য দূৰ হ'লেও তাই মুহিৰামৰ অত্যাচাৰৰ পৰা আজীৱন মুক্তি নাপালে ।এইয়েই সেই মুহিৰামনে? সুদৰ্শন,গম্ভীৰ,কৰ্মী,কম কথা কোৱা বিয়াৰ আগৰ মুহিৰাম চুতীয়া। নেপালীবস্তিত গৈ নিতৌ মদ খোৱা আৰু ৰাতি ঘূৰি আহি ঘৰখনত সদায় অশান্তিৰ সৃষ্টি কৰাই আছিল মুহিৰামৰ নিত্য -নৈমিত্তিক কাম ।মাৰ-কিল খাই খাই তাইৰ গোটেই গাটোত বিষ হ'লগৈ। একেৰাহে তিনিবছৰ বিছনাত পৰি থাকি মুহিৰামৰো মৃত্যু হ'ল। মুহিৰামৰ মৃত্যুৰো এতিয়া দুবছৰ পাৰ হৈ গ'ল। তাইৰ স্বাস্থ্যও আগতকৈ বহুত হানি হ'ল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজেও গতি কৰে। স্থবিৰতা কোনো সমাজৰ লক্ষণ হোৱা উচিত নহয় ।স্থবিৰ সমাজে আচলতে উন্নতি নোহোৱাকে সূচায়। বিহুতীয়েও এই চাৰিকুৰি দুবছৰত গাওঁখনৰ বহু পৰিৱৰ্তন হোৱা দেখিলে ।দেখিলে উদ্যোগীৰ হাতত হোৱা উন্নতিৰ ঢল। দেখিলে কৰ্মবিমুখৰ অধোগতি। এই পৰিৱৰ্তনৰ ঢৌৱে বিহুতলীকো চুই গ'ল ।ঘৰে ঘৰে গোৱা হুঁচৰিৰ লগতে বিহু আহিল মঞ্চলৈ। নতুনচামে প্ৰতিভা বিকাশৰ সুযোগ পালে। হুঁচৰী প্ৰতিযোগিতা, বিহুনৃত্য প্ৰতিযোগিতাৰ লগে লগে থাকে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান। কণ কণ নাতি-নাতিনীবোৰে নিৰ্ভয়ে কৰা অনুষ্ঠান পৰিৱেশন সঁচায়ে বৰ আকৰ্ষণীয় হৈ পৰে। সেইবোৰ দেখি-শুনি বিহুতীৰ আনন্দৰ চকুলো নিগৰে। বৃহত্তৰ চাচনী মৌজাতো মঞ্চবিহু আৰম্ভ হোৱা আজি ভালে কেইবছৰেই হ'লহি। এইবছৰ চাৰিদিনীয়াকৈ পতা বিহুতলীত বিহু উৎসৱৰ আজি তিনিদিন পাৰ হৈ গ'লেই

।বিহুতী ওলাই যাবই পৰা নাই ।গাটো কিবা জ্বৰে-বিষে তত্ নাইকীয়া হৈছে ।যোৱাবেলি ল'ৰাবোৰে বিহুতীক জোৰকৈ নি চকীত বহুৱাই দিছিল ।কোনোদিন চকীত বহি নোপোৱা বিহুতীৰ সংকোচেৰেই গোটেই সময়খিনি পাৰ হৈছিল। সেইদিনা পুৱা শুই উঠি বিহুতীয়ে জ্বৰটো অলপ কম হোৱা যেন অনুভৱ কৰিলে। ডাঙৰ নাতিনীজনীয়ে আবদাৰ কৰিলে ,"আইতা ওলাবাচোন বিহু চাবলৈ আজি ।আমি ধৰি ধৰি নিম নহয়। আজি মই তিনিটা পুৰস্কাৰ পাম।" বিহুতীয়ে মাথো ক'লে-"বাৰু চাওঁচোন দে।"

গাটো ধুই পুৱাৰ চাহ-জলপান খাই বিহুতীয়ে বৰপেৰাটো মেলিলে। সেইজোৰ পুৰণা মুগাৰ ৰিহা-মেখেলা ।মাকে ঘৰৰে চোমনিত মুগা পুহি বৈ কাটি দিয়া কাপোৰ, যিজোৰৰ লগত তাইৰ বহুতো স্মৃতি বিজড়িত হৈ আছে ।যিজোৰ পিন্ধিয়েই তাই মুহিৰামৰ লগত সংসাৰ কৰিবলৈ ঘৰৰপৰা পলাই আহিছিল। তাই কাপোৰজোৰ চুই চালে,মৰম কৰিলে, আলফুলে ওপৰেৰে হাত বুলালে। কাঠৰ চন্দুকটো খুলি পুৰণা অলংকাৰকেইপদ উলিয়ালে। জোনবিৰি, ঢোলবিৰি,গলপতা আৰু গাম খাৰুজোৰ পিটিকি-মোহাৰি চালে। লাহে লাহে বিহুতীৰ মনটো বাস্তৱ জগতৰ পৰা আঁতৰি আহিল। তাইৰ গাভৰুকালৰ ছবিবোৰ চকুৰ আগেদি চিনেমাৰ ৰিল যোৱাদি যাবলৈ ধৰিলে। গাৰুটোত মূৰটো দি বিহুতী একান্তমনে ভাবত নিমগ্ন হ'ল। কোন কাহানিয়েই যে শেষ হ'ল তাইৰ সেই সুখৰ সোণালী দিনবোৰ। শালিকা চৰাইজনীৰ কিৰিলিতহে বিহুতীৰ সম্বিত ঘূৰি আহিল। তাই ভাবিবলৈ ধৰিলে-সেই মুগাৰ কাপোৰজোৰ নিশ্চয় তাই মৰিলে অলপ সময়ৰ কাৰণে পিন্ধাব। তাৰপিছত গোটেই জীৱন জুৰি আবুৰত সোমাই থকা মানুহজনীক সম্পূৰ্ণ উলঙ্গ কৰি পেলাব। তাই আৰু ভাবিব নোৱাৰিলে। খঙতেইনে আক্ৰোশতে বিহুতী ঘামিবলৈ ধৰিলে। তাই কাপোৰজোৰ আৰু অলংকাৰকেইপদ উলিয়াই থ'লে। আজি বিহুতলীলৈ তাই এইবোৰ পিন্ধি যাবলৈ মনে মনে সিদ্ধান্ত ল'লে।

দুপৰীয়া ভাত পানী খাই বিহুতীয়ে কাপোৰজোৰ পিন্ধি ল'লে। অলংকাৰ কেইপদো পিন্ধিলে। সৰু আৰ্চীখনৰ ওচৰলৈ গৈ তাই এটা সেন্দূৰৰ ফোঁটো লৈ চালে। পিছ মুহূৰ্ত্ততে গামোছাৰে ফোঁটতো ভালকৈ মচি এসোঁতা কান্দি ল'লে। তাৰ পিছত তাই ওলাই গ'ল বিহুতলীলৈ বুলি। বাটত যেয়ে লগ পালে সেয়ে মাত একোষাৰ দি মুখ লুকুৱাই হঁহাযেন দেখিলে বিহুতীয়ে। হাঁহক,সকলোৱে হাঁহক , বিহুতীৰ কালৈকো ভ্ৰুক্ষেপ নাই। সৌজনী মুহিৰামৰ বায়েক ৰহদৈ। গাঁৱত পোনাৰ মাক বুলিয়েই জনাজাত। গাঁৱত তিৰোতা মানুহে উপাধিৰ লগতে নামটোও মাক-দেউতাকৰ ঘৰতে থৈ আহে। তাৰ পিছত অমুকৰ মাক, তমুকৰ মাক বুলিয়েই চলি যায়। এইজনীৰ মুখখনৰ কাৰণেই মানুহে তাইৰ আগেদি যাওঁতে ভয়-সংকোচেৰে পাৰ হয়। লাহে লাহে বিহুতী ৰহদৈৰ ওচৰ পালেগৈ। বিহুতীক দেখিয়েই ৰহদৈয়ে ভৰিৰ পৰা মূৰলৈকে চাবলৈ ধৰিলে। তাৰ পিছত চিঞৰি উঠিল, "মুহিৰাম গ'ল নহয়। তই এতিয়া পখিলা হ'লি।" বিহুতীৰ অন্তৰ দহি গ'ল। এই বয়সতনো তাই সেইষাৰ কথা শুনাৰ যোগ্যনে। তথাপি তাই মুখেৰে একো উত্তৰ নিদিলে। মাইকী মানুহৰ শত্ৰু অকল মতা মানুহেই নহয়। মাইকী মানুহৰ ডাঙৰ শত্ৰু আচলতে মাইকী মানুহহে। বিয়াৰ পিছত গোটেই জীৱনটো তাই কান্দি-কাতিয়েই পাৰ কৰিলে।

এইদৰে গৈ থাকোঁতে তাই বিহুতলী কেতিয়ানো পালেগৈ তত্ ধৰিবই নোৱাৰিলে ।সকলোফালে চকুফুৰাই তাই চকী এখনতে বহি পৰিল। এনেতে এজনী মুগাৰ কাপোৰ পিন্ধা কিশোৰীয়ে বিহুতীক চাহ একাপ দিলেহিয়েই কাগজৰ গিলাচ এটাত।"এৰা, ল'ৰা-ছোৱালীবোৰে দেখোন বহুত ভাল ভাল কথা শিকিছে। এইবোৰকে দেখি -শুনি আচাৰ-ব্যৱহাৰ বেয়াবোৰৰো পোন হ'বগৈ ",তাই ভাবিলে। মঞ্চত বিহুকুঁৱৰী প্ৰতিযোগিতাত প্ৰথম হোৱা ছোৱালীজনীয়ে নাচি আছিল। বিহুতী নাচ চাই চাই তন্ময় হৈ পৰিল। তাৰ পিছতে নাতি ৰিংকুহঁতৰ হুঁচৰিজোৰা,প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত। এনেতে ওচৰৰে দুদুলে আহি সবিনয়ে সুধিলেহি-"আইতা আমাৰ হুঁচৰিজোৰাৰ লগতে অকণমান স্ফূৰ্তি কৰিবনে। আমাৰো ভাল লাগিব ।"কি ভাবি জানো বিহুতীয়ে ঘপহকৰে কৈ দিলে-"হ'ব বাৰু যা" বুলি।

ঢোলৰ ছেওৱে ছেওৱে বিহুতীয়ে নাচিবলৈ ধৰিলে লাহে লাহে। ৰাইজে হাত-চাপৰিৰে উৎসাহ যোগালে। ঢোলৰ ছেও ক্ৰমাৎ খৰ হ'বলৈ ধৰিলে।

"টাকুৰি ঘূৰাদি ঘূৰ ঐ নাচনি
ঐ টাকুৰি ঘূৰাদি ঘূৰ ........."

ইকি,বিহুতী দেখোন সঁচাকৈয়ে ঘূৰিবলৈ ধৰিলে। অলপ ঘূৰাৰ পিছতে বিহুতী মঞ্চত ঢলি পৰিল। সমূহ ৰাইজৰ মাজত হুৱাদূৱা লাগিল। ইতিমধ্যে বিহুতীৰ প্ৰাণপক্ষী বিহুতলীতে পৰমধামলৈ উৰা মাৰিলে। ৰাইজে দেখিলে তেওঁৰ মুখমণ্ডলত যন্ত্ৰণাৰ কোনো চিন-মোকাম নাই। এনেহে লাগে যেন তেওঁ এক স্বৰ্গীয় সুখানুভূতিত আপ্লুত হৈ শুইহে আছে।

# প্ৰতিধ্বনি

মল্লিকা শৰ্মা বৰদলৈ

ভৰ দুপৰীয়া, বেলিটো ঠিক মূৰৰ ওপৰ পাইছেহি। এইখিনি সময়তে ডিঙিটো শুকাই আহে সিদ্ধিৰ, তেনেকুৱাতে চেনী দিয়া ৰঙা চাহ এবাতিৰ প্ৰয়োজন অনুভৱ হয় তাৰ। ৰাতিপুৱা ভালকৈ পোহৰ হ'ব নাপাওঁতেই ওলাই সি ঘৰৰপৰা। এইহেন প্ৰখৰ ৰ'দতো দিনটো অকলেই পথাৰত কাম কৰে। অকলে মানে পথাৰখনত আন মানুহ নথকা নহয়, সকলোৱে নিজৰ ভাগে ভাগে কামত লাগিয়ে থাকে। পিছে সিহে তাৰ মাটিখিনিত কাম কৰিবলৈ বেলেগ মানুহৰ সহায় পৰাপক্ষত নলয়। কৰিব পৰালৈকে নিজেই কৰি থাকে। আচলতে এই মাটিখিনি তাৰ নিজৰো নহয়, তাৰ গাঁৱৰে ৰমেশ দোকানীৰহে মাটি। খেতি কৰা মানুহ বিচৰা খবৰটো পাই সি নিজেই গৈছিল খুজিবলৈ। দোকানীৰ পৰা সি আধিয়াৰত মাটিখিনি লৈছিল। অকলেই কৰে কাৰণে খেতিৰ যি ধান পাই দুভাগ কৰি সি এভাগ লৈ দোকানীৰ ঘৰত আনটো ভাগ দিলেই হৈ যায়। সেইকণ ধানেৰে অন্ততঃ বছৰটোৰ বেছিখিনি সময় চলাই দিব পাৰে তাৰ ঘৰখনে। ঘৰখনত পৰিয়াল বুলিবলৈ তিনিটাই প্ৰাণী। মাক, সি আৰু তাৰ মানুহজনী। বায়েকজনী সি এল পিত থাকোঁতেই বিয়া হৈ গ'ল। চাবলৈ গ'লে তাৰ এতিয়া সুখৰে সংসাৰ। মানুহজনীক মালা পিন্ধাই বিয়া পাতি অনা বৰ বেছি নহ'লেও এই মাঘতে দুবছৰ হ'বগৈ।

তাইৰ কথা ভাবিলে শৰীৰৰ দুখ ভাগৰবোৰ কমি যোৱা যেন লাগে তাৰ। ঠিক ভোক-পিয়াহত শুকাই কৰ্কৰিয়া লগা ডিঙিটোত ঠাণ্ডা পানী এঘটি পৰাৰ দৰেই। কথাষাৰ ভাবোঁতেই টিকটিকীয়া ৰঙা বেলিটো কপালত আঁকি ওৰণিখনেৰে আধালৈকে মুখখন ঢাকি তাই এহাতে জলপানৰ টোপোলাটো, আনহাতে চাহৰ কেটলীটো লৈ আহি থকা চকুত পৰে তাৰ।

"এশ বছৰ আয়ুস হ'ব দে এইজনীৰ"

মনতে কথাষাৰ বাজি উঠে। সিদ্ধিৰ ৰ'দে পোৰা দেহাটো তাইক দেখিলে শাঁত পৰি যায়। উৎকট গৰমত কাম কৰি গৈ পুখুৰীত জাঁপ মাৰি দিওঁতে যিমান শাঁত পৰে তাতকৈও বেছি। ওলাই আহিব খোজা হাঁহিটো ওঁঠতে টিপি ধৰি সি অন্যমনস্ক হৈ দেখুৱায়। তাইক বহুত কথা ক'বলৈ মন যায় তাৰ, অথচ একোৱেই কোৱা নহয়গৈ।

তাই তাৰ হাত দুখনত লাহে লাহে পানী ঢালি দিওঁতে, অকস্মাত দুয়োটাৰে চকুৰে চকুৰে পৰে। সি মুখখনলৈ একেথিৰে চাই ৰয়। তাই তলমূৰ কৰে, ওৰণিখন এনেয়ে অলপকৈ টানি লয়। "তাইৰ বাৰু এতিয়াও লাজ লাগে নেকি?" সিদ্ধিৰ সোঁধো সোঁধো লাগে, নোসোধে। তাই জলপানৰ টোপোলাটো খোলে, তাৰ মুখখন উজ্জ্বলি উঠে। বৰা চাউলৰ লগত গুৰেৰে সনা জলপানৰ, নাৰিকল ৰোকা আৰু ৰঙা চাহ ..। কেনেকৈ বাৰু খবৰ পাই যায় তাই, তাৰ ভাললগা, নলগাবোৰৰ? আজিলৈকে দেখোন সি মাককো কোৱা নাই, "বৰা চাউলৰ জলপানৰ লগত নাৰিকল ৰোকা" খাই, সি যে কিমান ভালপায়। মাকজনীয়ে তাৰ ভাললগা বুলিলে সেইবিধ বস্তু খুৱাবলৈ কমখন কষ্ট কৰেনে? য'ৰ পৰা হ'লেও বিচাৰি আনি খুৱাব। কাৰোবাৰ ঘৰলৈ খুজিবলৈ যোৱা কথাটো একেবাৰেই বেয়া পাই সি, সেই এটা কাৰণতেই বহুত কথা মাককো নজনোৱাকৈ থৈ দিয়ে মনতে।

ঃ গুৰ , ক'ত পালি ?

ঃ পিতায়ে দি গৈছিল,

ঃ ল, অলপ তয়ো খা,

ঃ নালাগে, ঘৰত খামগৈ...

খাবলৈ, মন থকা স্বত্বেও টোপোলাটোত নাৰিকল ৰোকা অলপ এৰে সি। সি জানে, সেইখিনি ঘৰলৈ উভতি যাব, তাকেই তাই তৃপ্তিৰে খাব। 'ঘৰত খাম' বুলি কোৱা কথাষাৰ তেতিয়া মিছা হৈ নাথাকে আৰু।সন্তুষ্টিৰে টোপোলাটো বান্ধি, তাই ঘৰমূৱা হয়। বুকু জুৰ পেলোৱা বতাহজাকে তাক চুই থৈ যায়। শুকান অথচ উজ্জ্বল মুখখনৰ পোহৰবোৰ চকুৰে মুখে লাগি ৰয়। এইখিনিয়ে কাম কৰিবলৈ দুগুণ শকতি দি থৈ যায় তাৰ দেহাটোক।

পিছে এই সময় সদায় এনেকুৱা আছিল জানো? সৌ সেইদিনালৈকে ইমান সহজটো নাছিল কথাবোৰ। আগৰ কথাবোৰ

ভাবিলে আজিও বুকুখন কেনেবা লাগে তাৰ। মানুহজনীয়ে যতনাই দি যোৱা তামোলখন বৰগছজোপাৰ তলতে বহি পাগুলিয়াই থাকোঁতে কথাবোৰ চকুৰ আগলৈ অহা যোৱা কৰিবলৈ ধৰে....

গাঁৱৰ আটাইতকৈ চকুত লগা কেইজনীৰ মাজৰে এজনী পদুমী। পদুমীৰ পিতাকে ডাকঘৰত চকিদাৰৰ কাম কৰে। পঢ়া-শুনা নথকা গাঁৱৰ বেছিখিনি মানুহৰ ভিতৰতে পদুমীৰ পিতাকৰ সৰুকৈ হ'লেও চাকৰিটো থকা বাবেই যথেষ্ট সন্মানো কৰিছিল মানুহে। পদুমীহঁতৰ পৰিয়ালত পিতাক-মাক, বায়েক, তাই আৰু সৰুভনীয়েক এজনী। কামে কাজে পাকৈত পদুমীৰ সৰুৰেপৰাই পঢ়া শুনা কৰাৰো মন আছিল। পিতাকে নিজৰ সামৰ্থ্যৰে যিমান পাৰে কৰিছিল সিহঁতৰ কাৰণে। ডাঙৰজনীৰ পঢ়াত বৰ ৰাপ নাছিল বাবে তাই এল. পি পাছ কৰাৰ পিছত আৰু পঢ়িবলৈ ইচ্ছাও নকৰিলে। ঘৰতে মাকৰ লগত বোৱা-কটা, হাঁহ-পাৰ-ছাগলী চোৱা কামত ব্যস্ত হৈ পৰিল। গাভৰু হোৱাৰ পিছত তাইলৈ এযোৱা দুযোৱাকৈ দৰাও আহিবলৈ ধৰিলে। সম্পূৰ্ণ নিয়ম নীতি মানি চলা পিতাকে অৱশ্যে ওঁঠৰ বছৰ হওঁতেহে বিয়াৰ বাবে মত দিছিল। অৱশেষত ভাল ল'ৰা এটাৰ লগতে পদুমীৰ বায়েকৰ বিয়াখন হৈ গৈছিল।

পদুমী ইতিমধ্যে হাইস্কুল পাইছিলগৈ। লাহে লাহে গাভৰু হৈ অহা পদুমী ৰূপে-গুণে, কামে-কাজে চকুত পৰা হৈ আহিল। একেখন গাঁৱৰে পদুমীতকৈ সাত, আঠমান বছৰে ডাঙৰ সিদ্ধি। সিদ্ধিৰ পিতাকৰ তেনেকৈ মাটি বাৰী বুলিবলৈ একো নাছিল। আচলতে সিদ্ধিৰ মাকৰহে গাওঁ এইখন। কেওঁ কিছু নথকা পিতাকে মাকক বিয়া কৰোৱাৰ পিছত শাহুৰেক মানে সিদ্ধিৰ বুঢ়ী আয়েকৰ কথা মতে ঘৰ জোঁৱাই হৈয়ে থাকি গৈছিল। সিদ্ধিৰ মাক ঘৰৰ একমাত্ৰ, ককায়েক, ভায়েক, আগে পিছে কোনো নাছিল। মাকজনীৰ বুঢ়া বয়সত চোৱা চিতা, মাতষাৰ দিয়া মানুহেই নোহোৱা হ'ব বুলিয়েই জোঁৱায়েকক ঘৰতে ৰখাৰ সিদ্ধান্ত লৈ থৈছিল বুঢ়ী আইতাকে। পিছে বিধিৰ কি বিধান, জোঁৱায়েকে শাহুৰেকৰ বুঢ়া বয়সৰ লাখুটি হোৱাৰ আগতে নিজেই এই সংসাৰ এৰি যাবলগীয়া হ'ল। তেতিয়া সিদ্ধি আৰু বায়েক তেনেই সৰু সৰু । মাকে দিনে ৰাতিয়ে দেহে কেহে খাটি দুয়োটাকে কোনোমতে ডাঙৰ কৰি তুলিলে। সিদ্ধিক পঢ়াশালিতো নাম লগাই দিলে। বায়েকৰ পঢ়া শুনা কৰা নহ'লগৈ। গাভৰু হোৱাৰ দুবছৰমান পিছতে ওচৰৰ গাঁৱৰ দোকানী এজনে মন্দিৰতে বিয়া পাতি লৈ গ'ল তাইক। ৰাইজক বিয়ালৈ মাতি খুৱাব পৰা অৱস্থা তেতিয়া মাকৰ নাছিল, সিদ্ধিও তেতিয়া এল. পি পাছ কৰাই নাছিল। এটা সময়ত সিদ্ধিও ডেকা হ'ল। ঘৰৰ দায়িত্ব তাৰ মূৰৰ ওপৰত আহি পৰিল। টকা পইচাৰ পৰা আৰম্ভ কৰি বিভিন্ন কাৰণত তাৰ সপ্তমমানৰ পিছত আৰু পঢ়া নহ'লগৈ। মাকৰ দৰে সিও অ'ত ত'ত কাম কৰি ঘৰখন একেলগে চলাই থাকিল। তেনেকৈয়ে হাজাৰটা অভাৱ অনাটনৰ মাজতো সুখেৰে চলি গৈছিল ঘৰখন।

পদুমীহঁতৰ ঘৰলৈ তাৰ প্ৰায়েই অহা যোৱা হৈ থাকে। পদুমীহঁতৰ ল'ৰা নথকা বাবে বাৰীৰ পাণ-তামোল, নাৰিকল যি ওলাই সেইবোৰ বজাৰলৈ সিদ্ধিয়েই লৈ গৈ বেচি দিয়েগৈ। বিনিময়ত সিও টকা কেইটামান পায়। সঘন আহ যাহ হ'লেও পদুমীয়ে কিন্তু তাৰ লগত বেছি দৰকাৰ নাথাকিলে কথাও নাপাতে। পিছে সিদ্ধি ! আৱেগ অনুভূতি বুজা হোৱাৰেপৰাই পদুমীলৈ মোহ এসোপা জাগিছিল তাৰ বুকুত। কোনেও গম নোপোৱাকৈ লুকাই লুকাই চাই সি পদুমীক। পদুমীক দেখিলেই তাৰ বুকুত কিবা এটাই বিন্ধা যেন কৰে, সি আগৰেপৰাই জানিছিল তাৰ পদুমীলৈ যিমান মৰম আদৰ থাকিলেও সেই কথা তাইক কেতিয়াও জনাব নোৱাৰিব। এফালে পদুমীহঁতৰ ঘৰৰ অৱস্থা তাতকৈ বহুগুণে ভাল আনফালে তাই তাতকৈ বেছি পঢ়া, ৰূপে গুণেও সাইলাখ লখিমী। তাৰ দৰে একো কাম বন নোহোৱা এটাক তাই কি বুলিনো নিজৰ মনটো সঁপি দিব। মনত কষ্ট হ'লেও আক্ষেপ নাছিল তাৰ। তাই সুখী হ'লে সিও সুখী হ'ব, লাগিলে তাই কোনোদিনেই নুশুনক তাৰ মনৰ মাজত অনবৰতে হৈ থকা তাইৰ নামৰ প্ৰতিধ্বনি...।

পদুমী ইতিমধ্যে দশম শ্ৰেণী পালেগৈ। গাওঁখনৰ মেট্ৰিক দিয়া মানুহৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। তেনেক্ষেত্ৰত পদুমী সাধাৰণ ঘৰৰ ছোৱালী এজনী হৈও দশম শ্ৰেণী পোৱা কথাটো বৰ সাধাৰণ কথা নহয়। কিছুমানৰ যদি সন্মান আন কিছুমানৰ ইৰ্ষাৰ পাত্ৰ হ'বলৈ এই এটা কাৰণ যথেষ্ট। সিহঁতৰ ওচৰৰ গাওঁখনৰে এগৰাকী প্ৰভাৱশালী ব্যক্তি "ললিত মণ্ডল"। সিদ্ধিহঁতৰ গাওঁখনতকৈ সেইখন গাঁৱৰ মানুহখিনি কিছু চহকী। প্ৰায়ভাগ মানুহেই পঢ়া শুনা কৰা। মণ্ডলৰ সৰু পুতেক বিপিন কলেজত পঢ়ে। মটৰ চাইকেল লৈ কলেজলৈ অহা যোৱা কৰোঁতে চকুত পৰিছিল চাগৈ পদুমীক। বিপিন ল'ৰাটো কিছু জেদী, উৎপতীয়া স্বভাৱৰ। বিভিন্ন ছোৱালীৰ লগত তাৰ হলি গলি বুলি বহুতেই জানে কথাটো। কিন্তু মণ্ডলৰ দৰে হাত দীঘল মানুহজনৰ সমুখত জানিলেও কাৰো মুখ খুলি কোৱাৰ সাহ নহয়। পদুমীক চকুত পৰাৰ দিনাৰেপৰা বিপিনৰ পদুমীহঁতৰ গাঁৱলৈ

অহা যোৱা আৰম্ভ হ'ল। পদুমী কেতিয়া ক'লৈ যায় তলে তলে সকলো খবৰ কৰিলে সি। বিপিনে তাইৰ পিছ লোৱা কথাটো পদুমীৰ পৰা বেছিদিনলৈ লুকাই নাথাকিল। হয়তো বিপিনেও তাকেই বিচাৰিছিল। বিদ্যালয়লৈ অহা যোৱা বাটত সি প্ৰায়েই তাইক লগ কৰিবলৈ ৰৈ থাকেগৈ। বিপিনে প্ৰথমতে ভালকৈয়ে আৰম্ভ কৰিলে কথা বতৰা। সৌজন্যৰ খাতিৰত পদুমীয়ে মাত দিয়াৰ বাহিৰে আন একো কথা নাপাতে তাৰ লগত। সি ভাবিছিল লাহে লাহে তাই তাৰ প্ৰতি আকৰ্ষিত হ'বই, পিছে দিন বাগৰাৰ লগে লগে পদুমীয়ে তাক বিশেষ গুৰুত্ব নিদিয়া দেখিহে অধৈৰ্য্য হৈ পৰিব ধৰিলে সি।

এদিন পদুমী বিদ্যালয়ৰ পৰা উভতাৰ সময়ত বাটতে আগ ভেটি ধৰিলে বিপিনে। পদুমীৰ ভয় হ'ল, লগত কোনো নথকাৰ সুযোগ লৈ কি কৰে কোনে জানে? পিছে সি একো কৰা নাছিল। ওলোটাই তাইক আচৰিত কৰি পেলাইছিল কথাৰে। সি কৈছিল, সি তাইক ভালপাই, তাইৰ উত্তৰৰ বাবে গোটেই জীৱন ৰৈ থাকিব পাৰিব সি। তাইৰ নামতে সি নিজৰ জীৱন উচৰ্গা কৰি দিবলৈও সাজু। পদুমীয়ে সঁচাকৈয়ে বৰ ভয় খাইছিল সেইদিনা। এফালে ভালপোৱাৰ প্ৰস্তাৱ আৰু আনফালে তাইৰ বাবে জীৱন দিয়া কথা, আগতে কাৰো মুখতে শুনা নাছিল তাই। ক'ব নোৱাৰাকৈয়ে পদুমীৰ মনত সেই কথাষাৰে খোপনি পুতি ল'লে। কথাবোৰ ভাবোঁতে ভাঁবোতে বুকুৰ কোনোবাখিনিত বিপিন নামৰ ভাললগা অনুভৱটোৱে কেতিয়ানো ঘৰ কৰি ল'লে তাই গমকে নাপালে। বিপিনলৈ ভয় কমিল, তাৰ ঠাইত আৰম্ভ হ'ল দৰদ। বিপিনৰ দৰে ধনী ঘৰৰ পঢ়া শুনা ল'ৰা এটাই তাইৰ দৰে সাধাৰণ ছোৱালী এজনীক ভালপায়, তাতকৈ ডাঙৰ কথা কি হ'ব পাৰে। আহোঁতে যাওঁতে তাইলৈ ৰৈ থকা বিপিনক দেখিলে তাইৰো ভাললগা হৈ আহিল। ক্ৰমশঃ তাই প্ৰেমত পৰি গ'ল বিপিনৰ, জীৱনৰ প্ৰথম প্ৰেম।

বিপিনৰ লগত পদুমীৰ সম্পৰ্ক খুব কম সময়তে বহুখিনি আগবাঢ়িল। আহোঁতে যাওঁতে দুয়ো বাটত লগ কৰা, বিপিনে ইটো সিটো বস্তু কিনি দিয়া, কিছুমানৰ চোকা দৃষ্টিৰ পৰা লুকাই নাথাকিল। ইকাণ সিকাণকৈ কথাবোৰ আলোচনা হ'ব ধৰিলে। কথাবোৰ সিদ্ধিৰ কাণতো পৰিল, হুমুনিয়াহ এটা কঢ়াৰ বাহিৰে সি আৰু কৰিবই বা কি? হওক, পদুমী যে চাকৰ- নাকৰে ভৰা এখন ঘৰলৈ যাব, একো কষ্ট নাপাব, সেইটো ভাবিও দেখোন সুখী হ'ব পাৰে সি। সিদ্ধিয়ে বিপিনৰ চৰিত্ৰৰ কথা নাজানিছিল, জনাৰ প্ৰয়োজনো নাছিল। আচলতে বিপিনে জানিছিল জাল পাতিবলৈ, আৰু বিপৰীতে পদুমীৰ আছিল তাৰ ওপৰত অগাধ বিশ্বাস। সেই বিশ্বাসৰে সুবিধা লৈ আগবাঢ়ি গ'ল বিপিন। মেট্ৰিক পৰীক্ষাৰ বাবে আৰু কেইটামান মাহ বাকী, সেই সময়তে বিপিনৰো কিবা কামত দীঘলীয়া সময়ৰ বাবে চহৰলৈ যোৱাৰ কথা ওলাল। তেনেকুৱা এটা দিনতে বহুদিনলৈ লগ নোপোৱাৰ অজুহাতত সি তাইক তাৰ লগত কিছু সময় কটাবলৈ বুলি অলপ দূৰৈৰ ঠাই এখনলৈ ফুৰাবলৈ লৈ গ'ল। প্ৰিয় মানুহজনৰ লগত কিছু নিবিড় মুহূৰ্ত কোনে নিবিচাৰে? পদুমীও গ'ল সেই হেঁপাহতে। পিছে তাই এবাৰো নাজানিলে সেইদিনটোৰ কেইটামান মুহূৰ্তই তাইৰ জীৱনলৈ কিমান কঠিন সময় কঢ়িয়াই আনিবলৈ ৰৈ আছিল। এনেয়ো অতদিনে বিপিনে তাইক কথাৰ মায়াজালত বন্দী কৰি পেলাইছিলেই। প্ৰিয় পুৰুষৰ অনুৰোধ, আকুলতা, সেই প্ৰথম স্পৰ্শ, হ'বলৈ গৈ থকা সকলো অনুচিত বুলি জানিও, একোৱেই বাধা দিব নোৱাৰিলে তাই। অৱশ্যে তাই বাধা দিবলৈ চেষ্টা নকৰা নহয়, কিন্তু অৱশেষত হৃদয়ৰ সমুখত, বিপিনৰ আৱেগিক কথাৰ সমুখত হাৰি গৈ, সঁপি দিলে নিজক। বিপিনৰ মনে বিচৰাৰ দৰেই হৈ গ'ল কথাবোৰ। তাই তাৰ হাতত ধৰি উভতি আহোঁতে, বাৰে বাৰে সুধি থাকিল, তাইক বিয়া কৰাব নে নকৰাই? সি আশ্বাস দিলে, তাৰ প্ৰতিশ্ৰুতিত পদুমী কিছু আশ্বস্ত হ'ল। তাইৰ হাতখন সি কেতিয়াও নেৰে বুলি তাৰ ওপৰত বিশ্বাস আছিল তাইৰ, হয়তো অন্ধবিশ্বাস।

কিছুদিন পিছত বিপিনো গুচি গ'ল চহৰলৈ। লাহে লাহে পদুমীৰ মনৰ পৰা সেইদিনটোৰ কথাবোৰ আঁতৰি গ'ল। বিপিনলৈ বৰকৈ মনত পৰি থাকিল যদিও তাৰ লগত যোগাযোগৰ কোনো সুবিধা নাপালে। তাইৰ পৰীক্ষা ওচৰ চাপি আহিল। তেনেকুৱাতে পদুমী জ্বৰত পৰিল। মূৰৰ বিষ, মূৰ ঘুৰোৱা, এইবোৰ কাৰণত পৰীক্ষা যিমানেই কাষ চাপি আহিল সিমানেই পঢ়াত মন দিব নোৱাৰাহে হ'ল তাই। পঢ়া- শুনাত মন দিব নোৱাৰা দেখি পিতাকে এদিন লৈ গ'ল চৰকাৰী চিকিৎসালয়খনলৈ। সাধাৰণ পৰীক্ষা নিৰীক্ষা কৰাৰ পিছত ডাক্তৰ ছাৰজনে এনেকুৱা এটা কথা ক'লে, যিটো শুনাৰ পিছত পিতাকৰ ভৰিৰ তলৰ মাটিখিনি একপ্ৰকাৰ খহিহে পৰিল যেন নিমিষতে। "পদুমীৰ গৰ্ভত সন্তানে থিতাপি" লোৱা বুলি ঘোষণা কৰি দিলে ডাক্তৰে। পদুমী তাতেই ঢলি পৰিল। যেতিয়া তাই চকু মেলিলে তেতিয়া ঘৰৰ বিছনাখনত শুই থকা পালে নিজক। কাষৰ কোঠাত মাক আৰু ভনীয়েকৰ উচুপনি তাইৰ কলিজাত শেল হৈ বিন্ধিব ধৰিছিল। পিতাকে নিজৰ কোঠাটোৰ দুৱাৰখন বন্ধ কৰি সোমাই থাকিল। দিক বিদিক হেৰুৱাই পেলোৱা পদুমীয়ে, কি কৰিব কি নকৰিব একো উৱাদিহ নোপোৱা হ'ল। বসুমতী আকৌ এবাৰ ফাঁট মেলক আৰু কাৰো সমুখত এক মুহূৰ্তও নথকাকৈ তাই সোমাই পৰক তাতে, অন্তত তাই সেইটোকে প্ৰাৰ্থনা কৰিছিল বাৰে

বাৰে। দূৰ্বল দেহাটোতে  মাকে উধাই মুধাই চৰিয়ালে তাইক। তাই বাধা নিদিলে এবাৰো। পাপ কৰিছে তাই, সঁচাকৈয়ে পাপ আছিল নে তাইৰ মনটোত? শেষত মাক- পিতাকৰ জেৰাত সকলো কথা কৈ পেলালে পদুমীয়ে। বিপিনে যে তাইক কথা দিছে, নিজৰ কৰি লোৱাৰ সেইটোও ক'লে। অৱশেষত পিতাকে ভাবি গুণি নিজেই ললিত মণ্ডলৰ ঘৰলৈ গৈ কথাবোৰ বিৰৰি কৈ, বিয়াৰ প্ৰস্তাৱ আগবঢ়োৱাটোকে ঠিৰাং কৰিলে। বৰ জোঁৱায়েককো লগত লৈ বিপিনহঁতৰ ঘৰলৈ গ'ল তেওঁ। ইতিমধ্যে পুতেক আৰু পদুমীৰ মিলা মিচাৰ কথা ললিত মণ্ডলৰ কাণত পৰিছিল। পদুমীৰ পিতাকে সকলো কথা বিৰৰি কৈ গ'ল। কৰযোৰে ছোৱলীজনীক আঁকোৱালি ল'বলৈ অনুৰোধ কৰিলে। মণ্ডলৰ বাবে যি মানুহ তেনেই নগণ্য সেই মানুহে তেওঁৰ ঘৰলৈ আহি ছোৱালীক বিয়া কৰাই অনাৰ প্ৰস্তাৱ দিয়ে তাকো যি গৰ্ভৱতী। সহ্য কৰিব পৰা নাছিল ললিত মণ্ডলৰ অহংকাৰে। নিজৰ ল'ৰাক সোঁধাতো দূৰৰে কথা বিভিন্ন কথাৰে পদুমীক চৰিত্ৰত প্ৰশ্ন উঠাই পিতাকহঁতক অপমানিত কৰি পঠিয়াই দিলে। লাজে অপমানে জৰ্জৰিত হৈ উভতি আহি সেইদিনা প্ৰথমবাৰৰ বাবে পদুমীৰ গাত হাত তুলিলে তেওঁ। কান্দিবলৈ পাহৰি গৈছিল পদুমীয়ে, তাৰ পিছতো তাই বিপিনৰ বাবে বাট চাই ৰ'ল। "পদুমী অন্তঃসত্বা"....ললিত মণ্ডলৰ ঘৰৰ পৰা অহাৰ ৰাতিটোৰ ভিতৰতে কথাষাৰ গোটেই গাওঁখনত বিয়পি পৰিল। দুই এজনৰ বাহিৰে সকলোৱে পদুমীৰ গাতেই দোষ দিলে। "ধনী ঘৰৰ ল'ৰা দেখি ৰ'বই নোৱাৰিলে, বিয়াৰ আগতেই এইবোৰ পাপ কৰিবলৈ গ'ল। নিজে ভাল হ'লে আনে কি কৰিব পাৰে।" ইত্যাদি ইত্যাদি কথাবোৰ, কাণে কাণ বাগৰি মুখৰোচক কাহিনীৰ সৃষ্টি হ'লগৈ।

এই সকলোবোৰৰ বিপৰীতে আছিল সিদ্ধি, যিয়ে কেতিয়াও পদুমীক দোষ দিব পৰা নাছিল। কাৰোবাক মন সঁপিলে জীৱনো যে নিজে নিজেই সঁপি দিয়া যায়, সেই কথা সি বুজিছিল। যিমান চেষ্টা কৰিলেও তাৰ বুকুখনে বেয়া পাবই নোৱাৰিছিল তাইক। পদুমীৰ মন গৈছিল নিজকে শেষ কৰি দিবলৈ। তাই পৰিকল্পনাও কৰিছিল তাৰ। সেইদিনা  দোকমোকালিতে চাদৰ এখন মূৰে গায়ে উৰি লৈ ঘৰৰ পৰা ওলাই গৈছিল পদুমী। সেই সময়ত পথাৰলৈ মানুহবোৰ যায়েই বাবে কোনেও একো ভবা নাছিল। "নদীৰ"  ফালে খৰধৰকৈ খোজ লোৱা পদুমীক মন কৰিছিল একমাত্ৰ সিদ্ধিয়ে। সিও সেই সময়ত পথাৰলৈ ওলাই আহিছিল। কিবা এটা সন্দেহত সি পথাৰৰফালে খোজ নলৈ পদুমীৰ পিছে পিছে বাট পোনালে । আৰু ঠিক সি সন্দেহ কৰাৰ দৰেই নদীত জাঁপ দিবলৈ সাজু হোৱা পদুমীক চিঞৰি থাপ মাৰি ধৰিলে, দূৰলৈ টানি আনি, বুকুৰ ক্ষোভ উজাৰি পাৰে মানে খং কৰিলে তাইক। পদুমীৰ কি হ'ল জানো, কোনোদিনে ভালকৈ কথাও নপতা সিদ্ধিৰ বুকুত মুখ গুজি হুকহুকাই কান্দি উঠিল। হয়তো ইমানবোৰ ঘটনাৰ পিছত বুকুত সোমাই থকা ক্ষোভ, দুখ, যন্ত্ৰণা সকলো একাকাৰ হৈ প্ৰথমবাৰলৈ চকুপানীবোৰ মুষলধাৰে বৈ আহিল, বহুদেৰিলৈকে কান্দিলে তাই। সেই চকুপানীত সিদ্ধিৰ অভিমানবোৰো গলি গলি শেষ হ'ল। যাক আটাইতকৈ বেছি ভালপায়, সেইজনৰ চকুৰ চকুপানী কেনেকৈ চাই থাকিব পাৰি। পৰা হ'লে চকুপানীবোৰ সামৰি ল'লেহেঁতেন সি, জোৰকৈ সাৰটি ল'লেহেঁতেন তাইক....

বাট চাই চাই, পদুমীৰ বিশ্বাসো হাৰি গ'ল। দুমাহ পিছত উভতাৰ প্ৰতিশ্ৰুতি দিয়া বিপিন চাৰিমাহ পিছতো উভতি নাহিল। ডাক্তৰৰ ওচৰলৈ যোৱাৰ আগতেই পদুমীৰ গৰ্ভৰ সন্তানটো নষ্ট হৈ থাকিল। বুকুৰ মাজতে বৈ গ'ল এটুকুৰা ধুব নোৱাৰা ঘাঁ। শৰীৰ নে মন, কিহৰ যন্ত্ৰণাত হিয়া ঢাকুৰি কান্দিলে তাই, সেয়া প্ৰশ্ন হৈয়ে থাকিল।  নিজকে শেষ কৰিবলৈ যোৱা কথাটো সিদ্ধি আৰু তাইৰ মাজতে থাকি  গ'ল। লাহে লাহে মানুহবোৰৰ বাবেও কথাবোৰ পুৰণি হ'লগৈ। পদুমীৰ পঢ়া জীৱনৰ তাতেই সামৰণি পৰিল। ঘৰখনৰ সুখবোৰ, মানুহৰ দৃষ্টিবোৰ আগৰ দৰে হৈ নাথাকিল। সকলো সলনি হ'ল, কেৱল সলনি  ন'হল সিদ্ধিৰ বুকুৰ সুৰটো। তাৰ আগৰ দৰেই আহ যাহ চলিল সিহঁতৰ ঘৰলৈ। তাৰ মাজতে আৰু এটা কথা সলনি হ'ল, পদুমীৰ মনত সিদ্ধিৰ প্ৰতি মান বাঢ়িল, তাই সমীহ কৰিবলৈ ল'লে তাক। তাৰ মাজতে এদিন মাকৰ আগত তাৰ মনৰ কথাবোৰ খুলি ক'লৈগৈ সি। তাৰ মাকো সাদৰী, তাৰ মনৰ কথাটো বুজি পাবলৈ মাকৰ সময় নালাগিল। ছোৱালীজনীক সি আদৰি ল'লেও তেওঁৰ আপত্তি নাই কিন্তু সমাজখনে তাক বা গ্ৰহণ কৰে নে নকৰে সেই লৈহে চিন্তা মাকৰ।

পদুমীৰ ঘৰখনত অশান্তিবোৰ শেষ নহ'ল, এতিয়া পিতাক মাকৰ চিন্তা, তাইকতো কোনেও বিয়া নকৰাবই, তাইৰ কাৰণে সৰুজনী একো দোষ নথকা স্বত্বেও ঘৰতে বৈ যাব। কোনোবাই বিচাৰিলেও কেতিয়াও বিয়াত নবহে বুলি পদুমীয়ে বহুত আগতেই সিদ্ধান্ত লৈছিল। তাইৰ  অন্তৰখনতো ভাঙি থানবান হৈছিলেই, দিনে দিনে স্বাস্থ্যও ভাঙি আহিল। সিদ্ধিয়ে সহিব নোৱাৰা হ'ল তাইৰ অৱস্থা। এদিন ভাটিবেলা মাকক লৈ সিদ্ধি পদুমীহঁতৰ ঘৰলৈ গ'ল। নমতাকৈয়ে মাকক লৈ যোৱা বাবে আচৰিতো হ'ল সকলো। সিদ্ধিৰ মাকে কওঁ নকওঁকৈ আৰম্ভ কৰিলে,

"ল'ৰাটোৱে আপোনালোকৰ ছোৱালীজনীক নিজৰ কৰি লোৱাৰ আশা পুহি ৰাখিছে। মই জানো আপোনালোকৰ তুলনাত আমাৰ বিশেষ একো নাই। তথাপিও ছোৱালীয়ে আমাৰ ঘৰত সুখেই পাব বুলি ধৰিব পাৰে, এতিয়া আপোনালোকে বা কি কয়?"

প্ৰথমতে সকলোৱে সৰুজনীৰ কথা ক'বলৈ অহা বুলিহে ভাবিলে। সা সম্পত্তি নাথাকিলেও সিদ্ধিৰ দৰে সৎ ল'ৰা এটালৈ ছোৱালী দিবলৈ তেওঁলোকৰ আপত্তি নাই, কিন্তু ছোৱালীজনীৰ বয়সটো। সৰুজনীৰ বয়সটো কম হৈ থকাৰ বাহিৰে বেলেগ একো সমস্যা বা আপত্তি নাছিল পিতাকৰ। সমস্যাটো তেতিয়াহে আহি পৰিল যেতিয়া সিদ্ধিয়ে ভুল ভাঙি পদুমীৰ কথাহে কোৱা বুলি ক'লে। বদনামী হোৱা ছোৱালীজনীলৈ সৎ মানুহ এজনে নিজেই আহি হাতখন আগবঢ়াই দিয়া কথাটোক কোনে নাকচ কৰিব পাৰে? পিতাকহঁতে সিদ্ধিৰ ৰূপত ঈশ্বৰক দেখা হেন পালে। পিছে পদুমী? শুনা মাত্ৰকে একেষাৰতে মানা কৰিলে তাই..। "অসম্ভৱ...অসম্ভৱ" তাই মনৰ মাজতে চিঞৰি থাকিল। অসম্ভৱ এই কাৰণে নহয় যে তাই সিদ্ধিক বেয়া পাই বা তাৰ একো নাই বুলি ভাবে, আচলতে অসম্ভৱ আছিল তাৰ দৰে সৰল মনৰ মানুহ এজনৰ লগত সম্পৰ্ক কৰি সুবিধাবাদী হৈ পৰাটোহে। পদুমীয়ে জানে যে সি পুতৌ কৰিবও বিচৰা নাই, তথাপি তাই কোনোপধ্যেই মান্তি ন'হ'ল, তাইৰ লগত বিয়া পাতি তাৰ জীৱনটো কেৱল অশান্তিৰহে হ'ব বুলি সন্দেহ আছিল মনত। কিন্তু সিদ্ধিও আছিল নিজৰ মতত দৃঢ়। পদুমীক তাৰ লগত বিয়া হোৱাৰ হাজাৰটা কাৰণ দি আহিছিল ভাবিবলৈ। তাৰ লগত বিয়া হৈ তাই তাৰ জীৱনটো সুন্দৰহে কৰিব ধ্বংস নকৰে বুলি বিশ্বাস যে আছিল তাৰ। আৰু এটা সময়ত তাইৰ কোনো বিৰোধিতা, কোনো যুক্তি তৰ্ক তাৰ দৃঢ়তাৰ সমুখত কামত নহা হৈ পৰিল। তাইৰ নিজৰ চিন্তাধাৰা, সিদ্ধিৰ সততাৰ সমুখত তেনেই নগণ্য হৈ পৰিল। সিদ্ধিৰ প্ৰতি বুকুত কিবা অনুভৱ যে আছিল সেয়া ঠিক কিন্তু তাইৰ বাবে সেয়া ঈশ্বৰ নে ভালপোৱাৰ এক ৰূপ সেইটো সদায় সাঁথৰ হৈয়ে থাকিল।

বিয়া ঠিক হ'ল, মানুহে ভাগে ভাগে কথা ক'লে। তথাপি কোনো কথাই লৰচৰ কৰিব নোৱাৰিলে সিদ্ধিৰ মন। গাওঁবুঢ়া, গিয়াতি আৰু চুবুৰীয়া কেইগৰাকীমানৰ সমুখত আঁঠু লৈ মালা পিন্ধাই বিয়া পাতিলে পদুমীক। যি আজি চাওঁতে চাওঁতে দুবছৰেই হ'বলৈ হ'ল। সেইদিন ধৰি পদুমীয়ে কেৱল পোহৰ বিলাইছে তাৰ জীৱনত। তাৰ মতে, অভাৱনীয় এটা ঘটনাৰ বাবে গোটেই জীৱন কেৱল এজনেই শাস্তি পাই থকাটো অন্যায়েই। মনৰ মানুহগৰাকীক নিজৰ কৰি সি এতিয়া ভীষণ সুখী। সি জানে পদুমীয়েও এতিয়া কেৱল তাকেই ভালপায়, ক'বই নালাগে, তাইৰ চকুতে ফুটি উঠে। পদুমী আৰু তাৰ মাজৰ সম্পৰ্কটো এতিয়াও ফুলিব ধৰা ফুলপাহৰ দৰেই সুন্দৰ, যিয়ে কেৱল সুবাস বিলাব জানে, ভালপোৱাৰ সুবাস....।

"ঐ সিদ্ধি, আজি কাম সামৰাই নাই নে?"

গাঁৱৰে ভদ্ৰৰ মাততহে সি মন কৰিলে, কথাবোৰ ভাবি থাকোঁতে ভালেমান পৰ হ'ল, আৰু কিছুপৰৰ পিছত বেলি ডুবিবৰে হ'ব। আনদিনা সি ইয়াতকৈ সোনকালেই ঘৰলৈ উভতে। পদুমী আৰু তাৰ কথাবোৰ মনতে সামৰি সি ঘৰমুৱা হয়।

সন্ধিয়া দোকানৰ পৰা কিবা এটা আনি তাইৰ হাতত গুজি দিয়েগৈ সি। মেৰিয়াই অনা কাগজখন খুলি, তাইৰ চকুদুটা জিলিকি উঠে। "ব'ৰ'প্লাছ" চিনাকি হ'লেও নামটো আকৌ এবাৰ পঢ়ি চায় চকুহালে। নোকোৱাকৈয়ে কেনেকৈ জানিলে মানুহজনে, এসপ্তাহ ধৰি যে, ক্ৰীমটো তাই কটাৰীৰে হেঁচি হেঁচি মুখত ঘঁহি আছে। লগতে এযোৰ সোণালী ৰঙৰ কাণফুলিও।

"সোণৰ দিবতো নোৱাৰোৱে, এইযোৰকে পিন্ধিবি"- সি কয়।

তাই জানে সেইযোৰ সোণৰ নহয়, কিন্তু যে, সোণতকৈও অধিক মূল্যৱান সেয়া তাই বুজাব নোৱাৰে তাক। ভাল কাপোৰযোৰৰ মাজত কাণফুলিযোৰ সযতনে ভৰাই থয়। তাৰ বুকুৰ অকৃত্ৰিম চেনেহবোৰত মূৰ দোঁ খাই যায়। চলচলীয়া হোৱা চকুযুৰিৰে পদুমীয়ে তাইৰ মানুহজনলৈ চায়। সিদ্ধিৰ দিনটোৰ ভাগৰ মৰে,

"ভালপাওঁ তোক ..,"

তাৰ বুকুৰে গুণগুণাই।

"বহুত ভালপাওঁ..",

তাই আওৰাই যায়।

যি কথা কোৱা নহ'ল, অথচ বুজা হৈ গ'ল, সেই কথা দুয়োৰে বুকুত এনেকৈয়ে ৰৈ ৰৈ প্ৰতিধ্বনিত হয়, চিৰদিনলৈ...।।

# প্ৰেম–চিৰদিন চিৰকালৰ...

**মিতুমণি কলিতা**

অ'টোখন আহি একেবাৰে মোৰ মাৰ ঘৰৰ পদূলিতে ৰ'ল। চালকজনক ভাড়াটো দি মই দৌৰি যোৱাদি গৈ গেট খুলি ভিতৰলৈ সোমাই গ'লো। মই যিফালেৰে গৈছো সেইফালটো পায়েলৰ জুনুক জুনুক শব্দেৰে মুখৰিত হৈ গৈছে। ঘৰৰ ভিতৰলৈ গৈ মই চিধাই আইতাক বিচাৰি বিচাৰি পিচফালৰ চোতাল পালোঁগৈ। জুই একুৰা আগত লৈ মূঢ়া এটাত আইতা বহি আছে। জাৰৰ দিন তাতে আকৌ সন্ধিয়াৰ সময়; জুইকুৰা আইতাই যেন বুকুৰ মাজতে লৈ ফুৰিব। মই আইতাৰ ওচৰলৈ গৈ আইতাৰ কোচত মুৰটো গুজি বহি পৰিলোঁ। মই গৈ পিচফালৰ বাৰান্দা পাওতেই আইতাই মোৰ উপস্থিতিৰ উমান পাইছিল। মোৰ মুৰটোত স্নেহৰ আঙুলি ফুৰাই ফুৰাই আইতাই সুধিলে-

ঃ কি ও জেচি কথা নাই বতৰা নাই এনেকৈ হঠাত আহি ওলালিহি যে ?

আইতাৰ কোচৰ পৰা মুৰটো নদঙাকৈয়ে মই ক'লো-

ঃ কিয় মই অহাই বেয়া পালা নেকি ?

ঃ সেইটো কথা নহয় ও । তোক বাৰু মই বেয়া পাব পাৰিম নে ?

মই একো নামাতিলোঁ ।

ঃ ঋতুৰ সৈতে তোৰ কিবা লাগিল হ'বপায় ?

আচৰিত হৈ মই মুৰ দাঙি আইতাৰ ফালে চালোঁ ।

ঃ তুমি কেনেকৈ জানিলা আইতা ?

মিচিকিয়া হাঁহিৰে আইতাই উত্তৰ দিলে-

ঃ বয়স মোৰ এতিয়া ৯০ চুও চুও হৈছে । চকুৰ আগত বহু ঘটনা দেখিলোঁ ।তোকো সেই নাঙঠ কালৰ পৰাই পাইছোঁ । তোৰ কথা মই নাজানিম নে ? কি হৈছে ক ।

একো নকৈ কিছুপৰ মই মনে মনে ৰ'লোঁ । মই মনে মনে থকা দেখি আইতাই মোক মৰমৰ ধমক এটা দি ক'লে-

ঃ ক আকৌ । মনে মনে আছ যে ?

ঃ চোৱাচোন আইতা;আজি ৰবিবাৰ বাবে ঋতু ঘৰতে আছে। মই তেওঁক হ'লত চিনেমা চাবলৈ যাবলৈ লগ ধৰিলোঁ । হ'লত পেদমেন চলি আছে। চাবলৈ যাম বুলি ভাবিও যাবগৈ পৰা নাই। কিন্তু আইতা তেওঁ একেষাৰেই মানা কৰি দিলে । ক'লে যে বেলেগ এদিন যাব। তেওঁৰ বোলে অ'ফিচৰ কাম আছে কিবা।

ঃ ও থাকিবও পাৰে দেচোন।

ঃ অ'ফিচৰ কামবোৰ তেওঁ কিয় ঘৰলৈ লৈ আহিব লাগে কোৱাচোন। বন্ধ বুলিতো অলপ আনন্দ কৰিব লাগে । তেওঁক মই বৰকৈ জোৰ কৰা দেখি মোক দবিয়াই উঠিল জানানে!

কথাখিনি কওতে মোৰ চকু দুটা চলচলীয়া হৈ পৰিল। মোৰ মুখখন আজলি পাতি লৈ আইতাই হো হোৱাই হাঁহিবলৈ লাগিল। আইতাৰ ওপৰতো মোৰ অভিমান জাগি উঠিল। কেচুৱা কালৰ পৰাই মোক বৰ আলাসত ডাঙৰ কৰিছে। অকণো আঁচোৰ পৰিবলৈ দিয়া নাছিল। আইতাৰ বাবেটো মই স্বৰ্গৰ পৰী। যাৰ সৈতে জীৱনৰ বাট বুলিবলৈ সাঁঙোৰ খালো তেওঁটো আৰু এখোপ চৰা। মোক ইমানেই আটোম টোকাৰিকৈ ৰাখে যে কিবা ক'বলৈ মোৰ ওঠ দুটি কঁপিলেই তেওঁ গম পাই মই কি ক'ম। সেইবাবেই চাগে কোনোবাই অলপো যদি টানকৈ কৈ দিয়ে মই একেবাৰে সহ্য কৰিব নোৱাৰোঁ । ঋতুই দবিয়াই দিয়া বাবেই মই নিজৰ গাড়ীত নাহি অ'টো লৈ ঘৰ ওলালোঁহি। মই জানো অলপ পিচতেই আতুৰ হৈ ঋতু আহি পাব আৰু মোক মৰমেৰে উপচাই পেলাব ।

হাঁহি বন্ধ কৰি আইতাই ক'লে-

ঃ আকৰী জনী । ইমান সৰু কথাতে তই তাক খং কৰি গুচি আহিব লাগেনে ? সি যে কিমান কষ্ট পাইছে ।

আইতাই ইচ্ আচ্ কৰি উঠিল ।মই আইতাৰ ফালে চাই থাকিলোঁ ।

ঃ শুন জেচি । তই তাৰ সৈতে এনেকুৱা নকৰিবি । সি তোক কিমান ভাল পাই তইতো জানই । তোৰ প্ৰতিটো অব্দাৰ পূৰ কৰে। আজি বৰ জৰুৰী কাম আছে চাগে তাৰ।

আইতাৰ কথাখিনিয়ে মোৰ গাত ধৰিলে। এতিয়াহে ভাবিছোঁ যে মই ভুল কৰিলোঁ । মোৰ মুখৰ ৰং সলনি হৈ যোৱা দেখি আইতাই ক'লে—

ঃ এতিয়া মন বেয়া নকৰিবি। অলপ পিচত সি আহিবই । তই মোক খুন্দনাটো আনি তামোল এখন খুন্দি দেচোন । তোক মই মোৰ প্ৰেমৰ কাহিনী শুনাও। কেনেকৈ মই প্ৰেমৰ বাবে পৰীক্ষা দিছিলোঁ ।

আইতাৰ কথা শুনি মোৰ মুখ মেল খাই গ'ল। আইতাৰ প্ৰেম কাহিনী ! মই শুনিবই লাগিব । আইতাৰ কাষৰ পৰা উঠি খুন্দনা বিচাৰি মই পাকঘৰ পালোঁগৈ। মায়ে চাহ পগাই আছে। মাক কোৱাত মায়ে মোক খুন্দনাটো আৰু তামোল-পাণ-চূণ যতনাই দিলে। মই কাৰ লগত আহিলোঁ মাই মোক সুধিলে । মই চমুকৈ উত্তৰ দি আইতাৰ কাষলৈ দৌৰ দিলোঁ । আইতাৰ কাষত বহি তামোল খুন্দিবলৈ আৰম্ভ কৰি আইতাক ক'লোঁ-

ঃ কোৱা আইতা।

ঃ কি ?

ঃ তোমাৰ প্ৰেম কাহিনী ।

আইতাৰ মুখখন উজ্জ্বলি উঠিল । পুৰি যোৱা খৰিবোৰ জুইৰ মাজলৈ আগবঢ়াই দি দি আইতাই আৰম্ভ কৰিলে আইতাৰ প্ৰেম কাহিনী ।

"সৌ তাহানিৰ কথা ।তেতিয়াৰ দিনৰ সকলো কথাই বেলেগ আছিল । ছোৱালীবোৰৰ জীৱনবোৰো বহুত বেলেগ আছিল। আমিবোৰে তঁহতৰ লেখিয়াকৈ ইমান মুকলিমুৰিয়াকৈ থকাৰ সুযোগ পোৱা নাছিলোঁ । আমি তঁহতৰ দৰে পেন্ট চাৰ্ট পিন্ধাৰ কথা ভাবিবই পৰা নাছিলোঁ । ল'ৰাবোৰেও পেন্ট পিন্ধা নাছিল ।"

আইতাৰ কথাবোৰ মই বৰ মনযোগেৰে শুনি থাকিলোঁ ।

"আমিবোৰে ঘৰত পিন্ধা পোচাকৰ কথা ক'লে তঁহতে হাঁহিবি ।"

ঃ কি পিন্ধিছিলা আইতা?

ঃ "দীঘল দীঘল গ্ৰাউন (স্কাৰ্ট) ঘৰতে চিলাই লৈছিলোঁ । তাৰ সৈতে ব্লাউজ পিন্ধিছিলোঁ আৰু গামোচা মেৰিয়াই লৈছিলোঁ। ডাঙৰ বোৰে চাদৰ মেখেলা পিন্ধিছিল। তেতিয়াৰ দিনত আকৌ এটা বৰ অদ্ভুত নিয়ম আছিল । "

খুন্দনাৰ পৰা খুন্দা তামোল অলপ আইতাক দি নিজেও অলপ মুখত ভৰালোঁ আৰু খুন্দনাটো সামৰি থৈ আইতাক সুধিলোঁ-

ঃ কি নিয়ম আইতা ?

তামোল সলপি সলপি আইতাই কৈ গ'ল -

"তেতিয়াৰ দিনত আগবিয়া পিচবিয়াৰ প্ৰচলন আছিল । ছোৱালীবোৰক তোলনি হোৱাৰ আগতেই বিয়া দিয়া হৈছিল । দৰাৰ বয়সক গুৰুত্ব দিয়া নহৈছিল । বিয়াৰ পিচত ছোৱাৰীজনীক মাকৰ ঘৰতে ৰখা হৈছিল আৰু তোলনি হোৱাৰ পিচত দৰাজনৰ সৈতে আকৌ এবাৰ বিয়া দিয়া হৈছিল ।"

ঃ তোমাৰ বিয়াও তেনেকৈ হৈছিল নেকি আইতা?

ঃ তেনেকুৱা বুলিয়েই ক'ব পাৰ । কিন্তু মোৰ কাহিনী কিছু ব্যতিক্ৰম আছিল। মোৰ যেতিয়া আগবিয়া হৈছিল তেতিয়া মোৰ বয়স আছিল মাত্ৰ ৭। মোৰ বিয়া হৈছিল গাঁৱৰে যোগেন নামৰ ১৩ বছৰীয়া ল'ৰা এজনৰ সৈতে। বিয়াৰ পিচত অন্য ছোৱালীৰ দৰে ময়ো মাৰ ঘৰতে থাকিলোঁ। আগতকৈ বহুত বেছি নীতি নিয়ম মানি চলিব লগীয়া হৈছিল।

যোগেন মানে তোৰ ককা বিয়াৰ পিচতেই কাম কৰিবলৈ বৰপেটালৈ গ'লগৈ। তাহানি গাডী মটৰো নাছিল আৰু

আজিৰ দৰে গিজগিজাই থাকিবলৈ জনসংখ্যাও বেছি নাছিল। তোৰ ককাৰ যি গ'ল গ'লেই। ক'তো একো খবৰ নাই। ফোনতো দুৰৰে কথা চিঠি পত্ৰৰ ব্যাৱহাৰো মই নাজানিছিলোঁ। সময় বাগৰি গ'ল। ময়ো পুস্পিতা হ'লোঁ। মোৰ বিয়াক লৈ আই পিতাইৰ মহাচিন্তা হ'বলৈ ধৰিলে। অন্য এজনৰ সৈতে আগবিয়াত সোমোৱা ছোৱালীজনীকনো কোনে বিয়া কৰাব ? তাৰ মাজতো কিন্তু দুই এজন আগবাঢ়ি আহিছিল। কিয়নো মোৰ পিতাই বৰ প্ৰতিপত্তিশালী লোক আছিল। কিন্তু কিয় জানো মই কাকোয়েই পচন্দ কৰিব পৰা নাছিলোঁ।"

বৰ আচৰিত হৈ মই আইতাক প্ৰশ্ন কৰিলোঁ-

ঃ কিয় আইতা ?

তামোলে ৰঙা কৰা ওঠ দুখন মচি মচি আইতাই কৈ গ'ল-

"মোৰ আগবিয়াৰ সময়ত যদিও মই নিচেই সৰু আছিলো;তথাপি ডাঙৰ হোৱালৈ কথাবোৰ ভালকৈয়ে মনত আছিল। লগৰ কিজনীয়েও যোগেনৰ কথা কৈ কৈ মোক জোকাইছিল ।বুজন হোৱাৰ পিচত জোকোৱা কথাবোৰে মোৰ বুকুত খুন্দিয়াইছিল আৰু যোগেনক মই মোৰ হৃদয়ত দেৱতাৰ আসনত বহুৱাই পূজা কৰিবলৈ ধৰিলোঁ। মনতে মই প্ৰতিজ্ঞা ল'লোঁ যে যোগেন যদি ঘূৰি নাহে তেন্তে মই আবিয়ৈ হৈয়ে জীৱন পাৰ কৰিম। সেয়ে কোনোবা ল'ৰাই যেতিয়া মোক চাবলৈ আহিছিল; তেতিয়া মই তেওঁলোকৰ সন্মুখত বৰ আচৰিত আচৰণ কৰিছিলোঁ যাতে মোক অপচন্দ কৰে। চাবলৈ অহা মানুহৰ চকুৰ আগতেই মই ভাত বাটি খাবলৈ বহিছিলোঁ । মোৰ তেনে আচৰণবোৰ অৱশ্যে কামত আহিছিল । কিন্তু ঘৰত কোনোদিন মই যোগেনৰ কথা উলিওৱা নাছিলোঁ। মাথোঁ নিৰৱে অপেক্ষা কৰি ৰৈছিলোঁ।

মই খুলি নক'লেও পিতাইহঁতে মোৰ মনৰ কথা বুজি পাইছিল আৰু এদিন যোগেনক বিচাৰি ওলাই গৈছিল । লগত যোগেনৰ পিতাকো আছিল।

পিতাইহঁত যোৱা এমাহৰো বেছি দিন পাৰ হৈছিল। অথচ কোনো খবৰ পোৱা নাছিলোঁ। সময় বোৰ যে কেনেকৈ পাৰ কৰিছিলোঁ একমাত্ৰ ভগৱানেহে জানে। দিনে ৰাতিয়েই মই প্ৰাৰ্থনা কৰিছিলোঁ যাতে পিতাইহঁত কুশলে উভতি আহে লগত যোগেনক লৈ । মোৰ প্ৰাৰ্থনা সফল হৈছিল। বহু উচপিচনি; দুচিন্তাৰ অন্ত পেলাই দুমাহ মান পিচত পিতাইহঁত উভতি আহিছিল। চুচুক চামাককৈ যোগেনো পিতাইৰ পিচে পিচে আহিছিল।

পিতাইয়ে যোগেনক বিচাৰি যোৱা কথাটো কাণ বাগৰি বাগৰি বহু দূৰলৈ বিয়পিছিল। সেয়ে যোগেন আহি পোৱাৰ পিচতেই যোগেনক চাবলৈ অনেক লোকে আমাৰ চোতালত ভিৰ কৰিছিলহি; যেন এখন সভাহে হৈছে। লাজ লাজ চাৱনিৰে যোগেন সকলোৰে সন্মুখত বেঞ্চ এখনত বহি আছিল । অনেক ভিৰৰ সুযোগ লৈ ময়ো যোগেনক প্ৰাণ ভৰি চাইছিলোঁ।

কিছুদিন পিচতেই পিতাইহঁতে বৰ ধুমধামেৰে আমাৰ বিয়াখন পাতি দিছিল। মই বৰ হেঁপাহেৰে যোগেনৰ ঘৰত প্ৰৱেশ কৰিছিলোঁ। যোগেন বৰ অজলা আছিল। মাক পিতাক নোহোৱাকৈ বৰপেটাত থাকি ডাঙৰ হোৱা বাবে তেখেতে বহুত কথা নাজানিছিল। পিচলৈ মই তেখেতক মোৰ মতে গঢ়ি লৈছিলোঁ। সংসাৰ ধৰ্ম বৰ সুন্দৰকৈ পালন কৰিছিল।"

ইমানবোৰ কথা একেলগে কৈ আইতাই হুমুনিয়াহ এটা এৰিলে । মই আইতাৰ ফালে চালোঁ । চকুযোৰ তেওঁৰ চলচলীয়া। বুজিলোঁ আইতা বৰ আৱেগিক হৈ পৰিছে। ককা ঢুকোৱা আজি ৫ বছৰেই হ'ল । আইতাই কিন্তু ককাক বুকুতে বান্ধি ৰাখিছে ।

ঃ বাৰু আইতা ককাইনো বৰপেটাত কি কৰি আছিলগৈ ?

ঃ তেখেতে কোৱামতে কাৰোবাৰ ঘৰত গৰু ৰখীয়া হৈ আছিল ।

ঃ তোমাৰ কথা তেওঁৰ মনত আছিল নে ?

ঃ ও আছিল । তেখেতেও বোলে মোক বুকুত কঢ়িয়াই লৈ ফুৰিছিল । আমাৰ সময়ৰ প্ৰেম তহঁতৰ দৰে ঠুনুকা নাছিল ও । তেখেতে বৰপেটাৰ পৰা আহিবলৈ বহুত চেষ্টা কৰিছিল হেনো । কিন্তু মালিকে বুদ্ধি কৰি ৰাখি থৈছিল ।

আইতাৰ কাহিনীয়ে মোক জোকাৰি থৈ গ'ল । ইমান গভীৰ আছিল আইতাহঁতৰ প্ৰেম । ইজনীয়ে সিজনৰ বাবে ৰৈ আছিল বছৰ বছৰ ধৰি । এয়াও জনা নাছিল যে ভালপোৱাজনক পাব নে নাই । অথচ মই কি কৰিছোঁ । সামান্য এটা কথাতে ঋতুক খং কৰি তেওঁক একো নোকোৱাকৈ ইয়ালৈ দৌৰি আহিছোঁ। কিমান কষ্ট পাইছে চাগে তেওঁ । মোৰ মনটো পাপবোধেৰে

উপচি পৰিল । ফোনটো উলিয়াই মই আইতাৰ ওচৰৰ পৰা আঁতৰি আহি ঋতুলৈ ফোন লগালোঁ । ঋতুৰ ফোনৰ ৰিংটনটো মোৰ নিচেই ওচৰতে বজা যেন লাগিল । আগলৈ চাই দেখিলো ঋতু মোৰ কাষতে থিয় হৈছেহি । মোৰ চকুলো ওলাই গ'ল । কিমান যে ভাল পাই মোক তেওঁ । মই তেওঁক সাৱতি ধৰিলোঁ আৰু উচুপি উচুপি ক'লোঁ-

ঃ মোৰ ভুল হ'ল ঋতু । মোক ক্ষমা কৰিবা । আৰু কেতিয়াও মই এনেকুৱা নকৰোঁ । lpromise.

তেঁৱো মোক বৰ আকুলতাৰে সাৱটি লৈ বিৰবিৰালে ।

ঃ নাকান্দিবা মুনা । তুমি কান্দিলে মোৰ একেবাৰে সহ্য নহয় । কাইলৈকে আমি চিনেমা চাবলৈ যাম । অ'ফিচৰ পৰা চুটি ল'লোঁ ।

তেওঁৰ কথাত মোৰ প্ৰাণ ভৰি গ'ল । এনে লাগিল তেওঁক যেন এনেকৈয়ে সাবতি ধৰি থাকিম চিৰদিন চিৰকাল।

# মইনা চৰাইৰ বিয়া

**মনালিছা পাঠক নেওগ**

পোহনীয়া মইনা চৰাইজনীৰ আজি বিয়া। মই দেউতাকটো হৈ ছোৱালীজনীক উলিয়াই দিবলৈ বৰ কষ্ট পাইছোঁ। কালিৰ পৰা তাইৰ মুখলৈ চাব নোৱাৰা হৈছোঁ। তাইও যেন মোৰ মুখামুখি হবলৈ টান পাইছে মই বুজি নোপোৱা নহয়। মাহীয়েক পেহীয়েকক দায়িত্ব দি থৈছে সময় মতে মোক চাহ জলপান যাচি দিবলৈ। যোৱা ৰাতিটো বৰ কষ্টত পাৰ কৰিলোঁ। মোৰ কাষৰ কোঠালিটোত তাইও বৰ চটফটাই পাৰ কৰিলে মই উমান পালোঁ। মইনা চৰাইৰ কাঢ়ি ফুৰা খোজ আৰু অফ অন কৰি থকা টেবুল লাইটৰ শব্দ। নোৱাৰিলোঁ আনদিনাৰ দৰে তাইৰ মূৰত হাত ফুৰাই শুৱাই দিবগৈ। ছোৱালীজনীৰ চকুলৈ চাব নোৱাৰা হৈছোঁ। দুয়ো যুঁজি আছোঁ মনৰ ভিতৰত। জানো মুখামুখি হলে দুয়োৰে দুখবোৰ পাৰ ভাঙি বৈ আহিব। নোৱাৰোঁ মই তাইৰ চকুত চকুপানী চাবলৈ। তাইও নোৱাৰে মোৰ চকুলৈ পানী অহা চাব। হলেও পুৱতি নিশা তাইৰ কোঠালি পালোগৈ। শব্দ নোহোৱাকৈ দুৱাৰখন খুলি সোমাই গলো। বিছনাৰ কাষৰ কম পোহৰৰ টেবুল লাইতটো জ্বলি আছিল। মইনা চৰাইৰ তেতিয়ালৈ টোপনি আহিছিল। বুকৰ মাজত তাইৰ আৰু মোৰ ফ্ৰেম কৰি থোৱা ফটো এখন লৈ শুই আছিল। গালত তাইৰ শুকাই যোৱা চকুপানীৰ দাগ। মূৰত আলফুলে হাত ফুৰাই ওলাই আহিলোঁ মোৰ প্ৰাণৰ পুতলাজনীক।

মইনাচৰাইক মোৰ হাতত তুলি দিয়েই নন্দিনীয়ে চকু মুদিছিল। অপ্ৰাণ চেষ্টা কৰিছিলোঁ নন্দিনীক জীয়াই ৰাখিবলৈ নাই নোৱাৰিলোঁ। তেতিয়াৰ পৰাই

মইনাচৰাই মোৰ সকলো আৰু ময়ো মইনা চৰাইৰ মা দেউতা বাই ভনী বন্ধু সকলো হৈ পৰিলোঁ। একলা দুকলাকৈ মইনা চৰাই বাঢ়ি আহিল। এখুজি দুখুজিকৈ খোজ পেলালে আৰু মোক তা..তা.. কৈ গৈ গৈ শেষত দেউতা বুলিব পৰা হল। সুখবোৰ মোৰ জীৱনত উপচি পৰিল আশীৰ্বাদ হৈ। ব্যৱসায়ও দোপত দোপে আগুৱাই গল। মইনাচৰাই যেন লক্ষ্মী প্ৰতিমা হৈ মোৰ জীৱনলৈ আহিল। মোৰ মাথোঁ এটায়ে উদ্দেশ্য হ'ল মইনাচৰাইক মানুহ কৰা। ব্যৱসায় বিশ্বাসী মানুহৰ হাতত তুলি দি মই মইনা চৰাইৰ তত্ত্বাৱধানত লাগিলোঁ। চকুৰ আগত চৰাইজনী বাঢ়ি গল। ৰূপে গুণে সাইলাখ নন্দিনীৰ দৰে হল। সকলোয়ে কব ধৰিলে নন্দিনী মইনাচৰাইৰ ৰূপ লৈ

উভতি আহিল। পঢ়াটো তাই পিছ পৰি নৰ'ল। সকলো শ্ৰেণীতে প্ৰথম হৈয়ে গল শেষলৈকে। বাহিৰত পঢ়িবলৈ যোৱাৰ সুবিধা পালে কিন্তু মোক নজনোৱাকৈয়ে মইনাচৰায়ে সেই সুবিধা নল'লে। মই কিয় নোযোৱা বুলি প্ৰশ্ন কৰিলত মই গলে তোমাৰ যত্ন কোনে ল'ব বুলি কৈ উঠিল। আস..! ছোৱালীজনী চোন বহুত ডাঙৰ হল। দুচকু উপচি পৰিল। মইনাচৰাইজনী আহি বুকুত আচাৰ খাই পৰিল। চকুৰপানী কোমল হাতখনেৰে মোহাৰি দিলে। মই কলো এতিয়া যে মোক এৰি নাযাওঁ কৈছা সপোন কোঁৱৰ আহি লৈ গ'লে কি কৰিবা?

মই তোমাক এৰি কতো নাযাওঁ বুলি মোৰ আদৰুৱা জীজনী কুচিমুচি বুকুত সোমাই পৰিল। মূৰটো মোহাৰি দি মনতে ভাবিলোঁ এদিন নহয় এদিন তুমি যাবয়ে লাগিব দেউতাৰ বুকুখন শুদা কৰি।

অৱশেষত মই ভবাটোকে হল বিয়া এখনলৈ গৈছিলোঁ দুয়ো বাপ বেটী। মইনাচৰাইৰ মাহীয়েকৰ পুতেকৰ বিয়া। জিকাফুলিয়া পাতৰ কাপোৰত সেউজীয়া লতাফুল থকা কাপোৰ এযোৰ পিন্ধি গৈছিল মইনাচৰায়ে। অপৰূপা লাগিছিল। মোক কাপোৰসাজ পিন্ধি আহি সুধিছিল কেনেকুৱা লাগিছে দেউতা। মই মাথোঁ তাইৰ কাষলৈ গৈ চকুৰ কাষৰ পৰা অলপ কাজল লৈ কাণৰ কাষত লগাই দিছিলোঁ কাৰো যাতে নজৰ নালাগে মোৰ পুতলাজনীক। তাৰ মাজতে নজৰ পৰিছিল এজনৰ। দৰাৰ বন্ধু এজন আহিছিল। অসমৰ লৰা চাকৰি কৰে সুদূৰ আমেৰিকাত। মইনাচৰাইৰ বিষয়ে দৰাৰ পৰা সকলো তথ্য লৈ আমাৰ কাষ চাপিছিলহি। মোৰ সন্মুখত আঁঠুকাঢ়ি সকলোৰে আগত মইনাচৰাইৰ হাত খুজিছিল। কিবা এটা মায়া উপজি গৈছিল লৰাটোলৈ। সকলোৰে আগত ইমান নিৰ্ভীকভাবে ছোৱালী এজনীৰ দেউতাকক এনেকৈ ক'ব পৰা ল'ৰা কেইটা ওলাব পাৰে বুলি ভাবিলোঁ।

ঘৰলৈ আহিবা কথা পাতিম বুলি তাক আশ্বাস দিলোঁ।

মইনাচৰাই লাজতে মূঁছকছ খালে। চকুৰে চকুৰে ইতিমধ্যে দুয়োয়ে ভাব বিনিময় কৰিছিল। মই বুজি উঠিলোঁ। ছোৱালীৰ লৰা পছন্দ হৈছে মানে। পিছদিনা আবেলি মাক দেউতাকক লৈ লৰাজন ঘৰ পালেহি। চা চিনাকি হলো তেওঁলোকৰ লগত। মইনাচৰাইৰ কোঁৱৰজনৰ নাম জোনাক। বেছ সপ্ৰতিভ লৰা। ভদ্ৰ মাৰ্জিত। মোৰ ছোৱালীৰ বাবে উপযুক্ত হব বুলি কথা পাতি গম পালোঁ। জোনাক আমেৰিকা উভতি যাবগৈ সেইবাবে কিবা নিয়ম এটা কৰি থৈ যাব বিচাৰিলে। জোনাক আৰু মইনা চৰাইক অকলশৰে কথা পাতিবলৈ সুবিধা দিলোঁ। অলপ সময় কথা পতাৰ পাছত চৰায়ে মোক মাতি নিলে।

মই সুধিলোঁ - কি হল তোমালোকে কথা পাতা আকৌ।

জীৱনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো লওঁতে তুমিও মোৰ কাষত থকা বিচাৰোঁ দেউতা।

মইনাক বহুত ডাঙৰ যেন লাগি গল হঠাতে। মইনায়ে মোক হাতত ধৰি লৈ গল জোনাক বহি থকা কোঠালিটোলৈ আৰু ক'লে,

জোনাক এইয়া মোৰ মা দেউতা বন্ধু সকলো। মোৰো কোনো কথা এওঁৰ পৰা লুকাই নাথাকে। মই নোকোৱাকৈ সকলো কথাৰ উমান পোৱা মানুহ এইজন। দেউতা মোৰ বাবে পৃথিৱী। দেউতা কাষত থাকিলে মই আন একোৰে হাবিয়াস নকৰোঁ। মই বিচাৰোঁ তুমি মোৰ কথাখিনি যাতে ভালদৰে বুজি পোৱা।

মই মাথোঁ থৰ লাগি চাই ৰলোঁ মোৰ প্ৰাণৰ পুতলাজনীলৈ। এইজনীয়ে নে সেই অকণমানীজনী

যাক নন্দিনীয়ে পঁচিছ বছৰৰ আগতে মোৰ হাতত তুলি দিছিল। আজিচোন বহুত ডাঙৰ ডাঙৰ কথা কব পৰা হ'ল।

মইনাৰ কথা খিনি শুনি জোনাকে বুজি পাইছিল, মাক নথকা ছোৱালীজনীক যে ডাঙৰ কৰাৰ বাবে কিমান কষ্ট স্বীকাৰ কৰিব লগা হৈছিল তাইৰ দেউতাকে সি সকলো বুজি পাইছিল। সেই মুহূৰ্ততে জোনাকে কথা দিছিল। মইনাচৰাইক দেউতাকে যেনেকৈ ৰাখিছে তেনেকৈয়ে ৰাখিব। দুখৰ ছাঁ পৰিবলৈ নিদিয়ে মইনাৰ গাত কোনো কাহানিও।

মই সুখী হৈছিল। দুয়ো আশীৰ্বাদ লৈছিল মোৰ ভৰি চুই। মইনা চৰাইৰ সন্মতি পাই সেইদিনায়ে আঙুঠি এটা পিন্ধাই থৈ গৈছিল জোনাকে। প্ৰতিশ্ৰুতি দি থৈ গ'ল।

পিছৰ মাহত মইনাচৰাইৰ আমেৰিকালৈ যোৱাৰ ভিছা বনাই আনি জোনাকে মইনা চৰাইক বিয়া কৰাই আমেৰিকালৈ লৈ যাব।

মইনা চৰাইৰ বিয়াৰ খবৰটোৱে যিমান সুখী কৰিলে সিমানেই দুগুণ দুখীও কৰি তুলিলে মোক। ঘৰখন চোন খালি হৈ যাব। মইনা নাথাকিলে মইনো কাৰ সতে থাকিম। পুতলাজনীক ক্ষন্তেক নেদেখাকৈ থাকিব নোৱাৰোঁ। এতিয়া মাহেকে, পযেকেটো দূৰৰ কথা বছৰৰ মূৰত মইনাজনীক দেখা পাম নে নাই সন্দেহ হ'ল। কথাবোৰ ভাবিলে চোন বুকুখন খোচ মাৰি ধৰা হল। যিমানেই বিয়াৰ দিন কাষ চাপি আহিল সিমানেই কষ্ট বাঢ়ি যাবলৈ ধৰিলে। মইনা চৰাইৰো একেই দশা হল। মুখ ফুটাই একো কব নোৱাৰিলেও দেউতাকটো হৈ তাইৰ মনৰ ভাব সকলো বুজি পালোঁ। দুয়ো অভিনয় কৰিবলৈ ধৰিলোঁ। বিয়াৰ কথাটো লৈ যে আমি কষ্ট পাইছোঁ কোনেও দেখুৱাই নিদিলোঁ। মইনাক লৈ গৈ কাপোৰৰ বজাৰ কৰিলোঁ। তাইৰ ভাল লগা সকলোবোৰ ৰঙৰ একোজোৰকৈ কাপোৰ আনি দিলোঁ।

জোনাকে যৌতুকৰ নামত একো বিচৰা নাই। খুব জোৰ দি একো নিদিবলৈ মোক অনুৰোধ কৰিলে। সেয়েহে জোনাকৰ কথা ৰাখি মইনাক প্ৰয়োজনীয় কাপোৰকেইজোৰ মানৰ বাদে আন একোৱেই দিয়া নাই । মইনায়ে কিন্তু যৌতুক লৈছে। যৌতুকৰ নামত তাইৰে মোৰে স্মৃতি জড়িত হৈ থকা ফটো এবাকছ সামৰি লৈছে। সেইবোৰ হেনো তাই লগত লৈ যাব আমেৰিকালৈ। তেতিয়া হেনো মোক তাইৰ লগতে থকাৰ দৰে পাব। উসঃ মইনা....

তাৰ মাজতে জোনাকে ভিদিঅ' কল কৰে মইনা চৰায়ে মোকো টানি নিয়ে। তিনিও মিলি কথা পাতোঁ। মইনাক বুজাওঁ তই অকলে কথা পাতিবি তাৰ লগত। নাই তাই নুশুনে আনকি জোনাকেও মোক বিচাৰে ফোন কৰিলে। জোনাকো যেন মইনা চৰাইৰ নিচিনা একেই হৈ পৰিল।

ৰাতিপুৱা জোৰোণ আহি গল। জোৰোণত ভকতৰ ওচৰত সেৰা লওঁতে মোৰ কাষত দীঘলকৈ উৰণি টানি বগা সাজত সোণালী গুণাৰ কাম কৰা কাপোৰযোৰে সৈতে সোণালীজনী হৈ মোৰ কাষতে আঁঠুকাঢ়ি সেৰা আগবঢ়াই গ'ল। মুখখন

একনমানকৈ হে দেখা পালোঁ। উৰণিৰে যেন ইচ্ছা কৰিহে মোৰ পৰা মুখখন লুকুৱাই ৰাখিব খুজিছে মোৰ তেনে লাগিল। সেই যে সৰুতে মাকৰ ভাগৰ চাদৰবোৰ আলমিৰাৰ পৰা উলিয়াই মুখখন ঢাকি লুকা ভাকু খেলিছিল মোৰ লগত। এইয়া যেন আকৌ এক নতুন খেল আৰম্ভ কৰিছে মইনায়ে। নতুন কাপোৰযোৰৰ সৈতে খচমচনী তুলি সেইয়া ভিতৰলৈ সোমাই গ'ল মোৰ মইনা চৰাই। জোৰোণ গল, জোৰোণ পিন্ধি মইনাচৰাই আনৰ হৈ গ'ল।

আবেলি সাজি কাচি চকুত চাট মাৰি ধৰা ৰঙা কাপোৰ এযোৰ পিন্ধি মইনাচৰাই ভিতৰৰ পৰা ৰভাৰ তলিলৈ নামি আহিল। ময়ো কিবা কাম এটাত ভিতৰলৈ সোমাই যাব খুজোঁতে দুয়ো মুখামুখি হ'লো। এইবাৰ আঁতৰি যাব নোৱাৰিলোঁ। দুয়ো চকুৰে চকুৰে পৰিলোঁ। কোনোবা এজনীয়ে কৈ উঠিল সাইলাখ মাকৰ দৰে লাগিছে। সঁচাকৈ এইয়া যেন নন্দিনী নামি আহিছে। সদায় কোৰাৰ দৰে মইনা চৰায়ে কৈ উঠিল দেউতা কেনেকুৱা লাগিছে। বুকুখন খোচ মাৰি ধৰিলে মোৰ। মাথোঁ কাষ চাপি গৈ আগৰ দৰে চকুৰ কোণৰ পৰা অলপ কাজল আঙুলিত লৈ কাণৰ কাষত লগাই দিলোঁ। কাৰো নজৰ নালাগক বুলি। সেমেকা হাঁহি এটা মাৰি মোৰ মইনাজনী আঁতৰি গল। ৰভাতলিত জিলিকি থাকিল মোৰ মইনাজনী।

দৰা আহি কলতল পালেহি। গোটেইখন খদমদম লাগি গল। আনফালে মইনাক মাহ হালধীৰে গা ধুৱাই আনি সজাই পৰাই তুলিছে। আয়তীয়ে জাক জাক কৈ বিয়া নাম গাইছে। আগতেই তেওঁলোকক কৈ থোৱা আছে মইনা চৰাইৰ চকুপানী ওলোৱাকৈ দুখ লগা বিয়া নাম নাগাবলৈ। সেয়েহে ধেমেলীয়া নাম গাইছে তেওঁলোকে।

এইয়া গোত্ৰ ছিঙি কন্যা সম্প্ৰদান কৰিছোঁ মোৰ মইনাজনীক। মইনা গোত্ৰ ছিঙি বিয়া দিলেও তোৰ দ কৈ গজি থকা শিপাবোৰ বুকুৰ মাজত থাকি যাব। উৰণিৰ তলত কান্দিছিলি নেকি বাৰু মোৰ পুতলীজনীয়ে। বিয়া সম্পূৰ্ণ হ'ল বুলি দেউয়ে মন্ত্ৰ মাতিলে।

এইয়া মইনাচৰাইক বিদায় দিবলৈ ওলাইছোঁ। জোনাকৰ হাতত তাইৰ হাত দি জোনাকৰ চকুলৈ চাইছোঁ। জোনাকে যেন মোক পঢ়ি পেলালে। মূৰ দুপিয়াই মইনাচৰাইক ভালকৈ ৰাখিম বুলি যেন কৈ গল। কেতিয়াবা শব্দৰ প্ৰয়োজন নোহোৱাকৈয়ে সকলো হৈ যায় যদিহে আপোনাক মৌনতাক কোনোবাই বুজি পায়। মইনাজনী বুকুৰ মাজলৈ সোমাই আহিল। কিমান যে কষ্ট কৰিব লগা হৈছে তাই চকু পানী চেপি ধৰিবলৈ। কিয়নো তাই কান্দিলে যে তাইৰ দেউতাকেও কান্দিব। ময়ো অপ্ৰাণ চেষ্টা কৰিছোঁ। অৱশেষত আমি দুয়ো জিকিলোঁ। চকু পানী নোলোৱাকৈ দুয়ো সুন্দৰ অভিনয় কৰি গ'লো।

এইয়া মইনাক গাড়ীৰ দুৱাৰ খুলি বহুৱাই দিছোঁ। কাইলৈ ৰাতিপুৱা মইনা আৰু জোনাক আমেৰিকালৈ উৰা মাৰিব। কপালত এটা চুমা আঁকি বিদায় দিছোঁ মোৰ মইনাজনীক।

যা আই নতুন জীৱন আৰম্ভ কৰগৈ। সুখেৰে তোৰ জীৱন ভৰি পৰক।

পিছলৈ নোচোৱাকৈ উভতি আহিলোঁ। এতিয়াৰ পৰা মইনা নথকা ঘৰখনতে থাকিব লাগিব মই উদং বুকু লৈ। মানুহবোৰো এটা দুটাকৈ গৈ গৈ শেষ হৈছে। মাহীয়েক পেহীয়ক সকলোয়ে মইনাক নতুন ঘৰত থবলৈ গৈছে। এখুজি দুখুজিকৈ ভিতৰলৈ সোমাই আহিলোঁ। দুৱাৰৰ চুকৰ পৰা মাত আহিল দেউতা চোৱা চোন মই কত লুকাই আছোঁ। কু...উক... এইয়া চোন মইনা মোৰ লগতেই আছে। সেইজনী চোন মোৰ কণমানিজনী ইখন দুৱাৰৰ চুকৰ পৰা সিখন দুৱাৰৰ চুকলৈ কণমানি ভৰি দুখনে দৌৰ মাৰিলে। ময়ো মইনাক বিচাৰিবলৈ লাগি গ'লো... মইনা মোৰ লগতেই থাকিব.. মোৰ লগতে।।এৰা সন্তানবোৰ সদায় মাক দেউতাকৰ বুকুৰ মাজতে ৰৈ যায়। লাগিলে অজান মুলুকতে বাস কৰি থাকক তেওঁৰ সন্তানে, হলেও মাক দেউতাকৰ বুকুৰ মাজত সোমাই থাকে আমৃত্যু।।

# পৰিধি

## নাজ্‌মা বেগম

খিৰিকীখন খুলি দি ভাগিৰথী গ্ৰীলত ধৰি এনেয়ে কিছুদেৰি থিয় দি ৰ'ল। আজি ভাগিৰথীৰ বাবে গোটেই দিনটোৱেই বিশেষ হৈ থাকিল। ৰাতিপুৱা মৌমনে চাহ বাকি থাকোঁতে তাইক গবা মাৰি ধৰিছিল পিছফালৰ পৰা।

কি হ'ল সোণ? তিনিটা ল'ৰা ছোৱালীৰ মাজত মৌমন বেলেগ। বিশেষকৈ ভাগিৰথীৰ বাবে।

এয়া চোৱা মা তোমাৰ গল্প। বাতৰিখন তাইৰ সন্মুখত মেলি ধৰিলে মৌমনে। নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল তেওঁ। ছপা আখৰত নিজৰ নামটো যে কেইবাৰ দিনটোত তেওঁ চুই নাচালে। ৰাখী আৰু গীতে তাইক অভিনন্দন জনাই সামৰি থলে সকলো। নিজৰ সন্তান বাবেই হয়তো তাতোকৈ তাই বেছি আশা কৰিছিল তাহাতাৰ পৰা। মৰম আকলুৱা মনটোৱে বিচাৰিছিল মৌমনৰ দৰে ইহঁত দুটাও জপিয়াই উঠক। পিছে দুখ কৰিও যে লাভ নাই সেয়া তাই বুজে। অসমীয়া পঢ়িব নজনা দুয়োকে তাই কোনসতে ভুল বুজে। সৰুতে তেওঁ অসমীয়া শিকাবলৈ জোৰ দিছিল কিন্তু কোনো আগ্ৰহ নেদেখুৱালে দুয়োটাই। এই দুখ থাকি গ'ল তেওঁৰ। প্ৰথম সন্তান মৌমন মানসিক ভাৱে কিছু পিছপৰা বাবেই ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পৰা আঁতৰাই আনি অসমীয়া বিদ্যালয়ত দিবলৈ বাধ্য হৈছিল। কোনো কষ্ট নোপোৱাকৈ আগবাঢ়ি যোৱা ল'ৰাটো ক'ব নোৱাৰাকৈয়ে তেওঁৰ বহু বেছি ওচৰ চাপি আহিছিল। আৰু আঁতৰি গৈছিল গীত আৰু ৰাখী। সিহঁত দুয়োটাই ঘৰতে ইংৰাজীত কথা আৰম্ভ কৰিলেই মৌমন আহি মাকৰ কাষ পায়হি। এনেকৈয়ে লাহে লাহে মৌমন আৰু তেওঁৰ মাজত এক বেলেগ বন্ধুত্ব গঢ়ি উঠিছিল। গীত আৰু ৰাখী হোষ্টেলত পঢ়িবলৈ যোৱাৰ পিছত মৌমনৰ সতে অধিক সময় তেওঁ অকলে পাৰ কৰিছিল। সৰুৰে পৰা উদয়ৰ লগত মৌমন সহজ হ'ব নোৱাৰিলে। পিতৃ হিচাবে উদয়েও এই ক্ষেত্ৰত আগভাগ নল'লে আৰু এনেকৈয়ে এখন অদৃশ্য দেৱাল গঢ়ি উঠিল পিতা পুত্ৰৰ মাজত। বিয়া হৈ আহি এজাক মানুহেৰে কোলাহল হৈ থকা ঘৰখনৰ মানুহৰ মনবোৰৰ বুজ লৈ লৈ কাম কৰোঁতে , সকলোকে সন্তুষ্ট কৰি যাওঁতে যাওঁতে কোনোবাখিনিত তাই নিজেই হেৰাই থাকিছিল।

উদয় আছিল তাইৰ মনৰ সম্পূৰ্ণ বিপৰীত মানুহ। বিয়া হ'ব লাগে বাবেই যেন বিয়া পাতিছিল। তাইৰ মনৰ জগতখনৰ সতে পৰিচয় হোৱাৰ কোনো আগ্ৰহ তাই নেদেখিলে আজিলৈকে। আজি দিনটো ভাগিৰথী বৈ থাকিল এপাকত হ'লেও মানুহজনে তাইক কিবা এটা কওক । গল্পটো প্ৰকাশ হোৱাৰ পিছতে মৌমনে লৰালৰিকৈ ফেচবুকত আপডেট দিছিল । হেজাৰটা লাইক দুশ ৰ ওপৰত অহা কমেন্টৰ পিছতো উদয়ৰ এষাৰ কথাৰ বাবে তাই দিনটো ব্যাকুল হৈ থাকিল। ৰাতি আটাইকেইটাই ভাত খাই থাকোঁতে তেওঁ  মন কৰিছিল উদয় প্ৰয়োজনতকৈ গহীন। বাচন ধুই থকাৰ সময়ত অজানিতে হৰহৰাই চকুলো বৈছিল।

মা কি কৰিছা আন্ধাৰত? মৌমনৰ মাতত উচপ খাই উঠিল ভাগিৰথী।

নাই অ এনেয়ে। সকলোকে মন্তব্যৰ বাবে ধন্যবাদ জনোৱা হ'লনে? ভাগিৰথীয়ে মবাইল বা লেপটপত একো লিখিব নাজানে। তেওঁ বহীত লিখা গল্পবোৰ চাই চাই লিখে মৌমনে লেপটপত। ক'ত কি পঠাব সকলো সিয়েই ঠিক কৰে।

হৈ গ'ল মা। আজি এটা নতুন লিখা মা। বিহু সংখ্যাৰ বাবে মোৰ লগৰখিনিৰ মাজৰ পৰা ওলাব লগীয়া আলোচনীখনত তোমাৰটো মেইন হ'ব । প্ৰকাশে কৈছে নহয় ।

হমম ..চাওঁ ৰ'বা।

হ'ব মা যিটো বস্তু তুমি আশা কৰিলেওঁ নোপোৱা কিয় ভাৰি মন বেয়া কৰিছা ?

হয় শুই যোৱা নহয় লিখা বুলি এয়া তোমাৰ আজিৰ গিফট কৈ সি দুইদিস্তামান কাগজ , পেন দুটা আৰু কাজুৰ পেকেট এটা টেবুলত থৈ ওলাই গ'ল ।

দুচকু ভৰি আহিল তেওঁৰ । প্ৰথম সন্তান জন্মৰ আনন্দত তেওঁ  যিদৰে আত্মহাৰা হৈছিল দিন যোৱাৰ ল'গে মৌমনৰ মাজত দেখা দিয়া কিছু অস্বাভাৱিকতাই তেওঁক চিন্তাত পেলাইছিল। দ্বিতীয়বাৰত এহাল যঁজা সন্তান অহাৰ পিছত মৌমনৰ মাজত আৰু পৰিবৰ্তন আহিব ধৰিছিল । পে স্কুলখনৰ পৰা যেতিয়া মৌমনৰ কথাবোৰ লৈ দৈনিক অভিযোগ আহিব ধৰিলে তেওঁ সজাগ হ'ল। দেউতাকৰ পৰা বৰ বিশেষ গুৰুত্ব নোপোৱা আৰু মাকেও এহাল সন্তান লৈ ব্যস্ত হৈ থকাৰ মাজত মৌমন জেদী হৈ উঠিছিল, অকলশৰীয়া হৈ পৰা লৰাটোৰ তেওঁ এক বিশ্বস্ত বন্ধু হৈ পৰিছিল । মানসিক ভাৱে কিছু পিছ পৰা মৌমনক তেওঁ মৰমেৰে আকোঁৱালি লৈ থাকোঁতে কেতিয়ানো সি ডেকা এটা হ'ল , কেতিয়ানো সি মাকে মনে মনে লিখি থকা লিখাবোৰ পঢ়ি তাৰ গূঢ়াৰ্থ বুজিব পৰা হ'ল তেওঁ গমেই নাপালে । সি তাৰ ফেচবুকৰ ৱালত মাকৰ লিখাবোৰ শ্বেয়াৰ কৰিব ধৰিলে । ভৰাতকৈয়ো বেছি সমাদৰ পাব ধৰিলে তেওঁৰ লিখাবোৰে । মৌমনে ৰাতি মাক শোৱালৈ ৰৈ থাকিব । কমেন্টবোৰ পঢ়ি শুনাব আৰু দাবী কৰিব কাইলৈয়ো কিবা এটা লাগিব । কাহানিও ভবা নাছিল তেওঁ এই অনুভৱবোৰ যে এদিন মানুহৰ মাজলৈ যাব ,মানুহৰ মাজত ইমান সমাদৰ পাব। ফেচবুকৰ বহল ক্ষেত্ৰখনত লাহে লাহে ভাগিৰথী যেতিয়া নিজেই সোমাই পৰিল তেওঁৰ দুখবোৰ কমি আহিব ধৰিলে, প্ৰথমতে স্মাৰ্টফোনটো ল'বলৈ তেওঁ থেৰোঁগেৰোঁ কৰিছিল কিন্তু মৌমনে দুমাহৰ টিউচন কৰি পোৱা পইচাৰে কিনা মবাইলটো ল'বলৈ  তেওঁ একপ্ৰকাৰ বাধ্য হৈছিল । তাৰ পিছৰ পৰা লাহে লাহে দুই এটা কথা শিকিছে যদিও এতিয়াও আয়ত্বলৈ আহিব বহু বাকী । যিদিনাই তাইৰ লিখনি ওলাই ফেচবুকত সিদিনাই সৰু কথা এটিক লৈয়ে উদয়ে কটূ কথা শুনায় , আওপকীয়াকৈ মানুহৰ আগত ফেচবুকৰ সমালোচনা কৰে । ৰাতিপুৱাৰ চাহ কাপ দিয়া দেৰি হ'লে ভোৰভোৰাই ,ৰাতি এপৰলৈ মবাইল টিপিব আৰু এতিয়া পুৱাৰ চাহ আঠটাত ।

খাবলৈ মন গ'লে নিজে বনাব লাগে মৌমনে উত্তৰটো দিহে আঁতৰি যায় । কেতিয়াও দুয়োৰে ৰাহি যোৱা নাহে বাপেক পুতেকৰ । ভাগিৰথীয়ে একো উত্তৰ নিদিয়ে লিখি তেওঁ যিমান সুখ পায় এইবোৰ গালিয়ে তাত একো পাত্তাই নাপায় । বন্ধুবোৰ দিনে দিনে বাঢ়ি গৈ আছে অনুৰোধবোৰ প্ৰফাইলত গৈ গৈ মৌমনে মাকক দেখুৱায় ।মাকে চালি জাৰি চাই দিব লাগে ।

মা এইটো টাইমলাইনত নহয় ইনবক্সত লিখা ।

মা এইটো ইডিট কৰাচোন ।

মা এই কমেন্টটোত কি ৰিপ্লাই দিম ?

ৰাতি ভাত খোৱাৰ পিছত মাক পুতেকৰ এই মধুৰ সময়খিনিও অন্য এক সন্তুষ্টি ভাগিৰথীৰ বাবে । উদয় আৰু তেওঁৰ কাজিয়া পেচাল নাই কিন্তু কোনো কথাতে তাইক উৎসাহ নিদিয়া, প্ৰশংসা নকৰা , কোনো ঘৰুৱা কামত সহযোগ নকৰা , কিবা এটা খোৱাৰ ঊনৈশ বিশ হলেই মানুহৰ আগত গালি পাৰিবলৈ। কুণ্ঠাবোধ নকৰা মানুহজনৰ লগত নজনাকৈ যি মানসিক দূৰত্ব আহিল সেই দূৰত্ব দিনে দিনে বাঢ়ি গৈ আছে। আৰু আজি আহত হৈছে ভাগিৰথী । আজি প্ৰথম বাতৰি কাকতত তেওঁৰ গল্পটো প্ৰকাশ হোৱাৰ পিছতো নিৰ্বিকাৰ হৈ ৰ'ল উদয় । বাই শাহুৱেক ননদ কেইজনীয়ে ফোন কৰি কৰি উৎসাহ দিছে ।

অ'ৰ পৰা ত'ৰ পৰা ফোনবোৰ আহিল আৰু তাই প্ৰজ্বলিত মুখেৰে ধন্যবাদ কৈ থাকিল তাতো ভোৰ ভোৱাই উঠিল উদয়ে। ইটো সিটো খুঁত উলিয়াই গালি পৰা সময়কণতো দুখৰ সলনি সুখে তাইক মেৰিয়াই ৰাখিলে । মানুহজনৰ সমস্যাটো ক'ত তাই ভাৱি থাকিল ? আজি প্ৰকাশ হোৱা গল্পটো তাইৰ সম্পূৰ্ণ নিজক লৈ লিখিছিল । প্ৰতিটো চৰিত্ৰৰ মাজত তাই নিজৰ দুৰ্বলতাবোৰ আঙুলিয়াই গৈছিল ,এজনী ভাল মাতৃ ,পত্নী , বোৱাৰী হ'ব খুজি তাই কৰি যোৱা ত্যাগখিনি লিখিছিল । ভাবিছিল গল্পটো উদয়ে পঢ়ক বুজক তাইক কিহৰ বাবে ভাগিৰথী এই পৃথিৱীত নিজক খাপ খুৱাই ল'ব লগা হৈছে । কিন্তু পঢ়া দূৰৈৰ কথা কিবা এটা কোৱাৰো প্ৰয়োজন তেওঁ অনুভৱ নকৰিলে ।

ৰাতিপুৱা শুই উঠিয়েই উশাহ লববৈলেকো যেন সময় নাই কেৱল ধপলিয়াই ইটো ৰুমৰ পৰা সিটোলৈ কাম আৰু কাম ভাগিৰথীৰ বাবে আৰু উদয়ৰ বাবে বহি বহি কাকত চোৱা, ইটো দেৰি হ'ল সিটো নহ'ল বুলি অভিযোগ কৰি থকা । মৌমন কলেজলৈ ওলাই যোৱাৰ পিছত চাহ একাপ লৈ ভাগিৰথী বাৰাণ্ডাত বহিল ,এইকণ সময় নিজৰ তাইৰ ,নিজৰ মতে খৰচ কৰি সুখী হয়। মনটোক নিজৰ মতে গতি ল'বলৈকো যেন এইকণ সময়ৰ দৰকাৰ । কি হেৰুৱালে এইবোৰ ভাবি ভাগিৰথী অকণো দুখী নহয় কি পালে এয়াহে জুকিয়াই সুখী হয় তাই ।

বাইদেউ তিতা কেৰেলা ল'ব নেকি ? পাচলি দিয়া ল'ৰাটোৰ মাতত তাই একপ্ৰকাৰ উচপ খাই উঠিল ।

অ অ ল'ম আৰু কি আনিছা বাৰু ?

সদায় থকাবোৰেই আৰু বাইদেউ ,কেৰেলা আপুনি ভাল পাই যে । কৈ সি জুখিবলৈ পাল্লাখন উলিয়াই ল'লে ।

পিছে বাইদেউ পাৰ্টি এটা হ'ব লাগে আৰু ।

কিহৰ পাৰ্টি অ ?

কিহৰ মানে আমি গ'ম নাপাওঁ নেকি ? আপোনাৰ নাম পেপাৰত ওলাইছে । দাদাই কালি বজাৰত পাই কৈছে নহয় । মোৰ মানুহজনীয়ে এইবোৰ পঢ়া পেপাৰ এখন নি দিলোঁ আপোনাৰ গল্প ওলোৱা বৰ ভাল পালে ।

দাদা মানে ?

উদয় দা আকৌ বৰ স্ফূৰ্তি কালি মোক বিশটকা এটা বেছিকৈ দি আহিছে মিঠা ই খাবি বুলি ।

হয় নেকি ? তই বহ মই চাহ একাপ বাকিছোঁ। আনন্দ নে বেজাৰত সৰো সৰো দুটোপাল চকুলো লুকুৱাবলৈ তাই দৌৰি অহাদি পাকঘৰত সোমাল । ডাইনিঙৰ চকীখনত খামুচি ধৰি তাই উচুপি উঠিল । চিনাকি একেবাৰে আপোন মানুহজনৰ পৰা কালিৰে পৰা আশা কৰি থকা শুভেচ্ছাটো এনেকৈ তাইৰ সন্মুখত ধৰা দিব বুলি ভাৰিছিলনে ভাগিৰথীয়ে । পাচলিৰ দোকানৰ ল'ৰাটোৰ সন্মুখত উৎসাহিত হৈ পৰা মানুহজন ঘৰ আহি এনেকুৱা এটা ৰূপ ধাৰণ কৰিলে কিয় ? কৰবাত ভাগিৰথীৰো ভুল হৈছে নেকি ? অভিমানী মানুহটোক তাই বাৰু বেছি দূৰলৈ আতঁৰাই দিছে নেকি ?

বাইদেউ বেছি একো নিদিব মই ভাত খাই আহিছোঁ । বাহিৰৰ পৰা পাচলি দিয়া ল'ৰাটোৱে চিঞৰিলে।

# অণুগল্প

## নেন্‌চি ভঁৰালী মালি

ৰহস্য

ককালখনত হাত দি কুজিহৈ অহা পকা চুলিৰ বুঢ়ি জনী দেখি আমাৰ চুপাটোৰ সকলোৱে আচৰিত হৈছিল যদিও লগত যি বাৰ্তা আনিছিল সেয়া আছিল ভয়ংকৰ। চুপাটোত থকা প্ৰতিগৰাকি মাঁ-দেউতা হেনো নিজৰ পোনাহঁতক এৰি এইমুহূৰ্ততে যাব লাগিব। এয়া হেনো সৰগৰ পৰা অহা আদেশ নহলে প্ৰলয় হব। মাঁ-দেউতাহঁতক বগা সাজ পিন্ধাই বুঢ়িজনীয়ে আকাশৰ ফালে উৰাই লৈ গল। আমি সকলোৱে কান্দি কান্দি পিছে পিছে দৌৰিলো। মোৰ ১৫ দিনিয়া সৰু ভাইটোক কোলাত লৈ দৌৰি যাওঁতে সি পিছলি গৈ সাগৰত পৰিল। মই পাগলৰ দৰে কান্দি কান্দি মাঁক মাতিলো। মায়ে কলে ঐ উঠ উঠ বেলি দুপৰ হল। উফ ৰক্ষা সপোন আছিল। কিন্তু একেটাই সপোন মই চাৰিবাৰকৈ দেখাৰ ৰহস্যনো কি !

পৰাচিত

সৰুতেই মাক ঢুকুৱাৰ বাবেই পাহিক দেউতাক কুশলে মাক কাজলৰ মৰমকনও দি আহিছে। ২২ বছৰ বয়সতে ঘটিল ঘটনাটো। পুৱা চাহৰ টেবুলত বহি থাকোতে মুৰ ঘূৰাই পৰাত দেউতাকে ডাক্তৰৰ পৰা জানিলে যে পাহি অন্তসত্বা,তায়েই শেষত কলে যে ভালপোৱা লৰাজনো পাহিৰ পৰা দুৰত গুছি গল এটা এ্ʼিডেন্তত। এইহেন এটা জটিল সময়ত দেউতাকে পাহিৰ মুৰটো পিহি কলে যে আজিৰ পৰা কেচুৱা আৰু তোৰ দুয়োৰে যত্নৰ দৰকাৰ হব। হাঁহি হাঁহি কলে মই ককা হম। পাহি দেউতাকক সাবতি কান্দি থাকোতে দেউতাকেও চকু মুদি ক্ষমা খুজিলে মামণি চৌধুৰিক। কলেজৰ দিনত কুশল আৰু মামণিৰ প্ৰেমৰ চিহ্নটিক কুশলৰ কথাতেই মামণিয়ে কান্দি কান্দি নষ্ট কৰিব লগা হৈছিল। এয়া তাৰেই পৰাচিত।

জীৱন

'জীৱন জীৱন বৰ অনুপম' নামটো দেখিয়েই কিতাপখন কিনিলে জয়াই। বৃদ্ধাশ্ৰমত আহি পঢ়িব লৈ তাই ভাবত বিভোৰ হল। বিয়াৰ আগত দেউতাক,দাদাক সকলোৰে শাসনত জেলত থকাৰ দৰেই জীৱন কটাইছিল। বিয়াৰ পিছত অলপ স্বাধীন হব বুলি ভাবি য়ে বিয়াত বহিছিল পিছে শাহু আৰু গিৰিয়েকচোন আৰু এখোপ ওপৰত। জীয়াই জীয়াই মৰাশৰ দৰে হৈ পৰা জয়াই যেতিয়া কন্যা সন্তান এটি জন্ম দিছিল তাই প্ৰতিজ্ঞাবদ্ধ হৈছিল যে জীয়েকক তাইৰ দৰে গঢ় নিদিয়ে ।পিছে সেইকণ আশাও ভাঙি চুৰমাৰ হল যেতিয়া নিজৰ জীয়েকেই মাকক কয় "মাঁ তুমি একেবাৰেই অল্ড ফেচন, please মোৰ লগত লাগি নাথাকিবা ।"

নিষিদ্ধ

কেনেকৈ হল নাজানো। হয়তু দুৰ্গা পুজা চাই উভতি অহা সময়ত গাড়ীৰ আগত পৰিব লওতেই থাপ মাৰি ধৰোতে,হয়তু মোৰ জ্বৰত মৰমৰ ভাত মুঠি খুৱাই দিওতে,হয়তু মোৰ প্ৰতিতো ভুল সুধৰাই দিয়া সময়ত। ভাল লগাবোৰ,প্ৰেমবোৰ আজি ৪ বছৰ হল। কিন্তু সমাজে জানিলে আমাক হয়তু মাৰি পেলাব। এই প্ৰেমৰ পৰিণতি ভয়ংকৰ বুলি মগজুই কৈছিল যদিও অন্তৰে নামানিলে। ঘৰখনে লেই-লেই-চেই-চেই কৰাৰ আগতেই বুজাপৰাৰ মাজেৰেই আমি দুয়ো বিচ্ছেদৰ চাদৰখন মেৰিয়াই ললো। কিয়নো আমি দুয়ো ছোৱালী।

# মদাহীৰ জীয়েক

**নমি গগৈ**

বছেৰেকীয়া পৰীক্ষালৈ বেছি দিন নাই । ঘৰৰ মূল দুৱাৰখন খুলিয়েই ভৰি দিয়া কোঠাটোত এজনীয়া বিছনাখনৰ সমান আহল বহল ডেস্ক-বেঞ্চযোৰত বহি ছোৱালীজনীয়ে বিজ্ঞানৰ কিতাপৰ পাঠ এটা পঢ়ি আছে । ছোৱালীজনীৰ ককাক-আইতাকে জুহালৰ কাষত হাত সেকি বহি আছে আৰু তাইৰ মাক পাকঘৰত ৰাতিৰ সাজৰ যোগাৰত ব্যস্ত হৈ পৰিছে । সোমবাৰৰ নিশা । আঠ বজাৰ লগে লগে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ হ'বলগীয়া নাটখনিৰ বাবে ছোৱালীজনীয়ে পঢ়াৰ মাজে মাজে কাণ উনাইছে । তাই ঘড়ী চাব নাজানে বাবেই এনেদৰে কাণ উনাবলগীয়া হৈছে । তাইৰ মাকে আঠ বজাৰ আগে আগে ৰেডিঅ'টো অন কৰে । "এয়া আকাশবাণী ডিব্ৰুগড় । আপোনালোকে অনুষ্ঠান শুনি আছে মিডিয়াম ৱেভৰ পাঁচশ ঊনত্ৰিশ দশমিক একৰ জৰিয়তে। আমাৰ আজিৰ নাট্যানুষ্ঠানৰ নিবেদন ...।" ছোৱালীজনীয়ে ততাতৈয়াকৈ কিতাপখন সামৰি ভিতৰৰ কোঠালৈ লৰ মাৰিলে । ঠিক আগৰ সোমবাৰবোৰৰ দৰে ।

নাটখন আৰম্ভ হৈছিলহে এথোন । ধমহকৈ ঘৰৰ মূল দুৱাৰখনত শব্দ এটা হ'ল । ছোৱালীজনীৰ বুকুখনতো জোৰেৰে ঢুককৈ শব্দ এটা হ'ল । তাই খৰধৰকৈ আহি আকৌ পঢ়া মেজত বহিলহি । মাকে দুৱাৰখন খুলি দিলেহি । পিছলৈ নোচোৱাকৈয়ে ছোৱালীজনীয়ে গম পালে দুৱাৰখন খুলি দিয়েই মাক লৰালৰিকৈ আকৌ পাকঘৰত সোমালগৈ আৰু কম বতাহত হালিজালি থকা পাটি দৈ গছজোপাৰ দৰে হালিজালি ৰৈ আছে তাইৰ দেউতাক । থৰকবৰক অৱস্থাৰে কোনোমতে পৰি নোযোৱাকৈ ৰৈ থকা মানুহজন তাইক চেৰাই ভিতৰৰ কোঠালৈ সোমাই যাওক । প্ৰায়েই কৰাৰ দৰে তাই আজিও প্ৰাৰ্থনা কৰিলে । নগ'ল । মানুহজনে থৰকবৰক খোজবোৰ কিতাপ মেলি বহি থকা ছোৱালীজনীৰ ফালে আগবঢ়ালে । লাহেকৈ হাউলি দি মানুহজনে ছোৱালীজনীৰ কান্ধৰ ওপৰেদি তাইনো কি পঢ়িছে চালে । ভেকেটাভেকেট গোন্ধটোৰে ছোৱালীজনীক মুখখন সোপা দিবলৈ বাধ্য কৰিলে । অলপদেৰি চাই থাকি মানুহজন শোৱনিকোঠাত সোমালগৈ। লাহেকৈ কিতাপখন জপাই থৈ ছোৱালীজনীয়ে মাকৰ ওচৰৰ পৰা ৰেডিঅ'টো নি ককাক আইতাকৰ কোঠাত সোমাল। ভাত খাবৰ পৰত খাবলৈ বুলি বহিবলৈ লৈ মাকক ভাতৰ পাতত নেদেখি তাই মাকহঁতৰ শোৱনি কোঠালৈ বুলি পোনালে । মাকে দেউতাকৰ জোতাযোৰ খুলি আছিল প্ৰায়ে তাই দেখাৰ দৰেই। তাই দুৱাৰ মুখৰ পৰাই আঁতৰি আহিল। তাই জানে ককাক,আইতাকৰ লগতে তাইৰ খোৱা হ'লেহে মাকে খাবলৈ বহিব। আৰু শোৱনি কোঠাৰ চাপৰ মেজখনৰ ওপৰত ঢাকি থ'ব দেউতাকলৈ বুলি ভাতৰ কাঁহীখন। অজানিতে ছোৱালীজনীৰ মুখেৰে হুমুনিয়াহ এটা সৰে । তাইৰ মনটোত বেয়া লগা কিবা এটা ভাৱে প্ৰায়ে ক্ৰিয়া কৰি থাকে। যিটো বেয়া লগাৰ কথা কাকো ক'ব নোৱাৰে তাই। এনেয়েও বয়সতকৈ সোনকালে তাইৰ মনটো ডাঙৰ হৈছে বুলি কৈ থাকে আইতাকহঁতে। বাহিৰা কিতাপ সোপাই হেনো তাইৰ মগজুটো খাইছে । কেনেকৈ বুজাব তাই যে এই কিতাপবোৰে তাইক কিমান সংগ দিছে। কিমানলৈ আৱৰি ৰাখিছে তাইক !

পুৱা পঢ়িবলৈ বহি ছোৱালীজনীৰ কাণত পৰিল মাক দেউতাকৰ চেপা কণ্ঠৰ তৰ্কাতৰ্কি। প্ৰায়ে শুনাৰ দৰে। মাকে দেউতাকক মদ নাখাবলৈ বুজায় আৰু দেউতাকে খাই খাই মৰি যাম বুলি ওভতি ধৰে। কথাবোৰে ছোৱালীজনীৰ মূৰত পাক ঘূৰণি খাই ধৰে। কিছু কথা তাই বুজে আৰু কিছু কথা তাই নুবুজাকৈ মূৰৰ ওপৰেদি যায়গৈ। এটা সময়ত মাক দেউতাকৰ চেপা মাত দুটা নোহোৱা হয় । দেউতাক দোকানলৈ যায় , মাকে ককাক আইতাকৰ সতে তাইক ভাত দিয়ে । ভাত খাই উঠি ককাকে ৰেডিঅ'টো পকায় । ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই প্ৰচাৰ কৰে আধুনিক গীতৰ অনুষ্ঠান "গীতাঞ্জলি।" ছোৱালীজনীৰ স্কুল যাবলৈ খৰধৰ লাগে। সোনকালে গা ধুই সাজু হয় মানে লগৰীয়াৰ দলটোৱে তাইক মাতি থাকেহি পদূলিৰ পৰা। ছোৱালীজনী স্কুললৈ যোৱাৰ পাছতেই তাইৰ মাক পথাৰলৈ যায়। দাৱনীবোৰলৈ জলপানৰ টোপোলাটো লৈ। বাওঁহাতত ধান কাটিবলৈ পিন্ধা চাইকেলৰ টিউবেৰে সজা ৰবৰৰ আঙুলি আৰু এটা পুৰণা হাত দীঘল চোলাৰ লগতে কাঁচিখন আৰু সোঁহাতেৰে জলপানৰ

টোপোলাটো লৈ মানুহজনীয়ে খৰ খোজেৰে গো বাটৰ বালি গচকি গৈ থাকে পথাৰলৈ। মানুহজনৰ বেয়া অভ্যাসটো কেনেকৈ এৰুৱাব তাকে ভাবি ভাবি মানুহজনী আগবাঢ়ে। মনটোত দোলা দি থাকে ছোৱালীজনীৰ ভৱিষ্যতে। মানুহ হ'বগৈ নে তাই ?

ঘৰৰ কাষৰ পুখুৰীটোত বৰশীটো পেলাই দি আকাশ পাতাল ভাবি আছে ছোৱালীজনীয়ে । সদায় সদায় ঘৰখনৰ চেপা উত্তেজনাবোৰ ভাল নালাগে তাইৰ। হৈ হুলস্থুল নোহোৱাকৈ প্ৰতিদিনে ঘৰখনৰ বতাহ গধুৰ কৰি ৰখা উত্তেজনাবোৰ বুজি পায় তাই আজিকালি। সকলো কথাই বুজি পায়। অলপমান বুজন হোৱাৰ পৰাই একেটা দৃশ্যৰে অৱতাৰণা হোৱাটো দেখি আহিছে তাই। কি জানো কৰিব একো ভাবি নাপায় ছোৱালীজনীয়ে। মগজু তল ওপৰ কৰা কথাবোৰ পাগুলিয়াই পানীলৈকে চাই আছে , হ'লেও বৰশীৰ পুঙাটো পানীৰ তললৈ যোৱাটো দেখাই নাই তাই । লগৰীয়া লুচি আহি চিপ মাৰি দিলেহি বৰশীটো । গৰৈ মাছ এটা চটফটাই লাগি আহিল বৰশীৰ কাঁইটত । "বৰশী পাতি ক'লৈ চাই থাক' তই ?" লুচিয়ে মাছটো বৰশীৰ পৰা এৰুৱাই বনগুটিৰ গছ এডাল মাছটোৰ কাণেদি ভৰাই মুখেদি উলিয়াই মাটিত থ'লে । মাছটো মৰাই নাই । চটফটনি বাঢ়িছেহে । ছোৱালীজনীৰ নিজকে চটফটাই থকা মাছটোৰ দৰে লাগে কেতিয়াবা । নিজৰ মাজত বৈ ফুৰা কথাবোৰে সী নিয়ে তাইৰ কুমলীয়া কলিজাখন । "তোৰ দেউতাই ইমান মদ খায় তই দিয় কিয় খাবলৈ ? হাক দিবি আক' । নহ'লে তোক মানুহে মদাহীৰ জীয়েক বুলি মাতিব চাবি।" বৰমাকৰ কথাষাৰে চটপকৈ কোবায় তাইক । তাই আগবঢ়াই দিছে নেকি দেউতাকক ? বোলে যোৱা মাতাল হৈ ঘূৰি আহাগৈ ঘৰলৈ আহোঁতে । বৰশীয়ে বিন্ধা দি বিন্ধে কথাবোৰে । লুচিয়ে বৰশীত কেঁচু এডোখৰ লগাই থুৱাই দি বৰশীটো আকৌ পানীত পেলাই দিলে । এজাক পোনাৰে সতে গৰৈ মাছ এটা কাষ চাপি আহিল । ছোৱালীজনীয়ে দলি চপৰা এটা লৈ পানীত পেলাই দিলে । "কি কৰিলি ঐ নীলিমা ?" লুচি জকজকাই আহিল । "দেখা নাই নেকি পোনা চৰাই থকা গৰৈ মাছটো ।! কিয় পাতি দিছ বৰশীটো ? মাছটো ধৰি আনিলে পোনাবোৰ বাচিবনে ? মাকজনী ধৰি আনিলে সিহঁতক ডাঙৰ মাছে বা আন কিহবাই খাই পেলাব । তোৰ মাক কোনোবাই ধৰি লৈ গ'লে কেনে লাগিব তোৰ ?" ছোৱালীজনী গপগপাই ভিতৰলৈ গ'লগৈ । "কেনেকুৱা ছোৱালী অ' এই ?" কথাটো মনতে ভাবি ভাবি লুচিও গ'লগৈ ।

গৰমৰ বন্ধটো শেষ হ'বহি । পকা মধুৰি এটা চোবাই চোবাই চোবাই গাঁৱতে বিয়া হোৱা জেঠায়েকৰ বাৰাণ্ডাত বহি আছে ছোৱালীজনী । এইবাৰ সপ্তম মানত পঢ়া ছোৱালীজনীয়ে জেঠায়েকৰ ঘৰলৈ আবেলি আবেলি প্ৰায়ে আহে । জেঠুৱেকে নিজৰ জীয়েকলৈ বুলি কিনি অনা এখন আলোচনীৰ আকৰ্ষণতে তাই আহে । হওঁতে তাইৰো ঘৰত দেউতাকে গোটাই দিয়া জাপ জাপ কিতাপ । হ'লেও ছোভিয়েট দেশ নামৰ সেই আলোচনীখনৰ ধুনীয়া ছবিবোৰে মায়া লগাই তাইক । জেঠায়েকৰ ঘৰত থকা সময়কণত সেইখন আলোচনীৰে পাত লুটিয়াই থাকে তাই । পকা মধুৰি চোবাই থকা ছোৱালীজনীৰ কাষতে কামৰ পৰা আহি পোৱা জেঠুৱেক বহিলহি । এখন হাতেৰে তেওঁ ছোৱালীজনীৰ মূৰত হাত ফুৰালে । "মধুৰিটো মিঠানে আই ?" তাই মূৰ দুপিয়াই শলাগ ল'লে । তাইৰ স্কুল কেতিয়ালৈ খুলিব সুধিলে জেঠুৱেকে । বহাৰ পৰা উঠি তেওঁ দমকলৰ পাৰলৈ গ'ল আৰু গাটো ধুই আকৌ তাইৰ ওচৰতে বহিলহি । তেতিয়ালৈ তাইৰ মধুৰিটো খোৱা হৈছিলগৈ । জেঠায়েকে আনি দিয়া গাখীৰ চাহত চুমুক দি জেঠুৱেকে তাইক সুধিলে "আই অ' । দেউতাৰে বলিয়া পানী খোৱাটো এৰিছেনে ?" তাই নঞৰ্থকভাৱে মূৰ জোকাৰিলে । "মাৰে বাৰু কৈ কৈ ভাগৰিছে । তই একো নকৰ কিয় দেউতাৰক ? মানুহে তোক নহ'লে মদাহীৰ জীয়েক বুলিব ।" জেঠুৱেকলৈ হেবাঙৰ দৰে চালে ছোৱালীজনীয়ে । দেউতাকৰ ৰূপটো মনলৈ আহিলেই তাইৰ বুকুত ধান বানে । কিবা এটা কোৱাটো বহু দূৰৰ কথা । ক'ম বুলি ভাবিলেও ক'বই বা কি ? কেনেকৈ ক'লে দেউতাক সিবিধৰ পৰা আঁতৰিব সেই বিষয়ে কোনো ধৰণৰ অনুমান তাই কৰিব নোৱাৰে । "কি ক'ম জেঠু মই ?" হেবাঙৰ দৰে জেঠুৱেকলৈ চাই থাকিয়েই তাই সুধিলে । "শুন ।" জেঠুৱেকে ক'বলৈ ধৰিলে । জেঠুৱেকলৈ মনোযোগ দি চালে তাই ।"তই ক'বি যে আপুনি এনেকৈ সদায় সদায় মদ খালে মই পঢ়া শুনা নকৰো,স্কুল নাযাওঁ । বিয়াও নহওঁ ।" কথাখিনি শুনাৰ পাছত আঁঠু দুটাত মুখখন গুজি তিনিমূৰীয়া হৈ তাই অলপপৰ জেঠুৱেকলৈ চালে । তাৰপাছত মই যাওঁ দেই জেঠাই বুলি চিঞৰটো মাৰি ঘৰলৈ বাট পোনালে । বাটে বাটে তাই ভাবি ভাবি পাৰ নাপালে কথাবোৰৰ। পঢ়াশুনা কৰা ,স্কুল যোৱাৰ লগত দেউতাকৰ বেয়া অভ্যাসটোৰ কি যোগসূত্ৰ সেয়া তাই ভাবি ভাবিও উলিয়াব নোৱাৰিলে । স্কুললৈ নগ'লে , কিতাপ পত্ৰ নপঢ়িলে তাইৰেতো লোকচান হ'ব । আনতকৈ পাছ পৰি যাবচোন তাই । কিতাপ পঢ়াৰ মজাটো তাই কেতিয়াও এৰিব নোৱাৰে । লাগিলে আৰু কিবা ঘটক ! আৰু জেঠুৱেকে যে ক'লে বিয়াৰ কথা ! তাইৰ জানো বিয়া হ'বলৈ হৈছে এতিয়াই ?! ছোৱালীজনী চিধাই মাকৰ ওচৰ পালেগৈ । তাইৰ পৰা গোটেই

কথাবোৰ শুনাৰ পাছত তেওঁ ক'লে "ছাত্ৰৰ অধ্যয়নেই তপস্যা । জীৱনত কিবা এটা কৰিম বুলি ভাবিছ যদি পঢ়াৰ সময়তে পঢ়ি ল' । পাছত অনুশোচনা কৰিবলগীয়াকৈ একো নৰ'বগৈ । যিকোনো পৰিৱেশ পৰিস্থিতিত নিজকে খাপ খুৱাই লৈ আগবাঢ়ি যোৱাটোহে তোৰ একমাত্ৰ উদ্দেশ্য হোৱা উচিত । একানপতীয়াকৈ লাগি থাক । লাগি থাকিলে মাগি নেখাৰ মোৰ আই । কোনোবাই কিবা বেয়া এটা কৰি আছে আৰু সেই বেয়াটো নোহোৱা কৰিবলৈ নিজৰ লোকচান কৰাৰ কি মানে আছে ? কথাবোৰ তোলৈ বেছি টান হৈছে যদিও মই ভাবো তই বুজিবি । মনত ৰাখিবি নিজে নিজৰ উপকাৰ কৰাৰ লগতে দহৰ উপকাৰ কৰিলেহে জীৱন ধাৰণ কৰাটো সাৰ্থক । যা এতিয়া । দেউতাৰক কিবা ক'বলগীয়া থাকিলে নিজৰ মতে ক'বি । আনে শিকাই দিয়াৰ দৰে নহয় ।"দেউতাককনো কি বুলি ক'ব তাকে ভাবি ভাবি ছোৱালীজনী আঁতৰি গ'ল ।

পুখুৰীটোৰ পাৰত বহি উপচি পৰা পানীত ভৰি দুটা জুবুৰিয়াই নচুৱাই আছে ছোৱালীজনীয়ে । আজি স্কুলত তাইৰ মন বেয়া লগা ঘটনা এটা ঘটিল । তাইৰ লগৰ জুমনি আৰু যোগমায়াৰ সৰু কথা এটাতে কাজিয়া লাগিল । যোগমায়াৰ কথাত যুক্তি আছিল । সেয়ে তাই যোগমায়াৰ হৈ মাত মাতিলে । আৰু তাতেই তাইৰ ভুল হ'ল । জুমনিয়ে তাইক বহু কিবাকিবি কোৱাৰ লগতে সকলোৰে আগত মদাহীৰ জীয়েক বুলি গালি পাৰিলে । হাঁহাকাৰ কৰি উঠিছিল ছোৱালীজনীৰ কুমলীয়া কলিজাটোৱে । তাই কিন্তু একোকে নক'লে । মনটো তাইৰ বেয়া লাগিয়েই আছে । কথাটো সঁচা । জুমনি তাইৰ গাৱঁৰে সৰুকালৰেই লগ । তাই এনেকুৱাকৈ ক'ব বুলি ছোৱালীজনীৰ মুঠেও ধাৰণা নাছিল । তাকে ভাবি ভাবি তাই এতিয়া পুখুৰীৰ পানীত ভৰি জুবুৰিয়াই বহি আছে । পানী জোক এটা কঁকাল ভাঙি ভাঙি তাইৰ ভৰিৰ ফালে আগবাঢ়ি অহাত ভৰি দুখন পানীৰ পৰা তুলি আনিলে তাই । জুমনিও এডাল জোক । যিবোৰ মানুহে তাইক মদাহীৰ জীয়েক বুলি কথাৰে কোবায় সেই সকলো মানুহ জোক । সিহঁতে তাইৰ মনটো বেয়া লগাই দি শুহি নিব খোজে তাইৰ সকলো ভাল লগা ভাৱ । ঠিক জোকে তেজ শোহাৰ দৰে । দেখুৱাব লাগিব সকলোকে যে মদাহীৰ জীয়েক কিমান পানীৰ মাছ ! মেট্ৰিক পৰীক্ষালৈ কেইটানো মাহ ! সকলোৱে তেতিয়াই দেখিব তাইৰ মনৰ জোৰ।

দেউতাকলৈ খং উঠে তাইৰ। বেয়ালগা ভাবটোৱে তাইক মাৰি নিব খোজে । সেইবোৰৰ পৰা আঁতৰিবলৈ ছোৱালীজনীয়ে মেলি লয় মৌচাক নাইবা প্ৰান্তিক নহ'লেবা হোমেন বৰগোহাঞিৰ 'প্ৰজ্ঞাৰ সাধনা ' । একো বস্তুৰ অভাৱ নাই তাইৰ । অভাৱ মাত্ৰ দেউতাকৰ বেয়া অভ্যাসটো এৰুৱাব পৰা সুখটোৰ । মাকে ক'বলৈ কোৱাৰ দৰে নিজৰ মতে বহুবাৰ তাই দেউতাকক কৈ চালে , অনুৰোধ কৰিলে কিন্তু মানুহজন একেই থাকিল ।জাপ জাপ কিতাপ পঢ়া মানুহজনে জানি বুজিও বেয়া অভ্যাসটো খামুচি ধৰি থাকিল । সেইজন দেউতাকেই গোটাই দিয়া জাপ জাপ কিতাপৰ মাজত ছোৱালীজনী ক্ৰমাৎ ডুবি গৈ থাকিল । তাই ভাবি নাপায় ইমান কিতাপ পঢ়া মানুহজনে এটা মাত্ৰ বেয়া অভ্যাস সৰুৱাব নোৱাৰে নিজৰ গাৰ পৰা। আচৰিত!! এনেকৈ মেৰিয়াই ধৰেনে নিচাই মানুহক ? সঁচাকৈ আচৰিত ! নাই । মদৰ নিচাত মানুহজন বাটে ঘাটে পৰি থকাৰ কোনো উদাহৰণ নাই । দিন ৰাতি সমান কৰি তেওঁ মদ নাখায় । মদ খাই ঘৰতো কেতিয়াও তেওঁ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰা নাই । নিশা গেলামাল দোকানখন বন্ধ কৰি ঘৰ সোমোৱাৰ আগত তেওঁ পানীটুপি ধৰি আহি অহা ভাঁজে বিছনাত পৰেহি মনে মনে । আৰু ৰাতি এপৰত উঠি বাঢ়ি থোৱা ভাত খায় । হুলস্থুল নকৰিলেও মদ নামৰ বেয়া বস্তুটোৰ কবলত পৰাৰ বাবেই ছোৱালীজনীৰ মনত দেউতাকলৈ থকা ক্ষোভত ফাটি পৰিব খোজে বুকুখন । সুধিবলৈ মন যায় কি বেজাৰত বা কি সুখত নিচাত পৰে তেওঁ ? সোধা নহয় কেতিয়াও । মদাহী হ'লেও কিতাপৰ পৃথিৱীৰ সতে চিনাকি কৰাই দিয়াৰ বাবে দেউতাকৰ ওচৰত কৃতজ্ঞ হৈ ৰয় ছোৱালীজনী।

"তাইৰ আৰু পঢ়া হ'বনে ? পাৰিবিনে পঢ়াব দেউতাক অবিহনে ?" দেউতাকৰ শ্ৰাদ্ধৰ কাম কাজ শেষ হোৱাৰ পাছত বৰমাকে সুধিলে মাকক । বহু মানুহৰ প্ৰতিবাদৰ পাছতো মানুহজনৰ মুখাগ্নি কৰিবলৈ জীয়েকক আগবঢ়াই দিয়া মানুহজনীয়ে একো নক'লে । মাত্ৰ মনত বৈ ল'লে দৃঢ়তাৰ চাদৰ । ছোৱালীজনীয়ে বি এচ ছি পাছ কৰি উঠিছেহে মাত্ৰ । তাইৰ ৰিজাল্ট পোৱাৰ পাছদিনা শুই থকাতেই দেউতাক ঢুকাল । বহু কথা দেউতাকক কোৱা নহ'ল তাইৰ আৰু বহু প্ৰশ্ন সোধাও নহ'ল ।

"ৰ'দত শৰীৰ ফাটি হয় ছিটাছিট
কোমল পদুমো কিন্তু ৰ'দেৰে নিৰ্মিত ।"

মাকৰ পুৰণা বহী এখনত লিখা শাৰী দুটাই চুই যায় ছোৱালীজনীক । মনৰ ক্ষোভবোৰ , বেয়ালগা ভাৱবোৰ একাষৰীয়া

কৰি থৈ ছোৱালীজনী আগুৱাই গৈ থাকে । কোবাব খোজা বাক্যবোৰে ঢুকি নাপাবলৈ নিজৰ চৌপাশে এক আৱৰণ সৃষ্টি কৰি লয় তাই । ৰ'দেৰে নিৰ্মিত বোকাৰ পদুম হ'ব খোজে ছোৱালীজনী । যাত্ৰা পথত কাষে কাষে ছাঁ গছ হৈ ৰৈ থাকে তাইৰ মাক । ছোৱালীজনীয়ে পাছলৈ ঘূৰি নাচায় ।

হাবি গাঁৱত উখল মাখল পৰিৱেশ । ঘৰৰ ছোৱালী ঘৰলৈ আহিছে আজি । অঞ্চলটোৰ প্ৰথম ইউ পি এছ চি পোৱা ছোৱালীজনী গৃহ জিলাৰ উপায়ুক্ত হৈ ঘূৰি আহিছে ঘৰলৈ । সম্বৰ্ধনা সভাৰ মঞ্চত ডিঙিত গামোচা পিন্ধি ছোৱালীজনীয়ে ভাষণ দিছে । তাইৰ কণ্ঠত দৃঢ়তা আৰু হাজাৰজনৰ চেতনা জগাই তুলিব পৰা তীক্ষ্ণতা । এসময়ত মদাহীৰ জীয়েক বুলি হঁহা মানুহবোৰে প্ৰশংসাৰে উপচাই দিছে তাইক । ৰভাখনৰ একেবাৰে শেষৰ শাৰীত বহি থকা ৰত্নগৰ্ভা মাতৃ গৰাকী এবুকু সুখত উপঙি পৰিছে । নাই। মৃত গিৰিয়েকৰ প্ৰতি মানুহগৰাকীৰ কোনো ক্ষোভ নাই । কাৰণ , মদাহীৰ জীয়েক স্বনামধন্য হৈ বোকাৰ পদুম ৰূপে উজ্জ্বলি উঠিছে ।

*এই লেখাটো মৌলিক আৰু কল্পনাৰ আধাৰত লিখা । বাস্তৱৰ কোনো চৰিত্ৰৰ সতে মিলিলে লেখিকা দায়বদ্ধ নহয় । এই লেখা পূৰ্বে অপ্ৰকাশিত।*

# প্ৰাধান্য

## পৰিস্মিতা বৰদলৈ

এনভেলপটো টেবুলখনৰ ওপৰতে পৰি আছে । অথনি ডাকোৱালজনে দি যোৱা ভাগেই । তাই তেতিয়া আগফালেই নিয়ৰৰ পাছে পাছে দৌৰি আছিল । ঠিক সেই সময়তে ডাকোৱালজনে আহি তাইৰ হাতত খামটো দিলেহি । তাই সেইটো হাতত লৈ ক্ষন্তেক সময় ডৰক লাগি ৰ'ল আৰু তাৰপাছত শোৱনি কোঠাৰ টেবুলখনৰ ওপৰতে থৈ দিলেহি । আজিকালি যিকোনো বস্তুৰেই কিতাপ কিম্বা কাগজ পত্ৰবোৰ যেনেকৈ তেনেকৈ থ'ব নোৱাৰি । নিয়ৰে সকলো ঢুকি পোৱা হ'ল আজিকালি আৰু যিটো বস্তু সি হাতেৰে ঢুকি নাপায় বান্দৰৰ দৰে বগুৱাবাই হ'লেও হস্তগত কৰিহে এৰে । সেয়েহে মাক আজিকালি সাৱধান হয় ।

নিয়ৰক আগফালৰপৰা জোৰজবৰদস্তি কৰি আনি ৰুমৰ বিছনাৰ ওপৰতে উবুৰিয়াই লৈ মাকজনীয়ে তাৰ গাত জনচন এণ্ড জনচনৰ বডি অইল টো মালিচ কৰিবলৈ ধৰে । তাইৰ হাতৰ পাঁজিসেৰীয়া আঙুলিকেইটাৰে আলফুলে অলপ অলপকৈ চাপ দি ক্ৰমান্বয়ে হাত ভৰি , পিঠি সকলোতে মালিচ কৰিবলৈ ধৰে । মাজতে কঁকালৰ ওচৰত হাতখন পৰাত তাৰ কুটকুটনি উঠে আৰু খিলখিলাই হাঁহি দিয়ে। মাকজনীয়ে বৰ উপভোগ কৰে এই খিলখিলনি। তাৰপাছত কান্ধত ডাঙৰ টাৱেল খন লৈ এহাতে তাক কোচত লৈ আনখন হাতত মাগটোৰ ভিতৰতে চাবোনৰ কেচ,বেবী শ্বেম্পুৰ বটলটো লৈ মানুহজনী পাছফালৰ ৰ'দঘাই জেগা টুকুৰালৈ যায় নিয়ৰক গা ধুওৱাৰ মনেৰে। যোৱাৰ আগেয়ে তাৰ গা ধুই উঠি পিন্ধাবলগীয়া কাপোৰকানি কেইটা সাজু কৰি থৈ যায়। পাছফালৰ সেই নিয়ৰক গা ধুওৱা স্থায়ী জেগাডোখৰতে কুহুমীয়া পানী তাই সাজু কৰিয়েই থয় । হাতৰ মাগটো পানীবাল্টিৰ কাষতে থৈ,গা টুকিবলৈ বুলি অনা ডাঙৰ টাৱেলখন তাঁৰডালত ওলোমাবলৈ লওঁতেই নিয়ৰ মাকৰ কোঁচৰপৰা নামি পোনচাটেই লৰ দিয়ে কাষৰ ঘৰৰ বৰতাকৰ ঘৰলৈ বুলি । মানুহজনীয়েও উপায় নাপাই ভীৰাই লৰ দিয়ে নিয়ৰৰ পাছে পাছে । সি মাকক যোৱা দেখি আকৌ হাঁহে । একেই সেই খিলখিলনি আৰু দুষ্টামীভৰা চাৱনি । মাকেও এপাকত চিলনীথাপ মৰাদি তাক জপটিয়াই ধৰে আৰু তাৰ চিঞৰ বাখৰলৈ কেৰেপ নকৰি গা ধুৱাবলৈ লয়। পানীখিনি এবাৰ হাতেৰে কিমান গৰম চাই লোৱাটো মানুহজনীৰ এক অভ্যাস ।লাহে লাহে এচলু এচলুকৈ তাৰ গাত পানী মাৰি আলফুলে গাটোত চাবোন মাৰিবলৈ ধৰে । কোমল মাৰ্কিন কাপোৰ ডোখৰত চাবোন লগাই তাৰ কাণ,আঙুলিৰ ফাঁক আদি দুখ নোপোৱাকৈ ঘঁহি ঘঁহি একেবাৰে শেষত পানী ঢালে । চুলিখিনিও শ্বেম্পু কৰি চকুত অকণো শ্বেম্পুৰ ফেন নোসোমোৱাকৈ নিপুন হাতেৰে মূৰটো ধুৱাই দিয়ে তাই । তাৰপাছত তাঁৰত মেলি থোৱা ডাঙৰ টাৱেলখনেৰে তাক মূৰৰপৰা ভৰিলৈকে মেৰিয়াই ভিতৰলৈ লৈ আনে । মূৰত পানী ঢালোঁতে তীখৰ নিয়ৰে চিয়ঁৰে যদিও টাৱেলখনেৰে লগেলগে মূৰৰ পানীখিনি মাকে টুকি দিয়াত সি মনে মনে থাকে ।

সদায় একেখনেই ৰুটিন । পুৱা নিয়ৰ উঠাৰপৰা ৰাতি টোপনি নহালৈকে মাকজনীৰ আহৰি নাই । তাক খুওৱা বুউৱা,ধোৱা পখলাৰ দৰে নিত্যনৈমিত্তিক কামবোৰৰ উপৰিও তাৰ লগত খেলা,তাৰ লগতে ৰাইমচ গোৱা,সি বুজক বা নুবুজক তাক সাধু শুনোৱা আদিবোৰ এতিয়া তাইৰ দৈনন্দিন জীৱনৰ এৰাব নোৱৰা অংগবিশেষ ।

এক সৰগীয় প্ৰশান্তি লভে তাই নিয়ৰৰ প্ৰতিটো আবদাৰত তাক কৰা প্ৰতিটো আপডালত। তাইক যেন জীয়ন দি থয় এই দেৱশিশুটিয়ে। অহৰহ তাইক এক সুখী সুখী অনুভৱে চুই থাকে চুচুকচামাককৈ।

তাইৰ মনত পৰে সেই দিনকেইটাৰ কথা । সাধাৰণতে তাই দিন,বাৰ,মাহৰ হিচাপ ৰখাত খুব হিচাপী । এই হিচাপী স্বভাৱটোৰ বাবেই তাইৰ মনত আউল লাগিছিল যেতিয়া দিনবোৰ বাঢ়ি গৈ আছিল । ঠিক যেন নিয়মমাফিক ৰুটিনখনত খেলিমেলিখন লাগিছিল । বিহুটোও আগত আহি আছিল । বোৱাৰীজীৱনৰ প্ৰথমটো বহাগৰ বিহু । কত হেঁপাহ,কত আশা তাইৰ । ভাবিছিল বিহুটোক আগতেই আজৰি হৈ ল'লে ভাল আৰু গা মূৰ ধুই । কিন্তু ?এদিন দুদিনকৈ যেতিয়া এসপ্তাহ পাৰ হৈ গ'ল । তাইৰ অলপ চিন্তাও লাগিছিল। লগেলগেই মনলৈ কেতিয়াও নহা সেই ভাৱটোৱে আহি অগাদেৰা কৰিছিল । তথাপিও

নিজকে প্ৰবোধ দিছিল “হয় জানো?” স্বামী অভীকে দুষ্টালিভৰা চাৱনিৰে চাই কৈছিল “হ’বওতো পাৰে!কি ডাঙৰ কথাটো? তাই জঁপিয়াই উঠিছিল আৰু প্ৰায় ডাঙৰকৈয়ে কৈছিল “ধেৎ নহয় যোৱা। কেনেকৈ হ’ব?” অভীকে তাইৰ হাত এখন তাৰ হাতৰ মুঠিৰ মাজত সুমুৱাই সুধিছিল, “কিয় সু? হ’লেই যেনিবা তুমি সাজু নোহোৱা নেকি?” তাইৰ অলপ অলপ লাজ লাগিছিল আৰু মুখৰপৰা ওলাওঁ নোলাওঁকৈ সৰি পৰিছিল কথাষাৰ “তুমি অফিচৰপৰা আহোঁতে কিট্ এটা লৈ আহিবাচোন আজি।” সি তাৰ ওঁঠেৰে তাইৰ কপালতে মৃদু পৰশ এটি দি ওলাই গৈছিল অফিচলৈ “বাৰু” বুলি কৈ। ঘূৰি আহোঁতে লৈ আহিছিল তাইলৈ তাইৰ প্ৰিয় নিমখীয়া কাজুৰ পেকেট আৰু সেই তাই কৈ পঠিওৱা কিট্‌টো।

গুলপীয়া আঁচ দুডালে যেন পুৱালৈ তাইৰ গাল দুখনো গুলপীয়া কৰি পেলাইছিল। কিট্‌টো লৈয়ে তাই বাথৰুমৰপৰা দৌৰি যোৱাদি গৈ অভীকক শোৱাৰপৰা জগাই দিছিল ।অভীকে চকুদুটা মোহাৰি মোহাৰি তাইৰ ফালে চাইছিল ।তাৰ চকুত তেতিয়াও টোপনিৰ চিকুণ পুৱাৰ আলস্যভাৰ । তাই কীটটো তাৰ চকুৰ আগত দাঙি ধৰাত সি একেছাটেই উঠি বহিছিল । টোপনি যেন পলাই পত্ৰং দিছিল নিমিষতে ।দুয়োটাই পৰস্পৰক সাৱটি ধৰি কৈছিল “পজিটিভ,পজিটিভ।”

সেইদিনাৰপৰাই যেন আৰম্ভ হৈছিল অন্য এক পৰিক্ৰমা ।তাইৰ খোৱা,শোৱাৰ পৰা আৰম্ভ কৰি সকলোবোৰ কামতেই যেন সেই এধানিমান অস্তিত্বকণৰ বাবে দৰদ ।যেন আলফুলে ৰাখিব জীউকণক যি তাইৰ গৰ্ভত বাঢ়ি আহিছে একলা দুকলাকৈ। ভালকৈ টোপনি যোৱা,অলপমান খোজকঢ়া,ভাল ভাল কিতাপ পঢ়া,মনটো ফূৰ্তিত ৰখা,কোনোধৰণৰ নাকাৰাত্মক ভাৱ মনলৈ ননা ইত্যাদি এশএবুৰি নিয়ম মানি তাই খোজ দিছিল নাৰীজীৱনৰ সবাতোকৈ আকাংক্ষিত ঢাপটিৰ পিনে ।স্বামী অভীক,সাদৰী শাহুৰেক,মৰমীয়াল শহুৰেক সকলোৰে আৰৰি ৰাখিছিল তাইক মৰমেৰে আদৰেৰে তথা যত্নেৰে । মাকৰ ঘৰৰপৰা নিতৌ পুৱাগধূলি মাকে খবৰ লৈছিল আৰু ভনীয়েকে জোকাইছিল “বা মোৰ ভাগিনক ভালকৈ ৰাখিবি দেই । পেটৰপৰা ওলায়ে মোক মাহী ক’ব নোৱাৰিলে তোকে দিম মচলা। পাবি গমটো।” তাইৰ ভাল লাগিছিল সকলোবোৰ। এনেকৈ আগুৱাইছিল আগন্তুক মাতৃত্বৰ জীৱনটোক আকোঁৱালি ল’বলৈ।

আঘোণমহীয়া সুমথিৰাৰঙী আবেলিটোত তাইৰ গাটো অকণমান বেয়া কৰাত লৰালৰিকৈ লৈ যোৱা হৈছিল তাইক নাৰ্চিং হোমখনলৈ আৰু পাছদিনা কুঁৱলীসনা পুৱাটিত ঠিক সূৰ্যোদয়ৰ লগেলগেই তাইৰো মাতৃজীৱনৰ উদয় হৈছিল । জন্ম হৈছিল এটি দেৱশিশুৰ আৰু কণ কণ নিয়ৰ সৰা পুৱাটিত জন্ম লভাৰ বাবেই তাৰ নাম ৰাখিছিল “নিয়ৰ”। নিয়ৰৰ জন্ম হৈছিল আৰু একেসময়তে এগৰাকী নব্য মাতৃও উপজিছিল। সেই সন্ধিক্ষণৰপৰাই মানুহজনীক এটি বৃত্তই সামৰি লৈছিল , যাৰ কেন্দ্ৰবিন্দু আছিল নিয়ৰ আৰু কিছু বাধ্যবাধকতাৰ পৰিধিৰ মাজত আবদ্ধ হৈছিল মানুহজনীৰ দিনপঞ্জী। তথাপি মানুহজনী সুখী আছিল । তাইৰ এই বাধ্যবাধকতা বেয়া লগা নাছিল, বৰঞ্চ ভাল লাগিছিল। ঘৰখনৰ সকলো কথাই নিয়ৰকেন্দ্ৰিক হৈ পৰাৰ বাবে নিয়ৰৰ মাক হিচাপে মানুহজনীৰ বুকুখন ওফন্দি উঠিছিল। লাহেলাহে মাতৃত্বৰ মমতাত বুৰ গৈ তাই সপোনবোৰকো খেপিয়াই চাইছিল ।যিবোৰ সপোনে তাইক সেই ল’ৰালিৰপৰাই খেদি থাকিছিল সেইবোৰ এতিয়া তাই তাই পুনৰ দেখিবলৈ আৰম্ভ কৰিছিল মাথোঁ পাৰ্থক্য এটাই আছিল যে আগতে সপোনৰ নায়িকা আছিল তাই নিজে আৰু এতিয়া নিয়ৰ।

নিয়ৰক কাপোৰকানি পিন্ধাই হ’লত মানুহজনীয়ে নিয়ৰক তাৰ ককাকৰ ওচৰতে থৈ পাকঘৰৰপৰা হটকেচটো আনিবলৈ যায়। ককাকে ৰূমৰ ফেনখন চলাই দিয়াত টেবুলৰ ওপৰৰ খামটো উৰি গৈ মজিয়াত পৰে। মানুহজনী ৰূমলৈ সোমাই আহোঁতে ভৰিতে লাগে খামটো। তাই এইবাৰ ড্ৰয়াৰৰ ভিতৰত ভৰাই থয় খামটো। নিয়ৰৰ লগত কথা পতাত ব্যস্ত শহুৰেকে মন নকৰে সিমান কথাটো, হয়তো তেখেতে অথনি খামটো উৰি যোৱা কথাটোও মন কৰা নাছিল। তাই স্বস্তিৰ নিশ্বাস কাঢ়ে। শহুৰেকৰ অন্যমনস্কতাই তাইক যেন আশ্বস্ত কৰে।

এইবাৰ তাই টিভিত নিয়ৰৰ প্ৰিয় ৰাইমচ কেইটাৰ ভিডিঅ লগাই দিয়ে যিকেইটা ককাকে পেনড্ৰাইভত ভৰাই দিছে নিয়ৰৰ বাবেই । নিয়ৰেও টিভিত বাজি উঠাৰ লগে লগে “বেবী ফিংগাৰ বেবী ফিংগাৰ হোৱেৰ আৰ ইউ?” গাই গাই মাকৰ কোলাত উঠি লয় । ককাকে “তুমি এতিয়া ভালকৈ মাম মাম খাই লোৱা দেই” বুলি কৈ ওলাই যায় । মানুহজনীয়ে নিয়ৰক এটেপা দুটেপাকৈ ভাত খুৱাবলৈ ধৰে ।এই নিয়ৰক খুওৱা কামটোৱেই আটাইতকৈ টান কাম ।দুটেপামান খোৱাৰ পাছতে তাৰ উৎপাত লাগি যায়। বাৰেবাৰে সি উঠে যায়। মাকেও তাৰ পাছে পাছে গৈ পুনৰ কোচত আনি বঢ়ুৱাই লয় । এনেকৈ সেই অকণমান ভাত কণ খাওঁতেই তাৰ প্ৰায় একঘণ্টামানৰ ওচৰাওচৰি সময় লাগি যায়।

নিয়ৰক খুৱাই মানুহজনীয়ে ভাতখোৱা বাচনযোৰ সামৰি উঠাই লয় আৰু নিয়ৰক ভালকৈ হাতমুখ ধুৱাই কাপোৰকানি পিন্ধাই দিয়ে । নিয়ৰেও জানে এতিয়া তাৰ শোৱাৰ সময় । মাকৰ কোলাত বাধ্য ল'ৰাৰ দৰে উঠি মাকক বিছনাৰ ফালে দেখুৱাই “শুম শুম ‘’ বুলি কৈ যায় । একোবত মাকৰ বুকুৰ মাজত সোমাই সি নিচিন্তমনে টোপনি যায়গৈ ।

আজিও মানুহজনীয়ে তাক এহাতেৰে সাৱটি আনখন হাতেৰে তাৰ গাত থপৰিয়া থপৰিয়াই আজি অহা খামটোৰ কথা ভাবিবলৈ ধৰে । লগতে তাইৰ মনত ডোলা দি যায় আন কেতবোৰ কথায়ো ।

তাই তেতিয়া এল পি স্কুলত । সিহঁতৰ পাঠ্যপুথিত আছিল “মোৰ জীৱনৰ লক্ষ্য” নামৰ গল্পটি । সেই পদ্যটি আওঁৰোৱাৰে পৰা তাইৰ মনতো খোপনি পুতিছিলহি কেতবোৰ সপোনে । গঁজালি মেলিছিল কেতবোৰ সৰু সৰু আশা । আইতাকৰ যৌতুকীয়া ড্ৰেছিং আইনাখনতে আইনাখন ঢাকি লৈ, চকী এখন গোটাই পাটীগণিত,কুঁহিপাঠৰ আখৰা কৰিছিল । কৰিছিল জীৱন যুদ্ধৰ আখৰা কিম্বা জীৱন গঢ়াৰ পৰিকল্পনা। কেতিয়াবা তাই ভাবিছিল বিজ্ঞানী হ'ব আকৌ কেতিয়াবা ডাক্তৰ হৈ ৰোগী চাব । কেতিয়াবা ভাবিছিল মাষ্টৰণী হ'ব আকৌ কেতিয়াবা ভাবিছিল ওকালতি কৰিব । পৰীক্ষাৰ মাৰ্কশ্বিটবোৰে তাইৰ সপোনবোৰক আপডাল কৰিছিল তথা তাইৰ আশাবোৰক জীয়ন দিছিল । তাইক কোনেও ক'বলগীয়া হোৱা নাছিল “পঢ়” বুলি । শোৱাপাটীৰপৰা কোনোদিনেই তাইক জগাব লগীয়াও হোৱা নাছিল । “ছাত্ৰৰ কৰ্তব্য” ৰচনাখন যে তাই চিঞৰি চিঞৰি পঢ়োতে একপ্ৰকাৰ মুখস্থ হৈ গৈছিল । “পঢ়াই পঢ়ে ৰোৱে পান, এই তিনি নিচিন্তে আন” কথাষাৰ দ কৈ শিপাই গৈছিল তাইৰ বুকুৰ ভিতৰলৈকে । সেয়েহে খুব মনপুতি পঢ়াশুনা কৰিছিল তাই । সেইধৰণে ফলাফলো হৈছিল ভাল । সিহঁতৰ গাঁৱৰ স্কুলৰপৰা টাউনৰ হাইস্কুলত চিট পোৱাটোও তাইৰে সৌভাগ্য বুলি ভাবিছিল । এনেকৈ হাইস্কুলৰ দেওনা,কলেজ ইত্যাদিও সুকলমে সমাপন কৰিছিল । উচ্চশিক্ষাৰ বাবে মন থকা স্বত্বেও আৰ্থিক অৱস্থাই হেঙাৰ হৈ ঠিয় দিছিল । মনৰ সকলো আশা,সপোন সামৰি সুতৰি তাই জীৱিকাৰ সন্ধানত নামিছিল । মনৰ একোণত তেতিয়াও বাজি বৈছিল “মোৰ জীৱনৰ লক্ষ্য”। একাগ্ৰতাৰ বাবেই প্ৰাইভেট চাকৰিটোৰ লগতে মাষ্টাৰ ডিগ্ৰীটো লৈছিল তাই ডিচটেন্স পাঠ্যক্ৰমত। ভাবিছিল তেতিয়াও তাই শিক্ষয়িত্ৰীৰ পদ এটাকে পাই গ'লে যে কিমান ভাল হ'লহেঁতেন । এনেকৈ থাকোঁতেই ঘৰৰপৰা তাইৰ বিয়াৰ কথা ওলায়। ইতিমধ্যে তাই টেটৰ এণ্ট্ৰেন্সতো উত্তীৰ্ণ হয় । খৰধৰকৈ বিয়া হৈ যায় । মাজতে কেইবাঠাইতো তাইৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰও জমা কৰে । শিক্ষকতাৰ চাকৰি এটা হ'ব হ'বকৈ এবছৰ উকলি যায় । আগৰ চাকৰিটোও এৰিবলগীয়াত পৰে । তথাপিও এটা ভালখবৰৰ অপেক্ষাত থাকে তাই । কিন্তু তেনেতেই আন এটা খবৰে তাইক পুলকিত কৰে । হয় তাই মাতৃত্বৰ খবৰ । মাতৃত্বৰ গৌৰৱে তাইক আছন্ন কৰি ৰখাৰ সময়ত তাই পাহৰি যায় তাইৰ পূৰ্বৰ লক্ষ্যৰ কথা । নিয়ৰৰ লগতে লাগি থাকোতেই পাহৰি যায় তাইৰ অপেক্ষাকৃত খবৰৰ কথাও। কিন্তু মানুহৰ জীৱনত কিছু ঘটনা অপ্ৰত্যাশিতভাৱেই ঘটে । যাৰ উদাহৰণ সেই ডাকোৱালজনে দি থৈ যোৱা এনভেলপ্‌টো । হয় যাৰ ভিতৰত সোমাই আছে তাইৰ ইমানদিনৰ আকাংক্ষিত খবৰটো।

ডাকোৱালজনে দি থৈ যোৱাৰ পাছতেই তাই এবাৰ চাই থৈ দিছিল সেইটো । য'ত আছিল তাইৰ আশাপ্ৰদ ভালখবৰটো । কিন্তু কিয় জানো এই ভালখবৰটোৱে চোন আজি তাইক সিমান আনন্দ দিব নাই পৰা । যিটো খবৰৰ বাবে তাই ইমানদিনে আশা কৰি আছিল আজি সেই আশা পূৰণৰ ছাবিকোচা হাতত পায়ো তাই মনৰ ভিতৰত নিকপকপীয়াহৈ লাগি ৰোৱা তলাটো খুলিবলৈ আজি অপাৰগ । এফালে তাইৰ আৰ্থিক সবলতা, নিজা পৰিচয় গঢ়াৰ সুযোগ আৰু আনহাতে তাইৰ বুকুৰ আমঠু নিয়ৰ যাৰদ্বাৰা আজি তাইৰ পৰিচয় এগৰাকী মা । টেলিভিছনৰ পৰ্দাত,বাতৰিকাকতত প্ৰকাশিত শিশুৰ নিৰুদ্দেশ,বনকৰা মানুহৰ দ্বাৰা উৎপীড়ন ইত্যাদিয়ে তাইৰ মনটো যেন দোদুল্যমান কৰি তুলিছে । ঘৰত অসুখীয়া শহুৰেক,বৃদ্ধা শাহুৱেকৰ হাতত গটাই থৈ যাবলৈ দিনটোলৈ তাইৰ বিবেকে নকয় ,যিহেতু তেওঁলোকৰো বিশ্ৰামৰ কথা আছে । দিনটো অলপ সময় চাই দিয়া,ককাক আইতাকৰ লগত খেলাধূলা কৰা ইত্যাদিৰ কথাও বেলেগ আৰু দিনটোলৈ তাৰ খুউৱা বুউৱা,ধোৱাপখলা,শোৱাকে আদি কৰি তাৰ পিছে পিছে দৌৰি ফুৰাটোও বেলেগ এটা কথা । তাইৰ গাভৰু মানুহজনীৰে চোন ভাগৰ লাগে তাৰ পাছে পাছে দৌৰোতে । শাহুৱেক শহুৰেকটো বৃদ্ধ লোক তেওঁলোকে মনৰ জোৰতে পাৰিব বুলি ক'লেও তাই মান্তি হোৱাটো যুগুত হ'বনে বাৰু ? এনেকুৱা এশ এবুৰি চিন্তাই আহি তাইক চানি ধৰিলেহি মুহূৰ্ততে । এই সকলোবিলাক উলাই কৰি তাক ক্ৰেছত থোৱাৰ কথা ভাবোতেই তাইৰ মনলৈ আহিল সিদিনা ওচৰৰে অন্নপ্ৰাসন্ন এখনত লগপোৱা সেই চাৰে চাৰিবছৰীয়া শিশুটোৰ কথা । দেখাত অতি মৰমলগা ল'ৰাটোৰ মুখত মাত নুফুটে , সকলোৰেপৰা অলপ ভয়ে ভয়ে থকাৰ উপৰিও একদম বয়স অনুপাতে

তাৰ যেন মনৰ ৰংখিনি নিষ্প্ৰভ । পিছত গম পাইছিল যে ল'ৰাটোৰ মাক , দেউতাক দুয়ো ওলাই যায় কৰ্মস্থলীলৈ পুৱাতে । ঘৰ সোমাইহি ৰাতি আঠবজাত । সেয়েহে ক্ৰেছত থৈ যোৱা ল'ৰাটিয়ে দিনটো বঞ্চিত হয় কেতবোৰ মনে বিচৰা অনুভৱৰ পৰ,সংগৰ পৰা । যাৰফলত মানুহৰ সংস্পৰ্শলৈ আহিলেও কণমানিটো সহজ হ'ব নোৱাৰা হৈ পৰিল । কথাটো মনত পৰাত মানুহজনী যেন উচপ খাই উঠিল।

এনেতে নিয়ৰৰ এখন হাতে তাইক মেৰিয়াই ধৰে কঁকালত তায়ো তাক বুকুত সাৱটি ধৰে । অজানিতে তাইৰ এটোপাল চকুলো পৰে নিয়ৰৰ গালত । সি টোপনিতে চকুকেইটা পিৰিকিয়াই দিয়ে । তাই এইবাৰ মন ডাঠ কৰে । আৰু ভাবিবলৈ লয় যে নিয়ৰ ডাঙৰ হোৱাৰ পাছত তাই হয়তো এইটো সুযোগ নাপাব কিন্তু আৰ্থিকভাৱে সবল হ'বলৈ তথা নিজৰ পৰিচয় গঢ়িবলৈ অন্য বহুত সুযোগ পাব । এতিয়া প্ৰথম পৰিচয় তাই এগৰাকী মাতৃ আৰু তাইৰ জীৱনৰ লক্ষ্য হ'ল এগৰাকী ভাল মাতৃ হোৱা । কথাষাৰ মনলৈ অহাত তাইৰ মনটো পাতল লাগি যায় আৰু নিয়ৰৰ কপালত আলফুলে চুমা এটা খায়।

(বিঃদ্ৰঃ গল্পটোত উল্লেখ কৰা কাহিনীটো কিছু পৰিমাণে বাস্তৱৰ লগত জড়িত যদিও ইয়াৰ দ্বাৰা কিন্তু চাকৰিয়াল মাতৃসকলক ক্ষুন্ন কৰিবলৈ বিচৰা নাই । আজিও বহু মাতৃয়ে তেনেদৰেই সংসাৰ চলাই নিছে । গল্পটোৰ দ্বাৰা মাথো ইয়াকে বুজাব বিচৰা হৈছে যে এগৰাকী নাৰীৰ জীৱনত আৰ্থিক নিৰাপত্তা তথা পৰিচয়ৰ প্ৰাধান্যতকৈও কেতিয়াবা সন্তানেহে প্ৰাধান্য পায় । কিয়নো আইৰ সমান কোনোৱেই হ'ব নোৱাৰে।)

# হেপী মেৰেজ এনিভাৰ্চেৰী

**প্ৰিয়ংকা বৰুৱা**

কালি ৰাতি প্ৰতীক আৰু নিশিতাৰ দুৰ্বাদল কাজিয়া। কাজিয়াৰ কাৰণ সেই একেবোৰেই।

নিশিতাৰ মতে প্ৰতীক এলেহুৱা, বেচিজিল। ঘৰৰ কামত তাইক অলপো সহায় নকৰে। তাই যদি এই মাত্ৰ ৰুমটো চাফা কৰে,সি খেলিমেলি কৰে। গা ধুই টাৱেলখন কোনোদিন বাহিৰত নেমেলে। চাহ খাই কাপটো অখাল মৰাটো দূৰৰে কথা, বেছিনতো নথয়। ৰাতিপুৱা দেৰিকৈ শুই উঠিলেও বিছনাখন কোনো দিনা পাৰি নাহে। মুঠতে ঘৰৰ কুটা এগছো ইফাল সিফাল নকৰে।

কিন্তু তাৰ বিপৰীতে সদায় হোষ্টেলত ডাঙৰ দীঘল হোৱা নিশিতা খুব পৰিপাটি।তাইও প্ৰাইভেট কোম্পানী এটাত চাকৰি কৰে। তথাপিও ঘৰখন তাই বৰ পৰিষ্কাৰকৈ ৰাখিব যত্ন কৰে। ড্ৰইং ৰুমৰ সজোৱা বস্তু কেইপদৰ পৰা বাৰান্দাৰ টাব কেইটা লৈকে তাই যত্ন লয়।সঁচাকৈয়ে তাই এক মিনিটো এনেই বহি নাথাকে।

কিন্তু কালি প্ৰতীকে পাণ খাই তাই অলপ আগতে চাফা কৰি অহা বগা বেচিনটো পিকাই পেলাই ৰঙা কৰি থোৱা দেখি তাইৰ ইমানেই বেয়া লাগিল যে প্ৰতীক তুমি সদায় কিয় এনেকুৱা কৰা বুলি কলে। মোৰ কষ্ট অলপমান টো বুজি পাবা বুলি কলে। ইফালে অফিচত বছেও কিবা কাৰণত কথা শুনোৱাত প্ৰতীকৰো মনটো বেয়া হৈ আছিল।তাৰ ইমানেই খং উঠিল যে মুখত যি আহে তাকেই নিশিতাক শুনাব ধৰিলে। ইমানেই বেছি কাজিয়া লাগিল যে দুয়োটাই ৰাতি ভাত পানী নোখোৱাকৈ শুই থাকিল।শুলেও বেলেগ বেলেগ কোঠাত। মাত বোল বন্ধ।

আজি সিহঁতৰ দুবছৰীয়া বিবাহ বাৰ্ষিকী। সকলোৱে ফোন মেছেজ কৰি সিহঁত হালক শুভেচ্ছা জনাইছে। মাথোঁ জনোৱা নাই প্ৰতীক আৰু নিশিতাই উভয়ে উভয়ক। নিশিতাক মাত নিদিয়াকৈ প্ৰতীক সোনকালেই ওলাই গল। নিশিতাৰো অফিচত মন নবহিল। কোনেও নেদেখাকৈ মাজে মাজে ৰুমালেৰে চকুপানী মুচে।ভুলটো টো প্ৰতীকৰ হে আছিল। বেছিনটোত অলপ পানী মাৰি চাফা কৰি থৈ অহা হলেনো কি লোকচান আছিল। কিন্তু নাই নকৰে মানে একোৱেই নকৰে। অকণমান টো তাইৰ কষ্ট অনুভৱ কৰিব লাগে। ঠিক আছে বাৰু কালি যি হল হৈ গ'ল। ৰাতিপুৱাতো আজি এবাৰ তাইক মাতি মৰমেৰে আঁকোৱালি লোৱা হলেই তাই সকলো পাহৰি গলহেঁতেন। মাইকী মানুহ,এনেই মৰম আকলুৱা। নাই নামাতিলে,সি এবাৰো তাইক নামাতিলে।

টু.... টু... টু.... টু....নিশিতাৰ মোবাইল টো বাজি উঠিল।প্ৰতীক কলিং....তাইৰ মুখ খন উজলি উঠিল।

নিশিতা ঃ (খুব মৰমেৰে) হেল্ল,

প্ৰতীক ঃ (কোনো আবেগ অনুভূতি নোহোৱাকৈ) মই তোমাৰ অফিচৰ তলত আছোঁ।ঘৰৰ চাবিপাত ৰাতিপুৱা আনিব পাহৰিলোঁ। তোমাৰ পাত দি যোৱাহি। মই ঘৰলৈ যাওঁ,কিবা এটা কামত।

নিশিতাৰ মুখ খন আকৌ কলা পৰি গল। এনেকুৱা লাগিছিল যেন তাইও একে উত্মাৰে জবাব দিব। নোৱাৰো মই তললৈ চাবি দিব যাব। যত থাকা থকাগৈ। কিন্তু তাই তেনেকৈ ক'ব নোৱাৰিলে। কাৰণ কাষতে দুগৰাকী সহকৰ্মীয়ে কাম কৰি আছিল। একোৱেই তাই কব নোৱাৰিলে তেওঁলোকৰ আগত। চকী খনৰ পৰা উঠি তাই তললৈ আহিল।

কিন্তু এইয়া তাই কি দেখিছে? প্ৰতীকে দেখোন হাতত এথোপা ৰঙা গোলাপ লৈ দুষ্টালি ভৰা হাঁহিটো মাৰি তাইৰ ফালে চকু টিপিয়াই বাইকৰ ওপৰত ভেজা দি আছে। নিশিতাৰো হাঁহো হাঁহো লাগিছে কিন্তু জোৰকৈ তাৰ আগতে গহীন হৈ আছে।

প্ৰতীক ঃ হেপী এনিভাৰ্চেৰী মাই চুইটি প্ৰিন্সেচ। এই ফুল আৰু মৰম কেৱল তোমাৰ বাবে। মুখ খন এতিয়া আৰু ফুলা লুচি কৰি থ'ব নালাগে। ধুনীয়াকৈ হাঁহিটো মাৰা।

ধেমেলীয়া ভাবেৰে সি নিশিতাক ক'লে। সি আকৌ ক'লে,

তুমি কি ভাবিছিলা,মই মোৰ মানুহ জনীক ভাল নাপাওঁ।ৰাতিৰ কাজিয়াৰ কাৰণে আজি মই শুভেচ্ছা নজনোৱাকৈ থাকিম।এগু আই এম ছ' শ্বৰী। ময়ো আজিৰ পৰা তোমাক ঘৰৰ কামত সহায় কৰিব যত্ন কৰিম।তুমি অফিচ,ঘৰ সকলো কিমান কষ্টেৰে চম্ভালি আছা। মই অলপ আগতে সেইবোৰ কথাই ভাবি আছিলোঁ। তোমাৰো তো ভাগৰ আছে, অৱশ লাগে। মই সলনি হব চেষ্টা কৰিম। আই লাভ য়ু।

নিশিতাৰ মুখত ধুনীয়া হাঁহিটো বিৰিঙি উঠিল। খংবোৰ তাইৰ ফিৰ ফিৰ কৈ বতাহৰ লগত উৰি গল। তাই যেন প্ৰতীকক এতিয়াই সাৱটি ধৰিব।

প্ৰতীক ঃ কি হাঁহি আছা বেঙীৰ নিচিনাকৈ,বলা ঘ'ৰলৈ যাওঁ।

নিশিতা ঃ অফিছ শেষ হবলৈছোন আৰু অলপ সময় বাকী আছেই।কেনেকৈ এতিয়াই যাম?

প্ৰতীক ঃ কি মই ঘৰত অকলে এনিভাৰ্চেৰী পাতিম নেকি? যোৱা বছৰ কৈ আহা বিশেষ জৰুৰী কাম আছে বুলি। ময়ো তেনেকৈ কৈ আহিছোঁ।

এতিয়াই আহি আছোঁ, তুমি পাঁচ মিনিট ৰোৱা বুলি হাঁহি হাঁহি খৰ খোজেৰে তাই অফিচৰ ভিতৰলৈ গল।

প্ৰতীকৰ মনতো এটা সন্তুষ্টিৰ হাঁহি ফুটি উঠিল। তাৰ অভিমানী নিশি জনীযে একেবাৰে সৰু ছোৱালীৰ দৰে। ইমান মৰম আকলুৱা। কিমান যে কষ্ট কৰে তাই। তাৰ সপোনৰ ঘৰখনতো তায়েই ধুনীয়াকৈ সজাই পৰাই ৰাখিছে। সিও পণ কৰিলে আজিৰ পৰা সি তাইক সঁচাকৈয়েই ঘৰুৱা কামত অলপ হলেও সহায় কৰিব। তাইৰ ভাগৰ,কষ্ট বুজিবলৈ চেষ্টা কৰিব।

## অৰ্দ্ধ আকাশ গল্প প্ৰতিযোগিতাৰ বিজয়ী গল্প —

# ইতিহাসৰ হালধীয়া পাতত ভৈৰৱী অঞ্জলি আৰু কাজৰী

**ৰাজশ্ৰী ধনদিয়া**

শেষ নিশাৰ আকাশখনৰ শিৰত হেঙুল হাইতালৰ বোল লাগিবলৈ এতিয়াও বহুতপৰ বাকী। ভৈৰৱীয়ে লেপটপটো বন্ধ কৰি উঠি আহিল । কাম কৰা অৰ্ডালিজনীক নজগোৱাকৈ তাই পাক ঘৰত সোমাল। হাতত ব্লেক কফি কাপ লৈ বাৰাণ্ডাৰ বেতৰ হেঙিং চেয়াৰখনত ভৈৰৱী বহি ল'লেহি। বাৰাণ্ডাৰ গ্ৰীলখন আৰু ৱালখন আইভীলতাৰে ঘেৰা, কোমল নীলা ডিম লাইটৰ পোহৰত বেতৰ চকীখনত বহি থকা ভৈৰৱীক দূৰৰপৰা ৰহস্যময়ী যেন দেখাইছে। অদূৰত তাইৰ কোৱাৰ্টাৰটোৰ গে'টখনৰ সৈতে সংলগ্ন হৈ থকা চিকিঅ'ৰিটি প'ষ্টটোৰপৰা ভুনভুননি ভাঁহি আহিছে, ডেকা চিকিঅ'ৰিটি গাৰ্ডজনে কাৰোবাৰ লগত ফোনত কথা পাতিছে । ভৈৰৱীয়ে নিশব্দে হাঁহিলে, প্ৰেয়সী চাগে'!

ষ্ট্ৰীট লাইটৰ পোহৰত ভৈৰৱীয়ে স্পষ্ট দেখা পাইছে, বতাহে কোবাই নিয়া কৃষ্ণচূড়াজোপাৰপৰা ফুলৰ পাপৰি বোৰ পদপথৰ ওপৰত জৰ - জৰকৈ সৰি পৰিছে।

এৰা !

ফাগুনৰ শেষত ৰিব্ ৰিব্ মলয়াই জোকাই থকা এই নিশাবোৰত বুকুৰ আপোনজনৰ লগত প্ৰেমালাপ কৰাৰ মাদকতাই যে সুকীয়া। ভৈৰৱীৰ কাৰণে এই শিহৰণৰ মাদকতা কিমান পুৰণি অতীত বাৰু ? চাৰি বছৰ? অথচ তাইৰ ভাৰ হয় সৌ সিদিনা লৈকে চোন বহ্নিমানৰ লগত তাই কথা পাতিছিল, জনতাৰ প্ৰতি দায়বদ্ধতা আৰু সমৰ্পণৰ মনোভাৱেৰে ওলাই অহা দুযোৰ চকুৰ মাজত পাঁচশ কিল'মিটাৰ দূৰত্ব থাকিলেও দুখন হৃদয় চোন অভিন্ন হৈ আছিল, দেহেৰে নহ'লেও মনেৰে ইজনে সিজনৰ কাষত আছিল।

আৰু এতিয়া !

এতিয়া হাত মেলিলেও বহ্নিমানক যুগৰ পাছত যুগ ভৈৰৱীয়ে চুব নোৱাৰে। পাঁচবছৰীয়া প্ৰেমৰ পৰিণতিত হোৱা বিয়াখনৰ তিনিবছৰো পূৰ হ'বলৈ নাপালে, বহ্নিমান হেৰাই গ'ল। হেৰাই গ'ল বহ্নিমান কু- চক্ৰান্ত, অভিসন্ধি আৰু স্বাৰ্থপৰতাৰ খেলখনত।

কাৰ কি হানি হ'ল?

উদীয়মান, সুদক্ষ আৰু কৰ্মপটু আৰক্ষী বিষয়া বহ্নিমান বৰুৱাৰ দুৰ্ঘটনাত মৃত্যু বুলি বাতৰিটোৱে দুদিনমান সংবাদ মাধ্যমত ঠাই পালে আৰু একে সেৱাতে জড়িত বুলি বহ্নিমানৰ পত্নী ভৈৰৱীয়ে য'লৈকে যায় তাতে সমবেদনাৰ সোঁত পালে। না বহ্নিমানৰ উকা হৈ যোৱা ঘৰখনৰ ৰিক্ততা পূৰণ হ'ল, না ভৈৰৱীৰ হৃদয়ৰ শূন্য পিয়লাৰ তৃষ্ণা নিবাৰণ হ'ল। উকা কপালখনৰ সৈতে উকা মনটো লৈ ভৈৰৱীয়ে নিজকে শিলৰ দৰে গঢ় দিলে, শিলৰ দৰে! বহ্নিমানৰ আদৰ্শ বুকুত প্ৰোথিত কৰি ভৈৰৱীয়ে নিজৰ চৌপাশে এনে এক বৰ্ম তৈয়াৰ কৰি ল'লে যে কৰ্মক্ষেত্ৰত চৰকাৰী পক্ষপাতিত্ব, বিভাগীয় বৈষম্য বা সহকৰ্মীৰ কটাক্ষ একোৱেই তাইক চুব নোৱাৰা হ'ল। নাৰীক অবলা- দুৰ্বলা বুলি ভবা চামৰ পংগু মানসিকতাক ভ্ৰূকুটি কৰি নিজকে আনৰ কাৰণে আদৰ্শ কৰি গঢ়ি তুলিবলৈ এই কঠিন বৰ্মই ভৈৰৱীক মনোবল যোগাই আহিছে।

শেষ নিশাৰ চৰাই কেইটামানে চিৎকাৰ কৰি উঠিল।

এৰা! প্ৰতিটো আন্ধৰুৱা ৰাতিৰ অন্তত প্ৰোজ্জল ৰাতিপুৱাবোৰে কলকলায়। দুৰ্যোগৰ শেষত সুদিন আহে, বৰষুণৰ শেষত সাতোৰঙী ৰামধেনু, ধুমুহাৰ শেষত আহে বাঁহীৰ মিঠা সুৰটোৰে জোকাই যোৱা ৰ'দৰ স্থিৰচিত্ৰ।

আজিৰপৰা চাৰি বছৰ আগেয়ে দুৰ্ধৰ্ষ কয়লা মাফিয়া জনাৰ্দন পূজাৰীৰ বিৰুদ্ধে সৰব হৈ উঠা কাৰণে বহ্নিমানে দুৰ্ঘটনাক আঁকোৱালি লৈ শেষ নিশ্বাস ত্যাগ কৰিছিল। চৰকাৰী ফাইলত যদিও এয়া স্বাভাৱিক দুৰ্ঘটনা বুলি প্ৰতীত হৈছিল, তথাপি ভৈৰৱীয়ে জানে, এয়া এক সু - পৰিকল্পিত দুৰ্ঘটনা আছিল। সেই সময়ত কোনো থিয় দিয়া নাছিল ভৈৰৱীৰ কাষত, কিন্তু আজি সমগ্ৰ জনতা তাইৰ পক্ষত আছে।

আজি আহিবলগা ৰাতিপুৱাটোৱে সলনি কৰি দিব ইমান দিনে চৰকাৰৰ অন্ধত্ব আৰু অনেক বিভাগীয় মুৰব্বীৰ পক্ষপাতত নদীৰ গতিকো নিয়ন্ত্ৰণ কৰিব পাৰোঁ বুলি অহংকাৰ কৰা জনাৰ্দন পূজাৰীৰ ভাগ্যলিপি। সলনি কৰি দিব লুইতপৰীয়া যুৱশক্তিৰ নেতা সুকুমাৰ কলিতাৰ বিৰুদ্ধে থকা মিথ্যা অভিযোগবোৰ।

হিচাপ লোৱাৰ সময় এয়া, যোৱা কেইবামাহৰেপৰা সংগোপনে সাজু কৰা সমৰ সজ্জাৰ প্ৰয়োগৰ সময় এয়া। তুৰ্বকৰ বিৰুদ্ধে মূলা গাভৰুৱে গঢ়ি লোৱা সমৰ সজ্জা নহয়, বৰং বহ্নিমানৰ মৃত্যুৰে লগতে জনতাৰ বিশ্বাস আৰু আস্থাৰ হত্যাৰ হিচাপ লোৱাৰ বাবে কেইবাটাও উজাগৰী নিশা পাৰ কৰি, নিজৰ কেৰিয়াৰক বিপন্ন কৰি প্ৰচুৰ বিচক্ষণতাৰে গঢ়ি তোলা অস্ত্ৰ — শস্ত্ৰবিহীন সমৰ সজ্জা এয়া ।

ঘৰৰ পাছফালৰ পথাৰখনত শিয়াল কেইটাই হোৱা দিয়াৰ লগে লগে অদূৰত কুকুৰ এটাই ৰাওচি জুৰিলে, গোটেই ৰাতিটো জাগি থকাৰ পাছত শেষ নিশাৰ পিনে অঞ্জলিৰ চকু জাপ খাই আহিছিল । ৰুণিক বুকুত বান্ধি তাই এইদৰে ৰাতিৰ পাছত ৰাতি পাৰ কৰিছে । কিমান ৰাতি যে অসময়ত তাই দুৱাৰ খুলি দিছে, কানি দুৱৰীকৈ খোলা দুৱাৰ খনেদি কেতিয়াবা ধহ্-মহাই সুকুমাৰ সোমাই আহে, চেঁচা হৈ যোৱা ভাত কেইটা খাই বিছনাত পৰে । কিন্তু টোপনি আহে জানো তেওঁৰ ? ওহোঁ ! বৰং অনিশ্চয়তাত ডুবি থকা হেজাৰ জনৰ ভৱিষ্যতৰ সপোনে তেওঁৰ ৰাতিবোৰক জগাই ৰাখে । ৰাইজৰ হকে মাতি যাবলৈ বুলি যি বদ্ধপৰিকৰ তাৰ চকুৰ পতাত টোপনিয়ে জানো বাহ ল'ব পাৰে ?

কেতিয়াবা সেই অসময়ত খোলা দুৱাৰখনেদি সুকুমাৰ সোমাই নাহে, বৰঞ্চ সোমাই আহে তেওঁৰ সন্ধানত অহা এজাক ধুৰ্ত্ত শিয়াল।

হয়, অঞ্জলিৰ বাবে ধুৰ্ত্ত শিয়ালৰ জাক সিহঁত । দিনৰ বেলিকা আইনৰ ভয় দেখুৱাই বৰ - বৰ কথা কোৱাবোৰে ৰাতিৰ আন্ধাৰত তাইক অশীল ইংগিত দিয়ে । সিহঁতৰ অশীল চাৱনি, তীৰ্যক মন্তব্য, কুটিল অভিসন্ধিবোৰ অঞ্জলিয়ে ৰুণিক বুকুত সাৱটি সহি যায় । অভিপ্সা পূৰণ নোহোৱা বাবে খঙত দাঁত কৰছি চল্লিশোৰ্দ্ধৰ অ' চি জনে “তোৰ মানুহটোক কেনেকৈ শেষ কৰোঁ চাবি !” বুলি দিয়া ধমকিৰ উত্তৰত শ্লেষৰ হাঁহি মাৰে অঞ্জলিয়ে , মুখ ফুটাই ক'বৰ মন যায় তাইৰ, “এটা মানুহে, মাত্ৰ এটা মানুহে তহঁতৰ ৰাতিৰ টোপনি হৰণ কৰিছে । হিলাই দিব পাৰিছে হাজাৰ জনৰ অন্তৰাত্মা । আৰু তহঁতবোৰ ? তহঁতবোৰে কি কৰিছ ? সুকুমাৰ ৰাষ্ট্ৰদ্ৰোহী ! ৰাষ্ট্ৰদ্ৰোহী ! হুহ ! কোন দেশদ্ৰোহী ? ৰাইজৰ ন্যায্য দাবী প্ৰাপ্তিৰ বাবে অহৰ্নিশে মাত মাতি অহা সুকুমাৰ, নে ৰাইজক ঠগি ৰাইজৰ তেজক পানী কৰি ৰাইজৰ টকাৰে উদৰ পূৰ কৰা সেই জনাৰ্দন পূজাৰী আৰু তাৰ ভৰি চেলেকা তহঁতৰ নিচিনা চৰকাৰী চাকৰিয়ালবোৰ ! ৰাতিৰ আন্ধাৰত অভিসাৰ ৰচিবলৈ সুকুমাৰ কাপুৰুষ নহয়, সুকুমাৰে আশ্ৰয় লোৱা নাই দুৰ্গম জংঘলত । জনতাৰ মাজত, লাইনৰ আগত থিয় হৈ প্ৰতিবাদ কৰে সুকুমাৰে । সেয়েহে তহঁতৰ ইমান দপ্- দপনি ? '' কিন্তু মুখ ফুটাই নকয় অঞ্জলিয়ে । ইহঁতবোৰ বৰ চালাক , তাইৰ নিজলৈ ভয় নাই, কিন্তু ৰুণি ! পাঁচবছৰীয়া ৰুণিক বুকুত সামৰি সেয়েহে তাই প্ৰতিবাৰেই জয়মতী হয় ।

অঞ্জলিয়ে নাজানে সুকুমাৰে এই ৰাতিবোৰ ক'ত কটায় । হয়তো জানিলেও তাই কাকো সেইকথাৰ গম নিদিলেহেঁতেন । তাই নাজানে তেওঁ খাবলৈ পায়নে উখোৱা চাউল আৰু মাটিমাহেৰে তেওঁৰ প্ৰিয় ভাতমুঠি , পায়নে শুবলৈ অন্ততঃ এখন পাটী । তাই মাথোঁ জানে ৰাতি ৰাতি সতীৰ্থৰ লগত তেজপিয়াবোৰৰ বিৰুদ্ধে প্ৰতিবাদৰ আঁচনি গঢ়ি থকা সুকুমাৰৰ ওপৰত তাইতকৈ ৰাইজৰ অধিকাৰ বেছি । বিয়াৰ নিশাই সুকুমাৰে কৈছিল তাইক এই কথা, আৰু তেতিয়াৰে পৰা তাই নিজকে মানসিক ভাৱে সাজু কৰিছে জয়মতীৰ দৰে হ'বলৈ । এৰা ! 'বঙহৰ দেউ'ক নিৰপদে ৰাখিবলৈ শপত বাক্য লোৱা জয়মতী হ'বলৈ ! শাৰীৰিক নহ'লেও মানসিক ভাৱে নিৰ্যাতিত হ'বলৈ । 'লুইতপৰীয়া যুৱ শক্তি'য়ে সুকুমাৰৰ নেতৃত্বত প্ৰতিবাদ, ধৰ্ণা,

অনশনৰ কাৰ্যসূচী হাতত ল'লৈই অঞ্জলি জয়মতী হয় ।

লৈছে, আগৰ কেইবাৰৰ দৰেই এইবাৰো অঞ্জলিয়ে জয়মতীৰ বসন পিন্ধি লৈছে ।

যোৱা চাৰিমাহ জুৰি সুকুমাৰ আৰু তেওঁৰ সংগঠনৰ সক্ৰিয় কৰ্মীয়ে গাঁৱে গাঁৱে গৈ জন জাগৰণ সৃষ্টি কৰিছে । সৰু নৈখনৰ কিনাৰৰ একচনীয়া মাটিখিনিৰ সৈতে সংলগ্ন খেতিৰ মাটি কেইটুকুৰা ছলে বলে কৌশলে অধিগ্ৰহণ কৰি 'মিনি চিমেণ্ট প্লেণ্ট' আৰু শিলৰ কুৱেৰী গঢ়ি তুলিব খোজা জনাৰ্দন পূজাৰীৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিনিধি হিচাপে থিয় দিছে সুকুমাৰে । কথা ইতিমধ্যে বহুত আগবাঢ়ি গৈছে, গণ সমাবেশৰ প্ৰস্তুতিও সম্পূৰ্ণ হৈ উঠিছে । ঠিক তেনেকুৱাতে সেইদিনা ৰাজপথত আমৰণ অনশনৰ কাৰ্যসূচী হাতত লৈ বহা সুকুমাৰক আৰক্ষীয়ে উঠাই নিছিল । সেই মুহূৰ্তত সুকুমাৰে উদাত্ত কণ্ঠেৰে ভূ-মাফিয়া জনাৰ্দন পূজাৰীৰ সৈতে স্থানীয় বিধায়কৰ বুজা পৰা থকাক লৈ সমালোচনা কৰি আছিল । শাসকীয় দলৰ বিধায়কজনৰ বিৰুদ্ধে মন্তব্য কৰাৰ অভিযোগত সুকুমাৰক গ্ৰেপ্তাৰ কৰা হ'ল । কিন্তু জামিনত ওলাই অহাৰ পাছৰে পৰা সুকুমাৰ ঘৰলৈ উভতি অহা নাই ।

অঞ্জলিয়ে কাতি সলালে । অলপ পাছতে ৰাতিপুৱাবই । কাষত শুই থকা ৰুগ্নিৰ মুখলৈ চাই তাই হুমুনিয়াহ কাঢ়িলে । এই কণমানিজনীৰ জীৱনটো কি অনিশ্চয়তাতে পাৰ হ'ব ? অঞ্জলিৰ এই জয়মতীৰ যাতনাই তাইৰ সন্তানক কি দিব ? ৰাজ আতিথ্য? সুকুমাৰে জানো গাদীত বহিবলৈ এই আঁচনি বোৰ চলাই নিছে ? কেতিয়াও নহয় । তেন্তে ? কিন্তু তাই যে শিৰৰ সেন্দূৰকণক তেজাল কৰি ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে । স্বাৰ্থান্বেষী, সুবিধাবাদী এচাম জনপ্ৰতিনিধিৰ বিৰুদ্ধে সুকুমাৰৰ বিৰুদ্ধাচৰণ আৰু সক্ৰিয় ভূমিকাৰ বাবে সুকুমাৰৰ পত্নী হিচাপে যোৱা আঠ বছৰ জুৰি অঞ্জলিয়েও নীৰৱে অনেক জ্বালা সহি গৈছে আৰু সহি যাবলৈ সাজু হৈছে ।

নিশাচৰ চৰাইটোৰ কিৰিলিত জনাৰ্দন পূজাৰীৰ ঘৰৰ জাৰ্মান শ্বেফাৰ্ডটোৱে আটাহ পাৰি উঠিল । কাজৰী খপজপকৈ সাৰ পাই উঠিল , মোবাইলৰ স্ক্ৰীণখনত সময় কিমান হ'ল চালে তাই । চাৰি বাজি গৈছে । আৰু কিছু সময়ৰ পাছত চৌপাশৰপৰা আজানৰ শব্দবোৰ ভাঁহি আহিব । স্কুলত পঢ়ি থকা দিনৰেপৰা এই সময়খিনি তাইৰ বৰ প্ৰিয় আছিল । বছেৰেকীয়া পৰীক্ষাৰ সময়ত মাকে তাইক ৰাতিপুৱা সোনকালে জগাই দিছিল, আজানৰ শব্দই তেতিয়া ৰাতিপুৱাৰ আকাশ বতাহ মুখৰিত কৰি ৰাখিছিল । হৰলিক্‌ছ আৰু ব্ৰেড বাটাৰ সাজু কৰা মাক সেই সময়বোৰত ছাঁ- টোৰ দৰে কাজৰীৰ কাষত আছিল । কাজৰীৰ মনত আছে, মেট্ৰিক পৰীক্ষাৰ সময়লৈ তাই নিজেই ঘড়ীত এলাৰ্ম দি উঠিব পৰা হৈছিল । কিন্তু মাকে সেই সময়লৈ বিছনাত আশ্ৰয় লৈছিল । দেউতাকৰ ব্যৱসায়ে ইতিমধ্যে ৰাজ্যখনৰ বাহিৰলৈ প্ৰসাৰ লাভ কৰিছিল । ব্যৱসায় বিস্তাৰৰ স্বাৰ্থত দেউতাক জনাৰ্দন পূজাৰী সেই সময়বোৰত ঘৰত নাছিল বুলিয়েই ক'ব পাৰি । কেইবাখনো চাহ বাগানৰ স্বত্বাধিকাৰী জনাৰ্দন পূজাৰীৰ চোৰাং কাঠ আৰু কয়লাৰ ব্যৱসায়ৰ তেতিয়া ৰমৰমীয়া বজাৰ চলি আছিল । কথাবোৰ কাজৰীয়ে গম পাবলৈ বেছি সময় লগা নাছিল, দেউতাকৰ কোৰ্ট কছাৰী, পুলিচ- বন বিভাগৰপৰা শাসকীয় দললৈকে সকলোৰে সৈতে বুজাপৰা আছিল আৰু এই বুজাপৰাৰ ভেঁটিতেই জনাৰ্দন পূজাৰীৰ ক'লা টকাৰ পাহাৰবোৰ ক্ৰমাৎ ওখ হৈ গৈছিল ।

কিন্তু মাক- জীয়েকৰ কাৰণে সময় উলিয়াব নোৱাৰা দেউতাকৰ প্ৰতি কাজৰীৰ মনত কি আছিল ? কেৱল বিতৃষ্ণা ! জৰায়ুৰ কেন্সাৰত ৰাতি- ৰাতি যন্ত্ৰনাত কেকাই থকা মাকক চাই পঢ়িব পৰা নাছিল তাই । কিতাপৰ পাতত মূৰ দাঙি উঠিছিল বিষত বেঁকা হৈ যোৱা মাকৰ মুখখনে, কলমৰ আগেদি আখৰ ওলাবলৈ নাপাওঁতেই টোপ - টোপকৈ সৰা চকুলোৱে ধুই নিছিল সেয়া । শেষৰ পিনে তাই পঢ়া বাদ দি কেৱল মাকক সাৰটি শুই থকা হৈছিল, বিলাসী ঘৰখন তেতিয়ালৈ আলধৰা মানুহেৰে ভৰি পৰিছিল, সময়মতে চাহ - ভাত - ঔষধৰ যোগাৰ দিবলৈ মানুহৰ অভাৱ নাছিল । মাথোঁ অভাৱ আছিল এজন অনুভৱী স্বামীৰ, এজন স্নেহাসিক্ত দেউতাকৰ...।

কাজৰীয়ে আজিও নুবুজিলে, দেউতাক কি সঁচাকৈ হৃদয়হীন মানুহত পৰিণত হৈছিল ? নিজৰ পত্নীৰ এই অসুখৰ কথা জানিও তেওঁ কিদৰে কেৱল ডাক্তৰ- ঔষধ আৰু বনকৰা মানুহৰ হাতত মাকক গতাই ৰাতিৰ পাছত ৰাতি ঘৰৰ পৰা আঁতৰত থাকিব পাৰিছিল ? নে সেই সময়বোৰত তেওঁৰ শয্যা সংগিনী হৈছিল অন্য কোনো নাৰী ?

হ'ব পাৰে, সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰা দেউতাকৰ যে অনেক নাৰীৰ লগত সম্পৰ্ক আছিল সেয়া তাই ঘৰৰ বনকৰা মানুহখিনিৰ জৰিয়তেই গম পাইছিল । নোপোৱাখিনি বিচাৰি হাহাকাৰ নকৰাকৈ কাজৰীৰ মাকে চকু মুদিছিল, এৰি থৈ

গৈছিল কাজৰীৰ বুকুত অভিমান, অবিশ্বাস আৰু অক্ষমনীয় অপৰাধীৰ প্রতি ঘৃণাৰ সৌধ । সেই বছৰ তাইৰ মেট্রিকৰ ৰিজাল্ট বেয়া হৈছিল। “ৱৰ্থলেছ গাৰ্ল, গুড ফৰ নাথিং” বুলি তাইক গালি দিয়া দেউতাকলৈ ফ্লাৱাৰ ভে'চটো দলিয়াই তাই ওলাই আহিছিল ।

তেতিয়াও জীয়াই আছিল নেকি কাজৰীৰ বুকুত দেউতাকৰ স্নেহ ঘূৰাই পাব বুলি আশাৰ চাকি গছি ? হয় আছিল , ভাবিছিল কাজৰীয়ে মাকৰ মৃত্যুৰ পাছত দেউতাক উভতি আহিব, নিজৰ ভুলবোৰ শুধৰাব , তাইৰ কাৰণে, একমাত্ৰ সন্তানৰ কাৰণে !

কিন্তু কাজৰীক চুড়ান্তভাবে হতাশ কৰি মাকৰ মৃত্যুৰ পাছতো তাইৰ বুকুৰ ঘৃণাৰ সৌধটো ভাঙিবলৈ দেউতাক জনাৰ্দন পূজাৰীয়ে কোনো যত্ন নকৰিলে !

কাজৰীৰ মোবাইলৰ স্ক্রীণখনৰ ঈষৎ নীলা পোহৰটো জ্বলি উঠিল ।

সৰুতে কাজৰীক মাকে সাধু শুনাইছিল, শুনাইছিল বীৰ - বীৰাংগনাৰ জীৱন গাঁথা, ইতিহাসৰ পাতৰ পৰা জীৱন্ত হৈ ধৰা দিছিল অনেক চৰিত্ৰই । যিদিনা কাজৰীয়ে তাইৰ দেউতাকে ব্যৱসায়ত লাভ হোৱাৰ অংক কৰি নিজৰ ৰাইভেল পাৰ্টী অন্য এক ব্যৱসায়ীৰ পুতেকৰ লগত তাইৰ বিয়াৰ কথা আলোচনা কৰা বুলি গম পাইছিল, সেইদিনা কিয় জানো তাইৰ মাকে হাইস্কুলত থাকোঁতেই শুনোৱা ইতিহাসৰ সেই নাৰী চৰিত্ৰ বোৰৰ লগত নিজকে ৰিজাই চাবৰ মন গৈছিল । একোজন ৰজাৰ প্ৰভুত্ব বিস্তাৰৰ অংকটোত বলি হয় একোগৰাকী ৰাজকুঁৱৰী , ৰাজ্য জয়ৰ হিচাপ নিকাচত ব্যস্ত থকা ৰজাই কেতিয়াবা সুধি চাইছিল জানো কুঁৱৰীয়ে কি বিচাৰে ? কেনেবাকৈ কুঁৱৰীৰ হৃদয়ত ঠাই পাইছে নেকি প্ৰতিপদৰ জোনৰ সৈতে কথকতা কৰা কোনো পেশীবহুল ডেকাই ! কাজৰীৰ মনলৈ আহিছিল ৰমণী গাভৰুৰ কথাবোৰ ।

কি কৰিছিল ৰমণীয়ে ? স্বৰ্গদেৱে যেতিয়া মোগলৰ হাতত গতাই দিছিল, তেতিয়া কি কৰিছিল সেই দুৰ্ভগীয়া কন্যাই ? মোমায়েকৰ ৰাজ্য হাত কৰাৰ ষড়যন্ত্ৰৰ কথা গম পাই সকীয়াই দিয়াৰ পাছতো শুনিছিলনে মোমায়েকে তেওঁৰ কথা ?

আৰু কাজৰীয়ে ? দেউতাকে এবাৰলৈও ভাবি চাইছিল জানো কাজৰীৰ হৃদয়খনে কি বিচাৰে ? মাক গুচি যোৱাৰ পাছৰেপৰা তাইৰ ঘৰখনত সোমালেই উশাহ ল'ব নোৱাৰা যেন অনুভৱ হয় । দেউতাক মাহটোৰ বিশ দিন ঘৰত নাথাকে বুলিয়েই ক'ব পাৰি । থকা কেইদিন তেওঁক লগ কৰিবলৈ হৰেক ৰকমৰ মানুহ আহে । মদ মাংসৰে আপ্যায়িত হোৱা সেই সন্ধিয়া বোৰত কাজৰীয়ে গোপন অভিসন্ধিবোৰৰ উমান পায় । দেউতাকে হয়তো ভবাই নাছিল যে তেওঁৰ ছোৱালী ইমানখনি কথা বুজিব পৰাকৈ ডাঙৰ হৈ উঠিছে বুলি । কেনেকৈ জানিব ! সন্তানৰ উশাহ নিশাহৰ সৈতে জড়িত পিতৃয়েহে উমান পাব সন্তানৰ পৰিপক্কতাৰ।

কাজৰীৰ দেউতাকে কাজৰীক নোসোধাকৈ তাইৰ বিবাহৰ সম্পৰ্ক ঠিক কৰিছিলে । এই সকলোবোৰ কথাই কাজৰীয়ে গম পাই আছিল । কিন্তু তাই একো মতা নাছিল মুখেৰে । কিয়নো তাৰো আগতেই তাই সাক্ষ্য হৈছিল আন এক ষড়যন্ত্ৰৰ , স্থানীয় বিধায়ক জনক দেউতাকে ফোনত কোৱা কথাকেইটাৰ , ডি এছ পি বহ্নিমান বৰুৱাৰ দৰেই সুকুমাৰ কলিতাৰো গতি লগোৱাৰ কথা !

এই শেষ নিশা গাৰুত মুৰ থৈ কাজৰীৰ দুচকু সজল হৈ আহিল ।

কিয় এনেকুৱা হ'ল ! তাইতো কেতিয়াও তুলি ল'ব খোজা নাছিল গাণ্ডীৱ ! কাইলৈ হয়তো তাইৰ চকুৰ সমুখত তাই দিয়া প্ৰমাণৰ ভিত্তিতেই দেউতাকক পুলিচে উঠাই লৈ যাব, সেই দেউতাকক যাৰ বাবেই তাই শৈশৱৰেপৰা কেৱল মিছা প্ৰত্যাশা, অপূৰ্ণ প্ৰতিশ্ৰুতিৰ সৈতে সহবাস কৰি আহিলে ।

উজাগৰে থাকি কাজৰীয়ে শেষ নিশাটো পাৰ কৰিলে ।

কেইমাহ মান আগতে জিলাখনৰ উপকণ্ঠ অঞ্চলটোত এটা খবৰ বনজুইৰ দৰে বিয়পি পৰিছিল । কেইবাটাও লাভজনক ব্যৱসায়ৰ স্বত্বাধিকাৰী, ভূ- মাফিয়া, চোৰাং কাঠ আৰু কয়লাৰ বেহা চলোৱা জনাৰ্দন পূজাৰীয়ে ৰজাঘৰৰ কৃপাদৃষ্টিত অনেক ভুৱা নথি - পত্ৰৰে ছলে বলে কৌশলে দখল কৰা নৈপৰীয়া মাটিটুকুৰাত এটা 'মিনি চিমেণ্ট প্লেণ্ট' আৰু শিলৰ কুৱেৰী আৰম্ভ কৰিবলৈ লৈছিল । জনবসতিপূৰ্ণ নৈ- পৰীয়া ঠাইকণত এই উদ্যোগ গঢ়াৰ জৰিয়তে গোটেই অঞ্চলটোৰ পৰিবেশক বিপন্ন কৰাৰ এই খবৰটোৱে ৰাইজক জোকাৰি যোৱাৰ লগতে সম- সাময়িকভাৱে চুই গৈছিল তিনিগৰাকী নাৰীক; ঘটনাৰ লগত

সাঙোৰ খাই পৰিছিল জিলাখনৰ  উপ- আৰক্ষী অধীক্ষক ভৈৰৱী, 'লুইতপৰীয়া যুৱশক্তি'ৰ   নেতা সুকুমাৰ কলিতাৰ পত্নী অঞ্জলি  আৰু জনাৰ্দন পূজাৰীৰ একমাত্ৰ সন্তান কাজৰী ।

বয়সৰ তফাত থকা এই তিনিও গৰাকী নাৰীৰ বাবে অদৃষ্টই যেন খুব সুপৰিকল্পিতভাৱে এক আঁচনি তৈয়াৰ কৰিছিল ।

জনাৰ্দন পূজাৰীৰ বিৰুদ্ধে গোচৰটো প্ৰথমেই সদৰ থানাত ৰুজু কৰা হৈছিল আৰু আৰম্ভণিৰেপৰা কেছটোৰ তদন্ত সন্দৰ্ভত সদৰ অ' চিৰ পক্ষপাতিত্ব  আৰু ইচ্ছাকৃত গাফিলতিবোৰ ডি এছ পি ভৈৰৱীয়ে লক্ষ্য নকৰাকৈ থকা নাছিল । সেয়েহে অত্যন্ত বিশ্বস্ত অফিচাৰ দুজনক লৈ ভৈৰৱীয়ে নিজা ববীয়াকৈ গোপনে এক অনুসন্ধান আৰম্ভ কৰিছিল য'ত ৰাইজৰ মাজৰ কেইজনমান বিশ্বাসী প্ৰতিনিধি আৰু সাংবাদিকে তাইক সহায় কৰিছিল । এই আটাইবোৰ কাম চলিছিল অত্যন্ত গোপনে, কাকো নজনোৱাকৈ। যোৱা ছটা বছৰে এই সেৱাত জড়িত হৈ ভৈৰৱীয়ে এটা কথা শিকিছিল যে আগন্তুক পদক্ষেপৰ কথা যিমানেই উন্মুক্ত কৰি দিয়া হয় সিমানেই সফলতাৰপৰা দূৰত্ব বাঢ়ি যায় । শীৰ্ষ আৰক্ষী বিষয়াই কেৱল জানিবলৈ পাইছিল সদৰ থানাৰ অ'চিয়ে কেছটোৰ তদন্ত চলাই আছে আৰু তদন্তৰ খাতিৰত 'লুইতপৰীয়া যুৱশক্তি'ৰ নেতা সুকুমাৰ কলিতাক কৰায়ত্ত কৰিছে । জামিনত জে'লৰপৰা বাহিৰলৈ ওলাই অহাৰ পাছত লোকচক্ষুত আৰু আৰক্ষীৰ বাবে অন্তৰ্ধান হৈ যোৱা সুকুমাৰেই ভৈৰৱীক এই যুদ্ধত কিছুমান গোপনীয় সমলৰ যোগান ধৰিছিল । থানাৰ পুলিচ বিষয়াই ঘৰ তালাছী আৰু ৰেইড মৰাৰ নামত সুকুমাৰৰ পৰিবাৰক কৰা অকথ্য মানসিক নিৰ্যাতনৰ কথাও গম নোপোৱাকৈ থকা নাছিল ভৈৰৱীয়ে আৰু  এই কথাবোৰে ভৈৰৱীৰ সিদ্ধান্তক অধিক দৃঢ় কৰি তুলিছিল ।ৰাতিৰ আন্ধাৰত সুকুমাৰ কলিতাৰ ঘৰলৈ গৈ গোপনে ভৈৰৱীয়ে সাহস যোগাইছিল সেই নিৰ্জু নাৰীক যি নিজৰ স্বামীক স্বেচ্ছাই জনতাৰ স্বাৰ্থৰ খাতিৰত উলিয়াই পঠাইছে , সুকুমাৰক অতি সোনকালেই নিৰ্দোষ প্ৰমাণিত কৰি মোকোলাই অনাৰ অভয় প্ৰদান কৰিছিল ভৈৰৱীয়ে অঞ্জলিক ।

ঠিক তেনেতেই সংযোগবশত ভৈৰৱীৰ হাতত পৰিছিল এটা ভিডিঅ' । ভিডিঅ'টো লৈ অহা গোলমুখৰ এজাপ কেঁকোৰা চুলিৰে , কাজল সনা এহাল টনা টনা চকুৰে উনৈশ বছৰীয়া ছোৱালীজনীলৈ প্ৰথম সাক্ষাততে ভৈৰৱীৰ মৰম সোমাইছিল । গাঢ় বেঙুনীয়া ৰঙৰ বেলুন টপ আৰু ফেডেড জীনছ পিন্ধি অহা ছোৱালীজনীয়ে সেইদিনা  কথাবোৰ  ক'বলৈ লৈ হিকতিয়াই হিকতিয়াই কান্দিছিল । ভৈৰৱীয়ে নিজ হাতে আগবঢ়াই দিয়া কমলা ৰসৰ গ্লাছটো আঁতৰাই থৈছিল তাই । ভৈৰৱীয়ে একো মতা নাছিল, নীৰৱে শুনি গৈছিল ।  কথাবোৰ শেষ কৰি ছোৱালীজনীয়ে পেন ড্ৰাইভটো তুলি দিছিল ভৈৰৱীৰ হাতত । কিছু প্ৰকৃতিস্থ হৈ ৰসৰ গছটো হাতত তুলি লোৱা ছোৱালী জনীলৈ চাই  ভৈৰৱীৰ বুকুত তেতিয়া তোলপাৰ লগোৱা প্ৰশ্নটো আছিল, কিমান - কিমান ক্ষোভ মনত মিহলি হৈ থাকিলে সন্তানে নিজৰ পিতৃৰ বিৰুদ্ধে থিয় দিয়ে ?  অৱহেলা আৰু অমনোযোগিতাই কিমান দ-কৈ কোনো সন্তানৰ মনত ৰেপিলে সেই সন্তানে সিৰাত প্ৰবাহিত তেজৰ  বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে ?

নাছিল, তাৰ কোনো উত্তৰ নাছিল ভৈৰৱীৰ হাতত । দুচকু মোহাৰি তাইৰ ওচৰৰ পৰা উঠি যোৱা কাজৰীলৈ চাই ভৈৰৱীয়ে সেইদিনা বিশ্বাস কৰিছিল, কিছুমান কথা হয়তো অদৃষ্টৰো পূৰ্ব- পৰিকল্পনাৰ ফলশ্ৰুতি !

খবৰটোৱে চহৰখনৰ আকাশ বতাহ গৰম কৰি তুলিলে ।

জনাৰ্দন পূজাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে, বহুত দিনৰেপৰা লোকচক্ষুৰ আঁৰত সংগোপনে চলি থকা এই অনুসন্ধানৰ লীড লোৱা সদৰ ডি এছ পি ভৈৰৱী বৰুৱাৰ হাতত আছে জনাৰ্দন পূজাৰীৰ বিৰুদ্ধে অনেক গুৰুত্বপূৰ্ণ নথি- পত্ৰৰ লগতে এটা ভিডিঅ' য'ত জনাৰ্দন পূজাৰীয়ে নিজমুখে সুকুমাৰ কলিতাক হত্যাৰ ষড়যন্ত্ৰ কৰাৰ কথা স্বীকাৰ কৰিছে । কেৱল সেয়ে নহয়, এই প্ৰমাণ বোৰে উন্মুখ কৰিব পাৰে অনেক বাঘা- বাঘা নেতা, চৰকাৰী বিষয়াৰ মুখাৰ আঁৰৰ প্ৰকৃত স্বৰূপ , সমুখলৈ আনিব চাৰি বছৰ আগৰ এক মটৰ দুৰ্ঘটনাত নিহত হোৱা সুদক্ষ পুলিচ বিষয়া বহ্নিমান বৰুৱাৰ মৃত্যুৰ আঁৰৰ ৰহস্য ।

চকুৰ সমুখৰ আন্ধাৰখিনি নাশি আন এটা ৰাতিপুৱা উজ্জ্বল হৈ আহিল ।

ভৈৰৱীয়ে গা ধুই ইউনিফৰ্মযোৰ পিন্ধি ল'লে ।

এই খাকী পোছাকযোৰ !

ভৈৰৱীৰ নাৰীদেহৰ কোমলতাৰ চৌপাশে কঠিন বৰ্মটো গঢ়ি তোলাত ভৈৰৱীক সহায় কৰি আহিছে এই পোছাকযোৰে । যেতিয়াই এই পোছাকযোৰ গাত দিয়ে, তেতিয়াই ভৈৰৱীক চুই যায় প্ৰবল আত্মবিশ্বাস আৰু ন্যায়ৰ হকে আত্মজাহ যাব পৰা এক প্ৰবল নিচাৰ ঢৌৱে। ব্লু' বেৰেট কেপটো পিন্ধি ভৈৰৱীয়ে ফ্ৰেমত বন্ধাই থোৱা বহ্নিমানৰ ফটোখনৰ সমুখত থিয় দিলে ।

ক্ৰছ বেল্ট, পি- কেপ পিন্ধি স্মিত হাঁহি মাৰি থকা বহ্নিমানৰ ফটোখনলৈ অপলক নেত্ৰে চাই থকা ভৈৰৱীয়ে জানে উৰ্দ্ধতন কৰ্তৃপক্ষক আগতীয়াকৈ অৱগত নকৰাকৈ এই পদক্ষেপ লোৱা বাবে তাই বিভাগীয় জেৰাৰ সন্মুখীন হ'ব, যাৰ বাবে তাই আৰম্ভণিৰেপৰা নিজক সাজু কৰি ৰাখিছে। ভৈৰৱীয়ে জানে ইয়াৰ পৰিনাম ভূগি তাই হয়তো বদলি হ'ব লাগিব । কিন্তু আজি ভৈৰৱীয়ে যিকোনো ত্যাগৰ বিনিময়ত এই যুদ্ধত জয়ী হ'বলৈ প্ৰতিজ্ঞাবদ্ধ হৈ ৰৈছে । নাৰীৰ এই ৰূপেই যে অনাদি কালৰে পৰা সময়কো প্ৰত্যাহ্বান জনাই আহিছে, কালৰ আন্ধৰুৱা গহ্বৰো সুউচ্চ দেৱালত খান্দি খান্দি খোদিত কৰা এই ভাস্কৰ্যই যে সময়ে সময়ে বিকিৰিত কৰি থাকে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ জয়গানৰ আভা।

ঠিক এই সময়তে সুকুমাৰ কলিতাৰ ঘৰৰ থাপনাৰ সমুখত এগছি বন্তি জ্বলি উঠিল, কৰযোৰে গোঁসাই থাপনাৰ সমুখত চকু মুদি অঞ্জলিয়ে আজি কাকূতি কৰিছে তাইৰ দৰেই অন্য এক নাৰীয়ে জীৱন যুঁজত জয়ী হোৱাৰ , অন্তঃকৰণে আজলি পাতি ভিক্ষা কৰিছে সুকুমাৰ আৰু হাজাৰ জনে চলাই অহা প্ৰচেষ্টাৰ সাৰ্থকতাক। নাৰীৰ এই ত্যাগ আৰু কৰুণাৰ ভাৰে বোৱতী সুঁতিৰ ধাৰাত যুগৰ পাছত যুগ বৈ আহিছে, আজিও তাৰ ব্যতিক্ৰম হোৱা নাই।

আৰু কাজৰী!

পুৰণি এলবামৰ মাজৰ পৰা মাকৰ ফটোখন উলিয়াই একান্তমনে চাই আছে তাই; ভাবিছে, দুৰ্বিসহ আন্ধাৰবোৰ হয়তো এইবাৰ চিৰদিনৰ কাৰণে আঁতৰি যাব, উদাসীনতা আৰু একাকীত্বৰ অটল গহ্বৰৰপৰা এইবাৰ তাই ওলাই আহিব । উৰঁলি যোৱা ইতিহাসক কাজৰীয়ে নিজৰ জীৱনত আকৌ দোহাৰিবলৈ নিদিয়ে! নিদিয়ে কাজৰীয়ে আন কাৰোবাক সোণখচিত ঐশ্বৰ্যৰ বৰপেৰাৰ জোখ- মাপত আকৌ আন এগৰাকী নাৰীৰ উশাহ নিশাহবোৰ অথবা অব্যক্ত অনুভৱৰ উঠা- নমাবোৰ বন্ধকত থ'বলৈ।

প্ৰায় দুশ বছৰ আগৰ হালধীয়া পৰি যোৱা ইতিহাসৰ পাতৰ নাৰী চৰিত্ৰ কেইটামানে প্ৰাণ পাই উঠিল, হেঁচা ঠেলা কৰি মূৰ দাঙি উঠিল মূলা গাভৰু, জয়মতী আৰু ৰমণী হতে। জীৱনৰ তিনিটা ভিন্ন বিন্দুত থিয় দিও ঘটনা প্ৰবাহৰ একেডাল জৰীৰে বান্ধ খাই পৰা ভৈৰৱী, অঞ্জলি আৰু কাজৰীৰ মূৰৰ ওপৰৰ আকাশ কেইখনত তেজেধোৱা বেলিটো লহপহকৈ বাঢ়ি আহিল।

# এটি চিগাৰেট আৰু...

## ডা: শিখা শৰ্মা

ৰাতিপুৱা সদায় মোৰ হস্পিতাল যাবলৈ ওলাওতে দৌৰাদৌৰি লাগে। আজিও কোনোমতে ঘৰৰ কামবোৰ সামৰি ওলালো। আজিকালি প্ৰায় প্ৰতিখন চৰকাৰী হস্পিটালতে বায়মেট্ৰিক মেচিনৰ ব্যৱহাৰ হৈছে। মোৰ হসপিটাল পাওতে পুৰা ৯.২০ হ'ল। ৯.৩০ ৰ আগতে বায়'মেট্ৰিক মেচিনত আঙুলিৰ চিহ্ন ৰাখিব লাগিব। আউটড'ৰৰ পিনে চাই দেখিলো ৰোগীৰ দীঘলীয়া শাৰী। মনত পৰিল আজি সোমবাৰ। ল'ৰালৰিকৈ বায়মেট্ৰিক মেচিনত নিজৰ উপস্থিতি জাহিৰ কৰি আউটড'ৰৰ পিনে ঢপলিয়ালোঁ। মেডিচিন বিভাগৰ সমুখত দেখিলো ৰোগীৰ শাৰীয়ে এল পেটাৰ্ণ এৰি ইউ ৰ ৰূপ ল'বলৈ গৈ আছে। কিছুসময় পিচত ই জিলাপীৰ পাক ল'ব। ৰোগীৰ মাজেৰেই গৈ মই অ.পি.ডি.ত সোমালো। ইতিমধ্যে আন দুজন চিকিৎসকো আহি নিজৰ নিজৰ চকীত বহিছে।

তিনিজন চিকিৎসক আৰু বাহিৰত ৰোগীৰ ভিৰ। লাহে লাহে ৰোগী চালে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত এই ভিৰ শেষ কৰা সম্ভৱ নহয়। গতিকে ল'ৰালৰিকৈ ৰোগী চোৱা আৰম্ভ কৰি দিলোঁ। এজন দুজনকৈ ৰোগী আহি আছে ,গৈ আছে। এইবাৰ এজন ৰোগী আহিল হাতত লাখুটী এডাল লৈ। মই মন কৰিলোঁ মানুহজনক। খুউব লাহে লাহে কঁপি কঁপি মানুহজনে খোজ কাঢ়িছে। তেওঁৰ আনখন হাতত ধৰি এগৰাকী মহিলা। তেওঁৰ সহধৰ্মিনীয়ে হ'ব। মানুহজনক মই বহিব ক'লো। কি হৈছে সুধিলোঁ। মানুহজনে কোনো ধৰণৰ পাতনি নেমেলাকৈ তেওঁৰ পুৰণা কাগজ সমূহ উলিয়াই ক'লে মই ষ্ট্ৰোক হোৱা ৰোগী। এই বিলাক দৰৱ খাই আছোঁ। এতিয়া শেষ হ'বৰ হৈছে ।গতিকে আকৌ লিখি দিব লাগে। মানুহজনে কথা কওতে গোন্ধ এটা মোৰ নাকত লাগিল। যিটো গোন্ধে মোৰ মূৰত ধৰিলেগৈ। মই একো নকৈ কাগজ পত্ৰবোৰ চালোঁ। উচ্চ ৰক্তচাপ থকা মানুহ। মাজতে ষ্ট্ৰোক এটাও হৈ গৈছে। তাৰ পিচতো এনে এটা গোন্ধ! ইতিমধ্যে গোন্ধটোৱে মোৰ মূৰত বেয়াকৈ প্ৰতিক্ৰিয়া আৰম্ভ কৰিব ধৰিছে। বিশেষকৈ গোন্ধটো এনে এজন ৰোগীৰ মুখৰ পৰা নিৰ্গত হোৱা বাবে। মই মানুহজনলৈ চাই সুধিলো-আপুনি ইয়ালৈ অহাৰ আগতে কি খাই আহিছে? মানুহজনে ক'লে গাখীৰৰ সৈতে কৰ্ণফ্লেক্স আৰু চাহ একাপ।

মই ক'লো- নহয়, মই ঘৰত খাই অহাৰ কথা সোধা নাই। এই কোঠাটোত সোমোৱাৰ আগতে কি খাই আহিছে।

মানুহজনে থত্মত্ খালে। লাহেকৈ ক'লে - চিগাৰেট এটা।

মই সুধিলোঁ - কিয় খালে? এইখন হস্পিটাল ।আপুনি কথাটো ভালদৰে জানে। তথাপিও কিয় খালে?

মানুহজনে দোষী দোষী ভাবেৰে ক'লে -শাৰী পাতি আমনি লাগিল বাবে এটা খালোঁ।

এইবাৰ মই মোৰ খঙ দমাই ৰাখিব নোৱাৰিলোঁ। ক'লোঁ - তেনেহলে ইমান ঔষধ কিয় খাই আছে আপুনি? অকল চিগাৰেটেই খাই থাকক। যদি চিগাৰেট এৰিবই নোৱাৰে এই দৰববোৰ খাই কিবা লাভ হ'ব জানো? তাতকৈ দৰৱবোৰ পেলাই দিয়ক। অকল চিগাৰেটেই খাই থাকক। মোৰ কাষত বহা চিকিৎসক দুগৰাকীয়ে মোলৈ চাই পঠিয়ালে। মোৰ মাতটো হয়তো ৰুক্ষ হৈ ওলাইছিল। এইবাৰ তেখেতৰ পত্নীয়ে ক'লে - বাইদেউ, আমি বহুত বুজালোঁ। বহুত ডাক্তৰেও তেখেতক চিগাৰেট এৰিবলৈ কৈছে। কিন্তু তেওঁ কাৰো কথাই নুশুনে। ইমান বেমাৰ হৈ গ'ল। তথাপিও এই অভ্যাসটো নেৰিলে। মই কৈ কৈ ভাগৰি পৰিছোঁ।

দিনত কেইপেকেট শেষ কৰে আপুনি?

চাৰি-পাঁচ পেকেটমান হ'ব। নিৰুদ্বেগ চিত্তে ক'লে মানুহজনে

মোৰ বুজিবলৈ বাকী নেথাকিল চিগাৰেটে মানুহজনক ভালদৰেই আকোঁৱালি লৈছে। কিন্তু এনেদৰে চিগাৰেট খাই থাকিলে তেওঁৰ বেমাৰ কেনেকৈ ভাল পাব। মই তেখেতৰ ৰক্তচাপ পৰীক্ষা কৰিলোঁ। বেচি পালোঁ। স্বাভাৱিক কথা। এইবাৰ মই তেওঁক মাতত কোমলতা সানি ক'লোঁ -চাওক আপোনাৰ ৰক্তচাপ আজিও বেচি পাইছো। যদি আপুনি চিগাৰেট বাদ

নিদিয়ে ই নকমে। আপুনি মোৰ দেউতাৰ দৰে। মোৰ দেউতাইও যদি এনেদৰে চিগাৰেট খালেহেতেন তেওঁকো মই খং কৰিলোঁহেতেন। আপোনাৰ ভাল চিন্তা কৰিয়েই মই আপোনাক টানকৈ কৈছোঁ। চাওক দেউতা,আপুনি যদি চিগাৰেট বন্ধ কৰি দিয়ে আপোনাৰ হাতৰ ভৰিৰ কঁপনিবোৰ নাইকীয়া হ'ব। লাখুটী নোলোৱাকৈ খোজ কাঢ়িব পাৰিব। হয়তো এদিন ইমানবোৰ ঔষধো খাব নালাগিব।

এদিনতে আপুনি চিগাৰেট বন্ধ কৰিব নোৱাৰিব পাৰে। কিন্তু লাহে লাহে চেষ্টা কৰিলে নিশ্চয় পাৰিব। মেডিটেচন ,যোগাভ্যাস আদি কৰিলেও বেয়া অভ্যাস কিছুমান আঁতৰাব পাৰি। মই ভাবোঁ এইখিনি কৰিব পাৰিলে আপুনি পিচৰ বাৰ যেতিয়া ইয়ালৈ আহিব লাখুটী নোলোৱাকৈ আহিব পাৰিব।

মই মন কৰিলোঁ মানুহজনে মোৰ কথাখিনি মন দি শুনিছে। তেওঁ ক'লে -চেষ্টা কৰিম।

মই ক'লোঁ -চেষ্টা নহয় পাৰিব লাগিব। মোৰ দেউতাও মানসিক ভাবে বহু শক্তিশালী আছিল। মৃত্যু পৰ্য্যন্ত তেওঁ এটি যোগাত্মক ভাব লৈ আছিল। আপুনিও পাৰিব। পাৰিবনে দেউতা?

মানুহজন যেন উচপ খাই উঠিল। একো নকৈ থিয় দিলে যাবলৈ। মই মানুহজনীলৈ চালোঁ। তেওঁৰ মুখত হতাশাৰ চাৱনি। মই দৰব লিখি দি মানুহজনক বিদায় দিলো। তেওঁ মোলৈ এটি কৰুণ দৃষ্টি নিক্ষেপ কৰি পত্নীৰ হাতত ধৰি ওলাই গ'ল। মানুহজনৰ দৃষ্টিটোৱে মোৰ মনত কেনেবা ভাবৰ সৃষ্টি কৰিলে।

বহুত সময় গ'ল মানুহজনৰ লগত। চিগাৰেটৰ গোন্ধটোৰ বাবেই ইমান দেৰী হৈ গ'ল। মোৰ লগৰ দুগৰাকীয়ে ইতিমধ্যে কেবাজনো ৰোগী চালে। কি কৰিম মই! চিগাৰেটৰ গোন্ধ সহ্য কৰিব নোৱাৰোঁ। এই চিগাৰেটৰ বাবেই মই মোৰ একমাত্ৰ খুৰাক হেৰুৱাইছোঁ। যাৰ বোকোচাত উঠি পাৰ কৰিছিলোঁ মোৰ শৈশৱ। যাৰ হাতত ধৰি পাৰ কৰিছিলো মোৰ কৈশোৰ। মোৰ খেলাধূলা, পঢ়াৰ লগৰী খুৰাক এই চিগাৰেটৰ বাবেই অতি কম বয়সতে হেৰুৱাব লগা হৈছিল।সেয়েহে চিগাৰেটৰ গোন্ধ পালেই মনলৈ আহে খুৰাৰ ছবি। আজিও তাৰ ব্যতিক্ৰম নহ'ল।

মনৰ পৰা ভাবনাবোৰ আঁতৰাই মই আন ৰোগী চাবলৈ ধৰিলোঁ।

আমাৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত জিলাপীৰ পাকটো গৈ এল পেটাৰ্ণ হৈছিল। আধাঘণ্টাৰ পিচত তিনিওজনীয়ে যেনিবা ৰোগী চাই শেষ কৰিলো।

ৰাতিপুৱা ৯.৩০ ৰ পৰা আবেলি ৪.৩০ লৈ ৰোগী চাই ভাগৰি গৈছিলোঁ।

এনেদৰেই কৰ্মব্যস্ততাৰ মাজেৰেই পাৰ হৈছিল সময়। চিগাৰেটৰ গোন্ধটিৰ কথা মই পাহৰি গৈছিলোঁ। পাহৰি গৈছিলোঁ মানুহজনৰ কথা। প্ৰায় দুমাহৰ মূৰত এদিন আউটড'ৰত বহি থাকোঁতে দেখিলোঁ সিদিনা অহা মহিলাগৰাকীক। অকলেই আহিছে তেওঁ। তেওঁ ভিতৰলৈ আহিব চেষ্টা কৰি আছে। কিন্তু লগত ৰোগী অনা নাই বাবে চিকিউৰিটিয়ে তেওঁক সোমাব দিয়া নাই। মই মানুহজনীক পঠিয়াই দিব ক'লোঁ। মহিলাগৰাকী মোৰ কাষলৈ আহিল। আহিয়েই মোৰ হাতদুখনত ধৰি তেওঁৰ কপালত লগালে। মই আচৰিত হোৱাই নহয় ,থতমত খালো। ভাগ্যে মোৰ ওচৰত কোনো ৰোগী তথা চিকিৎসক নাছিল। মোৰ সহকৰ্মী এগৰাকীয়ে ৱাৰ্ডত ৰোগী চাব গৈছে। আনগৰাকীয়ে চুটি লৈছে। মই মানুহজনীক বহিব দি সুধিলো কি হ'ল কিয় তেওঁ তেনেকুৱা কৰিছে?

মহিলা গৰাকীয়ে ক'লে -বাইদেউ, মোৰ মানুহজনৰ লগত বিয়া হোৱা আজি চল্লিশ বছৰেই হ'ল। বিয়াৰ পিচৰে পৰা দেখিছো তেওঁক চিগাৰেট খোৱা। কিন্তু সেইদিনা আপোনাৰ ইয়াৰ পৰা যোৱাৰ পিচত কি হ'ল নাজানো গোটেই সময়খিনি তেওঁ কথা নপতাকৈ গ'ল। ঘৰলৈ গৈ চিগাৰেটৰ পেকেটবোৰ ডাষ্টবিনত পেলাই দি ক'লে বুজিছা আজিৰ পৰা মই আৰু চিগাৰেট নাখাও। সঁচাকৈয়ে বাইদেউ সেইদিনৰ পৰা তেওঁ আজিলৈকে চিগাৰেট মুখত দিয়া নাই।

মই কিছু আচৰিত হ'লোঁ। কথাবোৰ হজম কৰিবলৈ টান লাগিল। ভাবিলোঁ তেওঁ হয়তো মোৰ পৰা বিশ্বাস আদায় কৰি দৰব লিখাবলৈ আহিছে। কিয়নো ইয়াৰ আগৰ বাৰ আহোতে চিগাৰেট বন্ধ নকৰিলে মই দৰব লিখি নিদিও বুলি কৈছিলো। মই মহিলা গৰাকীক সুধিলো- তেখেত নিজে কেলেই নাহিল? আপোনাক অকলে কিয় পঠালে?

মহিলাগৰাকীয়ে ক'লে- চিগাৰেট বাদ দিয়াৰ পৰা তেওঁ গাটো বহুত আৰাম পাইছে। আজিকালি মেডিটেচনো কৰে। তেওঁ এই চিঠিখন আপোনালৈ লিখিছে। সময় হ'লে পঢ়ি চাব। সম্পূৰ্ণ ভাল হোৱাৰ পিচতহে হেনো তেওঁ আপোনাক দেখা

কৰিব। হাতৰ কঁপনিও প্ৰায় নাইকিয়া হৈছে। বাইদেউ মই আপোনাক কেনেকৈ ধন্যবাদ জনাম ভাবি পোৱা নাই। মই আপোনাৰ এই সহায় কেতিয়াও পাহৰিব নোৱাৰোঁ। মানুহজনীৰ কথা শুনি মই কথা কবলৈ পাহৰি গৈছোঁ। বিশ্বাস -অবিশ্বাসৰ দোমোজাত মনটো আছন্ন হৈ পৰিছে। চিঠিখনত বা কি লিখা আছে? মই একো নমতা দেখি মহিলাগৰাকীয়ে ক'লে - বাইদেউ বাহিৰত বহু ৰোগী আছে। আপোনাৰ সময় নষ্ট কৰা বাবে মোক হয়তো আপুনি বেয়াই পাইছে। মই যাও। ইয়াৰ পিচৰ বাৰ আহিলে মই নিজেই তেওঁক আপোনাৰ ওচৰলৈ লৈ আহিম। গ'লগৈ মানুহগৰাকী মোলৈ এবোজা প্ৰশ্ন এৰি থৈ। চিঠিখন মই এপ্ৰনৰ পকেটত ভৰাই থলোঁ। ৰোগী চোৱা আৰম্ভ কৰিলোঁ। আজি আমি দুইজনীয়ে ৰোগী শেষ কৰিব লাগিব। ভাগ্যে আজিৰ ৰোগী যেনিবা আনদিনাতকৈ কিছু কম।

হস্পিটালৰ ডিউটি শেষ কৰি ঘৰ পাওতে প্ৰায় পাঁচ বাজি গৈছিল। চিঠিখনৰ কথা পাহৰি গৈছিলোঁ। এপ্ৰনটো গাড়ীতে থৈ মই ৰুমলৈ আহিলোঁ। দিনৰ ভাগৰ কমাবলৈ বাথৰুমত সোমাই ফ্ৰেছ হৈ ল'লোঁ। তাৰ পিচত যেতিয়া সকলোৰে বাবে গধূলিৰ জলপান বনাই নিজেও খাই জিৰাব লওতেই মনত পৰিল চিঠিখনৰ কথা। মই মোৰ ছোৱালীজনীক মাতি গাড়ীখন খুলি এপ্ৰনটো লৈ আহিব দিলোঁ। তাই এপ্ৰনটো লৈ আহিল। মই চিঠিখন উলিয়াই ল'লোঁ। তাত লিখা আছিল.........

মৰমৰ মাজনী

ডাক্তৰ, মই তোমাক মাজনী বুলি সম্বোধন কৰা বাবে বেয়া নেপাবা। তুমি মোক সিদিনা দেউতা বুলি মাতিছিলা আৰু তেতিয়াই মই ঠিক কৰিছিলোঁ মই তোমাক মাজনী বুলি মাতিম । বুজিছা মাজনী মই চিগৰেট সম্পূৰ্ণ বাদ দিলোঁ। নেখাওঁ আৰু চিগাৰেট। মোৰ মাজনীয়েও বেয়া পাইছিল চিগাৰেট খালে।খং কৰিছিল, গালি পাৰিছিল। তুমি টানকৈ কোৱাৰ দৰে সঘনাই মোক কৈছিল। কিন্তু মই তাইৰ কথাবোৰ চিগাৰেটৰ ধোঁৱা উৰুৱাই দিয়াৰ দৰে উৰুৱাই দিছিলোঁ। তাই সৰু ছোৱালীজনীয়ে কি জানিব চিগাৰেটত টান মাৰি ধোঁৱা উৰুৱাই দিয়াত কিমান মজা! গতিকে মই নেভাবিলোঁ এবাৰো তাইৰ গালি তথা খঙৰ আঁৰত মোৰ প্ৰতি থকা চিন্তাৰ কথা। আৰু এদিন মোক বাধা দিব নোৱাৰি তাই নিজেই খঙ কৰি গুচি গ'ল বহু দূৰলৈ। বহুদিন তাইৰ মৰম মিহলি টান মাতষাৰ শুনিম বুলিয়েই মই চিগাৰেট খোৱা বন্ধ নকৰিলোঁ। কিজানিবা তাই আহি এদিন মোৰ হাতৰ পৰা নিজে চিগাৰেটতো দলিয়াই কয় -"দেউতা, আজিৰ পৰা তোমাৰ চিগাৰেট খোৱা বন্ধ।"

কিন্তু তাই নাহিল। যি গ'ল গ'লেই। আৰু তাইক পাহৰিবলৈ যেন মই আগতকৈ বেচি চিগাৰেট খোৱা কৰিলোঁ। কাৰো হাক বচনতে মই নোৱাৰিলোঁ এৰিব চিগাৰেট। কিন্তু তুমি যেতিয়া সিদিনা দেউতা বুলি মাতি মোক চিগাৰেট খাবলৈ বাধা দিছিলা মই দেখিছিলোঁ মোৰ মাজনীক তোমাৰ মাজত। দেউতা শব্দটিত যে ইমান আকুলতা সোমাই থাকিব পাৰে মই আগতে উপলব্ধি নকৰিলোঁ। মই চিগাৰেট খোৱা বন্ধ কৰিম বুলি তেতিয়াই নিজৰ ওচৰত প্ৰতিশ্ৰুতিবদ্ধ হ'লো। বুজিছা ডাক্তৰ মই এতিয়া ভীষণ সুখী। সিদিনা মাজনীয়ে আহি সপোনতে মোক আকোৱালি লৈ চুমা খাই কৈছিল -"দেউতা তুমি ইমান ভাল হৈ গ'লা। মোৰ আজি খুউব ভাল লাগিছে জানা।"

মাজনী মোৰ বুকুৰ আমঠু আছিল। মাত্ৰ চাৰিদিনৰ জ্বৰতে মাথো বিশ বছৰ বয়সতে তাই আমাক এৰি থৈ গুচি গৈছিল।

ডাক্তৰ মাজনী মোৰ, মই এতিয়া আগতকৈ বহু সুস্থ অনুভৱ কৰিছোঁ। তুমি কোৱামতে কাম কৰি আছোঁ। সদায় মেডিটেচন কৰোঁ। এদিন ঔষধবোৰো দলিয়াই দিম।আৰু সেইদিনাই মই তোমাৰ ওচৰত যাম। মোৰ মাজনীৰ ফটো খনো লৈ যাম। তোমাৰ দৰে তাই বৰ ভাল ছোৱালী আছিল। জীয়াই থকা হ'লে তোমাৰ দৰেই এগৰাকী চিকিৎসক হ'লহেতেন।

বেয়া নাপাবা। মনৰ কথাবোৰ তোমালৈ লিখি মনত শান্তি অনুভৱ কৰিছো।

মৰম লবা।

ইতি

মাজনীৰ দেউতা

চিঠিখন পঢ়ি মই অনুভৱ কৰিলো মোৰ ডিঙিতো বিষাইছে। যেন চিঞৰি চিঞৰি কান্দিম। দেউতালৈ খুউব মনত পৰিল। দুচকুৰে পাৰ ভাঙি অশ্ৰু বাগৰি আহিল। এনেতে মোৰ গৃহস্থৰ মাতত মই মোৰ চৌপাষলৈ ঘূৰি আহিলোঁ। ঘড়ীটোলৈ চাই দেখিলো মোৰ ৰান্ধনীঘৰলৈ যোৱাৰ সময় হৈছে। দুখখিনি বুকুৰ ভিতৰতে সামৰি সুতৰি থ'লোঁ।

# অগ্নিকুণ্ড

**সংগীতা গগৈ বৰুৱা**

দুদিনীয়া নৰিয়াত পৰিয়ে মাকজনীয়ে ইহসংসাৰ ত্যাগ কৰিলে । মাক নোহোৱাত বৰ নিঠৰুৱা হৈ পৰিল তাই, মাকেই তাইৰ সৰু পৃথিৱীখন আৱৰি আছিল। এনেও সৰু মানুহ ; সৰু সৰু আশা, সৰু জীৱন সিঁহতৰ। বৰ বেছি একো আশাও নকৰে সিহঁতে, দুবেলা দুমুঠি উদৰ পূৰাই খাব পালেই সন্তুষ্টি লভে। ধূলি-মাটি গৰকী পাৰ হয় সিহঁতৰ জীৱন। সেউজীয়া দলিচাৰ দৰে মসৃণ চাহ গছৰ মাজতে জীৱনৰ ৰথ ঘুৰে। বাগিচাৰ চাহগছবোৰৰ মাজত সিঁহতৰ জীৱন যদিও কিন্তু সিহঁতৰ প্ৰতিটো খোজ কাঁইটেৰে আৱৰা । সিহঁতৰ পুৰঠ হাতৰ পৰশতে চাহগছবোৰে এখন মসৃণ দলিচাৰ ৰূপ লয়, তেজ-ঘামৰ সংমিশ্ৰণত সেউজীয়াবোৰ ঠন ধৰি উঠে। কিন্তু সিহঁতৰ নিজৰ জীৱনবোৰ হে কাঁয়েটিয়া একোজোপা যেন কেকটাছ । কি ৰ'দ, কি বৰষুণ অৰ্থহীন সিহঁতৰ বাবে। এটি কলি দুটি পাতৰ পৰা নিগৰি ওলমে সিহঁতৰ সুখৰ সংজ্ঞা। মাকে এইখিনি সুখ গোটাবলৈয়ে পুৱাই ওলাই যায় লাইনৰ পৰা দুই কিলোমিটাৰ নিলগত থকা বাগানখনলৈ। সুখনো কি ! গা ঢাকিবলৈ এযোৰ সাজ , ক্ষুধা নিবাৰণ কৰিব পৰাকৈ এসাজ ভাত পালেই জানো সিঁহত সুখী হৈ নপৰে । এইখিনি সুখ পাবলৈ অহৰহ জীৱন সংগ্ৰাম সিঁহতবোৰৰ। থাকোঁতে তাইৰ বাপেকটো আছে। কিন্তু তাইৰ প্ৰতি, মাকৰ প্ৰতি যেন বাপেকৰ একো দায়িত্ব, কৰ্তব্য নাই। দিনটোত মদ খিনি গলাধঃকৰণ কৰিব পালেই হ'ল। বাগানৰ স্থায়ী বনুৱা বাপেকহে আছিল। এই মদসোপা গিলি লৈ কামলৈ পিঠি দিবলৈ লোৱাত সি এদিন সুন্দৰপুৰ বাগানৰ বৰ মেনেজাৰৰ পৰা বাৰুকৈয়ে শাস্তি ভুগিব লগা হৈছিল। গুৰুলা গুৰুলকৈ পিটিছিল বচন্তিৰ বাপেকক বৰ মেনেজাৰে। তাৰ নাম কাটি দিছিল , স্থায়ী শ্ৰমিকৰ লিষ্টৰ পৰা। ভৰিত ধৰিছিল বচন্তিৰ মাকে বৰ বাবুৰ। বহু কাকূতি মিনতি কৰাৰ পিছত মাকৰ নামটো লিখিছিল স্থায়ী শ্ৰমিকৰ লিষ্টত। এই জন পৰিচালকৰ গাত বৃটিছে এৰি থৈ যোৱা শোষিত তেজ চাগৈ এতিয়াও প্ৰবাহিত হৈ আছে। সৰু সৰু দুখবোৰতে শ্ৰমিক সকলক বৰ বৰ শাস্তি প্ৰদান কৰাৰ নজিৰ তেওঁৰ আছে। কিছুদিনৰ আগতে সেই বাগানৰে শ্ৰমিক মঙলুক সৰু কথাটোৰ বাবেই ইমান বেয়া কৈ মাৰধৰ কৰি কামিহাড় ভাঙি দিছিল। চৰকাৰী হস্পাতালত এমাহ পৰি আছিল মঙলু। ঘৈনীয়েকে ক্ষতিপূৰণ বিচাৰি যাওঁতে, চৰ্ত সাপেক্ষে হে দিছিল ক্ষতিপূৰণ। মানি লৈছিল মঙলুৰ ঘৈনীয়েকে তেওঁৰ চৰ্ত, মানি লবলৈ বাধ্য হৈছিল। নহলে যে উপায় নাই, সিহঁত যে সৰু মানুহ। নহ'লেনো কৰিবই বা কি। দুবেলা দুমুঠি উদৰ পুৰাবলৈ কিমান সংঘৰ্ষ কৰিব লাগে। ৰাতিপুৱাৰ পৰা আবেলিলৈ ৰ'দৈ-বৰষুণে বাগিচাত শ্ৰম কৰি পোৱা পইছাকেইটাৰে টানি টুনি চলাই নিয়ে শ্ৰমিক সকলে নিজৰ নিজৰ সংসাৰ। তাতে যদি কোনোবাই কামত গাফিলতি কৰে বা বেমাৰ-আজাৰ হয় দৰমহাৰ আধা অংশ কাটি দিয়ে বৰ বাবুয়ে। মানি লয় সিঁহতে বৰ বাবুৰ চৰ্তবোৰ বীনা প্ৰতিবাদে.. মানি লৈছিল মঙলুৰ ঘৈণীয়েকেও বৰ বাবুৰ চৰ্ত; হৈছিল গৈ বৰ মেনেজাৰৰ শয্যা সংগী দুদিনৰ। দিনৰ পোহৰত সিহঁতক সৰু মানুহ, অস্পৃশ্য বুলি নাক কোঁচাই দিয়া এই বৰ বাবুহঁতৰ কিন্তু ৰাতি সুলকি পৰে উচ্চ শ্ৰেণীৰ ভদ্ৰতাৰ মুখা। তেনেকৈয়ে চলে বীনা প্ৰতিবাদে এই শ্ৰমিক সকলৰ জীৱন।

ক্ষোভ তেওঁলোকৰো উপজে। ক্ষোভবোৰ মনৰ ভিতৰতে গুজৰি গুমৰি মাৰ যায়। এদিন পূজাৰ সময়ৰ বোনাছৰ পইচা সময় মতে নিদিয়া কথাক লৈ হাইস্কুলৰ মজিয়া গৰকা লক্ষ্মণে প্ৰতিবাদ কৰিছিল। পিছদিনা তাক বাগানৰ কলঘৰৰ পৰা বস্তু চুৰি কৰা বুলি পুলিচৰ হাতত গতাই দিছিল বৰ বাবুয়ে। ক্ষোভ উজাৰিব গ'লেও অপদস্থ হব লগা হয় সিহঁতবোৰ। তেনেকৈয়ে সহি যায় অন্যায়, অবিচাৰ আৰু নো কি কৰিব পাৰে সিঁহতে; সিহঁত যে সৰু মানুহ। সৰু মানুহ বুলি জানো সিহঁতৰো আত্মা নাই। সিহঁতৰ আত্মাবোৰ দাস হৈ পৰে। দাসত্বৰ যে কোনো আত্মা নাই। সজাত বন্দী পক্ষীৰ দৰে সিহঁতৰ আত্মাবোৰ। ঢৰফৰণি ছটফটনি মাজত আবদ্ধ হৈ ৰয় আত্মাবোৰ।

সুন্দৰপুৰৰ বাগিচাত স্থায়ী শ্ৰমিকৰ কামটো পোৱাৰ পিছত বচন্তিৰ মাকে কৰিব লৈছিল কামটো। মাকে বচন্তিৰ বাবেই অহৰহ কষ্ট কৰি যায়। বাপেকটোৰতো একো খবৰে নাথাকে, হাড়িয়াৰ মাজতে তাৰ জীৱন। বচন্তিৰ মাকে ভাবে তাই নিদিয়ে

বচন্তিক এনেদৰে পৰাধীন এটা জীৱন কটাবলৈ, মালিকৰ তলত গেবাৰি খাটি জীৱন কটাবলৈ। বচন্তিৰো পঢ়াৰ প্ৰতি ধাউতি থকা দেখি নাম লেখি দিছে বাগানৰে স্কুল খনত। মাকৰ আশাত শলিতা গছি জ্বলাই বচন্তি আগবাঢ়ি গৈছে । তাই বেয়া নহয় পঢ়াত। প্ৰতিটো শ্ৰেণী ভবা মতেই পাছ কৰি গৈছে তাই। তাইৰ পঢ়াৰ ধাউতি দেখি মাক জনীয়ে দুগুণ উৎসাহেৰে সকলো কৰি যায়।

চাহ-গছৰ মাজে মাজে লৰৰি ঢাপৰি ঘূৰি ফুৰা বচন্তিয়ে খেলা ধূলা মাজে মাজে পঢ়া-শুনাৰ কামো কৰি যায় নিয়াৰিকৈ । আজৰি পৰত মাকৰ সতে বাগানলৈ যায় কেতিয়াবা। মাকৰ সতে তায়ো পাত তুলি চায়। মাকে তাইক কয়.. "তুই কৰতে নাই লাগে ৰে ..হামাৰ কামতা। পঢ়া চুনা কৰকে বৰ মানুচ হবি, হামাদেৰ ৰকম এটনা কষ্ট কৰিতে নাই...লাগে।"

ঃ মাই তোৰ বৰ কষ্ট হয় না এইৰকম কাজ্ কৰকে । তাইৰ সৰু মনতোয়ে মাকৰ কষ্টবোৰ দেখি মনতে দুখ পায়।

মাই ঃ নাই ৰে বচন্তি। এয়ে ত' হামাদেৰ জীৱন। চট' মানুচ লাগে হামৰা। দুখ-কষ্টেৰ বাত চ'চলে হামদেৰকে জীৱন নাই চলবে ৰে। তুইৰ বাবে হামি সভি কাজ কৰকে যাব, খালি তুই খুব ভাল মানুচ হবি। আৰ' হামাকে কিছু নাই লাগে।

মাকৰ কথাবোৰে তাইৰ সৰু মনটোত ৰেখাপাত কৰে। তাইৰ কোমল মনতোয়ে সংকল্প লৈ পেলায়। আঁতৰ কৰিব এদিন তাই মাকহঁতৰ এই কষ্টবোৰ। পৰাধীনতাৰ পৰিধি নেওচি উৰিব এদিন মুক্ত বিহংগ হৈ। দেখুৱাই দিব তাই সিঁহতৰ আত্মাবোৰ সজাত বন্দী এটি পক্ষী নহয়। তাই তেতিয়াৰ পৰাই আৰু দৃঢ় হৈ পৰে নিজৰ জীৱনৰ প্ৰতি। তাইৰ সমনীয়াবোৰে অনাই বনাই ঘূৰি সময় অতিবাহিত কৰাৰ সময়ত তাই  এই অমানবীয়তা, অন্যায় অবিচাৰৰ পৰিধি নেওচি এখন নতুন পৃথিৱী গঢ়াৰ সপোন দেখে। মাকক কৰিব পৰা কামত সহায় কৰি দিয়ে তাই। আন দহজনী বাগানীয়া ছোৱালীতকৈ পৰিপক্ক তাইৰ মন।

মদাহী বাপেকে মুচৰি পেলাব খুজে কেতিয়াবা মাক-জীয়েকৰ সপোনক। মাহেকৰ মুৰত দৰমহা পোৱাৰ দিনা হাড়িয়া খাবলৈ পইচা বিচাৰি নাপালে মাক আৰু তাইৰ ওপৰত চলে নিৰ্যাতন।

ঃ "পঢ়ি চুনি বৰ মানুচ হতে আহিছ্।" বুলি আঁজুৰি আনি তাইৰ কিতাপ , ফলিবোৰ তুলি দিব খুজে জু-শালৰ অগ্নিকুণ্ডত।

কাকুতি মিনতিৰে তাই সাবটি ধৰে তাইৰ সপোনবোৰক। তেতিয়াই ঔ কিল পৰে মাক-জীয়েকৰ ওপৰত। ঘৰৰ ভিতৰৰ পৰা গটিয়াই বাহিৰ কৰে মাক - জীয়েকক। ঘিটমিটিয়া কাজল আন্ধাৰত জিলিৰ মাতৰ সৈতে বিলিন হয় মাক-জীয়েকৰ উচুপনিবোৰ।

তেনেকৈয়ে আগবাঢ়ে বচন্তি আৰু মাকৰ কণ্টকময় জীৱন। কেউটা বসন্ত গৰকি বচন্তি জনী আজি কালি কৈ যোল্ল বছৰীয়া জনী হল হি। মেট্ৰিক পৰীক্ষা দি উঠিছে। আশা এটা কৰিছে মাক আৰু তাই পঢ়া স্কুলৰ ছাৰ-বাইদেউ সকলে।

এইকেইদিন পঢ়া শুনাৰ কাম নাই বাবে তাই মাকৰ লগত বাগানলৈ যায়। বহুদিন হল মুকলি মুৰিয়া সেউজীয়া দলিচাখন চুই চোৱা নাই। চাহ-গছৰ মাজৰ অলি গলিবোৰত লৰি ধাপৰি ফুৰা নাই। বহুদিন লক্ষ্মণৰ লগত কথা পতা নাই।

লক্ষ্মণৰ কথা ভাবোতেই সি পিছফালৰ পৰা "আৰে.., বচন্তি তুই আজকে বাগান দিকে আইলি যে" বুলি মাত দিয়ে।

ঃ হামি কি বাগানিয়া চ'ৰি (ছোৱালী) নাই লাগে নেকি বাগান নাই আচবলে।

ঃ ঐতা বাত নাই আচে, মানে তুই তো বৰ মানুচ ন' । আমি ত' চুত' মানুচ না.. চুত' মানুচেৰ কাম হে বাগানৰ দিকে।

ঃ তুই হামকে বৰ মানুচ বৰ মানুচ নাই বলবি ৰে কিন্তু, ম'ৰ বহুত খাৰাব লাগে। মই তুইৰ খাতিৰ সদায় চুত' মানুচ হৈ থাকতে চাই।

তাইৰ কথাত লক্ষ্মণে মিচিকিয়া হাঁহি এটা মাৰে। "ঠিক আছে বাবা আজথেকে ত'কে বৰ মানুচ বুলি নাই হাকাবে। এই ৰকম মাজে মাজে বাগান দিকে আচি থাকবি, আমাৰ ভি ভাল লাগে না তুই আচলে।"

লক্ষ্মণৰ এনেকুৱা কথাবোৰে তাইৰ কিবা কিবি লাগি যায়। দুইটাই চাহ গছৰ মাজে মাজে কথা পাতি ঘূৰি ফুৰে এনেকৈ লগ পালে।

লক্ষ্মণৰ সংগই তাইক উৎসাহি কৰি তোলে সদায়। সিহঁতৰ লাইনত তুচু পূজাত লক্ষ্মণৰ মাদলৰ ছেৱে ছেৱে বচন্তি, পুনম, মুন্নি, ফুলৰন্তিহঁতৰ ঝুমুৰ নাচ উত্তাল হৈ উঠে । লক্ষ্মণৰ মাদলৰ প্ৰতিটো চাপৰে বচন্তিক উন্মনা কৰি তোলে। লক্ষ্মণে বজোৱা মাদলৰ চাপৰ বহু সময় লৈ বাজি ৰয় তাইৰ বুকুৰ ভিতৰত। এইবোৰে সিহঁতৰ সুখ.., খুদকণ খুদকণ আনন্দৰ সঁফুৰা।।

ওৰে ৰাতি মাদল বাজে, বচন্তিহঁতে নাভাগৰা লৈকে ঝুমুৰ নাচি থাকে।

আজি কেইদিনমান হল মাকজনীৰ গাটো বৰ ভাল নাই বাবে তাইয়ে মাকৰ ঠাইত বাগানৰ পাত তুলিবলৈ গৈছে। সৰুৰ পৰাই মাকে তাইক এইবোৰ কাম বেছিকৈ কৰিব নিদিয়াৰ ফলত এটা দিনৰ হাজিৰা মতে যিমান পাত তুলিব লাগে তাই তুলিব পৰা নাই। দিনটো পাত তুলি শেষ কৰি কলঘৰত পাতৰ টুকুৰিবোৰ জমা দিব লাগে। তাৰ পিছত তাত দিনটোত কোনে কিমান পাত তুলিলে তাৰ ওজন হয় আৰু সেইমতে সিহঁতে মাননি পায়। বচন্তিৰ টুকুৰিৰ ওজন সদায় কম। বৰ মেনেজাৰে এই লৈ এইকেদিন সদায় তাইক কথা শুনাইছে। সদায় ওজন কম হলে দৰমহা কাটি দিয়াৰ ভাবুকি দিলে বৰ মেনেজাৰে। হাতযোৰ কৰি তাই বৰ মেনেজাৰক কৈছে. “তেনে নকৰিব চাহাব.. মই চেষ্টা কৰিম। মোৰ মা বিমাৰ , ইলাজৰ পইচা লাগে। দৰমহা নাকাটিব চাহাব। দৰমহা কাটিলে আমি চলিব বৰ দিগদাৰী হব চাহাব, “ বুলি তাই হাতযোৰ কৰিলে বৰ চাহাবক।

অনুনয় বিনয় কৰা বচন্তিৰ অসহায় অৱস্থাটোত আমোদ পোৱা বৰ মেনেজাৰৰ তীক্ষ্ণ দৃষ্টি এটা তাইৰ শৰীৰ ওপৰেৰে পাৰ হৈ গল। সেই দৃষ্টিয়ে তাইৰ ষোল্ল বছৰীয়া গাভৰু দেহৰ নিতুল শৰীৰৰ ওঠন বুকু ভেদি যোৱা যেন লাগিল তাইৰ। বুকু ঢাকি কান্ধত পেলায় লোৱা চুন্নীখন তাই টানি টুনি ঠিক কৰি ললে। সেই লুলোপ দৃষ্টিৰ পৰা নিজকে বচাবলৈ।

বৰ বাবুয়ে এইবাৰ তাইক ক'লে, “তই পাত তুলিব নোৱাৰ যদি মোৰ বাংলোতে কাম কৰি দিবিহি। মই দৰমহা নাকাটো। পাত তুলি যিমান দৰমহা পাৱ সিমানে তোক দিম।”

উপায় নেদেখি তাই 'হ'ব চাহাব' বুলি ক'লে। কি কৰিব নহলে তাই, মাকজনীৰ অৱস্থা দিনে দিনে বেয়া হৈ গৈছে, সিদিনা বাগানৰ হস্পিতালতে ডাক্তৰক দেখুৱালে। ডাক্তৰে পাৰিলে কিবা কিবি টেষ্ট দুটামান কৰিব দিছিল। কিন্তু চহৰলৈ নিবলৈ ইমান পইচা নাই। হাড়িয়াত ডুবি থকা বাপেকটোৰতো একো খবৰ নাথাকে মাকৰ জীৱনত, বচন্তিৰ জীৱনত কি ঘটি আছে। মাকে কৰিব নোৱাৰাত তাই কাম নকৰিলে ঘৰো নচলে। ইমান দিনে মাকে তাইক একো কাম কৰিব নিদিয়াকৈ হাজাৰ সংঘাতৰ মাজতো চলাই আছিল সিহঁতৰ সৰু সংসাৰখন। কিন্তু এতিয়া তাই মাকৰ বাবেই কৰিব লাগিব মাকক সুস্থ কৰি তুলিবৰ বাবে, ঘৰ খন চলি থাকিবৰ বাবেই কাম কৰিবলৈ ওলাই গৈছে। বুকুত যিমানে সপোন নাথাকক সিহঁতে সংগ্ৰাম নকৰাকৈ সপোন ৰচিব নোৱাৰে।

তাই বৰ বাবুয়ে কোৱা পিছদিনাৰ পৰা বৰ চাহাবৰ বাংলাত কাম কৰিবলৈ গ'ল। বাংলাত আৰু বহু কেইজন লগুৱা আছে যদিও তাইক বাংলাত কাম কৰিবলৈ মাতিছিল। মালি , ৰান্ধনী, ড্ৰাইভাৰ সকলো ভাগে ভাগে লগুৱা আছে। তাই ৰান্ধনী হৰিকাইৰ লগতে ইটো সিটো লাগনি-পাচনি কৰি দিব লাগে। লগতে বৰ চাহাবৰ দৰকাৰী বস্তুবোৰ যতনাই দিয়া কামবোৰ। তাই বৰ চাহাবৰ ওচৰলৈ যাবলৈ হে কিবা ভয় ভয় লাগে। বৰ চাহাবে কেতিয়াবা তাইক গা-মালিচ কৰোৱাই বা পিন্ধা জোতাযোৰ পলিচ কৰোৱায়। কামবোৰ ভালকৈ কৰিব নোৱাৰিলে ধমকি দিয়ে তাইৰ ভয়তে জীউ উৰি যোৱা যেন লাগে। কেতিয়াবা আক' কিবা বস্তু বৰ চাহাবক দিব গ'লে হাততে খামুচি ধৰে তাইৰ বৰ ভয় লাগি যায়। ভয়ে-দুখে কাম এৰি দিয়াৰ কথা ভাবে। কিন্তু আকৌ মাকৰ শুকাই যোৱা মুখখন মনত পৰি সকলো কৰি যায়। সিদিনা মাকে তাইক বৰ কাতৰ ভৰা চাৱনিৰে কৈছিল “তুই হামি নাই ৰহলেও ত'ৰ নিজ কৰম কৰকে যাবি মাই। হামি আৰু নাই থাকব' বচন্তি নাই থাকব'..“

সেইদিনাই শেহৰাতিলৈ মাকজনী গুছি গৈছিল বচন্তিক এৰি। তাই হিয়া ঢাকুৰি কান্দিছিল। সেইদিনটোতো বাপেক ঘৰত নাছিল মদ খাই ক'ৰবাত পৰি আছিল।

মানুহজনী নাইকিয়া হল বাপেকৰ সেইখিনি খবৰ নাছিল পিছদিনাও মদ খাবলৈ পইচা বিচাৰি বচন্তিক গালি গালাজ কৰিছিল। দুখে শুকে বাট নেদেখা বচন্তি ভাঙি পৰিল। মাকে এৰি যোৱা পৰা নিঠৰুৱা হৈ পৰা বচন্তিক লক্ষ্মণে সাহ দিছিল। লক্ষ্মণৰ সাহতে জী উঠিছিল বচন্তি। বাপেকৰ আব্দাৰ পূৰ কৰিবলৈকে বৰ চাহাবৰ বাংলাত পুনৰ কাম কৰিব গৈছিল বচন্তি।

ৰান্ধনী হৰি কাই দুদিনমান চুটি লৈ ঘৰলৈ গ'ল। সেইবাবে এই কেইদিন বৰ চাহাবৰ পছন্দৰ ৰন্ধা বঢ়া কাম বচন্তিয়ে কৰিব লগা হৈছে। হৰি কাইৰ পৰাই তাই ৰন্ধা কামবোৰ শিকি ল'লে। দিনৰ সাজ ৰান্ধি আবেলিতে ৰাতিৰ সাজ ৰান্ধি তাই ঘৰলৈ গুছি আহে। কিন্তু সেইদিনা বতৰতো গোমা কৰি থকাত তাই গধূলিৰ সাজ ৰান্ধিব লওঁতে বৰ বাবুয়ে তাইক মাতি ক'লে “এতিয়াই ৰান্ধি থব নালাগে, ৰাতি আৰু দুজনমান মানুহ আহিব, দেৰিকৈ ৰান্ধিবি।” তাই উপায়বিহীন হৈ হব চাহাব বুলি কলে। চাহাবৰ নিৰ্দেশ অমান্য কৰাৰ ধৃষ্টতা সিহঁতৰ নাই। বৰ চাহাবক না কোৱাৰ পৰিণতি কি দেখিছে সিহঁতে।

গধূলিলৈ আৰু দুজন বেলেগ বাগানৰ চাহাব আহিল বৰ বাবুৰ বাংলোলৈ। তাই বৰ চাহাবে নির্দেশ দিয়া মতে ৰন্ধা বঢ়া কৰি খোৱা ঘৰৰ ডাঙৰ হল ঘৰটোত সজাই ৰাখিলে।

বিলাটি সুৰাৰ ৰাগীত তিনিওজন ইতিমধ্যে ৰিমৰিমিয়া হৈ পৰিছে। তাই ভয়ে ভয়ে তেওঁলোকক ৰাতিৰ আহাৰ হ'ল বুলি জনালে।

তাইক দেখি তিনিও জনৰ চকু তাইৰ আটিল দেহত নিবদ্ধ হৈ ৰল। বৰ চাহাবে তাইক ওচৰলৈ মাতিলে। তাই ভয়ে ভয়ে হাতেৰে চুন্নীখন খামুছি বৰ বাবুৰ ওচৰলৈ গৈ ৰ'ল। বৰ বাবুয়ে "আৰে, বচন্তি আজি তোক বৰ ধুনীয়া লাগিছে আৰু তই বৰ ধুনীয়া ৰান্ধিবও শিকিলি" বুলি হাত এখন ধৰি গাৰ কাষলৈ টানি মেৰিয়াই ধৰিলে। বৰ বাবুৰ আনখন হাতত সুৰাৰ গিলাচ। ঘটনাৰ আকস্মিকতাত আৰু সাম্ভাব্য বিপদৰ গুন্ধ পায় তাই "বৰ বাবু কি কৰিছে, কি কৰিছে মোক এৰি দিয়ক" বুলি চিঞৰি উঠিল।

"কি কৰিছো তোক ধৰিছোঁ হে" বুলি কুটিল হাঁহি এটা মাৰিলে বৰ বাবুয়ে। এইবাৰ তেওঁ তাইক জপতিয়াই দুইখন হাতেৰে কঁকালত মেৰিয়াই ধৰি কুটিল চাৱনিৰে কবলৈ ধৰে.. "তই আজি আমাৰ সবৰে দিল খোচ কৰি দে, তোক মালা-মাল কৰি দিম। বাগানত কাম কৰি, বাংলাত ভাত ৰান্ধি নকটোৱাকৈ তই জীৱন কটাব পাৰিবি।"

বৰ চাহাবৰ কথাত বাকীকেইজনেও গীৰ্জনি হাঁহিৰে সহযোগ কৰিলে।

ছি ঃ শুনিছিল তাই এই বৰ বাবু নিষ্ঠুৰ , দানৱ লগতে ইমান ঘৃণনীয় আজি নিজে দেখা পাইছে তাই।

তাই গাৰ বল প্ৰয়োগ কৰি বৰ বাবুৰ বন্ধনৰ পৰা মুক্ত হব বিচাৰিলে। প্ৰথমে হাতযোৰ তাৰ পিছত কাকুতি মিনতি। কিন্তু একো নৰজিল। তাইৰ যোল্ল বছৰীয়া অসূৰ্য্যস্পৰ্শা নিটোল শৰীৰৰ ওপৰত জপিয়াই পৰিল তিনি মঙহ লুভী মুখা পিন্ধা হিংস্ৰ দানৱ।

নিমিষতে সকলো সপোন থানবান হৈ গল বচন্তিৰ। কুঁচি মুচি হৈ বহি ৰল বৃহৎ হল ঘৰটোৰ এটা চুকত। বৰবাবুয়ে এইবাৰ তাইলৈ তাইৰ কলপাত ফটাদি চিৰিলি চিৰিলি কৈ ফটা চুৰিদাৰযোৰ দলিয়াই দি ধমকিৰ সুৰত কলে - "কথাবোৰ যাতে তোৰ মাজতে থাকে। কথা বাঢ়িলে এইটো দেখিছ নহয়, (দুনলীয়া বন্দুকটো তাইলৈ টোঁৱাই) ইয়াত থকা গুলিবোৰ সব শেষ হব।" বুলি তাইক ভাবুকি দিলে।

বৰচাহাবে গুলি মাৰিলেও-নামাৰিলেও তাইৰ অন্তৰাত্মাৰ মৃত্যু ঘটিছে, তাইৰ মাকৰ সপোনৰ মৃত্যু ঘটিছে, তাইৰ নিজস্বতাৰ মৃত্যু ঘটিছে। সিহঁত সৰু মানুহ সেইবুলি সিহঁতৰো জানো ইজ্জত নাই। কি কৰিব কোনখন মুখ লৈ কাৰ ওচৰলৈ যাব তাই.. আছেনো কোন তাইৰ, বুকুৰ বিননি শুনিবলৈ। মাকজনীয়েও এৰি গল তাইক সৰি পৰা চকুলোৰে বাট নেদেখা বচন্তি কুঁচি মুচি হৈ হলঘৰতোৰ চুকতে বহি ৰয়।

পিছদিনা বনজুইৰ দৰে কথাটো গোটেই সুন্দৰপুৰ বাগানত বিয়পি পৰিল। এক চেপা উত্তেজনা বিৰাজ কৰিছে বাগানত। শ্ৰমিক সকলে কলঘৰ সকলো কাম কাজ আৰু পাততোলা বন্ধ কৰিছে। আনকি মৃতদেহ চমজি লবলৈ অস্বীকাৰ কৰিছে। আৰু কিমান অন্যায়, অবিচাৰ সহিব সিহঁতে আৰু কিমান শোষণৰ বলি হব সিহঁত আৰু কিমানজনী বচন্তিয়ে হেৰুৱাব লাগিব নিজৰ ইজ্জত। তুলি দিব লাগিব নিজক একোটা ভোগৰ সামগ্ৰী ৰূপে। সকলো সপোনৰ বলি দিব লগা হোৱা বচন্তিয়ে সহিব নোৱাৰিলে নিজৰ ইজ্জত হেৰুৱাৰ মনোবেদনা, নোৱাৰিলে তাইৰ অন্তৰাত্মাৰ মৃত্যু ঘটি জী উঠিবলৈ। নোৱাৰিলে তাই মাকৰ সপোন পূৰাব, এই কন্টকময় পৃথিৱীখন এখন সুন্দৰ পৃথিৱী কৰি তুলিবলৈ। তাইৰ সপোনক যে তিনিটা মঙহ লোভী কুকুৰনেচীয়াই নেফানেফ কৰি থৈ গল । আৰু ভাবিব নোৱাৰিলে তাই; বাংলোৰ পিছপিনৰ বেলকনিৰ ফেনখনত স্বাসৰূদ্ধ হৈ ওলমি ৰল তাইৰ সকলো সপোন. সকলো আশা..

"দোষিক শাস্তি দিয়ক, আমাক ন্যায় লাগে , এনে অন্যায় শোষণ আৰু নচলিব আদি" শেগান দি শ্ৰমিক সকলে বাংলো ঘেৰাও কৰি ৰাখিছে। সুন্দৰপুৰ বাগানৰ 'বৰচাহাব'ৰ আজি বাগানৰ শ্ৰমিক সকলৰ ৰুদ্ৰমূৰ্তি দেখি ওলাই আহিবলৈ সাহ হোৱা নাই। বাংলোৰ ভিতৰত পাইচাৰি কৰি আছে। আনকি নিৰাপত্তাৰক্ষীৰ কোনো লোককে সুন্দৰপুৰ বাগানলৈ সোমাব দিয়া নাই আজি শ্ৰমিক সকলে। এক যুদ্ধংদেহি মনোভাৱেৰে হাতে হাতে ধনু কাঁৰ লৈ শ্ৰমিক সকলে আজি ক্ষোভৰ বহিৰ্প্ৰকাশ কৰিছে।

আজি বচন্তিৰ দেউতাকৰ হাততো ধনু কাঁৰ। ন্যায় লাগে তেওঁকো জীয়েকৰ ওপৰত হোৱা আৰু গোটেই সুন্দৰপুৰ

বাগানত হৈ থকা সকলো অন্যায়-অবিচাৰৰ ন্যায় লাগে।

এটা সময়ত ক্ষোভবোৰ অগ্নিকুণ্ডলৈ পৰিণত হ'লগৈ। জ্বলি উঠিল সুন্দৰপুৰ বাগানৰ বৰ চাহাবৰ বৃহৎ বাংলো। বাংলোৰ ভিতৰত আবদ্ধ হৈ মৰণকাতৰ আৰ্তনাদ কৰি উঠিল মহা প্ৰতাপী বৰ চাহাব। অগ্নিকুণ্ডৰ জুইয়ে নিমিষতে ঘেৰি ধৰিলে মহাপ্ৰতাপী বৰ বাবুৰ দৰ্প-গৰ্ব লগতে জীৱন্তে দাহ কৰি নিলে বৰ বাবুৰ শৰীৰ..

সুন্দৰপুৰৰ আকাশ বতাহত উৰিছে এতিয়া পুৰা মঙহৰ গোন্ধ লগতে ইমান দিনৰ শোষণ, নিপিড়ণ, অন্যায় অবিচাৰৰ ধোঁৱা...

সিঁহত সৰু মানুহ, সিহঁতবোৰৰো আত্মা আছে, নিদিয়ে আৰু সিহঁতে নিজৰ আত্মাবোৰক দাস সজাবলৈ। সেই কাৰণে আজি সিহঁতে আইন হাতত তুলি লব পৰাকৈ সাহসী হৈ উঠিছে। অৱশেষত পুলিছ প্ৰশাসনৰ লোক আহিল দোষি সাব্যস্ত হোৱা শ্ৰমিক সকলক গ্ৰেপ্তাৰ কৰিলে। তথাপি আজি সুন্দৰপুৰৰ শ্ৰমিক সকল যেন মনেৰে মুক্ত হৈছে। সদায় মৰি মৰি জীৱন জীয়াতকৈ মুকলি আকাশৰ বন্দীশালেই শ্ৰেয় বুলি ভাবি ললে সিহঁতে। অন্তত যুগ যুগান্তৰলৈ যাতে সুন্দৰপুৰবাসীৰ দৰে কোনেও নিজৰ আত্মাক দাসত্বলৈ পৰিবৰ্তন কৰিব লগা নহয়। কোনো বচন্তিৰ যাতে জীৱন শলিতা নুমাই নাযায় অকালতে। আকৌ সৃষ্টি নহওক অগ্নিকুণ্ডৰ।

# বিচ্ছিন্ন

## দীপ্তি বৈশ্য

জীৱনত পোৱা-নোপোৱাৰ হিচাপ কৰি কৰি বহু ৰাতি পাৰ হৈছে উজাগৰে। আনকি এদিনৰ চিনাকি লোকেও ভুমুকি মাৰেহি বিনিদ্ৰ ৰাতিবোৰত। ভাবুক হৈ পৰোঁ হিচাপবিহীনভাবে। ভাৱ আৰু ৰাতি কোন কাৰ পৰিপূৰক নাজানোঁ, কিন্তু বৰ আগ্ৰহেৰে যেন ৰৈ থাকে ইটো সিটোৰ বাবে...টোপনিক ইন্ধন হিচাপে লৈ চিন্তা-ভাৱনাৰ চলন্ত ৰেল এখন প্ৰশ্নৰ উকি মাৰি মাৰি গতি কৰি থাকে গোটেই নিশা । আৰু এনেকৈয়ে বাগৰ সলায় চাটিফুটি কৰা এটা ৰাতিয়ে। ক'ব নোৱাৰোঁ নিবিড়ক এইবোৰ , নোৱাৰোঁ ক'ব উজাগৰী নিশাৰ কথা । ভাৱবোৰ ক'ৰপৰা যাত্ৰা আৰম্ভ কৰি কি গন্তব্যস্থানত ইতি পৰে তাৰ উম্ ঘাম্ নাপায় নিবিড়ে। নিশাৰ যাত্ৰী-মোৰ ভাৱবোৰ ক্ৰমে মোৰ একান্ত ভিতৰুৱা হৈ গৈ থাকে ।

তিনি বছৰ আগতে লগ পোৱা এগৰাকী মহিলাৰ কথাই আমনি কৰে এতিয়াও। এটি ভয়ে নিজৰ জীৱনৰে গতি সলাই দিয়ে। মোৰ সপোনবোৰ তচ্ নচ্ কৰি পেলাই। শংকাবোৰৰ বাবেই হয়তো আজিকালি অবিশ্বাসৰ শেলাইও সহজেই গজিব লৈছে।

পুৱা সাত বজাতেই মই , নিবিড় আৰু নয়নী ফৰটিছ্ হস্পিটেলত উপস্থিত হওঁ , নিবিড়ৰ এটা সৰু অপাৰেচনক কেন্দ্ৰ কৰি। পিছলৈ নৰৈ হঠাতে অপাৰেচনৰ সিদ্ধান্ত লোৱা হৈছিলে। যিহেতু সেইদিনাই নিবিড় ডিচছাৰ্জ হ'ব পাৰিব বুলি ডাক্তৰে কৈছিল সেয়ে চিং-গল ৰুম খালী থাকিব নে নাই ভবাই নহল আগতীয়াকৈ। গৈ পোৱাৰ আধা ঘণ্টাৰ পাছত দুজন ৰোগীৰ আটাইখিনি ব্যৱস্থা থকা, মাজত পাৰ্টিশ্বন ৰখা আহল-বহল কেবিন টোৰ এটা ফাল আমাৰ হৈ পৰে দিনটোৰ বাবে , বৰ্তমানে শূন্যতাৰ পৰিধিত নিজকে আবিষ্কৃত কৰাৰ সেয়াই আছিল কেন্দ্ৰস্থলী। দুই বছৰীয়া নয়নীজনীক বিজাণুৱে সংক্ৰমিত কৰাৰ ভয় এটাই হেঁচা মাৰি ধৰিলে মোৰ বুকুখন।

ঃ দিনটোৰহে কথা

নিবিড়ে মোৰ মুখখন দেখিয়েই হয়তো কৈ উঠিল।

অপাৰেচন সুকলমে হৈ গ'ল। কিন্তু আমাক জনালে যে নিবিড়ৰ অফিচৰ ক্ষতিপূৰণ চুক্তিমতে (ইনচিয়ৰেঞ্চ) অপাৰেচনৰ বাবদ খৰচ হোৱা টকা চল্লিশ হেজাৰ পাবলৈ হলে এৰাতি হস্পিটেলত থকাটো হেনো নিয়ম আছে । নিবিড়ে আমাক ঘৰলৈ ঘূৰি আহিব বহুবাৰ কৈছিল। যদিও সাধাৰণ অপাৰেচন তথাপি অকলে নিবিড়ক তেনেকৈ এৰিব মোৰ মনে নক'লে । সন্ধিয়া চিং-গল ৰুমৰ কেবিন খালী হৈছে নেকি সোধ্-পোছ কৰিবলৈ মনটোৱে উচ্ পিচ্ কৰে যদিও তিনি ঘণ্টা আগত অপাৰেচন হৈ যোৱা নিবিড়ৰ কিবা কষ্ট হব বুলিয়ে মনে মনে ৰ'লোঁ। নিবিড়ৰ কাষৰ বিছনাত বহি টিভিত কাৰ্টুন চোৱাত ব্যস্ত নয়নীক চেণ্ডউইচ খুৱাবলৈ ময়ো ব্যস্ত হৈ পৰিলোঁ -চিন্তাবোৰ একাষৰীয়াকৈ ৰাখি । পাৰ্টিশ্বনৰ সিটো মূৰত তিনিজন লোকৰ উপস্থিতি গম পাইছিলোঁ। দীঘল দীঘল উশাহ লৈ থকা নব্বৈ বছৰীয়া মানৰ ৰোগীজনৰ লগত এগৰাকী মহিলা আৰু এজন ল'ৰা । সমুলি ছয়জন লোকৰে কেবিনটোত বিৰাজ কৰিছিল এটা গধুৰ গধুৰ লগা গধূলি...

ঃ ভোক লাগিছে ?

মহিলা গৰাকীয়ে কোৱা শুনিবলৈ পালোঁ ।

অসমৰ বাহিৰত নিজা ভাষাটোৰ মাত-কথা শুনিলে কাণ থিয় হয় বাবে নেকি এই প্ৰথমবাৰৰ বাবে তেওঁলোকৰ কথা শুনিবলৈ আগ্ৰহী হৈ প'ৰোঁ। পিছলৈ পিছে খাটাং হলো যে তেওলোক অসমীয়া নহয়।

দীঘল দীঘল উশাহবোৰতকৈ ভাবিব নোৱাৰা ধৰণে ফোঁপনিৰ প্ৰকোপ তীব্ৰতৰ হৈছিল।

ঃ এতিয়া প্ৰাৰ্থনা কৰাৰ সময় , ভগৱানৰ নাম লোৱাৰ সময়, যিজনে বাৰে বাৰে হস্পিটেলত ভৰ্তি কৰায় তেওঁক গালি পৰাৰ সময় নহয় ...

মানুহগৰাকীৰ আক্ষেপ মিহলি উত্তৰ।

কিন্তু বহুসময় ধৰি গালি-শপনিৰ জাউৰিবোৰ ফুটিয়েই থাকিল মানুহজনৰ মুখেৰে। জীৱনৰ বিয়লি বেলাত যেন আগ্নেয়োৎপাত (আগ্নয়গিৰীৰ উদ্‌গীৰণ) হৈছে, আৰু লাভাসদৃশ ক্ষোভবোৰ ফাটি-ফুটি বাহিৰ হৈছে।

পিছদিনা ডিচ্ ছাৰ্জৰ বাবে প্ৰস্তুতি চলাই আছোঁ তেনেতে ,

ঃ হেল্ল' বেবি

নয়নীলৈ মিচিকিয়াই, আমাৰ ফালে চালে মানুহজনীয়ে।

নয়নীৰ কাষতে, বিছনাত বহিবলৈ ক'লোঁ। গুজৰাটী বুলি নিজৰ পৰিচয় দিয়ে । ৰোগীজন তেখেতৰ স্বামী । ৰাতি গিৰিয়েকক ৰখা ল'ৰাজন হৈছে নাৰ্চ, চোৰা-চিতা কৰিবলৈকে নিয়োগ কৰিছে ল'ৰাজনক । হিন্দীতেই নিজৰ ইটো সিটো কৈ গ'ল তেখেতে। গুজৰাটী লোকেও আমাৰ দৰে 'ভোক লাগিছে' — এই কথাষাৰ একেটা অৰ্থতে যে প্ৰয়োগ কৰে সেয়া জানিব পাৰিলোঁ। মানুহগৰাকীৰ মুখে গিৰিয়েকে কেবাটাও বেমাৰত ভুগি আছে বুলি শুনি মনটো কিবা বেয়াই লাগি যায় । বেমাৰবোৰৰ কাৰণে হব পাৰে লগাতকৈও বেছি বৃদ্ধৰ সাজ পিন্ধিছে গিৰিয়েকে ...মানুহগৰাকীৰ সুস্থ, অকণো বলি ৰেখা নপৰা মুখখন দেখি তেনেকুৱাই ভাব হ'ল। বন্ধ কেবিনটোত আবদ্ধ হৈয়ে আছে সেই দীঘল দীঘল উশাহ। আহ্ কি যে যন্ত্ৰণা। যি যন্ত্ৰণা বিয়পে ইজনৰ পৰা সিজনলৈ। বুকুখনত বাজি থাকে তেতিয়া ধিপ্ ধিপ্ শব্দটো।

ঃ ভাল হৈ তোমোলোক যোৱাগৈ , ভালদৰে ৰাখক ভগৱানে। এখেতৰ বেমাৰত বহু টকা খৰচ হ'ল , ইয়াৰ পিছত যি হয় হ'ব আৰু নানো হস্পিটেললৈ, এইবাৰেই শেষ।

অলপো খোকোঁজা নলগাকৈ মানুহগৰাকীয়ে হিন্দীতেই কৈ গ'ল। কিন্তু মই বৈ গ'লোঁ। মুখেৰে এটাও শব্দ নোলায় মোৰ।

ঘৰ উভতিলোঁ। কিন্তু সিমানতেই শেষ নহয় কথাবোৰ । প্ৰায়েই মোক আমনি কৰা তুঁহ-জুই হেন্ ভয়ৰ জুইকুৰা একোবাৰ ভম্ ভমীয়াকৈ জ্বলি উঠে বিনিদ্ৰ ৰাতিবোৰত। নিজকে বাৰে বাৰে সাঙুৰি লওঁ। ভয়বোৰ পূৰঠ হয়। সেই দম্পতীহালৰ কোন কাৰ বাবে অসহনীয় ? ইমানেই ক্ষোভ থাকে নে জীৱনৰ বিয়লি বেলাত? কোনো কাৰোৰে নহয় , কেৱল মৰি মৰি মৰি যেন জী আছে। কিহৰ যাতনা আছিল সেয়া? মৰণৰ নে বাৰ্দ্ধক্যৰ ? কষ্টবোৰে কি অকল নিজকহে চিনাকি কৰায়? ঘৈণীয়েকজনীয়ে কেনেকৈ ইমান সহজে ক'ব পাৰিলে ' যি হয় হ'ব ' সম্পৰ্ক ইমানেই ঠুনুকা নে? জীৱনৰ এটা অংশ নাইকীয়া হোৱাত জীৱন সাগৰত নুতুলিব নে দুখৰ ঢৌ? পুতৌ , দ্বায়িত্বৰ ভাৰ এইবোৰহে কাৰক নেকি বাৰু গিৰিয়েকক বাৰে বাৰে হস্পিটেলত ভৰ্তি কৰোৱাৰ? তেওলোকৰ যুগ্মজীৱনত সোণাৰু ফুলা নাছিল নে কেতিয়াও? কি সঁচা? প্ৰশ্নবোৰত ভাগৰুৱা মোৰ মন।

নাই নাই এনেকুৱা হ'ব নোৱাৰে। সোণাৰু ফুলা দিনবোৰৰ অস্তিত্ব এনেকৈয়ে নাইকীয়া হৈ নাযায়। হ'ব নোৱাৰে বিশ্বাসৰ শেষ এনেদৰে... এখন সুন্দৰ ছবি মনত অঙ্কণ কৰি চকু মুদি দিছো দুপৰনিশা। বেছি বেমাৰে লাখুটি ল'বলৈ বাধ্য কৰোঁৱা এজনৰ বাওঁ হাতখন আনজনে আলফুলে ধৰি... সোণাৰু জোপাৰ কাষতে থকা বেঞ্চ খনলৈ লাহে লাহে দুয়ো আগবাঢ়িছোঁ। সেই স্পৰ্শ বিশ্বাসৰ...প্ৰত্যয়ৰ...। পৰস্পৰৰ আশ্ৰয়ত শাঁত পৰিছে জেঠমহীয়া দেহ। থোপাথুপিকৈ সৰি পৰিছে সোণাৰু ফুল দুয়োৰে গাত। দুয়োৰে মুখত তেতিয়া সোণাৰুফুলীয়া হালধীয়া হাঁহি...

হঠাৎ ৰিঙৰিঙাই গ'ল মোৰ কাণ দুখন। আকৌ খেলিমেলি কৰি পেলালে গোটেই ৰাতিটো। মনৰ কেন্ ভাছত ভয়টোৱে আন এখন ছবিৰ আঁক্ বাঁক্ কৰিব ললে দ্ৰুত গতিত। গছজোপাৰ পৰা বিচ্ছিন্ন হৈ পৰিছে সোণাৰু ফুল। দুয়োৰে মাজত থকা বান্ধোন শিথিল হৈ পৰিছে। প্ৰেমৰ উত্তাপ থকা সেই স্পৰ্শ আৰু নাই। সোণাৰু ফুল বিহীন গছজোপাৰ তলত এজনে দীঘল দীঘল উশাহ টানিছে, হিয়া জুৰ পেলাবলৈ লগত কোনো নাই। দূৰলৈ আঁতৰি যোৱা জনে লগত লৈ গৈছে সোণাৰুৰ আটাইখিনি হালধীয়া। বহু দূৰত সোণাৰুৰ হালধীয়া ৰংটো চকুত চাট্ মাৰি ধৰাকৈ উগ্ৰ হালধীয়া হৈ পৰিছে।

# দশমী

## শান্তামণি বৈশ্য বৰ্মণ

"শাৰদী ৰাণী
তোমাৰ হেনো নাম..."

ভূপেন হাজৰিকাৰ সেই শৰৎ বিশেষ গানটো গুণগুণাই দশমীয়ে চোতালত কাপোৰ মেলি দি আছে ...।

ঃ দশমী... ও দশমী... কি কৰিছ ? সোনকালে আহ ! পূজালৈ যাবলৈ হ'ল..?

ঃ গৈছোঁ মা ...

গুৱাহাটীৰ ওচৰতেই থকা দুৰ্গা অনাথ আশ্ৰমত আজি মহাষ্টমী পূজা উপলক্ষে সকলো ব্যস্ত..। আশ্ৰমৰ কাষতে অঞ্চলটোৰ ভিতৰতে এখন ডাঙৰ পূজা ...! তাতেই আশ্ৰমৰ ফালৰ পৰা শৰাই এভাগ আগবঢ়োৱাৰ প্ৰস্তুতি চলাইছে আশ্ৰমৰ স্বত্বাধিকাৰী পূৰবী চৌধুৰীয়ে ...।

অকালতে বিধৱা হোৱা পূৰবীয়ে আজিৰ পৰা ওঠৰ বছৰ আগতে এই আশ্ৰমখন খুলিছিল .. ।এজনী ছোৱালীকলৈ খোলা আশ্ৰমখন এতিয়া ৩০ গৰাকী সদস্যাৰে ভৰপূৰ এখন ঘৰ... ।স্বামীৰ বিয়োগৰ পাছত আত্মীয় সকলে অকলশৰীয়া কৰাৰ পাছত পূৰবীয়ে এই পদক্ষেপ লৈছিল ... আৰু সফল হৈ উঠিছিল তেওঁৰ এই মহান উদ্দেশ্য.. ।অনাথ ছোৱালীবোৰৰ লগত থাকি কেতিয়াও অকলশৰীয়া অনুভৱ কৰিবলগীয়া নহ'ল জীৱনত দ্বিতীয়বাৰলৈ...। এতিয়া সকলোৰে বাবে মৰমৰ মা হৈ পৰিছে পূৰবী ।

ঃ মা... কিয় ইমান চিঞৰি আছিলানো ?

মূৰত গামোচাখন মেৰিয়াই উধাতু খাই সোমাই আহি দশমীয়ে পূৰবীক সুধিলে...

ঃ সকলো যোগাৰ কৰিছনে .. ? পলম হ'ব পূজালৈ... তই কাপোৰযোৰ পিন্ধি ওলাই আহগৈ যা...

ঃ নিকিয়ে কৰিছে সকলো ..। মই দুই মিনিটত আহি আছো ৰেডি হৈ .. ! তোমালোক ওলাই যোৱাগৈ..

ঃ ও সোনকালে আহ.. আৰু কোন কোন পূজালৈ যাই ওলাই আহিবলৈ ক'গৈ ?

দশমীয়ে লৰালৰিকৈ মেখেলা চাদৰ এযোৰ পিন্ধি ওলাই আহিল ... ।

পূৰবী আৰু দশমীৰ লগতে আৰু দহ গৰাকীমান ছোৱালীও ওলাল পূজালৈ বুলি... ।হাতত শৰাই , চাকি বন্তি ধূপ ফুলৰ মালাৰে আগবাঢ়িল আটাইকেইজনী.. ।

আশ্ৰমৰ গেটৰ বাহিৰ হোৱাৰ লগে লগেই পুজাৰ পৰিবেশৰ পৰশ দি গ'ল দশমীহঁতৰ মনত.. ।ঢাক - ঢোলৰ শব্দ , শংখ উৰুলিৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে পূজাথলী.. । সেই ধ্বনিৰে লয়ত খোজ পেলাই আগবাঢ়িছে দুৰ্গা মাৰ প্ৰতিমাৰ কাষৰলৈ পূৰবী দশমীহঁত.. ।

দেওজনলৈ পূৰবীহঁতে অনা শৰাই আৰু পূজাৰ সামগ্ৰীসমূহ আগবঢ়াই দি আশীৰ্বাদ ল'লে মা দুৰ্গাৰ... ।

তাৰ পাছত আটাইকেইজনেই মন্দিৰৰ কাষত থকা চকী কেইখনতেই বহিলে...।

সকলোৰে পৰিয়ালৰ লগত ওলাই আহিছে দুৰ্গতি নাশিনী মা দুৰ্গাৰ আশীৰ্বাদ ল'বলৈ বুলি.. ।মাক দেউতাকে বেলুন , পুতলা কিনি দিছে নিজৰ ল'ৰা ছোৱালীক.. ! হাঁহি ধেমালিৰে উৎসৱৰ প্ৰতিটো মুহূৰ্ত্ত কটাইছে নিজৰ আপোনসকলৰ সৈতে । কিন্তু দশমীৰ লগতে আশ্ৰমৰ ছোৱালীকেইজনীৰ বাবে এনেবোৰ দৃশ্য কেৱল এক বিৰহ যন্ত্ৰণা ...। তেনেবোৰ দৃশ্য দেখি সিঁহতে কেৱল চকুলো টোকে..। মা দেউতাৰ মৰম সিঁহতৰ বাবে এক বুকুত বিন্ধা বেদনা...। যিটো অনুভৱ কৰিবলৈ গ'লে কেৱল আঘাত পাই সিঁহতে...। যদিও পূৰবী মায়ে সিঁহতক কেতিয়াও অনুভৱ কৰিব দিয়া নাই মাৰ মৰম আৰু দেউতাৰ আদৰ , তথাপিও চকুৰ আগত সুখী পৰিয়ালবোৰ দেখিলে অজানিতে এটি হুমুনিয়াহ ওলাই আহে... । সিঁহতৰো মন যাই তেনেকুৱা ঘৰ এখন পাবলৈ..! বিহু পূজাত পৰিয়ালৰ লগত সময় কটাবলৈ ... ! কিন্তু সেইবোৰ একো একোটা অপূৰণীয় সপোন মাথোঁ

...!!!!

অজানিতে দশমীৰ চকুৰ কোণত থুপ খালে দুটোপাল চকুপানী.... !

ঃ দশমী .. আহ আগলৈ যাওঁ... সেৰা ল'ব মাতিছে দেওজনে ..

পূৰবীৰ মাতত উচপ খাই উঠিল দশমী...। সকলোৰে আঁৰত চকুপানীখিনি মচি লৈ পূৰবীৰ সৈতে পুষ্পাঞ্জলী ল'বলৈ গ'ল তাই...। পুষ্পাঞ্জলিৰ পাছত শৰাই সমূহ ভক্তসকললৈ অৰ্পন কৰা হ'ল ..। দশমীয়ে মণ্ডপৰ ভিতৰৰ পৰা শৰাইখন লৈ আহোঁতে হঠাৎ উজুটি খাই শৰাইখন হাতৰ পৰা সৰকি পৰিব লওঁতে হঠাৎ পাছফালৰ পৰা যুৱক এজনে থাল মাৰি ধৰিলে । পূৰবীও দৌৰি আগুৱাই আহিল তাইৰ ফালে ... । মালৈ আগবঢ়োৱা শৰাইখন পৰাৰ পৰা বচোৱাত সেই যুৱকজনক বাৰে বাৰে ধন্যবাদ জনালে পূৰবী আৰু দশমীয়ে ..।

ঃ ধন্যবাদ বাবা .. আজি তোমাৰ কাৰণেই ইমান ডাঙৰ অমংগল হোৱাৰ পৰা ৰক্ষা পৰিলোঁ ... । কিমান যে বেয়া লাগিলহেঁতেন !

ঃ নাই নাই মাহীদেউ .. অমংগল বুলি কিয় ভাৰিছেনো ? ইমান মানুহৰ মাজতটো তেনেকুৱা হ'বই.. । একো একোটা দুৰ্ঘটনা বাহিৰে একো নহয় ।

ঃ দুৰ্গা মায়েই পঠাইছে চাগে তোমাক আজি .. ! কি বুলি যে ধন্যবাদ জনাম তোমাক ? তোমাৰ পূজা হ'ল যদি ব'লা নহ'লে আমাৰ আশ্ৰমলৈ যাওঁ..!

ঃ আশ্ৰম মানে .. ?

ঃ মানে আমাৰ ঘৰলৈ .. !!

ঃ ও.. বেলেগ এদিন আহিম নেকি মাহীদেউ .. আজি অলপ ব্যস্ত আছোঁ... !

ঃ ও হয় নেকি ,ঠিক আছে তেন্তে... সৌখন যে দেখিছা .. সৌখনেই আমাৰ ঘৰ .. । সময় পালে আহিবা এদিন ...। ভাল পাম আহিলে ।

সকলোকে মাত লগাই গ'লগৈ ল'ৰাজন...।

ঃ বৰ মৰম লগা আছিল ও ল'ৰাজন .. । নামটোকে সুধিব পাহৰিলো নহয় ... । ছেঃ..!!

ঃ হ'ব দিয়া মা .. আকৌ যদি কেতিয়াবা লগ পোৱা তেতিয়া সুধি ল'বা ...। এতিয়া তোমালোকে ভোগ খোৱাগৈ যোৱা..

ঃ তই এতিয়া ঘৰলৈ গৈ শৰাইখন থৈ আহগৈ ..।

দশমীয়ে শৰাইখন থৈ পুনৰ পূজাথলীলৈ গ'লগৈ ..। খাই বৈ আহি ঘৰলৈ আহি অলপ জিৰণি ল'লে সকলোৰে ..।

আবেলি কলিং বেলৰ শব্দতহে সকলোৰে টোপনি ভাগিল ... ।

আশ্ৰমখন চোৱা চিতা কৰা হৰিকায়েহে গৈ দুৱাৰখন খুলি দিলেগৈ.. ।

ঃ ও শৰৎ বোপা .. আহা আহা ভিতৰলৈকে আহা ... । মই পূৰবীক মাতি দিছো ৰবা... ।

কৰ্মসূত্ৰে কোলকাতাত থকা পূৰবীৰ সম্পৰ্কীয় শৰতক দুৱাৰমুখত দেখি হৰিকায়ে আদৰেৰে সম্ভাষণ জনালে । একমাত্ৰ দশমীৰ বাহিৰে আশ্ৰমৰ সকলোৰে আদৰৰ শৰৎ পূজা বুলি প্ৰতি বছৰৰ দৰে এইবাৰো আহিছে ।

আশ্ৰমৰ সহায়িকা মীনুক চাহ পানীৰ ব্যৱস্থা কৰিবলৈ দি হৰি কাই পূৰবীক মাতিবলৈ যাওঁতেই পূৰবী অহা দেখি পুনৰ নিজৰ কামত লাগিলগৈ ।

আউলি বাউলি হৈ থকা চুলিতাৰি ভালদৰে বান্ধি বান্ধি পূৰবী আহি শৰতৰ কাষ পালেহি...। শৰতে তেওঁক দেখি উঠি আহি ভৰি চুই সেৱা ল'লে..

ঃ হ'ব হ'ব বাবা বহা ... । তুমি কোলকাতাৰ পৰা কেতিয়া আহিলা ? মোলৈ ফোন ও কৰা নাই যে...!

ঃ আজি পুৱাই আহিলোঁ মা .. । অলপ ব্যস্ত আছিলো , সেয়ে ফোন কৰাই হোৱাই নাই ... । এই অলপ সকলোৰে বাবে পূজা বুলি সৰু সৰু উপহাৰ .. তাকেই দিবলৈ আহিলোঁ..

ঃ ও তুমি যে আৰু ... প্ৰত্যেকবাৰ পূজাতেই দিব লাগেনে ? মই আকৌ তুমি এইবাৰ কোলকাতাতেই পূজা চাবা বুলি ভাৰিছিলোঁ .. ।

ঃ নাই নাই ... অসমতেই ভাল লাগে মা ..! দশমী নাই নেকি ..? তাই কিবা সিদ্ধান্ত ল'লেনে ..?

ঃ নাই অ' বাবা .. । সেই একে ঠাইতে আছে তাই .. । প্ৰেম ভালপোৱা বিয়া এইবোৰ তাইৰ কাৰণে এটি এটি বিষাক্ত শব্দ..। কি বুলি যে বুজাওঁ তাইক .., মই ভাৱিয়েই নাপাওঁ

ঃ তাইক মই বহুত ভালপাওঁ মা.. । তাইক মই গোটেই জীৱন সুখত ৰাখিম যদি তাই সেইকন সুবিধা দিয়ে.. তাই কিয় তেনেকুৱা কৰি আছে মই বুজিব পৰা নাই..!

ঃ মই জানো বাবা...। কিন্তু ..... !!!!! তুমি অহা গ'ম পাই তাই পাছফালৰ বাৰন্দাতে আছেগৈ .. যোৱাগৈ ... বুজোৱা তুমিয়েই...।

১৮ বছৰ আগতে বিবাহ বিচ্ছেদ হোৱা স্বামীৰ পৰা নিৰ্যাতিত এগৰাকী মহিলাই লৈ আনিছিল দৰদীক দুৰ্গা মন্দিৰটোলৈ ...। সেইদিনা আছিল বিজয়া দশমী .. । পূজা মণ্ডপতে দুৰ্গামাৰ প্ৰতিমা বিসৰ্জনৰ কামত ব্যস্ত আছিল পূৰৱী.. । সন্মুখত দেখিছিল আউলি বাউলি চুলি, অপৰিপাটী কাপোৰেৰে এটি মৰমলগা কণমানিৰে সৈতে এগৰাকী মহিলা... । কান্দি কান্দি বহি আছে পূজা মণ্ডপৰ সন্মুখতে ...। সমিতিৰ মানুহ দুই এজনে ওচৰতে ৰৈ চাই আছে ...। কিন্তু সেই অসহায় মহিলাগৰাকীক সহায়ৰ হাত আগবঢ়াবলৈ কোনো এজনো আগবাঢ়ি নগ'ল .. । পূৰৱী দৃশ্যবোৰ চাই সহি থাকিব নোৱাৰি আগুৱাই গ'ল মহিলাগৰাকীৰ কাষলৈ ..।

ঃ কি হৈছে তোমাৰ ..? কিয় এনেকৈ কান্দি আছা কনমাণিজনী লৈ ?

ঃ আমাক কিবা অলপ খাবলৈ দিয়ক বাইদেউ.. । কালিৰ পৰা একো এটা খোৱা নাই ছোৱালীজনীয়ে... ।

ঃ ব'লা ব'লা তোমালোকে মোৰ ঘৰলৈ ...।

তেনেকৈ লৈ গৈছিল পূৰৱীয়ে নিজৰ ঘৰলৈ দৰদী আৰু দৰদীৰ মাক ভাৰতীক।

দুয়োজনক ধুনীয়াকৈ খাবলৈ দিছিল ..। বৰ তৃপ্তিৰে খাইছিল ভাতসাজ দুয়ো .. । পূৰৱীও শান্তি পাইছিল মনত দুয়োকো খুৱাবলৈ পাই । খাই উঠাৰ পাছতে পূৰৱীয়ে সুধিছিল ভাৰতীক কি পৰিস্থিতিত পৰি আজি এনেকুৱা অৱস্থা হ'ল সিঁহতৰ .. । ভাৰতীয়ে সকলো বিৱৰি ক'বলৈ আৰম্ভ কৰিছিল ক'বলৈ...

ঃ কি ক'ম বাইদেউ .. বিয়াৰ দিন ধৰি কেৱল মানুহজনৰ পৰা মাৰ গালি খায়ে ছয়-সাত বছৰ কটালো .. কিন্তু যোৱা ৰাতি যেতিয়া ছোৱালীৰ ওপৰত আহিল কথবোৰ সকলো এৰি গুচি আহিলোঁ বাইদেউ.. !

কথাখিনি কৈ হুকহুকাই কান্দি পেলালে ভাৰতীয়ে... । কাষতে বহি থকা দৰদীয়ে মাকৰ চকুপানীখিনি মচি মাকক সাৱটি ধৰিলে.. ।

ঃ নাকান্দিবা... কোৱাচোন মোক সকলো খুলি .. । কিয় তোমাক অত্যাচাৰ কৰে ?

মীনু , ও মীনু .. আহচোন এইফালে... । ছোৱালীজনীক বাহিৰলৈ লৈ যা চোন খেলাবলৈ ..।

মীনুয়ে দৰদীক বাহিৰলৈ যোৱা পাছত ভাৰতী আকৌ আৰম্ভ কৰিলে ক'বলৈ..

ঃ মোৰ মানুহজনক কেৱল টকা লাগে বাইদেউ...। বিয়াত যিখিনি গহনা কাপোৰ বাচন পাইছিলো সকলোবোৰ লৈ গ'ল সি মোৰ পৰা ...। পইচা পালেই গেলা পানীবোৰ খাই , তথাপি সেইকেইদিন ঠিকেই থাকে সকলো...। কিন্তু পইচা শেষ হোৱাৰ লগে লগেই আকৌ আৰম্ভ হয় অত্যাচাৰ, মাৰ পিট , গালি গালাজবোৰ.. । দেউতাই মাটি বিক্ৰী কৰিও বহুত টকা দিলে মানুহজনক, কিন্তু কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰিলে তাক... । বিয়াৰ এবছৰ নহওঁতেই দৰদী জন্ম পালে..। তাৰে দুইবছৰ পাছতে আৰু এটা ল'ৰা আহিল জীৱনলৈ.. । আকৌ এতিয়া চাৰিমাহৰ অন্তঃসত্বা মই বাইদেউ.. । কিন্তু এইবাৰ মোৰ শৰীৰ কেঁচুৱা জন্ম দিবৰ বাবে একেবাৰে উপযুক্ত নহয়..। তাতে কালি পইচা নোপোৱা খঙত মোক বহুত মাৰিলে সি , ছোৱালীজনীৰ ওপৰতো হাত উঠালে..। দেউতাৰ এতিয়া বয়স হৈছে.... তাক ক'ৰ পৰা কেনেকৈ পইচা দিয়ে তেওঁ ? পইচা নাপালে হেনো ছোৱালীজনীকে বিক্ৰী কৰি দিব...!!! ভয়তে তিনিবছৰীয়া ল'ৰাটোক থৈ দুয়ো পলাই আহিলোঁ বাইদেউ..। মোৰ ছোৱালীজনীক আপুনি বচাওক বাইদেউ.... নহ'লে নৰ ৰূপী অসুৰটোৰে বিক্ৰী কৰি দিব তাইক....!

ভাৰতী পূৰৱীৰ ভৰিতে মূৰটো পেলাই কান্দি থাকিল.. পূৰৱীয়ে তাইৰ কান্ধত ধৰি উঠাই চকুপানী মচি দিলে..

ঃ শুনা ভাৰতী , মোৰ স্বামী ঢুকোৱাৰ দুবছৰেই হ'ল ..। অকলশৰে এই ঘৰখনত থাকোঁ..। আত্মীয়সকলো দুখৰ দিনত এৰি গুচি গ'ল... । তোমালোক দুয়ো মোৰ লগতেই গোটেই জীৱন থাকিব পাৰিবা..। মোৰো লগৰী হ'ব । কিন্তু তোমাৰ

তিনিবছৰীয়া ল'ৰাটোকো কিবাকৈ অনাৰ ব্যৱস্থা কৰিব লাগিব...। সি জানো তাত সুৰক্ষিত ?

ঃ মানুহজনে তাৰ গাত এটা তিলমানো আঁক পৰিব নিদিয়ে বাইদেউ.. । মোৰ ছোৱালীজনীৰ বাবেহে চিন্তা , মই নাথাকিলে তাইৰ কি হ'ব ..! কাৰণ মোৰ জীৱনৰ একো ভৰষা নাই...! মই তাইক আপোনাৰ হাতত সপিলো , আপুনি তাইক ৰাখিব বাইদেউ। কিন্তু মই যাবগৈ লাগিব তালৈ উভতি..।

ঃ কিন্তু তোমাক যদি সি আকৌ অত্যাচাৰ কৰে সি..!

ঃ মোৰ শৰীৰটো এতিয়া শিলৰ দৰে টান হৈ গৈছে বাইদেউ .. ৰ'দ বতাহ বৰষুণ সকলো সহ্য কৰি যাব পাৰে... । কিন্তু পোনাটোলৈ বৰকৈ মনত পৰিছে.. ! সি জানোচা কান্দি আছে মোক বিচাৰি বিচাৰি !!!

ঃ যাগৈ বাৰু.. কিন্তু কিবা সমস্যা পালেই ইয়ালৈ গুচি আহিবি .. ।

ভাৰতীয়ে ছবছৰীয়া দৰদীক কিবা কিবি কৈ বুজাই যাবলৈ ওলাল .. । পূৰৱীয়ে দুটামান টকা ভাৰতীৰ হাতত গুজি দি বিদায় দিলে.. ।

মাক যোৱাৰ পাছত দৰদীৰ হিয়াভগা ক্ৰন্দনে কঁপাই তুলিছিল ঘৰখন... । এজনী অকমানি ছোৱালী সম্পূৰ্ণ এটা অচিনাকি পৰিবেশত মাক অবিহনে কিদৰে সহজ হ'ব ... ! "মা মা" বুলি কান্দি কান্দি ভাগি পৰিছিল তাই.... । কিন্তু মাক যি গ'ল কাহানিও উভতি নাহিল...!

লাহে লাহে আকোঁৱালি লৈছিল দৰদীয়ে পূৰৱীক ..। নতুন পৰিবেশৰ লগত মিলি আহিছিল তাই...। দশমীক পাই জীপাল হৈ উঠিছিল পূৰৱীৰ জীৱন..। বিজয়া দশমীৰ দিনাই পুত্ৰী হিচাপে দৰদীক পাই দৰদীৰ পৰা দশমী নাম ৰাখিছিল তাইৰ ..। নিজৰ ছোৱালীৰ দৰে সকলো সা সুবিধা দিছিল , স্কুলত নাম ভৰ্তি কৰাই দিছিল ...।

কেইমাহমান পাছত আকৌ দুৰ্গা মাৰ মন্দিৰত কোনো অবৈধ সম্পৰ্কৰ পৰিণতিত জন্ম হোৱা নিষ্পাপ কন্যা শিশু এটিও পূৰৱীৰ জীৱনলৈ আহিল .. ।

তেনেকৈয়ে পূৰৱীৰ প্ৰয়াত স্বামীৰ আশ্ৰম খোলাৰ সপোন পূৰাবলৈ অনাথ কন্যা শিশুবোৰক আশ্ৰয় দিছিল তেওঁ .. । এবছৰ পাছত মা দুৰ্গাৰ নামতেই তাইৰ ঘৰখন অনাথ আশ্ৰমৰ ৰূপ দিয়ে ... । তেতিয়াই জন্ম হৈছিল " মা দুৰ্গা অনাথ আশ্ৰম" খনৰ । কোনো অবৈধ প্ৰেমৰ পৰিণতিতেই হওক , পেটৰ তাড়নাত পোহ পাল দিব নোৱাৰা শিশু হওক নাইবা ল'ৰা সন্তানৰ মোহত জাবৰৰ দোমত পেলাই দিয়া কন্যাসন্তানেই হওক নতুবা পিতৃ মাতৃ হেৰুৱা এলাগী হোৱা সন্তানবোৰৰ আশ্ৰয় থলী হৈ পৰিল এই আশ্ৰমখন ....। পূৰৱীয়ে আনকি কোনোবা সন্তানহীনা দম্পত্তীকো লিখা মেলা কৰি সন্তান তুলি দিছিল তেনেলোকৰ হাতত....।

পূৰৱীয়ে মৰম আদৰেৰে ৰাখিছিল সকলোকে , সামৰ্থ্য অনুযায়ী যিখিনি পাৰিছিল কৰি গৈছিল সকলোৰে বাবে ..।

তেনেকৈয়ে অতিক্ৰম কৰি আজি এইখিনি পৰ্যায় পাইছেহি...!

শৰৎ সোমাই গৈছিল ভিতৰলৈ দশমীক মাত লগাবলৈ...। জুপুকা লাগি বহি আছিল তাই বাৰন্দাত থকা চকীখনত..।

ঃ দশমী ...

ঃ ..........!!!!

ঃ কিয় নুবুজা মোৰ অন্তৰৰ বেদনাবোৰ তুমি দশমী ? কিয় ? বহুত ভালপাওঁ তোমাক ... । মোৰ জীৱন লগৰী কৰি তোমাক সুখী কৰি ৰাখিব বিচাৰো ওৰেটো জীৱন ..। কিয় মোক আঁতৰাই ৰাখা তুমি?

আবেগেৰে কৈ গ'ল শৰতে ..

ঃ প্লিজ শৰৎ ... ! মোৰ পৰা সেই আশা নকৰিবা কেতিয়াও .. ! কিমান বুজাম মই তোমাক..? মোৰ জীৱনত প্ৰেম ভালপোৱা বিবাহ এইবোৰৰ একো মূল্য নাই .. । মই মোৰ আশ্ৰমতে গোটেই জীৱন হাঁহি হাঁহি পাৰ কৰি দিব পাৰোঁ , ইয়াৰ বাবে মোক তোমাৰ মৰমৰ প্ৰয়োজন নাই .. ! মই বহুত সুখত আছো .. । আৰু বেলেগ সুখৰ প্ৰয়োজন নাই মোৰ....!

ঃ তুমি কিয় বুজা নাই দশমী ... ! কিয় বিবাহৰ নাম শুনিলে বলিয়াৰ দৰে হৈ যোৱা তুমি ? মই জানো তুমি ইয়াত বহুত সুখী, মই তোমাক এই ঘৰখনৰ পৰা বিচ্ছেদ কৰিবও বিচৰা নাই .. । মই কেৱল তোমাক মোৰ পত্নীৰূপে বিচাৰিছো .. । তাত কি আপত্তি তোমাৰ?

ঃ মোক বিৰক্ত নকৰিবা আৰু এইবোৰ কৈ কৈ... মই তোমাক অনুৰোধ কৰিছো মোৰ জীৱনৰ পৰা আঁতৰি যোৱা... ।

কান্দি কান্দি হাত যোৰ কৰি ক'লে দশমীয়ে শৰতক .. পিছুৱাই গ'ল শৰৎ চকুত থুপ খোৱা চকুপানী দুটোপাল মোহাৰি ...।

ঃ শৰৎ .. বাৰে বাৰে তাইৰ পৰা তেনেকুৱা ব্যৱহাৰ পাইও তুমি তাইৰ পৰা আঁতৰি যাব পৰা নাই... ! মই জানো তোমাৰ অন্তৰত থকা গভীৰ ভালপোৱাৰ কথা..। কিন্তু তাইৰ জীৱনত কিছুমান কথাই এনেকৈ বুকুত সাঁচ বহুৱাই থৈছে যে সেইবোৰ নাইকিয়া কৰিবলৈ হয়তো গোটেই জীৱন লাগিব .. ।

কান্দি কান্দি আহি থকা শৰতক কৈছিল পূৰৱীয়ে...

ঃ কিয় মা ? কি কথাই তাইক মোৰ পৰা এনেকৈ আঁতৰাই ৰাখিছে ? মই জানিব বিচাৰোঁ ..

নম্ৰভাৱে পূৰৱীক কৈছিল শৰতে...

ঃ নিজৰ ঘৰতেই হিংসা দেখি ডাঙৰ হোৱা ছোৱালী তাই , দেউতাকে মাকক কৰা শাৰীৰিক অত্যাচাৰবোৰ সাক্ষী হৈ ৰৈছিল তাইৰ চকুহাল..। সেই শাৰীৰিক মানসিক নিৰ্যাতনৰ ফলতেই মাকে মোৰ ওচৰত এদিন এৰি গৈছিল পাঁচ বছৰীয়া দশমীক ..। সেই যি এৰি গ'ল সেই দিন ধৰি আজিলৈ মাক উভতি নাহিল ...। দশমীয়ে বাটৰ ফালে চাই কৰি গ'ল মাথোঁ অপেক্ষা ....

তাইৰ বাবে বিবাহৰ সংজ্ঞা কেৱল মাৰ-পিট, প্ৰতাৰণা, দুখ... ! তাই ভয় কৰে জানোচা তাইও সেইবোৰৰ বলি হ'ব লগা হয়... ! ছোৱালী মানেই চকুপানী বুলিয়েই বুজে আজিও তাই.. । বিবাহ , সেন্দূৰ , স্বামী পত্নীৰ প্ৰেমৰ একো অস্তিত্ব নাই তাইৰ জীৱনত । দুখ ভয়বোৰ তাইৰ হৃদয়ত হিম হৈ গোট মাৰি গৈছে... । আৰু তুমিয়ে সুৰুযৰ কিৰণ হৈ সেই হিম গলাব পাৰিবা বুলি মোৰ সম্পূৰ্ণ বিশ্বাস..। হয়তো অলপ সময়ৰ প্ৰয়োজন হ'ব .. কিন্তু সেই দিন যে এদিন আহিব মোৰ মনটোৱে কয় ...।

ঃ সেই অকমানি বয়সতে ইমান দুখ দেখিছে তাই...? ইমানবোৰ দুখ কঢ়িয়াই লৈ ফুৰে দশমীয়ে .. । তাইৰ মনৰ পৰিস্থিতি নুবুজাকৈ মই কেৱল মোৰ প্ৰস্তাৱ ৰাখি গ'লো তাইৰ সন্মুখত ...?? লাজ পাইছো আজি মই নিজৰ ওচৰতে ! কিন্তু মই তাই অন্তৰৰ পৰা সেই অজান ভয়ৰ শিপাবোৰ উভালি প্ৰেমৰ নৈ বোৱাম মা .. । প্ৰেমৰ সংজ্ঞা সলনি কৰি দিম তাইৰ মনৰ পৰা... ! তাইও প্ৰাণ খুলি হাঁহিব এদিন সঁচা অন্তৰেৰে ... । বুজিব তাই যে সকলোৰে জীৱন একে নহয়....। আমিয়েই তাৰেই নিদৰ্শন হ'বলৈ চেষ্টা কৰিম ...।

ঃ মই আশীৰ্বাদ কৰিছো যেন তেনেকুৱাই হয় । দেৰিকৈ হ'লেও বুজিব এদিন দশমীয়ে তোমাৰ আবেগ অনুভূতিবোৰ.. !

শৰতে চাহ খাই ওলাই গ'ল আশ্ৰমৰ পৰা । শৰতৰ কথা শুনি পূৰৱীৰ অজনিতে আনন্দৰ চকুলোৰে ভৰি পৰিল দুনয়ন ...। শৰতৰ দৰে জীৱন সংগী এজনৰেই অপেক্ষাত আছিল ইমান দিনে তাই ...।

শৰৎ যোৱাৰ পাছতেই দশমী দৌৰি আহি মাকক সাৱটি কান্দিবলৈ ধৰিলে...

ঃ কিয় আহিব দিয়া তেওঁক ইয়ালৈ মা ? তুমি জানাই তেওঁ মোক প্ৰতিবাৰেই অশ্ৰু দি যাই উপহাৰৰ ৰূপত ... । কিন্তু ...? বাৰে বাৰে কোৱাৰ পাছতো কিয় একেটা প্ৰস্তাৱকে লৈ আহে তেওঁ মোৰ ওচৰলৈ...? তুমিও নেদেখা মোৰ অন্তৰৰ আঘাতবোৰ ?

কান্দি কান্দি কৈ গ'ল দশমীয়ে পূৰৱীয়ে মাকক ...

ঃ তোৰ অন্তৰখন দেখা পাওঁ কাৰণেটো কওঁ... । পৱিত্ৰ সম্বন্ধ এতিয়াও শেষ হৈ যোৱা নাই পৃথিৱীৰ পৰা দশমী ..। মই জানো তই সৰুতে পোৱা আঘাতবোৰ এতিয়াও পাহৰিব পৰা নাই...। বিবাহৰ অৰ্থই তোৰ কাৰণে বেলেগ ..। কিন্তু সকলোৰে ক্ষেত্ৰত তেনেকুৱা নহয় মাজনী..। মোৰো স্বামী আছিল, বহুত মৰমীয়াল আছিল তেওঁ..! সুখৰ সংসাৰ আছিল আমাৰ ... । আমাৰ কাষলৈ যে আহে শৰ্মা খুড়ী .. কিমান প্ৰেম আছে তেওঁলোকৰ মাজত এতিয়াও .. । তই নিজেই দেখিছ .. ! বিবাহ মানেই অশ্ৰু বুলি কিয় ভাৱিছ তই ...? সকলো মানুহৰ মনবোৰ জানো একে ..?

ঃ তেওঁলোকেও কান্দে মা.. । আমাৰ আশ্ৰমলৈ কিয় আহিব লগা হয় তেওঁলোক ? তুমি আজি আমাৰ দৰে ছোৱালীৰ লগত কিয় জীৱন কটাব লগীয়া হৈছে .. ? বিবাহ মানে কেৱল চকুপানী মা , কেৱল চকুপানী ..। কোনোবাই যদি স্বামীৰ অত্যাচাৰ পাইছে ,কোনোৱে শাহুৰ ... কোনোৱে আকৌ ল'ৰা ছোৱালী নথকা দুখ , কাৰোবাৰ বিবাহ বিচ্ছেদ ...। মুঠতে কোনো সুখী নহয় ...। দুখ , সংঘাত , প্ৰতাৰণা এইবোৰেই বিবাহৰ মূল সূত্ৰ ... নহ'লেনো "মা দুৰ্গা অনাথ আশ্ৰম" ৰ জন্ম হ'লহেঁতেননে ??

ঃ তই কেৱল ঋণাত্মক দিশবোৰ দেখিছ .. কাৰণ তই এই সম্বন্ধটোৰ বিষয়ে ভুল ধাৰণা এটা সাঁচ বহুৱাই লৈছ মনত ...। সুখ দুখ জীৱন নামৰ মুদ্ৰাটোৰ ইপিঠি সিপিঠি । সকলোৰে জীৱনত সুখ দুখ বিৰাজমান .. হয়তো সকলোৰে কাৰণবোৰ বেলেগ বেলেগ । মানুহ এজনে যিমানেই সুখী নেদেখুৱাওক কিবা এটা দুখ থাকিবই জীৱনত .. । দুখ পাবি বুলিয়েই জানো জীৱনৰ সুখবোৰ নোলোৱাকৈ থাকিবি ! শৰৎ বহুত ভাল ল'ৰা দশমী.. তোক বহুত সুখত ৰাখিব ...! তই কিয় বুজিবলৈ চেষ্টা কৰা নাই..? কিমান সহায় কৰে আমাক , এই আশ্ৰম খনৰ নামত...? মোৰ বয়স হৈ আহিছে .. তোৰ ভৱিষ্যত কি হ'ব .. ? মোক শান্তিত মৰিবলৈ দে , নহ'লে কি বুলি শান্তি পাব মোৰ আত্মাই ??

"মা নক'বা তেনেকৈ " বুলি কৈ দশমীয়ে পূৰৱীক সাৱটি কান্দিবলৈ ধৰিলে ...।

চোফাখনতে শুই পৰিছিল দশমী...। সকলো ওলাই গৈছিল অষ্টমী পূজা চাবলৈ... ।

আন্ধাৰ নামিছিল তেতিয়া ... পূজা মণ্ডপৰ পৰা ভাঁহি আহিছিল মাদলৰ ধ্বনি , দুৰ্গা বন্দনাবোৰ মিঠা সুৰ....

দশমী ওলাই গৈছিল পদূলিলৈ... শৰতত ফুলা শেৱালিৰ সুৱাসে মতলীয়া কৰিছিল তাইৰ মন ..। এজাক সেমেকা বতাহে পৰশ দি গৈছিল তাইৰ দেহত ...। কোমাল জোনাকৰ পোহৰত পদুলিত থকা গছৰ পাতবোৰ জিলিকি উঠিছিল ...।

ঃ দশমী...

পুৰুষৰ কণ্ঠস্বৰত দশমীৰ দেহটো কঁপি উঠিল ...

পিছফালে ঘূৰি দেখিলে শৰৎ ৰৈ আছিল গেটতে...

ঃ তুমি আকৌ আহিলা যে ? মাহঁত নাই পূজালৈ গৈছে .. । নে কোনো নাই বুলি জানি বুজি...!

ঃ তুমি যিটো অৰ্থত কৈছা মই তেনেকুৱা ভাৱত অহা নাই ইয়ালৈ দশমী.. । মই জানো তোমাৰ মনত প্ৰেম ভালপোৱাৰ একো মূল্য নাই .. । কিন্তু সেইবুলি তুমি মোৰ প্ৰতি মিছা সন্দেহ ভাৱ নানিবা !!

: .......!!!

মনে মনে থাকিল তাই ...

ঃ তোমাৰ মনত সোমাই থকা সেই প্ৰেমৰ সংজ্ঞাটো ভুল .. । আমাৰ হাতৰ আঙুলিবোৰ জানো সমান , পৃথিৱীখনত কিমান মানুহ আছে সকলোবোৰ জানো দেখাত একে ?? তেনেকৈ সকলো মানুহৰ মনবোৰো বেলেগ বেলেগ.. । বিবাহ দুখন হৃদয়ৰ মিলন , প্ৰেম এক স্বৰ্গীয় অনুভূতি ... কিন্তু যিয়ে এই সম্বন্ধবোৰক স্বাৰ্থপূৰণৰ বাবে ব্যৱহাৰ কৰে তেতিয়া ই ৰূপ লয় বিচ্ছেদৰ ...। মই তোমাক বহুত ভাল পাওঁ দশমী ... মোৰ হৃদয়ৰ স্পন্দনবোৰ কেৱল তোমাৰ বাবে ... কিন্তু তাৰমানে এয়া নহয় যে মই তোমাক জোৰ কৰি এই সম্বন্ধ গঢ়িম ... । উহু ... সেইটো ভুল নাভাৰিবা কেতিয়াও ... । অপেক্ষা কৰিম তোমালৈ ... হয়তো মৃত্যুৰ আগ মুহূৰ্তলৈ ... কিন্তু তথাপি তোমাক জোৰ নকৰো দশমী ...

বেয়া নাপাবা ... অন্তৰৰ আবেগবোৰ ওলাই গ'ল অজানিতে .. ! আচলতে মায়ে ম'বাইলটো এৰি গ'ল, তাকেই নিবলৈ পঠিয়াইছিল তেওঁ...। সেয়েহে আহিব লগা হ'ল .... মই পূজাথলীতেই আছিলোঁ ....

শৰতৰ কথাত নিস্তব্ধ হৈ ৰৈছিল দশমী...। দুধাৰি চকুলো নিগৰি আহিছিল ... । সি ভিতৰলৈ সোমাই গৈছিল ম'বাইলটো আনিবলৈ... ।

ঃ আহিছোঁ দশমী ..

দশমীক মাত লগাই ম'বাইলটো লৈ ওলাই গৈছিল শৰৎ ...

দশমী লাহে লাহে খোজ দি ঘৰৰ ভিতৰ সোমাইছিল ... । বহি ৰৈছিল মজিয়াখনতে .. আঁঠুটোতে মূৰটো গুজি উচুপিছিল তাই.. । শৰতে কোৱা এটা এটা শব্দ কানত বাজি উঠিছিল...

ঃ মই কি ঘৰ এখনৰ পৰা আহিছোঁ তুমি নাজানা শৰৎ..! দেউতা নামৰ অসুৰজনে মাক বিনা দোষত কৰা অত্যাচাৰবোৰ বোৰ দেখা নাই তুমি...। আৰু তুমি কেতিয়াও অনুভৱ কৰিব নোৱাৰিবা... । সেইমানুহজনে যেতিয়া মাক কোবাইছিল সেই শব্দত মোৰ দেহটো জোকাৰি গৈছিল .. । দেউতাৰ মৰম কেনেকুৱা নুবুজিলোঁ আজিলৈ ..! মাৰ শৰীৰত থকা কলা কলা দাগবোৰ, অন্তৰত জ্বলি থকা জুইকুৰা মই দেখিছিলো শৰৎ..। এয়া কেনেকুৱা বিবাহ ? য'ত কেৱল নিৰ্যাতন , ক্ৰন্দন , ভোক ...। কিমান ৰাতি একো নোখোৱাকৈ পোহৰ কৰিছো , কেৱল মই জানো ...। তেতিয়া সৰু হৈ আছিলোঁ, বুজিব পৰা একো সামৰ্থই নাছিল ..। মায়ে কৈছিল সৰুৰে দুষ্ট কৰে ডাঙৰে গালি পাৰে ... তেতিয়া ভাৱিছিলোঁ মায়ে চাগে কিবা দুষ্ট কৰিছে...। কিন্তু ডাঙৰ

হৈ বুজি পাইছো সকলো ... । সেইবোৰ আছিল বিনা দোষৰ শাস্তি, পুৰুষ হৈ নাৰীক দমন কৰি ৰখা একোটা উপায় । আজি কিয় নিজৰ ঘৰখনৰ সলনি এই আশ্ৰমত থাকিব লগা হ'ল মই আৰু মোৰ দৰে সকলো .. ? মোৰ মা ভাইটি ক'ত আছে সেয়াও নাজানো মই ... !! এয়া কি জীৱন ??

ভাৰি ভাৰি কান্দি থাকিল তাই তেনেকৈয়ে ..

সুদীৰ্ঘ পাঁচবছৰ শৰতে বিয়াৰ বাবে ৰৈ আছে দশমীলৈ ... কিন্তু দশমীয়ে এটাই উত্তৰ দি আহিছে ..। মনৰ আবেগ অনুভূতিবোৰ শুকাই গৈছে যেন তাইৰ ...।

বহু সময় তাতেই বহি থাকিল তাই ... ।

হঠাৎ কলিং বেলটো বাজি উঠিল ... ।

দেখা পালে এজন ল'ৰাক ধৰি ধৰি লৈ আনি আছে পূৰবী আৰু শৰতে ..

ঃ কোন হয় বাইদেউ এওঁ ?? কি হৈছে ...?

মীনুয়ে ভাৰে চিঞৰা দেখা পাই দশমী দৌৰি আহিল দুৱাৰ মুখলৈ ...

ল'ৰাজনক বিছনাত শুৱাই থৈ শৰতে বাহিৰ হৈ গাড়ীখন আনিবলৈ দৌৰিল

ঃ মা এইজন দেখোন দিনত লগ পোৱা ল'ৰাজন ... কি হ'ল তেওঁৰ ... ?

ঃ তাকে দশমী .. শৰৎ থকা বুলিহে আজি এনেদৰে উশাহ লৈ আছে সি ... নহ'লেটো আজি কি হৈ গ'লহেঁতেন !! বাইকৰ পৰা পৰি গৈছিল আমাৰ সন্মুখতে, তেনেতে সন্মুখৰ পৰা তীব্ৰবেগী নিয়ন্ত্ৰণ হেৰুওৱা বাহন এখন আহি আছিল .. শৰতে দৌৰি গৈ কিবাকৈ তাৰ প্ৰাণ ৰক্ষা কৰিছে ... । নহ'লে আজি কি হ'লহেঁতেন , সেয়া কেৱল ঈশ্বৰেহে জানে !!

ঃ কি ... ?

ঃ ও দশমী ... শৰতে গাড়ীখন অনাৰ পাছত তাৰ গাড়ীতে এওঁক ঘৰলৈ লৈ যামগৈ ... ।

অলপ ভাল পাইছানে বাবা ?

ল'ৰাজনে কেৱল মূৰটো দুপিয়ালে... । হাতেৰে ইংগিত দি পানী খুজিলে ... । দশমীয়ে এগিলাচ পানী আনি খুৱাই দিলে তাক...

তেনেতে শৰতো সোমাই আহিল ....।

ঃ মা.. ব'লক ... তাক ঘৰত থৈ অহাৰ ব্যৱস্থা কৰোঁ.... !

ঃ ময়ো যাম ...

দশমী চিঞৰি উঠিল...

ঃ তই কিয় যাব লাগে ? আমি তাক থৈয়েই আহিম...

ঃ মোকো যাবলৈ দিয়া মা ... প্লিজ...

পূৰবী, দশমী , শৰৎ আটাইকেইজন ওলাল যাবলৈ ল'ৰাজনৰ ঘৰলৈ ....। তাক ধৰি ধৰি গাড়ীত বহুৱাই দিলে ...।

ডেৰঘন্টা মান বাট অতিক্ৰম কৰি তাৰ ঘৰ পালে .... । এটা পৰিত্যক্ত ঘৰ ... দুৱাৰত তলা লগোৱা... ল'ৰাজনে তেনে অৱস্থাৰেই পকেটৰ পৰা ছাবি উলিয়াই দিলে ... পূৰবীয়ে দুৱাৰখন খুলি সোমাই গ'ল ... বিছনাত এখন মলিন আঁঠুৱা লাগি আছে ... চাৰিওফালে ছেদেলি-ভেদেলি হৈ আছে বস্তুবোৰ .. ভিতৰত গৈ বহাৰো অকন ঠাই নাই... । বিছনাখান লৰালৰিকৈ অলপ ভাল কৰি দি পূৰবীয়ে তাক শুৱাই দিলে ...

দশমী পৰিবেশবোৰ দেখি ঠৰ লাগি ৰ'ল ...। কিবা যেন ধোৱা ধোৱাকৈ এটা দুটা স্মৃতি ভাঁহি আহিল মনলৈ ... । সকলোবোৰ চালে ভালদৰে ... কোঠাৰ বেৰত আঁৰি থোৱা ধূলিৰে আৱৰা ফটো এখনলৈ চকু গ'ল তাইৰ হঠাৎ...। ধূলিখিনি চাফা কৰি হাতত ল'লে ফটোখন ...

হয় , এয়া দেখোন তাইৰ মাক ...। ভালদৰে চিনি পাইছে তাই ...। কাষত অত্যাচাৰী দেউতাক ... । দুটোপাল চকুলো নিগৰি আহি ফটোখনতে পৰিল...। কিন্তু .. তাই ক'লৈ আহিছে ... ?? ওঠৰ বছৰ আগতে এৰি যোৱা ঘৰখনেই এইখন নেকি ? তেন্তে সেই ল'ৰাজন ??

দশমী দৌৰি গৈ তাৰ কাষ পালে ...। বাবা বুলি মাতি গাল দুখন মোহাৰি দিলে ... শৰৎ আৰু পূৰবীয়ে অবাক হৈ চাই

ৰ'ল... ল'ৰাজনেও একো উমান নাপালে ... সাৱটি ধৰি বুকুখনতে মূৰটো থৈ কান্দিবলৈ ধৰিলে ...

ঃ দশমী ... ? কি হৈছে ?

পূৰবীয়ে দশমীক দুবাহুত ধৰি উঠাই দি সুধিলে ...

তাইৰ হাতত থকা ফটোখন মাকক দিলে ... "চিনি পাইছানে মা?"

ঃ ভাৰতী ...?

অলপ সময় ভাৰি হঠাৎ চিঞৰি উঠিল পূৰবী .. ।

এইখন ভাৰতীৰ ঘৰ নেকি ? মানে...??

ঃ অঁ' মা ... এয়া মোৰ ভাইটি ...

ল'ৰাজনে একো বুজিব পৰা নাছিল কি হৈ আছে ? আচৰিতভাৱে চাই ৰৈছে দশমীৰ ফালে .. ?

ঃ মা ক'ত বাবা ? আৰু ....!!!!!

ঃ মই একো বুজা নাই ... ভাৰতী মোৰ মাৰ নাম আছিল... কিন্তু আপোনালোকে কেনেকৈ জানিছিল তেওঁক ?

ঃ মই তোৰ বায়েৰ হওঁ বাবা ... ।

ঃ কি..... ??

ঃ বহু বছৰ আগতে দেউতাৰ অত্যাচাৰ সহিব নোৱাৰি ওলাই গৈছিলোঁ মা আৰু মই শান্তি বিচাৰি .. কিন্তু মোক মায়ে এইজনী মাৰ হাতত গটাই গুচি আহিছিল আকৌ তোৰ কাষলৈ ... । আৰু ভগৱানৰ কি খেলা , আজি পুনৰ মোৰ ঘৰখনলৈ লৈ আনিলে মোক ..। তোকো লগ কৰাই দিলে ... হয়তো এয়া দুৰ্গা মাৰেই মহিমা ....। কিন্তু মা ক'ত ... ?

ঃ মা মই জনা নহওঁতেই ঢুকাল ... দেউতাও আজিৰ পৰা প্ৰায় দুবছৰ আগত অত্যধিক মদ সেৱনৰ ফলত লিভাৰ নষ্ট হৈ এই সংসাৰৰ পৰা বিদায় ল'লে ... । দেউতাই মৃত্যুৰ আগমুহূৰ্ত্তত মোৰ এজনী বাইদেউ আছে বুলি কৈ থৈ গৈছিল , পাৰিলে বিচাৰিবলৈও কৈছিল !! কিন্তু মই ক'ত কেনেকৈ বিচাৰোঁ, মোৰ হাতত একো তথ্য নাছিল !! কিন্তু ভগৱানৰ লীলা .. মই তোক লগ পালোঁ .. তাৰমানে তয়েই মোৰ দৰদী বা ???

ঃ অঁ' বাবা ...

কিবাকৈ শুৱাৰ পৰা বহি সি দশমীক সাৱটি ধৰিলে... হুকহুকাই কান্দি পেলালে দুয়ো... । শৰৎ আৰু পূৰবীৰো আনন্দৰ চকুলো নিগৰিল ...

পূৰবীয়ে দশমীৰ ভায়েক সীমান্তকো আশ্ৰমলৈ লৈ যোৱাৰ সিদ্ধান্ত ল'লে ... শৰতৰ গাড়ীত উঠিবলৈ ক'লে ...।

তেনেতে দশমী দৌৰি আহি শৰতক হাত যোৰ কৰি ক'লে...

ঃ মোক ক্ষমা কৰি দিয়া শৰৎ.. । মই তোমাক বহুত দুখ দিছোঁ ... । কিন্তু তুমি মোৰ কাৰণে এই আশ্ৰম খনৰ কাৰণে কিমান কৰিলা ... আজি মোৰ একমাত্ৰ ভাইটিকো তোমাৰ কাৰণেই পালোঁ .... পাৰা যদি মই কৰা ভুলবোৰ মাফ কৰি দিবা শৰৎ...।

ঃ তুমি মাফ খুজি মোক লাজ নিদিবা দশমী। ... তোমাৰ মনৰ বেদনাবোৰ নজনাকৈ মই কেৱল মোৰ প্ৰস্তাৱ ৰাখি গ'লো ...। কেতিয়াও জানিব চেষ্টা নকৰিলো কি কাৰণত তুমি বিবাহ নামৰ পৱিত্ৰ শব্দটোক ইমান ভয় কৰা। মই এতিয়া সকলো জানিছোঁ।

সীমান্ত ভালদৰে সুস্থ হৈ উঠাৰ পাছত শৰৎ আৰু দশমীৰ বিয়াৰ কথা চলিল ...। শৰতৰ মাক দেউতাক আহিল আশ্ৰমলৈ দশমীক চাবলৈ...., মৰমেৰে আঁকোৱালি ল'লে তেওঁলোকেও দশমীক .... । বিয়াৰ আয়োজন চলিল .. , শৰতে আশ্ৰমৰ সন্মুখতে এটা ফ্লেট ল'লে।

আৰম্ভ হ'ল দশমীৰ এটি নতুন অধ্যায়ৰ এটি নতুন জীৱনৰ .....।

# স্থিতপ্ৰজ্ঞ

**ৰীতু গগৈ**

বাহিৰত নিয়ৰবোৰ শব্দ কৰি পৰি আছে। সেই শব্দৰ মাজতে বাৰে-বাৰে ভাঁহি আহিছে — মা, মা তুমি মোক কেতিয়াও ক্ষমা নকৰিবা। মই তোমাৰ পুত্ৰ হোৱাৰ যোগ্য নহয়। — অধিৰাজে চিঞৰি চিঞৰি কৈছিল। তেতিয়া তাৰ দুচকুত এসাগৰ পানী। অথচ তাৰ দুচকু চকুলোৰ সৈতে পৰিচিতেই নাছিল। কাৰণ শৈশৱৰেপৰা সেই বাট ভেটি ৰাখিছিল মাতৃৰ মমতাৰ আঁচলেৰে। বৈবাহিক জীৱনৰ আৰম্ভণিৰ পৰাই সুখৰ স্থায়ী সংজ্ঞা পাহৰি যোৱা মণিমালাই একমাত্ৰ পুত্ৰৰ বাবে মাথো সুখেৰেই সজাব খুজিছিল সমস্ত বাটচৰা। কিন্তু আজি তাৰ দুচকুৰ কৰুণাসিক্ত পানীয়ে আইৰ হৃদয় নামৰ অংশটো স্থবিৰহে কৰি তুলিলে। সমস্ত আৱেগ, অনুভৱ-অনুভূতিবোৰ যেন ৰুদ্ধ হৈ পৰিল মুহূৰ্তৰ বাবে। হাতকেৰেয়া লগাই পুলিচৰ গাড়ীত উঠাই লৈ যোৱা নিজৰ বুকুৰ সন্তান অধিৰাজ নেদেখা হোৱালৈকে চাই ৰ'ল তাই। হঠাৎ বানে মথাউৰি ভঙাৰ দৰে ভাঙি ওলাই আহিল হিয়াভগা কান্দোন। ওচৰতে থকা মাধুৰিমাই দুবাহু মেলি ধৰিলে মণিমালাক — নাকান্দিবা নবৌ। তুমি সঁচাকৈয়ে সৎসাহসী। তোমাক আজি ময়েই প্ৰণাম কৰিছোঁ নবৌ। ন্যায়বিচাৰৰ বাটত নিজৰ বুকুৰ কুটুম্বকে হেঙাৰ হ'ব নিদিলা তুমি — থোকাথুকি হৈ পৰিল তাইৰ।

ৰাতিৰ সাজ ৰন্ধাভাগেই থাকিল। মণিমালাক বেছিকৈ আমনি দিব নিবিচাৰিলে মাধুৰিমাই। মাজৰাতিৰ নিৰ্জন পৰিৱেশৰ মাজত ন-পুৰণি ঘটনাবোৰ, অনুভৱবোৰৰ লগত একাত্ম হৈ পৰিল মণিমালা। হৃদয়ত চেপি ৰখা যন্ত্ৰণাবোৰ সৰৱতাৰে নিশাৰ গভীৰতা ভেদি ওলাই আহিব বিচাৰিলে।

— নাই নাই, মই এনেকৈ বিয়া নহওঁ। এৰি দিয়ক। আপোনাৰ মই ভৰিত ধৰিছো। মা-দেউতা। — কাতৰ কণ্ঠে কৈ উঠিল মণিমালাই।

— হ'বই লাগিব। কিয় নহ'বা। অ'তদিনে কি মোৰ লগত ভালপোৱাৰ অভিনয় কৰিছিলা? — মণিমালাৰ হাতৰ বাহুত জোৰেৰে খামুচি কৈ উঠিল মনবৰে।

— সঁচাই ভাল পাইছিলোঁ, অভিনয় কৰা নাছিলোঁ। কিন্তু এনেকৈ জোৰ-জোলোম কৰি কিয় বিয়া কৰাব খুজিছে। বাউলী চুলিখিনি ঠিক কৰাৰ চেষ্টা কৰিলে মণিমালাই।

— নাই, তুমি যাবই লাগিব আজি মোৰ লগত। অতুল যা গাড়ী ষ্টাৰ্ট কাৰগৈ। মনবছৰে চিঞৰি কৈ উঠিল।

— অ' বোপাই, আমাৰ ছোৱালীজনীক এৰি দিয়া অ'। আজি বছৰৰ বিহুটোত এনেকুৱা এনেকুৱা অঘটন ঘটাব নাপায়। আমি কথাটো ভালদৰে সকলোৱে আলোচনা কৰোঁ আহা। তোমাৰ ঘৰৰ মানুহকো জনোৱা। হাতযোৰ কৰি মণিমালাৰ দেউতাকে অসহায়ভাৱে কৈ উঠিল।

— আলোচনা কৰিবলৈ আৰু কিটো আছে। আপোনালোকক ঠিক চিনি পালো মই। এতিয়া কথা পাতি লাভ নাই আৰু।

— একপ্ৰকাৰ টানি-আজুৰি মণিমালাক গাড়ীত উঠালেগৈ মনবৰে। মা-দেউতা.... মণিমালাৰ চিঞৰবোৰ কাষৰ চুবুৰীত বজাই থকা ঢোল-পেঁপাৰ শব্দৰ লগত বিলীন হৈ পৰাৰ দৰে হ'ল। উদং ভৰি, আউলী-বাউলী চুলিৰে, ঘৰত পিন্ধা সাজেৰে মণিমালাক মনবৰে একপ্ৰকাৰে অপহৰণেই কৰিলে সকলোৰে জ্ঞাতসাৰে। মান-অভিমান, লাজ-অপমান, ক্ষোভ, দুখ-বেদনাত ওৱে ৰাস্তা চকুলো টুকিলে তাই। কোনোৱা ৰাজনৈতিক দলৰ সক্ৰিয় কৰ্মী মনবৰৰ লগত তাইৰ কিছুদিন ধৰি প্ৰেম-ভালপোৱাৰ সম্পৰ্ক এটো নথকা নহয়। কিন্তু তাৰ কিছুমান গণ্ডগোলীয়া আদৰ্শই জীৱনসঙ্গী নিৰ্বাচনৰ সিদ্ধান্তটোত কিছু আউল লগালে মণিমালাৰ মনত। সেয়ে কিছুদিনৰ পৰা তাই মনবৰৰ প্ৰতি থকা প্ৰেম-ভালেপোৱাৰ কথাষাৰ পুনৰ বাৰ বিচাৰ-বিবেচনা কৰাৰ বাবে সময় ল'ব বিচাৰিছিল। আৰু সেয়া তাইৰ অধিকাৰো আছিল। কিন্তু তেনেতেই ঘটিল ঘটনাটো। দাবী-হুমকি কি

মনবৰে তাইক বল আৰু ক্ষমতাৰ প্ৰয়োগেৰে দেখাদেখিকৈয়ে ধৰি লৈ গ'ল। অসহায় মণিমালাই মনবৰৰ কোনোবা বন্ধুৰ ঘৰত ন-কইনাৰ সাজ পিন্ধি পূজাৰীৰ মন্ত্ৰ উচ্চাৰণত ৫-১০ মিনিটৰ ভিতৰতে শিৰত আঁকিবলগীয়া হ'ল মনবৰৰ নামৰ ৰঙা সেন্দুৰ। তাত নাছিল কোনো কইনা হোৱাৰ আবেগ-অনুভূতি, নতুন ঘৰ এখনলৈ যোৱাৰ লাজ-সংকোচ— আছিল কেৱল অনিশ্চিত জীৱনৰ, সন্মতিবিহীন বৈবাহিক বান্ধোনৰ এন্ধকাৰাছন্ন বাস্তৱ সত্যৰ মুখামুখি হোৱাৰ অপ্ৰত্যাশিত প্ৰস্তুতি। য'ত খোজ পেলাবলৈ গৈ অনুভৱ কৰিছিল মণিমালাই— তাই.ৰ যেন দুয়োখন ভৰিয়েই পংগু — ইচ্ছামতে চালিত হ'ব নোৱাৰাকৈ তাই অচল, স্থবিৰ।

মনবৰৰ ঘৰত প্ৰৱেশ কৰোতে প্ৰায় মাজনিশাই হ'ল। দুৱাৰমুখতে ওৰণি খহাই শাহুৱেকে কৈ উঠিল — মোৰ ল'ৰাক ফচাইহে এৰিলি। ময়ো চাম দে কি ভাল দিন যায় তোৰ। অনুচ্ছ সুৰত ক'লেও ডাঙৰ জীয়েক মাধুৰিমাই ঠিকেই শুনিলে কথাষাৰ। মায়ে যে কি কথাবোৰ কৈ থাক'। ব'লা নবৌ, ভিতৰলৈ ব'লা। অনুসন্ধিৎসু মন লৈ গোটখোৰা কেইঘৰমান চুবুৰীয়াৰ গুণগুণনিৰ মাজেৰে এটা কোঠা পালেগৈ মণিমালা। মাধুৰিমাই বিছনাতে বহোৱাই দিলে তাইক, তেতিয়াও জোৰেৰে ধৰি আছিল তাই মাধুৰিমাৰ হাতখন। — মাধুৰিমাই মৰমেৰে সুধিলে— পানী খাবা নেকি নবৌ। — সন্ধিয়াৰ পৰা ৰাতি ১১ বজালৈকে চিন্তাজগতত বন্ধ হৈ থকা তলাটো যেন ডাঙৰ ননদ মাধুৰিমাই খুলি দিলে। তাইয়ো কৈ উঠিল — অঁ খাম। — এয়া ৬ ঘণ্টাৰ মূৰত প্ৰথম মাত ওলাল মণিমালাৰ। অকণমান সহজ হ'বলৈ চেষ্টা কৰিলে মণিমালাই। সেই মুহূৰ্তৰ পৰাই যেন লাহে-লাহে বাস্তৱ সত্যক স্বীকাৰ কৰি ল'বলৈ সাহস গোটালে তাই। মাধুৰিমাৰ মৰমৰ আদৰ, সহায়-সহযোগত বৈবাহিক জীৱনৰ অচিনাকি বাট চিনাকি কৰাৰ ধৈৰ্যৰে বাট বুলিলে তাই।

— কি ফুচফুচীয়া মেল পাতি আছ' দুয়োজনীয়ে। মাৰৰ বদনাম গাই আছ' হ'বলা। যা পাকঘৰত সোমাগৈ। আইনিয়ে ভাত খাব খুজিছে। চাহাবৰ লগত বিয়া হোৱা পাইছ' নেকি? বহি বহি খাবলৈ। শাহুয়েকৰ তাচ্ছিল্যভৰা কথাত লৰালৰিকৈ চাদৰৰ আঁচলটো কঁকালত খুচি মণিমালাই খৰধৰকৈ পাকঘৰলৈ বুলি খোজ ল'লে। মাধুৰিমাই মাকক অনবৰতে কিয় বকি থাক'। দিনটো কামেই কৰি থাকে দেখুন। দুপৰীয়া ভাতসাঁজ খাই উঠা কেইপৰ হৈছেনো। পাগলী জীয়েৰৰ কাৰণে আকৌ পাকঘৰলৈ ঠেলিবলৈ হ'লেই।

— তই চুপ থাক। বেছি কথা ন'কবি। গাভৰু ছোৱালী হৈ মুখখন ইমানকৈ বজাই থাক' কেলেই। হেৰ' তহঁতৰ আওভাও সোপাকে চাই থাকোঁ মই। নিজৰ ভনীয়েকজনীক পাগলী বুলিব আ.হিছ'। তহঁতবোৰেই চব পাগলী। — বকি বকি মাকে আগফাললৈ বুলি খোজ পেলালে। আইনি, আইনি!

নবৰ আৰু যোগেশ্বৰ— দুটা ল'ৰা আৰু তিনিজনী ছোৱালীৰে এটা বৃহৎ পৰিয়াল। সৰুজনী ছোৱালী আইনি তুলানি হোৱাৰ পিছৰপৰা কিবা ধৰণেৰে অস্বাভাৱিক হৈ পৰিল। ককায়েকে লগৰ ল'ৰাৰ লগত মদৰ আড্ডা বহাওঁতে ঘৰৰ পৰিৱেশ বেয়ালৈ গতি কৰিলে, তালৈ কোনেও ধ্যানেই নিদিলে। বহুতৰ সন্দেহ আইনি হয়তো কাৰোবাৰ কামনাৰ বলি হ'ল। — যাৰফলত বুজা-নুবুজাৰ সন্ধিক্ষণত তাই আচহুৱা আচৰণেৰে পাগলীস্বৰূপ হৈ পৰিল। মাকে কয়, কোনোবাই যাদু কৰিলে, ভূত-বীৰা মেলিলে। সেই অন্ধবিশ্বাসৰ মাজত সোমাই তেওঁ জীয়েক আইনিৰ প্ৰতি হৈ পৰিল অধিক কাতৰ। ডাক্তৰী চিকিৎসাৰ বিৰুদ্ধে গৈ বেজ-বেজালী কৰি ভাল কৰিবলৈ চেষ্টা কৰা হয় আইনিক। তাৰ মাজতে কেতিয়াবা তাই গাৰ কাপোৰ-কানি খুলি দৌৰ মাৰে, কেতিয়াবা ঘৰৰ ভিতৰতে গাত পানী ঢালি লয়, কেতিয়াবা ৩-৪ জন মানুহৰ জোখৰ ভাত তাই অকলেই খায়, মানুহৰ গালৈ হাতত যি পায় তাকে দলিয়াই পঠিয়াই। পৰিয়ালৰ আন লোকসকলৰ দৰে মণিমালাইও আইনিৰ অত্যাচাৰবোৰ সহ্য কৰাৰেহে অভ্যাস কৰিছে। কাৰণ ইচ্ছা থাকিলেও শাহুয়েকক আইনিৰ ডাক্তৰী চিকিৎসাৰ বাবে পতিয়ন নিয়াব নোৱাৰে।

মনবৰে অৱশ্যে মণিমালাক দায়িত্বৰ ডোলেৰে বান্ধি ৰাখিছে পৰোক্ষভাৱে হ'লেও। অভাৱ-অভিযোগ, ভাললগা-বেয়ালগাৰ খবৰ কোনোদিন পিছে নলয় বা তাইয়ো নিদিয়ে। তাই যেন মনবৰৰ অঘোষিত ৰাণীহে। কিন্তু ৰাণীৰ হৃদয়ৰ খবৰ ৰজাৰ একেবাৰে জ্ঞাত নহয়। তাই মনবৰৰ তাই.ৰ প্ৰতি কেনেধৰণৰ কি প্ৰেম-ভালপোৱা সেয়া বুজবলৈ কেতিয়াও চেষ্টা কৰা নাই। তাইৰ বাবে সকলো সহজ আৰু স্বাভাৱিক হৈ পৰিছে। মনবৰ, শাহুয়েক, আইনিৰ লগতে ঘৰৰ অন্যান্য সদস্যসকলো তাইৰ বাবে অভ্যাসত পৰিণত হৈছে।

সময় বাগৰিল। উচ্চ শিক্ষিতা মণিমালাৰ এদিন ঘৰৰ পৰা কিছু নিলগৰ এম.ই. স্কুল এখনৰ শিক্ষয়িত্ৰীৰ চাকৰি হ'ল।

কোলালৈ আহিল অধিৰাজ। লাহ-লাহে ঘৰখনৰ আগৰ পৰিৱেশ-পৰিস্থিতি কিছু সাল-সলনি ঘটিল। নাতিয়েক অধিৰাজৰ কলকলনিত আইতাকৰ মন-প্ৰাণ ভৰি উঠা হ'ল। এতিয়া আইনিৰ অলাগতিয়াল দাবীবোৰ মানি থকাতকৈ অধিৰাজৰ লগত ওমলি থাকিবলৈ ভালপোৱা হ'ল। ইফালে মনবৰৰ চাল-চলনৰ কিছু পৰিৱৰ্তন আহিল, মাজৰাতি বিছনাৰ পৰা নোহোৱা হয় মনবৰ। দুদিনমান মণিমালাৰ কেনেবা কেনেবা লাগিছিল। পিছে কথাযাৰ জানিবলৈ, সুধিবলৈ কিবা এক সংকোচে আৱৰি ধৰে। তাতে ৰাতিখন কণমাণি অধিৰাজক এৰি মনবৰ কলৈনো যায় সেয়া চাবলৈ অনিহা হয় তাইৰ। তথাপিও এদিন সাহস কৰি সুধিলে, কিন্তু মনবৰৰ চিধা উত্তৰ — নতুন ব্যৱসায়টো পাৰ্টনাৰচিপত কৰিছো দেখিছাই দেখুন। গতিকে সময় বেছিকৈ দিবলগীয়া হয়। হ'লেও আপুনি মাজৰাতিখন!! মণিমালাৰ কথা আধাতে কাটি সি কৈ উঠে ব্যৱসায়ৰ লগত মাজৰাতি পিছৰাতি কি আছে। কিছুমান আলোচনা ৰাতি কৰিবলৈহে ভাল হয়। সহজভাৱে দিয়া উত্তৰটোত পাকলগা একো বিচাৰি নাপালে মণিমালাই। আচলতে বিচাৰিবলৈ ইচ্ছা নগ'ল। তাইৰ মাতযাৰ আজিৰ পৰা তিনি বছৰৰ আগতেই বন্ধকত থোৱাৰ দৰেই হ'ল। কোনোদিন মোকোলাব নোৱাৰা বন্ধকত।

ধাম, ধাম, দুৱাৰখন কোনোবাই জোৰেৰে ঢকিয়ালে, লগতে চিঞৰিলে আইতা, নবৌ, নবৌ। চকামকাকৈ সাৰ পাই একেজাপে বিছনাৰ পৰা নামিল মণিমালা। অধিৰাজে ওঁ ওঁ কৈ খচমচালে। তাই তাৰ মূৰটো লাহে লাহে মোহাৰি দিলে, বুকুত মৃদুকৈ থপথপালে, সি পুনৰ টোপনি গ'ল। বাহিৰলৈ চাই দেখিলে, ৰাতি পুৱালেই দেখুন। মনবৰ এতিয়ালৈকে আহি পোৱা নাই। অজান আশাংকাত বুকুখন তাইৰ চিৰিংকৈ গ'ল। কোনোবাই আগৰফালৰ দুৱাৰখন খোলাৰ শব্দ। তাই একো তৎ ধৰিব নোৱাৰাকৈ পোনচাতেই আগফালৰ খোজ পেলালে। শাহুয়েকৰ ৰাউচিজোৱা কান্দোন। সেই কান্দোনে ঘৰৰ মুধতে থকা ঘৰচিৰিকাকেইটাকো হয়তা ভয়তে আতুৰ কৰি তুলিলে — কি হ'ল মা, কি হ'ল? উধাতু খাই প্ৰায় দৌৰিয়েই গ'ল মণিমালা। মনে অ', অ' মনে — পুতেকৰ নাম কাঢ়ি কাঢ়ি শাহুয়েকে পদূলিৰ ফালে মাথোঁ দৌৰিছে। দিগবিদিগ হেৰুৱাই তাইয়ো পিছে পিছে যাব খোজোতেই অধিৰাজৰ কান্দোন কাণত পৰিল। উভতি খোজ লওঁতেই দেখিলে মাধুৰিমাই অধিৰাজক কোলাত লৈ আহিছে। দুয়োহাত মেলি অধিৰাজ মাকৰ কোলালৈ আহিল। নবৌ, কি হৈছেনো? মাধুৰিমাৰ কথাৰ উত্তৰ নিদিয়াকৈ মণিমালাই কৈ উঠিল। ব'লাচোন মাহঁতৰ পিছে-পিছে যাওঁ। সকলো মাথোঁ দৌৰিছে ৩০০ মিটাৰমান আঁতৰত থকা কুলি গাঁওখনলৈ। এটা বিশেষ ঘৰত জুম বান্ধি অজস্ৰ মানুহ। ভিৰ ঠেলি মণিমালা ঘৰটোৰ বাৰান্দা পালেগৈ। ই কি!! মনবৰ বাৰান্দাতে পৰি আছে। তেজেৰে লুতুৰি-পুতুৰি, মূৰটো থেতেলা খাই পৰি আছে। হাফপেণ্ট গেঞ্জী পৰিহিত মনবৰৰ সৰ্বশৰীৰত দাৰে ঘপিওৱাৰ চিন। কেঁচা তেজ এতিয়াও বৈ আছে। হঠাৎ সকলো অন্ধকাৰ হৈ পৰিল, মণিমালাই একোকে নেদেখা হৈ পৰিল, কাণেৰে একো নুশুনা হৈ পৰিল। তাই শৰীৰটো যেন তাৰি নহয়। তাই কোন, ক'ত আছে, হাত-ভৰিবোৰ কলৈ গ'ল। মা, মা, ফুটা-নুফুটা মাতেৰে অধিৰাজে মা-মা- কৈ চিঞৰি কান্দি উঠিল। হঠাত তাই অচেতন জগতৰ পৰা চেতন জগতলৈ ঘূৰি আহিল। জোৰেৰে বুকুত চেপি ধৰিলে অধিৰাজক। ভিৰ ঠেলি তাই কেৱল দৌৰিছে — অধিৰাজৰ কান্দোন বাঢ়ি গৈছে। তাইৰ উশাহ ঘন হৈ পৰিছে। এঠাইত ফোঁপাই-ফোঁপাই ধুমকৈ বহি পৰিল তাই। অধিৰাজক তেতিয়াও জোৰেৰে ধৰি আছে। নবৌ, নবৌ — মাধুৰিমাই জোৰেৰে চিঞৰিলে। মনবৰ কাই আৰু নাই নবৌ। তুমি এবাৰ কান্দা নবৌ। কান্দি দিয়া, তুমি বিধৱা হ'লা। নিথৰ, জঠৰ হৈ পৰা মণিমালাক মাধুৰিমাই কান্দি কান্দি কৈ উঠিল। চাৰিওফালে মানুহ। সকলোৰে যেন তাইক কান্দিবলৈ অনুৰোধ জনাইছে। কোনোবাই আহি ৰঙা বেলিটোৰ দৰেই উজ্বল তাইৰ কপালৰ ফোঁট, শিৰৰ সেন্দুৰখিনিও মচি পেলালে। তাৰমাজতে শাহুয়েকৰ হুটা মাতযাৰ কাণত লাগিল — কুলক্ষণী, তয়েই মোৰ ল'ৰাৰ মূৰ খালি। মোৰ ঘৰখন ধ্বংস কৰিবলৈকে আহিছিলি তই। কি কুক্ষণত তই মোৰ ঘৰ গচকিলি অ'। কণা বিধাতাই তোকহে মোৰ ঘৰলৈ —মাকৰ সমানে মাধুৰিমাৰ কান্দোনমিশ্ৰিত কণ্ঠস্বৰ — তই মনে মনে থাক অ'া। কিমান আৰু নবৌকে দোষ দি দি বকি নাথাক'। নবৌৰ কি দোষ! তই যেনেকৈ নিজৰ ল'ৰা হেৰুৱাইছ', নবৌয়ে নিজৰ মানুহজনক হেৰুৱাইছে। আমি মনবৰকাইক হেৰুৱাইছোঁ। মণিমালাৰ কাণ দুখন গধুৰ হৈ পৰিল, মূৰটো আচন্দ্ৰাই কৰি উঠিল, চকুৰ পতা গধুৰ হৈ পৰিল। সকলো নিমিষতে অন্ধকাৰত ডুব গ'ল।

তাৰপিছৰপৰাই শাহুয়েকে বাচি দিয়া বগা সাজযোৰ পিন্ধি তাই ঘৰে-পৰে পৰিচিত হৈ পৰিল বিধৱা মণিমালা নামেৰে। তাইৰ ৰঙীণ কাপোৰযোৰ শাহুয়েকে জ্বলাই দিলে। আগতে মনবৰ কৰবালৈ গ'লেই তাইলৈ ৰঙীন কাপোৰবোৰ কিনি আনিছিল। কিন্তু সি তাইক সেই সাজবোৰত কেতিয়াও দেখাই নাছিল। তাই ৰঙীন সাজযোৰ পিন্ধি সাজি-কাচি কৰবালৈ ওলাই যাওঁতে

তাৰ চাবলৈ সময় নাছিল নে ইচ্ছা নাছিল, তাই নাজানে। গতিকে শাহুয়ে জ্বলাই দিয়া কাপোৰখিনিক লৈ কোনো অনুকম্পাও জাগা নাছিল। শিৰত ডাঠকৈ সেন্দুৰ লৈ ভালপোৱা মণিমালাই চুলিৰ ভাঁজত লাগি থকা সেন্দুৰ বহুদিনলৈকে টানকৈ মোহাৰিও নোহোৱা কৰিব পৰা নাছিল। সেয়ে শাহুৰ কটুকথাৰ বিপৰীতে তাই সেওতাৰ স্থানকে সলনি কৰি পেলাইছিল। ওলাওতে-সোমাওতে শাহুয়েকৰ বাবে তাই হৈ পৰিছিল কেৱল কুলক্ষনী, গিৰিয়েকৰ মূৰ চোবোৱা তিৰোতা।

মনবৰক যিজন শ্ৰমিকে দাৰে ঘপিয়াই হত্যা কৰিছিল সি বাৰে বাৰে স্বীকাৰোক্তি দিছিল মালিকে মোক কামৰ পৰা উলিয়াই দিয়াৰ বাবেই মালিকক কাটিলো। যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছিল বিৰছা নামৰ শ্ৰমিকজনক। কিন্তু মানুহৰ মুখে-মুখে অন্য কথা কিছুমানহে ওলাইছিল। মনবৰ চৰিত্ৰহীন আছিল। বিৰছাৰ ভনীয়েকৰ লগত অবৈধ সম্পৰ্ক আছিল, তাইৰ গৰ্ভপাতো হৈছিল। সেয়ে বিৰছাই মদৰ ৰাগিত মনবৰক কাটিলে। কোনোৱে কয় ব্যৱসায়ৰ পাৰ্টনাৰছিপত থকা যোগেনৰ লগত মনবৰৰ হিচাপ নিকাচক লৈ মনোমালিন্য ঘটিছিল। যোগেনে ৰাতি-ৰাতি বস্তু বিক্ৰী কৰিছিল গোদামৰ পৰা। মনবৰে নিশা মনে মনে আহি তাক ধৰা পেলোৱাৰ বাবেই বিৰছাক টকা-মদেৰে হাত কৰি মনবৰক কটোৱালে। কোনোৱে কয় মানবৰে বিৰছাক চুৰিকাৰ্যত ধকা পেলাই কামৰ পৰা উলিয়াই দিয়াৰ বাবেই সি প্ৰতিশোধ ল'লে। মণিমালাই কোনো এটা কথালৈ গভীৰভাৱে কাণযাৰ নকৰিলে। কাৰণ তাই নিজে জীয়াই থকাৰ বাবে জীৱনৰ নতুন সংগ্ৰাম, নতুন অধ্যায় এটাৰ আৰম্ভণি ঘটিল। মনবৰৰ বিধৱা পত্নীতকৈয়ো উৰ্দ্ধত অধিৰাজৰ মাতৃ হিচাপে, ঘৰখনৰ দায়িত্বশীল অংশ হিচাপে। ঘৰখনৰ সমস্ত দায়িত্ব মূৰ পাতি লৈ মণিমালাই প্ৰথমে দেওৰেকৰ বাবে চাকৰি এটাৰ যোগাৰ কৰিলে, তাৌলৈ কইনাও আনি দি নতুন সংসাৰ আৰম্ভ কৰোৱালে। আইনিৰ বাদে আটাইকেইজনীকে উপযুক্ত পাত্ৰলৈ বিয়াও দিলে। শাহুয়েকৰ প্ৰতিটো কটু কথাৰ উত্তৰো দিয়া আৰম্ভ কৰিলে। স্কুললৈ প্ৰথমে স্কুটি চলাই যোৱা মণিমালাই ঘৰৰ বাবে ঋণ লৈ গাড়ী এখনো কিনিলে। অধিৰাজো লাহ-লাহে ডাঙৰ হৈ আহিল। সকলোৰে বাবে মাথো দায়িত্ব পালন কৰি গ'ল তাই। কিন্তু এই কঠিন বাটছোৱাত তাইৰ বুকুৰ শূণ্যতাখিনি পূৰাবলৈ, হুমুনিয়াহখিনি আঁতৰাবলৈ কোনেও এবাৰো নাভাৱিলে। অলকশৰে জীৱন যুঁজখন চলাই যোৱাৰ বাটত কোনো দুৰ্বল মুহূৰ্তত বিচলিত হৈ পৰা মণিমালাজনীক সান্তনা দিলে তাই নিজেই, জীপাল কৰি ৰাখিব খুজিলে তাই নিজক। জীৱনৰ নতুন লগৰী হ'বলৈ তাইৰ ফালে আগবঢ়োৱা হাতযোৰক তাই প্ৰত্যাখ্যান কৰিলে বিনাদ্বিধাই। কিন্তু তাৰ মাজতো পুলকেশক ভাল লগাৰ কথাটো তাই অস্বীকাৰ কৰিব নোৱাৰে। মনবৰে এৰি থৈ যোৱা টকা-পইচা, ধন-সম্পত্তি, তাইৰ চাকৰিৰ প্ৰতি মোহ নৰখা একমাত্ৰ ব্যক্তিজনেই আছিল পুলকেশ। বহুবাৰ কৈছিল পুলকেশে — মণিমালা, তুমি ঘৰখনৰ সকলো দায়িত্বভাৰ গ্ৰহণ কৰিছা, খুব ভাল কথা। কিন্তু তোমাৰ ব্যক্তিগত বুলিও জীৱন এটা নাই জানো? সেই জীৱনটোক কিয় বন্ধ বাকচত ভৰাই ৰাখিব খুজিছা? তুমিও এবাৰ মনৰ ইচ্ছাৰে, হেঁপাহেৰে উশাহ লোৱাচোন। তুমি মাত্ৰ জীয়াইহে আছা, নিজকে সুধিবাচোন কেনেদৰে জীয়াই আছা।

দুচকুৰে লোটক বাগৰি আহে মণিমালাৰ। ব্যক্তি হিচাপে দুৰ্বলতা প্ৰকাশ পায় কেৱল অলকেশৰ কাষত। উচ্চাকাংক্ষী পত্নীয়ে বিয়াৰ ছমাহতে বিবাহ-বিচ্ছেদ কৰি প্ৰৱাসী অসমীয়া এজনলৈ বিয়া হৈ যোৱাৰ পিছৰপৰা পুলকেশো তেনেই অকলশৰীয়া। কাৰোবাক অজানিতে অসুখী কৰি পেলোৱাৰ শঙ্কাতে মনৰ জপনা বন্ধ ৰাখিছিল বহুদিন ধৰি। কিন্তু মণিমালাৰ ব্যতিক্ৰমী চাৰিত্ৰিক বৈশিষ্ট্যই তাক মনোমুগ্ধ কৰিলে, নাৰীৰ মাজৰ এনে এক ৰূপত সি বহু কিবাকিবিয়েই বিচাৰি পালে। জীৱনত কেৱল ত্যাগ আৰু সহ্য কৰিবলৈ শিকা মণিমালাক বৰকৈ আপোন-আপোন লাগে তাৰ। কিন্তু মণিমালাই নিজৰ কথা ভাৱিলে স্বাৰ্থপৰ হৈ যোৱাৰ ভয়ত অলকেশক হাড়ে-হিমজুৰে বুজি উঠাৰ পিছতো আগবাঢ়ি যোৱাৰ সাহস নকৰিলে। হয়তু অধিৰাজেই হৈ পৰিল ইয়াৰ মুখ্য কাৰণ। বাইক ষ্টাণ্ট কৰি মানুহ খুন্দিয়াই ফুৰা, মদ-চিগাৰেটৰ নিচাগস্ততাত সোমাই পৰা অধিৰাজৰ দৃষ্টিত মাকৰ ত্যাগবোৰ যেন মূল্যহীন। ল'ৰাটো বিপথে গুছি গ'ল। মাকৰ ত্যাগ, আবেগ, মৰমে তাক সৎ মানুহ কৰি ৰাখিব নোৱাৰিলে। বহু চেষ্টা কৰিলে তাই ল'ৰাটোক ভাল পথেৰে আনিবলৈ। মৰমেৰে, খঙেৰে, কান্দোনেৰে, ডাক্তৰী চিকিৎসাৰে, মানসিক ৰোগ চিকিৎসকৰ পৰামৰ্শদানেৰে — কোনটো উপায়নো গ্ৰহণ কৰা নাছিল মণিমালাই। দুদিন ভালে থাকি সপ্তাহৰ পাঁচোটা দিনেই অধিৰাজ হৈ পৰে নিজৰ ইচ্ছাৰ মালিক। সেই টনা-আজোৰাৰ মাজতেই ঘটিল ঘটনাটো। অলকেশৰ নতুন স্মাৰ্ট ফোনত যি দৃশ্য দেখিলে মণিমালাই — এনে লাগিল যেন তাই জীৱনত প্ৰথমবাৰৰ বাবে হাৰ মানিলে অতি বেয়াকৈ। দুদিনৰ ভিতৰতে ৰাস্তাই-ঘাটে তাইক দেখি মানুহে ফিচিঙা-ফিচিঙি কৰিব ধৰিলে। কিন্তু তাই ঠিকেই বুজি পালে মানুহৰ মোবাইলে মোবাইলে বিয়পি

পৰা তাইৰ স্নানৰত উলংগ দেহৰ এম.এম.এচ. টোৰ উৎপত্তিস্থল ক'ত আৰু ইয়াৰ অন্তৰালত পৰিচালকজন কোন? তাই তৎক্ষণাত সিদ্ধান্ত গ্ৰহণ কৰিলে।

স্থানীয় আৰক্ষী থানাত এজাহাৰ দাখিল কৰিলে। আজি লগত অলকেশো নাই। এইখন তাইৰ সম্পূৰ্ণ নিজা যুঁজ। গতিকে সকলো সিদ্ধান্ত হ'ব কেৱল তাইৰ নিজৰ। যেন আগতকৈয়ো দহগুণ সাহসী হৈ উঠিছে তাই। তাই পৰিবইতো লাগিব মাতৃৰ মমতাৰ আঁৰৰ কঠোৰ মাকজনী হৈ উঠিব, সেই ৰূপত তাই আহিবই লাগিব। অৱশেষত পুলিছে অধিৰাজক হাতকেৰেয়া লগালে মাকৰ সন্মুখতে। পুলিচে জীপত আগৰপৰাই বহাই ৰখা তাৰ বাকী লগৰকেইটাৰ লগত হেঁচা থেলাকৈ অধিৰাজকো বহোৱালে। সি কান্দি কান্দি মাত্ৰ চিঞৰি হ'ল — মা, তুমি মোক কেতিয়াও ক্ষমা নকৰিবা। মই তোমাৰ পুত্ৰ হোৱাৰ যোগ্য নহয়।

চাওঁতে চাওঁতে ৰাতিয়েই পুৱাল। ৰাতিৰ এন্ধাৰ আঁতৰি লাহে-লাহে ধৰালৈ কোমল পোহৰ এচাটি নামি আহিছে। নিচাগ্ৰস্থ পুত্ৰ, অধঃপতনে যোৱা পুত্ৰৰ কোনো কৈফিয়তেই তাই মানি নলয় এই ঘটনাৰ বাবে। অনুশোচনাৰ জুইত দগ্ধ পুত্ৰৰ স্নেহত আকুল নহয় এতিয়া তাই। ন্যায় বিচাৰৰ দুৱাৰডলিত এতিয়া ক্ষমাহীন ৰূপত — যন্ত্ৰণাৰ দেশত এতিয়া স্থিতপ্ৰজ্ঞা তাই। তেনেতে ভিতৰৰ পৰা মাধুৰিমাৰ প্ৰাৰ্থনা ভাঁহি আহিল —

"ময়ো দুৰাচাৰ কেৱল তোমাৰ
অপৰাধী নাৰায়ণ।।
ক্ষমিয়ো মোক হৰি লৈয়ো দাস কৰি
পখিলো তযু চৰণ।।"

# এনেকৈয়ে ছিঙেনে বান্ধোন

**জুৰিমণি ৰাজখোৱা গগৈ**

"মোৰ বাবে তুমি আজুৰি নিছিঙিবা
তোমাৰ পদূলিৰ ৰজনীগন্ধা
এতিয়াতো তোমাৰ নহয়..."

শৰতৰ স্নিগ্ধ আকাশখনলৈ চাই বাৰান্দাতে বহি ৰ'ল শ্ৰুতিমালা। আকাশৰ জোনটোক যিদৰে এজাক তৰাই আৱৰি ৰাখিছে, ঠিক তেনেদৰে এদিন আৱৰি ৰাখিছিল তাইৰ মানুহজন আৰু শহুৰ-শাহুৱে। আজি তাই অকলশৰীয়া। নিজৰ বুলিবলৈ স্নেহাৰ বাহিৰে কোনো নাই তাইৰ কাষত। বৰ অকলশৰীয়া অনুভৱ কৰে তাই এই সন্ধিয়া সময়খিনিত। স্নেহাই পঢ়া টেবুলত বহি স্কুলৰ হোমৱৰ্কবিলাক কৰি থাকে আৰু তাই বাৰান্দাতে বহি আকাশলৈ চাই বিভোৰ হৈ পৰে নিজৰ মাজত। ভুমুকি মাৰি চায় তাই নিজৰ জীৱনৰ পোৱা-নোপোৱাৰ হিচাপৰ পৃথিৱীখনত।

শ্ৰুতিমালাৰ সংসাৰখনৰ সকলোবিলাক ঠিকেই আছিল শ্ৰুতিমালাৰ মানুহজন মাক-দেউতাকৰ একমাত্ৰ সন্তান আছিল। তাই আছিল ঘৰখনৰ ডাঙৰ ছোৱালী। দেউতাক তাই মেট্ৰিক দিওঁতেই ঢুকাল। তাইৰ পাছত দুজনী ভনীয়েক। বি.এ পাছ কৰাৰ পাছত এম.এ পঢ়াৰ ইচ্ছা আছিল যদিও ভনীয়েক দুজনীৰ কথা ভাবি তাই মত দিছিল বিয়াত বহিবলৈ। বিয়াৰ পাছৰ দিনবিলাক ভালদৰে পাৰ হৈছিল। তাই গমেই নাপালে কেনেকৈ পাৰ হৈ গ'ল এটা মাহ। বিয়াৰ কাৰণে এমাহ ছুটি লৈছিল সৌৰভে আৰু ছুটি শেষ হোৱাত শ্ৰুতিমালাকো লগত লৈ যাব বিচাৰিছিল কৰ্মস্থলীলৈ। তাইহে শহুৰেক-শাহুৱেকক অকলে এৰি যাবলৈ মন নকৰিলে। কিমান আশাৰে তাইক বোৱাৰী কৰি আনিছে এইহাল মানুহে। সৌৰভ অকলে যাব ওলাল তাৰ কৰ্মস্থলী নামৰূপলৈ। সি নামৰূপৰ বাগান এখনত এচিচটেণ্ট মেনেজাৰ হিচাপে কৰ্মৰত। বন্ধ পালেই ঘৰলৈ আহি থাকিব বুলি কৈ থৈ গ'ল শ্ৰুতিক।

শ্ৰুতিমালা মাক আৰু সৌৰভ যে দেউতাক হ'ব ওলাইছে খবৰটো শ্ৰুতিয়ে সৌৰভক ফোনত লাজ লাজকৈ জনোৱাৰ পিছদিনাই ঘৰ ওলাইছিলহি সি। ইয়াত সকলো কাম নিজেই কৰিলে কষ্ট পাব বুলি সৌৰভে তাইক চকুৰ আগত ৰাখি যত্ন ল'ব লাগিব বুলি বাগানলৈ লৈ গ'ল। কথাটো শ্ৰুতিমালাইও বেয়া নাপালে। এনেকুৱা সময়ত নিজৰ মানুহজন কাষত থাকিলে ভাল। বাগানৰ হস্পিটেলতে তাইৰ আৰু সৌৰভৰ যুগ্মজীৱনৰ সাক্ষী স্বৰূপ স্নেহাৰ জন্ম হৈছিল। লাহে লাহে স্নেহা ডাঙৰ হৈছিল বাগানৰ বাংলোতে। স্নেহাক যত্ন লোৱাৰ বিশেষ কাম নাথাকেই শ্ৰুতিমালাৰ। স্নেহাক গা-ধুওৱা, কাপোৰ ধোৱা এই সকলোবিলাক কৰিবলৈ মানুহ ৰাখিছে সৌৰভে। শ্ৰুতিমালাৰ কৰিবলগা একো নাথাকেই। সৌৰভ অফিচলৈ ওলাই যোৱাৰ পিছৰ সময়খিনিহে বৰ আমনি লাগে তাইৰ। হ'ল বুলিয়েইনো আৰু টি.ভিটোকে কিমান চাই থাকিব। থাকোতে কাম কৰা মানুহ বহুত আছে সিহঁতৰ বাংলোটোত। কিন্তু তাই কথা পাতিব নোৱাৰে সিহঁতৰ লগত। বেয়া পায় সৌৰভে। আমনি লাগে শ্ৰুতিমালাৰ এনেদৰে অলসভাৱে কটাবলৈ। সৰুৰে পৰা জাকৰুৱা মানুহৰ মাজত থাকি ডাঙৰ হোৱা ছোৱালী। ক'ৰবাত কিবা এটা কৰি এই আলসতাৰ পৰা মুক্তি পোৱাৰ চিন্তাও আহে শ্ৰুতিমালাৰ। বিয়াৰ পিছতে টেট পৰীক্ষা দি পাছো কৰি থৈছে তাই। স্নেহা গাত থকাৰ কাৰণে চাকৰি বিচৰা নহ'ল। এই আমনি লগা কথাতো তাই প্ৰায়ে কয় সৌৰভক। শ্ৰুতিমালাৰ ইচ্ছা অনুসৰিয়েই আৰু মাক-দেউতাকৰ কথা ভাবি অৱশেষত এদিন ঘৰত থৈ গৈছিলহি তাইক আৰু কণমাণি স্নেহাক। তাই বুজাইছিল সৌৰভক — বৃদ্ধ বয়সত অকলেৰ মাক-দেউতাকহালক এৰি থকাতো অনুচিত হৈছে। এইটো বয়সত বোৱাৰীগৰাকী তেওঁলোকৰ কাষত থকাটো দৰকাৰী আৰু স্নেহাও ককাক-আইতাকৰ মৰমৰ মাজত ডাঙৰ হ'ব। সময় পালে সৌৰভ আহি থাকিব ঘৰলৈ।

হয়তো সেয়াই ভুল হ'ল তাইৰ। যিহাল মানুহক সংগ দিবলৈকৈ নিজৰ মানুহজনৰ পৰা গুচি আহিছিল শ্ৰুতিমালা, সেইহাল মানুহেই বিশেষকৈ শাহুৱেনকে কথা শুনাই থাকে। বয়সত জ্যেষ্ঠ, তাতে নিজৰ মানুহজনৰ মাক বুলিয়েই মাত এযাৰ নমতাকৈ সকলোবিলাক সহি গৈছিল শ্ৰুতিমালাই।

চাওঁতে চাওঁতে তিনিবছৰেই হ'লহি স্নেহাৰ। ঘৰৰ পৰা অলপ আঁতৰত নাৰ্চাৰী স্কুল এখনতে শ্ৰুতিমালাই স্নেহাক এচমিচন দিয়াই দিলে স্কুললৈ যোৱাৰ অভ্যাস এটা হওক বুলিয়েই। তাইক স্কুলত থৈ ঘৰলৈ আহি দুই এটা কাম কৰি আজৰি হয় শ্ৰুতিমালা। ইয়াৰ পিছৰ সময়খিনিহে বৰ আমনিদায়ক হৈ পৰে শ্ৰুতিমালাৰ বাবে। শহুৰেক-শাহুৰেক তাইৰ লগত আজিকালি, বেছি কথা নপতাই হ'ল। এনেদৰে থকাতকৈ স্কুলৰ চাকৰিৰ কাৰণে চেষ্টা কৰাতোকে ঠিক কৰিলে তাই। এনেয়ে তাই টেট পাছ কৰি থৈছে যেতিয়া পাব চাকৰি। সমাজ এখনলৈ ওলাই গ'লে মনটোও ভাল লাগিব। সৌৰভক কৈছিল তাই চাকৰি কৰাৰ কথা আৰু সৌৰভৰ সন্মতিক্ৰমেই সিহঁতৰ ঘৰৰ পৰা যথেষ্ট দূৰলৈ ভিতৰুৱা অঞ্চল এটাৰ স্কুল এখনত শিক্ষয়িত্ৰী ৰূপে যোগদান কৰিছিল শ্ৰুতিমালাই। প্ৰথম অৱস্থাত স্কুললৈ অহা-যোৱা কৰাত বহুত কষ্ট হৈছিল তাইৰ — এচোৱা পথ বাচত, তাৰ পিছত আকৌ অ'টত। বাচয় ষ্টেণ্ডৰ পৰা অ'ট ষ্টেণ্ডলৈ খোজ কাঢ়ি যোৱা পথচোৱাত তাই প্ৰায়ে লগ পায় ল'ৰা এটাক। বাইক চলাই পাৰ হৈ যায়। সদায় দেখি দেখি একপ্ৰকাৰ চিনাকীয়েই হৈ পৰিছিল ল'ৰাটো। প্ৰথমতে সৌজন্যসূচকভাৱে মূৰ দুপিয়াই সম্ভাষণ, তাৰ পাছত কথা-বতৰা। ৰূপম ল'ৰাটোৰ নাম। তাইৰ দৰে সিও এখন স্কুলৰ শিক্ষক। শ্ৰুতিমালাই শিক্ষকতা কৰা স্কুলখন পাৰ হৈ পোৱা স্কুলখনতে চাকৰি তাৰ। কেতিয়াবা তাইৰ দেৰি হ'লে বা সময় মতে অ'ট নেপাই ৰৈ থাকিলে একপ্ৰকাৰ জোৰ কৰিয়েই তাৰ বাইকত উঠাই শ্ৰুতিমালাক স্কুলৰ সন্মুখত নমাই থৈ গৈছিল ৰূপমে।

ছুটিত সৌৰভ ঘৰলৈ আহিলে তাই কয় কিমান কষ্ট হয় স্কুললৈ অহা-যোৱা কৰাত। ৰূপমৰ কথাও কয় তাই সৌৰভক, সময়মতে অ'ট নাপালে তাৰ বাইকতে উঠি স্কুললৈ যোৱাৰ কথা... সকলোবিলাক কয় তাই। শ্ৰুতিমালাৰ সুবিধা হওক বুলি সৌৰভে এদিন স্কুটি এখন কিনি আনিলে তাইৰ বাবে। এতিয়াৰে পৰা সময়মতে অ'ট নাপালেও ৰূপমৰ বাইকত উঠি তাই স্কুল যাবলগা নহয়। স্কুটিখন হোৱাৰ পৰা যেন সলনি হৈ পৰিল শ্ৰুতিমালাৰ গতানুগতিক ৰুটিনখন। পুৱাই স্নেহাক ভাত খুৱাই, টিফিন বনাই স্কুলত থৈ তাৰ পাছত ঘৰলৈ আহি দৌৰা-দৌৰিকৈ নিজেও খাই লৈ স্কুটিখন লৈ স্কুললৈ ওলাই যাই তাই। স্কুলৰ পৰা আহিয়েই ভাত কেইটা খাই স্নেহাক আকৌ টিউচন নিব লগা হয়, তাৰ পিছত পুনৰ নাচৰ স্কুল। ঘৰ পাওঁতে সন্ধিয়াই হয়হি। আজিকালি যান্ত্ৰিকভাৱে কৰি যায় তাই ঘৰৰ কামবিলাক। সেইদিনাখনো গধুলি নিজৰ মাজতে বিভোৰ হৈ গতানুগতিকভাৱে কৰি গৈছিল ঘৰৰ কাম। পিছফালৰ পৰা স্নেহাই তাইৰ কোমল অকণমানি হাত দুখনেৰে সাবটি ধৰিলতহে সম্বিত ধূৰি আহিল শ্ৰুতিমালাৰ।

ঃ মা,মা। এইবাৰ কিন্তু মোৰ বাৰ্থ ডে ডাঙৰকে পাতিব লাগিব। পাতিবা নাই কোৱা?

এইবাৰ তাইৰ বাৰ্থ ডে তাই আৰু সৌৰভে ডাঙৰকৈ পাতিম বুলি কথা দিছিল স্নেহাক। স্নেহাৰ স্কুলো বন্ধ সেইদিনা। দুপৰীয়া সৌৰভে ফোন কৰি শ্ৰুতিমালাক স্নেহাৰ বাৰ্থ ডেত আহিব নোৱাৰিব বুলি ক'লে। তথাপি স্নেহাৰ বাৰ্থ ডে তাই পাতিবই লাগিব। ৰূপমকো মাতিব লাগিব। প্ৰয়োজনীয় বস্তুখিনিৰ বজাৰ তাই আগদিনাই স্কুলৰ পৰা আহোতে কৰি আনিব পাৰিব। বাৰ্থ ডেৰ কেকৰ অৰ্ডাৰটোও বাহিৰে বাহিৰে দি থৈ আহিব তাই।

পুৱাই বিচনাতে স্নেহাক চুমা এটা খাই বাৰ্থ ডে উইচ কৰি কামত লাগিল শ্ৰুতিমালা। শহুৰেক-শাহুৰেকে মাংস নেখায়। তেওঁলোকৰ কাৰণে মাছো আনিব আছে। কাম কৰা মানুহজনী আৰু তাই মিলি এফালৰ পৰা কৰি গৈছে কামবোৰ। কলিং বেল বাজি উঠাত বাহিৰলৈ ওলাই গ'ল শ্ৰুতিমালা। ৰূপম আহিছে। ড্ৰয়িং ৰুমতে তাক বহিব দি চাহ একাপ দিলে শ্ৰুতিমালাই। শহুৰেক-শাহুৰেকৰ সৈতেও চিনাকী কৰাই দিলে ৰূপমক। স্নেহাইতো ৰূপমক পাই এৰিয়ে নিদিয়া হ'ল। ৰূপমক বহিব কৈ কেক আনিব ওলাল শ্ৰুতিমালা। তাইক বজাৰলৈ ওলোৱা দেখি ৰূপমো ওলাল যাবলৈ।

ঃ কেকটো অকলে আনিবলৈ অসুবিধা হ'ব তোমাৰ। মোৰ লগতে ব'লা, ময়ো স্নেহাৰ বাবে কিবা এটা আনোঁগৈ।

ৰূপমৰ লগত তাই এনেদৰে বাইকত উঠি উলাই যোৱাতো যে তাইৰ শাহুৰেকে ভাল ভাৱত লোৱা নাছিল সেয়া তাই ঘূৰি অহাৰ পাছতহে গম পালে। ৰূপমৰ সন্মুখতে তাকে লৈ কথা শুনালে শ্ৰুতিমালাক শাহুৰেকে। ৰূপমৰ সন্মুখত এটা অনাহুত পৰিস্থিতিৰ সৃষ্টি নহওক বুলি স্নেহাৰ বাৰ্থ ডে টো সুকলমে হৈ যাওক বুলিয়েই একো নকৈ মনে মনে থাকিল শ্ৰুতিমালা। যিমানখিনি মানুহ মাতিছিল প্ৰায় সকলোৱেই আহিল বাৰ্থ ডেলৈ। স্নেহাৰ বিৰাট ফুৰ্তি, পখিলা এজনীৰ দৰে উৰি ফুৰিছে তাই।

সন্ধ্যাৰ আগে আগে প্ৰায় সকলো আলহীয়েই গৈ শেষ হ'ল ৰূপমো গ'ল। দিনটো কাম আৰু আলহী-অতিথিৰ লগত থাকোতে তাই সময়েই উলিয়াব নোৱাৰিলে সৌৰভলৈ ফোন এটা কৰিবলৈ। এতিয়া অকণমান আজৰি হৈ ফোনটো হাতত

ল'লে শ্ৰুতিমালাই সৌৰভলৈ ফোন এটা কৰোঁ বুলি। তিনিটা মিছ্ কল স্ক্ৰীনত জিলিকি আছে। সৌৰভে ফোন কৰিছিল। কল বেক কৰিলে তাই সৌৰভলৈ। বিজি, তিনিবাৰ চেষ্টা কৰিলে সৌৰভলৈ ফোন লগাবলৈ। প্ৰত্যেকবাৰেই বিজি পালে তাৰ ফোনটো। কামবিলাক সামৰি পিছত পুনৰ ফোন কৰিম বুলি ভাৰি ৰূমতে ফোনটো এৰি পাকঘৰ পালেগৈ তাই। সকলোবিলাক সামৰি-সুতৰি আজৰি হয় মানে দহটা মানেই বাজিল। স্নেহা ইতিমধ্যে শুই পৰিল। সৌৰভলৈ ফোন কৰিবলৈ ফোনটো পুনৰ হাতত ল'লে শ্ৰুতিমালাই। চাৰিটা মিছ্ কল, এটা সৌৰভৰ আৰু তিনিটা ৰূপমৰ। সৌৰভলৈ কল বেক কৰিলে তাই। দুবাৰমান ৰিং হোৱাৰ পিছত ৰিচিভ কৰিলে সৌৰভে। কিন্তু এয়া কি কৈছে সৌৰভে? ফোনটো ৰিচিভ কৰিয়েই সিমূৰৰ পৰা সৌৰভে কোৱা কথাখিনি শুনি হতবাক হৈ পৰিল শ্ৰুতিমালা।

ঃ আজি দিনটো খুব স্ফুৰ্টিৰে গ'ল ন তোমাৰ? মায়ে ফোন কৰি সকলো কৈছে মোক। আগতে স্কুললৈ যাওঁতে বাইকৰ পিছত উঠিছিলা আৰু আজি মা, দেউতাৰ আগতে ঘৰৰ পৰা গাত গা লগাই বজাৰলৈ গ'লা। ছিঃছিঃ...

সৌৰভক তাই কিবা কওঁ বুলি ভাবিও নোৱাৰিলে ক'বলৈ। জিভাখন লগতে মানুহজনীও জঠৰ হৈ পৰিল। এয়া তাৰি সৌৰভেইনে? সিটো মূৰৰ পৰা অনৰ্গল কৈ গ'ল সৌৰভে —

ঃ মই ঘৰত নাথাকিলেও তোমাৰ খবৰ মই পাই থাকোঁ। তুমি স্নেহাক নাচৰ স্কুল, টিউচনত থৈ কাৰ লগত ঘূৰি ফুৰা, কি কৰা সকলোবিলাক গম পাওঁ মই।

আৰু কিবা-কিবি কৈছিল সৌৰভে। খং আৰু দুখত কঁপি উঠা শ্ৰুতিমালাৰ হাতৰ পৰা ম'বাইলতো সৰি পৰিল মজিয়াত। কোনোমতে আহি বিচনাত বহি পৰিল তাই। যিজন মানুহে বেয়া পাব বুলিয়েই শহুৰেক-শাহুৰেকৰ ইমান কথা শুনিও তাই মুখে মুখে উত্তৰ নিদি নিমাতে আছিল, আজি সেইজন মানুহেই সন্দেহ কৰিলে। আৰু শহু-শাহু? এই বৃদ্ধ বয়সত তেওঁলোকক সংগ দিবলৈকেতো তাই বাগানৰ বাংলোৰ আৰামী জীৱন ত্যাগ কৰি ইয়াত আছিলহি। আজি সেই শাহুৰেকেই মিছা কথা লগালে তাইৰ বিৰুদ্ধে। দুচকুৰে ধাৰাসাৰে বৈ অহা চকুলো মচি মচি স্নেহাক সাৱটি ধৰি লৈ ওৰে ৰাতি উজাগৰে থাকিল শ্ৰুতিমালা।

পুৱা স্নেহাক স্কুললৈ উলিয়াই নিজও ওলাল স্কুললৈ। আনদিনা স্কুললৈ যাওঁতে শহুৰেক-শাহুৰেকক মাত এষাৰ দি ওলাই যায় শ্ৰুতিমালাই। আজি মাত দিব মন নগ'ল তাইৰ। একো খাবও মন নগ'ল। স্কুলত গৈ কোনোমতে ক্লাছ কেইটা কৰি ৰান্ধনীজনীয়ে দিয়া চাহ কাপ খাইহে অলপ আৰাম পালে তাই। টোপনি খতি, তাতে কালিৰে পৰা একো এটা পেটত পৰা নাই। চাহ কাপ খাই মুৰৰ বিষটো অলপ আৰাম পালেও মূৰতো ঘূৰোৱা যেন লাগি থাকিল শ্ৰুতিমালাৰ। ভোক, দুঃচিন্তা আৰু টোপনি খতিয়ে যেন থিৰেৰে থাকিব দিয়া নাই তাইৰ মগজুটোক। ক্লাছ শেষ কৰি স্কুটিখন লৈ তিনিআলি পালেহি। তিনিআলিৰ সন্মুখৰ দোকানখনতে ৰূপম ৰৈ আছে। তাইক দেখি হাঁহি এটা মাৰি আগবাঢ়ি আহিল সি।

ঃ কালি মোৰ ফোন ৰিচিভ নকৰিলা, কল বেকো নকৰিলা, আজি স্কুল অহাও দেখা নাপালোঁ, আহিছা নাই চাই যাবলৈ ৰৈ আছোঁ।

ৰূপমৰ কথাত শেঁতা হাঁহি এটা মাৰিলে তাই। কি বুলিনো ক'ব তাক কথাবিলাক। মূৰটোও বৰ বেছিকৈয়ে ঘূৰোৱা যেন লাগিছে।

ঃ ঠিকেই আছোঁ, ব'লা যাওঁ।

স্কুটিখন লৈ তাই আগবাঢ়িবলৈ উলাইছিলহে, স্কুটিৰ পৰা পৰি গ'ল তাই। ৰূপম আৰু দোকানীজনৰ লগতে ওচৰ-পাজৰৰ মানুহখিনি দৌৰি আহিল তাৰি কাষলৈ। শ্ৰুতিমালাক পৰাৰ পৰা উঠাই দোকানৰ বাৰান্দাতে চকী এখনত বহাই পানী অলপ খোৱাই দিলে ৰূপমে। পানী খাই কিছু প্ৰকৃতিষ্ঠ হ'ল শ্ৰুতিমালা। তাই নিজে স্কুটি চলাই যাব ওলোৱা দেখি বাধা দি উঠিল সকলোৱে। স্কুটিখন ওচৰৰ মানুহ এঘৰতে থৈ তাইক জোৰ কৰি ৰূপমৰ বাইকত উঠাই দিলে মানুহখিনিয়ে। অনিচ্ছা সত্বেও শ্ৰুতিমালা বহি পৰিল ৰূপমৰ বাইকৰ পিছত। তাই বাৰে বাৰে বাধা দিয়াৰ পাছতো ৰূপমে তাইৰ কথা নুশুনি একেবাৰে সিহঁতৰ ঘৰৰ পদূলিতে নমাই থৈ গ'ল শ্ৰুতিমালাক। দুৰ্বল খোজেৰে গেটখন খুলি সোমাই গ'ল শ্ৰুতিমালা। তাই ভালদৰে বুজিছে, আজি শাহুৰেকে পুনৰ কথা শুনাব। ৰূপমৰ লগত তাই সেই কাৰণেই আহিব খোজা নাছিল। ৰূপমক তাই কিদৰে কয় যে তাৰ লগত শ্ৰুতিমালাক সাঙুৰি এজন ভাল বন্ধু বুলিয়েই ভাৱে। কিন্তু ঘৰখনৰ মানুহখিনিয়েহে অহেতুক সন্দেহ কৰি অশান্তি কৰিছে। চোতালত শাহুৰেকে কিবা কৰি আছিল। ৰূপমে তাইক গেটৰ সন্মুখত নমাই থৈ যোৱাতো লক্ষ্য কৰি আছিল শাহুৰেকে।

গেটখন খুলি সোমাই অহা শ্ৰুতিমালালৈ কেৰাহীকৈ চাই পঠিয়ালে তেওঁ। শ্ৰুতিমালা পোনে পোনে ৰুমলৈ গৈ কাপোৰ সলাই ফ্ৰেচ হৈ বিচনাত পৰিল। কেতিয়ানো তাইৰ টোপনি আহিল গমকে নাপালে শ্ৰুতিমালাই। স্নেহাই মা মা বুলি গাত ধৰি জোকাৰি দিলতহে সাৰ পালে তাই।

ঃ দেউতাই ফোন কৰিছিল মা। মই তুমি শুই আছা বুলি কলো। এতিয়া ভাত খাবৰে হ'ল। ককা-আইতা আৰু মই খালোঁৱেই। উঠা আৰু তুমিও ভাত খোৱাগৈ যোৱা।

স্নেহাক পানী এগিলাচ আনিব ক'লে শ্ৰুতিমালাই। ভাত খাব মন নগ'ল তাইৰ। স্নেহাক শুবলৈ দি সৌৰভলৈ ফোন লগালে শ্ৰুতিমালাই।

ঃ আজি দিনটোও চাগে তাৰ লগতে কটালা ন?

ফোনটো ৰিচিভ কৰিয়ে সৌৰভে কোৱা কথআখিনি শুনি চিৰিং কৰি গ'ল তাইৰ বুকুখন। তাৰমানে শাহুৱেকে সৌৰভক ক'লেই আজি ৰূপমে তাইক গেটৰ সন্মুখত থৈ যোৱাৰ কথাতো। তাই শান্ত স্বৰেৰে সৌৰভক বুজাবলৈ চেষ্টা কৰিলে —

ঃ চোৱা সৌৰভ, আনৰ কথা শুনি মোক মিছাতে সন্দেহ নকৰিবা প্লিজ। স্কুলৰ পৰা আহোতে মোৰ মূৰ ঘূৰাই পৰি গৈছিলো। ওচৰৰ মানুহে ধৰি-মেলি উঠাই ৰূপমৰ লগত ঘৰলৈ পঠাই দিলে আৰু...

শ্ৰুতিমালাৰ কথা শেষ হ'বলৈকে নাপালে। ফোনৰ সিটো মূৰৰ পৰা চিঞৰি উঠিল সৌৰভ —

ঃ বচ শ্ৰুতি, আৰু একো ক'ব নালাগে মোক। স্কুললৈ যোৱাৰ বাহানা কৰি দিনটো তাৰ লগত এনজয় কৰি এতিয়া মূৰ ঘূৰাইছে বুলি ফাকি দিব আহিছা? মই নথকাৰ বৰ সুবিধা হৈছে ন? ৰ'বা মই ঘৰলৈ গৈ আছো।

ফোনটো কাটি দিলে সৌৰভে। একো ক'বই নিদিলে তাইক। জঠৰ এক মুৰ্তিৰ দৰে বিচনাত বহি পৰিল শ্ৰুতিমালা। চিঞৰি চিঞৰি কান্দিব মন গ'ল তাইৰ। তাই নিজৰ মানুহজনেই আজি বিশ্বাস নকৰে তাইৰ কথা। ওৰে ৰাতি চকুলোৰে গাৰু তিয়াই উজাগৰে বিচনাতে ইকাটি-সিকাটি কৰি কটালে শ্ৰুতিমালাই।

পিছদিনা স্কুলৰ পৰা আহিয়েই দেখিলে, বাহিৰৰ ৰুমটোত সৌৰভে মাক-দেউতাকৰ সৈতে উত্তেজিত হৈ কথা পাতি আছে। তাই সোমাই আহিলতো নামাতিল সি। তাইহে সৌৰভক মাত লগালে, কেতিয়া আহিলা বুলি। সৌৰভে একো নোকোৱা দেখি নিজৰ ৰুমলৈ সোমাই গ'ল শ্ৰুতিমালা। সৌৰভো তাইৰ পিছে পিছে ৰুমলৈ সোমাই আহিল। সৌৰভ সোমাই অহা দেখি তাই কাষ চাপি গৈ তাৰ হাতত ধৰিলে।

ঃ সৌৰভ, কি হৈছে এইবিলাক। মোক তুমি বিশ্বাস নকৰিলে কোনে কৰিব কোৱা?

কাষ চাপি অহা শ্ৰুতিমালাৰ হাতখন আচাৰ মাৰি এৰোৱাই তাইক দূৰলৈ ঠেলি পঠালে সৌৰভে। কোনোমতে ভাৰসাম্য ৰাখি নপৰাকৈ থাকিল শ্ৰুতিমালা।

ঃ মাৰ মুখৰ পৰা মই সকলো শুনিছো শ্ৰুতি। মা-দেউতাৰ আগতে এনেদৰে বেলেগৰ পিছত উঠি গা-ঘেলাই ফুৰিবলৈ তোমাৰ অকনো লাজ নালাগিল? এয়াতো তেওঁলোকৰ চকুৰ আগত ঘটা ঘটনাহে, তেওঁলোকে নেদেখাকৈ আৰু বা কি কৰি ফুৰিছা চাৰ লগত! তোমাৰ মান-সন্মান নেথাকিব পাৰে, কিন্তু আমাৰ ঘৰখনৰ, মা-দেউতাৰতো এটা সন্মান আছে।

ঃ তুমি মাৰ কথা শুনি অবিশ্বাস কৰিলা। মোক একো ক'বই নিদিয়া তোমালোকে। বিশ্বাস কৰা সৌৰভ, ৰূপমৰ লগত তোমালোকে ভবাৰ দৰে তেনে কোনো সম্পৰ্ক নাই মোৰ। প্লিজ বিশ্বাস কৰা সৌৰভ, প্লিজ..!

হাতযোৰ কৰি সৌৰভলৈ চাই কথাখিনি কৈ উচুপি উচুপি কঁপি উঠিল শ্ৰুতিমালা। বিশ্বাস কৰিব কোৱাৰ বাহিৰে আৰুনো কি কৰিব পাৰে তাই। সেই মুহূৰ্ততে বাজি উঠিল শ্ৰুতিৰ ফোনটো। শ্ৰুতিৰ বেগৰ পৰা ফোনটো উলিয়াই হাতত ল'লে সৌৰভে। ৰূপমে ফোন কৰিছে। তাচ্ছিল্যৰ হাঁহি এটা মাৰি ফোনটো শ্ৰুতিৰ হাতত জোৰকৈ গুজি দিলে সি।

ঃ মোক আৰু কি প্ৰমাণ লাগে শ্ৰুতি? এয়া লোৱা, তোমাৰ ৰূপমৰ ফোন। কাটি নিদিবা, ৰিচিভ কৰা আৰু লাউড স্পীকাৰ অন কৰা। ময়ো শুনো।

কঁপা কঁপা হাতেৰে ফোনটো ৰিচিভ কৰি লাউড স্পীকাৰ অন কৰি দিলে শ্ৰুতিমালাই।

ঃ হেল্ল' শ্ৰুতিমালা, আজি গাটো কেনে পাইছা? মোৰ কাম এটাত এফালে যাব লগা হ'ল, স্কুল যোৱা নহ'ল। সেইকাৰণে ফোন কৰিলোঁ।

ঃ ইফালৰ পৰা ৰূপমে আগ্ৰহেৰে শ্ৰুতিৰ খবৰ সুধি গচ্ছ। সৌৰভে থাপ মাৰি কাঢ়ি আনিল ম'বাইলটো শ্ৰুতিচৰ হাতৰ পৰা।

ঃ কোন তুমি শ্ৰুতিৰ ইমান খবৰ ৰাখিবলৈ? শেষবাৰৰ বাবে কৈছো তোমাক, আজিৰ পৰা যেন ফোন নকৰা।

বিচনালৈ ফোনটো দলি মাৰি দি উগ্ৰ মুৰ্তি ধৰি শ্ৰুতিমালাৰ চুলিত ধৰি টানি আনিলে সৌৰভে।

ঃ এইখন ঘৰৰ সৈতে আজিৰ পৰা তোমাৰ কোনো সম্পৰ্ক নাই। ওলাই যোৱা এই মুহূৰ্ততে ইয়াৰ পৰা।

শ্ৰুতিমালাৰ চুলিত ধৰি বাহিৰলৈ টানি আনিব চেষ্টা কৰিলে সৌৰভে। শ্ৰুতিমালাই চিঞৰি উঠিল শহুৰেক-শাহুৰেকক উদ্দেশ্যি—

ঃ মই কোনো ভুল কৰা নাই। মোৰ কথা এবাৰ বুজিবলৈ চেষ্টা কৰক। সৌৰভ, তোমালোকে ভবাৰ দৰে মই একো কৰা নাই, এৰি দিয়া মোক প্লিজ!

শ্ৰুতিমালাক ঠেলা মাৰি এৰি দিলে সৌৰভে।

ঃ অ' এৰি দিম! একেবাৰেই মুক্ত কৰি এৰি দিম তোমাক মোৰ জীৱনৰ পৰা..

কোঠাৰ দৰ্জাখন স-শব্দে বন্ধ কৰি কোঠাৰ পৰা উলাই গ'ল সৌৰভ। উচুপি উচুপি বিচনাতে পৰি ৰ'ল শ্ৰুতি।

পিছদিনা স্কুললৈ নগ'ল শ্ৰুতিমালা। দুদিন অনাহাৰে অনিদ্ৰাৰে থকাৰ ফলত বিধ্বস্ত হৈ পৰিল তাই। বিচনাখনেই এতিয়া যেন তাইৰ শেষ আশ্ৰয়। দুপৰীয়া হাতত কৰ্টৰ পেপাৰ এখিনি লৈ ৰূমলৈ সোমাই আহিল সৌৰভ।

ঃ এয়া ডিভোৰ্চ পেপাৰ, চহী কৰা ইয়াত আৰু একেবাৰে মুক্ত হৈ যোৱাগৈ ইয়াৰ পৰা। স্নেহাকো লগত লৈ যাবা। তোমাৰ কোনো চিনে মই ৰাখিব নিবিচাৰোঁ।

কঁপি উঠিল শ্ৰুতিমালা। এনেকৈয়ে ঠান-বান হৈ যাব খুজিছে তাইৰ সংসাৰখন! ক'ত দোষ কৰিলে তাই? কিমানবাৰ চেষ্টা কৰিছে সৌৰভক বুজাবলৈ, তাই নিৰ্দোষী বুলি সকলো মিছা। হোমৰ জুইক সাক্ষী কৰি যিজন মানুহে আজীৱন সংগ দিয়াৰ শপত লৈ পত্নীৰ স্বীকৃতি দি আনিছিল, আজি সেইজনেই আনৰ কথা শুনি একেবাৰেই জীৱনৰ পৰাই আঁতৰাই পঠিয়াই দিব খুজিছে। সৌৰভৰ অনুপস্থিতিতো প্ৰতিপলে শিৰৰ সেন্দুৰকণে তাইক সোঁৱৰাই থাকে তাৰ অৱস্থিতিৰ কথা। এই সকলোবিলাক এৰি যাব লাগিব তাই।

ঃ কি ভাবি আছা? চহী কৰা ইয়াত।

ঃ সৌৰভ, প্লিজ এনে সিদ্ধান্ত নল'বা। এবাৰ এবাৰলে বিশ্বাস কৰা মোক!

ঃ অসম্ভৱ, চকুৰ আগতে ইমানবিলাক প্ৰমাণ পোৱাৰ পিছতো তোমাক বিশ্বাস কৰিবলৈ কোৱা?

সলনি নহয় সৌৰভৰ সিদ্ধান্ত। ঠিক আছে, চহী কৰিব তাই ডিভোৰ্চৰ দলিলত। এনে সন্দেহবাদী আৰু নিষ্ঠুৰ মানুহ এজনৰ লগত নেথাকে তাই। ইমান বছৰে একেলগে সংসাৰ তৰা মানুহজনীক সি বুজিয়েই নাপালে। কান্দি কান্দি কৰ্টৰ কাগজ কেইখনত চহী কৰি দিলে শ্ৰুতিমালাই।

ঃ মা, সদায়নো এনেদৰে গধুলি গধুলি বাৰান্দাত বহি কিনো কৰা তুমি! ঠাণ্ডা পৰিছে বাহিৰত, ভিতৰলৈ আহাঁ।

স্নেহাৰ মাতত বাস্তৱলৈ ঘূৰি আহিল শ্ৰুতিমালা। সৌৰভৰ ঘৰখনৰ পৰা গুচি অহাৰ পিছত একেখন চহৰৰে এটা আচুতীয়া ঘৰ ভাড়া কৰি আছে তাই স্নেহাক লৈ। বয়সত সৰু হ'লেও বহুত কথাই বুজি পোৱা হৈছে স্নেহাই। বাৰান্দাৰ লাইটটো অফ কৰি গধুৰ মন এটা লৈ ভিতৰলৈ সোমাই গ'ল শ্ৰুতিমালা। নাই, তাই আৰু আগৰ কথাবোৰ ভাবি নাথাকে। স্নেহাক মাক-দেউতাকৰ সকলোবিলাক মৰম অকলে দি ডাঙৰ কৰিব লাগিব।

# সুখৰ সন্ধান

**বৰ্ণালী নেওগ**

সঁচাই তাৰো যে এটা জীয়া কাহিনী থাকিব পাৰে ভবাই নাছিলোঁ — প্ৰথমদিনাই তাইৰ ঘৰখনলৈ গৈ মই অভিভূত হৈ পৰিছিলোঁ। ইমান পৰিপাতিকৈ ঘৰখন সজাই ৰাখিছে। ড্ৰইং ৰুমৰ প্ৰতিটো কোণতে তাইৰ কৰ্মনিপূণ হাতৰ কোমল পৰশ...

আজি বন্দিতাই সিহঁতৰ স্কুলৰ সন্মুখত থকা মণিকাৰ কথা ভাৱি আছে। দুপৰীয়া এগিলাচ পানী খোৱাৰ বাবে বন্দিতা মণিকাহঁতৰ ঘৰলৈ গৈছিল। বহুতদিন মণিকাকো দেখা নাই। খবৰ এটাও কৰা হ'ব বুলি বন্দিতা মণিকাহঁতৰ ঘৰত সোমাল।

'মণিকা আছানে?' আছো বাইদেউ আহক বুলি কৈ মণিকা ওলাই আহিল। ঘৰত সেই সময়ত কোনো নাছিল। নিস্তব্ধ, নিমাও মাও পৰিৱেশ..। মণিকাই পানী এগিলাচ আনি বন্দিতাৰ হাতত তুলি দিলে। বন্দিতাই লক্ষ্য কৰিলে মণিকাই কিবা গভীৰ চিন্তাত মনে মনে আছে। "তোমাৰ কিবা এটা হৈছে ন মণিকা..? ইমান মন মাৰি আছা যে? তুমিতো কাহানিও এনেকৈ নাথাকা? হঠাৎ মণিকা উচুপি উঠিল... ইমান হাঁহি ফুৰ্টি কৰি থকা ছোৱালীজনীক আজি কন্দা দেখা পাই বন্দিতা আচৰিতেই হ'ল...।

সকলো থুপ খাই থকা দুখ যেন একে কোবেই হৃদয় ফাটি-চিটি ওলাই আহিব...! বাইদেউ আপোনাক মোৰ এটা সঁচা কাহিনী কম..। মোৰ জীৱনৰ জীয়া কাহিনী.. যিটো কাহিনীয়ে মোক সদায় পিছে পিছে খেদি লৈ ফুৰে। মোৰ জীৱনৰ এটা দুঃস্বপ্ন! এই স্বপ্ন মই সদায় দেখি থাকো যেতিয়া মই অকলে থাকোঁ..!

বন্দিতাই আচৰিত হৈ গৈছিল। জানিবলৈ মনটো উৎসুকতাৰে ভৰি পৰিল।

"কোৱাচোন মণিকা, তোমাকতো দেখিলে কেতিয়াও দুৰ্ভগীয়া যেন নালাগে। আজি হঠাৎ তোমাৰ কি হ'লনো? কোৱাচোন মোক কিজানি মই কিবা সহায় কৰিব পাৰোঁৱেই...

"জানে বাইদেউ মই যিখন ঘৰৰ পৰা বিয়া হৈ আছো সেইখন মোৰ নিজা ঘৰ নহয়। মই তেওঁলোকৰ তোলনীয়া জী আছিলোঁ। মোৰ এতিয়াৰ যিজনী বাইদেউ তেওঁ মোক গুৱাহাটীৰ পৰা আনি মাৰ হাতত চমজাই দিছিল। মায়ে মোক স্কুলত নাম লগাই দিছিল, বহুত কাম শিকাইছিল, তাতশালৰ পৰা উল গুঠা, হাতৰ চিলাইলৈকে বিভিন্ন কাম। মায়ে মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল।

বন্দিতা হতভম্ব..! কি কোৱা মণিকা, তেওঁলোকে তোমাক ইমান মৰম কৰে। তোমাৰ বিয়াও ইমান ডাঙৰকৈ পাতিছিল। তোমাৰ বাইদেউৱে তোমাক ইমান বস্তু দি থাকে। কি সঁচাকৈ তুমি তেওঁলোকৰ ছোৱালী নাছিলা...?

"হয় বন্দিতা বাইদেউ...! মোক দেউতাই সৰুতে গুৱাহাটীৰ এটা ছোৱালী হোষ্টেলত দি দিছিল। প্ৰায় ৮/৯ মান বছৰ বয়সতে। দেউতা খুউব মদপী আছিল। গোলাঘাটৰ এখন বাগানত দেউতা চকীদাৰী কাম কৰিছিল। মোৰ মা সেই বাগানৰে বাগানীয়া ছোৱালী আছিল। দেউতাই মদ খাই মাক সদায় অত্যাচাৰ কৰিছিল। মোৰ দুটা দাদা আৰু এটা ভাইটি আছিল। দেউতাই মোৰ দৰে দাদাহঁতকো ক'ৰবাত ক'ৰবাত দি দিলে।

"কিয় মণিকা তোমাৰ মা নাছিল?"

"মায়ে দেউতাৰ অত্যাচাৰ সহিব নোৱাৰি বেলগলৈ পলাই গ'ল।" মোৰ ভাইটিৰ বয়স তেতিয়া তিনি বছৰমান হৈছিল। ভাইটিক লগত নিবলৈ বিচাৰিছিল মায়ে, কিন্তু দেউতাই নিদিলে। মণিকা উচুপি উঠিল... জানে বাইদেউ মই হোষ্টেলত গুচি অহাৰ পিছত ভাইটি জ্বৰ হৈ ঢুকাই থাকিল। বহুত দিনৰ পিছতহে মই এই কথাটো গম পালো। মণিকা উচুপিয়েই থাকিল।

বন্দিতাৰ ভাষা নাই মণিকাক বুজাবলৈ। কেনে নিৰ্দয় মাক! দলনীত পোনা মেলাদি মেলি নিজৰে ল'ৰা-ছোৱালী কেইটাৰ জীৱন ধ্বংস কৰি গ'ল...!

উচুপি-উচুপি মণিকাই আকৌ ক'বলৈ ধৰিলে। "জানে বাইদেউ মোক হোষ্টেলত দিয়া পৰা দেউতাই এদিনো খবৰ ল'বলৈ নাহিল। মোৰ ইমান ভাইটিক চাবলৈ মন যায়। মাক চাবলৈ মন যায়। মই কান্দি থাকো। হোষ্টেলৰ আণ্টিয়ে মোক খুউব

পিতে। চুলিত ধৰি চোচৰাই লৈ ফুৰে। মই কৰিব নোৱাৰা কামবোৰ কৰিবলৈ দিয়ে। দুদিন তিনিদিনৰ বাহী ভাত, চবজি খাবলৈ দিয়ে। এদিনো মই গৰম ভাত খাবলৈ নাপাইছিলো। তেওঁলোকৰ এটা অঁকৰা ল'ৰা আছিল। তাৰো জোঠাবোৰ খাবলৈ দিছিল। নাখালে মোক পিতিছিল। চুলি জোকাৰি জোকাৰি মূৰৰ বিষ কৰি দিছিল। আপোনাক এইবিলাক অত্যাচাৰৰ কথা কৈ শেষ কৰিব নোৱাৰোঁ। ৰাতি হ'লে আগফালৰ বাৰান্দাত কুকুৰৰ দৰে বস্তা এটা পাৰি শুবলৈ দিছিল। গাত ল'বলৈ এটা বস্তা দিছিল। এদিন টেবুলত ৫ টকা এটা এখন পাই মই লৈছিলোঁ। আণ্টিৰ অঁকৰা ল'ৰাটোৱে মোক ৰ'দ এডাল আনি পিটিছিল। আঙ্কলে এৰুৱাই নিদিয়া হ'লে মই সিদিনা মৰি থাকিলো হয়। হোষ্টেলৰ ছোৱালীবোৰে এইবোৰ কথা অলপ-চলপ জানিছিল। মোক আণ্টিয়ে হোষ্টেলত ছোৱালীবোৰৰ লগত কথা পাতিবলৈ নিদিছিল। আণ্টি নাথাকিলে মই মনে মনে হোষ্টেলৰ বাহঁতৰ ওচৰলৈ যাওঁ। হোষ্টেল গ্ৰাউণ্ড ফ্ল'ৰ, ফাষ্ট ফ্ল'ৰত আছিল। আমি ছেকেণ্ড ফ্ল'ৰত আছিলোঁ। বাহঁতে মোক মনে মনে কিবাকিবি খাবলৈ দিছিল।

বন্দিতাই মাথো মণিকাৰ কথাবোৰ তলকা মাৰি শুনি গৈছিল। তাইক বুজোৱাৰ ভাষা হেৰাই গৈছিল বন্দিতাৰ। ৯ বছৰীয়া ছোৱালী এজনীক ইমান অত্যাচাৰ কৰিছিলনে?

বাৰু মণিকা কোৱাচোন গুৱাহাটীৰ পৰা তুমি ডিব্ৰুগড় কেনেকৈ পালাগৈ...?

বাইদেউ মই সদায় হোষ্টেলৰ পৰা পলাবলৈ চেষ্টা কৰিছিলোঁ। চাঞ্চ পালেই মই গেটৰ বাহিৰলৈ দৌৰ মাৰোঁ। কিজানি ঘৰলৈ যোৱা বাছ পাওঁৱেই...! মোৰ ভাইটিক চাবলৈ... মাক চাবলৈ...খুউব মন যায়। মোৰ লৰালিকালৰ ওমলা ঘৰখনলৈ... লগৰীয়াবোৰৰ ওচৰলৈ যাবলৈ খুউব মন যায়। কিজানিবা কাৰোবাক লগ পাওঁৱেই...আকৌ আগৰ দৰে বাগানৰ লাইনত খেলিবলৈ পাৰিম। কেইবাবাৰো এনকৈ পলাই যাওঁতে আণ্টিহঁতে মোক ৰাষ্টাৰ পৰা ধৰি আনিছিলগৈ। ড্ৰাইভাৰ দুটাই বিচাৰি যায়। হোষ্টেলৰ কাম কৰা বাইজনীয়ে বিচাৰি যায়।

এদিন এনেকৈয়ে সন্ধিয়া বেলাতে হাতত এখন কেচি লৈ মই মনে মনে হোষ্টেলৰ পৰা পলাই আহিছিলোঁ। সিদিনা আণ্টিহঁত ক'ৰবাত বিয়া খাবলৈ যোৱাৰ কথা। কৰবাত গলে মোক ঘৰত বাহিৰৰ পৰা তলা মাৰি থৈ যায়। মই তেওঁলোকৰ ব্যস্ততাৰ চেগ বুজি পলাই আহি হোষ্টেলৰ কাষত থকা মন্দিৰত মনে মনে সোমাই থাকিলো। মানুহবোৰে মোক লক্ষ্য কৰা নাছিল। হোষ্টেলত থকা এজনী বাইদেউৱে সেই মন্দৰত গধূলি চাকি দিবলৈ আহিছিল। মোক এটা চুকত আমন জিমনকৈ বহি থকা দেখা পালে। 'মণিকা তই যে ইয়াত.. কাৰ লগত আহিছ..? মই একো নক'লো কান্দিলোঁ মাত্ৰ। "ব'ল হোষ্টেললৈ।" মই ক'লো মই নাযাওঁ ... বেলেগ ক'ৰবাত যাম। মৰি গলেও হোষ্টেললৈ নাযাওঁ। মোক আজি আণ্টিয়ে বহুত মাৰিছে। মই কেতিয়াও নাযাওঁ। বাইদেউজনীয়ে মোলৈ চাই কিবা এটা চিন্তা কৰিলে আৰু ক'লে, "ঠিক আছে মোৰ লগত যাবি?" আমাৰ ঘৰত তোক কোনেও নামাৰে, ভালকৈ থাকিবলৈ পাবি, খাবলৈ পাবি, চবেই মৰম কৰিব। মই একাষাৰে যাম বুলি ক'লো। বাইদেউৱে মোক অ'টো এখনত উঠাই তেওঁলোকৰ চিনাকী মানুহ এঘৰলৈ লৈ গ'ল। তিনি দিনমানৰ পিছত তেওঁ মোক ডিব্ৰুগড়লৈ গ'ল। দেউতা-মা, বা-দাদা থকা ঘৰ এখন পালোঁ। বাৰু কোৱাচোন মণিকা আজি তুমি কিয় কান্দিছা, কাহানিও তুমি এইবোৰ কথা মোক কোৱা নাছিলা। তোমাৰ এইখন ঘৰে এইবোৰ কথা জানেনে? তোমাৰ স্বামীয়ে? আজি তোমাক কোনোবাই কিবা ক'লে নেকি?

বন্দিতা বাইদেউ, মই যে তোলনীয়া ছোৱালী সেইটো কথা এওঁলোক সকলোৱে জানে। বিয়াৰ আগত কোনেও আপত্তি কৰা নাছিল। কিন্তু বিয়া পিছৰ পৰা মোক শাহু-শহুৰে কথা শুনাই থাকে। ঘৰলৈ টকা বিচাৰি যাবলৈ দিয়ে। শাহুৱে বেলেগৰ ঘৰৰ চাকৰণী আছিলি বুলি কৈ থাকে, মোৰ স্বামীয়েও কয়, "গুৱাহাটীৰ বায়েৰৰ পৰা টকা আনি, মাটি কিনো বুলি কৈ থাকে। মোৰ চাৰিবছৰীয়া ছোৱালীজনীয়ে মাজে মাজে মোক সুধে, "মা তুমি কাৰ ঘৰৰ চাকৰণী আছিলা? চাকৰণী মানে কিনো মা?" মই তাইক কি কম ভাৰি নাপাওঁ বাইদেউ...। শাহু-শহুৰ, স্বামীয়ে ঘৰলৈ ফোনটো লগাই দি দেউতাক টকা বিচাৰিবলৈ কয়। তেওঁলোকে যেনেকৈ শিকাই দিয়ে তেনেকৈ কব লাগে। মই নিৰুপায় হৈ বাইদেউক টকা বিচাৰোঁ, মা-দেউতাক বিচাৰোঁ। মই কি কৰো বাইদেউ,মা-দেউতাৰ লগতো এতিয়া মোৰ সম্পৰ্কবোৰ কমি আহিবলৈ ধৰিছে। ঘৰৰ পৰা মোক যথেষ্টখিনি দিলে। পঢ়ালে, শুনালে, শান্তি বিয়া, বৰবিয়া দুয়োখন ডাঙৰকৈ পাতিছিল ম-দেউতাহঁতে। লাগতীয়াল সকলো বস্তু দিয়ে থাকে। তেনেস্থলত কি বুলি মই ঘৰত টকা বিচাৰি যাওঁ কওঁকচোন। এতিয়া শাহু-শহুৰ, স্বামীয়ে মোৰ আচল ঘৰখন বিচাৰিবলৈ

মোক জোৰ দি আছে। মোৰ প্ৰকৃত পৰিচয় লাগে তেওঁলোকক। বাইদেউ মই মোৰ শিপাডাল বিচাৰি গলোঁৱেই যেনিবা, পাম কি? এবুকু কঢ়িয়াব নোৱাৰা দুখ....??? হয়তো মোৰ বাবে তাত কোনো নাই..! মামাহঁতৰ ঘৰ ক'ত ভালদৰে নাজানো। মা বা ক'ত আছে সেইটোও নাজানো। মায়ে মোক ক'ত বিচাৰিব তেওঁতো নিজৰ সংসাৰখনলৈ ব্যস্ত। মোৰ বংশ পৰিয়াল বিচাৰি মই কি কৰিম? মোৰ বাবে সেইঠাইত বাট চাওঁতা কোনো নাই চাগৈ...। শাহু-শহুৰে যেতিয়া গম পাব মই বাগানীয়া ছোৱালী মোক আৰু কথা শুনাই থাকিব। অ.তীততো মই সদায় পাহৰি যাবলৈ চেষ্টা কৰোঁ বাইদেউ...। এখন সম্ভ্ৰান্ত অসমীয়া পৰিয়ালত ডাঙৰ-দীঘল হ'লো মই.... সেইয়াই জানো মোৰ পৰিচয় নহয়??? জন্ম মই য'তে নহওঁ কিয়? অমসীয়া সংস্কৃতিয়েই জানো মোৰ পৰিচয় নহয়? ঘৰত থকা অৱস্থাত আনকি মোৰ বৰ বিয়া পতাৰ সময়তো, বাইদেউ, মা-দেউতাই মোক কৈছিল, "তোৰ ঘৰ বিচাৰি যাওঁ ব'ল মণিকা, কিজানি কোনোবা আহেই...! দেউতা মাৰে যদি জীয়াই আছে তোৰ বিয়াখন চাই বহুত সুখ পাব।" মই মোৰ প্ৰকৃত মা-দেউতাক বিচৰাৰ বাবে অকণো ইচ্ছা নকৰিলোঁ। দেউতাক মই ঘিণ কৰো। ইমান সৰুতে মোক বিক্ৰি কৰি দিলে.... তাকো হোষ্টেলত কাম কৰাৰ বাবে...! হয়তো মোৰ দেউতাই মদ খাই কেতিয়াবাই মৰিল। মোৰ প্ৰকৃত মা-দেউতাৰ মৰম মই কি নাজানোঁ। মোৰ কোনো কথাই মনত নাই। কিন্তু এতিয়াৰে মোৰ যি দুজন মা-দেউতা তেওঁলোককেই মই অন্তৰৰ পৰা মা-দেউতা বুলি ভাবোঁ। কাহানিও মায়ে মোক আগত থৈ একো বস্তু খোৱা নাই। দেউতাই ঘৰৰ পৰা ওলাই গলেই মোৰলৈ কিবা নহয় কিবা এটা আনিবই। বাদাম, চানাচুৰ, আঙুৰ, মনে মনে দিব। সাপ্তাহিক বজাৰবোৰলৈ গলেও দেউতাই মোৰলৈ বহুত কিবা কিবি আনে। ভাৰকচোন বাইদেউ এতিয়া সেইজন দেউতাক মই এইখন ঘৰৰ হেঁচাত পৰি টকা বিচাৰি থাকিব লগা হৈছে। গুৱাহাটীৰ বাইদেউৱে মোক মাজে মাজে মাতে, "তই যদি শাহু-শহুৰৰ লগত কষ্ট পাইছ। গুৱাহাটীলৈকে আহ। মই হোষ্টেল এটা ঠিক কৰি দিম। ধুনীয়াকৈ চলাই খাব পাৰিবি।" কিন্তু মোক কোনেও যাবলৈ নিদিয়ে। স্বামীয়েও মোক কাৰো লগত ক'লৈকো যাবলৈ নিদিয়ে।

বন্দিতা বিপাঙত পৰিল। কি ক'ব কি উপদেশ দিব একো ভআৰিবই পৰা নাই। নিজৰ এৰি অহা ঘৰখন বিচাৰি যাবলৈ ক'বনে? নে বৰ্তমানৰ তাইৰ সংসাৰখন লৈ সুখী হৈ থাকিবলৈ ক'ব? স্বামী আৰু এজনী ছোৱালীয়ে তাইৰ এখন সুখৰেই সংসাৰ। অত্যাৱশ্যকীয়, লাগতীয়াল সকলোখিনিয়েই আছে। তেনেদৰে একো অভাৱগ্ৰস্থ যেন ও অনুভৱ নহয়...।

শেষত বন্দিতাই মণিকাক বুজালে,"চোৱা মণিকা হৈ যোৱা ঘটনাবোৰ পাহৰি যোৱা। সেইবিলাকে তোমাক একো নিদিয়ে। ভৱিষ্যতৰ সপোনো দেখা। তোমাৰ ছোৱালীজনীক মানুহ কৰাৰ সপোন দেখা। যিবিলাক স্মৃতিয়ে তোমাৰ জীৱনটোৰ তিক্ততা আনি দিব বিচাৰে সেইবিলাক আকোঁৱালি নল'বা। বৰ্তমান তুমি সুস্থ আৰু সাহসেৰে অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়া। অদৰকাৰী কথাত কাণ নিদিবা। তোমাৰ অতীততো কি আছিল সেইয়া নিস্প্ৰয়োজন। আগলৈ কি কৰিব পাৰি সেয়ি চেষ্টা কৰা। যিবিলাক কথা-বাৰ্তাই তোমাৰ মন মগজু বেয়া কৰে। তুমি সেইবিলাক এৰাই চলা। ব্যস্ত জীৱন এটা বিচাৰি লোৱা। কৰ্ম ব্যস্ততাই তোমাৰ দুখবিলাক পাহৰাই ৰাখিব। কৰ্মৰ মাজেদি তুমি সুখী হ'বলৈ চেষ্টা কৰা। সদায় কৰ্মহে মানুহক পৰিচয় দিয়ে। জন্ম ক'ত, কিদৰে হ'ল এইবোৰ আচল পৰিচয় নহয়। হতাশ নহ'বা মণিকা। সময় সদায় একেদৰে নাথাকে। ঘাট-প্ৰতিঘাটেই জীৱন। জীৱনৰ প্ৰত্যেকটো প্ৰত্যাহ্বানেই আচলতে অনুপ্ৰেৰণা। তোমাৰ ইমান হাতৰ বিদ্যা আছে ইমান ধুনীয়া চিলাই জানা এখন চিলাইৰ দোকানকে খোলাচোন, দিনটো ব্যস্ত হৈ থাকিব পাৰিবা। বিভিন্ন মানুহৰ সংস্পৰ্শলৈ যেতিয়া আহিবা, এনেয়ে তোমাৰ মন ভাল লাগিব। দুটা নজনা কথা জানিবা, শিকিবা, অভিজ্ঞতা হ'ব। নহয় জানো। এইদৰে যদি ঘৰৰ ভিতৰত সোমাই থাকা আৰু মন বেয়া হ'ব। চেষ্টাৰ অসাধ্য একো নাই মণিকা। আত্মবিশ্বাস ৰাখা। স্বাৱলম্বী হ'বলৈ চেষ্টা কৰা। এদিন চাবা যিখিনি মানুহে তোমাক ইতিকিং কৰিছিল সেই একেখিনিয়েই তোমাক শলাগিব। কোনেও তোমাৰ অতীতটোৰ পিছত লাগি নুফুৰে। তোমাৰ শাহু-শহুৰ কোনেও তোমাক কথা শুনাবলৈ সুবিধা নাপাব। তুমি হাঁহিলেহে তোমাৰ সন্তানে হাঁহিব নহয় জানো?? মনত ৰাখিবা তুমি পৰিয়ালৰ চালিকা শক্তি। হাতী যিমানেই ডাঙৰ নহওক কিয় সদায় মাউতেহে বলাব পাৰে। ঠিক তুমিও এনেকুৱা হোৱা। তুমি ফুৰ্তিত থাকা, দেখিবা সকলোৱে ফুৰ্তিত আছে। মণিকাই বন্দিতাৰ কথা শুনি অলপ সকাহ পালে। তাইৰো মনৰ মাজত এক আত্মবিশ্বাস শক্তি বান্ধি ল'লে কিবা এটা কৰাৰ।

ইমানখিনি কথা একেলগে কৈ বন্দিতাইও এটা দীঘল উশাহ ল'লে। সঁচাই নাৰী হৈ জন্ম লোৱাতোৱেই অপৰাধ নেকি বাৰু? ইমান ঘাট-প্ৰতিঘাট জীৱনত...?? আধা বয়স মাক-দেউতাকৰ ঘৰখন চিজিল কৰোতেই যায় আৰু আধা বয়স স্বামীৰ

ঘৰখন চিজিল কৰিব লাগে। যি গৰাকীয়ে বুদ্ধিৰে স্বামীৰ ঘৰখন চম্ভালিব নোৱাৰে তেওঁ সকলোফআলৰ পৰা পিছুবাই থাকিব লগা হয়। ইমান ধৈর্য, সাহস, সহনশীলতা এগৰাকী নাৰীৰ বাহিৰে কাৰো থাকিব নোৱাৰে। সেয়েহে দাৰ্শনিকসকলে কৈছে যে,"নাৰী তুমি মহিয়সী, নাৰী তুমি গৰিয়সী, নাৰী তুমিয়েই সতী জয়মতী, তুমিয়েই সাৱিত্ৰী, তুমিয়েই বেউলা, তুমিয়েই শকুন্তলা...।"

# মাতৃৰ দুগ্ধ আৰু প্ৰয়োজনীয়তা

**অনিন্দ্ৰিতা গোস্বামী**

শিশুৰ বাবে মাতৃৰ দুগ্ধ অমৃত স্বৰূপ। শিশুৰ জন্মৰ পাছতে দুগ্ধপান কৰাটো অতিকৈ জৰুৰী। চিজাৰিয়ান হ'লেও অতি সোনকালে মাকে আনৰ সহায় লৈ শিশুটিক গাখীৰ খুৱাব লাগে। কাৰণ মাকৰ গাখীৰত পোৱা যায় এন্টিবডি আৰু কলেষ্ট্ৰাম থাকে, যিটো এটা শিশুৰ বাবে অত্যন্ত জৰুৰী। মাকৰ গাখীৰত শিশুৰ বাবে লাগতিয়াল বহু কেইটা উপাদান পোৱা যায়। যেনে- প্ৰটিন, ফেটছ, কাৰ্বহাইড্ৰেট, আইৰণ, ভিটামিন,পানী , এন্টি ইফেক্টিভ উপাদান (anti infective factors) ইত্যাদি।

জন্মৰ পৰা ছয় মাহলৈ শিশুক কেৱল মাকৰ গাখীৰ খুৱাব লাগে। মাক ৰ গাখীৰ শিশুৰ স্বাস্থ্যৰ কাৰণে উত্তম আহাৰ। ই শিশুৰ শাৰীৰিক বিকাশৰ লগত মানসিক বিকাশটো বহু সহায় কৰে। দুগ্ধপান অকল শিশুৰ কাৰণেই নহয় মাক আৰু সন্তান দুয়োৰে কাৰণে ই বহুত উপকাৰী। দুগ্ধপান কৰিলে বহুতো বেমাৰৰ পৰা ৰক্ষা পোৱা যায়। তদুপৰি ই সন্তান আৰু মাক ৰ মাজত এক বিশ্বাসৰ ভেঁটি গঢ়ি তোলে। যি সকল মাতৃয়ে শিশুৰ জন্মৰ প্ৰথমৰ পৰাই দুগ্ধপান কৰে তেওঁলোকৰ গাখীৰ ও উৎপন্ন হয় প্ৰচুৰ পৰিমাণে। বৰ্তমান আধুনিক বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগটো মাকৰ গাখীৰৰ দৰে উত্তম আৰু একো গাখীৰ নাই।

মাকৰ গাখীৰ শিশুৰ ভালকৈ হজম হয় আৰু গেছ হোৱাৰ পৰাও শিশুক ৰক্ষা কৰে। মাক গাখীৰ খোৱা শিশু সকল বুদ্ধিমানো হয়। দিনটোৰ ২৪ ঘণ্টাই উপলব্ধ এই গাখীৰ গতিকে মাকৰ যথেষ্ট কষ্টও কম হয়। বটল চাফা কৰা ৰাতি উঠি উঠি গাখীৰ বনোৱা ইত্যাদি। মাকৰ গাখীৰ ভগৱানৰ দান।

আন এক গুৰুত্বপূৰ্ণ বিষয় শিশুক ছয় মাহ পৰ্যন্ত লৈকে পানী, মৌ ,গৰুৰ গাখীৰ আদি কোনো বস্তু কেতিয়াও মুখ ত দিব নালাগে। ডাক্তৰে দিয়া ঔষধ, ভেকচিন আৰু পলিও ৰ বাদে। ছয় মাহ সম্পূৰ্ণ হলে লাহে-লাহে গোটা আহাৰ দিয়া আৰম্ভ কৰিব লাগে।

শিশুৱে যেতিয়াই খাব বিচাৰে তেতিয়াই গাখীৰ খুৱাব লাগে। সাধাৰণতে সৰু শিশু সকল শুই ই থাকে তেতিয়া হলেও উঠাই অতি কমেও দিনটোত ৮ ৰ পৰা ১০ বাৰ মান লৈ গাখীৰ খুৱাব লাগে। দুগ্ধপান কৰি থকা মাকৰ বেমাৰ হলেও শিশুক গাখীৰ খুৱাই থাকিব পাৰে।

অতি কমেও 2 বছৰ বয়সলৈ শিশুক মাকৰ গাখীৰ খুৱাব লাগে ।

ফৰ্মূলা মিল্ক বা গৰুৰ গাখীৰত কেতিয়াবা কিছুমান সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে যেনে বেক্টেৰিয়া প্ৰভাৱো পৰিব পাৰে কিন্তু মাকৰ গাখীৰ খালে এইবোৰ ৰ পৰা চিন্তা মুক্ত।

দুগ্ধপান কৰোতে সদায় এটা স্তনৰ গাখীৰ সম্পূৰ্ণ খোৱাই শেষ কৰাৰ পিছতহে আনফালে আকৌ খুৱাব লাগে কাৰণ প্ৰথমতে ওলোৱা গাখীৰ খিনিয়ে সদায় অলপ পনিয়া হয় যি কেৱল শিশুৰ পিয়াহ গুচাই আৰু তাৰ পিছত হে ডাঠ গাখীৰ ওলাই যত ফেটছ থাকে আৰু শিশুৰ ভোক গুচাই। গতিকে গোটেই খিনি গাখীৰ ই এটা শিশুৰ কাৰণে জৰুৰী। কেতিয়াবা শুনো আমি যে প্ৰথম গাখীৰ খিনি পেলাইহে ডাঠ খিনি খুৱাব লাগে যিটো এক সম্পূৰ্ণ ভুল ধাৰণা। মনত ৰাখিব লগা কথা এবাৰত

সদায় এটা স্তন ৰ পৰাহে গাখীৰ খুৱাব লাগে।

গৰুৰ গাখীৰ এবছৰ নোহোৱাকৈ শিশুক দিব নালাগে। গৰু গাখীৰ খোৱা শিশুৰ এনিমিয়া,ডায়েৰীয়া বা এলাৰ্জি আদি বিভিন্ন ধৰণৰ বেমাৰ হোৱাৰ সম্ভাৱনা থাকে। গৰু গাখীৰত জোখত কৈ বেছি মাত্ৰাত থকা প্ৰটিন ই শিশুৰ কিডনি ত বেয়া প্ৰভাৱ পেলায়। গৰু গাখীৰত ভিটামিন চি, ই আৰু কপাৰ পোৱা নাযায়। যিটো কেৱল মাকৰ গাখীৰত হে প্ৰচুৰ পৰিমাণে পোৱা যায়।

মাতৃসকলে শিশুৰ জন্মৰ আগতে পৰা মানসিক ভাৱে নিজকে দুগ্ধপান কৰিবলে প্ৰস্তুত কৰিব লাগে ই এক মানসিক প্ৰক্ৰিয়া। সদায় হাঁহি মনে আৰু সুবিধাজনক ভাবে বহি এটা গাৰু কোঁচত লৈ তাত শিশুটোক শুৱাই দুগ্ধপান কৰিব লাগে। শুইশুই খুৱালে কেতিয়াবা শিশুৰ কাণত সোমোৰ পাৰে আৰু যাৰফলত ইনফেক্সন হোৱাৰ সম্ভাৱনা থাকে। গতিকে সদায় সতৰ্ক হোৱা উচিত হয় ক্ষেত্ৰত।

ভাৰত বৰ্ষত বছৰি বহু শিশু পুষ্টিহীনতাত ভোগে আৰু মৃত্যু মুখত পৰে। কিন্তু ৬ মাহলৈ কেৱল মাকৰ গাখীৰ খালে এনে ধৰণৰ সমস্যা ৰ পৰা হাত সাৰিব পাৰি। এনিমিয়া ও আন এক সমস্যা যিটো বহু শিশুক দেখা দিয়ে কিন্তু মাকৰ গাখীৰ খোৱা শিশু সকলে এনে সমস্যাৰ পৰাও বাছি থাকে।

# পতি,পত্নী আৰু হেঁপাহৰ ঘৰখন

**আশাদীপা শইকীয়া**

“পৃথিৱীৰ সমস্ত ঠাই ঘূৰি আহিলেও ঘৰখনলৈ আহিলেহে শান্তি পোৱা যায়৷কাৰণ,ঘৰখন সুন্দৰকৈ সজাই-পৰাই পৰিচালনা কৰাৰ মূলতে এগৰাকী নাৰী।”

এয়া অতীজৰে পৰা চলি অহা প্ৰবাদ৷কোৱা হয়,বিবাহৰ পাছত এগৰাকী পত্নী বা বোৱাৰীৰ হাতৰ পৰশতে প্ৰাণ পাই উঠে ঘৰ এখনৰ চাৰিওফালৰ পৰিবেশ,নিৰ্জীৱ আচবাব-পত্ৰই। “ঘৰ” শব্দটো প্ৰত্যেকৰ বাবে বৰ আপোন,হেঁপাহৰ। ঘৰ সৰুৱেই হওক বা জুপুৰিয়েই হওক, ঘৰ সদায় ঘৰেই। ঘৰ এখন সজোৱাৰ বাবে জাকজমক সামগ্ৰীৰ প্ৰয়োজনীয়তাতকৈ বেছি প্ৰয়োজন ঘৰখনৰ সদস্যৰ মাজত থকা মিলাপ্ৰীতি,ভালপোৱা আৰু বিশ্বাসৰ। আৰু সেই একতাৰ এনাজৰীডাল মজবুত কৰি ৰখাৰ দায়িত্বও বেছিখিনি থাকে পত্নী বা বোৱাৰী গৰাকীৰ ওপৰত। কিন্তু, এতিয়া সময় সলনি হৈছে, মানুহৰ মানসিকতাৰ পৰিবৰ্তন হৈছে। ঘৰ এখন আটোমটোকাৰিকৈ ৰখাৰ বাবে বৰ্তমান সময়ত পত্নীৰ লগতে বহু ক্ষেত্ৰত পতিয়েও সমানে সহযোগিতা আগবঢ়োৱা দেখা যায়।

বিশিষ্ট গৱেষক ডগ্পল পাচিনোয়ে কৈছিল- “ এখন ঘৰ হ’ল কৰ্ম জীৱনৰ ধুমুহা বৰষুণৰ পৰা নিষ্কৃতি পোৱাৰ আশ্ৰয়স্থল।”অৰ্থাৎ, পতিয়েই হওক বা পত্নীয়েই হওক, কৰ্মক্ষেত্ৰৰ পৰা আহি ঘৰখনত উপস্থিত হোৱাৰ পিছত মন-প্ৰাণ এক বিশেষ শান্তি আৰু সুখানুভূতিৰে ভৰি পৰা ঠাইখনেই হ’ল- ঘৰখন। যিখন গঢ়ি তুলিবলৈ পতি-পত্নী উভয়েই যত্নপৰ হোৱা উচিত।

আমাৰ শাস্ত্ৰতো আছে–“ ন গৃহঙ গৃহমিত্যাহু গৃহিনিং গৃহমুচ্যতে।” অৰ্থাৎ ঘৰক ঘৰ নোবেলে,গৃহিনীগৰাকীকহে ঘৰ বোলে। ঘৰ এখনৰ চৌপাশ,ফুলনিবাৰী,শাকনিবাৰী,পাকঘৰলৈকে প্ৰত্যেকটো বস্তুৱেই বহন কৰে নাৰী গৰাকীৰ ব্যক্তিত্ব তথা ৰুচিবোধ। কোনোখন ঘৰৰ পদূলিমুখৰ পৰাই দৃষ্টিগোচৰ হয় বিশৃংখল ঘৰুৱা জীৱনৰ চাপ। কোঠাৰ ভিতৰৰ বিশৃংখল সা-সামগ্ৰী,অপৰিষ্কাৰ চাৰিওকাষ,আলহীৰ সন্মুখত দমন কৰিব নোৱাৰা সন্তানৰ উৎপাত,পৰিয়ালৰ ব্যক্তি সকলৰ মাজত সদ্ভাৱৰ অভাৱ ,তদুপৰি পতি-পত্নীৰ দৈনন্দিন কাজিয়াবোৰ ইত্যাদি কথাই প্ৰমাণ কৰে যে,ঘৰখনত থকা পতি-পত্নী দুয়োগৰাকী পৰিয়ালটো তথা ঘৰখন সুচাৰুভাৱে পৰিচালনা কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ।

আমেৰিকাৰ প্ৰখ্যাত লেখিকা ডৰথি কাৰ্ণেগিয়ে মন্তব্য কৰিছিল যে,“ ব্যৰ্থতাৰে পৰিপূৰ্ণ সুন্দৰ কোনো এটা ঘৰত থকাতকৈ অধিক পুৰুষেই সুব্যৱস্থাৰে সজ্জিত তম্বুৰ তলত থাকিবলৈহে বেছি পছন্দ কৰে।” এই কথাষাৰে বুজায় যে,পুৰুষ এজনে ঘৰখনত সদায় এক পৰিপাটি, শৃঙ্খলা বদ্ধ পৰিবেশ বিচাৰে।কিন্তু, গুৰুত্বপূৰ্ণ কথাটো হৈছে, ঘৰখনক সুশৃংখল কৰি ৰাখিবলৈ পুৰুষজনে পত্নী গৰাকীক কিমান সহায় কৰে?দিনটো পুৰুষজন কৰ্মক্ষেত্ৰত থাকোতে সন্তানৰ খোৱা-বোৱা,পঢ়া-শুনা,বেমাৰ-আজাৰৰ পৰা আৰম্ভ কৰি ঘৰৰ আন সদস্য সকলৰ আল-পৈচান ধৰা, জীৱ-জন্তুক চকু দিয়ালৈকে সম্পূৰ্ণ ঘৰখনৰ দায়িত্ব লৈ ভাগৰুৱা হোৱা মানুহগৰাকীক বহুক্ষেত্ৰত সহায় কৰিবলৈ ঘৰখনৰ সদস্যসকল আগবাঢ়ি অহা দেখা নাযায়। কৰ্মৰত মহিলাৰ ক্ষেত্ৰত এইবোৰ দায়িত্ব কিছু কম হলেও ঘৰখনৰ শান্তি শৃংখলাৰ দায়িত্ব সকলো মহিলাৰে একে। এই ক্ষেত্ৰত সন্ধিয়া আহিও বা চুটিৰ দিনত যদি পতি গৰাকীয়ে পত্নীৰ কিছু দায়িত্ব লয় বা ল’ব পাৰে, তেতিয়া পত্নী গৰাকীয়েও কিছু সকাহ পায়। অন্যথা,ঘৰুৱা কাম কৰি কৰি মানসিকভাবে মানুহগৰাকী হতাশগ্ৰস্ত হৈ পৰাৰ উদাহৰণো আমাৰ সমাজত আছে। লাহে লাহে খিংখিঙীয়া স্বভাবটোও গঢ়ি উঠে,যাৰ ফলত ঘৰখনত অশান্তি হয়। সেয়ে,ঘৰখনত এটা সুস্থ বাতাবৰণ বৰ্তাই ৰখাত পতি-পত্নী উভয়ৰে ভূমিকা অসীম।

এখন ঘৰ সুন্দৰভাৱে সজায় পৰাই ৰাখিবলৈ বহুত দামী সামগ্ৰীৰ প্ৰয়োজন নাই। যি সামগ্ৰীয়েই নাথাকক সেয়া চিজিলকৈ ৰখাটোহে জৰুৰী। এইবোৰৰ কাৰণে,পতি-পত্নী উভয়ৰে মনটো সুন্দৰ হব লাগে। নাৰী গৰাকীৰ যিদৰে মিঠা মাত,সুব্যৱহাৰ,পৰিয়ালৰ সদস্যৰ লগত বুজাবুজি আদি গুণে ঘৰলৈ অহা আলহীৰ মন মোহে, ঠিক তেনেকৈ সন্তানক উপযুক্ত শিক্ষা বা সন্তানৰ ব্যৱহাৰ, পত্নীক সাধ্য অনুসাৰে কৰা সহায় বা সন্তানক দিয়া সময় আদিয়েও অতিথি এজনক সন্তুষ্ট কৰে। মন কৰিবলগীয়া কথা এয়ে যে, ঘৰলৈ অহা অধিকাংশ আলহীয়ে খোৱা বোৱাতকৈ পতি-পত্নী,সন্তান বা ঘৰৰ অন্য সদস্যৰ আচাৰ-ব্যৱহাৰৰ বিষয়েহে বাহিৰত গৈ প্ৰশংসা বা সমালোচনা কৰে।

আইনষ্টাইনক যদি এজন অসাধাৰণ প্ৰতিভাশালী ব্যক্তি বুলি ধৰা হয়, তেন্তে এগৰাকী পত্নীকো প্ৰতিভাশালী বুলি ক’ব লাগিব।কিয়নো,পত্নী গৰাকীয়ে ঘৰখন চলোৱাত নিজৰ জ্ঞান তথা কৌশলৰ পৰিচয় দিয়ে।সেয়ে,এগৰাকী নাৰী শিক্ষাগত অৰ্হতাৰে শিক্ষিত হোৱাৰ উপৰিও বুদ্ধিমতী হোৱাও প্ৰয়োজন। উচ্চ ডিগ্ৰী নথকা এগৰাকী নাৰীয়ে নিজৰ বুদ্ধিৰ বলত ঘৰখনৰ বিভিন্ন ব্যক্তিত্বৰ সদস্যৰ মাজত সমতা ৰক্ষা কৰি চলিব পাৰে।বিপৰীতে, উচ্চ শিক্ষিতা নাৰীৰ ক্ষেত্ৰত কেতিয়াবা ইয়াৰ ওলোটাটোহে দেখা যায়। উপযুক্ত বুদ্ধিমত্তাৰ অভাৱৰ বাবেই তেনে শিক্ষিতা নাৰীৰ ঘৰৰ ভিতৰচ’ৰা বা ব্যক্তিগত জীৱন অশান্তিময় হৈ পৰে। সেয়ে, এগৰাকী পত্নী বা বোৱাৰীক প্ৰয়োজন বাহ্যিক অভিজ্ঞতাৰ। দেখি,শুনি,ঠেকি লোৱা শিক্ষাৰ জোৰ কিতাপৰ শিক্ষাতকৈ বেছি সবল। এই ক্ষেত্ৰত আৰু এটা কথা যোগ দিব পাৰি।সুন্দৰ সুস্থ সংসাৰৰ এখন ঘৰলৈ গভীৰ আশা কঢ়িয়াই আনিব পাৰে পতি-পত্নীৰ অধ্যয়নৰ প্ৰতি হেঁপাহ আৰু সুচিন্তাই।আশা যদি দুচকুত নাথাকে,সেই দম্পতীৰ বহুত সম্পদশালী হলেও তাৰ মূল্য নাথাকে। একমাত্ৰ আশাইহে তেওঁলোকক সংসাৰৰ একঘেয়ামী ৰ পৰা মুক্ত কৰি জীৱন যুদ্ধত আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগায়। আশা হৈছে মানুহৰ জীৱনৰ অমূল্য ৰতন।

তদুপৰি অন্যান্য কথাবোৰটো আছেই। “ আয় চাই ব্যয় “ বুলি কথা এটা আছে।ঘৰখনত পতি-পত্নী উভয়েই মিলি উপাৰ্জন অনুযায়ী ধন খৰচ কৰাৰ অভ্যাস গঢ়ি তোলা উচিত।অতি ধেঁাৱাখুলিয়া, বাহ্যিক সাজ সজ্জা বা নাম কিনা স্বভাৱৰ মানুহে নিজৰ সাঁচতীয়া সকলো বিনা কাৰণত উৰুৱাই বিপদত লোকৰ ওচৰত হাত পাতিব লগা হয়।সেয়ে,প্ৰতি গৰাকী পতি-পত্নীয়ে মনত ৰখা উচিত যে, ভোগৰ দ্বাৰা লাভ কৰা যিকোনো আনন্দই ক্ষন্তেকীয়া হয়। বহু থাকিও সীমিত প্ৰয়োজনেৰে চলিব জনা দম্পতী সাংসাৰিক জীৱনত সুখী হয় বুলি বিজ্ঞজনে কয়।

এখন ঘৰক কেন্দ্ৰ কৰি বিভিন্ন সমস্যাৰ উদ্ভৱ হ’ব পাৰে। আজিকালি ঘৰুৱা সমস্যাই একোখন সংসাৰ,ধুনীয়া ঘৰ থানবান কৰি পেলোৱা দেখা যায়।আধুনিক বিশ্বৰ ই এক নীৰৱ মহামাৰী। এই মহামাৰী যাতে ঘৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে তাৰবাবে পতি-পত্নী উভয়ে সতৰ্ক থকা প্ৰয়োজন। যি কোনো এটা সমস্যা সম্পৰ্কে মুকলিকৈ আলোচনা কৰি,সমাধানৰ পথ উলিয়ালে যিমান ডাঙৰ সমস্যাই নহওক কিয়, হেলাৰঙে পাৰ কৰিব পাৰিব। মুকলিকৈ সকলো আলোচনা কৰিবৰ বাবে পৰিবেশো দুয়োগৰাকীয়ে গঢ়ি তুলিব লাগিব। পতি-পত্নীৰ বুজাবুজিয়েহে এখন ঘৰক সুখৰ আলয়লৈ পৰিণত কৰিব পাৰে।

এনে বহু পত্নী আছে,যি কথাই কথাই স্বামীৰ ঘৰত মাতৃগৃহৰ কথা দোহৰাই থাকে।কিন্তু, তেনে কৰাতকৈ স্বামীগৃহৰ

পৰিবেশ,ৰুচি,অভ্যাস,নীতি-নিয়ম (ইয়াত নিয়মৰ নামত কুসংস্কাৰক বাদ দিয়া হৈছে) আদিক সন্মান জনাই তেনে পৰিবেশত অভ্যস্ত হবলৈ শিকা উচিত।তদুপৰি বিভিন্ন উৎসৱ-পাৰ্বনত দোকানৰ বস্তুৰে অতিথি অপ্যায়ন কৰাতকৈ নিজ হাতেৰে ৰন্ধা খাদ্যৰে আলহীক খুৱাইও ভাল লাগে, তেওঁলোকেও আগ্ৰহেৰে খায়। কিন্তু, আজিকালি ঘৰবোৰত অত্যধিক ব্যস্ততাৰ দোহাই দি পতি-পত্নী আলহীৰ পৰা বহু হাত দূৰত অৱস্থান কৰাহে দেখা যায়। এনে হোৱা অনুচিত। আত্মীয়-স্বজন বিপদে-আপদে সকলোতে লাগে। সন্তানকো এই সম্বন্ধ বোৰৰ গুৰুত্ব কি, সেয়া প্ৰত্যেক পিতৃ-মাতৃয়ে জনোৱা উচিত।

শেষত কওঁ,-"সুখ সুখ বুলি মানুহ বলিয়া, নেদেখে সুখৰ মুখ" বুলি কবিয়ে কৈ থৈ গৈছে।সুখৰ ধাৰণা বিমূৰ্ত। সুখ কিনিব নোৱাৰি। দামী বিছনা এখন কিনিব পাৰি,কিন্তু টোপনি নোৱাৰি। দুখবিহীন মানৱ জীৱনৰ আচলতে অৰ্থই নাই। মানুহৰ জীৱনত সুখ-দুখ উভয়েই থাকিব লাগিব। দুখৰ মাজৰ পৰাই চেপি চেপি ৰস উলিয়াব লাগিব সুখৰ। এই সুখ বৰ্তাই ৰাখিবৰ বাবে, এখন সুস্থ সংসাৰ গঢ় দিবৰ বাবে পতি-পত্নী উভয়েই অহোপুৰুষাৰ্থ কৰিব লাগিব। সুচিন্তা আৰু আত্মসংযমেহে ঘৰক ঘৰ আখ্যা দিব।

প্ৰখ্যাত দাৰ্শনিক হেনৰী ডেভিড থৰোৱে কৈছিল–

"ঘৰ এখনত সেইসকল পতি-পত্নীহে সুখী, যি অলপতে সন্তুষ্ট হয়।"

কথাষাৰ সকলো সময়তে গ্ৰহণযোগ্য।

*(লেখিকাৰ টোকা:- এই প্ৰবন্ধটো সম্পূৰ্ণ মোৰ নিজৰ অনুভৱৰে লিখা। যাৰ উক্তি প্ৰবন্ধটোত স্থান দিছোঁ,সকলোৰে নাম উল্লেখ কৰা হৈছে।)*

# ডায়েৰীৰ পাতৰ পৰা

ড° ৰীতি কৌশিক

*(লিখনিটো হয়টো অলপ সংবেদনশীল হ'ব পাৰে কিন্তু ইয়াৰ দ্বাৰা কাৰো ভাবনাৰ লগত হস্তক্ষেপ কৰা হোৱা নাই । ই এক সম্পূৰ্ণ ব্যক্তিগত অভিজ্ঞতাৰ পৰা লিখা হৈছে।)*

2016 চনৰ চেপ্তেম্বৰ মাহৰ কথা , চেম্বাৰত ৰোগীসকলৰ মাজত এহাল দম্পতী লগ পাইছিলোঁ। পত্নীগৰাকীৰ চিকিৎসাৰ বাবে গুৱাহাটীলৈ আহিছিল।

শৰ্মা দম্পতীৰ মই চিকিৎসা আৰম্ভ কৰিছিলো। মিচেছ শৰ্মাৰ দুই তিনিটা দাঁত বেয়া আছিল। তেখেতৰ বয়স কম হোৱা বাবে মই দাঁত কেইটা সৰাই পেলাব খোজা নাছিলো। গতিকে প্ৰথমে X-ray ৰ দ্বাৰা দাঁত কেইটা ভালকৈ পৰ্য্যবেক্ষণ কৰিলোঁ। দেখিলো দাঁত কেইটাৰ কেৱল 60 শতাংশ মানহে Caries হৈছে বা ক্ষৰণ হৈছে। যদি আমি ইচ্ছা কৰো তেতিয়া Root Canal Treatment (চমুকৈ R C T) ৰ সহায়ত দাঁতকেইটা বচাব পৰা যাব।

মই তেওঁলোকক X-Ray ৰ সহায়ত বুজাইছিলো যে দাঁত এটাৰ তিনিটা তৰপ থাকে। বাহিৰৰ তৰপটো বগা আৰু টান যাক এনামেল (Enamel) বুলি কোৱা হয়। দ্বিতীয় তৰপটো অলপ হালধীয়া, ই অলপ চেঞ্জিটিভ অৰ্থাৎ সংবেদনশীল যাক ডেণ্টিন (Dentin) বুলি কোৱা হয়। তৃতীয় তৰপটো হৈছে পাল্প (Pulp), আটাইতকৈ সংবেদনশীল। ই আচলতে দাঁতৰ নাৰ্ভ চাপ্লাই (Nerve Supply)। গৰম, ঠাণ্ডা বা বিষৰ অনুভৱ এই Pulp ৰ পৰাই হয়। কেতিয়াবা দাঁতৰ Caries বা ক্ষৰণ ৰোগ হৈ বিয়পি যায় আৰু ফলত নাৰ্ভত স্পৰ্শ কৰে আৰু বিষ আৰম্ভ হয়। কেতিয়াবা কেতিয়াবা দাঁত আধাতে ভাঙি যায়। ভিতৰৰ নাৰ্ভ চাপই সম্পূৰ্ণৰূপে ওলাই পৰে। তেনে অৱস্থাত বিষৰ লগতে ফুলি উঠাও দেখা যায়। দাঁতৰ যদি শিপা (Root) অংশ সুস্থ হয় তেতিয়া Root Canal Treatment ৰ সহায়ত দাঁতটো সংৰক্ষণ কৰা হয়। মূলত Root Canal চিকিৎসাত Infected Nerve Supply (সংক্ৰমিত সিৰা) আমাৰ দন্ত চিকিৎসাৰ সঁজুলিৰ সহায়ত (File) উলিয়াই পেলোৱা হয় বা চাফা কৰি দিয়া হয়। দাঁতৰ গুৰিত এনাস্থেচিয়া (Anaesthesia) দি দাঁতটোৰ লগতে সেই ঠাই খিনি অৱশ কৰি লোৱা হয় যাতে বিষ অনুভৱ নহয় চিকিৎসা কৰা সময়ত। দাঁতৰ মধ্যভাগত এক দ গাত কৰি লোৱা হয় য'ৰ পৰা কিছুমান সৰু সৰু সুৰংগ (Canal) দাঁতৰ শিপালৈকে আৰম্ভ হৈছে যাক Canal (কেনেল) নামেৰে জনা যায় আৰু এই Canal সমূহৰ মাজেৰে Nerve সমূহ স্থিতি লৈ থাকে। চিকিৎসাৰ সময়ত এই Nerve সমূহ সম্পূৰ্ণৰূপে পৃথকীকৰণ (Discard) কৰি পেলোৱা হয়। Nerve সমূহ চুলিতকৈয়ো পাতল গতিকে এই চিকিৎসাৰ সময়সীমা কোনো কোনো ক্ষেত্ৰত তিনিৰ পৰা চাৰিদিনলৈ হয়। সম্পূৰ্ণকৈ Nerve সমূহ চাফা কৰাৰ পাছত বিষ উপশম হয়। তেতিয়া শিপা (Root) অংশ চাফা কৰাৰ ফলত ফোপোলা হৈ পৰা বা খালী হৈ পৰা ঠাইখিনি এক বিশেষ ধৰণৰ পদাৰ্থৰ দ্বাৰা পূৰ কৰা হয় বা Filing কৰা হয়। Filing Material শিপালৈকে ভৰ্তি কৰা হয়। কিন্তু কোনো কোনো ক্ষেত্ৰত Root Canal Treatment কৰা দাঁতৰ ওপৰত এক আৱৰণ দিয়া হয় যাক Crown বা Capping বুলি কোৱা হয়। মূলতঃ R C T ৰ সহায়ত দাঁতটো উঠাই পেলোৱাৰ পৰা ৰক্ষা কৰা হয় যাৰ ফলত খোৱা-বোৱা কৰাত সুবিধা হয়।

সমগ্ৰ চিকিৎসা পদ্ধতি শৰ্মা দম্পতীক বুজাই উঠাৰ পাছত তেওঁলোকৰ সন্মতিক্ৰমে মিচেছ শৰ্মাৰ চিকিৎসা আৰম্ভ কৰিছিলোঁ।

চিকিৎসা চলি আছিল কিন্তু মইপ্ৰথম দিনৰ পৰাই লক্ষ্য কৰিছিলোঁ মানুহগৰাকীৰ বিষন্নতাৰ ডাৱৰে অনবৰত আবৰি থকা চকুহাল আৰু শূন্যতাত ওলমি থকা মুখখন যেন তেওঁৰ কোনো আশা, আকাংক্ষা আৰু হেঁপাহ নাই সেউজীয়াক লৈ। বিপৰীতে গিৰিয়েকক ফূৰ্ত্তিবাজ যেনেই লাগিছিল। শৰ্মা উপাধিৰ দম্পতীক মই 'মি:' আৰু 'মিচেছ' শৰ্মা সম্বোধন কৰিছিলোঁ।

চিকিৎসা প্ৰায়ে শেষ হ'বলৈ লৈছিল কিন্তু মিচেছ শৰ্মাৰ চকুৰ শূন্যতা অধিক হৈ গৈছিল।

মই ডাক্তৰ হিচাপে সদায়ে ৰোগীৰ লগত বন্ধুত্বপূর্ণ সম্পৰ্ক ৰাখোঁ। কিন্তু ব্যক্তিগত জগতখনত কেতিয়াও ভুমুকিয়াব যোৱা নাছিলোঁ। তথাপি কিয় জানো তেখেতৰ মুখখনে বাৰে বাৰে মোক অস্থিৰ কৰি তুলিছিল আৰু জানিব মন গৈছিল তেখেতৰ সেই শূন্যতাৰে ভৰা আৰু ডাৱৰে আবৰা চকুহালৰ আঁৰৰকথা। অৱশেষত চিকিৎসা শেষ হোৱাৰ পাছত তেখেতক কৈ পেলাইছিলোঁ "এটা ধুনীয়া হাঁহি মাৰক" বুলি। হাঁহিছিল তেখেতে, কিন্তু হাঁহিটো এটা নিষ্প্ৰভ মৰহি যোৱা ফুলৰ দৰে ওলমি ৰৈছিল ওঁঠৰ এটা কোনত। মই কথা আৰু আগ নবঢ়াই তেওঁলোকক বিদায় দিছিলোঁ।

হঠাৎ দুদিন পিছত মোৰ ওচৰলৈ মিঃ শৰ্মা আহিছিল সম্পূৰ্ণ ব্যক্তিগতভাৱে। কৈছিল তেওঁলোকৰ জীৱনৰ তিতা মিঠা অধ্যায়বোৰৰ কথা।

উজনি অসমৰ মফচলীয়া চহৰখনত তেওঁলোকৰ ঘৰ, দুগৰাকী বায়েক আৰু ভনীয়েকৰ মাজত একমাত্ৰ পুত্ৰ সন্তান মি: শৰ্মা এজন সফল ব্যৱসায়ী। তাৰ বিপৰীতে মিচেছ শৰ্মাৰ ঘৰ নলবাৰী চহৰত, দুয়োৰে প্ৰেম বিবাহ সম্পন্ন হৈছিল ২০০৯ চনত। প্ৰথম অৱস্থাত সকলো ঠিকেই আছিল, আজিৰ দৰে মিচেছ শৰ্মা বিষন্ন নাছিল। এবুকু মৰম আৰু সুখৰ মাজত তেওঁলোকৰ সংসাৰ আগবাঢ়িছিল। কিন্তু জীৱন জানো এটা নিৰ্দিষ্ট সুঁতিত চলে? নিশ্চয় নচলে, জীৱনে সুঁতি সলনি কৰে আৰু এইয়া চিৰন্তন সত্য। বিয়াৰ কেইবা বছৰ পাছলৈও তেওঁলোকৰ জীৱনলৈ সন্তান অহা নাছিল। শৰ্মাৰ বাই ভনী যিহেতু অসমৰ বাহিৰত সংস্থাপিত গতিকে শৰ্মা দম্পতীৰ ওপৰত হেঁচা বেছি পৰিছিল। কেইবাবাৰো IVF কৰি সুফল নোপোৱা মিচেছ শৰ্মা শাৰীৰিক আৰু মানসিকভাৱে ভাঙি পৰিছিল, হয়তো সেইবাবেই তেওঁৰ মুখখন মলিন হৈ পৰিছিল।

লগতে সমাজখনেও যে তেওঁলোকক সেই শূন্যতাখিনিলৈ আঙুলিয়াই থাকে। তেওঁ একপ্ৰকাৰ নিজকে গৃহবন্দী কৰি পেলাইছিল। ইমানখিনিলৈ কৈ ৰৈ গৈছিল মানুহজন। চকুত দুটোপাল অশ্ৰু, যাৰ কোনো মূল্য নাই। মই অনুভৱ কৰিব পাৰিছিলোঁ তেওঁলোকৰ বিষাদখিনি, সন্তানহীনতাৰ বিষাদখিনি।

মই সুধিছিলোঁ "এতিয়া গুৱাহাটীত কিয় আছেহি?"

তেওঁ কৈছিল প্ৰতীক্ষা হস্পিটালত চিকিৎসা কৰি আছে বুলি।

মই সোধো নোসোধোকে সুধিছিলো "আপোনালোকে যদি বেয়া বুলি নাভাবে সন্তান তুলি লোৱাৰ কাৰণে কিয় চেষ্টা নকৰে?"

তেওঁ অলপ আচৰিত হৈছিল, ঘঁহনি খোৱা মাতেৰে কৈছিল " ....বেলেগৰ সন্তানক..কেনেকৈ....???!"

মই কৈছিলো "বেলেগৰ সন্তান কেনেকৈ হ'ল, যি সন্তান আপুনি তুলি লব সেই সন্তানে জানো পিতৃ আৰু মাতৃৰ মৰম পোৱাটো বাঞ্চনীয় নহয়? অনাথ হৈ থকা প্ৰত্যেকটো শিশুৰে সকলোখিনি অধিকাৰৰে যোগ্য যিমানখিনি আমি জন্ম দিয়া সন্তানে পায়। প্ৰথম আৰু শেষৰ কথা এটাই সেইটো হ'ল সংস্কাৰ, হয়তো আমি কেতিয়াবা নিজৰ সন্তানকো দিবলৈ অপাৰগ হৈ উঠোঁ। যাৰ বাবে এতিয়াও একোখনকৈ বৃদ্ধাশ্ৰম আছে। মোৰ বোধেৰে আপোনালোকে সন্তান তুলি লোৱা কথা ভাবিব পাৰে।"

মই মি. শৰ্মাক ভালকৈ বুজাই দিলোঁ কেনেকৈ সন্তান এটা তুলি ল'বলৈ প্ৰথমে কি কৰিব লাগে সেই বিষয়ে।

"চাওক মি. শৰ্মা, আপুনি যদি সন্তান তুলি লয় তেতিয়া পোন প্ৰথমে C A R A (Central Adoption Resource Authority)ৰ অনলাইন ৱেবচাইটত নিজৰ নাম ৰেজিষ্টাৰ কৰিব লাগিব। তাৰ পাছত এটা যিকোনো Adoption Agency বাচি ল'ব লাগিব (সাধাৰণতে নিজৰ সুবিধা অনুযায়ী)। এই Agency টোৱে এটা Home Study ৰিপোৰ্ট দিয়ে আৰু যদি সকলোখিনি ঠিকেই থাকে তেতিয়া অনলাইন ৰেজিষ্ট্ৰেচনটোৰ নামত এটা User ID আৰু Password আহে যাৰ সহায়ত তেওঁলোকে C A R A ৰ ৱেবচাইটত নিজৰ নম্বৰটো কিমানলৈ আহিল চাব পাৰে। U S E R ID আৰু Password অহাৰ ত্ৰিশ দিনৰ ভিতৰত তেওঁলোকে নিজৰ প্ৰয়োজনীয় নথিপত্ৰ এই ৱেবছাইটত আপল'ড কৰিব লাগে। ইয়াৰ লগে লগে এটা ৰেজিষ্ট্ৰেচন নম্বৰ আহে। এটা সময়ত যেতিয়া উক্ত ৰেজিষ্ট্ৰেচন নম্বৰটোৰ পাল পৰে তেতিয়া Specialised Adoption Agency (SAA নামৰ সংস্থাটোৱে দম্পতীহালৰ এটা ঘৰ পৰ্য্যবেক্ষণ বা Home Study ৰিপোৰ্ট ( H S R ) দিয়ে। য'দি এই ৰিপোৰ্ট অনুযায়ী দম্পতীহাল সন্তান তুলি লবলৈ উপযোগী বুলি বিবেচিত হয় তেতিয়া তেওঁলোকক এটা শিশু বাচি লব দিয়া হয় (এটাৰ পাৰা অত্যধিক ছয়টা শিশুৰ ভিতৰত)। শিশু এটা বাচি লোৱাৰ পৰা পোন্ধৰ দিনৰ ভিতৰত তেওঁলোকে Adoption Agency ত খৰৰ কৰিব লাগে। যদি এই Agency ত পোন্ধৰ

দিনৰ ভিতৰত যোগাযোগ নকৰে তেতিয়া তেওঁলোকৰ ৰেজিষ্ট্ৰেচন নম্বৰ আকৌ তলৰ ক্ৰমলৈ নামি আহে। তেওঁলোকে শিশু এটা এবাৰ বাচি লোৱাৰ পাছত SAA য়ে Adoption Process সম্পূৰ্ণ কৰে। লগে লগে তেওঁলোকে Pre Adoption Foster Care (য'ত শিশুটোৰ ইমানদিনে যত্ন লোৱা হৈ আছিল)ৰ পৰা শিশুটো গ্ৰহণ কৰে। ইয়াৰ লগে লগে SAA ই ন্যায়ালয়ত মোকৰ্দমা ৰুজু কৰে যাতে দম্পতীহালে সম্পূৰ্ণ ন্যায়িকভাৱে শিশুটো তুলি ল'ব পাৰে আৰু শিশুটোৱে ভৱিষ্যতে ন্যায়িকভাৱে তেওঁলোকৰ সন্তান হিচাপে সম্পূৰ্ণ মৰ্য্যদা পায়। ন্যায়ালয়ে জাননী জাৰি কৰে আৰু দুবছৰলৈ Post Adoption Follow Up আৰম্ভ হয়। এই দুবছৰ যদি SAA ই সকলোখিনি ঠিকে পায় তেতিয়া শিশুটো সম্পূৰ্ণ ন্যায়িকভাৱে দম্পতীহালৰ হৈ পৰে।"

শৰ্মাই অলপপৰ ভাবি মোক আকৌ লগ কৰাৰ কথা ক'লে। মই তেখেতক মোৰ হাতত থকা দুটামান ফোন নম্বৰ দি পঠিয়াইছিলো যাতে সন্তান তুলি লোৱাৰ ক্ষেত্ৰত অলপ সুবিধা হয়।

সময় বাগৰিছিল, দৈনন্দিন ৰুটিনৰ তাগিদাত শৰ্মা দম্পতী পাহৰনিৰ গৰ্ভত সোমাই পৰিছিল।

হঠাৎ ২০১৭ চনৰ আৰম্ভণিত ৰোগীৰ লগত ব্যস্ত থকাৰ সময়ত শৰ্মা দম্পতী ওলালহি, কোলাত এটি অকণমানি গুলপীয়া শিশু।

সেইদিনা মিচেছ শৰ্মাক সাংঘাতিক ধৰণে সতেজ দেখিছিলোঁ, হাঁহিটো সমগ্ৰ মুখমণ্ডলতে বিয়পি পৰিছিল। মোক ধন্যবাদ দি কৈছিল যে কেতিয়াবা ডাক্তৰো আপোন হৈ পৰে, কিয়নো মই কোৱা কথা দুয়ো আলোচনা কৰিছিল আৰু সকলোৰে সহমতত তেওঁলোকৰ কোলালৈ অকণমানিটো আহিছিল।

শৰ্মা দম্পতী গুছি গৈছিল কিন্তু এৰি গৈছিল মোৰ কাৰণে এটি সন্তোষৰ হাঁহি, যিয়ে মোক আপ্লুত কৰি পেলাইছিল, কাৰণ ধন্যবাদৰ হাঁহিয়ে মনত অকল প্ৰশান্তি দিয়ে .... য'ত জীৱনৰ এন্ধাৰবোৰ নাইকিয়া হয়।

এই লেখাটি কাল্পনিক নহয়। প্ৰয়োজনত নাম সলনি কৰা হৈছে। বিষয়টো অলপ স্পৰ্শকাতৰ কিন্তু বৰ্তমান সমাজত ইয়াৰ প্ৰয়োজনীয়তাৰ বাবে ডায়েৰীৰ পাতৰ পৰা আপোনালোকলৈ আগবঢ়ালোঁ।

সন্তানহীনতা এটা ব্যাধি নহয়, ই এটা পৰিক্ৰমা। কিন্তু ই কেতিয়াও জীৱন হ'ব নোৱাৰে নাইবা জীৱনৰ ৰং হেৰুৱাই পেলাব নোৱাৰে।

মোৰ লিখনিয়েদি কাকো দুখ দিব বিচৰা নাই, সমালোচনাও কৰিব বিচৰা নাই। কিন্তু এবাৰ ভাবি চাব পাৰোঁ জীৱনটো কেৱল সন্তানহীনতাই শেষ কৰিব নোৱাৰে আৰু বহুতো হয়তো কাৰণ আছে যাৰ বাবে আমিবোৰ ইমান ধুনীয়া পৃথিৱীখনত আছোঁ।

# গাৰ্হস্থ্য হিংসা আইন আৰু আনুষংগিক কিছু কথা

হিৰোচিমা বৰা পাঠক

সমাজ উন্নত যিমানেই নহওক কিয় নাৰীজনীত ঘটনাৰ যেন শেষ নাই। অতীজৰ পৰাই নাৰীয়ে বিভিন্ন ধৰণৰ ঘৰুৱা হিংসা, ধৰ্ষণ, শোষণ, শাৰীৰিক তথা মানসিক অত্যাচাৰৰ বলি হব লগা হৈছে। বৰ্তমান সময়ত সমাজত বহুল পৰিমাণে ঘটি থকা ঘটনা সমূহৰ মাজত অন্যতম হৈছে Domestic Violence against women (ঘৰুৱা হিংসা)।

কি এই ডমেষ্টিক ভায়'লেন্স? ইয়াৰ কাৰ্য্যকৰী আইন ব্যৱস্থা সমূহ কেনেধৰণৰ?

Domestic violence against women মানে হৈছে এনে যিকোনো ধৰণৰ একটিভিটি বা কাৰ্যকলাপ যিয়ে এগৰাকী নাৰীক দৈহিক, মানসিক, আবেগিক, সামাজিক অথবা আধ্যত্মিক ভাবে এখন ঘৰৰ চাৰিবেৰৰ মাজত আঘাত বা কষ্ট দিয়া হয়। আৰু যিটো ওচৰ চুবুৰীয়া নাইবা অচিনাকি মানুহৰ দ্বাৰা নহয়।

Criminal Law

ভাৰতৰ criminal law টো Indian penal code,1860 বেছ কৰে। তদুপৰি অন্য কিছুমান বিশেষ আইনো আছে। Indian penal code1860–ত কিছুমান offence (অপৰাধ) উল্লেখ আছে যিয়ে ঘৰুৱা হিংসাৰ বিষয়ে আলোচনা কৰে। তেনেকুৰা কিছুমান offence (অপৰাধ) লৈয়ে এই লিখনিটো ঃ-

১।Dowry death (যৌতুকৰ কাৰণে হত্যা) ঃ- IP C sec304-B অনুসৰি যদিহে এগৰাকী মহিলাৰ মৃত্যুৰ কাৰণ স্বাভাৱিক মৃত্যুৰ সলনি যিকোনো জ্বলন নাইবা শৰীৰত আঘাত পোৱা কাৰণে হয় বিয়াৰ ৭ বছৰৰ ভিতৰত আৰু যদি মৃত্যুৰ আগতে তেওঁ স্বামী নাইবা পৰিয়ালৰ মানুহৰ দ্বাৰা অত্যাচাৰ পাইছিল যৌতুক দাবী কৰাক লৈ তেন্তে এনে মৃত্যুক dowry death বুলি ধৰা যায়।

শাস্তি ঃ যি ব্যক্তিয়ে এনেধৰণৰ হত্যা সংঘতিত কৰে তেওঁক কাৰাবাস দিয়া হয় যিটো অতি কমেও ৭ বছৰৰ নাইবা যাৱজীৱন হ'ব পাৰে।

২।Forceful termination of pregnancy (জোৰ জবস্তি গৰ্ভপাত কৰোৱা) ঃ- IPC sec313 - 316 ipc অনুসৰি যদিহে কোনো স্বামীয়ে পত্নীক জোৰ জবোৰদস্তি (forcefully) গৰ্ভপাত কৰাই নাইবা কৰাবলৈ চেষ্টা কৰে সেইটো এক প্ৰকাৰৰ domestic violence।

শাস্তি ঃ ইয়াৰ শাস্তি যাৱজীৱন কাৰাদণ্ড (life imprisonment) নাইবা দহ বছৰ কাৰাদণ্ড (10 years imprisonment) আৰু জৰিমনা (fine)।

৩।When women is driven to commit suicide (নাৰীক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা) বিশেষকৈ কিছুমান ঘৰত স্ত্ৰী সকলক যৌতুক দাবীক লৈ শাস্তি দিয়া হয় আৰু শেষত তেওঁলোকে আত্মহত্যা কৰিবলৈ বাধ্য হয়।

শাস্তি ঃ এনেধৰণৰ দোষৰ বাবে sec305 আৰু 306 ipc অনুসৰি ইয়াৰ শাস্তি ১০ বছৰ কাৰাদণ্ড আৰু জৰিমনা হ'ব পাৰে।

৪।Causing hurt or grievous hurt (আঘাত আৰু খুব বেছি পৰিমানে আঘাত কৰা) এইটো domestic violence ৰ একেবাৰে বহুল চলিত অৰ্থাৎ সাধাৰণতে দেখিবলৈ পোৱা অপৰাধ। sec 319 IPC মতে এই প্ৰকাৰটো হৈছে শাৰীৰিক ভাবে আঘাত কৰা, বেমাৰ বা infirmity, শাৰীৰিক দুখ কষ্ট দিয়া যায়।

শাস্তি ঃ ইয়াৰ শাস্তি কাৰাদণ্ড (imprisonment) যিটো ৭ বছৰলৈ বাঢ়িবও পাৰে আৰু লগত জৰিমনা (fine)।

৫।Unlawful confinement ঃ (আইনসংগত নোহোৱা আটক) ঃ- এইটো আন একপ্ৰকাৰৰ domestic

violence। যেতিয়া এগৰাকী নাৰীৰ চলন ফুৰণত বাধা দি তেওঁক চাৰিবেৰৰ মাজত বন্দী কৰি ৰখা হয়। এইটো IPC sec 339 আৰু 340 অনুসৰি এটা শাস্তিমূলক অপৰাধ (punishable offence)।

শাস্তি ঃ sec 341 IPC - যিয়ে তেওঁৰ পত্নীক অনেধৰণে বাধা আৰোপ কৰে তেওঁ এমাহৰ বাবে জেল নাইবা 500 টকাৰ fine নাইবা দুইটা হব পাৰে।

Sec 342 IPC- যিয়ে চাৰিবেৰৰ মাজত বন্দী বা অৱৰোধ কৰি ৰাখে তেওঁলোকৰ শাস্তি ১ বছৰ জেল বা এহাজাৰ টকাৰ জৰিমনা নাইবা দুইটা হ'ব পাৰে।

৬। Marital Rape ঃ- (বিবাহ সম্বন্ধীয় ধৰ্ষণ) ঃ- আন এটা কমন domestic violence হৈছে Marital Rape। যেতিয়া কৌৰ্টৰ decree অনুযায়ী judicial separation ৰ সময়ত নাইবা কিবা নিয়ম (custom) ৰ বাবে পত্নীয়ে separate ভাবে থাকে আৰু সেই সময়ত পত্নীৰ মত নোহোৱাকৈ স্বামীয়ে জোৰ জবোৰদস্তি sexual intercourse কৰে IPC sec 376-A অনুসৰি এটা punishable offence হয়।

শাস্তি ঃ ইয়াৰ শাস্তি দুবছৰ জেল নাইবা fine হব পাৰে।

৭। Misappropriation of wife property ঃ- (পত্নীৰ সম্পত্তি অসাধুগত আত্মসাৎ কৰা) এইটো একপ্ৰকাৰৰ domestic violence. IPC sec 405 আৰু 406 অনুসৰি নিজৰ সুবিধাৰ কাৰণে পত্নীৰ সম্পত্তি অসাধুগত ভাৱে আত্মসাৎ কৰাটো criminal breach of trust, যিটো punishable offence।

শাস্তি ঃ ইয়াৰ শাস্তি তিনিবছৰ জেল বা জৰিমণা হব পাৰে নাইবা দুইটা হব পাৰে।

৮। Matrimonial cruelty (বৈবাহিক নিষ্ঠুৰতা) sec498-A IPC,1860 মতে পত্নীৰ ওপৰত স্বামী নাইবা স্বামী পৰিয়াল বৰ্গৰ দ্বাৰা শাৰীৰিক বা মানসিক ভাবে কৰা নিষ্ঠুৰতা বা নিৰ্যাতন একপ্ৰকাৰৰ ডমেষ্টিক ভায়লেন্স।

শাস্তি ঃ ইয়াৰ শাস্তি ৩ বছৰ জেল নাইবা জৰিমনা হ'ব পাৰে।

৯। Adultery ঃ (পৰস্ত্ৰী গমন) যেতিয়া এজন বিবাহিত পুৰুষৰ আন এগৰাকী বিবাহিত মহিলাৰ লগত অবৈধ যৌন সম্পৰ্ক থাকে তেতিয়াহলে তেওঁৰ আইনগত বিবাহিত পত্নীৰ ওপৰত domestic violence কৰা বুজায়। আইনগতভাৱে পৰস্ত্ৰী গমন এটা শাস্তিমূলক অপৰাধ।

শাস্তি ঃ sec 497 IPC মতে ইয়াৰ শাস্ত্ৰী ৫ বছৰ জেল নাইবা জৰিমনা হব পাৰে, এইয়া ইমান দিনে চলি অহা ন্যায়িক ব্যৱস্থা। কিন্তু ভাৰতৰ উচ্চতম ন্যায়ালয়ে যোৱা ইং ২৭/৯/২০১৮ তাৰিখে এটা নতুন ৰায়দান দিয়ে। নতুন নিয়ম অনুসৰি পৰস্ত্ৰী গমন (Adultry) ডিভৰ্চ ৰ এটা কাৰণ (ground) হব পাৰে। আৰু যদি এই কাৰণত কোনো এজনৰ ইচ্ছাকৃত মৃত্যুও হয় তেতিয়াহলে সেই ৩য় ব্যক্তিক যাৰ লগত adultry সংঘটিত হৈছিল তেওঁক prosecuted for abetment of suicide sec 306 IPC মতে শাস্তি প্ৰদান কৰা হয়।

এইয়া আমাৰ সমাজত ঘটি থকা common domesti violence (ঘৰুৱা হিংসা) ৰ ওপৰত কিছু তথ্য । লিখনিটোৰ শেষত এটা অনুৰোধ জনাম কোনেও যাতে এনেধৰণৰ অপৰাধ সহ্য কৰি নাথাকে। দোষ কৰিলে তাৰ শাস্তিৰ কাৰণে আইন ব্যৱস্থা আছে অলপ সাহস কৰি বিৰোধিতা কৰিলে বহু নাৰী মৃত্যুৰ মুখৰ পৰা ৰক্ষা পৰিব আৰু এখন অপৰাধ মুক্ত সমাজৰ সৃষ্টি হব।

# পৰিশীলিত মাতৃৰ শৃংখলিত সন্তান

**ড° জাহ্নৱী লহকৰ বৰুৱা**

কোনে মোক তুলি তালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ
কৰিছিল স্নেহ মোৰ দুগালত চুমা খাই
তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।

আই, মা, বৌটি-যি বুলিয়েই নামাতো কিয় সেই প্ৰতিটো শব্দতে কোমলতা আছে। এখন সু-শীতল কোলাৰ আমেজ আছে। মাকৰ মৌ সনা মিঠা মাতত নিৰ্বাপিত হয় সন্তানৰ ঠেঁহ-পেছ, শোক-দুখ, আপত্তি -অভিমান। মাতৃৰ কোলাত মূৰ গুজি সন্তানে অনুভৱ কৰে সৰগীয় সুখানুভূতি। গৰ্ভস্থ হোৱা দিনটোৰেই পৰা পৃথিৱীৰ নতুন অতিথি হৈ অহা দিনটোলৈকে সন্তানৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে পল অনুপল একাকাৰ কৰি ব্যস্ত হৈ পৰে এগৰাকী মাতৃ। নিৰ্দিষ্ট সময়ৰ অন্তত সীমাহীন আপডালৰ সাক্ষী হৈ মাতৃৰ কোলাত আত্মপ্ৰকাশ কৰে সদ্যোজাত সন্তানে। জননীৰ গৌৰৱেৰে গৌৰৱান্বিত হয় জন্মদাত্ৰী মাতৃ। সেই সন্তানক বুকুত সাৱটি আশাৰ মালিতা ৰচে মাতৃয়ে। আঙুলিত ধৰি ধৰি অ, আ, ক, খৰে জীৱনৰ আদিপাঠৰ ধাৰণা দিয়ে। ৰ'দ, বতাহ, বৰষুণ আৰু জীৱনৰ জ্ঞান দিয়ে। এনেদৰেই নিজ সন্তানক পূৰ্ণাংগ মানৱ সম্পদ হিচাপে গঢ় দিয়াত সকলো দায়িত্ব পালন কৰে এগৰাকী মাতৃয়ে।

শিশুৰ শিক্ষাৰ কঠিয়াতলী হ'ল ঘৰখন। এই ঘৰখনতেই মিলাপ্ৰীতি, সহযোগিতা, সহানুভূতি, সততা, সহিষ্ণুতা, মৰম চেনেহ, দয়া, ক্ষমা আদি মূল্যবোধ সমূহৰ বিকাশেৰে ঘৰৰূপী কঠিয়াতলীখন উৰ্বৰা কৰি তোলাৰ ক্ষেত্ৰত মাতৃগৰাকীৰ ভূমিকা আটাইতকৈ বেছি। এটি শিশুক বিদ্যালয়ৰ যাৱতীয় সামগ্ৰীখিনি যোগাৰ দিয়াতেই অভিভাৱকৰ দায়িত্ব সীমাবদ্ধ নহয়। শিশুৰ বাবে প্ৰয়োজনীয় শাৰীৰিক, মানসিক, বৌদ্ধিক খাদ্যৰ যোগান ধৰাটো অতি গুৰুত্বপূৰ্ণ। ঘৰখনতেই সকলো প্ৰকাৰৰ শিক্ষাৰ বীজ অংকুৰিত হয়। শিশু অৱস্থাত গঢ় লোৱা মূল্যবোধে শিশুৰ ওৰেটো জীৱন প্ৰভাৱিত কৰি ৰাখে। জন্মদাত্ৰী মাতৃগৰাকীৰ লগত শিশুৰ প্ৰাথমিক সম্বন্ধ গঢ় লয় আৰু লাহে লাহে ঘৰখনৰ আন আন সদস্য সকলৰ লগত ঘনিষ্ঠতা গাঢ় হয়। শিশুৰ বিকাশত প্ৰভাৱ বিস্তাৰ কৰা সকলো পৰিৱেশ ঘৰখনত থকাটো প্ৰয়োজন বাবেই দায়িত্বৰ গুৰুভাৰ মাতৃগৰাকীৰ ওপৰত পৰে।

ঘৰখনৰ পৰা অৰ্জন কৰা আদি পাঠেৰে শিশুৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হয় বিদ্যালয়ত আৰু সামাজিকীকৰণ প্ৰক্ৰিয়া গঢ় লয়। বিদ্যালয়তে শিশুৰ আন আন বহুতো গুণ আৰু দিশ বিকাশপ্ৰাপ্ত হয় আৰু সেই আটাইবোৰ ঘৰখনত পৰিবৰ্ধিত হয় মাতৃৰ ছত্ৰছাঁয়াত। মাতৃগৰাকীৰ সময় ব্যৱস্থাপনা, বুদ্ধিমত্তা, পৰ্যবেক্ষণ ক্ষমতা আদিৰে শিশুক লগ দিলেহে শিশুৰ পূৰ্ণ বিকাশৰ পথ প্ৰশস্ত হ'ব। মাতৃৰ কোমলমনা মনটোৰ সুযোগ গ্ৰহণ কৰি যাতে এটি শিশু বিপথগামী নহয়তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখাটো মাতৃগৰাকীৰ বাবে অতি প্ৰয়োজন। পূৰ্ণ আন্তৰিকতা, উদাৰতা, আত্ম অনুশাসনেৰে মাতৃগৰাকীয়ে শিশুৰ প্ৰতিটো খোজত লগ দিব পাৰিলেহে শিশুটো আগবাঢ়ি যাব। শিশুৰ ভাল লগা, বেয়া লগা, ৰুচি-অভিৰুচি আদিক লালন পালন কৰি তাৰ অৱলম্বনত সুস্থ ৰূপত এজোপা বটবৃক্ষলৈ ৰূপান্তৰ কৰাৰ দায়িত্ব মাতৃ গৰাকীৰ বেছি। মাতৃৰ বহুগুণ অজানিতে শিশোৱে নিজৰ মাজত আহৰণ কৰে। সেয়ে মাতৃসকল সদা সচেতন হোৱাটো একান্ত প্ৰয়োজন। আধ্যাত্মিক ভাৱ বিকাশৰ আদিপাঠ হিচাপে নিয়মীয়াকৈ প্ৰাৰ্থনা কৰিবলৈ শিশুক শিকোৱাটো মাতৃগৰাকীৰ কৰ্তব্য। এক শৃংখলাবদ্ধ জীৱন যাপনৰ বাবে প্ৰাৰ্থনা অমোঘ মন্ত্ৰ। শিশুৰ নান্দনিক, সাংস্কৃতিক ৰুচিবোধ জাগ্ৰত কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা আৰু সম্ভাৱনীয়তাৰ বহিৰ্প্ৰকাশ ঘটাবলৈ মাতৃগৰাকী সদায় যত্নপৰ হ'ব লাগিব। কিয়নো শিশুক সকলো দিশৰ পৰা এগৰাকী মাতৃয়েহে বুজি পায়। শিশুৰ মনত ভাতৃত্ববোধ, প্ৰেমৰ মহৎ বীজ ৰোপণ কৰাৰ দায়িত্ব মাতৃগৰাকীৰ অধিক। ওচৰ-চুবুৰীয়া (যি ক্ৰমান্বয়ে হেৰাই গৈছে!), জীৱ-জগত, গছ-গছনি আদিৰ প্ৰতি মৰম চেনেহ জগাই তোলাৰ মাজেৰে প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্বন্ধৰ বিষয়ে শিশুসকলক সজাগ কৰাটো

প্ৰয়োজন। বৰ্তমান সময়ত অধিকাংশ শিশোৱে ম'বাইল, কম্পিউটাৰ, দূৰদৰ্শন আদিৰ মাজতে সময় অতিবাহিত কৰে। খেলিবলৈ মুকলি ঠাই, লগ সংগৰ অভাৱ যদিওঁ স্বাস্থ্য ৰক্ষাৰ বাবে খেলাধূলাৰ গুৰুত্ব অপৰিসীম। সেয়েহে শিশুৰ বাবে এই সকলোবোৰৰ সু-বন্দোৱস্ত কৰাৰ দায়িত্ব মাতৃসকলৰ বেছি। প্ৰত্যেক শিশুৰ মাজত অন্তৰ্নিহিত যোগ্যতাৰ মাজেৰে শিশুক আগবঢ়াই নি প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মাতৃগৰাকীৰ ভূমিকা লেখত ল'বলগীয়া। 'আনৰ ল'ৰাই পৰীক্ষাত ইমান নম্বৰ পাইছে, অমুকৰ জীয়েকে গানে, নাচে আগবঢ়া, অমুক, তমুক...' বুলি নিজৰ সন্তানক গালি শপনি দিয়াতকৈ মাতৃসকলে সদায় বুজিব লাগিব যে শিশুৰ বুদ্ধিমত্তাৰ ভিন্নতাৰ বাবে কাম-কাজ, পঢ়-শুনা আদিত পাৰ্থক্য থকাটো স্বাভাৱিক। তাকে নুবুজি যদি মাতৃ বা ঘৰখনৰ আন সদস্যসকলে ওলোটা প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, তেন্তে শিশুটোৰ বিকাশ স্বাভাৱিকতেই বাধাগ্ৰস্ত হ'ব। আকৌ এইটোও লক্ষ্য কৰিব লাগিব যাতে শিশুটো বিপথে পৰিচালিত নহয়। এই ক্ষেত্ৰত মাতৃগৰাকীয়ে গঠনমূলক নিৰ্দেশনা, উচিত উপদেশেৰে শিশুক আগুৱাই নিব লাগিব। সমাজত দেখা দিয়া বিশৃংখলতা, দুৰ্নীতি, অশান্তি, অসূয়াসমূহক আঁতৰ কৰিব পৰাৰ উচিত পন্থা হৈছে মূল্যবোধৰ জাগ্ৰতকৰণ। সেয়ে মাতৃসকলে শিশুক সৰুৰে পৰা সজ জ্ঞান প্ৰদানৰ জৰিয়তে উচিত মূল্যবোধৰ বীজ ৰোপণ কৰি সমাজ আৰু জীৱনৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰিবলৈ যত্নপৰ হ'ব লাগিব। প্ৰতিগৰাকী মাতৃয়ে নিজ নিজ সন্তানক এইদৰে আগুৱাই নিব পাৰিলে ক্ষয়িষ্ণু সমাজখন পুনৰ সবল আৰু সজীৱ হৈ উঠিব বুলি আশা কৰিব পাৰি।

মাতৃসকল হ'ল সহনশীলা, আনন্দময়ী, ধৈৰ্যশীলা, মংগলময়ী, মমতাময়ী। স্বভাৱসুলভভাৱেই প্ৰতিগৰাকী নাৰীৰে সকলো দুখ-যন্ত্ৰণা শুহি লৈ নিজক সবল ৰূপত দাঙি ধৰাৰ শক্তি আছে। মাত্ৰ প্ৰয়োজন নিজৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষাবোৰক উচিত, শুদ্ধ আৰু স্বাৰ্থহীন কৰি তোলা। পৰচৰ্চা, পৰনিন্দাৰ পৰা আঁতৰি থাকি প্ৰতিগৰাকী মাতৃয়ে নিজৰ সন্তানৰ উৎকৰ্ষ সাধনৰ বাবেহে যত্নপৰ হ'ব লাগে। আনৰ ভালখিনি আহৰণ কৰাৰ সু-পৰামৰ্শ মাতৃসকলে তেওঁলোকৰ সন্তানসকলক দিব লাগিব। মাতৃসকল যিদৰে মৰমীয়াল, ঠিক সেইদৰে প্ৰয়োজন সাপেক্ষে কঠোৰো হ'ব লাগিব। সন্তানৰ দাবীসমূহ বিনা বিচাৰেৰে মোহান্ধ হৈ মানি ল'লে সন্তান বিপথগামী হোৱাৰ পথ মুকলি হ'ব পাৰে। বহু মাতৃয়ে তেওঁলোকৰ সন্তানসকলৰ মাজেৰে নিজৰ সপোনবোৰ পূৰণৰ বাবেই সন্তানসকলক হেঁচা প্ৰয়োগ কৰে। এনে কৰিলে সন্তানসকলৰ নিজস্ব সপোনবোৰ কলিতে মৰহি যায় আৰু হীনমন্যতাত ভুগি শিশুৰ মানসিক স্বাস্থ্য ৰোগগ্ৰস্ত হৈ পৰিব পাৰে। সন্তানসকলৰ সুৰক্ষা, অনুশাসন আদিৰ দায়িত্ব মাতৃগৰাকীৰ ওপৰতে ন্যস্ত। সেয়েহে মাতৃগৰাকীয়ে বন্ধুত্বসুলভ আচৰণেৰে সন্তানসকলৰ লগত কথা-বাৰ্তা পাতিব লাগে, খেলা ধূলা কৰিব লাগে। সন্তানটিক আনৰ লগত তুলনা নকৰি তেওঁৰ ভিতৰত অন্তৰ্নিহিত প্ৰতিভাসমূহৰ বৰ্হি-প্ৰকাশৰ বাবে উদগনি যোগাব লাগে। অভিভাৱকসকলৰ অৱহেলাই শিশুক দায়িত্বজ্ঞানহীন আৰু জেদী স্বভাৱৰ কৰি তোলে। আমি অৰ্থাৎ মাতৃসকলে সময়ৰ দোহাই দি আমাৰ সন্তানক যুগৰ লগত খাপ খাবলৈ সহজতে প্ৰস্তুত কৰিব পৰা ফাষ্টফুডজাতীয় খাদ্য যোগান ধৰোঁ তেনে খাদ্য স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। মাতৃসকল সৰ্বদিশত সচেতন হ'লেহে তেওঁলোকৰ সন্তানসকলক মানৱ সম্পদ হিচাপে গঢ় দিয়াত সহায়ক হ'ব।

শেষত ক'ব বিচাৰোঁ যে, মাতৃসকলে তেওঁলোকৰ সন্তানসকলক সু-সংস্কাৰ দিয়ক যাতে নাৰী আৰু পুৰুষৰ সম মৰ্যদাৰ কৰ্ষণত এখন সৰ্বাংগসুন্দৰ সমাজৰ বাস্তৱ ছবিয়ে সকলোকে আলোকিত কৰি তোলে।

# অস্তিত্বৰ সংকটত অসম আৰু অসমীয়া জাতি

**লিপিকা গগৈ**

অসম বুলিলেই সকলোৰে মানসপটত ৰৈ যায় এক সুদৃশ্য বিনন্দীয়া অসমতল ভূখণ্ড। যি ভূখণ্ডত মিহলি হৈ আছে সহজ সৰল জীৱনৰ সেউজীয়া ছবি। বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰপূৰ, প্ৰাকৃতিক সম্পদেৰে চহকী অসমৰ বুকুত বৈ আছে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ স্বৰধ্বনি। যি স্বৰধ্বনিয়ে সময়ে সময়ে অসমৰ বিশৃংখল সময়বোৰ শৃংখলিত কৰি তুলিছিল। কিন্তু বৰ্তমান এই দুই উপত্যকাত বাজিছে অস্তিত্বৰ সংকটৰ ধ্বনি। সেউজীয়াৰ মাজেৰে বলিছে গৰম বতাহ । যি বতাহত নিচিহ্ন হ'ব পাৰে প্ৰজন্মৰ পাছত প্ৰজন্ম।

আমাৰ পূৰ্বজ চাওলুং চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত সুদূৰ মুংৰিমুৰাংৰ পৰা পাটকাইৰ সুউচ্চ পাহাৰ অতিক্ৰম কৰি সৌমাৰখণ্ডত ভৰি থোৱাৰ পাছৰেই পৰাই অসম আৰু অসমীয়াৰ জাতি গঠনৰ বুনিয়াদ আৰম্ভ হৈছিল বুলি কব পাৰি। কিয়নো আহোমসকলেই এই অসমতল ভূখণ্ডক অসম নামেৰে নামাকৰণ কৰিছিল। পূৰ্বতে এই ভূখণ্ড কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ নামেৰে জনাজাত আছিল। তেওঁলোকে যুদ্ধ জয়েৰে হওক বা মিত্ৰতাৰ ডোলেৰেই হওক এই ভূখণ্ডত পূৰ্বৰে পৰা বসবাস কৰি থকা মৰাণ, মটক, চুতীয়া, কছাৰী, জয়ন্তীয়া, ডফলা, মিছিমি, আবৰ আদি সৰু বৰ জনগোষ্ঠীসমূহক একত্ৰিত কৰি বৰ অসম গঢ়ি এক বৃহৎ অসমীয়া জাতি গঠন কৰিছিল। এটা নতুন সভ্যতা সংস্কৃতিৰ বাট মুকলি কৰিছিল। কিন্তু চুকাফাই কোনো দিনেই নিজৰ ধৰ্মীয় কলা -সংস্কৃতি আন জনগোষ্ঠীসমূহৰ মাজত জাপি দিব খোজা নাছিল বৰঞ্চ নতুন সংস্কৃতিৰে সকলোকে একত্ৰিত কৰি এখন বৰ অসম গঢ়িছিল। যিটো আজি পৰ্যন্ত পৃথিৱীৰ ইতিহাসত বিৰল।

কিন্তু সময়ৰ সোঁতত চুকাফাই গঢ়ি যোৱা বৰ অসমৰ ভেঁটি খণ্ডিত হৈ ৰ'ল মাথোঁ গোষ্ঠীগত, ভাষাগত পাৰ্থক্যৰ বাবে। নিজস্বতাৰে হৈ পৰিল সাতভনী। বৰ্তমানৰ এই ক্ষুদ্ৰ অসম ভূমিও বিভাজিত হোৱাৰ পথত সেই গোষ্ঠীগত, ভাষাগত পাৰ্থক্যৰ বাবেই। সুকীয়া সুকীয়া ভূমিৰ দাবীদাৰেৰে অগ্নিৰ স্ফুলিংগ ছটিয়াই নিৰীহৰ তেজেৰে ৰাঙলী কৰি তোলে ৰাজপথ।

দৰাচলতে অসম ভূমি বুলি কলেই ভাষাৰ ক্ষেত্ৰত পোনপটীয়াকৈ আহি পৰে অসমীয়া ভাষাটো। অসমীয়া এক সুপ্ৰাচীন ভাষা। যিটো ইন্দো আৰ্য্যজাতিৰ ক্ৰমবিকাশৰ মাজেৰে আহি লোৱা এক পৰিশোধিত ৰূপ। যি ভাষাই পৰাণ জুৰায়, যি ভাষা অসমৰ প্ৰকৃত পৰিচয় সেই ভাষাই হ'ল অসমীয়া ভাষা। ভাৰতীয় আৰ্য্যভাষাৰ এক বিশেষ ক্ৰম বিৱৰ্তনৰ মাজেৰে আহি খ্ৰীষ্টীয় দশম, একাদশ শতিকামানত অসমীয়া ৰূপ লবলৈ আৰম্ভ কৰে।পূৰ্বতে বসবাস কৰা যাক আমি অনাৰ্য বুলি পৰিচয় দিও সেই তিৰ্ব্বতবৰ্মী আৰু অষ্টিকসকলৰ ভাষাৰ প্ৰভাৱো অসমীয়া ভাষাৰ ওপৰত পৰিছে। অসমীয়া ভাষাটো বিভিন্ন স্তৰৰ মাজেৰে আহি উপনীত হৈছে যদিও পোনপটীয়াকৈ কবলৈ গলে, ভাৰতীয় আৰ্য্যগোষ্ঠীৰ তিনিটা ভাগ প্ৰাচীন ভাৰতীয়, মধ্য ভাৰতীয় আৰু নবীন ভাৰতীয় আৰ্য্য ভাষা হিচাপে বিভক্ত হৈছে। সেই প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাই ধ্বনিগত আৰু ব্যাকৰণগত পৰিৱৰ্তন লাভ কৰি পুনৰ প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি আধুনিক ভাৰতীয় আৰ্যভাষাত প্ৰৱেশ কৰি বৈদিক সংস্কৃত আৰু প্ৰাকৃত ভাষালৈ পৰিনত হয়। পুনৰ প্ৰাকৃত ভাষাৰ আঞ্চলিক ৰূপ প্ৰাচ্য অপভ্ৰংশৰ পৰা উৎপত্তি হোৱা কামৰূপী প্ৰাচ্য অপভ্ৰংশৰ পৰাই অসমীয়া ভাষাই খ্ৰীষ্টীয় দশম শতিকাত স্বকীয় ৰূপ ধাৰণ কৰিছিল।

কিন্তু দুখৰ বিষয় যে অসমীয়া ভাষাৰ গঢ় আৰু ধ্বনিগত বৈশিষ্ট্যবোৰ সংস্কৃত মূলীয় হলেও স্বকীয় মহিমাৰে থিয় দি উঠা ভাষাটোৰ বাবেই সংগ্ৰাম কৰিব লগা হৈছে এচাম অসমীয়াই। অসমৰ অধিকাংশ লোকৰ মুখতেই এতিয়া এটাই প্ৰশ্ন অসমীয়া কোন? অপ্ৰিয় হলেও এটা কথাই সত্য যে অসমত বসবাস কৰা সমূহ জাতি জনগোষ্ঠীৰ সংমিশ্ৰণই যদি অসমীয়া হয় তেন্তে আমি সাম্প্ৰদায়িক বা গোষ্ঠীগত ভাষাৰ গইনা লৈ কিয় বিভাজিত হব বিচাৰিছোঁ ? কিয় লাগে আমাক সুকীয়া সুকীয়াকৈ একো একোটা লেণ্ড। এইখিনিতে আহি পৰে অসমৰ প্ৰান্তৰে প্ৰান্তৰে বিচাৰি থকা সুকীয়া ভূখণ্ডৰ কথা, অসমীয়া হব নোখোজাৰ

কথা।

ভাষাবিদ, বুৰঞ্জীবিদ সাহিত্যিক লীলা গগৈয়ে কৈছে যে - অসমত যাৰ জন্ম, যি অসমত স্থায়ীভাৱে বসবাস কৰিছে, যি অসমীয়া ভাষা কয়, যি অসমীয়া জনজীৱনৰ সৈতে নিৰৱচ্ছিন্ন সম্পৰ্ক গঢ়ি তুলিছে আৰু অসমৰ স্বাৰ্থস্বৰ্ত সংৰক্ষণৰ অৰ্থে আন্তৰিকতাৰে সৈতে বৰঙনি যোগাইছে তেৱেঁই অসমীয়া"।

পুনৰ এই সম্পৰ্কে জনগোষ্ঠীয় কিছুমান সাহিত্য অনুষ্ঠানতো আলোচিত হৈছে যে- যি সকলৰ মাতৃভাষা অসমীয়া আৰু যিসকলে নিজস্ব অসমীয়া কৃষ্টি সংস্কৃতি, পৰম্পৰা বজাই ৰাখিছে আৰু স্বকীয় ইতিহাস ভৰপূৰ সেইসকলেই অসমীয়া। যিসকলে অসমীয়া জাতীয়তাত লীন হৈ নিজৰ জাতীয় সত্তা সম্পূৰ্ণৰূপে হেৰুৱাই পেলাইছে তেওঁলোকো অসমীয়া । কিন্তু কাৰ্বি, বড়ো, মিচিং, ৰাভা, ডিমাছা, তিৱা আদি জনগোষ্ঠীসমূহ ভাষা, সংস্কৃতি, পৰম্পৰা আৰু ইতিহাসেৰে ঐতিহ্যমণ্ডিত। তেওঁলোক অসমৰ ভূমিপুত্ৰহে অসমীয়া নহয়। "

এই কথাটো যদি মানি লোৱা হয় তেন্তে সেই অতীজতে পাঠ্যপুথিত সন্নিবিষ্ট ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ"অসমীয়া ডেকাৰ উক্তি নামৰ কবিতাটোত নাছিল নে -

" ময়ে অসমীয়া
ময়ে জয়ন্তীয়া
ডফলা, আবৰ অকাঁ
ময়ে চিংফৌ ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা।
সাম্য মৈত্ৰীৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনশিঙীয়া...।

পুনৰ অসমৰ বীৰ যোদ্ধা লাচিত বৰফুকনে নৰীয়া শৰীৰে মোগলৰ লগত যুদ্ধ কৰি কৈছিল-" শৰীৰত শেষ বিন্দু তেজ থকালৈকে অসমীয়াৰ হকে যুঁজ কৰি যাম"। ইয়াত অসমীয়া বুলি কাক বুজোৱা হৈছে ? নিজা ভাষা ,সংস্কৃতি সাজপাৰ থকাসকল যদি অসমীয়া নহয় তেন্তে লাচিত বৰফুকনে কিয় নিজকে অসমীয়া বুলি পৰিচয় দিছিল ? আহোম সকলৰো তো নিজস্ব ভাষা-সংস্কৃতি আৰু জীৱন ধাৰণ শৈলী আছিল!!

এই সকলোবোৰৰ পৰা এটা কথাই স্পষ্ট হয় যে অসমৰ মাটি পানী সেৱন কৰি অসমৰ ভাষা সংস্কৃতিক জীয়াই ৰাখি অসমৰ হকে ঐক্যবদ্ধ ভাৱে কাম কৰি যোৱা প্ৰতিজন ব্যক্তিয়েই অসমীয়া। তেন্তে এজন অসমীয়া হিচাপে অসমীয়া ভাষাটোৰ অস্তিত্ব ৰাখিবলৈ আমি কিয় অৱহেলা কৰিছোঁ ? ভাষা সংস্কৃতিৰ সংকটৰ কালত আমি ঐক্যবদ্ধ হব পৰা নাই কিয়? এইয়াও বৰ্তমান সময়ত এক বিৰাট প্ৰশ্ন। যি ভাষাই আমাক এক পৰিচয়েৰে বিশ্বমানসত তুলি ধৰিছে সেই ভাষা, সেই জাতিৰ অস্তিত্ব থাকিবগৈ নে? অসম নামৰ এই ক্ষুদ্ৰ ভূমিতে আমি কিয় বিচাৰি আছোঁ গোষ্ঠীগত এক সুকীয়া ভেঁটি!!

সংকটে নেৰে অসমীয়া জাতিক। সন্মুখীন হবলৈ সাহস আছে বাবেই হয়তো সংঘাতো সঘনে আহে। সেয়ে বোধহয় সময়ৰ সোঁতে সোঁতে আহি পুনৰ সংকটৰ গৰাহত পৰিছে অসমীয়া ভাষাটো। পূৰ্বতে বাংলা আৰু অসমীয়া ভাষাৰ যি ভাষিক আন্দোলনৰ শিপা বিস্তাৰিত হৈছিল সেই শিপাই পুনৰ খামুচিব বিচাৰিছে মাটি। মাগধী অপভ্ৰংশৰ শিপাত জন্ম লোৱা অসমীয়া, বঙলা, মৈথেলী, মগহী আৰু উড়ীয়া ভাষাৰ ভিতৰত অসমীয়া ভাষাটোক লুপ্তপ্ৰায় কৰাৰ ষড়যন্ত্ৰ চলিছে। অসমীয়া ভাষাক দমন নীতিৰে ৰুদ্ধ কৰি বাংলা ভাষাৰ আধিপত্য বিস্তাৰ কৰিব বিচাৰিছে যিটো অসম আৰু অসমীয়াৰ বাবে অতি বিপদজনক। ইতিহাসেও সোঁৱৰাই দিব অসম আৰু অসমীয়াৰ স্বাভিমানৰ কথা। কিদৰে আৰম্ভ হৈছিল অসমৰ ভাষিক আন্দোলন।

১৮৩৬ চনত হোৱা এটা জাতীয় বঞ্চনাৰ পৰাই আৰম্ভ হৈছিল অসমীয়াৰ ভাষা আন্দোলন। ইংৰাজ সাম্ৰাজ্যবাদী প্ৰশাসনে নিজ প্ৰশাসনীয় সুবিধাৰ বাবে অসমৰ প্ৰশাসন আৰু শিক্ষা ব্যৱস্থাত বাংলা ভাষাৰ প্ৰচলন কৰিছিল। যি অসমৰ বাবে চূড়ান্ত জাতীয় বঞ্চনা আছিল। কাৰণ ১৮২৬ চনতেই প্ৰকাশ হোৱা প্ৰথম অসমীয়া সংবাদপত্ৰ "অৰুনোদই" আলোচনীয়ে অসমীয়া ভাষাৰ সুসংহত ৰূপ আৰু উন্নত সাহিত্য শৈলীৰ প্ৰমাণ দিছিল। আলোচনী প্ৰকাশৰ পাছতেই আনন্দৰাম ঢেকিয়াল

ফুকনে অসমীয়া ভাষাৰ প্ৰাসংগিকতা আৰু ভাষাৰ সৰল ৰূপক হৃদয়ংগম কৰি ভাষাটোৰ পূৰ্ণ ৰূপৰো প্ৰমাণ দিছিল। গতিকে অসম প্ৰদেশত তেনে এটা সুসংহত ভাষা থাকোতেই বাংলা ভাষাক ইংৰাজ প্ৰশাসনে জাপি দিয়াত ব্ৰহ্মপুত্ৰ উপত্যকাত এক জাতীয় আন্দোলনৰ সৃষ্টি হৈছিল। অসমীয়া ভাষাক বঞ্চনাৰ প্ৰতিবাদত এক বৌদ্ধিক আন্দোলনৰ লগতে আৰম্ভ হৈছিল অসমীয়া ভাষিক জাতীয়তাবাদৰ।

অসমীয়া ভাষাক প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম চলিছিল১৮৩৬ চনৰ পৰা ১৮৭৩ লৈকে। সেই সময়ছোৱাত ভাষাটোৱে যোগ্য স্থান দখল কৰিবলৈও সক্ষম হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকন, গুনাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ নেতৃত্বত ভাষা স্থাপনৰ ধাৰাটো সুদৃঢ় হৈছিল। আৰু অসমীয়া ভাষাৰ এই সুদৃঢ় ভেঁটিৰ গুৰি ধৰিছিল আনন্দৰাম ঢেকিয়াল ফুকনে। তেওঁলোকে প্ৰশাসনীয় ব্যৱস্থাক আবেদন নিবেদনেৰে বাধ্য কৰিছিল ভাষাৰ সম্প্ৰচাৰৰ বাবে। তাৰ পাছতে ১৮৩৯ চনত প্ৰশাসনীয় স্বাৰ্থত ৰবিন্সন চাহাবে অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ “A Grammar of Assamese Language,“ ৰ লগতে নিজ ধৰ্ম প্ৰচাৰৰ সুবিধাৰ্থে ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা শিৱসাগৰৰ পৰা অৰুনোদয় সংবাদ প্ৰকাশৰ সুবিধা কৰিছিল।

সেই ত্ৰিমূৰ্তি ব্যক্তিত্বৰ বাবে ১৮৭৩ চনৰ এপ্ৰিলৰ পৰা ইংৰাজ প্ৰশাসনে অসমৰ প্ৰশাসনীয় তথা শিক্ষাব্যৱস্থাত অসমীয়া ভাষাক পুনৰ প্ৰচলন কৰিছিল । অসমীয়া জাতিপ্ৰেমৰ নিঁভাজ প্ৰচেষ্টাত তেওঁলোক সফল হৈছিল। অসমীয়া ভাষাৰ এই সফলতাৰ দিশে আগুৱাই যাওঁতে সৰল ব্যক্তিত্বৰ তিনিওগৰাকী ব্যক্তিয়ে কিন্তু কোনোদিনেই বাংলা ভাষা বা বঙালী জাতিৰ বিৰুদ্ধে কোনো বেয়া মন্তব্য দিয়া নাছিল।

ক্ৰমশঃ ১৮৭৪ চনৰ পৰা অসমীয়া ভাষা সম্পূৰ্ণৰূপে সংকটমুক্ত হৈছিল যদিও ঊনবিংশ শতিকাৰ শেষৰ ফাললৈ পুনৰ সংকটৰ গৰাহত পৰিছিল অসমীয়া ভাষা। চৰকাৰী আমোলাৰ চক্ৰান্তৰ ফলত অসমীয়া ভাষাটোৱে প্ৰতিষ্ঠা লাভ কৰিছিল বোলা উৰা বাতৰিয়ে পুনৰ সংকট নমাই আনিছিল অসমীয়া ভাষালৈ। ফলত ১৯০৩ চনত সংগঠিত “আসাম এছচিয়েচনে” আনন্দৰামৰ পথকেই অনুসৰণ কৰিছিল যদিও কুৰি শতিকাৰ আৰম্ভণীৰে পৰা অসমলৈ অবাধ গতিত বাংলা ভাষীৰ প্ৰব্ৰজন ঘটাত ফলপ্ৰসূ হব পৰা নাছিল। অসমৰ বিস্তৃন কৃষি ভূমিত কৃষক হিচাপে বা জনবসতি শূন্য স্থানবোৰত ৰাজহ বৃদ্ধিৰ বাবে প্ৰশাসনে সংস্থাপিত কৰাৰ ফলত, প্ৰব্ৰজনৰ তীব্ৰ সোঁতত অসমীয়া জাতীয় ধাৰালৈ অশনি সংকেত কঢ়িয়াই আনিছিল। ফলশ্ৰুতিতে জন্ম হৈছিল ১৯৩৬ চনত অসম ছাত্ৰ সন্মিলন আৰু ১৯১৭ চনত অসম সাহিত্য সভা। এই দুটা শক্তিশালী ভাৱধাৰাৰে অসমীয়া জাতি আৰু ভাষাক সবল কৰি তুলিছিল। কিন্তু দেশ স্বাধীন হোৱা তথা ১৯৪৭ চনলৈকে অসমত বঙালী লোকসকল আছিল সংখ্যাগৰিষ্ঠ। কিয়নো ঘন জনবসতিপূৰ্ণ জিলা শ্ৰীহট্ট যি বংগ বিভাজনৰ পাছত বাংলাদেশত চিলেট নামেৰে জনাজাত হৈছিল সেই অঞ্চলৰ পৰা অধিকাংশ বাংলাভাষীয়ে অসমৰ চৰ চাপৰিসমূহ দখল কৰিছিল। লাহে লাহে ধৰ্মৰ ভিত্তিত ভাঙিবলৈ ধৰিছিল বৰ অসম। চৰ চাপৰি অঞ্চল বোৰত মুছলমান সম্প্ৰদায়ৰ লোকো থকাৰ বাবে ক্ৰমশ ভাষা , ধৰ্ম, গোষ্ঠীৰ ভিত্তিত খণ্ডিত হৈ ভগ্নীৰ ৰূপেৰে বিভাজিত হল অসম।

১৯৬০চনত অসমত পুনৰ মাতৃভাষাক লৈ এক বৃহৎ আন্দোলনে গা কৰি উঠিল। উমি উমি জ্বলা এই আন্দোলনৰ পৰিনতি অতি ভয়ানক আছিল। শ শ ছাত্ৰ-ছাত্ৰী এই আন্দোলনত জপিয়াই পৰিছিল এই আন্দোলনতে ১৯৬০ চনত ৰঞ্জিত বৰপূজাৰীক কটন কলেজৰ হোষ্টেলৰ সন্মুখতে গুলিয়াই মাৰিছিল। তেঁৱেই আছিল অসমীয়া ভাষা আন্দোলনৰ প্ৰথম শ্বহীদ। ইয়াৰ পাছতো বহু অসমীয়া যুৱকে প্ৰান আহুতি দিছিল। ইয়াৰ সমান্তৰালভাৱে বৰাক উপত্যকাটো আৰম্ভ হয় বাংলা ভাষা ৰক্ষাৰ আন্দোলন। এই আন্দোলনতো অনেক নৰ নাৰীয়ে প্ৰাণ আহুতি দিছিল। ফলত ১৯৬০ চনৰ পৰা১৯৭২ চনলৈকে চলা এই আন্দোলনৰ অন্ত পৰিছিল আৰু অসম হৈ পৰিছিল দ্বিভাষীক। অৰ্থাৎ একেখন ৰাজ্যতে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া আৰু বৰাক উপত্যকাত বাংলা ভাষাটো প্ৰচলন হৈছিল। ১৯৬০ চনৰ এই ভাষা আন্দোলনতেই অসমীয়া ভাষাটোৱে ৰাজ্যিক ভাষাৰ মৰ্য্যদা লাভ কৰিছিল। ১৯৬৩ চনত ভাষা আইন গ্ৰহণ আৰু ১৯৭২ চনত মাধ্যম আন্দোলন মানি শিক্ষাৰ মাধ্যম অসমীয়া হৈ পৰিল।

কিন্তু অতি দুখৰ বিষয় যে ইমানৰ পাছতো অসমৰ চৰকাৰী কাৰ্য্যালয়, অফিচ, কছাৰী আৰু অনুষ্ঠান প্ৰতিষ্ঠানত আজিও অসমীয়া ভাষাই পূৰ্ণ ৰূপ ধাৰণ কৰিব নোৱাৰিলে। যিবিলাকত ব্যৱহৃত হৈছে তাতো বানানৰ অত্যধিক ভুলেৰে ভাষাৰ

শৰাধৰ আয়োজন কৰা যেন হৈছে। উল্লেখনীয় যে অসমৰ সুপ্ৰাচীন ভাষাটোৰ বাবে যিদৰে আন্দোলন কৰিব লগা হৈছে সেয়া অন্য দেশৰ কোনো ৰাজ্যতে হোৱা নাই। মাগধী প্ৰাকৃতৰ পৰা বিভিন্ন হেঁচা-থেলা মাধ্যমেৰে অহা ভাষাটোৱে আজি স্বকীয়তা হেৰুৱাৰ উপক্ৰম হৈছে। এই সংকটৰ সময়ত ভাষাৰ সজাগতাৰ প্ৰসংগ পুনৰ আহি পৰিছে।

বৰ্তমানৰ পেক্ষাপটতত সামাজিক মাধ্যমসমূহত অসমীয়া ভাষা ৰক্ষাৰ্থে সজাগতা বৃদ্ধিৰ লগতে অহোপুৰুষাৰ্থ চেষ্টা চলাইছে যদিও ই কিমানদূৰ ফলপ্ৰসূ হব ঠিৰাংকৈ কব নোৱাৰি কিয়নো আজি কিছুদিনৰ পৰা পুনৰ অসমীয়া ভাষা নিচিহ্ন কৰাৰ এক বৃহৎ ষড়যন্ত্ৰ আৰম্ভ হৈছে। ধৰ্মৰ ভিত্তিত অসমলৈ আমদানি কৰিব বিচৰা বৃহৎ সংখ্যক বিদেশী প্ৰব্ৰজনে অসমত অসমীয়া জাতিক সংখ্যালঘু কৰিব বুলি ও সৰ্বত্ৰে চৰ্চিত হৈছে। অসমীয়া জাতি, ভাষা-সংস্কৃতি লুপ্ত হৈ ভগ্নী ৰাজ্য ত্ৰিপুৰাৰ দৰে হ'ব বুলিও আশংকা কৰিছে। ভৱিষ্যতে যদি এনে হবলৈ যায় তেন্তে অসমত পুনৰ এক ভাষা আন্দোলনে গা কৰি উঠাতো ধ্ৰুৱ সত্য। এক বৌদ্ধিক আন্দোলনৰ দ্বাৰা ভাষা ৰক্ষাৰ চেষ্টা কৰিব লাগিব।

অৱশ্যে ফেচবুককে ধৰি বিভিন্ন সামাজিক মাধ্যমত অসমীয়া ভাষা-সংস্কৃতি ৰক্ষাৰ আপ্ৰান প্ৰচেষ্টা কৰাটো এক লক্ষণীয় বিষয়। তাৰ দ্বাৰা অসমীয়া লিপিত শুদ্ধকৈ লিখাৰ চিন্তাচৰ্চাৰ লগতে বিভিন্ন গ্ৰন্থ আলোচনী প্ৰকাশ হৈছে। বিভিন্ন শিতানেৰে ভাষাটোক টনকিয়াল কৰি তোলাৰ আপ্ৰান চেষ্টাও কৰা হৈছে। এই গ্ৰন্থখনো এই আপ্তবাক্যৰ জলন্ত উদাহৰণ। আমি আশাবাদী। অসমীয়া জনজীৱনলৈ এনে কোনো সংকট নাহক, ৰক্তাক্ত নহওক সেউজীয়া ভূমি । সম্প্ৰীতিৰে থাকক দুয়ো উপত্যকাৰ স্বৰধ্বনি।

বিঃদ্ৰঃ- ইতিহাসৰ পৰা তথ্য সমৃদ্ধ এই লিখনিটো মোৰ সম্পূৰ্ণ নিজা শৈলীৰে নিৰ্মিত।

# যোনিৰ ভেঁকুৰজনিত সংক্ৰমণ

**ডাঃ ৰেইনী দেৱী (আয়ুৰ্বেদিক চিকিৎসক)**

যোনিৰ ভেঁকুৰজনিত সংক্ৰমণ ঃ- প্ৰায়বোৰ মহিলাই ভুগি থকা বিভিন্ন প্ৰকাৰৰ স্ত্ৰীৰোগৰ ভিতৰত এবিধ ৰোগ হৈছে যোনিৰ সংক্ৰমণ বা ভেজাইনেল ইনফেক্সন (vaginal infection)। যোনিৰ এই সংক্ৰমণজনীত ৰোগৰ কথা জনাৰ আগতে যোনিৰ বিষয়ে অকণমান জানিব লাগিব। ইষ্ট্ৰ'জন হৰম'নৰ প্ৰভাৱত যোনিৰ পৰা নিৰ্গত হোৱা যোনিৰসে যোনিক আৰ্দ্ৰ কৰি ৰাখে আৰু সুৰক্ষা প্ৰদান কৰে। স্বাভাৱিক অৱস্থাত মহিলাসকলৰ যোনিত কিছুমান উপকাৰী বেক্টেৰিয়া আৰু ন্যূনতম মাত্ৰাত ইষ্ট নামৰ ভেঁকুৰ আদি অন্য কিছু অণুজীৱ থাকে। যোনিৰ স্বাভাৱিক pH আম্লিক বা এচিডিক হয় যাৰ বাবে অণুজীৱসমূহৰ বৃদ্ধি হ'ব নোৱাৰে। সাধাৰণ অৱস্থাত এইবোৰ অণুজীৱই যোনিৰ কোনো অনিষ্ট নকৰে। কিন্তু কিছুমান বিশেষ কাৰণত যোনিত থকা অণুজীৱসমূহৰ ভাৰসাম্য হেৰাই যায় তেতিয়া যোনিত থকা উপকাৰী বেক্টেৰিয়াৰ কাৰ্যক্ষমতা কমি যায় আৰু অন্য অণুজীৱ সমূহৰ সংখ্যা বৃদ্ধি হৈ যোনিৰ ক্ষতিসাধন কৰে। তেতিয়াই যোনিত বিভিন্ন প্ৰকাৰৰ সংক্ৰমণ জনীত ৰোগ হয়। যোনিৰ তেনে এবিধ সংক্ৰমণ হৈছে ভেঁকুৰজনীত সংক্ৰমণ। কেণ্ডিডা এলবিকান্স (candida albicans) নামৰ ভেঁকুৰজনীত এইবিধ যোনিৰ সংক্ৰমণক ভেজাইনেল কেণ্ডিডায়েছিচ (vaginal candidiasis) বুলি কোৱা হয় । বিভিন্ন কাৰণত এই ভেঁকুৰজনীত সংক্ৰমণ হয় যেনে ঃ

কোনো এন্টিবায়তিক সেৱনৰ ফলত যোনিত থকা উপকাৰী বেক্টেৰিয়াৰ সংখ্যা হ্ৰাস হ'লে

মাহেকীয়া বা গৰ্ভাৱস্থাত হোৱা হৰমনৰ তাৰতম্যৰ বাবে।

ষ্টেৰয়ড ঔষধি সেৱনৰ বাবে নাইবা গৰ্ভনিৰোধক পিল সেৱনৰ বাবে।

ডায়েবেটিচ ৰোগ নিয়ন্ত্ৰণত নাথাকিলে (uncontrolled diabetes)।

উগ্ৰ গোন্ধযুক্ত চাবোনেৰে সঘনাই যোনি প্ৰক্ষালন কৰিলে।

পুষ্টিকৰ খাদ্য গ্ৰহণ নকৰা বা অত্যধিক পৰিমানে মিঠা সেৱন কৰিলে।

শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কমি গলে।

ষ্ট্ৰেছ, নিদ্ৰাহীনতা আদিৰ বাবে।

এই ৰোগৰ লক্ষণসমূহ হৈছে ঃ-

যোনিৰ পৰা পনীয়া বা ফটা গাখীৰ বা পনীৰৰ দৰে ডাঠ বগাস্ৰাৱ হোৱা।

যোনি আৰু যোনিদ্বাৰ ফুলি যোৱা, ৰঙাপৰা, যোনিৰ ভিতৰত আৰু যোনিদ্বাৰত খজুৰতি,জ্বলন, বিষ আদি হোৱা।

প্ৰসাৱ কৰোঁতে বা সংগমৰ সময়ত জ্বলন, বিষ অনুভৱ হোৱা আদি।

যোনিৰ ভেঁকুৰজনীত সংক্ৰমণত ভোগা ৰোগীয়ে কেতবোৰ সাৱধানতা আৰু নীতি নিয়ম পালন কৰা উচিত। তেনে কেইটিমান তলত উল্লেখ কৰা হৈছে ঃ-

সুষম আৰু পুষ্টিকৰ আহাৰ গ্ৰহণ কৰক।

দৈৰ সেৱন কৰক যিহেতু ইয়াত শৰীৰৰ বাবে উপকাৰী লেক্তবেছিলাছ বেক্টেৰিয়া আছে।

কটনৰ অন্তৰ্বাস পৰিধান কৰক। বেছি টাইট বা চেপামৰা পেন্টি, লেগিং আদি পৰিধান নকৰিব।

যোনি প্ৰক্ষালনৰ বাবে উগ্ৰ গোন্ধযুক্ত চাবোন ব্যৱহাৰ নকৰি কোমল চাবোন বা ভেষজ চাবোনৰ ব্যৱহাৰ কৰক।

সঘনাই গৰম পানীৰে বাথ তাবত গা নুধুব।

এই ৰোগৰ চিকিৎসাত এন্টিবায়তিক আৰু ঔষধি মলম প্ৰয়োগ কৰিবলৈ দিয়া হয়। যোনিৰ ভেঁকুৰজনীত সংক্ৰমনত

আক্ৰান্ত ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শ অনুসৰি ঔষধি সেৱন কৰা উচিত। সমস্যা জটিল নহ'লে দুই এটা ঘৰুৱা দিহাৰে এই ৰোগত উপশম পাব পাৰি। তেনে কেইটিমান দিহা হৈছে :-

ছালকুঁৱৰী বা এলভেৰাৰ সাহ বা জেল দুই তিনিচামুছ এগিলাচ পানীত মিহলাই চৰবত হিচাবে নিতৌ সেৱন কৰিলে সুফল পোৱা যায়। পেচাব কৰোতে জ্বলা পোৰা কৰিলে এলভেৰাৰ সাহ নাভিত ভৰণ দিব লাগে ।

জবাফুল তিনিপাহ মান পিচি এগিলাচ পানীত এৰাতি তিয়াই থওক। পুৱা খালি পেটত সেৱন কৰক কিছুদিন। জবাফুল পিচি নাভিতো ভৰণ দিব পাৰে। ই পেচাবৰ জ্বলা পোৰা সমস্যা কম কৰে।

কপাহেৰে যোনিত দৈনিক বিশুদ্ধ নাৰিকল তেল লগাওঁক আধা ঘণ্টাৰ বাবে। তাৰ পিছত ধুই পেলাওক। আয়ুৰ্বেদত কুমাৰীআসৱ, লৌধ্ৰাসৱ, পুষ্যানুগ চূৰ্ণ আদি বহুতো শাস্ত্ৰীয় ঔষধি আৰু যোনিত বাহ্যিক ভাবে প্ৰয়োগ কৰা মলম আদি আছে । ওপৰোক্ত দিহাসমূহৰ লগতে চিকিৎসকৰ পৰামৰ্শ মানি চলিলে এই ৰোগ নিৰাময় হয়। সেয়েহে ৰোগীয়ে নিজৰ যত্ন আৰু উপযুক্ত চিকিৎসা দুয়োটাই লোৱা উচিত।

# যোগাসন

**পম্পী দিব্য দত্ত**

শৰীৰ, মন,আত্মা, এই তিনিটাক একাত্ম কৰিবৰ বাবে যোগাসন অতি আৱশ্যক।

যোগ মানে কেৱল ব্যায়ামক নুবুজায়।আসন, প্ৰাণায়ম, ধ্যান, প্ৰাৰ্থনা, শৱাসন,আত্মা,শৰীৰ,মন আদি একাত্মক হৈহে যোগাসন হয়।

মানুহৰ শৰীৰ মন আদি সুন্দৰ আৰু সুখ ময় হ'বলৈ যোগভ্যাস অতি উত্তম। যোগ সাধনাৰ ফলত শৰীৰৰ লগতে মনৰ দুখ দূৰ হয়। মানুহে যিমান পায় সিমানতে থাকি নিজৰ সুখ অনুভৱ কৰিব পাৰে।

যোগসাধনা বহুতে নতুন বুলি ভাবে কিন্তু যোগসাধনা বহু হাজাৰ হাজাৰ বছৰৰ আগৰ পৰাই চলি আহিছে।

মহাদেৱ ঋষি, মুনি আদি কৰি আমাৰ পৰম গুৰু মহাপুৰুষ শংকৰদেৱ,মাধৱদেৱৰ দিনৰ পৰা এই যোগ চৰ্চা বিৰাজমান।

কালৰ সোঁতত নাইকিয়া হ'ব ধৰিছিল যদিও বৰ্তমান ইয়াৰ গুৰুত্ব অধিক।

নিয়মীয়া যোগ অভ্যাসে এজন ব্যক্তিৰ ওপৰত বহু ধৰণৰ প্ৰভাৱ পেলাব পাৰে।

নিয়মীয়াকৈ যোগ অভ্যাস কৰিলে শৰীৰ আৰু মনৰ এলাহ ভাব নাইকিয়া হয়,শৰীৰৰ আৰু মনলৈ উৎসাহ আৰু সতেজতা আহে,শৰীৰৰ নিৰোগী হৈ মন, বুদ্ধিৰ শক্তি বৃদ্ধি পায়, শৰীৰৰ আৰু মনলৈ পৰস্পৰ নিয়ন্ত্ৰণ আহে আৰু মানুহৰ স্বভাৱ সলনি হয়,খং নাইকিয়া হোৱাৰ উপৰিও সামঞ্জস্যতা বৃদ্ধি পায়।

বৰ্তমান সময়ৰ বহু জটিল ৰোগৰ চিকিৎসা যোগসাধনাৰ দ্বাৰা হয়। যাক যোগ চিকিৎসা বুলি কোৱা হয়।

আচলতে বৰ্তমান সকলো ধৰণৰ ৰোগ, যোগ চিকিৎসা, যোগাসন আদিৰ দ্বাৰা উপশম পোৱা পৰিলক্ষিত হৈছে।

যিদৰে খোৱা, বোৱা, শোৱা আদি কাম আমি এলাহ নকৰাকৈ দৈনিক কৰো সেইদৰে যোগাভ্যাস কৰিবলৈ এলাহ কৰিব নালাগে। বৰং যোগে এলেহুৱা ভাৱ নাইকিয়া হে কৰে।

যোগভ্যাসৰ দ্বাৰা আমাৰ ভাগৰি পৰা শৰীৰ আৰু মনক পুনৰ সতেজ কৰি ইয়াৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰিব পাৰি। আমি ১ঘন্টা কৰা যোগ অভ্যাসৰ প্ৰভাৱ দিনটোৰ বাকী ২৩ ঘন্টাৰ ওপৰত পৰে।

যোগ অভ্যাসৰ অন্যতম অংশ প্ৰাণায়ম।

প্ৰাণায়ম এনে এক অভ্যাস যাৰ দ্বাৰা আমাৰ দেহৰ ভিতৰ ভাগৰ প্ৰতিতো অংগকে স্পৰ্শ কৰি যাব পাৰে।

আমাৰ শৰীৰৰ বাহিৰৰ অংগ চাবোনেৰে পৰিষ্কাৰ কৰিব পাৰোঁ, কিন্তু ভিতৰৰ অংগ পৰিষ্কাৰ কৰি ৰাখিবলৈ নিয়মিত প্ৰাণায়াম অভ্যাস অতি আৱশ্যক।

আমাৰ দেহৰ পঞ্চ ইন্দ্ৰিয়ৰ ভিতৰত এটা অন্যতম গুৰুত্বপূৰ্ণ অংগ নাক। যাৰ দ্বাৰা শৰীৰটো পৰিচালিত।

স্বাভাৱিকতে দেখা দিয়া ৰোগ সমূহ যেনে মূৰৰ অত্যন্ত বিষ, ছাইনাচ্, মাইগ্ৰেন, মগজুৰ বিভিন্ন ৰোগ সমূহ নাকৰ শিৰাৰ পৰাই আৰম্ভ হৈ মাৰাত্মক বেমাৰৰ সৃষ্টি কৰে।

নাক প্ৰধান অংগ যাৰ দ্বাৰা উশাহ নিশাহ লোৱা হয় আৰু শৰীৰ পৰিচালিত হয়। ধূলি মাকতি নাকত প্ৰৱেশ কৰি নাকৰ শিৰা বন্ধ হৈ মগজুত মাৰাত্মক বেমাৰৰ সৃষ্টি হয়।

এই সমূহ ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ দৈনিক ১৫ৰ পৰা ৩০মিনিট সময় প্ৰাণায়ম অভ্যাস জৰুৰী। ইয়াৰ উপৰিও প্ৰাণায়ম অভ্যাসে শৰীৰৰ বিভিন্ন অংশত প্ৰভাৱ পেলায়।

শিশুৰ স্মৃতি শক্তি বৃদ্ধি বাবে দৈনিক ভ্ৰামৰী প্ৰাণায়ম অতি আৱশ্যক।

কপালভাতি পেটৰ চৰ্বী, গেছ, এচিডিটি, আদি বাবে দৈনিক অভ্যাস অতি জৰুৰী।

প্ৰাণায়ম অভ্যাসে মনলৈ শান্তি কঢ়িয়াই অশান্ত মন এটাক পুনৰ সজীৱ কৰি তোলে।

মন্দশ্বসন, তীব্ৰ শ্বসন, দীৰ্ঘশ্বসন, ইয়াৰ উপৰিও  নাড়ীশুদ্ধি, উজ্জ্বয়ী, ভ্ৰামৰী, এইসমূহ প্ৰাণায়মৰ ভাগ।

দৈনিক প্ৰাণায়ম অভ্যাস কৰক ৰোগ মুক্ত হোৱাৰ উপৰিও মন প্ৰফুল্ল কৰি তোলোক।

যোগাসনৰ অন্য এক অংশ ধ্যান যাৰ দ্বাৰা শক্তি জাগ্ৰত কৰিব পাৰি। ধ্যান অন্তৰ আত্মাৰ মিলনৰ স্থল।

দিনটো নানা কামৰ মাজত,নানা চিন্তা চৰ্চাৰ মাজত সন্ধিয়া ভাগৰুৱা  মনটোক সজীৱ কৰি তোলা হয় ধ্যানৰ যোগেদি।

ধ্যানৰ বাবে সন্ধিয়া সময় বহু  উপযোগী, সন্ধিয়া ৩০ মিনিট সময় উলিয়াই ধ্যান কৰক আৰু নিজৰ মনৰ শক্তিক আৰু বেছি প্ৰভাৱশালী কৰাৰ লগতে মনটোক পবিত্ৰ কৰি তোলক।

বৰ্তমান সময়ত বহু সংখ্যক লোকে যোগানৰ লগত জড়িত প্ৰায় লোকে নিজৰ বাবে অলপ সময় উলিয়াই যোগাসন কৰে।

যোগ অভ্যাসৰ লগত জড়িত কেইটামান কথা -

যোগাসনৰ বাবে প্ৰয়োজনীয় এক ঘন্টা সময় সুনিশ্চিত হ'ব লাগে।

পুৱা- সন্ধিয়া সময়খিনি অতি উপযোগী ।

লক্ষ্য ৰাখিব লাগে যাতে যোগাসন অভ্যাসৰ সময়ত পেট সম্পূৰ্ণ খালী থাকে। ৰাতিপুৱা ৬ ৰ পৰা ৭ বজাৰ সময়ছোৱা অভ্যাসৰ বাবে উত্তম।

পুৱা নিৰ্মল বাতাবৰণত যোগাসন অভ্যাস কৰিলে ইয়াৰ প্ৰকৃত আনন্দ পোৱা যায়।

দুপৰীয়া বা সন্ধিয়া অভ্যাস কৰিলে খোৱাৰ ৩/৪ ঘন্টাৰ পিছত হে অভ্যাস কৰিব লাগে।

জুলীয়া খোৱা এক ঘণ্টা পিছত কৰিব পাৰে। অভ্যাস কৰাৰ দুঘন্টা পাছত আহাৰ খাব লাগে।

নিতৌ নিৰ্ধাৰিত সময়ত অভ্যাস কৰিলে অনুকূল প্ৰভাৱ অতি সোনকালে পৰিলক্ষিত হয়। প্ৰত্যেক দিনে সময় সলনি কৰি থাকিলে ইয়াৰ প্ৰভাৱ কম পৰিমাণে পৰে। সেয়ে নিজৰ সুবিধা অনুসৰি সময় নিশ্চিত কৰি লৈ নিতৌ সেই সময়ত অভ্যাস কৰিব লাগে।

যোগাসন অভ্যাস কৰাৰ আগতে গা ধুই ল'ব লাগে,গা ধোঁৱাৰ আগতেও যোগাসন কৰিব পাৰি কিন্তু গা ধুই উঠি আসন কৰিলে অধিক সুফল পোৱা যায়।

যোগাসন কৰিলে ঘাম নোলায়  বাবে অভ্যাসৰ পিছত গা ধোৱাৰ প্ৰয়োজন নাথাকে।

গা ধোৱাৰ পিছত শৰীৰ আৰু মনলৈ অহা সতেজতা যোগ অভ্যাসৰ বাবে লাভদায়ক।

যোগাসন কৰোতে শৰীৰৰ অংগবোৰ বিভিন্ন ধৰণৰ ক্ৰিয়া কৰা হয়, সেয়ে অভ্যাসৰ সময়ত ঢিলা কাপোৰ পৰিধান কৰিব লাগে।

যোগৰ দ্বাৰা জীৱন নৰোত্তম হ'ব আৰু নিজৰ লগতে এখন শান্তিপূৰ্ণ দেশৰ সৃষ্টি হ'ব। সেইবাবে সকলোৱে  যোগ প্ৰচাৰ কৰক, যোগ অভ্যাস কৰক আৰু এখন নিৰোগী,নিকা,সুস্থ সমাজ গঢ়ি উঠক।

যোগৰ ফল সহজতে নাপায়, যোগসাধনাৰ মাজত একাত্মক ভাৱে সোমাই পৰিলে ইয়াৰ ফল নিশ্চিত।

নিয়মীয়াকৈ  যোগ অভ্যাস কৰি পৰমানন্দ লাভ কৰিব পাৰি।

# লাহি-পাহি আৰু সুস্বাস্থ্যৰ অধিকাৰী হোৱাৰ সহজ উপায়সমূহ

**হেপি গগৈ (বৰ্ষা)**

বৰ্তমানৰ দ্ৰুত সামাজিক পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন শৈলীৰো পৰিৱৰ্তন হ'ব ধৰিছে, সময়ৰ গতিত নিজকে মিলাবলৈ গৈ বহুতে নিজৰ খাদ্য তালিকাৰ ওপৰত গুৰুত্ব নিদিয়াৰ ফলত মেদবহুলতাই গা কৰি উঠিছে। ইয়াৰ পৰাই আকৌ হতাশা, মধুমেহ, উচ্চ ৰক্তচাপ, সন্তানহীনতা, গেছৰ সমস্যা, গাঁঠিৰ বিষ আদিৰ দৰে সমস্যাৰ সৃষ্টি হয়গৈ, সকলো বস্তু টকাৰে কিনিব পাৰিলেও সুখ আৰু স্বাস্থ্য আমি টকাৰে কেতিয়াও কিনিব নোৱাৰো। গতিকে সময় থাকোতেই নিজকে সুস্থ আৰু সৰল কৰি আমি যত্নকৰ হোৱা উচিত। গতিকে আহক আমি জানিবলৈ চেষ্টা কৰো কিহৰ বাবে মেদবহুলতাৰ সৃষ্টি হয় আৰু ইয়াৰ পৰা মুক্ত হ'ব পৰা আটাইতকৈ সহজ উপায়সমূহ কি কি?

**মেদবহুলতাৰ মুখ্য কাৰণসমূহ ঃ**

১। মেদবহুলতাৰ মুখ্য কাৰণটোৱেই হৈছে চেনীযুক্ত আৰু অত্যাধিক তেলযুক্ত, ভজা-পোৰা খাদ্যৰ অত্যাধিক সেৱন।

২। দিনটোত অতি কমেও ভৰ্তি ভৰ্তিকৈ ৭/৮ গ্লাছ পানী নোখোৱাকৈ থাকিলে, কাৰণ পানীয়ে আমাৰ শৰীৰটো সুস্থ কৰি ৰখাৰ লগতে মেদ কম কৰাটো সহায় কৰে।

৩। অত্যাধিক পৰিমাণে ৰাতি টোপনি খতি কৰিলে।

৪। এলেহুৱা আৰু আৰামপ্ৰিয় জীৱনক লগৰী কৰি ল'লে।

৫। কিমান কেলৰি শৰীৰটোয়ে পাব লাগে তাৰ সঠিক জ্ঞান নহ'লে, যদি শৰীৰটোয়ে পাব লগা কেলৰিতকৈ বেছি কেলৰি পায় তেন্তে সেই অতিৰিক্ত কেলৰি মেদলৈহে ৰূপান্তৰিত হয়।

৬। খাদ্যৰ তালিকাত প্ৰ'টিনৰ সংযোগ নকৰিলে, কাৰণ প্ৰ'টিনে মাংসপেশী বৃদ্ধি কৰাত আৰু চৰ্বী কমোৱাত সহায় কৰে।

৭। নিজৰ প্ৰকৃত আদৰ্শগত ওজন নাজানি এনেয়ে দেখাক দেখি ব্যায়ামসমূহ কৰা, শৰীৰৰ আদৰ্শগত ওজন সদায় শৰীৰৰ উচ্চতা আৰু বয়স অনুপাতে হ'ব লাগে।

৮। বংশগত কাৰণত, জেনেটিক বা বংশগত কাৰণটো কেতিয়াবা মেদবহুলতাই দেখা দিয়ে।

৯। কিছুমান শাৰীৰিক ৰোগৰ বাবেও মেদবহুলতাই দেখা দিয়ে, যেনে থাইৰ'ডৰ সমস্যা বা ভিটামিন ডি'ৰ অভাৱ ইত্যাদি।

১০। শেষত তথা াটাইতকৈ ডাঙৰ কাৰণটোৱেই হ'ল নিজৰ এটা ধনাত্মক মন নথকাটো।

এইখিনিতেই মই মোৰ নিজৰ ব্যক্তিগত অভিজ্ঞতা অলপ ক'ব লৈছোঁ। বিৱাহৰ পূৰ্বে মোৰ শাৰীৰিক ওজন আছিল ৫৮ কে.জি., কিন্তু মোৰ প্ৰথম সন্তানটি গাত হওঁতে এজনে ৭৯/৮০ ৰ সীমা অতিক্ৰম কৰে, সন্তান জন্ম হোৱাৰ পিচতেই ওজন হয় ৭২ কে.জি, তাৰ পিচৰ পৰা এক দীঘলীয়া যাত্ৰা আৰম্ভ হয় য'ত মই মোৰ শাৰীৰিক উচ্চতা অনুসৰি ওজন অত্যাধিক থকাৰ বাবে নানান সমস্যাৰ সন্মুখীন হওঁ। অতি সোনকালে ভাগৰ লগা, গাঁঠিৰ বিষ, গেছৰ সমস্যা আৰু হতাশাই ইয়াৰ ভিতৰত মুল আছিল। দেখিবলৈ বেয়া লগাটো বাৰু দূৰতেই থাকিল। সমস্যাসমূহে এনেদৰে গা কৰি উঠিছিল যে দুই-তিনিদিনৰ অন্তৰে-অন্তৰে মোৰ গা-বেয়া হ'বলৈ ধৰে। ইফালে অকণমাণিজনীৰ দায়িত্বটো আছেই। তেনেদৰেই এক বছৰ মান গ'ল। ওজন আহি আহি যেনিবা ৬৯ হ'লহি। তেতিয়ালৈকে মই কিন্তু একো শাৰীৰিক ব্যায়াম বা এখন সুৰুচিপূৰ্ণ স্বাস্থ্যকৰ খাদ্য তালিকাৰ

অনুকৰণ কৰা নাছিলোঁ। লাহে-লাহে খোজ কাঢ়িবলৈ আৰম্ভ কৰো। কিন্তু সেয়াও নিয়মিত কৰিব নোৱাৰাৰ ফলত একো ভাল ফলাফল লাভ কৰা নাছিলোঁ। কিন্তু ২০১৭ চনৰ ডিচেম্বৰ শেষৰফালে এদিন নিজেই অনুভৱ কৰিলোঁ যদি মই এনেদৰেই থাকোঁ তেন্তে হয় কিবা ডাঙৰ বেমাৰে পাব নতুবা পূৰামাত্ৰাত মানসিক হতাশাগ্ৰস্থতাত ভুগিম। গতিকে মন ডাঠ কৰি কৰিলোঁ যে ২০১৮ ত মই নিজকে পৰিৱৰ্তন কৰিহে এৰিম আৰু ইয়ে হ'ব মোৰ নতুন বছৰৰ অংগীকাৰ। লগে-লগেই মই গুগল চাব ধৰিলোঁ। কি কি কৰিলে মেদ কমে, মেদ কেনেকৈ শৰীৰত হয়, মেদনো কি, মেটাবলিজম কি, BMI, BMR কি ইত্যাদি সকলো লগতে খাদ্য তালিকা এখনো প্ৰস্তুত কৰিলো, য'ত চেনী আৰু বেছি তেল থকা বস্তু, ময়দা দিয়া খাদ্য, পেকেট জুচ আদিবোৰ সমুলি বৰ্জন কৰিলোঁ। কিন্তু বাকী সকলো বস্তু খাদ্যৰ তালিকাত ৰাখিছিলোঁ আৰু কম কম কৈ সকলোবোৰেই খাইছিলোঁ। সেইদৰে পুৱা-গধূলি ব্যায়ামসমূহ কৰিবলৈ ল'লো। পানী দিনটোত ২/৩ লিটাৰ কৰি খাব ল'লোঁ। ব্যায়ামসমূহ কৰাৰ লগে লগে মই মোৰ ব্যায়ামৰ তালিকা আৰু খাদ্য তালিকাখন Facebook ৰ এটা Fitness Group FFWOA (Fitness freak women of Assam) ত দৈনিক ৰূপত দি যাবলৈ ধৰিলোঁ। ইয়াৰ প্ৰধান কাৰণ দুটা, এটা হ'ল এনে কৰিলে মই দৈনিক ব্যায়ামসমূহ কৰিবলৈ বাধ্য হৈছিলোঁ আৰু দ্বিতীয়তে মোৰ যদি ক'ৰবাত ভুল থাকি যায় তেতিয়া গ্ৰুপটো বাকী সদস্যসকলে শুধৰাই দিছিল। তেনেদৰে স্বাস্থ্যসন্মত খাদ্যসূচী আৰু ব্যায়ামসমূহৰ দ্বাৰা মই ৪ মাহতে ১০/১২ কেজি ওজন কমাবলৈ সক্ষম হওঁ আৰু বৰ্তমান মোৰ ওজন ৫৬ কেজি যিটো মোৰ উচ্চতা অনুসৰি সঠিক বুলিব পাৰি। অৱশ্যে মোৰ এই যাত্ৰা আজিও অব্যাহত। কাৰণ সু-স্বাস্থ্য বুলিলে আমি গোটেই জীৱনটোকে সাঙুৰি লওঁ। ই এদিন দুদিন ব্যায়াম কৰি এৰি দিয়া কাৰ্য নহয়। এইয়া হৈছে মোৰ জীৱনৰ সঁচা ঘটনা। ইয়াৰ উপৰিও ক্ষীণ আৰু লাহি-পাহি তথা সু-স্বাস্থ্যৰ অধিকাৰী হৈ থকাৰ বহুত উপায় আছে। আহকচোন এইবাৰ তাৰ বিষয়ে জানি লওঁ।

১। সদায় চেষ্টা কৰিব ৩০ মিনিটমান ৰাতিপুৱা খোজ কাঢ়িবলৈ। যদি নোৱাৰে তেন্তে ২০-৪০ মিনিটমান যোগ কৰক, যোগৰ ফল লাহে লাহে পোৱা যায় যদিও ফলাফল কিন্তু সদায় স্থায়ী।

২। ৰাতিপুৱাৰ আহাৰ পেট ভৰাই খাওক আৰু ক্ৰম অনুসৰি আহাৰৰ পৰিমাণ কমাই যাওঁক। কথাতে কয় নহয় বোলে "পুৱাৰ আহাৰ খাবা ৰজাৰ দৰে, দুপৰীয়া মন্ত্ৰীৰ দৰে আৰু ৰাতি প্ৰজাৰ দৰে।"

৩। পানী খাওঁক প্ৰচুৰ পৰিমাণে, লাগিলে আপোনাৰ পিয়াহ লাগক বা নালাগক।

৪। শৰীৰত চৰ্বী কম কৰক আৰু মাংসপেশী বঢ়াওক, তাৰ বাবে ঘৰৰ কামবোৰ নিজে কৰিবলৈ লওঁক যেনে কাপোৰ ধোৱা, পানী বাল্টি দঙা, ঘৰ মচা ইত্যাদি।

৫। মাছ, মাংস, কণী প্ৰচুৰ খাওক, ইয়াত প্ৰ'টিন আছে। প্ৰ'টিনে চৰ্বী কটাত সহায় কৰে।

৬। আচৰিত নহ'ব, তিনিদিনৰ অন্তৰে অন্তৰে এক চামুচ বিশুদ্ধ ঘী খাব। (ই লোহাৰে লোহা কটাৰ দৰে কাম কৰে)

৭। নিজৰ দৈনিক খাদ্যৰ তালিকাখন ৫ টা ভাগত ভাগ কৰি কম কমকৈ কেইবাবাৰো খাওক।

৮। খৰখেদা নকৰি লাহে লাহে ওজন কমিব দিয়ক যাতে ফলাফল স্থায়ী হয়। মনত ৰাখিব সোনকালে ওজন কমিলে বঢ়াৰো সম্ভাৱনা থাকে।

৯। Diet list ত সদায় পুষ্টিকৰ খাদ্যসমূহহে অন্তৰ্ভূক্ত কৰক। অকল জুচ, চালাদ খাই শৰীৰটোক কষ্ট নিদিব, এনে কৰিলে ।পোনাৰ ছালৰ উজ্জ্বলতাও লাহে-লাহে নোহোৱা হ'বলৈ ধৰিব।

১০। কেতিয়াও নিজকে আনৰ লগত তুলনা নকৰিব। ব্যক্তিভেদে সকলো পৃথক। (শাৰীৰিক আৰু মানসিক দুয়োটা দিশতে)

১১। বাদাম, কাজু, খিচমিচ আদিৰ পেকেট লগত ৰাখিব, মন গ'লে দুই এটা চুবাই থাকিব, সহজে তেতিয়া ভোক নালাগে।

১২। ব্যায়ামসমূহ শাস্তি বুলি নহয় জীৱনৰ পুৰস্কাৰ বুলিহে ভাৱিব। ন'হলে আপোনাৰ ওজন কেতিয়াও নকমে।

১৩। লক্ষ্যত উপনীত হোৱাৰ পাচত ব্যায়ামসমূহ এৰি নিদিব। কমকৈ হ'লেও দৈনিক কৰিব।

১৪। ভাল অভ্যাস, খাদ্য আৰু জীৱনশৈলী গ্ৰহণ কৰক। আপোনাৰ ভাল লগা সকলো খাওঁক কিন্তু কম কমকৈ। তেল

আৰু চেনীযুক্ত খাদ্যৰ পৰিমাণ কমাওক।

১৫। আটাইতকৈ ডাঙৰ কথাটোৱেই হ'ল এটা ধনাত্মক মন থকাটো, "মই ক্ষীণ হ'ব পাৰিম" বুলি ভাৱিলেহে ক্ষীণাব, মোৰ দ্বাৰা হ'ব জানো বুলি ভাৱিলে কিন্তু সাত জনমেও আপুনি সফল নহয়।

গতিকে উপৰোক্ত কথাখিনিয়েই মেদবহুলতাৰ মুখ্য কাৰণ আৰু সমাধানৰ উপায়ো। ক্ষীণ হোৱাৰ যাত্ৰাত শৰীৰ আৰু মনৰ সমন্বয় সাধন হ'ব লাগিব। নিজৰ আটাইতকৈ ভাল লগা পুৰণি কাপোৰযোৰ পিন্ধি চাওঁক। শৰীৰটোৰ লগত আগৰদৰে শুৱনি কৰিছে নে নাই চাওঁক। যদি নাই কৰা তেন্তে নিজকে পৰিৱৰ্তন কৰিবলৈ প্ৰস্তুত হওঁক, সদায় ভাৱিব আপুনি যদি ক্ষীণ হয়, তেন্তে কি কি কৰিব পাৰিব, কি কি পিন্ধিব পাৰিব। ক'ৰবাত ফুৰিব গলে, Party সমূহত গলে কিমান ষ্টাইল মাৰিব পাৰিব ইত্যাদি। ইয়ে আপোনাক আৰু উদ্যমি কৰি তুলিব। সৰু কিন্তু বেচ গুৰুত্বপূৰ্ণ কথা।

সৰ্বশেষত নিজৰ উপৰত বিশ্বাস ৰাখিব। মন কৰিব ঘহোঁতে ঘহোঁতে শিলও ক্ষয় হয়। আপুনি মই মানুহহে। এই পৃথিৱীত অসম্ভৱ বুলি একো কথা নাই। শাৰীৰিক পৰিৱৰ্তনটো তেনেই সাধাৰণ কথা, কষ্ট আৰু যত্ন কৰিলে সফলতা নিশ্চয় পাব।

# এক যুগান্তকাৰী আৰু গুৰুত্বপূৰ্ণ ধাৰণা মহিলা উদ্যমিতা ঃ এক বৈপ্লৱিক চিন্তা

**ড° বৃষ্টি দত্ত**

Enterpreneurship বা উদ্যমিতা এক নতুন সংজ্ঞা। ইয়াৰ বহুতো বিশ্লেষণাত্মক সংজ্ঞা আছে কিন্তু খুৱ সৰলভাৱে দিব পৰা সংজ্ঞা হৈছে হাজাৰ বাধাকো নেওচি নিজৰ কৰ্মনিষ্ঠা, অহোপুৰুষাৰ্থ, একাগ্ৰতা তথা অধ্যৱসায়ৰ দ্বাৰা সম্পদ তথা সম্পত্তি গঢ়োতাসকলেই হৈছে উদ্যমি আৰু তেওঁলোকৰ কাৰ্যপন্থাই হৈছে উদ্যমিতা। "উদ্যমিসকল হৈছে ৰিস্ক লৈ সম্পদ গঢ়োঁতা।"

এণ্টাৰপ্ৰিনাৰচিপ ধাৰাণাটো প্ৰতিষ্ঠা হৈছিল ১৭০০ চনত। ই এক আৰ্থিক উন্নতিশীল পদক্ষেপ যি কোনো সমাজৰ সমাজিক উত্তৰণ তথা বিকাশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। এজন ব্যক্তিক সৃষ্টিশীলতাৰ পৰা উদ্ভৱ হৈ এই ধাৰণা প্ৰসাৰিত হৈ সৃষ্টি হ'ব পাৰে এক দীৰ্ঘম্যাদী ব্যৱসায়ীক স্বত্বাধিকাৰ, কৰ্মনিয়োজনৰ আঁচনি, নিবনুৱা দূৰীকৰণৰ এক আহিলা তথা আৰ্থিক নিৰাপত্তা।

নিবনুৱা দূৰীকৰণ তথা দৰিদ্ৰতা দূৰীকৰণ, ঔদ্যোগীকৰণত এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰে এই ধাৰণাই।

<u>**নাৰী উদ্যমিতাৰ ধাৰণা ঃ**</u> এখন সমাজ, এটা জাতি তথা এখন দেশ তেতিয়া পূৰ্ণৰূপে বিকাশ হ'ব যেতিয়া সমাজৰ মহিলাসকলক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় তথা পৰ্যাপ্ত সুবিধা প্ৰদান কৰা হয়। নাৰী সৱলীকৰণৰ ক্ষেত্ৰত নাৰী উদ্যমিতাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ই এক প্ৰচেষ্টা বা পদক্ষেপ য'ত নাৰীয়ে নিজা প্ৰচেষ্ঠাৰে উদ্যেগলৈ বিপদগ্ৰস্থতাৰ মাজত উৎপাদন তথা প্ৰসাৰতাৰ জড়িয়তে ন-ন কৰ্মসংস্থাপনৰ পথা প্ৰসস্ত কৰিব পাৰে।

গতিকে এই উদ্যমিতাৰ বাবে লাগিব উদ্যম। কিবা কৰাৰ হাবিয়াস আৰু এগৰাকী উদ্যমী মহিলা সেইগৰাকী যি গৰাকীয়ে এটা ব্যৱসায় আৰম্ভ কৰি ইয়াক স্ব-নিৰ্ভৰশীল তথা স্বাধীনভাৱে আগবঢ়ায় নি বিপদগ্ৰস্থতাকো আওকান কৰি তীব্ৰ ইচ্ছা শক্তিৰে সকলো বাধা সাহসেৰে নেওচি ব্যৱসায় প্ৰতিষ্ঠা কৰি নিজকে সফল কৰাৰ লগতে আন দহগৰাকী মহিলাৰ পেটৰ

ভাত মুকলাব পাৰে।

এই পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে এগৰাকী নাৰী মানসিকভাৱে হ'ব লাগিব সবল তথা নিজৰ জীৱন সবল ৰূপে গঢ়াৰ ক্ষেত্ৰত সিদ্ধান্ত ল'বৰ বেলিকা হ'ব লাগিব অতি পৰিপক্ক তথা স্বাধীন।

<u>**মহিলা উদ্যমিতাৰ ক্ৰমবিকাশ ঃ**</u> যদিও, স্বনিয়োজিত গোটসমূহৰ অধিকাংশই মহিলা তথাপি তেওঁলোকৰ কৰ্মক কম গুৰুত্ব দিয়া দেখা যায়। ঘৰুৱা লেঠা, ঘৰুৱা সমস্যাই (দেখা যায়) স্বগঠিত পুৰুষপ্ৰধান সমাজত মহিলাসকলৰ সৃষ্টিশীলতাৰ ওপৰত তীব্ৰ প্ৰভাৱ পেলোৱা দেখা যায় আৰু পুৰুষৰ কৰ্মৰাজীতকৈ কম গুৰুত্ব দিয়া দেখা যায়। সাধাৰণতে দুৰ্বল আৰ্থিক অৱস্থা, বৰ্দ্ধিত সংস্থাপনহীনতা তথা বিবাহ; কোনো ক্ষেত্ৰত বিবাহ বিচ্ছেদৰ দৰে ঘটনাইও এগৰাকী মহিলাক উদ্যমিক কাৰ্যপন্থাত প্ৰৱেশ কৰাত সহায় কৰে। বেবিলনিয়াত প্ৰথম (২০০ BC) মহিলাসকলক স্ব-নিয়োজনৰ ক্ষেত্ৰত অনুমতি দিয়া হৈছিল আৰু তেওঁলোকে নিজকে বিভিন্ন ব্যৱসায় তথা লিখা-মেলা কামত নিয়োজিত কৰিব পাৰিছিল। লাহে লাহে এই ধাৰণা প্ৰসাৰিত হৈছিল।

১৯৮০ চনত, আৰ্থিক অনাটনৰ ফলত তথা বাণিজ্যিকীকৰণ তথা অৰ্থৰ ব্যৱহাৰ নীতিৰ আধুনিকীকৰণৰ ফলত মহিলাসকলে কৃষি তথা উদ্যেগত নিয়োজন বন্ধ হোৱাত সাধাৰণতে গাঁও অঞ্চলৰ মহিলাসকলে নিজৰ উপাৰ্জনৰ পথ প্ৰশস্ত কৰিবৰ বাবে অন্য উপায় উদ্ভাৱনৰ কথা চিন্তা কৰিলে। ক্ষুদ্ৰ উদ্যোগৰ সৃষ্টি হ'ল। ওঠৰ, উনৈশ শতিকাত কোনো কোনো মহিলা ঘৰৰ চাৰিবেৰৰ পৰা ওলাই আহি নিজকে উদ্যেগৰ ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। উদাহৰণ — ৰেবেকা লুৰেন্স ১৮২৫, তেওঁ আইৰণ সামগ্ৰীৰ ঘৰুৱা সৰু ব্যৱসায়টোক পৰ্যবসিত কৰিছিল লাভদায়ক ষ্টিল উদ্যেগলৈ।

১৯০০ শতিকাত, চিন্তাৰ প্ৰসাৰতা, তথা মহিলা সবলিকৰণ উদ্ৰেকৰ লগে লগে নাৰী উদ্যমিতা ধাৰণাটো বিশ্বত জনাজাত হৈ পৰিল।

<u>**নাৰী উদ্যমিতাৰ প্ৰয়োজনীয়তা ঃ**</u> এখন ৰাষ্ট্ৰৰ মিতব্যয়িতাৰ প্ৰকৃত মেৰুদণ্ড নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে মহিলাসকলে। কাৰণ মহিলাসকলৰ ভিতৰত এক উদ্যমী মন সুপ্ত হৈ থাকে।

একৈশ শতিকাৰ শেষৰভালে বহু কেইগৰাকী বহুমুখী প্ৰশিক্ষণপ্ৰাপ্ত, সৃষ্টিশীল তথা কৰ্মদক্ষ তথা উদ্ভাবিকা মনৰ পৰিচয় দিয়া কেইবাগৰাকী উদ্যমী মহিলাৰ উদ্যাগত আৰ্থিক বিকাশত সবল পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হয়। লাহে লাহে বিশ্বত নাৰী উদ্যমিতা তথা নাৰী সবলিকৰণৰ ক্ষেত্ৰত এক যুগান্তকাৰী ধাৰণাৰ সূচনা হৈছে। নতুন ব্যৱসায়ৰ সূচনাই হৈছে প্ৰকৃত উদ্যমিতাৰ ভেঁটি, লাহে লাহে এই ধাৰণাই সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰতো গা কৰি উঠিছে। কৃষি, দুগ্ধপালন, পশুপালন আৰু উৎপাদন, দুগ্ধজাত সামগ্ৰী উৎপাদন, বিড়ি উদ্যোগ, ধূপ উৎপাদন, কাপোৰ চিলাই, তথা বস্ত্ৰ উদ্যোগ, পুতলা উৎপাদন, মৌ পালন,মীন পালন, ফেচন ডিজাইনিং, শিশু প্ৰতিপালন কেন্দ্ৰ, খুচুৰা উদ্যোগ আদি ক্ষেত্ৰবোৰত মহিলাৰ উদ্যমীতা তথা মহিলাৰ অংশগ্ৰহণ বৰ্তমান সময়ত বহুল পৰিমাণে দেখা যায়। মাথো বিশ্লেষণাত্মকভআৰে চাব গ'লে কেইটামান কাৰকে মহিলা উদ্যমিতাত বাধা প্ৰদান কৰা দেখা যায় —

১। আত্মবিশ্বসৰ অভাৱ

২। আৰ্থিক তথা কায়িক শ্ৰম কৰোঁতাৰ অভাৱ

৩। সামাজিক সমস্যা

৪। উৎপাদন সমস্যা

৫। যথোপযুক্ত তথা পৰ্যাপ্ত বজাৰৰ অভাৱ

৬। মহিলাৰ স্বনিয়োজনৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা তথা উপযুক্ত প্ৰশিক্ষণৰ অভাৱ

৭। লিঙ্গ বিভাজনৰ সমস্যা

<u>**ভাৰতত নাৰী উদ্যমিতা ঃ**</u> ভাৰতত বহুকেইগৰাকী মহিলাই মহিলা উদ্যমিতাৰ দিশে ধাৱমান হোৱাত মুখ্য ভূমিকা পালন কৰিছে। চিৰাচৰিত পৰম্পৰা তথা সৃষ্টি হ'ব পৰা বাধাজনিত কাৰকসমূহৰ পৰা বাহিৰৰ পৰিসৰলৈ ওলাই আহি দেখুৱাব পাৰিছে যে মিতব্যয়িতা তথা আৰ্থিক ক্ষেত্ৰখনত মহিলাৰ যোগদান কিমান সবল হ'ব পাৰে।

মহিলাসকলক সমাজৰ দুৰ্বলী শ্ৰেণী বুলিয়েই গণ্য কৰা হয় আৰু পুৰুষপ্ৰধান সমাজত পুৰুষ সিদ্ধান্ত মহিলাসকলৰ

ওপৰত কোনো ক্ষেত্ৰত জাপি দিয়া হয়। পৰিয়ালৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰতো মহিলাসকলক অৰ্পন কৰা নহয়। সেই ক্ষমতা মাথো পুৰুষসকলৰ। ভাৰতীয় সমাজত বহু মহিলাৰ বুদ্ধি, শক্তি থকা স্বত্বেও মহিলাসকল কিন্তু অপ্ৰয়োজনীয়, অব্যৱহৃত মানৱ সম্পদ হৈ থাকি যায়; সেই পৰিধিৰ পৰা ওলাই আহিও কিন্তু বহু কেইগৰাকী মহিলা নিজ নিজ ক্ষেত্ৰত সফল হৈছে। তেওঁলোকৰ অধ্যাৱসায়, কষ্ট সহিষ্ণুতা, মনোবল, কিবা এটা কৰি দেখুওৱাৰ একাগ্ৰতাৰ ফলত প্ৰতিযোগিতাৰ মাজতো বাধাৰ মাজতো সফল হৈ বৰ্তি থাকিবলৈ সক্ষম হৈছে।

ভাৰতত অৱশ্যে আৰ্থ সামাজিক ক্ষেত্ৰখনত মহিলাৰ যোগদান বহু যুগৰ পৰাই চলি আহিছে। মহিলাই ৰাজ্য শাসন কৰাৰ নজিৰ বহু আছে। হৰপ্পা মহেঞ্জোদাৰো যুগৰ পৰাই মহিলাসকলে পুৰুষসকলক আৰ্থ সামাজিক ক্ষেত্ৰখনত সহায় কৰি আহিছে। ভাৰতৰ মহিলা কেতিয়াও দুৰ্বল নহয়, ইতিহাস সাক্ষী আছে।

একৈশ শতিকাত মহিলাসকল বিভিন্ন ক্ষেত্ৰত পটু হ'বলৈ ধৰে। ব্যৱসায়, বাণিজ্য, শিক্ষা, উদ্যোগৰ প্ৰতি সজাগতা বৃদ্ধি পায় আৰু কাৰিকৰী শক্তি বৈদ্যুতিক, চিকিৎসা আদি বিভিন্ন ক্ষেত্ৰত অন্তৰ্ভূক্তিয়ে এক নতুন যুগৰ সূচনা কৰে।

<u>**অসমত মহিলা উদ্যমিতা ঃ**</u> মহিলাৰ আৰ্থিক সৱলীকৰণৰ দিশে এক পথ হিচাপে পৰিগণিত হ'ব পাৰে মহিলা উদ্যমিতা আৰু ইয়াৰ বিকাশ। যদিও, ভাৰতীয় সমাজত মহিলাসকলে কিছু গুৰু দায়িত্ব পালন কৰি আছে তথাপি উয়দ্যমিতাৰ ক্ষেত্ৰত আগবাঢ়িবলৈ এতিয়াও যেন বহু বাকী।

অসমত প্ৰধানত উদ্যমিতা তথা অৰ্থ ঘটিব পৰা কিবা এটা ক্ষুদ্ৰ উদ্যোগ স্থাপন - গাঁও অঞ্চলখিনিৰ বাবে অতি প্ৰয়োজনীয় কিয়নো উদ্যমীক কাৰুকাৰ্য তথা এনে চিন্তাই এজন ব্যক্তি, পৰিয়াল, সমাজ তথা জাতিৰ জীৱন ধাৰণাৰ শৈলি তথা আৰ্থিক অৱস্থা উত্থানত বিশেষ ভূমিকা পালন কৰিব পাৰে।

অসমৰ গাঁও অঞ্চলত উদ্যমীক বিকাশৰ বাবে যথেষ্ট সুবিধা তথা উৎসৰ প্ৰয়োভৰ নুই কৰিব নোৱাৰি। মাত্ৰ সেই উৎস তথা সুবিধাসমূহ সৎ প্ৰয়োগ কৰি, এক উদ্যোগ বা ব্যৱসায় আৰম্ভ কৰিবৰ বাবে প্ৰয়োজন হ'ব কিছু সজাগতাৰ। কিয়নো, গাঁও অঞ্চলৰ মহিলাসকলৰ এই জ্ঞান তথা সজাগতাৰ অভাৱৰ বাবে উদ্যমিক বিকাশৰ প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও এক ক্ষুদ্ৰ উদ্যোগ বা লাভজনক ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়।

তথাপি বৰ্তমান মহিলা উদ্যমিতাৰ ক্ষেত্ৰখনত অসম একেবাৰে দলিয়াই পেলাব পৰা স্থানত অৱতীৰ্ণ কৰা নাই, অসমৰ বহুকেইখন জিলাত আজি বহুকেইগৰাকী মহিলা উদ্যমী মহিলাই উৎসাহজনক সংস্থাপন লাভ কৰি সংস্থাপন সৃষ্টি কৰিবলৈও সক্ষম হৈছে। এইটো প্ৰতিপন্ন হৈছে যে ভাৰতৰ ৭.৭ শতাংশ বিপৰীত অসমৰ উদ্যমী মহিলাৰ পৰিমাণ ১৮ শতাংশ বুলি থাৰৰ কৰা হৈছে। প্ৰধানতঃ অসমৰ উদ্যমী মহিলাসকলৰ পৰম্পৰাগত বা কৃষ্টিগত কাৰ্যসমূহত নিয়োজিত হৈ তেখেতলোকৰ উদ্যমিতাৰ পৰিচয় দিয়া পৰিলক্ষিত হয়; যেনে ঃ বোৱা-কটা, চিলাই, এম্ব্ৰইডাৰী, বিউটি পাৰ্লাৰ, বিদ্যালয় স্থাপন তথা পৰিচালনা, শিশু পালন কেন্দ্ৰ, ওমলাঘৰ তৈয়াৰী, সাজ-পোছাক প্ৰতিষ্ঠান, জাম, জেলি, আচাৰ-চৰ্বতৰ ঘৰতে তৈয়াৰ কৰি ব্যৱসায় ইত্যাদি। কিন্তু বৰ্তমান অসমত এই ক্ষেত্ৰখন পৰ্যায়ক্ৰমে বিকাশ ঘটিছে আৰু উদ্যমী মহিলাসকল কিছু অপৰম্পৰাগত কৰ্মতো নিয়োজিত হৈছে ক্ষুদ্ৰ উদ্যোগ তথা ব্যৱসায় স্থাপনৰ ক্ষেত্ৰত। মহিলা উদ্যমিতা বা ৱমেন এণ্টাৰপ্ৰিনাৰশ্বিপ'ৰ ক্ষেত্ৰখনত আজি অসমৰ মহিলাই নিজকে বহুলাংশে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে; প্ৰকৃততে মহিলা উদ্যমিতা বিকাশত এক প্ৰতিকূল, উৎসাহজনক, প্ৰেৰণাদায়ক সমাজ ব্যৱস্থাৰ লগতে এক পৰিৱেশৰো প্ৰয়োজন; অসমতো এই ক্ষেত্ৰখনত মহিলাসকল আগবাঢ়ি যোৱাৰ আৰু সুবিধা আছে। কিয়নো অসমৰ মহিলা উদ্যমী; তথাপি কিছুমান বিশেষ কাৰকে এতিয়াও বাধাৰ সৃষ্টি কৰা দেখা যায়; গতিকে সেইসমূহ দূৰ কৰিবলৈ অসমত কিছুমান সমৰ্থনকাৰী তথা পৃষ্ঠপোষক পদক্ষেপৰ প্ৰয়োজন; যেনে —

১। গাঁও অঞ্চলত পৰিয়াল তথা সমাজৰ প্ৰতি দায়িত্ববোধৰ ক্ষেত্ৰত লিঙ্গ বিভেদ দূৰ হ'ব লাগিব।

২। মহিলাসকলৰ (বিশেষকৈ গাঁৱৰ) পৰিৱৰ্তনশীল প্ৰয়োজনীয়তাখিনিৰ ওপৰত গুৰুত্ব দি তেওঁলোকক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে আত্মবিশ্বাস বৃদ্ধি।

৩। নতুন ব্যৱসায় তথা উদ্যোগ স্থাপন কৰি এখন উপযুক্ত বজাৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত গাঁৱৰ মহিলৱাসকলক গঢ় দিব লাগিব।

৪। মহিলা উদ্যমিতাৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰী পদক্ষেপ।

৫। মহিলাসকলৰ হাতৰ কাম বা তেওঁলোকৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ উচিত মূল্যংকনৰ বাবে বাণিজ্য মেলাৰ অনুষ্ঠিত কৰা।

**সংহাৰ ঃ** মহিলা বা নাৰীসত্ত্বা বৰ সবল। নাৰীসকলে কৰোঁ বুলি কৰিব নোৱাৰা কাম একোৱেই নাই; নাৰী উদ্যমিতাৰ বিকাশে এই সত্ত্বাৰ বহিঃপ্ৰকাশকে সূচায়। ক্ৰমান্বয়ে নাৰী উদ্যমিতাৰ বিকাশ ঘটিছে আৰু নাৰী উদ্যমিতাৰ বিকাশ ঘটিছে আৰু নাৰী উদ্যমিতাৰ ভৱিষ্যত বৰ উজ্জ্বল। মাথো নাৰীসকলে নিজৰ সত্ত্বা তথা শক্তিক চিনি পাব লাগিব আৰু এক উদ্যোগ বা ব্যৱসায় গঢ়াৰ ক্ষেত্ৰত সকলো বাধা নেওচিব পাৰিব লাগিব। চৰকাৰে নাৰী সবলীকৰণ তথা নাৰী উদ্যমিতাৰ ক্ষেত্ৰত বহু আঁচনিৰ সৃষ্টি কৰিছে। তথাপি চৰকাৰে এই আগবাঢ়ি যাব খোজা মহিলাসকলৰ আৰ্থিক সাহাৰ্য তথা তেওঁলোকৰ ব্যৱসায় বহলোৱাৰ ক্ষেত্ৰত সবল ভূমিকা পালন কৰিব লাগিব।

উদ্যমী, আগবাঢ়ি যাব খোজা মহিলাসকল আগবাঢ়ি যোৱাৰ ক্ষেতচ্ৰত প্ৰেৰণা দিয়া উচিত। স্বনিয়োজনৰ ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰিব খোজা মহিলাসকলক উৎসাহ তথা সাহস দিয়া উচিত। সুপ্ত হৈ থকা ন-প্ৰতিভা বিকাশত যদি গুৰুত্ব দি ন-প্ৰতিভা চিনাক্তকৰণ কৰি তাক জাগ্ৰত কৰাৰ ক্ষেত্ৰত সবল ভূমিকা পালন কৰিব পাৰিলে মহিলা উদ্যমিতা বহু আগবাঢ়িব বুলি আশা কৰিব পাৰি।


"এখন সমাজৰ পূৰ্ণাঙ্গ বিকাশ তেতিয়াহে সম্ভৱ যেতিয়া নাৰী বিকাশ তথা নাৰী উত্থান সম্ভৱ হ'ব।"

# এটি নতুন পৰিৱৰ্তনৰ দিশত

**প্ৰেৰণা শইকীয়া**

অৰ্দ্ধ আকাশৰ সহযোগত পোৱা এই মজিয়াক প্ৰণাম জনাই এটি বাৰ্তাৰে মোৰ এই কলম আৰম্ভ কৰিছোঁ। আজিকালি প্ৰযুক্তি বিদ্যাৰ যুগত আমি প্ৰত্যেকেই ইণ্টাৰনেটত উপলব্ধ বিভিন্ন মাধ্যমৰ যোগে নাৰী জীৱন শৈলী উন্নত আৰু স্বাস্থ্যকৰ কৰাৰ বিষয়ে বিভিন্ন তথ্য জানিবলৈ সক্ষম হৈছো যদিও আমাৰ মাজৰ একাংশই এই সুবিধাৰ পৰা এতিয়াও বঞ্চিত হৈ ৰৈছে। তেনেস্থলত, মই শিকা কিছু কথা আৰু কিছু সুখকৰ অভিজ্ঞতা এওঁলোকক অৱগত কৰাৰ প্ৰতি থকা মোৰ দায়িত্ববোধেই , এই বাৰ্তা তথা মোৰ লিখনিৰ মূল উদ্দেশ্য। গতিকে আহক , আমি সকলোৱেই ,আপোনাৰ ,মোৰ আৰু আমাৰ অৰ্দ্ধ আকাশৰ সংস্পৰ্শলৈ অহা প্ৰতিগৰাকী নাৰীক আমাৰ সেইকেইটা দিনত কামত অহা এটা বৰ দৰকাৰী সমল, ইয়াৰ ব্যৱহাৰ তথা ব্যৱহাৰৰ প্ৰয়োজনীয়তা আৰু অন্য কিছু সামগ্ৰিক জ্ঞানৰ বিষয়ে কিছু কথা জনাও আৰু সাধ্য অনুসাৰে কেতিয়াবা উপহাৰ দি, এক নতুন পৰিৱৰ্তনৰ দিশে এখোজ একেলগে আগবাঢ়োঁ।


পৰিচয় ঃ ইয়াৰ নাম মেনস্ট্ৰোল কাপ (Menstrual Cup), নামটোৰ পৰা নিশ্চয় অকণমান উমান পাইছে যে ইয়াৰ আকাৰ কাপৰ নিচিনা আৰু ইয়াক মাহৰ সেইকেইটা দিনত অৰ্থাৎ মাহেকীয়া হোৱাৰ সময়ত কাপোৰ বা পেদৰ সলনি ব্যৱহাৰ কৰা হয়। ই এটা ছিলিকন বা লেটে' ৰাবাৰে নিৰ্মিত ফটোত দেখুৱাৰ দৰে এটা ফ্লেকচিবল কাপ ছবি - 1 । ইয়াৰ দাম 175 ৰ পৰা 600 বা তাতকৈ অধিক 2000 টকাৰ ভিতৰত। ই বিভিন্ন চাইজত উপলব্ধ (Small, Medium, Large)। বিয়া হোৱা নোহোৱাৰ কথা নাই, প্ৰত্যেকেই ইয়াক ব্যৱহাৰ কৰিব পাৰে। মাতৃহোৱাৰ পিছত বা 30 বছৰৰ উৰ্ধ মহিলাৰ বাবে উচিত চাইজ হ'ব Large। ইয়াক এটা নিৰ্দ্দিষ্ট পদ্ধতি আৰু কৌশলেৰে দেহৰ ভিতৰত (যোনীত) স্থাপন কৰা হয়। ছবি -2 (ভয় নাখাব, নিজেই পাৰিব, অভ্যাস হলে তেনেই সহজ হৈ পৰিব)। মাহেকীয়া হওঁতে যি ৰাস্তাৰে আমাৰ শৰীৰৰ পৰা তৰল নিঃসৰিত হয়, সেই ৰাস্তাৰেই মেনস্ট্ৰোল কাপ স্থাপিত কৰিব লাগে। ই ভিতৰত ভালদৰে ফি' হলে, নিঃসৰণ আহি তাত জমা হয় আৰু নিৰ্দিষ্ট সময়ত আপুনি তাক উলিয়াই পেলাই, ভালদৰে গৰম পানীৰে ধুই পুনৰ স্থাপিত কৰিব পাৰে। একেটা কাপকে




**ছবি-১**


ভালদৰে ৰাখি পাঁচ-ছয় বছৰ ব্যৱহাৰ কৰিব পাৰি।

ব্যৱহাৰৰ প্ৰয়োজনীয়তা ঃ ইয়াৰ ব্যৱহাৰযোগ্য জীৱনকাল তুলনামূলকভাৱে বেছি হোৱাৰ লগতে ই অত্যন্ত ব্যৱহাৰ উপযোগী। মেনস্ট্ৰোল কাপে, আপোনাক পেদ ব্যৱহাৰ কৰাৰ আটাইখিনি অসুবিধাৰ পৰাই সম্পূৰ্ণভাৱে মুক্ত কৰে। উদাহৰণস্বৰূপে প্ৰত্যেক মাহত চেনিটেৰী নেপকিনৰ নামত হোৱা খৰচ, পেদ ব্যৱহাৰৰ অস্বস্তি, গৰমৰ দিনত হোৱা কিছুমান ইনফে'ন, কাপোৰত দাগ লগা বা ৰাতি সাৱধানে শুলেও বিছনা কাপোৰ লেতেৰা হোৱাৰ টেনশ্যন আদিৰ বিষয়ে আমি সকলোৱে অৱগত। সেইকেইটা দিনত ফুৰিবলৈ যোৱা বা পানীত নামি সাঁতোৰাৰ কথা আমাৰ বাবে সপোনৰো অগোচৰ। তদুপৰি পেদ ব্যৱহাৰৰ কৰাৰ পিছত পেলাই দিয়াও এক সমস্যা। আৰু পেলালেও ই কেতিয়াও ভালদৰে নষ্ট নহৈ পৰিবেশ প্ৰদূষণ কৰে। গতিকে এই সকলোবোৰৰ প্ৰতিকাৰস্বৰূপ অৱতাৰ হল - মেনস্ট্ৰোল কাপ।




**ছবি-২**

কেনেকৈ ব্যৱহাৰ কৰিব ঃ মেনস্ট্ৰোল কাপ ব্যৱহাৰ কৰাৰ আগতে এটা কথা ভালদৰে বুজি লওক যে পৰিষ্কাৰ কাপ হে আপোনাৰ সহায়ক আৰু ভাল সমল । গতিকে প্ৰত্যেক মাহত প্ৰথমবাৰ ব্যৱহাৰ কৰাৰ আগতে উতলা গৰম পানীত 3 ৰ পৰা 5 মিনিট থৈ ভালদৰে ধুই ব্যৱহাৰ যোগ্য কৰি লব। আৰু দিনটোৰ বাকীবোৰ সময়তো ইয়াক ধুবলৈ গৰম পানী বা বিশুদ্ধ পানী হে ব্যৱহাৰ কৰিব। অন্যথা ইনফে'ন হোৱাৰ সম্ভাৱনা থাকে। শৰীৰৰ ভিতৰত স্থাপিত কৰাৰ আগতে কেইবাটাও আকাৰত ভাঁজ কৰিব পাৰে ,যিটো ধৰণৰেই আপোনাৰ বাবে সহজ হয় তাকে গ্ৰহণ কৰিব। বিভিন্ন আকাৰ বা কৌশলৰ ফটো ছবি 3 দিয়া হৈছে। (পাঞ্চ ডাউন টু তুলনামূলকভাৱে সুবিধাজনক) দিনটোত যেনেদৰে পেদ বা কাপোৰ সলাই সেই একে ধৰণেই ইয়াকো সময়ে সময়ে খালী কৰি থাকিব লাগে। আপোনাৰ নিঃসৰণৰ পৰিমাণ হিচাপে এই সময় সীমা সকলোৰে বাবে বেলেগ বেলেগ হব। 6-8 ঘণ্টাতকৈ বেছি সময় ইয়াক দেহৰ ভিতৰত থাকিবলৈ নিদিব। মাহেকীয়া হোৱাৰ প্ৰথম দিনৰ পৰা যেতিয়ালৈকে প্ৰয়োজন হয় ধৰক 4 দিন মানলৈ (ইয়াৰ পিছত যিহেতু নিঃসৰণ কম হৈ যায়) ব্যৱহাৰ কৰিব পাৰে। তাৰপিছত ভালদৰে গৰম পানীৰে ধুই আকৌ ৰাখি থব পিছৰ মাহত ব্যৱহাৰ কৰিবলৈ। যিসকল মহিলাৰ খুব বেছি ফ্লও হয় তেওঁলোকৰ বাবে বিশেষ ধৰণৰ কাপ ও বজাৰত উপলব্ধ। যদি জৰায়ুগত বা অন্য ধৰণৰ gynaecological মেডিকেল কণ্ডিচন আছে, তেওঁলোকে ইয়াক ব্যৱহাৰ কৰাৰ আগতে ডাক্তৰৰ পৰামৰ্শ লোৱা উচিত।




**ছবি-৩**

স্থাপনৰ পদ্ধতি: প্ৰথমতে হাত খন ধুই একদম ৰিলেক্স হৈ বহি লওক, ৰেষ্টাৰ্ণ কুমুদ টোৰ ওপৰত বা অলপ ওখ মুঢ়াত বহি ভৰি দুখন মেলি লৈ (একদম টেনশ্যন ফ্ৰী হৈ বহিব, অলপো ভয় নকৰাকৈ), এতিয়া ব্যৱহাৰৰ উপযোগী কৰি তোলা কাপটো punch down (ছবি ৪) আকাৰত ৰাখি জোঙা মূৰটো অলপ ভিতৰলৈ সাৱধানে সুমুৱাই দি অলপ ওপৰলৈ চিধা কে ঠেলাতকৈ পিছফাললৈ

ঠেলি দিয়ক ওপৰলৈ। এতিয়া এপাক এনেই ঘূৰাই চাওঁক দুয়ো ফালে (কাপটোৰ সোঁফালে আৰু বাওঁ ফাললৈ) , ইতিমধ্যে দেহৰ ভিতৰত অলপ বতাহ  ৰিলিজ হৈ সামান্য এটা শব্দ কৰিব । যদি সহজে দুইফালে ঘূৰে, বুজিব যে ই সঠিক ভাবে স্থাপিত হৈছে।  প্ৰথম চেষ্টাত ভয় খোৱাটো তেনেই স্বাভাৱিক। দৃঢ় আৰু সাহসী হলেহে সফল হব পাৰিব। আৰু এটা কথা এইখিনিতে কৈ থওঁ,  মাহেকীয়া হোৱা বুলি গম পাই ততাতৈয়া নকৰি অলপ নিঃসৰণ আৰম্ভ হলেহে ইয়াক ব্যৱহাৰ কৰিবলৈ যত্নপৰ হব। উলিয়াবৰ সময়ত , তলপেটৰ মাংসপেশীৰ জৰিয়তে হেঁচা প্ৰয়োগ কৰি আপুনি নিজেও এবাৰ ঠেলি চাব । কাপটোৰ যিটো অংশ আমি হাতেৰে ঢুকি পাব পাৰোঁ , তাতে চিকুটি ধৰি লাহে লাহে টানি অলপ হেলনীয়া কৰি পুনৰ বতাহ ৰিলিজ কৰাৰ চেষ্টা কৰিব।



ছবি-৪

এইক্ষেত্ৰত অকণমান সাৰধান হৈ কাপটো ষ্টেমত ধৰি  লাহে লাহে ক্ৰমান্বয়ে টানি উলিয়াই আনিলে তাত জমা হোৱা লিকুইড খিনি পৰাৰ সম্ভৱনা নাথাকে।

ব্যৱহাৰৰ আগতে জনা কিছু কথা তথা মনত উদয় হোৱা বিভিন্ন প্ৰশ্ন:

ময়ো যেতিয়া প্ৰথম এই বিষয়ে জানিছিলোঁ খুব আচহুৱা লাগিছিল, ভাবি আচৰিত হৈছিলোঁ, কেনেদৰে সম্ভৱ হব পাৰে বুলি ভাবি। স্বাভাৱিকতে মোৰো মনত প্ৰশ্নৰ জোৱাৰ উঠিছিল, কিছু সমাধা হৈছিল আৰু কিছু তেনেদৰেই থাকি গৈছিল। প্ৰথম কিনি অনাৰ 2 মাহ পৰ্যন্ত তেনেদৰেই গ'ল, হাতত লওঁ আৰু আকৌ ভৰাই থৈ দিওঁ। এদিন নিজে চিন্তা কৰিলোঁ ভৰাই থলে চোন কেতিয়াও ব্যৱহাৰ কৰিবলৈ নিশিকিম। পৃথিৱীত ইমান মহিলাই ব্যৱহাৰ কৰিছে যেতিয়া মই কিয় নোৱাৰিম। মনটো ডাঠ কৰি একদম দৃঢ় হ'লোঁ। তাৰ পিছৰ পৰা আজিলৈকে সুদীৰ্ঘ 3.5 বছৰৰ সময়লৈকে ই মোৰ শ্ৰেষ্ঠ সমল আৰু আগলৈও হৈ থাকিব।

1. ভয় ঃ ভয় প্ৰথম অৱস্থাত লগাটো ও তেনেই স্বাভাৱিক। কিন্তু যথাযথ জ্ঞান আয়ত্ত কৰি এই ভয়কো শেষ কৰিব পাৰিব। যেনে ধৰক যদি কিবা ইনফেক্সন হয় তেতিয়া কি হব, কিবা side effect আছে নেকি ইত্যাদি। মই ব্যৱহাৰ কৰিবলৈ লোৱাৰ আগতে যিমান পাৰোঁ সিমান ৱেবছাইট বোৰত, গুগল কৰি কৰি চালোঁ। যথেষ্ট সংখ্যক তথ্য পঢ়াৰ পিছত  এই বিষয়ে কতো উল্লেখ নথকা দেখি অলপ সকাহ পালোঁ। তাৰ পিছতো যদি কাৰোবাৰ ভয় ৰৈ যায় তেন্তে ডাক্তৰৰ পৰামৰ্শ লব পাৰে। ঠিক তেনেদৰেই পৰিষ্কাৰ পৰিচন্নতা অটুত ৰাখিলে ইনফেক্সনৰ পৰাও হাত হাৰিব পৰা যায়। মেনস্ট্ৰোৱেল কাপটো গৰম পানীত উতলুৱাটো  সেইবাবেই খুউব দৰকাৰী। ভৱিষ্যতৰ গৰ্ভধাৰণৰ লগতো ইয়াৰ কোনো ধৰণৰ সম্পৰ্ক নাই। যিহেতু ই কেৱল ঋতুস্ৰাৱৰ সময়তহে ব্যৱহাৰ কৰা এটা বাটিৰ দৰে আহিলা যি নিঃসৰিতখিনিক বাহিৰলৈ যাবলৈ নিদি ভিতৰতে ধৰি ৰাখে। তিনি বছৰৰ আগতে যেতিয়া মই প্ৰথম ব্যৱহাৰ কৰিবলৈ লৈছোঁ, তেতিয়া এনে লাগিছিল যেন ভিতৰত কাপটো কৰবাত লাগি ধৰি থাকি সোমাই পৰিব বা নোলাব। এতিয়া ব্যৱহাৰ কৰি মই বুজি পাইছোঁ যে  তেনেকুৱা একোৱেই নহয়। বেছি ভিতৰলৈ সোমাই গুচি গলেও থিয় হৈ কাম কৰি ঘূৰি ফুৰিলে, কাপটো মাধ্যাকৰ্ষণৰ বাবে নিজে নিজে তললৈ নামি নিৰ্দিষ্ট ঠাইত ৰয়।

2. বিষ আৰু অন্য অসুবিধা ঃ প্ৰথমবাৰ স্থাপিত কৰোতে অকণমান বিষ নিশ্চয় অনুভৱ কৰিব।  কিন্তু ৰৈ নিদি বা হাৰ নামানি  লাহেকৈ ঠেলি দিব । যোনীৰ ভিতৰত প্ৰথমতে এটা বাধা পোৱা যেন পাব তাৰ পিছত ঠেলি দিলে, ভালকৈ সোমাই পৰিব। ভালদৰে কাপটো সোমাই পৰিলে নিজেও তাৰ অৱস্থিতিৰ বিষয়েও একো গম নাপায় আৰু ভুলকৈ সোমোৱালে নিজেই অশান্তি পাব , তেতিয়া আকৌ উলিয়াই পুনৰাই স্থাপন কৰিবলৈ চেষ্টা কৰিব। কিছুমান কাপৰ ষ্টেম ডাল দীঘল যেন

অনুভৱ হলে, নিজৰ সুবিধাৰ সাপেক্ষে অলপ কাটি চুটিও কৰি লব পাৰে।

3. লিকেজ ঃ নিজৰ প্ৰয়োজন অনুপাতে উচিত চাইজ চেলেক্সন কৰি ভালদৰে ফিট্ কৰিব জানিলে , ই ভৰ্তি নোহোৱালৈ কেতিয়াও লিক নকৰে। সেয়েহে প্ৰথমে ব্যৱহাৰ কৰোতে 2-3 ঘণ্টাৰ মূৰে মূৰে উলিয়াই কাপটো নিৰীক্ষণ কৰিব। কেতিয়াবা যেতিয়া ভাঁজ কৰি ভৰাওঁতে ভিতৰত ভাঁজটো খোল নাখায় তেতিয়াও লিক কৰিব পাৰে। তেনেক্ষেত্ৰত কাপটো উলিয়াই পুনৰাই চেষ্টা কৰিব লাগিব।

4. প্ৰস্ৰাৱ ঃ শৰীৰৰ শ্ৰোণীচক্ৰৰ অংশৰ অন্তৰ্গঠনৰ বিষয়ে জানিলে গম পাব যে আমাৰ মাহেকীয়া চক্ৰৰ নিঃসৰণৰ আৰু প্ৰস্ৰাৱৰ নিঃসৰণৰ দুয়োটা ৰাস্তাই বেলেগ বেলেগ। গতিকে মেনষ্ট্ৰোৱেল কাপ ব্যৱহাৰ কৰি থকা অৱস্থাত প্ৰস্ৰাৱ কৰোঁতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱা নাযায়।

5. দেহ আভ্যন্তৰীণ প্ৰতিষ্ঠাপিত গৰ্ভনিৰোধক ঃ দেহৰ ভিতৰত স্থাপন কৰা গৰ্ভনিৰোধক আহিলা ব্যৱহাৰ কৰা পৰিস্হিতিত এনে মেনষ্ট্ৰোল কাপ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত হব পৰা কিছু সুবিধা অসুবিধাৰ বুজ লবৰ বাবে ডাক্তৰৰ পৰামৰ্শ লোৱা উচিত।

6. চয়ন ঃ অনলাইনত নানা ব্ৰেণ্ডৰ কাপ উপলব্ধ যদিও নিজৰ বয়স সাপেক্ষে আকাৰ নিৰ্ধাৰণ কৰি, উচিত ব্ৰেণ্ড চয়ন কৰিব। এইক্ষেত্ৰত ৱেবচাইট ত উপলব্ধ উপভোক্তাৰ মতামত নিশ্চয় ভালদৰে পঢ়ি লব। চয়ন কৰোতে অন্য কিছু দক্ষতা যেনে cervix ৰ দৈৰ্ঘ্যতা, নিয়মিত নিঃসৰণৰ পৰিমাণ ইত্যাদি গুৰুত্ব দিবলগীয়া।

ইতিমধ্যে মই মোৰ অভিজ্ঞতাৰ সৰহ খিনিয়ে জনোৱাৰ প্ৰয়াস কৰিছোঁ যদিও আপোনালোকৰ মনত উদয় হোৱা আৰু কিছু প্ৰশ্নৰ বিষয়েও মই জ্ঞাত, কিন্তু সেয়া মই আপোনালোকলৈ এৰিলোঁ। মন কৰিলেহে চন নহয় জানো ? গতিকে যদি ব্যৱহাৰ কৰিবলৈ যত্নপৰ হয় তেন্তে কিছু গৱেষণা আপোনাৰো দায়িত্ব। কিছু পৰিবৰ্তন কঠিন যেন লাগিলেও তাৰ পৰা হব পৰা সম্ভাব্য সুবিধাৰ পৰা বঞ্চিত হোৱাটো কেতিয়াও আমাৰ কাম্য নহয়। গতিকে লেখাটোৰ আৰম্ভণিতে উল্লেখ কৰা মোৰ এই বাৰ্তা পুনৰ সোঁৱৰাই সকলোলৈ এক নতুন পৰিৱৰ্তনৰ প্ৰস্তুতিৰ বাবে শুভকামনা জনালোঁ।

বিষয়বস্তুৰ ওপৰত মোৰ এই লেখা সম্পূৰ্ণ মোৰ ব্যক্তিগত অভিজ্ঞতা আৰু জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ গ্ৰহণযোগ্যতাও ঠিক তেনেদৰে আপোনাৰ ব্যক্তিগত বিচাৰ্য্য বিষয়।

# শৈশৱ

## বৰ্ণালী দাস

শৈশৱ বুলিলেই ফটাকানিৰ দৰাকইনা খেলাৰ পৰা আৰম্ভ কৰি লোকৰ বাৰীৰ বগৰী চুৰ কৰি খোৱালৈকে-ভাললগা সময়ৰ এখনি কলাজ। শৈশৱ বুলিলেই পাখিলগা সময়ৰ ল'ৰা-ধেমালি,শৈশৱ মানেই নিষ্পাপ হাঁহিৰ একোটা উচ্ছল ফোঁৱাৰা!

পুৰণি ফটা কাপোৰেৰে সজা কইনা দৰা,কাজলেৰে আঁকা মুখ চকু। কোনোবাটোৰ হাত লেংলেকৈ দীঘল, কোনোবাটো খঁৰা। বাৰ্বি পুতলাৰ প্ৰয়োজন অনুভৱ কৰিবলৈ নিদিয়াকৈয়ে সেই খঁৰানকীয়া পুতলাকেইটাই আমাৰ সৰু পৃথিৱীখনৰ ঐশ্বৰ্য আছিল। সেইকেইটাক লৈয়ে কত কাজিয়া, কত খেলা, কত চকুপানী! পুতলাতো নাছিল যেন আমাৰ সত্বাৰ জীৱন্ত অবিচ্ছেদ্য অংগ আছিল।

কি দিন আছিল সেইবোৰ, আমাৰ বুলিয়েই নহয়, সেইটো দশকৰ সকলোবোৰ শিশুৰেই শৈশৱ চাগে কমবেছি একেই আছিল। চৰিত্ৰবোৰৰ নাম বেলেগ, বৈশিষ্ট্য একেই। আমি এপাল ল'ৰা ছোৱালীয়ে চুবুৰিটো গমগমাই থাকে। বন্ধৰ দিনত আৰ আগবাৰী তাৰ পাছবাৰী কৰি টিঘিলঘিলাই থাকো। চৰ্টকাট' মাৰিবলৈ কেতিয়াবা আৰ তাৰ ঘৰৰ ভিতৰেৰেও হৈ হৈ কৈ দৌৰ মাৰো। কোনোবাই ভাত খাই আছে নে কাপোৰ সলাই আছে ভ্ৰূক্ষেপ নাই আমাৰ। তেতিয়াৰ দিনত ইমান মিল আছিল মানুহবোৰৰ,এইবোৰ নধৰ্তব্য কথা আছিল।

এঘৰত এডাল বৰ ডাঙৰ ডাঙৰ লেচু লগা গছ আছিল, বাদুলীৰ কাৰণে জালেৰে ঘেৰি ৰাখে। আমি সদায় আবেলি ফুৰিবলৈ যাওঁতে সেইঘৰৰ  দাদাজনে বাটতে ওলাই মাত লগায়,কথা পাতে বহুপৰ কিন্তু লেচু খাবলে নাযাচে কেতিয়াও, জিভাৰ পানী জিভাতে শুকায়, ঘৰলৈ আহি লিচুডাল মৰিবলৈ পাৰেমানে শাওপাত দিওঁ।" আমিয়ে যদি খাবলে নাপাওঁ তোৰ লিচু থাকি কি লাভ"- এইটো ভাব মনতে। এতিয়া হাঁহি উঠে!

বছৰেকীয়া পৰীক্ষা দি উঠি নৰানি চাঁচি বেডমিণ্টন কোৰ্ট বনাওঁ।কক কিনো পইচা তুলি।ৰেকেট কাৰোবাৰ হে থাকে,খেলিব দিয়া নিদিয়া লৈ কিমান কাজিয়া! মাঘৰ উৰুকাত এটকাকৈ পইচা তুলি কণীৰে ভোজ খাওঁ,চাউল, তেল, আলু গাইপতি তোলো। বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ লগে লগেই আৰু এটা কাম কৰিছিলো, নিজতকৈ এক শ্ৰেণী ওপৰৰ কাৰোবাত পৰা পুৰণি কিতাপখিনিৰ বন্দবস্ত কৰা।নিজৰখিনিকো তেনেকৈয়ে আনক দিছিলো। নতুন দুখন এখন কিতাপ নিকিনাও নহয়।কি সুন্দৰ সেই কিতাপৰ গোন্ধ!ৰীম কাগজ কিনি ভাগে ভাগে বহী চিলাইছিলো। গণিতৰ বহীখন দুইদিস্তা কাগজেৰে বিশেষভাৱে।জিএগ্ৰাৰ আঠাৰে মুগাৰঙী কাগজৰ জিল লগাইছিলো। বগা কাগজ আয়তাকাৰে কাটি আকৌ তাৰে চাৰিচুক কোণীয়াকৈ কাটি লেবেলো লগাইছিলো। গোট গোট আখৰেৰে লিখিছিলো-শ্ৰী বৰ্ণালী দাস,অমুক শ্ৰেণী,অমুক শাখা,....সৰস্বতী পূজাত মাৰ মুগাৰ মেখেলা মাজতে মোটোকাই, ভইলৰ চাদৰ দুপাক মেৰাই ওচৰ পাজৰৰ স্কুলবোৰ ঘূৰি ফুৰো, কৰবাত বুটমাহ প্ৰসাদ পাওঁ কৰবাত খিচিৰি।তৃপ্তিৰে খাওঁ যি পাওঁ। এবাৰ খিচিৰি খাব নাপাই চিঞৰি চিঞৰি কান্দি কান্দি ঘৰলৈ অহাত মায়ে এক কুকাৰ খিচিৰি বনাই খাবলে দিছিল..বোলে খা যিমান পাৰ! মনত পৰিলে হাঁহি উঠে। হোলিৰ সময়ত ফাকু দি  ফুৰো বাটে ঘাটে,উঠা পইচাকেইটাৰে পানীবৰফ কিনি চুপি চুপি খাই আহো, হাতমুখে ফাকুৰ ৰং,পুঁৰৈ শাকৰ গুটিৰে "নেচাৰেল মেজেণ্টা" ৰং বনাইছিলো! কি দিন আছিল সেইবোৰ।

স্বাধীনতা দিৱস বা গণতন্ত্ৰ দিৱসত পতাকা উত্তোলন কৰিবলৈ নিৰ্ভয়ে গৈছিলো।ঠোঙাত ভৰাই নিছিলো ফুল,পতাকাত দিবলৈ। জনগণ গাওঁতে সৰু বুকুবোৰ আবেগত কঁপি উঠিছিল আমাৰ। স্কুলত,ৰাজহুৱা ফিল্ডত আৰু কৰবাত ঘূৰি ঘূৰি দেৰিকৈ ঘৰ সোমাইছিলিহি, বাটত আৰ্মীৰ জোৱানবোৰক টাটা বাই বাই দিছিলো, তেওঁলোকেও হাঁহিৰে প্ৰত্যুত্তৰ দিছিল।কেতিয়াবা এনেবোৰ দিনত স্কুলৰ পৰাই হলত শিশু ছবি দেখুৱাব নিছিল-চমতকাৰী কোট, মকড়ী,সবুজ দ্বীপেৰ ৰহস্য তেনেকৈয়ে হলত চাইছিলোঁ।

পানীজামু, বগীজামু বিচাৰি বিচাৰি গছতলবোৰ একাকাৰ কৰিছিলো গৰম বন্ধবোৰত। গোটেইমখা গোটখাই গোল্লা,

দাড়িয়া বোন্দা, গোলাপ-তগৰ, ঘৰিয়াল-পানী আৰু নাম মনত নথকা কত খেল খেলিছিলো। দেওবাৰবোৰত চন্দ্ৰকান্তা ,আলিফলেইলা আৰু বুধবাৰে চিত্ৰহাৰ নাচালে শান্তি নাপাইছিলো,পিছলৈ শক্তিমান, সুৰাগ আদিবোৰে তাৰ ঠাই দখল কৰিছিল।শুক্ৰবাৰ, শনিবাৰে চিনেমা চাবলৈ মাক কিমান তেলাবলগীয়া হৈছিল-আবেলিতে অংক প্ৰেক্টিচ কৰা, খোৱা মেজত পানী যতনাই দিয়া, মায়ে নকওঁতেই দেউতাক চাহ কাপ নি দিয়া! আৰু টিভি চাবলৈ নিদিলে ৰেডিঅ টোকে পকাইছিলো। পুৰণি ফিলিপচৰ কাযলতিতে চেপি লৈ ফুৰিব পৰা ৰেডিঅটো..বিদ্যাৰ্থীৰ অনুষ্ঠানেৰে পঢ়া আৰম্ভ কৰি গীতিমালিকা শেষ হওঁতে পঢ়া শেষ কৰিছিলো। কাৰেণ্ট নথকা সময়বোৰতো ৰেডিঅটো সংগী আছিল। উপন্যাস পাঠ, নাটক, আইদেউৰ বুলনি...পুৱাৰ ন বজাৰ বাতৰি শুনি শুনি গৰম ভাত গিলি দৌৰিছিলো স্কুললৈ।ঘৰলৈ অহা বাটটো চিধা হলেও স্কুল কেতিয়াও চিধা বাটেৰে নগৈছিলো।আৰ বাৰীয়ে তাৰ পুখুৰীপাৰেৰে,অমুকৰ চোতালেৰে তমুকৰ কুৱাপাৰেৰে...কতটা কেকুৰি !আৰু দুৰ্গাপূজা ! ৰেডিঅত মহালয়া শুনিছিলো ..বীৰেন্দ্ৰকৃষ্ণ ভদ্ৰৰ উদাত্ত কণ্ঠৰ দেৱীস্তোত্ৰেৰে আৰম্ভ হৈছিল পূজাৰ বতৰ।পানীবেলুন আৰু সাপবেলুন নিকিনিলে পূজাচোৱা অসম্পূৰ্ণ যেন লাগিছিল। পাঁচটকীয়া মুদ্ৰা একোটাৰেই এসাগৰ আনন্দ কিনি ঘৰলৈ উভতিছিলো।

আমূলৰ পাউডাৰ গাখীৰৰ প্ৰচলন আছিল তেতিয়া। আমূলৰ টেমা খুলি বগা গোল চামুচখনেৰে চুৰ কৰি আমূল খাইছিলো। মুখত হোৱা বগা বগা দাড়িবোৰে চুৰ সহজতে ধৰাও পেলাইছিল। মিল্কমেইডৰ টিনবোৰ মহাৰ্ঘ্য বস্তু আছিল,মামাহঁতে আৰ্মি কেণ্টিনৰ পৰা অনাই দিছিল মাক। শেঙুন হয়,নাখাবি এইবোৰ বুলি মায়ে ভয় খুৱাইছিল। তথাপি আঙুলিৰে চুচি চুৰ কৰি খাবলৈ গৈ টিনৰ টেমাৰ ওখোৰামোখোৰা ধাৰে বহুদিন আঙুলি কাটিছিল।

আজৰি সময়ত টিংকল চান্দমামা চাচা চৌধুৰী পঢ়িছিলোঁ, বুঢ়ী আইৰ সাধুৰ তেজীমলাৰ মাহীমাকজনীক পালে ভঙা গ্লাচেৰে কাটিম বুলি অমূলক কল্পনা কৰিছিলো,তুলা আৰু তেজাৰ বৰকাছ হৈ যোৱা মাকজনীৰ বাবে চকুলো টুকিছিলো, হাতৰ বিস্কুট থাপ মাৰি নিয়া কাউৰীজনীকে চিলনী জীয়েকৰ চিলনীজনীৰ সতে ৰিজাইছিলো। শৈশৱৰ দিনবোৰ নিষ্পাপ আছিল, নিষ্কলুষ আছিল আমাৰ মনবোৰ। যান্ত্ৰিকতাই চুব নোৱৰা আছিল সেই দিনবোৰ।

কেনেবাকৈ ঘূৰাই পোৱা হলে সেই দিনবোৰ! কোনোবাই ঘূৰাই দিয়া হ'লে সেই সোণসেৰীয়া দিনবোৰ! ক'ত যে এৰি আহিলোঁ সেই সময়! মোৰ ধূলিয়ৰি বাটৰ স্বৰ্ণিল শৈশৱ!

# নাৰী হোৱাৰ গৌৰৱ

**জয়শ্ৰী বৰা**

"মোৰ স্বামীয়ে মোক এটা বেগ উপহাৰ দিলে। বেগটো খুলি চোৱাত এযোৰ ধুনীয়া কাপোৰ পালোঁ। মোৰ প্ৰিয় ব্ৰেণ্ড, মোৰ প্ৰিয় ৰং, প্ৰিয় ডিজাইন। মোক দুবাহুত আলফুলে ধৰি তেওঁ চকী এখনত বহাই দিলে আৰু কলে- কাপোৰযোৰ পিন্ধি চোৱা। তুমি নিজকে চাবলৈ বাদ দি দিছা। সেইজনী ছোৱালী আজি কত যিজনী ছোৱালীয়ে নিজকে খুব ধুনীয়াকৈ সজাই ৰাখি ভাল পাইছিল। যিজনী ছোৱালী ফূৰ্তিবাজ, confident আৰু বিন্দাচ আছিল। মই মোৰ হেৰুৱা পত্নীক ঘূৰাই বিচাৰো, যি এগৰাকী ধুনীয়া পত্নী আৰু এগৰাকী আদৰ্শ মাতৃৰ সমতুল্য বজাই ৰাখিব জানে। মই পামনে তেওঁক ঘূৰাই! মই মোক হৈ ৰ'লোঁ এক মুহূৰ্তৰ বাবে।"

উপৰোক্ত কাহিনীটো মোৰ নিজৰ নহয়। ফেচবুকত পোৱা এটা কাহিনীৰ অসমীয়া অনুবাদ। আমি নাৰী বোৰে প্ৰেয়সী,পত্নী বা মাতৃ আদি সম্পৰ্কবোৰৰ মাজত নিজক হয়তো কেতিয়াবা হেৰুৱাই পেলাওঁ। লোকৰ সুখত নিজৰ সুখ বিচাৰি পাওঁ। নিজে কি ভাল পাওঁ কি বেয়া পাওঁ সকলো দূৰত ৰাখি বেলেগৰ কাৰণে জীয়াই থাকোঁ। পাহৰি যাওঁ যে আমাৰো এক সুকীয়া পৰিচয় থাকিব পাৰে।

এখন ঘৰত সৰুৰে পৰাই ছোৱালী জনীক লৰা সন্তানতকৈ পৃথক ৰূপে গঢ় দিয়া যায়।লৰাবোৰৰ শৈশৱ যেতিয়া সমনীয়া লগত বল খেলি পাৰ হয় সেই একে সময়তে মাকৰ চাদৰৰ আচলত ধৰি বা দেউতাৰ লগত ছাঁটোৰ দৰে লাগি ইটো সিটো যতনাই দিয়াৰ পৰাই দেখি দেখি শৈশৱতেই ছোৱালী বোৰে দায়িত্ববোৰ নিজে নিজেই বুজিব পৰা হৈ পৰে। সকলোকে যতনাই দি নিজলৈ ৰাখিছোঁ ৰাখিছোঁ কৈ নিজে বৈ যোৱা সৰু মাছ টুকুৰা নাইবা ফিছা টুকুৰাৰ সৈতে শুকানে শুকানে ভাত খোৱা মাকক দেখিয়েই ছোৱালীজনীয়ে শিকি পেলাই নিজে নাখায়ো লোকৰ পেট ভৰিলেও কেনেকৈ আত্মসন্তুষ্টি পোৱা যায় । সন্তানৰ সুখত সুখী দুখত দুখী মাতৃ সকলে নিজৰ সুখ দুখ বেলেগকৈ কিবা আছে বুলি হয়তো নাভাৱেই। মোৰ মা আৰু শাহু মায়ে এতিয়াও সকলোকে খুৱাই লৈহে খাই। আমিও হাঁহি হাঁহি কও চায়েই থাকক আমি খালেই পেট ভৰিব। কিন্তু ভাবোঁ এগৰাকী নাৰী হিচাপে নিজে তেনে হব পাৰিমনে ভৱিষ্যতে!

নিজে উপাৰ্জন নকৰিলেও স্বামীয়ে আৰ্জি দিয়া পইচা কেইটাৰে কেনেকৈ প্ৰতিটো সমস্যাৰে জোৰা টাপলি মাৰি পৰিয়ালটো নিয়াৰিকৈ কেনেকৈ চলাই নিব লাগে সেই দায়িত্বও মহিলাই নিয়াৰিকৈয়ে পালন কৰে। প্ৰায়বোৰ সংসাৰতেই পুৰুষজনে কেৱল উপাৰ্জনহে কৰে,ক'ত কিমান খৰচ হব মহিলা গৰাকীৰহে নখ দৰ্পনত। লৰা ছোৱালীৰ পঢ়াৰ খৰচ, ঘৰুৱা বা-বজাৰৰ পিছটো চেগ বুজি নিজৰ লৰা ছোৱালীৰ প্ৰয়োজনৰ বাবেই সাচে, পাহৰি যায় নিজৰ প্ৰয়োজনীয়তাবোৰ।মোতকৈ মাত্ৰ ডেৰ বছৰ ডাঙৰ মোৰ বাইদেৱে বহুত সৰুৰ পৰাই দেউতা ঢুকুৱাৰ পিছত ভাইটি আৰু মোৰ দায়িত্ব লৈ মানুহ কৰিলে আমাক। নিজে ফূৰ্ত্তি কৰিব পৰা বয়সটো আমাৰ নামত দিলে। মাত্ৰ উনৈছ বছৰ হৈছিল দেউতা ঢুকোৱাৰ সময়ত তাইৰ ।আৰু মোৰ জা, দিনটো মই ঘৰত নাথাকো কাৰণে ভাল বস্তু কিবা এটা ৰান্ধিলে মোৰ কাৰণে সাঁচি থয় , ৰাতিপুৱা সোনকালেই উঠি গৰম গৰম ভাত যতনাই খুৱাই পঠাই কৰ্মলৈ বুলি। কিন্তু সেই খিনিটো তেওঁ নকৰিলেও কোনেও দুষিব নোৱাৰে।

নাৰীক ভগৱানে ইমান নিস্বাৰ্থপৰ হিচাপে কিয় গঢ় দিয়ে। হয়তো সেয়ে পৃথিৱীত সম্পৰ্কৰ ভাৰসাম্য ৰক্ষা হৈ আছে। নাৰী তুমি অনন্যা। ইমান ভাল গুণবোৰ মোৰ গাত নাই। তথাপিও মই গৌৰৱ অনুভৱ কৰো ময়ো যে নাৰী।

# শলাগৰ শৰাই

## জয়শ্ৰী শইকীয়া

অৰ্দ্ধ-আকাশ হাড়ে হিমজুৰে অসমীয়া মহিলাৰ সদা-সতৰ্ক সৃষ্টিমুখী এক বিশেষ বৌদ্ধিক পৰিচয়। ভিন ভিন জীপাল ৰঙৰ অফুৰন্ত সমন্বয়। সময় অনুসৰি প্ৰতিফলিত অনুগল্পৰ ৰং, নাৰীৰ বিভিন্ন ৰূপত অংকিত কাহিনীৰ আবেগৰ ৰং, বিভিন্ন সদস্যৰ অভিজ্ঞতাৰ তথা সৃজনশীল কল্পনাৰ ৰং, উৎসৱৰ আৰু প্ৰশংসাৰ ৰং......। এই সকলো বহুমূলীয়া ৰঙৰ পৰাই একাজলী ৰঙেৰে গ্ৰন্থএখনি অংকুৰিত কৰিবলৈ আগবাঢ়িছে আমাৰ ব্যৱস্থাপক মণ্ডলীয়ে। সেয়ে পাতনিতে তেখেতসকললৈ প্ৰথমখন শলাগৰ শৰাই আগবঢ়ালোঁ।

সময় পৰিবৰ্তনশীল, আমি আমাৰ এই যাত্ৰাত বহু সুৰ, বহু ৰঙ আৰু বহু ৰসৰ সংযোজন কৰি যাও অজানিতে আৰু আমাৰ সংস্কাৰও প্ৰভাবিত হয়। বিবেকৰ অনুশাসনত কিছুমান দূৰলৈ ঠেলিবৰ চেষ্টাও কৰো আৰু অনুজসকলকো ব্যৱহাৰিক পৰামৰ্শও দিব বিচাৰোঁ। কেতিয়াবা হয়তো ফলপ্ৰসূ হয় তাৰ বাবে বিশেষ সময় ব্যয় কৰাতো কমেইহে প্ৰতিফলিত হোৱা দেখা যায়। সত্য আৰু শুদ্ধৰ, সুখ আৰু আনন্দৰ মাজৰ ব্যৱধান চলাথ কৰাতো সহজ যেন লাগিলেও কাৰ্যক্ষেত্ৰত সদা সৰল নহয়। আমাৰ চৌদিশে প্ৰকৃতিৰ অনুৰাগী ৰঙৰ সমদলৰ এক অন্তহীন যাত্ৰা আছে। যঞ্জত উৎফুল্ল শৰত, বসন্ত আৰু হেমন্তৰ লগত অনুভূতিভৰা গ্ৰীষ্ম, শীত আৰু বৰষাৰো কল্লোল বিদ্যমান। সকলোৰে এক সুকীয়া মাদকতা আছে ঠিক আমাৰ মানসিকতাৰ সমন্ধৰ বুৰবুৰনিৰ দৰে। আমি সদায়েই ইয়াক পাৰদৰ্শিতাৰ প্ৰভাৱ দিবলৈ বাৰম্বাৰ চেষ্টা কৰা উচিত। কিয়নো প্ৰয়াস কৰিলেহে আমি চেনেহী মৰতৰ জোনাকী আভাৰ দৰ্শন কৰিব পাৰিম। মোৰ ভাবৰ জগতখন বৰ আবেগমিশ্ৰিত গতিকে মূল প্ৰসংগলৈ আহোঁ।

কৰ্মসূত্ৰে প্ৰায় ওঠৰ বছৰমান অসমৰ বাহিৰত বসবাস কৰি আছোঁ। এই সময়ছোৱাত প্ৰায় সকলো সৰ্বভাৰতীয় পৰম্পৰা তথা লোকৰ লগত মিলামিচা আৰু কাম কৰাৰ সুবিধা পাইছো। মই নিজে এক কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ পি এচ ইউ ত কাৰিকৰী বিষয়া হিচাপে কৰ্মৰত। এই সময়চোৱাত বিশেষ দুখন ৰাজ্যত (মহাৰাষ্ট্ৰ আৰু উত্তৰাঞ্চ) প্ৰতক্ষভাৱে কাম কৰি আছোঁ যদিও আমাৰ সকলো সহকৰ্মী সৰ্বভাৰতীয় স্তৰৰ। এগৰাকী মহিলা কাৰিকৰী বিষয়া হিচাপে আমি আমাৰ সংস্থাত অতিকে কম সংখ্যক বুলিয়েই ক'ব পাৰি। আমাৰ বিদ্যা আহৰন কৰা সময়তকৈ আজিকালি ভাৰতবৰ্ষত মহিলা বিষয়ক অপৰাধ বৃদ্ধি পোৱাৰ কথা সকলোৰে জ্ঞাত। আজিৰ মহিলা অসুৰক্ষিত বুলি সকলোৱে একমুখে কয়। বহুজনৰ এই বিষয়ত মতামত বেলেগ — দুৰ্বল মানসিকতা, উদ পৰিবেশ, উপযুক্ত শিক্ষাৰ অভাৱ, নিচাযুক্ত দ্ৰব্যৰ প্ৰভাৱ ইত্যাদি ইত্যাদি। এই বিষয়ত মোৰ নতুনকৈ একো মতামত জনাব নিবিচাৰো, কাৰন ইতিমধ্যে এই জ্বলন্ত সমস্যাটোৰ ওপৰত আমাৰ প্ৰশাসন ব্যৱস্থাত বহু পদক্ষেপ প্ৰতক্ষ বা পৰোক্ষভাৱে লোৱা পৰিলক্ষিত হৈছে। মই মোৰ নিজা এক অনুভূতিহে সকলোৰে মাজলৈ বিনম্ৰ নিবেদনৰ ৰূপত দাঙি ধৰিব বিচাৰিছোঁ।

অসমৰ দৈনন্দিন পৰিবেশৰ পৰা এই ওঠৰটা বছৰ বাহিৰত অতবাহিত কৰি মোৰ অনুভৱ হয় আমাৰ জীৱন পালনৰ পৰম্পৰাৰ মানসিকতা বিশেষকৈ ঘৰুৱা আচৰনবোধ যেন আনতকৈ বেলেগ। হয়তো প্ৰাচীৰহীন যি হয়তো আমাৰ এক নিজা শৈলীৰ আভ্যন্তৰীন পৰিচয়। কিয়নো এই ওঠৰটা বছৰত মই মুঠ ছটা বেলেগ বেলেগ কাৰ্যালয়ত কৰ্মৰত হৈছোঁ, বিভিন্ন আয়োজনত অংশগ্ৰহণ কৰিছোঁ আৰু সেইবিলাকত পুৰুষ মহিলা সকলো সহকৰ্মীৰ লগত সময় অতিবাহিত কৰাৰ সুযোগ পাইছোঁ। বহু সময়ত আমাৰ উত্তৰ পূবৰ সহকৰ্মী মহিলাসকলৰ বাদে বাকী প্ৰান্তৰ মহিলা সহকৰ্মীসকলক ভিতৰত এক অহেতুক অন্তৰ্নিৰ্হিত শংকাৰ মাজত জীয়াই থকা যেন লাগে। অথচ বহুগৰাকী মোতকৈ বহু উচ্চ শিক্ষিত আৰু উচ্চ পদবীৰ অধিকাৰীও। তেওঁলোকৰ মনৰ আকাশখন বহু গোমা আৰু সহজে ফৰকাল হ'বলৈ সুবিধাজনক কৰিবও নিবিচাৰে। ভালদৰে লক্ষ কৰি

আমাৰ নিজা সমাজখন, নিজৰ সকলো অনুষ্ঠান প্ৰতিষ্ঠানৰ দীক্ষাৰ কথা ভাবি অলেখ  গৌৰব অনুভব কৰোঁ। কিয়নো আমাৰ সময়ত বৃত্তিবিষয়ক  প্ৰতিষ্ঠান সমূহত  ছাত্ৰীৰ সংখ্যা তুলনামূলকভাবে কম আছিল, তথাপি আমিতো কেতিয়াও উপেক্ষিতা নাছিলোঁ। বহু আদৰ চেনেহ পাইছিলোঁ ঘৰত, সমাজত, শিক্ষা প্ৰতিষ্ঠানত, সহপাঠীৰ ওচৰত, অগ্ৰজসকলৰ মাজত। কেতিয়াও নিজকে দ্বিতীয় শ্ৰেনীৰ বুলি ভাবিবৰ থল নাছিল। সচাকৈয়ে আমিবোৰ কিমান ভাগ্যবান। সেয়ে মোৰ ঘৰখন, সমাজখন, অগ্ৰজসকল, শিক্ষাগুৰুসকল, সহপাঠীসকল সকলোকে নতশিৰে  নমন কৰিছোঁ।

আমি যান্ত্ৰিক জীৱনৰ ব্যস্ততাৰ খাতিৰত ক্ষন্তেকৰ বাবে পাহৰিছোঁ, পুনৰ যেন মানবতাৰ বিশ্বমঞ্চত শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস হওক। তেতিয়াহে আমি মানৱতাৰ জয়গান গাবলৈ সক্ষম হব পাৰিম। আমাৰ সাতাপুৰুষীয়া সংস্কৃতিৰ ধ্বজা বাহক এই সমাজখন যাৰ ওচৰত আমি সকলো চিৰকৃতজ্ঞ — সাদৰেৰে একাঁজলি শলাগৰ শৰাই যাঁচিলো।

ৰূপকোৱৰৰ ভাষাৰে —

জনতাৰ হৃদয়ত মোৰ সোনোৱালী দে  
মই পিন্ধো বিশ্ববেশ।।  
নতুন দৃষ্টিৰে চাও  
সৃষ্টি অনিমেষ।।

# পিয়াঁজ কাটিলে আমাৰ চকুপানী ওলাই আহে, চকু পানী

**জুৰি কলিতা ৰয়**

১. পিয়াঁজ কাটিলে আমাৰ চকুপানী ওলাই আহে, চকু পানী ওলাই নাহিবৰবাবে কটাৰ আগত পিয়াজ অলপ সময় ফ্ৰীজত থৈ দিব।

২. ভাতৰ ৰং ধুনীয়া আৰু জৰজৰিয়া কৰিবৰবাবে ভাত ৰান্ধোতে এচামুচ ঘি দি লবচোন।

৩. আমাৰ ষ্টীলৰ গডৰেজবোৰ মাজে মাজে কেৰাচিন তেল অলপ মিলাই এখন কপাহী কাপোৰেৰে মুচি দিবচোন। তাৰ ওপৰত কাগজ পাৰি কাপোৰ থব। কাগজৰ তলত নিমপাত ৰাখিব।

৪. পাট কাপোৰ বোৰ হেঙাৰত ৰাখিব, জাপি থলে এখন কপাহী কাপোৰেৰে মেৰিয়াই থৈ দিব। পাট কাপোৰ ৰদত দিলে, ৰদৰ পৰা আনি আলনাত মেলি থব, তাৰ পিছত হে গডৰেজত থব।

৫. কাঠৰ বিছনা, আলমিৰাত দাগ লাগিলে বা পুৰণা পুৰণা দেখা হলে অলপ মিঠাতেল এখন কাপোৰত লগাই ঘঁহি দিব চোন, উজ্জ্বল হৈ পৰিব।

৬. বাথৰূমত কাপোৰ ধোৱা চাবোন থৈ দিলে চাবোনটুকুৰাগলি যোৱাৰ দৰে হয়, তেনে নহবৰ বাবে চাবোনৰ কেছতোৰ ওপৰত দুডাল ৰাবৰ মাৰি লৈ ওপৰত চাবোন থৈ দিব,তেতিয়া চাবোন টুকুৰ শুকান হৈ থাকে।

৭.ৰহৰৰ দাইল বহু দিন হলে পোকে ধৰে, তেনে নহবৰ বাবে দাইলৰ ভিতৰত দুটামান শুকান জলকীয়া দি থবচোন, দাইল বহু দিনলৈ ভালে থাকে।

৮. বেচিনৰ তলত যত পাইপ দাল থাকে তাত পইতা চোৰা আহিব লয়, পাইপদালৰ আশেপাশে বেকিং চডা ঢালি দিয়ক,পইতাচোৰাৰ পৰা ৰেহাই পোৱা যায়।

৯. বজাৰৰ পৰা কিনি অনা টেমাবোৰৰ ষ্টিকাৰদাল এৰুৱাব বৰ দিগদাৰ হৈ পৰে আমাৰ নেইল ৰিমভাৰ অলপ লৈ কপাহৰ সহায়ত ঘঁহি দিব, গুচি যাব।

১০. ইস্ত্ৰিটোত দাগ লাগিলে অলপ কলগেট লগাই অলপ সময় ৰাখি মুচি দিলে দাগ নোহোৱা হৈ যাব।

# সৰু সৰু হেপাঁহ, সৰু সৰু প্ৰাপ্তিবোৰ...

**ধনমণি তালুকদাৰ**

হয়, মোৰ মধ্যবিত্ত ঘৰত জন্ম। যৌথ পৰিয়ালটোত, প্ৰতি শনিবাৰে হে মাংস আনিছিল। সিদিনা আমি (ঘৰৰ সৰু কেইজনে) পঢ়াত মন বহুৱাব নোৱাৰিছিলোঁ। ঘনে ঘনে পাকঘৰলৈ যাওঁ পানী খোৱাৰ চলেৰে। ঘৰৰ প্ৰায় ২০/২৫ জন মানুহে এযোৰ বা তিনিটা পাৰ চৰাইৰ মাংসেৰে খোৱা সেই সাঁজ ভাতৰ সোৱাদ আজিও পাহৰা নাই । টুথপেষ্ট টো শেষ হোৱাৰ পিছতো আৰু দুদিন চলিছিল। এতিয়াৰ দৰে দেউতাই বজাৰ ভৰ্তি বেগ বোৰ নানিলেও চলিছিল। বাৰীৰ পিছফালেই সকলো বোৰ শাক পাচলি উপলব্ধ আছিল। ঘৰত থকা কলা বগা টিভিটোত দেওঁবাৰে চিডি আনি অসমীয়া চিনেমা চাইছিলোঁ। নিম্ন মধ্যবিত্তৰ বাবে বৰ বিলাসৰ কথা সেই সময়ৰ। ঘৰত যেতিয়া কাজ কৰ্মত মিঠাই আনিছিল, মা বৰ মা হতে বহুত হিছাপত খৰচ কৰিছিল। দেউতাই চাইকেল মাৰিয়েই চাকৰি জীৱনৰ আধাতকৈ বেছি সময় পাৰ কৰিলে। মাহঁতে তাঁত শালত কাপোৰ বয় নিজৰ প্ৰয়োজনৰ খিনি।

ঘৰলৈ যেতিয়া ৰঙীন টিভিটো আনিছিল সিদিনা সৰু সুৰা পাৰ্টী কৰিছিলোঁ আমি। দেউতাই স্কুটাৰ লোৱাটোও এটা মাইলষ্টনেই আছিল। ঘৰৰ প্ৰথম কম্পিউটাৰ টো লওঁতে মায়ে তাত সেন্দূৰেৰে ওম চিহ্ন টো আঁকি দিছিল। এই বোৰ আমাৰ নিম্ন মধ্যমিত্তৰ এটা এটা প্ৰাপ্তি আছিল। এটা প্ৰয়োজন পুৰণ হ'লেই আন এটা প্ৰয়োজন আহি পৰে। সেইটো পুৰাবলৈ আৰু ৰব লাগে সময়লৈ। আমাক মহানগৰীত ৰাখি পঢ়াওঁতে বহুবাৰ দেউতাই ঘৰৰ প্ৰয়োজনীয় বহু বস্তু লোৱা নাছিল। দেউতাক প্ৰায়ে এযোৰ কাপোৰতেই দেখিছিলোঁ । সন্তানক পঢ়োৱাৰ ত্যাগো আমি মধ্যবিত্তবোৰৰ অহংকাৰ! ঘৰত এতিয়া গাড়ী আহিল। সকলো বোৰ ইলেকট্ৰনিক সামগ্ৰীৰেই জীৱনটো পৰিচালিত হয়। ৰাতিপুৱাই জ্বলাই লোৱা মটৰটোৰ পৰা সময়ৰ অভাৱত নিশা দুপৰতো মেছিনত কাপোৰ ধোওঁ। অথচ মা হঁতক দেখিছিলো গাওঁৰ ঘৰৰ পিছফালে থকা নদীত বাল্টিয়ে বাল্টিয়ে কাপোৰ ধুইছিল । বিছনী ঘৰত নোহোৱা হ'ল। কিন্তু কিয় জানো মোৰ এতিয়াও মনত পৰে লেম্পৰ পোহৰত ভণ্টি আৰু মই এখন টেবুলত পঢ়া দিনবোৰৰ কথা। ইনভাৰ্টাৰৰ কোবত হয়তো আমাৰ পিছৰ প্ৰজন্মই লেম্পটো চিনিয়েই নাপাব। MBA পঢ়াৰ সময়ত এবাৰ কওঁতেই দেউতাই মোক লেপটপ এটা আনি দিছিল। ৩৫০০০ হাজাৰ টকীয়া লেপটপ টোত দেউতাৰ বা কিমান মাহৰ সঞ্চয় লুকাই আছিল !! তথাপি সেই সময় বোৰ মোৰ বৰ প্ৰিয় আছিল। সোঁৱৰনীত এতিয়াও জীপাল সেই সময়। লাজ নহয়, নিম্ন মধ্যবিত্ত ঘৰখন মোৰ অহংকাৰ, মোৰ গৌৰৱ হৈ ৰব আজীৱন। অভাৱ অনাটন,বহু দিনীয়া প্ৰতীক্ষাৰ অন্তত যেতিয়া সৰু হেপাঁহ এটা ও পুৰণ হৈছিল সেই সুখ খিনি আজিকালি বহুত বেছিকৈ মিচ কৰোঁ। এতিয়া নিজৰ চাকৰি হ'ল, ইচ্ছা গ'লেই সৰু সৰু অভাৱবোৰ পূৰ কৰিব পাৰোঁ। কিন্তু তাহানিৰ সেই বহুদিন হেপাঁহ আৰু আগ্ৰহেৰে ৰৈ থকাৰ পিছত যেতিয়া অভাৱ এটা পুৰণ হোৱাত যি সুখ পাইছিলোঁ সেই সুখ এতিয়া কিয় জানো নাপাওঁ?? দেউতাই গোটেই জীৱন জুৰি আমাক শিকালে সৰু সৰু প্ৰাপ্তি বোৰত সুখ বিচাৰি লোৱাৰ আমোঘ মন্ত্ৰ ! সেয়াই হয়তো জীৱনৰো সঞ্জীৱনী মন্ত্ৰ হৈ ৰ'ব। মধ্যবিত্ত ঘৰখন ,সৰু সৰু হেপাঁহবোৰ, সৰু সৰু সপোনবোৰ আজীৱন প্ৰিয় হৈ ৰব।

# অসমীয়া পৰম্পৰাগত গহনা ঃ এক সম্যক আভাস

**পল্লৱী হাজৰিকা**

"আমি অসমীয়া নহওঁ দুখীয়া কিহৰনো দুখীয়া হ'ম।" আমি অসমীয়া সঁচাই পূৰ্বৰে পৰা চহকী; সংস্কৃতি, ঐতিহ্য, পৰম্পৰা, সাজপাৰ, পোচাক-পৰিচ্ছদৰ পৰা আদিকৰি অসমৰ বুৰঞ্জীয়ে এক স্বকীয় নিদৰ্শন দাঙি ধৰিছে। সেয়া লাগিলে শ্ৰীমন্ত শংকৰদেৱৰ বৃন্দাৱনী বস্ত্ৰই হওঁক কিম্বা আহোমৰ সৌৰ্য-বীৰ্য বুকুত বান্ধি সগৌৰৱে থিয় হৈ থকা শিৱসাগৰেই হওঁক।

এই সকলো আপুৰুগীয়া সম্পদসমূহৰ ভিতৰত অসমীয়া গহণা গাঠৰীয়ে এক সুকীয়া মৰ্যদা প্ৰদান কৰি আহিছে। এই লিখনিত আমি অসমীয়া গহণা গাঠৰীৰ বিষয়ে কিছু আভাস দিবলৈ যন্ত কৰিছোঁ।

নিজকে ধুনীয়া কৰি ৰাখিবৰ চেষ্টা আমি মানুহবোৰৰ নতুন প্ৰবৃত্তি নহয়। হয়তো সভ্যতাসমূহৰ জন্মৰ লগে লগেই নিজক অধিক সৌন্দৰ্যবান কৰি তোলাৰ মানসিকতাৰো জন্ম হ'ল আৰু এই সৌন্দৰ্যবৰ্ধনৰ অন্যতম অংগ হিচাপে অলংকাৰ তথা গহণা গাঠৰিয়ে বিনাদ্বিধাই বিশেষ মহত্ব প্ৰদান কৰিছে। পুৰুষ-মহিলা উভয়ৰে বাবে পূৰ্বৰে পৰা সৌন্দৰ্যবৰ্ধনত অলংকাৰসমূহ এক হেঁপাহৰ সামগ্ৰী হৈ আহিছে।

**ইতিহাস ঃ** অসমীয়া গহণাৰ ইতিহাস মূলত আহোমসকলৰ দিনৰ পৰাই আৰম্ভ হৈছিল। সেইসময়ত সোৱণশিৰী নৈত সোণৰ কণিকা প্ৰচুৰ পৰিমাণে পোৱা গৈছিল। সেয়েহে সোণৰ গহণাৰ ৰাজঘৰত যথেষ্ট প্ৰয়োভৱ ঘটিছিল। বৰ্তমান প্ৰতিজন অসমীয়াৰ বুকুৰ আমঠু এই গহণাসমূহে ৰাজঘৰৰ শৌৰ্য-বীৰ্য বহণ কৰে কিয়নো আহোমৰ দিনত কেৱল ৰজাঘৰীয়া তথা উচ্চ বিষয়াসকলেহে এই গহণাসমূহ পৰিধান কৰিছিল। সেয়েহে এই গহণাসমূহক এৰি অসম তথা অসমীয়া সম্পূৰ্ণ নহয়।

ইয়াৰ উপৰিও বৈষ্ণৱ সাহিত্যত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটত ৰুক্মিণী দেৱীৰ পৰিহিত গহণাৰ বিৱৰণত অসমীয়া আভাস পোৱা যায়।

বৰ্তমান সময়ত অসমীয়া গহণাৰ মূল ভেটি বুলিলে মূলতঃ তিনিখন ঠাইৰ কথা উল্লেখ কৰিব পাৰি। নগাঁওৰ ৰণথলি, বৰপেটা আৰু যোৰহাটৰ সোণাৰীগাঁও।

অসমীয়া গহণা মূলতঃ দুই প্ৰকাৰৰ। এক উজনি অসমৰ যোৰহাট আৰু মধ্য অসমৰ নগাঁও জিলাৰ প্ৰখ্যাত কেঁচাসোণৰ গহণা। আৰু দ্বিতীয়বিধ হৈছে নামনি অসমৰ বৰপেটাৰ সোণৰ পানী চৰোৱা অসমীয়া পৰম্পৰাগত গহণা। কেঁচাসোণৰ গহণাসমূহ তৈয়াৰ কৰোতে গহণাসমূহৰ ভিতৰত ৰূপৰ বা সোণৰ সাঁজৰ ভিতৰত প্ৰথমতে 'লা' সোমোৱাই আকৃতি তৈয়াৰ কৰি লোৱা হয় আৰু সেই সাঁজৰ ওপৰত সোণপাত লগোৱা হয়। এই সোণপাত হৈছে এক বিশেষ পদ্ধতিৰে পিতি-পিতি কাগজৰ দৰে পাতল কৰি তৈয়াৰ কৰা সোণ।

এই দুইপ্ৰকাৰৰ গহণাই অসমীয়া মানুহৰ বিশেষত মহিলাসকলৰ বুকুৰ আপোন। বিভিন্ন পাথৰ, মিনাৰ সমাহাৰে এই গহণাসমূহক অধিক আকৰ্ষণীয় কৰি তোলে। অসমীয়া গহমাসমূহ কাণৰ, ডিঙিৰ, হাতৰ বাহু, হাতকে আদি কৰি দেহৰ সকলো অংগৰ শোভা বৰ্ধনৰ বাবে তৈয়াৰ কৰা হয়। বিভিন্ন গহণাসমূহৰ নামসমূহতো অসমীয়া জাতিৰ সৈতে জড়িত ফুল, বাদ্য, চৰাই-চিৰিকতি ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত হোৱা দেখা যায়।

বৰ্তমান সময়ত বহুলভাৱে প্ৰচলিত অসমীয়া গহণাসমূহৰ ভিতৰত কেইবিধমানৰ নাম তলত থুলমূলকৈ দাঙি ধৰিলো।

**১। ঢোলবিৰি ঃ** অসমীয়া বাদ্য ঢোলৰ আৰ্হিত আকৃতিৰে তৈয়াৰী ই এক বহুলভাৱে প্ৰচলিত অসমীয়া গহণা। বিহু নৃত্য, সত্ৰীয়া নৃত্যৰ নৃত্যশিল্পীসকলৰ শোভা বৰ্ধনৰ উপৰিও দৈনন্দিন জীৱনৰ অন্যান্য অনুষ্ঠানসমূহতো এই গহণাৰ চাহিদা দেখা পোৱা যায়।

**২। জোনবিৰি ঃ** কাঁচিজোনৰ আৰ্হিৰে তৈয়াৰী এই গহণাবিধৰ চাহিদা পূৰ্বতে উল্লেখ কৰা ঢোলবিৰিৰ দৰেই গুৰুত্বপূৰ্ণ। এই জোনবিৰিৰ আকৃতিক লৈ তিনিধৰণৰ জোনবিৰি নামেৰে এই গহণা কেইবিধ লোকসমাজত প্ৰচলিত।

**৩। লোকাপাৰ ঃ** অসমীয়া জনসমাজৰ অতি পৰিচিত পাৰ চৰাইৰ আৰ্হিৰে তৈয়াৰ কৰা এইবিধ গহণা হৈছে লোকাপাৰ। পিঠিয়া-পিঠিকে থকা দুযোৰা পাৰ চৰাইক লৈ তৈয়াৰী এইবিধ গহণা পূৰ্বতে আহোম স্বৰ্গদেউ তথা উচ্চ পুৰুষ বিষয়াসকলৰ শোভাবৰ্ধক আছিল।

**৪। শেনপতা ঃ** শেন চৰাইৰ আৰ্হিৰে গঢ় লোৱা এইবিধ গহণা হৈছে শেনপতা। পূৰ্বতে ইয়াক আঙুঠি হিচাপে পৰিধান কৰা হৈছিল যদিও বৰ্তমান ডিঙিৰ অলংকাৰ হিচাপে ইয়াক পৰিধান কৰা হয়।

**৫। ডুগডুগি ঃ** বহুলভাৱে প্ৰচলিত এই গহণাবিধ আঁহত পাতৰ গঢ় লৈ তৈয়াৰ কৰা হৈছে। মানুহৰ হৃদয়ৰ আকৃতিৰ পৰা ডুগডুগিৰ নাম তথা আকাৰৰ চানেকি লোৱা হৈছে বুলি ক'ব পাৰি।

এইসমূহৰ উপৰিও ডিঙিৰ অলংকাৰৰ ভিতৰত জেঠীপতা, গলপতা, গাগৰী, মতামণি, বৰপেটীয়া, কেৰু, জাপি, পেঁপা, ধানসিৰা, ময়ূৰ ইত্যাদিয়ে প্ৰধান। উল্লেখযোগ্য যে প্ৰত্যেকটো গহণাৰ আকাৰৰ ভিত্তিতেই গহণাকেইবিধৰ নামকৰণ হোৱা দেখা যায়।

হাতৰ অলংকাৰসমূহৰ ভিতৰত গামখাৰু, মুঠিখাৰু, বালা, গোটা খাৰু, জেঠীনেজীয়া আঙুঠি, শালিয়া খাৰু, গোটা খাৰু, মগৰমুৰীয়া খাৰু, ধানসিৰা খাৰু, বাখৰোৱা আঙুঠি, শেনপতা, জাপি আঙঠি, ডুগডুগি আঙঠি, ম'ৰা নেজীয়া আঙঠি ইত্যাদিয়ে প্ৰধান। ইয়াৰ উপৰি অসমীয়া গহণাসমূহক অন্য অংগ যেনে থোপা, হাতৰ বাহু, নাক, কাণ, ভৰি ইত্যাদিৰ বাবেও তৈয়াৰ কৰা হৈছিল।

অসমীয়াৰ গৌৰৱ এই পৰম্পৰাগত গহণা মুনিহ, তিৰোতাৰ শৌৰ্য বৰ্ধন কৰাৰ উপৰিও অসমীয়া সংস্কৃতিৰো সৌন্দৰ্য বৰ্ধন কৰি আহিছে। বৰ্তমানে অসমীয়া সমাজত এই গহণাসমূহৰ জনপ্ৰিয়তাৰ উপৰিও অন্য সম্প্ৰদায়ৰ মাজতো সৃষ্টি হ'বলৈ লোৱা চাহিদা মন কৰিবলগীয়া। ই অসমীয়া কাৰিকৰসকলৰ লগতে অসমীয়া জাতিটোলৈও সুখবৰ। কিন্তু এই সমুখবৰৰ মাজতে অসমীয়া গহণাৰ কাৰিকৰসকলক বাৰুকৈয়ে চিন্তিত কৰা বিষয়টো হৈছে অসমীয়া গহণাৰ আৰ্হিত বহিৰাগত সামগ্ৰীৰ বজাৰ দখল। ই কেৱল কাৰিকৰসকলৰ মূৰত টাঙোন মৰাই নহয় ই অসমীয়া সংস্কৃতিক অপভংগ কৰাৰ গভীৰ ষড়যন্ত্ৰ।

সেয়েহে কেৱল সুলভ মূল্যত উপলব্ধ বুলিয়েই এই বেপেৰুৱা গহণাসমূহ কিনোতে গ্ৰাহক সজাগ হোৱাতো খুবেই প্ৰয়োজন। এই ক্ষেত্ৰত চৰকাৰৰ কৰিবলগীয়া যথেষ্ট। বহিৰাগত বেপেৰুৱা সামগ্ৰীৰ পৰা অসমীয়া সংস্কৃতিক ৰক্ষা কৰাতো সকলোৰে কৰ্তব্য।

লিখনিৰ শেষত অসমীয়া গহণাই যাতে নিজৰ নাম ডোপত ডোপে আগবঢ়াই বিশ্ব দৰবাৰত চিনাকি দি অসমীয়া সংস্কৃতিৰ গৌৰৱৰ ধ্বজা একেদৰেই বহন কৰি আগবাঢ়ি যায় তাৰেই কামনা কৰিলোঁ লগতে লিখনিটিত অনাকাংক্ষিত ভুলৰ বাবে ক্ষমা মাগিলোঁ।

## *মোৰ সপোনপুৰীৰ ভ্ৰমণ*

# ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যান

**মমী চৈয়দ**

ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যান ভাৰতৰ উত্তৰাখণ্ড ৰাজ্যত অৱস্থিত এক সপোনপুৰী । সুউচ্চ হিমালয়ৰ বুকুত থকা এই ৰাষ্ট্ৰীয় উদ্যানখনি ইউনেস্কো বিশ্ব ঐতিহ্যবাহী স্থানসমূহৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে। সমগ্ৰ উপত্যকাজুৰি বনৰীয়া ফুলৰ মনোৰম সমাহাৰ দেখা পোৱা যায়। তাৰে কিছু ফুল অতি দুৰ্লভ প্ৰজাতি তথা বছৰত এবাৰহে দেখা পোৱা যায়। মোৰ বহুদিনিয়া এক সপোন এই সুন্দৰ উদ্যানখনি চোৱাৰ যেন দিঠকলৈ পৰিণত হোৱাৰ দিন আহি পৰিছিল। অতি দুৰ্গম তথা বিপদসংকুল পথ অতিক্ৰম কৰি যাব লগাৰ হেতুকেই এই অভিনৱ উদ্যানখনি চোৱাৰ হেঁপাহ থকাৰ স্বত্বেও বাৰে বাৰে থমকি ৰ'ব লগা হৈছিল। অৱশেষত ২০১১ চনৰ মোৰ এই সপোনপুৰীলৈ যাম বুলি মে' মাহৰ পৰা প্ৰস্তুতি আৰম্ভ কৰি আগস্ট মাহত ওলালোঁ। লগত স্বামী, দহ-মহীয়া ছোৱালীজনী আৰু দুজন দাদা সদৃশ্য বন্ধু, বিৰেক আৰু ৰাহুল ভাইয়া। ভেলী অৱ ফ্লাৱাৰ্ছৰ যাত্ৰাক দৰাচলতে এটা কঠিন ট্ৰেকিং বুলি ক'লেহে শুদ্ধ হ'ব। এই ট্ৰেকিংৰ বাবে শাৰীৰিক ফিটনেচ অতিকৈ জৰুৰি। মই দহ-মহীয়া কেঁচুৱা লৈ অলপ চিন্তাত পৰিছিলো, কিন্তু স্বামীয়ে সাহস দিয়াত যাবলৈ ওলালোঁ। আগতেই উল্লেখ কৰিলোঁ যে ভেলী অৱ ফ্লাৱাৰ্ছৰ পথ অতি দুৰ্গম হোৱাৰ লগতে বিপদসংকুলো, প্ৰতি বছৰৰ আগস্ট মাহৰ পৰা অক্টোবৰ মাহলৈকে এই উদ্যানখনি পৰ্যটকৰ বাবে মুকলি থাকে আৰু সেইসময়তে মনচুনৰ প্ৰভাৱত সমগ্ৰ উপত্যকা ফুলৰ এক দলিছা সদৃশ্য হৈ পৰে কিন্তু বৰষুনৰ বাবে ঠায়ে ঠায়ে হোৱা ভূমিস্খলনে ভেলী অৱ ফ্লাৱাৰ্ছৰ পথ অতি দুৰ্গম কৰি তোলে। ২০১১ চনত আমি দিল্লীত থাকো, ১৩ আগষ্টত অনাগত স্বাধীনতা দিৱসৰ বন্ধ মিলাই আমি ভেলী অৱ ফ্লাৱাৰ্ছলৈ যাবলৈ প্ৰস্তুত হ'লোঁ।

ভেলী অৱ ফ্লাৱাৰ্ছ উদ্যান যাবলৈ প্ৰথমে আমি দিল্লী পৰা ডেৰাডুন আৰু তাৰপাছত উত্তৰাখণ্ডৰ হৃষীকেশ হৈ, অতি পাহাৰীয়া আৰু বিপদসংকুল পথেৰে পঞ্চ-প্ৰয়াগৰ দেৱপ্ৰয়াগ, ৰুদ্ৰপ্ৰয়াগ, কৰ্ণপ্ৰয়াগ আৰু নন্দপ্ৰয়াগ অতিক্ৰম কৰি যাব লাগিব।। প্ৰকৃতিৰ মনোমোহা সুন্দৰতাৰ মাজেৰে আহি পুৱা ৯ মান বজাত আমি ডেৰাডুন পালোঁহি। ডেৰাডুন পাছৰ যাত্ৰা অলপ দীঘলীয়া। এইবাৰ আমি যাম হৃষীকেশ হৈ দেৱপ্ৰয়াগ, পৌড়ীৰ শ্ৰীনগৰ, ৰুদ্ৰপ্ৰয়াগ, কৰ্ণপ্ৰয়াগ, নন্দপ্ৰয়াগ, চামৌলী আদি পাৰ কৰি ভেলী অৱ ফ্লাৱাৰ্ছৰ নিকটৱৰ্তী প্ৰধান চহৰ গড়ৱালৰ যোশীমঠলৈ। দুৰত্ব ডেৰাডুনৰ পৰা প্ৰায় ৩০০ কি.মি ।

যোশীমঠয়ে হ'ব আজিৰ আমাৰ যাত্ৰাৰ গন্তব্যস্থান। যাহওক, ডেৰাডুন এৰি হৃষীকেশ পাৰ হোৱাৰ লগে লগে, পাহাৰীয়া একে বেকা আৰু ঘুৰণীয়া ৰাস্তা আৰম্ভ হৈ গ'ল। এনেদৰে আহি আমি দেৱপ্ৰয়াগ পালোঁহি। পঞ্চপ্ৰয়াগৰ অন্যতম দেৱপ্ৰয়াগ, অলকনন্দা আৰু ভাগীৰথী দুই নদীৰ সঙ্গমস্থল । এই দুই নদী দেৱপ্ৰয়াগতে এখন নদী গংগাৰ ৰূপ পাইছে। অলকনন্দাৰ কাষে কাষে, পাহাৰীয়া পথৰে গৈ, আমি পৌড়ীৰ শ্ৰীনগৰ অতিক্ৰম কৰিলোঁ। পৌড়ীৰ শ্ৰীনগৰ পাৰ হোৱাৰ লগে লগে পথটি অলপ ঠেক হবলৈ ধৰিলে। অতি বেছি ঘুৰণীয়া এই পথটি যেন অলপ বেছিকৈয়ে বিপদসংকুল, কিন্তু অপূৰ্ব মনোৰম। তেনেকৈয়ে অতি সাবধানে আহি আমি ৰুদ্ৰপ্ৰয়াগ পালোঁহি। ৰুদ্ৰপ্ৰয়াগ এৰি প্ৰায় এঘন্টা মান গৈছোঁ, সময় প্ৰায় সন্ধিয়াৰ পাচঁ মান বাজিছে, কৰ্ণপ্ৰয়াগ পাৰহৈ আহিলোঁ কিন্তু এতিয়াও নন্দপ্ৰয়াগ পোৱাগৈ নাই, এনেতে দেখো আকাশখনি গোমা হৈ আহিছে। অলপপৰ পাছত বৰষুন পৰিবলৈ ধৰিলে। ছয়মান বজাত নন্দপ্ৰয়াগ পাৰ হওঁ মানে, ধাৰাষাৰে বৰষুন দিবলৈ আৰম্ভ কৰিলে । ইফালে আন্ধাৰো ভালেমান হ'লগৈ। যোশীমঠলৈ ঐতিয়াও ৬০ কি.মি.। কি কৰিম-নকৰিম গুনাগুথা কৰি কৰিয়েই আমি চামৌলী পাৰ হ'লোঁ। বৰষুন আগতকৈও বাঢ়িল, সমগ্ৰ পথচোৱাত আমাৰ বাহিৰে বেলেগ এখনো যান-বাহন আমাৰ দৃষ্টিগোচৰ নহ'ল। বৰষুণৰ মাত্ৰা ইমানেই বেছি যে, গাড়ীৰ আগত ৰাস্তা প্ৰায় চকুৰে মনিব নোৱাৰৰ দৰে। নিশা প্ৰায়

১০.১৫ মান বজাত আহি আমি যোশীমঠৰ টুৰিষ্ট বাংলো পালোঁগৈ। তেতিয়ালৈকে ভাগৰ আৰু ভোকত সকলো লেবেজান দিছোঁ। টুৰিষ্ট বাংলোৰ সকলোয়ে খাই-বই কেতিয়াবাই আজৰি হোৱাৰ স্বতেও, আমাৰ কাৰণে পুনৰাই সকলো পৰিপাটি ভাৱে যুগুতায় দিলে । টুৰিস্ট বাংলোৰ কৰ্মচাৰীসকলে আমাক জনালে যে, গোটেই ৰাতি যদি এনেকৈয়ে বৰষুণত দি থাকে ভেলী অৱ ফ্লাৱাৰ্ছৰ পথৰ ১৫ দিন মানৰ কাৰণে বন্ধ কৰি দিয়া হ'ব, প্ৰতি বছৰে কৰাৰ দৰে । এই কথা শুনি আমাৰ ভাগৰ কৰবালৈ পলাল । ইমান বিপদসংকুল পথ অতিক্ৰম কৰি, মৰনত-শৰণ দি আহি, এতিয়া যদি ভেলী অৱ ফ্লাৱাৰ্ছলৈ যাবলৈ নাপাওঁ !! ৰাতিপুৱালৈ যদি পথ বন্ধ হৈ যায় ! ভাগৰত লেবেজান আমি সকলোৱে নিজ নিজ ৰুমলৈ গ'লোঁ অলপ জিৰনী ল'বলৈ । অত্যধিক ভাগৰৰ স্বতেও, আহিব লগীয়া দিনটোৰ দুচিন্তাৰ বাবে আমাৰ কাৰোৰে সেইদিনা ভালকৈ টোপনি নাহিল ।

১৪ আগষ্টৰ ৰাতিপুৱাল, এটি ফৰকাল আৰু ৰৌদ্ৰজল পুৱা, ৰাতিৰ সকলো দুচিন্তা যেন পলকতে উৰি গ'ল আমাৰ । পুৱা ৭ বজাত ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি, তিনিদিনৰ বাবে প্ৰয়োজনীয় কাপোৰ-কানি, গৰম কাপোৰ, জোতা, দৰব-পাতি আদি কৰি অতি অৱশ্যকীয় সামগ্ৰী সমূহ লৈ আমি সাজু হ'লোঁ। আমাৰ চাৰিওটিৰে ওচৰত পিঠিত লোৱা এটি এটি বেগৰ ওপৰিও, গাইপতি একোটাকৈ ডাঙৰ বেগ হ'ল। ভেলী অৱ ফ্লাৱাৰ্ছৰ ট্ৰেকিং বাবে প্ৰথমে আমি যাম ট্ৰেকিংৰ আৰম্ভণী পইন্ট গৌৰিন্দঘাটলৈ। গৌৰিন্দঘাট হৈছে ভেলী অৱ ফ্লাৱাৰ্ছ ট্ৰেকিংৰ ‘বেইজ কেম্প’ (Base Camp)। যোশীমঠ ৰ পৰা গৌৰিন্দঘাটলৈ দুৰত্ব প্ৰায় ২০ কি. মি.। যিহেতু গৌৰিন্দঘাটৰ পৰা আমি ট্ৰেকিং কৰিব লাগিব, গতিকেই নিজৰ গাড়ী আমি যোশীমঠৰ টুৰিষ্ট বাংলোতে এৰি, এখন ভাড়া গাড়ীৰে গৌৰিন্দঘাটলৈকে গ'লোঁ। গৌৰিন্দঘাটৰ পৰা ভেলী অৱ ফ্লাৱাছৰ ট্ৰেকিং একেদিনত কৰিব পৰা নাযায়। প্ৰথম ট্ৰেকিংত গৌৰিন্দঘাটৰ পৰা ঘাঙ্গৰিয়ালৈকে যাব লাগে। ঘাঙ্গৰিয়াত ৰাতিটো কটায় তাৰ পিছৰদিনাহে ভেলী অৱ ফ্লাৱাছলৈ ট্ৰেকিং কৰিব পাৰি। উল্লখযোগ্য যে ভেলী অৱ ফ্লাৱাছ ৰাষ্ট্ৰীয় উদ্যানত আবেলিৰ ৩ বজাৰ পাছত প্ৰৱেশ নিষিদ্ধ।

ঘাঙ্গৰিয়া সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৩০৫০ মিটাৰত ওপৰত অৱস্থিত এখন পাহাৰীয়া সৰু গাওঁ। আজিৰ ট্ৰেকিংত ঘাঙ্গৰিয়ায়ে হ'ব আমাৰ গন্তব্যস্থান। গৌৰিন্দঘাটৰ পৰা দুৰত্ব ১৩ কি.মি। পুৱা ৭.৩০ বজাত আমি সকলোৱে গৌৰিন্দঘাটৰ পৰা ট্ৰেকিং কৰিবলৈ সাজু হ'লোঁ। সকলোৰে পিঠিত এটি এটি বেগত পানী, ৰেইনকোট, গ্লুকুজ, চকলেট, কেমেৰা আদি ল'লোঁ। বাকী থকা ডাঙৰ চাৰিওটা বেগত অনাগত তিনিদিনৰ অতি প্ৰয়োজনীয় সামগ্ৰী সমূহ। ডাঙৰ বেগ সমূহ কেনেদৰে ওপৰৰ ঘাঙ্গৰিয়া পৰ্যন্ত লৈ যোৱা যাব এই কথা ভাৰি-গুনি থাকোতেই দেখিলো, ঘোৰাঁত কৰি বস্তু আদি ঘাঙ্গৰিয়ালৈকে লৈ যোৱাৰ সুবিধা আছে। আমিও এটা ঘোৰাঁ দৰ-দাম কৰিলো, আৰু চাৰিওটা ডাঙৰ বেগ এনেদৰে লৈ যোৱাৰ কথা সিদ্ধান্ব ললো। এনেদৰে বস্তু লৈ যোৱাত এটায়ে চৰ্ত্ত আছিল যে, সেই ঘোঁৰাত এজন মানুহ লগত যাব লাগিব। এতিয়া ঘোঁৰাত হৈ কোন যাব, এইকথালৈ আমি মহাচিন্তাত পৰিলো, অলপদেৰি ভাৰি-চিন্তি, বিৱেক ভাইয়ায়ে ক'লে যে তেওঁ ঘোৰাঁত যাব আৰু লগত আনিছাকো লৈ যাব, যাতে মোৰ ট্ৰেকিং কৰাত সুবিধা হয় । ফোনৰ একো যোগাযোগ নথকা সেই বাটছোৱাত কমেও ৮ ঘন্টা যে আমাৰ আৰু বিৱেক ভাইয়া মাজত একো যোগাযোগ নহয় এই কথা জনাৰ স্বতেও, তেওঁৰ ওপৰত থকা অগাধ বিশ্বাসে আমাক এই সিদ্ধান্ত লোৱাত অলপো বাধা নিদিলে। যাহওক, বিৱেক ভাইয়ায়ে, আনিছাক লৈ যাবলৈ আৰম্ভ কৰাৰ প্ৰায় আধা ঘন্টাৰ পাছত আমিও, মানে, মই, মোৰ স্বামী আৰু ৰাহুল ভাইয়ায়ে ট্ৰেকিং আৰম্ভ কৰিলোঁ। সময় তেতিয়া পুৱাৰ ৮.৩০ বাজিছে । ট্ৰেকিং আৰম্ভ কৰাৰ পৰা প্ৰায় চল্লিচমিনিটমান এটি সৰু কিন্তু মোটামোটি ভাল পথেদিয়ে গৈ থাকিলোঁ। তাৰ অলপপৰৰ পাছৰে পৰা পথৰ কোনো চিন-মোকাম নাইকিয়া হ'ল। ওখুৰা-মুখুৰা আৰু ডাঙৰ ডাঙৰ কেৱল মাত্ৰ শিল, পথৰ নামত। প্ৰায় ৩ কি. মি যোৱাৰ পাছত পুলনা নামৰ এখন সৰু গাওঁ পালোঁগৈ।

পুলনা পাৰ হোৱাৰ লগে লগে ট্ৰেকিংৰ পথ অতি ঠেক তথা দুৰ্গম হবলৈ ধৰিলে । লগত চাৰিওফালৰ অতি ঘন পাহাৰিয়া অৰণ্য। উচ্চৰ পৰা উচ্চ হৈ পৰা পথে লাহে লাহে ট্ৰেকিংটো আৰু কঠিন কৰি তুলিল । তেনেদৰে ২ কি.মি ট্ৰেকিং কৰাৰ পাছত আমি জংগল চট্টি নামৰ এটুকুৰা ঠাই পালোঁহি। এইবাৰ পথ আৰু অধিক উচ্চ তথা বিপদসংকুল হ'ব ধৰিলে । দৰাচলতে পথ বুলি একো নাছিলয়ে, কেৱল মাত্ৰ শিল বগাই বগাই উপৰলৈ গৈ আছোঁ। যিমানেই গৈ আছোঁ সিমানেই কঠিন আৰু উচ্চ হৈ পৰিছে পথ। পাহাৰত ট্ৰেকিং কৰিবলৈ শাৰীৰিক ফিটনেচ যে অতিকৈ জৰুৰি তাত কোনো সন্দেহ নাই, কিন্তু শাৰিৰিক ফিটনেচতকৈ ও মানসিক শক্তি অতি বেছি দৰকাৰি । যিকি নহ'ৰক, শাৰীৰিক ভাৱে ভাগৰি লেবজান হোৱাৰ স্বতেও

ট্ৰেকিং কৰি আছো । এনেদৰে প্ৰায় ৫ কি.মি আহি আকৌ এখন সৰু গাওঁ পালোহি। ইয়াৰ পৰা ঘাঙ্গৰিয়া যদিও মাত্ৰ ৩ কি.মিৰ বাট, এই ৩ কি.মি য়ে এতিয়ালৈকে কৰা ট্ৰেকিংৰ সকলোতকৈ কঠিনতম পথ। সমগ্ৰ ৩ কি.মি ত আছে কেৱল উচ্চ আৰোহন । সময় তেতিয়া প্ৰায় ৩.৩০ বাজিছে । পাহাৰত অতি সোনকালে আন্ধাৰ হয়, গতিকেই আমি আৰু বিলম্ব নকৰি ট্ৰেকিং আৰম্ভ কৰিলোঁ । ইমানেই থিয় আৰু উখ এইছোৰা পথ যে, আমি প্ৰতি ১০-১৫ মিনটৰ অন্তৰে অন্তৰে অলপ বহি জিৰনী লব লগা হৈছে । আমি ভৰাতকৈও আৰু কঠিন হব ধৰিলে লাহে লাহে পথটি। এফালে অটব্য অৰন্য, যত বিভিন্ন প্ৰকাৰৰ হিংস্ৰ জীৱ-জন্তুৰ বসতি আৰু আনফালে পাহৰীয়া খৰস্ৰোতা নদী । লাহে লাহে সন্ধিয়াৰ আন্ধাৰ নামিব ধৰিছে। এটা সময়ত ঘোপমৰা আন্ধাৰে পাহাৰখনি আৱৰি ধৰিলে। আমাৰ ওচৰত থকা সৰু টৰ্চ্ জলাই, আমি আগবাঢ়ি গৈ থাকিলোঁ, এইদৰে, কোনোমতে, প্ৰায় আধামৰা হৈ ৬.৩০ মানত আমি ঘাঙ্গৰিয়া পালোহি । টুৰিষ্ট বাংলোত বিৱেক ভাইয়া, আনিছাৰ লগত আমালৈ অতি উৎকণ্ঠাৰে অপেক্ষা কৰি আছিল। পিছদিনা ১৫ আগষ্ট, স্বাধীনতা দিৱস আৰু আমাৰ সপোনপুৰীৰ দৰ্শন ! অধিৰ অপেক্ষাৰে ১৪ আগস্টৰ ৰাতি আমি ঘাঙ্গৰিয়াত ।


পাছদিনাৰ ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যানৰ ট্ৰেকিং অতি সোনকালে পুৱাতেই কৰিব লাগিব, কাৰন সমুদ্ৰপৃষ্ঠৰৰ পৰা প্ৰায় ৩৬০০ মিটাৰ ওপৰত অৱস্থিত, ভেলী অৱ ফ্লাৱাৰ্ছত বতৰ কোন সময়ত কোন দিশে গতি লয় তাৰ কোনো স্থিৰতা নাই । গতিকেই, ঘড়ীত পুৱা ৪ বজাৰ এলাৰ্ম লগাই আমি শুৱলৈ নিজ নিজ ৰুমলৈ আহিলোঁ। অনাগত দিনটোৰ মধুৰ সপোন আগত লৈ সেইৰাতি আতি সুন্দৰ টোপনি আহিল, তাতে দিনযোৰা ট্ৰেকিংৰ বাবে যথেষ্ট ভাগৰো লাগি আছিল। পুৱা ৪ বজাত এলাৰ্মৰ সংকেতত সাৰ পালোঁ। বতৰৰ উমান লৈ গম পালো যে বাহিৰত ধাৰাষাৰ বৰষুণ। বতৰৰ এনে ৰূপ দেখি আমি সকলো মহা-চিন্তাত পৰিলোঁ। এইদৰে ধাৰাষাৰ বৰষুন দি থাকিলে ভেলী অৱ ফ্লাৱাৰ্ছৰ ট্ৰেকিং কৰা মুঠেও সম্ভৱ নহয়, তদুপৰি ভুমিস্খলন হৈ যিকোনো মুহূৰ্তত পথ বন্ধ হৈ যোবাৰ প্ৰচুৰ সম্ভাৱনা আছে । হয়তো অলপপৰৰ পাছত বৰষুন এৰিব, এই আশা মনত লৈয়ে গা-পা ধুই সাজু হ'লোঁ। আজি আমি ট্ৰেকিং কৰিম বহু অপেক্ষিত পুষ্প উপত্যকাখনিলৈ। ঘাঙ্গৰিয়াৰ পৰা দুৰত্ব মাত্ৰ ৬ কি.মি । যদিওবা দুৰত্ব কম কিন্তু অতিকৈ দুৰ্গম তথা বিপদসংকুল এইছোৰা পথ। বছৰটোৰ আধাখিনি সময়ে তুষাবৃত থকা ভেলী অৱ ফ্লাৱাছৰ কিছু কিছু ট্ৰেকিংৰ পথ এইসময়তো তুষাৰে আবৃত হৈ থাকে । ৬ মান বজাত বৰষুন অলপ কমিল যদিও চিপচিপকৈ দিয়ে আছে। আমি চিপচিপয়া বৰষুনতে ট্ৰেকিংৰ বাবে সাজু হ'লো । কিন্তু আনিছাক কেনেকৈ লৈ যাৱা যায়, এই কথা লৈ সকলোৱে মহা-চিন্তাত পৰিলোঁ। ভেলী অৱ ফ্লাৱাছলৈ ঘোৰাঁ লৈ যোৱাৰ অনুমতি নাই । এনেতে দেখিলো যে এজন প'টাৰে পাঁচিত কৰি বস্তু হোটেললৈ আনিছে। ধুনীয়াকৈ পলিথিনেৰে আৱৰা পাঁচিটোত বৰষুন সোমোৱাৰ কোনো চিন্তা নাই । আমি তুৰন্তে তেওঁৰ লগত কথা পাতিলোঁ। পাঁচিত কৰি ১০ মহীয়া কেচুৱা লৈ যাব লাগে বুলি কোৱাত প'টাৰজনে প্ৰথমে থতমত খালে আৰু লগত অলপ ভয়ো কৰিলে। কিন্তু আমি সাহস দিলোঁ আৰু আমি চাৰিওজন তেওঁৰ লগে-লগে থাকিম বুলি কোৱাত, তেওঁ মান্তি হ'ল।

অৱশেষত ৬.৩০ টা মান বজাত, কিনকিনিয়া বৰষুনৰ মাজেৰে আমি সকলোয়ে ট্ৰেকিং আৰম্ভ কৰি, প্ৰায় ৩০ মিনিটমানৰ পাছত এখন চেক-গেট পালোঁ । ভেলী অৱ ফ্লাৱাছৰ চেক-গেটত প্ৰৱেশ মাচুলৰ উপৰিও সকলোৰে নাম আৰু সময় লিপিবদ্ধ কৰিব লাগে, যাতে আজি কিমান মানুহ ট্ৰেকিংত গৈছে আৰু ঘূৰি আহিলে নে নাই তাৰ এটা হিচাব ৰাখিব পৰা যায় । এনেদৰেই আৰু অলপপৰ যোৱাৰ লগে লগে ট্ৰেকিং অতি কঠিন হবলৈ ধৰিলে। পাহাৰৰ আৰোহন থিয় আৰু উচ্চ হ'ব ললে লগত পথৰ চিন-মোকাম নথকা পাহাৰিয়া ঘন অৰন্য। যিমানেই ওপৰলৈ ট্ৰেকিং কৰি আছোঁ বৰষুণ আৰু ধাৰাষাৰে হবলৈ ধৰিছে, বৰষুণৰ মাজেৰেই গৈ আমি এটা হিমবাহ (glacier) পালোগৈ । দুৰ্গম তথা বিপদসংকুল পথ অতিক্ৰম কৰি প্ৰায় ৪ ঘন্টামানত আহি আমি আমাৰ সপোনপুৰী "ভেলী অৱ ফ্লাৱাৰ্ছ" ত প্ৰৱেশ কৰিলোঁ। ইয়াত কোনো প্ৰৱেশ দ্বাৰ নাই, কিন্তু আমি দেখিয়েই অনুমান কৰি লৈছিলো যে, এয়ায়ে আমাৰ সপোনপুৰী "দ্যা ভেলী অৱ ফ্লাৱাৰ্ছ"। তিনিটা দিনৰ পৰা কৰি অহা বিপদজনক যাত্ৰা, ট্ৰেকিংৰ ভাগৰ, সকলো দুখ-কষ্ট, আমাৰ নিমিষতে উৰি গ'ল । অপূৰ্ব সুন্দৰ উপত্যকাখনি ভাষাৰে বুজাবলৈ শব্দৰ নাটনি হৈ পৰিব ! দূৰ-দুৰলৈয়ে সেউজীয়া ঘাহঁৰ দলিচা আৰু তাত বিভিন্ন ৰং-বিৰংৰ সৰু-ডাঙৰ ফুল । যেনিয়ে চকু যায় কেৱল মনোমোহা ফুলৰ সমাহাৰ ! সুদুৰ পাহাৰৰ বুকুত যেন এয়া স্বৰ্গ, পাহাৰৰ কোলাত ফুলৰ আলিংগন !! আমি সচাঁকৈয়ে অলপপৰৰ বাবে সকলো পাহৰি গ'লো, কাৰো মুখৰ মাত নাই ! প্ৰকৃতিৰ এই মনোমোহা ৰূপৰ কিমান ফটো ল'ম, কিমান কেমেৰাত আৱদ্ধ

কৰিম, এই ৰূপ যে কোনো কেমেৰাতে আৱদ্ধ কৰিব নোৱাৰি! সেইদিনা অনুভৱ হ'ল প্ৰকৃতিক কেমেৰাত আৱদ্ধ কৰিম বুলি ভৰাতো কিমান ডাঙৰ মূৰ্খতা । চকু পানী বৈ আহিল এনে সুন্দৰ দৃশ্য দেখি ।

ইমান দেৰিয়ে আমি থৰ লাগি প্ৰকৃতিৰ সৌন্দয্য এনেদৰে উপভোগ কৰি আছিলোঁ যে বৰষুনৰ কথা প্ৰায় পাহৰিয়ে গৈছিলোঁ। বৰষুণৰ গতিয়ে এইবাৰ ধাৰাষাৰ ৰূপ ধাৰণ কৰিলে। এনেতে দুজন যুৱকক আমাৰ ফালে প্ৰায় দৌৰি অহাৰ দৰে দেখিলোঁ। কথাপাতি গম পালো তেওঁলোক বন্য সুৰক্ষাকৰ্মী। তেওঁলোকে আমাক জনালে যে অতি সোনকালে ভেলী অৱ ফ্লাৱাৰ্ছৰ পথ বন্ধ কৰি দিয়া হ'ব কাৰন ইতিমধ্য ভূমিস্খলন আৰম্ভ হৈ গৈছে, সেয়েহে তেওঁলোকে আমাৰ দৰে আৰু দুটামান ট্ৰেকিংৰ দলক এক নিদিষ্ট ঠাইত একত্ৰিত কৰিছে, যাতে সকলোকে একেলগে সুৰক্ষিত ভাৱে ইয়াৰ পৰা উলিয়াই নিব পাৰে। তেওঁলোকৰ কথা শুনিহে আমাৰ হুঁচ আহিল আৰু ভয় লগিবলৈ ধৰিলে। অলপপৰ পাছত বন্য সুৰক্ষাকৰ্মী দুজনে আমাক সকলোকে অতি সাৱধানে আগুৱাবলৈ নিৰ্দেশ দিলে। যিমান তললৈ নামি আছো বৰষুনৰ পৰিমান কমি আহিছে । এটা সময়ত চিপচিপিয়া বৰষুন এজাকৰ লগে লগে আমি ট্ৰেকিং কৰি গৈ থাকিলোঁ। কাৰো একো হানি-বিঘিনি নঘটাকৈ আমি সকলোয়ে এই অতি বিপদজনক পথটি সুকলমে পাৰ হ'লো। ট্ৰেকিংত পিচল পথৰ বাবে অলপ অসুবিধা হৈছিল যদিও, বিশেষ ডাঙৰ একো অঘটন নোহোৱাকৈ আহি আমি ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যানৰ চেক-গেট পালোহি। ইয়াৰ পাছত ১ কি.মি বাট আমি সকলোয়ে সেই দুৰ্গম পথছোৱাৰ কথা পাতি পাতি আহিয়েই ঘাঙ্গৰিয়াৰ হোটেল পালোহি। সময় তেতিয়া আবেলিৰ প্ৰায় ৪.৩০ টা, হোটেলতে ভেলী অৱ ফ্লাৱাৰ্ছৰ সফল ট্ৰেকিংৰ আনন্দকন সৰুকৈ হলেও চকলেট খায় উদ্‌যাপন কৰিলোঁ।

এটি অতি দুঃসাহসিক আৰু কষ্টকৰ যাত্ৰাৰ পৰিসমাপ্তিত সকলোৰে মনত অপাৰ আনন্দ আছিল । এই যাত্ৰায়ে যেন আমাক বহুতো অভিজ্ঞতাৰে পৰিপূৰ্ণ কৰি তুলিলে । কঠিন পৰিস্থিতিকো নেওঁচি, সকলো পৰিস্থিতি লগত মোকাবিলা কৰিব পৰাকৈ যেন অভিজ্ঞ কৰি তুলিলে। মোৰ সপোনপুৰী ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যানৰ ভ্ৰমণ, আমাৰ জীৱনৰ এক পাহৰিব নোৱাৰা অধ্যায়, দুৰ্গম পাহাৰৰ ওপৰত, জীৱনৰ বহু পাহৰিব নোৱাৰা অভিজ্ঞতাৰে আমি ধনী হৈ ৰ'লোঁ।



# মোৰ ভেনিচ ভ্ৰমণ

দেৱীকা বৰপূজাৰী

জীৱন অদ্ভুত ধৰণৰ এক সাঁথৰ, কেতিয়া ক'ত কাৰ কি হয়, কোন ক'ত থাকিব লগীয়া হয়, কোন ক'লৈ যাবলগীয়া হয় - একোকে পূৰ্ব নিৰ্ধাৰিত নহয়। মোৰ বেলিকাও সেয়ে হৈছিল। লৰা পেৰিছ ত পঢ়ি আছিল, গ'ল আমেৰিকা লৈ। চেমিনাৰত যোগ দিবলৈ! অহাৰ আগদিনা ৰেস্তোৰাঁত খাবলৈ বহুতে লগৰ লেবানন ৰ লৰা এটাই প্ৰস্তাৱ দিলে, আহ পাঞ্জা খেলোঁ। মোৰ লৰা সদায় সাজু হৈ থাকে কিবা নহয় কিবা খেলিবলৈ। গতিকেই খেলা আৰম্ভ হৈ গ'ল আৰু সি জিকিবলৈ লওঁতেই তাৰ সোঁ হাতখন মেটেক কৈ শব্দ কৰি ভাগি গল। ভাগ্য ভাল তাৰ লগত কলেজৰ Programme Director থকা কাৰণে সকলোৱে লগ লাগি তাক হস্পিতাল লৈ গ'ল। এক্সৰেত দেখি চিকিৎসকে ক'লে বেয়াকৈ ভাগিছে, গতিকে দুদিনৰ ভিতৰতে অস্ত্ৰোপচাৰ কৰিব লাগিব। কিন্তু আমেৰিকা ত চিকিৎসা কৰা মানে দেউলীয়া হোৱা, গতিকেই তেওঁলোকেই পৰামৰ্শ কৰি মোৰ ল'ৰাটোক মুম্বাই লৈ পঠাই দিলে। সি বেচেৰা বিষ নিৰাময়ৰ ঔষধ খাই, ভগা হাতেৰে বিশ ঘণ্টা ভ্ৰমণ কৰি মুম্বাই পালেহি আৰু মই মুম্বাইৰ হস্পিটেলৰ শল্য চিকিৎসকৰ লগত কথা পাতি পাছদিনাই অস্ত্ৰপ্ৰচাৰ কৰা হল। এমাহৰ পাছত ল'ৰাৰ তত নোহোৱা হল উভতি যাবলৈ ,কাৰণ পৰীক্ষা দিবলৈ আছে। কিন্তু তাৰ হাতৰ অৱস্থা দেখি ডাঃ য়ে তাক কোনোপধ্যে ই অকলে যাবলৈ অনুমতি নিদিয়ে কাৰণ ভগা হাতেৰে সি একোকেই নিজে কৰিব নোৱাৰে ! গতিকেই পৰিকল্পনা বিহীন ভাবে ময়ো যাবলগীয়া হ'ল।

লাহে লাহে সি পাছত আমি মিলান আৰু স্কুলতেই পঢ়িছিলোঁ Venice. ভবা কিন্তু আজৰ চহৰ খন দেখিম! উত্তৰ ভেনিছ, এড্ৰিয়াটিক সাগৰৰ বেছি দ্বীপ ৰে বেষ্টিত ভেনিছ, কেৱল বিয়াগোম খাল (Ca- কৰিবলৈ অসুবিধা, পানীৰ ৰেনেচা যুগৰ পুৰণি ভাস্কৰ্য ঠাইবোৰ হল, Central San Marco আৰু গুলপীয়া আৰু বগা মাৰ্বলৰ খ্ৰীষ্টমাছৰ আগে আগে ডাঙৰ ভেনিছৰ ৰং ৰহৈছে ভালপোৱা লগতে হৰেক ৰকমৰ মুখা সবাতোকৈ ভ্ৰমণকাৰীৰ সোঁত লৈকে।



ভাললৈ অহাত ডেৰ মাহৰ ভেনিচ লৈ গ'লোঁ। The Merchant of নাছিলোঁ যে কেতিয়াবা এই ইটালীৰ ভেনিত ৰ ৰাজধানী পৰা বিছিন্ন হোৱা এশত কৈও য'ত কোনো বাট পথ নাই, nal) নেদেখিলে বৰ্ণনা মাজতে কিদৰে থিয় দি আছে সমূহ! ইয়াৰ চাব লগীয়া Sauare, Piazza Doge's palace. Doge's palace ত কৈ carvival হয়, যত সকলে নানা তৰহৰ পোছাকৰ পিন্ধি ফুৰ্তি কৰে। ভেনিছ ত বয় জুন মাহৰ পৰা আগষ্ট

ভেনিছ ৰ বহুকেইটা দলঙৰ চহৰ,উপঙা চহৰ, নাম - পানীৰ চহৰ, মুখাৰ চহৰ, খালৰ চহৰ আৰু এড্ৰিয়াটিকৰ



ৰাণী।


ভেনিছ ত এটাই মাথো মুখ্য আৰু দুটা কাষৰীয়া পথ। এশ সত্তৰ টা খাল এই পানীৰ চহৰৰ মাজত আছে, বাকীবোৰ সৰু সৰু দলং আৰু অতি ঠেক গলি।

ভাবিলে আচৰিত লাগে যে পানীৰ ওপৰত থকা এই প্ৰকাণ্ড অট্টালিকা সমূহৰ মূল foundation হল একপ্ৰকাৰৰ কাঠ। ভেনিছ ৰ বুৰঞ্জী জানিবলৈ হ'লে বহু বছৰ পিছুৱাই যাব লাগিব। সৰু সৰু দ্বীপ ত বোকা, বালি আৰু কাঠৰ সংমিশ্ৰণ ত এই অট্টালিকা বোৰ সজা হৈছিল। কিন্তু প্ৰশ্ন আহে, যিহেতু কাঠ পঁচি যায়, কিদৰে ভেনেছিয়ান সকলে এই কাম কৰিবলৈ সাহ কৰিছিল? কাঠে অক্সিজেন লব নোৱাৰে কাৰণ এইবোৰ বোকা আৰু পানীৰ তলত, তদুপৰি অহৰহ mineral rich পানী সৰবৰাহ হৈ থকাৰ হেতুকে কথাবোৰ আজিও মজবুট, শিলৰ দৰেই। কি যে কাৰিকৰী আৰু স্থাপত্য বিদ্যাৰ উদাহৰণ এই ভেনিছ!!

ভেনিছৰ পুৰণি আৰু বিখ্যাত খাদ্য হল Risi Bisi, মানুহৰ ঘৰত আৰু সৰহভাগ ৰেস্তোৰাঁ তে এই খাদ্য পোৱা যায়। অতি সাধাৰণ আৰু মুখৰোচক এই খাদ্য চাউল আৰু সেউজীয়া মটৰ ৰ সংমিশ্ৰণ, লগতে ডাঠ কৈ কটা ইটালীয়ান বেকণ।

যদিও ভেনিছ সুৰক্ষিত ,তথাপি পিক পকেট কৰা লোকৰ অভাৱ নাই যিহেতু ঠাইখন ভ্ৰমণকাৰীৰ স্বৰ্গ। ভেনিছ ক পুৰাকৈ উপভোগ কৰিবলৈ হলে ত্ৰিছ মিনিটৰ Gondola ride লোৱাটো আন এক আকৰ্ষণ।

পানীৰ চহৰৰ মুখ্য যাতায়ত শ শ চৰকাৰী বেচৰকাৰী ফেৰী, যাক metro বুলি কোৱা হয়। Rialto bridge খনে সমগ্ৰ ভেনিছ খন কিদৰে সাঙুৰি লৈছে ,নেদেখিলে বৰ্ণাব নোৱাৰি। আকৌ এবাৰ পাৰিলে এই চহৰলৈ আহিব লাগিব বুলি বিদায় বেলিকা মনটো গধুৰ হৈ পৰিছিল।



বিশেষ সংযোজন

# অৰ্দ্ধ-আকাশলৈ একলম

বৰ্তমান সময়ৰ শক্তিশালী মাধ্যম ফেচবুকৰ মজিয়াত জন্ম হোৱা "অৰ্দ্ধ আকাশ" নামৰ গ্ৰুপটোৰ লগত প্ৰথম দিনৰ পৰাই মই জড়িত হৈ আছোঁ। এইখন যেন মহিলাৰ এখন সুকীয়া পৃথিৱী। য'ত বিনা সংকোচে মনৰ সকলো ভাব মুকলিকৈ আদান-প্ৰদান কৰিব পাৰিছোঁ। "অৰ্দ্ধ আকাশ"ৰ বুকুত সৃষ্টি হৈছে বহু লেখিকা। যি সময়ত অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ কমা বুলি আলোচনা হৈছে, আজি কিন্তু এই মজিয়াত অসমীয়া ভাষাৰ প্ৰতি হাজাৰ গৰাকীৰ আগ্ৰহ বঢ়া দেখিছোঁ। বৰ্তমান সময়ত এইয়া এক বৃহৎ সফলতা। সংসাৰৰ ব্যস্ততাত বহু বছৰ পঢ়িবলৈ আৰু লিখিবলৈ এৰিছিলোঁ। এতিয়া আগ্ৰহ বাঢ়িছে। "অৰ্দ্ধ আকাশৰ" মজিয়াত কলম ধৰিব শিকিছোঁ নতুনকৈ। মোৰ দৰে হয়তো বহুতেই কলম ধৰিছে আকৌ। বহুতৰ কলমৰ আগত হয়তো শব্দই খেলিছে এতিয়া। সৃষ্টি হৈছে কবিতা, গল্প, উপন্যাস আদি। আজি ফেচবুক মজিয়াৰ পৰা ছপাশাললৈ যাত্ৰা "অৰ্দ্ধ আকাশ"ৰ। আমাৰ লিখনী প্ৰকাশ হ'ব। এইয়া বহুত সুখৰ কথা। অন্তৰৰ পৰা "অৰ্দ্ধ আকাশ"ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। আমাক নতুনকৈ পঢ়িবলৈ, লিখিবলৈ আৰু মনৰ সকলো কথা আলোচনা কৰিবলৈ এইখন মজিয়া দিয়াৰ বাবে জয়শ্ৰী মেছ গগৈ, কৰবী চৌধুৰী প্ৰধান আৰু এডমিন সকলক আন্তৰিক ধন্যবাদ জনালোঁ।

বেবীৰাণী দেৱী
গুৱাহাটী

